a

# SAMIYA SAHITYAR CHANEKI

OR

# TYPICAL SELECTIONS

FROM

# ASSAMESE LITERATURE

## Vol. II

## VAISNAVA PERIOD

### Part I

EDITED BY

HEMCHANDRA GOSWAMI

ASSAM CIVIL SERVICE

PUBLISHED BY THE

UNIVERSITY OF CALCUTTA

1024

*38485*

PRINTED BY BHUPENDRALAL BANERJEE
AT THE CALCUTTA UNIVERSITY PRESS,
SENATE HOUSE, CALCUTTA.

Reg No. 57B—28-1-24—500.

# নিৰ্ঘণ্ট।

## শঙ্কৰদেৱ।


| বিষয় | পিঠি |
| --- | --- |
| কীৰ্ত্তন | ২—১৩ |
| ভাগৱত—দশম স্কন্ধ | ১৪—৪৯ |
| ভাগৱত—একাদশ স্কন্ধ | ৪৯—৮০ |
| ভাগৱত—দ্বাদশ স্কন্ধ | ৮১—৯০ |
| ৰুক্মিণী-হৰণ | ৯১—১০৫ |
| অনাদি পাতন | ১০৬—১১৪ |
| বলি ছলন | ১১৪—১২৯ |
| উদ্ধৱ সংবাদ | ১২৯—১৩৭ |
| হৰিশ্চন্দ্ৰ উপাখ্যান | ১৩৮—১৪৪ |
| ৰামায়ণ-উত্তৰাকাণ্ড | ১৪৫—১৫৯ |
| কৃষ্ণ গুণমালা | ১৫৯—১৬৫ |
| ভটিমা | ১৬৬—১৬৯ |
| চপয় | ১৭০—১৭৫ |
| বড়গীত | ১৭৬—১৮০ |
| চতিহা | ১৮১—১৮২ |
| অঙ্কীয়া নাট | ১৮২—১৯৮ |


## মাধৱদেৱ।


| | |
| --- | --- |
| ৰামায়ণ-আদিকাণ্ড | ১৯৯—২১৮ |
| নামঘোষা | ২১৮—২২৮ |
| নাম মালিকা | ২২৮—২৪৭ |
| ভক্তিৰত্নাৱলী | ২৪৭—২৭৬ |
| ৰাজসূয় | ২৭৬—২৯৮ |
| ভটিমা | ২৯৯—৩০১ |
| বড়গীত | ৩০১—৩০২ |

## ৰামসৰস্বতী ।


| বিষয় | | | | পিঠি |
|---|---|---|---|---|
| লক্ষ্মী চৰিত | ... | ... | ... | ... ৩০৩—৩১১ |
| মহাভাৰত-ভীষ্মপৰ্ব্ব | | ... | | ... ৩১১—৩২৩ |
| ভীম চৰিত | ... | ... | | ৩২৩—৩৩২ |
| বঘাসুৰ বধ | | ... | ... | ... ৩৩২—৩৫২ |
| সিন্ধু-যাত্ৰা | ... | ... | ... | ... ৩৫২—৩৭০ |


## অনন্ত কন্দলি ।


| | | | | |
|---|---|---|---|---|
| ৰামায়ণ—অযোধ্যাকাণ্ড | | | ... | ... ৩৭১—৩৯০ |
| ভাগৱত—দশম স্কন্ধ | | ... | ... | ... ৩৯০—৪২০ |

# অসমীয়া সাহিত্যৰ চানেকি

## শঙ্কৰ দেৱ।

[এইজনা মহাপুৰুষেই আসামত বৈষ্ণৱ ধৰ্ম্ম প্ৰবৰ্ত্তায়। এওঁ ১৪৪৯ খৃঃ আঃ ত নগাওঁ জিলাৰ বৰদোৱা গাৱঁত জন্মগ্ৰহন কৰে। এওঁৰ পিতৃৰ নাম কুসুমবৰ ভূঞা আৰু মাতৃৰ নাম সত্যসন্ধা আছিল। শঙ্কৰদেৱ নিচেই সৰু থাকোতেই তেওঁৰ পিতৃ মাতৃৰ বিয়োগ হয়, আৰু তেওঁক বুঢ়ীমাকে তুলিতালি ডাঙৰ কৰে। সেই সময়ৰ বিখ্যাত পণ্ডিত মহেন্দ্ৰ কন্দলীৰ শিঙৰিত এখন টোল আছিল, সেই টোলতে শঙ্কৰদেৱে প্ৰথমে সংস্কৃত শিক্ষা লাভ কৰে। অলপ দিনৰ ভিতৰতে তেওঁ সংস্কৃতত বিচক্ষণ পণ্ডিত হৈ উঠে আৰু আসামত সৰ্ব্বসাধাৰণ প্ৰজাৰ মাজত পৱিত্ৰ ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ মন কৰে। সেই উদ্দেশ্যে বহুত সংস্কৃত গ্ৰন্থ সৰ্ব্বসাধাৰণে বুজিব পৰাকৈ অসমীয়া ভাষালৈ ভাঙি অসমীয়া সাহিত্য ভড়াল চহকী কৰে। কছাৰী ৰজাৰ লগত আসাম ৰজাৰ যুদ্ধ হোৱাত নগাওঁ অঞ্চলত কিছু অত্যাচাৰ হয় আৰু সেই বাবে ১৫৩০ খৃঃ আঃ ত শঙ্কৰদেৱ বৰদোৱা এৰি মাজুলীৰ বেলগুৰি আদি ঠাইত প্ৰায় ১২ বছৰ থাকি ১৫৪২ চনত বৰপেটালৈ যায়। তেওঁ বেলগুৰিত থাকোতেই তেওঁৰ অন্তৰঙ্গ শিষ্য আৰু ধৰ্ম্ম প্ৰচাৰৰ প্ৰধান সহায় মহাপুৰুষ মাধৱদেৱ আহি তেওঁৰ লগ লাগে। ১৫৬০ চনলৈকে শঙ্কৰদেৱ বৰপেটাত থাকে, পাছে তাৰ পৰা কোচবিহাৰলৈ যায় আৰু কোচবিহাৰতে ১৫৬৮ চনত স্বৰ্গী হয়। শঙ্কৰদেৱে লিখা পুথিবিলাক এই, হৰিশ্চন্দ্ৰ; উদ্ধৱ সংবাদ; চিহ্নযাত্ৰা; ভাগৱতৰ প্ৰথম, দ্বিতীয়, অষ্টম, একাদশ, দ্বাদশ স্কন্ধ আৰু দশমস্কন্ধৰ আদিভাগ; কীৰ্ত্তন; ৰামায়ণ, উত্তৰাকাণ্ড; ৰুক্মিণীহৰণ; উৎকলমালা; নিমিনৱসিদ্ধসম্বাদ; বৈষ্ণৱামৃত; অনাদি পাতন; ভক্তিপ্ৰদীপ; ভক্তিৰত্নাকৰ (সংস্কৃত), লীলামালা; অজামিলোপাখ্যান; নামমালিকা; প্ৰেমকলসী ঘোষা; কুৰুক্ষেত্ৰ; বলিছলন; কালীয়দমন নাট; পাৰিজাতহৰণ নাট; সীতা-স্বয়ম্বৰ নাট; কোটোনা খেলা নাট; গোৱালী পাৰা নাট; ৰাসযাত্ৰা নাট; পত্নীপ্ৰসাদ নাট।]

## কীৰ্ত্তন।

### স্যমন্ত হৰণ।

ঘোষা ॥ ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ ॥

শুক মুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
কৃষ্ণক কলঙ্ক দিয়া ডৰি সত্ৰাজিত ॥
আপোনাৰ কন্যা আনি দিলেক কৃষ্ণক।
স্যমন্তক মণি দিলা লগত যৌতুক ॥
শুকত সোধন্ত ডুনাই ৰাজা পৰীক্ষিত।
দিলে কিবা কলঙ্ক কৃষ্ণক সত্ৰাজিত ॥
কৈত পাইলে স্যমন্তক মণি মহাৰত্ন।
কি হেতু কৃষ্ণক কন্যা দিলে কৰি যত্ন ॥
শুক নিগদতি শুনিয়োক পৰীক্ষিত।
সূৰ্য্যৰ পৰম ভক্ত সখা সত্ৰাজিত ॥
তুষ্ট হুয়া সূৰ্য্যে স্যমন্তক তাঙ্ক দিলা।
সত্ৰাজিতে মহামণি কণ্ঠত পিন্ধিলা ॥
সূৰ্য্য যেন প্ৰকাশিয়া আসে দ্বাৰকাক।
ৰশ্মিয়ে চক্ষুক পীড়ে দেখি প্ৰজা জাক ॥
আসন্ত আদিত্য বুলি মনত শঙ্কিয়া।
কৃষ্ণৰ পাশক সবে যায় লৰৰিয়া ॥
সভাত খেলন্ত পাশা প্ৰভু পীতাম্বৰ।
আথেবেথে দেয় জান প্ৰজা নিৰন্তৰ ॥
নমো নাৰায়ণ শঙ্খ চক্ৰ গদাধৰ।
অৰবিন্দ লোচন গোবিন্দ দামোদৰ ॥
তোমাক দেখিবে লাগি ত্ৰিজগত পতি।
আসন্ত আদিত্য হেৰা দেখিয়ো সম্প্ৰতি ॥

সবাৰ চক্ষুক পীড়ি আসে ৰশ্মিজালে।
তোমাক অন্বেষ কৰে দশো দিগপালে॥
পুৰাণ পুৰুষ তুমি সনাতন হৰি।
যদুকুলে অৱতৰি আছা ছদ্ম কৰি।
তাতেসে আসন্ত সূৰ্য্যো দেখিবে তোমাক।
বোলা হৰি হৰি উদ্ধাৰিয়ো আপোনাক॥

---

ঘোষা॥ গোপাল গোবিন্দ যদু নন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ॥

শুনিয়া হাসি চাহি চক্ৰপাণি।
নোহন্ত আদিত্য বুলিলা বাণী॥
মণিৰ ৰশ্মি হুয়া প্ৰকাশিত।
গৃহক লাগি আসে সত্ৰাজিত॥
সত্ৰাজিতে পাছে গৃহক পাইলা।
অনেক মাঙ্গল্য বাদ্য বজাইলা॥
দেৱৰ গৃহে পশি প্ৰণিপাতে।
নিবেদিল মণি বিপ্ৰৰ হাতে॥
মণিৰ মহিমা কি কৈবো আৰ।
সুবৰ্ণ নিতে স্ৰবে অষ্ট ভাৰ॥
যি থানে থাকে সিতো স্যমন্তক।
নাহিক দুৰ্ভিক্ষ মাৰি মৰক॥
নাহিকে ব্যাধি ব্যাঘ্ৰ সৰ্প ভয়।
একো উপসৰ্গ নোপজে তয়॥
দিনেক মণি খুজিলন্ত হৰি।
নিদিলা সত্ৰাজিতে গহ কৰি॥
প্ৰসেন নামে তাৰ ভাতৃ আছে।
কণ্ঠত মণিক পিন্ধিয়া পাছে॥
ঘোড়াত চড়ি মহা ৰঙ্গ মনে।
মৃগক মাৰি ফুৰে বিজুবনে॥

দেখি সিংহে তাক নখে বিদাৰি।
ঘোড়ায় সহিতে পেলাইলা মাৰি॥
কণ্ঠৰ মণিক ছিণ্ডিয়া লই।
চড়িলা গিৰি শৃঙ্গে সিংহ গই॥
দেখি জাম্বৱন্ত বীৰ বীড়ঙ্গ।
লৈলন্ত মণিক মাৰিয়া সিংহ॥
স্যমন্ত মণিক গৰ্ত্তক নিলা।
ওমলাবে লাগি শিশুক দিলা॥
বিচিত্ৰ মণি গোট ধৰি ধাই।
বাটত শিশু ফুৰে ওমলাই॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে॥

---

ঘোষা॥ বনমালী জগমোহন ৰাম।
যোনো মোৰ মুখে ছাড়ে ৰাম কৃষ্ণ নাম॥

ভ্ৰাতৃক নেদেখি অনন্তৰে সাত্ৰাজিত।
মহা শোকে ক্ৰন্দন কৰিল বিপৰীত॥
স্যমন্তক পিন্ধি গৈল বনক ভয়াই।
জানিলো মাৰিলে কৃষ্ণে নিৰ্জ্জনত পাই॥
খুজি নপাই ভাইক মাৰি কৃষ্ণে নিল মণি।
শুনি সৰ্ব্বলোকে আক কৰে কণাকাণি॥
বেকত নকহে কেহো মাধৱক ডৰে।
পাইলেক কলঙ্ক মোক শুনি দামোদৰে॥
কিমতে দুৰ্যশ চাও গুণি ভগৱন্ত।
লগে লৈয়া নগৰীয়া সেনা অপৰ্য্যন্ত॥
প্ৰসেনৰ পথে চলি যান্ত বনমালী।
প্ৰৱন্ধে ঘোড়াৰ সিতো খোজক নিহালি॥
কত দূৰ গৈয়া পাছে দেখিল মহিত।
প্ৰসেন পৰিয়া আছে ঘোড়ায় সহিত॥

সিংহে মাৰি মণি নিলা জানি বনমালী।
উঠিলা পৰ্ব্বতে তাৰ খোজক নিহালি॥
মৰি পড়ি আছে সিংহ দেখিলা মুৰাৰি।
জানিলো ভালুকে মণি নিলা আঙ্ক মাৰি॥
দেখি সৰ্ব্বজন ভৈল মনত নিঃশঙ্ক।
মিছাত পাইলন্ত কৃষ্ণে দাৰুণ কলঙ্ক॥
খোজ গুড়ি ভালুকৰ গৰ্ত্ত পাইলা হৰি।
ঘোৰ অন্ধকাৰে আছে গৰ্ত্তক আবৰি॥
দেখি সেনাগণ সবে বাহিৰত থই।
একেশ্বৰে গৰ্ত্তে কৃষ্ণ প্ৰবেশিলা গই॥
তথাত মণিক কৃষ্ণে দেখিলন্ত পাছে।
হাতে লৈয়া ধাই শিশু ওমলান্তে আছে॥
কাঢ়ি লৈবে লাগি হৰি সমীপ চাপিলা।
হেন দেখি ভয়ে ধাই ধাউ গেড়ি দিলা॥
কোথাৰ মনুষ্য গোটে মণি নেয় হৰি।
আবে ঋক্ষৰাজ লাগ লোৱা ঝাণ্ট কৰি॥
এহি বুলি ধাই আতি কৰে আৰ্ত্তনাদ।
বোলা হৰি হৰি ছাড়া বিষয় বিষাদ॥

---

ঘোষা॥ ৰামকৃষ্ণ গোপাল।
ত্ৰাহি ত্ৰাহি কৃপাল॥

হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলৱন্ত॥
নিচিনি স্বামীক পাছে।
ধৰিলন্ত যুদ্ধ কাছে॥
সামান্য মনুষ্য বুলি।
মহাক্ৰোধে গৈল জ্বলি॥
নজানি প্ৰভাৱ আতি।
লগাইলেক হতাহতি॥

দুয়ো হুয়া মহাক্রুদ্ধ ।
লগাইলেক ঘোৰ যুদ্ধ ॥
দুয়ো মাতঙ্গৰ লীলা ।
ধৰিযে পৰ্ব্বত শিলা ॥
কতো মেলি হানে গাছ ।
কতো কোপে চাপে কাছ ॥
যুজিলন্ত মাল বন্ধে ।
ধৰি ভৰি.ভৰি-ছন্দে ॥
দুইবো দুইকো নাহি তুষ্টি ।
হানে বজ্র সম মুষ্টি ॥
মাংসৰ কাৰণে যেন ।
যুজন্ত দুগোট সেন ॥
কেহ বলে নুহি ক্ষীণ ।
যুজন্ত আঠাইশ দিন ॥
কৃষ্ণৰ প্রহাৰ পাই ।
পাছে মহা ঋক্ষ ৰায় ॥
শ্রান্ত ভৈলা মহাদুঃখে ।
নিশ্বাস বজাইলা মুখে ॥
ভাগে যেন কটিস্কন্ধ ।
শৰীৰৰ ছিণ্ডে বন্ধ ॥
গোড়ে ঘাম যায় বহি ।
ক্ষণেক স্তম্ভিলা ৰহি ॥
সমস্ত সমাজে ঢাকি ।
হৰি হৰি বোলা ডাকি ॥

---

ঘোষা ॥

ত্রাহি দেৱ দামোদৰ যাদৱানন্দ ।
দীন দয়াশীল স্বামী ॥
কৰাহা নিস্তাৰ তোমাৰ চৰণে ।
শৰণ পশিলো আমি ॥

কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ
পৰম বিস্ময় মনে।
স্বামী হেনজানি বুলিবে লাগিল
প্ৰণামি কৃষ্ণ চৰণে॥
জানিলো তোমাক জগত ঈশ্বৰ
তুমি সনাতন হৰি।
সমস্ত ভূতৰ তুমি প্ৰাণ বল
জগতকে আছা ধৰি॥
স্ৰষ্টাৰো স্ৰষ্টা তুমি সৰ্ব্ব দ্ৰষ্টা
উদ্ধাৰি ধৰিলা ভূমি।
জীৱৰ নিয়ন্তা পৰম আতমা
মৃত্যুৰ অন্তক তুমি॥
জানিলো তোমাক সেহি ৰঘুনাথ
যিতো ইষ্টদেৱ মোৰ।
সীতাৰ সন্তাপে জগতৰ বাপে
কৰিলা প্ৰয়াণ ঘোৰ॥
যাৰ মহাক্ৰোধে কটাক্ষতে গ্ৰাহে
সাগৰ কল্লোল কৰে।
লঙ্কাক লাগিয়া মাজে বাট দিলা
ডৰিয়া অতি সাগৰে॥
জানকীৰ হেতু বান্ধিলাহা সেতু
দহিলা লঙ্কা নগৰী।
ৰাৱণৰ মাথ কাটিলাহা নাথ
আনিলা সীতা উদ্ধৰি॥
আগে নিচিনিলোঁ এবেসে জানিলোঁ
তেন্তে তুমি শ্ৰীৰাম।
অজ্ঞানীক মোক প্ৰভু ক্ষমিয়োক
চৰণে কৰোঁ প্ৰণাম॥

এতেক বুলিয়া নমি জাম্বৱন্ত
আছে কৃতাঞ্জলি কৰি ।
শুনা সৰ্ব্বজন নেড়িবা কীৰ্ত্তন
ডাকি বোলা হৰি হৰি ॥

---

ঘোষা ॥ হৰিৰ চৰণ চিন্তিয়ো চিত্ত হৃদয়ে সৰ্ব্বথা ।
মুখে ৰাম বোল কৰ্ণে শুন কৃষ্ণ কথা ॥

হেন স্তুতি বাণী শুনি দৈবকী তনয় ।
চাইলা দয়া দৃষ্টি ভকতক কৃপাময় ॥
মাজিলা অমৃত হাতে সমস্ত শৰীৰ ।
ভৈলন্ত নিৰুজ জাম্বৱন্ত মহাবীৰ ॥
মেঘৰ গম্ভীৰ ধ্বনি দিলা সমিধান ।
মণি হেতু ঋক্ষৰাজ আইলো তযু স্থান ॥
তুমি আনি আছা মহামণি স্যমন্তক ।
মিছাত সমস্তে দেয় আমাক কলঙ্ক ॥
পৰম ভকত তুমি জানোহো তোমাক ।
দিয়া মণি মোক মই নেওঁ দ্বাৰকাক ॥
গুচোক দুৰ্যশ দেখাওঁ লোকত প্ৰত্যয় ।
শুনি আনন্দিত জাম্বৱন্ত মহাশয় ॥
তান কন্যাৰত্ন আছে নামে জাম্বৱতী ।
কৃষ্ণক বিবাহ দিলা ৰঙ্গে ঋক্ষপতি ॥
লগত যৌতুক আনি দিলন্ত স্যমন্ত ।
পৰম আনন্দ দেখি ভৈল ভগৱন্ত ॥
গৰ্ত্তৰ বাজত যত প্ৰজা আছে ৰহি ।
কৃষ্ণক চাহন্তে বাৰ দিন গৈল বহি ॥
নাসিবাৰ দেখি ভৈল পৰম দুঃখিত ।
নিবৰ্ত্তিয়া জান দিলা দ্বাৰকা পুৰীত ॥
গৰ্ত্তত পশিলা মণি হেতু যদুৰায় ।
বাৰদিন তথাতে আছিলো বাট চাই ॥

উলটি নাসিল কৃষ্ণ কিবা অথন্তৰ।
বোলা হৰি হৰি তৰা সংসাৰ সাগৰ ॥

---

ঘোষা ॥ ত্ৰাহি যদুনন্দন দেৱ।
পায়ে পৰি কৰো সেৱ ॥

বসুদেৱে হেন শুনি।
স্তব্ধ ভৈলন্ত গুণি ॥
ৰুক্মিণী মূৰ্চ্ছিতা অতি।
কান্দন্ত দৈৱকী সতী ॥
শোকে যায় প্ৰাণ ফুটি।
ভূমিত পাড়ন্ত লুটি ॥
পুত্ৰ হৰুৱাওঁ যোনো।
শ্যামল সুন্দৰ তনু ॥
পীত বস্ত্ৰে শোভে কায়।
মেঘত বিজুলী প্ৰায় ॥
মুখ চন্দ্ৰো নুহি সৰি।
কমল লোচন হৰি ॥
কৰ্ণত কুণ্ডল দোলে।
বনমালা শোভে গলে ॥
ভ্ৰমৰে নছাড়ে লোভে।
শিৰত কিৰীটি শোভে ॥
কণ্ঠত কৌস্তুভ মণি।
প্ৰভাতৰ সূৰ্য্য জিনি ॥
একো অঙ্গে নুহি ৰুজ।
আজানুলম্বিত ভুজ ॥
কেয়ূৰ কঙ্কণে ৰঞ্জে।
পাদ পঙ্কজক গঞ্জে ॥
ৰত্নৰ নূপুৰ বাজে।
মেখলা কটিৰ মাজে ॥

কোটি কন্দৰ্পক জিনি।
প্ৰকাশন্ত যদুমণি ॥
হেন কৃষ্ণ মোৰ বাপ।
এবাওঁ কৈত তান তাপ ॥
যতেক বান্ধৱ জ্ঞাতি।
কৰন্ত বিলাপ আতি ॥
সমস্ত নগৰী লোকে।
কৰন্ত বিলাপ শোকে ॥
সত্ৰাজিত ধূমকেতু।
তইসে নাশৰ হেতু ॥
নাৰীগণে পাৰে গালি।
সত্ৰাজিত পুত্ৰ খালি ॥
কৃষ্ণক কলঙ্ক দিয়া।
এভু পাপী আছে জীয়া ॥
দ্বাৰকা পুৰক ছানি।
কৰে হাহাকাৰ ধ্বনি ॥
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে ॥
কৃষ্ণৰ কীৰ্ত্তন কৰি।
ডাকি বোলা হৰি হৰি ॥

---

ঘোষা ॥ ও হৰি দীন দয়াল,
গোপাল পালিয়া নিয়া,
তোমাৰ নাম মুখে ফুৰো নিয়া,
তোমাৰ চৰণ চিন্তোক হিয়া ॥

পাছে যদুবংশ যতেক আছে।
কৃষ্ণ আসন্তোক মনত বাঞ্ছে ॥
যাৰ যেন শক্য পাৰিলা মানে।
পূজিলা দুৰ্গাক বলি বিধানে ॥

মায়াক আবাধি সাধন্ত বৰ।
সত্বৰে আসন্তোক দামোদৰ ॥
পঢ়ি স্তুতি স্তোত্ৰ কৰে মঙ্গল।
সিতো আশীৰ্ব্বাদ ভৈল সফল ॥
ভাৰ্য্যায়ে সহিতে আসিলা হৰি।
গ্ৰীৱাত স্যমন্তক মণি ধৰি ॥
দেখন্ত সবে আইলা যদুৰাই।
মৰি উপজিল যেন দুনাই ॥
লগতে কন্যাক আসিলা লই।
সমস্ত সুহৃদে বেঢ়িলে গই ॥
পৰম ৰঙ্গে কৰে শুভ শুভ।
শিৰত সিঞ্চিলে অক্ষত দূৰ্ব ॥
পাছে দিব্য সভা মাধৱে পাতি।
আনিলন্ত সত্ৰাজিতক মাতি ॥
যি মতে মণিক পাইলন্ত তথা।
ৰাজ সমাজত কহিলা কথা ॥
সাক্ষী কৰি হৰি সবে সভাতে।
দিলা মণি সত্ৰাজিতৰ হাতে ॥
হাতত মণি লৈয়া সত্ৰাজিত।
ভৈলন্ত লাজ অতি বিপৰীত ॥
কৰে অনুতাপ মন অসুখে।
গৃহক লাগি গৈল অধোমুখে ॥
আপুনি কৃষ্ণক বিৰোধ কৰি।
ৰাত্ৰি দিনে গুণে নিদ্ৰাক এড়ি ॥
মই মহামূঢ় পাপী নৃশংস।
মিছাত কৃষ্ণক দিলো কলঙ্ক ॥
কিমতে এৰাইবো লোকৰ শাপ।
কেনে তুষ্ট হোন্ত জগত বাপ ॥
কিমতে কৃষ্ণৰ ৰঞ্জিবো চিত্ত।
গুণন্ত এহি বুলি সত্ৰাজিত ॥

কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
হৰি হৰি বোলা সমস্ত নৰে॥

---

ঘোষা॥

হৰি ৰাম ৰাম ৰাম ৰাম ৰাম হৰি।
ডাকিয়া ঘুষিয়ো শীঘ্ৰ কৰি॥

দেওঁ কন্যা বিবাহ কৃষ্ণক।
দিবো মণি স্যমন্ত যৌতুক॥
তেবেসে সন্তুষ্ট হোন্ত হৰি।
নেদেখো উপায় আত কৰি॥
হেন মনে নিয়ম কৰিয়া।
মণি সমে কন্যা দিলে নিয়া॥
পায়া সত্যভামাক অচ্যুতে।
কৰিলা বিবাহ বিধিব্ৰতে॥
ৰূপে গুণে জগতৰে ধন্যা।
খুজিলে অনেকে সিতো কন্যা॥
কাহাকো নিদিলা সত্ৰাজিতে।
কৃষ্ণে পাই ভৈল কৃতকৃত্য॥
শ্বশুৰক বুলিলা বচন।
নাহিকে মণিত প্ৰয়োজন॥
তোমাত থাকোক স্যমন্তক।
তুমি সত্ৰাজিত অপুত্ৰক॥
তোমাৰ সৰ্ব্বস্ব সবে মোৰ।
নিয়া মণি এড়া চিন্তা ঘোৰ॥
শুনি সত্ৰাজিত ৰঙ্গ ভৈলা।
স্যমন্তক লৈয়া ঘৰে গৈলা॥
অনন্তৰে জগতৰে নাহ।
কৰি সত্যভামাক বিবাহ॥
ক্ৰীড়িলা আনন্দে নাৰায়ণ।
যিতো শুনে স্যমন্ত হৰণ॥

এড়ায় কলঙ্ক মহা পাপ ।
দূৰ যায় সংসাৰৰ তাপ ॥
হোৱে সিদ্ধি মনৰ বাঞ্ছিত ।
জানি শুনা কৃষ্ণৰ চৰিত ॥
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে ।
কীৰ্ত্তন নেড়িবা একো নৰে ॥
আত পৰে নাহিকে উপায় ।
বেদৰ এহিসে অভিপ্ৰায় ॥
মায়াময় পুত্ৰ দাৰা গেহ ।
কেতিক্ষণে পড়ে ইতো দেহ ॥
আক নেদেখিয়া কিনো অন্ধ ।
বিষয়ত তথাপি প্ৰবন্ধ ॥
আন চিন্তা সবে পৰিহৰা ।
মিছা মোৰ মোৰ কৰি মৰা ॥
অন্তকে কেশত আছে ধৰি ।
জানি ডাকি বোলা হৰি হৰি ॥

---

## ভাগৱত—দশম স্কন্ধ ।

### বাৰিষা বৰ্ণন ।

শুকমুনি পৰিক্ষীত ৰাজাত কহিল ।
গ্ৰীষ্ম গৈল ঋতু আসি বাৰিষা মিলিল ॥
সূৰ্য্যৰ মণ্ডলে কৰে বিবিধ প্ৰকাশ ।
তাৰ ৰশ্মি চিকিমিকি কৰয় আকাশ ॥
বহে খৰ্ব্ব বায়ু নুশুনয় মাত বোল ।
গগণক ঢাকি মহা মেঘৰ আন্দোল ॥

ঘনে ঘনে দেই অতি বিজুলী চমক।
লাগে ঝিৰিমিৰি আসি চক্ষুত জমক॥
নাকলয় চন্দ্ৰ সূৰ্য্য জ্যোতি তাৰাগণ।
যেন জীৱ আত্মা শৰীৰত ভৈল ছন্ন॥
আঠ মাস নিলে শুষি পৃথিবীৰ ৰস।
দুনাই সূৰ্য্যে এড়ি দেন্ত বাৰিষা কালত॥
বিদ্যুত সঞ্চাৰে চণ্ড বতাস চঞ্চল।
নিৰন্তৰে মেঘ সৰে বৰিষিল জল॥
খাল বাম ভৰি ভূমি ভাগি বৰে জান।
যেন মহা মহন্তে দুখীক দিলে দান॥
গ্ৰিষ্মত আছিল শুকাই ৰৌদ্ৰ তাপ সহি।
বৃষ্টি জল পাই দুনাই পুস্ত ভৈল মহী॥
তপ উপবাসে যেন শৰীৰ শুকাই।
পুনঃ ভোগ ভুঞ্জিলে পূৰ্ব্বৰ কান্তি পায়॥
জুৱাঙ্গনি জ্বলে অতি বাৰিষা নিশাত।
নকৰে প্ৰকাশ তাত নক্ষত্ৰ সাখ্যাত॥
যেন কলিযুগে বেদশাস্ত্ৰ হোৱে ছন্ন।
প্ৰকাশে পাষণ্ড শুনে তাৰসে বচন॥
নাদ শুনি মেঘৰ বেঙ্গৰ ৰাৱ চৰে।
গুৰু পাঠ দিলে যেন শিষ্যে পাছে পঢ়ে॥
বহৰে বিপথে আতি ক্ষুদ্ৰ নদী যত।
কৰে অকাৰ্য্যকো যেন ধনৰ গৰ্ব্বত॥
নীলবৰ্ণ স্থকোমল তৃণে ভৈল ছন্ন।
ঠাই ঠাই ভূমিক দেখিয় কৃষ্ণবৰ্ণ॥
কৰিলে গুৱালী পল্ল ৰঙ্গা থানে থানে।
অসংখ্যাত বেঙ্গছতা দেখি বিদ্যমানে॥
প্ৰকাশে বাৰিষা নানা বৰ্ণে বসুমতী।
জলয় ৰাজশ্ৰী যেন পৰম সম্পত্তি॥
নানাবিধ বস্ত্ৰে কাচি পাৰি সামৰাজ।
ডণ্ডে ছত্ৰে ছানি যেন ৰাজা ভৈল বাজ॥

বৃষ্টি জল পায়া শস্য কৰে হলফল।
দেখি কৃষকৰ মনে মহা কুতূহল॥
শুকাই পৰে জল পুনু মনত অসুখ।
দৈৱাধীন নজানিলে মিলে মহাদুখ॥
বাৰিষাত নৱ পানী ব্যাপি পৰে আসি।
কৰে স্নান পান যত জল থলবাসী॥
হোৱে সুকুমাৰ মহা ৰূপ মনোহৰ।
হৰি ভক্তি কৰে যেন লোকক সুন্দৰ॥
যিহেতু পৰম ধৰ্ম্ম সেৱা কেশৱৰ।
নাহি আউৰ যাত পৰে ধৰ্ম্ম সুখকৰ॥
এতেকে হৰিৰ সেৱা সুহৃদ লোকৰ।
কদৰ্য্যকো পাইলে কৰে তেখনে সুন্দৰ॥
হুয়া নদী সব সমে সঙ্গম সাগৰ।
কৰিল কহ্লোল মহা উৰ্ম্মি ভয়ঙ্কৰ॥
যেন মহাযোগীৰ নুগুচে কাম কষ্ট।
বিষয়ক পাইলে পুনৰপি হোৱে নষ্ট॥
যদ্যপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্ব্বতে কিছু পিড়া নজানিল॥
যি জনৰ ভৈল চিত্ত কৃষ্ণত প্ৰবেশ।
তাক যেন সহিতে নপাৰে দুখ ক্লেশ॥
তৃণে ঢাকিলেক পথ সব ভৈল ছন্ন।
নকৰিলে লোকে আউৰ আমনাগমন॥
নপঢ়িয়া দ্বিজে যেন তেজিলে অভ্যাস।
পাসৰিল বেদ পথ সব ভৈল নাশ॥
লোকৰ সুহৃদ মেঘ সব মহা ধীৰ।
চঞ্চল বিজুলী চটা তাতো নুহি থিৰ॥
যেন মহাগুণৱন্ত পুৰুষক পাই।
তথাপিতো বেশ্যাৰ বুদ্ধিৰ থিৰ নাই॥
পঞ্চবৰ্ণে ৰচিত নিগুৰ্ণ ইন্দ্ৰ ধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু॥

যেন তিনি গুণময় জগত যতেক।
নির্গুণ পুরুষ তাতে প্রকাশে প্রত্যেক॥
চন্দ্র জ্যোতি প্রকাশিত যিতো মেঘগণ।
নজলন্ত চন্দ্রো সেহি মেঘে হুয়া ছন্ন॥
যেন যিতো চৈতন্যে প্রকাশে অহঙ্কাব।
সেহি অহঙ্কাবে ঢাকে জ্যোতি জীৱাত্মাব॥
মেঘব সম্বাদে মিলে আনন্দ প্রচুব।
চালি কবি নাচে আসি অনেক ময়ূব॥
যেন গৃহবাসী দুখে পবম তাপিত।
হবি ভকতক পাইলে শান্ত হোৱ চিত্ত॥
বৃক্ষ সব বৃষ্টিব শিকাৱে পিৱে জল।
মেলে ডাল পাত নিতে কবে ফলফল॥
যেন উপবাসে দেহা আছিল খিনাই।
হোৱে মহা পুষ্ট আতি ভুঞ্জিবাক পাই॥
কণ্টকে যুগুত সৰোবৰৰ তীৰত।
তাতে বঞ্চে তথাপি চকোৱা পক্ষী যত॥
যেন গৃহবাস ঘোৰ দুখময় জানি।
তথাপি নছাৰে তাক দুৰাশয় প্ৰাণী॥
মূষল ধাৰায়ে বৃষ্টি কৰে মেঘ যত।
ভাগে আলি সব মহা বৃষ্টিৰ বেগত॥
যেন পাষণ্ডৰ বাদে মুহিয়া লোকক।
কলিযুগে ছন্ন কৰে বেদৰ পথক॥
বায়ুৱে চলাৱে চতুৰ্দ্দিতি ঠাই ঠাই।
বৰিষয়ে মেঘগণে পৰিছেদ নাই॥
যেন পুৰোহিতে কৰে বেদৰ বিধান।
দীন দৰিদ্ৰক দেই ৰাজা সবে দান॥
এহি মতে পৰম সমৃদ্ধি বৃন্দাবন।
সুপক্ক খাজুৰি জাম্ব ফলে সুশোভন॥
গৰু গোপগণে আছে চৌপাশে আবৰি।
ক্ৰীড়া কৰিবাক তাতে প্ৰবেশিলা হৰি॥

ওযাবব ভাৰে ধেনু হাণ্ঠে অল্প কৰি।
তাক যদি ডাকন্ত মাধৱে নাম ধৰি॥
শুনি ঝাম্পে ঝাম্পে খেদি আসে হাম্বাৰাৱে।
যাই দুধ পথত পড়ন্তে স্নেহভাৱে॥
কৃষ্ণৰ মধুৰ মূৰ্ত্তি চাৱে নেত্ৰ মেলি।
বাৱন্ত মোহন বংশী কৃষ্ণে কৰি কেলি॥
তাক শুনি আনন্দতে পুলকে শৰীৰ।
ধাৰে বহি যাই দুই নয়নৰ নীৰ॥
সুন্দৰ মূৰ্ত্তিক যেন নেত্ৰে কৰে পান।
আনন্দে হৃদয় দ্ৰৱে কৰি থাকে ধ্যান॥
পক্ষী সবো শুনি সিতো গোবিন্দৰ গীত।
প্ৰেমে পৰসিয়া হোৱে তনু ৰোমাঞ্চিত॥
৩ ফল ফুল ভক্ষ তেজি যতেক চটক।
বৃক্ষৰ শিখৰে চৰি নিৰিখে কৃষ্ণক॥
আনন্দে লোতক শ্ৰৱে তন্তাই চিত্ত আতি।
মৌন হুয়া গীতক উনাৱে কাণ পাতি॥
গীত শুনি খেদি আসে বনৰ হৰিণী।
আতি উত্ৰাৱলে কৃষ্ণসাৰৰ ঘৰিণী॥
কৃষ্ণক দেখিয়া প্ৰেমৰসে দ্ৰৱে চিত্ত।
তম্ভি থাকে দ্ৰৱে নীৰ তনু ৰোমাঞ্চিত॥
দেখি বৃক্ষো পুলকিত হোৱে সৰ্ব্ব গাৱ।
আনন্দতে মধুশ্ৰৱে মিলে প্ৰেমভাৱ॥
ফলে ফুলে নম্ৰ কৰি শিখা আপুনাৰ।
সাক্ষাতে কৃষ্ণক বৃক্ষো কৰে নমস্কাৰ॥
কিৰাতৰো ভাৰ্য্যাগণে শুনি সিতো গীত।
উত্ৰাৱলী প্ৰেমত নধৰে আউৰ চিত্ত॥
হুয়া ভোল কৃষ্ণৰ খোজৰ লৱে ধূলি।
শিৰ শৰীৰত ঘসে শুদ্ধ হৱো বুলি॥
আনন্দতে দ্ৰৱে কিৰাতিনীৰ হৃদয়।
দেখিলা কৌতুকে তাক কৃষ্ণ কৃপাময়॥

পশু পক্ষী বৃক্ষৰো আনন্দে মগ্ন মন ।
বাৰিষা ঋতুৰ শ্ৰীক চান্ত ভ্ৰমি বন ॥

---

## বৰিষা বৰ্ণনৰ অৰ্থ ।

পৰমাত্মা শুকে জীৱ নৃপত কহয় ।
ভকতি বৰিষা ঋতু ভৈলন্ত উদয় ॥
মাধৱৰ ভকতি নিকৰ দিনকৰ ।
নানা কান্তি ভাতি আতি অগুৰ ভিতৰ ॥
বিষয় বতাস হাস লাস জ্ঞান হৰে ।
ভক্তি শক্তি চানি বানি তৰ্ক মেঘে কৰে ॥
সুত দাৰা ধন জন উজুৰি বিজুৰি ।
ঘনে ঘনে আচাদন জ্ঞান নেত্ৰ জুৰি ॥
চন্দ্ৰ বুলি ভক্তগণ গুৰু বিকৰ্ত্তন ।
তাৰানাক নিয় বুলি কৃষ্ণৰ কীৰ্ত্তন ॥
অধৰ্ম্ম অজ্ঞান অবৈৰাগ্য অনিশ্বৰ ।
লোভ মোহ কাম ক্ৰোধ মহা দৃঢ়তৰ ॥
এহি আঠ মাসে জীৱ ভৈলন্ত বিতত্ত ।
গুৰু কৃপা জ্ঞান লক্কে তুনাই পাৱে তত্ব ॥
পুত্ৰাদি বিদ্যুত বিষই বতাস চপুল ।
সাধু মেঘগণে বৰিষিল ভক্তি জল ॥
শ্ৰোত্ৰ ত্বক্ ঘ্ৰাণ দৃগজিহ্বা এহিখান ।
বাক পাণি মেদ্ৰ অংঘ্ৰি পায়ু বাম ভান ॥
সবাৰো দুবৃত্তি নাশি আসি হৰি জ্ঞান ।
অহঙ্কাৰ ভাগি দেহ ভৈল ভক্তি জান ॥
অনাদি জনম গ্ৰীষ্ম যিতু ঋতু কাল ।
তিনি তাপ ৰৌদ্ৰ বাপ পৰম বিশাল ॥
চতুৰবিংশতি তত্ব শুষ্ক সমুদাই ।
ভক্তি জল পায়া বন পুষ্ট ভৈল কাই ॥

ভৰ ৰাতি প্ৰভাতি কুবাদি জুয়াঙ্গনি।
নাহিকে প্ৰকাশ ঋক্ষ নাম শিৰোমণি॥
শ্ৰীগুৰু মেঘৰ ৰব জ্ঞান আজ্ঞা পাই।
শিস্য ভেক এক ভাৱে তাৰে গুণ গাই॥
খুদ্ৰ নদী কুতৰ্ক পাষণ্ড যত যত।
বেদ শিৰ বৃজ মন্ত্ৰ খণ্ডি কৰে হত॥
শ্ৰৱণ কীৰ্ত্তন পদ সেবন স্মৰণ।
অৰ্চ্চন বন্দন দাস্য সখ্যাত্মা অৰ্পন॥
এহি নৱ সুকোমল হন নীল বৰ্ণ।
ইন্দ্ৰিয়ৰ দুবৃত্তি নিবৃত্তি কৰি চন্ন॥
গাৱে গাৱে বাজি ৰৈল শ্ৰীকৃষ্ণ বিষয়।
এহি দেহ ভূমি কৃষ্ণ বৰ্ণৰূপ কয়॥
প্ৰেম ভৰে নীৰ জৰে দুই নয়নত।
পাইলো বুলি বাহু তুলি নাচে আনন্দত॥
এতদিন মই থিন ভৈলোহো বিহিন।
হেন স্মৰি উচ্চ কৰি কান্দে অবিছিন্ন॥
ইত্যাদি ভাবনা পুনু ৰঙ্গা চিহ্ন পাই।
গাত্ৰৰোম সিহৰয় বেঙ্গচতা ভাই॥
ভক্তি নানা চিহ্নে বৰ্ণ শোভে দেহ ভূমি।
দিব্য কাচে প্ৰজাসমে যেন ৰাজা তুমি॥
গুৰু জ্ঞান জনে বলে বাঢ়ে শিষ্য শস্য।
কৃষক শ্ৰীগুৰু উৰু মনত ৰহস্য॥
গুৰু পদনত হত যত শিষ্য দুষ্ট।
টুটে ভক্তি দেখি গুৰু তভো অসন্তুষ্ট॥
ত্বক দৃগ ঘ্ৰাণ কাণ জিহ্বা বাসা জলে।
বাণি পাণি পদ গুদ মেদ্ৰ বঞ্চে থলে॥
ভকতি বৰ্ষাৰ নৱ লক্ষণে সলিল।
ব্যাপিল সমস্তো ভক্তি বিষয়ে মজিল॥
নাৰী ৰূপ ষড় ৰস সুখ স্পৰ্শ হৃত।
সুগন্ধ শীতল সুমধুৰ ধ্বনি গীত॥

সুবৰ্ণ সহিতে নদী বুলি বুজা ভাই।
মহাযোগী সমুদ্ৰ কহিলো অভিপ্ৰাই।
সান্ত দান্ত তথাপিতো কাম নুগুচয়।
নদী নগে উৰ্ম্মি বুলি স্বভাৱ চলয়॥
ত্ৰৈলোক্যে সম্পাত্তি জল কৰ্ম্ম মেঘে বৰ্ষে।
পৰ্ব্বত ভকত যত মন সেন পৰ্শে॥
দম্ভ দৰ্প অবিবেক ক্ৰোধ মান মদ।
ইত্যাদি যতেক সঙ্গি আসুৰি সম্পাদ॥
হুয়া তৃণ গাজি চন্ন কৈল ভক্তি পথ।
স্বৰূপ পাসৰি জীৱ ভৈলন্ত অস্বস্থ॥
জীৱৰ সুহৃদ মেঘ গুৰু মহা ধীৰ।
বিযুতিক চটা মন তথাপি অথিৰ॥
অস্তি ভাতি প্ৰিয় ৰূপ নাম পঞ্চ বৰ্ণ।
শোভন নিৰ্গুণ ব্ৰহ্ম ধনু সুলক্ষণ॥
গুণময় দেহ চয় মেঘ সুনিছয়।
ভৈল ধাম আত্মাৰাম প্ৰকাশ বিষয়॥
চন্দ্ৰকান্তি বুলি তাপ শান্তিক থাপান্তি।
ভক্ত মেঘ বিৰাজন্তি কণ্ঠে মালা গান্থি॥
কৃষ্ণ চন্দ্ৰ পদ হিৰা পায়া ভক্তগণ।
হৃদয় চন্দুকে বান্ধি কৰি থৱে চন্ন॥
ভক্ত মেঘ সব ৰৱ সদা হৰি গীত।
বৈকুণ্ঠ সম্পাত্তি যেৰা ভ্ৰমে হুয়া ভৃত্য॥
তনু বৃক্ষ ইন্দ্ৰি সিফা ভক্তি নিৰপানে।
ধৈৰ্য্য ধৃতি ক্ষমা লজ্জা তুষ্টি বিদ্যমানে॥
ইত্যাদি যতেক গুণ ভৈল ডাল পাত।
নৱ নৱ প্ৰেমেহে সৱ বাঢ়ে অসংখ্যাত॥
ক্ৰোধ মদ নিষ্ঠুৰ মৎসৰ অভিমান।
ইৰিসা অসুয়া হিংসা-প্যসুন্য অজ্ঞান॥
ইত্যাদি সুতীক্ষ্ণ ভৈল কটক বিস্তৰ।
তনু সৰোবৰ বিধ ইতিৰ নিৰন্তৰ॥

মন জীৱ চকোৰ ভৈলন্ত দুৰাশয়।
হৰি পদ তীৰ চাবি তভো নিবাসয় ॥
কুতৰ্ক পাষাণ্ড শাস্ত্ৰ বেক্তা জলধৰ।
নানা সূক্ষ্ম অৰ্থ তাৰ নীৰ নিৰন্তৰ ॥
মুষল প্ৰহাৰ বাদে দৃঢ় ৱৃষ্টি কৰি।
ধৰ্ম্ম আলি ভাঙ্গি মোহে পথক আবৰি ॥
কৃষ্ণ কৃপা সমিৰণ গুৰু ঘন গণ।
চতুৰ্ব্বিতি জ্ঞান জল কৰাৰে বৰ্ষণ ॥
এহিমতে সন্তোস সৎসঙ্গ বৃন্দাবন।
ধৈৰ্য্য ক্ষমা বৃক্ষ দয়া ফলেৰে শোভন ॥
উপনিসৎশিব ৰত্ন মন্ত্ৰ ধেনু চয়।
ইন্দ্ৰি অধিষ্ঠাত্ৰি দেৱ গোপৰ তনয় ॥
শ্ৰীধৰ শ্ৰীগুৰু পৰমাত্মা নিৰ্ব্বিশেষ।
নিজানন্দ মুখ মনে কৰিতে প্ৰবেশ ॥
ধেনুৰ তুসাৰ ভাৰ গীতা ভাগৱত।
মন্দ গতি বুলি অৰ্থ অৱগাহ যত ॥
শ্ৰীনন্দ নন্দন আত্মা ধেনু উচ্ছাৰণ।
মূৰ্ত্তি ধৰি আসি সবে কৰয় স্তৱন ॥
হৰিভক্তি পথে মহা গীতা ভাগৱত।
দুগ্ধ হুয়া শ্ৰৱে প্ৰেমে গুঢ় অৰ্থ যত ॥
জ্ঞান নেত্ৰে পূৰ্ণ পৰমাত্মাক দেখয়।
আত্ম তনু বংশী বাস্ত শ্ৰীনন্দ তনয় ॥
শুনি ভক্তগণ দ্ৰৱ আনন্দ হৃদয়।
মূৰ্ত্তি জ্ঞান নেত্ৰে পান ধ্যান অতিশয় ॥
ইন্দ্ৰিয় চটকে নধ্ব আত্ম তত্ব গীত।
প্ৰেমে বৃদ্ধি শুদ্ধ বৃত্তি সেহি ৰোমাঞ্চিত ॥
কৰ্ম্ম পুত্ৰ স্বৰ্গ ফল মুক্তি এড়ি।
ধৈৰ্য্য বৃক্ষে ইন্দ্ৰি চড়ি জিজ্ঞাসন্ত হৰি ॥
তেজি ভ্ৰান্ত আক্ৰান্ত একান্ত শান্ত মন।
আত্ম তত্বগীতৰত ভৈল পক্ষীগণ ॥

আত্ম তত্ত্বগীত মোহ মায়া বিনাশিনী।
সৎসঙ্গব নব বাঢ়ে ভকতি হবিণী॥
দৃঢ়তব ভৈল কৃষ্ণ বৃত্তি সমুদাই।
কৃষ্ণসাব পক্তি বুলি অর্থ বুজা ভাই॥
কৃষ্ণত মজিল চিত্ত বৃত্তি বিপবীত।
সুখী হুয়া বৈল তন্তি প্রেমে পুলকিত॥
কর্ম্মে তক মধ্য এৱে বুলি হুয়া শিস্ট।
ভক্তি মুক্তি ফুলে ফলে শিখা উপদিষ্ট॥
দেখি হবি নম্র কবি প্রেমে আনন্দত।
কৃষ্ণব চবণত নত কবে বৃক্ষ যত॥
মন জন কিবাত জানিবা অতিশয়।
ভার্য্যা শুদ্ধি বুদ্ধি আদি ঋতি প্রিতিচয়॥
কৃষ্ণ গীতে মন্দ চিতে ভোল হুয়া মত্ত।
নৱে তুলি খোজ ধূলি হৈবো বুলি সত্ব॥

---

## মহাপুৰুষ শঙ্কৰ দেৱৰ আত্ম-পৰিচয়।

বড়দোৱা নামে গ্ৰাম শস্যে মৎস্যে অনুপাম
লোহিতৰ আতি অনুকূল।
সেই মহা গ্ৰামেশ্বৰ আছিলন্ত ৰাজধৰ
কায়স্থ কুলত পদ্ম ফুল॥
তান পুত্ৰ সূৰ্য্যবৰ মহা বড়া দেশধৰ
দানী মানী পৰম বিশিষ্ট।
যাৰ যশ এভু জ্বলৈ জয়ন্ত মাধৱ দলৈ
দুয়ো ভাই যাহাৰ কনিষ্ঠ॥
তান পুত্ৰ কুলোদ্ধাৰ ভৌমিক মধ্যত সাৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ।
তান পুত্ৰ শিশুমতি কৃষ্ণ পাৱে কৰি নতি
বিৰচিল শঙ্কৰে পয়াৰ॥

শুনিয়োক বুধজন হুয়ো সাৱধান মন
কৰজোড়ে বোলো স্তুতিবাক।
যেবে টীকা ভাষ্য চাই দেখা ইটো কথা নাই
নিন্দা তেবে কৰিবা আমাক॥
যিবা কিছু বঢ়া দেখা ইটো অপৰাধ এড়া
ব্যাসো দেন্ত কথাত ৰঞ্জন।
আনো মহা কবিচয় কাব্যৰস নিবন্ধয়
তাক নিন্দে কোন সাধুজন ?॥

---

## অক্রূৰৰ গোকুললৈ যাবলৈ উদ্যোগ।

শুক নিগদতি ৰাজা শুনা কথা আতপৰে
কৃষ্ণত ভকত তুমি আতি।
কংসৰ পাঞ্চনি পাই অক্রূৰো নিদ্রা নাই
মথুৰাতে বঞ্চি সিটো ৰাতি॥
প্রভাততে চড়ি ৰথ ধৰিলা ব্রজৰ পথ
হৰি স্মৰি কৰন্ত হৰিষ।
উপজিল প্রেম ভাৱ সিহৰিল সৰ্ব্বগাৱ
যান্ত মন কৰি বিমৰিষ॥
আচৰিলোঁ কিনো তপ জপ যজ্ঞ ব্রত দান
দিলো কিবা বিশিষ্ট বিপ্রক।
কোননো পুণ্যৰ ফলে আজি গৈয়া অবিকলে
সক্রি চক্ষু দেখিবো কৃষ্ণক॥
কৃষ্ণ দৰশন দেখো দুর্ল্লভ পৰম মোৰ
বিষয়ত আছে অহঙ্কাৰ।
শূদ্রাত জনম যাৰ বেদ উচ্চাৰণে তাৰ
নাহি যেন একো অধিকাৰ॥

কৃষ্ণ দৰশন জানো হুইবে অধমৰ মোৰ
হৃদয় উল্লাসে আতি কৰে।
ইটো কাল নদী মাজে ভাসি যায় যত জীৱ
তাৰো মাজে মাজে কতো তৰে॥
এতেকে জানিলো মোৰ অমঙ্গল নষ্ট গৈল
হুইব আজি জন্মৰ সাফল।
আজি এই মাথে মই কৰিবো প্ৰণাম পড়ি
মাধৱৰ চৰণ কমল॥
কংসে কিনো কৃপা মোক কৰিলেক পঠাই আজি
দেখিবোহোঁ কৃষ্ণৰ চৰণ।
যাৰ নখ কান্তি স্মৰি সংসাৰক গৈল তৰি
অম্বৰীষ আদি ৰাজাগণ॥
যিটো পদ পঙ্কজক পূজে ব্ৰহ্মা মহাদেৱ
লক্ষ্মীয়ো অৰ্চ্চন্ত প্ৰতিনিত।
সংসাৰত সাৰ জানি ভকতে সততে সেৱে
লক্ষ্মী-কুচ-কুঙ্কুমে ৰঞ্জিত॥
সংসাৰৰ তাপহাৰী মহাশ্বেত ছত্ৰ প্ৰায়
সুখসেব্য পৰম কামদ।
তীৰ্থৰো উত্তম থান দেখিবোহো বিদ্যমান
গোবিন্দৰ হেন দুই পদ॥
হেৰ মৃগগণ মোক প্ৰদক্ষিণ কৰি ফুৰে
পাইলো বড় যাত্ৰাৰ মঙ্গল।
নিশ্চয় দেখিবো মই মুখ মুকুন্দৰ যাতি
জ্বলে নেত্ৰ পঙ্কজ-যুগল॥
সুনাসিকা সুকপোল অলকে আবৰি ৰঞ্জে
মনোহৰ ঈষত হসিত।
সাক্ষাতে দেখিয়া মুখ চক্ষুক সাফলি মই
আজি হুইবো মহা কৃতকৃত্য॥

জগতৰ পাপ হৰে যাৰ হেন গুণ নাম
মিশ্রিত তেক্ষকে বাক্যচয়।
জগতক শোভে সেই জগতক জীৱ দেয়
জগতকে পবিত্র কৰয় ॥
যিটো বচনত নাই গুণ নাম মাধৱৰ
সিটো শৱ সম অপবিত্র।
যদুকুলে অৱতৰি আছন্ত হেনয় হৰি
কৰি ব্রজে বালক চৰিত্র ॥
মহন্তৰ গতি মতি ত্রৈলোক্য মোহন মূৰ্ত্তি
ধৰিয়াছে জগতৰ গুৰু।
লক্ষ্মী যাত ভৈলা বশ দেৱে গাৱে যাৰ যশ
ভকত জনৰ কল্পতৰু ॥
দেৱতাৰো সাধি সুখ মহন্তৰো খণ্ডি দুখ
গোকুলত আছন্ত সাক্ষাত।
হেনয় হৰিক মই সক্রিঁ চক্ষু দেখিবোহোঁ
কিনো ভৈল শুভ সুপ্রভাত ॥
ৰাম মাধৱৰ পদ দেখিলে মাত্রকে মই
পড়িবো ৰথৰ ঝাম্প দিয়া।
যাক যোগী ধ্যানধৰে হেন চৰণক গৈয়া
প্রণামিবো সাক্ষাতে দেখিয়া ॥
পাদ পঙ্কজৰ ধূলি মাথে লৈবো হাতে তুলি
মোৰ অনুৰাগ যাইবে চড়ি।
ৰাম গোবিন্দৰ সঙ্গী গোপগণ আছে যত
তাকো প্রণামিবো পড়ি পড়ি ॥
পৰম সুগন্ধি যিটো হস্তে গোপিকাৰ শ্রম
গুচাইলা কৰন্তে ৰাস ৰতি।
যিটো হস্তপদ্মে আনি উচ্ছর্গিয়া দিয়া পানী
পাইলা বলি ত্রৈলোক্য সম্পত্তি ॥

অন্তকক ভয়ে যিটো  শৰণ পশয় তাকো
নিৰ্ভয় কৰান্ত যিটো হাতে।
চৰণত পড়িবাৰ  দেখি সেই হস্ত পদ্ম
দিবা কৃষ্ণদেৱে মোৰ মাথে ॥
যদ্যপি কংসৰ দূত  হুয়া আইলো তথাপিতো
মোক নকৰিবা পৰ জ্ঞান।
মোৰ হৃদয়ত যিত  যেন ভাল মন্দ চিত্ত
জানন্ত আপুনি সৰ্ব্বজান ॥
চৰণৰ সমীপত  পড়িবাৰ দেখি মোক
দয়া দৃষ্টি চাহিবন্ত স্বামী।
তাৎক্ষণে পাপ মানে  সব হুইবে দূৰ মোৰ
পৰম আনন্দ পাইবো আমি ॥
বাহু মেলি আলিঙ্গিয়া  আসি যেবে বনমালী
ধৰন্ত সুহৃদ বুলি মোক।
শৰীৰ পবিত্ৰ হইবে  কৰ্ম্ম-বন্ধ ছিণ্ডি তেবে
তৰিবো-সংসাৰ-তাপ-শোক ॥
গোবিন্দৰ অঙ্গ সঙ্গ  পায়া হুয়া মহা ৰঙ্গ
থাকিবোহোঁ কৃতাঞ্জলি কৰি।
হাসি হাসি মাথা তুলি  অক্রূৰ খুড়াই বুলি
প্ৰবোধন্ত যেবে মোক হৰি ॥
তেবে আউৰ কিবা চাওঁ  সমস প্ৰসাদ পাওঁ
তেবে জন্ম সাফল আমাৰ।
মহন্তে নাদৰে যাক  কোনে ভাল বোলে তাক
সিজনৰ জীৱন ধিক্কাৰ ॥
শত্ৰু মিত্ৰ উদাসীন  যদ্যপি সমস্ত হীন
ভকতক ভজন্ত তথাপি।
যেন সেই পাৱে ফল  গৈয়া কল্পতৰু তল
খোজে যিটো জন পাশ চাপি ॥

কৰি কৃতাঞ্জলি মই হুয়া অৱনত আতি
থাকিবাহো কৃষ্ণৰ আগত।
হাসিয়া হাতত ধৰি গৃহ প্ৰবেশাইবে হৰি
বসুৱাইব মোক আসনত॥
কৰিয়া সৎকাৰ তথা পুছিব কংসৰ কথা
তেবে মোৰ পুৰে মনোৰথ।
এহিমতে মাধৱক চিন্তন্তে দিনান্ত গৈল
নাজানিলা সিটো দীৰ্ঘ পথ॥
সূৰ্য্য যেবে গৈলা অস্ত গোকুল পাইলেক ৰথ
তেবেসে চেতন ভৈল গাত।
নজানিলা মহামানী ঘোড়ায়ে নিলেক টানি
গোপপুৰ দেখিল সাক্ষাত॥
মথে দধি তাৰ ধ্বনি লোকৰ আৰাৱ শুনি
চতুৰ্ভিতি নিহালন্ত পাছে।
শুনা সভাসদগণ মাধৱত দিয়া মন
অন্তকে কেশত ধৰি আছে॥
আয়ূ ক্ষণে ক্ষণে যায় কালে ধৰিলেক প্ৰায়
তথাপি চেতন নাই গাত।
আন কৰ্ম্ম অনাদৰি ডাকি বোলা হৰি হৰি
হৰিনামে তাৰিবে সাক্ষাত॥

---

## অক্ৰূৰৰ ব্ৰজধামত প্ৰবেশ আৰু কৃষ্ণ বলভদ্ৰক লৈ মথুৰা যাত্ৰা।

এহি মতে পাছে মহা মহন্ত অক্ৰূৰ।
সন্ধ্যা সময়ত গৈয়া পাইলা গোপপুৰ॥
চক্ষুয়ে নিহালি চান্ত আনন্দ হৃদয়।
দেখন্ত পথত গোবিন্দৰ খোজচয়॥

ধ্বজ বজ্র পঙ্কজ অঙ্কুশে সুশোভিত ।
কৰিয়াছে আতি পৃথিবীক অলঙ্কৃত ॥
দেখি অক্রূৰৰ উপজিল প্ৰেমভাৰ ।
ভৈল হৰিষতে ৰোমাঞ্চিত সৰ্ব্ব গাৰ ॥
লোতকে বেঢ়িলে আঁখি দূৰ ভৈল হিয়া ।
আথে বেথে ৰথৰ পড়িলা ঝাম্প দিয়া ॥
এহিতো প্ৰভুৰ পদ-পঙ্কজৰ ধূলি ।
পাড়ন্ত লোটাৰি তাতে কৃষ্ণ কৃষ্ণ বুলি ॥
আনন্দতে ভৈল বীৰ বিহ্বল স্বভাৱ ।
ৰাম কৃষ্ণ বুলি আতি দেন্ত দীৰ্ঘ ৰাৱ ॥
কৃষ্ণপদ ৰেণু পাই প্ৰেম যায় চড়ি ।
কৰন্ত প্ৰণাম প্ৰতি খোজে খোজে পড়ি ॥
এহিমানে মাত্ৰ পুৰুষাৰ্থ পুৰুষৰ ।
দেখন্তে খোজক যেন ভৈল অক্রূৰৰ ॥
দেৱৰো দুৰ্লভ আকে বুলি প্ৰেম-ভাৱ ।
ভৱ নদী তৰিবাৰ এহি দৃঢ় নাৱ ॥
কতক্ষণে অক্রূৰে কৰিয়া মন সুস্থ ।
পাছে ৰাম কৃষ্ণ ৰড়ি আৰোহিলা ৰথ ॥
বাঢ়ি যায় প্ৰীতি চিত্ত আনন্দ নধৰে ।
যেন কথা ভৈল শুনা আত অনন্তৰে ॥
সেহি সময়ত ৰাম কৃষ্ণ দুয়ো ভাই ।
দোহে গাই আনন্দে আছন্ত তাকে চাই ॥
পৰম সুন্দৰ দুয়ো ৰূপে সুকুমাৰ ।
নীল পীত বস্ত্ৰে আতি কৰে ঝাতিস্কাৰ ॥
শ্যাম শ্বেত বৰ্ণ দুইৰো বদন প্ৰসন্ন ।
আজানুলম্বিত ভুজ পঙ্কজ নয়ন ॥
সুগন্ধ চন্দনে দুইৰো সৰ্ব্বাঙ্গ লেপিত ।
পিন্ধি আছা মালা দিব্য ৰত্নে বিৰচিত ॥
হেমময় অলঙ্কাৰে দুইৰো কলেৱৰে ।
হসিত বদন দুয়ো চান্ত দয়াতৰে ॥

জগত কাৰণ দুয়ো পুৰুষ পৰম।
কিশোৰ বয়স বাল মাতঙ্গ বিক্ৰম॥
ধ্বজ বজ্ৰ পদ্মে দুইৰো পদ কলঙ্কৃত।
কৰন্তে আছন্ত খোজে ব্ৰজক মণ্ডিত॥
শৰীৰৰ কান্তি দিশ প্ৰকাশিত হুই।
মৰকত ৰূপাৰ পৰ্ব্বত যেন দুই॥
ৰচিয়াছে তাক যেন সুবৰ্ণ ৰতনে।
ভ্ৰমন্তে আছন্ত লীলা গতি ৰঙ্গমনে॥
দুইৰো ৰূপে গোকুল দীপিতি আতি কৰে।
দুইৰো দৰশনে মদনৰ দৰ্প হৰে॥
অৰুণ চৰণ চাৰু নূপুৰে সুহাই।
ৰূপৰ প্ৰভাৱে দুইকো চাহান নাযায়॥
আছন্ত আনন্দে দুয়ো পুৰুষ প্ৰখ্যাত।
অক্ৰূৰে দেখিলা সেই সময়ে সাক্ষাত॥
ৰাম মাধৱৰ দেখি মূৰ্ত্তি বিপৰীত।
উপজিল প্ৰেম আতি তনু পুলকিত॥
স্নেহে নয়নৰ নীৰ ধাৰে বহি যায়।
ভৈলন্ত অক্ৰূৰ আতি বিহ্বল পৰায়॥
প্ৰেমৰসে মজিল দ্ৰৱিল তান হিয়া।
আথেবেথে ৰথৰ পড়িল ঝাম্পদিয়া॥
ৰাম মাধৱৰ চৰণৰ সমীপতে।
নিঢালে পড়িলা দুইৰো আগে দণ্ডৱতে॥
ভাগ্যে ভৈলা পৰম ঈশ্বৰ দৰশন।
আনন্দে কান্দন্ত নাসে মুখত বচন॥
ত্ৰাহি কৃষ্ণ কৃষ্ণ বুলি ধৰি দুইৰো ভৰি।
কতো বেলি আছিলন্ত দণ্ডৱতে পড়ি॥
কৈবে নপাৰিলা আগমনৰ কাৰন।
অক্ৰূৰৰ ভকতি দেখিয়া নাৰায়ণ॥
সলোতক নেত্ৰে স্নেহে ভৈলন্ত বিহ্বল।
নমাতি আছিলা তন্তি ভকতবৎসল॥

চক্ৰাঙ্কিত হস্তে পাছে ধৰি তাঙ্ক তুলি।
বাহু মেলি আলিঙ্গিলা খুড়া খুড়া বুলি॥
ধৰিলা সাৱটি বামো ভকতক পাই।
অক্ৰূৰকো গৃহ প্ৰবেশাইলা দুয়ো ভাই॥
সাদৰে বসাইলা নিয়া সুবৰ্ণ আসনে।
পুছিলা কুশল বাৰ্ত্তা মধুৰ বচনে॥
আপুনি পখালি পাৱ হৰি অক্ৰূৰৰ।
দিলা মধুপৰ্ক কৰি অনেক সাদৰ॥
তৈল লৈয়া দোভাইয়ো জান্তিলা তান ভৰি।
দিলা পৰমান্ন পাছে শ্ৰম দূৰ কৰি॥
ভূষিলা চন্দন পুষ্পে দিয়া মুখ শুদ্ধি।
পুছন্ত সাদৰে নন্দে আনন্দে সম্বোধি॥
শুনিয়ো অক্ৰূৰ ক্ৰূৰ কংস বিদ্যমানে।
কিমতে বৰ্ত্তাহা তুমিসব তৈত প্ৰাণে ?॥
বাঘ যেন ভৈল আসি ছাগৰ গোৰখ।
তাত কিছু নাই আৰো জীৱনৰ লেখ॥
ভাগিন গণক যিটো বধিলে নিশ্চল।
কিবা পুছো আৰো আন প্ৰাণীৰ কুশল॥
কৰিল অনেক নন্দে মধুৰ আলাপ।
এড়াইলন্ত বীৰে মহা পথশ্ৰম তাপ॥
ৰাম মাধৱৰ মান্য লভিয়া প্ৰচুৰ।
সুবৰ্ণৰ খাটে সুখে শুতিলা অক্ৰূৰ॥
আসন্তে কৰিলা পথে যত মনোৰথ।
সকল লভিলা মাধৱত মহাৰথ॥
যাত তুষ্ট ভৈলা লক্ষ্মী-নিবাস সাম্প্ৰত।
তাৰ কি অপ্ৰাপ্য আউৰ আছে ত্ৰৈলোক্যত॥
তথাপি নবাঞ্ছে কিছু ভকতৰ মনে।
আনক এড়িয়া ভজে কৃষ্ণৰ চৰণে॥
পাছে ৰাম কৃষ্ণে পৰ বেলা ভুঞ্জি ভাত।
আসিলা আনন্দে আছা অক্ৰূৰ যথাত॥

আনন্দে বসিলা দুয়ো ৰাম নাৰায়ণ।
পুছিবে লগিলা আগমনৰ কাৰণ ॥
শুনা খুড়া বাপ তুমি আসিলা কল্যাণে।
সুখে কি আছে মোৰ জ্ঞাতি বন্ধু মানে ? ॥
বাঢ়ে কুল-ৰোগ কংস আমাৰ মমাই।
মিছা পুছো জানোহো কুশল কাৰো নাই ॥
হা পিতৃ মাতৃ মোৰ পৰম মহন্ত।
মই হেতু পাইলা দুয়ো দুঃখ অপর্য্যন্ত ॥
মোৰেসে কাৰণে ছয়ো পুত্ৰৰ মৰণ।
মোহোৰ নিমিত্তে পাইলা দুৰ্ঘোৰ বন্ধন ॥
হৰি হৰি দৈৱকী দুখিনী মাৱ মোৰ।
ভুঞ্জিলা নিকাৰ আপদৰ নাই ওৰ ॥
মই পুত্ৰ হেতু বন্ধনতে গৈল কাল।
তোমাৰসে দুখে হৃদয়ত ভৈল শাল ॥
তোমাক দেখিলো খুড়া আনন্দ ইহাত।
আইলা কিবা কামে কহিয়োক আবে তাত ? ॥
শুনিয়া অক্ৰূৰে বৰ্ণাইলন্ত নিৰন্তৰে।
যি কামে পঠাইলা তাঙ্ক কংস নৃপবৰে ॥
নাৰদে যি মতে কথা কহিলা তহিতে।
যেন মতে গৈল বসুদেৱক বধিতে ॥
নিবেক পঠাইলা যেন ধনুৰ্যাগ ছলে।
হস্তী মালে মাৰিবে যিমতে ধৰি বলে ॥
কংস বিচেষ্টাক ৰাম মাধৱৰ আগে।
প্ৰতি প্ৰতি কহিলা অক্ৰূৰ মহাভাগে ॥
হেনয় সন্তেদ কথা শুনি হৃষীকেশ।
পিতৃত কহিলা সব কংসৰ আদেশ ॥
দুয়ো সাজ পিতৃ কালি যাইবে লাগে জানি।
নন্দ আদেশিল সব গোপগণ আনি ॥
লৈয়োক বাৎসৰী কৰ দধি দুগ্ধ ঘৃত।
শকট যুড়িয়া তাতে তুলিয়া সম্ভৃত ॥

মল্ল মহোৎসৱ চাহিবে যাইবে প্ৰভাতত ।
দিয়ালন্ত সাড় এহি বুলিয়া ব্ৰজত ॥
লৰড়া লৰড়ি কৰি সাজে গোপগণে ।
পাছে গোপীগণে হেন শুনিয়া শ্ৰৱণে ॥
আইল কংস দূত আজি ব্ৰজক অক্ৰূৰ ।
নিবে কালি ৰাম মাধৱক মধুপুৰ ॥
হেন বাৰ্ত্তা পাই যেন থিয়ৱে মৰিল ।
তমোময় দেখে মুখে বচন হৰিল ॥
হৃদয় সন্তাপে তেজে শ্বাস ঘনে ঘনে ।
শুকাইল অধৰ ভৈল মলিন বদনে ॥
সোলকে বলয়া খোঁপা শিথিল বসন ।
কৃষ্ণক ধ্যানত ধৰি নেমেলে নয়ন ॥
দেহাকো পাসৰি চিন্তে মনে অৱগাই ।
কৃষ্ণৰ আলাপ স্মৰি কতো মূৰ্চ্ছা যায় ॥
সুললিত লীলা গতি হাস্য নিৰীক্ষণ ।
সমৰন্তে পৰিহাস নৰহে জীৱন ॥
কৃষ্ণক চিন্তন্তে ভৈল বিৰহে বিহ্বল ।
তিতিয়াছে মুখ ঝৰে নয়নৰ জল ॥
ভৈল এক ঠাই দেখি কৃষ্ণত নিৰাশ ।
বুলিবে লাগিলা সবে তেজিয়া নিশ্বাস ॥
হে বিধি কিঞ্চিতেকো তোৰ দয়া নাই ।
প্ৰিয় জন সমে আনি কৰ এক ঠাই ॥
আন্তৰাস নতু পান্তে মনোৰথ পাৰ ।
ছৱালৰ চেষ্টা যেন চৰিত্ৰ তোমাৰ ॥
সুকপোল সুনাসিকা মুখ মুকুন্দৰ ।
অলকে আবৃত অল্প হসিত সুন্দৰ ॥
হেন মুখ দেখাই পুনাই কৰ বিঘটিত ।
দেখ বিধি কেন তোৰ কৰ্ম্ম গৰিহিত ॥
শুন শুন বিধি কিনো তই ক্ৰূৰ মন্দ ।
কৃষ্ণ চক্ষু কাঢ়িনেস আমি ভৈলো অন্ধ ॥

পূৰ্ব্বত আপুনি দিলে আৰে কেন নেস।
জগত ব্যাপিবে পুনু তোহোৰ দুৰ্যশ॥
বিধাতাক এড়ি অন্যোঅন্যে বোলে বাক।
ইসে খেদ নন্দসুতো তাজন্ত আমাক॥
পতি পুত্ৰ তেজিয়া ইহান ভৈলো চেড়ী।
কিনো নিদাৰুণ কোন সতে যান্তএড়ি॥
কিনো পুণ্য কৰিলেক মথুৰাৰ নাৰী।
ভৈল সুপ্ৰভাত আজি দেখিবে মুৰাৰি॥
কৃষ্ণৰ কটাক্ষ হাস্য অমৃত সমান।
নয়ন ভ্ৰমৰ ভৰি কৰিবেক পান॥
মধুৰ মূৰ্ত্তিক দেখি হৈবে কৃতকৃত্য।
প্ৰিয় সম্ভাষণে আন মোহিবেক চিত্ত॥
নাগৰী নাৰীৰ ৰতি-ৰস সিটো পাই।
আমি কুগ্ৰামীক লাগি নাসিব ঢুনাই॥
আজি মহোৎসৱ মিলিবেক মথুৰাত।
বৃষ্ণি ভোজ বংশৰ আজিসে সুপ্ৰভাত॥
দেখিবে নয়নে লক্ষ্মীৰমণ মাধৱ।
পন্থুকৰো হুইবে আজি নয়ন উৎসৱ॥
অক্ৰূৰকো শপে কতো পৰম ক্ৰোধত।
কৈৰ ধূমকেতু আসি পড়িল ব্ৰজত॥
আমাৰো প্ৰাণকো কাঢ়ি নেয় নিদাৰুণে।
ইহাৰ অক্ৰূৰ নাম থৈল কোন গুণে?॥
গোপাৰ জীৱন কাঢ়ি নেয় দূৰ পথ।
কঠিন হৃদয় কৃষ্ণ আৰোহিলা ৰথ॥
নেদেয় হাক আনে লগে লড়ে গোপ সঙ্গ।
পড়িব বিঘিনিহুনো হুইবে যাত্ৰা ভঙ্গ॥
নযায় ভূমিকম্প কিয় নুহি বজ্ৰপাত।
হেনবা থাকন্ত কৃষ্ণ দেখি উতপাত॥
নবাধয় হাঞ্চি জেঠি নাই উপচক্ৰ।
জানিলো আমাৰ কিনো ভৈল বিধি বক্ৰ॥

অন্যোঅন্যে বোলে কতো মহা সাস কৰি ।
আমা সবে মিলি ৰাখো মাধৱক ধৰি ॥
কিনো কৰিবেক নন্দ আদি গোপচয় ।
কৃষ্ণ বিনে দৈৱে মৰোঁ আউৰ কিবা ভয় ॥
দেখি হাস্য কটাক্ষ কৰন্তে ৰাসকেলি ।
ক্ষণ প্ৰায় নিলোঁ ৰাত্ৰি আমি গোপী মিলি ॥
হেন প্ৰাণ কৃষ্ণৰ নেদেখি আৰে মুখ ।
কি মতে তৰিবোঁ ঘোৰ বিৰহৰ দুখ ॥
গোধূলি আসন্ত যিটো হাসি বংশী বাই ।
গোৰজে বঞ্চিত মুখ অলকে সুহাই ॥
আমাৰ হৰন্ত চিত্ত কটাক্ষ নিৰীক্ষি ।
জীবোঁ কোনমতে সিটো কৃষ্ণক নেদেখি ॥
এতেক বোলন্ত সবে আকুল বিৰহে ।
কৃষ্ণৰ বিয়োগ বহ্নি শৰীৰক দহে ॥
এড়িলেক লাজ আতি যত গোপনাৰী ।
গোবিন্দ মাধৱ বুলি কান্দে গেড়ি পাড়ি ॥
ধাৰায় বহৰে নয়নৰ নীৰ ঝৰি ।
কুল শীল ধৈৰ্য্য ত্যজি সমস্ত সুন্দৰী ॥
পৰম বিহ্বল হুয়া মহা প্ৰেম ভাৱে ।
কৃষ্ণ কৃষ্ণ বুলি আতি কান্দে দীৰ্ঘ ৰাৱে ॥
এহিমতে কৰন্ত বিলাপ বিপৰীত ।
অক্ৰুৰো চড়িলা ৰথে কৰি নিত্যকৃত্য ॥
নন্দ আদি গোপগণো শকটত চড়ি ।
পৰম আটোপে চলে জয় কৃষ্ণ ৰড়ি ॥
সমান বয়স সব গোপৰ কুমাৰ ॥
বস্ত্ৰ অলঙ্কাৰে আতি হুয়া ঝাতিস্কাৰ ॥
ৰথৰ দুই পাশে আসি ধৰিল যোগান ।
কান্দে মকমকি গোপী ফুটে যেন প্ৰাণ ॥
ভকতৰ বান্ধৱ মাধৱে দেখি দুঃখ ।
ৰথেতে পালটি ভৈলা গোপীক সমুখ ॥

সদয় নয়নে চাই সবাকো নিৰীক্ষি।
জুৰাইল কিঞ্চিত চিত্ত কৃষ্ণ মুখ দেখি ॥
উৰ্দ্ধমুখে চাই সবে আছে বিদ্যমান।
কিবা পাওঁ প্ৰিয় মাধৱৰ সমিধান ॥
প্ৰাণনাথে বুলিবন্ত আমাক আশ্বাস।
থিয় দিয়া আছে গোপীচয় চাৰি পাশ ॥
ভকতৰ শোকে কৃষ্ণ আকুল একান্ত।
দূতবাক্যে সবাৰো কৰাইলা চিত্ত শান্ত ॥
তুমি সব সম প্ৰিয়তম নাই আন।
তোমাসাৰ দুঃখ দেখি নসহয় প্ৰাণ ॥
আসিবো অচিৰ কালে চাই মল্ল-খেড়ি।
যাওক পালটি সখীসব মোক এড়ি ॥
বচন অমৃতে গোপীগণ ভৈলা সুস্থ।
নিৰীক্ষি থাকিলা প্ৰাণ গোপালৰ ৰথ ॥
পাছে শুভক্ষণে যাত্ৰা কৰিলা মাধৱ।
কৰে কৃষ্ণ-গুণ গায়া গোৱালে উৎসৱ ॥
বাৱে বীণা বেণু শঙ্খ শিঙ্গাৰ নিশান।
কংস বধিবাক কৃষ্ণ কৰিলা পয়ান ॥
আতি চমৎকাৰে চলি যান্ত জগন্নাথ।
চাই আছে গোপী নিৰন্তৰে তুলি মাথ ॥
কৃষ্ণ লগে যায় সমস্তৰে চিত্ত চলি।
ৰহিয়াছে সবে যেন কাষ্ঠৰ পুত্তলী ॥
ধ্বজ দণ্ড ৰথ ধূলি দেখিলেক মানে।
আছিলেক চাই আউৰ নসহয় প্ৰাণে ॥
নিবৰ্ত্তিল হুয়া পাছে কৃষ্ণত নৈৰাশ।
হা কৃষ্ণ বুলি আতি ফোকাৰে নিশ্বাস ॥
গোবিন্দৰ গাৱে গুণ হুয়া শোকহীন।
কৃষ্ণৰ চৰণ মাত্ৰ চিন্তি বঞ্চে দিন ॥
তৰিলেক গোপীসবে সংসাৰ সাক্ষাত।
বোলা হৰি হৰি পাপে পৰোক বিঘাত ॥

## জল মধ্যত অক্রুৰৰ ৰূপ দৰ্শন।

অনন্তৰে বীৰে অক্রূৰে চাবুকে,
তাবিল চাবি ঘোড়াক।
বায়ুতো অধিক, বেগে যায় ৰথ,
উঝাৰি পথ ধূলাক॥
হড়হড়ি কৰি, ৰথ চক্র চলে,
মেঘৰ যেন সম্বাদ।
গোৱাল সকলে, কৰে জয় কৃষ্ণ,
বুলিয়া আনন্দে নাদ॥
সমস্ত দিশৰ, পলায় অমঙ্গল,
শুনিয়া তাৰ শবদ।
পাছে কৃষ্ণ ৰাম, অক্রূৰ সহিতে,
পাইল কালিন্দীৰ হ্রদ॥
ৰথৰ নামিয়া, ৰাম কৃষ্ণ পীল,
জল যমুনাৰ পাছে।
বৃক্ষৰ ছায়াক, অনুসৰি দুয়ো,
থাকিলা ৰথৰ কাছে॥
শক্রক শঙ্কায়ে, অক্রূৰে দুইহাঙ্কো,
থৈলন্ত ৰথত তুলি।
নামিলা যমুনা জলে দানপতি,
মই সন্ধ্যা কৰোঁ বুলি॥
বিধিমতে স্নানি, নিমজ্জিলা জলে,
জপিলন্ত মন্ত্র পাছে।
দেখে দানপতি, সেই ৰাম কৃষ্ণ,
দুভাইয়ো অহিতে আছে॥
জানো তৈত ৰথে, নাহিকন্ত বুলি,
জলৰ উঠি সত্বৰে।
পুৰ্ব্বৰতে বসি, আছন্ত দোভাইয়ো,
দেখন্ত ৰথ ওপৰে॥

তৈত মিছা মই, দেখিলোঁ বুলিয়া,
ডুনাই বুড় দিল আসি।
দেখন্ত অনন্ত, সহস্রেক শিৰে,
আছন্ত আতি প্রকাশি ॥
হাজাৰেক ফণা, মণি ৰত্ন জ্বলে,
যেন আদিত্যৰ পান্তি।
সহস্রেক শিৰে, ৰত্নৰ কিৰীটি,
হাজাৰেকে কৰে কান্তি ॥
বিচিত্র পবিত্র, নীলবস্ত্রে শোভে,
মৃণাল ধৱল কায়।
শৃঙ্গ সমে যেন, কৈলাস পর্ব্বত,
আছন্ত ফণা উচ্চাই ॥
সর্পৰ নায়কে, অনেক প্রণামে,
বেঢ়িয়া মাথা দমাই।
পৰম আশ্চৰ্য্য, দেখিয়া অক্রূৰে
চাহন্ত চক্ষু বলাই ॥
তাহান কোলাত, দেখন্ত কৃষ্ণক,
তনু নৱ ঘন শ্যাম।
তাতে পীত বস্ত্র, প্রকাশন্তে আছে,
ত্রৈলোক্য নাহি উপাম ॥
প্রসন্ন বদন, অৰুণ নয়ন,
যেন পঙ্কজৰ পাসি।
অধৰ ৰাতুল, দন্ত কুন্দ কঢ়ি,
তাতে মনোহৰ হাসি ॥
শোভন নাসিকা, নির্ম্মল কপোল,
প্রকাশে অলকা পান্তি।
শিৰত মুকুট, মকৰ কুণ্ডল,
কৰ্ণে ঝলমল কান্তি ॥

চাৰু চতুৰ্ভুজ, আজানুলম্বিত,
কঙ্কণ কেয়ূৰ জ্বলে।
শঙ্খ চক্ৰ গদা পঙ্কজ হাতত,
দিব্য বনমালা গলে॥
কম্বু-কণ্ঠ শোভে, কৌস্তুভ সুবৰ্ণে,
ৰচিত ৰত্নৰ হাৰ।
শ্ৰীবৎস লক্ষ্মীৰ, ছটা উৰস্থলে,
মালা গজ মুকুতাৰ॥
তিনি ৰেখা সমে, শোভিত উদৰ,
অশ্বথ পত্ৰ আলয়।
কান্ধে নৱ গুণ, সুগভীৰ নাভি,
কোটি কাঞ্চি ৰত্নময়॥
কুড়ি আঙ্গুলীত, ৰত্নে বিৰচিত,
সোণাৰ ঝাপ আঙ্গুঠী।
চাৰু উৰু জানু, জঙ্ঘা যুগলক,
দেখন্তে পৰম তুষ্টি॥
পদ পঙ্কজৰ, পাসি যেন ভৈল
চাৰু আঙ্গুলীৰ পান্তি।
ৰত্নৰ উঝণ্টি, আতি প্ৰকাশিত,
অৰুণ নখৰ কান্তি॥
ৰত্নৰ নূপুৰ, ঝুৰে তাতে আতি,
আৰকত পদতল।
ধ্বজ বজ্ৰ যৱ, পঙ্কজ অঙ্কুশ,
প্ৰকাশে চিহ্ন সকল॥
সুনন্দ প্ৰমুখ্যে, যত পাৰিষদ,
ব্ৰহ্মা আদি যত দেৱ।
সুনন্দ প্ৰমুখ্যে, যত ব্ৰহ্ম, ঋষি,
পড়ি পড়ি কৰে সেৱ॥

আছন্ত উপাসি, প্রহ্লাদ নাৰদ,
প্রমুখ্যে ভকতচয়।
হেন দিব্যৰূপ, দেখি অক্ৰূৰৰ,
মিলিল মহা বিস্ময় ॥
আমাঠৈৰ কৃষ্ণ, এন্তে মহেশ্বৰ,
আহানে হেন স্বভাৱ।
এহি বুলি বীৰে, আতি প্ৰীতি পাই,
সিহৰাইল সৰ্ব্ব গাৱ ॥
প্ৰেম উপজিল, হৃদয় দ্ৰৱিল,
ধাৰায় লোতক ঝৰে।
কৃষ্ণৰ আগতে, পড়ি দণ্ডৱতে,
আছিলা পাছে অক্ৰূৰে ॥
কৰি ধৈৰ্য্য চিত্ত, পড়ি পৃথিবীত,
পাৱে প্ৰণামিলা মাথে।
কৰযোড়ে স্তুতি, বুলিবে লাগিলা,
পাছে গদগদ মাতে ॥
শুনা সৰ্ব্বজন, এড়া আন মন,
কৃষ্ণৰ চৰিত্ৰ শুনি।
হিয়ে ৰূপ ধৰি, বোলা হৰি হৰি,
তৰিবা তেবে আপুনি ॥

---

## অক্ৰূৰ কৰ্ত্তৃক ভগৱন্তৰ স্তুতি।

কৰন্ত অক্ৰূৰে স্তুতি গদ গদ বাক।
হে কৃষ্ণ কৃষ্ণ মই প্ৰণামো তোমাক ॥
জানিলো জগত হেতু তুমি নাৰায়ণ।
যাৰ নাভি পদ্মে ভৈলা ব্ৰহ্মা উতপন্ন ॥
যত পঞ্চ ভূত দেব ইন্দ্ৰিয় প্ৰখ্যাত।
তোমাৰ মূৰ্ত্তিত হন্তে সব ভৈল জাত ॥

তথাপি তোমাৰ ৰূপ নজানয় কেৱ।
ইটো জড় জগত চৈতন্য তুমি দেৱ॥
ব্ৰহ্মাকো কৰিলা বন্দী মায়াৰ গুণত।
নিৰ্গুণ ৰূপক আৰে জানিব কিমত॥
যত বস্তু একোৱে নজানে আপোনাক।
জীৱ জড়কেসে জানে নজানে আত্মাক॥
তোমাকেসে বোলে জ্ঞানি-ব্ৰহ্ম নিৰঙ্কুশ।
সাংখ্য মতে বোলে তুমি প্ৰকৃতি পুৰুষ॥
ভকতৰ মতে তুমি পৰম ঈশ্বৰ।
মতি ভেদে তোমাকেসে পূজে নিৰন্তৰ॥
ইন্দ্ৰ চন্দ্ৰ বায়ু বুলি পূজে যত দেৱ।
তাৰ অন্তৰ্য্যামী তুমি বিনে নাহি কেৱ॥
সৰ্ব্বদেৱময় তুমি বচন নলড়ে।
যেন যত নদী মানে সাগৰত পড়ে॥
প্ৰণামো তোমাক কৃষ্ণ তুমি নিত্য জ্ঞান।
সমস্তৰে আত্মা তুমি সাক্ষী সৰ্ব্বজান॥
যত সুৰাসুৰ নৰ স্থাৱৰ জগত।
প্ৰৱৰ্ত্তয় তোমাৰেসে মায়াৰ পথত॥
স্বৰ্গ ভৈল শিৰ দিশ বিদিশ শ্ৰৱণ।
সূৰ্য্য যাৰ চক্ষু ভৈল মুখ হুতাশন॥
মেঘ ভৈল কেশ কুক্ষি সপত সাগৰ।
ভৈল যাৰ বাহু দিগপাল পুৰন্দৰ॥
লোম ভৈল বৃক্ষচয় বায়ু পঞ্চ প্ৰাণ।
পৰ্ব্বত সমস্ত অস্থি যাহাৰ নিৰ্ম্মাণ॥
ৰাত্ৰি দিনে নিমেষ প্ৰজেশ জল দ্বাৰ।
বৃষ্টি-জল ভৈল বীৰ্য্য বিৰাট তোমাৰ॥
লোক সব অসংখ্য ব্ৰহ্মাণ্ড কোটি কোটি।
ফুৰে প্ৰভু তোমাৰ লোমৰ গুড়ি গুড়ি॥
ডম্বৰু ফলৰ ভিতৰৰ যেন মশ।
এতেকে নজানে ৰূপ সন্তে গাৱে যশ॥

নমো মহা মৎস্য প্ৰলয়ৰ জলচৰ ।
নমো কূৰ্ম্মৰূপী পৃষ্ঠে ধৰিলা মন্দৰ ॥
শূকৰ আকাৰে প্ৰভু উদ্ধাৰিলা ভূমি ।
ভকত পালক প্ৰভু নৰসিংহ তুমি ॥
ত্ৰৈলোক্য আক্ৰমিলা তুমি সি বামন ।
প্ৰণামো পৰশুৰাম ক্ষত্ৰিয় উচ্ছন্ন ॥
নমো শ্ৰীৰাম ৰাৱণৰ অন্তকাৰী ।
নমো বাসুদেৱ নমো ৰাম হলধাৰী ॥
প্ৰণামো প্ৰদ্যুম্ন প্ৰভু তুমি অনিৰুদ্ধ ।
দানৱমোহন তুমি অৱতাৰ বুদ্ধ ॥
ম্লেছ উচ্ছাদক তুমি কল্কি অৱতাৰ ।
তোমাৰ চৰণে কোটি শত নমস্কাৰ ॥
তোমাৰ মায়াত সৰ্ব্বলোক ভৈল ভ্ৰম ।
কৰ্ম্মপথে ভ্ৰমি মৰে কৰে অহম্মম ॥
মই মহা মূঢ়মতি একোয়ে নজানো ।
স্বপ্ন সম পুত্ৰ ভাৰ্য্যা আকে সুখ মানো ॥
স্বৰ্গ-সুখ নিত্য বুলি কৰো কৰ্ম্ম ঘোৰ ।
জড় শৰীৰত অহং বুদ্ধি ভৈল মোৰ ॥
দুঃখময় গৃহবাসে ভৈল সুখ চিত্ত ।
কিনো অধমৰ মোৰ বুদ্ধি বিপৰীত ॥
অজ্ঞান আন্ধাৰে বন্ধ কৰিলে আমাক ।
তুমি প্ৰিয় আত্মা নাথ নজানো তোমাক ॥
তোমাক নপাই পুত্ৰ ভাৰ্য্যা বুলি মৰো ।
গুচায়ো কুবুদ্ধি বন্ধু চৰণত ধৰো ॥
জানিয়ো নোৱাৰো মই নিয়মিবে মন ।
তোমাৰ চৰণে আবে লৈলোহোঁ শৰণ ॥
কৰিয়ো আপুনি প্ৰভু পাতকীৰ গতি ।
তোমাৰ সে অনুগ্ৰহে হোৱে ইটো মতি ॥
হৈব যি জন্মত ঘোৰ সংসাৰ নিস্তাৰ ।
লৱে ভকতৰ সঙ্গ তেবেসে তোমাৰ ॥

তোমাতেসে কৰিবে পাৰে শ্ৰৱণ কীৰ্ত্তন।
তযু কৃপাতেসে সিঝে সব প্ৰয়োজন ॥
এই বুলি চৰণত পড়িলা অক্ৰূৰ।
প্ৰণামো জগত নাথ কৰা দুঃখ দূৰ ॥
বিজ্ঞান মূৰুতি জগতৰ অন্তৰ্যামী।
জীৱ সুখ-দুঃখ-দাতা তুমি সব স্বামী ॥
নমো পৰিপূৰ্ণ ব্ৰহ্ম অনন্ত শকতি।
জন্মে জন্মে তযু পাৱে থাকোক ভকতি ॥
ত্ৰাহি ত্ৰাহি কৃষ্ণ কৰা মোৰ মোহ দূৰ।
এহি বুলি পাৱে পড়ি কান্দন্ত অক্ৰূৰ ॥
পাছে কৃষ্ণ একো তাঙ্ক নিদি সমিধান।
ৰূপ দেখাই ভৈলন্ত আগতে অন্তৰ্দ্ধান ॥
উঠিলা জলৰ পৰা পাছে দানপতি।
চড়িলা ৰথত কৰি কৃত্য সমাপতি ॥
ডাকন্ত ঘোড়াক হুয়া পৰম বিস্ময়।
হাসিয়া পুছন্ত পাছে কৃষ্ণ কৃপাময় ॥
কৈত কিবা আৰে খুড়া দেখিলা অদ্ভুত।
সত্বৰে কহিও কথা গান্দিনীৰ সুত ॥
হেন শুনি অক্ৰূৰে বুলিলা বাক্য পাছে।
সমস্ত অদ্ভুত প্ৰভু তোমাতেসে আছে ॥
মোক দেখা দিলা তুমি জগত-আধাৰ।
অদ্ভুত দেখিবে আৰো থাকিল কি আৰ ॥
এহি বুলি ধীৰে ধীৰে ধীৰে ডাকে ৰথ।
যথা চম্বুকৰি ধৰি মথুৰাৰ পথ ॥
পথতে পথুকে ৰাম মাধৱক দেখি।
আনন্দ মূৰ্ত্তিক চাৱে নয়নে নিৰীক্ষি ॥
যেহি অঙ্গে পড়ে দৃষ্টি নপালটে পুনু।
প্ৰেম পৰশিয়া ৰোমাঞ্চিত হোৱে তনু ॥
নয়নৰ ঝৰে নীৰ নখণ্ডে তৃপিতি।
মিলে মহোৎসৱ নভাবয় আন ভিতি ॥

## শ্ৰীকৃষ্ণ বলভদ্ৰৰ মথুৰা প্ৰৱেশ।

এহি মতে ৰাম কৃষ্ণ আনন্দে যাহন্তে।
মথুৰাৰ সমীপক পাইলন্ত দিনান্তে॥
নন্দ আদি গোপগণ আগ হুয়া যাই।
ৰহিয়াছে ৰাম মাধৱক বাট চাই॥
তেসম্বে সহিতে গৈয়া হুয়া এক ঠাই।
ৰথৰ নামিলা ৰাম কৃষ্ণ দুয়ো ভাই॥
অক্ৰূৰৰ হাতে ধৰি পৰম বিনয়।
বুলিলাহা হাসি পাছে কৃষ্ণ কৃপাময়॥
নগৰৰ উপবন থান অনুপাম।
আমি সব কৰো ঐতে ক্ষণেক বিশ্ৰাম॥
ৰথ লৈয়া আগ হুয়া চলিয়োক ঘৰ।
পাছে সে পশিৰো আমি মথুৰা নগৰ॥
বুলিলা অক্ৰূৰ পাছে কৰি প্ৰণিপাত।
তোমাক এড়িয়া নপশিবো মথুৰাত॥
গৃহক পৱিত্ৰ মোৰ কৰা মহাভাগ।
কৰিবে উচিত নুই ভকতক ত্যাগ॥
গোপগণ সমে আসিয়োক দুয়ো ভাই।
পাদধূলা পড়িয়া পৱিত্ৰ হোক ঠাই॥
এহি পদ-জল শিৰে ধৰি দৈত্যপতি।
লভিলা ঐশ্বৰ্য্য পাইলা ভকতৰ গতি॥
এহি চৰণতে গঙ্গা হুয়া উতপতি।
কৰিলন্ত জগতক পৱিত্ৰ সম্প্ৰতি॥
পাদোদক বুলি শিৰে লৈলা হৰে পাই।
সাফলিবো জন্ম ময়ো চৰণ ধুৱাই॥
তীৰ্থতো অধিক আজি হোক মোৰ থান।
সবংশে কৰিবো তযু পাদোদকে স্নান॥
হুয়োক প্ৰসন্ন দেৱ দেৱ জগন্নাথ।
এতেক প্ৰসাদ দিয়া নমো দমাই মাথ॥

গোবিন্দে বোলন্ত তাঙ্ক শুনিয়োক তাত।
আজি আউব আমাক নকবা উতপাত॥
যদুকুল কণ্টকক বধিয়া কংসক।
দোভায়ো অৱশ্যে যাইবো তোমাৰ গৃহক॥
অনন্তৰে দানপতি কৃষ্ণৰ বচনে।
মথুৰাত প্ৰবেশিল অসন্তোষ মনে॥
কৃষ্ণ আসিবাৰ কথা কহিয়া কংসত।
মেলানি মাগিয়া গৈয়া থাকিলা গৃহত॥
অক্ৰূৰক পঠায়া গৃহক আগ কৰি।
লৈয়া গোপগণ সঙ্গে ৰঙ্গে ৰাম হৰি॥
পৰম উৎসুকে প্ৰবেশিলা মথুৰাত।
সিটো বিতোপন পুৰী দেখিলা সাক্ষাত॥
ফটিকে গঠিত পুৰ দ্বাৰ দুই খাট।
লগাই আছে সুৱৰ্ণৰ বৃহত কপাট॥
হেমময় তোৰণ চিৰলে অলঙ্কৃত।
চতুৰ্ভিতি গড়খাই দেখি ভয় ভীত॥
বহুবিধ উদ্যান শোভিত কাছে কাছে।
শাৰী শাৰী গৃহ সব প্ৰকাশন্তে আছে॥
ফটিকৰ বাৰ হেম কুন্দকথ জালে।
অগুৰু ধূপৰ ধূম বঝাই বোম্বালে॥
ফটিকৰ স্তম্ভে গৃহসৱ আছে ধৰি।
কণকৰ কান্তি প্ৰবালৰ খাটখৰি॥
হীৰা মৰকত ৰত্নে ৰঞ্জে ঠাৰে ঠাৰে।
শোভা কৰে পাৰাৱত ময়ুৰৰ ৰাৱে॥
চিৰল আঁৰিয়া ধ্বজ দণ্ড আছে তুলি।
সাঞ্জি মাঞ্জি ৰাজপথ চৌপন্থা পদূলি॥
প্ৰতি দ্বাৰে দুই পাশে দেখি ফট ফট।
তণ্ডুলৰ ওপৰে প্ৰকাশে পূৰ্ণ ঘট॥
দুৰ্ব্বাক্ষত দধি চাৰু চন্দনে ৰচিত।
গলত পুষ্পৰ মালা চিৰলে শোভিত॥

মুখত পল্লৱ ফল শোভা কৰে আতি।
সুৱৰ্ণৰ গছাত ঘৃতৰ জ্বলে বাতি ॥
আলিপনে লিপিল বিচিত্র যত স্থলী।
চৰে সমে আছ পুতি তাম্বুল কদলী ॥
পতাকা চিৰলচয় ৰঙ্গে শাৰী শাৰী।
বস্ত্র অলঙ্কাৰে বিঞ্জি ফুৰে যত নাৰী ॥
যেহি দিগি চায় যেন সূৰ্য্যৰ জ্যোতি।
প্রকাশন্তে আছে যেন দ্যুতি অমৰাৱতী ॥
হেন নগৰত পশি গোপগণ সঙ্গে।
ৰাজ-পথে চলি যান্ত ৰাম কৃষ্ণ ৰঙ্গে ॥
ৰাম কৃষ্ণ আসন্তে লোকৰ গলা ৰাৱ।
শুনি নৰ নাৰীৰ মিলিল মহোৎসৱ ॥
বৰ্ঝাই লৰৰন্তে আথেবেথে আনন্দত।
চড়ে চাহিবাক লাগি গৃহ ওপৰত ॥
কৃষ্ণক দেখিবে আতি উত্রাৱল চিত্ত।
পিন্ধে বস্ত্র অলঙ্কাৰ কৰি বিপৰীত ॥
কণ্ঠত মুকুট কঙ্কালত সাতসৰি।
অঙ্গুলিত উঝণ্টি কেয়ূৰে ৰঙ্গে ভৰি ॥
এক কৰ্ণে কুণ্ডল কঙ্কণ এক কৰে।
আসে বিমোহিত হুয়া বস্ত্রো নসম্বৰে ॥
অঞ্জনে ৰঞ্জিল মাত্র এগোটা লোচন।
বৰ্ঝাই লৰড়ন্তে কতো তেজিয়া ভোজন ॥
কতো কুড় কষাই ঘষি আছিল শৰীৰে।
নকৰিল স্নান কতো তৈল লৈয়া শিৰে ॥
পিন্ধিল নূপুৰ মাত্র কতো এক পাৱে।
কৃষ্ণক দেখিতে বৰ্ঝাই বিমোহিত ভাৱে ॥
কতো কৃষ্ণ আসিবাৰ শুনি মন তুষ্টি।
দিলেক লৰড় ঘুমটিৰ পৰা উঠি ॥
সোলকে বসন বেশ নসম্বৰে কেশ।
কৈৰা কৃষ্ণ বুলি চেঞায় বাতুলৰ বেশ ॥

আছিল পীয়ন্তে স্তন শিশুকো এড়িল ।
কৃষ্ণক দেখিবে লাগি গৃহত চড়িল ॥
ক্রমাক্রমে নাৰী সবে মহা প্রেম ভাৰে ।
এক দৃষ্টি কৰি ৰাম মাধৱক চাৰে ॥
মধুৰ মূৰ্ত্তিক দেখি নভাবয় আন ।
অমৃত পড়িয়া যেন জুড়ায় তনু প্রাণ ॥
ৰূপৰ সম্পাতি দেখি চিত্ত হুয়া ভোল ।
চতুৰ্ভিতি কৰে জয় জয় কৃষ্ণ বোল ॥
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সভাসদ ।
পাপৰ দাহক মহাভাগৱত পদ ॥
কৃষ্ণৰ পৰম লীলা সংসাৰতে সাৰ ।
এহিসে কৰিবে কাল-নদীত নিস্তাৰ ॥
এড়িলা পৃথিবী কৃষ্ণে ধৰ্ম্ম-জ্ঞান লই ।
গৈলা বৈকুণ্ঠক ঐত নাম গুণ থই ॥
যেন গতি পাৱে পূৰ্ব্বে কৃষ্ণ দৰশনে ।
পাৱে আৰে ততোধিক কলিত কীৰ্ত্তনে ॥
আপোনাৰ হিত চিন্তা তেজি আন কাম ।
নেড়িবা মুখত ৰাম কৃষ্ণ হৰি নাম ॥
যদি নাম দুৰাচাৰ চণ্ডালো উচ্চৰে ।
তাহাৰো তেখনে সংসাৰৰ বন্ধ হৰে ॥
গীতা ভাগৱত ইটো শাস্ত্ৰৰ সন্মত ।
কৃষ্ণ সে পৰম দেৱ জানা সাৰ তত্ত্ব ॥
পৰম ৰহস্য ধৰ্ম্ম কৃষ্ণ-গুণ-নাম ।
হেন জানি বোলা নিৰন্তৰে ৰাম ৰাম ॥

নিগদতি শুক
শুনা পৰীক্ষিত
যেন কথা আতপৰ ।
কৃষ্ণক নিৰীক্ষি
নাৰী সব আছে
চৰিয়া গৃহ ওপৰ ॥

সুনাসিকা মুখ অলকে আবৃত
যেন শ্যাম পদ্ম কোষ।
নেত্র ভৃঙ্গ ভৰি পীয়ন্তে পৰম
মনত মিলে সন্তোষ॥
যেহি যেহি অঙ্গে গৈয়া দৃষ্টি পড়ে
তাতে লাগে যেন ধ্যান।
অমৃত পড়িয়া যেন জুড়াই আসে
তনু মন জীৱ প্ৰাণ॥
মথুৰা নাৰীৰ কিনো ভাগ্যোদয়
মিলিলেক মহা ভাগ।
দেৱৰো দুৰ্ল্লভ যিটো কৃষ্ণ তাঙ্ক
হাততে পাইলেক লাগ॥
ৰাজ-পথে চলি যান্ত গজ গতি
লীলায়ে ৰাম মাধৱ।
সমস্ত নাৰীৰ মন নয়নৰ
বঢ়ায়া মহা উৎসৱ॥
হসিত বয়নে সদয় নয়নে
কটাক্ষে কৃষ্ণে চাহন্তে।
তাসম্বাৰ মন কমল নয়ন
হৰিলা কৃষ্ণে একান্তে॥
যাৰ ৰূপ গুণ বিক্ৰম কথাক
শ্ৰৱণে আছিলে শুনি।
হেনয় কৃষ্ণক প্ৰত্যক্ষে দেখয়
নয়ন ভৰি আপুনি॥
কৃষ্ণৰ কটাক্ষে অমৃত সিঞ্চিল
পাইল সবে মহামান।
নয়নৰ পথে আনন্দ মূৰ্ত্তিক
হৃদয়ে কৰিল ধ্যান॥

পৰম প্ৰেমত মনে আলিঙ্গিল
আনন্দে দ্ৰৱিল চিত্ত।
নেত্ৰৰ লোতক ধাৰে বহি যায়
তনু ভৈল ৰোমাঞ্চিত ॥
এড়াইল কৃষ্ণৰ নিমিত্তে যতেক
আছিল মনত তাপ।
চৰণ পঙ্কজ পূজিলেক মনে
তেজিয়া আন আলাপ ॥
কতক্ষণ মানে আছিলেক চিন্তি
চৰণত চিত্ত দিয়া।
কৃষ্ণ দৰশনে মনে মহোৎসৱ
আনন্দে নধৰে হিয়া ॥
প্ৰীতি-প্ৰফুল্ল মুখ পদ্ম ভৈল
মথুৰা-নাগৰী যত।
অঞ্জলি ভৰিয়া কুসুম বৰিষে
হৰিষে কৃষ্ণ-শিৰত ॥
অন্যো অন্যে নাৰী সম্বোধি কহয়
ৰাম মাধৱক চাই।
গোপী সব সম ভাগ্যৱতী আউৰ
ই তিনি লোকত নাই ॥
পূৰ্ব্ব জন্মে সিটো ব্ৰজ বালা আছে
কতনো তপ আচৰি।
দোভাইৰো সুন্দৰ বদন পদ্মক
দেখে নিতে নেত্ৰ ভৰি ॥
মধুৰ অধৰ সুধাৰস পীয়ে
কৃষ্ণক কৰে আলাপ।
এই পাদ পদ্ম স্তনত অৰ্পিয়া
এড়াইল সংসাৰ-তাপ ॥

ক্ষণেক নপাইলে প্ৰেম ওপজয়
অনুৰাগে গাৰে গুণ।
সাৰ্থক জনম লভিলেক গোপী
সখী সব শুন শুন ॥
হেন সম্ভাষণ কৰে নাৰীগণে
আনন্দে কৃষ্ণক চাই।
গজ গতি লীলা লয় লাসে চলি
ৰঙ্গে যান্ত যদুৰায় ॥
দধি দুৰ্ব্বাক্ষত নানা উপায়ন
কুসুম চন্দন গন্ধে।
পদূলি পদূলি দ্বিজগণে পূজে
কৃষ্ণক মহা প্ৰবন্ধে ॥

---

## একাদশ স্কন্ধ।

### দুলড়ি।

নিগদতি শুকে কথা অনন্তৰে
শুনা নৃপ পৰীক্ষিত।
পৰম ভকত উদ্ধৱে বুঝিলা
কৃষ্ণৰ সৱ ইঙ্গিত ॥
দেখি বিমঙ্গল আকলিল মনে
মাধৱৰ ভক্তি কায়।
কুলক সংহাৰি বৈকুণ্ঠে চলিবে
এড়িবে দ্বাৰকা ৰাজ ॥
হা কৃষ্ণ স্বামী বোলন্তে লোতক
নয়নৰ পৰা পৰে।
শৰাৰত শোক অগনি উধাৰে
মনে মহা চৰ্ম্ম চড়ে ॥

ত্যজিয়া নিশ্বাস চাপিলন্ত পাশ
সন্তাপে আকুল ভাৱ ।
বিবল থানত পৰি প্ৰণমিলা
শিৰে পৰশিয়া পাৱ ॥
কৃষ্ণৰ বিয়োগে অগনি উধাই
হৃদয় দগধ কৰে ।
শোকে মকমকি কৰন্ত ক্ৰন্দন
নয়নৰ নীৰ ঝৰে ॥
কতক্ষণে আসি মুখ মুছি পাছে
উঠিল নমায় মাথ ।
কৃতাঞ্জলি কৰি বুলিবে লাগিলা
শোকে গদ গদ মাত ॥
বংশক সংহৰি এড়ি ভূমি তুমি
যাবে জানিলোঁহো আমি ।
ঋষি শাপ বাপ বৃথা নকৰিলা
সি হেতু জগত স্বামী ॥
তোমাৰ চৰণ নেদেখি ক্ষণেকে
থাকিবে নোৱাৰোঁ হৰি ।
তুমি এড়িলতে ছাৰি প্ৰাণ প্ৰভু
অৱশ্যে যাইব মৰি ॥
তুমি তপ পুণ্য তুমি বিনে শূন্য
দেখো ইতো ত্ৰিজগত ।
কাপৰ্ণ্যে সে কৰোঁ চৰণত ধৰোঁ
নিওক মোক লগত ॥
তোমাৰ চৰণ পঙ্কজ পূজিতে
কতো পুণ্যে পালে লাগ ।
বাপ জগন্নাথ নকৰা অনাথ
ভকতক পৰিত্যাগ ॥

সম্যকো অমৃত তোমাৰ চৰিত
শুনে মাত্ৰ যিতো নৰে।
পায়া প্ৰেম ভাৱ নেৰে তযু পাৱ
বিষয়ক পৰিহৰে॥
শয়নে ভোজনে স্নান গোপ্য স্থানে
সদা সেৱা কৰোঁ আমি।
তোমাক নেদেখি ৰাখি প্ৰাণ প্ৰভু
কি মতে বঞ্চিব স্বামী॥
মই পিন্ধু ছাৰ বস্ত্ৰ অলঙ্কাৰ
তোমাৰ উচ্ছিষ্ট খায়া।
দমায় আছোঁ চিত্ত ইতো বিপৰীত
তৰিবোঁ দুস্তৰ মায়া॥
জ্ঞানীগণ সুখে ইন্দ্ৰিয়ক দমি
কাম ক্ৰোধ মোহ জিনি।
যিতো ব্ৰহ্ম পদ পায়া প্ৰভু পুনু
তাহাতে আছে বিঘিনি॥
আমি মহা মূঢ় গৃহ বাসী সুখে
সঙ্গ লৈয়া ভকতৰ।
তোমাৰ চৰিত্ৰ কথা শুনিলাতে
তৰিবোঁ মায়া দুস্তৰ॥
তযু পাদ পদ্ম হৃদয়ে ধৰিয়া
গাৱে গুণ নাম গীত।
এতেকে মুকুতি অপ্ৰয়াসে পায়
হেনসে আছিল চিত॥
চৰণ ছত্ৰৰ ছায়া সেৱে যিতো
সিতো এৰে ইতো তাপ।
হেন পাৱ এড়ি ক্ষণেকে নিজীৱ
সঙ্গে নিও মোক বাপ॥

সৱে পৰিহৰি চৰণত ধৰি
তোমাক কৰিলো সাৰ।
তুমি এড়িলাত হে বন্ধু মাধৱ
দিনতে দেখো আন্ধাৰ ॥
হে প্ৰাণনাথ নকৰা অনাথ
দন্তে ধৰোঁ খেৰ তুলি।
তোমাৰ বিয়োগ প্ৰাণ ধৰোঁ কিক
দেখা মোক মাৰে পুৰি ॥
এহি বুলিলন্ত উদ্ধৱ মহন্ত
আতি প্ৰেম অনুৰাগে।
অনেক কাতৰ কৰিয়া কান্দন্ত
পৰিয়া কৃষ্ণৰ আগে ॥
নয়নৰ নীৰ ধাৰায়ে বহয়
শোকতে আকুল ভাৱ।
কতহু কাকুতি কৰিয়া কান্দন্ত
ধৰিয়া কৃষ্ণৰ পাৱ ॥
ই হেন অৰুণ চৰণ দুখানি
ত্যজি যাব কেন মতে।
মাধৱ বান্ধৱ নমাৰা সমূলি
নিয়োক মোক লগতে ॥
এই বুলি পাৱে পৰিয়া কান্দন্ত
অনেক কাৰুণ্য ভাৱে।
দশো দিশ দুখে দেখন্তে আন্ধাৰ
চেতন নাহিক গাৱে ॥
ভকতৰ দুঃখ দেখি ভগৱন্ত
ভৈলন্ত নেত্ৰ সজল।
অসন্তোষে কিছু চপৰাই মাথ
সঙ্কোচি মুখ কমল ॥

শুনা নৰ লোক মহন্তৰ শোক
দেখা দুখ কেন মত।
ধন জন যত জীৱন যৌৱন
জানা সবে অশাশ্বত ॥
পুত্ৰ পৰিবাৰ সবেও অসাৰ
নাটক টাটক মায়া।
ক্ষণেকে থাকিয়া ক্ষণেকে অন্তৰে
সমে মাত্ৰ ঘৰ ছাঁয়া ॥
কেতিক্ষণে পৰে ইতো নৰ তনু
জীৱন জলৰ ৰেখা।
সত্বৰে ভজিয়ো কৃষ্ণৰ চৰণ
শৰণ এভু নেদেখা ॥
দেৱে তীর্থে যাক, ভাবিবে নোৱাৰে
পাতকতে গৈলা তল।
হৰি নামে পালে তিলেকে উদ্ধাৰে
দেখা ভকতিৰ বল ॥
দুৰাচাৰ যদি হৰি নাম লৱে
সিও শুদ্ধ হৱে আতি।
হৰিক শৰণে হৱে এক খানি
অন্ত্য যে উত্তম জাতি ॥
বিষয়ৰ দোষে বাধিবে নোৱাৰে
ভকতি পাতক হৰে।
আছোক উত্তম ভকতৰ কথা
সামান্য ভকত তৰে ॥
ভকতিৰ দেখি আশ্চর্য্য মহিমা
ভৈলন্ত কৃষ্ণ বিস্ময়।
হেন জানি সবে হৰিৰ নামত
তেজিয়ো সবে সংশয় ॥

দেৱৰ পৰম ঈশ্বৰ মাধৱ
ধৰ্ম্মৰ ঈশ্বৰ নাম।
সুহৃদ বিশ্বাস কৰি নিৰন্তৰ
ডাকি বোলা ৰাম ৰাম ॥

---

পদ।

নিগদতি শুকে আৰে শুনা নৰেশ্বৰ।
ভকতৰ সন্তাপ দেখিয়া দামোদৰ ॥
ভৈলন্ত আকুল কৃষ্ণ জগত জনক।
কমল নয়ন ভৰি বহয় লোতক ॥
পীত বস্ত্ৰে মুছি মুখ ত্যজিয়া নিশ্বাস।
স্নেহে উদ্ধৱক ধৰি বুলিলা আশ্বাস ॥
ত্যজি চিন্তা চিত্ত স্থিৰ কৰা মহাশয়।
তযু দুঃখ দেখি সখি নসহে হৃদয় ॥
স্বৰূপে জানিলা তুমি আমাৰ আসয়।
বংশক সংহৰি এবে চলিবোঁ নিশ্চয় ॥
সাধিলো উদ্ধৱ দেৱতাৰ যত কাজ।
নথাকিবো ইথানত তোমাত কি বাজ ॥
দ্বাৰকা নগৰী সাগৰত যাবেতল।
মই গৈলে লোকত মিলিবে অমঙ্গল ॥
পীড়িবে দুৰ্জ্জন কলি গুচিবে আচাৰ।
হবে অধৰ্ম্মত ৰতি সকল প্ৰজাৰ ॥
তুমি আমি দুয়ো গৈলে মিলেবে অনৰ্থ।
লুপ্ত হইবে জ্ঞান ইতো ভকতিৰ পথ ॥
অধৰ্ম্মে পীড়িবে লোক যাবে আধোগতি।
ভকতিক ৰাখি তুমি থাকা মহামতি ॥
মোহোৰ বচন ইতো নছাৰিবা তুমি।
শ্ৰৱণ কীৰ্ত্তন প্ৰবৰ্ত্তায় থাকা তুমি ॥

ভকতি নভৈলে ভূমি যায় ৰসাতল।
মোৰ আজ্ঞা পালি কহিওক মহাবল ॥
কিন্তু এতে নাথাকিবা কহিলোঁ প্ৰকটি।
মোত চিত্ত দিয়া ফুৰা পৃথিবী পৰ্য্যটি ॥
যত দেখা সব মায়াময় স্বপ্নসম।
হৰিময় দেখি দূৰ কৰা মতিভ্ৰম ॥
জ্ঞান কৰ্ম্ম ভকতি কহিলোঁ কৰি ভেদ।
ভকতি পৰম পথ দিলোঁ পৰিছেদ ॥
নহিকে উত্তম গতি ভকতিত পৰে।
নিষ্ট কহোঁ ভকতিত মোকে বশ্যকৰে ॥
হে প্ৰাণ নাথ মোক কহিয়ো বুঝাই।
ঋষি সকলৰ কিয় এক মতি নাই ॥
কেহো বলে কৰ্ম্মে কেহ বলে জ্ঞানগতি।
তোমাৰ সন্মত পথ পৰম ভকতি ॥
একে বেদ বাক্য কিয় মতি ভৈলা ভেদ।
কিঙ্কৰৰ কেশৱ সংশয় কৰা ছেদ ॥
অনাদি ঈশ্বৰ তুমি শিৱ সৰ্ব্বজান।
পৰিছেদ দাতা তুমি বিনে নাহি আন ॥
মাধৱে বোলন্ত সখি শুনিও সিদ্ধান্ত।
তুমি মোৰ মহা মিত্ৰ ভকত একান্ত ॥
পূৰ্ব্বে প্ৰলয়ত নষ্ট ভৈলা বেদ বাণী।
কহিলো ব্ৰহ্মাত আমি উদ্ধাৰিয়া আনি ॥
বেদ যেন কৰে তাক শুনা প্ৰাণ সখি।
মায়াময় দেৱ ধৰ্ম্ম সবাক উপেক্ষি ॥
কেৱলে আমাত মাত্ৰ লৈয়োক শৰণ।
হবে কৰ্ম্ম মল ত্যজি তেবেসে প্ৰসন ॥
মক্তি বিনে বেদে কিছু আন নবাখানে।
চাৰিও বেদৰ তত্ত্ব অৰ্থ এহি মানে ॥
মনত প্ৰথমে লক্ষি কহিলা হৰিষি।
পাছে জানিলন্ত বেদ সবে সপ্ত ঋষি ॥

তাত পাছে পালে সুৰাসুৰ সিদ্ধ নাগ ।
অনন্তৰে বেদক মনুষ্যে পাইলা লাগ ॥
যাৰ যেন মতি কহে বেদক ৰাখ্যান ।
নিজ অৰ্থ ভকতিক ত্যজি বুঝে আন ॥
কেহো বলে বেদে কৰে যজ্ঞ ব্ৰতদান ।
কতো বলে ক্ষুদ্ৰ দেৱ পূজা তীৰ্থস্নান ॥
কেহো বলে বেদে কহে জ্ঞানতেসে গতি ।
গুণৰ ইচ্ছায়ে বুঝে যাৰ যেন মতি ॥
কতো মন্দমতি শাস্ত্ৰ নকৰে বিচাৰ ।
কৰে ধৰ্ম্ম কৰ্ম্ম পূৰ্ব্ব পুৰুষ আচাৰ ॥
লয়ে কতো তাক এৰি পাষণ্ডৰ মতি ।
যায় লোক নপাৰে অধৰ্ম্ম অধোগতি ॥
নছাৰে কৰ্ম্মক শোক দুঃখ প্ৰতি দিনে ।
জ্ঞানতো নাহিকে গতি ভকতি বিহনে ॥
আনে নজানয় ইতো বেদৰ বিচাৰ ।
এতেকে ভকতি পথ সকলি আমাৰ ॥
ভকত জনৰ যেন সুখ বিপৰীত ।
স্বপ্নতো নেদেখে তাক কৰ্ম্মী কদাচিত ॥
পাইলে মোক মনত সন্তোষ অসৰিস ।
ভকতৰ সুখ সখি ময় দশো দিশ ॥
জানি মোক ভকত সকলে দেখে মিছা ।
ইন্দ্ৰ ব্ৰহ্মা পদক নকৰে মনে ইচ্ছা ॥
মুকুতি পৰম পদ তাত এড়ে দায় ।
ময় বিনে ভকতৰ প্ৰিয় আন নাই ॥
ব্ৰহ্মা হৰ হৈলা উৰ্দ্ধ লক্ষ্মী প্ৰিয় জায়া ।
পৰম সুন্দৰ ইতো দেখা মোৰ মায়া ॥
অধিক সজাত তুমি প্ৰাণ প্ৰিয়তম ।
নাহি আন বান্ধাৱ উদ্ধৱ তুমি সম ॥
ভকতেসে জানা মোৰ পৰম বান্ধৱ ।
ভকত জনৰ ময় সুহৃদ উদ্ধৱ ॥

ময় বিনে ভকতে নিচিন্তে কিছু জ্ঞান।
ময়ো ভকতক বিনে নজানোহো আন॥
ভকত সমান সখি মোৰ কোন আছে।
মঞিঃ মহাভকতৰ ফুৰোঁ পাছে পাছে॥
মোৰ উদৰত আছে ব্ৰহ্মাণ্ড যতেক।
ভকতৰ ধূলা পৰি পৱিত্ৰ প্ৰত্যেক॥
এমত ভক্তৰ কথা থাকোক সম্প্ৰতি।
উত্তম ভক্তৰ কথা শুনা মহামতি॥
লোভে মোহে কামে ক্ৰোধে বিষয় আক্ৰোশ।
নোছোৱই মোৰ ভকতক একো দোষ॥
সামৰ্থ ভকতি আতি একোৱে নচাৰে।
ভকতক পালন্ত পুত্ৰক যেন মাৱে॥
ভকতিৰ মহিমাক কহি নপাওঁ সীমা।
ভকতিৰ শুনা সখি আশ্চৰ্য্য মহিমা॥
কৰে মোত ভকতি যদ্যপি দুষ্ট চিত্তে।
দহয়ে পাতক তাৰ তথাপি তৰিতে॥
একোয়ে নাৰাখে পাপ পুণ্য যত আছে।
যেন মহা বহ্নি কাচা শুখান নবাচে॥
আন ক্ষুদ্ৰ দেৱতাত যদি নেদেমতি।
মহা দুৰাচাৰ কৰে আমাত ভকতি॥
সেহিসে পৰম সাধু জানা মহাশয়।
যিহেতু আমাক মাত্ৰ কৰিলে নিশ্চয়॥
এতেকে নোছোৱে পাপ পুণ্য কলেৱৰ।
পৰম মুকুতি পাত্ৰ হৱে সিতো নৰ॥
কুতৰ্কী পঁড়িতে যদি নমানন্ত আক।
ঢোল কোবাই উৰ্দ্ধ বান্ধ থাওক তাৰ বাক॥
দুৰাচাৰো তৰে আতি ইতো কোন চিত্ৰ।
চণ্ডালকো কৰে মোৰ ভকতি পৱিত্ৰ॥
চাৰিয়ো বেদেৰ তত্ব কৰিয়া নিশ্চয়।
অৰ্জ্জুনত গীতাত কহিলা কৃপাময়॥

তপ জপ সন্ন্যাস পৰম মহাদানে।
নপাৱে অমাক সখি যোগ মহা জ্ঞানে॥
কেৱলে ভকতি একে মোক কৰে বশ্য।
কহিলো উদ্ধৱ ইতো তোমাত ৰহস্য॥
জগতৰ ধৰ্ম্ম কৰ্ম্ম কৰোক সকলে।
মোক আত্মা বুলি যদি জানে যোগ বলে॥
তথাপি পৱিত্ৰ তাৰ নহে তনু চিত্ত।
নেৰাই মৃত্যু ভয় জানি কস্মিন কদাচিত॥
প্ৰেম ভকতিৰ চিহ্ন শুনিয়ো উত্তৱে।
হৰি হৰি বোলন্তে লোতক যাৰ ঝৰে॥
মোৰ কথা শুনন্তে শৰীৰ ৰোমাঞ্চিত।
জানা তাৰ পৰম পৱিত্ৰ ভৈলা চিত॥
প্ৰেমে দ্ৰৱে চিত আতি গদ গদ বাণী।
কতো হাঁসে কতো কান্দে মোকে প্ৰিয় মানি॥
জল এড়ি গাৱে গীত নাচে আনন্দতে।
জগত পৱিত্ৰ কৰে সেহিসে ভকতে॥
মোক লাগি প্ৰেম উপজিল যাৰ মনে।
নেৰোঁ সখি তাহাৰ হৃদয় সৰ্ব্বক্ষণে॥
বান্ধিলেক আমাৰ পাৱত প্ৰেম জৰি।
জানা নাই উত্তম ভকতি তাক সৰি॥
পৰম শ্ৰদ্ধায়ে যিতো ভজন্ত সৰ্ব্বথা।
হৈবেক মুকুত সিতো ইতো কোন কথা॥
তাৰ সঙ্গ পালে হবে জগত মুকুত।
নেদেখিবা সখি ইতো কথা অদভুত॥
কৃষ্ণৰ বচন শুনি মুখ্য হৰি দাস।
প্ৰণামি পুছন্ত পুনু ত্যজিয়া নিশ্বাস॥
ভকতি পৰম গতি জানিলো নিশ্চয়।
ছেদিয়োক দেৱ দুনায় মনৰ সংশয়॥
বিষয়ক পৰম আপদ হেন জানি।
তথাপিত আক কিয় নেৰে এক প্ৰাণী॥

যাবন্তে ভুঞ্জন্তে তেবে নির্গুণ কুকুৰ।
তথাপি উচ্ছিষ্ট ভুঞ্জে ত্যজি নযায় দূৰ॥
কাটিবাক আনন্তে নির্গত যেন ছাগ।
লাথি পায়ো গাধ গর্দ্দভীৰ নেৰে লাগ॥
সেহি মতে দেখ মায়া জানি নিৰন্তৰে।
তোমাক নভজি কিয় আত্মাঘাত কৰে॥
মাধৱে বোলন্ত সখি শুনা পৰিছেদ।
পঢ়ে সৱে মাত্র যেবে জানি চাৰিবেদ॥
কৰিবে নোৱাৰে মোত তথাপি ভকতি।
নলৱয় নৰে যেবে সন্তৰ সঙ্গতি॥
কর্ণত কহন্ত কৃষ্ণ কথা গোপ্য কৰি।
নাহিকে উপায় সখি সৎ সঙ্গত সৰি॥
আমাক নপাৰে মহাজ্ঞানী কর্ম্ম লোক।
সাধু সঙ্গে আৱশ্যকে বশ্য কৰে মোক॥
নপাৰয় মোক যোগ যাগ যজ্ঞ দানে।
মহামন্ত্র জপি কোটি শত তীর্থ স্নানে॥
নপাৰে আমাক একাদশী উপবাসে।
নকৰয় বশ্য মোক পৰম সন্ন্যাসে॥
আন কর্ম্ম এড়িয়া মিছাত মৰে লোক।
ভকতৰ সঙ্গে শেষ মাত্র জানে মোক॥
কহিলোহোঁ গোপ্য কথা শুনিয়ো উদ্ধৱ।
যি হেতু ভকত তুমি পৰম বান্ধৱ॥
মোক্ষত অধিক সখি সাধুৰ সঙ্গম।
যাহাৰ ৰেণুক স্বর্গ সুখে নহে সম॥
সাধু সঙ্গে অনেক পাইলেক মোৰ গতি।
দেওঁ লেখা সখি তাক শুনিও সম্প্রাতি॥
যক্ষ ৰক্ষ বৃক্ষ পক্ষী পশু পালে পাল।
স্ত্রী শূদ্র অন্ত্য জাতি অধম চণ্ডাল॥
ই সৱত অধিক অনেক পাপ মতি।
ভকতৰ সঙ্গত পাইলেক মোৰ গতি॥

বিভীষণ বিৰাধ প্ৰহ্লাদ বলী বাণে।
জাম্বুবান কৃষ্ণৰ সুগ্ৰীৱ হনুমানে॥
মালাকাৰ কুব্জি ধৰ্ম্ম ব্যাধ তুলাধাৰ।
দ্বিজ ভাৰ্য্যা ব্ৰজবাসী গোপী অনাচাৰ॥
নাই তপ ব্ৰত শৌচ নপঢ়িলে বেদ।
নজানে অজ্ঞানে একো শাস্ত্ৰ তত্ব ভেদ॥
কেৱল সাধুৰ সঙ্গ মোক্ষ সাধে গতি।
সৎ সঙ্গত পৰে নাই উপায় সম্প্ৰতি॥
দেৱতো তীৰ্থত কৰি ভকতে সে বড়।
ভকতৰ সঙ্গ পালে গুচে কৰ্ম্ম জড়॥
কৰে যেবে ভকতি ঈশ্বৰ মনে মানি।
কহিলো তোমাত সখি ইতো তত্ব বাণী॥
নাহি এবে ভকতৰ নাহিকে অন্তৰ।
মোৰ সঙ্গ এবে সখি সঙ্গতি সন্তৰ॥
এতেকে লৈয়োক সাধু সঙ্গ সৰ্ব্বক্ষণ।
শুনিয়োক সখি এবে সাধুৰ লক্ষণ॥
ভকতিসে সমস্ত পুণ্যৰ হৰে পাত্ৰ।
জানি নিজ ধৰ্ম্ম ত্যজি মোক ভজে মাত্ৰ॥
সুহৃদ বিশ্বাস মোতে কৰিলে নিশ্চয়।
সেহি মহা সাধু সখি নাহিকে সংশয়॥
আন দেৱ নাবাধে নসাধে স্বৰ্গ কাম।
নেৰে সুখে দুঃখে মুখে মোৰ গুণ নাম॥
মোৰ মূৰ্ত্তি মনে নিতে হৃদয়ত ধৰে।
জানা সখি সেহি মহা সাধু সুখে তৰে॥
তাৰ সঙ্গে ক্ষণেক আমাক কৰে বশ্য।
পুনঃ পুনঃ প্ৰাণ সখি কহিলো ৰহস্য॥
জগতৰ ধৰ্ম্ম কৰ্ম্ম জানা নিষ্ট কৰি।
ভকতৰ সঙ্গ ৰেণুক নহে সৰি॥
আপুনি দেখিলা গোকুলত মহামতি।
ব্যভিচাৰী দুষ্টা যত গোপৰ যুৱতি॥

কাম ভাৱে কেৱলে ভজিলা মাত্র মোক।
এতেকে পৰম সুখে পালে মোৰ লোক ॥
আন নেদেখিলো ব্ৰজ যুৱতীক সৰি।
ভৈলো বন্দি উদ্ধৱ গোপীৰ প্ৰেমজৰি ॥
থাকোঁহু সৰ্ব্বদা সখি তাসম্বাৰ পাশ।
যেই বোলে সেই কৰোঁ যেন নিজ দাস ॥
এতেকে উদ্ধৱ তুমি ছাড়া বেদ পন্থ।
জিবা জানা শুনা আবে এবা আন গ্ৰন্থ ॥
একে মোত মাত্র তুমি লয়োক শৰণ।
নকৰিবা ভয় ময় কৰিবো ৰক্ষণ ॥
সত্য বোলে উদ্ধৱ বান্ধৱ মোৰ সম।
মোক যেবে নজানে তেবেসে আন ধৰ্ম্ম ॥
ভকতি তৰিবে তুমি স্থিৰ কৰা মতি।
লৈয়া সাধু সঙ্গ সখি সুখে সাধাগতি ॥
শুনা সভাসদ পদ মহা ভাগৱত।
এহি কথা কৈলা কৃষ্ণে গীতাৰ অন্তত ॥
সৰ্ব্বধৰ্ম্ম এড়ি এক শৰণ সাক্ষাত।
সুহৃদ বিশ্বাস সখি লৈয়োক আমাত ॥
নাহি কিছু ভয় হেৰা কৰোঁ অঙ্গীকাৰ।
সমস্ত পাপত মঞিঃ কৰিবো নিস্তাৰ ॥
অৰ্জ্জুনত কহিলা এহিসে হৰি তত্ব।
ঈশ্বৰ কৃষ্ণৰ আবে লৈয়োক সন্মত ॥
বেদ ৰামায়ণ আৰু পুৰাণ ভাৰত।
হৰিকেসে কহে মাত্র সমস্ত শাস্ত্ৰত ॥
ইহাক নজানি আন কৰে অল্পমতি।
কদাচিত নুশুনিবা সি সবৰ মতি ॥
পাতকীৰ কৰ্ম্ম আছে শুনি মৰি ঘিণে।
নাই গতি কলি যুগে হৰি নাম বিনে ॥
কৃষ্ণৰ নামেসে কৰে পাতকীৰ গতি।
নামৰ মহিমা কৈলো শুনিও সম্প্ৰতি ॥

যিতো জনে যায় মাধৱৰ নাম ধৰি।
পাছে পাছে ফুৰে দেৱ দেৱী স্তুতি কৰি॥
মূৰ্ত্তিমন্ত হুয়া পঞ্চ প্ৰকাৰ মুকুতি।
লোক লৈয়ো বাপ বুলি কৰন্ত কাকুতি॥
পাপক সংহৰি হৰি নাম মহা বলী।
যাৰ ধ্বনি শুনি কম্পে পলায় পাপ কলি॥
জগতৰ পৰম সুহৃদ হৰি নাম।
জানি নিৰন্তৰে নৰে বোলা ৰাম ৰাম॥

---

## ছবি।

কৃষ্ণৰ সিদ্ধান্ত শুনি উদ্ধৱে সোধন্ত পুনাই
শুনা প্ৰভু জগতৰ বাপ।
জানিলো সন্তৰ সঙ্গে তোমাত ভকতি কৰে
তেবেসে সংসাৰে তৰে তাপ॥
তোমাৰ সম্মত ইতো কেৱল ভকতি পন্থ
যেহি মতে লোকে সাধে গতি।
কিন্তু বেদ ফুৰে গাই জ্ঞান বিনে গতি নাই
আক শুনি ভ্ৰম মোৰ মতি॥
কতো বোলে কৰ্ম্ম কৰা কতো বোলে পৰিহৰা
মিলে অতি মনত সংশয়।
তুমি বিনে নাহি আন তুমি শিৱ সৰ্ব্বজান
বুঝা মোত কহিও নিশ্চয়॥
সংসাৰ গৰ্ত্তত ইতো পৰিল সমস্ত লোক
তাত দংশিলেক কাল সৰ্পে।
পৰম কৃপায়ে আৰে বাক্য অমৃতক সিঞ্চি
উদ্ধাৰিলা জগতৰ বাপে॥

তোমাৰ মুখৰ বাণী জানিয়া হেন বা ধৰি
তৰে ইতো দুৰ্ঘোৰ সংসাৰ।
নমো নমো দোৱাঁই নাথ হে বাপ জগন্নাথ
কৰা গতি সম্প্ৰতি আমাৰ॥
দেৱতাৰ তৃপ্তি হুই অৰুণ চৰণ দুই
ময় থাকোঁ খনেক নিৰখি।
মহা ভাগ্য দূৰে গৈল আজি পৰিছেদ ভৈল
তোমাৰ আমাৰ দেখা দেখি॥
কতৰা পুণ্যৰ ফলে সাক্ষাতে সুধিব পালে
দিয়োক সিদ্ধান্ত নাথ তুমি।
বিয়োগে আকুল কৰে ধাৰায়ে লোতক ঝৰে
কান্দন্ত উদ্ধৱ হুমাহুমি॥
ভকতৰ দেখি তাপ আকুল জগত বাপ
সলোকত নেত্ৰ ভৈল আতি।
নসহে হৃদয়ে দেখি শোক পৰিহৰা সখি
প্ৰবোধন্ত উদ্ধৱক মাতি॥
বোলন্ত মধুৰ বাণী, তাপ তেজা মহা মানী
তুমি মহা সুহৃদ আমাৰ।
জানা মায়াময় ইতো সংশয় পুছিলা যিতো
শুনিয়ো উত্তৰ তুমি তাৰ॥
জ্ঞান গতি কয়ে বেদ লৈয়া তাৰ পৰিছেদ
আছে জ্ঞান ভকতিৰ মাঝে।
ভকতি কৰন্তে জান আপনি ওপজে জ্ঞান
যোগ চিন্তি মৰে নিজ বাক্য॥
আৰু কি তোমাত বাঝো জ্ঞানত নাহিকে কাজ
কেৱলে ভকতি তৰে লোক।
হৃদয়ত ৰূপ ধৰি মোৰ গুণ নাম স্মৰি
পাৱে অপ্ৰয়াসে আসি মোক॥

কৰ্ম্মৰ পুছিলা বাণী তাক শুনা মহা মানী
যিতো নাম নধৰে আমাৰ ।
জনম গোৱাই বৃথা নুশুনে আমাৰ কথা
তাহেসে কৰ্ম্মৰ অধিকাৰ ॥
দুষ্ট চিত্তে যিতোজন কথা বৃথা বৃথা মন
তাৰ কৰ্ম্ম সকলো বিফল ।
তিলেকো নথাকে বই তেতিক্ষণে যায় বই
এওঁৰা ঘটৰ যেন জল ॥
ইতো কথা সাৰে সাৰ জ্ঞানত কৰ্ম্মত আৰ
নকৰিবা বিশ্বাস কিঞ্চিত ।
শ্ৰৱণ কীৰ্ত্তন কৰা সুখে সংসাৰক তৰা
দিয়া মোৰ চৰণত চিত্ত ॥
তপ জপ যজ্ঞ দানে যিতো ফল মহাদানে
জ্ঞান বৈৰাগ্যত মহাফল ।
যিতো হৰি নাম গাৱে বসি সবে সুখ পাৱে
দেখা সবে ভকতিৰ বল ॥
জানা তুমি সাৰে সাৰ ভকতিত পৰে আৰ
নাই গতি দাতা সংসাৰত ।
এহিসে কহয় বেদ দিলোঁ হেবা পৰিছেদ
লয়ো তুমি আমাৰ সম্মত ॥
শুনিয়োক সভাসদ মহাভাগৱত পদ
কৃষ্ণ কথা সংসাৰত সাৰ ।
আয়ু যায় আলে জালে ইতো ঘোৰ কলিকালে
জ্ঞান কৰ্ম্মে নাপাই নিস্তাৰ ॥
নকৰিয়ো জন্ম বৃথা শুনা ইতো কৃষ্ণ কথা
ফুৰা ৰাম নাম গলে বান্ধি ।
ইতো আয়ু পাত ভৈলে ঘোৰ পৰলোক গৈলে
আকে লাগি মৰিবাহা কান্দি ॥

পৰম বান্ধৱ নাম শুনা আৰ গুণ গ্ৰাম
আত পৰে পুণ্য কিবা আছে।
যাত পৰে পাপী নাই তাকো তাৰে নামে পাই
কুলে হুয়া একত্ৰে নবাছে॥
দহয়ে পাতক চয় পুণ্য কৰে অৰ্ব্বুদয়
মিলাৱে মুকুতি মহাসুখে।
বোলন্ত নাহিকে শ্ৰম শুনন্তে অমৃত সম
হেন নাম কিয় এৰা মুখে॥
ইতো কলি কালে আৰ নাম বিনে নাহি সাৰ
নামত সমস্ত পুণ্য সিঝে।
যত তীৰ্থ তপ স্নান মন্ত্ৰ জাপ্য যোগ জ্ঞান
নাম সুমৰন্তে সবে সিঝে॥
নামত দিয়োক চিত্ত নামেসে সুহৃদ হিত
সংসাৰ ব্যাধিৰ মহৌষধি।
এড়ি হেন হৰি নাম কৰি মৰে আন কাম
তাত পৰে নাহিকে বিবুধি॥
কৃষ্ণেসে পৰম দেৱ তাত পৰে নাহি কেৱ
ব্ৰহ্মা হৰে সেৱন্ত চৰণে॥
পৰলোক বন্ধু হৰি তানেসে চৰণ তৰি
আন গতি নাহিকে মৰণে॥
কালে ধৰিলেক পৰা মিছাত বিলম্ব কৰা
চিন্তা হৰি ভকতিৰ কাম।
আয়ু যায় ক্ষণে ক্ষণে কৃষ্ণৰ কিঙ্কৰে ভণে
নিৰন্তৰে বোলা ৰাম ৰাম॥

---

পদ।

কৃষ্ণৰ সিদ্ধান্ত শুনি উদ্ধৱ মহন্ত
কৰযোড় কৰি পুনৰপি পুছিলন্ত ॥
নমো নমো কৃষ্ণ কহিয়ো কৃপাময়।
তুমি বিনে কোনে মোৰ ছেদিবে সংশয় ॥
কোন শম দম দান সত্য শৌচ কাম।
কোন মহা কাম প্ৰভু যজ্ঞ কাৰ নাম ॥
কাৰ নাম স্ত্ৰী কোন গুণে সুপণ্ডিত।
কাৰ নামে সুখী কাৰে বুলিয়ো পণ্ডিত ॥
কাক বন্ধু বুলি দীন দুঃখী কোন জন।
কাৰ নাম স্মৰে কাক বুলি মহাধন ॥
কোন পথ বিপথ বুলিয়া কাক হৰি।
কোন সুখে দুখে দেৱ কহিয়ো উদ্ধৰি ॥
কোন স্বৰ্গ নৰক কহিয়ো ভগৱন্ত।
কাক বুলি গৃহ কোন জন ধনৱন্ত ॥
কোনবা ঈশ্বৰ অনীশ্বৰ কোন প্ৰাণী।
কহিয়োক আমাত বিচাৰি চক্ৰপাণি ॥
আপুনি সৰ্ব্বজ্ঞ জগতৰ অন্তৰ্য্যামী।
তোমাত পুছিবা যিবা নজানিলো আমি ॥
তাকো প্ৰভু ভালমতে কহিয়ো আমাত।
কৰোঁ হেৰা চৰণত পৰি প্ৰণিপাত ॥
উদ্ধৱক বোলন্ত কেশৱ কৃপাময়।
পুছিলা পৰম ভাগৱত ধৰ্ম্মচয় ॥
মহা মহা জনে যাক নজানে সাক্ষাত।
কৰিবো বেকত তাক তোমাৰ আগত ॥
আন দেৱ ধৰ্ম্মক কৰিয়ো পৰিহাৰ।
মোতে মাত্ৰ একনিষ্ঠ মতি ভৈল যাৰ ॥
যি জনে জানিলে ময় পৰম বান্ধৱ।
তাহাক বোলন্ত শম শুনিয়ো উদ্ধৱ ॥

মোৰ নাম চিন্তন্তে যেসনে কৰে শ্ৰম।
জানিবা উদ্ধৱ সখি তাক বুলি দম॥
মোতে চিত্ত দিয়া যিতো জন মহাশয়।
হানি অপমানে শোক দুঃখক সহয়॥
তাৰ নাম ক্ষমা তুমি জানিবা উদ্ধৱ।
ক্ষমাৱন্ত পুৰুষৰ নাহি পৰাভৱ॥
মোকে মনে ধৰি যিতো ত্যজিলে নিবিড়।
সেহিসে যজ্ঞৰ সম শুনিয়ো সুধীৰ॥
মোতে চিত্ত দিয়া যিতো ত্যজি আছে মায়া।
নিচিন্তে প্ৰাণীৰ দ্ৰোহ কৰে ভূতে দায়া॥
হৰি বুদ্ধি সদায়ে সবাক কৰে মান।
জানিবা উদ্ধৱ তাকে বুলি মহাদান॥
মোত চিত্ত দিয়া ত্যজে ভোগ অভিলাষ।
জানা তাৰ নাম মহা তপ অবিনাশ॥
সমস্তে জগত যিতো দেখে হৰিময়।
তাৰ নাম সত্য সখি জানিবা নিশ্চয়॥
মোক জানি যিতো জনে ত্যজে কৰ্ম্ম মল।
তাকেসে বুলিয়ো শৌচ জানা মহা বল॥
ঈশ্বৰ জ্ঞানক যিতো দেই উপদেশ।
তাকেসে দক্ষিণা বুলি নাহিকে সন্তোষ॥
মোতে চিত্ত দিয়া যিতো কৰে ধৰ্ম্ম কৰ্ম্ম।
তাৰ নাম যজ্ঞ সখি শুনা ইতো মৰ্ম্ম॥
তাকে বুলি ভাগ্য ইতো জানিলে আমাক।
শুনা প্ৰাণ সখি অবিনাশ বুলি যাক॥
ভাগ্য ক্ষয় হয়ে কৰ্ম্ম দেখা মায়াময়।
শ্ৰৱণ কীৰ্ত্তন পুণ্য পৰম অক্ষয়॥
পুত্ৰ ধন জন লাভ সকলে অসাৰ।
এতেকে উত্তম লাভ ভকতি আমাৰ॥
সমস্ত ভূততে আছোঁময় মহেশ্বৰ।
জানিয়া সবাকো কৃপা কৰে যিতো নৰ॥

তাকেসে বুলিয়ো সখি শৰীৰৰ ভূষণ।
মোৰ নাম গুণেসে জানিবা মহাধন।
তাকেসে বুলিয়া জ্ঞান দেখে হৰিময়।
মোক জানি যিতো আক মত নিবৰ্ত্তয়।
তাৰ নাম জানা সখি কৈলোঁ নিষ্টবাক।
শুনা আৰ উদ্ধৱ পণ্ডিত বলি জাক ॥
জানে যিতো ইতো কৰ্ম্মে ধৰ্ম্মে মোৰ বন্ধ।
তাক এৰি কৰে মোৰ সেবাক প্ৰৱন্ধ ॥
নপঢ়িলে শাস্ত্ৰ এক নপাৰে খণ্ডিত।
তথাপি জানিবা সখি সেই সে পণ্ডিত ॥
পুত্ৰ দাৰা বিষয়ৰ কৰে মাত্ৰ ৰতি।
নলয় সাধুৰ সঙ্গ মোত নাই মতি ॥
যদি চাৰি বেদ চৈধ্য শাস্ত্ৰত পাৰ্গত।
তথাপিতো সিদ্ধি সুখ জানা মোৰ মত ॥
আনক এৰিয়া যিতো মোক ভজে মাত্ৰ।
তাহাকে জানিয়ো পন্থ সেহি সাৰ শাস্ত্ৰ ॥
যিতো কৰ্ম্ম কৰন্তে চিত্তত নাহি থিৰ।
তাৰে নাম বিপন্ত জানিবা মহাবীৰ ॥
আমাকে চিনাৰে যিতো গুৰু কৃপাময়।
সেহিসে পৰম বন্ধু জনিবা নিশ্চয় ॥
মোত চিত্ত দিলে যিতো আনন্দ মিলয়।
সেহি স্বৰ্গ সুখ সখি জানিবা নিশ্চয় ॥
কাম ক্ৰোধ অন্ধ যেবে কৰে পুৰুষক।
মোক পাসৰিলে মিলে ক্ষণেক নৰক ॥
মোহোৰ সেৱাৰ যোগ্য মনুষ্য শৰীৰ।
তাকেসে বুলিয়া গৃহ জানা মহাধীৰ ॥
নকৰে ভকতি মোত তুষ্ট নাহি যাৰ।
তাকে বুলি দৰিদ্ৰ অধম কুলাঙ্গাৰ ॥
মোক অৱহেলি কৰে বিষয়ত ৰতি।
তাৰ নাম দুখী সখি জানিবা সম্প্ৰতি ॥

বিষয়ত থাকিয়া ভকতি নাহি যাৰ।
সাধু সঙ্গ লৈয়া কৰে আমাক বিচাৰ ॥
আন কৰ্ম্ম এৰি ভকতিত তত্ত্ব পৰ।
জানিবা উদ্ধৱ সখি সেই সে ঈশ্বৰ ॥
সাধুৰ সঙ্গত যাৰ নাহিকে প্ৰবন্ধ।
সিতো পাতকীৰ নাহি ভকতিৰ গন্ধ ॥
ধন জন পুত্ৰ ভাৰ্য্যা বুলি মৰে আতি।
সেইতো অধম অনাশ্বৰ আত্মাঘাতী ॥
উদ্ধৱক সম্বুধি বোলন্ত নাৰায়ণ।
কতেক কহিবো গুণ দোষৰ লক্ষণ ॥
সেহি দোষ যিতো শেষ গুণ বুলি লেখে।
সেহি গুণ যিতো দোষ গুণকো নেদেখে ॥
গুণময় জ্ঞান কৰ্ম্ম যিতো পৰিহৰি।
নিৰ্গুণ ভকতি ধৰি সখি সুখে তৰি ॥
গুণেসে কৰিছে সবে সংসাৰৰ ক্লেশ।
তাক তৰিবাৰ সখি শুনা উপদেশ ॥
মোৰ কথা শুনা নিতে গায়া নাম যশ।
তাত হন্তে আতি উপজিবে প্ৰেমৰস ॥
এতেকে সংসাৰ তাপে তৰিবা হৰিষে।
সিতো প্ৰেম ভকতিত অমৃত বৰিষে ॥
জগতৰ অন্তৰ্য্যামী আছা হৃদয়ত।
তথাপি কৰ্ম্মত ময় নুহিকে বেকত ॥
আমাক নেদেখি মহা কৰ্ম্ম অন্ধকাৰ।
যেন আদিত্যক ঢাকে কুহুৰী আন্ধাৰ ॥
নৰ তনু নৌকা ইতো সুহৃদ সংসাৰ।
উপদেশ দাতা গুৰু ইহাৰ কাণ্ডাৰ ॥
ময় অনুকূল বয়ু হুয়া কৰোঁ পাৰ।
তথাপি নতৰে যিতো দুৰ্ঘোৰ সংসাৰ ॥
সেহি নৰে কৰে কিন্তু কতে আত্মাঘাত।
আপুনাকে আপুনি পেলায় যাতনাত ॥

অথিৰ জীৱন জানি সমস্তে উপেক্ষি ।
নকৰি বিলম্ব মাত্ৰ মোক ভজা সখি ।
মন্ত্ৰ তন্ত্ৰ ঔষধ ধাৰণা ধৰি বন্ধ ।
মৃত্যুক তৰিবে কৰে অনেক প্ৰবন্ধ ॥
অসম্ভাৰ মতক দূৰতে কৰি ত্যাগ ।
মোৰ নাম গুণক ধৰিয়ো মহাভাগ ॥
এতেকে অল্পতে পাৱা মোক মহমানী ।
কহিলো স্বৰূপ সখি বেদ তত্ত্ব বাণী ॥
আত পাছে নাহি আৰ যোগ্য সুখ পথ ।
মোহৰ সম্মত তুমি ধৰা মহাৰথ ॥
কৃষ্ণৰ বচন পাছে উদ্ধৱে আকোলি ।
পুনৰপি পুছিলন্ত কৰি কৃতাঞ্জলি ॥
জ্ঞান যোগ কৰ্ম্ম যোগ পৰম দুৰ্ঘোৰ ।
আক আচৰিতে নাহি শকতি লোকৰ ॥
ভকতি পৰম পথে তোমাৰ সম্মত ।
মোক্ষতম ভকতি কহিয়ো কেন মত ॥
তত্ত্বহেন মানি মোক কহিয়ো বুঝাই ।
তোমাৰ আমাৰ দেখা দেখি আজি যাই ॥
হৃদয়ৰ ঈশ্বৰ তোমাত এৰি আশ ।
জ্ঞানত কৰ্ম্মত কোনে কৰিবে বিশ্বাস ॥
প্ৰিয়তম আত্মা মোক কেনে ত্যজি যায় ।
আন দেৱতাক ভজিবেক আখি খায় ॥
বাহিৰে ভিতৰে তুমি দিয়া উপদেশ ।
ভৃত্যৰ পৰম গুৰু হুয়া হৰা ক্লেশ ॥
সুজন নজাই উপকাৰ ঋণচয় ।
যাৱত নজাই নৰ তোমাত বিক্ৰয় ॥
ভকতৰ বশ্য হুয়া ইতো কোন চিত্ৰ ।
উপদেশে দিয়া প্ৰভু কৰাহা পৱিত্ৰ ॥
হুয়া পুনু ঈশ্বৰৰ পৰম ঈশ্বৰ ।
যশোদাৰ বন্ধনক লৈলা দামোদৰ ॥

ধৰ্ম্ম মোক্ষ কাম অৰ্থ ইসব সকলে।
তোমাৰে সে আত আসি সিজে অবিকলে॥
ঈশ্বৰ সুমৰি গুণ ফুটে যেন প্ৰাণ।
চিত্ত স্থিৰ হোক মোৰ দিয়া সন্নিধান॥
আজি পৰিচ্ছেদ ভৈল তযু দৰশনে।
এতেক বোলন্তে ঝড়ে লোকত নয়নে॥
আঝোৰন্তে নাসে মাত গদ গদ বাণী।
দেখিয়া বোলন্ত মহা স্নেহে চক্ৰপাণি॥
বান্ধৱ উদ্ধৱ হেবা পৰি হৰা খেদ।
মোক্ষতম ভকতিৰ দিয়োঁ পৰিছেদ॥
পৰম ৰহস্য ইতো ধৰম আমাৰ।
শ্ৰদ্ধায়ে শুনন্তে তৰে দুস্তৰ সংসাৰ॥
কহিবাক বাকি কি নথাকয় তোমাত।
তুমি সি পৰম মোৰ সুহৃদ সাক্ষাত॥
নিষ্ট কৰি কহোঁ সাৱধানে শুনা তুমি।
ভকত যথাত থাকে সেহি পুণ্যভূমি॥
মোৰ কথা যথাত নিগুৰ্ণ সেহি থান।
ঈশ্বৰক জানিলে নিগুৰ্ণ হৱে জ্ঞান॥
বুলিয়া নিগুৰ্ণ শ্ৰদ্ধা মোহোৰ সেৱাৰ।
নিগুৰ্ণ গতিক পাৱে ভকতে আমাৰ॥
আত্মা জ্ঞান গণে হৱে মায়ায়ে মোহিত।
জানি মোৰ সেৱাত একান্তে দিয়া চিত॥
নকৰিবা সেৱা সখি আন দেৱতাক।
নুহি জানা ভকতি আমাৰ ব্যতিৰেক॥
ভকতৰ সঙ্গ সখি লৈয়া প্ৰথমত।
শ্ৰৱণ কীৰ্ত্তন মোৰ কৰিবা সতত॥
অনেক একত্ৰ হুয়া কৰি হৰি ৰৱ।
কৰিবা আমাৰ মহা যাত্ৰা মহোৎসৱ॥
দণ্ড ছত্ৰ বিচিত্ৰ চামৰ চতুৰ্দ্দোলে।
ফিৰাৱে আমাক মহা বাদ্য ভাণ্ড বোলে॥

মোৰ যশ গায়া যিতো জনে কৰে নিত্য ।
নাহি তাৰ চিন্তা সিতো ভৈলা কৃতকৃত্য ॥
বাৰে হাত তালি দিতো কৰিয়া কীৰ্ত্তন ।
মোৰ প্ৰেম ভাৱত আন্দোল কৰে মন ॥
ভূমিত লুটিয়া পৰি যিতো মহাশয় ।
মাওঁ সতো সতো সখি তাহাত বিক্ৰয় ।
শুনিয়ো উদ্ধৱ আক ৰহস্য ভকতি ।
কৰিবা অভ্যাস তুমি স্থিৰ কৰি মতি ॥
বাহিৰে ভিতৰে জানা ইতো জগতৰ ।
পৰিপূৰ্ণ ভাৱে আছোঁ মঞি মহেশ্বৰ ॥
জানি ইতো তত্ত্ব কথা স্থিৰ কৰি চিত ।
মোকেসে দেখিবে মাত্ৰ সমস্ত প্ৰাণীত ॥
আপুনাত দেখিবা ঈশ্বৰ অন্তৰ্য্যামী ।
জ্ঞান দৃষ্টি কৰি মোক কৰিবা প্ৰণামি ॥
ব্ৰাহ্মণ চণ্ডাল নিবিচাৰি জাতি কুল ।
মিত্ৰত বৈৰত যাৰ দৃষ্টি এক তুল ॥
নীচত সাধুত যাৰ ভৈলা এক জ্ঞান ।
তাকেসে পণ্ডিত বোলে সিসে সৰ্ব্বজ্ঞান ॥
বিশেষত মনুষ্য গণত যিতো নৰে ।
জ্ঞান দৃষ্টি সৰ্ব্বদায়ে মোক মান্য কৰে ॥
হৰিষ অসূয়া অহঙ্কাৰ তিৰস্কাৰ ।
নষ্ট হুই সবে তেবে তাৰক্ষণে তাৰ ॥
ঈশ্বৰ ভাৱনা সখি সতো দেই ফল ।
হেন জানি তাজিয়োক মনৰ বিকল ॥
হুইবে আপুনি পূৰ্ব্ব বাসন বিনাশ ।
মোহোৰ সন্মাত হেন কৰিবা অভ্যাস ॥
দেখি সখী গণে যেন হাসে মোক বেঢ়ি ।
ময় সাধু ইতো নিষ্ট হেন লজ্জা এৰি ॥
কুকুৰ চণ্ডাল গৰ্দ্দভৰ আত্মা ৰাম ।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম ॥

সমস্তে ভূতত কৃষ্ণ বুদ্ধি নহে যেৱে।
কায় বাক্য মনে অভ্যাসিবা এহি ভাৱে॥
সমস্তে প্ৰাণীক দেখিবাহা মোৰ সম।
উপায় মধ্যন্ত ইতো অতি মুখ্যতম॥
নিৰ্গুণ ভকতি ইতো ধৰা মহামানী।
জানা সত্যে ইহাৰ অল্পৰ নাহি হানি॥
যেহেতু সাক্ষাতে কৈলোঁ এতেক তত্ত্বক।
উপদেশ নিদিবাহা দাম্ভিক শঠক॥
এতেকতে দুৰ্জনত নকৈবা উপদেশ।
বৈষ্ণৱ জনক দিবা সদা উপদেশ॥
স্ত্ৰী শূদ্ৰ কৰে যেবে আমাত ভকতি।
তাতো তেবে কেবা ইতো জানা মহামতি॥
জানে যিতো মুখ্যতম ভকতি আমাৰ।
আৰ জানিবাক বাকি নথাকিলা তাৰ॥
যিতো জনে অমৃতক পিয়ে সৰ্ব্বদাই।
আৰ তাৰ মধুৰ পিবাক বাকি নাই॥
শুনিয়ো উদ্ধৱ সিতো সাধু বুদ্ধিমন্ত।
পৰম ঈশ্বৰ সিতো মনুষ্য নহন্ত॥
মোকে মাত্ৰ ভজে যিতো ত্যজি ধৰ্ম্ম নিজ।
মিছা কলেৱৰে কৰে মুকুতি বাণিজ॥
জানিলা উদ্ধৱ যেন দিলোঁ উপদেশ।
তোমাৰ কি শোক মোহ গুচিলা নিশেষ॥
যেবে নতু বুঝা কয়া মনে অবগাই।
কহিলো তোমাত তেবে ভকতি দুনাই॥
পৰম ভকত তুমি মোৰ প্ৰিয়তম।
নাহি আন বান্ধৱ উদ্ধৱ তুমি সম॥
আপনাত কৰি মোৰ তোমাতেসে দয়া।
জানা তুমি তৰিলা দুৰ্ঘোৰ মোৰ মায়া॥
কৃষ্ণৰ শুনিয়া হেন বচন অমৃত।
প্ৰেম উপজিল ভৈল তনু লোমাঞ্চিত॥

১০

লোভকে বেঢ়িল কণ্ঠ নবধাই বাণী।
থাকিলা নমাতি স্তুতি সিতো মহামানী॥
অৰুণ চৰণ দুই হৃদয়ত ধৰি।
প্ৰাণ বন্ধু মাধৱৰ গুণক সুমৰি।
দ্ৰৱ ভৈল চিত্ত আতি উদ্ধৱত বোধ।
সকৰুণ ভাৱে ভৈল কণ্ঠ নিশবদ॥
শুনা সাৱধানে কথা সবে সভাসদ।
পাপৰ অন্তক মহা ভাগৱত পদ॥
ভাগ্যে আসি ভৈলা ইতো কলিত প্ৰচাৰ।
শ্ৰৱণ মাত্ৰকে কৰে সংসাৰৰ পাৰ॥
ইসে শাস্ত্ৰ প্ৰকাশিলে ঈশ্বৰ কৃষ্ণক।
যাহাক ভজিলে তৰি যাতনা নৰক॥
হেনদেৱ ত্যজি যিতো আন দেৱ পূজে।
ৰাক্ষস অসুৰ ঋষি একোও নুবুজে॥
আন দেৱতাক কৰে কেশৱৰ সম।
চিনিবাহা সি সি জন পাতকী পৰম॥
হৈবেক বিষ্ঠাৰ কীট জন্মে জন্মে মৰি।
অৰ্জ্জুনৰ গীতাত কহিলা দেৱ হৰি॥
জানিয়া কৃষ্ণত কৰা একান্ত ভকতি।
বিনাজ্ঞানে কৃষ্ণ কৰ্ম্মে সাধিবন্ত গতি॥
হেন বন্ধু মাধৱক নিচিন্তি অত্থাপি।
সবে এড়ি ধৰা হৰি চৰণত চাপি॥
পালে গতি ভাগ্য ভকতিক যিতো জন।
তাৰ ক্ষুদ্ৰ কৰ্ম্মত কমন প্ৰয়োজন॥
অমৃতৰ সাগৰত ক্ৰীড়ে যিতো প্ৰাণী।
তাক এড়ি সি কি আৰ খায় খাৰ পানী॥
জানিবাহা সমস্তে শাস্ত্ৰৰ ইসে মজা।
আন ধৰ্ম্ম কিঙ্কৰ নামেসে তাৰ ৰাজা॥
কৃষ্ণৰ কিঙ্কৰে কহে এৰা আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম॥

ছবি।

কতক্ষণে উদ্ধৱৰ সন্ধুক্ষণ ভৈলা চিত
অঞ্চলে মুছিলা আখি মুখ।
নিশ্বাস তাজন্ত ঘনে হৃদয় দগধ কৰে
কৃষ্ণৰ বিয়োগে মন দুঃখে॥
অনন্তৰে ধৈৰ্য্য ধৰি কৰিলন্ত কৃতাঞ্জলি
দণ্ডৱতে পৰি মহাবীৰ।
প্ৰেমৰ নাহিকে পাৰ কৰিলন্ত নমস্কাৰ
কৃষ্ণৰ চৰণে ছুয়া শিৰ॥
মহা প্ৰেম অনুৰাগে বিনায়ে কৃষ্ণৰ আগে
শুনা প্ৰভু জগত আধাৰ।
তোমাৰেসে উপদেশ গুচিল নিশেষ আবে
মোৰ মহা মোহ অন্ধকাৰ॥
সূৰ্য্যৰ আগত থাকে তাকেসে আন্ধাৰে ঢাকে
বিজ্ঞান প্ৰদীপ মোক দিলা।
বিষয়ৰ অভিলাষে দূৰ ভৈলা মহা পাশে
কিনো কৃপা ভৃত্যাক কৰিলা।
আজিসে জানিলোঁ আমি কিনো কৃপাময় স্বামী
এত মানে করুণা ভৃত্যৰ।
এ প্ৰাণ বন্ধু হৰি তোমাৰ চৰণ এড়ি
আৰ কোন ভজিবে আনক॥
তুমি জপ যজ্ঞ দান তুমিসে পৰম জ্ঞান
ঈশ্বৰ পুৰুষ সৰ্ব্ব সাক্ষী।
তথাপি তোমাক ত্যজি ক্ষুদ্ৰ দেৱতাক ভজি
দিন দুপৰতে খায় আখি॥
নমো যোগেশ্বৰ স্বামী তয়ু নিজ ভৃত্য আমি
হেন শিক্ষা দিবে মোক কোনে।
মুখ্য তম অব মতি তোমাৰ চৰণে ৰতি
নেৰে যেন নাথ সৰ্ব্বক্ষণে॥

এহিমানে মাগো বৰ কৃপাময় মহেশ্বৰ
ছাৰি তেৱ চৰণৰ আগে।
এতেক বোলন্ত মাতি শুনিয়ো উদ্ধৱ বাপ
কান্দন্ত উদ্ধৱ অনুৰাগে॥
শুনিয়ো বিনয় বাণী বুলিলন্ত চক্ৰপাণি
হৌক সিদ্ধি মনৰ বাঞ্ছিত।
শুনিয়ো উদ্ধৱ বাপ এড়াই ইতো অনুতাপ
ভৈলাহা স্বভাৱে কৃতকৃতা॥
কিন্তু ব্যৱহাৰ কৰি মোৰ আজ্ঞা শিৰে ধৰি
বদৰিকাশ্ৰমক যায়োক।
গঙ্গাজলে কৰি স্নান জপিবা আমাৰ নাম
সদায়ে স্মৰিবা মনে মোক॥
মনক নিয়ম কৰি বাকলি বসন ধৰি
থাকিবাহা ফল মূল ভক্ষি।
তৰিবা সংসাৰ ক্লেশ ভকতিৰ উপদেশ
প্ৰৱন্ধে থানক দিবা সখি॥
হৈবেক পৰম সিদ্ধি অভ্যাসিবা স্থিৰ বুদ্ধি
তোমাত কহিলোঁ তত্ত্ব সাৰ।
মোৰ বাক্য শিৰে ধৰি বিলম্বক পৰিহৰি
এতিক্ষণে এবা ইতো থান॥

---

ঝুলড়ি।

স্বামীৰ বচন শুনিয়া উদ্ধৱে
উঠিলন্ত চালিবাৰ।
কৃষ্ণৰ বিয়োগে অগনি উধায়ে
অধিকে আকুল ভাৱ॥

কৃতাঞ্জলি কৰি প্ৰদক্ষিণ ধৰি
ফুৰিলন্ত বাৰ সাত।
কৃষ্ণ কৃষ্ণ বুলি দণ্ডৱতে পৰি
কৰিলন্ত প্ৰণিপাত ॥
চৰণৰ ধূলি শিৰে লৈলা তুলি
মিলিল মনে সন্তাপ।
পদ পঙ্কজত মাথা থৈলা থাপি
কৰন্ত পৰি বিলাপ ॥
হে প্ৰাণ নাথ আজি সে অনাথ
কৰি মোক কৈক যাহ।
কমল নয়ন বদন পঙ্কজে
পৰিছেদ মোক চাহ ॥
ইতো পাদ পদ্ম দুনাই নেদেখিব
কৰিবো কাহাক সেৱ।
ইজন্মক লাগি আজি এৰি যোৱা
মোৰ প্ৰাণ ইষ্টদেৱ ॥
দেৱৰো দুৰ্লভ দুখানি চৰণ
কতো পুণ্যে পালোঁলাগ।
চিৰকাল আক সেৱিবে নপালোঁ
মিলিল মোৰ অভাগ্য ॥
আৰ কাক দেখি ৰাখিবো জীৱন
ভৈলোঁ অন্ধ সমুদয়।
এই প্ৰাণ হৰি পৰিছেদ কৰি
খানিকে নথাকো চায় ॥
এহি বুলি পদ পঙ্কজক তুলি
ধৰন্ত তুলি মাথাত।
কতো খানি মুখ আখি মুছিলন্ত
থাপন্ত কতো হিয়াত ॥

শোকে মকমকি কান্দে বিকলে
কতো চৰণত ধৰি।
সন্তাপতে অতি লোতক তিয়াই
মাধৱৰ দুই ভৰি॥
কৃষ্ণ উপদেশ জানিয়া নিশেষ
যদ্যপি পৰম জ্ঞান।
তথাপি কৃষ্ণক এৰিবে খোজন্তে
যেন ফুটি যায় প্ৰাণ॥
ভৃত্যৰ সন্তাপ দেখি কৃপাময়
নয়ন ভৈলা সজল।
উদ্ধৱক বেঢ়ি প্ৰবোধ বোলন্ত
ত্যজিয়ো মনে বিকল॥
আমাৰ দুখানি পাদুকা অৰ্পিলোঁ
কৰা শোক পৰিহাৰ।
আকে সেৱা কৰি থাকা প্ৰাণ সখি
পালিয়া আজ্ঞা আমাৰ॥
উঠা উঠা ঝাণ্টে আৰ দ্বাৰকাত
তুমি নাথাকিবা ৰই।
কৃষ্ণৰ সুহৃদ আদেশ শুনিয়া
উঠিলা আকুল হই॥
দুখানি পাদুকা মূৰত বান্ধিয়া
পুনু প্ৰণামিলা পৰি।
কৃতাঞ্জলি কৰি পাছে পাছে ভৰি
চলি গৈলা ধীৰি ধীৰি॥
ভৰি চাৰি গৈয়া থমকি থাকন্ত
কৃষ্ণৰ চৰণ চাই।
শোকে যায় জ্বলি হাহা কৃষ্ণ বুলি
পৰন্ত দুখে দুনাই॥

কৃষ্ণৰ প্ৰবোধ শুনি পুনৰপি
উঠি আখি মুখ মুছি।
কৃষ্ণক নিৰখি তমোময় দেখি
চলিযান্ত পাছ গুছি॥
অৰুণ চৰণ চাহন্তে দহয়
শোক অগনিৰ জ্বালে।
হা প্ৰাণনাথ বুলি দিয়া ডাক
পৰিলা পুনু নিঢালে॥
দেখি হাত তুলি যোৱা সখি বুলি
ডাকন্ত পুনু মাধৱ।
কৃষ্ণৰ সুদৃঢ় আদেশ শুনিয়া
উঠিলা চুনাই উদ্ধৱ॥
কৃষ্ণৰ অৰুণ চৰণ পঙ্কজ
ধৰি হৃদয়ৰ মাঝে।
কৃষ্ণক স্মৰন্তে কান্দন্তে কান্দন্তে
ভৈলা দ্বাৰকাৰ বাঝে॥
হা প্ৰাণ নাথ বোলন্তে গাৱত
অধিক উধাই জুই।
কৃষ্ণৰ চেষ্টাক চাহিবাক লাগি
থাকিলন্ত আঁৰ হুই॥

---

## ছবি।

শুনিয়োক সভাসদ মহা ভাগৱত পদ
মহন্তৰ দেখা কিনো দুখ।
কেতিক্ষণে ধৰে কালে যেৱে আছে ভালে ভালে
হুয়ো ঝান্তে কৃষ্ণৰ সম্মুখ॥

ক্ষণে ক্ষণে আয়ু যায় তথাপি চেতন নাই<br>
যাবে সবে ঘোৰ নৰকক।<br>
যমৰ কিঙ্কৰে খাবে যাতনাত প্ৰাণ যাবে<br>
হৰি বিমুখৰ কেন হোক ॥<br>
ভকতি বিহীন যিতো তাৰ ধৰ্ম্ম কৰ্ম্ম যিতো<br>
সবে বৃথা শাস্ত্ৰৰ সন্মত।<br>
যি দেৱত কৰ আশ তাৰে আছে মৃত্যু ত্ৰাস<br>
আনক ৰাখিবে কোন মত ॥<br>
জানিয়া বিশ্বাস কৰি দেৱৰ দেৱতা হৰি<br>
তাক স্মৰি নিস্তৰিয়ো সুখে।<br>
শুন শুন সভাসদ দেন্ত আপনাৰ পদ<br>
নাম মাত্ৰ লয়ে যিতো সুখে ॥<br>
মহাপাপী অন্ত্যজাতি যাৰ নাম লৈলে আতি<br>
ছিঙ্গে তাৰ ঘোৰ কৰ্ম্ম বন্ধ।<br>
হেন মাধৱক ত্যজি আন দেৱতাক ভজি<br>
দেখিয়ো নেদেখে কিনো অন্ধ ॥<br>
বাল্মীকি আছিলা চোৰ কৰিলে পাতক ঘোৰ<br>
দেখা দাসী তনয় নাৰদ।<br>
সিয়োৰাম নাম ঘুষি ভৈলন্ত পৰম সুখী<br>
পাইলা সুখে পৰম সম্পদ ॥<br>
মহাপাপী অজামিল সিয়ো নামে নিস্তৰিল<br>
বৈকুণ্ঠক উঠিলা বিমানে।<br>
আশ্চৰ্য্য আশ্চৰ্য্য নৰে সংসাৰ তাপত মৰে<br>
হেন হৰি নাম বিদ্যমানে ॥<br>
ব্ৰহ্মা হৰ আদি কৰি দেৱৰো দেৱতা হৰি<br>
ধৰ্ম্মৰ উপৰি ৰাজা নাম।<br>
পাপক মাৰিয়ো বাৰি অন্তক পলাক ছাড়ি<br>
ডাকি সবে বোলা ৰাম ৰাম ॥

## দ্বাদশ স্কন্ধ।

পদ।

ভাগৱত ধৰ্ম্মক প্ৰণামো প্ৰথমত।
প্ৰণামো কৃষ্ণক যাৰ অচিন্ত্য মহত্ত্ব॥
ভকত বিপ্ৰক প্ৰতি কৰোঁ নমস্কাৰ।
কৰোঁ সনাতন ধৰ্ম্মচয়ক প্ৰচাৰ॥
শুক নিগদতি শুনা সৌনক প্ৰস্তুত।
কহিলোঁ তোমাত কৃষ্ণ কথা অদভুত॥
যিতো ধৰ্ম্ম পুৰুষৰ শুনিতে উচিত।
সম্প্ৰতি তোমাত তাক কৰিবোঁ বিদিত॥
সঙ্খেপে কহিবোঁ কথা বাৰয় স্কন্ধৰ।
তাক এক চিত্তে শুনা মুনি নিৰন্তৰ॥
প্ৰথমে প্ৰথম স্কন্ধ কৰো উপাখ্যান।
মহা হৰি কৃষ্ণ যাত দেৱতা প্ৰধান॥
যাত হন্তে হোৱে জগতৰ সৃষ্টি লয়।
হেন গোপ্য ব্ৰহ্ম ভৈলা প্ৰথমে উদয়॥
কহে জ্ঞান-কাণ্ড তাত বিজ্ঞানে সহিত।
ভৈল তাতে বিৰকতি ভকতি বিদিত॥
বদৰিকাশ্ৰমে ভৈলা নাৰদ প্ৰবেশ।
ব্যাসক দিলন্ত ভাগৱত উপদেশ॥
কহিলন্ত তাতে অশ্বত্থামাৰ মুণ্ডন।
ব্ৰহ্ম অস্ত্ৰ হন্তে পৰীক্ষিতৰ ৰক্ষণ॥
প্ৰেমভাৱে কৃষ্ণক কৰিলা কুন্তী স্তুতি।
কৃষ্ণৰ আগত ভৈলা ভীষ্মৰ মুকুতি॥
ভৈলা অন্তৰ্দ্ধ্যান ৰাজা বিপ্ৰ শাপ শুনি।
পাতিলা সমজ্যা আনি অসংখ্যাত মুনি॥
শুক পৰীক্ষিতৰ সম্বাদ ভৈল তথা।
নৃপতি পুছিলা পাচে ভাগৱত কথা॥

কহিবাক আৰম্ভিলা মহা ভাগৱত।
তৃতীয় স্কন্ধৰ আৱে শুনিয়ো সাম্প্ৰত ॥
কহিলন্ত স্থূল সুক্ষ্ম ধাৰণা যুগুতি।
যেন মতে পাৱে ক্ৰমে পৰম মুকুতি ॥
বিৰাট ৰূপকো শুকে কহিলা বাক্ত।
ব্ৰহ্মা নাৰদৰ ভৈল সম্বাদ তথাত ॥
যেন মতে সৃষ্টি হোৱে প্ৰকৃতিত হন্তে।
মদ অহঙ্কাৰ ভৈল ইন্দ্ৰিয় পৰ্য্যন্তে ॥
কহিলা কৃষ্ণৰ যত অৱতাৰ কথা।
তৃতীয় স্কন্ধৰ আৱে শুনিয়োক কথা ॥
বিদুৰে উদ্ধৱে ভৈল প্ৰথম সম্বাদ।
কৃষ্ণৰ নিৰ্য্যাণে ভৈল দুইৰো বিষাদ ॥
কহিলা বিদুৰে মৈত্ৰেয়ত তত্ত্ব-জ্ঞান।
আছে তৃতীয়তে মহা পুৰুষ সংস্থান ॥
যিমতে প্ৰপঞ্চ প্ৰকৃতিত হোৱে জাত।
চৌবিশ তত্ত্বৰো সৃষ্টি কহি আছা তাত ॥
যি মতে ব্ৰহ্মাণ্ড স্ৰজে কহিলন্ত তাকে।
বৈৰাজ পুৰুষ যেন মতে ৰহি থাকে ॥
তাতে কহি আছে স্থূল-সূক্ষ্ম কাল-গতি।
ভৈলা তাতে ব্ৰহ্মা নাভি পদ্মে উতপতি ॥
তৃতীয়তে কহিলা বৰাহ অৱতাৰ।
তাতে হিৰণ্যাক্ষ বধ ধৰণী উদ্ধাৰ ॥
স্বয়ম্ভু মনুৰ শতৰূপ ভাৰ্য্যা তান।
দেৱ-হুতি কন্যা কৰ্দ্দমক দিলা দান ॥
তাতে হন্তে ভৈলন্ত কপিল অৱতাৰ।
জ্ঞান-দানে কৈলা দেৱ হুতিক নিস্তাৰ ॥
কহিলা মাতৃত গোপ্য ভকতিক কথা।
চতুৰ্থ স্কন্ধৰ আৱে শুনিয়োক কথা ॥
নৱ প্ৰজাপতি তাতে ভৈল উতপতি।
কৰিলা কন্দল দক্ষ সমে পশুপতি ॥

দক্ষক কোপিয়া সতী তেজিলন্ত প্ৰাণ।
দক্ষৰ যজ্ঞক হৰে কৰিলা নিৰ্য্যাণ॥
ভকত দ্বেষীক কৰিলন্ত বিৰ্ভৎসনা।
হাত দান্ত ভৰি ভাঙ্গি ভৈল কতো কণা॥
স্বপত্নী মাতৃৰ কোপে তপস্যা আচাৰি।
পঞ্চ বৰিষতে ধ্ৰুৱে আৰাধিলা হৰি॥
মহা তুষ্টে বিষ্ণু আসি দিলা বৰ দান।
পাইলা ধ্ৰুৱে ব্ৰহ্মাৰো দুৰ্লভ যিতো থান॥
ভৈলা অৱতাৰ তাতে পৃথু নামে ৰজা।
হৰি ভকতিত সবে প্ৰৱৰ্ত্তাইলা প্ৰজা॥
পৃথিবীক দমিয়া দুহিলা সবে ৰস।
জগতকে ব্যাপিলে পৃথুৰ মহা যশ॥
প্ৰাচীন বৰ্হিৰ হিত চিন্তিয়া নাৰদ।
কৰ্ম্ম দূৰ কৰি দিলা ভকতি সম্পাদ॥
কহিলা ৰাজাত পূৰঞ্জন উপাখ্যান।
নাৰদৰ প্ৰসাদে বৈকুণ্ঠে ভৈল থান॥
শুনিয়ো পঞ্চম স্কন্ধ আত অনন্তৰে।
মিলিল সম্বাদ প্ৰিয়-ব্ৰত নাৰদৰে॥
ভৈলা আসি নাভিত ঋষভ অৱতাৰ।
ভৈলা তাতে ভৰতৰ চৰিত্ৰ প্ৰচাৰ॥
ৰহুগণ ৰাজাত ভকতি দিলা দান।
উপজিল পৰম বৈৰাগ্য মহাজ্ঞান॥
দণ্ড দুই আলাপনে মায়াৰ পাইলা সীমা।
ভকত সঙ্গৰ কিবা কহিবোঁ মহিমা॥
বৰিষ সমুদ্ৰ দ্বীপ পৰ্ব্বত সমান।
সপত পাতাল জ্যোতিশ্চক্ৰৰ সংস্থান॥
বৰ্ণাইলা নৰক সাতো পাতালৰ তলে।
যাত পৰি পাৰে পীড়া পাতকী সকলে॥
নৰৰ যাতনা শুনি পাচে পৰীক্ষিত।
কম্পিত হৃদয় ভৈলা মহাভয়-ভীত॥

নৰকৰ বিস্তাৰ শুকত সুধিলন্ত ।
দিলে শুক মুনি ষষ্ঠস্কন্ধত সিদ্ধান্ত ॥
শুনিয়োক এবে ষষ্ঠস্কন্ধ অনুক্রমে ।
হৰিৰ নামৰ কৈলা মহিমা প্ৰথমে ॥
পুত্ৰ-সঙ্কেতে নাম লৈলা অজামিলে ।
মৃত্যুক তৰিয়া বৈকুণ্ঠত আৰোহিলে ॥
উপজিল দক্ষ আসি দশ প্ৰচেতাত ।
তাহান কন্যাতে ভৈলা সৃষ্টি অসংখ্যাত ॥
পশু পক্ষী যক্ষ নৰ নাগ দেৱাসুৰ ।
ভৈলা কন্যা সন্তানে জগত ভৰিপূৰ ॥
তাতে আছে চিত্ৰ-কেতু চৰিত্ৰ প্ৰচুৰ ।
গৌৰী সাপে তেহোঁ আসি ভৈল বিত্ৰাসুৰ ॥
বধিলা বাসৱে কৰি অনেক প্ৰবন্ধ ।
বজ্ৰে ৰৱিষেকে তান ছেদিলন্ত স্কন্ধ ॥
শুনিয়ো সপ্তম দিতি দক্ষৰ কন্যাত ।
হিৰণ্যাক্ষ হিৰণ্যকশিপু ভৈলা জাত ॥
জগত কম্পিত দৈত্য হিৰণ্যকশিপু ।
ইন্দ্ৰক খেদায়া ৰাজ্য লৈলা দেৱৰিপু ॥
জগতকে দ্ৰোহ আচৰিলে দুৰাচাৰে ।
লৈলা তাৰো প্ৰাণ নৰসিংহ অৱতাৰে ॥
তাৰে পুত্ৰ ভৈল আসি বৈষ্ণৱ প্ৰহ্লাদ ।
মাধৱৰ হন্তে পাইলা পৰম প্ৰসাদ ॥
সদায়ে নছাৰে মহা হৰিক হৃদয় ।
বাহিৰে ভিতৰে যিতো দেখে হৰিময় ॥
মহাভাগৱত আৰু নাই যাত পৰে ।
শুনিয়ো অষ্টম স্কন্ধ আত অনন্তৰে ॥
মনন্তৰ চৰিত্ৰ গজেন্দ্ৰৰ বিমোক্ষণ ।
ভৈল হয়গ্ৰীৱ অৱতাৰ নাৰায়ণ ॥
কূৰ্ম্ম-ৰূপে মন্দৰ ধৰিলা পিঠি পাতি ।
দেৱাসুৰে সাগৰ মথিলা দিনে ৰাতি ॥

নাৰীৰূপ ধৰি ত্ৰিদশৰ চিন্তিহিত।
দৈত্যক বঞ্চিয়া দিলা দেৱক অমৃত॥
কৰিলা দুৰ্ঘোৰ যুদ্ধ যত দেৱাসুৰ।
দেৱক জিনাইলা হৰি হুয়া পক্ষপুৰ॥
অদিতিত হন্তে ভৈলা বামন উদিত।
ফুটাইলা কটাহ গঙ্গা ভৈলন্ত বিদিত॥
বলীক ছলিয়া দিলা পাতালত থান।
তুষ্ট হুয়া ভকতি প্ৰসাদ দিলা দান॥
ভৈলা তাতে হৰি-লীলা মৎস্য অৱতাৰ।
প্ৰলয় জলত আতি কৰিলা বিহাৰ॥
সত্য ব্ৰতে স্তুতি কৰিলন্ত কৃতাঞ্জলি।
নৱম স্কন্ধৰ শুনা ৰাজ বংশাৱলী॥
ইক্ষাকু কাকুস্থ ঐল শশাদ শৰ্য্যাতি।
খট্বাঙ্গ সগৰ নগ নহুষ যযাতি॥
জনক শান্তনু নিমি সৌৰভি ভৰত।
এসম্বাৰ বংশৰ কহিলা কথা যত॥
ভৈলন্ত পৰশুৰাম নামে অৱতাৰ।
নিঃক্ষত্ৰিয় কৰিলা ভূমি তিনি সাত বাৰ॥
শ্ৰৱণে বিনাশে মহা হৰি তত্বৰিত।
আছে তাতে হেন ৰামচন্দ্ৰৰ চৰিত॥
যযাতিৰ জেষ্ঠ পুত্ৰ যদু নাম যাৰ।
তাহান বংশতে ভৈল কৃষ্ণ অৱতাৰ॥
বসুদেৱ দৈৱকীত হন্তে জন্ম ভৈলা।
কংসৰ ভয়ত নিয়া গোকুলত থৈলা॥
শুনিয়ো দশম স্কন্ধৰ আৰে কথা।
কৰিলা অনেক কৃষ্ণ শিশুলীলা তথা॥
পূতনাৰ সুষিলন্ত স্তনে সমে প্ৰাণ।
শকট উচাট তৃণবৰ্ত্তৰ নিৰ্য্যাণ॥
উৰল বন্ধন বৃক্ষ অৰ্জ্জুন ভঞ্জন।
বক বৎস অসুৰ্ধক কালীক নিকালন॥

বন বহ্নি পান আৰু প্ৰলম্ব নিৰ্য্যাণ ।
বন জুইত হন্তে গোপ গৰু পৰিত্ৰাণ ॥
কৰিলা সৰ্পৰ পৰা নন্দক মোক্ষণ ।
পাইলা বৰ ব্ৰত আচৰন্তে গোপীগণ ॥
বিপ্ৰক সন্তাপ দিলা পত্নীক প্ৰসাদ ।
গোবৰ্দ্ধন ধৰি দিলা ইন্দ্ৰক বিষাদ ॥
বৰুণ লোকৰ পৰা নন্দৰ উদ্ধাৰ ।
শৰত ৰাতিত কেলি কৰিলা অপাৰ ॥
শঙ্খচূড় বধ কেশী অৰিষ্ট নিৰ্য্যাণ ।
অক্ৰূৰ গমন ৰাম কৃষ্ণৰ পয়ান ॥
ব্ৰজ বন্ধ বিলাপ মথুৰা দৰিশন ।
গজ মল্ল মৰণ কংসৰ বিনাশন ॥
পিতৃৰ মাতৃৰ বন্ধ মোক্ষ অতিৰেক ।
নন্দ প্ৰস্থাপন উগ্ৰসেন অভিষেক ॥
সান্দিপনি গুৰুক মৃতক পুত্ৰ দান ।
মথুৰাতে কৈলা যদু বংশক সন্মান ॥
উদ্ধৱক পঠাই শান্ত কৰি গোপী যত ।
কুঁজীক ৰমণ অক্ৰূৰৰ গৃহাগত ॥
ৰাম উদ্ধৱক সঙ্গে লৈয়া বহুবাৰ ।
কৰিলন্ত বধ জৰাসন্ধৰ সেনাৰ ॥
যৱনৰ নিৰ্য্যাণ নিৰ্ম্মিয়া দ্বাৰকাক ।
আনিলন্ত পাৰিজাত সুধৰ্ম্মা সভাক ।
যাদৱ বংশৰ মহা মিলন উৎসাহ ॥
ৰুক্মিণী প্ৰমুখ্যে অষ্ট মহিষী বিবাহ ॥
নৰকৰ বধ কন্যাগণৰ হৰণ ।
শাল শিশুপাল পৌণ্ড্ৰ সম্বৰ মৰণ ॥
পাণ্ডৱক নিমিত্তে কৌৰৱ ৰণে জিনি ।
সংহৰিলা হৰি অষ্টাদশ অক্ষৌহিণী ॥
আপুনি বেকত হুয়া জগত আধাৰ ।
লীলায়ে হৰিলা পৃথিৱীৰ মহাভাৰ ॥

কতেক কহিবোঁ কৃষ্ণ দেৱৰ মহত্ত্ব।
একাদশ স্কন্ধ আৰে শুনিয়ো সাম্প্ৰত ॥
বিপ্ৰ শাপ শুনি ভৈলা বংশৰ বিষাদ।
নাৰদে কহিলা নৱ সিদ্ধৰ সম্বাদ ॥
ব্ৰহ্মা আদি দেৱে কৰিলন্ত স্তুতি নুতি।
উদ্ধৱে জানিলা পাচে প্ৰভুৰ যুগুতি ॥
কৃষ্ণৰ চৰণে পৰি কৰিলা বিষাদ।
ভৈলা তাতে পাচে কৃষ্ণ-উদ্ধৱ সম্বাদ ॥
ৰহস্য ধৰ্ম্মকো প্ৰকাশিলা কৃপাময়।
জ্ঞান কৰ্ম্ম ভকতিৰ কহিলা নিৰ্ণয় ॥
বদৰিকাশ্ৰমক পাঠাইলা উদ্ধৱক।
প্ৰভাসত সংহাৰিলা যাদৱ বৰ্গক ॥
নিজ ৰূপে বসি শিশু অশ্বথ-তলত।
মহাজ্ঞান ভকতি কহিলা উদ্ধৱত ॥
দেৱ সবে নিবে আইলা আপোনাৰ থান।
কৰিলন্ত কৃষ্ণে তাতে বৈকুণ্ঠ পয়ান ॥
এহি মানে গৈলা একাদশৰ ব্যৱস্থা।
দ্বাদশ স্কন্ধৰ আৰে শুনিয়োক কথা ॥
যুগৰ লক্ষণ যুগ ধৰ্ম্ম চাৰি বিধ।
কহিলা কলিত একো ধৰ্ম্মে নাহি সিধ ॥
অধৰ্ম্মে কৰিবে আসি কলিত বিপ্লৱ।
হৰি কীৰ্ত্তনে সে তাৰ পাপ পৰাভৱ ॥
চাৰি বিধ প্ৰলয় কহিলা মহাভাগ।
পৰীক্ষিত নৃপতিৰ তাতে তনু ত্যাগ ॥
সৰ্প সত্ৰ মাৰ্কণ্ডেয় মায়া দৰিশন।
বেদ্ব শাখা ভেদ মহা পুৰুষ লক্ষণ ॥
দ্বাদশৰো কথা সবে কহিলোঁ নিশেষ।
কৃষ্ণৰে সে ইতো লীলা চৰিত্ৰ বিশেষ ॥
শুনা সমাজিক লোক ভাগৱত কথা।
শুনন্তে সাক্ষাত হোন্ত ঈশ্বৰ সৰ্ব্বথা ॥

নাহি একো শাস্ত্র আৰু ইহাৰ সমান ।
মহন্ত সকলে পাৰে প্ৰত্যক্ষ প্ৰমাণ ॥
হেন জানি কৃষ্ণৰ চৰণে দিয়া মন ।
কৰিয়োক কৃষ্ণ কথা শ্ৰৱণ কীৰ্ত্তন ॥
আলে জালে আয়ু যাই হুয়ো সাৱধান ।
কৃষ্ণ বিনে নাহি জানা যাতায়াত ত্ৰাণ ॥
হে প্ৰাণ প্ৰভু কৃষ্ণ মই মন্দ মতি ।
তযু পাৱে ই জন্মত নভৈল ভকতি ॥
নপাইলো নিস্তাৰ ইতো সংসাৰ দুৰ্ঘোৰ ।
কৰিয়ো চৰণে গতি অগতিৰ মোৰ ॥
ইতো নৰ তনু কাল ধৰ্ম্মৰ অধীন ।
ন জানোঁহো দেহা কৈত পৰে কোন দিন ॥
ঘোৰ পৰলোকৰ শুনন্তে লাগে ত্ৰাস ।
কৰা হেন করুণা দাসৰো ভৈলোঁ দাস ॥
নেৰোক ভকত সঙ্গ কৰ্ণে কৃষ্ণ কথা ।
হৃদয়ত কৃষ্ণ মূৰ্ত্তি থাকোক সৰ্ব্বথা ॥
সুখে দুখে মুখে মোৰ নছাৰোক নাম ।
তেৰেসে নিস্তৰো সবে বোলা ৰাম ৰাম ॥

---

## দুলড়ি ।

নিগদতি সুত
শুনিয়ো সৌনক
প্ৰমুখ্যে ঋষি যতেক ।
বাহ্ৰয় স্কন্ধৰ
যিতো তাত্পৰ্য্য
শুনিয়ো তাক প্ৰত্যেক ॥
হৰি গুণ নাম
শ্ৰৱণ কীৰ্ত্তন
সমস্তে ধৰ্ম্মৰে সাৰ ।
বাহ্ৰ স্কন্ধ মিলি
আকে প্ৰতি পাদ্যে
শুনা ফল শ্ৰুতি তাৰ ॥

পৰে বা পিছনে যদি বা ক্ষুধায়ে
তৃষ্ণায় পীড়িত হুয়া।
নমো হৰি বুলি ডাকি উচ্চকৰি
মাধৱৰ নাম লৈয়া ॥
এতেকেতে তৰে যতেক পাতক
অনেক কোটি জন্মৰ।
তাতে লাগে জুই পুৰি ভস্ম হুই
মহা শুদ্ধ হৱে নৰ ॥
যিতো জনে কৰে কৃষ্ণক শ্ৰৱণ
কৃষ্ণৰ কৰি কীৰ্ত্তন।
তাহাৰ চিত্তত হোৱন্ত প্ৰবেশ
ভগৱন্ত নাৰায়ণ ॥
এতেক পাতক পলাই তাৰ যেন
সূৰ্য্যৰ আগে আন্ধাৰ।
প্ৰচণ্ড বাতাসে যেন উৰুৱাৱে
যত মানে মেঘ সঞ্চাৰ ॥
হৰি কীৰ্ত্তনে সে জানা মহা-বল
সমস্তৰে হৰে পাপ।
তাতে ব্যতিৰেকে যত আন কথা
সমস্তে মিছা প্ৰলাপ ॥
যিতো বাক্য সবে কৃষ্ণক নকহে
নকৰি নাম প্ৰখ্যাত।
সেই মিছা বাক্যে সেই তো অসতী
অসন্তৰ কথা যত ॥
সেহি মহা সত্য সেহি সে মঙ্গল
সেহি মহা পুণ্যচয়।
কৰে যিতো বাক্যে ঈশ্বৰ কৃষ্ণৰ
গুণ-নাম অভ্যুদয় ॥

সেহি মহাবম্য মহন্তৰ তাত
বাঢ়ে প্ৰীতি নৰ নৰ।
মহন্তৰ তাতে প্ৰেম উপজয়
মনৰো মহা উৎসৱ॥
সেহি সে হৰিৰ বঢ়াৱে সেহিসি
শোষয় শোক-সাগৰ।
উত্তম লোকৰ গুণ-যশ গাৱে
যিতো বাক্যে নিৰন্তৰ॥
নানা ছন্দ পদে ৰচিত সি বাক্য
শুনন্তে অমৃত-প্ৰায়।
কিন্তু হৰি-যশ জগত পৱিত্ৰ
নাহিকে যাত সদায়॥
কাক-তুল্য সিতো কামী পুৰুষৰ
জানিবা ৰতিৰ স্থান।
পৰম ভকত যতনে শুনন্ত
তাত নপাতন্ত কাণ॥
যি কথাত কৃষ্ণ আছন্ত সাক্ষাত
গুণ মহন্তৰ গতি।
নিৰ্ম্মল ভকত সকলে তাতে সে
কৰন্ত সদায় ৰতি॥
সেই মহা বাক্যে লোক-সমূহৰ
পাতক কৰে বিঘাত।
কেশৱৰ যশে অঙ্কিত যি নাম
প্ৰতি পদে আছে যাত॥
কহন্তা থাকিলে আপুনি শুনয়
শুনান্ত সকলে আৰে।
সকলেয়ো স্মৰে যি হৰি নামক
ভকতে ডুইবো অভাৰে॥

## ৰুক্মিণীহৰণ।

ছবি।

কৃষ্ণৰ চৰণে মোৰ, হেন কথা কহিবাহাঁ,
ৰুক্মিণী বুলিলা হেন বাক।
তোমাৰ চৰিত্ৰ গুণ, দেশান্তৰী মুখে শুনি,
স্বামী ভাৱে বৰিলো তোমাক॥
ইঠাৱৰে পৰা হেৰোঁ, সহস্ৰ প্ৰণাম কৰোঁ,
জানু শিৰে চপৰায়া মাথ।
সপোনে সচেতে মই, তোমাকেসে চিন্তি আছোঁ,
তুমি মোৰ হৈবা প্ৰাণনাথ॥
কায় বাক্য মনে মই, তোমাৰেসে ভাৰ্য্যা হৈবোঁ,
মোহোক নেনোক শিশু পালে।
প্ৰমত্ত সিংহৰ আগে, বঁটা থৈয়া আছে যেন,
নহৰোক অধম শৃগালে॥
জৰাসন্ধ আদি কৰি, যতেক নৃপতি আছে,
তোমাৰ আগত যেন তৃণ।
প্ৰচণ্ড বাঘৰ আগে, যেন গাৱ ঘেলাৱয়,
অতি ক্ষুদ্ৰ মৃগ যে হৰিণ॥
ত্ৰৈলোক্য ঈশ্বৰ তুমি, পৰম পুৰুষ হৰি,
তোমাক নো কোন জনে আটে।
কেন আছা বাট চায়, দিনে এক যুগ যায়,
মোক কিয় নেনা আসি ঝাণ্টে॥
ব্ৰহ্মা হৰ পুৰন্দৰে, ৰাত্ৰি দিনে বাঞ্ছা কৰে,
তোমাৰেসে চৰণ ধূলাক।
কতবা জন্মৰ ভাগ, পুণ্য বলে পাইবো লাগ,
তুমি হেন স্বামী সেৱিবাক॥

সুন্দৰ তৰুণ তনু, ত্ৰৈলোক্য মোহন মূৰ্ত্তি,
প্ৰথম বয়স অভিমত।
তযু ৰূপে গুণে ভুলি, নবৰিব স্বামী বুলি,
কোন তিৰী আছে সংসাৰত॥
হেনবা বুলিবা কন্যা, অন্তেসে পুৰত থাকঁা,
কেন মতে লাগ পাইবোঁ যাই।
বন্ধু বান্ধৱক মোৰ, বধিবাক নলাগয়,
শুনা কহোঁ তাহাৰ উপায়॥
বিবাহৰ পূৰ্ব্ব দিনে, অন্তেস পুৰৰ হন্তে,
যাইবোঁ ভৱানীক পূজিবাক।
তোমাৰে সে বাঞ্ছা যদি, আছে মোক প্ৰভুদেৱ,
সেহি বেলা হৰিবাঁ আমাক॥
মোক যেবে হেলা কৰি নেনা অসি প্ৰভু হৰি,
থাকিবোঁহো এহি মতে পৰি।
প্ৰাণান্তিকো একো কালে, শিশুপাল নৃপতিৰ,
ছাঁয়াতো নেদিবোঁ মই ভৰি॥
তযু চৰণক যেবে, নেদেগোঁহোঁ প্ৰভুদেৱ,
দিলোঁ পৰিছেদা এহিমানে।
নিৰাহাৰ ধৰি ব্ৰত, তোমাতেসে স্ত্ৰী বধ,
দিয়া তেবে মৰিবোঁ পৰাণে॥
এহি বুলি বেদনিধি, ব্ৰাহ্মণক সম্বোধিয়া,
মাতন্ত ৰুক্মিণী মহা সতী।
খণ্ডায়োক হৃদি তাপ, চালিয়োক গুৰু বাপ,
যথাত আছন্ত যদুপতি॥
যতেক বুলিলোঁ মই, তাতো শত গুণ কৰি,
আপুনি কহিবাঁ তুমি কথা।
মাধৱক মাতি বুলি, যেনে তেনে আনিবাঁহা,
যেবে তযু মোত আছে বেথা॥

হেৰা দেখা শিশুপাল, নৃপতি পাপিষ্ঠ ইটো,
আসি ৰহিয়াছে মোক চুম্পি।
বিস্তৰ বিলম্ব ভৈলে, আসিয়া নপাইবাঁ মোক,
মৰিবোঁ তোমাত প্ৰাণ সম্পি॥
এহি বুলি আউৰ কিছু বুলিবাক নপাৰিলা,
লোতকে চলল ভৈল আখি।
অনন্তৰে বেদনিধি, ব্ৰাহ্মণে বুলিবে লৈলা,
ৰুক্মিণীৰ হেন দুঃখ দেখি॥
ইকাৰ্য্যক লাগি আই, চিন্তা দুঃখ পৰিহৰ,
চক্ষুৰ মলছ তই পানী।
আছন্তোক কৃষ্ণদেৱ, আকাশৰ চন্দ্ৰমাক,
হাততে দিবাক পাৰোঁ আনি॥
মোহোত কহিলি যেবে, সাধিবোঁ সকলে কাৰ্য্য,
স্থিৰ কৰি থাক দৃঢ় চিতে।
বচন শিলাৰ ৰেখা, মোৰ মুনিষাই দেখা,
আনিবো কৃষ্ণক তিলকতে॥
চলি যাওঁ দ্বাৰকাক, মোৰ যেবে শুনা বাক,
কদাচিতো নকৰিবা চিন্তা।
হেন শুনি বৰনাৰী, আঞ্চলে মুছিল মুখ,
তুষ্ট ভৈল ভীষ্মক দুহিতা॥
অতিশয় ৰঙ্গমনে, ব্ৰাহ্মনক প্ৰদক্ষিণে,
ৰুক্মিণী কৰিলা নমস্কাৰ।
আন জনে নজানয়, গোপ্য কৰি যাইবাঁ গুৰু,
কথা যেন নহয় প্ৰচাৰ॥
ব্ৰাহ্মণে বোলন্ত মোক, শিখাইবাক নলাগয়,
ই কাৰ্য্যে আপুনি মই ডাঠ।
এহি বুলি বেদনিধি, ৰুক্মিণীক প্ৰবোধিয়া,
ধৰিলন্ত দ্বাৰকাক বাট॥

এহি মতে নদ নদী, অনেক দুর্গম তৰি,
পৰ্ব্বত নগৰ গ্ৰাম দেশ ।
দিনা কতিপয় গৈয়া, সাগৰ তৰিয়া দ্বিজ,
দ্বাৰকাত ভৈলন্ত প্ৰবেশ ॥
নমো নমো হৰি পদ, পঙ্কজ যুগল শিৰে,
দণ্ডৱতে কৰি নমস্কাৰ ।
কৃষ্ণৰ কিঙ্কৰ কৰি, শঙ্কৰে ৰচিলা ছবি,
পদ হৰি বংশ কথা সাৰ ॥
শুনিয়োক সৰ্ব্বজন, কৃষ্ণপদে দিয়া মন,
ৰুক্মিণী হৰণ কথা সাৰ ।
নপাইবেক একো দুঃখে, সংসাৰ তৰিবা সুখে,
পুৰুষকো কৰিয়া উদ্ধাৰ ॥
শুনিবাক মনোৰম, শৰীৰতো নাহি শ্ৰম,
অৰ্থৰো নাহিকে কিছু হানি ।
নাশ হৈবে যত ভয়, মিলিবেক মহোদয়,
ৰাম ৰাম বোলা সব প্ৰাণী ॥

---

পদ ।

বৈশম্পায়ন বদতি শুনিয়ো নৃপবৰ ।
বেদনিধি পাইলা গৈয়া দ্বাৰকানগৰ ॥
ৰত্নময় গৃহ সব কৰে জাতিস্কাৰ ।
নাহি খেৰ বেত বাংশ কাষ্ঠৰ সঞ্চাৰ ॥
একো একো গৃহ মেৰু সমান উচ্ছ্ৰিত ।
হীৰা মণি মৰকত মাণিকে খচিত ॥
কতো ৰজতৰ কতো শুদ্ধ স্বৰ্ণৰ ।
চিকিমিকি কৰে যেন কান্তি আদিত্যৰ ॥
সৰোবৰচয় চাৰু জলে আছে ভৰি ।
চাৰিয়ো কাযৰে স্বৰ্ণৰ খাটখৰি ॥

ফুলিয়াছে সুগন্ধ কমল উতপল।
মধু লোভে ভ্ৰমৰে কৰয় কোলাহল॥
জলচৰ পক্ষী তেজে সুললিত নাদ।
তাক শুনি ৰাত্ৰি দিনে চিত্ত উনমাদ॥
বহুতৰ পুষ্প পাৰে পাৰে আছে ফুলি।
পাৰিজাত সুগন্ধিকা মালতী বকুলি॥
তাতে নানা জাতি পক্ষী কৰয় আৰাৱ।
সৰ্ব্বক্ষণে শীতল মলয় বহে বাৱ॥
দিব্য উপবন সব আছে অপৰ্য্যন্ত।
বাৰয় মাসত যাক নেৰয় বসন্ত॥
সুবৰ্ণৰ ঘৰ বাড়ী পদূলি চৌপন্থা।
জুমাজুমি বসি সবে কহে কৃষ্ণ কথা॥
কতো যদু বীৰগণে কৰে আয়াযাত।
হস্তী ঘোড়ে চড়ি যেন মহেন্দ্ৰ সাক্ষাত॥
লয়লাসে ফুৰে সবে নাগৰী সুন্দৰী।
ৰূপে মোহে যেহেন ইন্দ্ৰৰ অপেস্বৰী॥
সুবৰ্ণৰ ঘটে জল বহে সাৰি সাৰি।
মত্তগজগামিনী সুন্দৰ বৰ নাৰী॥
আনো নানা কৌতুহল চক্ষু মেলি চাইলা।
পাছে মাধৱৰ সিংহ দ্বাৰ গৈয়া পাইলা॥
দ্বাৰীক বোলয় ঝাণ্টে জান দেস গই।
কুণ্ডিনৰ হন্তে আসি আছোঁ বাৰ্ত্তা লই॥
হেন শুনি দ্বাৰপাল কৰিলা গমন।
কৃষ্ণক প্ৰণামি হেন বুলিলা বচন॥
কুণ্ডিনৰ হন্তে আসি আছে বাৰ্ত্তা লই।
ব্ৰাহ্মণ এগুটি দুৱাৰত আছে ৰই॥
হেন শুনি কৃষ্ণৰ হৰিষ ভৈল মন।
ৰুক্মিণী পঠাইলা জানিলন্ত নাৰায়ণ॥
আপুনি আসিল হৰি আসনক ছাড়ি।
কৌতুহলে ব্ৰাহ্মণক নিলা আগ বাঢ়ি॥

বিদূৰতে দেখি হাস্য কৰিলন্ত হৰি ।
পুছিলা কুশল বার্ত্তা আলিঙ্গিয়া ধৰি ॥
পৰম সাদৰে ব্ৰাহ্মণক বনমালী ।
অন্তেস পুৰক লাগি নিলা অঙ্কোৱালি ॥
সুবৰ্ণৰ খাটত বসাইলা নিয়া ধৰি ।
আপুনি ধুৱাইলা কৃষ্ণে ব্ৰাহ্মণৰ ভৰি ॥
দিব্য পঞ্চামৃত অন্ন কৰাইলা ভোজন ।
পৰম সন্তোষ ভৈলা ব্ৰাহ্মণৰ মন ॥
সুবৰ্ণ খাটত মেলাইলা পাছে গাব ।
তৈল লৈয়া গোবিন্দে জান্তিলা হাত পাৱ ॥
পথৰ প্ৰয়াস যেবে এৰাইলা ব্ৰাহ্মণ ।
হাসি নাৰায়ণে হেন বুলিলা বচন ॥
আপোনাৰ কুশল কহিয়ো দ্বিজবৰ ।
সুখে কি আছয় সিটো কুণ্ডিন নগৰ ॥
তোমাৰ ভীষ্মক নৃপতিৰ বার্ত্তা ভাল ।
ৰাজধৰ্ম্মে কৰন্ত প্ৰজাক প্ৰতিপাল ॥
আমাৰ থানক আইলা কিবা প্ৰয়োজন ।
ভাগ্যেসে লভিলোঁ তুমি হেনয় ব্ৰাহ্মণ ॥
তযু আগমনত পবিত্ৰ হৈলা থান ।
যেহি লাগে বোলাঁ গুৰু তাকে দিবোঁ দান ॥
শুনি বেদনিধি পাছে তুলিলন্ত হাস ।
আপুনি সকলে জানা মোৰ যেন আশ ॥
সমস্তে প্ৰাণীৰ তুমি হৃদয়ত স্থিত ।
ত্ৰৈলোক্যত নাহিকে তোমাৰ অবিদিত ॥
মোহোৰ ভাগ্যক গোঁসাই কি কহিবে লাগে ।
প্ৰত্যক্ষতে ব্ৰহ্ম শৰীৰক দেখোঁ আগে ॥
যাক ভেট নতু পান্ত সিদ্ধ মুনিগণ ।
আমাৰ শুশ্ৰূষা কৰা হেন নাৰায়ণ ॥
ভাগ্যৰ মহিমা মই কি কহিবোঁ আৰ ।
সাক্ষাতে ধৰিছাঁ তুমি বিষ্ণু অৱতাৰ ॥

মায়ায়ে মনুষ্য ৰূপ তুমি আছা ধৰি।
সাধিলা দেৱৰ কাৰ্য্য অসুৰ সংহৰি॥
তোমাৰেসে ভাৰ্য্যা ভীষ্মকৰ জীৱ সতী।
ৰুক্মিণী স্বৰূপে লক্ষ্মী ভৈলা উতপতি॥
তুমি স্বামী হৈবা ৰাত্ৰি দিনে হেন মন।
এক চিত্তে চিন্তি আছে তোমাৰ চৰণ॥
ভীষ্মক নৃপতি বৰ তোমাত ভকত।
তোমাতেসে বিহা দিবে তাহাৰ সন্মত॥
ৰুক্মিণীৰ ভাই ৰুক্মি নামে কুলাঙ্গাৰ।
তোমাক দিবাক বাধা কৰে দুৰাচাৰ॥
শিশুপাল নৃপতিক আনি আছে বৰ।
শুনি ৰুক্মিণীৰ অতিশয় ভৈল ডৰ॥
তোমাত নৈৰাশ দেখি ভৈল হৃদি খেদ।
ৰাত্ৰি দিনে চক্ষুৰ লোতক নাহি ছেদ॥
স্বভাৱত স্ত্ৰী জাতি নোহে স্বতন্তৰী।
লাজে পিতৃ মাতৃত নোবোলে মুখ ফুৰি॥
তোমাৰ বিয়োগ অন্তৰ্গতে দহে প্ৰাণ।
দিন গোট যাই যুগ সহস্ৰ সমান॥
ৰুক্মিণীৰ অৱস্থাক কি কহিবোঁ হৰি।
দুঃখ দেখি পেটতে লুকাই হাত ভৰি॥
তোমাক পাইবাৰ একো নপান্ত উপায়।
তেবেসে আমাক মাতি দিলন্ত পঠাই॥
তোমাকেসে লাগি হেন পঠাইল সম্বোধি।
এক চিত্তে আছোঁ স্বামী তোমাক আৰাধি॥
তথাপিতো তুমি যদি নকৰাঁহা বিয়া।
মৰিবোঁ তোমাতে তেবে স্ত্ৰী বধ দিয়া॥
হেৰা মোক চুম্পি আছে ৰাজা শিশুপালে।
সিংহৰ ভাৰ্য্যাক যেন ধাৱয় শৃগালে॥
হেন জানি প্ৰভুদেৱ কেনে চিত্ত সখা।
আপোন ভাৰ্য্যাক তুমি কিসক নাৰাঁখা॥

বিস্তৰ বিলম্ব ভৈলে নাপাইবাহাঁ মোক ।
কত দিন সহিবোঁ দাৰুণ দুঃখ শোক ॥
হেন জানি ঝাণ্টে আসা মোৰ প্ৰাণপতি ।
নাসা যেবে ভৈল মোৰ মৰণ সঙ্গতি ॥
বিস্তৰ বুলিলা আৰু চিনাই আগ পাছ ।
কৃষ্ণৰ আগত নিয়া দিবা খেৰ গাছ ॥
হেন কৰন্তোক মোক নিয়ন্তোক আসি ।
সেৱা কৰি থাকোঁ চৰণৰ হুয়া দাসী ॥
দিন চাপে বিহাৰ সম্বলে মোৰ বুবে ।
শিশুপাল পাপীক দেখন্তে ধাতু উবে ॥
দিনা চাৰেকত যেবে হৰি নেনা মোক ।
হেন জানিবাঁহা মই গৈলোঁ পৰলোক ॥
হাকুতি কাকুতি কৰি পঠাইলা অশেষ ।
হেন জানি যেন যোগ্য কৰা হৃষিকেশ ॥
ৰুক্মিণী যতেক বুলি পঠাইলা কাৰুণ্য ।
কহিলন্ত বেদনিধি তাতো দশগুণ ॥
ৰুক্মিণীৰ হেন দুঃখ শুনি জগন্নাথ ।
সুদীৰ্ঘ নিশ্বাস তেজি চপৰাইলা মাথ ॥
দুই ধাৰা চক্ষুৰ লোতক পৰে বই ।
হা প্ৰাণেশ্বৰী যেন তোক নপাওঁ গই ॥
যত দুঃখ বান্ধে সহিলেক মোক লাগি ।
তই যেবে মৰস মইসে বধ ভাগী ॥
মই নতু যান্তে জানো প্ৰাণ যাই আগে ।
তোৰ মোৰ দেখা দেখি হৈব কত ভাগে ॥
মনত আসুখে হৰি গালে দিয়া হাত ।
মুখ ওলোমাই আতি গদ গদ মাত ॥
কহিবে লাগিলা আৰু দ্বিজক সম্বোধি ।
মোহোৰ চিত্তৰ কথা শুনা বেদনিধি ॥
যৈসানি শুনিলো ৰূপ গুণ ৰুক্মিণীৰ ।
সেহি কাল হন্তে মোৰ চিত্ত নোহে থিৰ ॥

নাহি সুখ শান্তি মোৰ নুৰুচয় ভাত।
উগুল থুগুল নিদ্ৰা নাসয় শয্যাত ॥
ৰুক্মিণীৰ যত দুঃখ কহিলা বিপুল।
তাতো দশ গুণে আতি আমিসে আকুল ॥
প্ৰাণ সম মিত্ৰ মোৰ কহিবাৰ ঠাই।
বান্ধৱৰ বিয়োগ দুঃখ সহন নযাই ॥
ঝাণ্টে যাওঁ তৈত জানো মিলে আথানুৰ।
এহি বুলি দাৰুকক দিলন্ত উত্তৰ ॥
ৰথ খান সাজি মোৰ আতি শীঘ্ৰে আন।
কুণ্ডিনক লাগি মই কৰিবো পয়ান ॥
হেন শুনি সাৰথি উঠিলা আগেবেগে।
চাৰি গোটা ঘোড়া আনি যুৰিলন্ত ৰথে ॥
সৈব্য সুগ্ৰীৱ মেঘপুচ্ছ বলাহক।
ছল বল কৰে ঘোড়া লঙ্ঘি আকাশক ॥
গৰুড়ৰ ধ্বজ ৰথ আগে আৰোপিল।
স্থানে স্থানে সুবৰ্ণৰ কিঙ্কিণী আৰিল ॥
বাচি বাচি লৈলা যত যুদ্ধৰ সম্ভূত।
ভক্ষ ভোজ্য ষড়ৰস লৈলা পঞ্চামৃত ॥
দিব্য ৰথ খান সাজি পৰম উৎসুকে।
কৃষ্ণৰ আগত নিয়া যোগাইলা দাৰুকে ॥
ৰথ আনিবাৰ দেখি ৰঙ্গে বনমালী।
শাৰঙ্গ ধনুক ধৰি উঠি গাৱচালি ॥
ব্ৰাহ্মণকো ৰথত তুলিয়া ধৰি কৰে।
আপুনি উঠিলা সেহি ৰথৰ উপৰে ॥
সাৰথিক বোলন্ত সত্বৰে ডাকাঁ ৰথ।
যথা চমু কৰি ধৰা কুণ্ডিনৰ পথ ॥
হেন শুনি ঘোটকক মাৰিলা চাবুকে।
বিদ্যুত সঞ্চাৰে ৰথ চলাইলা দাৰুকে ॥
উথলিল চাৰি ঘোড়া আলগাইলা ৰথ।
ভূমি এৰি ধৰিলেক আকাশৰ পথ ॥

মন পৱনৰ বেগে চলে ৰথ বৰ ।
ছুটিল নাৰাচ যেন অতি শীঘ্ৰতৰ ॥
প্ৰলয়ৰ মেঘ যেন শোসাই বায়ু লাগি ।
আকাশৰ পক্ষী পলাই দশো দিশে ভাগি ॥
শ্ৰুতি ভঙ্গ ভৈল বেদনিধি বেগ দেখি ।
দুই হাতে ঢাকি মুদিলন্ত দুই আখি ॥
পৰম বিহ্বল ভাব ভয়া দ্বিজৰাজ ।
কুৰণি দেখিয়া পৰিলন্ত ৰথ মাজ ॥
আলোলা ব্ৰাহ্মণ জাতি কোমল শৰীৰ ।
কৃষ্ণৰ ৰথৰ বেগে কেনে হৈবে থিৰ ॥
নকাঢ়ে উশাস অচেতন বেদনিধি ।
উখসিল পেট একো নাই ঋদ্ধি সিদ্ধি ॥
মূৰ্চ্ছা গৈল ব্ৰাহ্মণ দেখিলা বনমালী ।
আথেবেথে সাৰটি ধৰিলা আঙ্কোৱালি ॥
দেখিয়া দাৰুকে বাঘ জৰিক আজুৰি ।
ৰাখিলন্ত ৰথক ঘোড়াৰ মুখ মুৰি ॥
নলৰয় পেট হৰি হাত বুলাই চাইল ।
ফুকন্তে ফুকন্তে কথমপি ধাতু আইল ॥
ব্ৰাহ্মণৰ শিৰে হৰি ঢালিলন্ত পানী ।
ঢিমিকি ঢিমিকি মাত্ৰ লৰে ধাতুখানি ॥
থিৰ হোৱা বেদনিধি দৃঢ় কৰা চিত্ত ।
কিসক বিহ্বল ভৈলা হেন বিপৰীত ॥
অনেক আশ্বাস কৰি মাধৱে ঢিয়ান্ত ।
তথাপিতো চক্ষু মেলি ব্ৰাহ্মণে নচান্ত ॥
নিচিনোহো তোমাক তুমি বা কোন জন ।
কৈৰ হন্তে আসি আছোঁ কোঠৈৰ ব্ৰাহ্মণ ॥
কোন থানে পৰি আছোঁ কি কাৰণে আসি ।
হেন শুনি মাধৱে মাতন্ত হাসি হাসি ॥
দ্বাৰকাৰ কৃষ্ণ মই চায়ো চক্ষু মেলি ।
একে ৰথে চলি যাওঁ কুণ্ডিণক বুলি ॥

ৰুক্মিণীৰ কাৰ্য্যে তুমি আইলা বেদনিধি।
ৰথৰ বেগত হকৰাইলা শ্ৰুতি বুদ্ধি॥
তেন শুনি বেদনিধি কিছু শ্ৰুতি পাইলা।
ধীৰে ধীৰে মাধৱক চক্ষু মেলি চাইলা॥
কৃষ্ণক বোলন্ত গোঁসাই লাগিল চমক।
আৰু খনিতেক গৈয়া দেখোঁহোঁ যমক॥
ৰথৰ এনুৱা বেগ নতু দেখি শুনি।
এৰাইলোঁ প্ৰমাদ আজি তোমাৰেসে গুণি॥
আউৰ জোনো হেন বেগ ধৰন্ত দাৰুক।
অদ্যাপিও তৰতৰি কাম্পে মোৰ বুক॥
হেন শুনি ৰথক ডাকিলা লাসে লাসে।
দ্বিতীয় আদিত্য যেন আকাশে প্ৰকাশে॥
সুবৰ্ণ কিঙ্কিণী চয় ৰুণঝুণ বাজে।
ঊৰ্দ্ধ মুখে সচকিতে চাহে সামৰাজে॥
কোনে কহিবেক সিটো ৰথৰ মহিমা।
একদিনে পাইলা গৈয়া কুণ্ডিণৰ সীমা॥
কৌশাম্বীক নামে এক দেখিলা নগৰী।
ৰাখিয়োক ৰথ বুলি আদেশিলা হৰি॥
হেন শুনি দাৰুকে ৰাখিলা ৰথবৰ।
এতেকতে অস্তাঙ্গত ভৈলা দিবাকৰ॥
বিশ্বকেতু নামে ৰাজা কৌশাম্বীৰ পতি।
ৰাত্ৰি দিনে কৰে সিটো কৃষ্ণত ভকতি॥
মাধৱেসে জীৱ তান মাধৱেসে প্ৰাণ।
মাধৱত পৰে ৰাজা নিচিন্তয় আন॥
শুনিলন্ত ৰাজা আসিলন্ত দেৱহৰি।
গলা গোপা কৰে সবে কৌশাম্বী নগৰী॥
নিশ্চয় জানিল আসিলন্ত দেৱহৰি।
পৰম আনন্দে লৰ দিলা শীঘ্ৰ কৰি॥
কৈৰো হৰি কৈৰো হৰি বুলিয়া চেঞ্চাই।
নৃপতিৰ ভকতি আচন্ত হৰি চাই॥

কৃষ্ণৰ ৰথক ৰাজা দেখি বিদূৰতে।
কৃষ্ণ কৃষ্ণ বুলি পৰিলন্ত দণ্ডৱতে।
পুনৰপি উঠি কৃতাঞ্জলি হুয়া ৰহে।
ভৰি চাৰি গৈয়া পুনু দণ্ডৱতে পৰে॥
এহি মতে ৰথৰ পাইলন্ত সন্নিহিত।
কৃষ্ণৰ আগত গৈয়া পৰিল ভূমিত॥
কৃষ্ণ কৃষ্ণ বুলি পৰি আছে কতো বেলি।
দেখি নাৰায়ণে ধৰিলন্ত হাত মেলি॥
মাধৱে বোলন্ত বিশ্বকেতু উঠ উঠ।
তোহোৰ ভকতি দেখি ভৈলোঁ মহা তুষ্ট॥
এক চিত্ত মনে তই আৰাধস মোক।
ৰাজশ্ৰীক ভুঞ্জন্তে তোহোৰ মোক্ষ হোক॥
নয়নৰ হন্তে ঝৰে হৰিষ লোতক।
কৃষ্ণ পৰশনে ৰাজা পাইল আনন্দক॥
আতি ৰঙ্গমনে উঠি বিশ্বকেতু ৰাজা।
পাদ্য অৰ্ঘে মাধৱক কৰিলন্ত পূজা॥
কৃষ্ণৰ চৰণে ধৰি কৰয় কাতৰ।
কৰিয়ো মুকুতি মোৰ কোটি পুৰুষৰ॥
ৰাত্ৰি গোট ৰঞ্চা আজি প্ৰভু দামোদৰ।
পৰম পবিত্ৰ হোক কৌশাম্বী নগৰ॥
আমাৰ গৃহত গোঁসাই হুয়া অভ্যাগত।
তুমি তুষ্ট ভৈলে তুষ্ট হোৱে ত্ৰিজগত।
কৃষ্ণে অনুমানি সেহি বাক্য নৃপতিৰ।
প্ৰবেশিলা গৈয়া বিশ্বকেতুৰ মন্দিৰ॥
দেখি নৃপতিৰ আনন্দৰ সীমা নাই।
ৰত্নময় আসনক দিলেক বঢ়াই॥
সুখে বসিলন্ত তাতে জগতৰ পতি।
পঞ্চামৃতে ভোজন কৰাইলা মহামতি॥
বেদনিধি বিপ্ৰ আৰু সাৰথি দাৰুকে।
কৰিলা ভোজন দুয়ো পৰম উৎসুকে॥

গন্ধে পুষ্পে তুষ্ট কৰাই মাধৱৰ মন।
কৰযোৰে ৰাজা পাছে বুলিলা বচন॥
ৰুক্মিনৰ হস্তে মোৰ আসিছে চৰীয়া।
আলোচিল বীৰগণে বিৰলে বসিয়া॥
যদিবা মাধৱ আসে আমাৰ সমাজ।
সিংহাসন নিদিবোঁহো পাউক বৰ লাজ॥
সিংহাসন আসনৰ ৰাজা অধিকাৰী।
ৰাজবংশী নুহি যদুকুল অনাচাৰী॥
পূৰ্ব্বত যযাতি ৰাজা দিয়া আছে শাপ।
লঘু কৰি গোবিন্দৰ ভাঙ্গো কাপ ঝাপ॥
লাজ হুয়া মাধৱ আপুনি যাইবে উঠি।
শিশুপালে বিহা কৰন্তোক মন তুষ্টি॥
যদি কদাচিত হৰি পাতয় বিঘিনি।
সবে মিলি কৃষ্ণক বধিবোঁ ৰণে জিনি॥
জৰাসন্ধ আদি কৰি যত ৰাজাগণ।
এক গোষ্টি হুয়া সবে কৰে অলোচন॥
শিশুপাল ৰাজায়েসে কৰিবেক বিয়া।
সকলে শুনিয়া মোত কহিল চৰীয়া॥
হেন শুনি প্ৰভু মোৰ নসহয় প্ৰাণ।
মোৰ ৰাজ্য যতেক উৎসৰ্গি দিওঁ দান॥
কৌশাম্বীৰ ৰাজা তুমি হুয়ো দেৱ হৰি।
তেবে দেখো সিংহাসন নেদে কেন কৰি॥
স্বপুত্ৰে বান্ধৱে মই তোমাৰ কিঙ্কৰ।
এই দণ্ড পাটে ৰাজা হুয়ো দামোদৰ॥
সঞি হাতে তোমাত সম্পিবো ৰাজ্যভাৰ।
নৃপতিগণৰ মুখে পৰোক চূণ-খাৰ॥
তোমাৰ চৰণে প্ৰভু মাগো এহিবৰ।
হেন শুনি হাসি কৃষ্ণে দিলন্ত উত্তৰ॥
যেহি মনে বাঞ্ছা তাকে কৰিয়ো নৃপতি।
শুনি উল্লসিল বিশ্বকেতু মহামতি॥

আতি কৌতুহলে ৰাজা তিল কুশ আনি।
মাধৱৰ হাতত উৎসৰ্গি দিলা পানী ॥
যত ধন ধান্য আছে মোৰ ৰাজ্যভাৰ।
আজি ধৰি তোমাৰেসে ভৈল অধিকাৰ ॥
এহি বুলি বহুৱাইলা সিংহাসন খাটে।
কৃষ্ণক পাতিলা ৰাজা সেই দণ্ড পাটে।
ধৱল ছত্ৰক আনি ধৰিলন্ত তুলি।
প্ৰজায়ে জোকাৰ পাৰে জয় কৃষ্ণ বুলি ॥
দ্বাৰকাৰ কৃষ্ণ কৌশাম্বীত ভৈল ৰাজা।
হেন কথা দশো দিশে ঘোষে সবে প্ৰজা ॥
বাৰে বাদ্য ভণ্ড ৰাজা ভৈলন্ত মাধৱ।
শুনিয়া স্বৰ্গত বৰ মিলল উৎসৱ ॥
দেৱতা সহিতে ইন্দ্ৰ আসিলা প্ৰত্যেক।
আপুনি কৰিলা মাধৱক অভিষেক ॥
সমস্ত দেৱৰ যত সম্পাতি আছিল।
সেই বেলা কৃষ্ণত সমস্তে সমৰ্পিল ॥
ৰাজ যোগ্য অলঙ্কাৰ দিলা নিৰন্তৰ।
মাধৱক পাতিলেক ত্ৰৈলোক্য ঈশ্বৰ ॥
আজি ধৰি গোবিন্দ ৰাজাধিৰাজ ভৈলা।
এহি বুলি পুৰন্দৰ নিজ থানে গৈলা ॥
বিদ্যাধৰে বাৰে অপস্বৰায়ে নাচয়।
কৃষ্ণৰ শিৰত পাৰিজাত সিঞ্চাৰয় ॥
বিশ্বকেতু নৃপতিয়ে প্ৰশংসিলা আতি।
কৌতুহলে মাধৱে বঞ্চিলা তৈত ৰাতি ॥
ৰজনী প্ৰভাত ভৈল হেন মনে জানি।
প্ৰভাতৰ কাৰ্য্য সঙ্কলিলা চক্ৰপাণি ॥
বেদনিধি সমন্বিতে আৰোহিলা ৰথ।
দাৰুকে ধৰিলা পাছে কুণ্ডিনৰ পথ ॥
বিশ্বকেতু নৃপতিও মহা কৌতুহলে।
অতি আড়ম্বৰে সাজি চতুৰঙ্গ দলে ॥

আগে পাছে মাধৱৰ ধৰিল যোগান।
বাৰে ঢাক ঢোল ভেৰী তৰল নিশান॥
চিহ্ন চৌড়া দণ্ডছত্ৰ ধৰিলেক তুলি।
আকাশ ঢাকিয়া গৈল কটকৰ ধূলি॥
হস্তী সৱ চিহৰয় মেঘে যেন গাজে।
ভয়ঙ্কৰ নাদে গজ ঘণ্টা সব বাজে॥
চতুৰ্ভিতি শুনি আতি ঘোড়াৰ হ্ৰেসনি।
দলদোপ পদাতি সকল যায় চানি॥
আগে পাছে অসংখ্যাত ৰথ যায় চলি।
এক ভিতি কৰি তৰু বন নেই দলি॥
অল্প নদী যতেক নামন্তে হোৱে পঙ্ক।
প্ৰজাৰ গিড়ত দশো দিশে লাগে ঢঙ্ক॥
হেন চমৎকাৰে চলি যান্ত দামোদৰ।
অনন্তৰে দেখিলন্ত কুণ্ডিন নগৰ॥
পাছে বেদনিধিক পাঞ্চিলা দেৱহৰি।
আপুনি ৰথৰ নামিয়োক শীঘ্ৰ কৰি॥
আমি আসিবাৰ ৰুক্মিণীত দিয়া জান।
নিৰাশা দেখিয়া জানো বাঞ্চে এৰে প্ৰাণ॥
কিছু চিন্তা নাহি বুলিবাহা বেদনিধি।
তান মনো ৰথ মানে আজি হৈব সিদ্ধি॥
হেন শুনি ৰথৰ নামিল দ্বিজবৰ।
আগ হুয়া বেদনিধি পশিলা নগৰ॥
সাধিলোহো সবে কাৰ্য্য বুলি ৰঙ্গ কৰি।
হৰিষতে মাটিত নেদন্তে যেন ভৰি॥
ব্ৰাহ্মণক আগ কৰি পঠাই হৃষীকেশ।
কুণ্ডিন নগৰী পাছে ভৈলন্ত প্ৰবেশ॥
শুনা সভাসদ ভাগৱত নিৰন্তৰ।
ৰুক্মিণী হৰণ কৃষ্ণ লীলা মনোহৰ॥
শুনন্তে সংসাৰ দুঃখ হোৱে উপশম।
কৃষ্ণক সুহৃদ পাই বোলা ৰাম ৰাম॥

## অনাদি-পাতন ।

পদ ।

জয় জগন্নাথ জগতৰ আদিমূল ।
যাহাক স্মৰণে হোৱে পাতক নির্ম্মূল ॥
যাৰ নাম নাৱে কৰে সংসাৰৰ পাৰ ।
হেনয় কৃষ্ণক কৰো কোটি নমস্কাৰ ॥
জয় জয় দৈৱকী নন্দন আদি দেৱ ।
ব্রহ্মা মহেশ্বৰে যাক পড়ি কৰে সেৱ ॥
মূৰুখ পণ্ডিত হোৱে যাৰ লৈয়া নাম ।
হেনয় কৃষ্ণক কৰো সহস্র প্রণাম ॥
জয় জয় ঈশ্বৰ কেশৱ সদাশিৱ ।
যাৰ মায়া পাশে বন্দি জগতৰ জীৱ ॥
মিলে মোক্ষ যাৰ নাম শ্রৱণ কীর্ত্তনে ।
কৰো প্রণিপাত হেন কৃষ্ণৰ চৰণে ॥
নমো দামোদৰ দেৱ জগত কাৰণ ।
ভকত অভয় দাতা সত্য সনাতন ॥
যাঁৰ কটাক্ষত হোৱে সৃষ্টি স্থিতি লয় ।
হেন কৃষ্ণ চৰণে ৰচিবো পদচয় ॥
কৃষ্ণ পদ পঙ্কজক ধৰি হৃদয়ত ।
গুৰুৰ চৰণ মন কৰি শিৰোগত ॥
সৃষ্টি-স্থিতি-লয় মাধৱৰ মোক্ষলীলা ।
কৃষ্ণৰ কিঙ্কৰ পদ শঙ্কৰে ৰচিলা ॥
মহা ভাগৱত পদ অমৃত সাক্ষাত ।
বামন পুৰাণ কিছু মিশ্রি দিলো তাত ॥
দুই কথা নিবন্ধিলো একত্রে মিশালে ।
মধু সমে দুগ্ধ যেন আতি স্বাদ বোলে ॥
শুনা সাৱধান মনে যত সভাসদ ।
তৃতীয় স্কন্ধৰ মহা ভাগৱত পদ ॥

যেন মতে ভৈলা ইটো অনাদি-পাতন।
শুনিয়োক আছে যাৰ মুকুতিক মন॥
শুকত পুচন্ত পৰীক্ষিত নৃপবৰ।
শুনিলো তৃতীয় স্কন্ধ তোমাৰ মুখৰ॥
যতেক শুনোহো শুনিবাক যায় মতি।
অমৃত পিৱন্তে যেন নধণ্ডে তৃপিতি॥
সম্প্ৰতি ছেদিয়ো ঋষি সংশয় মনৰ।
সৃষ্টিৰ মধ্যত এক পুৰুষ ঈশ্বৰ॥
কেৱলে থাকন্ত হৰি এক ব্ৰহ্মতত্ব।
কিমতে স্ৰজন্ত হৰি ইটো ত্ৰিজগত॥
এহি কথা শুনিবাক মোৰ যায় চিত্ত।
কহিয়োক ঋষি তুমি কৃষ্ণৰ চৰিত্ৰ॥
যেন মতে জগত স্ৰজন্ত নাৰায়ণ।
যি মতে স্ৰজন্ত ব্ৰহ্মা আদি দেৱগণ॥
যেন মতে সাতো স্বৰ্গ কৰন্ত নিৰ্ম্মাণ।
যেন মতে স্ৰজন্ত পাতাল সাতোখান॥
সপ্তদ্বীপা-বসুমতী সপত সাগৰ।
যি মতে স্ৰজন্ত নদী নদ সৰোবৰ॥
পশু পক্ষী বৃক্ষ লতা চৰাচৰ যত।
যি মতে স্ৰজন্ত মেৰু মন্দৰ-পৰ্ব্বত॥
যেন মতে ব্ৰহ্মাণ্ড কৰন্ত নিৰ্ম্মান।
কহিয়ো আমাত তুমি ঋষি সৰ্ব্বজান॥
কোনে ধৰি আছে সসাগৰা বসুমতী।
কি কাৰণে পৃথিবী নযায় অধোগতি॥
কিবা হেতু লড়ে ইটো পৃথিবী মণ্ডল।
ছেদিয়োক ঋষি তুমি সংশয় সকল॥
শুক নিগদতি ধন্য অভিমন্যু সুত।
যি কথা সুধিলা পাতকৰ যমদূত॥
সৃষ্টি-স্থিতি-লয় মাধৱৰ মোক্ষলীলা।
আপোনি তৰিলা তুমি লোককো তাৰিলা॥

কৃষ্ণৰ চৰণে তুমি পৰম ভকত ।
যদ্যপি জানিতে তোৱা আপুনি শকত ॥
তথাপিতো পুছিলা লোকৰ উপকাৰে ।
ইটো কথা শুনি ভনি তৰোক সংসাৰে ॥
নৃপতিক প্ৰসংশিয়া স্থিৰ কৰি মন ।
হৃদয়ত চিন্তিলন্ত কৃষ্ণৰ চৰণ ॥
জয় কৃষ্ণ জয় কৃষ্ণ মুখে উচ্চৰিলা ।
পুৰাতন কথা কহিবাক আৰম্ভিলা ॥
কহিবো নৃপতি সৃষ্টি লীলা কথা পাছে ।
শুনা যেন মতে বসুমতী ৰহি আছে ॥
পৃথিবীৰ অধে সাত পাতালৰ তলে ।
ব্ৰহ্মাণ্ডক বেঢ়িয়া কেৱলে আছে জলে ॥
কূৰ্ম্মৰূপে হৰি আছে জলৰ ওপৰে ।
পঞ্চাশ কোটি প্ৰহৰ বহল কলেৱৰে ॥
কূৰ্ম্মৰ ওপৰে সৰ্পৰূপে ভগৱন্ত ।
হাজাৰেক যুগ তাত আছন্ত অনন্ত ॥
সূৰ্য্য সম জ্বলে মহা ফণী মণি যত ।
শৃঙ্গ সমন্বিতে যেন ধৱল পৰ্ব্বত ॥
তাৰ আঠ ফণী আঠ দিশে গৈল বই ।
আছে আঠ দিগ্‌গজ ওপৰে তাৰ ৰই ॥
দ্বাদশ হাজাৰ প্ৰহৰৰ পন্থ কাই ।
দেৱাসুৰ নাগগণ পূজন্ত সদাই ॥
বলৰ দৰ্পত আতি মহালীলা কৰি ।
আঠো আঠ পৰ্ব্বত পিঠিত আছে ধৰি ॥
পৰ্ব্বতৰ ওপৰত সসাগৰা মহী ।
যেন চাঙ্গ খান আলাগতে আছে ৰহি ॥
যি দিশৰ দিগ্‌গজে লড়াৱে নিজকায় ।
সি দেশৰ পৰা জানা ভূমিকম্প যায় ॥
যেতিক্ষণে তোলে হামি কচ্ছপ অনন্ত ।
সাত খণ্ড মেৰু মহী মন্দৰ পৰ্য্যন্ত ॥

সাগৰ সহিতে সবে কৰে তল বল।
দেখিয়ো কৃষ্ণৰ ইটো যোগ মায়বল॥
কহিলো তোমাত পৃথিবীৰ স্থিতি কথা।
মহা প্ৰলয়ৰ আৰে শুনিয়ো ব্যৱস্থা॥
যেবে গৈল একাশত বৰিষ ব্ৰহ্মাৰ।
ৰুদ্ৰৰূপে কৰে হৰে জগত সংহাৰ॥
অধে ঊৰ্দ্ধে শৰীৰত নেদেখি প্ৰমাণ।
ভ্ৰুকুটি কুটিল মুখ দেখি হৰে প্ৰাণ॥
আউল জাউল জটাজুট হাতত ত্ৰিশূল।
ঘোৰ মূৰ্ত্তি ধৰি কৰে প্ৰজাক নিৰ্ম্মূল॥
কিল কিল কৰি হাসে লড়ে মুণ্ডমালী।
পৰ্ব্বতৰ শৃঙ্গ যেন দন্ত দুই পালী॥
সহস্ৰ সহস্ৰ,প্ৰজা মুখে ধৰি ডাটি।
মৰমৰি মুণ্ড চোবায়ন্ত দন্তে আতি॥
জঙ্কাৰন্ত মাথা স্বৰ্গবাসী যায় দূৰ।
চৰণৰ প্ৰহাৰে পৰ্ব্বত হোৱে চূৰ॥
ঘোৰ ৰিঙ্গ দিয়া দিগ্‌গজক খোঞ্চমাৰি।
ওপৰক তুলি নচুৱান্ত ত্ৰিপুৰাৰী॥
ৰুধিৰে দিগিধ দেহা কৰি ঘোৰ ধ্বনি।
তিনি গোটা চক্ষু যেন জ্বলন্ত অগনি॥
তেজে ঘোৰ আটাশ নিৰ্ঘাত যেন পৰে।
স্বৰ্গ মৰ্ত্ত্য পাতাল একত্ৰ হুয়া লড়ে॥
জগত সংহাৰে হৰে পৰম বিক্ৰম।
অন্তকৰো অন্তক যমৰো মহা যম॥
এহিমতে ৰুদ্ৰে কৰিলন্ত প্ৰজাক্ষয়।
শুনা আত পৰে যেন মিলিলা প্ৰলয়॥
বাড়য় বৰিষ মানে ভৈলা অনাবৃষ্টি।
নোপজয় শস্য প্ৰজা নষ্ট হোৱে সৃষ্টি॥
বাৰগোটা সূৰ্য্যতাপ কৰে একেবাৰে।
বহয় শোষক বায়ু হৃদয় বিদাৰে॥

সাগৰকো শুষিলা সূৰ্য্যৰ ৰশ্মিজালে।
জগত প্ৰলয় যায় গ্ৰাসি আসে কালে॥
বায়ু সূৰ্যে নিঃস্বত্ব কৰিলে সব বাজ।
অনন্ত মুখৰ পৰা অগ্নি ভৈলা বাজ॥
হাজাৰেক মুখে বিষ বহ্নি বাজ হুই।
পাতালক দহিয়া উৰ্দ্ধক উধাই জুই॥
সাতো পৃথিবীক বহ্নি লাগিলেক চানি।
পোড়ে সাতো স্বৰ্গ যেন জ্বলন্ত অগনি॥
ব্ৰহ্মাণ্ডক দহিলেক বাহিৰে ভিতৰে।
তপত লোহাক যেন দেখি নিৰন্তৰে॥
ৰক্তময় ব্ৰহ্মাণ্ড বহ্নিৰ পায়া চোট।
যেন দেখি দগ্ধ গোময় পিণ্ড গোট॥
জগতক দহি যেবে বহ্নি ভৈল শান্ত।
বাঢ়ই বৰিষ মেঘে বৰিষে একান্ত॥
দোৰ্ঘোৰ শবদে পৰৈ চোদিশে নিৰ্ঘাত।
মেঘৰ গৰ্জ্জনে ঘনে ঘনে বজ্ৰপাত॥
বৰিষয় শিলা সব পৰ্ব্বত আকাৰ।
কৰে মহাপ্ৰলয় প্ৰাণীৰ ক্ষয়ঙ্কাৰ॥
প্ৰমত্ত হস্তীৰ শুণ্ড যেন ধাৰা জল।
অবিচ্ছেদে পড়য় সংসাৰ যাই তল॥
দশো দিশ জুড়ি জল উৰ্দ্ধক উধাইল।
ব্ৰহ্মাণ্ড গোটক গৈয়া ক্ষণেকে বুৰাইল॥
অস্থিৰ তাপত চূৰ্ণীকৃত ভৈল অণ্ড।
জলতে মিলাইল সিটো মহামহী খণ্ড॥
অগণিত পৰিজল সমস্ত শুখাইল।
বায়ুতে পড়িয়া পাছে বহ্নিয়ো লুকাইল॥
মহা বায়ু লীন গৈল মহা আকাশত।
আকাশো পশিল অহঙ্কাৰৰ গৰ্ভত॥
মহত্ব তত্বত লীন গৈল অহঙ্কাৰ।
মহত্বো পশিল প্ৰকৃতিত পুনৰ্ব্বাৰ॥

মহা প্ৰকৃতিয়ো পুৰুষতে ভৈল লীন।
নথাকিল আন একো পুৰুষতো ভিন॥
নাহি জল নাহি স্থল নাহিকে আকাশ।
নাহি মহা বায়ু চন্দ্ৰ সূৰ্য্যৰ প্ৰকাশ॥
নাহি শীত উষ্ণ ঋতু নাহি ৰাত্ৰি দিন।
সমস্তে সংসাৰ গৈল ঈশ্বৰত লীন॥
প্ৰকৃতিৰো ঈশ্বৰ পুৰুষ স্বতন্তৰ।
নাহি যিটো ব্ৰহ্মাৰ বাহিৰ অভ্যন্তৰ॥
জগতৰ জীৱ উদৰতে দিয়া বাস।
কেৱল ঈশ্বৰ কৃষ্ণ কৰন্ত প্ৰকাশ॥
অনাদি অনন্ত যিটো ব্ৰহ্ম নিৰঞ্জন।
জ্ঞানময় আনন্দ ৰসত মগ্ন মন॥
নয়ন কমল মুদি যোগ-নিদ্ৰা চলে।
আপোনাকে চিন্তি মাত্ৰ আছন্ত কেৱলে॥
অনেক সহস্ৰ যুগ এহি মতে গৈল।
তুনাই ঈশ্বৰৰ সৃষ্টিক ইচ্ছা ভৈল॥
একশ্বৰে আছো আমি আদি নিৰঞ্জন।
সৃষ্টি নাহি আমাক যে নকৰে শোভন॥
চৈধ্যয় ভুবন উদৰতে দিলো ঠাই।
প্ৰকৃতি মায়াও আছে গৰ্ভতে লুকাই॥
জৰ হুয়া আছে কাৰো নাহিকে চেতন।
মই মাত্ৰ চৈতন্য পুৰুষ নিৰঞ্জন॥
একশ্বৰে থাকি আমি কৰো কোন কাজ।
শৰীৰৰ পৰা সবে জীৱ হৌক বাজ॥
মায়াৰ হাতত কৰাও জগত প্ৰকাশ।
কৰো সৃষ্টি লীলা আবে বিনোদ বিলাস॥
এহি বুলি মেলি পদ্ম নয়ন অনন্তে।
মায়াক কটাক্ষে চাহিলন্ত ভগৱন্তে॥
জৰ প্ৰকৃতিত কৰিলন্ত জীৱ দান।
অষ্ট গুণে তেজষোল গুণে ভৈল প্ৰাণ॥

সৃষ্টি কৰিবাক ঈশ্বৰৰ ইচ্ছা কাজ ।
পুৰুষৰ পৰা মহামায়া ভৈল ব্যক্ত ॥
অনাদি ৰূপিণী ঈশ্বৰৰ অৰ্দ্ধকায় ।
ব্যক্ত ভৈলা মহামায়া সৃষ্টিক ইচ্ছায় ॥
পৰমা সুন্দৰী নাৰী দিধা দেবী বেশ ।
কটাক্ষত মোহ যাই জগত নিঃশেষ ॥
কেয়ুৰ কঙ্কণ ৰত্নময় হেম হাৰ ।
কিৰীটি কুণ্ডলে অতি কৰে জাতিস্কাৰ ॥
ৰুণ ঝুণ কৰি বাজে পায়ত নূপুৰ ।
ৰূপ দেখি মদনৰ দৰ্প হোৱে চূৰ ॥
চাহিবাক নপাৰি দেৱীৰ মহা জ্যোতি ।
কোটি এক সূৰ্য্য যেন প্ৰকাশে প্ৰকৃতি ॥
প্ৰণিপাত পুৰুষক কৰিয়া সেৱলি ।
আগতে বিনাৱে মায়া কৰি কৃতাঞ্জলি ॥
কোন কৰ্ম্ম কৰো আৱে কৰিয়ো আদেশ ।
হেন শুনি হাসি বুলিলন্ত হৃষিকেশ ॥
শুনিয়ো প্ৰকৃতি একো গুণে নোহা হীন ।
তোমাৰে আমাৰে কিঞ্চিতেকো নাহি ভিন ॥
মোৰ নিজ শকতি সম্যকে দেখো প্ৰাণ ।
সত্বৰে কৰিয়ো মায়া জগত নিৰ্ম্মান ॥
তোমাক চেতাইলো আমি এই অভিপ্ৰায় ।
জানিয়োক ভালে তুমি মোৰ অৰ্দ্ধকায় ॥
তোমাৰে আমাৰে একো নাহি ভিন্নাভিন্ন ।
মোতে যাতে লীন যাহা এহি খানি হীন ॥
সত্বৰে কৰিয়ো মায়া জগত প্ৰকাশ ।
কৰো সৃষ্টি লীলা তাতে বিনোদ বিলাস ॥
হেন শুনি প্ৰকৃতি কৰিলা প্ৰণিপাত ।
সৃষ্টিৰ কাৰ্য্যক যত লাগিলা আমাত ॥
ঈশ্বৰ কটাক্ষে দেবী ভৈলা গৰ্ভৱতী ।
প্ৰকৃতিৰ পুত্ৰ ভৈলা মহত্ব উৎপতি ॥

মহত্ত্বৰো তিনি পুত্ৰ ভৈলা অনুপাম।
শুনিয়ো তিনিৰো কহো যাৰ যিবা নাম ॥
তিনি গুণে তিনি তত্ত্ব ভৈলা অৱতাৰ।
তামসিক ৰাজস সাত্ত্বিক অহঙ্কাৰ ॥
এহি তিনি পুত্ৰ তান জগতে প্ৰখ্যাত।
শুনা যাত হন্তে যিবা সৃষ্টি ভৈল জাত ॥
তামসত হন্তে শব্দ গুণৰ প্ৰকাশ।
শবদৰো পুত্ৰ ভৈলা নামত আকাশ ॥
আকাশৰ হন্তে পৰশৰ উতপতি।
পৰশৰ পুত্ৰ ভৈলা বায়ু মহামতি ॥
বায়ু হন্তে ৰূপ নামে পুত্ৰ অৱতাৰ।
ৰূপৰ তনয় ভৈল অগ্নি চমৎকাৰ ॥
অগনিৰ পুত্ৰ ভৈলা ৰস মহামতি।
ৰস গুণ হন্তে পাছে জল উতপতি ॥
জলে উতপতি ভৈলা গন্ধ গুণ নাম।
গন্ধ গুণ হন্তে বসুমতী অনুপাম ॥
পঞ্চ ভূত পঞ্চ গুণ কহিলোঁ ব্যৱস্থা।
আবে শুনা ৰাজসিক সাত্ত্বিকৰ কথা ॥
ৰাজসত হন্তে দশেন্দ্ৰিয় ভৈলা জাত।
দশৰক নাম ৰাজা কহিবো তোমাত ॥
চক্ষু কৰ্ণ নাসা মুখ চৰ্ম্ম জিহ্বা হাত।
পদ গুহ্য লিঙ্গ এহি দশৰো প্ৰখ্যাত ॥
আবে কহো শুনিয়োক সাত্ত্বিকৰ কথা।
যি দেৱতা ভৈল যি ইন্দ্ৰিয় অধিষ্ঠাতা ॥
সৃষ্টি কথা কহোঁ নকৰিবা আন চিত্ত।
ভিন্ন ভিন্ন কৰি কহোঁ শুনা পৰীক্ষিত ॥
সাত্ত্বিকত হন্তে দশ দেৱ উতপতি।
বায়ু বহ্নি বিষ্ণু ইন্দ্ৰ দিশ প্ৰজাপতি ॥
অশ্বিনী কুমাৰ মিত্ৰ আদিত্য বৰুণ।
এহি অধিষ্ঠাতা দশ দেৱ সত্ত্ব গুণ ॥

চক্ষু অধিষ্ঠাতা যে আদিত্য জ্যোতির্ম্ময় ।
কর্ণ অধিষ্ঠাতা দিশ জানিবা নিশ্চয় ॥
নাসিকাৰ অধিষ্ঠাতা অশ্বিনী কুমাৰ ।
বাক্য অধিষ্ঠাতা ভৈলা বহ্নি নাম যাৰ ॥
চর্ম্ম অধিষ্ঠাতা বায়ু ভৈলা সত্বগুণ ।
জিহ্বা অধিষ্ঠাতা যেবে ভৈলন্ত বৰুণ ॥
হস্ত অধিষ্ঠাতা ভৈলা ইন্দ্র সুৰপতি ।
পাদে বিষ্ণু গুহ্যে মিত্র লিঙ্গে প্রজাপতি ॥
হৃদয়ত থকি কৰে ভাল মন্দ কাম ।
একে মন চাৰি ৰূপ শুনা তাৰ নাম ॥
মন বুদ্ধি অহঙ্কাৰ আৰু নাম চিত্ত ।
ৰাম ৰাম বুলি সবে হুয়োক পৱিত্র ॥

---

## বলি ছলন ।

### পদ ।

শুক নিগদতি শুনিয়োক পৰীক্ষিত ।
ঋষিগণ সমে ব্রহ্মা মিলিলা তহিত ॥
নিয়োজিলা ব্রাহ্মনৰ যত জাতি ধর্ম্ম
কাশ্যপে কৰিলা তনয়ৰ জাত কর্ম্ম ॥
বিধি চাই ব্রহ্মায়ে কৰন্ত অনুষ্ঠান ।
সূর্য্য আসি আপুনি গায়ত্রী দিলা দান ॥
নৱগুণ দিলা দেৱ গুৰু বৃহস্পতি ।
অজীর্ণ উত্তৰি যোগাইলন্ত সৰস্বতী ॥
পিন্ধাইলন্ত কপীন দেৱৰ মাতা আনি ।
কাশ্যপে মেখলা বান্ধিলন্ত টানি টানি ॥
স্বৰ্গে আনি যোগাইল বিচিত্র ছত্র খণ্ড ।
সাদৰে দিলন্ত আনি চন্দ্রে ব্রহ্ম দণ্ড ॥

দিব্য কমণ্ডলু গোট ব্ৰহ্মা দিলা উঠি।
সপ্ত ঋষিগণে আনি দিলা কুশ মুঠি॥
গৌৰৰে যোগাইলা অক্ষ মালা ভগৱতী।
ভিক্ষা পাত্ৰ দিলন্ত কুবেৰ যক্ষ পতি॥
ভিক্ষা আনি দিলন্ত অম্বিকা বৰনাৰী।
ভৈলন্ত বামন বটু দিব ব্ৰহ্মচাৰী॥
প্ৰকাশন্ত বসি দিব্য ঋষিৰ সমাজে।
সূৰ্য্যৰ ৰশ্মিক ঢাকি শৰীৰ বিৰাজে॥
পূৰ্ণ চন্দ্ৰ সম শোভে সুন্দৰ বদন।
কনক কমল দল আয়ত লোচন॥
উন্নত নাসিকা দন্ত মুকুতাৰ সাৰি।
হাস্যতে মোহিত হোৱে যত দিব্য নাৰী॥
মনোহৰ কম্বুকণ্ঠ বহল হৃদয়।
নাভি সুগভীৰ যেন নব কিসলয়॥
আজানুলম্বিত দেখি বাহু দুই খান।
মোলানৰ পাৱ যেন বলিত সুঠান॥
বিচিত্ৰ বৰ্ত্তুল চাৰু উৰু ৰাম কল।
দেখি সুখী হুই দুই চৰণ কমল॥
প্ৰকাশন্তে আছে তাত নখ চন্দ্ৰচয়।
দৰশনে নষ্ট হোৱে ভকতৰ ভয়॥
শুদ্ধ সুবৰ্ণৰ বৰ্ণ প্ৰকাশে শৰীৰ।
মহা ধৈৰ্য্যৱন্ত ধীৰ স্বভাৱে গম্ভীৰ॥
নিত্য নিৰঞ্জন সৰ্ব্ব ব্যাপক স্বৰূপ।
ধৰিলন্ত কপট বামন দিব্য ৰূপ॥
অদিতিয়ো বামন পুত্ৰৰ দেখি মুখ।
পাসৰিলা দেৱতাগণৰ শোক দুঃখ॥
ব্ৰহ্ম ঋষিগণে আছে চৌপাশে উপাসি।
তাৰাৰ মধ্যত যেন পূৰ্ণিমাৰ শশী॥
সেহি বেলা বলি যজ্ঞ কৰে সমাপত।
নৰ্ম্মদা নদীৰ আসি উত্তৰ তীৰত॥

ত্ৰৈলোক্যৰ সম্ভাৰ কৰিয়া এক থান ।
পৰম আনন্দে দৈত্য পতি কৰে দান ॥
অসাশ্বত ধন জন অসাৰ সংসাৰ ।
এহি বুলি ৰাজা আৰ নৰাখে ভণ্ডাৰ ॥
জগতকে সন্তোষিলা মহাদান কৰি ।
অদৰিদ্ৰ ভৈল দুখী ভিক্ষু দেশান্তৰী ॥
মহাজ্ঞানৱন্ত বলি পৰম পণ্ডিত ।
সুৱৰ্ণৰ যুপে ভূমি কৰিলা মণ্ডিত ॥
সবাঙ্কৰে প্ৰৱন্ধে যজন্ত শুক্ৰ ঋষি ।
বলিৰ নিৰ্ম্মল যশ ভ্ৰমে দশোদিশি ॥
নটে ভাটে কীৰ্ত্তি কহি ফুৰে ঠাই ঠাই ।
বলিৰ সমান দানী ত্ৰৈলোক্যতে নাই ॥
সমস্তে প্ৰজাক ধৰ্ম্ম পথত স্থাপিল ।
পৃথিবী পাতাল স্বৰ্গ যশে বিয়াপিল ॥
যজ্ঞৰ কথাক পাছে শুনি নাৰায়ণ ।
ঋষিগণ সহিতে কৰিলা আলোচন ॥
যেই যিবা খোজে বলি তাকে দেই দান ।
আসা আমি শীঘ্ৰে গৈয়া দেখোঁ যজ্ঞস্থান ॥
বামনৰ বচনে উঠিলা সবে ঋষি ।
দেখি নাৰায়ণে গাৱ চালিলা হৰিষি ॥
মেলানি মাগিয়া পাছে মাতৃক প্ৰণামি ।
বলিৰ যজ্ঞক দেখিবাক যাওঁ আমি ॥
শুনি অদিতিৰ মনে মিলিল বিষাদ ।
ৰাত্ৰি দিনে দৈত্যে মোক নেড়ে বিসম্বাদ ॥
কেন মতে যাইবা পুতাই শত্ৰুৰ সমাজ ।
জানো কূটনাট কৰি মাৰে দৈত্যৰাজ ॥
সৰ্ব্ব গাৱ মৰি কৰঙ্গনে জলে বাতি ।
ত্ৰিদশৰ শোকে মোক পোড়ে দিনে ৰাতি ॥
দানৱৰ ভয়ত গৃহতে ধাতু উড়ে ।
তোকো হকুৱাওঁ যোনো সমূলঞ্চে বুৰে ॥

এহি বুলি দেৱ মাতা যুৰিলা ক্ৰন্দন।
কৈক গৈলি ইন্দ্ৰ পুতাই কুলৰ নন্দন॥
কোন স্থানে আছা আবে ভিক্ষা মাগি খাই।
খাবতো নখাই কেহো তোহোৰ বিলাই॥
হৰি হৰি শচী মাৰ পৰিলি দুঃখতে।
ইটো ঘোৰ নিকাৰত জীবি কেনমতে॥
ইটো চক্ষু তোমাসাৰ নেদেখিলো ভাল।
কোন বিধি লিখিলেক মোহোৰ কপালে॥
কৰন্ত বিলাপ এহিমতে মহাসতী।
বামনে প্ৰবোধ দেন্ত অনেক যুগুতি॥
এড়িয়ো সন্তাপ মাৰ মলচিয়ো মুখ।
চক্ৰাকাৰে ঘূৰে সংসাৰৰ সুখ দুঃখ॥
আপদ সম্পদ দুয়ো মিলে কৰ্ম্ম গতি।
দৈৱক বাধিবে কাৰ বাপৰ শকতি॥
হেন জানি মাৰ মন কৰিয়োক স্বস্থ।
গুচিবে বিপদ হুইবে সবে মনোৰথ॥
কত দেখি থাকিবোঁ তোমাৰ হৃদিখেদ।
কৰোঁ আজি সকলে দুঃখৰ পৰিছেদ॥
হেন জানা ত্ৰিদশৰ গুচিল দুৰ্গতি।
এহিসে কাৰ্য্যক লাগি মোৰ উতপতি॥
মই অগনিক কি কৰিবে দৈত্য তৃণে।
সিংহক জোঙ্কাইতে পাৰে কহিত হৰিণে॥
যাওঁ যজ্ঞশালাক দিয়োক অনুমতি।
হেন শুনি পাছে স্বস্থ ভৈলন্ত অদিতি॥
কৰাইলা সুতক যাত্ৰা শুভ ঘট পাতি।
দিয়াইলা উৰুলি কন্যাগণ অনাই মাতি॥
শিৰে দুৰ্ব্বাক্ষত দিলা আশীৰ্ব্বাদ পঢ়ি।
শুভক্ষণ বেলাত বামন গৈলা লড়ি॥
মধ্যাহ্নৰ সূৰ্য্য যেন দেহা কৰে জ্যোতি।
হাতে দিব্য কমণ্ডলু কান্ধে নৱ ছাতি॥

কটিত কপীন উড়ে অজীণ উত্তৰি।
ব্ৰহ্মঋষিগণে যান্ত চৌপাশে আবৰি॥
সিদ্ধগণে স্তুতি বোলে আকাশত থাকি।
বৰিষন্ত পুষ্প বামনৰ কায় ঢাকি॥
মন্দ সুগভীৰ মেঘে আকাশত গাজে।
দেৱ-বাদ্য যতেক আপুনি সবে বাজে॥
হেন সুমঙ্গলে চলি যান্ত হৃষিকেশ।
ধৰি অতি অদ্ভুত বালক বটু বেশ॥
স্বৰ্গ এড়ি পৃথিবীক পাইলা কতক্ষণে।
বোলা ৰাম ৰাম সমজ্যাৰ যত জনে॥

---

ঝুমুৰি।

কপট বামনে পাছে।
লড়ি যান্ত দিব্য কাছে॥
পৰম গম্ভীৰ ভাৰে।
কাম্পে ভূমি পাৰে পাৰে॥
অগনিৰ শিখা প্ৰায়।
শৰীৰ জলন্তে যায়॥
ঋষিগণে বেদ পঢ়ি।
চতুৰ্ভিতি যান্ত বেঢ়ি॥
মেঘে আকাশত থাকি।
ছায়া কৰি যান্ত ঢাকি॥
সমস্তে দেৱতা চয়ে।
মেঘত লুকাৰে ভয়ে॥
বামনৰ লগে যান্ত।
ভুমুকি মাৰিয়া চান্ত॥
হুয়োক বামন জয়।
খণ্ডোক আমাৰ ভয়॥

দেখি যত নৰনাৰী।
চাই থাকে সাৰি সাৰি॥
পৰম সুন্দৰ মুখ।
দৰশনে হৰে দুঃখ॥
আনন্দে লোতক জৰে।
নেত্রে যেন পান কৰে॥
দেখি ৰূপ বিপৰীত।
তাহাত মজয় চিত্ত॥
আন না পেখয়ে আখি।
বামনো প্রজাক দেখি॥
চলি যান্ত ধীৰে ধীৰে।
নৰ্ম্মদা নদীৰ তীৰে॥
দিব্য বটু ৰূপ ধৰি।
চলন্ত বামন হৰি॥
যেন অগনিৰ জ্বালা।
পাইলা গৈয়া যজ্ঞশালা॥
অনন্তৰে বলি ৰাজা।
যত আছে দৈত্য প্রজা॥
বামনক দেখিলন্ত।
উঠি সবে নিহালন্ত॥
যত পুৰোহিত ৰাশি।
বামনৰ ৰশ্মি আসি॥
নিষ্প্ৰভ কৰিল আতি।
সূৰ্য্য আগে যেন বাতি॥
সমস্তে নিস্তেজ প্রায়।
অন্যো অন্যে বোলে চায়॥
দেখা আসে কোন ঋষি।
জানিলোহোঁ বিমৰিষ॥
আসন্ত আদিত্য চলি।
চাহিবাক যজ্ঞ স্থলি॥

কেহো বোলে হুতাশন ।
আসি ভৈল উপসন্ন ॥
যোনো দান অভিলাসে ।
সনতকুমাৰ আসে ॥
কৰিবে নোৱাৰে স্থিৰ ।
বামনৰ পয়োভিৰ ॥
প্রতি পাৱে কম্পে ভূমি ।
উৰ্দ্ধমুখে ঝুমাঝুমি ॥
উঠি চাৱে সামৰাজ ।
যজ্ঞৰ এড়িয়া কাজ ॥
নমো হৰি কৰা দায়া ।
গুচোক সংসাৰ মায়া ॥
কৃষ্ণ কথা সৰ্ব্বক্ষণে ।
শুনিয়োক এক মনে ॥
ঝুমুৰি শঙ্কৰে ভণে ।
ৰাম বোলা ঘনে ঘনে ॥

---

পদ ।

শুক নিগদতি শুনিয়োক কথা পাছে ।
এহি মতে সমস্তে বিস্ময় হুয়া আছে ॥
অনন্তৰে কপট বামন বনমালী ।
ঋষি গণ সমে প্রবেশিলা যজ্ঞশালী ॥
কপীনৰ ভুনি আতি লোটয় মাটিত ।
কুশৰ মেখলা বান্ধি আছয় কটিত ॥
অজীণ উত্তৰী নৰগুণ জলে উৰে ।
বিচিত্র পিঙ্গট জটাজূট শোভে শিৰে ॥
এক হাতে আছে কমণ্ডলু ব্রহ্মদণ্ড ।
আৰ হাতে ধৰিয়া আছয় ছত্রদণ্ড ॥

ললিত বলিত অঙ্গ সৰ্ব্ব সুকুমাৰ।
শৰীৰৰ জ্যোতিক দেখন্তে চমৎকাৰ॥
যেন অগ্নি খণ্ড বাজ ভৈলা মূৰ্ত্তি ধৰি।
ঋত্বিজ আচাৰ্য্যে আগ বাঢ়িলা সাদৰি॥
বামনক দেখি বলি উত্ৰাৱল মন।
মাথাত কৰিয়া দিলা সুবৰ্ণ আসন॥
ৰাজাক আশংসি তাকে বসিলা মুৰাৰি।
আনো ঋষিগণক আসন দিলা পাৰি॥
বসিয়া পাতিলা পাছে বহল সমাজ।
বামনক দেখিয়া সানন্দ দৈত্যৰাজ॥
কৰ যোৰে প্ৰদক্ষিণ কৰি সাতবাৰ।
দণ্ডৱতে পৰিয়া কৰিলা নমস্কাৰ॥
উঠি পুনৰপি আপোনাৰ মেলি চুলি।
বামনৰ চৰণৰ মলচিলা ধূলি॥
সুবৰ্ণৰ পাত্ৰ যোগাইলন্ত বিন্ধ্যাৱলী।
বামনৰ পাদ পদ্ম পখালিলা বলি॥
ভৃঙ্গাৰ ধৰিয়া পটেশ্বৰী দেন্ত পানি।
অনেক ভকতি কৰিলন্ত দুয়ো প্ৰাণী॥
কৰিলা দৈত্যেন্দ্ৰ পাদোদকক সন্মান।
শিৰত ঢালিয়া ৰঙ্গে কৰিলন্ত স্নান॥
যিটো পাদোদক হৰে ধৰি আছে শিৰে।
সিটো জলে দৈত্যেন্দ্ৰে তিয়াইলা সশৰীৰে॥
কৃতকৃত্য হুয়া পাছে মহাৰাজ বলি।
বামনক নমিয়া কৰিলা কৃতাঞ্জলি॥
কুশলে কি ভৈল যজ্ঞশালাত প্ৰৱেশ।
কোন কৰ্ম্ম কৰোঁ আবে কৰিয়ো আদেশ॥
কি মতে কাঢ়িলা খোজ সুকোমল ভৰি।
কিবা আসি আছা সবে তপে মূৰ্ত্তি ধৰি॥
প্ৰাৰ্থিবাক আসি আছা জানিলোঁ ঈঙ্গিত।
যিবা লাগে বটু আবে খোজা ধন বিত্ত॥

স্নবৰ্ণ ৰজত আনো অমূল্য ৰতন।
মাগা দেওঁ বিশিষ্ট বিপ্ৰৰ কন্যাগণ॥
দাসী দাস গ্ৰাম্য দেশ ৰথ গজ বাজী।
যোক্‌না মানে দিবো মোৰ অঙ্গীকাৰ আজি॥
হেন শুনি কপট বামনে পাছে হাসি।
মাতন্ত বলিক চাই দশন প্ৰকাশি॥
ধন্য ধন্য কুলৰ প্ৰদীপ দৈত্যৰাজ।
ভৈলো মহা সন্তুষ্ট তোমাৰ দেখি কাজ॥
যাৰ পিতামহ ভৈল বৈষ্ণৱ প্ৰহ্লাদ।
একো কালে নাহি জানা তাহাৰ প্ৰমাদ॥
মহাজ্ঞানী শুক্ৰ ঋষি যাৰ পুৰোহিত।
তাৰ কি হুইবেক আৰ নিদিবাৰ চিত্ত॥
তোমাৰ বংশত নভৈলেক একোজন।
নিশৃক কুদাতা দুঃখী দৰিদ্ৰ কৃপণ॥
সবে মহাবড়া সৰ্ব্বকালে যাৰ স্নখ।
কদাচিতো মাগন্তাক নকৰে বিমুখ॥
উপৰি বংশৰ কথা শুনা বলি ৰাই।
হিৰণাক্ষ হিৰণ্যকশিপু দুই ভাই॥
স্বৰ্গত ভৈলন্ত ৰাজা ইন্দ্ৰক খেদাই।
হিৰণ্যাক্ষে ফুৰে পাছে পৃথিবী কম্পাই॥
কৰে গদা ধৰি যেন দিগ্‌গজ প্ৰবুধ।
সকলে পৃথিবী খুজি নপাইলেক যুদ্ধ॥
পাছে সাগৰত মাগিলেক যুদ্ধ দান।
দেখিয়া সাগৰ ভয়ে তৰেতৰিমান॥
দৈত্যক বোলন্ত তোক বলে নোহো সম।
বৰাহ স্বৰূপে হৰি তোৰ হৈবে যম॥
আনন্ত জলৰ হন্তে পৃথিবী উদ্ধৰি।
যুদ্ধ লাগে যেবে তাঙ্ক ধাৱ শীঘ্ৰ কৰি॥
হেন শুনি হিৰণ্যাক্ষে গদা গোট তুলি।
সাগৰক এড়ি ধাইল বৰাহক বুলি॥

বৰাহো ধাইলেক পাছে পৃথিবীক থৈই।
দেখি দৈত্য কোবেক বৈসাল গদা লই॥
বৰাহো দিলন্ত পাছে লাঠিৰ প্ৰহাৰ।
চৰণতে গাল কৰিলেক ভিণ্ডাকাৰ॥
দুইক দুই পাছে ধৰিলেক মাল বন্ধে।
কৰে জড়াজড়ি কৰি ভৰি ভৰি চান্দে॥
ঘাব ঘাব মাৰে কতো গোৰ ঘৰা কাতি।
প্ৰাণৰ শঙ্কট কতো দুইৰো মিলে আতি॥
আছাৰন্ত বৰাহে দৈত্যক কুহু বুলি।
দানৱে আছাৰে মহা বৰাহক তুলি॥
অনেক হাজাৰ যুগ নাহি ভঙ্গজয়।
দুইহানো যুদ্ধতে যাই জগতে প্ৰলয়॥
মহা ছোটে বৰাহে দেখন্ত কুঁৱাকুঁই।
সমুখে নোৱাৰি ধৰিলন্ত পাছ হুই॥
কঙ্কালত ধৰি তুলি পেলাইলা আক্ৰান্তে।
উপৰত উঠি ছিৰি পেলাইলেক দান্তে॥
হিৰণ্যাক্ষ বীৰক মাৰিয়া কথমপি।
জিনিলোহোঁ নোবোলয় বৰাহে অদ্যাপি॥
হিৰণ্যাক্ষ বীৰৰ মহিমা কি কহিবোঁ।
যাহাৰ প্ৰহাৰে হৰি বোলন্ত নিজীবোঁ॥
আজিয়ো দুঃখাই গাৱ মহা পীড়া পাই।
শুনা যেন কৰিলে তাহাৰ জেষ্ঠ ভাই॥
ভ্ৰাতৃ বধ শুনি পাছে হিৰণ্যকশিপু।
মাধৱত বিনে মোৰ আন নাহি ৰিপু॥
কৰে শূল ধৰিয়া অসুৰ মহাৰাগি।
দিলেক লৱড় পাছে বৈকুণ্ঠক লাগি॥
যুগান্তৰ যমে যেন ক্ৰোধে খেদি যাই।
অশেষ গৰ্জ্জন কৰি স্বৰ্গক কম্পাই॥
হেন দেখি হৰি পাছে চিন্তন্ত উপাই।
ইটো ঘোৰ দৈত্যে পাইলে মোৰ ৰক্ষা নাই॥

যেকে যেকে যাইবোঁ তেকে তেকে নিয়ে যদি ।
ইহাৰ হাতত নেড়াওঁ ব্ৰহ্মাণ্ডক ভেদি ॥
প্ৰাণীগণে নেড়াই যেন যমবাইৰ দায় ।
দৈত্যৰ হাতত মোৰ ভৈল সেহি প্ৰায় ॥
একোৱে প্ৰকাৰে আক নোৱাৰোহোঁ যুঝি ।
পলাইবাক লাগি আৰ ঠায়ো নপাওঁ খুজি ॥
পৰিলো নিশ্চয়ে মই দৈত্যৰ হাতত ।
এহি বুলি নাৰায়ণে গুণন্ত মনত ॥
কতো বেলি গুণিয়া উপায় পাইলা পাছে ।
পলাইবাৰ ঠাই মোৰ ওচৰতে আছে ॥
মায়া কৰি অসুৰৰ গৰ্ভতে লুকাওঁ ।
ইটো অসুৰৰ হাতে তেবেসে এড়াওঁ ॥
এহি বিমৰষি পাছে আথে বেথে হৰি ।
ভৈল অণু প্ৰমাণ তেখনে মায়া কৰি ॥
নাসিকাৰ পথে গৈয়া বায়ুৰ লগত ।
লুকায়া থাকিলা হিৰণ্যৰ হৃদয়ত ॥
হিৰণ্যকশিপু পাছে হাতে শূল ধৰি ।
বৈকুণ্ঠত বিচাৰিলা বিতবিত কৰি ॥
বিষ্ণুক নপায়া লাগ তেজিলা আটাশ ।
স্বৰ্গ মৰ্ত্ত্য পাতালত লাগিলা তৰাস ॥
ভূমিত পড়িল গৰ্ভিণীৰ গৰ্ভ খসি ।
বিচাৰিলা পাছে সাতোখান স্বৰ্গ পশি ॥
তৈতো যেবে মাধৱক নপাইলেক লাগ ।
সাতো পৃথিবীত বিচাৰিলা মহাভাগ ॥
বিষ্ণুক নপায়া পাছে দৈত্য বলীয়াৰ ।
সাতো পাতালক পাছে কৰিলা বিচাৰ ॥
পাতালত মাধৱক নপাইলন্ত ভেট ।
হিৰণ্যকশিপু গুণে মাথা কৰি হেঠ ॥
জল স্থল আকাশত বিচাৰিলোঁ ফুৰি ।
নপাইলোহোঁ লাগ কৈক গৈল ভ্ৰাতৃ বৈৰী ॥

কৈতো ঠাই নপাই জানো মাধৱ ডৰিল।
নিশ্চয় জানিলোঁ মোৰ ভয়তে মৰিল ॥
যেবে জীলহন্তে কেন নপাইলোহো লাগ।
মৰা মাধৱক লাগি এড়িলোহো ৰাগ।
যাৰে জীৱেমানে তাৰে কৰিবে কন্দল।
মৃত্যুকক হিংসা কৰিবাৰ কোন ফল ॥
এহি বুলি দৈত্যৰাজে নিবৰ্ত্তিলা পাছে।
হিৰণ্যকশিপু সম কোন বীৰ আছে ॥
কতেক কহিবোঁ তান মহিমা সম্বাদ।
যাৰ পুত্ৰ ভৈল মহা বৈষ্ণৱ প্ৰহ্লাদ ॥
কি কহিবোঁ প্ৰহ্লাদৰ মহা যশ ৰাশি।
যাক ৰক্ষা কৰিলা আপুনি হৰি আসি ॥
বাপ খলে মাৰিলেক অনেক বিগুতি।
প্ৰাণান্তিকো নেড়িলেক হৰিত ভকতি ॥
যাহাৰ নিৰ্ম্মল যশ জগত প্ৰখ্যাত।
তযু পিতা বিৰোচন তান্তে ভৈলা জাত ॥
মহাজ্ঞানী দেৱ দ্বিজ বিষ্ণুত ভকত।
যম সম পৰাক্ৰম বৈৰতো শকত ॥
যুদ্ধে নোৱাৰিয়া তাঙ্ক পাছে দেৱগণ।
ব্ৰাহ্মণৰ বেশে গৈয়া ভৈলা উপসন্ন ॥
ছলে সত্য কৰাই পাছে মাগিলন্ত প্ৰাণ।
বিৰোচনে সত্যত প্ৰাণক দিলে দান ॥
তাহান তনয় তুমি ধৰ্ম্মত নিপুন।
মোৰ মুখে তোমাৰ বৰ্ণাইবো কতগুণ ॥
যাৰ যশে দানে পুণ্যে ব্যাপিল সংসাৰ।
কুলৰ কমল ফুল বংশৰ উদ্ধাৰ ॥
তোমাত বিমুখ নভৈলেক একো প্ৰাণী।
দাতা বুলি তোমাকেসে জগতে বখানি ॥
দশোদিশে যশ ৰাশি কৰিয়া প্ৰকট।
দৌলৰ উপৰে যেন তুমি ভৈলা ঘট ॥

মোৰ প্ৰয়োজন আৰে শুনা বাক্য ভুমি।
মাগো মই দিয়া মোক তিনি পদ ভূমি॥
মোহোৰ ভৰিৰ জোখা কৰি দিয়া দান।
এতিসে প্ৰাৰ্থনা কৰোঁ নলাগয় আন॥
হেন শুনি হাসি বলি বুলিলা বচন।
কিনো অল্প বুদ্ধি তুমি ব্ৰাহ্মণ নন্দন॥
যতেক কহিলা মানে পণ্ডিতৰ মত।
আপোন কাৰ্য্যত কেনে বুদ্ধি কৈলা হত॥
মই সে ঈশ্বৰ মোত পৰে নাহি আন।
সাতো দ্বীপা পৃথিবী দিবাক পাৰো দান॥
প্ৰশংসা বচনে মোক আৰাধিয়া তুমি।
কিসক খুজিলা অল্প তিনি পদ ভূমি॥
যেন ভাগ্য ৰহিত দৰিদ্ৰ কোন জন।
কুবেৰক পায়া সিতো খোজে খুদকণ॥
বত্ন দ্বীপো পায়া যেন পাইলেক বিবুদ্ধি।
বালিক নাৰত তোলে বত্নক নুশুধি॥
সেহিমতে মোত তিনি পদ ভূমি খোজা।
যিবা দিয়ে যিবা লয়ে দুইৰো মহালজ্জা॥
একবাৰ মাগে মোক যিবা লাগ পাই।
কৰো অদৰিদ্ৰ আউৰ নমাগে দুনাই॥
আশা কৰি আইলা বটু মোহোৰ সমীপ।
প্ৰাৰ্থিয়োক দিওঁ মই ইটো সাত দ্বীপ॥
হেন শুনি হাস্য কৰি বদতি বামন।
অজিজ্ঞাসি বলি কেনে বুলিলা বচন॥
তিনিয়ো লোকত যত আছে ধান্য ধন।
যত দিব্য নাৰী আছে সুন্দৰী প্ৰধান॥
যত দিব্য ঘৰ বাড়ী বস্ত্ৰ অলঙ্কাৰ।
সবেয়ো নুপুৰে মন এক লুভীয়াৰ॥
পৃথু, গয় আদি কৰি ৰাজা অপৰ্য্যন্ত।
অৰ্থৰ তৃষ্ণাৰ কেহোঁ নপাইলেক অন্ত॥

সপ্ত দ্বীপা পৃথিবী কৰিলা অধিকাৰ।
তথাপি তৃষ্ণাৰ কেহোঁ নপাইলেক পাৰ॥
ইন্দ্রিয়ক দমি যিটো নকৰে আক্রোশ।
সি সি মহা সুখী যিটো অল্পতে সন্তোষ॥
অসন্তুষ্ট প্রাণীৰ নখণ্ডে মন দুঃখ।
ত্রৈলোক্যৰ লক্ষ্মী পাইলে নাহি তাৰ সুখ॥
যেহি পাৰে তাতে মহা তুষ্ট হোৱে মন।
তেবেসে বিপ্ৰৰ তেজ বাঢ়ে অনুক্ষণ॥
অসন্তোষে সমস্তে তেজক কৰে ঠাই।
যেন জল পড়ি অগ্নি নির্ব্বাণক পাই॥
হেন জানি ৰাজা মই এড়িলোঁ আক্রোশ।
তিনি পদ ভূমি পাইলে মোহোৰ সন্তোষ॥
এতেকে কৃতার্থ মোক নলাগয় আন।
প্রতিজ্ঞাক সাফলি সত্বৰে দিয়া দান॥
হেন শুনি হাসি বলি দিলন্ত উত্তৰ।
দৰিদ্রৰ মুখে কিবা আসিবে বিস্তৰ॥
সংসাৰৰ সুখত বঞ্চিত ভৈলা তুমি।
লৈয়োক বামন বটু তিনি পদ ভূমি॥
ডাকি বলি মহাদৈক বোলে জল আন।
সত্রিঃ হাতে উৎসর্গি বটুক দেওঁ দান॥
নুহিকন্ত বামন সাক্ষাতে দেৱ হৰি।
বামন স্বৰূপে আসি আছে ছদ্ম কৰি॥
এহি বুলি বলি তিল কুশ লৈলা তুলি।
শুক্রে নিষেধিলা অৰে ৰহ ৰহ বুলি॥
কাক দান দিবে চাস ভৈলি সর্ব্বনাশ।
কপটী বটুৰ বলি আটা নতু পাস॥
কশ্যপত হন্তে অদিতিত ভৈলা আসি।
দেৱৰ সাধিবে কার্য্য দৈত্যক বিনাশি॥
নজানি কৰিলি বলি দিবে অঙ্গীকাৰ।
আপুনি চিন্তিলি আপোনাৰ মহামাৰ॥

তোমাৰ ঐশ্বৰ্য্য যশ আয়ু শ্ৰীমান ।
আজি কাঢ়ি বামনে ইন্দ্ৰক দিবে দান ॥
ত্ৰৈলোক্য লৈবন্ত কাঢ়ি তিনি পদ ছলে ।
হেন জ্ঞান বলি তই গৈলি ৰসাতলে ॥
দানৱ কুলকো দিলি বিপদ দুৰ্ঘোৰ ।
খাইবে খুটিবাক কিছু নথাকিলে তোৰ ॥
সকলে সৰ্ব্বস্ব দিয়া বিষ্ণুক সম্প্ৰতি ।
জীবি কেন মতে তই কহ দৈত্যপতি ॥
তিনি পদ দান তোৰ নহৈবে সাফল ।
একভৰি জুৰিবে পৃথিবী ৰসাতল ॥
আৰু পদে স্বৰ্গক লঙ্ঘিবে লক্ষ্মীপতি ।
তৃতীয় পদৰ পাছে কেনে হৈব গতি ॥
তুষিয়া নেদেস যদি প্ৰতিশ্ৰুত দান ।
নিশ্চয়ে কহিলো তুইবে নৰকত থান ॥
যিবা দিবি তাহাৰো নপাইবি একো পুণ্য ।
কি কাম কৰিলি বলিৰাই মনে গুণ ॥
যিটো দান কৰন্তে বৃত্তিৰ হোৱে ছেদ ।
কিছু পুণ্য নাহি মিছা মাত্ৰ পাৱে খেদ ॥
জীবিকা থাকিলে পাই সবে সদ কৰ্ম্ম ।
প্ৰতিদিনে সিজে দান তপ যজ্ঞ ধৰ্ম্ম ॥
শুনিয়োক বলি যেন শাস্ত্ৰৰ বিহিত ।
পাঞ্চ ভাগ কৰি বিভাগিবে নিজ বিত্ত ॥
ধৰ্ম্ম অৰ্থ কাম যশ পুত্ৰৰ নিদানে ।
তেবেসে থাকিবে পাই সুখে সৰ্ব্ব স্থানে ॥
স্থৰতি বিবাহ প্ৰাণ শঙ্কটৰ ত্ৰাসে ।
গো ব্ৰাহ্মণৰ অৰ্থে সৰ্ব্বস্ব বিনাশে ॥
এতেকতে মিছা মাতিলেও নাহি পাপ ।
হেন জানি অঙ্গীকাৰ এড়া বলি বাপ ॥
আসিয়া আছন্ত হৰি ছলিবাক লাগি ।
ত্ৰৈলক্যক লৈবন্ত কপট কৰি মাগি ॥

নিদিবি বিষ্ণুক দান বলি হেন জানি।
কপটীক কপট কৰিলে নাহি হানি ॥
তই যেবে জাঁবে লাগে উপায় হেন গুণ।
আত্মাঘাত নকৰ মোহোৰ বুদ্ধি শুন ॥
নষ্ট নোক দৈত্যকুল নেদ হৃদিখেদ।
আমাসাক নামাৰ নকৰ আশাছেদ ॥
আগ পাছ চিনাই আনো বুলিলা বিস্তৰ।
চক্ষু পকাই শুক্রক চাহন্ত দামোদৰ ॥
নাই শ্রুতি শুক্রৰ নচান্ত মাথা তুলি।
যজমান নষ্ট ভৈল বুড়িল সমূলি ॥
শুনিয়োক এক মনে সবে সভাসদ।
পাতকৰ যম দূত ভাগৱত পদ ॥
ভণিলা শঙ্কৰে যাৰ বৈকুণ্ঠত কাম।
আন কথা এড়ি সবে বোলা ৰাম ৰাম ॥

---

## উদ্ধৱ সংবাদ।

### পদ।

শুক নিবদতি শুনিয়োক পৰীক্ষিত।
কেশৱৰ শুনি বাক্য বচন অমৃত ॥
ভৈলা অতি প্রীতি পাই গাৱত চেতন।
দুনাই উদ্ধত কথা সোধে গোপীগণ ॥
গোবিন্দৰ বাৰ্ত্তা কহ বান্ধৱ উদ্ধৱ।
মথুৰাত কুশলে কি আছন্ত মাধৱ ॥
চিৰকালে পাইলা পিতা মাতাৰ সমীপ।
অতি আনন্দিত যদুকুলৰ প্রদীপ ॥
যাদৱ বংশৰ বৈৰী কংস দুৰাচাৰ।
সসৈন্য মৰিল কিনো আনন্দ আমাৰ ॥

সম্প্ৰতি কৃতাৰ্থ ভৈলা কৃষ্ণ কৃপাময়।
তাক শুনি কৰে আতি আনন্দ হৃদয়॥
কেহোঁ গোপী বোলে মোত কহিয়ো উদ্ধৱ।
কৰিছিলা যিটো প্ৰীতি আমাত মাধৱ॥
মথুৰা নগৰি এবে যিটো প্ৰীতি দেখি।
কৃষ্ণক অৰ্চ্চন্ত স্নেহে কটাক্ষে নিৰখি॥
আউৰ গোপী বোলে সখী একো নজানস।
একে কৃষ্ণ জানন্ত বিশেষ ৰতিৰস॥
মথুৰা নগৰি সিটে শুনি মাত বোল।
হেন কি জানয় কৃষ্ণ নহিৱন্ত ভোল॥
কতো গোপী বোলে কাৰ্য্য নাই ই কথাত।
কৈয়ো যিবা সোধো সাধু উদ্ধৱ তোমাত॥
অভাগিনী কুলক্ষণী যেন গোপীঝাক।
পৰস্ত্ৰীৰ মধ্যে কিবা সোধন্ত আমাক॥
যেন যেন ক্ৰীড়া কেলি কৰিলা বনত।
সি কি কথা পৰে আউৰ কৃষ্ণৰ মনত॥
কহিয়ো উদ্ধৱ তুমি মুখ্য হৰি দাস।
কতো গোপী সোধে তেজি দীৰ্ঘ যে নিশ্বাস॥
কদাচিত কেশৱ স্মৰন্ত সিটো ৰাতি।
কুমুদ সুহৃদ চন্দ্ৰে সুশোভিত আতি॥
বাজে আতি চৰণে নূপুৰ রুণ ঝুন।
আমি বেড়ি গাইলো সেই গোবিন্দৰ গুণ॥
আমাৰ কণ্ঠত কৃষ্ণে ধৰি বাহু মেলি।
কৰিলন্ত যিটো বিপৰীত ৰাসকেলি॥
কেহোঁ বোলে ইটো বৃন্দাবনক স্মৰন্তে।
কৃপাময় ভকতৰ গতি ভগৱন্তে॥
আৰ কি দেখিবোঁ তাৰ অৰুণ চৰণ।
এহি বুলি তম্ভি থাকে বৰ্ণাই বচন॥
বহি যায় নেত্ৰৰ লোতক সৰসৰি।
কৃষ্ণ পদ পঙ্কজক থাকে মনে ধৰি॥

কেহোঁ গোপী বোলে কহ বান্ধৱ উদ্ধৱ।
ব্ৰজক আসিব আৰ প্ৰাণৰ বান্ধৱ॥
পৰি আছো আমি আতি বিৰহৰ জুই।
আমাক জীয়াইবা দুনাই কৃষ্ণ কৰে ছুই॥
জুড়াইবন্ত প্ৰাণ পুনু মধুৰ বচনে।
ইন্দ্ৰ যেন জীবন্ত বনক বৰিষণে॥
কতো গোপী বোলে সখি তইসে অবুদ্ধি।
উদ্ধৱক ই কথা কিসক লাগি সুধি॥
নাসিলেক পুৰিতলে কংস ৰাইক ডৰে।
গোকুলত তাতে সে বঞ্চিলা নন্দ ঘৰে॥
সিটো শত্ৰু মাৰি তান ৰাজ্যভাৰ পাই।
কিসক আসিব আৰ ঐক যদুৰাই॥
ভৈলা অতি প্ৰীতি পাই সুহৃদ বান্ধৱ।
অনেক ৰাজাৰ কন্যা বিহাইলা মাধৱ॥
আউৰ সিটো কৃষ্ণৰ আমাত কোন কাজ।
সুমৰিবে কিসক ব্ৰজক যদুৰাজ॥
কতো পৰমাৰ্থ গোপী বুলিলা উত্তৰ।
পূৰ্ণ কাম কৃষ্ণ জানা জগত ঈশ্বৰ॥
আমি বনবাসী এবে ৰাজ কন্যাগণ।
লক্ষীৰ স্বামীৰ তাত কিবা প্ৰয়োজন॥
কৃষ্ণক পাইবাৰ আশা নঘটে আমাত।
তথাপি আকুল চিত্ত কি কৰিবো আত॥
নাহিকে পৰম সুখ নিৰাশাত পৰ।
হেন শুনি আউৰ গোপী দিলন্ত উত্তৰ॥
নিৰাশা পৰম সুখ কহিছে পিঙ্গলা।
আক আমি ভাল জানো সব গোপবালা॥
তথাপি কৃষ্ণৰ আশা এৰন নযাই।
আউৰ গোপী বোলে সখি শুনা অভিপ্ৰাই॥
নাহিকে লক্ষ্মীত কিঞ্চিতেকো ইচ্ছা যাৰ।
নুগুচন্ত লক্ষ্মী দেবি তথাপি হিয়াৰ॥

যাৰ বশে সংসাৰক উচ্ছাদ সৰ্ব্বথা ।
হেনো নো কৃষ্ণৰ কোনে নুশুনিবে কথা ॥
আউৰ গোপী বোলে মোৰ শুনিও সম্মত ।
পাসৰি থাকন্তে দুখ নুগুচে মনত ॥
তথাপিতো পাসৰিবে কৃষ্ণক নপাই ।
সুমৰাই বৃন্দাবন দুনাই দুনাই ॥
এহিটো যমুনা নদী গিৰি গোবৰ্দ্ধন ।
আমাসমে এথাত ক্ৰিড়িলা নাৰায়ণ ॥
ইহাক দেখন্তে অতিশয় তনু তাৰে ।
পুনু পুনু কেশৱক মনে সুমৰাৰে ॥
গোধূলি প্ৰভাত শুনি বংশীৰ নিস্বান ।
ধেনু সব দেখি আতি ফুটি যায় প্ৰাণ ॥
আকে ছড়াই ফুৰিলন্ত ভকত বান্ধৱ ।
সুমৰন্তে দহে মন আমাৰ উদ্ধৱ ॥
খোজ সব পৰি আছে কৃষ্ণৰ ভৰিৰ ।
তাক দেখি দশগুণে দগধ শৰীৰ ॥
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে অলঙ্কৃত ।
সম্বৰণ নজাই আউৰ তাক দেখি চিত্ত ॥
তাঙ্ক লাগি তুমি সব যি মত আকুল ।
তোমাসাক লাগি কৃষ্ণ তেনয় ব্যাকুল ॥
ভকতৰ বশ্য হৰি জানিবা নিশ্চয় ।
তোমাসাৰ দুখে দুখী জানা কৃপাময় ॥
আপোনাত কৰি ভকতত দয়াবৰ ।
কৃষ্ণক অল্পতে পাইবা চিত্ত কৰা দৃঢ় ॥
কি কহিবো তোমাসাৰ ভাগ্যক সম্প্ৰতি ।
বিৰহতে এতমান সাধিলা ভকতি ॥
অনেক জনমে যাক যোগীয়ে নপাৰে ।
হেন মাধৱক সবে পূজা প্ৰেম ভাৰে ॥
এৰিলাহা পতি পুত্ৰ স্নেহ বিপৰীত ।
কৃষ্ণতে অৰ্পিলা নিৰন্তৰে প্ৰাণ চিত্ত ॥

মিলিলে সুভাগ্য ভৈলা বিধাতা প্ৰসন্ন।
হেন লাভ ভকতৰ দেখিলো চৰণ ॥
উদ্ধৱৰ প্ৰবোধে জুৰাইলা গোপীগণ।
এৰাই বিৰহ তাপ ভৈলা সুস্থ মন ॥
এহি গোটা বিষ্ণু এহি আতমা আমাৰ।
হেন বুলি উদ্ধৱক কৰিলে সৎকাৰ ॥
গন্ধ পুষ্প ধূপ দীপ নানা উপহাৰে।
পূজিলেক উদ্ধৱক অনেক সম্ভাৰে ॥
গোপীৰ গুচায়া ক্লেশ মুখ্য হৰিদাস।
ব্ৰজত বসিলা পাছে কতিপয় মাস ॥
লীলা কথা কৃষ্ণৰ কহিলা সৰ্ব্বদায়।
থাকিলন্ত গোকুলৰ আনন্দ বঢ়ায় ॥
ৰাতি দিনে গোপীগণে নেৰে সন্নিহিত।
আনন্দে উদ্ধৱে কন্ত কৃষ্ণৰ চৰিত ॥
যত দিন হৰিদাস আছিল ব্ৰজত।
ক্ষণ প্ৰায় গৈলা গোপী সবৰ মনত ॥
বৈষ্ণৱৰ আলাপত মোহ ভৈলা হীন।
কৃষ্ণৰ কথাত নজানিল ৰাতি দিন ॥
বিকসিত বৃন্দাবন গিৰি গোবৰ্দ্ধন।
কালিন্দী নদীক দেখি অতি অনুপাম ॥
সুমৰন্তে কৃষ্ণক ভ্ৰমন্তে হৰিদাস।
হৃদয়ত হন্ত হৰি চৰণ প্ৰকাশ ॥
আনন্দে গোপীকা গণে কৃষ্ণ গুণ গাৱে।
ঝৰে নয়নৰ নীৰ অতি প্ৰেম ভাৱে ॥
পুলকিত তনু কতো মকমকি কান্দে।
হেৰা পাইলোঁ বুলি কৃষ্ণ কতো গলে বান্ধে ॥
কৃষ্ণ গ্ৰাহে ধৰে কতো গোপীৰ হৃদয়।
তবধ নয়নে থাকে দেখি কৃষ্ণময় ॥
কৃষ্ণ কৃষ্ণ বুলি কতো কৃষ্ণক সুমৰে।
মই কৃষ্ণ বুলি কতো কৃষ্ণ লীলা কৰে ॥

কতো গোপী কৃষ্ণৰ চৰণ মনে ছুই ।
পৰি আছে নিৰ্ভয় আনন্দ মৌন হুই ॥
ধাৰায়ে বহয় নয়নৰ নীৰ ঝৰি ।
আনন্দ মূৰ্ত্তিক হৃদয়ত থাকে ধৰি ॥
পৰম ভক্তিত সৰ্ব্ব তনু পুলকিত ।
কৃষ্ণতে অৰ্পিলা নিৰন্তৰে প্ৰাণচিত ॥
কৃষ্ণকেসে লাগিয়া বিহ্বল কৰে মন ।
নাহিকে কাহাৰো সিটো গাৱত চেতন ॥
গোপী সকলৰ হেন ভকতি উত্তম ।
দেখিয়া উদ্ধৱে পাইলা প্ৰীতিক পৰম ॥
প্ৰত্যেকে যে পৰি কৰিলন্ত নমস্কাৰ ।
পৰম বিস্ময়ে প্ৰসংশিলা বাৰে বাৰ ॥
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সভাসদ ।
জানা হৰি ভকতিসে পৰম সম্পদ ॥
ইন্দ্ৰ ব্ৰহ্মা পদতো কালৰ নেৰাই হাত ।
হৰি ভকতিসে তৰি যম যাতনাত ॥
মায়াৰ ৰচনা পুত্ৰ দাৰা ধন জন ।
সব পৰি হৰি ধৰা কৃষ্ণৰ চৰণ ॥
কেতিক্ষণে মিলে আসি দুৰ্ঘোৰ মৰণ ।
হৰি গুণ নাম কৰা শ্ৰৱন কীৰ্ত্তন ॥
কলি যুগে আউৰ আত পৰে গতি নাই ।
বুঝিয়ো শাস্ত্ৰৰ মৰ্ম্ম যুগ ধৰ্ম্ম চাই ॥
জানিবা কলিসে চাৰিযুগ মধ্যে সাৰ ।
শ্ৰৱণ কীৰ্ত্তনে তৰা দুৰ্ঘোৰ সংসাৰ ॥
সত্যাদিৰ লোক কৰে মনত বাঞ্ছিত ।
কৈসানি নো জন্ম আমি লভিবো কলিত ॥
হৰি গুণ নাম কৰি শ্ৰৱণ কীৰ্ত্তন ।
অৱশ্যে হৈবোহো ভাই হৰি পৰায়ন ॥
হেন কলি যুগত দুৰ্লভ নৰতনু ।
এক কোটি কল্প অনন্তৰে নপাই পুনু ॥

কৃষ্ণৰ কৃপাত আসি লভিলা সম্প্ৰতি।
জানিয়া কৃষ্ণত কৰা একান্ত ভকতি॥
পৰম বান্ধৱ মাধৱৰ নাম গুণ।
শ্ৰৱণ মাত্ৰকে পাই জগতৰ পুণ্য॥
পাপে আসি বেড়য় এৰিলে হৰিনাম।
হেন জানি সদায় ঘুষিও ৰাম ৰাম॥

---

ছবি।

পৰম ভকত গোপী, সবাকো প্ৰণামি পাছে,
বখানন্ত উদ্ধৱ মহন্ত।
এহিসে গোপীকাগণ, সম্ফল ধৰিলা জন্ম,
দুৰ্লভ ভাৰতবৰিষত॥
জগতেৰ অন্তৰ্য্যামী, ঈশ্বৰ পুৰুষ হৰি,
চৰাচৰে সেৱে যাৰ পাৱ।
ইটো গোপ বন্ধু গণে, তাহান্ত একান্ত মনে,
পাইলেক পৰম প্ৰেম ভাৱ॥
এহিটো ভকত বাঞ্ছো, যতেক ভকত আমি,
আন যত জীৱন্ত মুকুত।
ব্ৰহ্মাৰ দুৰ্লভ ভাৱ, ইটো গোপীগণে পাইলা,
কিনো ভৈলা পৰম অদ্ভুত॥
জানিলো ব্ৰাহ্মণ জন্ম, হৈবেক নলাগে তাৰ,
যিটো কৃষ্ণ কথাত ৰসিক।
যৈতে তৈতে হোক জন্ম, সি সি জন সৰ্ব্বোত্তম,
যাৰ শ্ৰদ্ধা হৰি ভকতিক॥
জাতি কুলাচাৰ ধৰ্ম্ম, কোন কাৰ্য্য সাধিবেক,
জ্ঞানে কেন কাৰ্য্যত শকত।
অজ্ঞানী অজাতি পাপী, কৃষ্ণক ভজোক যিবা,
তাৰ হৈব পৰম মহত্ব॥

একে গোপী স্ত্ৰী জাতি, আৰু ব্যভিচাৰী অতি,
সদায় বনত ভ্ৰমে মাত্ৰ ।
আশ্চৰ্য্য দেখোঁহোঁ কিনো, এসম্বো কৃষ্ণৰ পুন্ন,
পৰম ভক্তিৰ ভৈলা পাত্ৰ ॥
জানিলো পাপীও নিতে, ভজোক একান্ত চিত্তে,
শ্ৰৱণ কীৰ্ত্তন অনুক্ষণে ।
এতেকতে পাৰে পাৰ, পৰম কল্যাণ তাৰ,
সাক্ষাত সাধন্ত নাৰায়ণে ॥
কৃষ্ণৰ ভকতি অাতি, নচাৰে আচাৰ জাতি,
জগতৰে মহা হিতকৰ ।
যেন অমৃতক পাইলে, যেই সেই মতে খাইলে,
সবে হয় অজৰ অমৰ ॥
ৰাস-ক্ৰীড়া উৎসৱ, কৃষ্ণ দেৱ আনন্দত,
কণ্ঠত ধৰন্ত বাহু মেলি ।
অত্যন্ত অপূৰ্ব্ব যিটো, প্ৰসাদ পাইলেক গোপী,
কেশৰে কৰন্ত ৰাসকেলী ॥
পৰম পদ্মিনী যত, দেৱৰো সুন্দৰী সৱ,
কটাক্ষ চক্ষুৰে নতুদেখে ।
বক্ষঃস্থলে থাকি লক্ষ্মী, নপান্ত প্ৰসাদ সিটো,
সামান্য নাৰীক কোনে লেখে ॥
আছোক গোপীৰ ভাগ্য, কতেক বৰ্ণাইবো মুখে,
মোহোৰ বাঞ্ছনি এহিমানে ।
গোপীৰ চৰণ ৰেণু, যিতো কুলৰন্তে পাৰে,
এহি মহা বৃন্দাবন স্থানে ॥
ইহাৰ মাজত মজি, একত্ৰয় হও যেবে,
তেৱেতো মোহোৰ বৰ ভাগ ।
পৰম ভকত ইটো, গোপ বধূ সমস্তৰ,
সদাই ধূলিক পাইবো লাগ ॥

ইটো গোপী তেজিলেক, দুস্তেজ্য স্বজনা বহু,
আৰু একো ধৰ্ম্মক নচাৰে।
এৰি আন মনোৰথ, কৃষ্ণৰ ভকতি পথ,
ধৰিলেক মহা শুদ্ধ ভাৱে॥
যাহাক চাৰিয়ো বেদে, বিচাৰন্ত অবিচ্ছেদে,
তথাপিতো নতু পাৱে লাগ।
হেন প্ৰেম ভকতিত, সদায় মজিলা চিত্ত,
এসম্বাৰ কিনো ভৈলা ভাগ॥
যিটো কৃষ্ণ চৰণক, মহা যোগেশ্বৰো সব,
মনেও নপান্ত পূজি যাক।
লক্ষ্মী দেৱী কোলে ধৰি, অনেক ভকতি কৰি,
সদায় মৰ্দ্দন্ত হাতে তাক॥
ৰাসক্ৰীড়া উৎসৱত, হেন পদ পঙ্কজত,
গোপী সবে অৰ্পিয়া মনত।
এৰাইলেক তাপচয়, ভৈলা মহা মহোদয়,
কি কহিবোঁ ভাগ্যৰ মহত্ত্ব॥
তাসম্বাৰ মহিমাক, স্মৰন্তে উদ্ধৱৰ,
মনত আনন্দ গৈলা চৰি।
কৃতাঞ্জলি কৰি হৰি, দাস বুলিবাক লৈলা,
দণ্ডৱতে পৃথিবীত পৰি॥
নন্দৰ ব্ৰজৰ স্ত্ৰীৰ, চৰণ ৰেণুক হেৰা,
কৰো মই সদায় বন্দন।
যাৰ হৰি গুণ গীতে, পৱিত্ৰ কৰিলা নিতে,
নিস্তাৰিলা ই তিনি ভুবন॥

———

## হৰিশ্চন্দ্ৰ উপাখ্যান ।

পদ ।

জৈমিনিৰ আগে পক্ষীগণ নিগদতি ।
ঋষিক যাইবাৰ দেখি উঠিলা নৃপতি ॥
শৈব্যায়ো বসিলা কুমৰক কোলে ধৰি ।
চিন্তন্ত বসিয়া ৰাজা ঋষিক সুমৰি ॥
আজি ঋষি শাপত সবংশে যাইবো তল ।
কৈক যাইবো কি কৰিবো হৃদয় বিকল ॥
শুণি একো কৰিবাক নোৱাৰন্ত থিৰ ।
দেখি মহাদই ভুনাই বোলে ধীৰ ধীৰ ॥
এভো হেন কৰা প্ৰভু মোৰ বাক্য ধৰা ।
শাপ অগনিত পৰি বিপাঙ্গে নমৰা ॥
মোক বিকিয়োক হিয়া কৰিয়োক থিৰ ।
দক্ষিণাক শুদ্ধি হাত এড়ায়ো ঋষিৰ ॥
হেন শুনি ৰাজা আতি ভৈলন্ত বিতত ।
কাদন্তে লোতক নাসে যেন কাষ্ঠৰত ॥
শৈব্যাক বোলন্ত বান্ধৈ কৰা মোৰ বাক ।
পৰম নিৰ্দ্দয় হুয়া বিকিবো তোমাক ॥
মহাক্ৰুৰ পাপীজনো নাচৰে ইয়াক ।
তাহাত অধম হৈয়া বিকিবো তোমাক ॥
কেন মতে কণ্ঠৰ বজাইবো হেন বাণী ।
হেন বুলি তৈৰ উঠি গৈলা তিনি প্ৰাণী ॥
ভাৰ্য্যায়ে সহিতে গৈলা নগৰৰ মাজে ।
বেঢ়ি বেঢ়ি তাসম্বাক সোধে সামৰাজে ॥
কোন দেশী তোমৰা উত্তম তিনি প্ৰাণী ।
কুমৰক দেখি দুগ্ধ লাড়ু দেই আনি ॥
নৃপতি বোলন্ত শুনা নগৰীয়া লোক ।
পৰম ঘাতুক মই নুশুধিবা মোক ॥

ৰাক্ষস পিশাচ যত সবাতো অধম।
পৃথিবীত মহাপাপী নাহি মোৰ সম॥
ভাৰ্য্যাক বিকিবে আসি আছো আগবাঢ়ি।
আহাৰ নিমিত্তে প্ৰাণ যান্তে আছো ছাৰি॥
দাসী ভাৱে লৱা যেবে আছে প্ৰয়োজন।
ঝান্তে বোলা যেবে মোত আছয় চেতন॥
এক বৃদ্ধ ব্ৰাহ্মণ আসিল হেন শুনি।
জকমক দশন মাটিত লাগে ভুণি॥
চৰাচৰ ফোঁট জকমক কৰে কেশ।
অতি বৃদ্ধ ব্ৰাহ্মণ চলন্তে লাস বেশ॥
গাৱ ভৰি হাত সিটো আচাৰন্তে আসি।
নৃপতিক বোলন্ত বিকস কোন দাসী॥
মই লইবো কিনি দাসী যত লাগে ধন।
কত পাইলে দিবি কহ স্বৰূপ বচন॥
নগৰৰ দ্ৰব্য আমি গ্ৰাহক কৰাওঁ।
নানাবিধ বস্তু যত ঘৰে বসি পাওঁ॥
দুখ পাইবে লাগি কিছু নকৰিয়ো শঙ্কা।
ঘৰত পড়িয়া আছে লক্ষ কোটি টঙ্কা॥
একেখানি ভাৰ্য্যা মোৰ অতি সুকুমাৰী।
প্ৰাণ সম আমাৰ প্ৰথম বিহা-নাৰী॥
কৰ্ম্ম কৰিবাক নেদো দুখ পাইবে ডৰে।
পানী আনি আপুনি ৰন্ধন কৰো ঘৰে॥
তোৰ ভাৰ্য্যা দেখো এই স্বভাৱে সুথিৰ।
কৰ্ম্মত কুশল হৈবে সুদৃঢ় শৰীৰ॥
এইক দাসী পাইলে ভাল পাইবে ব্ৰাহ্মণী।
যেন লাগে লইবি ধন মই নিবো কিনি॥
ব্ৰাহ্মণৰ শুনি বজ্ৰ সমান বচন।
মহাদুখে নৃপতিৰ বিদাৰিলা মন॥
মাতিবাক নপাৰিয়া ৰাজা সেই টালে।
গোৰ কটা গাছ যেন পড়িল নিঢালে॥

উঠি কিবা লইবি বুলি ব্ৰাহ্মণে মাতন্ত ।
অচেতন ভৈল ৰাজা নেদন্ত সিদ্ধান্ত ॥
কণ্ঠৰ নোলাই মাত বিহ্বল পৰাই ।
তৰধ নয়নে ৰাজা থাকিলন্ত চাই ॥
তেন দেখি দ্বিজৰ কুপিত ভৈল মন ।
আপোন গাত্তিৰ শোলকাই আনে ধন ॥
ৰাজাৰ গাৰৰ বাকলিত বান্ধি থৈলা ।
উঠ অৱে দাসী বুলি মাতিবাক লৈলা ॥
শৈব্যায়ে বোলন্ত বৈয়ো খানিতেক লাগি ।
স্বামীক মাতিয়া যাওঁ ই জন্মক লাগি ॥
প্ৰাণনাথ এবে দেখা দেখি আজি যাই ।
পৰিচ্ছেদা কৰি খানিতেক থাকো চাই ॥
হেন শুনি খঙ্গাইলে ব্ৰাহ্মণ অহঙ্কাৰী ।
কোলাৰ শিশুক ধৰি লৈ যান্ত আজুৰি ॥
কৈৰ স্বামী পাইলি বুলি কিল মাৰে ধৰি ।
বাম হাতে চুলে ধৰি লৈ যান্ত আজুৰি ॥
মহাদই বোলে গুৰু এৰা এৰা মোক ।
চক্ষু গোট মেলি চাওঁ ৰোহিতাশ্ব পোক ॥
মাৱৰ পুত্ৰৰ দেখা দেখি আজি যাই ।
চাওঁ মই নেত্ৰ ভৰি স্নেহৰ পুতাই ॥
ভৈলা কুলক্ষণী আজি ব্ৰাহ্মণৰ দাসী ।
তই ৰাজকুমৰ নুছুবি মোক আসি ॥
এহি বুলি আৰ্ত্তৰাৱে কৰন্ত ক্ৰন্দন ।
মাৱৰ বচন শুনি ৰাজাৰ নন্দন ॥
মাৱ মাৱ বুলি খেদি গৈলা পুত্ৰখানি ।
দেখি বৃদ্ধ ব্ৰাহ্মণে মাৰিলে লাঠি হানি ॥
আইস বুলি তথাপি চাপিল আসি পাশ ।
মাৱক সাবটি ধৰি পাৰন্ত আটাস ॥
হেন দেখি মহাদই কৰন্ত কাতৰ ।
নমাৰা নমাৰা গুৰু মৰিবে কুমৰ ॥

চৰণত ধৰো গুৰু হুয়োক প্ৰসন্ন।
কুমৰকো কিনি লৈয়ো দিয়ো কিছু ধন ॥
কৰ্ম্ম কৰিবাক নোৱাৰিবো পুত্ৰ বিনা।
সন্তাপতে মৰিবো মিছাতে মোক কিনা ॥
হেন জানি মাৱ পুত্ৰ একেলগে কিনা।
নোৱাৰো ৰাখিবে প্ৰাণ ৰোহিতাশ্ব বিনা ॥
হেন শুনি ব্ৰাহ্মণৰ পালটিল মন।
ৰাজাক বোলন্ত লোৱা পুত্ৰ বিকি ধন ॥
যাই লগ লাগি পাশ নেৰয় মাৱৰ।
ধৰ্ম্ম ব্যৱহাৰে ধন পাস দুইহন্তৰ ॥
এহি বুলি দুইৰ ধন কৰি এক ঠাই।
বাকলি বস্ত্ৰত নিয়া বান্ধিল দঢ়াই ॥
মাৱ পুত্ৰ দুইক নেই এক ঠাইতে বান্ধি।
পাছত কোবান্ত দ্বিজে দুয়ো যান্ত কান্দি ॥
কতি হৈয়া পড়িয়া আছন্ত ৰাজা চাই।
আগত বান্ধিয়া ভাৰ্য্যা পুত্ৰ লৈয়া যাই ॥
কৰন্ত ক্ৰন্দন পৃথিবীত পৰে লুটি।
কিবা চাই আছো প্ৰাণ কেনে নযাই ফুটি ॥
হা পুত্ৰ ভাৰ্য্যা বুলি হিয়ে হানে মুঠি।
ঢাত ঢাত মাটিত পৰন্ত উঠি উঠি ॥
হৃদয়ৰ মাংস কাটি কোনে লৈয়া যায়।
কৰন্ত ক্ৰন্দন তাসম্বাক চাই চাই ॥
হৰি হৰি পুত্ৰ সূৰ্য্যবংশে ভৈলা জাত।
সুকোমল শৰীৰ সুন্দৰ ভৰি হাত ॥
তয়ো গৈলি বিক্ৰয় জীৱন ধিক ধিক।
আউৰ কিবা দেখিয়াছো প্ৰাণ নজাই কিক ॥
হা প্ৰাণেশ্বৰী হা হা ৰোহিতাশ্ব পুত্ৰ।
তোমাসাক বান্ধি নেই কৈৰ যমদূত ॥
হেনয় অৱস্থা ভৈল মোৰ কৰ্ম্ম ফলে।
জীৱো কিক লাগি আবে যাওঁ ৰসাতলে ॥

এহিমতে কান্দি কান্দি ৰাজা আছে চাই ।
মহাদেক পুত্ৰ সমে দুইকো লইয়া যাই ॥
বৃক্ষ গৃহ আসম্ভাৰ আঁৰ যেবে ভৈলা ।
দুনাই পৃথিবীত পৰি মূৰ্চ্ছাগত ভৈলা ॥
সেহি সময়ত বিশ্বামিত্ৰ পাইল আসি ।
উঠ উঠ ৰাজা বুলি দিলন্ত উকাশি ॥
কিবা ধন পায়া আছা দিয়োক সম্প্ৰতি ।
শুনি চকমক কৰি উঠিলা নৃপতি ॥
ভাৰ্য্যা পুত্ৰ বিকি ধন পায়া আছে যত ।
তুপলি মেলিয়া দিলে ঋষিৰ হাতত ॥
অল্প ধন দেখি ঋষি সন্তোষ নভৈল ।
শীঘ্ৰ উঠি নৃপতিক বুলিবে লাগিল ॥
শুন অৰে পাপীষ্ঠ অধম কুলাঙ্গাৰ ।
এহি মানে অনুৰূপ দক্ষিণা আমাৰ ॥
ঋষি হেন বুলি তই আমাক নগণি ।
ক্ষুধাতুৰ জনে যাচ ভাতৰ পোতনি ॥
এহি ধন পাই তোক কৰিবোহো ক্ষমা ।
আজি মোৰ দেখ কেন তপৰ মহিমা ॥
লৈয়ো তেবে দেখ তেবে মোৰ ব্ৰহ্মবল ।
ঘোৰ চণ্ড শাপে সবে বংশ যাইবি তল ॥
হেন শুনি হৰিশ্চন্দ্ৰ তৰতৰি মনে ।
ভাৰ্য্যা পুত্ৰ বিকিধন পাইলো এহি মানে ॥
দিবে আৰু কিছু মোৰ নাহিকে সম্পত্তি ।
এতিক্ষণে ইতো ধন লৈয়ো মহামতি ॥
বিশ্বামিত্ৰে বোলে আৰু নকৰিবা হেলা ।
এভো আছে দিবসৰ প্ৰহৰেক বেলা ॥
এয়ো বেলি খানি থাকিবোঁহো বাট চাই ।
আৰু কিছু নবকিবি মোক মহাৰাই ॥
এহি বুলি কপিঙ্গত বান্ধি লৈলা ধন ।
কোপ মনে বিশ্বামিত্ৰ কৰিলা গমন ॥

চিন্তা ভয়ে ৰাজাৰ দগধ ভৈল মন।
শ্ৰুতি জ্ঞান নাই আৰ হৰিল চেতন ॥
দুখৰ উপৰি দুখ পাইলা মহাৰাই।
শৰীৰত মহাচিন্তা অগনি উধাই ॥
নেদেখো উপায় আৰু আবেসে মৰণ।
বিশ্বামিত্ৰ সাগৰত নভৈল তৰণ ॥
গুণি গাঠি আন একো নেদেখো প্ৰকাৰ।
আপোনাক বিকি সুজোঁ আপোনাৰ ধাৰ ॥
এহিমতে কতোক্ষণ দঢ়াই আপোনাক।
অধোমুখ হৈয়া ৰাজা দিলা দীৰ্ঘ ডাক ॥
আপোনাক বিকো হেৰা যাৰ আছে মন।
ভৃত্য কৰি কিনি লোৱা আনি দিয়া ধন ॥
যাৱে নতু আসি হোৱে সূৰ্য্য অস্তাগত।
সত্বৰে বোলাহা আসি মোহোৰ আগত ॥
এহি বুলি বাৰে বাৰে ডাকন্ত ভুপাল।
শুনি ভয়ঙ্কৰ এক আসিল চণ্ডাল ॥
যেন অঙ্গাৰৰ বৰ্ণ জ্বলে কলেৱৰ।
অন্ধকূপ যেন জ্বলে নাসিকা বিবৰ ॥
ডাঙ্গৰ দুগোটা চক্ষু দেখি ভয়ঙ্কৰ।
বিকট দশন ৰাজা অগ্ৰে অগ্ৰসৰ ॥
ফাল্গুণৰ বায়ু যেন নাকৰ বতাস।
ওলমিছে পেট যেন বড় মৌৰ বাঁস ॥
মেঘৰ গৰ্জ্জন যেন মুখত শুনি মাত।
ভেঙ্গুৰা ভেঙ্গুৰ থুলন্তৰ ভৰি হাত ॥
তাম্ৰ বৰ্ণ গোফ দাড়ি লোহা অলঙ্কাৰ।
হাতে জাঠি ধৰি যেন ৰাক্ষস আকাৰ ॥
অনেক চণ্ডালগণে বেড়ি আছে তাক।
মই কিনিবোহো বুলি মাতিলা ৰাজাক ॥
কত ধন লাগে তোক কহ মূল দৰ।
কিবা অল্প লাগে কিবা লাগয় বিস্তৰ ॥

ঢলো পড়ো কৰে অতি মদ্য আছে লাগি।
অনুভৱ কৰি নৃপতিক মাতে ৰাগি॥
কীল কীল কৰি উন্মত হুয়া হাসে।
ভেল ভেল কৰিয়া মদ্যৰ গন্ধ আসে॥
হেন দেখি ৰাজা দিলা নাকত কাপোড়।
তোৰা কোন জাতি বুলি সোধে নৃপবৰ॥
কিবা নাম তোমাৰ সত্বৰে কহিয়োক।
চণ্ডাল বদতি তই কিবা সোধ মোক॥
জাতিত চণ্ডাল থাকো প্ৰবীৰ পুৰত।
বঞ্চবধক নামে মই প্ৰখ্যাত লোকত॥
মৃতকৰ বস্ত্ৰ মানে মোৰ অধিকাৰ।
শুনি নৃপতিৰ ভৈল হৃদয় বিদাৰ॥
ৰাজায়ে বোলন্ত তই উলটিয়া যাস।
প্ৰাণান্তিকে নহো মই চণ্ডালৰ দাস॥
শাপ অগনিত মৰো সেই মোৰ ভাল।
কোননো পাপীষ্ঠে হইবে চিতনি চণ্ডাল॥
সেহি সময়ত বিশ্বামিত্ৰ পাইলা আসি।
তবধ নয়নে ক্ৰোধ দণ্ডক উল্লাসি॥
ৰাজাক বোলন্ত অবে শুন মহীপাল।
দিবেক বিস্তৰ ধন গৃহস্থ চণ্ডাল॥
পাইবো মই বহুধন চণ্ডালে যদি কিনে।
অল্পসে দিবেক ধন কিনিলে সজ্জনে॥
হেন জানি চণ্ডালৰ ঠাইয়ো বিক্ৰয়।
মোৰ যেবে শাপক তোহোৰ আছে ভয়॥

## ৰমায়ণ—উত্তৰা কাণ্ড।

আত অনন্তৰে যেন মিলিল অৱস্থা।
শুনা সবে একমনে ৰামায়ণ কথা॥
আছন্ত ৰাঘৱ যেবে দিব্য সভাপাতি।
আনন্ত সীতাক বাল্মীকিয়ে বুলি আতি॥

ঋষিৰ বচন দেৱী বাধিবে নপাৰি।
ধীৰে ধীৰে চলি যান্ত জনক জীয়াৰী॥
আগ ভৈলা বাল্মীকি পাচত যান্ত সীতা।
লাজে অপমানে মাৱ তনু শঙ্কোচিতা॥

শিলিখা বোলোৱা বস্ত্রে অঙ্গ ঢাকি ঘূৰি।
আগক নবাঢ়ে ভৰি নেন্ত সে আজুৰি॥
লাজ অপমানে যেন গাৱতে লুকান্তি।
ঋষিৰ আক্রোশে সমাজ্যাক লাগি যান্তি॥

লৱনু পুতলী যেন সুকোমল কাই।
প্রত্যেক ভৰিত যেন ৰুধিৰ বজাই॥
মহা পতিব্রতা সীতা শান্তী সুচৰিতা।
অধো মুখে যান্ত চলি নচাই একো ভিতা॥

আনে আসি দেখন্তে মাৱৰ বৰ লজ্জা।
আসন্ত জানকী জানি উভতিল প্রজা॥
সমস্তৰে আনন্দ আকুল ভৈল চিত্ত।
লৱৰই নৰ নাৰী সীতাক দেখিত॥

অন্তেস পুৰত যত আছিল সুন্দৰী।
ভৈলা বাজ সবে কৌশল্যাক আগ কৰি॥
অসংখ্য সীতাৰ দাসী ৰঙ্গে যান্ত চলি।
পুহাইল আমাৰ সবে আসন্ত গোসানী॥

উরুক মুরুক কৰি যাই লৰবন্তে।
পিৰয়ে শুইল গৈ সীতাক দেখন্তে॥
কান্দে নৰ নাৰী অৱস্থাক চাই চাই।
নয়নৰ নীৰ ধাৰসাৰে বহি যাই॥

হৰি হৰি জগত জননী শান্তী আই।
তোমাৰ কৰিলে বিধি হেন সে বিলাই॥
কিয় জীওঁ জানকীৰ দেখি হেন দুখ।
কান্দে ভূম ভূমি প্ৰজা হুয়া অধোমুখ॥

কণ্ঠৰ নোলাই বাক্য শোকে গদ গদ।
চলৈ নৰ নাৰী দুই সাৰি নিশবদ॥
অতিশয় দহে দেহা দেৱীৰ দুখত।
হাত ফোত মাত্ৰ শুনি লোকৰ মুখত॥

কাহাকো নচান্ত সীতা শান্তী মাথা তুলি।
চৰি যাই অধিকে হিয়াৰ গুলগুলি॥
কাকো একো ভাল মন্দ নেদন্ত সিদ্ধান্ত।
মহা দুখে অধোমুখে মাত্ৰ চলি যান্ত॥

অমৃত মথন্তে যেন লক্ষ্মী উপজিলা।
বিষ্ণুক বৰিবে পিতৃ সহিতে লৰিলা॥
বাল্মীকিৰ পাচত তেহুয় মত সীতা
লাসে লাসে চলন্ত ৰামৰ বিবাহিতা॥

নেৰৈ নৰ নাৰী আউৰ জানকীৰ পাচ।
কতোক্ষণে পাইলা গৈয়া সমজ্যাৰ কাষ॥
বাল্মীকি সহিতে উঠিলন্ত সভাশালা।
মেৰুত উদিত যেন চন্দ্ৰমাৰ কলা॥

বাল্মীকিক দেখি আসনৰ উঠি ৰাম।
কৰিলা সাদৰে জানু পাৰিয়া প্ৰণাম॥
ঋষিয়ো উচ্চৰি বেদমন্ত্ৰ তুলি নাদ।
ৰাঘৱক দিলন্ত তুলসী আশীৰ্ব্বাদ॥

ৰামে নম্র ভাবে লৈলা দুয়ো হাত পাতি।
থাকিলন্ত সীতা পাচে হুয়া এক কাতি॥
মাথাত ওৰণি লাজে চাপৰায়া মাথ।
বাল্মীকি বোলন্ত বাপ শুনা ৰঘুনাথ॥

বশিষ্ঠ প্ৰমুখ্যে আছা সবে সামাজিক।
ৰামৰ চৰণে আনি দিলোঁ জানকীক॥
যেনে তেনে আনিলো প্ৰবোধ বুলি বাক।
যেন লাগে দিয়ো আবে পৰীক্ষা সীতাক॥

মহা পতিব্ৰতা সতী জনক জীয়াৰী।
কিঞ্চিতেকো আন্ত ছিদ্ৰ নপাইবা বিচাৰি॥
পৰম নিষ্পাপ দেহা দেখি হৰে পাপ।
মিছাত কলঙ্ক আঙ্ক দিয়া হৃদি তাপ॥

স্বপনত আন নাই ৰাঘৱত পৰে।
হেন নতো শুনো শান্তী ত্ৰৈলোক্য ভিতৰে॥
উৰ্দ্ধ বাহু কৰি বোলোঁ শুনিয়ো সমাজে।
কৰিবো শপত আজি জানকীৰ কাজে॥

কোটি জন্মে যতেক কৰিলোঁ সদকৰ্ম্ম।
ইয়ো জন্মে যত আচৰিলোঁ তপ ধৰ্ম্ম॥
ধৰি আছো ব্ৰত যিবা কৰি কায় কষ্ট।
সীতা দোষী হন্ত যেবে সিয়ো হৱে নষ্ট॥

সত্য কৰি আবে বোলোঁ সামাজিকে শুন।
মোৰ উৰ্দ্ধ পুৰুষে কৰিলে যিতো পুণ্য॥
কৰিলোঁ সুকৃতি পিতৃ দেৱতাক তুষি।
সিয়ো নষ্ট হোৱে যেৱে সীতা হন্ত দোষী॥

তপৰ প্ৰভাৱে জানো ভূত ভবিষ্যত।
মোত আৰ কৰন্তা নাহিকে ত্ৰৈলোক্যত॥
কহিলো স্বৰূপ ৰাম আগত তোমাৰ।
যেন লাগৈ কৰাঁ আবে আপুনি বিচাৰ॥

হেন শুনি জয় জয় কৰন্ত সমাজে ।
ধন্য ধন্য শান্তী সীতা দেৱ বাদ্য বাজে ॥
আকাশৰ পৰা পুষ্প বৰিষিলা মাথে ।
কৰযোৰে ঋষিক বুলিলা ৰঘুনাথে ॥

মই তো জানো শান্তী সীতা পৰম নিষ্পাপ ।
দুৰ্জ্জনৰ অপবাদে দেওঁ হৃদি তাপ ॥
সম্বৰিবো সীতা তেৱে সভাৰ সম্মতে ।
লঙ্কেক পৰীক্ষা ভৈল তোমাৰ শপতে ॥

ত্রিজগতে জানিলে সীতাত শঙ্কা নাই ।
আৰে সবে দুষ্টৰে পৰিল মুখে ছাই ॥
এহি বুলি আপুনি আসন দিলা পাৰি ।
বসিলন্ত বাল্মীকি ঋষিৰ গৈয়া সাৰি ॥

ৰামে দেখিলন্ত পাছে জানকীৰ ক্লেশ ।
শিলিখা বোলোৱা বস্ত্র তাপসীৰ বেশ ॥
ফল মূল আহাৰে শৰীৰ কৃশ আতি ।
দেখি হৃদি দগধ তৱধ ৰঘুপতি ॥

অৱস্থা দেখিয়া আসে উভতি ক্রন্দন ।
ধৈৰ্য্যে ধৰিলন্ত তাক কৌশল্যা নন্দন ॥
বহয় লোতক নয়নৰ ঝৰ ঝৰি ।
আথাকে মোচন্ত তাক হাতে বস্ত্র ধৰি

কান্দন্ত সমাজে দেখি সীতাৰ নিকাৰ ।
দেৱ ঋষি লোকে সবে কৰে হাহাকাৰ ॥
কত নো এড়াইলে মাৱ মৰণৰ ঘাট ।
ৰামৰ সীতাৰ আৰে খণ্ডিত ললাট ॥

এহি বুলি সবে লোকে কৰৈ কণাকণি ।
সুস্থ হুয়া পাছে ৰঘুবংশ শিৰোমণি ॥

---

## সীতাৰ ক্ৰোধ আৰু পাতাল প্ৰৱেশ।

জানকীক স্নেহে ভৰতক লাগি চাইল।
বসিবাক লাগি ৰত্ন আসন বহুাইল॥
তিনিয়ো দেৱেৰে আসি বুলিলা বিনয়।
নবৈসন্ত সীতা শোকে দগধ হৃদয়॥

কৌশল্যা প্ৰভৃতি শ্বাশু সকলে বুজান্ত।
আউৰ কাকো মাথা তুলি নেদন্ত সিদ্ধান্ত॥
লাজে অপমানে যেন হৃদয় বিদাৰে।
বহয়ে লোতক দুয়ো নয়নৰ ধাৰে॥

জাজ্বল্য সমান কোপে চিত্ত নোহে শান্ত।
ঘনে ঘনে কটাক্ষে ৰামক লাগি চান্ত॥
স্নেহে জানকীক নিৰখন্ত ৰঘুনাথ।
সীতাৰ কটাক্ষ দেখি চাপৰান্ত মাথ॥

ভয়ে লাজে জানকীক চাহিবে নোৱাৰি।
থাকিলা সঙ্কোচ ভাৱে ৰাঘৱ মুৰাৰী॥
দুখ সব সুমৰি জ্বলিল আতি সতী।
সি বেলা সীতাক নাহি চাহিবে শকতি॥

মহা শোকে কোপে আতি কমলমান কায়।
জাজ্বল্য সমান অগনিৰ শিখা প্ৰায়॥
অন্তৰ্গতে ৰামৰ মিলিল মহা ভয়।
দেখি সমজ্যাৰ ভৈল পৰম বিস্ময়॥

সীতাৰ দেখিয়া হেন ক্ৰোধৰ আক্ৰান্তি।
ৰামক কৰন্ত জোনো শাপি ভস্ম শান্তী॥
আজি জোনো জগতৰে মিলান্ত প্ৰলয়।
কাম্পে তৰতৰি দেৱ ঋষিৰ হৃদয়॥

নমাতি আছিলা দেৱী দুই দণ্ড মানে।
আৰক্ত আখি মুখ কোপ অপমানে॥
ৰামৰ ভিতিকি পিঠি দিয়া কৃষ্ণ ভাৱে।
চায় সমজ্যাক লাজ এৰি জগমাৱে॥

বুলিবে লাগিলা অতি চিত্ত অসন্তোষ।
কথা শুনি সমাজে আমাক দিবা দোষ॥
সবাতে বিদিত মোৰ ৰাম যেন স্বামী।
সেৱকিনী প্ৰায় আন বিবাহিতা আমি॥

বাপ আনে পঠাইলে গৈলেক বনবাস।
কৰিলো লগতে চৌধ বৰিষ নিৰ্ব্বাস॥
একেশ্বৰী নাৰী মই নোহো স্বতন্তৰা।
নোৱাৰিলে ৰাখিবে ৰাৱণে নিলে হৰি॥

চাহিলোঁ লঙ্কাতে অপমানে মৰিবাক।
গৈই এই হনুমন্তে ৰাখিলে আমাক॥
প্ৰাণ ৰাখি আছিলোঁ স্বামীক বাট চাই।
ৰাৱণক মাৰি মোক আনিলে ঢুনাই॥

কৰিলা পৰীক্ষা ৰামে পেলাই অগনিত।
তথাপি নভৈল শান্ত ৰাঘৱৰ চিত্ত॥
বুলিলা বুজাই আসি পাছে বাপ জনে।
তেবে সে আমাক সম্বৰিলা শুদ্ধ মনে॥

এক চিত্তে কৰিলোহো আহাঙ্কেসে সেৱ।
মইতো জানো স্বামী সি পৰম মোৰ দেৱ॥
স্বামী তপ জপ যজ্ঞ স্বামী যোগ ধ্যান।
স্বপনে সচিতে মই নিচিন্তিলো আন॥

তথাপি আমাত আন চিত্ত বিহৰিল।
চুমাতে কামোৰ যেন অলগাত কিল॥
দুষ্টে দিলে অপযশ তাতে আন ত্ৰাস।
ছলে নিয়া দিয়ালেক আমাক নিৰ্ব্বাস॥

দেখা দেখা ইতো কেনে স্বামীৰ মৰ্য্যাদ।
কিসক কৰিলে এত মান ছল বাদ॥
যেবে লাগে এৰিবে আগতে এৰা মোক।
গৰ্ভতে মাৰিবে চাইলা দুই গুটি পোক॥

স্বামীৰ কহন্তে গুণ শৰীৰ দগধ।
লৈবেক খোজিলা তিনি মা পোৱ বধ॥
গৰ্ভে সমে মোক মাৰি বাক শ্ৰদ্ধা ভৈল।
কৰিবেক বাকী আউৰ ৰামৰ নৰৈল॥

সবে বোলে এনুৱা ৰামক ভাল ভাল।
মইতো জানো মোৰ ৰামেসে যমকাল॥
স্বামী হেন নিদাৰুণ কৈত আছা শুনি।
চাইবো আউৰ আন মই মুখ কিবা গুণি॥

এহি বুলি জানকী কান্দন্ত মকমকি।
শোকানলে হিয়াৰ নোগুচে ভাকাভকি॥
নয়নৰ লোতক ধাৰায়ে যায় বহি।
অধো মুখে কতোক্ষণে আছিলন্ত ৰহি॥

একো মতে নোৱাৰা কৰিবে চিত্ত থিৰ।
নিশবদ লোক শোক দেখি গোসানীৰ॥
সবে বোলে আজি একো মিলিবে প্ৰমাদ।
চৰন্তেসে যাই শান্তী সীতাৰ বিষাদ॥

ধান দিলে হৰৈ আথৈ ৰামৰ মুখত।
বল্কিবে লাগিলা দেৱী দুঃসহ দুখত॥
ৰাঘৱক চাই কোপে কটাক্ষে নিৰিখি।
বোলন্ত এৰিলা মোক তুমি কিবা দেখি॥

জানাহা তেজিবা কিয় সম্বৰিলা আগে।
পূৰ্ব্বতে মৰিলোঁ হুই যেন যুৱাই ভাগে॥
কিনো ৰাম স্বামী মোৰ পুৰুষ দাৰুণ।
নুস্মৰিলাহা একো দিবসৰ গুণ॥

কাষ্ঠতে কৰিল বজ্রে বান্ধিলেক হিয়া।
দুৰ্য্যোধনৰ বোলতে নিৰ্ব্বাস মোক দিয়া॥
কোন শত্রু তোমাৰ কৰিলোঁ কিবা হানি।
কৰিলা এনুৱা উগ্র দণ্ড কিবা জানি॥

ছল বাদে দিলা নিয়া নিৰ্বাসক বনে।
অকস্মিতে তেজে যেন ভাৰ্য্যাক তেণ্টনে॥
ৰাক্ষসতো ধিক ইতো তোমাৰ কুমতি।
নাই একো তিলো তিৰী বধ পাপ ভীতি॥

তোমাৰ উপৰি বংশ আছিল যতেক।
কোৱা কোনে কৰিলেক এনুৱা পাতেক॥
বিনা অপৰাধত কৰিলা হেন শাস্তি।
সংসাৰ ঘুৰিলে ইতো মোৰ কুখিয়াতি॥

জগততে মোৰ আউৰ নুবুলিবে ভাল।
কৰিলেক অনাদোষে ৰামে কি নিকাল॥
আউৰ কি কৰিবে লাগি অনাইলা ইবাৰ।
যেন পোৰা গাত ঘযা সনিয়া আমাৰ॥

বন মানুষক আনি দেখুৱা সভাক।
কত নো বিগুতি মাৰা মৰাক আমাক॥
এভু তবে তোমাৰ নুপুৰে মনোৰথ।
একে জুই মৰোঁ আৰু পিপলীৰ পথ॥

বোলাইবো তোমাৰ আৰু ঘৰৰ ঘৰণী।
তেবে মোত পৰে নাই নাৰী নিলাজিনী॥
জনক ৰাজাৰ মই স্নেহৰ জীয়াৰী।
দশৰথ নৃপতিৰ প্রথম বোহাৰী॥

তুমি ৰাম ৰাজাৰ আমি সি মহাদৈ।
হেনতো আমাৰ হেন কৰিলা বিলাই॥
এহি বুলি মহামৰ্ম্মে গোসানী জানকী।
পৃথিবীত পৰিয়া কান্দন্ত মকামাকি॥

সীতাৰ সন্তাপে দেখন্তাৰো মৰ্ম্মচৰে।
হুমাহুমি কান্দে লোক লোতক নিগৰে॥
কোপে অপমানে আতি চিত্ত নুহি থিৰ।
হিয়াত পশিল শাল নোলাই গোসানীৰ॥

বুলিবে লাগিলা দুনাই মনত অসুখ।
আউৰ ইতো স্বামী ৰাঘৱৰ নচাওঁ মুখ॥
পৃথিবীক কাতৰ কৰন্ত যোৰ হাতে।
তুমি মোৰ মাৱ জন্ম লভিলোঁ তোমাতে॥

আউৰ যেন নুশুনোঁ ৰামৰ ইতো নাওঁ।
ফাট দিয়া বসুমতী পাতালে লুকাওঁ॥
স্বৰূপত শান্তী পুণ্য যেবে আছোঁ ৰাখি।
চন্দ্ৰ সূৰ্য্য বায়ু বসুমতী হৈবা সাখি॥

ৰামৰ পাৱত জানা মোৰ চিত্ত ডাঠ।
ঝাণ্টে দিয়া বাট তেবে মাৱ দিয়া ফাট॥
হওঁ যেবে আমি পতিব্ৰতা নিৰঙ্কুশ।
ৰাম বিনে আন যেবে নজানো পুৰুষ॥

গুচোক আমাৰ ইটো কলঙ্ক ললাট।
পাতালত পশোঁ বসুমতী মেলা ফাট॥
কায় বাক্য মনে যেবে ৰামক আৰাধোঁ।
স্বপনতো ৰাম বিনে আনক নসাধো॥

তেবে বসুমতী মোক ঝাণ্টে দিয়া বাট।
নচাওঁ মানৱৰ মুখ মাৱ মেলা ফাট॥
কৰিলোঁ সদৃঢ় চিত্তে ৰামকেসে সেৱ।
স্বামী ব্যতিৰেকে নজানিলোঁ আন দেৱ॥

তথাপি এনুৱা মোৰ মিলিল ললাট।
ৰাঘৱৰ মুখ নচাওঁ মাৱ মেলা ফাট॥
বিগুতি বিগুতি ৰামে মাতিৱন্ত মোক।
আউৰ মই নথাকো নথাকো ইটো লোক॥

লাগিল বৈৰাগ্য মনে মিলিল বিচাট ।
দিয়া দিয়া দিয়া বসুমতী ঝাণ্টে বাট ॥
দিলে তিনি বাব বার বামব বল্লভা ।
টল বল কৰি কম্পিবাক লৈলা সভা ॥

ঠাংকাব শবদে মেদিনী দিলা ফাট ।
উঠিল সুবর্ণময় সিংহাসন খাট ॥
চিকিমিকি কবে আতি বত্নব জেউতি ।
সীতাক সাদবে জোগাইলন্ত বসুমতী ॥

চাবি নাগ কন্যা ধবি আছে চতুর্ভিতি ।
অদ্ভুত দেখিয়া সবে সমাজে বিশ্ৰুতি ॥
হনুমন্ত আদি কবি যত কপি বল ।
কি ভৈল বুলিয়া সবে হৃদয় বিকল ॥

তথা ভৈল ভবত লক্ষণ শত্রুঘণ ।
বামব গাৱত আউব নাহিকে চেতন ॥
শুনা সৰ্ব্বজন ঐত কেদিন জীৱন ।
মিছা ধন জন জানি তেজিয়ো যতন ॥

ৰামৰ সীতাব কেনে দুঃখ তাক দেখা ।
ইটো গৃহ বাস সামান্যৰ কোন লেখা ॥
হেন জানি হৰি ভকতিক কৰা সাৰ ।
তেবেসে তৰিবে পাবি সংসাৰ নিকাব ॥

কাৰ কেতিক্ষণ পৰা মিলয় মৰণ ।
বোলা ৰাম ৰাম চিন্তা কৃষ্ণৰ চৰণ ॥

---

পাছে পৃথিবীৰ আদৰ দেখিয়া,
ত্বৰিতে উঠিলা সতী ।
ব্ৰহ্মা আদি কৰি সকলো দেৱক,
একত্ৰে কৰিলা নতি ॥

বশিষ্ঠ প্ৰমুখ্যে ঋষিক নমিলা,
জানু পাৰি এক ঠাই।
কৰি কৃতাঞ্জলি বুলিবে লাগিলা,
সীতা উপৰক চাই ॥
জন্মে জন্মে হৈবা জনকেসে বাপ,
সাধো মই পৰবাসু।
দশৰথ ৰাজা হুইবন্ত শ্বশুৰ,
কৌশল্যা হুইবন্ত শ্বাশু ॥
দুখৰ সহায় ভালুক বানৰ,
হুইব পুত্ৰ সমসৰ।
ভৰত লক্ষণ বীৰ শত্ৰুঘণ,
তিনি সি হুইবা দেৱৰ ॥
স্বপনে সচিতে আন নবাঞ্ছোহোঁ,
ৰামে সে হুইবন্ত পতি।
তাহান এহি সে দুখানি চৰণ,
জন্মে জন্মে হুইবে গতি ॥
হুইবেক তনয় মহা সুভনয়,
এহি লৱ কুশ দুই।
হেনয় কলঙ্ক কদৰ্থনা জোনো,
আউৰ দুনাই মোৰ নুই ॥
নমি কৌশল্যাক বুলিলা কাৰুণ্য,
যি ভৈল মোৰ কপাল।
দুই গুটি পুত্ৰক সম্পিলো গোসানী,
কৰিবাহা প্ৰতিপাল ॥
আমাত সঞ্জাত নাহিকে ৰামৰ,
পুত্ৰত কমন কাজ।
আছোক পালিব পুত্ৰ বুলিবাকো,
ৰামৰ লাগিব লাজ ॥

কুশক লৱক গলত বান্ধিয়া,
কান্দিলন্ত সীতা শোকে ।
তোমাসাক বৰ কৰিতে নপাইলোঁ,
দৈবে দণ্ডিলেক মোকে ॥
অল্পাতে তোমাক কৰিলোঁ ছিণ্ডৰা,
তেন সে মই অভাগী ।
তিনি মা পোৱ ভৈল দেখা দেখি,
আজি ই জন্মক লাগি ॥
দুয়ো ভায়েৰে কন্দল নকৰিবা,
একত্রে বঞ্চিবা কাল ।
মোক লাগি পুতাই চিন্তা নকৰিবা,
যি ভৈলা মোৰ কপাল ॥
তোমসাৰ দুখ দুৰ্গতি লৈ যাওঁ,
জীয়া মোৰ লৈয়া আয়ু ।
কুলক্ষণী সীতা পাতালে চলিলোঁ,
পৰিছেদা মোক চাউ ॥
এহি বুলি মকা মকি কান্দিলন্ত,
পুত্র দুইৰ ধৰি গলে ।
ক্ষেনেকে সম্বুকি আখি মুখ পাছে,
মুচিলা বস্ত্র অঞ্চলে ॥
চিত্ত দৃঢ় কৰি জানকী গোসানী,
ভৈলা শোকে মোহে হীন ।
পৰম সাদৰে কৰিলা ৰামক,
তিনিবাৰ প্রদক্ষিণ ॥
চৰণৰ ধূলি মলচিলা চুলি,
বুলিলা পাছে প্রণামি ।
আবে প্রভু ৰাজ্য ভুঞ্জিয়োক সুখে,
যাওঁ পাতালক আমি ॥

হৃদয় খেদত যি কিছু বুলিলোঁ,
ই দোষ ক্ষমা আমাক।
তোমাৰ চৰণ সেবিবে নপাইলোঁ,
মোৰে সে কৰ্ম্ম বিপাক॥
তুমি হেন স্বামী ভৈলোহো বঞ্চিত,
কোন বা পাপৰ ফলে।
এহি বুলি আউৰ মাতিবে নোৱাৰি,
কৰিল চক্ষু ছলছলে॥
গদ গদ বাক্যে বোলন্ত থাকিয়ো,
কৰিলোঁ প্ৰভু মেলানি।
দিব্য সিংহাসনে চড়িলন্ত গৈয়া,
কান্দন্ত সীতা গোসানী॥
বসুমতী আসি আশ্বাসি সাবতি,
বুলিলা মধুৰ বাক।
গন্ধে পুষ্পে ধুনে পূজিলা প্ৰদীপে,
যত নাগনাৰী জাক॥
নাগ লোক ছানি জয় বাদ্য বাৰে,
দুন্দুভি ধ্বনি আস্ফাল।
শিৰত সুৰভি পুষ্প বৰিষিল,
পশিলা সীতা পাতাল॥
পতি পুত্ৰ সব সুহৃদ তেজিলা,
পৰম বৈৰাগ্য মনে।
যেন চন্দ্ৰকলা মেঘতে লুকাইল,
সীতা শান্তী তাৰক্ষণে॥
ৰামক বিচুই হিয়ে জ্বালে জুই,
সীতা পাতালক গৈলা।
দেখি অন্তৰীক্ষ ধাতু ৰাম চন্দ্ৰ,
বিশ্ৰুতি বিহ্বল ভৈলা॥

সিংহাসনত পৰি মূৰ্চ্ছা গৈলা,
শোকতে দেখি আন্ধাৰ ।
ৰামক ধৰিয়া কান্দে আৰ্ত্তবাৰে,
সীতাৰ দুই কুমাৰ ॥
দেখিয়া অদ্ভুত যত সামাজিক,
কাৰো নাহি মাত বোল ।
ৰামৰ বিলাই শিশু দুইক চাই,
কৰে হাহাকাৰ বোল ॥
দেৱ ঋষি সবে সন্তাপে কান্দন্ত,
ধৰিতে চিত্ত নপাৰি ।
ভালুক বানৰ কান্দে নিৰন্তৰ,
মাটিত পাৰি লোতাৰি ॥
ভৰত লক্ষণ বীৰ শত্ৰুঘণ,
ভূমিত পৰিলা কান্দি ।
কৌশল্যা প্ৰমুখো মুঠি হানৈ হিয়ে,
সীতা বুলি ৰাৱ বান্ধি ॥
ইহেন পুত্ৰক কি মতে তেজিলি,
বজ্রে বান্ধিলেক হিয়া ।
গাৱে জুই জ্বালি মাৰ কৈক গৈলি,
এতিক্ষণে দেখা দিয়া ॥
সেৱকিনী যত সীতাৰ শোকত,
কান্দে পাৰি লোটালটি ।
পাইল স্বৰ্গলোক ক্ৰন্দনৰ সিতো,
তুম্বুল বোলক উঠি ॥
শুনা সভাসদ ৰামায়ণ পদ,
দুখ গৃহ বাস দেখা ।
ৰামৰ সীতাৰ এনুৱা বিপাক,
সামান্যৰ কোন লেখা ॥

কাল সৰ্পে গিলে কৈত মৃত্যু মিলে,
তাহাৰ নাহিকে থিত।
ৰাম নাম বিনে নিস্তাৰ নাহিকে,
দুৰ্ঘোৰ ইতো কলিত॥
ভাৰত ভূমিত লভি নৰ তনু,
আক ব্যৰ্থ কৰা কিক।
মূঢ় জনে যেন নজানি বিকই,
কাচৰ মোলে মাণিক॥
হেন অনুমানি চিন্তা চক্ৰপাণি,
অনাদৰি আন কাম।
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে,
ডাকি বোলা ৰাম ৰাম॥

---

## কৃষ্ণ গুণমালা।

ঘোষা হৰি হৰি ৰাম।
হৰি ৰাম ৰাম॥

পদ।

নমো লক্ষ্মীপতি, অগতিৰ গতি।
চৰণে সম্প্ৰতি, কৰিলো প্ৰণতি॥
গুণ চিন্তামণি, সংসাৰ তৰণী।
পাপৰ অগনি, ঘুষিয়োক চনি॥
ইটো বিতোপন, ধৰ্ম্ম সনাতন।
আকেসে কীৰ্ত্তন, কৰে সাধুজন॥
শুনিয়ো দশম, অতি নিৰুপম।
কৃষ্ণৰ পৰম, জনম কৰম॥
দৈত্যে ভিড়িলা, ভাৰে পীড়িলা।
দুঃখ সাক্ষী দিলা, পৃথিবী কান্দিলা॥

ব্ৰহ্মায়ে প্ৰাৰ্থন্তে, আসি ভগৱন্তে।
জন্মিলা স্বলন্তে, দৈৱকীত হন্তে॥
অদ্ভুত বালক, কুটিল অলক।
বত্নৰ তিলক, শোভে কপোলক॥
হসিত বয়ন, কমল নয়ন।
ৰুচিৰ দশন, পীত বসন॥
কিৰীটি কুণ্ডল, কৰে ঝলমল।
কৌস্তুভে উজ্জ্বল, শোভে কণ্ঠযুগল॥
হস্ত চাৰি খান, অতি বিতোপন।
কেয়ূৰ কঙ্কণ, প্ৰকাশে ভূষণ॥
বহল হৃদয়, বনমালাতয়।
পড়ি গুঞ্জৰয়, ভ্ৰমৰে বঞ্চয়॥
ৰতনে ৰচিত, মেখলা কটিত।
পাটভুনি পীত, লোটয় মাটীত॥
উৰু কৰী কৰ, জঙ্ঘা মনোহৰ।
কনক ৰত্নৰ, ৰঞ্জিত হোড়ৰ॥
চৰণ-পল্লৱ, পদ্ম অভিনৱ।
নূপুৰৰ ৰৱ, শুনন্তি উৎসৱ॥
অঙ্গুলিৰ পান্তি, নখচন্দ্ৰ কান্তি।
দেখি খণ্ডে ভ্ৰান্তি, তাপ উপসান্তি॥
ৰঙ্গা পদতলে, অঙ্কুশ কমলে।
চিহ্ন সকলে, অতিশয় জ্বলে॥
জগতৰ তাত, আছন্ত তথাত।
চাৰি অস্ত্ৰ হাত, প্ৰকাশে সাক্ষাত॥
দেখি তুয়ো প্ৰাণী, এন্তে চক্ৰ পাণী।
মনে অনুমানি, বোলে স্তুতি বাণী॥
কৃষ্ণে কথা কৈলা শিশুৰূপ ভৈলা।
নিহল চোড়াইলা, কোলে তুলি লৈলা॥
বসুদেৱ সন্ত, লৈয়া লড়িলন্ত।
ফণায়ে অনন্ত, ছত্ৰ ধৰিলন্ত॥

নমনীয় কূল, যমুনা বিপুল ।
চড়াই তাৰ কূল, পাইলন্ত গোকুল ॥
কৃষ্ণক থৈলন্ত, কন্যাক লৈলন্ত ।
বসুদেৱ সন্ত, ঢুনাই আসিলন্ত ॥
নন্দে দেখিল, পুত্ৰ উপজিল ।
উৎসৱ মিলিল, মহা দান দিল ॥
নন্দ যশোদাৰ, গৃহত অপাৰ ।
কৰিলা বিহাৰ, জগত আধাৰ ॥
অনেক যন্ত্ৰনা, কৰিলা মন্ত্ৰনা ।
আসিল পুতনা, শুষিল চেতনা ॥
পৰম সঙ্কট, দধি দুগ্ধ ঘৃত ।
সহিতে শকট, কৰিলা উলট ॥
দৈত্য চক্ৰাবাত, ভৈল কন্ধ পাত ।
কৃষ্ণৰ লীলাত, পড়িয়া শিলাত ॥
জগতৰ স্বামী, প্ৰভু অন্তৰ্য্যামী ।
মাতৃ কোলগামী, তুলিলন্ত হামি ॥
জগত নিখিল, গৰ্ভত দেখিল ।
বিস্ময় মিলিল, যশোদা ডৰিল ॥
আসি গৰ্গঋষি, গোপনত বসি ।
জাত কৰ্ম্ম ৰাশি, কৰিলা হৰিষি ॥
বিধিমতে নাম, থৈলা কৃষ্ণ ৰাম ।
কহি গুণ গ্ৰাম, গৈলা নিজ ধাম ॥
পাছে ব্ৰজপুৰে, ৰঙ্গে ভ্ৰমি ফুৰে ।
সোণাৰ নূপুৰে, ৰুণ ঝুণ কৰে ॥
অগনি সৰ্পক, যান্ত ধৰিবাক ।
দেখি দেন্ত হাক, নুশুনন্ত বাক ॥
গোপীকাৰ ঘৰে, পশি দামোদৰে ।
অপকাৰ কৰে, দেখি নিৰন্তৰে ॥
গোপীগণ আসি, যশোদাত হাঁসি ।
কৃষ্ণচেষ্টা ৰাশি, কৰন্ত প্ৰকাশি ॥

দেখিলে গোৱালী, শিশু বনমালী ।
নানা চাতুৰালি, কৰন্ত ধৰ্ত্তালি ॥
কি কহিবো আয়, কৃষ্ণৰ অপায় ।
নাদোহন্তে গায়, বৎসক পিয়ায় ॥
ঘৰে পশি যায়, দধি দুগ্ধ খায় ।
কপিক খুৱাই, ভাঙ্গিয়া পেলায় ॥
কি ভৈল দুৰ্জ্জন, তোমাৰ নন্দন ।
কৃষ্ণৰ কাৰণ, নহবে জীৱন ॥
শুনি হেন বাণী, লাক্ষে চক্ৰ পাণি ।
নেত্ৰে বহে পানী, দেখি নন্দৰাণী ॥
স্নেহ সম্পাজিল, সাবটি ধৰিল ।
অশ্বাস কৰিল, মুখে স্তন দিল ॥
সঙ্গে শিশুগণ, খেলে নাৰায়ণ ।
মৃত্তিকা ভক্ষণ, কৰিল তেখন ॥
দেখি শিশু ঝাক, বোলে যশোদাক ।
শুনি ৰাণী তাক, খঙ্গে বোলে বাক ॥
কেনে মাটি খালি, অৰে বনমালী ।
নখাইলোহো বুলি, দেখাই মুখ মেলি ॥
সকল জগত, দেখন্ত গৰ্ভত ।
হৰিক মনত, স্মৰন্ত ডৰত ॥
বোলন্ত বিস্ময়, মোহোৰ তনয় ।
মনুষ্য নোহয়, ঈশ্বৰ নিশ্চয় ॥
দিনেক প্ৰভাতে, ৰাণী নিজ হাতে ।
দধিক তথাতে, মথন্ত সাক্ষাতে ॥
আসি দেৱ হৰি, মথনিক ধৰি ।
ভৈলা ৰঙ্গ কৰি, দেখিলা সুন্দৰী ॥
আনিয়া নন্দন, বদন চুম্বন ।
কৰি ঘনে ঘন, পিয়াইলন্ত স্তন ॥
দুগ্ধ উথলিয়া, পড়য় দেখিয়া
পুত্ৰক এড়িয়া, গৈলা লৰড়িয়া ॥

কেশৰে কুপিলা, ধৰি পটাশিলা।
ভাণ্ডক ভাঙ্গিলা, যাশোদা দেখিলা ॥
বাড়ি লৈলা কৰে, দেখি দামোদৰে।
নামি উড়লৰে, লড় দিলা ডৰে ॥
যশোদা খেদন্ত, ভয়ে ভগৱন্ত।
কান্দন্ত কাপন্ত, বাড়ি এড়িলন্ত ॥
কৰে ধৰি আনি, উড়খলে টানি।
বান্ধি চক্রপাণী, চলি গৈল ৰাণী ॥
উড়ল ঘসাই, বৃক্ষত লগাই।
উভাড়ি পেলাই, ৰঙ্গে আছা চাই ॥
দুই দেৱ বৰ, দিব্য ৰূপধৰ।
কৰিয়া কাতৰ, চলি গৈলা ঘৰ ॥
কি ভৈল বুলি, নন্দে বান্ধ মেলি।
মলচিয়া ধূলি, কোলে লৈলা তুলি ॥
গোপৰ সুন্দৰী, বঝাৰে চাপৰি।
অঙ্গি ভঙ্গি কৰি, নাচে দেৱহৰি ॥
পসাৰি ডাকিল, কোনে লৈব ফল।
শুনিয়া চলিল, কৃষ্ণ দয়াশীল ॥
ধান্যক দিলন্ত, ফলক লৈলন্ত।
ৰত্ন অপর্য্যন্ত, ভাণ্ড ভৰিলন্ত ॥
গোকুল ভবন, তেজি নাৰায়ণ।
পাছে বৃন্দাবন, কৰিলা গমন ॥
বৎস অসুৰ, পৰম দন্দুৰ।
কৰি মষিমূৰ, নিলা যমপুৰ ॥
আসি বক গোটে, গিলিলেক চোটে।
তাক ধৰি ঠোঁটে, চিৰিলা অস্ফোটে ॥
সর্পৰূপে আসি, অঘে তুলি হাঁসি।
বদন প্রকাশি, গিলিল গৰাসি ॥
ভেটিলন্ত গল, ভকত বৎসল।
এড়ি মূত্র মল, মৰিল-নিস্থল ॥

তাৰ কৰি কাল, বৎস বৎসপাল ।
জীয়ায়া তৎকাল, বঝাইলা গোপাল ॥
সঙ্গে শিশুগণ, ৰঙ্গে নাৰায়ণ ।
অন্ন ব্যঞ্জন, কৰিলা ভোজন ॥
গোবৎস দামুৰি, ব্ৰহ্মা কৰি চুৰি ।
থৈয়া ঢাকি খুৰি, গৈল নিজ পুৰী ॥
বৎস বৎসপাল, হুয়া সেহি কাল ।
আপোনি গোপাল, গৈলা ব্ৰজশাল ॥
অনেক বিভূতি, কৃষ্ণৰ মূৰুতি ।
দেখিয়া বিস্মৃতি, ব্ৰহ্মা ভৈলা ভীতি ॥
যেন মৃতৱত, পড়িল হংসত ।
নাহি আৰ তত্ব, চেতন, গাৱত ॥
ব্ৰহ্মা মৰন্ত, দেখি ভগৱন্ত ।
ৰূপ ঢাকিলন্ত, তুনাই জীলন্ত ॥
হংস যান এড়ি, চৰণত পড়ি ।
নানা স্তুতি কৰি, গৃহে গৈলা লড়ি ॥
ধেনুকক মাৰি, গাছক আছাৰি ।
তালফল পাৰি, ভুঞ্জাইলা মুৰাৰী ॥
তৃষ্ণায়ে আকুল, হুয়া গোপকুল ।
যমুনাৰ কূল, গৈলা হুয়া ভুল ॥
খাইল বিষজল, ভৈলন্ত বিহ্বল ।
জীৱনে বিকল, মৰিল সকল ॥
দেখি নাৰায়ণ, অমৃত নয়ন ।
চাহিলা তেখন, লভিল চেতন ॥
কদম্বে চড়িলা, হ্রদত পড়িলা ।
কালীয়ে ঝাড়িলা, শিৰত চড়িলা ॥
ফণাৰ উপৰে, দেৱ দামোদৰে ।
উঠি নৃত্য কৰে, সিটো সৰ্প মৰে ॥
নাগ পত্নীচয়, বুলিলা বিনয় ।
কালীক নিৰ্ভয়, দিলা কৃপাময় ॥

তীৰত চড়িলা, জ্ঞাতিয়ে বেড়িলা।
গলত বান্ধিলা, যশোদা কান্দিলা॥
নিকালি কালীক, পিলা বনাগ্নিক।
গোপ গোপীক, ৰঞ্জিলা অধিক॥
প্রলম্ব অশিষ্ট, চিন্তিল অনিষ্ট।
মাৰিলা গৰিষ্ঠ, ৰাম বলিষ্ঠ॥
বেঢ়ি কুঞ্জবন, লাগে হুতাশন।
দেখি গোপগণ, ভৈল ভয়মন॥
পাছে নাৰায়ণে, সদয় নয়নে।
তাৰি ৰঙ্গমনে, আনিলা তেখনে॥
বসন্ত গ্রীষ্মত, বর্ষা শৰতত।
ক্রীড়া নানা মত, কৰিলা ব্রজত॥
এক চিত্ত কৰি, গোপৰ কুমাৰী।
সাধে ব্রতধৰি, স্বামী হৈবা হৰি॥
বস্ত্র থৈয়া তীৰে, কেৱল শৰীৰে।
যমুনাৰ নীৰে, স্নানে ধীৰে ধীৰে॥
কৃষ্ণে কৰি লীলা, বস্ত্রক হৰিলা।
কদম্বে চড়িলা, হাসি বস্ত্র দিলা॥
কর্ম্মক উচ্ছাদ, বিপ্রক বিষাদ।
পত্নীক প্রসাদ, দিলাহা আহ্লাদ॥
বদতি শঙ্কৰ, শুনা সবে নৰ।
আন পৰিহৰ, ভজা দামোদৰ॥
দিন কতিপয়, জীৱন নিশ্চয়।
যাইবে যমালয়, নাহিকে সংশয়॥
বিনা লক্ষ্মীপতি, নাহি আন গতি।
জানিয়া সম্প্রতি, কৰিও ভকতি॥
তেবেসে নিস্তৰি, পুৰুষ উদ্ধৰি।
হৃদি ৰূপ ধৰি, মুখে বোলা হৰি॥
মাধৱৰ নাম, ধর্ম্ম অনুপাম।
এড়ি আন কাম, বোলা ৰাম ৰাম॥

ভটিমা।

দৈৱকী উদৰে উদয় যোহি দেৱা
কয়লি ভকতক ত্ৰাণ।
অঘ বক ধেনুক কেশী সবংশক
কংসক ধ্বংসল প্ৰাণ॥
বিবিন্দা বিপিন বিহাৰ বিশাৰদ
শাৰদ চন্দ্ৰ সমান।
সোহি জগত গুৰু তেৰি সততে কৰু
মঙ্গল মুকুতি বিধান॥
যোহি গোপ বধূ বিবিধ বিসঞ্চন
পৰিৰম্ভল ভুজ মেলি।
যোহি যমুনা জলে যামিনী কামিনী
মিলি কৰয় বঙ্গ কেলি॥
দুষ্ট অৰিষ্টক মুষ্টিক মোড়ল
শঙ্খচূড় লেলহু প্ৰাণ।
সোহি জগত গুৰু তেৰি সততে কৰু
মঙ্গল মুকুতি বিধান॥
যোহি ভূমিক ভাৰ উতাৰল
নিজ জন পূৰয়ে কাম।
পাপী পাপক মূল উপাড়ে
উচ্চাৰি যাকেৰি নাম॥
যাহে নাম শুনি নীচ শ্বপচ মুনি
দোহোঁ হয় এক সমান।
সোহি জগত গুৰু তেৰি সততে কৰু
মঙ্গল মুকুতি বিধান॥
সোহি বৈকুণ্ঠক কৃষ্ণক নাটক
উতপাটক দুখ মূল।
পুণ্যক সঞ্চন কলি-মল ধ্বংসন
নাহি নাহি ওহি তুল॥

শুনহ সভাসদ দেখ বিচাৰি
ভেলহ সব একাকাৰ।
ধৰমক কৰমক আশা দূৰ কৰ
হৰি বিনে গতি নাহি আৰ॥
যাহে চৰণ ৰেণু ব্ৰহ্মা শঙ্কৰ
হৃদয়ে কৰয় ধিয়ান।
যাহেৰি ভকতি কয়লি পুনু মিলে
পৰম ঈশ্বৰ গিয়ান॥
পাষণ্ড দণ্ডন মণ্ডন ভকতক
হৰিৰস সব লোই জান।
কালী দমন ওহি বৰ নাটক
শঙ্কৰ হৰিগুণ গান॥
শুন সব লোই বচনক মোই
সব তেজি ভজ হৰিপাৱ।
ইহ সংসাৰ সাগৰ তৰণে
কৃষ্ণ পদ পল্লৱ নাৱ॥
দেৱক উপৰি ৰাজা মাধৱ
ধৰমক উপৰি নাম।
কোটি কলপক পাতক নাশক
ডাকি বোলহু ৰাম ৰাম॥

জয় জয় মল্ল নৃপতি ৰসবান।
যাকেৰি গুণ গণ সম নাহি আন॥
নিজ কুল কুমুদ প্ৰকাশিত ইন্দু।
গহীন গম্ভীৰ ধীৰ পেখিতে সিন্ধু॥
সভা এক পাত্ৰ আপন মহাৰাজ।
দেৱক মধ্যে যৈসে সুৰৰাজ॥
আপন ভুজ বলে দণ্ডিয়ে ৰাজকুল
পাৱত সকলহি কায।
জয় জয় ঈশ্বৰ পাদ প্ৰসাদ
মল্লদেৱ কৰু ৰাজ॥

নটক ভাটক পশ্চিম দেশক
যত যত পণ্ডিত আরে।
ঘোটক কম্বল বহুত বজত
আপনহি মন পূৰি পারে॥
অস্ত্রত শস্ত্রত শাস্ত্রত পাৰ্গত
বিপক্ষক আপন জ্ঞান।
দেৱ ব্রাহ্মণক পিতৃক অৰ্চ্চনে
যাকেবি নাহি সমান॥
আপন নৃপবড় ধৰ্ম্ম যুধিষ্ঠিৰ
বিচাৰত আপন সুজ্ঞান।
কাব্য কবিত্ব শশধৰ পণ্ডিত
ধনুৰ্দ্ধৰ অৰ্জ্জুন সমান॥
মানে দুৰ্য্যোধন আপন পুণ্যজন
দানে কৰ্ণ সমান।
মল্লত যুদ্ধত আপন দৃষ্টিত
তুহুঁ বিনে নাহি আন॥
আপন গুণ যশে ব্যাপিয়ে ধৰণী
নৃপতি মধ্যত পেখি।
নীল উৎপল পেখিতে শৰীৰক
মৃণাল সদৃশ ভুজ দেখি॥
বাহু বক্ষঃস্থল কটি মধ্য দেখিয়ে
কামিনী হোৱে বড়ি লাজ।
যৈসে ৰাজ হংসীক গমনী
গহীন গম্ভীৰ মৃগৰাজ॥
কহলোঁ তয়ু গুণ হামু শিশুমতি
মৰষ সকল মহ দোষ।
কহয়ে শঙ্কৰ নজানো সভাসদ
পাত্র মধ্যে ই কথা পোছ॥

হাঁসি সভাষিত কবোঁ বহু থিৰ।
মল্ল নৃপতি সম নাহিকয় বীৰ॥
কাশী বাৰানসী গৌড় পৰ্য্যন্তে।
মল্ল নৃপতিক সব মহিমা কহন্তে॥

পায়া ঘোটক দেশ অশেষ।
ভাট সকলে গুণ গাৱে নিশেষ॥
আপন মন বাঞ্ছিত সকলহি পাই।
আনন্দে মল্ল বিলাস গাই॥

ঐসন নৃপতি কবহোঁ নাহি পেখি।
উদয় গিৰিত যৈসে সূৰ্য্যক দেখি॥
সভা ৰঞ্জত যৈসে দেৱতা সমাজ।
স্বৰ্গক মধ্যে যৈসে দেৱৰাজ।

এসব গুণ কহে পশ্চিম মাঝে।
তাহেক শুনল পাৎশা সমাজে॥
উমৰা সৱক আনিয়ে বাত বোল।
এতি বেৰি গাডাৰা ঘাট মাৰিয়ে তোল॥

পাঠান সকলে যদি বিলাসিত হোই।
ওৱা হোৱা পাৎশা পেখি নাহি কোই॥
যৈসে ৰাহু গৰাসিত সূৰ।
আৱত পাঠান তেজি নিজ পুৰ॥

পাঠান সকলে কহে, গাডাৰা ঘাট মাৰি যাঞু।
হাৰাম বাম হাতে কটীয়া খাঞু॥
যুদ্ধ লাগৱল আতি বড় টানে।
খেদল ছেদল পলাৱল প্ৰাণে॥

পুনৰপি ওমৰা সকল সব আৱে।
গলায়ে পাটুকা বান্ধি শৰণ সোমাৱে॥
মূৰুখ শঙ্কৰ নজানে সকল।
জয় মল্ল নৃপতিক চৰণ যুগল॥

## চপয়।

পড়ি পুনু ভাট চপয় কহে বাণী।
কৃষ্ণ আগে গুণ ৰূপ বখানি।
জয় যদুনন্দন দেৱক দেৱা।
তোহাৰি চৰণে কৰহোঁ বহু সেৱ॥

তোহি মহিমা কহতু নাহি অন্ত।
পূৰল পৰমা কীৰিতি দিগন্ত॥
তুহোঁ সম পুৰুষ কতিহু নাহি পাই।
শুন অব বচনক বোলহোঁ গোসাঞী॥

হামাকু কুণ্ডিন নগৰী অনুপাম।
আছে কন্যা এক ৰুকমিণী নাম॥
ভীষ্মক-ৰাজ-নন্দিনী বৰ বালা।
বাঢ়য় নব জিনি চান্দক কলা॥

কি কহব ৰমণীক ৰূপ প্ৰচুৰ।
বদনক হেৰি চান্দ ভেল দূৰ॥
নয়নক পেখি পাই বড়ি লাজ॥
কৰল ঝম্প কমল জল মাঝ॥

বন্ধুলি অধিক অধৰ কৰু কান্তি।
ওতিম মোতিম দশনক পান্তি॥
সুবলিত ভুজযুগ ৰতন মোলান।
উৰু কৰীকৰ কটি ডমৰুক ঠান॥

নৱ পল্লৱ ৰুচি পদযুগ শোহে।
পেখিয়ে সুৰ নৰ মুনি মন মোহে॥
বাণী অমিয়া ৰস গুণে নহে হীন।
ৰাজ কুমাৰীকো বয়স নবীন॥

কতনু যতনে বিধি কয় নিৰমাণ।
সো কন্যা হয় তোহাৰি সমান॥
কহলোঁ স্বৰূপ অব বচন বিচাৰি।
হোৱয় গৃহিণী যদি ৰুকমিণা নাৰী॥

তব গৃহ-বাস সফল হয় নাথ।
কহল ভাট উপৰ তুলি হাত॥
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল।
কৰ নৰ সব অব হৰি হৰি ৰোল॥

---

শুন শুন ৰুকমিণী মাই।
কৃষ্ণ গুণ কহন নযাই॥
মুখ ইন্দু কোটি পৰকাশ।
দশন মোতিম মন্দ হাঁস॥

নয়ন পঙ্কজ নব পাতা।
কৰতল উতপল ৰাতা॥
মদনক ধনু ভ্ৰূব ভঙ্গ।
ভুজযুগ বলিত ভুজঙ্গ॥

বহল বক্ষ সিংহ বন্ধ।
ত্ৰিবলী বলিত কটি কন্ধ॥
উৰু কৰীকৰ অবভাস।
মৃদু পদ পঙ্কজ বিকাশ॥

নখচয় চান্দক পান্তি।
পদতল আৰকত ভ্ৰান্তি॥
ধ্বজ যথ পঙ্কজ শোহে।
পেখিয়ে ত্ৰিভুবন মোহে॥

অভিনৱ তৰুণ মূৰতি ।
কি কহব ৰূপক বিভূতি ॥
গতি গম্ভীৰ মৃগৰাজ ।
কটি মদনক হেৰি লাজ ॥

দুহোঁ নৱ তৰুণী প্ৰধান ।
সো হৰি নবীন যুৱান ॥
দুহোঁ এক বয়স সমান ।
কয়লি বিধি নিৰমাণ ।

ভুৱন নিৰুপম ৰূপ ।
শুন ধণী বচন স্বৰূপ ॥
যব তব পতি সোহি হোই ।
সফল জনম তব হোই ॥

কহল ভিক্ষুক সব জানি ।
কৃষ্ণ কিঙ্কৰ বোল বাণী ॥
ত্যজ সামাজিক কাম ।
ডাকি বোলহু ৰাম ৰাম ॥

---

কি কহব ৰূপ কুমাৰীক ৰাম ।
কনক পুতলী তুল তনু অনুপাম ॥
ৰতন তিলক লোল অলক কপোলে ।
হেৰিয়ে ভ্ৰূভঙ্গ ত্ৰিভুবন ভুলে ॥

দেখিয়ে বদন চান্দ ভেলি লাজ ।
নয়ন নিৰখি কমল জল মাঝ ॥
হেৰিয়ে ভুজ যুগ মিললউ শঙ্ক ।
ললিত মৃণাল মজল জল পঙ্ক ॥

আৰকত কৰতল মুনি-মন মোহা।
কনক শলকা অঙ্গুলি কৰু শোহা॥
বন্দুলি নিন্দি অধৰ কৰু কান্তি।
দাড়িম্ব বীজ নিবিড় দন্ত পান্তি॥

ঈষত হাঁস মদন মোহ যাই।
নাসা-তিল ফুল কমলিনী মাই॥
নব যৌবন স্তন বদৰি প্ৰমাণ।
উৰু কৰী-কৰ কটি ডমৰুক ঠান॥

পদ পল্লৱ নব পঙ্কজ কান্তি।
চম্পক পাকৰি অঙ্গুলি কৰু পান্তি॥
নখচয় চাৰু চান্দ পৰকাশ।
লহু লহু মত্ত গজ গমন বিলাস॥

কত লাৱণ্য বিধি নিৰমিল জানি।
কোকিল কণ্ঠে অমিয়া ঝুৰে বাণী॥
তুহোঁ সুকুমাৰ ৰূপ নোহে হীন।
ৰাজ কুমাৰীক বয়স নবীন॥

সোহি বৰ ৰমণা ঘৰিণী যব হোই।
অব গৃহ-বাস সফল তব তোই॥
কহলোঁ স্বৰূপ অব বচন শ্ৰীৰাম।
চল অবিলম্ব অব জনকক ঠাম॥

ভাঙ্গহ অজগব ধনুক লীলায়ে।
সীতা ভুলিয়ে ভজব তুৱা পাৱে॥
জানি হামু সত্য বাণী বোল।
ডাকি কৰহু নৰ হৰি হৰি ৰোল॥

শুন সখি! বচন স্বৰূপ।
কি কহব বামক ৰূপ॥
শ্যাম মূৰুতি পীতবাস।
ঘনে যথ বিজুৰী বিকাশ॥

মস্তক চত্ৰক বেশ।
নীল আকুঞ্চিত কেশ॥
ৰুচিকৰ কৰ্ণ অতুল।
নাসা নীল তিলফুল॥

বদন ইন্দু পৰকাশ।
অৰুণ অধৰ মন্দ হাঁস॥
ওতিম দশনক পান্তি।
মাণিক ঝিক মিক কান্তি॥

মদনক ধনু ভ্ৰূভঙ্গ।
ভুজ যুগ বলিত ভুজঙ্গ॥
নয়ন পঙ্কজ নব পাতা।
কৰতল উতপল ৰাতা॥

অঙ্গুলি ললিত অমোল।
নখচয় চান্দক তুল॥
সুন্দৰ উদৰ কটি স্কন্ধ।
শোহে সিংহক বন্ধ॥

উৰু কৰী-কৰ নিৰমাণ।
চৰণ কমল-কোষ শ্যাম॥
পদতল ৰাতুল কান্তি।
ধ্বজ যথ পঙ্কজ পান্তি॥

মানুষ ঐসন ৰূপ।
নাহি মোহি কহিলোঁ স্বৰূপ॥
নবীন বয়স সুকুমাৰ।
নাৰায়ণ অংশ অৱতাৰ॥

কিনো ভেলি ভাগ্য তোহাৰি।
তুহোঁ নব তৰুণী কুমাৰী॥
বিধি মিলাৱত আনি।
তেৰি মনোৰথ জানি॥

অব সব পূৰব আশ।
বিৰহ দুখ গেল নাশ॥
পাৱব স্বামীক কোল।
কৰ নব হৰি হৰি ৰোল॥

---

বড় গীত।

ৰাগ—আশোৱাৰী।

জয় জয় যাদৱ, জলনিধিজা-ধৱ ধাতা,
শ্রুত মাত্রা-খিলত্রাতা।
স্মৰণে কৰয় সিদ্ধি, দীন দয়ানিধি,
ভকত মুকুতি পদ দাতা॥ ধ্রুং॥
জগজন জীৱন, অজন জনাৰ্দ্দন
দনুজ দমন দুখহাৰী।
মহদানন্দ কন্দ পৰমানন্দ
নন্দ নন্দন বনচাৰী॥
বিবিধ বিহাৰ বিশাৰদ শাৰদ
ইন্দু নিন্দি পৰকাশি।
শেষ শিৱ শয়ন কেশী-বিনাশন
পীত বসন অবিনাশী॥
জগত বন্ধু বিধু মাধৱ মধুৰিপু
মধুৰ মূৰুতি মুৰনাশী।
কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ
শঙ্কৰ এনু অভিলাষী॥

---

বাগ—নাট মল্লাৰ ।

মধুৰ মূৰুতি মুৰাৰু ।
মন দেখ হৃদয়ে হামাৰু ॥
ৰূপে অনঙ্গ সঙ্গে তুলনা ।
তনু কোটী সূৰুয উজিয়াৰু ॥ ধ্রুং ॥
মকৰ কুণ্ডল গণ্ড মণ্ডিত ।
খণ্ডিত চান্দ ৰুচিস্মিত হাসা ॥
কনক কিৰীট জড়িত ৰতনা ।
নব নীৰজ নয়ন বিকাশা ॥
চতুৰ উজ্বৰ কৰ কঙ্কন ।
কেয়ূৰ ভুজমহ মোতিম হাৰু ॥
লীলা বিনোদী কম্বু ।
কৌমুদী চক্র কেবিকঞ্জনধাৰু ॥
শ্যাম শৰীৰ বচিত পীত ।
অম্বৰ উৰে বনমালা লোলে ॥
কৌস্তুভ শোভি কণ্ঠ ।
কটি কাঞ্চী কিঙ্কিণী কনয়া দোলে ॥
অৰবিন্দ নিন্দি গাৱ নৱপল্লৱ ।
ৰতন নূপুৰ পৰকাশা ॥
ভকত পৰম ধন তাহে মজোক মন ।
শঙ্কৰ এহু অভিলাষা ॥

---

বাগ—ধনশ্রী ।

শাৰঙ্গপাণি, পাহে পামৰমতি হামি ।
নিৰয় নিবাৰ, অৱৰি নাহি হেৰহোঁ বিনে চৰণ তছু স্বামী ॥ ধ্রুং ॥

জৰা মৰণ মেৰি নিকটহি আয়া
কায়া পড় কেতি বেৰি ।
কৰতহু পাপ সমাপল আৱি
ভাবি-চৰণ না তেৰি ॥

দেখহু খীন দিন দিন দেহা
আধি ব্যাধিবিঘাত।
অন্তকালে গতি মেৰি কমলা পতি
শঙ্কৰ কৰ প্ৰণিপাত॥

---

## ৰাগ—গৌৰী।

নাহি নাহি ৰময়া বিনে তাপ তাৰক কোই।
পৰমানন্দ পদ মকৰন্দ সেবহু মন মোই॥ ধ্ৰুং॥
তীৰিথ বৰত তপ জপ যাগ যোগ যুগুতি।
মন্ত্ৰ পৰম ধৰম কৰম কৰত নাহি মুকুতি॥
মাতা পিতা পতনী তনয় জনয় সব মৰণা।
ছাড়হু ধন্ধ মানস অন্ধ ধৰতু হৰি চৰণা॥
কৃষ্ণ কিঙ্কৰ শঙ্কৰ কহ বিছুৰি বিষয় কামা।
ৰাম চৰণ লেহু শৰণ জপ গোবিন্দক নামা॥

---

## ৰাগ—সুহাই।

শ্ৰীৰাম! মই অতি পাপী পামৰ তেৰি ভাবনা নাই।
জনম চিন্তামণি কাহে গয়ো যচ কাচক লাই॥ ধ্ৰুং॥
দিবসে বিষয় বিয়াকুল নিশি শয়নে গোৱাই।
মনে ধন খোজি বিমোহিত তেৰি আৰতি নাপাই॥
হৃদয় কমলে হৰি বৈঠহ চিন্তো চৰণ না তেৰি।
কৰল গৰল যচ ভোজন হামো অমিয়া হেৰি॥
পৰম মূৰুখ হামো মাধৱ একু ভকতি নাজানা।
দাস দাস বুলি তাৰহু এহু শঙ্কৰ ভাণা॥

---

ৰাগ—বসন্ত।

কৈছে নৰহৰি তৰণ উপায়।
নাশ সকলে কৈলোঁ বিষয় লোভাই ॥ ধ্রু ॥
অথিৰ জীৱন ধন যৌৱন দেহ।
সুহৃদ সোদৰ সুত কিছু নোহে কেহ।
পেখিতে অমিয়া ৰস বিষ পৰিণাম।
ভগিয়ে মজাইলোঁ মন মেৰি ৰাম ॥
নিৰমিল বিষ বিম্ব কামিনী লোহ।
তাসু পড়ল মেৰি এমন মোহ ॥
তাকৰ ছোড়াইতে সথ নাহি থিক।
গুৰুৱা মনোৰথ বাঢ়িল ধিক ॥
জনমে জনমে হামো দাসকু দাস।
কেশৱ অবহু ছোড়হু মোহ পাশ ॥
শমনক লাই জীৱ বড় ডোৰ।
শঙ্কৰ কহ হৰি সেৱক তোৰ ॥

---

ৰাগ—শ্ৰী।

গোপাল কি গতি কৈলে গোবিন্দে কিমতি দিলে
নাথ বিফলে বয়স সব গেলৰে ॥ ধ্রুং ॥
এ ভৱ গহন বন আতি মোহ পাশে ছন্ন
তাতে হামো হৰিণ বেড়ায়।
ফন্দিলোঁ মায়াৰ পাশে কাল ব্যাধে ধায়া আসে
কাম ক্রোধ কুত্তা খেদি খায় ॥
হৰাইল চেতন হৰি নজানো কি মতে তৰি
গুণিতে দগধ ভেল জীৱ।
লোভ মোহ দুহোঁ বাঘ সততে ন ছাড়ে লাগ
ৰাখু ৰাখু সদাশিৱ ॥

পলাইতে নেদেখোঁ সন্ধি দিনে দিনে দৃঢ় বন্দী
ভৈলোঁ মন্দ মনৰ যুগুতি।
তুৱা হৰি লাগো গোড় মোৰ মায়াপাশ ছোড়
শঙ্কৰ কৰয় কাকুতি॥

---

## ৰাগ—কেদাৰ।

পাৱে পড়ি হৰি কৰতোঁ কাতৰি প্ৰাণ ৰাখবি মোৰ।
বিষয় বিষধৰ বিষে জৰজৰ জীৱন নাৰহে থোৰ॥ ধ্ৰুং॥
অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহি অসাৰ
কৰবো কাহেৰি সাৰ॥
কমলদল জল চিত্ত চঞ্চল
থিৰ নোহে তিল এক।
নহি ভয়ো ভৱ ভোগে হৰি হৰি
পৰম্পদ পৰতেক॥
কহতু শঙ্কৰ এ দুখ সাগৰ
পাৰ কৰু হৃষীকেশ।
তুহু গতি মতি দেহু শ্ৰীপতি
তত্ত্ব পন্থ উপদেশ॥

---

## ৰাগ—তুৰবসন্ত।

কহৰে উদ্ধৱ কহ প্ৰাণেৰ বান্ধৱ হে প্ৰাণ কৃষ্ণ কবে আৱে।
পুছয়ো গোপী প্ৰেম আকুল ভাৱে, নাহি চেতন গাৱে॥ ধ্ৰুং॥
বাছুৰি ধ্বনি শুনি গোবৎস পেখি।
লাগে আগি গাৱে উদ্ধৱ সখি॥
কালিন্দী দেখি সখি! ফুটয় বুক।
এথায়ে খোলাইছিলোঁ সে চান্দ মুখ॥

হৰিল নয়ন সুখ।
বিৰিন্দাবন বৈৰী হামাৰ ভেলি॥
পেখিতে না বিছাৰোঁ গোপাল কেলি।
ধ্বজবজ্র হৰি পঙ্কজ পায়॥
তথায়ে কান্দোঁ হামু লোটায়া কায়।
গুণ গোবিন্দ গায়॥
কৃষ্ণ সূৰ্য্যে বিনে ব্ৰজ আন্ধাৰ।
নেদেখোঁ এদুখ অবধি পাৰ॥
আৰ কি পেখবো গোপাল প্ৰাণ।
কৃষ্ণ কিঙ্কৰ শঙ্কৰ ভাণ হৰিকো হৃদয়ে জান॥

---

## ৰাগ—কৈল্যাণ।

উদ্ধৱ বন্ধু মধুপুৰী ৰহল মুৰাৰু।
কাহে নাহেৰি, ৰহব অব জীৱন,
বন ভয়ো ভবন হামাৰু॥ ধ্ৰুং॥
যাহে বিযোগ আগি অঙ্গ তাৱয়
তিল একু ৰহয়ে নাপাৰি।
সোহি ব্ৰজ সূৰ দূৰ গয়ো গোবিন্দ
দিশ দশ দিবসে আন্ধাৰি॥
ভয়া মৰণ ওহি সোহি হৰি চৰণকু
বিছুৰি ৰহয়ে নপায়।
দেখন্ত কালিন্দী গিৰি বিৰিন্দাবন
তনু মন দহয়ে সদায়॥
ব্ৰজ জন জীৱন বহুৰি নাহি আৱত
হামাকু কৰত অনাথা।
গোপিণী প্ৰেম পৰশি নীৰ ঝুৰয়
শঙ্কৰ কহ গুণ নাথ॥

---

## চতিহা।

ক—ই বোলে কলিযুগে ৰামনামে সাৰ।
খ—ই বোলে খেনে খেনে কৰিয়ো উচাৰ॥
গ—ই বোলে গৰ্ব্ব নকৰিবা একো নৰ।
ঘ—ই বোলে ঘনে হৰি ঘুষিয়ো সত্বৰ॥
ঙ—ই বোলে লয়ো সঙ্গ ভকত জনৰ।
চ—ই বোলে চৰিত্ৰ বৰ্ণায়ো গোবিন্দৰ॥
ছ—ই বোলে চাণ্ডালকো নামে শুধ কৰে।
জ—ই বোলে জয়ধনি কৰে যিতো নৰে॥
ঝ—ই বোলে যিতো কৰে নামক যতন।
ঞ—ই বোলে নিজ পদ দেন্ত নাৰায়ণ॥
ট—ই বোলে টল্‌বল্ জীৱন চঞ্চল।
ঠ—ই বোলে থোসমোস ভাগিবে সকল।
ড—ই বোলে ডাকিয়া কৰিয়ো হৰি ধনি॥
ঢ—ই বোলে ঢলিয়া পৰক সিদ্ধ মুনি।
ণ—ই বোলে লৈয়ো নাম ধৰ্ম্ম শিৰোমণি।
ত—ই বোলে তাৰন্তা নাহিকে হৰি বিনি॥
থ—ই বোলে থিৰ বুধি কৰি লোৱা নৰ।
দ—ই বোলে দৰ্পচূৰ কৰা পাতেকৰ॥
ধ—ই বোলে ধৰ্ম্ম নাই ৰাম নাম সম।
ন—ই বোলে নাৰায়ণ নাম নৰোত্তম॥
প—ই বোলে পৰমতো পৰম মধুৰ।
ফ—ই বোলে ফুৰে গাই সেহি সে চতুৰ॥
ব—ই বোলে বহুবিধ ভকতি আছয়।
ভ—ই বোলে ভকত জনেসে আচৰয়॥
ম—ই বোলে মধুৰতো পৰম মধুৰ।
য—ই বোলে যিতো কৰে সেহি সে চতুৰ॥
ৰ—ই বোলে ৰাম নামে পাপৰ অসনি।
ল—ই বোলে লোৱা নাম ধৰ্ম্ম শিৰোমণি॥

ৰ—ই বোলে অমৃত তো স্বাদযুক্ত আতি।
শ—ই বোলে সাধু সব পিয়া কর্ণ পাতি॥
ষ—ই বোলে সনক সুনন্দ সিদ্ধ মুনি।
স—ই বোলে সিসবো নতৰে হৰি বিনি॥
হ—ই বোলে হৰিনাম ডাকি লৈয়ো নৰ।
ক্ষ—ই বোলে ক্ষয়ঙ্কাৰ কৰা পাতেকৰ॥

---

অঙ্কীয়া নাট।

## পাৰিজাত হৰণ।

শ্রীকৃষ্ণায় নমঃ।

সূত্রধাৰী। নমঃ কৃষ্ণ বিষ্ণো-ব্যক্তপৰানন্তশক্তে
নমো ৰাম ৰাজীবনেত্র প্রভো মে
নমো ব্রহ্মমূর্ত্তে মুৰাৰে পৰেশ
নমো বিশ্ববাস প্রসীদ প্রসীদ।
অপিচ—
খগেন্দ্রং সমাৰুহ্য নির্জ্জিত্য শক্রম্
মুদা লীলয়া দেবকীগর্ভজাতঃ।
প্রিয়ঃ পাৰিজাতং জহাৰ প্রিয়ার্থং
পৰেশায় কৃষ্ণায় তস্মৈ নমস্তে॥

পহিলহি শ্রীকৃষ্ণক প্রণাম কয় কহো। সভাসদ লোকক সম্বুধি বোল।

ভো ভো সামাজিকা ঈশকৃষ্ণস্য জগতঃ পতে শ্রীপাৰিজাতহৰণযাত্রাং সম্প্রাতি পশ্যত।

জয় জয় কৃষ্ণ দেব-অংশ লীলা-নাশিত কংশ সবংশ।
জাকেৰি চৰিত্র ভকত অৱতংশ॥
কমলা কেলী-কমল কল হংস।
তনু ইন্দিবৰ-শ্যামল চোৰি।
তথি পৰকাশিত পীত পিচোৰি॥

তড়িত জড়িত জচ নভখণ্ড।
মকৰ কুণ্ডল মণ্ডিত গণ্ড॥
কনককিৰীটি ৰতন অৱভাস।
কুঞ্চিত চাৰুচিকুৰ পৰকাশ॥
ৰুচিকৰ কৰ্ণ ভূৱন মনভুল।
নাসা নীলৰতন তিল ফুল॥
নয়ন কমল মুহ পঙ্কজ জোৰ।
এহু মিলল জচ চান্দচকোৰ॥
মাণিক দশন, হাস তথি থোৰ।
আৰকত অধৰ বন্দুলী-ৰুচি চোৰ॥
ৰুচিৰ শ্ৰীমুখ পেখি হৰু তাপ।
ভ্ৰুৱ যুগ গঞ্জি মদনকেৰি চাপ॥
কুটিল অলক তিলক কপোল।
হৃদয়ে হেমক হাৰ অমোল॥
ওতিম মোতিম মালা লোলে।
কৌস্তুভ কম্বু কণ্ঠ সহ ডোলে॥
চাৰু উদৰ দৰ হৃদয় বিসাল।
লম্বিত পঞ্চ বৰণ বনমাল॥
চঞ্চৰ চাঞ্চৰ মধুকৰ লোহে।
শ্ৰীশ্ৰীবৎস উৰথল শোহে॥
চাৰু চতুৰ ভূজ অঙ্গ ভুৱঙ্গ।
ৰতন কেয়ূৰ উজোৰত অঙ্গ॥
কঙ্কণ কনক ঝণক কৰ মূল।
কৰতল ৰাত উতপল তূল॥
আঙ্গুলী চাৰুহি ৰহ হেম মোতি।
নখমণি নিন্দি চান্দক জোতি॥
অৰী অৰবিন্দ কৌমুদী কম্বু পানি।
কোকিলক কণ্ঠ অমিয়া ঝুৰে বাণি॥
নাভি কুণ্ড ৰঞ্জ অনুপাম।
বিহিক জনম ভেলি জেহি ঠাম॥

কটি তট কনক কাঞ্চি পৰিবন্ত।
উৰু কৰিকৰ বৰ মৰকত তন্ত॥
লম্বি নিতম্ব পীতৰুচি চীৰ।
পদপঙ্কজ ঝৰে ৰতন মঞ্জীৰ॥
নাল অঙ্গুলী যচ চম্পক কোৰ।
নখচয় চাৰুচান্দ উজোৰ॥
কোমল পদতল আৰকত ভান্তি।
ধ্বজ পঙ্কজ যৱ অঙ্কুশ পান্তি॥
পাশ লাস শ্বেত চামৰ ঢোল।
সঞ্চৰে ৰাজ হংস দোহো কোল॥
মাথে ছত্র চাৰু শশী কান্ত।
বৰিষে সিকৰ অমিয়া নিতান্ত॥
মধুৰি মুকুতি ভকতমন পূৰ।
মনমথ কোটি যাহে নুহি ওৰ॥
হোই জব নীল নৱঘন খণ্ড।
উপৰে ৰহ ৰবিকৰ পৰচণ্ড॥
পূৰ্ণিমাক চান্দ দুহো দহো পাশ।
তথি কৰু ইন্দ্র চাপ পৰকাশ॥
বহে দুহো ধাৰা সুৰ সৰিনীৰ।
উজুৰি বিজুৰি ৰহত তথি থিৰ॥
অভিনৱ সুৰ উগত তথি মাঝে।
তাহে লম্বি বক পঁকতি বিৰাজে॥
তাৰা জিক মিক কৰো বহু ঠাম।
তব হোই সোই মুকুতি উপাম॥
ৰক্ত হৃদি পঙ্কজ সোহি মুৰাৰি।
অব সব লোই দেখু বিচাৰি॥
কোটি কলপ তৰু পূৰণ কাম।
ঐচনই ধৰহে নিজ ঠাম॥
তাহে চৰণ চেত চিন্ত লাই।
তনু চিন্তামণি বিফলহি জাই॥

আৰে নিকট নীত অন্তকে গৰজি।
লেহু হৰিচৰণে শৰণ বৰজি ॥
জো মুহে ৰাম নাম নাহি অংশে।
কলিযুগে কাল ভুজঙ্গম দংশে ॥
সোহি কৃষ্ণক নাট উপাম।
পাৰিজাত হৰণ আহেৰ নাম ॥
ভকতিক সাধি শুনহ সব লোই।
হৰি বিনে বান্ধব আন নাই কোই ॥
কৃষ্ণ-কিঙ্কৰ ওহি শঙ্কৰ বোল।
কৰ অব সব নৰ হৰি হৰি ৰোল ॥

আহে সমাজিক লোক! জে জগতক পৰম গুৰু,জাহেৰি প্ৰজনা সকল সংসাৰ, ব্ৰহ্মা মহেশ বন্দিত পাদপদ্ম, পৰম পুৰুষ পুৰুষোত্তম ৰুক্মিণী সত্যভামা সহিত ওহি সভামধ্যে কহো—নৰকাসুৰ বধ—পাৰিজাত হৰণ লীলা যাত্ৰা কৌতুকে কৰব, তাহে সাৱধানে দেখহ শুনহ। অতঃ পৰে পুণ্য কলিত নাহি নাহি জানি নিৰন্তৰে হৰি বোল। আহে সঙ্গি! কি বাদ্য বাজত?

সঙ্গী। আহে! দেৱ বাদ্য বাজত। আঃ মিলল।

সূত্ৰ। প্ৰবেশমকৰোৎ দেবো গোৱিন্দো গৰুড়াসনঃ।
ৰুক্মিণী সত্যভামাভ্যাং সহ চাৰু চতুৰ্ভুজঃ ॥

আহে লোক! হামু যে কহল সোহি পৰমেশ্বৰ শ্ৰীকৃষ্ণ সভাৰ্য্যা যাত্ৰা নিমিত্ত এথাৱতহ। পৰম সাৱধান হুয়া দেখহ শুনহ নিৰন্তৰে হৰি বোল।

শ্যাম মুৰুতি দীপিতি পীত বাস।
মুকুট কুণ্ডল মণি মুখ পৰকাশ ॥
কৰে কঙ্কণ বনমালা উৰে ডোলে।
চৰণক মাঝে মঞ্জীৰ কৰ ৰোলে ॥
কোটি মদন জিনি উজল মুৰাৰী।
সঙ্গে সত্যভামা ৰুক্মিণী বৰ নাৰী ॥
শৰীৰক জ্যোতি জলয় দিশ পাশ।
কহ শঙ্কৰ হৰি দাসক দাস ॥

আহে সভাসদ লোক! শ্ৰীকৃষ্ণ পত্নী সব সহিত কৌতুকে নৃত্য কয় কহো ৰুক্মিণী সহিতে এক মন্দিৰে ৰহল সত্যভামা নিজ মন্দিৰে ৰহল।

পশ্য পুৰন্দৰো দেৱো নাৰদেন সমাগতঃ।
প্ৰণম্য কেশৱং সৰ্ব্বং প্ৰোবাচ ভৌমচেষ্টিতং ॥

তদন্তৰ দেৱতা ইন্দ্ৰ নাৰদ সহিত আসি কহো শ্ৰীকৃষ্ণক শিৰে প্ৰণাম কয় নৰকাসুৰক বিচেষ্টা জৈচে নিবেদল, নাৰদ আশীৰ্ব্বাদ কয় শ্ৰীকৃষ্ণক হাতে জৈচে পাৰিজাত নিৱেদল, ৰুক্মিণীক মাগে জগতক নাগে জৈচে পিন্ধাৱল, আহে লোক তাহা দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

গীত-ৰাগ-আশোৱাৰি।

পৰিতাল।

ঐৰাৱত স্কন্ধে বাসৱ আৱে।
আসহি নাৰদ হৰি গুণ গাৱে ॥
পদ ॥ সুন্দৰী ৰমণী শচী এহু পাশে।
চলল ভ্ৰুভঙ্গ লয় লাসে ॥
মাথে ছত্ৰ বজ্ৰ এক হাতে।
কহ শঙ্কৰ নতি গোপিনী নাথে ॥

তদন্তৰ নাৰদক দেখি শ্ৰীকৃষ্ণ সভাৰ্য্যে উঠি কহু সপাট প্ৰণাম কয়ল।

নাৰদ। ( হাত তুলি ) চিৰঞ্জীৱ!

জয় জয় যদুদেৱো দেৱকীনন্দনস্ত্বং
ভুবনপতি সমস্তৈঃসেৱিতাঙ্ঘ্ৰীঃ সদৈৱ
নিজজন-ভয়হাৰী সৃষ্টি-সংহাৰ-কাৰী
অসুৰ-নৰকতস্ত্বং সাম্প্ৰতং ত্ৰাহি দেৱান্।

সূত্ৰ। আশীৰ্ব্বাদ কয় কৃষ্ণক হাতে পাৰিজাত দিয়ে নাৰদ তাহেক মহিমা কহল।

নাৰদ। হে কৃষ্ণ ওহি পাৰিজাতক গন্ধ তিনি প্ৰহৰক পথ যাই। ওহি পাৰিজাত যাহেক গৃহে ৰহে ধন জন বিভৱ তাহেক ছাড়য়ে নাহি। ওহি দেৱ দুৰ্ল্লভ পাৰিজাত যে নাৰী পৰিধান কৰে সে পুষ্পক মহিমায়ে পৰম সৌভাগিনী হয়। তাহাক ছাড়ি স্বামী কথাৱ যাইতে নাহি। আঃ ওহি কুসুমক মহিমা কি কহব!

( মৌনে বৈঠল )

সূত্ৰ। শ্ৰুত্বা কুসুমমাহাত্ম্যং ৰুক্মিণী কেশৱপ্ৰিয়া।
প্ৰণম্য স্বামি-চৰণং পাৰিজাতমযাচত ॥

মুনিক মুখে কুসুম মাহাত্ম্য শুনি রুক্মিণী পৰম কৌতুকে কৃষ্ণক গোৰে লাগি কৰযোৰে বোলল;

ৰুক্মিণী। (কৰযোৰে) হে স্বামি হামি তোহোক প্ৰথম পত্নী জানি ওহি দেৱ দুৰ্লভ পাৰিজাত প্ৰাণনাথ! হামাক দেহু!

সূত্ৰ। ৰাগ-শ্ৰীগান্ধাৰ—মান-জতি।

কৌতুকে রুকমিণী নমিয়ে স্বামীক পাৱে
মাগে আঞ্জুৰি যুৰি হাত॥
অব প্ৰাণনাথ মাথে মিলাৱয় মোহি
ওহি কুসুম পাৰিজাত॥

পদ। আহেৰ গুণ শুনি মুনি মুখে মাধৱ
সাধু অতয়ে তোই মান॥
ভকত কৃপাল লাগো চৰণ তেৰি
কৰহু কুসুম মোহি দান॥
তোহোৰি প্ৰথম পতনী পৰম স্বামি।
জানি পুৰহ মোহি আশা॥
ধনীক বাণী শুনি হাসে ৰসিক হৰি
কহতু শঙ্কৰ কৃষ্ণ দাসা॥

তদন্তৰ ৰুক্মিণীক অতি কাতৰ বাণী শুনি শ্ৰীকৃষ্ণ হাসি হাসি হাতে তুলি প্ৰিয়াক গৌৰবে কোলে বৈঠাই কৌতুকে জগতক নাথে ৰুক্মিণীক মাথে পাৰিজাত পিন্ধাৱল। ৰমণীক বাঞ্ছা সফল ভেল। তদন্তৰ প্ৰিয়া সহিত শ্ৰীকৃষ্ণ নাৰদক সাদৰে বাৰ্ত্তা পুছত।

শ্ৰীকৃষ্ণ। হে মুনিৰাজ! তুহু কুশলে আৱল। অঃ তোহাৰি আগমনে আজু হামাৰি দ্বাৰকাপুৰি পবিত্ৰ ভেল। তোহাৰি দৰশনে হামু কৃতাৰ্থ ভৈলো।

সূত্ৰ। কৃষ্ণস্য বচনং শ্ৰুত্বা বিহস্যোবাচ নাৰদঃ।
নিজভৃত্যস্তবৈৱাহং মন্নী মায়াং কৰোষি কিম্॥

নাৰদ। হে স্বামী কৃষ্ণ! মনুষ্য চেষ্টা দেখায়া সব লোক মোহিছ; তোহোক ঈশ্বৰ বুলি জানয়ে নাহি। হামো তোহাৰি ভকতিক বলে সব জানি। হামাকু মোহিতে চাৱ। অঃ স্বামী! শুনহ।

হে পৰমেশ্বৰ জগত নিবাস।
হামু নাৰদ তুৱা চৰনক দাস॥

ভৰামি দশ দিশ তুৱা গুণ গায়া!
হামাকু আগু কৰসি ওহি মায়া ॥
জগত উদ্ধাবল যাহে চৰিত্র।
তাহেক হামো কয়লি পবিত্র ॥
যাহেবি নামে মুকুতি পদ পাই।
সো হৰি কৰ তুতি নতি কতি লাই ॥
তুহু জগতক গুৰু দেৱক দেৱা।
তোহাৰি চৰণে ৰহোক মোৰ সেৱা ॥
মুখে যেন নোচোড়োহো তুৱা গুণ নাম।
মাগো অভয় বৰ তোহাৰি ঠাম ॥

হে কৃষ্ণ! তোহো পৰম পুৰুষ নাৰায়ণ। ভুমিক ভাৰ হৰণ নিমিত্ত অৱতৰিছ। সাম্প্রত পাপী নৰকাসুৰে দেৱতা সবক বহুত দুখ লগাৱ। তন্নিমিত্ত শচী সহিত ইন্দ্র দেৱতা তোহাৰি চৰণে শৰণ লেলহ। হে শ্রীকৃষ্ণ দেখু দেখু।

( মৌন ৰহল )।

সূত্র। ওহি বুলি নাৰদ মৌনে ৰহল। তদন্তৰ কৃষ্ণক আগু পৰি পুৰন্দৰ প্রণাম কয় কহু সভার্য্যে কৰ যোড়ি তুতি বোল, তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

( সভাৰ্য্যা-পুৰন্দৰ সভামধ্যে প্রবেশ কয়ল )।

পয়াৰ।

পুৰন্দৰ ॥ জয় জয় যাদৱ দেৱ, জয় ধাতাকৃত্য সেৱ।
জয় ভকত ভয় হাৰী, জয় জয় ঈশ্বৰ মুৰাৰী ॥
জাকেৰি নাম উচ্চাৰি, পাই পদ ৰস চাৰি।
জীৱ নিয়ন্তা তুহু আত্মজ, বন্দো তুৱা পদ পঙ্কজ।
অঘ বক ধেনু কংশ, মাৰল অসুৰ সব সবংশ ॥
হৰলি ভুমিকেৰি ভাৰ, ভকত হেতু অৱতাৰ।
সাম্প্রত গোচৰ হামাৰি, বান্ধৱ শুনহ মুৰাৰী ॥
অব নৰকাসুৰ পাপ, কৰই বড়ি উপতাপ।
আনল স্বৰ্গক মাৰি, দেৱক যতেক কুমাৰী।
সৰ্ব্বস্ব নৰহে হামাৰি, তৱ পাৱে কয়লো গোহাৰি ॥

হে স্বামি কৃষ্ণ! পাপী নৰকাসুৰে কোন নকৰল। বৰুণক মণিপৰ্ব্বত এসব কাঢ়ি আনল। হে কৃষ্ণ কি কহব! মাতৃ আদিতিক কুণ্ডল দোহো ৰাখয়ে নাহি পাবল। আব হামাব হৈতে কি ৰহল!! হে শ্ৰীকৃষ্ণ কোটি ব্ৰহ্মাণ্ডেশ্বৰ! তোহাবি চৰণ ছাড়ি হামাৰ গতি নাহি। বাপ জগন্নাথ! ত্ৰাহি ত্ৰাহি!!

সূত্ৰ। ওহি বুলি পুৰন্দৰ কৃষ্ণক আগু কান্দি পৰল।

দৃষ্ট্বা দুঃখং মহেন্দ্ৰস্য শ্ৰুত্বা চ ভৌম-চেষ্টিতং।
সংস্পৃশ্য বাসৱং হস্তে গৃহীত্বোৱাচ কেশৱঃ॥

শ্ৰীকৃষ্ণ। হে পুৰন্দৰ! তুহো তাপ তেজহ। তোহাৰি বৈৰী নৰকাসুৰ সে গতায়ু ভেল। তাহেক মাৰি দেৱতা সৱক প্ৰয়োজন সত্বৰে সাধব। ওহি নিষ্ঠ জানি তোহো আগ হুয়া অমৰাবতী চলহ। নৰকাসুৰ বধিতে আজু হামু পয়াণ কৰব।

নাৰদ। হে পুৰন্দৰ! শ্ৰীকৃষ্ণ যেখনে অঙ্গীকাৰ কয়ল, তোহাৰ শত্ৰু তেখনে কন্ধপাত ভেল। ইয়াত শঙ্কা নাহি তুহো আগু হুয়া চলয। তোহোক নিমিত্ত শ্ৰীকৃষ্ণ কাতৰ কয় হামু পাচ লৈয়া যাৱয়। চিন্তা নাহি, চলহ।

সূত্ৰ। ওহি নিৰ্ভয় বাণি শুনিয়া বাসৱ কৃষ্ণ নাৰদক প্ৰদক্ষিণ কৰি ৱহো পৰি পৰিণাম কয়ল। বিদায় লৈ। ঐৰাৱতে চড়ি ইন্দ্ৰ চলল।

পৰং মাধৱ মহেন্দ্ৰং গন্তুং ত্বৰস্ব কেশব
দ্বাৰাবত্যাঃ শ্ৰিয়ং পশ্যন্নেস্যামি চান্তিকন্তৱ।

নাৰদ। হে কৃষ্ণ! তোহো চলিবাক সত্বৰমায়হ। হামু তোহাৰি দ্বাৰিকা পুৰক কৌতুক তুখিয়ে এইখনে আৱব।

সূত্ৰ। ওহি বুলি নাৰদ জৈচে চলল তাহে দেখহ শুনহ নিৰন্তৰে হৰি-বোল হৰি।

ৰাগ—গান্ধাৰ।

চলল নাৰদ হৰিগুণ গাই।
ভৰমে দ্বাৰকাপুৰ সম্পতি চাই॥
ৰতনে ৰচিত যত হৰিক আৱাস
জৈচে সুৰপুৰ কৰ পৰকাশ॥
পেখল পাচু ভুবনঅনুপামা।
আসনে ঠিক বৈঠে সত্যভামা॥

পূর্ণিমাক চান্দ বদন পৰকাশ।
চিৰঞ্জীৱ বুলি নাৰদ কৰে হাস॥
দেখি মুনিক ধনী অৱনত কায়।
পৰি পৰণাম কয়লি পুনু মাই॥
জীৱতু জীৱতু নাৰদ বোল।
ডাকি কৰহু নৰ হৰি হৰি বোল॥

তদন্তৰ বসুৱ আসনক পাড়ল। মুনি আসন ভিড়ি তথি বৈঠল।

নাৰদঃ সাদৰং দেবী সম্বোধ্যাহ হৰিপ্ৰিয়াং।
কৃষ্ণস্য কৰ্ম্ম বিষমং সত্যভামে নিবোধসে॥

নাৰদ। আঃ হে দেবি সত্যভামা! তোহাৰি স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল। হা হা মাৱ! তোহো দুৰ্ভগা ভেলি। হামু আজু সে জানল।

সত্যভামা। হে মুনিৰাজ! তুহু কি কইছে। হামু কিছু বুজয়ে নাহি।

নাৰদ। হা হা তোহোক বিধি বঞ্চল। হে মাৱ! কি কহব! কহিতে বৰ দুখ লাগে। (হেট মাথ ৰহল।)

সূত্ৰ। সত্যভামা ভয়াদ্‌ভীতা নিশম্য মুনিভাষিতং।
দৃষ্টং কথয় কিং কুত্ৰ ত্বং পৃচ্ছসি পুনঃ পুনঃ॥

সত্যভামা। (ভীত হুয়া কৰযোৰি) হে মুনিৰাজ! হামো জানো মোহি সম সৌভাগিনী আৱৰি নাহি। সে স্বামী কৃষ্ণ হামাক চাড়ি কতিহো যাবে নাহি। তুহু আজু কোন ঠামে কি দেখল কি শুনল, হামাক শপথ সত্বৰে স্বৰূপ বাত কহ। চিত্ত বৰি উদ্বেগ কৰয়!!

সূত্ৰ। পৃষ্ট্বা দেব্যা সনিৰ্ব্বন্ধং কথয়ামাস সাদৰং।
কৃষ্ণস্য চৰিতং সৰ্ব্বং ৰোৰুদ্যমান নাৰদঃ॥

দেবীক নিৰ্ব্বন্ধ দেখি মুনি বোলল—

নাৰদ। হা হা হে মাৱ! কি কহব। এসব কথা কহিতে দোষ। হাম দেৱদুৰ্ল্লভ পাৰিজাত পুষ্প স্বৰ্গ হন্তে আনি কৃষ্ণক হাতে দেলো। সে পাৰিজাত যে কুমাৰী পৰিধান কৰে সে পুষ্পক মহিমায়ে পৰম সৌভাগিনী হয়। ইহা জানি হামু বোলল, ওহি পাৰিজাতক যোগ্য সত্যভামা। তথি কৃষ্ণে কয়লি কি, তোহাক কটাক্ষ কৰিয়ে আপুন হাতে প্ৰিয়া ৰুক্মিণীক মাথে পৰম সাদৰে সে দিব্য পাৰিজাত পিন্ধাৱল। আঃ তোহোক জীৱন ধিক ধিক। সতিনীক অভ্যুদয় দেখি কি নিমিত্ত প্ৰাণ ধৰহ। মাৱ! তুহু জীৱন্তে মৰল! হা হা বিস্তৰ কি কহব!

সূত্র। মুনের্ব্বচনমাকর্ণ্য শোক-কোপ-পবিপ্লুতা।
মূৰ্চ্ছিতা পতিতা ভূমৌ যথা বাতাহতা লতা ॥

তদন্তব নাবদ মুখে সতিনীক মহোদয় শুনি কহো কোপ অপমানে আন্ধাৰি দেখিয়ে দেবী সত্যভামা মূৰ্চ্ছিত হুয়া পবল। জৈচে লৱঙ্গলতা বাতে উৎপাড়ল। তদ্বতং কেশ মুক্ত ভেল। মুখে বচন হবল। নাসাত প্রাণ বায়ু নেখেলে।

ইন্দুমতী। হা হা প্রাণ সখি! মবল—(বাহু মেলি ধৰল, শিৰে জল সিঞ্চল, আশ্বোবে বিঞ্চি প্রবোধ বোলল) হে প্রাণ সখি! সতিনীক অপমানে মৰিতে চাব। ওহি কোন ব্যৱহাৰ!! অঃ সে প্রাণ মাধৱ স্বামী তোহাৰি মান সাধব নাহি। মাব! ওহি দুৰন্ত চিন্তা পৰিহৰ।

সূত্র। কথঞ্চিৎ চেতনাং প্রাপ্য লব্ধ্বা দেবী পুনঃ পুনঃ।
বিনিশ্বস্যাপমানেন ৰুৰোদ সখী-সন্নিধৌ ॥

সে দেবী সত্যভামা কথঞ্চিত চেতন লভিয়ে ঘন ঘন নিশ্বাস ফোকাৰি জৈচে সন্তাপ কয়ল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল্ হৰি।

ৰাগ কৈল্যাণ—জতিমান।

মানিনী মাই নয়ন পঙ্কজ জুৰে বাৰি।
ফোকাবয় শ্বাস হ্রাস ভেল দেহা—
ঘন ঘন দেখু অন্ধিয়াৰি।
পদ। সতিনীক উদয়ে হৃদয়ে দহে আগি।
অধিক মিলল মন তাপ ॥
ধিক অব জীৱন যৌৱন মোহে।
অভাগিনী কৰত বিলাপ ॥
হৰি হৰি প্রিয় মেৰি বৈৰি অধিক ভেলি।
কয়লি অতয়ে অপমানা ॥
ধৰণী লুটি লুটি বিলাপতি বালা।
কৃষ্ণ কিঙ্কৰ ৰস ভাণা ॥

দেবী সত্যভামা ওহি সকৰুণ বিলাপ অপমান কয় থিক। তদন্তৰে কলহপ্রিয় নাৰদ পুনৰ্ব্বাৰ কৃষ্ণক আগু গিয়া যে বোলল তা শুনহ।

নাৰদ। (কৃষ্ণ সমীপে গিয়া কহু) আহে শ্রীকৃষ্ণ! তুহু এথা কোন সুখে ৰহস। সে প্রিয়া সত্যভামা পাৰিজাতক নিমিত্ত অপমানে অন্নপান সব

চাড়ল পৰম তাপে মৰছে ! হা হা চক্ষুৰে দেখিতে পাব কি নাপাব ! দেৱ, সত্বৰে যাৱ ।

সূত্র । মুনের্ব্বচনমাকর্ণ্য মাধৱো ভক্তবান্ধবঃ ।
দ্রুতং তস্যা গৃহং প্রাগাৎ প্রিয়ায়াঃ প্রেমবিহ্বলঃ ॥

মুনিক মুখে প্রিয়াক দুখ শুনি শ্রীকৃষ্ণ প্রেমে বিহ্বল হুয়া মুনিক কাতৰ কৰি-কহো, বাত পুচিকহো। জৈচে সত্যভামাক সমীপ চলল তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি ।

ৰাগ—তুৰ—জতিমান ।

এমুনি কহিয়ো কহিয়ো কপট পৰিহৰি ।
প্ৰাণে কি জীৱয় মোৰ প্ৰাণেৰ সুন্দৰী ॥

পদ । মানিনী নসহে তিলেকো অপমান ।
মেৰি অপৰাধ কৈচে ধৰব পৰাণ ॥
প্রিয়াক সন্তাপ তাপে দহে শোক আগি ।
কুসুম নাদিয়ে ভেলো তিৰি বধ ভাগী ॥
জুৰাইতে নয়ন প্রিয়াৰ পাইলা কোল ।
দেখি আকুল কৃষ্ণ কাতৰ বোল ॥

শ্রীকৃষ্ণ প্রেমে বিহ্বল হুয়া প্রিয়াক দেখল। লোতকে মুখ মলিন। ঘনে ঘনে নিশ্বাস ফোকাৰি মাটিলুটি ৰহ। তাহে পেখি শ্রীকৃষ্ণ হা হা কি ভেল বোলি আঙ্কোৱালি ধৰল। নয়নক নীৰ ঝৰাই আশ্বাস বোলল।

শ্রীকৃষ্ণ। হে প্রিয়ে! গোটা এক ফুল ৰুক্মিণীক দেলো। সে নিমিত্তে যদি অপমান কৰহ তবে উঠহ। তোক একশত পাৰিজাত দেৱব। হে প্রাণ প্রিয়ে! সে ৰুক্মিণী, জাম্বুৱতী তোহোক সম সৌভাগিনী হয় নাহি। তুহু হামাৰ প্রাণসম প্রিয়া। জানি তাপ তেজহ; তোহাৰি দুখ দেখি হামাৰ হৃদয় সহয় নাহি। হে প্রিয়ে! হামাক শপত উঠহ উঠহ।

সূত্র। প্রিয়ং প্রণয়-কোপেন নিশ্বস্যাহ ততঃ সতী ।
মাং ধূর্ত্তাকেদুর্ভাগাং কিমৰ্থং ব্যথসে পুনঃ ॥

তদনন্তৰ শ্রীকৃষ্ণক বাক্য শুনি দেবী সত্যভামা স্বামীক পিঠি দিএ কহো। হেঠমাথে সকৰুণে ক্রন্দন কয় বোলল।

সত্যভামা। ( ক্রন্দন কয় ) হে স্বামি হামু দুৰ্ভগাক কপট বাক্যে কত কদৰ্থনা কৰহ যে তোহোৰ প্ৰিয়তম রুক্মিনী তাহেক সমীপ চলহ হামাত কোন প্ৰয়োজন ঠিক।

সূত্ৰ। ওহি বুলি বহুত বিলাপ কয় কৃষ্ণক যে বোলল তাহেক দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

ৰাগ—শ্ৰীগান্ধাৰ—জতিমান।

সত্যভামা। কেশৱ হে বুজলোহো তোহো,
জানলোহো তুহো ব্যৱহাৰা।
অত যে চাতুৰি চোড়ি চলহু বহুণী হৰি
যাহা প্ৰিয়া ৰমনী তোহাৰা।

পদ। তোহাৰি কপট কৃষ্ণ নাবুঝি মানলো হামু
এ নাহি সৌভাগিনী সম মোই।
জৈচন পীৰিতি ৰীতি সবহি বিদিত ভেলিৰে
আজু জানল মতি তোই।
ওহি অপমানে প্ৰাণ নাহি ধৰবোহো মোৰে
চোড়ল জীৱনকু আশা।
আগু পিয়ুক পৰি বহু বিলপতি বালাৰে
কহতু চৰণ দাসী ভাষা।

হে স্বামি! হামু দুৰ্ভগা সতিনীক অধীন। তুহো হামাক কত যে বিকৰ্থনা কৰহ ওহি অপমানে হামু প্ৰাণ ৰাখব। অঃ তব হামাক জীৱন ধিক।

সূত্ৰ। ওহি বুলি দেবী কান্দি কান্দি মূৰ্চ্ছিত হুয়া পড়ল।

কুৰ্ব্বন্ হাহাৰবং ৰামামালিঙ্গ্যাকুলমানসঃ।
প্ৰিয়বাক্যৈস্ততাং শান্তিং শান্তয়ামাস মাধবঃ॥

তাহে দেখিয়ে শ্ৰীকৃষ্ণ হাহা বোলি বাহু মেলি ধৰল। প্ৰিয়াক দুখ দেখিয়ে মৰম চড়ল। কমল নয়ন ভৰি ঝৰি বহে নীৰ। আলিঙ্গি প্ৰিয়াক চাপি ধৰি কোৰ কৰিয়া আশ্বাস বচন বোলল।

শ্ৰীকৃষ্ণ। হে হে প্ৰাণপ্ৰিয়ে! শুন বাত।
দেলহো নাহি তুহি পাৰিজাত॥
অত অপৰাধ সহব অবমোই।
তব সম সৌভাগিনী নাই কোই॥

রুক্মিনীক দেলো গোটা এক ফুল ।
তাহে লাগি তুহু অতয়ে আকুল ॥
পাৰিজাত তৰু সমূলে উপাৰি ।
ৰোপন কৰব আনি তুৱা বাড়ি ॥
জব মোহি বাক্যে নাহি পতিআৱা ।
কহলো সত্য সত্য শুন জায়া ॥
অব তেজহ তাপ কুমাৰি ।
নসহে হৃদি দুখ দেখি তোহাৰি ॥
হামাক শপত খেব লহো মাথ ।
উঠ উঠ প্ৰিয়া তেৰি ধৰহো হাত ॥

( সত্যভামাক হাত ধৰল )

সূত্ৰ । কৰ কাকুতি তিনি জগতক ঈশ ।
সত্যভামা মনে কিছু মিলল হৰিষ ॥
'পৰম ঈশ্বৰ কৰ কাতৰ প্ৰিয়াক ।
দেখু অদভুদ ভকতি সতী মহিমাক ॥
ব্ৰহ্মা মহেশ যাক কৰে সেৱা ।
মাথে খেৰ ধৰএ সোহি দেৱা ॥
কৃষ্ণক লীলা বুঝয়ে নপাৰি ।
পূৰ্ণ কাম হৰি কি কৰব নাৰী ॥
ভকতি কয়লি হৰিকো মন ভোল ।
জানি কৰহু নৰ হৰি হৰি বোল ॥

ইন্দুমতি। হে প্ৰাণ সখি! পৰম ঈশ্বৰ তোহোৰ স্বামী। মাথে খেৰ ধৰি অত যে কাতৰ কৰিছে আৰ কি মান সাধিতে ৰহল। সখি! তাপ তেজহ, উঠহ উঠহ।

সূত্ৰ। দেবী অত যে স্বামীক বিনয় বাণী কহো কিঞ্চিত চিত্ত শান্ত ভেল। শ্ৰীকৃষ্ণ তাহে পেখি আলিঙ্গি কোলে তুলি বৈঠাৱল পীতবস্ত্ৰে শৰীৰক ধুলি ঝাৰল। কেশ বান্ধল। নিজ হস্তে কৰ্পূৰ তাম্বুল ভুঞ্জাৱল।

ততো দেবী সত্যভামা কৃষ্ণবাক্যামৃতেন সা ।
হেঠমাথে .. প্ৰীতা প্ৰসন্নবদনা প্ৰণম্যাহ প্ৰিয়ং হৰিং ।

দেবী স্বামীত মহামান লভিয়ে অতি প্ৰসন্নমুখী হয়, শ্ৰীকৃষ্ণক প্ৰণামি বোলল—

সত্যভামা। হে স্বামী হামাক পাৰিজাত তৰু তুহু দিতে সত্য কয় বোল।

শ্ৰীকৃষ্ণ। হে প্ৰিয়ে! পাপী নৰকাসুৰে দেৱতাসবক জিনিয়ে সৰ্ব্বস্ব আনল। আগু তাহেক মাৰি দেৱকাৰ্য্য সাধো। পাছে পাৰিজাত আনো।

সত্যভামা। আঃ স্বামী! উচিত কহল। আগু দেবকাৰ্য্য সাধি, সেহি যাত্ৰায়ে পাৰিজাত আনহ। হামু তোহাৰি সঙ্গে চলবো।

শ্ৰীকৃষ্ণ। হে প্ৰিয়ে! তোহো স্ত্ৰীজাতি। যুদ্ধ সময়ে যাহাত উচিত নহে।

সত্যভামা। হে স্বামি! হামাৰ বহুত সতিনী। ইবাম্ব পাৰিজাত আনি কোন স্ত্ৰীক দেব, তাহে বুঝয়ে নাহি। হামু কদাচিতো তোহাৰি সঙ্গ নাহি চাড়ব।

শ্ৰীকৃষ্ণ। হে প্ৰিয়ে! তুহু যদি হামাক সঙ্গে চলব তব সত্বৰে সাজহ।

সূত্ৰ। কৃষ্ণমভ্যেত্য ভগবান্ জগাদ নাৰদস্তদা।
জ্ঞাতঃ কিল ভৱান্ ভাৰ্য্যাভক্ত সন্তোষী কেশবঃ।

নাৰদ। (সক্ৰোধমাহ) হে কৃষ্ণ! জানলো। তুহু স্ত্ৰীকলাবিদ দেৱকাৰ্য্য সব পৰিহৰল। তোহাক ভাৰ্য্যাক চাটু বুলিতে সব দিবস গেল।

শ্ৰীকৃষ্ণ। হে মুনিৰাজ! স্ত্ৰী জুজে সে না বুজে কা কৰব! কুমাৰীক হাত এড়াইতে নাহি পাৰি। হে মুনিৰাজ ঐ চলইচো। ক্ৰোধ নাহি কৰবি।
(ওহি বোলি অতি সত্বৰে চলল।)

সূত্ৰ। সহৰ্ষমকৰোৎ কৃষ্ণঃ প্ৰয়াণং প্ৰিয়য়া সহ।
ধনুষ্টঙ্কাৰঘোষেণ দিশো দশ প্ৰকম্পয়ন্॥

শ্ৰীকৃষ্ণ ধনুঃ টঙ্কাৰে দশোদিশ কাপাই প্ৰিয়া সহিতে জৈচে পয়াণ কয়ল তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

ৰাগ ধনশ্ৰী—একতালি।

কয়লি পয়াণ যদুৰাই
কৰে সাৰঙ্গ সঙ্গে প্ৰিয়া চলি যাই।
পদ। শ্যামল অঙ্গে সুৰঙ্গ পীত বাস।
বিযুৰি উজোৰ নৱ ঘন পৰকাশ॥
অৰুণ চৰণ মণি মঞ্জীৰ কৰু ৰোল।
তাহে মজোক মন শঙ্কৰে বোল॥

শ্ৰীকৃষ্ণ ওহি পৰকাৰে প্ৰিয়া সহিত পয়াণে চলৈছে। সে সময়ে নাৰদে আসি বোলল—

নাৰদ। হে হৰে তুহু সম স্ত্ৰী-জিত পুৰুষক বহু নাহি দেখি, যুদ্ধ সময়ে স্ত্ৰীক চোড়য়ে নাহি পাৰহ। তুহু জগত গুৰু। তোহক যশ গাই তিনিলোকে যাও। অঃ হামাক লাজ ভেল!

শ্ৰীকৃষ্ণ। হে মুনিৰাজ! কি কৰব! পাৰিজাতক নিমিত্ত সত্যভামা প্ৰাণ চাড়য়। উন্নিকৰ নিৰ্ব্বন্ধ কত সহব!

নাৰদ। হে কৃষ্ণ! কামাতুৰ পুৰুষক ঐচন অৱস্থা। স্ত্ৰী যে আজ্ঞা কৰে, সে আৱশ্যে কৰিতে লাগে। হোক, সে কামৰূপ নৰকাসুৰক পাট, ওহি দ্বাৰিকা-হন্তে স্বভাৱে মাস চাৰিকেৰ পথ। স্ত্ৰী লৈয়া যাইতে বৎসৰ দুই চাৰি পাৱব। অঃ দেৱকাৰ্য্য ভল্ল সত্বৰ সাধন। এক কৰ্ম্ম কৰহ। তোৰাৰ বাহন গৰুড় পখী-ৰাজ তাহেক আজ্ঞা কৰহ। তাহেৰ কন্ধে চড়িয়ে সত্বৰে গিয়া নৰকাসুৰক মাৰহ।

শ্ৰীকৃষ্ণ। (সত্যভামাক প্ৰতি) আহে প্ৰিয়ে! মুনি ভল্ল কহল।

সত্যভামা। হে স্বামি! হামোতো পাৰে হাণ্টিতে পাৰয়ে নাহি।

শ্ৰীকৃষ্ণ। (বাহনক স্মৰি) আহে গৰুড় পক্ষীৰাজ! সত্বৰে আৱ! সত্বৰে আৱ!!

সূত্ৰ। আহ আগত্যগৰুড়ো নত্বা কৃষ্ণং কৃতাঞ্জলিঃ।
মম স্কন্ধং সমাৰুহ্য জহি পাপং দুৰাশয়ং॥

গৰুড়। হে স্বামি! হামি থাকিতে তুহু পাৰে বেড়াৱব। অঃ হামাৰ কন্ধে চড়ি পাপী নৰকাসুৰক বধ কৰো গিয়া।

সূত্ৰ। তদনন্তৰ শ্ৰীকৃষ্ণ সভাৰ্য্যে গৰুড়ক কন্ধে চড়ি পৰম লীলায়ে চললি।

প্ৰাগ্‌জ্যোতিষং সোঽতিজৱেন জায়য়া
সুপৰ্ণমাৰুহ্য যযৌ জনাৰ্দ্দনঃ।
ক্ষণেন সম্প্ৰাপ্য পুৰং পৰেশো
মহোৎসৱং শঙ্খৱৱং চকাৰ।

শ্ৰীকৃষ্ণ গৰুড় বাহনে বায়ুবেগে কামৰূপ পাই পাঞ্চজন্য ধ্বনি কয়ল। তাহে শুনি নৰকাসুৰ খেদি আৱল। শ্ৰীকৃষ্ণ তাহে জৈচে বধ কয়ল তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

ৰাগ—কানাড়া।

চললি গোবিন্দ গৰুড় কন্ধে
নৰক মাৰিতে কয়লি প্ৰৱন্ধে।

বায়ুক বেগে চলয়ি পখীৰাজ।
তিল একে মিলল কামৰূপ ৰাজ ॥
কৃষ্ণল শঙ্খ হৰি বাৰবাৰ।
শুনি দানৱক ভেল হৃদি বিদাৰ।
জানল আরল মাধৱ ধাই।
গৰজে দানৱ যুধক লাই।
সমৰক লাগি বজারয় ঢোল।
ধৰ ধৰ মাৰ মাৰ কৰে বহু ৰোল।
ধারে সুৰ নৰকাসুৰ ৰাগি।
খাণ্ডা ফিঙ্কাৰয় কৃষ্ণক লাগি।
হৰি টঙ্কাৰল সাৰঙ্গ ভিড়ি।
বৰিষল বাণ দৈত্যকহো পীড়ি।
কাটল কন্ধ কান্ধ কৰ শিৰ।
মাৰল হৰি সব দানৱ বীৰ।
খিদি পলারত অপৰ অসুৰ।
বাণ প্ৰহাৰিল মাৰল সুৰ।
কোপে চক্ৰক্ষেপি জগন্নাথ।
কাটল দারুণ নৰকক মাথ।
দেখি দেৱক উৎসুক বহুল।
বারে দুন্দুভি বৰিষয় ফুল।
জয় জয় যাদৱ কৰে বহু ৰোল।
সমাজিক সব হৰি হৰি বোল।

সে অসুৰ নৰকক মাৰি শ্ৰীকৃষ্ণ যশ সাধৱ দেখি দেৱ সব আনন্দে দুন্দুভি বজাই, জয়কৃষ্ণ জয়কৃষ্ণ বোলি শিৰে কুসুম বৰিষল। শ্ৰীকৃষ্ণ সভাৰ্য্যে আনন্দে ৰহল।

ততো বসুমতী পুত্ৰং পুৰঃ স্থাপ্য হতাত্মজং।
বিলপন্তী তদা কৃষ্ণং নত্বা প্ৰোবাচ দুঃখিতা ॥

নৰক পুত্ৰ বধ ভেল দেখি বসুমতী পৰম সন্তাপে তাহেক পুত্ৰ ভগদত্ত শিশুক আগ কৰিকহো কৃষ্ণ দৰশন নিমিত্ত জৈচে চললি আহে লোক! তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

ৰাগ ধনশ্ৰী—একতালি ।

পিয়ুক সমীপ চলে মাই ।
হৰি দৰশনে চলে মাই ।
শিশু সমে বসুমতী লহুলহু গতি যাই ।
পদ ॥ সুতক সন্তাপে তাপে তনু ভেল হ্ৰাস ।
লোতকে লেপিত মুখ ফোকাৰে নিশ্বাস ।
স্বামীক কৰো পাৱে পৰণাম ।
কহতু শঙ্কৰ গতি মতি মেৰি ৰাম ।

ঐচন শিশু সমে বসুমতী আসি শ্ৰীকৃষ্ণক পৰি পৰণামিকহো কৰযোড়ি বোলল ।

বসুমতী । হে স্বামি কৃষ্ণ! কোটি ব্ৰহ্মাণ্ডেশ্বৰ পৰম পুৰুষ পুৰুষোত্তম তুহু জগতগুৰু । তোহোক দ্ৰোহ কৰিয়ে পাপী পুত্ৰ নৰক নিজ পাপে নাশ গেল । তাহে পুত্ৰ ওহি ভগদত্ত নাতিক তোহাৰি পাৱে সমৰ্পল । আহেক ৰক্ষা কৰহ । হামাৰ সন্ততি ৰহোক । তোহাৰি চৰণ পঙ্কজে কাতৰ কয় অভয় প্ৰসাদ মাগো গোসাঞি ।

সূত্ৰ । ওহি বুলি বসুমতী বহুত বিলাপ শ্ৰীকৃষ্ণক আগু কয়ল । ঐচন কাৰুণিক বাণী শুনি, নাৰায়ণ বসুমতীক আশ্বাস কয় বোলল ।

শ্ৰীকৃষ্ণ । আহে বসুমতি ! তুহু তাপ তেজহ । তোহাৰি পুত্ৰ নৰকাসুৰ ভূমিক ভাৰ ভেলি, সে নিমিত্ত ইহাক মাৰি তোহাৰি ভাৰ দূৰ কয়ল । তোহাৰি বচনে ওহি ভগদত্তক কামৰূপ পাটে ৰাজা পাতব । তুহি চিন্তা নাহি কৰবি ।

সূত্ৰ । ওহি বুলি শ্ৰীকৃষ্ণ বসুমতীক আলিঙ্গি আশ্বাসিয়ে অন্তঃপুৰে প্ৰবেশ কয়ল । ষোড়শ হাজাৰ কন্যা তাহেৰ বাৰি পাই দ্বাৰকাপুৰ পাঠাৱল । অদিতিক কুণ্ডল, বৰুণক ছত্ৰ, মণিপৰ্ব্বত লৈয়া গৰুড়ক কান্ধে সত্যভামা সমে স্বৰ্গক কৌতুকে চলল ।

অতঃ স্বৰ্গস্য নিকটং দৃষ্ট্বা কৃষ্ণো মুদাযুতঃ ।
দধ্মৌ শঙ্খং পাঞ্চজন্যং হৰ্ষয়ন্ দিবি দেৱতাঃ ॥

সুৰ নৰকাসুৰ মাৰি শ্ৰীকৃষ্ণ স্বৰ্গক সমীপ পাই পৰমানন্দে শঙ্খধ্বনি কয়ল । ধ্বনি শুনি জানল, দেৱতাসব বোলল—

দেবতাসব । অঃ হামাৰি স্বৰ্গক লাগি শ্ৰীকৃষ্ণ আৱল । জয় শ্ৰীকৃষ্ণ কি জয় । ( পুষ্পবৃষ্টি । )

# মাধৱদেৱ

[এইজনা মহাকবিয়েই আসামত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰাত মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰধান সহায় আছিল। আৰু মহাপুৰুষ গুৰুৱে বৈকুণ্ঠ প্ৰয়াণৰ সময় এওঁৰ ওপৰতে ধৰ্ম্মভাৰ অৰ্পন কৰে। বিশিষ্ট কায়স্থ কুলৰ গোবিন্দগিৰিৰ ঔৰষে আৰু মনোৰমাৰ গৰ্ভত ১৪৮৯খৃঃ আঃত মাধৱদেৱৰ জন্ম হয়। যদিও লৰাকালত তেওঁৰ পিতৃৰ অৱস্থা বৰ ভাল নাছিল তথাপি তেওঁ শিক্ষালৈ পিঠি দিয়া নাছিল। মাধৱদেৱ সংস্কৃতত বিচক্ষণ পণ্ডিত হৈ উঠিছিল আৰু প্ৰধান হিন্দু শাস্ত্ৰ বিলাক ভালকৈ অধ্যয়ন কৰিছিল। তেওঁৰ ডেকা বয়সত মহাপুৰুষ শঙ্কৰদেৱৰ লগত সাক্ষাত হয় আৰু শঙ্কৰদেৱত শৰণ লয়। এইদৰে বৈষ্ণৱ ধৰ্ম্মত দিক্ষিত হোৱাৰ পাচত তেওঁ বহুত সংস্কৃত পুথি ভাঙি অসমীয়া পদ কৰে। এওঁৰ লিখাৰ ভিতৰত এই বিলাকেই প্ৰধান—নামঘোষা, ভক্তিৰত্নাৱলী, নামমালিকা, আদিকাণ্ড ৰামায়ণ, ৰজসূয় যজ্ঞ। এই বিলাকত বাজেও পিপৰা গুচুৱা, ভোজন-বাহাৰ আদি নাট আৰু অনেক বৰগীত ভটিমা ৰচনা কৰিছিল। মাধৱদেৱ ১৫৯৬ খৃঃ আঃ ত কোচবিহাৰত বৈকুণ্ঠ প্ৰয়াণ কৰে।]

## ৰামায়ণ—আদি কাণ্ড

### ৰাম লক্ষ্মণাদি চাৰি ভাইৰ বিবাহ।

নানা জয় মঙ্গল প্ৰজাৰ কোলাহল।
বহুবিধ শবদে কৰ্ণত হানে তাল ॥
ত্ৰৈলোক্যৰ লোক একখান মিথিলাত।
ব্ৰহ্মা আদি বসি আছা বিয়াৰ সভাত ॥

মধুৰ মৃদঙ্গ ধৰি বিদ্যাধৰে বাৱে।
গন্ধৰ্ব্ব সকলে সুললিত গীত গাৱে ॥
মুখ্য মুখ্য বাচি অপচৰা কৰে নাট।
নানা ছন্দে বিছন্দে চপয়া পঢ়ে ভাট ॥

নানা থানে নানা ৰঙ্গ নানা কৌতুহলে ।
নানা কুটিনাটি লোকে কৰয় সকলে ॥
প্ৰজায়ে জুৰিল হাট ঘাট বাট মানে ।
নানাবিধ ৰস মিলি আছে থানে থানে ॥

সৰ্ব্বজ্ঞান জনক নৃপতি মহামতি ।
দেৱ পিতৃ কৰ্ম্ম যত কৰি সমাপতি ॥
দ্বিজ কন্যাগণ মাতি আনিয়া সমস্ত ।
মঙ্গল আচাৰ কৰাইলন্ত যত যত ॥

লৌকিক বৈদিক ব্যৱহাৰ নিৰন্তৰ ।
সমস্ত কৰাইলা ৰাজা বিধি বিদাম্বৰ ॥
আয়তী সকলে কৰি মঙ্গল বিধান ।
চাৰি বৰ চাৰি কন্যা কৰাইলন্ত স্নান ॥

দিব্য বস্ত্ৰ অলঙ্কাৰে কৰাইলা ভূষণ ।
হাতত দিলন্ত ফল কটাৰী দৰ্পণ ॥
মেনকা সুন্দৰী মহাদই জনকৰ ।
সঙ্গে লৈয়া দ্বিজ কন্যাগণ নিৰন্তৰ ॥

সীতা সতী উৰ্ম্মিলা মাণ্ডৱী শ্ৰুতকীৰ্ত্তি ।
চাৰিৰো মঙ্গল আচৰিলা ভিনি ভিনি ॥
নানাবিধ বিভূষণে কৰাইলা বিভূষিত ।
কপালে তিলক দিলা কৰি সুবাসিত ॥

সিন্দুৰৰ মাঝে দিলা চন্দন ধৱল ।
সবিচিত্ৰ কৰি দিলা নয়নে কাঁজল ॥
কুশধ্বজ মহামতি নৃপতি জনক ।
অৰ্চ্চিলন্ত বিধিৱতে চাৰি কুমাৰক ॥

দিলন্ত চাৰিকো বিহা মণ্ডপৰ তলে ।
চাৰিৰ প্ৰকাশে সভাখান আতি জলে ॥
বিবাহৰ লগ্ন আসি ভৈল অনন্তৰে ।
জানি পাছে হৰিষে জনক নৃপবৰে ॥

কন্যা সম্প্ৰদান কৰিবাক বসিলন্ত।
ৰামে সমে দেৱতা সবক অৰ্চ্চিলন্ত ॥
বিশ্বামিত্ৰে বিধি পাঠ কৰন্ত হৰিষি।
ৰঙ্গে হোম কৰন্ত বশিষ্ঠ মহা ঋষি ॥

যেন অনুক্ৰমে বিধি আচাৰিয়া তাক।
ৰামৰ লগত নিয়া বসাইলা সীতাক ॥
তিল কুশ ধৰিয়া জনক নৰনাথে।
উৎসৰ্গি সীতাক দিলা ৰাম বৰ হাতে ॥

সেহি সময়ত ভৈলা মহা মহোৎসৱ।
উৰুলি জোকাৰ বহু বিধ জয় ৰৱ ॥
দেব মনুষ্যৰ বাদ্য একত্ৰে বাজয়।
সিদ্ধ মুনি সকল কুসুম বৰিষয় ॥

বেদধ্বনি কৰন্ত সকলে দেৱগণ।
নানা শুভ মঙ্গল ঘোষয় সৰ্ব্বজন ॥
সমস্ত লোকৰ মহা মিলিল হৰিষ।
জয় জয় ৰাম ধ্বনি শুনি দশোদিশ।

জনক নৃপতি আতি পুৰি মনোৰথ।
অনেক যৌতুক দিলা সীতাৰ লগত ॥
হয় হস্তী ৰথ দোলা দাসী দাস দেশ।
মুকুতা মাণিক ৰত্ন দিলন্ত অশেষ ॥

দিব্য বস্ত্ৰ অলঙ্কাৰ সুবৰ্ণ ৰজত।
ঘটস্ৰবা ধেনু উৎসাৰ্গিলা শতে শত ॥
এহেন্তে ঈশ্বৰ বুলি মনত জানিলা।
ৰাজ্য ভাৰ সমস্তে ৰামত সমৰ্পিলা ॥

আজি সে কৰিলো সবে পুৰুষ উদ্ধাৰ।
পৰম ঈশ্বৰ জোৱাই ভৈলন্ত আমাৰ ॥
ভৈলোহোঁ কৃতাৰ্থ বুলি আনন্দে নাচন্ত।
অনন্তৰে ব্ৰহ্মা আদি যতেক আছন্ত ॥

যাৰ যেন মত ইচ্ছা তাকে উৎসর্গিলি ।
সুবর্ণ মানিক বত্নে যেন বৰিষিল ॥
ত্রৈলোক্যৰ লোক সবে উৎসর্গা কৰিল ।
যৌতুক সম্ভাৰে পুৰী মিথিলা পুৰিল ॥

অনন্তৰে লক্ষ্মণক জনক নৃপতি ।
উর্ম্মিলাক বিবাহ দিলন্ত মহামতি ॥
লক্ষ্মণকো যৌতুক দিলন্ত বহুতৰ ।
তাত পাচে কুশধ্বজ ভ্রাতৃ জনকৰ ॥

নিজ জীউ মাণ্ডৱী সুন্দৰী মহাসতী ।
ভৰতক বিবাহ দিলন্ত মহামতি ॥
শ্রুতকীর্ত্তিক দিলা শত্রুঘনক উৎসুকে ।
অনেক যৌতুক দুইকো দিলন্ত কৌতুকে ॥

জনক নৃপতি কুশধ্বজ মহাসন্ত ।
দুই ভাইৰ চাৰি কন্যা চাৰিকো দিলন্ত ॥
বস্ত্র অলঙ্কাৰ পুষ্প তাম্বুল চন্দনে ।
যথা যোগ্য সামজ্যা বঞ্জিলা বঙ্গমনে ॥

সতকাৰ লভিয়া সন্তোষ আতি ভৈলা ।
স্বকী স্বকী থানে ব্রহ্মা আদি চলি গৈলা ॥
জনক নৃপতি বৰ কন্যা আঠজন ।
পৰমানে পঞ্চামৃতে কৰাইলা ভোজন ॥

পুষ্প শয্যা মাঝে পাছে কৰাইলা শয়ন ।
সুখে অনন্তৰে ভৈলা ৰজনী প্রসন্ন ॥
কৰিলন্ত স্নান দান উঠি প্রভাতত ।
কৰাইলন্ত বাসি বিহা হৰিষে মনত ॥

দশৰথে মাতিলন্ত জনক ৰজাক ।
বৰ কন্যা সমে বিহাই পাঠায়ো আমাক ॥
ৰাজা হুয়া আসি আছোঁ পাট পৰিহৰি ।
শত্রু শঙ্কা লাগে চলি যাওঁ শীঘ্র কৰি ॥

শুনি অন্তঃপুৰে গৈয়া জনক নৃপতি।
সীতাক প্ৰবোধ বুলিলন্ত মহামতি॥
অযোনিকা তোমাক লভিলোঁ যজ্ঞ ভূমি।
পিতৃৰ মাতৃৰ প্ৰিয়তম জীউ তুমি॥

ত্ৰিভুবনে নিৰুপমা তুমি মহাসতী।
পৰম দুৰ্লভ আতি লভিলা সুপতি॥
সতী স্ত্ৰী সকলৰ স্বামীসে ভূষণ।
কদাচিতো নলঙ্ঘিবা ৰামৰ বচন॥

একচিত্তে সেবা কৰিবাহা সৰ্ব্বক্ষণে।
কৰিবা শুশ্ৰূষা শাশু শশুৰ চৰণে॥
অৱহেলা নকৰিবা দেৱৰ সবক।
কৰিবাহা দায়া তুমি সমস্ত জনক॥

তেবে তযু শুদ্ধ যশে জুৰিব সংসাৰ।
ইহ পৰ লোকে সুখ মিলিবে তোমাৰ॥
নালাগে শিখাবে সবে জানাহা আপোনে॥
তোমাৰ সদৃশ আৰু নাহি একো গুণে॥

পাছে আসি মেনকা জনক পটেশ্বৰী।
কৰন্ত ক্ৰন্দন জানকীৰ গলে ধৰি॥
কাক লাগি এত মান কৰিলো জীয়াই।
ঘৰ শুৱনীয়া কৈক যাইবে সীতা আই॥

সীতা সীতা বুলি নাম লৈবোহো কাহাৰ।
তই গৈলে প্ৰাণ কেনে ৰহিবে আমাৰ॥
আজি সৰ্ব্ব শূন্য কৰি যাইবে মোৰ ঘৰ।
আনে সে আপোন ভৈল মই ভৈলোঁ পৰ॥

মোৰ বুকু শূন্য কৰি কোনে লৈয়া যায়।
থাকিবি কাহাৰ গৈয়া ঘৰক শুৱাই॥
কৌশল্যা বিহনী আছা কত তপসাই।
আজি তান বুকু জুৰাইবেক তোক পাই॥

সীতায়ো কান্দয় মেনকাৰ ধৰি গলে।
কৰয় ক্ৰন্দন আৰ সুহৃদ সকলে ॥
একত্রে কান্দয় মিথিলাৰ নাৰী নৰ।
অতিশয় উৰ্ম্মি উথলিলা ক্ৰন্দনৰ ॥

কৈক যাহা সীতা সতী জীউ জনকৰ।
আজি শূন্য কৰিলাহা মিথিলা নগৰ ॥
তই বিনে দুঃখত মৰিলোঁ সৰ্ব্বজন।
অযোধ্যা পুৰীৰ বিধি ভৈলা সুপ্ৰসন ॥

চক্ষুৰ লোতক মুছি জনক নৃপতি।
কৰিলন্ত দশৰথ ৰাজাত ভকতি ॥
বুলিলন্ত বিনয় ধৰিয়া তান হাতে।
সীতা জীউখানি মোৰ সপিলোঁ তোমাতে ॥

জীউ বুলি প্ৰতিপাল কৰিবা বিহাই।
বিহনীক বুলিবাহা আপুনি বুজাই ॥
তুলি তালি বৰ কৰি দিলো জানকীক।
আপুনি পালিবা কিবা বুলিবোঁ অধিক ॥

অনন্তৰে দশৰথ উৎসুকে মনত।
চাৰি পুত্ৰ চাৰি বধূ তুলি বিমানত ॥
সুমন্ত্ৰ যোগাইলা ৰথ তাতে চড়িলন্ত।
অযোধ্যাক প্ৰতি শুভক্ষণে লৰিলন্ত ॥

আগে পাছে বজাৱয় ব্যাল্লিশ বাজন।
চমৎকাৰে সাজিয়া চলিল সেনাগণ ॥
ধ্বজ দণ্ড তুলি প্ৰজা কৰে জয় জয়।
অসংখ্য প্ৰমাণ ৰথপতি হস্তীচয় ॥

চানিলেক দিশ পাশ শবদ কল্লোলে।
প্ৰজাৰ আন্দোলে মহী মণ্ডল হিন্দোলে ॥
চলিল আনন্দে দশৰথ মহামতি।
মিথিলাৰ লোক সমে জনক নৃপতি ॥

আগ বঢ়াইবাক প্ৰতি গৈলা নৰেশ্বৰ।
হৰিষে চলিলা বিশ্বামিত্ৰ মুনিবৰ॥
সীতা সমে ৰামচন্দ্ৰ যান্ত বিমানত।
ৰোহিণী সহিতে যেন চন্দ্ৰ আকাশত॥

দুৰ্ব্বাদল শ্যাম ৰাম দেৱৰ শৰীৰ।
সুবৰ্ণ গৌৰাঙ্গ তনু সীতা গোসানীৰ॥
দুইহন্তৰো ৰূপে দশো দিশ প্ৰকাশয়।
পথিক লোকৰ আতি মনক হৰয়॥

উৰ্দ্ধ মুখ হুয়া চাহি আছে সৰ্ব্বজনে।
যেন অমৃতক পান কৰয় নয়নে॥
নখণ্ডয় তৃপিতি চাহয় নেত্ৰ ভৰি।
ৰামৰ ৰূপক যেন পিয়ে চলু কৰি॥

জলকুম্ভ কাখে লৈয়া যুৱতী সকলে।
ৰামৰ ৰূপক চাহি থাকে কৌতুহলে॥
চিত্ৰৰ পুতলি যেন নভাষে নয়ন।
ৰামৰ সীতাৰ ৰূপে হৰিলেক মন॥

পৰম তৃপিতি হুয়া যত নাৰী নৰে।
ৰামক সীতাক প্ৰশংসয় নিৰন্তৰে॥
ধন্য ৰামচন্দ্ৰ ধন্য সীতা বৰ নাৰী।
দুইহন্তৰ পটন্তৰ দিবাক নপাৰি॥

পুৰুষ ৰতন ৰাম ত্ৰিভুবনে সাৰ।
নাহিকে সমান আন জানকী সীতাৰ॥
প্ৰৱন্ধে স্ৰজিলা বিধি দুইহানো ৰূপক।
ধন্য মাৱ বাপ তুলিলেক দুই জনক॥

এহি মতে প্ৰশংসয় পথিক সকলে।
দশৰথ ৰাজা চলি যান্ত কৌতুহলে॥
গৈলন্ত জনক কতোদূৰ আনন্দতে।
বুলি মাতি পলটাই পাঠাইলা দশৰথে॥

পাত্ৰ পুৰোহিত চাৰি পুত্ৰ লৈয়া সঙ্গে।
অযোধ্যাক যান্ত চলি দশৰথ ৰঙ্গে ॥
সেহি বেলা বাত বৃষ্টি ভৈলা আকাশত
ৰাজাৰ আগত আসি ভৈলা বজ্ৰপাত ॥

নমনয় দিশ পাশ ভৈল অন্ধকাৰ।
কৰে মৰমৰ চক্ৰ ৰথৰ বাজাৰ ॥
ঘোৰ শীলা সমে বায়ু বহে বিপৰীত।
হস্তী ঘোৰা সেনা যত ভৈল ভয়ে ভীত ॥

শীতে পীড়িলেক থিৰ নোহে হাত ভৰি।
নাসে মুখে মাত বুকু কাম্পে তৰতৰি ॥
যিতো যৈত আছিল তহিতে তম্ভি ৰৈল।
ৰাজাৰ আগত ৰক্তময় বৃষ্টি ভৈল ॥

নানাবিধ বিমঙ্গল দেখি আতিশয়।
বশিষ্ঠত নৃপ পুছিলন্ত হুয়া ভয় ॥
ইহাৰ কাৰণ কহিয়োক মুনিবৰ।
কি কাৰণে পথত এতেক আথান্তৰ ॥

কোন বা বিঘিনি ভৈল আমাৰ ৰাজ্যত।
অন্ধকৰ শাপ জানো ভৈল উপগত ॥
গুচিল আমাৰ জানো ৰাজ্যভাৰ যত।
কিবা মোৰ আয়ু আসি ভৈল সমাপত ॥

শুনিয়া ৰাজাক দিলা প্ৰবোধ বশিষ্ঠে।
নাহি কিছু শঙ্কা ৰাজা জানিবাহা নিষ্ঠে ॥

বাটত পৰশুৰামৰ সৈতে ৰামৰ সাক্ষাত আৰু পৰশুৰামৰ পৰাভৱ।

সেহি সময়ত পাছে জামদগ্নি ৰাম।
ধনুভঙ্গ শুনি কোপে নিকলিল ঘাম ॥
কেমন ভাঙ্গিল ধনু মোহোৰ গুৰুৰ।
সি জনৰ দৰ্প আজি কৰিবোহোঁ চূৰ ॥

পৰশু কুঠাৰখান পাৰিয়া কান্ধত।
ভয়ঙ্কৰ ধনুখান ধৰিয়া হাতত ॥
ৰাজাৰ সেনাৰ মাঝে ভৈলা উপগত।
শৃঙ্গে সমন্বিতে যেন সচল পৰ্ব্বত ॥

দুৰ্জ্জয় শৰীৰ ধনুৰ্দ্ধৰ মহাবীৰ।
ক্ৰোধৰ বেগত আতি নুহিকন্ত থিৰ ॥
ফুৰাৱন্ত চক্ষু দুই অগনি সমান।
দেখি কটকৰ ভয়ে উৰি গৈল প্ৰাণ ॥

বৃষ্টি অন্ধকাৰে নেদেখিয়া দিশ পাশ।
পৰশু ৰামৰ মূৰ্ত্তি দেখি ভৈল ত্ৰাস ॥
কিসে পাইলে বুলি ধাতু শুকুতি উৰিল।
চক্ষু জপাই সেনা সবে ভূমিত পৰিল ॥

কৈয়া ৰাম বুলিয়া মাতন্ত শীঘ্ৰ কৰি।
ব্ৰাহ্মণৰ চিহ্ন যজ্ঞ সূত্ৰ আছা ধৰি ॥
ক্ষত্ৰিয় লক্ষণ হাতে আছে ধনুখান।
পৰম নিৰ্দ্দয় দায়া নাহি অনুমান ॥

পিতৃৰ বচনে কাটি আছন্ত মাতৃক।
হেন জনে আনক কৰিবে দায়া কিক ॥
শিৰে জটা ভাৰ গলে ৰুদ্ৰাক্ষৰ মালা।
কটিত বাকলি বস্ত্ৰ কুশৰ মেখলা ॥

ঝক ঝক কৰে দান্ত শোভা গোফ দাড়ি।
গাৱে মল পঙ্ক বনবাসী ৰূপধাৰী ॥
হাতে মালা ধৰিয়া জপন্ত সৰ্ব্বক্ষণ।
উফৰন্ত ক্ৰোধত দেখিবে যম যেন ॥

ভ্ৰূৰ চালি কপালৰ গাঁঠি শিহৰাই।
দশন চোবায়া কোপে মাতন্ত চেহাই ॥
গৰ্জ্জিবে লাগিলা আতি নিষ্ঠুৰ বচনে।
আমাৰ গুৰুৰ ধনু ভাঙ্গিল কেমনে ॥

বাম হাতে ধৰি ঘোৰতৰ ধনুখান।
পৃথিবীৰ ক্ষত্রি মাৰি কৰিলো নির্ব্বান॥
ক্ষত্রি হুয়া কোন বীৰ পুনৰপি আইল।
জানিলো সিজনে মোৰ বার্ত্তাক নপাইল॥

মোৰ কথা শুনি ক্ষত্রি নাম কোন ধৰে।
হেন মত ভয় সিতো সাসক নকৰে॥
এবে কোন জনে মোক নগনে মনত।
এতিক্ষণ থিৰ হৌক মোহোৰ আগত॥

ৰৌদ্রে বৰিষণে অতি পৰিয়া আছয়।
ঘুঘুন্দা ধনুক ভাঙ্গি মুনিহ কহয়॥
আজি যেবে জীৱ লৈয়া যায় মোৰ আগে।
তেবে গৈয়া বীৰত্ব কহোক যত লাগে॥

শুনি দশৰথ ৰাজা গুণন্ত মনত।
ভৈলা বৃদ্ধ আমাৰ শৰীৰ আশকত॥
দেখিয়া ছৱাল নিজ পুত্র চাৰি খানি।
বিপৰীত চিন্তা লভিলন্ত মহামানী॥

ৰামে সমে আমি যদি আছোঁ দুই বীৰ।
তেবে কি কৰিবো আঙ্ক দুর্জ্জয় শৰীৰ॥
বিপাকে ঠেকাইলা আনি বিধাতা আমাক।
বিবাদে নপৰি আঙ্ক বোলো প্রিয় বাক॥

এই বুলি পৰশুৰামক নৰনাথে।
পাদ্যে অর্ঘে পূজি চৰণত ধৰি হাতে॥
তুতি নতি প্রণতি বোলন্ত দশৰথ।
তথাপিতো দায়া তাৰ নোপজে মনত॥

হাতে ঘোৰ ধনুধৰি চক্ষু পকাই চান্ত।
বাঘে যেন গর্জ্জিয়া ৰামক ধায়া যান্ত॥
দেখি ৰামচন্দ্রে মুখে অল্প হাস্য কৰি।
পৰশুৰামৰ আগ ভৈলা ধনু ধৰি॥

জামদগ্নি ৰামে শ্ৰীৰামক দেখিলন্ত।
কৰিয়া তৰ্জ্জন পাছে বাক্য বুলিলন্ত॥
নজানাহা ৰণ কিছু ছৱাল ৰাজাৰ।
জানো তুমি কথা নতু শুনাহা আমাৰ॥

পৰশুৰাম নাম মোৰ বিদিত সংসাৰ।
নিঃক্ষত্ৰী কৰিলো মহী তিনি সাত বাৰ॥
ক্ষত্ৰিয়ৰ নিমিত্তে সাক্ষাত মই যম।
সম্প্ৰতি আছোহো মই পৰিয়া নিজম॥

ডাকিয়া আনিলা মোক দেখাইয়া দৰ্প্পক।
দাণ্ডি দিয়া জগাইলাহা কাহাল গোমক॥
কুপিত সিংহৰ আগে ঘেলাইলাহা গাৱ।
আনিলা যমক যেন দিয়া হাত বাৱ॥

মই অন্তকৰ কোপ তুলিলা কিসক।
শিশু হুয়া কৰা কেনে দুৰ্ঘোৰ কৰ্ম্মক॥
ধনু ভাঙ্গি যশ বৰ লভিলা ডাঙ্গৰ।
উপাৰিয়া শৃঙ্গ যেন মেৰু পৰ্ব্বতৰ॥

কাৰ বৰ পায়া তুমি কৰা হেন কৰ্ম্ম।
আমাৰ গুৰুৰ ধনু ভাঙ্গি দিলা মৰ্ম্ম॥
জানিলো কৰিলা গুৰু দেৱত ভকতি।
নুহি কেন মতে হৈব ই দূৰ শকতি॥

ত্ৰিভুবনে পৰম উজ্জল ৰাম নাম।
নাহি সংসাৰত ইতো নামক উপাম॥
সেহি ৰাম নাম ধৰি আমাৰ প্ৰকাশ।
হেন নাম লৈলা তুমি কৰি অভিলাষ॥

বোলা ৰাম নাম লৈলে মোৰ হৈবে খ্যাতি।
আমাক বিদ্বেষ তুমি কৰিলাহা আতি॥
বৰ তেজৱন্ত বীৰ ভৈলাহা অধিক।
কৰিবাহা লুপ্ত তুমি আমাৰ কীৰ্ত্তিক॥

ত্রিজগত লোকে জানে মোৰ বিক্রমক ।
ক্ষত্রিয়ৰ নামে মই সাক্ষাতে অন্তক ॥
নপাৰো জিনিবে যেবে তোমাক ৰণত ।
নিষ্ফল জীৱন মোৰ ইতো সংসাৰত ॥

জনকৰ ঘৰে ভাঙ্গি পচা ধনু খান ।
তাতে বোলা নাহি মোত মুনিহ সমান ॥
মই চুৰ কৰিবো তোমাৰ গর্ব্ব যত ।
পৰিলা চেঙেলি আজি বুঢাৰ হাতত ॥

ৰহি আছা বৃক্ষ যেন নদীৰ তীৰত ।
অলপতে পৰে শিপা নাহিকে তলত ॥
হোৱাঁ যদি ৰাম তুমি বীৰ অদভূত ।
লগায়োক গুণ দেখোঁ আমাৰ ধনুত ॥

তেবে সে মুনিহ বুলি জানোহোঁ সাক্ষাত ।
আনা যুদ্ধে ভঙ্গ মই মানিবো তোমাত ॥
তাক দেখি ৰাম চন্দ্রে লাগিলা হাসিত ।
ধনু দেখি দশৰথ ভৈলা ভয় ভীত ॥

প্রসন্ন বদনে ৰামে বুলিলা বচন ।
শুনিয়োক ঋষি জমদগ্নিৰ নন্দন ॥
ঋষি ধর্ম্ম অনুসাৰি আছা মহাভাগ ।
আমাত তোমাৰ কেনে এত মান ৰাগ ॥

ক্ষমা সে উচিত ধর্ম্ম হোৱয় তোমাৰ ।
কিসক কৰিলা তুমি তাক পৰিহাৰ ॥
ধর্ম্ম এৰি অধর্ম্ম কৰয় যিতো নৰ ।
তাক দণ্ড কৰিবে লাগয় ক্ষত্রিয়ৰ ॥

ব্রাহ্মণত জন্ম ধর্ম্ম ধৰিছা ঋষিৰ ।
তাক এৰি ধর্ম্ম কেনে আচৰা ক্ষত্রিৰ ॥
শম দম দান দায়া ক্ষমা তযু ধর্ম্ম ।
ক্রোধ অহঙ্কাৰ আদি ক্ষত্রিয়ৰ কর্ম্ম ॥

কৰিলাহা তুমি সিতো ধৰ্ম্ম বিপৰ্য্যয়।
বিচাৰত দণ্ডিবাক তোমাক লাগয় ॥
ভাঙ্গিলোহোঁ ধনু আমি গুৰুৰ তোমাৰ।
ক্ষত্ৰিয়ৰ ধৰ্ম্ম ইতো উচিত আমাৰ ॥

কোন দোষে কৰ্ঁা তুমি আমাক বিৰোধ।
ঋষিৰ তোমাৰ কেনে এত মান ক্ৰোধ ॥
জ্ঞান শূন্য হুয়া অধৰ্ম্মত প্ৰৱৰ্ত্তিলা।
ভাল ভৈল আসি মোৰ আগত মিলালা ॥

কৰো আজি তোমাক উচিত প্ৰায়শ্চিত্ত।
যেন আনক্ষণ অধৰ্ম্মত নেদা চিত্ত ॥
ধৰ্ম্ম হীন হুয়া দৰ্প কৰা মোৰ আগে।
অৱশ্য তোমাক দণ্ড দিবে মোৰ লাগে ॥

ভাঙ্গো আজি সকলে তোমাৰ মিছা টোল।
বুজ কেন মত শিশু ছৱালৰ বল ॥
তুমি কেন মত বীৰ পৰীক্ষাক চাওঁ।
নাহি যেবে বোলা ক্ষমা কৰিয়া পঠাওঁ ॥

যদ্যপি আমাৰ মুনি নুহি ক্ষমা ধৰ্ম্ম।
বৃদ্ধ দেখি তোমাক লাগয় মোৰ মৰ্ম্ম ॥
যায়োক গৃহক গুৰু দিলোহো বিদায়।
তথাপিতো যদ্যপি তোমাৰ ক্ষমা নাই ॥

মোৰ দোষ নাহি তেবে কহো স্বৰূপত।
কৰো চূৰ সকলে তোমাৰ গৰ্ব্ব যত ॥
তোমাৰ ধনুৰ বৰ বখানা মহত্ত্ব।
বল বুজি চাওঁ ধনুখান কেন মত ॥

ইহাত লগাইলে গুণ ভঙ্গ যদি মানা।
লগাইবোঁহো গুণ ধনু মোক দিয়া আনা ॥
তোমাৰ ধনুত গুণ পাৰো যেবে দিতে।
জানিবোঁ ৰনত তেবে তোমাক ইঙ্গিতে ॥

শুনিয়া পৰশু ৰামে ধনুখান দিলা ।
শ্ৰীৰামে লগাইলা গুণ কৰি মহা লীলা ॥
বল দিয়া ৰাঘৱে টানন্ত ধনুখান ।
লেক লেক কৰে কুল ধনুৰ সমান ॥

ধনু টানি ৰামচন্দ্ৰে হাসন্ত হৰিষি ।
ইহাৰে সে মহত্ব বখানা তুমি ঋষি ॥
এহি বুলি ৰামে পুনৰপি দিলা টান ।
মহাশব্দে মাজতে ভাঙ্গিলা ধনুখান ॥

শবদৰ ত্ৰাসত কম্পিল ত্ৰিভুবন ।
মহাভয়ে অচেতন ভৈলা সৰ্ব্বজন ॥
ৰাঘৱে বোলন্ত গুৰু কৰিলো অকাজ ।
টানন্তে ভাঙ্গিল ধনু ভৈলোঁ মই লাজ ॥

নসহিল ধনু ছৱালবো টানিবাক ।
বীৰ বোলাই তুমি কেনে লৈয়া ফুঁৰা আক ॥
আমাকো কৰিলা লঘু আপুনিও ভৈলা ।
দেখিয়া পৰশু ৰাম স্তব্ধ হুয়া ৰৈলা ॥

অনন্তৰে ৰামচন্দ্ৰ পুৰুষ নিপুণ ।
নিজ ধনুখান লৈয়া লগাইলন্ত গুণ ॥
বাণ জুৰি মাতিলন্ত পৰশুৰামক ।
হেৰা দেখোঁ কৰোঁ ছাই তোমাৰ গৰ্ব্বক ॥

ৰাখিবাহা প্ৰাণ যেবে মাগাঁ পৰাজয় ।
ভৈলন্ত পৰশুৰাম দেখি মহাভয় ॥
বল দৰ্প গুচি মুখে হৰিল বচন ।
হইল বিবৰ্ণ আতি মলিন বদন ॥

পৰশুৰামৰ ভাগি গৈলা কাপ ঝাঁপ ।
বৈদ্য দেখি যেন মুণ্ড চপৰাই সাপ ॥
শ্ৰীৰামৰ আগত ভাগিল সবে ভাষ ।
সূৰ্য্য আগে নাহি যেন চন্দ্ৰৰ প্ৰকাশ ॥

অস্ত কালে যেন নক্ষলয় দিনকৰ।
গৰুড়ৰ আগে দৰ্প হৰয় সৰ্পৰ ॥
জমদগ্নি সুত ৰাম ভৈলা সেহি নয়।
লোক বিদ্যমানে লঘু ভৈলা আতিশয় ॥

যম হেন সাক্ষাতে দেখন্ত ৰাঘৱক।
মাৰিবন্ত শৰ বুলি লাগিল চমক ॥
দেখি ৰামচন্দ্ৰ আতি ভৈলা দায়াযুত।
হাসিয়া বোলন্ত শুনা জমদগ্নি সুত ॥

আসিলাহা ধায়া তুমি আমাক মাৰিতে।
জানিলোহোঁ তোমাৰ কঠিন বৰ চিত্তে ॥
ঋষি হৈয়া ভৈলা তুমি এমুৱা নিৰ্দ্দয়।
তোমাক মাৰিবে মন আমাৰ নলয় ॥

ৰাখিলোঁ তোমাৰ প্ৰাণ নকৰিবা ভয়।
কিন্তু মোৰ বাণ জানা অমোঘ নিশ্চয় ॥
কদাচিতো বৃথা বাণ নুহিকে আমাৰ।
কহিয়োক তোমাৰ ছেদিবোঁ কোন দ্বাৰ ॥

শুনিয়া ৰামৰ দায়াযুকুত বচন।
বোলন্ত বিনয় জমদগ্নিৰ নন্দন ॥
নিচিনিলোঁ তোমাক বুদ্ধিত মন্দ আমি।
তুমি সে ঈশ্বৰ জগতৰ অন্তৰ্য্যামি ॥

ভৈলা অৱতাৰ তুমি আসি মনুষ্যত।
তোমাৰ অধীন ইতো সকলে জগত ॥
তুমি সে ঈশ্বৰ নিষ্ঠে জানিলোঁ সাক্ষাতে।
আমাৰ বিক্ৰম যাই লাগিল তোমাত ॥

জগতৰ আত্মা তুমি পুৰুষ পুৰাণ।
হাৰিলোহো তোমাত দিয়োক প্ৰাণ দান ॥
কৰিলাহা মোক যেন দায়া দামোদৰ।
শুনিয়োক মোৰ তেবে স্বৰূপ উত্তৰ ॥

নাহিকে স্বৰ্গত কিছু মোৰ প্ৰয়োজন ।
শৰে হানি প্ৰভু স্বৰ্গ পথ কৰা ছন্ন ॥
তযু অংশে আমি হুয়া আছোঁ অৱতাৰ ।
আমাতে আছিল তযু পৃথিবীত ভাৰ ॥

আপুনি বেকত আসি ভৈলাহা সাম্প্ৰত ।
গুচাইলাহা আপুনি আমাৰ ভাৰ যত ॥
সজ্জনক পালি সংহাৰিবা দুষ্ট যত ।
তীৰ্থ কৰি ফুৰোঁ মই তযু প্ৰসাদত ॥

নাযাইবো স্বৰ্গক নিষ্ঠে বুলিলোঁ বচন ।
কৰিয়োক মোৰ স্বৰ্গ পথ নিবাৰণ ॥
শুনি ৰামচন্দ্ৰে পূৰ্ব্ব দিশে মুখ দিলা ।
পৰশুৰামৰ স্বৰ্গ পথক ছেদিলা ॥

শ্ৰীৰামৰ কীৰ্ত্তি প্ৰকাশয় সংসাৰত ।
অদ্যাপিও ৰাম শৰ দেখিয়ো স্বৰ্গত ॥
পৰশুৰামক ৰামে কৰিলা আশ্বাস ।
মোৰ বাণ দেখি ঋষি ভৈলা মহাত্ৰাস ॥

ক্ষত্ৰি জাতি আমাৰ দাৰুণ বৰ হিয়া ।
পালোঁ অঙ্গীকাৰ ব্ৰাহ্মণক দুঃখ দিয়া ॥
মৰষিবা সকলে আমাৰ ইতো দোষ ।
কৰো হাত যোৰ নকৰিবা অসন্তোষ ॥

শ্ৰীৰামৰ ভকতি দেখিয়া আতিশয় ।
দুখ ভয় গুচি ভৈল প্ৰসন্ন হৃদয় ॥
বুলিলা পৰশুৰামে বচন মধুৰ ।
স্বভাৱতে ক্ষত্ৰিয়ৰ হৃদয় নিষ্ঠুৰ ॥

হেন মহাক্ষত্ৰি তুমি পুৰুষ উত্তম ।
দেখিলোঁ সাক্ষাতে আজি তোমাৰ বিক্ৰম ॥
তথাপি কৰাইলা তুমি আমাকে প্ৰসন্ন ।
ধন্য ধন্য ৰাম ৰঘু কুলৰ নন্দন ॥

শক্র হুয়া প্রসন্ন কৰাইলা বুলি নতি।
তুমিও সন্তুষ্ট হৈবা আমাৰ ভকতি ॥
শুনিয়োক ৰাম বোলোঁ স্বৰূপ বচন।
অনাদি ঈশ্বৰ তুমি সত্য সনাতন ॥

তুমি নিত্য নিৰঞ্জন পুৰুষ পুৰাণ।
জগতৰ পতি তুমি বিনে নাহি আন ॥
তোমাত ভকতি মোৰ সততে থাকোক।
যাওঁ তপোবনে মোক বিদায় দিয়োক ॥

এহি মতে দুয়োজন জগত ঈশ্বৰে।
কৰিলন্ত লীলা নাজানিলা একো নৰে ॥
দুইহান্তৰো সংবাদ বিবাদ যত যত।
চাহি আছে লোক সবে বিস্ময় মনত ॥

অনন্তৰে বিদাই লইয়া শ্ৰীৰামত।
গৈলন্ত পৰশুৰাম হৰিষ মনত ॥
দশৰথে দেখি আতি বিক্রম ৰামৰ।
মনত হৰিষে প্রশংসিলা বহুতৰ ॥

ধন্য ধন্য পুত্র তুমি ভৈলাহা আমাৰ।
ৰহিল তোমাৰ যশ জুৰিয়া সংসাৰ ॥
আসিলা পৰশুৰাম খেদি যেন যম।
তাহাঙ্ক জিনিলা ৰণে কৰিয়া বিক্রম ॥

সাধু সাধু ৰাম তুমি বংশৰ তিলক।
গলে বান্ধি ৰাজা ধৰিলন্ত ৰাঘৱক ॥
উপজিল প্রেম তনু ভৈলা পুলকিত।
পাইলন্ত সন্তোষ যেন পিৱন্তে অমৃত ॥

আকাশত তৃপিতি ভৈলন্ত দেৱগণে।
অৰ্চ্ছিলা ৰামক আতি পুষ্প বৰিষণে ॥
দেখিয়া জানকী বল বিক্রম ৰামৰ।
ভৈলন্ত তৃপিতি ৰোমাঞ্চিত কলেবৰ ॥

বিশ্বামিত্র বশিষ্ঠ প্রমুখ্যে ঋষিগণে।
পূজিলন্ত ৰাঘৱক প্রশংসা বচনে॥
পৰম পুৰুষ ৰাম জগত আধাৰ।
ৰাম ৰূপে পৃথিবীত ভৈলা অৱতাৰ॥

পৰশুৰামৰ দৰ্প কৰিলন্ত চূৰ।
কাহাৰ শকতি কৰ্ম্ম কৰয় এদূৰ॥
এহি মতে ৰামক প্রশংসে সৰ্ব্বজনে।
অনন্তৰে দশৰথ ৰাজা ৰঙ্গ মনে॥

অযোধ্যাক প্ৰতি চলি গৈলা মহাশয়।
কৰয় কটকে বেৰি ৰাম জয় জয়॥
নানা বাদ্যে সুমঙ্গলে চলে সম দলে।
অযোধ্যাত প্রবেশ ভৈলন্ত কৌতুহলে॥

দেখি নাগৰীয়া লোকে ৰাজা আসিবাৰ।
তেতিক্ষণে কৰিলা নগৰী জাতিঙ্কাৰ॥
সাঞ্জি মাঞ্জি লিপিলা বিচিত্র গন্ধজলে।
পতাকা তোৰণ ধ্বজা ৰঞ্জিলা চিৰলে॥

তাম্বুল কদলী কুইল ঠোক সমন্বিতে।
থানে থানে আলিপন কৰিলা ৰঞ্জিতে॥
মুখত পল্লৱ ফলে পাতি পূৰ্ণ ঘট।
ঘৃতৰ প্ৰদীপ দিলা তাহাৰ নিকট॥

দুৱাৰে দুৱাৰে তুলি থাপিলা প্ৰৱন্ধি।
লগাইলা বিচিত্র ধুপ অগৰু সুগন্ধি॥
কুসুম চন্দন হাতে লৈয়া দুৰ্ব্বাক্ষত।
চড়িলন্ত নাৰীগণ গৃহ ওপৰত॥

আতি মনোহৰ পুৰী অযোধ্যা নগৰ।
তাৰ মাঝে যান্ত দশৰথ নৰেশ্বৰ॥
চাৰি পুত্ৰ চাৰি কন্যা যান্ত ৰঙ্গমনে।
দুৰ্ব্বাক্ষত পুষ্প বৰিষন্ত নাৰীগণে॥

উৰুলি জোকাৰ জয় অনেক মঙ্গলে।
ভূমিত পড়িল পুষ্প শতেক সদলে॥
নগৰত মিলি গৈলা আনন্দ প্ৰচুৰ।
পুত্ৰগণ সমে ৰাজা পাইলা অন্তঃপুৰ॥

কৌশল্যা সুমিত্ৰা সতী সুন্দৰী কৈকেয়ী।
কন্যাগণ সমে দীপ ঘট হাতে লই॥
তিনি মহাদই নানা মঙ্গল আচাৰে।
সিঞ্চি দুৰ্ব্বাক্ষত পুষ্প উৰুলি জোকাৰে॥

ভিন্নে ভিন্নে আসি পাছে তিনি পটেশ্বৰী।
আপোনাৰ পুত্ৰ বোহাৰীৰ হাতে ধৰি॥
নানা ব্যৱহাৰে গৃহ কৰাইলা প্ৰৱেশ।
পুত্ৰবধূ দেখি পাইলা আনন্দ অশেষ॥

সীতাৰ দেখিয়া ৰূপ কৌশল্যা দেবীৰ।
অমৃতৰ পানে যেন জুৰাইল শৰীৰ॥
চাৰি কুমাৰৰ বিহা ভৈল একেবাৰে।
দেখিয়া আনন্দ আতি মিলিল সবাৰে॥

নানা নৃত্য গীত বাদ্য বাজন বজাইল।
ৰামক সীতাক লোকে দেখিবাক আইল॥
দুহানৰ ৰূপ আতি দেখি বিপৰীত।
নয়ন ভৰিয়া যেন পীৱয় অমৃত॥

দিলা আনি লোকে যত যৌতুক অপাৰ।
সুবৰ্ণ ৰজত ৰত্ন বস্ত্ৰ অলঙ্কাৰ॥
ৰাজাগণ আইলা লৈয়া যৌতুক সম্ভাৰ।
নানা ৰত্নে ভূপতিৰ ভৰাইলা ভাণ্ডাৰ॥

দশৰথে সমস্তকে প্ৰসাদে ৰঞ্জিলা।
বস্ত্ৰ অলঙ্কাৰ পুষ্প চন্দনে তুষিলা॥
চাৰিয়ো পুত্ৰক সমুচিতে বণ্টা দিলা।
হস্তী ঘোৰা ৰথ ৰাজ্যে মন সন্তোষিলা॥

অনায়াসে ভৈল বিহা চাৰিয়ো পুত্ৰৰ ।
পৰম কৃতাৰ্থ মন ভৈলা নৃপবৰ ॥
শুনিয়োক সভাসদ পদ আদিকাণ্ড ।
ৰামৰ চৰিত্ৰ যেন অমৃতৰ ভাণ্ড ॥
সংসাৰ মধ্যত ইসি মহাধৰ্ম্ম সাৰ ।
বোলাঁ ৰাম ৰাম সুখে তৰিয়ো সংসাৰ ॥

---

## নামঘোষা ।

মুক্তিত নিস্পৃহ যিতো সেহি ভকতক নমো
ৰসময়ী মাগোহোঁ ভকতি ।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি ॥

যাৰ ৰাম কৃষ্ণ নাম নাৱে ভৱসিন্ধু তৰি
পাৰে পৰম্পাদ পাপী যত ।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোঁহো হৃদয়ত ॥

মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম ।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোঁহো প্ৰণাম ॥

একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত ।
বৈকুণ্ঠক পৰিহৰি যোগীৰ হৃদয় এড়ি
থাকা হৰি সাক্ষাতে তথাত ॥

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিব তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন ?
এতাৰন্ত মূৰ্ত্তি শূন্য কেন মতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন ॥

যিতো জনে শুদ্ধ ভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্ৰসাদে সিতো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি গুণ গাইয়া নাচে ॥

কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্ত হৰি
অতিশয় দুৰ হন্ত তাৰ।
দূৰতো বিদূৰ হন্তাৰ তাৰ অহঙ্কাৰ থাকন্তেয়ো
সাক্ষাতে কৃষ্ণকে পাৱে।
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ ॥

সকলে নিগম লতা তাৰ অবিনাশী ফল
কৃষ্ণ নাম চৈতন্য স্বৰূপ।
সুমধুৰ সুমঙ্গল শ্ৰদ্ধায়ে হেলায়ে লৈয়া
নৰ মাত্ৰ তৰে ভৱ-কূপ ॥

যিতো জনে কৃষ্ণ কথা বিচাৰ সময়ে মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ স্নান দান দেৱ পিতৃ যজ্ঞ যাগ
যোগাদিৰো ফলক পাৱয় ॥

যাৰ পুত্ৰে সবে ঐত হৰিত শৰণ লৈয়া
হৰিগুণ গাৱে শুদ্ধ ভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে ॥

সেহিসে সকল শাস্ত্ৰ পঢ়িলে শুনিলে সি সি
অনুষ্ঠান সকলে কৰিল।
নিৰাশা ঈশ্বৰ কৃষ্ণ তাহাঙ্ক সমুখ ভৈল
আশাক যি জনে পিঠি দিল ॥

অপৱিত্ৰ যিতো অতি পৱিত্ৰ হৱেৱা যদি
সমস্ত অৱস্থা আছে পায়া।
কমল-লোচন যিতো স্তুমৰে তাৰেসে শুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া ॥

সেহিসে চতুৰ যিতো পুণ্যৰ নিদান ভূত
নাৰায়ণ নামক স্তুমৰে।
অচতুৰ সিতো অতি পাপৰ নিদান ভূত
নামে অৰ্থ বাদ যিতো কৰে ॥

মহেশে বোলন্ত মোৰ ৰকাৰাদি নাম শুনি
পৰম প্ৰসন্ন হোৱে মন।
শুনিয়ো পাৰ্ব্বতি মোৰ মনত শঙ্কৰো ৰঙ্গে
ৰাম বুলিবেক ইতোজন ॥

কৰ্ণ পথে ভকতৰ হিয়াত প্ৰৱেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ জতেক মল যেহেন শৰত কালে
স্বভাৱত নিৰ্ম্মল কৰয় ॥

হুয়া দেৱ দিগম্বৰ ভস্মে বিভূষিত অঙ্গ
শিৰত ধৰিয়া জটাভাৰ।
মহেশে সেৱন্ত যাক হেন হৰি বিনে আন
কোন শ্ৰেষ্ঠ দেৱ আছে আৰ ॥

ব্ৰহ্মা আদি দেৱগণে নিশ্চল সম্পত্তি মনে
লক্ষ্মীক সেৱন্ত তপ কৰি।
লক্ষ্মীয়ো সেৱন্ত যাক হেন মহেশ্বৰ বিষ্ণু
আন কোন দেৱ তাঙ্ক সৰি ॥

সমস্ত বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যি যনে তাৰ
অন্যত্ৰ ৰসত ইচ্ছা নাই ॥

মহাভাগৱত ৰস মাধৱৰ নাম যশ
আক পান কৰিলে যি জনে।
কৃষ্ণৰ চৰণে চিত্ত দিয়া মোক্ষ আদিৰসে
ৰতি আন নকৰয় মনে ॥

কৃষ্ণৰ নামক সদা কীৰ্ত্তন কৰয় যিতো
মনে দৃঢ় কৰিয়া নিশ্চয়।
নিষ্কাম হোক বা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয় ॥

চণ্ডাল পৰ্য্যন্ত কৰি জগতৰ উপকাৰী
নাহি নাম গুণ বিনে আন।
সেহি সে কাৰণে হৰি নিজ যশ প্ৰিয় ভৈল
ভগৱন্ত ভকতৰ প্ৰাণ ॥

যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয় গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি ॥

ৰাম কৃষ্ণ হৰি নাম সৰ্ব্ব ধৰ্ম্ম অনুপাম
সকল নিগমে তত্ত্ব সাৰ
যাত পৰে ধৰ্ম্ম নাহি আৰ।
হেন নাম নুসুমৰি কমন ভৰসা কৰি
ৰৈয়া আছা ভৱ তৰিবাৰ ॥

বিষ্ণু পাদোদকী গঙ্গা মহেশে সহিতে ইতো
জগতকে পবিত্র কৰয়।
হেন কৃষ্ণ বিনে কোন ভগৱন্ত হেন ইতো
শবদৰ স্বৰূপ আছয় ॥

পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম সিংহ
প্ৰকাশ কৰয় অতি বড়ে।
যাৰ ধ্বনি শুনি ভয়ে মহা পাপ হস্তীচয়
পলায় অতি ত্ৰাসতে লৰড়ে ॥

আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু
আপুনি আপোন ৰাখে মাৰে।
হৰিক নভজি নৰ আপুনি হৰয় নষ্ট
হৰি ভজি আপোনাক তাৰে ॥

দুৰ্ল্লভ মনুষ্য জন্ম লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।
সন্তৰ সঙ্গত বসি সুখে হৰি গুণ গায়া
সন্তোষ অমৃত পান কৰা ॥

হৰিনাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি ॥

বিষয় সম্বন্ধ সুখ সমস্ত যোনিত পায়
হৰি সেৱা একো স্থানে নাই ।
হৰিৰ সেৱাৰ যোগ্য কেৱল মনুষ্য তনু
জানি ফুৰা হৰি গুণ গাই ॥

মৃত্যুৰ মুখত পৰি আছে যিতো সিতো নৰে
হৰিগুণ কীৰ্ত্তন নকৰে ।
মৃত্যু তৰিবাৰ জানা নাহিকে উপায় আন
হৰিনাম কীৰ্ত্তনত পৰে ॥

মৃত্যু তৰিবাৰ আন আছয় উপায় যত
বিঘিনি ভুষিত নিৰন্তৰে ।
বিঘিনি ৰহিত যত মাধৱৰ গুণ কৰ্ম্ম
কীৰ্ত্তন কৰিয়া সুখে তৰে ॥

লুব্ধ মতি মনুষ্যৰ হৰি কীৰ্ত্তনত পৰে
নাহিকে ৰহস্য বিত্ত আৰ ।
আন আশা পৰিহৰি মাধৱক মনে ধৰি
হৰিৰ কীৰ্ত্তন কৰা সাৰ ॥

শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল ।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল ॥

শুনা সভাসদ চয় নেড়িবা শাস্ত্ৰৰ লয়
হৰি গুণ ভাগৱত সাৰ ।
সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ ॥

বৈৰাগ্যত পৰে ভাগ্য নাহি প্ৰবোধত পৰে
সুখ আৰ নাহি পুৰুষৰ ।
হৰি বিনে পৰিত্ৰান কৰ্ত্তা আৰ নাহি জানা
ৰিপু নাহি সংসাৰত পৰ ॥

লক্ষ্মী পতি ভগৱন্ত যাহাৰ প্ৰসন্ন ভৈল
তাহাৰ দুৰ্ল্লভ কিছু নাই ।
নাৰায়ণ পৰ ভৈলে তথাপি কিঞ্চিতো আৰ
নবাঞ্চয় সেৱা সুখ পাই ॥

কৃষ্ণৰ হৃদয় চাৰু লক্ষ্মীৰ নিবাস-স্থল
মুখ নয়নৰ পান পাত্ৰ ।
দিক পাল সমস্তৰ আশ্ৰয় কৃষ্ণৰ বাহু
ভকতৰ পাদপদ্ম মাত্ৰ ॥

পৰম ঈশ্বৰ দেৱ কৃষ্ণক নপায় লাগ
তপ যপ যাগ যোগ দানে ।
একান্ত ভক্তৰ পদ ৰেণু শুদ্ধ চিত্তে মাথে
অভিষেক নকৰয় মনে ॥

গ্ৰাম্য কথা বিনাশন উত্তম শ্লোকৰ গুণ
প্ৰসৱয় সাধুৰ সঙ্গত ।
তাক অনুদিনে যিতো সেৱে তাৰ মতি সতী
হোৱে বাসুদেৱ চৰণত ॥

সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্নে নোহয় দুৰ্দ্দিন ।
হৰি কথা অমৃতৰ সম্যক্ আলাপ ৰসে
যিতো দিন হৱয় বিহীন ॥

আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়
নপায় জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাত ॥

নাৰায়ণ হেন ইতো শবদ আছন্ত মুখে
বশৱৰ্ত্তী বচন আছয়।
তথাপি অদ্ভুত কিনো ঘোৰ নৰকত মজি
মল মতি মনুষ্য মৰয় ॥

তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী তাহাত নিপুণ পতি
তাৰ শিষ্য ভৈল পুত্ৰ প্ৰায়।
সংসাৰ বনত পশি পতি পুত্ৰ সমন্বিতে
উপনিষদ্ধেনু ধৰি খায় ॥

সৰ্ব্ব শ্ৰুতি শিৰোৰত্ন ভাগৱত বন মাজে
হৰিনাম সিংহ প্ৰকাশয়।
তাৰ মহাধ্বনি শুনি নিজ পৰিবাৰ সমে
তৰ্কব্যাঘ্ৰী পলায় পাইয়া ভয় ॥

স্মৰহ গোবিন্দ মূঢ় বোলহ গোবিন্দ মূঢ়
ভজহ গোবিন্দ সৰ্ব্বক্ষণে।
মৰণ সময় পাইলে গোবিন্দহে ৰাখিবন্ত
নাৰাখিবে 'ডুকৃঞ' কৰণে ॥

ঈশ্বৰ কৃষ্ণক যিতো অন্য দেৱতাৰ সম
বোলয় অধম মূঢ় মতি।
চৌৰাশি নৰক ভুঞ্জি পাপৰ যোনিত সিতো
অৱশ্যে হইবেক উৎপত্তি ॥

মায়া আদি কৰি যত সমস্ত জগত জড়
কৃষ্ণ সে চৈতন্য আত্মা শুদ্ধ ।
চৈতন্য কৃষ্ণক এড়ি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ ॥

তপ জপ তীৰ্থ ব্ৰত যাগ-যোগ-যজ্ঞ-দান
কাকো নুস্থমৰে মৃত্যু বেলা ।
মৰন্তা জনক বেঢ়ি বোলে সবে ৰাম বোল
হেন নামে এতিক্ষণ হেলা ॥

পৰলোক সময়ৰ বান্ধৱ হৰিৰ নাম
সব এড়ি যিহেতু স্থমৰে ।
এতিক্ষণে কি কাৰণে হেনয় হৰিৰ নাম
মল মতি নৰে নুস্থমৰে ॥

দুৰ্ঘোৰ সংসাৰ ইতো ব্যাধিৰ ঔষধ মহা
ত্যজি হৰি নামক সম্প্ৰতি ।
কমন উপায়ে আন পণ্ডিত সকলে এৰে
লভিবেক আপোন মুকুতি ॥

লভিয়া মনুষ্য তনু যি সব পণ্ডিত নৰ
নসাধিলে গতি আপোনাৰ ।
কৌটি জনমক লাগি সংসাৰ সাগৰে মজি
ফুৰিবেক ভুঞ্জিয়া নিকাৰ ॥

গোবিন্দক নৰাধিয়া কোনকালে কদাচিত
সুখী হইয়া আছে কোন জন ।
হেন শিক্ষা মনে ধৰি ডাউকে বোলয় সদা
কোৱা কোৱা কুবাক্য বচন ॥

শঙ্কৰে সে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।
ইহাক নজানি নৰে জীৱিকাৰ অৰ্থে ফুৰে
আপোনাৰ মহত্ত্ব বখানি ॥

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এড়ি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহা মূঢ় মতি ॥

ন জানে শাস্ত্ৰৰ লয় যেহি আসে তাকে কয়
ছেদিবাক ন পাৰে সংশয়।
গুৰুবোলাই তথাপিতো ফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয় ॥

বচনে কেৱল মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিতো নলভয়
হৰি তাৰ সন্তোষ নোহয় ॥

আগম নিগম তৰ্ক পুৰাণ ভাৰত যত
ইতিহাস তন্ত্ৰ মন্ত্ৰ চয়।
হে হৰি তোমাতে সে খেলাৱে কেৱল বাদ
তোমাৰ তত্ত্বক নজানয় ॥

ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত
পৰাঙ্মুখ ভৈল যিতো জন।
যেন জীৰ্ণ গাই অতি দুৰ্ঘোৰ সংসাৰ মহা
পঙ্কে পৰি হোৱয় মগন ॥

হৰিনাম ধ্বজ কৰি বেদ পথ পৰি হৰি
ফুৰে অতি পাষণ্ড সকল ।
ইহ পৰ লোক ভ্ৰষ্ট হুয়া পেট পুৰি মাত্ৰ
ফুৰিবেক পৰম নিষ্খল ॥

---

## নাম মালিকা ।

জয় জয় কৃষ্ণ প্ৰভু প্ৰণত তাৰণ ।
মঙ্গলৰো সুমঙ্গল যাৰ গুণ গণ ॥
আৰম্ভিলোঁ পদ আমি নাম মালিকাৰ ।
হেন কৃষ্ণ পদে কৰো কোটি নমস্কাৰ ॥
নমো নমো নাৰায়ণ জগত কাৰণ ।
ব্ৰহ্মা আদি দেৱে সেৱে যাহাৰ চৰণ ॥
মুকুত সকলো ফুৰে যাৰ গুণ গাই ।
হেন কৃষ্ণ চৰণত প্ৰণামো সদাই ॥
হে কৃষ্ণ কৃষ্ণ প্ৰভু তুমি কৃপাময় ।
যাৰ কৃপা লেশে মনোৰথ সিদ্ধি হয় ॥
তুমি সে পৰম মোৰ গুৰু হৃষিকেশ ।
কৃপা দৃষ্টি চাই মোক দিয়া উপদেশ ॥
বাহিৰ ভিতৰে প্ৰভু তুমি সে কেৱল ।
দূৰ কৰা ভৃত্যৰ যতেক অমঙ্গল ॥
জানি কৃপাময় উপদেশ দিয়া মোক ।
তোমাৰ প্ৰসাদে আৰম্ভৰ সিদ্ধি হোক ॥
কৃষ্ণৰ চৰণে নমস্কাৰ কৰি মনে ।
কৰো নমস্কাৰ নিজ গুৰুৰ চৰণে ॥
সুপ্ত প্ৰায় আছিলেক মোৰ সদি মন ।
যাহাৰ কৃপাত ইটো ভৈল সচেতন ॥
হেন গুৰু চৰণত কৰি নমস্কাৰ ।
মাধৱে ৰচিলা পদ নাম মালিকাৰ ।

পুৰুষ উত্তম নৰেশ্বৰ গজপতি ।
তান আজ্ঞা পালি দিয়া গণ মহামতি ॥
পুৰাণ ভাৰত শ্ৰুতি আগমক চাই ।
নানা গ্ৰন্থ সংহিতাক কৰি এক ঠাই ॥
কৃষ্ণ নাম মহিমা কৃপাই যত মান ।
লিখি আনি সবাকো কৰিলা এক থান ॥
ভৈল সেই লোক কলি পাপ সাগৰত ।
তাসম্বাৰ হিত মহা চিন্তিয়া মনত ॥
কৰিলন্ত কৃষ্ণ নাম মহিমা প্ৰচাৰ ।
আক শুনি ভণি সুখে তৰোক সংসাৰ ॥
শুনা সভাষদ সৱ বচন আমাৰ ।
মূঢ় হুয়া কৰোঁ পদ নাম মালিকাৰ ॥
ইহাত আমাৰ দোষ নেদিবা বিস্তৰ ।
ক্ষমা সে ভুষণ মহা মহন্ত সবৰ ॥
নাহিকে শৃঙ্খল গ্ৰন্থ আতি নিৰশ্ছক ।
আৰ পদ কৰি কোনে মিলাইবে উষ্ণক ॥
তথাপিতো বিৰূপাক্ষ কাৰ্য্যিৰ বচন ।
বিৰচিবো পদ সব হৈল লৈলে মন ॥
ইহাত অধিক দোষ নেদিবাহা মোক ।
কৃষ্ণ নাম গুণ শুনি সন্তোষ হুয়োক ॥
থিৰ মন কৰি সবে দেখিত বিচাৰি ।
কলিত তৰিতে আৰ কোন পুণ্যে পাৰি ॥
পৰম দুৰ্জ্জন কলি দুষ্ট দুৰাচাৰ ।
কৰিলে মলিন মতি সমস্তে প্ৰজাৰ ॥
পাতকীৰ একো কৰ্ম্মে নাহি অধিকাৰ ।
কৃষ্ণ নাম গায়া সুখে তৰোক সংসাৰ ॥
নাম মালিকাৰ পদ কৰিবাক মনে ।
নামৰ প্ৰশংসা কহো শুনা সৰ্ব্বজনে ॥
আদি সত্য যুগে ধৰ্ম্ম থাকিল নিৰ্ম্মল ।
কৃষ্ণ নাম গুণ যশ পৰম মঙ্গল ॥

আছিল উপাস্য দেৱ কৃষ্ণ সে কেৱল।
কৃষ্ণকে সে সেৱা মাত্র কৰয় সকল॥
যতেক মনুষ্য কৃষ্ণ নাম গুণ গাই।
তৰিয়া সংসাৰ বৈকুণ্ঠত লৱে ঠাই॥
নাহি পাপ লেশ সমস্তৱে শুদ্ধচিত্ত।
উপজিলে মাত্র লোক হোৱে কৃতকৃত্য॥
এতেকে সে সিকালৰ কৃত্য যুগ নাম।
সিকালৰ লোকৰ নাছিল আন কাম॥
কৃষ্ণ সেৱা বিনে ধৰ্ম্ম নজানয় আন।
কৃষ্ণে সে কেৱল দেৱ উপাস্য প্ৰধান॥
নাছিলেক ধৰ্ম্ম একো বৰ্ণাশ্ৰম বিধি।
কৃষ্ণৰ সেৱাত মহা সুখে সাধে সিদ্ধি॥
প্ৰণয় বিনয় নাছিলেক একো শাস্ত্ৰ।
নাহি আন কৃত্য নাম গুণ গাৱে মাত্র॥
সত্য গুছি ভৈল ত্ৰেতা যুগ উপগত।
দেখি ব্ৰহ্মা আদি দেৱগণ আছা যত॥
এক থান হুয়া কৰিলন্ত আলোচন।
কৃষ্ণ বিনে আমাক নভজে একোজন॥
কৃষ্ণক ভজিয়া সুখে সংসাৰ তৰয়।
কতেক কহিবো একো সৃষ্টি নবাঢ়য়॥
কেন মতে কৃষ্ণৰ ভকতি হোৱে ছন্ন।
নতবোক লোক সৃষ্টি হৌক প্ৰৱৰ্ত্তন॥
হেনয় আলোচ কৰি যত দেৱগণ।
নিৰন্তৰে কৰিলা কৃষ্ণক আৰাধন॥
দেৱতাৰ ভকতি দেখিয়া নাৰায়ণ।
তুষ্ট হুয়া দেৱতাক দিলা দৰিশন॥
আশ্বাসিয়া সমস্তকে বুলিলা বচন।
মোত ভক্তি ছন্ন হৌক তোমাসাৰ মন॥
কৰা উপগ্ৰন্থ যাৰ যেন মনে লৱে।
যেন মতে আমাৰ ভকতি ছন্ন হৱে॥

নানা ধৰ্ম্ম কৰ্ম্ম দেখায়োক নানা সুখ।
তাক দেখি হৌক লোক আমাত বিমুখ ॥
তুমি সবো পাইবা পূজা বাঢ়িবেক সৃষ্টি।
কৃষ্ণৰ বচন যেন অমৃতৰ বৃষ্টি ॥
দেৱতা বৰ্গক কৃষ্ণে দিয়া বৰ দান।
মহেশকো আজ্ঞা হৰি দিলা বিদ্যমান ॥
নানাবিধ কল্পিত আগম কৰিয়োক।
নানা ধৰ্ম্ম দেখায়া লুপুত কৰা মোক ॥
কৃষ্ণৰ মোহন বাণী কেহো নাকলিল।
কেৱলে মহেশে মাত্র ইহাক তৰ্কিল ॥
শুনিয়া মহেশে আতি পাইলা অসন্তোষ।
কৃষ্ণক অবজ্ঞা কৰিবাত হোৱে দোষ ॥
বুলিলা বচন ধৰি কৃষ্ণ চৰণত।
তোমাক যদ্যপি ছন্ন কৰো আগমত ॥
অমোচন পাপ তেবে হুইবেক আমাৰ।
কৌটি কলপতো আৰ নেদেখো নিস্তাৰ ॥
তোমাক অৱজ্ঞা প্ৰভু কৰে যিতো জন।
কৌটি শত কল্পে তাৰ নেদেখো মোচন ॥
তযু আজ্ঞা নকৰিবো ইয়ো দোষ আতি।
শুনিয়া মাধৱে তাঙ্ক বুলিলন্ত মাতি ॥
ভাল তুমি শূলপাণি তৰ্কিলা আমাক।
যিমতে এড়াইবা দোষ শুনা কহো তাক ॥
আমাৰ সহস্ৰ নাম দিবোহো তোমাক।
অন্য দিনে এক চিত্তে জানিবাহা তাক ॥
এড়াইবাহা তেবে অপৰাধ নিৰন্তৰ।
মোহোৰ পৰম প্ৰিয়তম হৈবা হৰ ॥
আপোনাতো কৰি বৰ কৰিবো তোমাক।
মোৰ নাম লৈয়া বশ্য কৰিবা আমাক ॥
এহি বুলি কৃপাময় প্ৰভু ভগৱন্ত।
সহস্ৰেক নাম কহি তথতে আছন্ত ॥

নিজ ভক্ত পথ নাম মহেশত থৈলা।
তাহাঙ্ক আশ্বাস কৰি বৈকুণ্ঠক গৈলা॥
কৃষ্ণৰ ভকতি লুপ্ত সমূলক্ক ভৈল।
সৰ্ব্বোত্তম ধৰ্ম্ম নাম মহেশত থৈল॥
কৃষ্ণ আজ্ঞা শুনি মুনি দেৱগণ যত।
কৰিলন্ত আগম পুৰাণ যত যত॥
তৰ্ক বেদ বেদান্ত ভাৰত ইতিহাস।
নানা শ্ৰুতি তন্ত্ৰ মন্ত্ৰ কৰিলা প্ৰকাশ॥
বৰ্ণাশ্ৰম ধৰ্ম্ম কৰ্ম্ম নানা তীৰ্থ ব্ৰত।
নানা যোগ জ্ঞান ধ্যান কৰিলা বেকত॥
তপ জপ যাগ যোগ মহাযজ্ঞ দান।
নানাবিধ নিষেধে দেখাইলা বিদ্যমান॥
নানা স্বৰ্গ নৰক দেখাই সুখ দুখ।
লোকক কৰাইলা মহা হৰিত বিমুখ॥
তাতে তৰ্কিলন্ত কতো কতো মহাজন।
কৃষ্ণৰ ভকতি নাম সবে ভৈল ছন্ন॥
কহিলোহো আসি ধৰ্ম্ম কৰ্ম্ম যত বিধি।
মাধৱৰ নাম বিনা কাৰো নাহি সিদ্ধি॥
মন্ত্ৰ তন্ত্ৰ দেশ কালে চিত্ৰ পাতে যত।
কৃষ্ণৰ নামেসে তাকো কৰে সমাপত॥
পৰম নিবৃত্তি ধৰ্ম্ম মাধৱৰ নাম।
তাত হন্তে পাৱে ধৰ্ম্ম অৰ্থ মোক্ষ কাম॥
হেন মাধৱৰ নাম কৰিয়া গুপুত।
প্ৰবৃত্তি ধৰ্ম্মক মাত্ৰ দেখাইলা বহুত॥
কৃষ্ণৰ মোহন বাণী নবুজিলো আমি।
জানিলো আমাক বঞ্চিলন্ত কৃষ্ণ স্বামী॥
এহি মনে চিন্তি মহা মুনিগণ যত।
থাপিলা কৃষ্ণৰ নাম সমস্ত শাস্ত্ৰত॥
অনেক জন্মৰ যত সুকৃত আছয়।
পাইবেক বিচাৰি নাম সিতো মহাশয়॥

অনেক জন্মৰ মহা পাপ আছে যাত।
নলৈবে কৃষ্ণৰ নাম নিন্দিবে সাক্ষাত ॥
কৃষ্ণৰ ভকতি তেজি কৰে আত্মাঘাত।
ঘোৰ সংসাৰত কৰিবেক আয়াযাত ॥
মহাপাপী অন্ত্য জাতি কৃষ্ণ নাম গায়া।
মহাসুখে তৰিল দুৰ্ঘোৰ মহা মায়া ॥
কৃষ্ণৰ নামত আছে যতেক মহিমা।
আপুনি ঈশ্বৰে নপাৰন্ত যাৰ সীমা ॥
অতৰ্ক প্ৰভুৰ নাম ধৰ্ম্মত অদ্ভুত।
যাক গাই ফুৰে যত জীৱন্তে মুকুত ॥
হেনয় নামৰ তত্ত্ব জানিবাক মনে।
কহিলোঁ মহিমা যাৰ যেন গৈলে মনে ॥
আৰ এক যুগুতি শুনিয়ো অনুপম।
সমস্তে ধৰ্ম্মৰ ফল মাধৱৰ নাম ॥
মুকুতিৰো ওপৰত যিতো প্ৰকাশয়।
যিতো নামে মাধৱক অধীন কৰয় ॥
হেন নামে পাপীক তৰিবে কোন কথা।
জানি মাধৱৰ নাম নেড়িবা সৰ্ব্বথা ॥
কহিলো প্ৰসঙ্গ কথা যেন লৈলে মনে।
আবে নামমালিকা শুনিয়ো সাৱধানে ॥
নামৰ মহিমা কিছু কহো বিদ্যমান।
শুনিবাক প্ৰতি কৰা চিত্ত সাৱধান ॥
দূৰ হোক বিষয়ৰ আছে যত দোষ।
নিৰন্তৰে নৰে কৰিয়োক হৰি ঘোষ ॥
পৰম মহন্ত গজপতি পুৰুষোত্তমে।
লিখাই আছা শ্লোকচয় যেন অনুক্ৰমে ॥
সেহি অনুক্ৰমে আমি ৰচিবো পয়াৰ।
কৃষ্ণৰ প্ৰসাদে হৌক লোকত প্ৰচাৰ ॥
শুনিয়োক প্ৰমাণ বিৰিঞ্চি পুৰাণত।
কহিয়া আছন্ত যেন নামৰ মহত ॥

ভক্তি ভাৱে যিতো নৰে মাধৱক স্মৰে ।
তাহাৰ মহিমা কহিবেক কোন নৰে ॥
পৰম পবিত্ৰকাৰী মাধৱৰ নাম ।
যিতো নৰে কীৰ্ত্তন কৰয় অবিশ্ৰাম ॥
জ্ঞান শূন্য জনো ক্ৰোধ কৰিয়া কৃষ্ণক ।
অহৰ্নিশে উচ্চৰয় কৃষ্ণৰ নামক ॥
তথাপিতো সমস্তে দোষক পৰিহৰি ।
দুৰ্লভ মুকুতি পাৱে সংসাৰক তৰি ।
তাক অদভুত হেন নলৈবা মনত ।
শুনিয়োক ইহাৰ দৃষ্টান্ত যেন মত ॥
বীৰ শিশুপালে মাধৱক দ্বেষ কৰি ।
অহৰ্নিশে থাকে সিতো কৃষ্ণক সুমৰি ॥
সুমৰন্তে সুমৰন্তে তমোময় ভৈলা ।
কৃষ্ণৰ হাতত পৰি বৈকুণ্ঠক গৈলা ॥
শুনিয়োক আৰু সেই ব্ৰহ্ম পুৰাণত ।
কৃষ্ণৰ মহিমা পড়ে স্তুতি প্ৰস্তাৱত ॥
জলে মগ্ন হুয়া পিতৃগণ নিৰন্তৰে ।
এক চিত্ত মনে মাধৱক স্তুতি কৰে ॥
হে প্ৰভু নাৰায়ণ জগত নিবাস ।
আপোনাৰ উক্তে বিশ্ব কৰিলা প্ৰকাশ ॥
তোমাৰ প্ৰসাদে হৌক আমাৰ উদয় ।
জলে মগ্ন হুয়া আমি আছো কৃপাময় ॥
আমাক উদ্ধাৰ আসি কৰা কৃষ্ণ বাপ ।
কৰোহো কীৰ্ত্তন প্ৰভু মিৰ্ম্মল প্ৰতাপ ॥
ঘোৰ দৰশনে নিদাৰুণ নিশাচৰে ।
মহাভয় আসি আমাসাক পীড়া কৰে ॥
তুমি বিনে নেদেখো শৰণ্য আন জন ।
ত্ৰাস হুয়া লৈলোঁ আমি তোমাত শৰণ ॥
বৰাহ স্বৰূপে তুমি হুয়া অৱতাৰ ।
কৰিলাহা যেন মতে পৃথিবী উদ্ধাৰ ॥

সেহি মতে দুষ্ট দৈত্য গনক জিনিয়া।
আমৰা সবক প্ৰভু ৰক্ষা কৰি নিয়া॥
হে কৃষ্ণ বিষ্ণু নাৰায়ণ মহেশ্বৰ।
পৰম পুৰুষ তুমি নাথ বৈকুণ্ঠৰ॥
অনুদিন তযু নাম কৰন্তে কীৰ্ত্তন।
পলাই দশো দিশ ভাগি নিশাচৰ গণ॥
ভূত প্ৰেত গণ ভাগি দশো দিশে যাই।
নাম বুলি শুনি মহা বিঘ্নি লাগে ঠাই॥
তযু নামে যেন মতে নানা দোষ হৰে।
সেহি মতে সুধৰ্ম্মাদি শতো নাশ কৰে॥
তোমাৰ নামৰ প্ৰভু মহিমা অপাৰ।
হৰে পুৰুষৰ ঘোৰ সংসাৰ নিকাৰ॥
হেনয় তোমাত আমি পশিলো শৰণ।
আমাক ৰক্ষিয়া সংহৰন্ত দৈত্য গণ॥
তাসম্বাৰ সেহি কথা শুনি ভগৱন্ত।
দৈত্যক সংহৰি তাসম্বাক ৰাখিলন্ত॥
এহি মানে ইসব প্ৰসঙ্গ আবে থওঁ।
আৰু শুনা নামৰ মহিমা কিছু কওঁ॥
কপট স্বৰূপে যিটো কৃষ্ণক সুমৰে।
জনাৰ্দ্দন বুলিয়া কীৰ্ত্তন মুখে কৰে॥
অন্ত কালে তনু তেজি সিতো মহাশয়।
অনায়াসে পাৱে বিষ্ণু লোক ৰত্নময়॥
কোনে কহি পাৱে হৰি নামৰ মহত।
শুনা যেন কহি আছে পদ্ম পুৰাণত॥
মহাদুষ্ট সৰ্প ইটো দুৰ্ঘোৰ সংসাৰ।
এহি দংশি চেতন কৰিলে নষ্ট যাৰ॥
তাৰ এক ঔষধ জানিবা কৃষ্ণ নাম।
কৃষ্ণ নাম এক মহামন্ত্ৰ অনুপম॥
যিতো শুনে কৃষ্ণ নাম বৈষ্ণৱ মন্ত্ৰক।
কৰি পান কৃষ্ণ নাম মহা ঔষধক॥

সংসাৰত যত বিধি নিষেধ আছয়।
ই দুইৰ কিঙ্কৰ আক জানিবা নিশ্চয় ॥
বিষ্ণুক যি জনে জানা সততে স্মৰে।
তাহাৰ বৃদ্ধিৰ কৰ্ম্ম সিজে নিৰন্তৰে ॥
যিতো জনে থাকে জানা বিষ্ণুক পাসৰি।
পাৱয় নিঃশেষ ফল জানা নিষ্ঠ কৰি ॥
অনায়াসে পৰম ঈশ্বৰ নাৰায়ণে।
তাঙ্ক নিতে কীৰ্ত্তন কৰন্ত যিতো জনে ॥
চিত্তো শুদ্ধ হোৱে মহা পাপ শঙ্কটত।
নকৰিবা আৰু কিছো সংশয় মনত ॥
যথা মন তথাত থাকোক নৰ সুখে।
কৃষ্ণৰ কীৰ্ত্তন কৰোকসি মাত্র মুখে ॥
এতেকে বিশুদ্ধ চিত্ত হোৱয় স্বভাৱে।
পৰম গতিক সিতো অনায়াসে পাৱে ॥
আৰু শুনিয়োক যেন পদ্ম পুৰাণতে।
কৃষ্ণক বিধাতা স্তুতি কৰন্তে বেকতে ॥
থিতাত থাকন্তে নহি পৱাণ কালত।
হৰিৰ নামক কৰে কীৰ্ত্তন সতত ॥
সদ্যে তাৰ সমুহ পাতেক নষ্ট হয়।
পৰম পদক পাৱে সিতো মহাশয় ॥
হোৱয় কৃতাৰ্থ যাৰ নাম কীৰ্ত্তনত।
কৰো নমস্কাৰ হেন কৃষ্ণ চৰণত ॥
চৈতন্য স্বৰূপে আছা তুমি ভগৱন্ত।
যাহাৰ নামৰ মহিমাৰ নাই অন্ত ॥
পৰম কৃপালু দেৱ প্ৰভু নাৰায়ণ।
সদায়ে প্ৰণামো তান অৰুণ চৰণ ॥
পৰম অনল ইতো মহা মোহচয়।
জাজ্বল্য স্বৰূপে সৰ্ব্ব লোকক দহয় ॥
ইহাৰ জ্বালায়ে সশৰীৰ দহৱয়।
হৰয় চেতন শ্ৰুতি জ্ঞান নপাৱয় ॥

মহা মেঘ মাত্র মাধৱৰ নামচয় ।
তাহাৰ ছায়াত যিতো প্রবেশ হোৱয় ॥
মহা মোহ বহ্নি আৰ তাহাক নদহে ।
তাপ দুঃখ এড়াই মহা সুখী হুয়া ৰহে ॥
যিতো জনে আলাসক কৰি পৰিহাৰ ।
নাৰায়ণ নামক সুমৰে একবাৰ ॥
এতেকতে সিতো জন হুয়া শুদ্ধ চিত ।
সুখে গৈয়া নির্বান পদত হোৱে স্থিত ॥
পৰম শ্রদ্ধায়ে যুক্ত হুয়া যিতো জন ।
হৰিৰ নামক কৰে সদায়ে কীৰ্ত্তন ॥
সুবর্ণ হৰণ মহা পাতেক চক্রত ।
হোৱয় পবিত্র সিতো যেহেন মুক্তত ॥
যদি ভক্ত সবে কেশৱক প্রসঙ্গত ।
একবাৰ মাত্র আসি সুমৰে মনত ॥
তাব সবে ধ্বংস কৰি পাতেক সকলে ।
বিষ্ণুৰ পৰম পদ আনন্দতে চলে ॥
পৰম দুষ্কৃত কৰি পাপশীল জন ।
কৰে বহুবাৰ হৰি নামক কীৰ্ত্তন ॥
পাপ সমূহত সিয়ো হোৱয় মুকুত ।
মহাজনে আকে সে দেখিবা অদভূত ॥
নামৰ মহিমা কিবা কহিবো অধিক ।
শুনা যেন হ:ৰ বুলিলন্ত পাৰ্ব্বতীক ॥
শুনিয়ো পাৰ্ব্বতী তুমি বচন আমাৰ ।
একো ধর্ম্মে কর্ম্মে নৰে নতৰে সংসাৰ ॥
তেবে কেন মতে সিতো পাইবেক বিষ্ণুক ।
শুনিয়ো সিদ্ধান্ত কৰি মনত উৎসুক ॥
বাসুদেৱ বিনায়ে আনত নেদে মতি ।
বোলে বাসুদেৱে সে কেৱলে মোৰ গতি ॥
কিন্তু যিতো জন জানা যোগী আতিশয় ।
নানান বিষয়ে তাক আকুল কৰয় ॥

পৰকো পৰম তাপ দেই প্ৰতিনিত ।
জ্ঞান বিৰকতি তান নাহিকে কিঞ্চিত ॥
সম দম আদি ব্ৰহ্মচৰ্য্য ধৰ্ম্ম যত ;
নাহি আন পূণ্য তপ জপ তীৰ্থ ব্ৰত ॥
চিত্তক নিৰ্ম্মল আতি কৰে যিতো কৰ্ম্মে ।
পৰম তত্বক জনাৱয় যিতো ধৰ্ম্মে ॥
সিতো ধৰ্ম্ম কৰ্ম্ম জানা সমস্তে বৰ্জ্জিত ।
বিষয়ৰ চিন্তাত মলিন মহা চিত ॥
কেৱলে চিত্তত কৰি বিষ্ণুক নিশ্চয় ।
তান নাম ব্যক্তে মাত্ৰ কীৰ্ত্তন কৰয় ॥
হেনয় মনুষ্যে সুখে পাৱে যেন গতি ।
সমস্তে ধাৰ্ম্মীক তাকো নপাৱে সম্প্ৰতি ॥
এতেকে পাৰ্ব্বতী তুমি জানা নিষ্ঠ কৰি ।
নাহি ধৰ্ম্ম বিষ্ণু নাম কীৰ্ত্তনক সৰি ॥
এহি মানে থৈলো মহেশ্বৰ বচনক ।
জানি সৰ্ব্বজনে লৈয়ো কৃষ্ণৰ নামক ॥
পুনুৰপি শুনা হৰি নামৰ মহত ।
কহিয়া আছন্ত যেন বিষ্ণু পুৰাণত ॥
পৰাশৰে কহিয়া আছন্ত মৈত্ৰে যত ।
মাধৱৰ নামৰ মহিমা যেন মত ॥
হৰি নাম গাওঁ হেন নাহিকে মনত ।
কৰে কৃষ্ণ নামক কীৰ্ত্তন অজ্ঞানত ॥
তথাপি সমস্তে পাপ ছাড়ে পুৰুষক ।
তেতিক্ষণে পলাই যাই দূৰতো দূৰক ॥
সিংহ হন্তে ত্ৰাস হুয়া যেন মৃগগণে ।
পলাই গৈয়া লৱড়িয়া পশে ঘোৰ বনে ॥
সমস্তে কালত হৰি নাম বিনা আন ।
নাহি গতি তথাপিতো কলিত প্ৰধান ॥
সত্য যুগে যোগী সবে ধৰিয়া সমাধি ।
যেন মতে ফল পাৱে কৃষ্ণ কথাৱাধি ॥

তাহাতো কৃষ্ণৰ যদি সদা নাম লয় ।
সমাধিৰ ফল যোগী তেবেসে পাৱয় ॥
নিয়মে সংযমে চিত্ত সাৱধান কৰি ।
ত্রেতা যুগে নানাবিধ যজ্ঞে যজি হৰি ॥
মাধৱৰ অষ্টগোটা নামক উচ্চৰে ।
তেবেসে যজ্ঞৰ ফল জানা পাৰে নৰে ॥
নানা মন্ত্রে তন্ত্রে পূজা কৰে দ্বাপৰত ।
হৰিৰ দ্বাদশ নাম জপয় সতত ॥
নাম কীৰ্ত্তনে সে সাঙ্গ কৰয় পূজাক ।
তেবেসে পূজাৰ যেন ফল পাৰে তাক ॥
ধ্যান যজ্ঞ পূজাৰ কহিলো যেন ফল ।
হৰিৰ নামেসে তাক সাধয় সকল ॥
কলিৰ লোকৰ চিত্ত মলিন অপাৰ ।
আন একো ধৰ্ম্মত নাহিকে অধিকাৰ ॥
কেশৱক কৰে মাত্র কীৰ্ত্তন কেৱল ।
পাৰে অনায়াসে ধ্যানাদিৰ যেন ফল ॥
কীৰ্ত্তনৰ ফল আৰু যেন শ্রেষ্ঠতৰ ॥
কলিত কীৰ্ত্তনে হোৱে নাৰায়ণ পৰ ।
এতেকেসে কলি যুগ শ্রেষ্ঠ আতিশয় ।
সত্যাদিৰ লোকে জন্ম কলিত বাঞ্চয় ॥
কলিত কৃষ্ণৰ নাম কীৰ্ত্তন কৰিয়া ।
পাৱয় পৰম পদ সংসাৰ তৰিয়া ॥
শুনিয়ো মৈত্রেয় মাধৱৰ নাম চয় ।
ভক্তি ভাৱে যিতো জনে কীৰ্ত্তন কৰয় ॥
অনাদি জন্মৰ যত পাপ আছে তাৰ ।
নামৰ কীৰ্ত্তনে হোৱে নিঃশেষে সংহাৰ ॥
কৃষ্ণৰ কীৰ্ত্তন মহা বহ্নিৰ সমান ।
পাপৰ দাহক নাহি নামৰ সমান ॥
যেন সুবৰ্ণৰ ধাতু মিশ্র মল যত ।
কেৱলে বহ্নিসে তাক হৰয় সমস্ত ॥

অগনিত পৰে আন যতেক উপাই ।
সুবৰ্ণৰ মল যেন গুচান নযাই ॥
সেহি মতে হৰিনাম কীৰ্ত্তনত পৰ ।
আন ধৰ্ম্মে চিত্ত শুদ্ধি নুহি মনুষ্যৰ ॥
এতেকে সে হৰিনাম ধৰ্ম্মত প্ৰধান ।
জগততে নাহি ধৰ্ম্ম নামৰ সমান ॥
হৰি নাম কীৰ্ত্তনে সে ধৰ্ম্ম ভৈলা যাৰ ।
এড়াইলেক সিজনে যমৰো অধিকাৰ ॥
যমৰ বচনে আৰ প্ৰমাণ লৈয়োক ।
বোলন্ত শুনিয়ো মোৰ যত দূত লোক ॥
যিতো মহাজন ভৈল মাধৱৰ দাস ।
কদাচিতো তাসম্বাৰ নচাপিবি পাশ ॥
মাধৱৰ দাসৰ লক্ষণ যেন মত ।
কহো স্পষ্ট কৰি শুনা সবাবে আগত ॥
হে বিষ্ণু বাসুদেৱ কমল লোচন ।
অচ্যুত ধৰণী ধৰ সত্য সনাতন ॥
শঙ্খ চক্ৰ গদা পাণি প্ৰভু নাৰায়ণ ।
হে কৃষ্ণ তুমি মোৰ হুয়োক শৰণ ॥
এহি মতে হৰি নাম যিজনে সুমৰে ।
নাহিকে নিষ্পাপ আৰ সিজনত পৰে ॥
হে দূতগণ মোৰ বাক্য মনে ধৰি ।
তাসম্বাক ফিৰি বিদূৰতে পৰিহৰি ॥
এহি মানে সংহৰিয়া যমৰ বচন ।
কৃষ্ণতেসে যিজনৰ নিমজিল মন ॥
কদাচিতো নৰকে নযাইবে সিতো নৰ ।
স্বৰ্গো মহা বিঘিনি নিবাৰে সিজনৰ ॥
কৃষ্ণতেসে চিত্ত জানা মজিল যাহাৰ ।
ব্ৰহ্মাৰো উত্তম পদ আতি অল্প তাৰ ॥
কৃষ্ণকেসে চিত্তত ধৰিয়া নিৰন্তৰে ।
এক চিত্তে কৃষ্ণত ভাৱনা মাত্ৰ কৰে ॥

তাৰ আৰ লাভ কিবা কহিবো অধিক।
দেন্ত ভগৱন্তে তাঙ্ক অধ্যয় শক্তিক ॥
অচ্যুত কীৰ্ত্তন যত মুকুতি পাৱয়।
কোন ইতো ছিদ্ৰ তান পাপ হুইবে ক্ষয় ॥
জপ হোম যজ্ঞ পূজা আদি সময়ত।
ৰৈল যাৰ মন বাসুদেৱ চৰণত ॥
ইন্দ্ৰ পদ আদি কৰি আছে যত ফল।
জানিবা মোতৰে তাৰ বিঘিনি সকল ॥
তপ জপ যজ্ঞ যাগ যোগ তীৰ্থ ব্ৰত।
কৰ্ম্মৰূপ প্ৰায়শ্চিত্ত কহি আছা যত ॥
সি সবে পাপক শুদ্ধি নকৰে যি মতে।
কৃষ্ণক স্মৰণে পাপ হৰে যেন মতে ॥
এতেকে যতেক আছে প্ৰায়শ্চিত্ত গণ।
সবাহাকে শ্ৰেষ্ঠ কৃষ্ণ নামক স্মৰণ ॥
পাপ কৰি অনুতাপ উপজিল যাৰ।
জানা অনুতাপে এক প্ৰায়শ্চিত্ত তাৰ ॥
তথাপিতো তাহাৰো নিৰ্ম্মল নহি চিত।
হৰিনাম কীৰ্ত্তনেসে মুখ্য প্ৰায়শ্চিত্ত ॥
কৃষ্ণ স্মৰণৰ আৰু মহিমা যিমত।
দেখাওঁ স্পষ্ট কৰি প্ৰহ্লাদৰ বচনত ॥
শুনা সভাসদ পদ নাম মালিকাৰ।
মাধৱৰ নাম গুণ সৰ্ব্ব শাস্ত্ৰে সাৰ।
সবে পুৰাণত নাম মাত্ৰ সাৰ জানি।
মহাজনে প্ৰতি প্ৰতি কহিলা কাহিনি ॥
সংসাৰ তৰিবে প্ৰতি যাৰ আছে কাম।
কৃষ্ণক চিত্তত ধৰি ডাকি বোলা ৰাম ॥

---

দোলড়া।

প্ৰহ্লাদ বদন্তি শুনিয়ো সম্প্ৰতি,
কৃষ্ণৰ নাম মহত।
বিষ্ণু পক্ষ জানি মোক পিতৃ আতি,
দুঃখ দিলা নানা মত ॥
দিগজ সবৰ দণ্ড নিৰন্তৰ,
অগ্ৰভাগে বজ্ৰময়।
মোৰ গাৱ লাগি সিয়ো গৈল ভাগি,
ইতো বল মোৰ নয় ॥
পৰম বিপদে পৰি মনে মই,
সুমৰিলো জনাৰ্দ্দন।
সমস্তে বিপদ বিনাশিয়া মোক,
ৰাখিলন্ত নাৰায়ণ ॥
কৃষ্ণ স্মৰণৰ প্ৰসাদে মোহোৰ,
বিকল নভৈল চিত।
দেখিয়োক কেন কৃষ্ণ চৰণৰ,
মহিমা কৰো বেকত ॥
শুনা আতপৰ কৃষ্ণ স্মৰণৰ,
অনুভয় যেন মত।
মহা উগ্ৰতৰ কলিৰ কল্মষ,
দেখা কেন বল আৰ ॥
মনুষ্যক নিয়া ঘোৰ নৰকত,
ভুঞ্জাৱে দুঃখ নিকাৰ।
ঈশ্বৰ কৃষ্ণৰ নাম এক বাৰ,
কীৰ্ত্তন যিতো কৰয়।
সত্যে যেন বহ্নি কলিৰ পাপত,
দহিয়া ভস্ম কৰয় ॥

যাৰ এক বাৰ স্মৰণে তেখনে,
কলি পাপ নষ্ট কৰে।
হেনয় কৃষ্ণক নভজিয়া নৰে,
নিকাৰ ভুঞ্জিয়া মৰে॥
প্ৰভাতে সন্ধ্যাত নিশি মধ্যাহ্নাদি,
সময়ত নাম লৈয়া।
সদ্যে পাপ ক্ষয় কৰি নৰ চয়,
নাৰায়ণ পাৱে গৈয়া॥
বিষ্ণুৰ সম্যকে স্মৰিয়ো সমস্তে,
ক্লেশক বিনাশ কৰে।
পৰম বিশুদ্ধ চিত্ত হুয়া সুখে,
মুকুতি পাৱয় নৰে॥
কৃষ্ণ স্মৰণৰ যিহেতু নিৰ্ম্মল,
মুকুতি পৰম ফল।
তাৰ স্বৰ্গ পদ জানিবা নিশ্চয়,
বিঘিনি মাত্ৰ কেৱল॥
ইহাক জানিয়া যিতো অহৰ্নিশে,
বিষ্ণুক সম্যকে স্মৰে।
পাপ ক্ষয় কৰি হুয়া শুদ্ধ চিত্ত,
নাযাই নৰকক নৰে॥
স্নানাদি কৰ্ম্মত যিতো ধ্যান কৰে,
নাৰায়ণ দেৱতাক।
সমস্তে পাপৰ মোক্ষ্য প্ৰায়শ্চিত্ত,
জানিবা নিশ্চয় আক॥
পুৰাণৰ ৱৰ্ন্নু কৃষ্ণৰ স্মৰণ,
প্ৰসঙ্গ সংহৰি থওঁ।
শিৱ পুৰাণত শুনা যেন মত,
নামৰ মহিমা কওঁ॥

জাতিত ৰাক্ষস নামত স্বধৰ্ম্ম,
দেখা তাৰ শুদ্ধ মন।
তাহাৰ আগত শ্ৰীৰুদ্ৰ দেৱে,
বুলিলা হিত বচন ॥
সদায়ে কৃষ্ণৰ নাম মাত্ৰ গাইবা,
জানিয়া ধৰ্ম্ম প্ৰধান।
হৰিৰ পৰম ৰূপ মনোহৰ,
সদায়ে কৰিবে ধ্যান ॥
মুৰাৰি নামৰে কীৰ্ত্তন কৰিবে,
সদায়ে নিচল মতি।
ইসব প্ৰকাৰে সংসাৰক তৰি,
লভিব পৰম গতি ॥
ৰুদ্ৰৰ বচন থৈলো এহি নামে,
নামৰ কহি মহত।
তাতে শুনা আৰু কহি আছে যেন,
শিৱ নাম মহিমাত ॥
শিৱৰ কৃষ্ণৰ নামত কিঞ্চিতো,
নাহিকে জানা অন্তৰ।
শিৱৰ যতেক গুণ নাম সিয়ো,
জানা সবে মাধৱৰ ॥
আপোনাৰ গুণ নাম নাৰায়ণে,
শিৱত সবে অৰ্পিলা।
আপোনাৰ নিজ ভক্ত বুলি হৰি,
ভিন্ন তাঙ্ক নকৰিলা ॥
বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতো অন্তৰ,
নাহিকে জানা নিশ্চয়।
আক ভিন্ন বুদ্ধি কৰিলে কেৱলে,
অপৰাধ মাত্ৰ হয় ॥

এতেকে সে মহা জনে দুইহন্তৰো,
নাম এক কৰি কয়।
দুহানো নামক কীৰ্ত্তন কৰিয়া,
পৰম গতি লভয় ॥
সংশয় তেজিয়া একচিত্ত হুয়া,
শুনিয়োক নিৰন্তৰে।
মহাদেৱ মহা দেৱ অহর্নিশি,
বুলিয়া যিতো স্মৰে ॥
প্ৰথম অক্ষৰে মহেশ বুলিয়া,
মুকুত হোৱয় নৰে।
আৰো দুই পদ স্মৰিয়া শম্ভু,
হুয়া মৌনে স্তুতি কৰে ॥
শিৱ পুৰাণৰ কহি কিছুমান,
মহিমা শিৱ নামৰ।
মহা ভাগৱত শাস্ত্রে যেন কহে,
শুনা আৱে আত পৰ ॥
মহা ভাগৱত শাস্ত্রক বিচাৰি,
দেখিবাহা বিদ্যমান।
ভগৱন্ত ঈশ্ব- ৰৰ গুণ নাম,
বৰ্ণাইলা মাত্র প্ৰধান ॥
সমস্তে ধৰ্ম্মত কৰিয়া গৌৰৱ,
কৃষ্ণৰ গুণ কীৰ্ত্তন।
শ্ৰীমন্ত নাৰদে বৰ্ণয়া ব্যাসৰ,
কৰিলা চিত্ত প্ৰসন্ন ॥
তপ জপ ব্ৰত পূজা বেদ পাঠ,
মন্ত্র জাপ্য জ্ঞান দানে।
সমস্তে ধৰ্ম্মৰ অবিনাশি ফল,
জানিবাহা এহি মানে ॥

মহা মহা কবি বিবেকী সকলে,
কৰি আছা নিৰূপণ ।
উত্তম শ্লোকৰ গুণ নাম কথা
কৰিবে সদা বৰ্ণন ॥
অনেক জনমে পৰম নিষ্কামে
কৰিবে পূণ্য যিজন ।
তাৰ ফলে সদা ইজন্মাতো সুখে
কৰয় হৰি কীৰ্ত্তন ॥
হৰি কীৰ্ত্তনত পাবে যত ফল
কহিয়া আছা ধৰ্ম্মত ।
সি সব সকলে বিনাশি কেৱলে
জানিবাহা সাৰসত ॥
হৰি কীৰ্ত্তনত পাবে যত ধৰ্ম্ম
নানান বিঘিনি গ্ৰস্ত ।
হৰিৰ নামসে জানিবা নিশ্চয়
হৰয় তাক সমস্ত ॥
যত্মপি সঞ্জাত নযায় শুক্ৰৰ
বচনে লৈয়ো প্ৰমাণ ।
বামনৰ আগে শুক্ৰ মহা ঋষি
কহি আছা বিদ্যমান ॥
যত মন্ত্ৰ তন্ত্ৰ দেশ কাল পাত্ৰ
বস্তুত ছিদ্ৰ আছয় ।
তযু নাম গুণ কীৰ্ত্তনেসে তাকো
সমস্তে দূৰ কৰয় ॥
কৰ্ম্মৰ বিঘিনি হৰিকেসে নামে
ইতো অদভুত নয় ।
যিহেতু নামৰ কীৰ্ত্তনে কৃষ্ণকো
সন্তোষ আতি কৰয় ॥

ইহাৰ প্ৰমাণ লৈয়োক ঈশ্বৰ
মাধৱৰ বচনত।
ৰাজাৰ আগত আপুনি ঈশ্বৰ
কহি আছা যেন মত॥
বোলন্ত নৃপতি শুনা মহা মতি
তোমাৰ কল্যাণ হৌক।
মোৰ গুহ্য নাম কীৰ্ত্তন কৰিয়া
সন্তোষ কৰাইলা মোক॥
তোমাৰ সম্বন্ধি পৰম সন্তোষ
ভৈলোহো আমি নিশ্চয়।
পৰম গোপনি যেহি বৰ লাগে
লৈয়ো তাক মহাশয়॥
মোহোৰ সম্বন্ধি বৰ লৈয়া আসি
হও আতে খ্যাতিমন্ত।
ভক্তি মহোদয় হুইবেক অপাৰ
বুলিলন্ত ভগৱন্ত॥
শুনা মহাজনে যেন লৈল মনে
বিচাৰিলোঁ আমি পদ।
হুয়ো পুনু কাম বোলা ৰাম ৰাম
গুচোক সব আপদ॥

---

## ভক্তিৰত্নাৱলী।

পদ।

জয় জয় কৃষ্ণ কৃপা অমৃত সাগৰ।
যাৰ পদ সেৱন্ত বিৰিঞ্চি মহেশ্বৰ॥
মহাবিশ্ব দ্ৰোহী তৰে যাৰ লৈলে নাম।
হেন কৃষ্ণ পদে কৰো সদায় প্ৰণাম॥

গুণ কাল কৰ্ম্ম মায়া অধীন যাহাৰ ।
কৰে কটাক্ষতে সৃষ্টি পালন সংহাৰ ॥
হেন মহেশ্বৰ কৃষ্ণ নিত্য নিৰঞ্জন ।
সদায় প্ৰণমো তান অৰুণ চৰণ ॥
মোৰ নিজ গুৰু হৃদীশ্বৰ যদুৰায় ।
দিয়ো উপদেশ মোক কৃপাদৃষ্টি চাই ॥
পদ বন্ধে নিবন্ধিবো তযু গুণচয় ।
জানি কৃপাময় মোত হুয়োক সদয় ॥
কৃষ্ণ পাদপদ্ম দুই হৃদয়ত ধৰি ।
গুৰুৰ চৰণ মনে শিৰোগত কৰি ॥
ভক্তি-ৰত্নাৱলী গ্ৰন্থ ভাগৱত সাৰ ।
মূৰুখ মাধৱে পদ কৰিলা প্ৰচাৰ ॥
কৃষ্ণক স্মৰণে আৰম্ভৰ সিদ্ধি হোক ।
বোলো কৰযোড়ে শুনা সভাসদ লোক ॥
অল্পমতি হুয়া বৰ কৰিলো আৰম্ভ ।
জানি মহাজনে নকৰিবা উপালম্ভ ॥
গৰুড়ৰ উৰাৰ যদ্যপি সম নুই ।
পখা অনুৰূপে পক্ষী তেবেকি নুড়ই ॥
যদি অনুচিত হয় মোৰ ইটো কৰ্ম্ম ।
তথাপিতো মহন্ত জনৰো ক্ষমা ধৰ্ম্ম ॥
হেন জানি মোৰ যত দোষ পৰিহৰি ।
কৃষ্ণ কথা ৰস পান কৰা কৰ্ণ ভৰি ॥
নাহি ধৰ্ম্ম কৃষ্ণ কথা শ্ৰৱণত পৰে ।
যাক শুনি অতি অন্ত্য জাতিও নিস্তৰে ॥
জানি শুনা আন যত ত্যজিয়া চাতুৰী ।
আছিলন্ত সন্ন্যাসী নামত বিষ্ণুপুৰী ॥
পৰম মহন্ত মহাজন মাঝে সাৰ ।
তেন্তে কৰিলন্ত ভাগৱত সাৰোদ্ধাৰ ॥
ভক্তিৰত্নাৱলী নামে নাই পটন্তৰ ।
পৰম অমূল্য ৰত্ন ভকত জনৰ ॥

মতি অনুসাৰে পদ নিবন্ধিবো আৰ।
কৃষ্ণৰ প্ৰসাদে হৌক লোকত প্ৰচাৰ॥
মহাজন সবৰ সন্মত অনুসৰি।
কৃষ্ণৰ কীৰ্ত্তন ৰূপ মঙ্গল আচৰি॥
ভক্ত সমে মাধৱক কৰিয়া সেৱলি।
বিৰচিল বিষ্ণুপুৰী ভক্তি ৰত্নাৱলী॥
নিখিল বেদৰ সাৰ মহাভাগৱত।
সত্ত্ব ভক্তিপ্ৰদ যাৰ অতুল মহত॥
এতেকেসে সমস্ত বেদত শ্ৰেষ্ঠতৰ।
পৰম গোপনি ইটো সমস্ত শাস্ত্ৰৰ॥
মহা অন্ধকাৰময় দুৰ্ঘোৰ সংসাৰ।
আক তৰিবাক প্ৰতি ইচ্ছা আছে যাৰ॥
তাক কৃপা কৰি যিটো মহামুনি শুকে।
পৃথিবীত ব্যক্ত আহি কৰিলা উৎসুকে॥
আত্মা প্ৰকাশক ইটো প্ৰদীপ সাক্ষাত।
ভকতি অমৃত ৰস পৰিপূৰ্ণ যাত॥
আক শুনি অন্ধ লোকে তৰোক সংসাৰ।
হেন শুক গুৰু পদে কৰো নমস্কাৰ॥
ধৰ্ম্ম অৰ্থ কাম মোক্ষ পুৰুষাৰ্থ চাৰি।
ফুৰে যত লোকে আৰু উপায় বিচাৰি॥
কৃষ্ণক ভকতি তাৰ পৰম উপায়।
মহা পুৰুষাৰ্থ আত পৰে আন নাই॥
এহি পৰমাৰ্থ অৰ্থ বেদব্যাস ঋষি।
নিৰূপিলা ভাগৱত শাস্ত্ৰত হৰিষি॥
আন জ্ঞান কৰ্ম্ম মানে ভক্তিৰ সাধন।
জানিবা নিশ্চয়ে যত কহিলো লক্ষণ॥
ভক্তিসে প্ৰধান মই জানিয়া মনত।
মিলিল উৎসুক মোৰ আৰ সংগ্ৰহত॥
ভক্তিপৰ শ্লোকচয় কৰো একথান।
শুনা যেন মতে মোৰ উপজিল জ্ঞান॥

ভাগৱত নামে এক অমৃত সাগৰ ।
আছে হেন কথা শুনো মুখত লোকৰ ॥
গুৰু মুখে শাস্ত্ৰ পাছে আপুনি পঢ়িলো ।
ভাগৱত অমৃত সাগৰে বুৰ দিলো ॥
কৃষ্ণৰ করুণা দিব্য পৰম আসন ।
কৰিলে নির্ম্মল মোৰ হৃদয় লোচন ॥
দেখিলোহা কৃষ্ণৰ ভজন ৰত্ন পাছে ।
ভাগৱত অমৃত পয়োধ মাঝে আছে ॥
পৰম অমূল্য ইটো হৰি ভক্তি ৰত্ন ।
তাক উদ্ধাৰিতে মোৰ ভৈল মহাযত্ন ॥
হৃদিগত কৃষ্ণৰ আদেশ অনুসৰি ।
বৈষ্ণৱৰ প্ৰীতি অৰ্থে আনিলো উদ্ধাৰি ॥
যিটো কণ্ঠে পিন্ধি ৰত্ন পৰম উজ্জ্বল ।
কৰে সালঙ্কৃত তাৰ পুৰুষ সকল ॥
থাকে মাত্ৰ ৰত্নাৱলী যদি বা গৃহত ।
অজ্ঞান আন্ধাৰ তাৰ গুচয় সমস্ত ॥
যিটো পঢ়ে শুনে আৰু বিচাৰে সৰ্ব্বথা ।
তাৰ হিত সাধিবেক ইটো কোন কথা ॥
জানি ভক্তি ৰত্নাৱলী মহা গুণৱতী ।
কৰিয়োক শ্ৰদ্ধা অতি সুকৃতি সম্প্ৰতি ॥
শ্ৰৱণতে প্ৰেম ওপজাৱে কৃষ্ণ পাৱে ।
পূৰে যত মনোৰথ যেই যিবা চাৱে ॥
ভাগৱতে আছে হেন বুলিলা বচন ।
তোমাৰ কৃতত যত্ন কিবা প্ৰয়োজন ॥
ইহাৰ উত্তৰ সাৱধানে শুনিয়োক ।
পৰম বিষয়ী কৰ্ম্ম জড় যত লোক ॥
লাগিবে আলাস বহু কথা শুনি তাৰ ।
এত কথা শুনিবে শকতি আছে কাৰ ॥
নাহিকে আলাস যাৰ শ্ৰদ্ধা শুনিবাক ।
লাগে তাৰো অৱশ্যে কুটুম্ব পুষিবাক ॥

নাপাই অৱসৰ ভাগৱত সুশুনিব ।
মোৰ ইটো কৃতত তাহাৰ শ্ৰদ্ধা হৈব ॥
কৰিলো সংগ্ৰহ মই তাকে লক্ষ কৰি ।
নানা প্ৰকৰণ হন্তে শ্লোকক উদ্ধৰি ॥
বিচাৰিয়া যত সাৰ পাইলো বাৰ স্কন্ধে ।
একবাক্য কৰি আনি লিখিলো প্ৰৱন্ধে ॥
কহিলো গ্ৰন্থৰ যত প্ৰয়োজন মানে ।
এবে ৰত্নাৱলী শুনিয়োক সাৱধানে ॥
সামান্য বিশেষ ভক্তি কহিবাক প্ৰতি ।
আৰম্ভিলো বিৰচন প্ৰথমে সম্প্ৰতি ॥
যতেক সধৰ্ম্ম হৰি ভক্তিৰ কিঙ্কৰ ।
ভকতিৰ মুখ চাই থাকে নিৰন্তৰ ॥
সমস্তে ধৰ্ম্মৰ ভকতি সে মুখ্য ফল ।
ভকতি নভৈলে ধৰ্ম্ম সকলে বিফল ॥
তাকে সে পৰম ধৰ্ম্ম বুলিয় নিশ্চয় ।
যাত হন্তে মাধৱত ভকতি মিলয় ॥
গুচে সবে কামনা প্ৰসন্ন হোৱে চিত্ত ।
ৰজ তম গুচি শুদ্ধ সত্বে হৱে স্থিত ॥
ভগৱন্ত বাসুদেৱে ভক্তি যিটো কৰে ।
মিলে বিষয়ত তাৰ বৈৰাগ্য সত্বৰে ॥
বেদশিৰোৰত্নে মন্ত্ৰে যাহাক প্ৰকাশে ।
হেন তত্ব জ্ঞান আসি মিলে অপ্ৰয়াসে ॥
একে বাসুদেৱতে সে কৰিব ভকতি ।
নকৰিব আন একো দেৱতাত ৰতি ॥
ভকতি পন্থত এক দেৱ নাৰায়ণ ।
শুনা আৰ হেতু সাৱধান কৰি মন ॥
সত্ব ৰজ তম প্ৰকৃতিৰ তিনি গুণে ।
ধৰা তিনি মূৰ্ত্তি একে পুৰুষ আপোনে ॥
ৰজো গুণে ব্ৰহ্মা হৈয়া প্ৰজা চৰাচৰ ।
সত্ব গুণে বিষ্ণুৰূপে পালে নিৰন্তৰ ॥

তমো গুণে ৰুদ্ৰৰূপে সৃষ্টি সংহাৰন্ত।
তিনি গুণে তিনি মূৰ্ত্তি একে ভগৱন্ত ॥
যদ্যপি ভজনি হন্ত তিনিও ঈশ্বৰ।
তথাপিতো বিষ্ণুতে সে সিদ্ধি মনুষ্যৰ ॥
জ্ঞানেসে জানিবা মুখ্য মোক্ষৰ নিদান।
শুদ্ধ সত্ব গুণতে সে মিলে তত্বজ্ঞান ॥
এতেকে সে বিষ্ণু ভৈলা ভকতৰ ইষ্ট।
উপাধি বিশিষ্টে ফল হোৱয় বিশিষ্ট ॥
পূৰ্ব্ব সদাচাৰে আৰ দেখাওঁ প্ৰমাণ।
যতেক মহন্ত মহা জ্ঞানত প্ৰধান ॥
কৰন্ত ভকতি বাসুদেৱৰ চৰণে।
চিত্ত হোৱে নিৰ্ম্মল আনন্দ মিলে মনে ॥
পিতৃ ভূতপতি লোকপাল নিৰন্তৰে।
শ্ৰাদ্ধ বুলি পূজা নকৰিলে বিঘ্ন কৰে ॥
বিস্তৰ আয়াসে ভজি পাৱে অল্প ফল।
জানি ঘোৰ ৰূপ ত্যজি মহন্ত সকল ॥
শান্ত মূৰ্ত্তি কৃষ্ণ অৱতাৰক ভজন্ত।
আন দেৱ সমস্তক নিন্দা নকৰন্ত ॥
সুদৃঢ় বিশ্বাসে নিতে ভজি ভগৱন্ত।
পৰম দুৰ্লভ মোক্ষ পদক সাধন্ত ॥
বুলিবা মুকুতি সুখে ইচ্ছা আছে যাৰ।
ভগৱন্ত ঈশ্বৰ ভজনি দেৱ তাৰ ॥
অন্যত্ৰ সুখক ইচ্ছা কৰে যিটো নৰ।
তাহাৰ ভজনি দেৱ নহন্ত ঈশ্বৰ ॥
শুনা নিৰন্তৰে আৰ উত্তম যুগুতি।
ভকতি জ্ঞানৰ ফল দেখাও মুকুতি ॥
ঈশ্বৰ কেশৱ দেৱ ভকতৰ নিধি।
যেই যিবা চাৱে তাৰ সেই হৱে সিদ্ধি ॥
এতেকে সে পৰম উদাৰ বুদ্ধি যাৰ।
তাৰা সবে নকৰে ভকতি ব্যভিচাৰ ॥

পৰম পুৰুষ হৰি প্ৰকৃতিত পৰ ।
মহা তাঁৰ ভকতি ভজন্ত নিৰন্তৰ ॥
আছে শ্ৰেয় সব যত অন্য মাৰ্গান্তৰ ।
যাগ যোগ আদি সিয়ো নাৰায়ণ পৰ ॥
কৃষ্ণকে সে কহে বেদ শাস্ত্ৰ আছে যত ।
তাহাৰ বিহিত ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত ॥
সবে নাৰায়ণ পৰ জানিবা নিশ্চয় ।
অৰ্পণ নভৈলে একো ফল নধৰয় ॥
নকৰি ভকতি যোগ পথে কৰে শ্ৰম ।
নোহে চিত্ত শুদ্ধ নুগুচয় অহং মম ॥
লোভে মোহে কামে পুনৰপি হোৱে হত ।
নাপাৱে মুকুতি সুখ নাহিকে মনত ॥
মিলিল যাহাৰ শ্ৰদ্ধা মুকুন্দ সেৱাত ।
হোৱে চিত্ত শান্ত মিলে আনন্দ সাক্ষাত ॥
সমস্তে শাস্ত্ৰৰ তাতপৰ্য্য এহিমান ।
সূত বাক্যে লৈয়ো আৰ সাক্ষাতে প্ৰমাণ ॥
যত কৰ্ম্মযোগ জ্ঞান আচৰি হৰিষি ।
তথাপি নভৈলা শান্তমতি ব্যাস ঋষি ॥
একো মতে নুগুচে মনৰ মহা ক্লেশ ।
নাৰদত হন্তে পাছে পাইলা উপদেশ ॥
একচিত্তে মাধৱত কৰিয়া ভকতি ।
তেবে তান নিৰ্ম্মল নিশ্চল ভৈলা মতি ॥
ভকতিৰ পৰম আনন্দ ভৈলা জাত ।
হৃদয়তে ঈশ্বৰক দেখিলা সাক্ষাত ॥
কৃষ্ণৰ অধীন মায়া দেৱীকো দেখিল ।
তেবেসে ব্যাসৰ যত সংশয় গুচিল ॥
ভৈলা কৃত কৃত্য ভকতিৰ প্ৰসাদত ।
দেখাইলো প্ৰমাণ জ্ঞান ভকতি যিমত ॥
এবে শুনা ভকতিৰ মহিমা সকল ।
নলাগে বিলম্ব অতি শীঘ্ৰে সাধে ফল ॥

কপিল বচনে আৰ লৈয়োক প্ৰমাণ ।
কহিলন্ত কপিলে মাতৃৰ বিদ্যমান ॥
আছে মনুষ্যৰ ইন্দ্ৰিয়ৰ বৃত্তি যত ।
অযত্নে প্ৰৱৰ্ত্তে যেন নানা বিষয়ত ॥
সেহি মতে ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰে ।
বিষয়ক এড়িয়া বিষ্ণুত ৰতি কৰে ॥
নকৰে কামনা ভকতিক ত্যজি আন ।
তাকে বুলি ভগৱতী ভকতি প্ৰধান ॥
কৰ্ণে শুনে কৃষ্ণ কথা মুখে বোলে ৰাম ।
মনে পাদ পদ্ম স্মৰে হস্তে কৰে কাম ॥
কৃষ্ণৰ প্ৰতিমা দেখে চক্ষুৰে ভক্তক ।
বিষ্ণু বুদ্ধি কৰি শিৰে নমে সমস্তক ॥
নিৰ্ম্মাল্য তুলসী ঘ্ৰাণ লৱে নাসিকায় ।
বিষ্ণুৰ নৈবেদ্য মাত্ৰ আস্বাদে জিহ্বায় ॥
পদে বিষ্ণু ক্ষেত্ৰ বৈষ্ণৱৰ ঠাইক যায় ।
এহি মতে ইন্দ্ৰিয়ৰ বৃত্তি সমুদায় ॥
বিষ্ণুতেসে প্ৰৱৰ্ত্তে অযত্নে যেবে জানা ।
মনে একো বিষয়ক নকৰে কামনা ॥
তেবে আৰ তাহাৰ মহিমা কৈবো কিক ।
পাইলেক প্ৰসাদ সিটো মোক্ষতো অধিক ॥
যদ্যপি মুকুতি পদ সুখ ৰূপ হয় ।
তথাপি ভকতি শ্ৰেষ্ঠ কহিলো নিশ্চয় ॥
সেৱাৰ আনন্দ সুখ মুকুতিত নাই ।
মুকুতিৰ সুখ সুখে ভকতিতে পাই ॥
যেহেন শৰ্কৰা খণ্ড ভূঞ্জে যিটো জনে ।
তাৰ যেন মতে স্বাদ সি সি মাত্ৰ জানে ॥
সেহি মতে মোক্ষৰ মূৰুতি হৰি দেৱ ।
তাতেসে বেকত হন্ত যিটো কৰে সেৱ ॥
এতেকে ভকতি শ্ৰেষ্ঠ মুকুতিত কৰি ।
সুহি আন সুখ তাৰ ভকতিৰ সৰি ॥

কহিলোহো ভকতিৰ উত্তম লক্ষণ।
মুকুতিৰ অৰ্থে ভিন্ন নলাগে যতন ॥
মিলিবে মুকুতি ভকতিৰ প্ৰসাদত।
লিঙ্গ দেহ দহিবে অজ্ঞান প্ৰথমত ॥
যেন প্ৰাণী অন্ন পান ভুঞ্জে যত যত।
উদৰৰ বহ্নি জীৰ্ণ কৰয় সমস্ত ॥
ভকতিও সেহি মতে লিঙ্গ জীৰ্ণ কৰে।
বিনা যত্নে জীৱন্তে মুকুতি পাৱে নৰে ॥
জানি ধৰা ভকতি ত্যজিয়া আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম ॥

## দোলড়ী।

কপিল বদতি শুনা দেবহুতি
মাতৃ কৰি স্থিৰ চিত্ত।
কহিলোহো নিষ্ঠ ভকতি গৰিষ্ঠ
লক্ষণ কৰো বিদিত ॥
আমাৰ একান্ত ভকত সকলে
দেখে সমস্তকে মিছা।
ভকতি বিৰোধি জানিয়া সাযুজ্য
মোক্ষকো নকৰে ইচ্ছা ॥
একে মোতে মাত্ৰ কায় বাক্য মনে
ৰতি কৰে নিৰন্তৰে।
এড়িয়া কামনা কৰয় অৰ্পণা
যত কিছু চেষ্টা কৰে ॥
বিৰল ভকত জনৰ শুনিয়ো
যেন মুখ্য প্ৰয়োজন।
অন্যো অন্যে এক প্ৰাণ হৈয়া কৰে
মোৰ যশ সভাজন ॥

শ্ৰৱণ কীৰ্ত্তন কৰি অনুক্ষণ
প্ৰশংসন্ত মাত্ৰ মোক ।
বুলিবা তাহাৰ ফল কিবা তেবে
কহো তাক শুনিয়োক ॥
মোৰ গুণ নাম কহন্তে শুনন্তে
মিলে আসি মহাভাগ ।
আনন্দ স্বৰূপ মোৰ দিব্য ৰূপ
প্ৰত্যক্ষতে পাৱে লাগ ॥
প্ৰসন্ন বদন অৰুণ নয়ন
তনু অতি অনুপাম ।
ভকতক দয়া কৃপা দৃষ্টি চায়া
পূৰন্ত মনৰ কাম ॥
দেখি কৃষ্ণ মুখ মিলে মহা সুখ
দূৰ হৰে যত তাপ ।
অতি মন প্ৰীতি মাধৱে সহিতে
মধুৰ কৰে আলাপ ॥
এহি মতে মহে শ্বৰ দৰশন
সুখ মুকুতিত নাই ।
মোক্ষৰ আনন্দ যিটো আত্মা সুখ
ভকতিত সুখে পাই ॥
পৰম সুন্দৰ মহা মনোহৰ
কৃষ্ণৰ অঙ্গ যতেক ।
মন ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰ
হৰয় দেখি প্ৰত্যেক ॥
ভকতি সুখত কৰি অল্প দেখি
ভকতে তাক নচাৱে ।
তথাপিতো যিটো সুখ মোক্ষ পদ
ভকতি আনি মিলাৱে ॥

অবিদ্যা নিবৃত্তি ভৈলে অনন্তৰে
যতেক ঐশ্বর্য্য আছে।
বৈকুণ্ঠ সম্পত্তি সমন্বিতে আসি
ভ্ৰমে ভকতৰ পাছে॥
ভকতে যদ্যপি নবাঞ্ছে তথাপি
ভকতিৰ মহাবলে।
বৈকুণ্ঠ লোকত মহাভোগ যত
ভকতে পাৱে সকলে॥
বুলিবা বৈকুণ্ঠ লোকৰ ভিতৰ
যেবে ভৈলা স্বৰূপত।
স্বৰ্গাদিৰ যেন হৈবেক বিনাশ
বৈকুণ্ঠৰ ভোগ যত॥
ইটো কুনির্ব্বন্ধ শঙ্কা পৰিহৰি
শুনিয়ো উত্তৰ তাৰ।
সিটো শুদ্ধ সত্ব বৈকুণ্ঠ লোকত
মায়াৰ নাহি সঞ্চাৰ॥
পৰম দুৰ্ঘোৰ কাল চক্ৰ মোৰ
পৰক গিলিবে লাগি।
নাহি নিদ্ৰা লেশ নকৰে নিমেষ
সর্ব্বদায়ে থাকে জাগি॥
প্ৰিয় আত্মা গুৰু সখা ইষ্ট দেৱ
বুলি মোক সর্ব্বভাৱে।
ভজে যিটো তাক সিটো কালে আৰ
আক্ষিও মেলি নচাৱে॥
এতেকে বৈকুণ্ঠ লোকত যতেক
ভকত আছে আমাৰ।
জানা কদাচিতো নুহি ভোগহীন
কহিলোহো সাৰে সাৰ॥

কহিলোহো যত প্ৰকৰণ অৰ্থ
বিচাৰি কৰা নিৰ্ণয়।
প্ৰথমে কামনা কৰি যিটো আসি
ভকতিত প্ৰৱৰ্ত্তয় ॥
ভকতিৰ স্বাদ জানিয়া পাছত
কামনাক পৰিহৰে।
ভকতিক মাত্ৰ বাঞ্ছিয়া মনত
নিষ্কামে ভকতি কৰে ॥
কদাচিত তাৰ কৰন্ত পূৰণ
কামনা যত পূৰ্ব্বৰ।
ভকতে বাঞ্ছিলে দিবাক লাগয়
স্বভাৱ ইটো কৃষ্ণৰ ॥
তাতেসে গুপুত কৰিলো ভকতে
নোখোজন্তে সুক্ষ্ম গতি।
পাৱয় পূৰ্ব্বত কামনা মনত
কৰিলে যিটো নিমিত্তি ॥
যিটো মহাজনে শুনি প্ৰসঙ্গত
ভকতিৰ স্বাদ জানি।
পৰম নিষ্কামে পূৰ্ব্ব হন্তে ভজে
ভগৱন্ত পদ্ম পানি ॥
সিটো মহন্তৰ ভকতিৰ সুখ
সদায় হৈব নিশ্চয়।
বৈকুণ্ঠ লোকত পৰম ঐশ্বৰ্য্য
অধিক সুখ পাৱয় ॥
মুকুতিত কৰি ভকতি গৰিষ্ঠ
এতেকে জানা সৰ্ব্বথা।
ভকতিৰ আগে বিষয়ৰ সুখ
তুচ্ছ হৈবে কোন কথা ॥

সদা ভক্তি সুখ সহিতে বৈকুণ্ঠ
ঐশ্বর্য্য সমে মুকুতি।
একান্ত ভকতে পাৱে আন জনে
নপাৱে শুনা যুগুতি॥
ইহ পৰলোক সুখ ধন জন্
ভার্য্যা পুত্র গৃহ দেহ।
সমস্তকে তাজি অন্যান্য ভকতি
ভজি মোত কৰে স্নেহ॥
তাত পৰে মোৰ মহা প্রিয়তম
ভকত নাহি আমাৰ।
ভকতি মুকুতি ভকতক দিয়া
কৰো সংসাৰ পাৰ॥
অনেক নির্ব্বাণ পদ আদি দান
দেও মই নিষ্ঠে নিষ্ঠ।
মুমুক্ষু ভকত জনত কৰিয়া
কেৱল ভক্ত গৰিষ্ঠ॥
হেন জানি সবে ভজিয়ো কৃষ্ণক
ত্যজিয়া সমস্তে কাম।
মূৰখ মাধৱে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম॥

পদ।

কপিল বদতি মাতৃ শুনা দেবহুতি।
কদাচিতো অভকতে নপাৱে মুকুতি॥
মই পৰমাত্মা চৰাচৰ জগতৰ।
প্রধান পুৰুষ দুইৰো নিয়ন্তা ঈশ্বৰ॥
ভকতি মুকুতি পদ দাতা মই দেৱ।
স্বতন্ত্র ঈশ্বৰ মোত পৰে নাই কেৱ॥
হেন মই মোক ত্যজি আনক ভজয়।
নুগুচে তাহাৰ ঘোৰ সংসাৰৰ ভয়॥

জানি আন ত্যজি ভজনীয় মোৰ পাৱে ।
পৰম শ্ৰদ্ধায়ে মাতৃ ভজা সৰ্ব্বভাৱে ॥
মোৰ গুণ নামত কৰিয়ো মাত্ৰ ৰতি ।
শ্ৰৱণ কীৰ্ত্তনে অনায়াসে পাইবা গতি ॥
কপিলৰ বচন সংহাৰি এবে থওঁ ।
এহি পৰমাৰ্থ সুনীতিৰ বাক্যে কওঁ ॥
কৃষ্ণ বিনে নাহিকে আনত হন্তে গতি ।
শিখাইলন্ত সুনীতি ধ্ৰুৱক প্ৰতি প্ৰতি ॥
শুন পুত্ৰ ধ্ৰুৱ তই মোহোৰ বচন ।
স্বতন্ত্ৰ ঈশ্বৰ যিটো দেৱ নাৰায়ণ ॥
তাহান্তে শৰণ লৈয়া কৰিয়োক সেৱ ।
ভকত বৎসল কৃষ্ণ দেৱতাৰো দেৱ ॥
মুমুক্ষু সকলে কাল হন্তে হৈয়া ভয় ।
যাৰ পাদপদ্মৰ পন্থক বিচাৰয় ॥
তয়ো নিজ ধৰ্ম্মে কৰি হৃদয় শোধিত ।
তাতে স্থাপি কৃষ্ণ পাদপদ্ম স্মৰ নিত ॥
যেন শত্ৰু হন্তে মহা ভয় হৈয়া নৰে ।
ৰাজাত শৰণ লৈয়া পাছে সেৱা কৰে ॥
সেহি মতে সেৱা বাপ কৰিও কৃষ্ণত ।
তান্ত বিনে হিত সিদ্ধি নাহিকে আনত ॥
কৃষ্ণ বিনে নাহি আন দেৱ সৰ্ব্বোত্তম ।
আয়ত লোচন যাৰ পদ্ম পত্ৰ সম ॥
তোৰ ইটো শোক দুঃখ খেদ ছেদকাৰী ।
কৃষ্ণ বিনে মনে আন নেদেখো বিচাৰি ॥
ব্ৰহ্মা আদি সেৱন্ত কটাক্ষ বাঞ্ছা কৰি ।
হেন লক্ষ্মীদেৱী হাতে পদ গোট ধৰি ॥
কৃষ্ণ পাদপদ্ম দুইকো বিচাৰি ফুৰন্ত ।
জানি সৰ্ব্বোত্তম দেৱ ভজা ভগৱন্ত ॥
হেনবা বুলিবা লক্ষ্মী পৰম ঈশ্বৰী ।
কিহেতু কৃষ্ণক সেৱা কৰন্ত সাদৰি ॥

সকল পৌৰুষশালী সৰ্ব্বোত্তম জানি।
এতেকে কৃষ্ণক সেৱা কৰন্ত গোসানী॥
ইহাৰ প্ৰমাণ কহো পৃথুৰ বচনে।
প্ৰাৰ্থিলন্ত পৃথু যেন কৃষ্ণৰ চৰণে॥
যাচিলা মাধৱে বৰ লোৱা পৃথুৰায়।
ৰাজায়ে বোলন্ত মোৰ বৰে কাৰ্য্য নাই॥
তযু পদ্ম পাদক ভজিয়া সৰ্ব্বভাৱে।
হাতত ধৰিয়া পদ্ম যেন লক্ষ্মী মাৱে॥
তোমাক সেৱন্ত মাত্ৰ ত্যজি আন বৰ।
ময়ো সেহি মতে তযু চৰণ কিঙ্কৰ॥
বুলিবা দুহানো মই ভৈলো এক পতি।
লাগিবে কন্দল লক্ষ্মী সহিতে সম্প্ৰতি॥
শুনিয়োক ইহাৰ উত্তৰ কৃপাময়।
উত্তম পুৰুষ তুমি গুণৰ আলয়॥
ভকতত তোমাৰ কৃপাৰ নাহি সীমা।
নলাগিবে দ্বন্দ্ব তযু চৰণ মহিমা॥
লাগে যদি কন্দল নকৰো তাকো ভয়।
সবে ৰাজ্য ভাৰ ভোগ সম্পত্তি হৰয়॥
তথাপি সেৱিবো প্ৰভু তোমাৰ চৰণ।
লক্ষ্মীত তোমাৰ নাহি কিছু প্ৰয়োজন॥
নিজানন্দ স্বৰূপ যিহেতু দামোদৰ।
লক্ষ্মীৰ বস্তুত নাহি এতেকে সাদৰ॥
তথাপি ভক্তৰ কৰা অল্পকো বিস্তৰ।
দৰিদ্ৰ বৎসল তুমি কৃপাৰ সাগৰ॥
স্বৰূপত লক্ষ্মী দ্বেষ নকৰে ভক্তক।
মাতৃ যেন অনুগ্ৰহ কৰয় পুত্ৰক॥
সেহি মতে জগত জননী লক্ষ্মী মাৱে।
তযু ভকতক দয়া কৰন্ত স্বভাৱে॥
জগতৰ আত্মা কৃষ্ণ তুষ্ট ভৈল যাৰ।
দেখাইলোহো লক্ষ্মী যেন তৃপিতি তাহাৰ॥

শ্ৰীৰুদ্ৰ দেৱৰ পৰম প্ৰিয় ভক্ত।
হৰি সেৱকৰো শঙ্কৰত অনুৰক্ত ॥
মহেশৰ বাক্যে লৈয়ো প্ৰামণ সাক্ষাত।
কহিছে আপুনি হৰে দশ প্ৰচেতাত ॥
প্ৰধান পুৰুষ দুইতো পৰ বাসুদেৱ।
ভগৱন্ত ঈশ্বৰক যিটো কৰে সেৱ ॥
নাজানি যদ্যপি মোৰ অপৰাধ কৰে।
তথাপিতো মোৰ প্ৰিয় নাহি তাত পৰে ॥
মহাভাগৱত তোৰা মোৰ প্ৰিয়তম।
দেখো তোমাসাক মই ভগৱন্ত সম ॥
তুমি সবো মোত প্ৰীত কৰিবা সদাই।
মোত পৰে ভকতৰ প্ৰিয় আন নাই ॥
থওঁ উপসংহৰি বচন মহেশ্বৰ।
শুনা এবে কহো বিমৰিষি পূৰ্ব্বাপৰ ॥
যিহেতু পৰম আত্মা হৰিসে জীৱৰ।
হৰি তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ ॥
এতেকে সে শাস্ত্ৰে কহে যতেক উপায়।
হৰিৰ প্ৰীতিসি তাৰ ফল সমুদায় ॥
এহিমানে সমস্তে শাস্ত্ৰৰ তত্ত্ব মৰ্ম্ম।
হৰি তুষ্ট হন্ত যাত তাকে বুলি কৰ্ম্ম ॥
যাত হন্তে মতি অতি উপজে কৃষ্ণত।
তাকে সে বুলিয় বিদ্যা জানা সাৰ তত্ত্ব ॥
হৰিসি দেহীৰ মহা প্ৰিয়তম গতি।
আপুনি ঈশ্বৰ হৰি আপুনি প্ৰকৃতি ॥
এহি হেতুতেসে দেৱান্তৰ সেৱা যত।
হৈয়া আছে হৰি ভকতিৰ অন্তৰ্গত ॥
ভকতিতে সিজে সবে সেৱা দেৱতাৰ।
প্ৰহ্লাদ বচনে লৈয়ো প্ৰমাণ ইহাৰ ॥
বোলন্ত প্ৰহ্লাদ শুনা অসুৰ সমস্ত।
যাৰ আছে নিষ্কাম ভকতি মাধৱত ॥

তাহাৰে সে পৰম নিৰ্ম্মল ভৈল চিত্ত।
মহাপ্ৰেম ৰস তাতে হোৱয় বিদিত॥
হোৱে কৃতকৃত্য ভকতিৰ প্ৰসাদত।
ধৰ্ম্ম জ্ঞান সহিতে দেৱতা আছে যত॥
পৰম শ্ৰদ্ধায়ে তাক কৰন্ত আশ্ৰয়।
ভৈল সিটো নৰ সৰ্ব্ব গুণৰ আলয়॥
যিটো দুৰাশয় ত্যজি হৰিৰ ভকতি।
গৃহৰ সুখত ৰাত্ৰি দিনে আসকতি॥
ফুৰে বহিৰ্ম্মুখ হৈয়া মিছা বিষয়ত।
নাহি কদাচিতো তাত মহাগুণ যত॥
গৃহাদি আসক্ত ভক্তিহীন লোক যত।
সিসব লোকত দেখি মহত্ত্ব সাম্প্ৰত॥
হেন যদি বোলা শুনা ইহাৰ উত্তৰ।
বাঞ্ছিত জীৱন যেন জলেসে মৎস্যৰ॥
সেহি মতে আত্মা হৰি সমস্তে জীৱৰ।
পৰম প্ৰসিদ্ধ ইটো সমস্ত শাস্ত্ৰৰ॥
হৰি এড়িলতে মিলে তেখনে মৰণ।
জল বিনে নাহি যেন মৎস্যৰ জীৱন॥
হেন হৰি এড়ি কৰে গৃহে আসকতি।
তাৰ যেন মহত্ত্ব শুনিয়ো প্ৰতি প্ৰতি॥
বৃদ্ধক পূজয় যেন শূদ্ৰৰ মাঝত।
ভাৰ্য্যাৰ উপৰি যেন স্বামীৰ মহত্ত্ব॥
পিতৃৰ মহত্ত্ব যেন পুত্ৰৰ ওপৰে।
কনিষ্ঠে জ্যেষ্ঠক যেন মতে মান্য কৰে॥
হৰি বিমুখৰ জানা তেহুয় মহত্ত্ব।
নাহি কদাচিতো তাত মহাগুণ যত॥
কালে যাক অধিকাৰ কৰে বিদ্যমান।
তাহাৰ মহত্ত্ব উপহাস্যৰেসে স্থান॥
এতেকে জানিবা সৰ্ব্বভাৱে পুৰুষৰ।
ভগৱন্ত মাত্ৰ ভৈল ভজনী ঈশ্বৰ॥

হৰি বিনে আছন্ত যতেক আন দেৱ ।
আপোনাকো ৰাখিবাক ক্ষম নোহে কেৱ ॥
নাহি আপোনাৰ পুৰ্ব্বা কালৰ ভয়তে ।
তাৰা সবে ৰাখিবে আনক কেন মতে ॥
কেৱলে নির্ভয় এক ঈশ্বৰ মুৰাৰি ।
কাল মায়া আদি সমস্তৰে অধিকাৰী ॥
আত্মালাভ বিনে সুখ আন নমানন্ত ।
সর্ব্বভাৱে ভয়াতুৰ জনক ৰাখন্ত ॥
জানিয়া তাহান দুই উভয় চৰণে ।
হুয়োক শৰণাপন্ন কায়বাক্য মনে ॥
সতকুলে জন্ম তান তুষ্টৰ কাৰণ ।
নোহে শুনা কহো হনুমন্তৰ বচন ॥
কিম্পূৰুষ বৰি যত ৰামক উপাসী ।
আছন্ত সবাতে কন্ত ভকতি প্ৰকাশি ॥
শুনা সর্ব্বজনে কথা কহো সাৰ তত্ব ।
সুৰাসুৰ নৰ আন লোক আছে যত ॥
তাহাৰ মাঝত যিটো হৰিক ভজয় ।
সি সি মহাজনে তান তোষক পাৱয় ॥
পৰম কৃতজ্ঞ ৰাম প্ৰভু ভগৱন্ত ।
অল্প ভজনতে কৰে বহু মান্যৱন্ত ॥
অযোধ্যা নিবাসী জীৱ জন্তু সমস্তক ।
নিলা অতি কৌতুকে সবাকো বৈকুণ্ঠক ॥
অল্প সেবা কৰে মাত্ৰ যেন কৰে বহুমান ।
আপোনাতে দৃষ্টান্ত দেখাওঁ বিদ্যমান ॥
নুহিকে উত্তম জন্ম আকৃতি সুন্দৰ ।
বাক্যৰো চাতুৰী নাহি বুদ্ধিও বিস্তৰ ॥
নাহি একো গুণ আমি বনৰ বানৰ ।
অনুগ্ৰহ পাত্ৰ ভৈলো তথাপি ৰামৰ ॥
এতেকে ভকতি হৰি তোষৰ কাৰণ ।
ব্যৰ্থ হৰি বিষয়ত আন গুণগণ ॥

কিন্তু তাতে কৰে যিটো নিস্কামে ভকতি।
পৰম কৃতাৰ্থ ভৈল সি সি মহামতি ॥
ভজিয়া কৃষ্ণত যিটো কামনা কৰয়।
কৰন্ত পূৰণ তাক ইটো সত্য হয় ॥
তথাপি কৃষ্ণৰ নাহি সন্তোষ মনত।
সবে মায়াময় ইন্দ্ৰিয়ৰ ভোগ যত ॥
ব্ৰহ্মলোক আদি কৰি সমস্তে নিবাসী।
পুণ্য ক্ষয় ভৈলে পুনঃ প্ৰাৰ্থিবন্ত আসি ॥
নেদন্ত মাধৱে পুনু কিছু নুখুজিলে।
নকৰিবা শঙ্কা ইটো মনত সমূলে ॥
নবাঞ্ছয় কিছু যিটো ভজি মাধৱক।
দিবন্ত আপুনি নিজ পাদ পল্লৱক ॥
যাক পাইলে ভকতৰ পূৰ্ণ হোৱে মন।
সৰ্ব্ব কাম বৰিষণ কৃষ্ণৰ চৰণ ॥
মোক্ষ আদি কৰি সুখ যতেক আছয়।
চৰণ সেবাক পাইলে একো নবাঞ্ছয় ॥
কৃষ্ণ পাদপদ্ম মকৰণ্ড কৰি পান।
হুয়া পৰিপূৰ্ণ মনে নোখোজয় আন ॥
কামনা পূৰ্ব্বকে যদি কৃষ্ণক ভজয়।
তাহাৰো পৰম হিত চিন্তে কৃপাময় ॥
বাৰেকাদি কামনা পূৰন্ত কৃষ্ণে তাৰ।
পুনঃ পুনঃ খুজিলে নেদন্ত আৰ বাৰ ॥
অনৰ্থ বিষয় পৰমাৰ্থ দাতা হৰি।
এতেকে ভক্তৰ বিষয়ক দূৰ কৰি ॥
নোখোজন্তে নিজ পদ পল্লৱ সুখক।
দেন্ত যাক পাইলে আৰ নোখোজে আনক ॥
যেন শিশু সবে কৰে মৃত্তিকা ভোজন।
তাক দেখি অনৰ্থক ভয়ে মাতৃগণ ॥
খাইবাকো নেদয় আৰ মুখৰো গুচাৰে।
কান্দিবাক দেখি নোখোজন্তে আনি মাৰে ॥

দেয় খণ্ড শৰ্কৰা ভুঞ্জয় শিশু তাক ।
জানিয়া মধুৰ স্বাদ তাজে মৃত্তিকাক ॥
শৰ্কৰাকে মাত্ৰ শিশু খোজয় পাছত ।
হৰিভক্ত সবাৰো স্বভাৱ সেহি মত ॥
এতেকে নিষ্কাম ভক্ত স্বভাৱ কৃতাৰ্থ ।
এহিমানে সমস্তে শাস্ত্ৰৰ পৰমাৰ্থ ॥
বুলিবা ইসব কথা কৈলা সবে ব্যৰ্থে ।
মহন্তো কৰয় যত্ন কাম ভোগ অৰ্থে ॥
শুনা এক চিত্ত কৰি ইহাৰ সিদ্ধান্ত ।
কদাচিতো শাস্ত্ৰে তাক নোবোলে মহন্ত ॥
বিষয়ৰ ভোগক এড়িয়া যিটো জন ।
পৰম শ্ৰদ্ধায়ে ভজে কৃষ্ণৰ চৰণ ॥
তাকে সে বুলিয় সাধু লৈয়োক প্ৰমাণ ।
প্ৰহ্লাদৰ বচনে দেখিয়ো বিদ্যমান ॥
বোলন্ত প্ৰহ্লাদে শুনা পিতৃ মহাভাগ ।
গৃহ অন্ধ কূপত এড়িয়ো অনুৰাগ ॥
অসন্ত বিষয় অনুমাত্ৰ সুখ নাই ।
মিছা অহং মম ভাব এড়িয়ো সদাই ॥
হৰিক চিন্তিয়ো মাত্ৰ গৈয়া তপোবনে ।
ইসি সাধু কাৰ্য্য বুলি মানে মোৰ মনে ॥
এহিমানে মাত্ৰ শ্ৰেষ্ঠ ধৰ্ম্ম পুৰুষৰ ।
একচিত্তে ভক্তি আচৰিয়া মাধৱৰ ॥
শ্ৰৱণ কীৰ্ত্তন তান কৰিব সদাই ।
ভকতিয়ো আৰ আত পৰে শ্ৰেষ্ঠ নাই ॥
কৰিবা সংশয় দেৱ পিতৃ নভজিলে ।
তাসম্বাত হন্তে জানো মহাভয় মিলে ॥
নকৰিবা শঙ্কা শুনা ইহাৰ উত্তৰ ।
ভৈলা যাৰা সবো আসি নাৰায়ণ পৰ ॥
কৃষ্ণৰ অভয় দুই চৰণত ধৰি ।
স্বৰ্গ মোক্ষ নৰকক মানে তুল্য কৰি ॥

এতেকে সে স্ত্রী শূদ্র আদি ভক্তচয়।
নকৰন্ত কাতো হন্তে অনুমাত্র ভয়॥
ভকতিৰ প্রসাদত মিলে মহাভাগ।
নাহি তাৰা সবৰো কাহাতো অনুৰাগ॥
ভকতিৰ সখা জ্ঞান বৈৰাগ্যাৰ বোলে।
নাহি কিছু সাৰ মিছা দেখন্ত সকলে॥
বুলিবা ভক্তিত যেবে গুচে সবে ভয়।
কি হেতু কৃষ্ণক তেবে সবে নভজয়॥
শুনিয়ো ইহাৰ কহো উত্তৰ সম্প্রতি।
পৰম বিষয়ী যত লোক গৃহবর্ত্তী॥
ইন্দ্রিয়ৰ সুখে যাৰ সদা আসকতি।
কদাচিতো কৃষ্ণত নোপজে তাৰ মতি॥
গুৰু উপদেশত বা আপোনাত হন্তে।
নাপাইবেক বোধ অন্যো অন্যো বিচাৰন্তে॥
নাহি ইন্দ্রিয়ৰ উপৰতি বিষয়ত।
চোবোৱাকে চোবাই ফুৰে ঘোৰ সংসাৰত॥
হোৱে অন্ধ ভাৰ্য্যা পুত্র ধনৰ আক্রোশে।
নভজে কৃষ্ণক বিষয়ৰ সঙ্গদোষে॥
বুলিবা পৰমানন্দ কৃষ্ণৰ মূৰতি।
নভজে তাহাৰা সবে কমন যুগুতি॥
শুনিয়োক স্থিৰ চিত্তে ইহাৰ নির্ণয়।
অজ্ঞানত থাকিয়া কৃষ্ণক নভজয়॥
কৃষ্ণেসে ভৈলন্ত মাত্র যাৰ প্রয়োজন।
তাৰেসে কেৱলে প্রাপ্য প্রভু নাৰায়ণ॥
বিষয় বাসনা বন্ধ যাহাৰ হৃদয়।
নজানে বিষ্ণুক জানা সিটো দুৰাশয়॥
বুলিবা জানিবে সিটো গুৰু উপদেশ।
ইহাৰ উত্তৰ যেন শুনিয়ো নিঃশেষ॥
আপুনি বিষয়ী বিষয়ীক গুৰু মানে।
তাৰ উপদেশে সিটো বিষ্ণুক নজানে॥

যেন অন্ধলাক অন্ধে পন্থ উপদেশে।
পড়িবেক দুয়ো গৈয়া গৰ্ত্তত অৱশ্যে ॥
সেহি মতে মাধৱৰ বেদ জৰি ছন্দি।
পড়িবে সংসাৰ গৰ্ত্তে দুয়ো হৈয়া বন্দি ॥
বিষয়ক অতি আসকতি ভৈল যাৰ।
কৃষ্ণক পাইবাৰ আশা নিৱৰ্ত্তিল তাৰ ॥
যেন বায়ু বস্ত্ৰ পশ্চিমক লৈয়া যাই।
পূবক খেদিলে জানা সিকি বস্ত্ৰ পাই ॥
হেন জানি বিষয়ৰ বাসনা যাৰত।
নতু ধৰে আসি হৰি ভজিয়ো তাৰত ॥
সবে অৱস্থাতে ভক্তি কৰা সাৱধানে।
সকলো শাস্ত্ৰৰ তাৎপৰ্য্য এহিমানে ॥
পৰম দুৰ্লভ নৰ তনু আছা পাই।
নুহিকে শাশ্বত ইটো ক্ষণিকে পড়য় ॥
জানিয়া বিষয় সুখে যত্ন দূৰ কৰি।
কুমাৰ কালৰে পৰা ভজিয়োক হৰি ॥
নাহিকে বিস্তৰ শ্ৰম হৰিৰ সেৱাত।
বাল্য বৃদ্ধ সৱো পাৰে ভজিবে সাক্ষাত ॥
সমস্ত ভূতৰে হৰি আত্মা প্ৰিয়তম।
আপোনাকে আপুনি ভজন্তে কোন শ্ৰম ॥
আপোনাৰ নিজ সখা আত্মা ভগৱন্ত।
সবাৰো হিয়াত হৰি স্বভাৱে আছন্ত ॥
আন স্থানে বিচাৰিবে নলাগে কৃষ্ণক।
ভজিয়োক মাত্ৰ ত্যজি আন বিষয়ক ॥
মনুষ্য হৈবাৰ এহি মানে মাত্ৰ ফল।
পশু শৰীৰতো পাই বিষয় সকল ॥
হেন বিষয়ত কৰে মনুষ্যে হৰিষ।
পশুএৰে তেৱে কিবা ভৈল বিসদৃশ ॥
মনুষ্যৰ আয়ু ক্ষণভঙ্গুৰ সদায়।
পড়ে কেতিক্ষণে এই আছে এই নাই ॥

তাহাব বিষয় আশা পবম নিষ্ফল।
পুত্র দাৰা ধন জন সদাই চঞ্চল॥
একে নিমিষতে সবে হৈবে এড়াএড়ি।
অসাব সংসাব যেন পটেকব খেড়ি॥
যদি স্বর্গ পারে কর্ম্ম কৰিয়া বিশিষ্ট।
তহিতো নাহিকে সুখ জানা নিষ্ঠে নিষ্ঠ॥
পুণ্য তাবতম্যে পারে বড়া টুটা সুখ।
স্পর্দ্ধা অসুয়া আদি তৈতো আছে নানা দুঃখ॥
অন্যো অন্যে সর্ব্বক্ষণে নুগুচে কন্দল।
এতেকে স্বর্গৰ সুখ জানিবা নিষ্ফল॥
ইহ পব লোকব সুখত এড়ি আশ।
ঈশ্বব কৃষ্ণত মাত্র কৰিয়ো বিশ্বাস॥
ভজা নৱবিধ ভক্তি মাধৱৰ পারে।
ধর্ম্ম অর্থ কাম যেই চারে সেই পারে॥
বুলিবা অবোধ আমি দৈত্যৰ ছাৱাল।
কেশৱক ভজিবে আমাৰ নোহে ভাল॥
পুণ্যৱন্ত জনৰেসে আত অধিকাৰ।
ইটো শঙ্কা ত্যজি শুনা উত্তৰ ইহাৰ॥
দেৱ দ্বিজ ঋষি তপ জপ যজ্ঞ দান।
যত শৌচাচাৰ তীর্থ ব্রত মহা জ্ঞান॥
ইটো সবে বিড়ম্বন জানা নিষ্ঠ কৰি।
কেৱলে ভক্তিতে মাত্র তুষ্ট হোন্ত হৰি॥
এতেকে ভক্তিত সমস্তৰে অধিকাৰ।
নাহি বর্ণাশ্রম আত নিয়ম বিচাৰ॥
নাহিকে সঞ্জাত যদি মোহোৰ বাক্যত।
লৈয়ো তব প্রমাণ সাক্ষাতে গজেন্দ্রত॥
নাহি কুল শীল ৰূপ নুহিকে পণ্ডিত।
নাহি বল বুদ্ধি তেজঃ প্রভাৱ কিঞ্চিত॥
লৈলা ভক্তিভাৱে মাত্র কেৱলে শৰণ।
এতেকে সন্তুষ্ট তাত ভৈল নাৰায়ণ॥

বুলিবা হস্তীত যোগ্য গুণ একো নাই।
কিয় তুষ্ট ভৈল তাৰ শুনা অভিপ্ৰায়॥
আন একো গুণে কেহো কৃষ্ণক নেপাৰে।
ভক্তি মাত্ৰ গ্ৰাহ্য হৰি জানিবা স্বভাৱে॥
ইহাৰ প্ৰমাণ এবে লয়োক সম্প্ৰতি।
বামনৰ আগত প্ৰহ্লাদ নিগদতি॥
পৰম আশ্চৰ্য্য প্ৰভু তোমাৰ সৃষ্টিত।
তুমি জগততে সম আত্মা মহাহিত॥
অচিন্ত্য মায়াক লৈয়া তুমি নাৰায়ণ।
কৰা জগতৰ সৃষ্টি প্ৰলয় পালন॥
লাগে যদি পালিবে সবাকো সমভাৱে।
ভকতক মাত্ৰ কৰা করুণা স্বভাৱে॥
তথাপিতো তোমাৰ বিষম মতি নাই।
যেন কল্প তৰুত প্ৰাৰ্থিলে ফল পাই॥
নুখুজিলে কদাচিতো বাচি নেদে গাছে।
তেবে কোনে বৃক্ষক বিষম বুলিয়াছে॥
সেহি মতে ভকতৰ বশ্য হৰি দেৱ।
সুদৃঢ় বিশ্বাসে তাঙ্ক নিতে কৰা সেৱ॥
নাহি ভকতিত জাতি আচাৰ বিচাৰ।
কৃষ্ণত ভকতি সমস্তৰে অধিকাৰ॥
ভকতিসে মাত্ৰ হৰি তোষৰ কাৰণ।
লৈয়ো সৰ্ব্বজনে জানি কৃষ্ণত শৰণ॥
এতেকে তৰিবা ঘোৰ সংসাৰত সুখে।
পলাওক পাতক ৰাম ৰাম বোলা মুখে॥

ছবি।

যেন মতে দামোদৰ বশ্য হোন্ত ভকতৰ
শুনিলাহা পৰম উৎসুকে।
শুনা আৰো সাৱধানে, পৰীক্ষিত বিদ্যমানে,
কৈলা যেন মহামুনি শুকে॥

কদাচিতো দেৱ হৰি নৱনীত চুৰি কৰি
খাইলা দেখি যশোদা সুন্দৰী।
ক্রোধে খেদি ধৰি আনি উডুখলে টানি টানি
বান্ধত গৰুৰ লৈয়া জৰী॥
অনন্ত ব্রহ্মাণ্ড পতি বাহিৰে ভিতৰে অতি
নাহি পূৰ্ব্বাপৰ আদি অন্ত।
বেদে নজানন্ত যাক তাহাঙ্ক গৃহতে পাই
পুত্র বুলি যশোদা বান্ধন্ত॥
ফোকাৱন্ত শ্রান্ত পাই গোড়ে ঘাম বহি যাই
খসিয়া খোপাৰ পড়ে ফুল।
মাতৃৰ দেখিয়া শ্রম কৃপায় বন্ধন পাছে
লৈলা জগতৰ আদি মূল॥
মোৰ বশ্য চৰাচৰ মইয়ো বশ্য ভকতৰ
হেন সে দেখাইলা দামোদৰ।
তথাপি কৃষ্ণক এড়ে আনক ভজিয়া মৰে
কিনো লোক অধম পামৰ॥
ব্রহ্মা লক্ষ্মী মহাদেৱে নাপাইলা প্রসাদ হেন
পাইলা যেন যশোদা কৃষ্ণত।
ভকতে সুলভে পাৱে ইটো গোপীকাৰ পোক
নপাৱে অজ্ঞানী কৰ্ম্মী যত॥
বুলিবাহা সুখে জ্ঞানী নপাইলেও নাহি হানি
জ্ঞানে গতি সাধিবে তাহাৰ।
ভকতি বিহীন ভৈলে নাহিকে জ্ঞানত সিদ্ধি
শুনা কহো বচন ব্রহ্মাৰ॥
কৰন্তে নাহিকে দুঃখ মিলাৱে মুকুতি সুখ
ত্যজি হেন তোমাৰ ভকতি।
কেৱলে বোধৰ অৰ্থে ধ্যান ধাৰণা আদি
বহুবিধ শ্রমে কৰে ৰতি॥

নুহি মুকুতিৰ পাত্ৰ তাৰ লাভ শ্ৰম মাত্ৰ
কদাচিতো সিদ্ধি নাহি আন ।
অল্প বুলি ধান এৰি তণ্ডুলক আশা কৰি
যেন মৰে বাহানি পতান ॥
দেখাওঁ আৰ সদাচাৰ যত মহা জ্ঞানী সাৰ
জ্ঞানে গতি নপায়া পূৰ্ব্বত ।
পাছে যোগ ধ্যান এড়ি তোমাতে অৰ্পনা কৰি
লৌকিক বৈদিক কৰ্ম্ম যত ॥
সাধু সঙ্গ অনুসৰি শ্ৰৱন কীৰ্ত্তন কৰি
আচৰিয়া তোমাৰ ভক্তিক ।
তযু সেবা প্ৰসাদত জানি আপোনাৰ তত্ব
সুখে পাইল পৰম গতিক ॥
ভকতৰ কৃত্যশেষ নাহি আৰ লয়লেশ
ভৈল পৰিপূৰ্ণ আনায়াসে ।
লৈয়োক প্ৰমাণ আৰ আগে নন্দ যশোদাৰ
কহিলা উৰ্দ্ধৱ হৰিদাসে ॥
জগত কাৰণ যিটো নিখিল জীৱৰ আত্মা
নাৰায়ণ পৰম পুৰুষ ॥
পৰম ঈশ্বৰ হৰি নিজ মায়া বশ্য কৰি
কাৰণেসে ভৈলন্ত মানুষ ॥
তাহান্তে ভকতি নিতে কৰাহা একান্ত চিত্তে
বাঢ়িবে কৃষ্ণত দুইৰো স্নেহ ।
দ্বিতীয় কৰ্ত্তব্য আৰ নাহি জানা সাৰে সাৰ
নকৰিবা ইহাৰ সন্দেহ ॥
তপ জপ যজ্ঞ যাগ যোগ তীৰ্থ ব্ৰত দান
কৰে যেবে মহা শুদ্ধ ভাৱে ।
তেবেসে সুদৃঢ় চিত্তে ভকতি কৰিতে পাৰে
ঈশ্বৰ কৃষ্ণৰ দুই পাৱে ॥

নাহিকে আমাত একো ধৰ্ম্ম হেন খেদ চিত্তে
নকৰিবা তুমি গোপ ৰাজ।
সমস্তে ধৰ্ম্মৰ ফল ভকতিক পাইলে যিটো
তাৰ আন কৰ্ম্মে কোন কায॥
নন্দৰ আগত যত কহিলা উদ্ধৱে তাক
সংহৰিয়া এই মানে থওঁ।
বৰ্ণাইলন্ত আৰো যেন গোপীৰ ভকতি দেখি
শুনিয়োক তাক কিছু কওঁ॥
জাতি কুলাচাৰ ধৰ্ম্ম জ্ঞানে কৃষ্ণ দেৱতাৰ
নুহি অনুগ্ৰহৰ কাৰণ।
কিন্তু ভক্তি ভাৱে অতি ভজোক অজাতি জাতি
তাতেসে সন্তুষ্ট নাৰায়ণ॥
কৈৰ কামাতুৰা নাৰী দুষ্টা মহাব্যভিচাৰী
কাম ভাৱে ভজিয়া কৃষ্ণক।
তথাপিতো দেখা কেন কৃষ্ণদেৱ বিষয়ত
পাইলা মহা আৰূঢ় ভাৱক॥
ইটো গোপীকাক প্ৰতি কৃষ্ণৰ পৰম প্ৰীতি
ভৈল আক দেখিলো সাক্ষাতে।
এতেকে জানিলো মহা অজ্ঞ সবো পাৱে গতি
ইটো কৃষ্ণ দেৱৰ সেৱাতে॥
ৰাসোৎসৱে ৰঙ্গ কৰি গোপীৰ কণ্ঠত ধৰি
মহাবাহু মেলি আলিঙ্গন্তে।
পৰম আনন্দে যিটো পাইলেক প্ৰসাদ ইটো
গোপীসবে মাধৱত হন্তে॥
হৃদয়ত থাকি নিত্য লক্ষ্মী তাক নতু পান্ত
আন দেৱ ৰমণী সৰ্ব্বথা।
নতু পাৱে দেখিবাক ইটো মহা প্ৰসাদৰ
আৰ আন স্ত্ৰীৰ কোন কথা॥

গোপীৰ ভাগ্যৰ কথা থাকোক বৰ্ণাইবো কত
মোৰ হেন প্ৰাৰ্থনা মনত ।
আসম্বাৰ পদ ৰেণু যিটো তৃণ বনে পড়ে
ইটো বৃন্দাবনৰ মাজত ॥
তাৰ এক গাছি তৃণ হৈয়া থাকো তেবে মোৰ
মিলে মহা ভাগ্য বিপৰীত ।
ইটো গোপী সকলৰ পৰম পবিত্ৰতৰ
চৰণ ৰেণুক পাইবো নিত ॥
গৃহৰ দুস্ত্যজ আশা কুলাচাৰ ধৰ্ম্মত্যজি
ভজিলন্ত কৃষ্ণৰ চৰণে ।
দুৰ্ল্লভ জানিয়া মনে বিচাৰিয়া সৰ্ব্বক্ষণে
কুৰন্ত সমস্ত দেৱগণে ॥
উত্তম ক্ষত্ৰিয় জাতি উদ্ধৱে প্ৰাৰ্থিলা অতি
যিটো স্ত্ৰীৰ চৰণৰ ধূলি ।
এতেকে কৃষ্ণক যত পাইবাৰ উপায় যদি
দোষ সিও গুণেসে সমূলি ॥
শুনিয়োক সভাসদ ভক্তি ৰত্নাৱলী পদ
ভকতৰ ইসে মহাধন ।
জানিবা সমস্তে তত্ব গুচিবে সংশয় যত
পৰম নিৰ্ম্মল হৈবে মন ॥
ভকতিত পৰে আৰ নাহিকে শাস্ত্ৰৰ সাৰ
জানি এবে এড়া আন কাম ।
গুচিবে সংসাৰ দুঃখ লভিবা পৰম সুখ
নিৰন্তৰে বোলা ৰাম ৰাম ॥

পদ ।

জাতিকুলাচাৰ ধৰ্ম্ম জ্ঞান আদি কৰি ।
ইসব গুণত বশ্য নুহিকন্ত হৰি ॥
ভকতিসি মাত্ৰ বশ্য হন্ত কৃপাময় ।
প্ৰপঞ্চিয়া ইটো কথা কহিলো নিশ্চয় ॥

নাহিকে ভক্তিত হেন শঙ্কা বিপৰ্য্যয়।
নাৰদৰ বাক্যে আৰ গুচাওঁ শংসয়॥
নাৰদ বদতি শুনিয়োক পৰংব্ৰহ্ম।
নাহি আত্ম পৰ তুমি সমস্ততে সম॥
যিহেতু পৰম আত্মা ইটো জগতৰ।
এতেকে সবাতো সম দৃষ্টি নিৰন্তৰ॥
নিজানন্দ লাভে পূৰ্ণ তুমি লক্ষ্মীপতি।
নাহি অনুৰাগ আন বিষয়ক প্ৰতি॥
তথাপিতো ভক্তে মাত্ৰ সেৱা অনুৰূপে।
তোমাৰ প্ৰসাদ পাৱে কহিলো স্বৰূপে॥
কদাচিতো অভকতে তোমাক নপাৱে।
তথাপি বিষম তুমি নুহিকে স্বভাৱে॥
কল্পতৰু বৃক্ষ যদি সবাতো সমান।
মাগন্তা জনক মাত্ৰ কৰে ফল দান॥
ভকতিসি গ্ৰাহ্য হৰি আপুনি প্ৰমাণ।
কহিয়া আছন্ত গোপিকাৰ বিদ্যমান॥
শুনা সখি সব মই কহোঁ স্বৰূপত।
মোৰ ভকতিসে মোক্ষ পাৱে প্ৰাণী যত॥
মইসে ঈশ্বৰ আন নাহি মোত পৰ।
মোহোৰ অধীন যত দেৱ নিৰন্তৰ॥
হেন মই মোত স্নেহ ভৈল তোমাসাৰ।
দেখিয়া কৌতুক বৰ মিলিল আমাৰ॥
মোকেসে সুহৃদ প্ৰিয় আত্মা বুলি মানা।
সুখে মোক পাইলা সখি সব হেন জানা॥
কৃষ্ণৰ বচন থওঁ এহি মানে মাত্ৰ।
বুলিবা নোপজে জ্ঞান বিনে জ্ঞান শাস্ত্ৰ॥
জ্ঞান বিনে মুকুতি নুহিবে কদাচিত।
বুলিবা কিসক মোক্ষ পাইব ভকতিত॥
ইহাৰ উত্তৰ শুনা কৰি মন স্থিৰ।
জ্ঞান সাধিবাক কোন শ্ৰম ভকতিৰ॥

নলাগে জ্ঞানৰ পদে পৃথক সাধন।
অযত্নে হৈবেক ভকতিতে উতপন॥
লৈয়োক প্ৰমাণ কৰি সিদ্ধিৰ বচনে।
কহিয়াছে নিমি নৃপতিৰ বিদ্যমানে॥
সমস্তে লোকৰ বৰ্ণাশ্ৰম আছে যত।
মনু আদি ঋষি মুখে কৰায়া বেকত॥
পৰম ৰহস্য জানি প্ৰভু ভগৱন্ত।
মুখ্য শাস্ত্ৰ মানে নিজ মুখে কহিলন্ত॥
যি সব উপায় কহি আছে কৃপাময়।
অজ্ঞানী সকলে কৰি তাহাকে আশ্ৰয়॥
মহা সুখে আত্মতত্ত্ব জানে সমুদায়।
তাকে বুলি ভাগৱতী ধৰ্ম্ম নিমিৰায়॥

---

## ৰাজসূয়।

এহি মতে যেবে পাণ্ডৱ নৃপতি
ৰাজসূয় আৰম্ভিল।
মহাযজ্ঞ ভাগ ভুঞ্জিবাক মনে
দেৱতাগণ আসিল॥
প্ৰথমতে ব্ৰহ্মা ব্ৰহ্মলোক হন্তে
আসিলন্ত হংস যানে।
তাহানে লগত আসিলন্ত যত
প্ৰজাপতি গণ মানে॥
ব্ৰহ্মাক আৱৰি আসিলন্ত আনো
সত্য লোক বাসী জন।
বৃষভত চড়ি কৈলাসৰ হন্তে
আসিলন্ত ত্ৰিনয়ন॥

ময়ূৰত চড়ি কাৰ্ত্তিক আসিলা
মুষবানে গণপতি।
নন্দী আদি কৰি যত ভূতগণ
আসিল মনে তৃপিতি ॥
ত্ৰিদশে সহিতে ঐৰাৱত কন্ধে
আসিলন্ত পুৰন্দৰ।
অপেস্বৰা গণ গন্ধৰ্ব্ব চাৰণ
সিদ্ধ মুনি বিদ্যাধৰ ॥
মহিষত চড়ি আসিলন্ত যম
মৃগত চড়ি পৱন।
পুষ্পক বিমানে কুবেৰ আসিলা
সঙ্গে যত যক্ষ গণ ॥
ছাগলত চড়ি অগনি আসিলা
হোম ভোগ অভিলাষী।
সপত তুৰঙ্গে আসিলন্ত সূৰ্য্য
শশা যানে আইলা শশী ॥
আনো আনো যত আইলা গ্ৰহগণ
চড়িয়া নিজ বিমানে।
একাদশ ৰুদ্ৰ সাধ্য অষ্টবসু
আসিলা যজ্ঞৰ থানে ॥
দশোদিশে যত আসিল সমস্ত
যক্ষ ৰক্ষ দেৱ ৰাশি।
পাণ্ডব ৰাজাৰ সভাত সবেও
একত্ৰ ভৈলন্ত আসি ॥
মকৰত চড়ি বৰুণ আসিলা
নিঋতি নিজ বিমানে।
পাতালৰ পৰা বাসুকি আসিলা
আনো নাগগণ মানে ॥

কৈলাস সমান শুক্ল কলেৱৰ
আকাশ গৈয়া লঙ্ঘয় ।
সহস্রেক ফণা স্বর্গ ছোৱে গৈয়া
বিস জালে ফোকাৱয় ॥
কাৰো সহস্রেক কাৰো ফণা শত
কাহাৰো দশ চল্লিশ ।
কৰাৱি চেলেকি ফোকৰ তেজন্তে
নাকে বাঝ হোৱে বিষ ॥
ফণা তুলি তুলি ফাত ফোত কৰি
পৃথিবী জুড়িয়া আসে ।
বাসুকি প্রমুখ্যে সর্পক দেখিয়া
পলাই লোক মহাত্রাসে ॥
যাধৰে দেখন্ত সর্পৰ ভয়ত
পলাই লোক নিৰন্তৰ ।
নাহি ভয় বুলি দুয়ো হাত তুলি
আশ্বাসিলা দামোদৰ ॥
কৃষ্ণক দেখিয়া সর্পৰাজ গৈয়া
তেজিলন্ত ফোতকাৰ ।
সহস্রেক শিৰ নমাইয়া ভূমিত
কৰিলন্ত নমস্কাৰ ॥
একপাশ হুইয়া, আধাৰি পকাইয়া
সর্পগণ অসংখ্যাত ।
কৃষ্ণক সম্মান, কৰি নিৰন্তৰে,
বসিলা সবে সভাত ।
ব্রহ্মা হৰ আদি, কৰিয়া যতেক,
আসিলন্ত দেৱগণ ।
অর্জ্জুনে সবাকো, সাদৰি নিয়মে,
দিলন্ত দিব্য আসন ॥

ব্ৰহ্মাদিক দেখি, পাণ্ডৱ ৰাজাৰ,
আনন্দৰ নাহি পাৰ ।
প্ৰণতি পূৰ্ব্বকে, প্ৰণমি সবাকে,
কৰিলন্ত সতকাৰ ॥
অনেক শুশ্ৰূষা, কৰিয়া বোলন্ত,
কিনো মোৰ মহাভাগ ।
সাক্ষাতে যজ্ঞত, ব্ৰহ্মা আদি কৰি,
দেৱতাক পাইলোঁ লাগ ॥
এহি বুলি ৰাজা, সবাকে সম্বুধি,
অনুমতি মাগি লৈয়া ।
নিয়ম পূৰ্ব্বকে, বিধি ব্যৱহাৰে,
পূজা আৰম্ভিলা গৈয়া ॥
আচাৰ্য্য ঋত্বিজ, সদস্য প্ৰমুখ্যে,
অসংখ্যাত ঋষিগণ ।
মাধৱ মাধৱ, স্মৰি প্ৰথমে,
কৰিলা স্বস্তি বচন ॥
অনেক সম্ভাৰে, ষোড়শোপচাৰে,
কৰিলা পূজা অশেষ ।
মাধৱ প্ৰমুখ্যে, পূজিলা দেৱক,
নাথাকিলা আৰ শেষ ॥
দীপ ধুপ গন্ধ, চন্দন নৈবেদ্য,
দিলা অসংখ্যাত কৰি ।
মনত উৎসুকে, দেৱতা সবক,
পূজিলা ৰাজা সাদৰি ॥
অসংখ্য প্ৰমাণ, সুৱৰ্ণ ভাজন,
বসন দিব্য ভূষণ ।
উৎসৰ্গি উৎসৰ্গি, দিলন্ত নৃপতি,
সমস্তৰে পূৰি মন ॥

পূৰ্ব্বত বৰুণে, কৰিলন্ত যেন,
মহাযজ্ঞ বিপৰীত ।
পাণ্ডৱ ৰাজাৰ, যজ্ঞৰ সম্ভাৰ,
তাহাতো কৰি অধিক ॥
ঋত্বিজ সকলে, বিধিৰ নিয়মে,
হোম কুণ্ড নিৰ্ম্মিলন্ত ।
যজ্ঞৰ বহ্নিত, অনেক সহস্ৰ,
হোম দান কৰিলন্ত ॥
বিষ্ণুক সুমৰি, মূল মন্ত্ৰ স্মৰি,
অনেক দ্বিজ সকল ।
সমজ্যাক ছনি, কৰে বেদধ্বনি,
পঢ়ন্ত স্তুতি মঙ্গল ॥
মৃদঙ্গ মুৰুজ, গোমুখ তবল,
শিঙ্গা শঙ্খ ঢাক ঢোল ।
তাল কৰতাল, মহুৰি কাহাল,
দুন্দুভি শবদ বোল ॥
অনেক সহস্ৰ, শবদৰ ধ্বনি,
লঙ্ঘয় স্বৰ্গৰ কোল ।
কৰ্ণে হানে তাল, থিতাতে কাহাৰো,
নুশুনিয় মাত বোল ॥
বায়ে বিদ্যাধৰে, গন্ধৰ্ব্বে বায়য়,
অপেস্বৰা কৰে নাট ।
বংশ প্ৰশংসিয়া, চপয় পঢ়য়,
অনেক সহস্ৰ ভাট ॥
লক্ষেক নৃপতি, সবে অবহিতি,
কৰয় যজ্ঞৰ কৰ্ম্ম ।
ত্ৰৈলোক্যৰ লোকে, কৰয় প্ৰশংসা,
পাণ্ডৱৰ দেখি ধৰ্ম্ম ॥

হৰিৰ সেৱক, পাণ্ডৱ ৰাজাৰ,
কিনো যজ্ঞ বিপৰীত।
আশ্চর্য্য ইদ্ভুত, ইমত সভাক,
নতো দেখি কদাচিত॥
মাধৱ সহিতে, ত্রৈলোক্যৰ লোক,
পাণ্ডৱৰ সভাসদ।
অনেক প্রাৱন্ত, দেখিয়া প্রজাৰ,
ভৈগৈল্ চিত্ত তবধ॥
শুনা সভাসদ, ভাগৱত পদ,
জন্মৰ সাফল হৌক।
পুৰুষ উদ্ধৰি, বোলা ৰাম হৰি,
পাপ ৰসাতল যাউক॥

---

শুক নিগদতি শুনা কৌৰৱ নন্দন।
পাণ্ডৱৰ সভাক আসিলা যত জন॥
নভৈল তৃপিতি হেন নাহি কদাচিত।
শুনা আবে দানৰ মহিমা বিপৰীত॥
সুবর্ণ ৰজত ৰত্ন অসংখ্য প্রমাণ।
সূর্য্যসুত কর্ণ মহাদানী দেই দান॥
মনক সন্তোষি দান খোজন্ত ব্রাহ্মণ।
এগুণ খোজন্তে কর্ণে দেই দশ গুণ॥
সুবর্ণৰ থাল ঝাৰি খুৰি অলঙ্কাৰ।
যেই যিবা খোজে মন পুৰি দেন্ত তাৰ॥
কাঞ্চন চৌদোল দাসী দাস দেশ গ্রাম।
হয় হস্তী ৰথ দেন্ত ধেনু অনুপাম॥
গো ভূমি সুবর্ণ বসন ৰুচিকৰ।
মণি মৰকত ৰত্ন দিলন্ত বিস্তৰ॥
অসংখ্য দানৰ কথা কহিবোঁহোঁ কত।
দুঃখী ভিক্ষী দেশান্তৰী আসিলেক যত॥

সবাৰো মনক তুষি দান বৰিষিল।
মহা দৰিদ্ৰকো অদৰিদ্ৰ কৰি দিল॥
বাৰিষা কালৰ যেন মহা মেঘচয়।
পৃথিবীক ঢাকি দিনে ৰাতি বৰিষয়॥
সেহিমতে অবিচ্ছেদে বৰিষিল দান।
সমস্তে লোকক ধনে কৰিলন্ত বান॥
নাহি পৰিমিত দান দিলন্ত যতেক।
নিতে নুৱাৰিল শত ভাগৰো ভাগেক॥
যুধিষ্ঠিৰ নৃপতিৰ অসংখ্য ভাণ্ডাৰ।
পাইয়া আছে দুৰ্য্যোধনে তাৰ অধিকাৰ॥
দেই দান মহাদানী ৰবিসুত কৰ্ণ।
পাণ্ডৱ সবৰ মহাবৈৰী দুই ও জন॥
ধনৰ বিভৱ দেখি মহা বিপৰীত।
বৈৰ ভাবে দগধ কৰয় দুইৰো চিত্ত॥
এগুণৰ ঠাইত শত গুণ কৰে হানি।
তথাপিতো নুটুটে নদীৰ যেন পানী॥
দেবাসুৰ নৰ নাগ যতেক আসিল।
নিৰন্তৰে লোকে হেন মহত মানিল॥
ইমত যজ্ঞক নতো দেখি নতো শুনি।
যাহাত মাধৱ পৰিচাৰক আপুনি॥
সুসম্পন্ন যজ্ঞ কিনো কৃষ্ণৰ দাসৰ।
ৰৈল যশ জগতত চন্দ্ৰ দিবাকৰ॥
এহিমতে যজ্ঞক জগতে প্ৰশংসিল।
শুনা যেন মতে আৰো আশ্চৰ্য্য মিলিল॥
যজ্ঞৰ নিয়ম যত কৰি সমাপত।
সোমলতামৃত পান কৰে যিদিনত॥
যথা যোগ্য সিদিনাৰ কৰ্ম্মক সংহৰি।
ঋত্বিজ সবাকো সাৱধানে পূজা কৰি॥
অনন্তৰে সমজ্যাত ভৈলা উপস্থিত।
সমাজ দেখিয়া বড় ভৈল ভয় ভীত॥

কতোক্ষণে অবনতে থিৰ কৰি চিত্ত।
কৃতাঞ্জলি হুইয়া ৰাজা লাগিল পুছিত ॥
বোলন্ত সবাকে নমস্কাৰ একে থানে।
পুছোঁহোঁ সবাতে সমজ্যাত আছা মানে ॥
প্ৰথমে পূজিয়া কাক দিবোঁ অৰ্ঘ্যদান।
কহিয়োক সবে কোন জন অগ্ৰমান ॥
শুনি সভাসদে অন্যে অন্যক চাহন্ত।
কাক আগে পূজিবন্ত বিচাৰি নপান্ত ॥
অদ্ভুত সমাজ দেখি সবাৰো বিস্ময়।
নমাতন্ত কেহোঁ অন্য অন্যে কৰি ভয় ॥
ব্ৰহ্মা হৰ আদি কৰি দেৱ অসংখ্যাত।
মহা মহা ঋষি সব আছন্ত সভাত ॥
ভীষ্ম আদি কৰি আছা অনেক মহন্ত।
বড় বড় ৰাজাগণ সভাত আছন্ত ॥
বাসুকি প্ৰমুখ্যে বড় বড় নাগগণ।
আনো আনো অসংখ্যাত মহা মহা জন ॥
আনক নিমিত্তে কেহোঁ সাহস নপান্ত।
বস্ত্ৰে মুখ ঘুৰিয়া সবাকো সবে চান্ত ॥
কাকো কেহোঁ কৰিবাক নপাৰি নিয়ম।
আছে কতোক্ষণ সবে পৰিয়া নিঝম ॥
অসুখ অশান্তি আতি ৰাজাৰ মনত।
কিবা কৰিবন্ত একো নপাৰন্ত তত্ত্ব ॥
নমাতি আছন্ত সবে পৰিয়া অবাক।
আগে অৰ্ঘ্য দিয়া ৰাজা পূজিৱন্ত কাক ॥
হেন তথ্য কৰিবাক নপাৰিলা কেৱ।
দেখি বস্ত্ৰ কাছি উথিলন্ত সহদেৱ ॥
পৰম পণ্ডিত সৰ্ব্বজ্ঞান মহাধীৰ।
বুদ্ধিত সুথিৰ শন্ত গহীন গম্ভীৰ ॥
যুধিষ্ঠিৰ নৃপতিক মাতিবাক লৈলা।
বোলন্ত নৃপতি তুমি বাউল যেন ভৈলা ॥

সৰ্ব্বজান হুইয়া বুদ্ধি হেৰুৱাইলা কিক।
আজি কেনে ভৈলা তুমি মূৰ্খতো অধিক ॥
অন্ধ হুইয়া আছা শ্ৰুতি জ্ঞান হেৰুৱাই।
কৃষ্ণক নকৰি পূজা কিবা আছা চাই ॥
ভকত সবৰ প্ৰতি প্ৰভু ভগৱন্ত।
এহেন্তেসে শ্ৰেষ্ঠ অগ্ৰমান্য অৰিহন্ত ॥
জগত প্ৰসিদ্ধ এন্তে সৰ্ব্ব দেৱময়।
ইহাঙ্ক পূজিলে জগতৰে পূজা হয় ॥
দেশ কাল ক্ৰতু মন্ত্ৰ তন্ত্ৰ ধন যত।
অগনি আহুতি পাত্ৰ ঋত্বিজ সমস্ত ॥
জ্ঞান সাঙ্খ্য যোগ ধৰ্ম্ম কৰ্ম্ম সমস্তৰ।
কেশৱেসে পৰমাৰ্থ আত্মা জগতৰ ॥
অনাদি অনন্ত এক ঈশ্বৰ পৰম।
জগততে দ্বিতীয় নাহিকে যাক সম ॥
জনম মৰণ একো নাহিকে যাহাৰ।
জগত জনক কৃষ্ণ পুৰুষতে সাৰ ॥
আপন আশ্ৰয় ইতো জগত যতেক।
সৃষ্টি স্থিতি লয় আৰ কৰন্ত প্ৰত্যেক ॥
যাহাৰ নিমিত্তে ইতো লোক নিৰন্তৰে।
নানাবিধ ৰূপাশ্ৰয় কৰ্ম্মক আচৰে ॥
যিহেতু কৃষ্ণেসে পৰমাত্মা জগতৰ।
সিহেতু অনেক বিধে চেষ্টা কৰে নৰ ॥
অন্যথা যতেক জড় বস্তু অচেতন।
এতেকেসে কৃষ্ণ এন্ত জগত কাৰণ ॥
যত কৰ্ম্ম ফল মানে অধীন কৃষ্ণৰ।
কৃষ্ণ তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ ॥
জানিয়া নৃপতি তুমি থিৰ কৰা মন।
কৃষ্ণক দিয়োক ইতো মহা অৰিহন ॥
কৃষ্ণক পূজন্তে যিতো জনে দেই হাক।
সত্য কৰি বোলোঁ ছুইবে যোগ্য নুহি তাক ॥

পৰম অধম আৰ নাহি তাত পৰে।
জানিবা আপুনি আত্মঘাত কৰি মৰে ॥
সি সবৰ মত মানে নধৰি মনত।
কৰা পূজা কৃষ্ণৰ অভয় চৰণত ॥
সৰ্ব্ব ভূত আত্মভেদ শূন্য ভগৱন্ত।
আহাঙ্ক পূজিলে ফল হৈবে অপৰ্য্যন্ত ॥
কৃষ্ণক বৰ্ণান্তে চিত্ত কৃষ্ণতে মজিল।
পৰম ঈশ্বৰ তান জ্ঞান উপজিল ॥
সাম্প্ৰতে দেখন্ত জগতকে কৃষ্ণময়।
এড়িলেক মায়া ভৈল প্ৰসন্ন হৃদয় ॥
পৰম আনন্দে নয়নৰ বহে নীৰ।
প্ৰেমৰ বেগত ভৈল পুলক শৰীৰ ॥
নকৰন্ত কাহাকো কটাক্ষ লয়লেশ।
উৰ্দ্ধবাহু হুইয়া বীৰে বন্দিলা অশেষ ॥
আনন্দৰ ভৰে পাছে মৌন হুইয়া ৰৈল।
শুনি সভাসদৰ আনন্দ আতি ভৈল ॥
ব্ৰহ্মা হৰ আদি কৰি যতেক আছন্ত।
সহদেৱ মহন্তক সবে প্ৰশংসন্ত ॥
সাধু সাধু সহদেৱ পণ্ডিত উত্তম।
নাহি সৰ্ব্বজান জগততে তুমি সম ॥
বুদ্ধিহীন আমি যত সমস্তে অজ্ঞান।
তুমিসি সবাক মহাজ্ঞান দিলা দান ॥
কোটি কোটি ব্ৰহ্মাণ্ডৰ কৃষ্ণসে ঈশ্বৰ।
আহানে অধীন আমি যত চৰাচৰ ॥
হেন ঈশ্বৰকো নুৱাৰিলোঁ তৰ্কিবাক।
তুমিসি কৰিলা আজি উদ্ধাৰ আহ্মাক ॥
আজি যেবে সবে আমি তোহ্মাক নপাওঁ।
অজ্ঞান সাগৰ মাঝে পড়ি তল যাওঁ ॥
পৰম ঈশ্বৰ জ্ঞান নৌকা দিয়া দান।
তুমিসি কৰিলা সমস্তকে পৰিত্ৰাণ ॥

আসিয়াছোঁ আমি এন্তে কৃষ্ণক দেখিত ।
তথাপিতো আমি সবে ভৈলো বিমোহিত ॥
আগতে কৃষ্ণক দেখি নজানিলোঁ কেৰে ।
জ্ঞান দীপ দিয়া দেখাইলন্ত সহদেৱে ॥
ভীষ্মে আসনৰ উঠি অনেক সাদৰি ।
সহদেৱ মহন্তক সাৱটিয়া ধৰি ॥
মুখে মুখে দিয়া চুমা দিলা মহাধীৰ ।
বুকে চাপি আনন্দে ঘ্ৰাণিলা তান শিৰ ॥
হৰিষ লোতকে তান তিয়াইলন্ত তনু ।
পৰম স্নেহত প্ৰশংসিলা পুনু পুনু ॥
কৃষ্ণক নজানি সবে বংশে যাওঁ তল ।
কৰিলে উদ্ধাৰ আজি কুলক সকল ॥
আম্মাৰ কুলত তঞি ভৈলি বংশধৰ ।
উত্তম ভকত তত্ত্ব জানিলি কৃষ্ণৰ ॥
বেদতো ৰহস্য বাপ তোহোৰ যুগুতি ।
এহি মতে সবে তাঙ্ক কৰিলন্ত তুতি ॥
শুনি যুধিষ্ঠিৰে জগতৰে সাধুৰ্ব্বাদ ।
গুচিল চিত্তৰ তান যতেক বিষাদ ॥
বুজি সভাসদৰ হিয়াৰ অভিপ্ৰায় ।
কৰি সহদেৱক প্ৰশংসা মহাৰায় ॥
কৃষ্ণত ঈশ্বৰ জ্ঞান ভৈল বিপৰীত ।
প্ৰেমৰসে আকুল কৰিলে তান চিত্ত ॥
কৃষ্ণ পদ পঙ্কজে পড়িলা দণ্ডৱতে ।
প্ৰণমিয়া সঅৰ্ঘে পূজিলা ভালমতে ॥
প্ৰণতি পূৰ্ব্বকে ৰাজা অনেক সাদৰি ।
প্ৰীতি ভাবে কৃষ্ণৰ ধুৱাইলা দুইও ভৰি ॥
জগত পবিত্ৰকাৰী পাদোদক জলে ।
ভাৰ্য্যা ভাতৃ অমাত্য সহিতে কুতুহলে ॥
সকুটুম্বে হৰিষে শিৰত লৈলা আনি ।
আনন্দত নৃত্য কৰিলন্ত মহামানী ॥

জগত পবিত্ৰকাৰী কৃষ্ণ পদ জল।
ব্ৰহ্মা আদি দেবে লৈলা কৰি কৌতুহল ॥
সমস্ত সভাৰ শিৰে সিঞ্চিলে হৰিষে।
নিস্তৰিলোঁ বুলি ৰঙ্গ কৰে দশোদিশে ॥
অনন্তৰে যুধিষ্ঠিৰে কৃষ্ণক পূজিল।
চতুঃ শ্যাম অঙ্গ ৰাগে শৰীৰ ৰঞ্জিল ॥
সুগন্ধ পুষ্পৰ অঙ্গ মুণ্ডমালা দিল।
ৰত্নময় অলঙ্কাৰে শৰীৰ মণ্ডিল ॥
কিৰীটি কুণ্ডল হেমহাৰ মনোহৰ।
কেয়ূৰ কঙ্কণ কাঞ্চি নুপূৰ পাৱৰ ॥
পিন্ধাইলন্ত দিব্য পীত বস্ত্ৰ ৰুচিকৰ।
নানা ৰত্ন মহাধন দিলন্ত বিস্তৰ ॥
হয় হস্তী ৰথ দোলা দিলন্ত বহুত।
আপোনাকো হৰিষে অৰ্পিলা কুন্তীসুত ॥
প্ৰেমত নেত্ৰৰ বহে আনন্দ লোতক।
নপাৰন্ত নৃপতি চাহিবে মাধৱক ॥
পূজি পুনৰপি দণ্ডৱতে পড়িলন্ত।
কৃষ্ণপদ পঙ্কজক মাথাত লৈলন্ত ॥
আখি মুখে ঘযি হৃদয়ত ধৰি আনি।
কান্দি কতো বেলি পাছে বুলিলন্ত বাণী ॥
কিনো ধন্য কিনো ধন্য মোহোৰ জীৱন।
ভৈলোঁ মঞি আজি কৃতকৃত্য নাৰায়ণ ॥
আজি কিনো মিলিল মোহোৰ মহাভাগ।
ঈশ্বৰ কৃষ্ণক পূজিবাক পাইলোঁ লাগ ॥
যিতো দেৱ সবাৰো দুৰ্লভ দৰিশন।
কিনো মোৰ ভাগ্য হেন অৰ্চ্চিলো চৰণ ॥
ৰাজাৰ ভকুতি দেখি সভাসদ যত।
সবাৰো ঈশ্বৰ জ্ঞান মিলিল কৃষ্ণত ॥
হুইয়া আছে বোধ সহদেৱৰ বচনে।
কৃষ্ণৰ নিগুণ যিতো মূৰ্ত্তি দৰশনে ॥

মায়া বন্ধ খণ্ডিল গুচিল অহঙ্কাৰ।
নমো জয় কৃষ্ণ বুলি কৰন্ত জোকাৰ॥
দশোদিশে জয় বোল উর্ম্মি উথলিল।
অঞ্জলি ভৰিয়া দিব্য পুষ্প ৰবিষিল॥
যৈত যিবালোক আছিলেক যেনমতে।
তৈতে তৈতে কৃষ্ণক নমিলা দণ্ডৱতে॥
হে কৃষ্ণ ত্ৰাহি ত্ৰাহি বোল মাত্ৰ শুনি।
হংসে যেন বাৰ কাঢে সৰোবৰ ছনি॥
উঠি উঠি পুনৰপি দণ্ডৱতে পড়ে।
কৰি কৃতাঞ্জলি নম্ৰ ভাৱে তুতি ৰড়ে।
ঈশ্বৰ কৃষ্ণক আমি ভৈলোঁ পৰিচয়।
কিনো আজি আহ্মাৰ মিলিল ভাগ্যোদয়॥
এহি মতে ব্ৰহ্মা আদি কৰি তুতি নতি।
শুনি দমঘোষসুত পৰম দুৰ্ম্মতি॥
কৃষ্ণৰ বিপক্ষ শিশুপাল দুৰাচাৰ।
কৃষ্ণক পূজন্তে গাৱ নসহিল তাৰ॥

---

শিশুপাল নিদাৰুণ।
শুনিয়া কৃষ্ণৰ গুণ॥
উপজিল ক্ৰোধ ভাৱ।
কম্পয় সকলে গাৱ॥
কোপে আখি আৰকত।
বসি আছে আসনত॥
উঠিল তেখনে নষ্ট।
কৃষ্ণক কৰিয়া কষ্ট॥
বাহু তুলি উপৰক।
গৰ্জ্জে আতি মাধৱক॥
গৰ্ব্বমদে দুৰাশয়।
কাহাকো নকৰে ভয়॥

আপন পৰুষ বাক।
শুনাই সবে সমজ্যাক॥
ক্ৰোধে মাতিবাক লৈল।
কিনো বিপৰীত ভৈল॥
বেদৰ বচন যত।
সিও দেখোঁ ভৈল হত॥
যিতো দুৰত্যয় কাল।
আতো আৰো নাহি ভাল॥
যেবে সত্য স্বৰূপত।
তেবে কেন বৃদ্ধ যত॥
ছৱালৰ বচনত।
ভৈল সবে বুদ্ধি হত॥
বৃদ্ধৰো চলিল চিত্ত।
ইসে ভৈল বিপৰীত॥
মহাৰাজা যুধিষ্ঠিৰ।
গহীন গম্ভীৰ ধীৰ॥
যজ্ঞৰ সমাজ পাতি।
আক্ষাক আনিলে মাতি॥
কদৰ্থনা কৰিবাক।
আনিলেক সমজ্যাক॥
ছৱালৰ বাক্য ধৰে।
সবাকো অমান্য কৰে॥
আক্ষাৰো জীৱন ধিক।
সভাক আসিলোঁ কিক।
কোন যুদ্ধে জিনিলেক।
আমাসাক আনিলেক॥
কুটুম্বিতা নিমিত্তত।
আসি আছোঁ সমাজত॥
সাধিলে তাহাৰ কাজ।
সভাত দিলেক লাজ॥

এহি মতে দুৰাচাৰ।
কৰি মহা অহঙ্কাৰ॥
সভাক সম্মুখ ভৈল।
কৃষ্ণক নিন্দিবে লৈল॥
শুনা সভাসদ লোক।
জন্মৰ সাফল হৌক॥
মাধৱৰ নাম গুণ।
কলিত পৰম পুণ্য॥
জানি আন তেজি কাম।
নিৰন্তৰে বোলা ৰাম॥

---

সবাক সম্মুখি শিশুপাল দুৰাশয়।
বোলে শুনা শুনা ওৰা সভাসদ চয়॥
তোৰা সব শ্ৰেষ্ঠ পাত্ৰ বুদ্ধিত সাগৰ।
নধৰিবা কেহো ইতো বাক্য বালকৰ॥
আতি শিশুমতি সহদেৱ মূঢ়জন।
কেনমতে সাদৰিলা ইহাৰ বচন॥
নতো দেখে সমাজ নজানে ব্যৱহাৰ।
বোলে উপকাৰী কৃষ্ণ কুটুম্ব আমাৰ॥
ইহাৰ প্ৰসাদে সুখে আছোঁ হেন জানে।
তাতেসে কৃষ্ণক ইতো বৰ বুলি মানে॥
তুমি সব সভাসদ পতি মহাজন।
কিসক সাদৰা সবে ইহাৰ বচন॥
নুহি যোগ্য কৃষ্ণ ইতো অগ্ৰ অৰিহণে।
নেদিবা সম্মত তুমি সব মহাজনে॥
জগততে শ্ৰেষ্ঠ দুই ব্ৰহ্মা মহাদেৱ।
যাহাৰ চৰণ সুৰাসুৰে কৰে সেৱ॥
জগত কাৰণ দুইও দেৱতে উত্তম।
ব্ৰহ্মাণ্ডতো নাহি ইতো দুইহন্তকো সম॥

প্ৰথমে নকৰি পূজা আৰা দুইহন্তক।
কমন যুগুতি পূজা কৰিলে কৃষ্ণক ॥
ব্যাসক প্ৰমুখ্যে মহা মহা ঋষিগণ।
জপ তপ বিদ্যা ব্ৰত ধৰি সৰ্ব্বক্ষণ ॥
জ্ঞান বলে নষ্ট কৰি কল্মষ সমস্ত।
নুগুচয় সৰ্ব্বকালে সমাধি ব্ৰহ্মত ॥
বেদত পাৰ্গত ব্ৰহ্মনিষ্ঠ সৰ্ব্বদাই।
লোক পাল সবে পূজা কৰে যাক পাই ॥
যাক পূজা কৰিলে অনন্ত গুণ ফল।
কেন মান্য যোগ্য নুহি ইহাৰা সকল ॥
পুৰন্দৰ আদি দিকপালগণ যত।
কেনে মান্যবিহ আৰা নুহি সমাজত ॥
বাসুকি প্ৰমুখ্যে আছা মহা মহা নাগ।
আৰা কেন যোগ্য নোহে দিতে অগ্ৰভাগ ॥
দ্ৰোণ কৃপ আদি কৰি ব্ৰাহ্মণ সমস্ত।
আৰা কোন যোগ্য নোহে প্ৰথম মান্যত ॥
মহাবলী ভীষ্ম কুলবৃদ্ধ সৰ্ব্বজান।
পৰম মহন্ত কুৰু কুলতে প্ৰধান ॥
যাত পৰে ক্ষত্ৰি আন নাহি পৃথিবীত।
এন্তে নুহি কেনে অগ্ৰ মান্যক উচিত ॥
সনক সনন্দ আদি যোগী যত মান।
আৰা কোন উচিত নুহিকে অগ্ৰমান ॥
পৃথিবীৰ যত মহা মহা ৰাজাগণ।
আৰা কেন মতে নুহি অগ্ৰ অৰিহণ ॥
আছা আনো সমাজত অনেক মহন্ত।
আৰা সবো কোন অগ্ৰভাগ নাবিহন্ত ॥
যত অগ্ৰমান্য মানে তেজিল সকল।
পৰম অধম কৃষ্ণ কুলৰ পাংশুল ॥
আক পূজিবাক সবে অনুমতি দিলা।
কেনমতে কৃষ্ণে অগ্ৰমান্য অৰিহিলা ॥

কিবা হেতু পূজা আগে কৰিল কৃষ্ণক।
যেন হবির্ভাগ আনি দিলেক কাকক॥
বর্ণাশ্রম কুলত বাহিৰ অনাচাৰ।
সর্ব্ব ধর্ম্মহীন একো নাহি ব্যৱহাৰ॥
ইহাৰ দোষক মই বর্ণাইবোঁহোঁ কত।
সর্ব্বকালে ইতো অধর্ম্মত মাত্র ৰত॥
নাহি একো গুণ স্বেচ্ছাচাৰে প্রৱর্ত্তয়।
কেনমতে ইতো অগ্রমান্য অবিহয়॥
ইহাৰ কুলক শপি আছন্ত যযাতি।
মহাজন সবাৰ বাহিৰ ইতো আতি॥
অভক্ষ ভক্ষণে আৰ ৰতি সর্ব্বক্ষণ।
ভৈল কেনমতে ইতো অগ্র অবিহণ॥
ব্রহ্মঋষি সবে সেৱা কৰে যি দেশক।
তাক তেজি আশ্রয় কৰিলেক সমুদ্রক॥
পুণ্য ভূমি মানে এড়িলেক দুৰাশয়।
মহা দুর্গ থানে থাকি প্রজাক পীড়য়॥
মনুষ্যৰ শক্র আৰ নাহি আত পৰে।
ডকা দিয়া লোকক ফুৰয় নিৰন্তৰে॥
লুড়ি পুড়ি কাটি মাৰি সর্ব্বস্বক লৈই।
দুর্গম সমুদ্র মাঝে পলাই থাকে গৈই॥
সমস্ত লোকৰ ইতো অনর্থৰ মূল।
আন কোন আপোনাৰো বধিলে মাতুল॥
জগতৰ যত পাপ হেতু উপজিল।
স্ত্রীজাতি পুতনাকো ছোটতে মাৰিল॥
আতপৰে জগততে নাহি পাপকাৰী।
গোবধ কৰিয়া আছে অৰিষ্টক মাৰি॥
কামাতুৰ হুইয়া সম্বন্ধকো নিবিচাৰি।
কৰিলেক প্রতিগ্রহ যত গোপ নাৰী॥
দুর্ব্বিনিত হুইয়া যত বেদকো লঙ্ঘিল।
গোৱালৰ স্ত্রীক নিয়া কান্ধত বহিল॥

লোভাবিষ্ট হুইয়া গোৱালৰ ঘৰে ফুৰি।
দধি দুগ্ধ লয়নু খাইলেক কৰি চুৰি॥
বহুবল্কী অবমানী মূৰ্খ অপণ্ডিত।
নুহি আক ইতো পূজা কৰিবে উচিত॥
বেদ শাস্ত্ৰ নজানে নমানে গুৰুজন।
দিল কেন মতে আক অগ্ৰ অৰিহণ॥
বধি আছে অকাৰণে অনেক জনক।
আছোক মনুষ্য হিংসা কৰিলে দেৱক॥
অবগৰ্ব্বে দেৱকো কৰিলে অনাদৰ।
আপুনি ভুঞ্জিলে ইতো যাগ বাসৱৰ॥
হেনসে দুৰ্ম্মতি দেৱ দ্বিজকো নমানে।
আপনাৰ সুহৃদক বধি আছে প্ৰাণে॥
মাৰিলেক ইতো নিজ পুত্ৰ নৰকক।
তাৰ স্ত্ৰীক মানে ইতো আনিলে ঘৰক॥
খগুাৰ নগণি ব্যৱহাৰকো লঙ্ঘিল।
পেসীৱতি বহিনীক বিবাহ কৰিল॥
পৰম কপটী আৰ নাহি আতপৰে।
চিত্তত থাকয় আন কাৰ্য্য আন কৰে॥
কোনবা কৰ্ত্তব্য অকৰ্ত্তব্য কিবা হয়।
কাৰ্য্যাকাৰ্য্য ভাল মন্দ সবে সমৱয়॥
হেনয় জনকো আনি অগ্ৰমান্য দিল।
ইসে বিপৰীত ইতো অন্যায় মিলিল॥
এহিমতে আনো আনো অভদ্ৰ সকল।
বোলে শিশুপাল নষ্টমতি অমঙ্গল॥
ভাল মন্দ একো নুবুলিয়া ভগৱন্ত।
প্ৰসন্ন বদনে হাস্যে বসিয়া আছন্ত॥
গহীন স্বভাৱে হৰি আছা যেন মেৰু।
শিশুপালে আবাৰ কৰন্ত যেন ফেৰু॥
প্ৰমত্ত কেশৰী যেন ভগৱন্ত হৰি।
পৰম গম্ভীৰ ভাবে আছা ধৈৰ্য্য ধৰি॥

যতেক নিন্দিল শিশুপাল মন্দমতি ।
উলটাইয়া স্তুতি কৰিলন্ত সৰস্বতী ॥
নোহে নিন্দা স্বৰূপত কৰিলে কীৰ্ত্তন ।
পৰম সন্তোষ মন ভৈলা নাৰায়ণ ॥
পূৰ্ব্বৰ বচন হৰি মনে সুমৰিল ।
যিকালত ইতো শিশুপাল উপজিল ॥
তিনি চক্ষু চাৰি হাত সহিতে জন্মিল ।
অনন্তৰে আকাশত বচন শুনিল ॥
ইতো ছৱালৰ এক আখি দুই হাত ।
গুচে ততকালে জানা যাহাৰ কোলাত ॥
তাহাৰ হাতত ইতো মৰিব নিশ্চয় ।
হেন শুনি সবন্ধু বান্ধৱে ভৈলা ভয় ॥
পৃথিবীৰ ৰাজাগণ যতেক আছিল ।
সবাৰো হাতত নিয়া ছৱালক দিল ॥
কাহাৰো কোলাত নুগুছিল চক্ষু হাত ।
অনন্তৰে লৈলা গৈয়া মাধৱে কোলাত ॥
এক আখি দুই হাত লুকাইল তেখনে ।
দেখি দমঘোষ গৈয়া পড়িল চৰণে ॥
ভাৰ্য্যা সমে মাধৱক কৰয় কাতৰ ।
বোলে প্ৰভু আমাক দিয়োক পুত্ৰ বৰ ॥
দিনে দশ দোষ আৰ ক্ষমিবাহা জানি ।
মাধৱে বোলন্ত পেসী শুনা মোৰ বাণী ॥
দিনে একশত দোষ ক্ষমিবোঁ ইহাৰ ।
এক শতাধিক ভৈলে চিন্তিবোঁহোঁ মাৰ ॥
শুনি সকুটুম্বে আতি ভৈলন্ত সন্তোষ ।
এক শতাধিক কিবা কৰিবেক দোষ ॥
সেহি বচনক মনে সুমৰিয়া হৰি ।
শত পত্ৰ পদ্ম পুষ্প গোট হাতে ধৰি ॥
পৰম আনন্দে ধৈৰ্য্য মনে হৰি হাসি ।
প্ৰত্যেক গালিতে খসাৱন্ত একো পাশি ॥

এক শতাধিক জানিবাক ভগৱন্ত ।
পদ্মৰ পাশিত তাৰ দোষক গণন্ত ॥
ভগৱন্ত ঈশ্বৰৰ শুনিয়া নিন্দন ।
কৰ্ণত আঙ্গুলি দিয়া সভাসদগণ ॥
মহাদুঃখে সমজ্যাৰ ভৈলন্ত অন্তৰ ।
নিন্দা শুনি তথাৰ নুগুচে যিতো নৰ ॥
নিজ পুণ্যচয় ভ্ৰষ্ট হুইয়া সিতো জন ।
পাপক সঞ্চিয়া কৰে অধোক গমন ॥
ভগৱন্ত কৃষ্ণৰ ভকত যত নৰ ।
কোপে শিশুপালক শপন্ত নিৰন্তৰ ॥
পাছে পাণ্ডুসুত সবে শুনি অহঙ্কাৰ ।
কাঢ়ি পাৰি সবে উঠিলন্ত সমজ্যাৰ ॥
মৎস্যগণ কৈকেয় সৃঞ্জয় আছে যত ।
অস্ত্ৰ শস্ত্ৰ ধৰি সবে উঠিল সমস্ত ॥
আম্মাৰ প্ৰভুক মন্দ বোলে দুৰাশয় ।
মহাকোপ কৰি শিশুপালক গৰ্জ্জয় ॥
আম্মাৰ আগতে ঈশ্বৰক নিন্দা কৰে ।
বধিবাক মনে কোপ কৰি নিৰন্তৰে ॥
ধৰ মাৰ বুলি তাক ধাইলন্ত যতনে ।
দেখি খঙ্গে শিশুপালে ধাইলেক তেখনে ॥
হাতে খাণ্ডা বাৰু ধৰি পৰম আটোপে ।
কৃষ্ণ পক্ষ সমস্তক গালি পাৰে কোপে ॥
নজানস কাহাক ঝোঙ্কাস ৰহ ৰহ ।
তোৰা সকলৰ আজি ভাঙ্গো মহমহ ॥
হাতে খাণ্ডা ধৰি সভা মধ্যত নিৰ্ভয় ।
বিপক্ষ সবক খেদি আসে দুৰাশয় ॥
হেন দেখি আথেবেথে প্ৰভু নাৰায়ণে ।
আসনৰ পৰা উঠিলন্ত তাৰক্ষণে ॥
বোলন্ত মনত মহা মিলিল আপদ ।
ইতো শিশুপাল ৰাজা মোৰ পাৰিষদ ॥

নজানে পাণ্ডৱ সবে ইহাৰ মহত্ব ।
মোহোৰ সমান বল আছয় গাৰত ॥
এতিক্ষণে একেতিলে সবাকো মাৰিব ।
সকল পাণ্ডবে মিলি আক কি কৰিব ॥
এহি বুলি পৰম সত্বৰে দেৱ হৰি ।
নিজ পক্ষ সমস্তক নিবৰ্ত্তাইলা ধৰি ॥
বোলন্ত তোমৰা কিছু নুবুলিবা আক ।
যতেক লাগয় গালি পাবোক আম্মাক ॥
আপুনি সাধিবোঁ আপোনাৰ প্ৰয়োজন ।
এহি বুলি হাতে চক্ৰ ধৰি নাৰায়ণ ॥
যেদি আসিবাক লাগি আছে শিশুপালে ।
চক্ৰ হানি শিৰ কাটিলন্ত ততকালে ॥
শিশুপাল ৰাজা হত ভৈল যি বেলাত ।
মহা কোলাহল বোল মিলিল সভাত ॥
তাৰ লগৰিয়া ৰাজাগণ আছে যত ।
জীওঁ বুলি প্ৰাণ ৰাখি পলাইল সমস্ত ॥
চৈদ্য দেহ হন্তে জ্যোতি পুঞ্জ উঠি আসি ।
উল্কা শিখা যেন দশো দিশক প্ৰকাশি ॥
কৃষ্ণৰ চৰণে আসি পড়িয়া মিলাইল ।
সৰ্ব্বজনে দেখিলা কৃষ্ণৰে ৰূপ পাইল ॥
পীতবস্ত্ৰে জ্বলে শ্যাম তনু ৰুচিকৰ ।
ৰত্নময় অলঙ্কাৰে জ্বলে কলেবৰ ॥
কঙ্কণ কেয়ূৰে জ্বলে চাৰু চাৰি হাত ।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ তাত ॥
কিৰীটি কুণ্ডল হাৰ গলে বনমালা ।
কনক কিঙ্কিনী বাজে কটিত মেখলা ॥
নয়ন কমল মুখ চন্দ্ৰৰ মণ্ডল ।
ৰত্নৰ নূপুৰে পাদ পঙ্কজ উজ্জ্বল ॥
কৃষ্ণৰ শৰীৰে এড়ে চিনন নযাই ।
শ্ৰীবৎস কৌস্তুভ দুই চিহ্ন মাত্ৰ নাই ॥

প্ৰদক্ষিণে পড়িয়া প্ৰণামি মাধৱক।
পৰম সানন্দে চলি গৈল বৈকুণ্ঠক ॥
বুলিবা কৃষ্ণক ইতো নিন্দিলা অশেষ।
কেন মতে পাইল ইতো মাধৱৰ বেশ ॥
পৰম আশ্চৰ্য্য ইতো কথা বিপৰীত।
ইহাৰ উত্তৰ শুনিয়োক পৰীক্ষিত ॥
যাক যিতো জনে চিন্তি থাকে অনুক্ষণ।
তাহাৰে স্বৰূপ ৰূপ পাৱে সিতো জন ॥
ভাবনাসে ভৱৰ কাৰণ নৃপবৰ।
শুনিয়োক ইহাৰ সাক্ষাতে পটন্তৰ ॥
যেন বাঘ পৰুৱা ধৰিয়া পোক যত।
নমাৰি জীয়ন্তে নিয়া থৱয় বাসত ॥
বাঘ পৰুৱাকে পোকে চিন্তয় ভয়ত।
জীয়ন্ততে তাৰ ৰূপ পাৱয় সমস্ত ॥
সেহি মতে মাধৱক চিন্তিয়া সৰ্ব্বথা।
পাইবেক তাহান ৰূপ ইতো কোন কথা ॥
কহিয়াছোঁ ইহাৰ বৃত্তান্ত কথা যত।
জয় নামে পাৰিষদ আছিল পূৰ্ব্বত ॥
কৃষ্ণৰ ইচ্ছায়ে আসি বিপ্ৰৰ শাপত।
বৈকুণ্ঠৰে পৰা উপজাত অসুৰত ॥
হিৰণ্যকশিপু নামে ভৈল প্ৰথমত।
নৰসিংহ ৰূপে হৰি কৰিলন্ত হত ॥
ভৈল গৈয়া ৰাৱণ দ্বিতীয় জনমত।
ৰাম অৱতাৰে গৈয়া বধিলা ৰণত ॥
ভৈল শিশুপাল আসি তৃতীয় জন্মত।
বৈৰ ভাবে মাধৱক স্মৰিলে সতত ॥
চিন্তন্তে চিন্তন্তে চিত্তে ভৈল তদাকাৰ।
ইজন্মতো আপুনি চিন্তিলা হৰি মাৰ ॥
কৃষ্ণৰ স্বৰূপ পাইয়া বৈকুণ্ঠক গৈল।
পাৰিষদ হুইয়া পুনু দুৱাৰতে ৰৈল ॥

নকৰিবা শঙ্কা কিছু নৃপতি ইহাত ।
যেনে তেনে মাধৱক স্মৰোক সাক্ষাত ॥
এতেকে কৃষ্ণক পাৱে কৈলোঁ সত্যবাণী ।
শুনা এক চিত্তে আৱে প্রস্তুত কাহিনা ॥
অদ্ভুত দেখিয়া সমজ্যাৰ লোক যত ।
পৰম বিস্ময় হুইয়া গুণন্ত মনত ॥
মহা দুৰাচাৰ শিশুপাল পাপশালী ।
দ্বেষ ভাবে আতি মাধৱক পাৰি গালি ॥
পাইল মহা মোক্ষ যিতো দেৱৰো দুর্লভ ।
কিনো কৃপাময় কৃষ্ণ ভকত সুলভ ॥
কৃষ্ণৰ দেখিয়া মহা মহিমা সাক্ষাত ।
সবাৰে ঈশ্বৰ জ্ঞান ভৈল সিবেলাত ॥
ঝাত ঝাত কৰি গাৱ সবাৰো শিহৰে ।
আনন্দ লোতক নয়নৰ পৰা পড়ে ॥
পিয়ন্ত নয়নে কৃষ্ণ মূৰ্ত্তি অমৃতক ।
কুসুম সিঞ্চৰি সবে প্রণামে কৃষ্ণক ॥
জয় জয় কৃষ্ণ বুলি প্রশংসা কৰন্ত ।
আপোনাৰো পৰম ভাগ্যক বখানন্ত ॥
শত্রু বুদ্ধি স্মৰি যাক তৰে পাপীজন ।
কিনো ভাগ্য তান আসি দেখিলোঁ চৰণ ॥
এহি মতে মাধৱক প্রশংশিল তথা ।
আত অনন্তৰে আৰে শুনা পাছ কথা ॥
শুনা সাৱধান চিতে সবে সভাসদ ।
অমৃত সমান মহা ভাগৱত পদ ॥
শিশুপাল মোক্ষ কৃষ্ণলীলা অনুপাম ।
কর্ণভৰি শুনি কৰা দুঃখ উপশাম ॥
লভিবা মুকুতি পৰলোকতো সাক্ষাত ।
বোলা ৰাম ৰাম চিন্তা পাপৰ বিঘাত ॥

## ভটিমা।

জয় গুৰু শঙ্কৰ          সৰ্ব্ব গুণাকৰ
যাকেৰি নাহি উপাম।
তোহাৰি চৰণক          ৰেণু শত কোটি
বাৰেক কৰোহোঁ প্ৰণাম॥
দৰশিত সুন্দৰ          গৌৰ কলেৱৰ
যৈসন সুৰ পৰকাশ।
সকল সভাসদ          ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ॥
বিনে অঙ্গ ভূষণ          পেখি সুশোভন
গহন গম্ভীৰ ধীৰ মতি।
আয়ত কমল          নয়ন বৰ সুন্দৰ
বয়ন চাঁদকহো জ্যোতি॥
লীলা-গজ-গতি          গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন          কলিকো কালে
যাকো সম নাহি ধীৰ॥
যোহি নাৰায়ণ          মায়া বিস্তাৰি
কৰু ত্ৰিজগত নিৰমাণ।
সনক সনাতন          যোগী যাকেৰি
মহিমা কবহু নজান॥
সকল চৰাচৰ          পালনকাৰী
যো হৰি দেৱক দেৱা।
চতুৰ বয়ন শিৱ          সুৰপতি যাকেৰি
কৰু নিত চৰণহি সেৱা॥
চাৰি বেদ          শিৰোমণি মাঝে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক          কয়লি কলিকো
শঙ্কৰ দেৱ পৰকাশ॥
ত্ৰিভূৱন বন্দন          দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ          দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ॥          ॥

মায়া নৰ তনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ।
সব নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ॥
অব নিশি চাৰি বেদ বিচাৰি
বেকত কৰু হৰিনাম।
যাকেৰি বয়নে মিলাই গাই
পাই মনোৰথ কাম॥
পণ্ডিত মানী বেদ বখানি
গৰব কয়লি সব চূৰ।
গীত কবিত্ব গুণ শঙ্কৰ দেৱৰ
কীৰিতি গয়ো বহুদূৰ॥
শ্রী যশ দান মান ভূত দায়া
সব গুণ সম্পন্ন ঠিক।
ভকতক ভকতি দানে কৰু গুৰু
দায়া তনয় অধিক॥
হৰিক মূৰতি সুকৃতি মনগমন
মজ্জন আনন্দ সিন্ধু।
ঐসন নিৰমল হৃদয়ে বিকাশিত
ভকত-কুমুদ-কুল-ইন্দু॥
নিজ কুল তাৰি ভকতি বিস্তাৰি
বান্ধল হৰিগুণ সেতু।
কলিযুগে পাপ পয়োধি সব নৰ
তাৰণ কাৰণ হেতু॥
ভকতি ভাণ্ডাৰ দ্বাৰ সব ছোৰি
মুকুতি কয়লি উদাস।
এক শৰণ হৰি নাম ধৰমকহো
ৰাজা কৰু পৰকাশ॥
কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি অন্ত নপাই।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকতি সুখে সুখ পাই॥

বৰগীত।

মাধৱ দীন মূৰুখমতি কহয়
বাণী শুন সব লোই।
বিনে গুৰু-চৰণ ভকতি ৰকতি
মুকুতি কবহু নহোই ॥
ওহি পৰম তত্ত্ব বেদকো বাণী
জানি নৰ নকৰ বিৰাম।
ধৰমক কৰমক গৰবক ছোৰি
ডাকি বোলহু ৰাম ৰাম ॥

---

বৰগীত।

ৰাগ—শ্ৰী।

যাদৱ লীলা তোহাৰি।
নিজ সুখ ত্যজি ভৈলা কেনে বিপিন বিহাৰী ॥ ধ্ৰুং ॥
গৰুড়ৰ স্কন্ধে যোহি চৰণ বিৰাজে।
সোহি পদে ফুৰা কেনে বিজুবন মাঝে ॥
প্ৰৱন্ধে চিন্তিয়া নপাৱয় যোগী যত।
সোহি পদ সোহে পুতনাৰ হৃদয়ত ॥
লক্ষ্মী দেৱী সেৱে যাক সুকোমল হাতে।
সোহি পদ বিৰাজয় কালি সৰ্প মাথে ॥
কোটি কোটি ব্ৰহ্মা হৰ যাহাৰ দুৱাৰে।
সোহি মহেশ্বৰ কেনে বনে ধেনু চাৰে ॥
সকল নিগম গণে যাক নজানয়।
গোৱাৰী যশোদা কেনে তাহাক বান্ধয় ॥
বিপৰীত লীলা তেৰি জানন নযায়।
কহয় মাধৱ হৰি গতি তুৱা পায় ॥

---

ৰাগ—বৰাড়ী।

ব্ৰজৰ বালক সঙ্গে ৰঙ্গ মনে, নাচন্তু-এ সদাশিৱ।
অবতাৰে, নিজ যশ চয়, প্ৰচাৰি তাৰিলা জীৱ ॥ ধ্ৰুং ॥

ওহি যব নোহে নিজানন্দ সুখে
সদায়ে ৰমণ যাৰ ।
যে সুখ তেজিয়া কমন কাৰণে
কৰত নিত্য বিহাৰ ॥
বেদ শিৰো ভাগে ৰত্নমন্ত্র মাঝে
যাহেৰ পদ বিৰাজে ।
সোহি মহেশ্বৰ বনেৰ ভিতৰ
নাচত কমন কাযে ॥
অবিদ্যা মোহিত হুয়া জীৱ যত
তৰিতে পথ নপাৰে ।
মোৰ যশ শুনি সুখে নিস্তৰোক
নাচত এমন ভাৱে ॥
জীৱৰ তৰণ হেতু নাৰায়ণ
বৈকুণ্ঠ তেজিয়া আসি ।
কহয় মাধৱ নানা বিধ ৰসে
প্ৰচাৰিলা যশ ৰাশি ॥

---

ৰাগ—শ্যাম ।

তেজৰে কমলা পতি পৰভাতে নিন্দ ।
তেৰি চান্দমুখ পেখোঁ উঠৰে গোবিন্দ ॥ ধ্রুং ॥
ৰজনী বিদূৰ দিশ ধৱলি বৰণ ।
তিমিৰ ফেড়িয়া বাঝ ৰবিৰ কিৰণ ॥
শত পত্র বিকশিত ভ্রমৰা উড়াই ।
ব্রজ বধু দধি মথে তুৱা গুণ গাই ॥
দাম সুদামে ডাকে তেৰি লৈয়া নাম ।
হেৰ দেখ উঠিয়া আসিল বলোৰাম ॥
নন্দ গেল বাথানে গোৱাল গেল পাল ।
সুৰভী চাৰিতে লাগে উঠৰে গোপাল ॥
ক্ষীৰ লৱনী লৈয়া শিঙ্গা বেত বেণু ।
সকালে মেলিয়ো বৎস হাম্বালাৰে ধেনু ॥
কহয় মাধৱ মাই কিনো তপসাইলা ।
ত্রিজগত পতি হৰি ৰাখে ৱাল পাইলা ॥

# ৰামসৰস্বতী।

[এইজন কবিৰ জন্ম ঠাই বৰপেটা মহকুমাৰ পাটচৌৰা নামে গাঁও। তেওঁৰ পিতৃৰ নাম ভীমসেন কবিচূড়ামণি, এওঁ বৰ পণ্ডিত আৰু শুদ্ধাচাৰী ব্ৰাহ্মণ আছিল। ৰামসৰস্বতীৰ পিতৃমাতৃয়ে থোৱা নাম অনিৰুদ্ধ। কবিচন্দ্ৰ, ভাৰতচন্দ্ৰ, ভাৰতভূষণ আৰু ৰামসৰস্বতী এই কেইটা তেওঁৰ উপাধি আছিল। তেওঁ শঙ্কৰ দেৱৰ সমসাময়িক অৰ্থাৎ খৃষ্টিয় ১৬ শতিকাৰ আগছোৱাত বৰ্ত্তমান আছিল। মহাপুৰুষ শঙ্কৰদেৱৰ অনুগ্ৰহত তেওঁ কোচবিহাৰৰ ৰজা মহাৰাজ নৰনাৰায়নৰ পৰা মহাভাৰত পুথি ভাঙি অসমীয়া পদ কৰিবলৈ আদেশ পায়; ৰামসৰস্বতীয়ে নিজে তেওঁৰ কুলাচল বধ পুথিত এই কথা লিখি গৈছে। তেওঁ গোটেইখন মহাভাৰত অসমীয়া পদ কৰে, তাত বাজেও কুলাচলবধ, বঘাসুৰবধ, ভীমচৰিত আদি কেইবানখো পুথি লিখে। তেওঁ নিজে কোৱামতে তেওঁৰ ৰচিত পদৰ সংখ্যা পঁচিশ হেজাৰ।]

## লক্ষ্মী চৰিত্ৰ।

বাসুদেৱসুতং কৃষ্ণং কংসচানূৰমৰ্দ্দনং।
দৈৱকীহৃদয়ানন্দং কৃষ্ণং বন্দে জগদ্‌গুৰুম্‌॥

পদ।

জয় জয় কৃষ্ণ কৃপাময় দেৱহৰি।
মহা মহা পাপীয়ো নিস্তৰে যাক স্মৰি॥
যাৰ লীলা বিভৱৰ নাহি পাৰাবাৰ।
হেন কৃষ্ণপদে কৰোঁ কোটি নমস্কাৰ॥
গুৰুৰ চৰণে মন শিৰোগত কৰি।
বিপ্ৰ বৈষ্ণৱৰ পদ হৃদয়ত ধৰি॥
ব্যাস আৰু বাল্মীকি প্ৰভৃতি কবিগণ।
আদ্য গুৰু বন্দো পিতৃ-মাতৃৰ চৰণ॥

সৰস্বতী মাৱক কৰিয়া নমস্কাৰ।
লক্ষ্মীৰ চৰিত্ৰ পদ কৰিবো প্ৰচাৰ ॥
যি ঘৰত লক্ষ্মী দেৱী সদায়ে থাকয়।
যিবা দোষে লক্ষ্মী দেৱী পুৰুষ তেজয় ॥
ইসব কথাক আবে কৰিবো বাখ্যান।
লক্ষ্মী হৰি সংবাদ শুনিয়ো সাৱধান ॥
মেৰু পৃষ্ঠে ৰত্নাসনে থাকন্তে বসিয়া।
লক্ষ্মীত পুছিলা হৰি কৌতুক কৰিয়া ॥
কোন কোন স্থানে তুমি আপুনি থাকাহা।
কোন কুলক্ষণে পুৰুষক তেজি যাহা ॥
কোন বা ৰমণী হয় তোমাৰ বৰ্জ্জিতা।
কোন নাৰী তযু প্ৰিয়া কৈয়ো সুচৰিতা ॥
বিষ্ণুৰ বচনে লক্ষ্মী অল্প কৰি হাস।
কহিতে লাগিল কথা অতি মৃদুভাষ ॥
চিন্তাযুক্ত হুয়া সৰ্ব্বক্ষণে যি থাকয়।
পাৱে পাৱে ঘসে যিটো ধূলা মাটিচয় ॥
বাসি পুষ্প পিন্ধে যিটো শোৱয় উষাত।
ভগ্ন আসনত যিটো বসি খায় ভাত ॥
অকুমাৰী নাৰীক ৰময় যিটো জন।
তাহাকে তেজোহোঁ মই জানা নাৰায়ণ ॥
ময়মত্ত অবগৰ্ব্ব কৰে যিবা জন।
পুনু পুনু বোলোঁ আমি তেজোঁ সেহিজন ॥
উচ্ছিষ্টক চুই যিটো কৰয় ভোজন।
স্নান কৰি তৈল প্ৰভু ঘসে যিটো জন ॥
অন্ধকাৰে শোৱে আৰু তৃণ ছিণ্ডে নখে।
তাক মই তেজোঁ সিটো থাকে মহাদুখে ॥
নিজ অঙ্গ পিঠিত আপুনি বাদ্য বাৱে।
সঞ্চিত ধনক যিটো সমূলি উৰাৱে ॥
নিজ পুত্ৰ ভাৰ্য্যাক বঞ্চিয়া যিটো খায়।
শুনা নাৰায়ণ মই নাযাওঁ তাৰ ঠাই ॥

মুখ ভৰি ধোৱা পানী পেলায় দুৱাৰে।
নেথাকো তাহাৰ ঘৰে জানিবাহা সাৰে ॥
উলঙ্গত হুয়া যিটো কৰয় ভোজন।
তিতা আসনত বসি যি কৰে ভোজন ॥
দক্ষিণ পশ্চিম মুখে যিটো দন্ত ঘসে।
সত্যে সত্যে কহোঁ মই নেযাও তাৰ পাশে ॥
উত্তৰ পশ্চিম শিৰে যি কৰে শয়ন।
তাক তেজোঁ সিটো মোৰ নোহে প্ৰিয়জন ॥
আপুনি তুলিয়া পুষ্প পিন্ধে যিটো শিৰে।
সন্ধ্যাকালে প্ৰদীপ নেদেখোঁ যাৰ ঘৰে ॥
আপুনি চন্দন পিসি যি পিন্ধে ললাটে।
গুৰুজন নিন্দা কৰি ফুৰে হাটে বাটে ॥
বাসি বাস কুবাস পিন্ধয় যিটো নৰে।
নিশ্চয় জানিয়ো মই নাযাওঁ তাৰ ঘৰে ॥
মাটিত বসিয়া যিটো কৰয় ভোজন।
বাসি মুখে থাকে যিটো নৰ অভাজন ॥
অতিথি বিমুখ যিটো নির্দ্দয় কুভাষে।
পাপ কৰ্ম্মে ৰত পাপ বিত্ত অভিলাষে ॥
পঞ্চম পাতকী যিটো বিশ্বাস ঘাতক।
ইসবক তেজোঁ আমি জানিবা প্ৰত্যেক ॥
যাৰ ঘৰে থাকে শুক্ল পাৰাবতগণ।
সুশীলা সুন্দৰী শুদ্ধা ৰমনী ৰতন ॥
তাৰ গৃহে অচলা আমাৰ বাস হয়।
সত্যে সত্যে প্ৰভু মই কহিলোঁ নিশ্চয় ॥
যিটো জনে ধান্যক সুবৰ্ণ সম দেখে।
ৰজত সদৃশ কৰি তণ্ডুলক লেখে ॥
আপুনি নেখায় ভক্ষ দ্ৰব্য সমস্তক।
বাটি দিয়া থাকে দুঃখী ভিক্ষু সকলক ॥
সকলোকে বোলে যিটো মধুৰ বচন।
সন্ত সাধু সঙ্গে কৰে সাধু আলাপন ॥

ধাৰ্ম্মিক বিনীত সদাচাৰী মিতব্যয়ী ।
জ্ঞানশীল যিটো পঞ্চ ইন্দ্ৰিয় বিজয়ী ॥
বিদ্যাৱন্ত যিটো মহাপুৰুষ শোভন ।
ইসবত প্ৰীত আমি জানা নাৰায়ণ ॥
উলঙ্গ ৰমণী যিটো নকৰে দৰ্শন ॥
আহাৰ কৰয় যিটো জনে অল্পক্ষণ ।
দান কৰে আৰু সদা সত্য কথা কয় ।
সেই জন জানা মোৰ প্ৰিয়ত্তম হয় ॥
সদা বাস কৰো আমি শৰীৰে তাহাৰ ।
ধন ধান্য গো মহিষ কৰোহোঁ বিস্তাৰ ॥
সৰ্ব্বত্ৰ সন্তোষী যিটো উদ্যোগী যিজন ।
অলপ আহাৰ কৰে অলপ শয়ন ॥
আলাস বিহীন বন্ধু প্ৰিয় যিটো জন ।
তাৰ শ্ৰীবৃদ্ধি আমি কৰো অনুক্ষণ ॥
শুনা নাৰয়ণ আৰু কথাৰ নিৰ্ণয় ।
যিটো সুলক্ষণী নাৰী মোৰ প্ৰিয় হয় ॥
স্বামীৰ চৰণে সেৱা কৰে যিটো জনী ।
সেই নাৰী পতিব্ৰতা সৰ্ব্ব সুলক্ষণী ॥
তোমাক ঈশ্বৰ মানি সততে পূজয় ।
সেই মতে নিজ স্বামী পদ আৰাধয় ॥
পতিব্ৰতা স্ত্ৰীৰ কথা শুনা মন দিয়া ।
সংক্ষেপ কৰিয়া কহোঁ বাহুল্য এৰিয়া ॥
দেৱতাত কৰি যিটো নাৰী শতগুণে ।
স্বামীসেৱা কৰে অতিশয় শুদ্ধমতে ॥
স্বামী ইচ্ছামতে কাৰ্য্য সততে আচৰে ।
তাহাৰ শৰীৰে মই থাকোঁ নিৰন্তৰে ॥
সকল দেৱক পূজি যিটো ফল পাই ।
স্বামীসেৱা ততোধিক ফল সমুদাই ॥
স্বামী বিনে স্ত্ৰীৰ আৰ নাহিকে দেৱতা ।
স্বৰূপ কহিলো প্ৰভু ইটো সত্য কথা ॥

শুদ্ধমতী নাৰী যিটো সুন্দৰ বদনী।
স্বামী সেৱা কৰে যিটো ঘৰৰ ঘৰণী ॥
নাভি সুগভীৰ সম দন্ত পান্তি যাৰ।
সদা নছাবোহো আমি শৰীৰ তাহাৰ ॥
গো ধনক সদা যিটো কৰে উপকাৰ।
ধন ধান্য সম্পদক মিলাওঁ আনি তাৰ ॥
স্বামীৰ চৰণে সেৱা স্বভাৱে যাহাৰ।
সেই সুলক্ষণী নাৰী জানিবা আমাৰ ॥
শুক্ল বস্ত্ৰ পৰিধান শুক অভিলাষী।
সুপ্ৰসন্না কোমল ভাষিণী দীৰ্ঘকেশী ॥
সৰ্ব্বকালে পতিব্ৰতা সৱে যিটো জনী।
দুয়োকুল নিস্তাৰিল তৰিল আপুনি ॥
স্বামীৰ বচন পালে যেই সুভাগিনী।
সেই নাৰী পাশে মই থাকোহোঁ আপুনি ॥
হস্তপদ ৰঙ্গা নখচন্দ্ৰ নিৰমল।
আমাৰ লক্ষণ জানিবাহা সি সকল ॥
নাভি সুগভীৰ যাৰ সম দন্ত পান্তি।
তাহাৰ শৰীৰ আমি সদা নাছাৰন্তি ॥
ললিত বলিত অঙ্গ কোমল লোচনা।
ঈষত হসিত মুখ মড়াল গমনা ॥
গৌৰবৰ্ণা মৃদুমিত ভাষিণী বিমলা।
মধ্যক্ষীনা দয়াৱতী সৰ্ব্বত্ৰ সুশীলা ॥
ইসব লক্ষণে যেই নাৰী জন্ম ধৰে।
সৰ্ব্বক্ষণে থাকো আমি তাহাৰ শৰীৰে ॥
স্বামিক ভকতি সদা যি নাৰী কৰয়।
যেহি যিবা বাঞ্ছে মোত সবে সিদ্ধ হয় ॥
হেন মহা ৰমণী থাকয় যাৰ ঘৰে।
সৰ্ব্বক্ষণে থাকোঁ মই তাহাৰ মন্দিৰে ॥
ধন পুত্ৰ হোৱে তাৰ সৰ্ব্বত্ৰ কল্যাণ।
সদা আমি সন্তুষ্ট তাহাৰ বিদ্যমান ॥

ইতো সব সুলক্ষণা নাৰী অতিবেক ।
কুলক্ষণা স্ত্রীৰ কথা শুনিয়ো প্রত্যেক ॥
উচ্ছল কপাল যাৰ বিৰল দশন ।
সেই নাৰী জনীক তেজোহোঁ সর্ব্বক্ষণ ॥
পিঙ্গল নয়ন যাৰ পিঙ্গটা যে কেশ ।
পাৱে পাৱে ঘসে যিটো কুলক্ষণ বেশ ॥
সেই নাৰী জনী অতি বৰ কুলক্ষণী ।
সত্যে সত্যে কহোঁ মই স্বৰূপ কাহিনী ॥
স্বামীৰ বচন যাৰ নলৱয় মনে ।
সেই নাৰী কুলক্ষণী তেজোঁ অনুক্ষণে ॥
কর্ণৰ বাহিৰে যাৰ দুই গোটা ৰন্ধ্র ।
সেই নাৰী হোৱে জানা অৱশ্যই মন্দ ॥
গণ্ডস্থলে ফুলা যাৰ উর্দ্ধ দুই স্তন ।
সেই নাৰী কুলক্ষণী জানা নাৰায়ণ ॥
সেই নাৰী পাপ মতি জানা নিতেনিত ।
স্বমী সমন্বিত যাৰ শান্ত নুহি চিত্ত ॥
বস্ত্র অলঙ্কাৰে সবে বিভুষিত হুয়া ।
স্বামীক নিন্দয় পৰ পুৰুষক পায়া ॥
স্বামীক ত্যজিয়া পৰ পুৰুষক মন ।
তাইৰ পাশে নেযাওঁ মই দেখি কুলক্ষণ ।
স্বামী বাক্য অন্যথা কৰয় যিবা নাৰী ॥
তাইক তেজো জানা মই প্রভু চক্রধাৰী ।
হাণ্ঠিতে চৰণ যাৰ চটচটি ফুটে ।
সেই স্ত্রীৰ পৰশে স্বামীৰ আয়ু টুটে ॥
পাৱে জল দিলে যাৰ চৰণ শুখাই ।
অৱশ্যে বিধবা হয় দৈবে বাধা নাই ॥
তলুৱাৰ তলে যাৰ হোৱে কাল ৰেখা ।
সেই কুলক্ষণী মোক নাপাৱয় দেখা ॥
খৰমীয়া ভৰি যাৰ কুটুকুৰা কেশ ।
ধোৰোহা কঙ্কাল কেঁৰা নয়ন কুবেশ ॥

কপিল বৰণী বহুলোমী অলোমিকা।
কুনখা ৰোগিণা বেশ্যা নক্ষত্ৰ নামিকা॥
তোমাক কহিলো প্ৰভু সকলো কাহিনী।
ইসব লক্ষণে জানা নাৰী কুলক্ষণী॥
আৰু শুনা আমাৰ বসতি নাৰায়ণ।
সৰোবৰে বিকসিত কমল কানন॥
আমলকী বৃক্ষে আৰু দিব্য পুষ্প বনে।
অলস ৰহিত সত্য পৰায়ণ জনে॥
শঙ্খ ৰত্ন শুক্ল বস্ত্ৰে আৰু গোময়ত।
নৃত্য গীত বাদ্য যথা হোৱে অবিৰত॥
মহা সতী পতিব্ৰতা নাৰী যিটো জনী।
ইসবত থাকোঁ সত্য কহিলোঁ কাহিনী॥
ভাঙ্গিলো তোমাত মোৰ কথা সমুদায়।
অপৰাধ ক্ষমি তযু পাৱে দিয়া ঠাই॥
তযু পদে সবে কথা কহিবো বিবৰি।
বিষ্ণু বোলে আৰু কিছু কহিয়ো সুন্দৰী॥
লক্ষ্মী নিগদতি প্ৰভু শুনা নাৰায়ণ।
আকাশৰ তাৰা যিটো কৰয় গণন॥
পৃথিবীৰ ধূলা যত পাৰে গণিবাক।
তেবেসে লক্ষ্মীৰ পদ পাৰে সেবিবাক॥
নাপিতৰ গৃহে গৈয়া ক্ষৌৰ কৰ্ম্ম কৰে
আছোক মনুষ্য দেবতাৰো শ্ৰীহৰে॥
আৰু এক কথা শুনা কহোঁ জনাৰ্দ্দন।
যেহি দিনা যিবা বস্তু নিষিদ্ধ ভোজন॥
প্ৰতিপদে কুষ্মণ্ড ভোজন ধনক্ষয়।
দ্বিতীয়াত আলু কচু বৃহতি বাধয়॥
তৃতীয়াত পটোল ভোজনে চক্ষু শূল।
চতুৰ্থীত মূলা খাইলে ধনৰ নিৰ্ম্মূল॥
পঞ্চমীত শ্ৰীফলে কলঙ্ক জানা হয়।
ষষ্ঠিত নিমখ খাইলে ব্যাধি লাগ লয়॥

সপ্তমীত তাল ফল খাইবে নুজুৰাই ।
অষ্টমীত লাউ খাইলে নানা ৰোগে পাই ॥
নৱমীত কলা খাইলে গোমংসৰ নয় ।
দশমীত কাকিৰুলে ব্যাধি যুক্ত হয় ॥
একাদশীত অন্ন খাইলে স্বৰ্গক নযায় ।
দ্বাদশীত শশা খাইলে ব্যাধি লাগ লয় ॥
ত্ৰয়োদশী তিথিত বৰ্জ্জিত পুৰৈ শাক ।
চতুৰ্দ্দশী দিনে মৰা নিষেধ খাইবাক ॥
অমাবস্যা দিনে মৎস্য মাংস যিবা খায় ।
মহাপাপ হোৱে সিটো নৰকে পৰয় ॥
ইসব নিষিদ্ধ বস্তু খাই যিবা জন ।
তাহাক তেজোহো মই জানা নাৰায়ণ ॥
শুনা প্ৰভু তোমাত যিজনে ভক্তি কৰে ।
বিনা দানে বিনা যজ্ঞে তুষ্ট আমি তাৰে ॥
তোমাক পূজয় যিটো কৰিয়া সন্তোষ ।
তাৰ একো কালে নধৰোহো গুণ দোষ ॥
কহিলো তোমাত প্ৰভু ইটো কথা চয় ।
আকে যিটো শ্ৰদ্ধা কৰি গাৱে বা শুনয় ॥
তোমাৰ প্ৰসাদে তাৰ আয়ু শ্ৰী যশ ।
নিতে নিত বাঢ়ি পাইবে পৰম সন্তোষ ॥
পুত্ৰ পৌত্ৰ ধন ধান্য অখণ্ড সম্পদ ।
লভিবে পৰম সুখ অন্তে মুক্তি পদ ॥
শুনা নৰ নাৰী ইতো কথা মনোহৰ ।
লক্ষ্মী হৰি সংবাদ পৰম গুহ্যতৰ ॥
ইহাৰ শ্ৰৱণে মিলে ভুকুতি মুকুতি ।
ৰামসৰস্বতী পদবন্ধে নিগদতি ॥
লক্ষ্মীৰ চৰিত্ৰ কথা শুনা মন কৰি ।
বাঢ়িবে সম্পদ সুখে দুৰ্গতি নিস্তৰি ॥
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ চাৰি জাতি ।
আক শুনি ভণি পাইবে অচলা সম্পত্তি ॥

যিবা যেই বাঞ্ছে তাক লভিবে নিশ্চয়।
লক্ষ্মীৰ বচন ইতো অন্যথা নোহয় ॥
যাৰ গৃহে থাকে ইটো পুস্তক ৰতন।
যিটো নৰে শুনে ভণে আক অনুক্ষণ ॥
ত্রিসন্ধ্যা পঢ়য় যিটো অতি শুদ্ধমতি।
লক্ষ্মী নাৰায়ণ তুষ্ট হোন্ত তাৰ প্ৰতি ॥
তাৰ গৃহে কোনো কালে বিঘিনি নোহয়।
পুত্ৰ ভাৰ্য্যা সমে সদা সন্তোষে বঞ্চয় ॥
হেন জানি নৰলোক এৰি আন কাম।
লক্ষ্মী নাৰায়ণ স্মৰি বোলা ৰাম ৰাম ॥

---

# মহাভাৰত।

## [ ভীষ্ম পৰ্ব্ব ]

বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ।
সেহি বেলা শ্ৰুতি পাইলা গঙ্গাৰ কুমাৰ ॥
অৰ্জ্জুনৰ শৰ বিষে ফুটি যায় প্ৰাণ।
তথাপিতো ধৈৰ্য্য ধৰি লভিলন্ত জ্ঞান ॥
শ্ৰুতি পাই চক্ষু মেলিলন্ত মহাবল।
আগতে দেখিলা কুৰু পাণ্ডবিৰ বল ॥
কতো বীৰে কান্দে শোকে পৃথিবীত পৰি।
মহা শোকে কান্দে সবে মৰ্ম্মে পাৰে গেৰি ॥
দেখি ভীষ্ম সবাহানে শোক দূৰ কৰি।
সবাকো সম্বোধি মাতিলন্ত ধীৰে ধীৰি ॥
সমীপ চাপিলা যদি বীৰ সমস্তয়।
সবাকে সম্বোধি ভীষ্ম বচন বোলয় ॥
শুনিয়োক কুৰু পাণ্ডবিৰ বীৰগণ।
মোৰ প্ৰতি শোক নকৰিবা একোজন ॥

বৃদ্ধততে সম্মুখত পড়িলোঁ সমৰ ।
আকে জানি মোক প্ৰতি শোক পৰিহৰ ॥
ঈশ্বৰ নিমিত্ত যত দেখা জগতত ।
সবাৰে ওপজে মৃত দেহাৰ লগত ॥
মোক প্ৰতি সবে লোকে শোক পৰিহৰি ।
কৈক গৈলা গুৰু দ্ৰোণ আনা শীঘ্ৰ কৰি ॥
দৃঢ় মুষ্টি মহাবল বাসৱ সমান ।
কোথা গৈলা বাপু ধনঞ্জয় মোৰ প্ৰাণ ॥
কোথা গৈলা যুধিষ্ঠিৰ বীৰ বৃকোদৰ ।
শীঘ্ৰ কৰি আসা দুয়ো মাদ্ৰীৰ কুমাৰ ॥
কোথা গৈলা দুৰ্য্যোধন নকৰিবি শোক ।
শত ভাই সমে বাপু শীঘ্ৰে আসিয়োক ॥
কোথা গৈলা দামোদৰ অৰ্জ্জুনৰ সখি ।
সংসাৰতো পৰাহৰা তোমাক নেদেখি ॥
যাক হৃদয়ত ধৰে মহন্ত সকল ।
শীঘ্ৰে দেখায়োক মোক চৰণ কমল ॥
ত্ৰিভুবন ভুবন মোহন তুমি হৰি ।
নোখোজোঁ বৈকুণ্ঠ নাম তৱ নিজ পুৰি ॥
ম্ৰিয়মান সময়ত মাগোঁ এহিমান ।
তোমাৰ চৰণে দৃঢ় ভক্তি দিয়া দান ॥
বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ ।
বীৰগণে শুনিলেক উত্তৰ ভীষ্মৰ ॥
আত অনন্তৰে কথা শুনা নৰেশ্বৰ ।
ভীষ্মৰ ভক্তিত তুষ্ট ভৈলা গদাধৰ ॥
প্ৰেমজলে আকুল ভৈলেক নাৰায়ণ ।
জানু শিৰে নমিলন্ত ভীষ্মৰ চৰণ ॥
পাছে থিয় হুয়া তান চৰণৰ কাছে ।
বীৰগণ সমস্তে বিস্ময় হুয়া আছে ॥
ভীষ্মক গৌৰবে পৃথিবীত জানু পাৰি ।
আপোনাক চিনাইলন্ত বিষ্ণু নাম ধৰি ।

দেখিবাক খোজা যদি গঙ্গাৰ কুমাৰ।
দেখাঁ হেৰা মই কৃষ্ণ সেৱক তোমাৰ॥
এহি বুলি ভীষ্মক সাদৰে দামোদৰ।
দিব্য ৰূপ দৰশিলা ভুবন সুন্দৰ॥
চাৰু চতুৰ্ভুজ জ্বলে মকৰ কুণ্ডল।
যাৰ জ্যোতি প্ৰকাশে পাণ্ডুৰ গণ্ডস্থল॥
মাথাত কিৰীটি জ্বলে অগনিৰ জ্বালা।
কণ্ঠে শোভে আজানুলম্বিত বনমালা॥
অৰুণ অলক দুই প্ৰফুল্ল কমল।
কিৰীটি কুণ্ডলে সমে শোভয় কপাল॥
কণ্ঠত কৌস্তুভ জ্বলে অৰুণ অধৰ।
দেখিতে শোভন বক্ষস্থলে হেমহাৰ॥
হেন দেখি ভীষ্ম তাত মনে গুণিলন্ত।
যোগীৰ মৰণ যোগ্য নোহে ইবেলাত॥
সঞ্জয় বদতি কথা শুনা একমনে।
আঘোণত ভীষ্ম পড়িলন্ত ঘোৰ ৰণে॥
বাট চাহি ৰহিলেক আঘোণ পৌষক।
আঘোণে চলন্ত ৰবি দক্ষিণ পথক॥
এতেকে মাঘক আপেক্ষিয়া মহাবীৰ।
আঘোণ মাসত নমৰিলা মহাধীৰ॥
যেতিক্ষণে ভীষ্ম পড়িলেক ঘোৰ ৰণে।
তেতিক্ষণে গঙ্গাদেবী জানিলন্ত মনে॥
গঙ্গায়ে বোলন্ত মোৰ পুত্ৰ মহাবীৰ।
জানো অজিজ্ঞাসি বাপু তেজয় শৰীৰ॥
ইবেলাত দুত কৰি পাঞ্চি দিবো কাক।
প্ৰাণ নেৰিবেক হেন কহিবে পুত্ৰক॥
এহি বুলি দেবী মনে গুণিলন্ত পাছে।
দেখন্ত তপস্যা কৰি মুনিগণ আছে॥
তাসম্বাক পঠাইলেক ভাগিৰথী আই।
পুত্ৰক কহিয়ো মোৰ শীঘ্ৰে বেগে যাই॥

যেবে উত্তৰাৰ্ক সূৰ্য্য নচলন্ত মানে ।
কোৱাঁ গৈয়া পুত্ৰত নেৰোক তাৰে প্ৰাণে ॥
শুনি ঋষিগণে হংসৰূপে তাৰক্ষণে ।
চলি গৈলা যৈত আছে গঙ্গাৰ নন্দনে ॥
ৰণভূমি পাইলা গৈয়া আকাশ গমনে ।
ভীষ্মক দেখিলা শৰ শয্যাত শয়নে ॥
ভীষ্মৰ ধৈৰ্য্যক দেখি মনে গুণি সাৰ ।
আকাশত প্ৰদক্ষিণ কৰি শতবাৰ ॥
আগক আসিলা পাছে আদৰিত ভাৱে ।
সবে মিলি দক্ষিণক কৰিলা উৎসৱে ॥
ইঙ্গিতে জানিলে তাঙ্ক শুনি নিৰন্তৰ ।
ইঙ্গিতে চিনিলে তাঙ্ক গঙ্গাৰ কুমাৰ ॥
পাছে তাসম্বাক ভীষ্ম বুলিলন্ত বাক ।
গঙ্গাদেৱী পঠাইলেক জানো তোমাসাক ॥
যাবে উত্তৰাৰ্ক নোহো তাৱে নেৰোঁ প্ৰাণ ।
তুমি সবে আমাৰ মাতৃক দিয়া জান ॥
হেন কথা শুনি মুনিগণ গৈলা চলি ।
কুৰু পাণ্ডৱৰ সৈন্য আছন্ত আকলি ॥
তথাপিতো নেৰোঁ প্ৰাণ শুনা মোৰ বাক ।
যাবদেকে আদিত্য নোহয় উত্তৰাৰ্ক ॥
আকে জানি আমাক দিয়োক সেনাগণ ।
বাপু দুৰ্য্যোধন শুনা মোহোৰ বচন ॥
চতুৰ্দ্দিশে আমাৰ বান্ধিয়ো গৰখান ।
আৰো এক বচন শুনিয়ো বীৰগণ ॥
বিঞ্চনি চামৰ ধৰিয়োক সুকোমল ।
শৰীৰৰ মাখি মোৰ খেদাও সকল ॥
দেখা মোৰ শিৰ গোট ওলমি আচয় ।
তাৰ বিষে দেখা মোৰ শৰীৰ কাম্পয় ॥
তাৰ বিষে সকলে শৰীৰে কৰে চোট ।
শৰ নাই ওলমি আচয় শিৰ গোট ॥

ভীষ্মৰ বচন শুনি ৰাজা দুৰ্য্যোধন।
ভাল ভাল বালিশ অনাইলা তেতিক্ষণ॥
নলৈলন্ত ভীষ্ম তাঙ্ক মহাকোপ কৰি।
দেখি দুৰ্যোধন ৰাজা থাকিল অন্তৰি॥
দুৰ্য্যোধন ৰাজা বৰ গৰিহাক পাইলা।
অৰ্জ্জুনৰ মুখ তেবে গঙ্গাসুতে চাইলা॥
ভীষ্ম বোলে নাতি মোৰ শুনিয়ো বচন।
ইকৰ্ম্ম সামৰ্থ নুহিবেক একোজন॥
শুনিয়ো বচন মোৰ বাপু ধনঞ্জয়।
পৰম মহন্ত তুমি জানা সমস্তয়॥
ওলমি আছয় মাথা মোৰ বৰ টান।
আৰ অৰ্থে বাপু মোক দিয়োক শিথান॥
হেন শুনি ধনঞ্জয় উঠিলা তেখন।
প্ৰদক্ষিণে গাঙ্গেয়েৰ নমিলা চৰণ॥
গাণ্ডীৱ ধনুক ধৰি কৰিয়া টঙ্কাৰ।
শবদে পূৰিলা গৈয়া স্বৰ্গৰ দুৱাৰ॥
বাচি বাচি প্ৰহাৰিলা তৃকণ্টিক শৰ।
ভীষ্মৰ শিৰক আৰি কৰিলা উপৰ॥
উৰ্দ্ধমুখ শৰ পুংখ ভূমি উপগত।
ভীষ্মৰ শিৰক ৰাখিলন্ত উপৰত॥
শয়ন উচিত গাণ্ডু দিলা ধনঞ্জয়।
দেখি ৰঙ্গমন ভৈলা গঙ্গাৰ তনয়॥
অদ্ভুত দেখিয়া আছে যত বীৰগণ।
অৰ্জ্জুনক মাতিলন্ত গঙ্গাৰ নন্দন॥
সাধু সাধু ধনঞ্জয় কুন্তিৰ কুমাৰ।
তযু সম বীৰ আৰ নাহি বলিয়াৰ॥
প্ৰচণ্ড শকতি সৰ্ব্ব কাযে সুশিক্ষিত।
বীৰ শয়নক বাপু এহিসে উচিত॥
আনভাৱে গাণ্ডু যদি দিলি হন্তে মোক।
মিছা নুহি অৱশ্যে শপিলোঁ হন্তে তোক॥

এহি বুলি মৌন ভৈলা গঙ্গাৰ নন্দন ।
সেহি সময়ত আসিলেক বৈদ্যগণ ॥
নানাবিধ মন্ত্ৰ জালে ঔষধ লগত ।
বিসল্যকৰণী কৰে ভীষ্মৰ গাৱত ॥
হেন শুনি ভীষ্ম বোলে শুনা বৈদ্যগণ ।
বীৰ শয়নত মই কৰিলোঁ শয়ন ॥
আৰ ইচ্ছা নাই মোৰ প্ৰাণ ধৰিবাক ।
ইহাতে থাকিবো যেবে নোহে উত্তৰাৰ্ক ॥
বাপু দুৰ্য্যোধন শুনা আমাৰ বচন ।
বৰ দুঃখ কৰি আসিয়াছে বৈদ্যগণ ॥
মনে ইচ্ছা কৰি ধন পাইবো বহুতৰ ।
শৰ কাঢ়িবাক খোজে মোৰ শৰীৰৰ ॥
অনুশোচ কিছু আৰ নকৰা আমাক ।
ধন দিয়া অসম্বাক জাণ্টে পঠায়োক ॥
ভীষ্মৰ বচন শুনি ৰাজা দুৰ্য্যোধন ।
তেতিক্ষণে বৈদ্যক দিলেক বহুধন ॥
ভীষ্মৰ বচন শুনিয়াছে যুধিষ্ঠিৰ ।
মহাশোকে কান্দে তান নসহে শৰীৰ ॥
স্নেহে প্ৰবোধন্ত যে বিৰাট বৃকোদৰ ।
দেখিয়া মাধৱ গৈয়া চাপিলা ওচৰ ॥
মধুৰ বচনে পাছে দেৱ নাৰায়ণ ।
যুদ্ধিষ্ঠিৰ নৃপতিক বুলিলা বচন ॥
শুনা শুনা দাদা মোৰ বচন নিশ্চয় ।
আজি ৰণে আব্যাহতে লভিলা বিজয় ॥
ত্ৰিভুবন বিজয় প্ৰচণ্ড বলিয়াৰ ।
দুৰ্য্যোধন সম আৰ নুহিকে তোমাৰ ॥
আৰ শঙ্কা নাহিকে জানিবা ৰিপুগণ ।
আজিসে জানিবা মোৰ ৰঙ্গ ভৈলা মন ॥
হেন শুনি যুধিষ্ঠিৰ বুলিলা বচন ।
পৰাজয় বিজয়ৰ তুমিসে কাৰণ ॥

তব অংশ বিজয় যুদ্ধত পৰাজয়।
সুখ দুঃখ কাৰণৰ তুমিসে আলয়॥
যাৰ কটাক্ষতে সৃষ্টি স্থিতি বিনাশন।
তোমাৰ চৰণে প্ৰভু পশিলোঁ শৰণ॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
সেহি বেলা গৈলেক অনেক কন্যাচয়॥
অসংখ্যাত কুলবধূ পুত্ৰ কোলে লই।
ভীষ্মক দেখিবে প্ৰতি আথেবেথে গই॥
তেলি মালি চমাৰ কমাৰ যত যত।
ভীষ্মক দেখিবে প্ৰতি গৈলেক সমস্ত॥
কহে ৰামসৰস্বতী মই বৰ দীন।
নাম ধন দিয়া কৃষ্ণ দাস কৰি কিন॥
যেবে তব চৰণত ভকতি ৰহয়।
তেবে মোৰ মনোৰথ সবে পূৰ্ণ হয়॥
শুনিয়োক সভাসদ এৰাঁ আন কাম।
জন্মৰ সফল হৌক বোলাঁ ৰাম ৰাম॥

---

## লেচাৰী।

দশদিন যুজি দেৱব্ৰত, শৰৰ শয্যাত পড়িলন্ত,
শুনি নগৰৰ যত সুকুমলী নাৰী।
পাটনেত শাৰী পিন্ধি গই, দুৰ্ব্বাক্ষত পুষ্প কোচে লই,
বিদ্যাধৰী সম সব গৈলা কাছি পাৰি॥
পদ্মিনী সুন্দৰী ৰূপৱতী, ভীষ্মৰ চৌপাশে বেৰি আতি,
তাৰাগণ সমে যেন আকাশত চানি।
ভীষ্মৰ অৱস্থা দেখি আতি, লাজ থৈলা থক কৰি কাতি,
সখাক সম্বোধি বোলে অন্যে অন্যে বাণী॥
সিবেলা ভীষ্মৰ দুঃখ দেখি, লোতকে জুড়াই দুই আখি,
ক্ৰূৰ মতি বিধি কি কৰিলে তযু গতি।
নিষ্ঠুৰ হৃদয় বজ্ৰ সাৰ, যেন যমকাল ক্ষত্ৰিয়ৰ,
পৰশুৰামক যুজিলন্ত সাত ৰাতি॥

শিকিলাহা অস্ত্র তান ঠাই, দেখুয়াইলা তাঙ্ক মুনিযাই,
তোমাৰ শৰত জর্জ্জৰিত কলেৱৰ ।
নাকে কাণে দিলা অস্ত্র জাল, ভৈলা পশুৰাম লালকাল,
প্রাণৰ কাতৰে ভিড়িয়া দিলে লৱৰ ॥
দেখি সর্ব্বলোক ভৈলা ভয়, দেৱগণে কৈলা জয় জয়,
পৰম বিস্ময় মিলিল সবাৰ মনে ।
তোমাৰ সমান পৰাক্রমি, নতু দেখি শুনি শৰ শ্রমি,
হেনয় বীৰক কিমতে জিনিলা ৰণে ॥
কিনো নিদাৰুণ ধনঞ্জয়, যমদণ্ড সম শৰচয়,
ভীষ্মক মাৰন্তে তিলেকো নভৈলা দায়া ।
সহজে ক্ষত্রিয় নিদাৰুণ, ক্রোধে দুই চক্ষু তাম্রবর্ণ
গোবিন্দ সাৰথি মহা কপটৰ মায়া ॥
অর্জ্জুনৰ শৰে সশৰীৰে, অস্থি মজ্জা দহি পীড়া কৰে,
লোতক বহয় নিৰন্তৰ মূর্চ্ছা যায় ।
শোণিত বহয় শৰীৰৰ, যেন গেৰু ধাৰা পর্ব্বতৰ,
খনো খনো নেত্র মেলি দশোদিশে চায় ॥
আমাৰ হৃদয় পোড়ে আতি, কেনে সহিবন্ত তান মাতৃ,
পঙ্কজ লোচনী দেৱী ভাগিৰথী আই ।
নৃপতি সবৰ শিৰোগত, যুধিষ্ঠিৰ ৰাজা সমৰত,
ভীষ্মক মাৰন্তে কিমতে আছিলা চাই ॥
অর্জ্জুনক দেখা ৰথ মাজে, বজ্র ধৰি যেন দেৱৰাজে,
পর্ব্বত গোটক পৃথিবীত থৈলা শালি ।
চন্দ্র সম জলে দুই আখি, একেযে ৰথত দুয়ো সখি,
দুয়ো একে বর্ণ ধনঞ্জয় বনমালী ॥
সজল জলদ শ্যাম তনু, তাহাতে প্রকাশে শৰ ধনু,
প্রলম্বিত বাহু আতি সুকোমল বেশ ।
ইতিনি ভুৱন ভিতৰত, আঙ্ক তম নাহি সমৰত,
ভালেতো দ্রৌপদী অর্জ্জুনত বৰ স্নেহ ॥

কৃষ্ণক দেখিয়ো সখিগণ, কুণ্ডলে মন্দিত দুয়োকর্ণ,
পীত বস্ত্রে জ্বলে মেঘত যেন বিজুলী।
শ্ৰীবৎ ৰত্নৰ বক্ষস্থলে, কৌস্তুভ প্ৰকাশে যাৰ গলে,
ৰতিপতি যেন যুৱতীগণ ৰঞ্জনী॥
ভীষ্মৰ অৱস্থা চাই চাই, নকান্দতে লোহ বহি যাই,
মৰ্ম্মত সবাৰো আগক নযায় ভৰি।
দূৰ হন্তে পাছে নাৰীগণে, ভীষ্মক চাহন্তে দুঃখ মনে,
ৰামসৰস্বতী ভণে বোলাঁ হৰি হৰি॥

---

পদ।

নাহিকে চেতন জ্ঞান বিবৰ্ণ বদন।
সৰ্পে যেন নিশ্বাস ত্যজন্ত ঘনে ঘন॥
অৰ্জ্জুনৰ শৰ বিষে নপাৰন্ত জ্ঞান।
সাক্ষাতে দেখিও যেন মৃতক সমান॥
পিয়াসে নিজীয়ে মুখ নিস্তেজ শৰীৰ।
ক্ষণে ক্ষণে চক্ষুক মেলন্ত মহাবীৰ॥
ভীষ্মৰ দুঃখক দেখি যত নৰীগণ।
মহাশোকে সন্তাপ কৰন্ত ঘনে ঘন॥
পদ্মিনী সুন্দৰী আৰু জগত মোহিনী।
চাৰু হাস্য জগত স্বামীত সুভাগিনী॥
সৰ্ব্বকাল নুহি সলোতক যাৰ মুখ।
সিয়ো নাৰী কান্দয় ভীষ্মৰ দেখি দুঃখ॥
মঙ্গলা পঢ়িয়া দুৰ্ব্বাক্ষতযে সিঞ্চিলা।
এক পাশ হুয়া কন্যাগণ অন্তৰিলা॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
ভীষ্মৰ শৰীৰ ঢাকি তেজ বৰিষৰ॥
শৰ পুংস ঢাকি তেজ ভৈলা সমাপতি।
তেবে গঙ্গাসুত পিয়াসত আশকতি॥

পিয়াসে আকুল আতি নপান্ত চেতন।
তেবে কৌৰৱক চাই বুলিলা বচন॥
শুনিয়োক বচন কৌৰৱ বীৰগণ।
পিয়াসে শুখাইলা মুখ নপাওঁ চেতন॥
আজুৰি মাতন্তে মোৰ মুখে নাসে বাণী।
বাপু দুৰ্য্যোধন মোক পিয়ায়োক পানী॥
ভীষ্মৰ বচন শুনি ৰাজা দুৰ্য্যোধন।
সুগন্ধ জলক অনাইলেক তেতিক্ষণ॥
ভক্ষ দিব্য অনাইলন্ত পায়স মোদক।
হেন দেখি ভীষ্ম ক্ৰোধে বুলিলা ৰাজাক॥
শুন অৰে দুৰাচাৰ দুৰ্য্যোধন ৰায়।
তোহোৰ জলত তাত মোৰ কাৰ্য্য নাই॥
শৰৰ শয্যাত মই শয়ন কৰিলোঁ।
মনুষ্যৰ ভোগ্য মানে সকলে তেজিলোঁ॥
আৰু এক বচন শুনিয়ো বীৰগণ।
অৰ্জ্জুনক দেখিবাক মোৰ বৰ মন॥
ছোট হন্তে তুলিলোহোঁ বৰ হাভিলাষে।
কোথা গৈলা অৰ্জ্জুন আসোক মোৰ পাশে॥
হেন শুনি ধনঞ্জয় উঠিলা তেখনে।
প্ৰদক্ষিণে গাঙ্গেয়ৰ নমিলা চৰণে॥
কৰযোড়ে কহন্ত মনত নিকশ্বাস।
কি কাৰ্য্য কৰিবো আজ্ঞা কৰাঁ পিতামহ॥
ভীষ্ম বুলিলন্ত শুনিয়োক ধনঞ্জয়।
দেখা মোৰ শৰীৰক পিয়াসে পীড়য়॥
বংশধৰ নাতি তই জলপিণ্ড আশ।
যাৰ গৃহে পুনৰ্জন্ম কৰিবন্ত বাস॥
মুখ কণ্ঠমানে মোৰ সকলে শুখাইল।
ধনঞ্জয় বাপু মোক পিয়ায়োক জল॥
হেন শুনি ধনঞ্জয় গাণ্ডীৱক ধৰি।
ৰথত চৰিলা বীৰে একডেৰ কৰি॥

ৰথে সমে ভীষ্মক কৰিলা প্ৰদক্ষিণ।
ধনুত যুৰিলা আনি শিলীমুখ বান॥
ভীষ্মৰ দক্ষিণ পাশে মুখৰ ওচৰ।
পাতালক লাগি তাতে প্ৰহাৰিলা শৰ॥
অদভুত দেখি আছে নৃপতি সকল।
পাতালৰ পৰা আসি নিকলিলা জল॥
মুষলৰ ধাৰে উঠি কতো দূৰ বুৰে।
পুনৰ্ব্বাৰ ভীষ্মৰ মুখত আসি পৰে॥
দেখিতে সুবেশ আতি সুকোমল জল।
তৃষ্ণা পূৰি ভীষ্ম পান কৰিলা সকল॥
অৰ্জ্জুনৰ কৰ্ম্ম অদভুত মানুষ্যৰ।
দেখি ভয় লাগিলেক সবে কৌৰৱৰ॥
ভীষ্মে মাতিলন্ত পাছে তুষ্টমন হুই।
তোমাৰ ই কৰ্ম্ম বাপু অদভুত নুই॥
নদী নদ মাজে বৰ গহীন সাগৰ।
হিমালয় যেন পৰ্ব্বতত শ্ৰেষ্ঠতৰ।
গৰুড় বলিষ্ঠ যেন পক্ষীৰ মধ্যত।
ক্ষত্ৰিয়ৰ মধ্যে বাপু তুমি সেহিমত॥
নাৰদৰ মুখে শুনিয়াছোঁ যেন যেন।
কৃষ্ণ ধনঞ্জয় দুয়ো নৰ নাৰায়ণ॥
কাৰণে সে দুইহানো মনুষ্য অৱতাৰ।
দুৰ্জ্জনক দণ্ডিয়া খণ্ডিবা ভূমিভাৰ॥
তৈসানি বুলিলোঁ শুনিয়োক দুৰ্য্যোধন।
পাণ্ডৱৰ ৰাজ্য তই দিয়ো এতিক্ষণ॥
দ্ৰোণে বুলিলন্ত আৰু বিদুৰে বুলিলা।
ব.সোভদ্ৰে বুলিলন্ত তাকো নুশুনিলা॥
তাকেসে স্মৰন্তে মন বিকল আমাৰ।
পাণ্ডবৰ হাতত সমস্তে যাইবি মাৰ॥
পুনৰপি দুৰ্য্যোধন বোলোঁ শুনা ৰাই।
দুৰ্ঘোৰ সমৰে আৰ তোক নুযুৰাই॥

কৈল্যাণক পাণ্ড বাপু বন্ধুগণ ৰৌক ।
মই অন্তে কৌৰবি পাণ্ডবি ৰঙ্গ হৌক ॥
পাণ্ডবে সহিতে যদি হোৱা একে সঙ্গ ।
তেবেতো জানিবা তুমি মোৰ মনে ৰঙ্গ ॥
ভীষ্মৰ বচন শুনি ৰাজা দুৰ্য্যোধন ।
অধোমুখে নৃপতি থাকিলা মনেমন ॥
ভৈলা আয়ুক্ষয় নুশুনয় সদবুদ্ধি ।
মৰন্তাক দিবে কোনে জীবাৰ আসুধি ॥
বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ ।
ভীষ্মক ৰাখিবে লোক দিলে দুয়ো ঘৰ ॥
দুয়ো দলে সৈন্য বাচি দিলেক জোলক ।
পাণ্ডৱৰ ৰঙ্গ ভৈলা বধিয়া ভীষ্মক ॥
সবে হন্তে গাঙ্গেয়ৰ নমিলা চৰণ ।
কুৰু পাণ্ডুদল গৈল আপোন ভৱন ॥
এত হন্তে বাৰ্ত্তা পাইলা ৰাধাসুত কৰ্ণ ।
ঘোৰ সমৰত ভীষ্ম কৰিলা শয়ন ॥
অদভুত শুনি কিছু মনে দুঃখ ভৈলা ।
লৰৰিয়া ভীষ্মক চাহিবে লাগি গৈলা ॥
বীৰ শয়নতে আছে গঙ্গাৰ কুমাৰে ।
দেখি কৰ্ণে প্ৰণাম কৰিলা জানু শিৰে ॥
কৰ্ণে বোলে শুনিয়োক গঙ্গাৰ নন্দন ।
সৈসানি বুলিলা তুমি অৰ্দ্ধৰথী কৰ্ণ ॥
সেহি দিনে অঙ্গীকাৰ কৰিয়াছোঁ দৃঢ় ।
যান্তে তুমি নপড়া নধৰোঁ ধনু শৰ ॥
সি কাৰণে নুযুজি আছোঁহো বাট চাই ।
চাহিবে আসিলোঁ শুনি তোমাৰ বিলাই ॥
অৰ্দ্ধৰথী সুত মই ৰাধাৰ কুমাৰ ।
পূৰ্ব্ব অপৰাধ মানে ক্ষেমিয়ো আমাৰ ॥
হেন শুনি গাঙ্গেয়েৰ স্নেহ ভৈলা আতি ।
ৰাধাৰ পুত্ৰক সমীপক নিলা মাতি ॥

পাৰ্ব্বতী বদতি প্ৰভু গৈলোহোঁ হঠাৎ।
পুৰিলেক ধান খান দেখিলোঁ সাক্ষাত ॥
চৰণত ধৰো প্ৰভু দোষ মৰষিয়ো।
আৰু একবাৰ প্ৰভু খেতিক কৰিয়ো ॥
শুনিয়া শঙ্কৰে আৰ বাৰ ধান কৈলা।
গজি ধান খান গৈয়া তেখনে পকিলা ॥
শঙ্কৰে বোলয় দেবী পকিলেক ধান।
গৰখীয়া পাঞ্চিয়া ধানৰ আগ আন ॥
হেন শুনি পাৰ্ব্বতী ভীমকে পাঞ্চিলা।
কাচিখান লৈয়া ভীম তেখনে চলিলা ॥
নিমিষেকে ভীমে ধান পেলালেক কাটি।
সৰু সৰু হাতেৰে ভৈলেক তিনি মুঠি ॥
ধান কাটি ভীমে আসি বুলিলেক বাক।
এহি ধান দাইবে লাগি পাঠাইলা আমাক ॥
কি কৰিবে কৃষি আই ভঙ্গুৱা শঙ্কৰ।
কৈত শুনি আছাহাঁ চহকী ভিক্ষুকৰ ॥
ভূঁই কৰো বুলি চাউল আনা মাগি যাচি।
অন্নব্যঞ্জন মানে তাঙ্ক দিবা বাচি ॥
ভাঙ্গ ধুতুৰা গুৰি জুমথি হাতত।
বাটে হোকা খাই শিৰ ফুৰয় সতত ॥
ভুঁই কৰোঁ বুলি ঐৰ পৰা চলি যাই।
গছৰ তলত বসি থাকে ভাঙ্গ খাই ॥
লাহে লাহে বায়ু যদি লাগিলা গাৱত।
বাঘছাল পাৰি শোৱে তাহাৰ তলত ॥
নিদ্ৰা গৈয়া অচেতন ভাৱে থাকে পৰি।
ঢোন্দাকাকে চাৰি ফালে খুটিৱাৰে বেঢ়ি ॥
গধূলি সময় ভৈলে লভয় চেতন।
ঘৰক আসয় মাৰি ঘাৱ চাৰিমান ॥
হেন শুনি মহেশ্বৰে তুলিলেক হাস।
মিছা কথা কহি দন্দ লাগাই বাক চাস ॥

পাৰ্ব্বতী বোলয় মই পালো পৰিমাণ ।
তোমাৰ খেতিৰ প্ৰভু এহিমান ধান ॥
ভোলানাথ তোমাৰ গাৱত নাহি তত ।
খেতিৰ চাউল খাইবে নাহি কপালত ॥
হেন শুনি মহেশ্বৰ ক্ৰোধ উপজিল ।
ধানৰ মুঠিত গৈয়া অগনি লগাল ॥
দেখি ভীমে বেগে যাই আচাৰি পেলাইলা ।
নুমাইবাক নপাৰিল অগনি বাঢ়িলা ॥
এহিমতে সাতদিন ধান পুৰি আছে ।
একদিনা শঙ্কৰে যে দেখিলেক পাছে ॥
কমণ্ডলু জলে নুমাইলাহা মুণ্ডমালী ।
সি কাৰণে কিছু আছু কিছু ভৈলা শালি ॥
ৰাম সৰস্বতী ভণে এড়া আন কাম ।
পাতেক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥

---

## বঘাসুৰ বধ ।

ছবি ।

সেহি বেলা বঘাসুৰে দিব্য ৰথ চাৰি খানে,
দেখে চাৰি জন বীৰ আছে ।
দেৱযোগ্য অলঙ্কাৰ কিৰীটি কুণ্ডল হাৰ,
দিব্য ৰত্ন সন্নহা পিন্ধিছে ॥
মহা প্ৰকাশিত দেখি মনত ভাবিয়া বোলে,
ইতো পূৰ্ব্ব মনুষ্য নোহয় ।
হাস্য কৰি কোপ মনে মদমত্ত গৰ্ব্বান্বিত,
খৰতৰ বচন বোলয় ॥

শুন অৰে মানুযিয়া মৰিবাক লাগি কেন,
আমাক ঝোক্কাস ইঠাৰত।
আগে চাৰি গোট যিতো মনুষ্য আসিল তাক,
যমপুৰে পঠাইলো নিশ্চিত॥
তোৰা কোন চাৰিজন ইতো স্থানে আসি আছা,
কহ আগে যত পূৰ্ব্বাপৰ।
আমাৰ হাতত কেনে মৰিবাক আসিলাহা,
পালটি চলিয়ো নিজ ঘৰ॥
হেন শুনি আঠো জনে জঙ্ক পাৰি হাসিলন্ত,
বঘাসুৰে বৈলক্ষ্য লভিল।
আগবাঢ়ি ধনঞ্জয়ে তাহাৰ মুখক চাহি,
মৰ্ম্মভেদ বচন বুলিল॥
শুন দুষ্ট বঘাসুৰ নিচিনস কত দূৰ,
তিনি পক্ষ ৰাক্ষসৰ যত।
মহা মহা বীৰ চয় চলি গৈল যমালয়,
ভ্ৰাতৃ পুত্ৰ সবে ভৈল হত॥
বৰাহ বথক ভাঙ্গি তিনিবাৰ তোৰ শিৰ,
ছেদি কৈলো দাৰুণ মহত্ত্ব।
দ্বাৰ ভাঙ্গি সৈন্য মাৰি বৈন্থ কাটি আসি আছোঁ,
আমাক নিচিন কেনমত॥
ইয়ো কথা সত্য হয় মৰণ বেলাত চক্ষু,
ৰশ্মি হীন হোৱে সমস্তৰ।
যত যত পাপ তই কৰি আছা দুৰ্ব্বিনয়,
তোৰ মৃত্যু চাপিল ওচৰ॥
নতু শুন পৃথিবীত মহাৰাজা যুধিষ্ঠিৰ,
পাণ্ডুৰ তনয় ধৰ্ম্মমতি।
চাৰি ভ্ৰাতৃ সমে তেহো বন্ধক্ষেত্ৰে আসিছয়,
তোৰ কাল কৰিবাক প্ৰতি॥

দেখ পাপী বঘাসুৰ নকুল সহদেৱ দুই,
সোই ৰাক্ষসৰ ধূমকেতু।
মোক চিন ধনঞ্জয় নিশাচৰ বিনাশক,
এন্তে ভীম তোৰ মৃত্যু হেতু॥
যতেক মানুষগণ মাৰিয়া আনিলে যিবা,
সেহি সব ৰাক্ষস নাশিব।
সকল কুলৰে চেটা ধূমকেতু ভৈলি তই,
তোৰ গুণে সবে নষ্ট হৈব॥
সৰ্ব্বকুল বিনাশক চাহিবাক যোগ্য নয়,
অস্ত্ৰ হানি নিজে তই মৰ।
তোক মাৰি নিৰন্তৰে লোক সব উদ্ধাৰিব,
আৰু আজি জানিবি বৰ্ব্বৰ॥

---

## ছুলড়ী।

হেন শুনি ক্ৰোধে ফোকাৰি বোলয়,
বঘাসুৰ মত্ত সিংহ।
অৰ্জ্জুনক চাহি গৰ্জ্জিতে লাগিল,
দিয়া আতি ঘোৰ ৰিঙ্গ॥
হা' আৰে মায়াবী মানুষিয়া তোৰ,
একো মতে লাজ নাই।
কাটিবাৰ বুলি আমাৰ আগত,
ফুৰস গাৰ ঘেলায়॥
ৰাত্ৰি চুৰি কৰি মাৰিলিহি সৈন্য,
কাটিলিহি বৈদ্যগণ।
কৰ্ণৰ কুণ্ডল কাটিয়া নিৰয়,
চোৰৰ হেন লক্ষণ॥

গাত খানি পশে গৃহস্থৰ ঘৰে,
সৰ্ব্বস্ব হৰি আনয়।
স্ত্রী বাল্যে যদি ডাকিয়া বোলয়,
তেবে শীঘ্রে পলায়য় ॥
হেনয় যশক তোৰা সবে কহ,
কিঞ্চিতো বৈলক্ষ্য নাই।
ৰাত্রি অন্ধকাৰে পশি নগৰত,
বধি আছ ছেগ চাই ॥
তাহাকে মুনিয় বথানস অৰে,
মূঢ় নৰ ক্ষুদ্র জন।
অযুত বৎসৰ পড়িয়া আছিল,
ভাঙ্গিলি দুৱাৰখান ॥
ভয়ঙ্কৰ একো পৰ্ব্বত থাকয়,
মুষে মাটি গুচায়য়।
বৃষ্টি পড়ি গিৰি খসিয়া পড়য়,
তেবে মুষ বীৰ হয় ॥
আনো নানা মত কথা পালি দিল,
পাণ্ডব ধীৰ মহন্ত।
অসত্য বাদত ভ্রুভঙ্গো নাই,
কিছু মন্যু নকৰন্ত ॥
জয় জয় নৰ নাৰায়ণ নৃপ,
অখণ্ড মণ্ডলেশ্বৰ।
সম দম দণ্ড ভেদ ন্যায় নীতি,
সকল গুণে সাগৰ ॥
বৈষ্ণৱ সবক পালন কৰন্ত,
প্ৰাৰ্থকৰ পূৰা মন।
দিব্য ভোগ ভুঞ্জি পৰকালে পাছে,
বৈকুণ্ঠে কৰা গমন ॥

তাহান আদেশে বিৰচিলো পদ,
ইতো বঘাসুৰ বধ ।
কৃষ্ণে যেন মতি দিলা তেন ভৈল,
তাহানে চৰিত্ৰ পদ ॥
বিষ্ণু বৈষ্ণৱৰ নাহিকে অন্তৰ,
সকলে বেদে কহয় ।
এহি তত্ত্ব বাণী মনে অনুমানি,
সবে কবা জয় জয় ॥

বৈশম্পায়ন বদতি শুনিয়ো নৃপবৰ ।
বোলা বুলি কবি আসি চাপিল ওচৰ ॥
দক্ষিণ অয়ন গুচি উত্তৰাৰ্ক ভৈল ।
সেহি বেলা মহা ঘোৰ সমৰ মিলিল ॥

আগ বাঢ়ি অৰ্জ্জুনক শৰ ঝাক দিলা ।
হেন দেখি অৰ্জ্জুনেও শৰ প্ৰহাৰিলা ॥
দুইবো শৰ একস্থানে নাশ হুয়া গৈল ।
দেখি ৰাক্ষসৰ মহা কোপ জ্বলি গৈল ॥

প্ৰচণ্ড দাৰুণ শৰ পুনু প্ৰহাৰয় ।
আলগতে কুন্তী সুতে তাহাক ছেদয় ॥
এহি মতে চাৰি দণ্ড মানে যুজি আছে ।
খঙ্গে নিশাচৰে বোলে শূল মাৰোঁ পাছে ॥

এহি শুনি শূল হানিবাৰ মন কৈল ।
পৰম ক্ৰোধত তাৰ বুদ্ধি নাশ ভৈল ॥
ধনুতে যুৰিয়া প্ৰহাৰিলা শূল বৰ ।
অৰ্জ্জুনেও তাহাক হানিলা দিব্য শৰ ॥

শূলত লাগিয়া বান উফৰি পৰিল ।
ধনঞ্জয় বীৰ বৰ মনত ডৰিল ॥

ৰাম ৰাম উচ্চৰিয়া ৰথক চাহিলা।
যমৰ দিবাৰ বৰ মুষল দেখিলা॥

ধনু এড়ি ডের দিয়া মুষল লৈলন্ত।
"হু" বুলি মহাবেগে কোবেক দিলন্ত॥
ভাগিলেক শূল পাত অগ্নি উথলিল।
দেখি দুষ্ট বঘাসুৰে বিষাদ কৰিল॥

পুনুৰপি শৰগণ প্ৰহাৰ কৰিল।
অৰ্জ্জুনৰ শৰীৰ নিসন্ধি বিদাৰিল॥
শৰময় ভৈল বীৰ বহয়ে ৰুধিৰ।
শৰ বিষে ধনু ধৰিবাক নোহে থিৰ॥

সাৰথি ঘোৰাকো থাসিলেক নিৰন্তৰ।
ঘূৰৈ নাৱ থান যেন বেগত জলৰ॥
দূৰ হন্তে চাহি আছে মাদ্ৰীসুত দুই।
ৰাক্ষসৰ হাতে অৰ্জ্জুনৰ মৃত্যু হুই॥

মহাবেগে শৰ সব প্ৰহাৰ কৰিল।
নাকে মুখে ঝাক ঝাকে নিসন্ধি ভেদিল॥
শৰ হানি বাক সিতো ছেগ নপাৱয়।
তেজ বহে সকল শৰীৰ পখাময়॥

বাহনকো ভেদিলন্ত মহাদৃঢ় শৰ।
হুসকিয়া যায় সিতো দেখি অন্ধকাৰ॥
শৰৰ বিষত দুষ্টে ঝমক দেখয়।
পুনু পুনু দুয়ো বীৰে প্ৰহাৰ কৰয়॥

সুমৰিয়া নিজৰ পূৰ্ব্বৰ মৃত্যু কথা।
আমাকে বিন্ধয় একো নচাৱয় তথা॥
হেন দেখি তাৰ যেবে দুই সেনাপতি।
মহিষ যানত দুয়ো কৰি আছে গতি॥

বাজাৰ বিপত্তি দেখি আগ বাঢ়ি আসি ।
হানিলা প্ৰচণ্ড শৰ দিশক প্ৰকাশি ॥
আইস বুলি বৃকোদৰে দুইহাঙ্কো ভেদিল ।
নিসন্ধি কৰিয়া বৃকোদৰকো হানিল ॥

নাকে মুখে ললাটে ভেদিলে বায়ু সুত ।
বোলে মোক চমক লগাইল বৰ দ্ৰুত ॥
ধনু যুদ্ধে আৰু মই নকৰো সমৰ ।
এহি বুলি একেডেৰে নামিলা ৰথৰ ॥

নগণিয়া শৰ চয় মৰোঁ জীয়োঁ কৰি ।
কোবাইবে লাগিলা হাতে ঘোৰ গদা ধৰি ॥
দুই সেনাপতি পাচে হুসকিয়া যায় ।
দেখি অন্য বীৰগণ কোপে আগে ধায় ॥

প্ৰহাৰয় বানগণ কাটন ফুটন ।
ধনঞ্জয় বীৰো যেবে ভৈল সন্ধুক্ষণ ॥
নকুল সহদেৱ দুয়ো পাছক নচাই ।
ছেদি ভেদি নেন্ত সব যান্ত ৰথবাই ॥

ৰহিলন্ত পাচ গুচি বায়ুৰ কুমাৰ ।
দুয়ো সেনাপতি পুনৰপি দিলে ধাৰ ॥
মাদ্ৰীসুত দুয়ো বীৰে দুহাঙ্কো যুঝয় ।
দুতয় মহিষ তাৰ দেখি লাগে ভয় ॥

আকাশক লঙ্ঘি আছে শৃঙ্গ তীক্ষ্ণতৰ ।
মক্ষিকা দোহাৰ কৰে হাত শতেকৰ ॥
বিদৰ্শন বীৰ আতি সমৰে প্ৰখৰ ।
নকুলক হানিলেক দশ পাট শৰ ॥

চাৰি পাট নকুলৰ হিয়াত পৰিল ।
এক পাটে ধনুখান হাততে কাটিল ॥
আৰু চাৰি বান চাৰি ঘোৰাক মাৰিল ।
এক বানে সাৰথি গোটক বিদাৰিল ॥

ৰথ সমে পাক ফুৰে ৰুধিৰ চাদয়।
দূৰহন্তে দেখিলেক বীৰ ধনঞ্জয়॥
দেখিয়া সাৰথি আতি মৰোঁ জীয়োঁ কৰি।
পালটাইলা ৰথখান আঝুৰিয়া ধৰি॥

পাছে পাছে খেদি যায় বিদৰ্শন বীৰ।
অৰ্জ্জুনে বোলন্ত মৃত্যু মিলে নকুলৰ॥
হা' ভ্ৰাত তোৰ আজি কাল আসি ভৈল।
এহি বুলি ৰথ বায়ুবেগে খেদি গৈল॥

ডাক দিয়া মাতে অৰে ৰহ ৰহ বুলি।
দুই পাত শৰ যুৰি ধনু যায় তুলি॥
পাওঁ পাওঁ দেখি সিতো পাচক নচায়।
মহিষৰ খুৰ ধাৰে ধৰণী ফাটয়॥

কতো জানুমান কতো উৰু সমহয়।
বৃহৎ মহিষ চলিবাক নপাৰয়॥
ডেৱ দিয়া ৰথৰ নামিল বীৰবৰ।
পাছ হন্তে প্ৰহাৰিলা দুই পাত শৰ॥

অন্যায় বুলিয়া আক মন নকৰিলা।
ভ্ৰাতৃৰ মৰণ দেখি আতুৰে হানিলা॥
দুই পাট শৰ যায় ৰৰ কৰি ৰাগ।
পাছ পাকে তাহাৰ কাটিলা শিৰভাগ॥

যেন বায়ু পৰ্ব্বতৰ শৃঙ্গ বিদাৰিলা।
কত দূৰে শিৰ গোট উফৰি পড়িলা॥
আৰু পাটে মহিষ যানক ভেদিলন্ত।
কম্পি কম্পি ধৰণীত ঢলি পৰিলন্ত॥

জয় জয় শবদ মিলিল আকাশত।
নকুলৰ প্ৰাণ ৰৈল ঘোৰ সমৰত॥
অনন্তৰে পুষ্পমালী বৃদ্ধ সেনাপতি।
সহদেৱক বচন বুলিলা হেন মাতি॥

শুনা পাণ্ডু বংশী বাপু সুখীয়া কুমাৰ।
তোহোৰ শৰীৰে মই নকৰো প্ৰহাৰ॥
মোৰ পিতৃ আছিলেক ভদ্ৰজিত নাম।
প্ৰেমলোচা নামে তান ভাৰ্য্যা অনুপাম॥

ব্ৰহ্মাৰ দুহিত্ৰী তেন্তে জগততে ধন্যা।
দেবতাক বমিলন্ত বাজে কতো দিনা॥
দানব মাৰিয়া তেন্তে নিগুটি কৰিলা।
পাছে কন্যা খানি দেবগণে খুজিছিলা॥

চাৰুচি নগৰে ভদ্ৰজিত মহাৰায়।
সহদেৱ নামে পুত্ৰ তান সম নায়॥
কতোদিন অন্তৰে আমিও গৰ্ভস্থিত।
মাৰিলেক ৰাজ্য খান পিতৃ উপাৰ্জ্জিত॥

ষোড়শ বৎসৰ মোৰ জেষ্ঠ ভ্ৰাতৃ হয়।
তাহাকো মাৰিলে বধাসুৰ দুৰাশয়॥
গৰ্ভতে আছিলো মই নৱম মাসত।
মাতৃক বিলান দিনে এক ৰাক্ষসত॥

মই উপজিলো গুণে পিতৃৰ আলয়।
মোক সেনাপতি পতিলেক দুৰাশয়॥
দেৱাসুৰ ৰণ জিনি আছো সপ্ত বাৰ।
তোক দেখি দয়া বাপু লাগয় আমাৰ॥

অষ্টাদশধিক আৰু সপ্তম হাজাৰ।
হৈয়া আছে বৰ্ষ মোৰ জানিবাহা সাৰ॥
মোৰ পৰাক্ৰম বপু নপাৰ সহিত।
পুৰন্দৰো পলাই আছে আমাৰ শৰত॥

মাৰ মাৰ বাপু মোক নকৰিবি হেলা।
স্বৰ্গক চলোহো মই শুভক্ষণ বেলা॥
তুমি বৈষ্ণৱৰ হাতে প্ৰাণক ছড়াও।
সকল কালৰে ঘোৰ তৃপিতিক পাওঁ॥

হেন শুনি সহদেৱে বোলয় বচন।
নমাৰো তোমাক ৰথে উঠা এতিক্ষণ ॥
বৃদ্ধ সেনাপতিক ৰাখিলা সহদেৱে।
আচম্বিতে তাক যেবে নজানিল কেৱে ॥

বৈশম্পায়ন বদতি শুনিয়ো নৃপবৰ।
স্বস্থ দেহ ভৈল বঘাসুৰ নিশাচৰ ॥
ধনু ধৰি ধাইলা ঘোৰ আতীবেগ কৰি।
হানিলেক শৰ চয় মহা কোপ কৰি ॥

দীঘল ডাঙ্গৰ শৰ শনাইত তিখাল।
অৰ্জ্জুনৰ গাৱত পড়য় পালে পাল ॥
কাটিল সন্নাহা দেহ স্থিৰ নলভয়।
সাৰথি ঘোৰাকো পুনু থাসিলে নিশ্চয় ॥

গাৱ স্থিৰ কৰি কৃষ্ণ জপী মহাবলী।
নব টোন হন্তে শৰ আনিলা আকলি ॥
প্ৰচণ্ড কিৰণ শৰ পাত হানিলেক।
বঘাসুৰ বীৰৰ দেহত পৰিলেক ॥

হাত চাৰি মানে শৰ পাট বহি গৈল।
মহা অগ্নি উথলি অৰ্দ্ধেক ছিগি ৰৈল ॥
দেখি সিদ্ধ বিদ্যাধৰ যতেক আছয়।
আচৰিত মানি সবে ভৈল মহাভয় ॥

অৰ্জ্জুনে বিস্ময় মনে ভাবি থিৰ কৈল।
বৰ ছোটে শৰচয় প্ৰহাৰিবে লৈল ॥
নাকে মুখে ঝাকে ঝাকে নিসন্ধি ফুটয়।
কপাল ফুটিয়া ধাৰে ৰুধিৰ বহয় ॥

মেঢ় গোটে শৰ ঘাৱে আতাস পাৰয়।
পৃথিবী ঢাকিয়া ধাৰে ৰুধিৰ বহয় ॥
দেখি ঘোৰ ৰাক্ষসৰ ক্ৰোধ জ্বলি গৈল।
বৰ বৰ শৰ সব হানি বাক লৈল ॥

অৰ্জ্জুনে হানন্ত শৰ তিখাল বিযাল।
দুইকো দুই চাহিয়া ভেদন্ত পালে পাল॥
বঘাসুৰ বোলে কিনো মনুষ্য বিশাল।
হেন বীৰ লাগ নভু পাও একো কাল॥

এহি বুলি আগ বাঢ়ি প্ৰহাৰয় বলে।
সৰ্ব্ব গাৱে অৰ্জ্জুনৰ বিষ বহ্নি জ্বলে॥
দেখি মাদ্ৰী সুত দুয়ো বীৰে চাহি আছে।
জেষ্ঠৰ মৰণ হেন আকলিল পাছে॥

মহাবেগ কৰি দুয়ো ৰথ আগকৰি।
নিসঙ্কি হানয় দুয়ো পূৰ্ব্ব শত্ৰু স্মৰি॥
গাৱত লাগিয়া যাৱে উফৰি উফৰি।
দেখি দুয়ো বীৰে ভয়ে বোলে ৰাম হৰি॥

বোলে আজি মৰণ মিলিল আমাসাৰ।
ইহাৰ শৰীৰে বাণ নিবিন্ধয় আৰ॥
এত হন্তে বঘাসুৰে হানে শৰ চয়।
দুহানো বীৰক আতি ভেদিল নিশ্চয়॥

ৰুধিৰ চাদিয়া দুয়ো ৰথতে পৰিল।
বিস্মৃতি দেখিল যেন জীৱ কাঢ়ি নিল॥
হেন দেখি ৰথ খান পলুৱাই নিল।
পলাই পলাই বুলি দুষ্টে পাচতে খেদিলা॥

হেন খেদি ভীমসেন নামিলা ৰথৰ।
গদা ধৰি কোবাইবে লাগিলা বীৰবৰ॥
কতেক মাৰিলা বীৰে সীমা সংখ্যা নাই।
হুসকিয়া যায় সবে মহাপীড়া পাই॥

সেহি বেলা ধনঞ্জয় বীৰে সুস্থ পাইলা।
বঘাসুৰ ৰাজা দুয়ো ভ্ৰাতৃক দেখিলা॥
আগবাঢ়ি ধনঞ্জয়ে দিলা শৰ ঝাক।
থমকি ৰহিল সিতো দুঃখে সহি তাক॥

অৰ্জ্জুনে বোলন্ত আজি তোক দিবো সেক।
এহি বুলি কাল কুট শৰ হানিলেক ॥
শৰ পাট গৈয়া ধনু খানক ছেদিল।
গল গোট ছেদি বাকবলে নপাৰিল ॥

বাহুত মেড়কো দুইকো কাটিয়া পেলাই।
বঘাসুৰ দৈত্যক পেলাইলে বগৰাই ॥
তাহাৰ ওপৰে পড়িলেক মেড় গোট।
বাগৰিয়া গৈল সিতো পায়া মহা ছোট ॥

বোলন্ত পাণ্ডৱে কথা ভাল নাহিকয়।
কাল কুট শৰ ঘাৱে ৰাক্ষস জীৱয় ॥
এহিমতে খানিতেক পড়িয়া আছিল।
গুঞ্জ হেন চক্ষু কৰি বেগে থিয় দিল ॥

বাহন গোটক দুয়ো হাতে তুলি লৈলা।
পাণ্ডৱক লাগি কোপে হানিয়া পাঠাইলা ॥
যেহেন পৰ্ব্বত খণ্ড বায়ু লৈয়া যায়।
বিস্বাদ শবদে যায় আকাশে শোষায় ॥

জগতে বোলয় মৰে কুন্তীৰ তনয়।
হেন দেখি অৰ্জ্জুনে হানিলা শৰচয় ॥
এক পাত শৰ হানি তাহাক ছেদিল।
খণ্ড খণ্ড হুয়া সিতো ভূমিত পৰিল ॥

হেন দেখি মহা কোপে ৰাক্ষস কিটায়।
থাক থাক বুলি মাতে অৰ্জ্জুনক চায় ॥
খানিকতে ৰহ ৰহ কৰিবোহোঁ কাল।
এহি বুলি ধৰিলেক শকতি বিশাল ॥

বালক কালতে তাক হৰে দিয়াছয়।
যাক দেখি ঐৰাৱতে ইন্দ্ৰ পলাৱয় ॥
হেন শকতিক পাছে বেগে তুলি ধৰি।
আতাসেক দিয়া হানিলেক টান কৰি ॥

ভকৰ ভকৰ কৰি অগনি উধায় ।
চন্দ্ৰ তাৰা গ্ৰহ গণ খসি খসি যায় ॥
অৰ্জ্জুনৰ বধ হেতু দেখি দেৱ চয় ।
সিদ্ধ মুনি গণে ধৰ্ম্ম ধৰ্ম্ম স্তুমৰয় ॥

মাধৱৰ প্ৰিয় সখা ভক্ততত্ত্ব পৰ ।
বাচিয়া লৈলন্ত মহা দিব্য ব্ৰহ্ম শৰ ॥
কৃষ্ণৰ প্ৰসাদে বীৰ বুদ্ধি নঘটিল ।
শকতিক লাগি শৰ প্ৰহাৰ কৰিল ॥

শক্তি গোট কাটি বহ্নি উথলিয়া গৈল ।
মহাবেগ ধৰি বান পাট চলি গৈল ॥
তাহাৰ গলত পৰি কাটি হুয়া মুৰি ।
টোন পশিলা আসি বেগে পাক ফুৰি ॥

সিবেলাত অস্তঙ্গত ভৈল দিবাকৰ ।
পালটিল ঘৰাস্তুৰ সৈন্যৰ ভিতৰত ॥
সজাই মেড় গোট আনি দিলেক বাহন ।
অসংখ্যাত বীৰ সবে ধৰিলা যোগান ॥

পসৰ কৰিয়া দিশ মতাব অগনি ॥
ৰাক্ষসৰ বীৰগণ হৰিলেক চানি ॥
মনত জানিল মোৰ মৰণ মিলিল ।
মদ্য মাংস শাক অন্ন দুঃখতে ভুঞ্জিল ॥

পাণ্ডুপুত্ৰ সব আসি একস্থান ভৈলা ।
যিবা বস্তু আছে তাকে ভোজন কৰিলা ॥
শৰ কাঢ়ি ঘোৰা ৰথ সাৰথি গাৱৰে ।
সহস্ৰেক মানে লোকে আবৰিয়া ধৰে ॥

সবাৰো মনত বৰ সংশয় আছয় ॥
কিবা ঘৰাস্তুৰ বধিবাক নপাৰয় ॥
সহদেৱ সবাহাৰে ভয় জানি আতি ।
কহিবে লাগিলা কথা অৰ্জ্জুনক মাতি ॥

সহদেৱ বদতি শুনিয়ো নৰবৰ।
কালি বঘাসুৰ মৰি যাবে যমঘৰ॥
ৰাক্ষস কুলৰ কালি হৈবেক উচ্ছন্ন।
দেৱাসুৰ জগতৰে পূৰ হৈবে মন॥

হেন শুনি ভীমসেনে বুলিলা বচন।
সাধু মোৰ ভ্ৰাতৃ কহিলাহা যি কাৰণ॥
সকল দেৱৰ কাৰ্য্য কালি সিদ্ধি হৈব।
তিনিয়ো লোকৰ মহা দুৰ্গতি খণ্ডিব॥

এহি মতে আনো নানা কহি কথা মাত।
কৌতুকতে ৰাত্ৰি বহি গৈলন্ত তথাত॥
শেষ ৰাত্ৰি দুই দণ্ডে স্নান পান কৈলা।
ভগনীয়া সেনাগণ হুসকি চলিলা॥

চাৰি নাগ ৰথ সমে তাৰা সব ৰৈলা।
সহস্ৰেক মানে প্ৰজা তথা আসি ভৈলা॥
পূৰ্ব্বদিশি কাক ৰতে কোকিল নাদয়।
অনন্তৰে ভগৱন্ত আদিত্য উদয়॥

দেৱতাৰ ৰথক সাদৰি চাৰি বীৰ।
ৰথে উঠি চলিলন্ত নিৰুজ শৰীৰ॥
দশোদিশ প্ৰসন্ন আনন্দ মন প্ৰাণ।
কৃষ্ণক সুমৰি চলি যায় বিদ্যমান॥

সুমঙ্গল কহে দক্ষিণ স্পন্দয়।
আকাশত দেৱ বাদ্য চানিয়া বাজয়॥
জয় জয় শবদ শুনিয়া আলোকিত।
দেখি চাৰি বীৰৰ কৌতুক কৰে চিত্ত॥

সিংহ নাদ কৰি ৰথ আগ বাঢ়ি যায়।
ৰেণু ৰেণু দেখিলন্ত সৈন্য আগুৱায়॥
ধৰ ধৰ ধৰ তোল কৰে কোলাহল।
কালি পিম্পৰাৰ সম দেখি মহাবল॥

কতো বেলি মানে পাছে দেখা দেখি ভৈল
বাদ্য ভাণ্ড বোল মহা উথলিয়া গৈল ॥
এক মহা মেড়ত উঠিয়া বঘাসুৰ ।
ধৰিলেক মৰা শ্ৰীক পৰম দন্দুৰ ॥

অসংখ্যাত বীৰগণ যোগান ধৰিয়া ।
মহাবেগ কৰি যায় মৰিবে লাগিয়া ॥
অনন্তৰে বীৰ সব দেখি পাণ্ডৱক ।
ধৰ মাৰ কৰি সবে দিল অস্ত্ৰ ঝাক ॥

সহদেৱ নকুলে ধাইলেক একেবাৰে ।
হানিলেক শৰ সব অতি চমৎকাৰে ॥
কাটিলেক শৰ সব মহা বেগে অতি ।
নিশাচৰ বলে যেবে কৰে মহামতি ॥

প্ৰচণ্ড প্ৰতাপ দুয়ো মাদ্ৰীৰ কুমাৰ ।
ৰাক্ষসৰ সৈন্যগণ মাৰিলা অপাৰ ॥
শত সহস্ৰেক মাৰে নাহি পৰিমিত ।
নানা আৰ্ত্তবাদ বুলি পড়ে ধৰণীত ॥

বৰ বৰ বীৰ মাৰিলেক বহুতৰ ।
পাছ গুছি যায় সবে নপাৰে ওচৰ ॥
লক্ষে লক্ষে হাজাৰে হাজাৰে সংহৰিলা ।
প্ৰলয় কালত যেন ৰুদ্ৰে বিনাশিলা ॥

হেন দেখি বঘাসুৰ ভৈলেক বিমন ।
প্ৰজাৰ বিপত্তি দেখি নৰহে জীৱন ॥
মহা কোপে ধনু ধৰি মেড়ে দিলা ছুটি ।
কপোতক দেখি যেন শ্যেন গোট উঠি ॥

নকুল সহদেৱকো ভেদিল ঘোৰ শৰে ।
ঘোৰা সাৰথিকো থাসিলেক নিৰন্তৰে ॥
ঝমক দেখিয়া দুয়ো ৰথতে পড়িল ।
দেখি ধনঞ্জয় বীৰে খেদি ৰণ দিল ॥

বাচি বাচি শৰ সব প্ৰহাৰ কৰিল।
বঘাসুৰ ৰাক্ষসক নিসন্ধি ভেদিল॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
অৰ্জ্জুনৰ শৰে তাৰ চালকো ভেদয়॥

তাৰ বানে হুলহুলি ভেদে পাণ্ডৱক।
শৰ ঘাৱে কুন্তীসুতে দেখয় ঝমক॥
মনত বোলন্ত কিনো অতি আচৰিত।
মোৰ বানে ৰাক্ষস জীৱয় বিপৰীত॥

এহি বুলি চাৰি পাত খুৰপতি শৰ।
মহাবেগে হানিলেক কৰি খৰতৰ॥
এক শৰে ধনুখান হাততে কাটিল।
ঘোৰ ৰাৱ তেজি সিতো ভূমিত পৰিল॥

ডেৰ দিয়া বঘাসুৰ অন্তৰি ৰহিল।
আথবেথ কৰি সিতো পৰিঘ ধৰিল॥
মাৰো মানুষিয়া আজি বুজ মোৰ বল।
এহি বুলি হানিলেক পৰিখ নিষ্খল॥

দেখি ধনঞ্জয়ে নিকৃতিৰ শৰ হানি।
কাটিলা পৰিঘ অস্ত্ৰ দূৰতে প্ৰমাণি॥
দেখিয়া ৰাক্ষসে চণ্ডনাদ কৰি আতি।
ধৰিল ত্ৰিশূল অস্ত্ৰ অৰ্জ্জুনক প্ৰতি॥

যদি এহি ত্ৰিশূলে ৰহয় তোৰ প্ৰাণ।
তেবে মোৰ মৰণ হৈবেক বিদ্যমান॥
ত্ৰিশূলক ক্ষেপি ছুটে আক্ৰান্ত কৰয়।
অন্ত কালে ৰুদ্ৰে যেন প্ৰজা সংহৰয়॥

মহাবহ্নি জ্বলে তাৰ মুখ তিনি খান।
মূৰ্ত্তিমন্ত শূল তাক দিয়াছে ঈশান॥
সেহি বেলা শূল পাত হাতে তুলি গৈলা।
ত্ৰিদশ দেৱতা সবে মহা ভয় ভৈলা॥

খসি খসি গৈল সবে গ্ৰহ ৰক্ষ চয়।
দলদোপ কৰি মহী মণ্ডল কম্পয় ॥
অৰ্জ্জুনৰ বধ হেতু কহে দেৱ গণ।
তাপ হীন ভৈল সূৰ্য্য নবহে পৱন ॥

মাৰোঁ মাৰোঁ কৰি সিতো ডোঙ্গা এক দিলা।
ওপৰক তুলি শূল পাত প্ৰহাৰিলা ॥
মবয় অৰ্জ্জুন সুৰাসুৰে দেখিলেক।
বিশ্ৰুতি ভৈলেক বীৰ দেখিয়া প্ৰত্যেক ॥

দূৰ হন্তে বৃকোদৰে চাহিয়া আছয়।
সমীপ চাপিবে কিছু শক্তি নাহিকয় ॥
হাঁ হাঁ প্ৰাণ ভ্ৰাতৃ আজি সমূলে মৰিবে।
হৰি নাৰাখিলে আৰু কমনে ৰাখিবে ॥

সেহি বেলা ধনঞ্জয় নামিলা ৰথৰ।
আগ কৰি ৰথ ধনু ধৰি দৃঢ়তৰ ॥
প্ৰচণ্ড প্ৰতাপী ধনঞ্জয় বীৰবৰ।
কৃষ্ণ কৃষ্ণ কৰি স্থিৰ কৰি কলেবৰ ॥

অগনিৰ তাপ পায়া দূৰতে হামফুলি।
দিলা মহা কোৰ এক ত্ৰাহি হৰি বুলি ॥
আৰু এক কোৰ দিবে লাগিয়া তুলিল।
গুণ গাছ পুৰি ধনু খান বিহৰিল ॥

ঠেলা খায়া বহ্নিৰ সংযোগ আতি পায়।
সহস্ৰেক হাত মানে উফৰিয়া যায় ॥
দেৱ বীৰ্য্য নিমিত্তে সে প্ৰাণ খানি ৰৈল ॥
অৰ্দ্ধ দগ্ধ হুয়া প্ৰাণ অস্থিগত ভৈল ॥

শূল পৰি ৰথখান ঘোৰাৰ সহিত।
সাৰথিয়ে সমে পুৰি ভৈল চূৰ্ণীকৃত ॥
গোট লাগি ধনুখান পড়িয়া থাকিল।
বজ্ৰময় ধনু সিতো তাপতে সিজিল ॥

পৰিল অৰ্জ্জুন দেখিলেক সুৰাসুৰ ॥
হেন দেখি মনত গুণয় নিশাচৰ ॥
আৰ দেহগোট আনি দিওঁ ৰাক্ষসক।
খায়া জীৰ্ন্ন কৰিলেবা জীৱেবা কিসক ॥

এহি গুণি লৰড় দিলেক বেগ কৰি।
দুয়ো হাতে অৰ্জ্জুনক কোলে তুলি ধৰি ॥
পালটি আসয় বীৰ বিদ্যুৎ সঞ্চাৰে।
সমূলি বুৰিল দেখি বোলে বৃকোদৰে ॥

অৰ্জ্জুন ভৈয়াই মোৰ আজি অস্ত যায়।
এহি বুলি গদা গোট ধৰি গৈলা ধায় ॥
যেন মত্ত মাতঙ্গ কোপত বেগ দিল।
প্ৰত্যেক ভৰিত সবে ধৰণী কম্পিল ॥

গাৱৰ বেগত যেন বতাস শোষায়।
বঘাসুৰ ৰাক্ষসক খেদি লাগে পায় ॥
দুৰাচাৰ নিশাচৰে পাচক চাহিল।
ভীমক দেখিয়া তাৰ চমক লাগিল ॥

কতো দূৰে দলি হানিলেক অৰ্জ্জুনক।
সমুখে ৰহিল সিতো যুজিবে ভীমক ॥
সুস্থ হুয়া নকুল সহদেৱ দুই বীৰ।
অৰ্জ্জুনৰ দুঃখ দেখি জ্বলয়ে শৰীৰ ॥

বেগ ধৰি ৰথ ডাকি সমীপ চাপিল।
চাৰি জনে ধৰি তাঙ্ক ৰথত তুলিল ॥
টিমিকি টিমিকি মাত্ৰ লড়ে ধাতু খানি।
অন্তৰাই নিলা পাছে কত দূৰ জানি ॥

মাথাত ঢালিল সুশীতল জলচয়।
কিছু সুস্থ ভৈল শতক্ৰতুৰ তনয় ॥
অৰ্জ্জুনৰ কথা আবে এথাতে থাকোক।
ভীম বঘাসুৰৰ সমৰ শুনিয়োক ॥

অৰ্জ্জুনক তেজি আসাৰিকাৰ তনয় ।
ধৰিলা মূষল আতি পৰম দুৰ্জ্জয় ॥
ভীমক হানিলা বেগে চণ্ড নাদ কৰি ।
বিস্বাদ শবদে যায় বায়ু পথ ধৰি ।

আগবাঢ়ি বৃকোদৰে গদাক উচ্চায় ।
পৰিবাৰ বেলাত দিলেক কোব বায় ॥
অগনি উথলি সিতো মূষল ভাগিল ।
দুইখণ্ড হুয়া সিতো ভূমিত পৰিল ॥

পুনৰপি পৰিঘ ধৰিয়া খেদি যায় ।
ভীমে ভীমগদা গোট উৰ্দ্ধক উচ্চায় ॥
হু' বুলি কোবেক দিলেক বৰ টানে ।
উফৰি পৰিল দৈত্য দাৰুণ সন্ধানে ॥

শীঘ্ৰ বেগে উঠি দৈত্য পৰিঘক তুলি ।
ভীমক দিলেক কোব ৰহ মাৰো বুলি ॥
দুহানো বেগত দলদপ মহীখণ্ড ।
মনুষ্য মধ্যত ভীম অজেয় প্ৰচণ্ড ॥

ত্ৰৈলোক্য বিজয়ী বঘাসুৰ দুৰাচাৰ ।
দুইৰো মহা সমৰ লাগিল ভয়ঙ্কৰ ॥
ৰাক্ষসৰ সেনাগণ এক ভিতি যায় ।
ৰণ চাহি ৰৈল সবে মনে সুখ নায় ॥

চন্দ্ৰ সূৰ্য্য বায়ু বহ্নি কুবেৰ করুণ ।
সিদ্ধ বিদ্যাধৰ মৰু অষ্টবসু গণ ॥
গন্ধৰ্ব্ব চাৰণ সবে ইন্দ্ৰক আবৰি ।
বৈতালিক গণ আসি পাছে ৰঙ্গ কৰি ॥

আজি হুনু ভীমে বঘাসুৰক মাৰিব ।
সকল লোকৰ মহা দুৰ্গতি খণ্ডিব ॥
এহি মতে আকাশ চানিয়া দেৱচয় ।
তৃতীয় প্ৰহৰ বেলা তথাত আছয় ॥

তিনি ভ্ৰাতৃ ৰথে চড়ি গাৱ সঞ্চালিয়া।
ভীমৰ পাছত তেবে আছয় ৰহিয়া॥
মহাবেগে ধৰি দৈত্যে পৰিঘ উচ্ছায়।
ভীমক দিলেক কোব বাম পাকে যায়॥

গদা পাতি তাহাক এড়াইল বলৱন্ত॥
পাছে কুন্তীসুতে তাক কোবেক দিলন্ত॥
পৰিঘ তুলিয়া সিয়ো কোব এক দিলা।
ভীমৰ হাতৰ গদা খসিয়া পৰিলা॥

উফৰিয়া কতোদূৰ যায় বৃকোদৰ।
দেখে পৰি আছে শিলা খণ্ড ভয়ঙ্কৰ॥
দীৰ্ঘে প্ৰস্থে হোৱে শিলা সহস্ৰ হাতৰ।
তুলি ধৰি দানৱক কৰিলা প্ৰহাৰ॥

ভীমৰ কৰ্ম্মক দেখি যত লোক চয়।
দাৰুণ পুৰুষ আন সম নাহিকয়॥
আকাশ সঞ্চাৰি ধাৱে কাল মেঘ যেন।
মনে বঘাসুৰে কাৰ্য্য চিন্তিলেক হেন॥

বোলে আক কোবাই ভাঙ্গিবে নপাৰিব।
গিৰিসিত কৰি আসি গাৱত পড়িব॥
এহি বুলি শীঘ্ৰ বেগে দিলেক লৱড়।
বাম পাকে আসি পাইল ভীমৰ ওচৰ॥

গিৰিসিত কৰি শিলা ভূমিত পাৰিল।
দল দোপ কৰি মহীমণ্ডল কম্পিল॥
এড়াইলেক বঘাসুৰ আসাৰিকা সুত।
ধাইলেক ভীমক কোপ কৰি অদভুত॥

পৰিঘ তুলিয়া বেগে কোব এক দিল।
ভীমে গদা ধৰি তুলি কোবায়া ভাঙ্গিল॥
দেখি বঘাসুৰে খঙ্গে নানাস্ত্ৰ হানিলা।
শেল পট্টীশ পশু মাৰিবে লাগিলা॥

ইপাকে সিপাকে ভীমে লৰড়ি অন্তৰি।
এড়াইলা তাহাৰ হাতে মহা যত্ন কৰি॥
পাছে বঘাসুৰ হুয়া পৰম বিস্ময়।
ধুকাইলেক অস্ত্র শস্ত্র কিছু নাহিকয়॥

শুনা সভাসদ পদ বঘাসুৰ বধ।
শুনন্তে অমৃত ময় মিলয় সম্পদ॥
কহে ৰাম সৰস্বতী এহি মূল কাম।
পাতক চাড়োক ডাকি বোলা ৰাম ৰাম॥

---

## সিন্ধু-যাত্রা।

### চবি।

নমো নাৰায়ণ আদি পূর্ণ সনাতন
ভকত অভয় দাতা দেৱ।
ভক্তি ধন দিয়ো মোক দাস কৰি কিনিয়োক
তোমাৰ চৰণে কৰো সেৱ॥
যাৰ পদ প্রসাদত, সিদ্ধি হোৱে অভিমত,
ভকতি মুকুতি সুখ পাই।
হেন পদ পঙ্কজৰ মকৰন্দ মধু পিয়া,
মোৰ মন ৰহোক সদাই॥
জয় ধর্ম্ম নাৰায়ণ, পৰম বৈষ্ণৱ জন,
যাৰ ৰাজ্যে বঞ্চোঁহোঁ আনন্দে।
বিপ্রত বৎসল ধীৰ, যিটো স্বর্গ নৃপতিৰ
বাক্যামৃতে থাকো অপ্রমাদে॥
তাহান ৰাজ্যত থাকি, ৰচিলোঁ পয়াৰ আমি,
বন পর্ব্ব সিন্ধু যাত্রা নাম।
মহন্তৰ আশীর্ব্বাদে, চিৰঞ্জীৱ হুয়ো,
তেবে সিদ্ধি হোৱে মোৰ কাম॥

আমাসাৰ আশীৰ্ব্বাদে চিৰঞ্জীৱ হয়ো ৰাজা
ভুঞ্জিয়োক এহি মহী খণ্ড।
বৈষ্ণব বিপ্ৰক পালি, বৰ দেন্তো বনমালী,
দুষ্ট সব হৌক ৰণ্ড ভণ্ড॥
তোমাৰ আদেশ পালি বিৰচিলোঁ ইটো পদ
সংহিতা মিশ্ৰিতে ভাষ্য চাই।
পৰম ৰহস্য কথা, আৰু আত দিলো আনি,
হংস কাকী আৰু ঠাই ঠাই॥
হেন জানি বুদ্ধ লোক, ভাষ্য চাই দেখিয়োক,
পাছে মোক ধৰিবা দোষণ।
যিমান শকতি মোৰ, ততমান দিলো আত
লম্ভী কিছু নুবুলি বচন॥
সভাসদ লোক যত, মিনতি কৰিয়া বোলো,
আগ পাছ দোষ ক্ষমা কৰি।
কৃষ্ণৰ চৰণে মন, ধৰি সমাজিক লোক,
উচ্ছ কৰি বোলা হৰি হৰি॥

## ছুলৰি।

ঋষি নিগদতি, নৃপতি সম্প্ৰতি
পাছ কথা অনন্তৰ।
দুই ঘটি মান, বেলা আছে মাত্ৰ,
যুদ্ধ গৈয়া সিদিনাৰ॥
যত ৰাজা চয়, পলাই হুয়া ভয়,
হত শেষ যিবা ৰৈলা।
কতো ৰাজাগণে, মহা ভয় মনে,
নৃপতিৰ আগে কৈলা॥
কৰযোৰ কৰি, কহিবে লাগিলা,
শিৰে পৃথিবীক ছুই।
শুনা মহাৰাজা, সমূলে বুৰিল,
সবে কাৰ্য্য নষ্ট হুই॥

তযু সন্য যত, সমৰে পৰিল,
আৰু ৰাজা নিৰন্তৰ ।
তোমাৰ সোদৰ, যুবৰাজ বীৰ,
মৰি গৈল যম ঘৰ ॥
পৰম দাৰুণ, পাণ্ডৱ তনয়,
ভীম নামে অনিৰ্ব্বাৰ ।
তোমাৰ ভ্ৰাতৃক, গদায়ে কোবাই,
মাৰিলেক দুৰাচাৰ ॥
কেহো ৰাজা তাৰ, ওচৰ চাপিবে,
শকতি কিছু নভৈল ।
সাৰথি সহিতে, চূৰ্ণকৃত ভৈল,
আৰু কিছু নৰহিল ॥
আৰু যত সৈন্য, তাকো খেদি খেদি,
মাৰে ভীম কাল বাঘে ।
আৰু ক্ষণিতেকে, খেদি পাইবে আসি,
বিলম্ব কিছু নালাগে ॥
শুনা সভাসদ, সিন্ধু যাত্ৰা পদ,
আত কিছু লস্তা নাই ।
হেন অনুমানি, চিন্তি চক্ৰপাণী,
স্মৰিয়ো আৰু সদায় ॥
ৰাম সৰস্বতী, কৰয় কাকুতি,
পৰিহৰা আন কাম ।
সকলো সমাজে, নিৰন্তৰে নৰে,
ডাকি বোলা ৰাম ৰাম ॥

ছবি ।

ভ্ৰাতৃৰ মৰণ শুনি, মহা শোকে সিন্ধু ৰাজা,
আসনত ঢলিয়া পৰিল ।
ঝমক দেখিয়া আতি, শোকানলে দহে প্ৰাণ,
হা হা ভ্ৰাতৃ বুলি উকি দিল ॥

হা হা বাপ সিন্ধুবিন্দ, তোহোৰ সদৃশ ভাই
পাইবোঁ মই কোন থানে যাই।
মনুষ্য লোকৰ মাজে, তোৰ সম নাহি কেৱ,
দেৱতাৰো ভয়ে দিন যাই ॥
তৰুণ কালতে তুমি, ৰাজাগণ বৰাইলাহা,
ধনে যুদ্ধে বলে পৰাক্রমে।
পাঞ্চ লক্ষ ৰাজা মানে, মোক নিতে সেৱা কৰে,
নাহি মহিতলে তোৰ সমে ॥
হৰি হৰি যুবৰাজ, তোহোৰ সুমৰি কায,
মোৰ হৃদি কৰে হমহম।
সুৰাসুৰ মুণিগণে, প্রশংসা কৰিলে আতি,
কৈক গৈল হেনয় বিক্রম ॥
সুকুমল হংস তুলি, গাৱক ঘেলাৱে যিতো,
তাক লাৰে শৃগাল শগুণ।
তোহোৰ সমান ভাই, কোন থানে পাইবোঁ যাই,
মোক দেখাই দিবে কোন জনে ॥
এহিমতে নৰনাথ, বিলাপ কৰন্ত শোকে,
লগতে কান্দন্ত পাত্ৰগণে।
মহাদুঃখে অপমানে, চক্ষুৰ লোতক মুছি,
সন্ধুক্ষণ ভৈলা কতক্ষণে ॥
আখি মুখ মুছি ৰাজা, ভৃঙ্গাৰৰ জলে ধুই,
সুস্থ হুয়া বসি আসনত।
কৈৰাহে মোহোৰ আৰ, সেনাপতিগণ মানে,
পাণ্ডৱক মাৰাহা ৰণত॥
এহি বুলি নৃপবৰে, মহাদুঃখ অপমানে,
ভাতৃৰ শোকক পৰিহৰি।
মনে আলচিয়া পাছে, সেনাগণ চলাইলেক,
পাণ্ডৱক মাৰ বেঢ়ি ধৰি ॥

এহি বুলি মহা কোপে, সিন্ধু ৰাজা আদেশয়,
গজ বাজি ৰথ সবে প্ৰজা ।
যত বীৰগণ মানে, সব সাজি চলন্তক,
আৰু যত আছে মহাৰজা ॥
শুনিয়োক সভাসদ, বনপৰ্ব্ব বিদগদ,
সিন্ধুযাত্ৰা নামে অনুপাম ।
বোলে ৰাম সৰস্বতী, সমস্তকে কৰি নতি;
নিৰন্তৰ বোলা ৰাম ৰাম ॥

পদ ।

বৈশম্পায়ন বদতি শুনিয়ো জন্মিজয় ।
মহাকোপে সিন্ধুৰাজা গৰ্জিয়া মাতয় ॥
আমাৰ ভ্ৰাতৃক মাৰি বড় যশ পাইল ।
চন্দ্ৰ দিবাকৰ মানে কীৰিতি অনাইল ॥
শুনা সেনাপতি পাত্ৰ নৃপতি যতেক ।
আপুনি ৰণক আজি চলিবো প্ৰত্যক ॥
সাজ ৰথ বড় বিলম্বত কাৰ্য্য নাই ।
থমকি থাকিলে শত্ৰুগণে পাৰে লাই ॥
ৰাজাৰ আদেশ হেন শুনিয়া প্ৰচণ্ড ।
তেতিক্ষণে সাৰথি সাজিলা ৰথখণ্ড ॥
সহস্ৰ দন্তালে তাৰ ৰথখান বহে ।
আৰু অসংখ্যাত ৰথ আগে পাছে ৰহে ॥
একৈক যোজন মানে লাহাৰি হস্তীৰ ।
কাম্পয় ধৰণীখান নাথাকয় থিৰ ॥
আৰু ৰথে ঘোড়ে যুথে যুথে ৰাজাচয় ।
প্ৰজাৰ ঘঞ্চালে কৰ্ণে তালক মাৰয় ॥
ধূলা ময় ভৈলা সিতো মহামহী খণ্ড ।
আঠু পাৰি ৰহিলেক দিগজ প্ৰচণ্ড ॥
হেন আড়ম্বৰে ৰাজা ৰণক চলিল ।
পাঞ্চ প্ৰহৰৰ পথ জুৰিয়া ৰহিল ॥

হস্তী যুথ আগ কৰি চলে ৰণখান।
দুতয় আদিত্য যেন দেখি বিদ্যমান॥
ৰথখান তাহাৰ দেখিতে মনোময়।
থানে থানে সুবর্ণৰ মাণিক জ্বলয়॥
মাজে মাজে লগায় আছে মাণিকৰ কাম।
মুকুতা ৰতন হিৰা দিলা ঠামে ঠাম॥
ৰতনে খচিত তাৰ হস্তীৰ দান্তত।
আড়িল মুৰাৰী থোপা মণি মৰকত॥
সিন্দুৰে মণ্ডিত নিৰন্তৰে হস্তীচয়।
মেঘৰ গর্জ্জন যেন কিঙ্কিণী বাজয়॥
সিন্ধু নৃপতিৰ ৰথ ত্রিভুবনে সাৰ।
দেৱদত্ত ৰথ তাৰ দেখি চমৎকাৰ॥
ৰশ্মিৰ বিভুতি তাৰ আদিত্তৰ সম।
পৃথিবীত তাৰ সম নাহিকে বিক্রম॥
দিব্য অলঙ্কাৰে মণ্ডি ৰথত চড়িল।
অসংখ্যাত হস্তীগণ লগতে লড়িল॥
ছাছাৰি মাহুত একো গজৰ কন্ধত।
ৰত্ন অলঙ্কাৰে জ্বলে কিৰীটি মাথাত॥
কাহাৰো হাতত ধনু কাৰো খড়গ চর্ম্ম।
আছোক যুজিবে তাক দেখিতে বিষম॥
মেঘ সম কাল হস্তী সব নিৰন্তৰ।
এক এক হস্তী যেন পর্ব্বত শিখৰ॥
গজঘণ্টা শবদে কর্ণত হানে তাল।
হেন চমৎকাৰে চলি গৈল মহিপাল॥
পাণ্ডৱক দেখিলেক ৰণ ভূমি মাজে।
পদ্মবন খণ্ডে যেন চাৰি গজৰাজে॥
দড় দড় কৰি ৰাজা সন্নিত চাপিল।
মেঘৰ গর্জ্জনে পাছে বচন বুলিল॥
শুন আৰে পাণ্ডুপুত্র বনবাসী জন।
কি কাৰণে মাৰিলি আমাৰ সৈন্যগণ॥

কাত গহে আমাক নাহিকে কিছু ডৰ ।
কি কাৰণে মাৰিলাহা আমাৰ সোদৰ ॥
আজি যম ঘৰে চলি যাইবা চাৰি ভাই ।
ইতিনি ভুবনে ৰাখন্তাও কেঁৱো নাই ॥
হেন শুনি ভীমসেনে দিলেক উত্তৰ ।
শুন সিন্ধুৰাজা তই মহাবীৰ বৰ ॥
ত্ৰিভুবনে মানে যুধিষ্ঠিৰ মহাৰাজা ।
তাহাঙ্ক নামানে তোমাসাৰ দুষ্ট প্ৰজা ॥
এতেকেসে তাহাঙ্ক মাৰিলো এহি ঠাই ।
ইহাত আমাৰ কিঞ্চিতেকো দোষ নাই ॥
দুৰ্জ্জনৰ লগে আসিলেক তযু ভাই ।
সি কাৰণে মই তাক মাৰিলো কোবাই ॥
তুমি আসি আছা আমাসাক ক্ৰোধ কৰি
পালটি চলিয়ো তিনি ভাতৃ ৰক্ষা কৰি ॥
প্ৰজাগণে ৰক্ষা নাই দুৰ্দশে নপায় ।
আপোনাৰো লটি ঘটি নিমিলে অপায় ॥
হেন জানি উলটি যায়োক নৰেশ্বৰ ।
বনবাসী সমে যুদ্ধ নহে ভদ্ৰতৰ ॥
জিনিলেও যশ নাই প্ৰজা ৰক্ষা পাই ।
নতু গদাঘাতে আজি যাবা যম ঠাই ॥
বৈশম্পায়ন বদতি শুনিও জন্মিজয় ।
এহি বুলি ক্ৰোদ্ধিলন্ত সিন্ধু মহাশয় ॥
মহা ভয়ানক ধনু ধৰি মহাবীৰ ।
কৰিলা টঙ্কাৰ সিতো সুগিৰ শৰীৰ ॥
চাৰি পাত নাৰাচ গুণত দিলা আনি ।
হানিলা ভীমক খঙ্গে গুণ গাছ টানি ॥
পাণ্ডুৰ তনয় বীৰ ৰণত সুজান ।
দিব্য শৰে কাটিলা তাহাৰ বানখান ॥
আৰ অসংখ্যাত শৰ প্ৰহাৰ কৰিল ।
মহাবীৰ ভীমসেনে তাহাকো কাটিল ॥

যেহি যেহি শৰ সিন্ধু নৃপতি প্ৰহৰয়।
সেহি সেহি শৰ ভীমে ছেদিয়া পেলায়॥
এহি মতে দণ্ড চাৰি মান যুদ্ধ ভৈল।
দেখি সিন্ধু নৃপতিৰ বিস্ময় মিলিল॥
মহাকোপে ক্ষুবপতি বাণ প্ৰহাৰিল।
এক বাণে ভীমৰ ধনুখান কাটিল॥
আৰ দুই পাত শৰ পৰম সন্ধানে।
ভীমৰ হিয়াত ভেদিলেক বড় টানে॥
পুঙ্খমানে তল গৈল ছোট পাইল বড়।
ঢলো পলো কৰে বীৰ নাপাৱন্ত থৰ॥
কাম্পয়ো কদলী যেন প্ৰচণ্ড বাতাসে।
নাক মুখে ৰুধিৰ চাঁদয় বৰ ত্ৰাসে॥
সিন্ধু নৃপতিক সামৰাজে বখানয়।
তাহাৰ প্ৰহাৰে ভীম যমক চলয়॥
হেন দেখি তিনি বীৰে দূৰে চাহি আছে।
আগ বাঢ়ি শৰ সব প্ৰহাৰিলা পাছে॥
নকুল সহদেৱ যুধিষ্ঠিৰ বীৰবৰ।
তিনি বীৰে অসংখ্যাত প্ৰহাৰিলা শৰ॥
সিন্ধু নৃপতিৰ সবে শৰীৰে ফুটিল।
বসন্ত কালত যেন পলাশ ফুলিল॥
হস্তী সকলক বৰ ছোট দিলা টানে।
পাক ফুৰে ৰথখান দাৰুণ সন্ধানে॥
লাল কাল হুয়া ৰথ সাৰথি পৰিল।
সহস্ৰেক গজমান ৰথ হুহঁকিল॥
সিন্ধু নৃপতিৰ গাৱ নুহিকয় থিৰ।
ব্যামোহে যমক দেখিলন্ত মহাবীৰ॥
আকাশ ঢাকিয়া দেৱ মহীমা বহয়।
ধন্য ধন্য তিনি বীৰ পাণ্ডৱ তনয়॥
সিন্ধু ৰাজা ধৰে যুঝে আৰা ভূমি পাৱে।
বিষম সমৰ হেন নাহি একো থাৱে॥

এহি কথা বুলিলন্ত দেৱ নিৰন্তৰ।
তিনি বীৰে চাপিলন্ত ভীমৰ ওচৰ ॥
কেঙ্কায়া পৰিছে ভীম উৰ্দ্ধমুখ হুই।
সাৱটি ধৰিলে পাছে ছোট ভাতৃ দুই ॥
শৰ কাঢ়িলন্ত সহদেৱ মহাবলী।
তেজ ধাৰা তাহাৰ বহয় হলাহলি ॥
কতক্ষণে শান্তি পায়া কুন্তীৰ কুমাৰ।
ধৈৰ্য্য ধৰি ৰহিলন্ত দেখি অন্ধকাৰ ॥
দুই দণ্ড মানে স্বস্থ ভৈল কলেবৰ।
ৰজাক প্ৰণামি বুলিলন্ত বৃকোদৰ ॥
আৰ ক্ষণিকতে দদা মোৰ প্ৰাণ যাই।
কিবা কোনো কাক নিচিনো উপায় ॥
দুৰ্জ্জয় সিন্ধুৰা ইটো বীৰ মধ্যে সাৰ।
তাহান সমান বীৰ নাহি বলীয়াৰ ॥
ভাল মতে ইহাক যুঝিবে লাগে ৰণে।
চাৰি ভাই মাৰি যাইবো যমৰ কাৰণে ॥
এহি বুলি কতো বীৰ থিৰ কৰি মন।
চাৰি বীৰে পুনৰপি কৰিল গমন ॥
কতোবেলি সিন্ধুৰাজা মন থিৰ কৰি।
স্বস্থ হুয়া পুনৰৰি ধনু শৰ ধৰি ॥
চাৰি দণ্ড মানে ৰাজা মন কৰি থিৰ।
মহাকোপে ধনুখান ধৰিলা সুথিৰ ॥
চাবুক ধৰিয়া ৰথ সাৰথি ডাকয়।
মাহুতে খুম্পিলে হস্তিগণে খেদি যায় ॥
বাৰিষাৰ মেঘে যেন গৰ্জ্জে ঘনে আতি।
মহাকোপে খেদি যায় অনেক পদাতি ॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মিজয়।
এহিমতে সিন্ধুৰাজা গৰ্জ্জিয়া খেদয় ॥
দেখি চাৰি বীৰে পাছে গৈলা আগুৱাই।
যুথপক লাগি যেন মত্ত সিংহে ধায় ॥

আগ বাঢ়ি ভীমে পাছে গদাক উছায়।
সিন্ধু নৃপতিক মহা খঙ্গে খেদি যায়॥
দেখ নেদেখ বেগে সন্নিত চাপিয়া।
কোবাইবে লাগিলা ঘোৰ গদাক উছায়া॥
সিন্ধুৰাজা মহাকোপে শৰ বৰষিল।
নাকে মুখে ভীমক যে সন্ধানে ফুটিল॥
নকুল সহদেৱে ঘোৰ শৰ প্ৰহাৰিল।
সিন্ধু নৃপতিক দুয়ো সন্ধানে শালিল॥
সিন্ধু নৃপতিয়ো অসংখ্যাত শৰ হানি।
চাৰিও বীৰক পাছে প্ৰহাৰিলা টানি॥
কাটন ফুটন শৰ মহা তীক্ষ্ণতৰ।
ছুইলে প্ৰাণ হৰে অল্পস্বত্ব মনুষ্যৰ॥
হেন শৰ চয় বীৰে হানে নিৰন্তৰ।
মেঘে যেন বৃষ্টি কৰে শ্ৰাৱণ মাসৰ॥
পাছে তিনি বীৰে শৰ প্ৰহাৰ কৰিল।
সাৰথি ৰথক দুইকো নিসন্ধি ফুটিল॥
প্ৰচণ্ড শৰৰ ঘোৰ সন্ধান ডাঙ্গৰ।
পাখাময় ভৈল নৃপতিৰ কলেৱৰ॥
ঢলো পৰো কৰে যেন চেতন নকৰে।
দেখি আনো বীৰ সবে ধাইলেক সত্বৰে॥
মহা ঘোৰ সমৰ মিলিল ভয়ানক।
চাৰিয়ো বীৰক ৰজাৰ শৰে ঠাসিলেক॥
ছোট পায়া চাৰি বীৰে মহা কোপ মনে।
আকাশক ঢাকিলেক ঘোৰ শৰগণে॥
ৰবিৰ কিৰণ ঢাকি অন্ধকাৰ কৈল।
সিন্ধুৰাৰ দল কাকো কেৱে নেদেখিল॥
তমোময় হুয়া আছে চাৰি দণ্ডমান।
বীৰগণে ছেদিলন্ত পাণ্ডৱৰ বাণ॥
দশোদিশে প্ৰসন্ন ভৈলেক নিৰন্তৰে।
পাণ্ডৱগণক বিদাৰন্ত মোৰ শৰে॥

মৰ্ম্মস্থানে যুধিষ্ঠিৰ ৰাজাক ফুটিল।
ধনুশৰ এৰি ৰাজা মাটিত পৰিল॥
নৃপতিৰ শোকে মহা ক্রোদ্ধে তিনি বীৰ।
সিন্ধুৰা দলক শৰ হানে নিৰন্তৰ॥
তিনি বীৰে প্রজাগণ মাৰিলেক যত।
রুদ্রে যেন সংহাৰন্ত প্রলয় কালত॥
বৈশম্পায়ন বদতি শুনিও নৰেশ্বৰ।
চেতন লভিয়া যুধিষ্ঠিৰ নৃপবৰ॥
কতোক্ষণে তিনি বীৰ সন্নিত চাপিল।
তাসম্বাক দেখি ৰাজা বুলিবে লাগিল॥
শুনা বাপা ভীমসেন বচন নিশ্চয়।
আক ক্ষণিতেকে জানা প্রাণৰ সংশয়॥
আমাসাৰ বন্ধু নাই কৃষ্ণ বিনে আন।
হেন দুখ সাগৰে কৰিবে কোনে ত্রাণ॥
এহিমতে চাৰি বীৰে আছা কতো দূৰে।
সেহি বেলা কটো দূৰে বড় বড় বীৰে॥
চতুৰ্দ্দিশে ঢাকি সবে বীৰ নিৰন্তৰে।
বাৰিষাৰ মেঘে যেন ঘোৰ নাদ কৰে॥
বৈশম্পায়ণ বদতি শুনিয়ো জন্মিজয়।
চেতন লভিয়া সিন্ধু ৰাজা মহাশয়॥
সাৰথিক বোলন্ত সত্বৰে ৰথ ডাক।
মহাহৃষ্ট পাণ্ডুগণ তাহাৰ পাশক॥
সবাহাকে পাছ কৰি সিন্ধু নৃপবৰ।
পাণ্ডৱক সমুখে ধৰিলা ধনু শৰ॥
অৰ্দ্ধচন্দ্র কণিয়াল গুণত যুৰিল।
চাৰি পাণ্ডৱক শৰে নিসন্ধি বিন্ধিল।
মহাকোপে নৱবাণ ধনুত যুৰিল॥
চাৰিয়ো বীৰক লাগি প্রহাৰ কৰিল॥
কাহাৰ বাহুত বিন্ধিলাহা ললাটত।
তমোময় দেখিলেক ঘোৰ সন্ধানত॥

পুনৰপি শৰ পাছে গুণত যুৰিল।
সিংহনাদ কৰি ভীমসেনক হানিল ॥
শৰে ফুটি ভীমসেন পৰিলা মহীত।
হেন দেখি তিনি বীৰে ধাইলেক তহিত ॥
অযুতে নিযুতে শৰ প্ৰহাৰ কৰিল।
নিসন্ধি কৰিয়া সিন্ধু ৰাজাক ফুটিল ॥
ঘোৰ সন্ধানত ৰাজা ব্যথিত শৰীৰ।
ৰথ হস্তি সকলক কৰিলেক চূৰ ॥
সেহিবেলা বৃকোদৰ চেতন লভিল।
বায়ুক প্ৰণামি ঘোৰ গদাক ধৰিল ॥
মহাকোপে খেদি যাই গদাক উছায়।
অসংখ্যাত হস্তীচয় মাৰিলা কোবাই ॥
গিৰিস গিৰিস কৰি পড়ে হস্তীগণ।
দেখি নৃপতিৰ খঙ্গে নসহয় মন ॥
বৈশম্পায়ন বদতি শুনিও জন্মিজয়।
পাণ্ডৱৰ মৃত্যু আসি মিলিলেক তয় ॥
সেহি বেলা সিন্ধুৰাজা মনত পৰিল।
শত্ৰু সৈন্য মাৰিবাক চন্দ্ৰে যাক দিল ॥
পাণ্ডৱৰ বধ হেতু চিন্তিয়া মনত।
সেহি শৰ পাট আছে মোহোৰে তোনত ॥
মহাভয়ানক শৰ মূৰ্ত্তিমন্ত আকৃতি।
সিন্ধু ৰাজা তাহাক পূজন্ত দিনে ৰাতি ॥
জন্ম কথা কহো শুনা শৰ যে পাটৰ।
বিশ্বামিত্ৰ নামে ঋষি গাধিৰ কুমৰ ॥
পৰম তেজস্বী আতি পৰম প্ৰতাপ।
তেহেঁা পূৰ্ব্বে নিৰ্ম্মিয়া কৰিলা শৰ চাপ ॥
ৰাক্ষস সকলে কৰে যজ্ঞ বিধ্বংশন।
নিৰ্ম্মিলন্ত শৰপাত পৰম শোভন ॥
আপোনাৰ তেজ যেন পৰম দুৰ্ব্বাৰ।
চাৰিখান মুখ সিন্ধু বৰ্ণ জিহ্বা তাৰ ॥

লহলহ জিহ্বা কৰে বাসুকি সমান ।
যটায়ু পক্ষীৰ পাখি চাহিলা সন্ধান ॥
নাৰায়ণ মন্ত্র সেহি পক্ষত লিখিল ।
সাত ধাতু দিয়া শৰ চৈতন্য কৰিল ॥
কতো কাল আছে সেহি ঋষিৰ থানত ।
ৰাম ৰূপে বিষ্ণু দশৰথৰ গৃহত ॥
বিশ্বামিত্র ঋষি তান গৃহত আসিল ।
যজ্ঞ ৰাখিবাক ৰাম লক্ষণক নিল ॥
সেহি শৰ ঋষিৰাজে ৰাঘৱক দিল ।
মহীমা কহিয়া তান মন্ত্রক শিখাইল ॥
শুনা ৰাম ইতো শৰ ত্রিভুবনে জয় ।
নৰ নাৰায়ণ বিনে সবাক মাৰয় ॥
ইতো দুইত মাত্র নুযুৱায় ইতো শৰ ।
নাৰায়ণ মন্ত্র দেখা পখাৰ উপৰ ॥
এহি শৰে শক্র ৰাক্ষসক সংহৰিবা ।
পাছে ইতো শৰ পাট লক্ষণক দিবা ॥
পাছে ৰামে ৰাক্ষসক মাৰি অনন্তৰ ।
লক্ষণক সেহি শৰ দিলা ৰঘুবৰ ॥
অসংখ্যাত ৰাক্ষসক লঙ্কাত মাৰিল ।
কতোকাল লক্ষণৰ তোনত আছিল ॥
শ্রীৰামৰ আজ্ঞায়ে লক্ষণ স্বৰ্গে গৈল ।
খাইবাক নাপাই শৰ মহাদুখে ৰৈল ॥
কতো দিনে বিশ্বামিত্র থানত চলিল ।
ঋষিক সম্বোধি পাছে বুলিবাক লৈল ॥
শুনিয়োক দেৱ মই দিওঁ পৰিচয় ।
তোমাৰ নিৰ্ম্মিত কালকূট শৰ ময় ॥
শ্রীৰাম লক্ষণ দুই ব্রহ্মচাৰী ভৈল ।
যত অস্ত্র শস্ত্রমানে সবাকো ত্যজিল ॥
কোন থানে যাওঁ আমি নাজানো উপায় ।
তোমাৰ থানত থাকো হেন ইচ্ছা যায় ॥

হেন শুনি বিশ্বামিত্রে দিলেক উত্তৰ।
শুন কালকূট শৰ পৰম বৰ্ব্বৰ॥
আগে দত্তভাৱে দিয়া পাছে তাক লয়।
কৃতঘ্ন পাতক বুলি তাহাকে কহয়॥
আগে ৰাম লক্ষণক কৰি আছোঁ দান।
আবে কেন মতে তই থাক মোৰ থান॥
যৈক মন তৈক যাহা গুচমোৰ ঠাই।
ঋষি বাক্যে শৰ পাত আসিলা তুনায়॥
মহামনদুখে শৰে থাকে নিৰাহাৰে।
তীৰ্থ স্নানিবাক মন কৰিলা সত্বৰে॥
সমস্ত তীৰ্থক সিতো স্নানিয়া ফুৰয়।
কতো কালে পাইল ভাগীৰথীৰ নিলয়॥
স্নান কৰি ৰহিয়াছে তাহাৰ তীৰত।
দেখি শশধৰে পাছে গুণিল মনত॥
কালকূটে নামে ইতো ৰাঘৱৰ শৰ।
আক সৃজি আছে বিশ্বামিত্ৰ মুনিবৰ॥
পৰম দুৰ্জ্জয় শৰ সৰ্ব্বলোকে জানে।
তাক আনি ৰক্ষা কৰি থও মোৰ থানে॥
এহি গুণি নিশানাথে তথাকে আসিল।
শুন কালকূট বুলি বুলিবে লাগিল॥
কৈকলাগি যাহা তয় কিবা তোৰ ভৈল।
শুনি কালকূট শৰে বুলিবেক লৈল॥
শুনা দেৱৰাজ মোৰ বড় অথন্তৰ।
লক্ষণে এড়িলে মোক ভৈলো একেশ্বৰ॥
খাইবাক নাপাই শৰে শৰীৰ শুকাই।
তীৰ্থ স্নান কৰি ফুৰো স্বৰ্গে কামনায়॥
বোলন্ত ৰজনীনাথ থাক মোৰ ঠাই।
যেহি লাগে সেহি দিবো বুজি অভিপ্ৰায়॥
হেন শুনি কালকূট ৰঙ্গমন ভৈল।
তাসম্বাক লাগি পাছে স্বৰ্গক চলিল॥

মহাৰঙ্গে চন্দ্ৰৰ থানত আছিলন্ত।
অযুত বছৰ মানে তথা ৰহিলন্ত ॥
নিজপুত্ৰ সিন্ধুৰাজা সেহি শৰ দিল।
যাক পায়া সিন্ধুৰাজে জগত জিনিল ॥
সেহি কালকূট শৰ গুণত যুৰিল।
পাণ্ডৱৰ বধহেতু মনত চিন্তিল ॥
শৰ পাট গুণত যুড়িল যেতিক্ষণে।
সুৰাসুৰ লোকৰ মিলিল ভয় মনে ॥
আকাশত দেৱৰ মিলিল মহাভয়।
জানো সমস্তকে অঙ্গৰাজে বিনাশয় ॥
শৰ পাট যুড়িলেক অতি ভয়ঙ্কৰ।
চাৰি খান মুখ তাৰ দেখি লাগে ডৰ ॥
লহলহ জিহ্বা বাসুকিৰ সম দেখি।
অগ্নিবৰ্ণ দেখি আটি কৰে চিকিমিকি ॥
শৰপাট যুৰিলেক দাৰুণ প্ৰখৰ।
জানু পাৰি হস্তীচয় পৰিল ৰথৰ ॥
জগতৰ লোকৰ লাগিল তোলপাৰ।
টলবল কৰে মহী থিৰ নোহে আৰ ॥
কম্পি কম্পি সমস্তে দিগজ থিৰ ভৈল।
পাতালৰ নাগ জোঁটা জোটা কৰি ভৈল ॥
খলক লাগিল সবে সপত সাগৰ।
উঝৰিয়া ফুৰে সবে মৎস্য যে মগৰ ॥
টলবল কৰি মেৰু মন্দৰ লৰয়।
পছলাক লাগি যেন কল ঝঙ্কাৰয় ॥
পৃথিবীৰ লোকত লাগিল তোলপাৰ।
মিলয় প্ৰলয় ভয় লভিল অপাৰ ॥
স্বৰ্গ মৰ্ত্ত্য পাতাল একত্ৰ হুয়া লৰে।
জুঁই গৈল সৰ্ব্বলোকে বোলে বজ্ৰ পৰে ॥
পলাই পশু পক্ষীগণ হুয়া পালে পাল।
ছিয়োঁ ছিয়োঁ ঢপ ঢপ কৰৈ কোলাহল ॥

খণ্ড খণ্ড ভৈল আকাশৰ মেঘগণ।
তাপহিন ভৈল মহা ৰবিৰ কিৰণ ॥
দেৱগণে হাহাকাৰ কৰে নিৰন্তৰ।
কিনো কালকূট শৰ মহা ভয়ঙ্কৰ ॥
বৈশম্পায়ন বদতি শুনিও জন্মিজয়।
মহাক্রোধে সিন্ধুৰাজে শৰ যুৰিছয় ॥
সুৱ নব নাগ দেৱতাৰ ভয় বৰ।
লোক সংহৰিবে যেন ৰুদ্র ৰূপে হৰ ॥
দেখি পাণ্ডৱৰ মহাভয় ভৈলা মনে।
যুধিষ্ঠিৰ কৃষ্ণক স্মৰন্ত ঘনে ঘনে ॥
আমাসাৰ মৃত্যু আসি ভৈল সন্নিহিত।
কম্পি কম্পি ধনুশৰ এৰিলা তহিত ॥
সেহি বেলা অঙ্গৰাজা কুন্তীৰ তনয়।
শৰ হানিবাক একো সন্ধি নাপাৱয় ॥
কাম্পয় ধৰণী খন স্থিৰ নলৱয়।
সাগৰত নাৱ যেন বতাসে কাম্পয় ॥
সিন্ধুৰাজা বোলে শুন অৰে পাণ্ডুগণ।
নুযুঝিয়া কেনে তোৰা কৰস বিমন ॥
কাত গহে মোৰ সবে সৈন্যক মাৰিলি।
সিংহৰ আগত আবে শৃগাল মিলিলি ॥
তোমৰা সবৰ আজি গৰ্ব্ব কৰো ঠাই।
ভ্রাতৃক মাৰিয়া মোৰ বৰ পাইলি লাই ॥
এহি বুলি মহা কোপে আতাসক দিলা।
ক্রৌঞ্চ ভেদিবাক যেন ত্রিশূল ধৰিলা ॥
আকর্ণ পুৰিয়া ধনুখান আঞ্জুৰিল।
নাৰায়ণ মন্ত্র পঢ়ি শৰ প্রহাৰিল ॥
পৃথিবীৰ লোকৰ কৰ্ণত দিলে তাল।
চমকিয়া গৈল সবে সপত পাতাল ॥
ধৰ্ম্ম ধৰ্ম্ম সুমৰন্ত সিদ্ধ মুনিচয়।
দেখি ভীমসেনে আতি ভৈলেক বিস্ময় ॥

আথেবেথে গদা ধৰি কোব একদিল ।
অগনি উথলি গদা উফৰি পৰিল ॥
এতেকেসে ভীমসেন আগে বধ ভৈল ।
এক এক কৰি শৰে চাৰিকো ছেদিল ॥
পৰিলেক চাৰি বীৰ ঘোৰ ব্ৰহ্ম শৰে ।
দেখিয়া ত্ৰিদশ দেৱে হাঁহাঁকাৰ কৰে ॥
অপাণ্ডৱা বসুন্ধৰী ভৈল আজি ধৰি ।
এহি বুলি দেৱ সবে কৰে হৰি হৰি ॥
চাৰি ভাই নাশি কালকূট শৰ যাই ।
সাগৰত খানি টলে থাকিল লুকাই ॥
বৈশম্পায়ন বদতি শুনিও নৰেশ্বৰ ।
দেখা কেন অপায় মহন্ত পাণ্ডৱৰ ॥
দৈবৰ গতিক কোনে কহিবাক পাৰে ।
ঈশ্বৰৰ ইচ্ছা নুবুজয় ব্ৰহ্মা হৰে ॥
যাৰ যিবা হুইবে তাক কোনে গুচাইবেক ।
ঈশ্বৰৰ ইচ্ছা কিয় বিফল হুইবেক ॥
পৰিল পাণ্ডৱগণ দাৰুণ সন্ধানে ।
সিন্ধু নৃপতিৰ হিয়া পোড়ে ঘনে ঘনে ॥
ভ্ৰাতৃ শোকে শৰীৰ পোড়য় ঘনে আতি ।
মনে বিমৰিজি ৰাজা গৈলেক নমাতি ॥
প্ৰথমতে অঙ্গৰাজা পাছে কৰ্ণ বীৰ ।
মহাৰাজা যুধিষ্ঠিৰ পৰম সুথিৰ ॥
ভীম ধনঞ্জয় দুই মহা বলীয়াৰ ।
কুন্তীৰ গৰ্ভত পাঞ্চো ভৈল চমৎকাৰ ॥
এতেকে তাহাৰ হৃদয়ত তাপ বৰ ।
ঈশ্বৰৰ ইচ্ছা বুজিবেক কোন নৰ ॥
বৈশম্পায়ন বোলে কথা শুনা নৰেশ্বৰ ।
ইকথা থাকোক পাছ কথা শুনা তাৰ ॥
ৰণ জিনি সিন্ধুৰাজা পালটিল আৰ ।
পথত যাহন্তে হিয়া পোড়ে বাৰম্বাৰ ॥

শুনিয়োক যেন কথা তৈতে আচৰিত।
মহা ভয়ানক যুদ্ধ দক্ষিণ দিশত॥
লক্ষেক নৃপতি সমে কালকুত বীৰ।
অৰ্জ্জুনে যুঝন্ত তাক সুথিৰ শৰীৰ॥
চাৰিয়ো বীৰক ঢাকি সিন্ধুৰা নৃপতি।
অযুত ভূপাল সমে ৰহিল তহিতি॥
পৰি আছে চাৰি বীৰ ধৰণী শুহাই।
যেন আকাশৰ চন্দ্ৰ ভূমিত লোটাই॥
আগে যতো অমৃত খুৱাইলে ধৰ্ম্মে গই।
এতেক অস্থিত জীৱ আছিলন্ত ৰৈই॥
বায়ুদেৱে দেখি পাছে গুণিলন্ত মনে।
অস্থিত ৰাখিছে জীৱ নাজানয় কোনে॥
এতেকেসে দশ দিন ৰহিয়া আছিল।
অশ্বিনীকুমাৰে আসি তাহাঙ্ক জীৱাইল॥
ঋষিত পুছন্ত জন্মিজয় নৰপতি।
৮ মিলিল সংশয় গুৰু ছেদিও সম্প্ৰতি॥
কোন কালে সিন্ধু ৰাজা কুন্তীৰ থলত।
কোন সময়ত জন্ম ভৈল কেনমত॥
কিবা হেতু চন্দ্ৰ তান্ত ভৈলন্ত পতিত।
কহিয়োক গুৰু মোক শান্ত হৌক চিত॥
হেন শুনি ঋষিৰাজে থিৰ কৰি চিত্ত।
মহাঋষি ব্যাসে মোত কহিছা বিদিত॥
সেহি গোপ্য কথা ৰাজা কহিবোঁ তোমাত।
আবে দ্ৰোপদীৰ শুনা বিলাপ যিমত॥
ৰণ জিনি সিন্ধুৰাজা তথা নৰহিল।
সকলে জানিল ৰণে পাণ্ডৱ পৰিল॥
দুগোটি মনুষ্য আতি, মহা বিতোপন।
সিদ্ধাঙ্কুৰ আশ্ৰমত ভৈল উতপন॥
বসিয়া আছয় সতী দ্ৰুপদ ঝিয়াৰী।
মহাদুখ মনে বহি আছা বড়নাৰী॥

স্বামী সকলক মাত্র চিন্তিয়া থাকয় ।
তথাতে দেখন্ত মহা বিমঙ্গল চয় ॥
দক্ষিণৰ বাহু উৰু হৃদয় কাম্পয় ।
নাজানো বিধাতা কোন বিঘিনি মিলয় ॥
স্পন্দয় হৃদয় মহা অকুশল স্বভাৱে ।
সোণ গুঁজ্রি সাংখিনী দেখয় ঠাৱে ঠাৱে ॥
হাকুলে ব্যাকুলে সতী বসিয়া আছয় ।
স্বামী সকলৰ মৃত্যু হেন মনে লয় ॥
যাচনা কৰিয়া ফুৰে আশ্রমে ঋষিৰ ।
মনুষ্য দেখিয়া সতী বোলে ধীৰে ধীৰ ॥
কোথেৰ মনুষ্য তোৰা সব দুই জন ।
ঋষিৰ আশ্রমে ফুৰা কিসৰ কাৰণ ॥
হেন শুনি মনুষ্য মাতন্ত সেহি ঠাই ।
আমাৰ বৃত্তান্ত আবে কিবা সোধা আই ॥

# অনন্ত কন্দলি।

[এইজন ব্ৰাহ্মণ কবিৰ জন্মঠাই কামৰূপৰ হাজো গাওঁ। এওঁৰ পিতৃৰ নাম ধ্বজ বা ৰত্নপাঠক। তেওঁৰ পিতৃ মাতৃয়ে থোৱা নাম হৰিচৰণ। চন্দ্ৰভাৰতী, ভাগৱত-ভট্টাচাৰ্য্য, অনন্ত কন্দলি আদি তেওঁৰ উপাধি আছিল। এওঁ শঙ্কৰ-দেৱৰ সমসাময়িক অৰ্থাৎ খৃষ্টিয় ১৬ শতিকাৰ আগছোৱাত বৰ্ত্তমান আছিল। তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্ম্ম সম্পূৰ্ণৰূপে গ্ৰহণ কৰি তেওঁক গুৰু মানি লৈছিল। তেওঁৰ সাহিত্য জীৱনৰ আৰম্ভ স্বৰূপে এটি মনোৰম কথা আছে। এদিন অনন্ত কন্দলিয়ে সপোনত শঙ্কৰদেৱৰ উচ্ছিষ্ট খাবলৈ আদেশ পায়; অনন্ত কন্দলি ব্ৰাহ্মণ আৰু শঙ্কৰদেৱ কায়স্থ, তথাপি অনন্ত কন্দলিৰ গুৰুভক্তি ইমান প্ৰৱল আছিল যে তেওঁ পুৱা স্নান তৰ্পনাদি কৰি শঙ্কৰদেৱৰ ওচৰ চাপি তেওঁৰ প্ৰসাদ মাগিলে। মহাপুৰুষ গুৰুৱে ততালিকে প্ৰসাদ দিবলৈ মান্তি হৈ কলে বোলে "ভাগৱতৰ যি কেইছোৱা মোৰ পদ কৰিবলৈ বাকী আছে সেই-বোৰৰ তুমি পদ ৰচনা কৰা সেয়ে মোৰ উচ্ছিষ্ট ভোজন হব"। এই আদেশ অনুসাৰে অনন্ত কন্দলিয়ে ভাগৱতৰ চতুৰ্থ, পঞ্চম, ষষ্ঠ, নৱম আৰু দশম স্কন্দৰ শেহৰ ছোৱাৰ পদ কৰে। তেওঁ শঙ্কৰদেৱৰ ইমান প্ৰিয় পাত্ৰ আছিল যে তেওঁৰ ৰচিত সহস্ৰ নাম বৃত্তান্তৰ পদ শ্ৰীশঙ্কৰে তেওঁৰ কীৰ্ত্তন পুথিৰ অন্তৰ্গত কৰি লয়। কুমৰহৰণ নামে পুথিখনিও অনন্ত কন্দলিৰ দ্বাৰা ৰচিত।]

## ৰামায়ণ।

### আত্ম পৰিচয়।

হাজো হেন নাম পৱিত্ৰ উত্তম
থান কামৰূপ মাঝ।
মণিকুট গিৰি শিখৰত আছা
হয়গ্ৰীৱ দেৱৰাজ ॥

কাষতে লোহিত বহন্ত পৱিত্র
কুল্য আছে সেহি থানে ।
অপুৰণ ভব নাহি পুনৰ্ব্বাৰ
তাহাতে কৰিলে স্নান ॥
গোকৰ্ণৰূপ দেৱগদাধৰ
মূৰ্ত্তি ধৰি আছে যাত ।
যাক সাত তাল বাৱণে কাটিল
তথাপি দেখি সাখ্যাত ॥
গিৰিৰ উপৰ লিঙ্গৰূপ ধৰ
আছা যাত কামেশ্বৰ ।
কেদাৰ কমল লিঙ্গৰূপ ধৰ
আছা যাত হৰিহৰ ॥
তথা তান্ত্রিকুল আছিল বিপুল
মাধৱত শুদ্ধ চিত্ত ।
তাসম্বাত হস্তে পাট বস্ত্র হৰে
বিষ্ণুক কৰে ভুষিত ॥
তথা দ্বিজবৰ বিষ্ণুৰ কিঙ্কৰ
আছিল ৰত্ন পাঠক ।
ভাগৱত শাস্ত্র প্ৰৱৰ্ত্তাইলা তাত
পাতিয়া চিৰ সত্রক ॥
তথা উত্তপতি তাহান সন্ততি
নামত হৰিচৰণ ।
অনন্ত কন্দলি পাছে খ্যাত ভৈল
হৰি ভৈল সুপ্ৰসন ॥
ৰামায়ণ কথা পদে নিবন্ধিলো
ভাগৱত চৰ্চ্চা কৰি ।
হৰি কথা বিনে দুৰ্ঘোৰ কলিত
তৰিতে কেহো নপাৰি ॥

শ্লোকৰ অৰ্থক পঢ়াতে নুবুজে
পণ্ডিতে নকহে যাচি।
এতেকেসে কথা ৰসে নিবন্ধিলো
ভকতিৰ তথ্য বাচি॥
আছে যাৰ মন শুনা সাধু জন
মোক নিন্দা নুবুলিবা।
ভকতি ৰতন মোহোৰ যতন
বিচাৰি এক দেখিবা॥
বিষয় ৰসত চিত্ত ভৈল হত
কৃষ্ণক লাগি নযাই।
কৃষ্ণকথা বিনে মনক দমিবে
নাহিকে আন উপায়॥
হেন জানি আক ৰামৰ কথাক
শুনিয়ো যতন কৰি।
অনন্ত কন্দলি কহে গল মেলি
নিৰন্তৰে বোলা হৰি॥

---

## অযোধ্যা কাণ্ড।

সীতাৰ কাৰুণ্যে ৰামৰ কৃপা ভৈলা।
যাইবা বুলি সীতাক আশ্বাসি সুখে ৰৈলা॥
পাছে লক্ষণক বুলিলন্ত হাতে ধৰি।
সুখে থাক ভাই তই অযোধ্যা নগৰি॥
মই তৰি কৰি নিবো প্ৰাণেৰ সিতাক।
তুই মাৰ পুষি পালি তথ্রি এথা থাক॥
হেন শুনি লক্ষণে বুলিলা প্ৰিয়বাণী।
লক্ষে পুষিবাক পাবে অযোধ্যা গোসানী॥
যত ধন ৰত্ন মানে আচয় ইহাতে।
আপুনি পুষিব আসি ভৈয়াই ভৰতে॥

বাৰম্বাৰে বনক যাইবাক বাধা মোক।
মৰণতোধিক দেখো ইটো মহা শোক ॥
প্ৰাণতো অধিক তুমি তেজিতে নপাৰো।
অধিকে বুলিলে যেন খাণ্ডা হানি মৰো ॥
বিষ্ণু বিষ্ণু স্মৰি ৰামে বুলিলা বচন।
তোৰ যেন অভিমত কৰিয়ো লক্ষণ ॥
নিশ্চয়ে বুলিলো তোক মোৰ যেন মিত্ৰ।
আনিয়ো লক্ষণ তাঙ্ক মোহোৰ সন্নিত ॥
সুজজ্ঞক ডাকি যাই আনিলা লক্ষণে।
দেখি ৰামচন্দ্ৰে উঠি অৰ্চ্ছিলা তেখনে ॥
আপোনাৰ অলঙ্কাৰ কাটিয়া গাৱৰ।
মিত্ৰৰ গাৱত পিন্ধাইলন্ত নিৰন্তৰ ॥
সীতাৰ গাৱৰ আনো অলঙ্কাৰ যত।
মিতিনীক আনি তাক পিন্ধাইলা সমস্ত ॥
শয়ন কোমল আৰু সুৱৰ্ণৰ খাট।
সুবৰ্ণবাহুতি দিলা চৌসন্তিৰ পাট ॥
কৌশল্যা সুমিত্ৰা আদি মাৱগণ যত।
গাৱে গাৱে দিল ধন বস্ত্ৰ নানামত ॥
ব্ৰাহ্মণ প্ৰমুখ্যে সবে আইলা ভিক্ষু যত।
মনোৰথ পুৰি ধন দিলন্ত সমস্ত ॥
পাছে বৃদ্ধ ব্ৰাহ্মণে ৰামক দিলে ভেট।
পাঞ্চ শত বৎসৰে ৰামত কৰি জেষ্ঠ ॥
ৰামক আশ্বাসি বোলে দিয়ো কিছু ধন।
পুষিবে নোৱাৰো মোৰ বহু পৰিজন ॥
ৰামে বোলন্ত ধন বিলাহানে গৈল।
সহস্ৰ ভণ্ডাৰো মোৰ অৱশেষ ভৈল ॥
বিলম্ব নকৰি ঝাণ্টে ঘোড়া ধৰিয়োক।
ৰাখিত পাৰি মানে আপুনি লৈয়োক ॥
শুক্ল ভৈল চখু আৰো পকি গৈল কেশ।
দৃঢ় গাতি বান্ধিয়া আগত পৰবেশ ॥

হাতে ঘোৰা ধৰি চলি গৈল দ্বিজবৰ।
পাৱ থিৰ নহয় কাম্পয় কলেৱৰ॥
যজ্ঞ কৰিবে বুলি ধন মাগি লৈয়া।
চলিলন্ত ব্ৰাহ্মণ ৰামক আশ্বাসিয়া॥
যত ধন আছে মানে কৰি অৱশেষ।
বস্ত্ৰ আন লখাই বুলি কৰিলা আদেশ॥
ৰাম লক্ষণ সীতা ধন বিলাইলন্ত।
ৰাজাক দেখিতে পুনু তিনিয়ো গৈলন্ত॥
কান্দে নাৰী সকলে সীতাৰ ভিতি চাই।
আমাক তেজিয়া কহি যাস সীতা আই॥
প্ৰাসাদত লুটি পৰি কান্দে নাৰীগণ।
যেন মেৰু গিৰিত লোটয় তাৰাগণ॥
ৰাজপথে যত প্ৰজাগণ আসে যাই।
কান্দে দীৰ্ঘ ৰাৱে সীতা ৰাঘৱক চাই॥
ৰাজা দশৰথক নিন্দয় ৰাৱ চাৰি।
কি দোষে ৰামৰ ৰাজ্যভাৰ লৈলে কাঢ়ি॥
বুঢ়া বয়সত আতি পাইলেক বিবুদ্ধি।
ৰাম বনবাসে যান্ত কিনো ভৈল বিধি॥
আমি সবো বনে যাওঁ ৰামৰ লগত।
পাতিবো নগৰ যাই বনৰ মাঝত॥
ৰাজাৰ কুমাৰী সীতা যান্ত ভূমি পাৱে।
হৰি হৰি বুলি প্ৰজা কান্দে দীৰ্ঘৰাৱে॥
দেখি দুখ লোকৰ ৰামৰ দুখ মন।
কতোক্ষণে সিংহদ্বাৰে ভৈল উপসন॥
সুমন্ত্ৰক বুলিলন্ত ৰাম নাৰায়ণ।
পিতৃত দিয়োক জান মঞি যাওঁ বন॥
ৰাম বনে যান্ত মন্ত্ৰী জনাইলা তেখন।
হেন শুনি দশৰথ ভৈল অচেতন॥
ৰোগ যুক্ত গজে যেন দেখি সিংহিনীক।
চমকিল দশৰথ দেখি কৈকেয়ীক॥

সকৰুণে পুনৰপি বুলিলা বচন।
হেনবা সদয় হোৱে ৰামৰ চৰণ॥
শুন কাল ৰাহু তই কৈকেয়ী নির্দ্দয়।
ৰাম বনে গৈলে মোৰ প্ৰাণ নৰহয়॥
ৰাখ মোৰ প্ৰাণ তোক কৰোহোঁ কাতৰ।
বনক নযাউক ৰাম লৈয়ো আন বৰ॥
মই যেবে মৰো তোৰ পুত্ৰ অল্পমতি।
কেন মতে ৰাজা হুই পালিবে জগতি॥
মধুফল আসা যেবে ৰুলো তৰু স্থল।
ফল কালে ভৈল যেন শিমলিৰ তল॥
বিধৱা কালত যেন নিকৰুণ ভৈলে।
সুখৰ গৰাস যেন তাক কাঢ়ি লৈলে॥
জানিলোঁহো পতিব্ৰতা তই যেন মত।
মোহোৰ শোনিত পান কৰিতে শকত॥
জন্মে জন্মে নুহিবেক তোৰ ভাল মতি।
ৰাজ ভোগে বিনাশিলি মই হেন পতি॥
পাপিষ্ঠ নিষ্ঠুৰ মতি ভৈলো তিৰিবশ।
ৰামক বনক পঠাই পাইবি কোন যশ॥
কিনো কুলক্ষণি তই পাপিষ্ঠী দাৰুণী।
আপুন স্বামীত হেন ভৈলি নিকৰুণী॥
এহি মতে বিষাদে বুলিলা নৰেশ্বৰ।
দাৰুণী কৈকেয়ী কিছু নেদিলে উত্তৰ॥
অনন্তৰে সুমন্ত্ৰ কহিলা সমিধান।
ৰাম লক্ষ্মণ সীতা আসন্তো ইথান॥
যত ভাৰ্য্যা আছে তাক আন ডাক ছাৰি।
ৰাম সিতা লক্ষ্মণক চাউক দৃষ্টি ভৰি॥
ৰাজাৰ বচনে মন্ত্ৰী সবাকে ডাকিল।
যত ৰাজা মহাদৈই সমস্তে আসিল॥
নৃপতিক বেঢ়ি আসি বসিলা তেখনে।
চন্দ্ৰক বেঢ়িল যেন নক্ষত্ৰ মণ্ডলে॥

পাছে ৰাম লক্ষ্মণ সীতাক সেহি থানে।
সুমন্ত্র ভেণ্টাইল নিয়া ৰাজাৰ আথানে॥
বাপক দেখিল ৰামে সিংহাসনে স্থিত।
হেমন্ত গিৰিত যেন জ্বলন্ত আদিত্য॥
কৌশল্যা কৈকেয়ী দুই আছে দুই ভিতি।
কাশ্যপৰ পাশে যেন দিতি যে অদিতি॥
কন্যাগণ মাঝে প্ৰকাশয় দশৰথ।
হস্তিনীৰ মাঝে যেন জ্বলে ঐৰাৱত॥
ৰামক দেখিয়া ৰাজা চালিলন্ত গাৱ।
সাবতি ধৰিতে নামি চলিলন্ত পাৱ॥
মূৰ্চ্ছিত ভৈলন্ত ৰাজা হা ৰাম বুলি।
ঢলিয়া পৰন্তে ৰামে ধৰিলন্ত তুলি॥
আশ্বাসিয়া ৰামে তুলি থৈলা সিংহাসনে।
তিনিয়ো ক্ৰন্দন যুড়িলন্ত দুখ মনে॥
অশেষ বিছিলা ৰামে বস্ত্ৰ ধৰি কৰে।
শীতল সুৰভি জল সিঞ্চিলন্ত মাথে॥
কৌশল্যাক প্ৰমুখ্যে ৰামৰ যত মাৱে।
হা প্ৰাণনাথ বুলি কান্দে দীৰ্ঘ ৰাৱে॥
হৰি হৰি বিধি কিনো কৰিলে সঙ্গতি।
দশৰথ নৃপতিৰ হেনসে বিপত্তি॥
হৰিষতে বিষাদ মিলিল প্ৰাণ নাশ।
বন্ধু ছেদ কৰি ৰাম যান্ত বনবাস॥
কহি যাইবে সীতা আই সৰ্ব্বাঙ্গে সুন্দৰী।
কৈক যাস লক্ষ্মণ আমাক পৰিহৰি॥
কতো বেলি দশৰথে লভিলা চেতন।
আগতে আচন্ত বসি কৌশল্যা নন্দন॥
প্ৰণামিয়া ৰঘুপতি বুলিলা বাপক।
মোক আজ্ঞা দিয়া পিতৃ চলিবো বনক॥
লক্ষ্মণ সীতাক মই বুলিলো অনেক।
তোমাক সেবিয়া অযোধ্যাত থাকিবেক॥

নুশুনয় বচন মই কৰিবোঁহো কিস।
তিনিয়ো চলিলো হেৰা দিয়োক আদেশ ॥
এহি বুলি মৌনে থাকিলন্ত ৰঘুনাথ।
শোকে মৰ্ম্ম চড়ে বুলিলন্ত তুলি মাথ ॥
স্ত্রীৰ বচনে বাপ ভৈলো সৰ্ব্বনাশ।
তোক কি পঠাই বাঞ্চা মোৰ বনবাস ॥
শুন শুন ৰামচন্দ্ৰ হৃদয় নন্দন।
তুমি চাড়ি গৈলে মোৰ নৰহে জীৱন ॥
ধিক মোৰ ৰাজ্য সুখ দুখ পৰিজন।
তোহোৰ সঙ্গত বাপ মই যাইবো বন ॥
ৰামে বোলন্ত বাপ তেজিয়োক শোক।
সত্য ৰাখি বনে যাওঁ বিদায় দিয়োক ॥
মোৰ সঙ্গে বনে যাইবা নোহে হেন ধৰ্ম্ম।
গম্ভীৰ সাগৰ তুমি তেজা ইটো মৰ্ম্ম ॥
ৰামৰ বচনে ৰাজা নিশ্চাস তেজিল।
সুমন্ত্র মন্ত্রীক চাই আশ্বাস কৰিল ॥
চতুৰঙ্গ সেনা যত আনিয়ো হাঙ্কাৰি।
ৰামৰ লগত সবে যাউক সেৱা কৰি ॥
প্ৰথম যৌৱনী যত তৰুণী সুন্দৰী।
সীতাৰ সঙ্গেতে সবে যাউক ৰঙ্গ কৰি ॥
অলেখ ভাণ্ডাৰ যাউক পাত্ৰ মন্ত্ৰীগণ।
ৰাম চন্দ্ৰ বিনে কি কৰিবো ধন জন ॥
বনতে পাতিবো যাই বিচিত্ৰ নগৰী।
ভৰতক দিবো ৰাজ্য সৰ্ব্ব শূন্য কৰি ॥
থাকোক কৈকেয়ী শূন্য নগৰত পৰি।
হেন শুনি দাৰুণী বুলিলা ক্ৰোধ কৰি ॥
ধন জন কাঢ়ি লৈলে পাইলো সত্য বোল।
ঘৃত কাঢ়ি লৈলে মোক নলাগয় ঘোল ॥
কৈকেয়ীৰ বাক্যে ৰাজা বৰ লজ্জা পাই।
ধিক ধিক বুলি ৰাজা মাথা চপৰাই ॥

পাছে মুখ্য মন্ত্ৰী এক সিদ্ধাৰ্থক নাম।
শুনা নৰেশ্বৰ বুলি দিলা সমিধান ॥
গুণৰ সাগৰ ৰাম সৰ্ব্ব জনে হিত।
দেৱ দ্বিজ গুৰু পিতৃ মাতৃত বিনীত ॥
সজল কুমুদ প্ৰকাশক দিন ৰাজ।
কোন দোষে ৰামক পঠাৱে বনমাঝ ॥
চক্ষু পকাই কৈকেয়ীক বোলে মন্ত্ৰীবৰ।
এইৰ উচিত শাস্তি শুনা নৰেশ্বৰ ॥
ৰামৰ লগত সামৰাজ যাউক বনে।
জীৱন্ততে খাউক এইক শিয়ালে শগুনে ॥
ৰাজাৰ জীয়াৰী হুয়া ভৈলি নিদাৰুণী।
পতি পুত্ৰ দুইকো খাই যেন ৰাক্ষসিনী ॥
এইৰ মুখক দেখিবাকো নোহে ভাল।
আছিকিছো ৰোগ যেন ভৈল গৰ্ভ শাল ॥
ৰাজায়ো বোলন্ত শুন নিলাজী পাপিষ্ঠী।
তই হেন চাৰিত মোহোৰ ভৈল দৃষ্টি ॥
তই সুখে থাক পুত্ৰে সমে ভুঞ্জ ৰাজ্য।
ৰামৰ সঙ্গতে মই জাওঁ বন মাঝ ॥
ৰাম বোলন্ত বাপ নুহি হেন যোগ।
বন্ধু জন পালি থাকা ভুঞ্জি ৰাজ্য ভোগ ॥
ঈশ্বৰক ভজি নিজ ধৰ্ম্মক পালিয়ো।
তেজি শোক মোহ·বিত্ত বিষ্ণুক চিন্তিয়ো ॥
বিশেষতে পুত্ৰ মিত্ৰ যত গৃহবাস।
নুহিকে সাস্বত ইটো মায়াৰ আভাস ॥
বশিষ্ঠৰ মুখে শুনিবাহা মহাতথ্য।
আপুনি গুচিবে শোক পাইবা মহাতত্ত্ব ॥
হেন শুনি ৰঙ্গ ভৈল ভৰতৰ মাৱ।
বৃক্ষৰ বকলা চয় আনি সেহি ঠাৱ ॥
লাজ এৰি বোলয় নিষ্ঠুৰ বৰ কৰি।
চৰ্ম্ম পিন্ধি চল ৰাম বস্ত্ৰ পৰিহৰি ॥

মাথে জটাধৰ তেজ ৰাজ অলঙ্কাৰ।
জাণ্টে বনে চল সত্য ৰহোক ৰাজাৰ॥
দাৰুণাৰ মন পুৰি শ্ৰীৰাম লক্ষ্মণ।
দিব্য বস্ত্ৰ তেজি চৰ্ম্ম পিন্ধিলা তেখন॥
ব্যাকুলে কান্দন্ত সীতা দেখি বৃক্ষচাল।
স্ত্ৰী ভৈলে আক পিন্ধিবাক নুহি ভাল॥
শুনিয়োক ৰামচন্দ্ৰ মোৰ প্ৰাণনাথ।
কেন মতে পিন্ধি বক্লা কহিয়ো সাখ্যাতে॥
নেত্ৰৰ উপৰে ৰামে পিন্ধাইলন্ত চৰ্ম্ম।
কান্দে মহাদৈই গণে শোকে দহে মৰ্ম্ম॥
হা কিনো ভৈল বুলি বোল উথলিল।
ৰামৰ ভাৰ্য্যাৰ হেন বিপত্তি মিলিল॥
ৰাজা বোলে পাপিষ্ঠী কুক্ষাতি কিনো থৈল।
একে ৰামক বনে যাইতে বৰ লৈলে॥
পাপ তনু নিদাৰুণী কিনো তই ভৈলে।
লক্ষণ সীতাক কেনে বাকলি পিন্ধাইলে॥
ৰাম বোলন্তে একুটিৰ পুত্ৰ আমি।
মাৰক পালিবা বাপ তুমি ভাল স্বামী॥
এতেক বোলন্তে ৰাজা পৰি মূৰ্চ্ছা গৈলা।
চেতন লভিয়া পাছে মন্ত্ৰীক বুলিলা॥
ভাল মতে ৰথ মোৰ সাজি এতিক্ষণে।
সাৰথি হুয়া ৰামক থৈয়োক বন মাঝে॥
ৰাজাৰ আদেশ মন্ত্ৰী মাথে তুলি লৈয়া।
ৰথ সাজি তেতিক্ষণে আনিলেক গৈয়া॥
ভণ্ডাৰিক দশৰথে কৰিলা হাস্কাৰ।
সীতাক দিয়োক আনি ৰাজ অলঙ্কাৰ॥
দিব্য অলঙ্কাৰ যত আনিয়া সভাক।
ৰাজাৰ আদেশে আনি দিলন্ত সীতাক॥
ৰাজায়ে বোলন্ত কুল বোৱাৰী আমাৰ।
দেখো পৰিছেদি আই পিন্ধা অলঙ্কাৰ॥

শশুৰৰ বাক্যে দেৱী কৌতুক মিলিল।
বাকলিক তেজি দিব্য বস্ত্রক পিন্ধিল ॥
শাশু সাতে পাঞ্চে পিন্ধাইলন্ত অলঙ্কাৰ।
মুকুট কুণ্ডল গলে সাতেসৰি হাৰ ॥
কনক কঙ্কন ৰত্নময় হেমহাৰ।
থানে থানে পিন্ধাইল বত্রিশ অলঙ্কাৰ ॥
কৰেগ্র আঙ্গুঠি নপুৰ মণি পাৱে।
জলন্ত গোসানী সীতা আতি অনুভাৱে ॥
গাৱচালি কৌশল্যা সীতাৰ গলে ধৰি।
কান্দিবে লাগিলা জানেকীৰ গুণ স্মৰি ॥
মাৱে জীয়ে কান্দে যেন ধৰি কোলাকোলে।
লোহ মলছিলা সীতা বস্ত্রৰ আঞ্চলে ॥
মাথে চুমা দিয়া বোলে ৰামৰ জননী।
শুনা বোলো আই মোৰ জনক নন্দনী ॥
নিগুণ স্বামী তোৰে দুৰ্গতি ৰহিত।
অপমান নলাগাইবা কৰিবাহা হিত ॥
সীতায়ে বোলন্ত শাশু নকৰিবা শোক।
ইতৰ নাৰীৰ মতে নেদেখিবা মোক ॥
স্বামী আছন্তে শোভে যত অলঙ্কাৰ।
স্বামী বিনে জানিবা সকলে ছাৰখাৰ ॥
পৰিমাণ কৰি ধন দেই বাপ ভাই।
আনো লোকে ধন দিলে ততেক নপাই ॥
সৰ্ব্ব ধন সুখ ভোগ স্বামীৰেসে দান।
দুষ্টা নাৰীসে তাক দেই অপমান ॥
মনোৰথ ৰাৱে হোৱে কোকিল শোভন।
প্রতিব্রতা ধৰ্ম্মতেসে শোভে কন্যাগণ ॥
মোৰ স্বামী ৰাম সৰ্ব্ব গুণৰে সাগৰ।
মই হেন জানো এহেন্তেসে মহেশ্বৰ ॥
মোৰ প্ৰাণ ধন জানো আহানে চৰণ।
জন্মে জন্মে এহেন্তেসে হৌক মোৰ মন ॥

কৌশাল্যাই শুনি হেন সীতাৰ বচন।
হৰিষে বিষাদে ভৈল সজ্জল নয়ন ॥
ৰামৰ গলত ধৰি বুলিলা অশেষ।
সীতাক ৰাখিতে ভাল উপদেশ দিল ॥
সুকুমাৰ বাপ মোৰ লক্ষ্মণ কুমাৰ।
তাহাঙ্ক ৰাখিবি যেন নিজ কলেৱৰ ॥
ৰামে বোলন্ত মাৱ তেজিয়োক চিন্তা।
লক্ষ্মণ ডাহিন বাহু চায়া মোৰ সীতা ॥
এহি দুইৰ পৰাভৱ চিন্তিব যি জনে।
পাত মলচিলে জানা যমৰ সদনে ॥
মোৰ সঙ্গে যাইব লক্ষ্মণ বীৰবৰ।
ৰবি তলে নাহি বীৰ মোক সমসৰ ॥
একে আবো অগ্নি মই লক্ষ্মণ পৱন।
মোৰ বৈৰ সবক কৰিবোঁহো দহন ॥
ৰামৰ বচনে দেবী ভৈল ৰঙ্গ মন।
লক্ষ্মণক সম্বোধিয়া বুলিলা বচন ॥
শুনা শুনা বাপ মোৰ লক্ষ্মণ কুমাৰ।
সীতাক ৰাখিবি ভালে বনৰ ভিতৰ ॥
লক্ষ্মণেয়ো বুলিলন্ত বচন বিনয়।
সীতাৰ অন্তৰে মাৱ নকৰিবা ভয় ॥
অশ্বিনী কুমাৰ মোৰ নোহো সমসৰ।
একেশ্বৰে জিনিবাক পাৰো সুৰনৰ ॥
মোহোৰ সদৃশ মাৱ নাহি ধনুৰ্দ্ধৰ।
একেবাৰে হানিবাক পাৰো কোটি শৰ ॥
কাল বিকাল মাৰো হেৰা কীৰ্ত্তি থওঁ।
শঙ্কৰৰ হাতৰ ত্ৰিশুল কাঢ়ি লওঁ ॥
ইন্দ্ৰৰো বজ্ৰকো মুঠি হানি কৰো চূৰ।
মেৰু মণ্ডৰক তুলি কৰো মষিমূৰ ॥
হাতে ধৰি চিঙ্গো চণ্ড বৰুণৰ পাশ।
গদা ভাঙ্গি কুবেৰৰো বন্ধি কৰো নাশ ॥

শ্ৰীৰামে বোলন্ত তেজিয়োক শোক তাপ।
প্ৰতিপাল কৰিবাহা দশৰথ বাপ ॥
ঈশ্বৰক সদায়ে পূজিবা ভক্তি কৰি।
সুখে আমি আসিবোহো বনবাস তৰি ॥
ৰামৰ শুনিয়া হেন বিনয় বচন।
সকৰুণে কান্দন্ত ৰামৰ মাতৃগণ ॥
ক্ৰৌঞ্চিস সমুদ্ৰে যেন নাদয় আকাশে।
ক্ৰন্দনে যুৰিল দশৰথৰ আবাসে ॥
ৰাম লক্ষ্মণ সীতা নমিলা ৰাজাক।
তাত পাছে প্ৰণাম কৰিলা কৌশল্যাক ॥
তিনিয়ো নমিলা পাছে সুমিত্ৰাৰ পাৱ।
লক্ষ্মণক কোলে তুলি লৈলা নিজ মাৱ ॥
ধন্য মোৰ জীৱন জীৱন্তে স্বৰ্গ আইলো।
কিনো পুণ্য কৰি তুমিহেন পুত্ৰ পাইলো ॥
সাৰ্থক তনয় মোৰ ভৈলে উতপতি।
জেষ্ঠ ভাইত ভৈল তাৰ পৰম ভকতি ॥
যেন তোৰ মাতৃ মই সুমিত্ৰা সুন্দৰী।
সীতাক মানিবি তই সেহি মত কৰি ॥
ৰামক সেৱিবি যেন পিতৃ দশৰথ।
অযোধ্যাক বন হেন মানিবি মনত ॥
অযোধ্যাতধিক সুখ দেখিবি বনত।
বন্ধু জন সমান দেখিবি বৈষ্ণৱক ॥
এহি হৌক বুলি বীৰে ধনু শৰ লৈই।
ৰামৰ পাছত ৰথে চড়িলন্ত গৈই ॥
সীতাৰ হাতত ধৰি ৰাম ৰঘুনাথ।
ৰথে চড়ি লড়ি গৈলা মহেন্দ্ৰ সাক্ষাত ॥
সিংহদ্বাৰ এৰাই পাইলন্ত ৰাজপথ।
ভূমি পাৱে পাচতে লড়িলা দশৰথ ॥
সকল লোকৰ গাৱে জ্বলিল অগনি।
অযোধ্যা ঢাকিল ঘোৰ ক্ৰন্দনৰ ধ্বনি ॥

শুনা নৰ নাৰী ৰামায়ণ পুণ্য কথা ।
মহন্তৰো দেখা কেন দুখৰ অৱস্থা ॥
সৰ্ব্বকালে বিষয়ত নেদেখিবা সুখ ।
হেন জানি হুয়ো সবে কামত বিমুখ ॥
ভাৰ্য্যা পুত্ৰ ধন জন যতেক সম্পদ ।
কাল অগ্নি লাগি হোৱে তিলকে দগধ ॥
ঈশ্বৰেসে ৰাখিবাক পাৰন্ত সবাক ।
কালৰো ঈশ্বৰে কৃষ্ণ জানিবা ইহাক ॥
অন্যদেৱ সেৱা কৰে কৃষ্ণক নাদৰি ।
কালৰ হাতত তৰিবাহা কেন কৰি ॥
অনন্ত কন্দলি কহে ছাৰা আন কাম ।
কাল ভয় দূৰ হৌক ডাকি বোলা ৰাম ॥

## লেচাৰি ।

হাহা ৰাম হাহা লক্ষণ, হাহা সীতা আই যাহা বনে,
পৰিছেদি দেখো ৰহিয়োক একক্ষেণে ।
এহি ডাক চাবি দীৰ্ঘ বাৰে, দশৰথো আসা ভুমি পাৰে,
শুনি ৰঘুনাথে চাহিলন্ত দুখ মনে ॥
দুখত সুখৰ নাহে বাণী, কান্দন্তে নেত্ৰৰ বৰে পানী,
বুলিলন্ত ৰাম শীঘে মন্ত্ৰী ৰথ ডাক ।
পিতৃৰ সন্তাপে মৰো পুড়ি, শুনিয়া নৃপতি হাত উড়ি,
বুলিলা সাৰথি ৰথ তই ৰাখ ৰাখ ॥
ৰাঘৱে বোলন্ত ডাক ডাক, ৰাজায়ে বোলন্ত ৰাখ ৰাখ,
সাৰথিৰ মন দুই ভিতি কৰে আন্দোল ।
ৰামে বোলন্ত কিবা চাহা, নুশুনিল ভাৱে ৰথ বাহা,
ৰাখা ৰাখা বুলি প্ৰজায়ে কৰে আন্দোল ॥
সুমন্ত্ৰ মন্ত্ৰীয়ে কৰযুৰি, ৰাজাক কটাক্ষে নতি কৰি,
ৰামৰ আদেশে ডাকিলন্ত ৰথখান ।
হস্তী হয় প্ৰজা পাছ কৰি, মন পৱনৰ বেগ ধৰি,
চলিলা বিমানে দেখি কান্দে প্ৰজাগণ ॥

বশিষ্ঠ প্ৰমুখ্যে গুৰু জনে, ৰাজাক বুলিলা সেহিক্ষণে,
আগ বাঢ়িবাক আৰ নুজুৱাই।
পুনু দেখিবাক বাঞ্চা যেবে, আছে অচিৰতে বোলোঁ তেবে,
দূৰ কৰি জানা পুত্ৰ আগ নবঢ়াই॥
আপুনি চিন্তিলা নিজ নাশ, কৈকেয়ীৰ সঙ্গত কৰি বাস,
জানি তাক এবে তেজিয়োক অসন্তোষ।
যুগুতি অঙ্কুশে বাক্যে টানি, পলটাইলা হস্তী মত্ত যেনি,
তবধে নৃপতি থাকিলন্ত থোসমোসে॥
ৰামৰ ভিতিক লাগি চাই, চক্ষুৰ নিমিষ যেন নাই,
শোকে দশৰথ পৰম অসুস্থ ভৈলা।
পুত্ৰ দৰশনে নাই আশ, কি কৰিবো চাৰ গৃহবাস,
হা ৰাম বুলি পৰি শোকে মূৰ্চ্ছা গৈলা॥
ডাহিনে কৌশল্যা ধৰি তাৰে, বাম পাশে লক্ষণৰ মাৰে,
ধৰি তুলিলন্ত কতোক্ষণে আইল প্ৰাণ।
পাছে ৰাজা ক্ৰোধে চক্ষু মেলি, কৈকেয়ীক পাৰিলন্ত গালি,
হায়োৰে পাপিষ্ঠী কেনে আইলি মোৰ থান॥
নুচুইবি নুচুইবি তই মোক, জীৱন্তে নেদেখো যেন তোক,
তোৰ বোলে যেবে ভৰতে লৱয় ৰাজ্য।
তাতে নাহি মোৰ কিছু ফল, নেঘেনিবো তাৰ পিণ্ড জল,
ভাতৃ দ্ৰোহি ভৈলে তাৰ কোন সদ কায॥
গদগদ বাণী কৰি সতী, কৌশল্যা বুলিলা কৰি নতি,
থিৰ হোৱা প্ৰভু কেনে শ্ৰুতি হত ভৈলা।
ত্ৰিভুবনে জানো মোৰ পতি, দশৰথ ৰাজা মহামতি,
যি ভৈলা সিভৈলা শোক তেজি গৃহে চলা॥
এহি বুলি ৰাজ পটেশ্বৰী, চলি গৈলা স্বামী তুলি ধৰি,
প্ৰৱেশিলা যাই ৰাজাৰ নিজ আবাস।
অযোধ্যাৰ যত নৰ নাৰী, ধন জন গৃহ সুখ ছাড়ি,
ৰামৰ লগত চলি যাই বনবাস॥

হাহা ৰাম হাহা ৰাম বুলি, সকলে নগৰী যাই চলি,
বাল্য বৃদ্ধ যত পৰি কান্দে দীৰ্ঘ ৰাৱে।
সীতাৰ গুণক সুমৰিয়া, কান্দে নাৰীসৱে পথ চায়া,
দেখিয়া শ্ৰীৰামে বুলিলন্ত প্ৰেমভাৱে॥

---

## আত্ম পৰিচয়।

কামৰূপে অনুপম হাজো হেন আৰ নাম,
যাত মহা পঞ্চ তীৰ্থ আছে।
মহামণিকুট গিৰি উঠি যাত জন্মতৰি
লুহিত বহন্ত যাৰ কাছে॥
গিৰিবৰ উপৰত মহা ৰম্য মন্দিৰত
আছা কৃষ্ণ ভকতৰ পতি।
হয়গ্ৰীৱ ৰূপ ধৰি যাক দেখি নৰ নাৰী
মহা সুখে সাধয় মুকুতি॥
তাঁতি হেন খ্যাতিমন্ত দাতা ভোক্তা গুণৱন্ত
মনুষ্য মধ্যত গুহ্যতৰ।
সদাচাৰি শুদ্ধ অতি কৃষ্ণৰো কথাত ৰতি
ব্ৰাহ্মণৰ আমাতে কিঙ্কৰ॥
তাসম্বাত হন্তে দিব্য পাট বস্ত্ৰ উপজয়
দেৱ দ্বিজ ৰাজাৰ ভূষণ।
সেহি হাজো নাম স্থানে আছিলন্ত ৰঙ্গ মনে
মাধৱত কৰিয়া সেবন॥
তাঁতিকুল কমলৰ প্ৰকাশক দিবাকৰ
ভাগৱত শাস্ত্ৰত পাৰ্গত।
ৰত্ন পাঠক নাম দ্বিজবৰ অনুপম
আছিলন্ত কৃষ্ণত ভকত॥

তথা মহা ভাগৱত শাস্ত্ৰৰো আছিল মত
সদায়ে শুনিলা সাধু জন।
ৰত্ন পাঠকৰ মুখে শুনি আছে যত নৰ
অদ্যাপি প্ৰশংসে ঘনেঘন॥
দেৱ মাধৱৰ বৰে উপজিল সেহি থানে
তাহাৰ নন্দন শুদ্ধ মতি।
পিতৃগুণ অনুসাৰে মহাভাগৱত শাস্ত্ৰে
কৃষ্ণে উপজাইলা কিছু ৰতি॥
অনন্তকন্দলি কৰি নাম মাত্ৰ ভৈল খ্যাত
কাৰ্য্য কিছু নভৈল তাহাৰ।
নাৰাধিলো একোদেৱ নকৰিলো ৰাজ সেৱ
একো শাস্ত্ৰ নজানিলো আৰ॥
নচাহিলো কাব্য কোষ কাতো নাহি পৰিতোষ
তৰ্কতো কৰ্কশ ভৈল মতি।
একে ভাগৱত শাস্ত্ৰ চিত্তক তোষিলে মোৰ
তাতেসে দ্ৰৱিল মোৰ ৰতি॥
সাক্ষাত অমৃতময় শ্ৰৱণত পাপ ক্ষয়
সাধে ধৰ্ম্ম অৰ্থ মোক্ষ কাম।
ইয়ো শাস্ত্ৰ শুনিবাক পণ্ডিতো নপাতে কাণ
মূৰ্খবো নাহিকে অবিৰাম॥
অৰ্থ আৰ গুৰুতৰ নানাবিধ প্ৰসঙ্গৰ
তত্ত্ব কৰিবাক নপাৰয়।
ভকতি প্ৰদীপ বিনে বেদান্তিকো নুবুঝায়
টীকাতো সংশয় নিছিগয়॥
এতেকে কাকুতি কৰি বোলো শুনা সাধুজন
আমি আৰ ৰচিবো পয়াৰ।
কৃষ্ণত ভকতি ক্ষীণ আমি সৰ্ব্বগুণে হীন
ই দোষ কৰিয়ো পৰিহাৰ॥

কিন্তু মাধৱৰ কথা গঙ্গা ভাগিৰথী তথা
পৰশ মাত্রকে কৰে শুদ্ধি।
ইসে মুকুতিৰ দ্বাৰ সকল শাস্ত্রৰ সাৰ
আকো নিন্দে যিতো মন্দবুদ্ধি ॥
শ্লোক সংস্কৃতে আদি লিখিবাক ভাল জানি
তথাপি কৰিবো পদ বন্দ।
স্ত্রী শূদ্র আদি যত জানোক পৰম তত্ত্ব
শ্রৱণত মিলয় আনন্দ ॥
ধন জন ঐশ্বর্য্যৰ গৰ্ব্ব সবে পৰিহৰি
কৰা কৃষ্ণ চৰণে ভকতি।
অনন্ত কন্দলি ভণে ডাকি ৰাম বোলা ঘনে
সবাৰ গুচোক চণ্ডমতি ॥

ৰত্ন পাঠক নাম পণ্ডিত পৰম।
ভাগৱত শাস্ত্রে যাৰ আছিল বিক্রম ॥
শ্রীহৰিচৰণ নামে তাহান সন্ততি।
এতেকেসে ভৈলা নাম শ্রীচন্দ্র ভাৰতী ॥
তর্কত লভিলা নাম অনন্ত কন্দলি।
ভাগৱতে আচার্য্য পদবী ভৈল বলী ॥
অনন্তকন্দলি নাম বোলে আর্য্যজনে।
তেহোঁ বিৰচিল পদ কৃষ্ণৰ চৰণে ॥
আছিল কায়স্থ কৃষ্ণ কিঙ্কৰ শঙ্কৰ।
তেহো ভাগৱত কথা ৰচিলা সুন্দৰ ॥
যাত হন্তে ভৈল কৃষ্ণ কথাৰ প্রসিদ্ধি।
জানিলেক লোকে ভকতিসে নব নিধি ॥
সিতো মহন্তৰ এবে কহিলো মহত্ত।
যাৰ কৃষ্ণ-কথা-গীতে ব্যাপিলে জগত ॥
নামতেসে শূদ্র মহা হৰিত ভকতি।
কৃষ্ণ স্মৰি মৰি স্থিত ভৈল বৈকুণ্ঠত ॥

আনো যত মহা কবি আছিল পূর্ব্বত।
কৃষ্ণ কথা কহি সবে তাৰিলা জগত॥
কৃষ্ণ কথা নৌকা কৰি দুস্তৰ তৰিলা।
আনকো তাৰিতে প্ৰতি নাৱ থৈয়া গৈলা॥
ধন্য ধন্য আৱা সব জানা পৃথিবীত।
যাহাৰ করুণাচিত্ত পৰক তাৰিত॥
তাসম্বাৰ অনুগ্ৰহ লভিয়া সর্ব্বথা।
জানা আমি বিৰচিলো ভাগৱত কথা॥
জয়তি কেশবদাস দলৈ মধুকৰ।
শিষ্টকুল কুমুদ সম্পূর্ণ শশধৰ॥
তান্ত্ৰীকুল কমল বিমল গুণশালী।
দুষ্টকুল নিকালি বৈষ্ণৱ প্ৰতিপালি॥
বিষ্ণুত ভকত কৃষ্ণ কথাত নিৰত।
দাতা দয়াৱন্ত সর্ব্ব কার্য্যত শকত॥
তাহান উদ্যোগে গোবিন্দৰ প্ৰসাদত।
কথা বন্ধে ভাগৱত কৰিলো বেকত॥
মোৰ আশীর্ব্বাদে কৃষ্ণ দেৱৰ প্ৰসাদে।
সবন্ধু সোদৰে জীৱন্তোক অপ্ৰমাদে॥
সবংশৰ হৌক হৰি চৰণে ভকতি।
ৰক্ষা কৰন্তোক হৰি ত্ৰিভুবন পতি॥
নমো নমো পৰম পুৰুষ সনাতন।
হৃদয়ৰ বন্ধু কৃষ্ণ দৈবকী নন্দন॥
তুমি অন্তৰ্য্যামী মোক দিলা যেন মতি।
সেহি অনুভাৱে কথা ৰচিলো সম্প্ৰতি॥
তোমাত অর্পিলো যিতো কৰিলো প্ৰয়াস।
ভক্ত সমে তুষ্ট হুয়ো জগত নিবাস॥
বঢ়া টুটা ছিদ্ৰ মোৰ ভৈল যত মানে।
সবে সাঙ্গ হৌক এবে হৰি সুমৰণে॥
কৃষ্ণ ভকতিত যাৰ পৰম বিশ্বাস।
কৃষ্ণৰ নামত মাত্ৰ যাহাৰ অভ্যাস॥

যেই সেই হৌক দুৰাচাৰ সদাচাৰ।
তাসম্বাক কৰো মই কোটি নমস্কাৰ॥
দৈবকী পুত্ৰত মাত্ৰ হৌক মোৰ মতি।
তান গুণ নাম নছাড়োক দিনে ৰাতি॥
সাধো সাধুজন মোক দিয়া এই বৰ।
জন্মে জন্মে হওঁ যেন কৃষ্ণৰ কিঙ্কৰ॥
শুনা সভাসদ মদগৰ্ব্ব পৰিহৰা।
দৈবকী নন্দন কৃষ্ণে নিষ্ঠামতি কৰা॥
ভণে ভাগৱত ভট্টাচাৰ্য্য ভৰসাৰ।
ডাকি ৰাম ৰাম বোলা সবাবে নিস্তাৰ॥

---

## ভাগৱত।

[ দশম স্কন্ধ ]

### উষা হৰণ।

শুক নিগদতি অভিমন্যুৰ নন্দন।
শুনা আৰু কহো অনিৰুদ্ধৰ বন্ধন॥
হৰি হৰ যুদ্ধ যেন ভৈল বিপৰীত।
কহিবো তোমাত কৃষ্ণদেৱৰ চৰিত॥
বলিৰ শতেক পুত্ৰ সৱাহতে বড়।
ভৈল মহাবীৰ বাণ নামে বীৰবৰ॥
হাজাৰেক বাহু তাৰ দেখি চমৎকাৰ।
শিৱত ভকত অতি বলে অনিৰ্ব্বাৰ॥
সহস্ৰেক হাতে নিতে ধৰি কৰতালি।
বহু বাদ্য কৰি নাচে শিৱ শিৱ বুলি॥
ত্ৰৈলোক্য ঈশ্বৰ হৰ ভকত বৎসল।
বহু বাদ্য নৃত্যে তোষিলেক মহাবল॥
তুষ্ট হুয়া বচন বুলিল ত্ৰিলোচন।
লৈয়ো বৰ বাণাসুৰ তোৰ যেন মন॥

শুনি বাণাসুৰে বৰ লৈল পুৰপাল।
শঙ্কৰক পূজি নিতে আছা কত কাল ॥
শোণিত পুৰত পাছে ভৈল বাণৰাজা।
পুত্ৰৱতে স্বধৰ্ম্মে পালয় সৱে প্ৰজা ॥
তপে জপে বলে বীৰ্য্যে ভৈল মহাশয়।
সন্মুখ সংগ্ৰামে ত্ৰিদশকো নগণয় ॥
নগৱত আছে হৰ ত্ৰৈলোক্য ঈশ্বৰ।
সাজি আছে দৌল যেন কৈলাশ শিখৰ ॥
সৰ্ব্বক্ষণে শিৱ শিৱ ভাষে মহাভাগ।
যেখনে খোজয় শঙ্কৰক পাৱে লাগ ॥
আপোন সমান বীৰ ত্ৰৈলোক্যে নপাই।
মদগৰ্ব্বে ফুৰে সিতো যুদ্ধক ইচ্ছায় ॥
এক দিন দেৱ শঙ্কৰৰ পাশে গৈল।
সমীপতে আছে হৰ দৰশন পাইল ॥
শিৱৰ কিৰীটি যেন নৱ সূৰ্য্য জ্বলে।
পৰশিয়া শঙ্কৰৰ চৰণ কমলে ॥
দণ্ডৱতে প্ৰণামিয়া বুলিলেক স্তুতি।
নমো নমো মহাদেৱ জগতৰ পতি ॥
নমো হৰ দিগম্বৰ জগতৰ গুৰু।
অপূৰ্ণ কামীৰ কাম পূৰা কল্পতৰু ॥
হাজাৰেক বাহু মোক দিলা জাতিস্কাৰ।
কিছু ফল নাহি আতি ভৈল মহাভাৰ ॥
মোৰ সম বীৰ প্ৰভু নপাইলোহো ৰণে।
তুমি বিনে বিচাৰি নপাইলো ত্ৰিভুবনে ॥
হস্তৰ আৰম্ভ আৰ নপাৰি সহিত।
দিগ্‌গজগণক যুঝিবাক ভৈল চিত্ত ॥
বাহুৰ আস্ফালে গিৰি কৰি চূৰ্ণীকৃত।
দিগ্‌গজগণক খেদি গৈলো কদাচিত ॥
মোৰ পৰাক্ৰম দেখি আঁখি কাতি কৰি।
মহাভয়ে পলাই গৈল দূৰক অন্তৰি ॥

এবে তুমি সম যেৱে বীৰ আছে ধাবে ।
তেবে হাজাৰেক বাহু সাফল আমাবে ॥
হেন দৰ্প শুনি ক্ৰোধে কিটাইলেক হৰ ।
বাণক সম্বোধি পাছে বুলিলা উত্তৰ ॥
দেখ তোৰ মৈৰধ্বজ ভাগয় যৈসানি ।
মোৰ সম বীৰ তই লভিবি তৈসানি ॥
তোৰ দৰ্প চূৰ ৰণে হৈব সেহি সমে ।
এতিক্ষণে মূঢ় তই কৰ পৰাক্ৰমে ॥
এহি ৱাণী হৰে যেৱে বুলিলন্ত খঙ্গে ।
নুবুজিয়া দুৰ্ম্মতি গৃহক গৈল ৰঙ্গে ॥
শিৱৰ বাক্যৰ নিতে চাহে পৰিমাণ ।
মোৰ মৈৰধ্বজ ইতো ভাঙ্গিবে কৈখান ॥
পৰম কুবুদ্ধি তাৰ মনে স্বস্থ নাই ।
নিজ বীৰ্য্য বিনাশকে আছে বাট চাই ॥
এহি মতে ভৈল যেৱে বাণৰ ব্যৱস্থা ।
শুনা আবে তাত পাছে ভৈল যেন কথা ॥
বাণৰ নন্দিনী ঊষা নামে সুলক্ষণী ।
ৰূপে গুণে লক্ষ্মী যেন জগত মোহিনী ॥
তান ৰূপ দেখি লোকে লজ্জিবাক ডৰে ।
অনেক প্ৰৱন্ধে তাঙ্ক ৰাখে বাণাসুৰে ॥
একোৱে পুৰুষে তাঙ্ক দেখিবে নপাই ।
অন্তেসপুৰত থাকা নিৰ্ব্বাণ পৰাই ॥
বাণৰ যে মূলমন্ত্ৰী কুভাণ্ড যাৰ নাম ।
এক কন্যা আছে তাৰ চিত্ৰলেখা নাম ॥
শঙ্কৰক পূজি তাই পাইল ইষ্টবৰ ।
জানে যত যোগ-মায়া আতি গুৰুতৰ ॥
চিত্ৰতে লেখয় সৱে নেদেখি নুশুনি ।
তাইৰ নাম চিত্ৰলেখি এহি মহাগুণী ॥
ৰূপে গুণে বয়সে ঊষাৰ সম দেখি ।
ঊষা চিত্ৰলেখি দুয়ো সম প্ৰাণসখা ॥

শয়নে ভোজনে পাশ নেড়য় সতত।
অন্তেসপুৰত থাকে ঊষাৰ লগত॥
প্ৰদ্যুম্নৰ পুত্ৰ দেৱগোবিন্দৰ নাতি।
তাঙ্ক স্বপনত দেখিলন্ত ঊষা সতী॥
পূৰ্ব্বে নতু দেখা নতু শুনা নাম যাৰ।
তেহেঁা সমে স্বপনত লভিল শৃঙ্গাৰ॥
কামৰ নন্দন তিনি ভুবনমোহন।
জাগি তাঙ্ক নেদেখিয়া ভৈল বাউল যেন॥
শয্যাত বুলান্ত হাত বাতুল পৰাই।
কহি গৈলা প্ৰাণনাথ আছা ৰঙ্গ চাই॥
শৰীৰ দগধ কৰে মদনৰ শৰে।
লাজ এৰি প্ৰভু প্ৰভু বুলি গেড়ি পাৰে॥
সখীগণ মধ্যে উঠি পাৰে হাতালোৰ।
কহি গৈলা প্ৰাণনাথ প্ৰাণ যায় মোৰ॥
শুনি চিত্ৰলেখি উঠিলেক সেহি কালে।
দেখে প্ৰাণ সখী ঊষা ভৈল বিয়াকুলে॥
প্ৰভু প্ৰভু বুলি গেড়ি পাৰে ঘনে ঘনে।
ধৰি চিত্ৰলেখি পুছিলন্ত এক মনে॥
সখীগণ মাজে পাছে বসি মহাসতী।
জ্ঞান ভৈল মহালাজে থাকিল নমাতি॥
মদনে তাপিত তনু উত্ৰাৱল কৰে।
অধোমুখে নিশ্বাস কাঢ়ন্ত খৰতৰে॥
চিত্ৰলেখি বোলে সখী ত্যজিয়ো হতাশ।
তোৰ মনোৰথ কোন পুৰুষক চাস?
অত্যাপিও দেখো তই পাৰা হাতালোৰ।
স্বামীকে সে চাহ হেন মতি লৱে মোৰ॥
ৰাজাৰ কুমাৰী তুমি সুন্দৰী যুৱতী।
স্বামী খুজিবাৰ তোৰ হোৱয় যুগুতি॥
কিন্তু আক হাসিবে শুনিলে লঘু জনে।
গোপ্য কৰি কহ মোত স্বৰূপ বচনে॥

চিত্ৰলেখি সখী হেন পুছিলেক যেৰে ।
ধীৰে ধীৰে উষাসতী থাকিলেক তেৰে ॥
সুমৰি সুমৰি অতি পুলকে শৰীৰ ।
গদ গদ বাণী নয়নৰ ঝৰে নীৰ ॥
শুনা নৰ নাৰী উষা সতীৰ চৰিত ।
মহাভাগৱত কথা সাক্ষাতে অমৃত ॥
অনিৰুদ্ধ কুমাৰৰ নাহি বিলক্ষণ ।
কৃষ্ণ ৰাম কাম অনিৰুদ্ধ একে জন ॥
সকলে পুণ্যৰ হৰি কথাত বিশ্বাস ।
অপ্ৰয়াসে সকল দুঃখকে কৰে নাশ ॥
মিলে সুমঙ্গল ৰঙ্গ ভুকুতি মুকুতি ।
কোন পাপীজনে আত নকৰিব ৰতি ?
একে মহাজন হৰি-কিঙ্কৰত বাজে ।
হৰিকথা শুনন্তা নাহিকে একো বাজে ॥
কতো পাপীজন শুনে ঐশ্বৰ্য্য গৰ্ব্বত ।
স্বৰূপত অৰ্থ তাৰ নপশে কাণত ॥
কীৰ্ত্তিক ফটাৱে হৰিকথা শুনো বুলি ।
ভক্তিক বাধিয়া নিন্দে কৃষ্ণক সমূলি ॥
আছে কোন ধৰ্ম্ম হৰিকীৰ্ত্তনত বিনে ?
যেৰে তত্ত্ব বুজে তেৱে নিন্দে কোন গুণে ?
হেন জানি জ্ঞানীগণ ত্যজিও বিকল ।
নিন্দে মন্দ জনে যদি পাইব তাৰ ফল ॥
মাধৱৰ পাদ-পদ্ম হৃদয়ত ধৰি ।
কৰা হৰি ভকতি একান্ত যত্ন কৰি ॥
ধন জন জীৱন নৰহে চিৰকাল ।
কৃষ্ণৰ কথাত চিত্ত কৰিয়োক ভাল ॥
অনন্তকন্দলি কহে এহি মাত্ৰ সাৰ ।
ডাকি হৰি বোলা হৌক পুৰুষ উদ্ধাৰ ॥

উষা বোলে প্ৰাণ সখী স্বপ্নত আছিলা দেখি
পুৰুষেক ত্ৰৈলোক্যমোহন।
চাৰু শ্যাম কলেৱৰ দিব্য পীত বস্ত্ৰধৰ
ৰুচিকৰ কমল লোচন॥
মহাবাহু মহাবল সুচৰিত্ৰ সুমঙ্গল
একো অঙ্গে নাহি ক্ষতি খুন।
কামিনী মোহন বেশ দৰশনে হৰে ক্লেশ
কতনো কহিবো ৰূপ গুণ॥
লয়লাস বেশে আসি মোৰ মুখ চাই হাসি
মহাৰঙ্গে আলিঙ্গি ধৰিল।
মুখে মুখে ঘনে চুম্ব মৰ্দ্দিলেক কুচকুম্ভ
ৰতি ৰস ভাৱ দৰশিল॥
পীয়াই অধৰ মধু মনক হৰিয়া মোৰ
নজানো লুকাই কোথা যাই।
তাঙ্কে আমি স্বামী বুলি বিচাৰোহো বিয়াকুলি
সখী মোক দিওক দেখাই॥
পেলাই কাম সমুদ্ৰত কিবা দোষ দেখি মোত
ত্যজি গৈল সিতো প্ৰাণনাথ।
নপাও যেবে তাঙ্ক স্বামী নিশ্চয়ে মৰিবো আমি
সখী সত্য কহিলো তোমাত॥
হেন শুনি চিত্ৰলেখি বোলে নমৰিবা সখী
দুঃখ তোৰ ঘুচাইবো এখনে।
স্বপনত তোৰ মন হৰিলেক যিতো জন
তাঙ্ক আনি দিবো এহি থানে॥
কিন্তু ইতো ত্ৰৈলোক্যত থাকে যদি ইতো জন
মায়া কৰি আনি দিবো হৰি।
চাহি তই কহা মোত লেখিয়া দেখাওঁ তোত
দেৱ গন্ধৰ্ব্বক আদি কৰি॥

এহি বুলি ববনাৰী হাতে চিত্ৰপট ধৰি
প্ৰথমে লিখিলা দেৱগণ।
সখীক দেখাইলা তাই ঊষা বুলিলেক চাই
নাহি সিতো পুৰুষ শোভন ॥
সুন্দৰ গন্ধৰ্ব্ব যত দেখি তাকো লিখিলেক
আৰু সিদ্ধ বিদ্যাধৰ যত।
সুন্দৰ চাৰণগণ নাগগণ সুশোভন
যক্ষ ৰক্ষ কিন্নৰ সমস্ত ॥
সুন্দৰ পুৰুষ যত মনুষ্যক লিখিলেক
ঊষা বোলে আতো স্বামী নাই।
পাছে মনে গুণি চাই বৃষ্ণিবংশ লিখিলেক
ঊষা মন ৰঙ্গে আছে চাই ॥
গোপালৰ পিতমহ শ্বশুৰক লিখি আগে
পাছে বসুদেৱক লিখিল।
ৰাম কৃষ্ণ দুই ভাই লিখিলেক এক ঠাই
দেখি ঊষা মনে চমকিল ॥
প্ৰদ্যুম্ন লিখিল যেবে শ্বশুৰ বুলিয়া তেবে
মাথে ঊষা বস্ত্ৰ তুলি লৈল।
অনিৰুদ্ধ লিখিবাৰ দেখি ঊষা ববনাৰী
ধৰিবাক চাহে আঙ্কোৱাল ॥
লাজে মুখ বস্ত্ৰে ঢাকি বোলে শুনা প্ৰাণসখী
মোৰ প্ৰাণনাথ এহি জন।
দেখা কেন মূৰ্ত্তিমন্ত ভূৱনমোহন কান্ত
কোন নাৰী ধৰিবেক মন ॥
চিত্ৰলেখি বোলে সখী ভালেতো স্বপন দেখি
ভোল ভৈলি তই ভাগ্যৱতী।
প্ৰদ্যুম্নৰ প্ৰিয় পুত্ৰ আন নাম অনিৰুদ্ধ
কেশৱ দেৱৰ প্ৰিয় নাতি ॥

থাক তই মহাশান্তী ইহান চৰণ চিন্তি
মই হেৰা চলিলো এখনে।
পশিয়া দ্বাৰকাপুৰী কুমাৰক আনি হৰি
দিবো তই থাক ৰঙ্গমনে॥
এহি বুলি বৰনাৰী সখীক আশ্বাস কৰি
চলি গৈল আকাশ গমনে।
শিৱৰ চৰণ চিন্তি মহা ৰঙ্গে গৈল শান্তী
দ্বাৰকা পুৰীক ৰঙ্গ মনে॥
কতো দূৰ গৈল তাই নাৰদক লাগ পাই
প্ৰণাম কৰিল কৌতূহলে।
ঋষিয়ে পুছিলা কায চলি যাস কোন ৰাজ
চিত্ৰলেখা কহিল সকলে॥
নাৰদে কহন্ত হাসি কৃষ্ণৰ পুৰত পশি
কুমাৰক হৰিবি কমনে?
জান কত মায়া তই দেখাও মায়া বুঝো মই
তেবে পতিয়াইব মোৰ মনে॥
যাৰ সম নাহি কেৱ মহা বড় বাসুদেৱ
তান প্ৰিয় নাতি অনিৰুদ্ধ!
হেন তোৰ স্ত্ৰীৰ সাস তাঙ্ক হৰিবাক চাস
কিনো তই মায়াত প্ৰবুদ্ধ॥
শুনা শুদ্ধ বুধ জন ইতো কথা বিতোপন
দেখিও সকলে মায়াময়।
মায়াতেসে দেখি সুখ জীৱন মৰণ দুঃখ
মায়া বিনে কিছু নাভাসয়॥
মায়াতে দেখিও মায়া ধন জন পুত্ৰ জায়া
স্বপনতো স্বপন পৰাই।
স্বৰূপত সবে মিছা তৰিবাক যাৰ ইচ্ছা
কৃষ্ণক ভজিও সমুদায়॥

ঈশ্বৰ নিচিনে যাৰে নানা যোনি ফুৰে তাৰে
জীৱৰে লগতে কৰ্ম্ম জড়ি।
কিঞ্চিতে কমাইয়া সুখ সততে নিকাব দুঃখ
নৰকত পড়ে মৰি মৰি ॥
ক্ষুধায় তাপিত কায় যেন ঘৰে ঘৰে যায়
কুকুৰ ফুৰয় নিৰন্তৰে।
ক্ষণো বা অন্নক পাৰে ক্ষণো বা টাঙ্গোন ঘাৰে
মহা দুঃখ পাইয়া লৱড়ে ॥
এহিমতে জীৱচয় নিচিনিয়া কৃপাময়
শ্ৰীকৃষ্ণ ইষ্ট মাধৱক।
মায়ায়ে আছয় ঢাকি দেখিও নেদেখি আখি
ধৰে ধন জন সম্পদক ॥
অনন্ত কন্দলি কহে জানা কিছু সাৰ নোহে
ধন জন ৰাজ্য নিজ গ্ৰাম।
মায়াময় বুদ্ধি ছাড়ি তৃষ্ণা আদি পৰিহৰি
নিৰন্তৰে বোলা ৰাম ৰাম ॥

আনো পুৰাতন শুনি আছে শিষ্টমুখী।
হৰলুকি মায়া ধৰিলেক চিত্ৰলেখি ॥
অনিৰুদ্ধ কুমাৰক আনিলেক হৰি।
শুনা তাৰ তত্ত্ব কিছু কহিবো উদ্ধাৰি ॥
নাৰদৰ বোলে তাই মায়া দেখাইলেক।
পশু পক্ষী আদি কৰি জানয় যতেক ॥
দেখিয়া নাৰদে বুলিলেক উপহাস।
এই মায়া ধৰি তই হৰিবাক চাস ॥
বুঝিলোহো আন তই ৰূপক ধৰিবি।
কুমাৰক পাইলে তই কিৰূপ কৰিবি ?
আনৰূপ ধৰিবাক নজানস যেৱে।
নপাৰিবি হৰিবাক ঘৰে চল তেৱে ॥

শুন তই জান যেবে হৰলুকি মায়া।
আপোন পৰক কৰিবাক ভিন্ন কায়া॥
তেবেসে অন্তসপুৰ পশিবে পাৰিবি॥
কেহো নমনিবে হৰি কুমাৰ আনিবি॥
হেন শুনি চিত্ৰলেখি কম্পি গৈল মনে।
মাতিলে কাকুতি কৰি কৃষ্ণৰ চৰণে॥
সখীৰ মৰণ জানো ভৈল উপগত।
মই হেৰা মৰো গুৰু তোমাৰ আগত॥
আসিলোসো সত্য কৰি যাইবো কোন লাজে।
এহি বুলি তাই মৰিবাক লাগি সাজে॥
হেন দেখি দয়ালু নাৰদ মুনিবৰ।
বুলিলেক চিত্ৰলেখি নমৰ নমৰ॥
কহো হৰলুকি জীয়োক তোৰ সখী।
মোৰ আশীৰ্ব্বাদত জানিবি চিত্ৰলেখি॥
ভাদ্ৰ মাসত আসি দুভাগ নিশাত।
চন্দ্ৰগ্ৰহণ যেবে মিলে সি বেলাত॥
খঞ্জৰীট পক্ষী তেতিক্ষণে যাইব উড়ি।
তাকে ধৰি বড়ি তই সাজিবি সুন্দৰী॥
তিলক পিন্ধিবি তই গুৰুক সুমৰি।
নিজ ৰূপ গুচি হৈবি তেখনে ভ্ৰমৰী॥
কুন্দ্ৰাক্ষৰ জালে যাইবি গৃহৰ ভিতৰ।
কুমাৰক ফোট দিবি হৈবেক ভ্ৰমৰ॥
পৃষ্ঠভাগে তাঙ্ক লৈয়া গৃহৰ বজায়া।
তিলক মুছিয়া তেবে হৈবি নিজ কায়া॥
মুনিৰ বচনে হেন শুনি চিত্ৰলেখি।
হৰক সুমৰি আৰম্ভিল হৰলুকি॥
তেতিক্ষণে ভৈল ভাদ্ৰ পূৰ্ণিমাৰ শশী।
দোভাগ ৰজনী ৰাহু গ্ৰসিলেক আসি॥
খঞ্জৰীট উড়ি গৈল ধৰিলেক তাই।
সাজিলেক বড়ি ঋষি ৰঙ্গে আছে চাই॥

তিলক দিলেক মাত্র ভৈলেক ভ্রমৰী।
পুনঃ নিজ ৰূপ ভৈল ফোট দূৰ কৰি॥
হৰলুকি শিখি ৰঙ্গে বোলে চিত্রলেখি।
তোমাৰ প্রসাদে গুৰু জীলো দুয়ো সখা॥
চলিয়োক গুৰু মই যাওঁ কৃষ্ণপুৰী।
এহি বুলি প্রণামিয়া গৈল বেগ ধৰি॥
পশিল অন্তসপুৰ ধৰি হৰলুকি।
ভৈল অতি বিস্ময় কৃষ্ণৰ স্থান দেখি॥
আপোন শয্যাত অনিৰুদ্ধ আছে শুতি।
ঋষি উপদেশে হৰিলেক মায়াৱতী॥
শোণিত পুৰক গৈয়া তেখনে আটাইল।
সখীৰ আগত নিয়া কুমাৰ ভেটাইল॥
আনিলেক প্রিয় স্বামী সখী চিত্রলেখি।
দেখি উষা উঠিলেক ক্ষণিকো নাপেক্ষি॥
স্বপ্নত দেখিলো যিতো ত্রৈলোক্যমোহন।
সেহি সে সুন্দৰ বৰ ভৈল উপসন্ন॥
আনন্দে দ্রৱিল তনু প্রসন্ন বদন।
দেখি উষা আগবাঢ়ি গৈল ৰঙ্গ মন॥
প্রাণত অধিক স্নেহ গলে বান্ধি ধৰি।
বিচিত্র আসনে নিয়া বসাইল সাদৰি॥
হৰিষে বসিল দেৱ প্রদ্যুম্ন নন্দন।
উষাৰ মুখক লাগি চায় ঘনেঘন॥
প্রথম বয়সে উষা ত্রৈলোক্যমোহিনী।
জাতিত পদ্মিনী সতী দুতি লক্ষী যেনি॥
জাতি ৰতি ৰঙ্গ যত চতুঃষষ্টিকলা।
তান ৰূপ দেখি অনিৰুদ্ধ মোহ ভৈলা॥
ধুৱাইল চৰণ পদ্ম উষায়ে আপুনি।
পাদ্য অৰ্ঘ্য মধুপৰ্ক দিল আচমনী॥
দিব্য গন্ধ ধুপ দীপ পুষ্প যে চন্দন।
দিল দিব্য বিভূষণ অমূল্য ৰতন॥

দিব্য পঞ্চামৃতে সতী কৰাইলা ভোজন।
দিলা নানাবিধ মধুপান উপায়ন ॥
কর্পূৰ তাম্বুল সাজি দিল ঘনেঘনে।
মাতন্ত শুশ্রূষা কৰি মধুৰ বচনে ॥
ত্রৈলোক্যমোহন তুমি গোৱিন্দৰ নাতি।
স্বপনত তুমি সমে কৰিলো সুৰতি ॥
তোমাক নেদেখি জাগি মৰিতে চাহিলো।
চিত্রলেখা সখীৰ কাৰণে মই জীলো ॥
তোমাকে যে চাহন্তে দাসীৰ নোহো যোগ্য।
তথাপি অনাইলো প্রভু প্রাণৰ উদ্যোগ ॥
ই দোষ ক্ষমিও মোক লৈয়ো দাসী কৰি।
তোমাকে সে চিন্তি মই আছো প্রাণ ধৰি ॥
বুলিলন্ত ঊষা আৰু অনেক কাকুতি।
সংক্ষেপ পদত কত কহিবো সম্প্রতি ॥
এহি মতে কুমাৰক অৰ্চ্চি বৰ বালা।
আপুনি বৰিলা শিৰে দিয়া পুষ্পমালা ॥
প্রণামিলা জানু পাৰি স্বামী ভৈলা বুলি।
অনিৰুদ্ধে আশ্বাসি ধৰিলা হাত মেলি ॥
কোলাত বৈসায়া মুখে দিলন্ত চুম্বন।
শুনা প্রাণেশ্বৰী ঊষা ভৈলো ৰঙ্গমন ॥
তোমাৰ ভকতি বশ্য কৰিলে আমাক।
কোন মতে তোক ত্যজি যাইবো দ্বাৰকাক ?
এহি মতে ভৈল দুয়ো গন্ধৰ্ব বিবাহ।
চিত্রলেখি সখী যত সবাৰে উৎসাহ ॥
দুঃখেও দেখিতে নপাৱয় একোজনে।
হেন নিৰঞ্জন পুৰে থাকি কন্যাগণে ॥
কৰন্ত সুৰতি ৰতি ঊষায়ে সহিত।
অভিনয় স্নেহ বাঢ়ি যায় নিত্যে নিত ॥
গুঢ়ৰূপে থাকন্ত নোলান্ত আৱাসৰ।
মুহূৰ্ত্তেক নছড়ান্ত ঊষাৰ ওচৰ ॥

ঊষাৰ ক্ৰীয়াক অতি চিত্ত গৈল লীন ।
নজানন্ত মনে এথা আছো কত দিন ॥
ঊষায়ে সহিতে কতো থাকে পাশা খেলি ।
কোলে কৰি আঙ্কোৱালি থাকে কতো বেলি ॥
ঊষাক মাতন্ত কতো আইস আইস বুলি ।
দেখি সখীগণে বেঢ়ি হাসে খল খলি ॥
নাহি লাজকাজ সৱে ত্যজিলন্ত ভয় ।
শৃঙ্গাৰত ভোল ভৈল কামৰ তনয় ॥
ঊষায়ে হৰিল চিত্ত মনত নভৈল ।
এহিমতে অনেক দিৱস বহি গৈল ॥
ঊষাৰ গুচিল পূৰ্ব্বৱত লাজ ভাৱ ।
শৃঙ্গাৰৰ চিহ্নে সৱে উজ্জলিত গাৱ ॥
ৰাখিবাক বীৰগণ দিয়া আছে বাণে ।
ঊষাক দেখিলে সৱে চাহে একমনে ॥
এদিনত কৰি শত ভাগ ৰঙ্গমনে ।
হাস লাস বেশ কৰি পুৰুষ শোভনে ॥
ছেগ চাই বাজ হুই হাসি মুচুকাই ।
ঘনেঘনে অন্তসপুৰক চলি যাই ॥
ঘন স্তন নখে ক্ষত ওঠে দন্ত ঘাৱ ।
চুম্বনৰ ছটাচয় জ্বলে ঠাৱেঠাৱ ॥
শিথিল মেখলা চিণ্ডি লুলে সাতসৰি ।
নিত্যে সখীগণ হাতে গন্থাৱে সুন্দৰী ॥
কঙ্কণ নূপুৰ মণি থৈল সোলোকাই ।
ঘৰ্ম্মজলে কুচৰ কুঙ্কুম বহি যায় ॥
মুকুতা কাঞ্চলি ফাটি আছে ঠাই ঠাই ।
সঘনে খসাই খোপা লোটায় মধাই ॥
এহিমতে শৃঙ্গাৰৰ লক্ষণ যতেক ।
নপাৰন্ত একোমতে ঊষা ঢাকিবাক ॥
বস্ত্ৰে গাৱ ঢাকি যেবে ফুৰন্ত সুন্দৰী ।
তথাপি লভিল বীৰগণে হেতু কৰি ॥

নিশ্চয়ে জানিলো উষা ভৈল যেন হাসি।
নৃপতিক ভয়ে সৱে গৈলেক তৰাসি ॥
নকহিলে আমাক কাটিবে ৰাজা বাণ।
এহি শুণি সবে তেতিক্ষণে দিলা জান ॥
শুনিয়োক ৰাজা কথা তয়ু দুহিতাৰ।
লক্ষিলোহো উষা ভৈল কুল খিলিঙ্কাৰ ॥
কোন বা পুৰুষ আনি আছে তান ঠাৱে।
শৃঙ্গাৰৰ ছটাচয় দেখি মৰ্ম্ম গাৱে ॥
অন্তসপুৰত থাকে তোমাৰ কুমাৰী।
গড় বাজে আমি সৱে থাকো ৰক্ষা কৰি ॥
ক্ষণেকো নযাও ছাড়ি থাকোহো সততে।
নজানো পুৰুষ আসি পড়িল কিমতে ॥
পুৰুষ দেখিতে তাক নপাৱে কেৱলে।
তাতে আসি কিমতে পশিল মায়া বলে ॥
ভালমতে লক্ষি আক কহিলোহো আমি।
হেন জানি যেন জুৱাই কৰিয়োক তুমি ॥
এহি কথা শুনিয়া ব্যথিত ভৈল বাণ।
মহা লাজে কিছু নিদিলেক সমিধান ॥
ঝীউৰ দোষণ শুনি ক্রোধে মত্ত ভৈল।
মহাবেগে অন্তসপুৰক চলি গৈল ॥
শুনা সভাসদ অনিৰুদ্ধ নিৰোধন।
নাৰীৰ নিমিত্তে সুখে আছে কোন জন ॥
নাৰীৰ সঙ্গক যিতো কৰে অভিলাষ।
জানিবা আপুনি সিতো ভৈল সৰ্ব্বনাশ ॥
আন ধন জন সঙ্গ নকৰাৱে দূৰ।
স্ত্রী সঙ্গী সঙ্গে যেন কৰে মযিমূৰ ॥
দুৰ্গতিৰ মন্দিৰ জানিবা নাৰী সঙ্গ।
হেন জানি ত্যজিও ইহাৰ যত ৰঙ্গ ॥
জানা স্বৰূপত ইতো নুহিকে শাশ্বত।
সুখভোগ ধন জন দেখা শুনা যত ॥

একেশ্বৰে আসিবাহা যাইবা একেশ্বৰে।
কৈত শুনি আছা পুত্ৰ ভাৰ্য্যা ৰক্ষা কৰে॥
হেন জানি ইতো বাসা আশা সৱে ছাড়ি।
কৃষ্ণক ভকতি কৰা এক বুদ্ধি কৰি॥
আপদৰ বান্ধৱ মাধৱ বুলি যাক।
হিয়ে তাঙ্ক ধৰি হৰি হৰি ছাড়া ডাক॥

উষায়ে সহিতে বসিয়া শয্যাতে
কুমাৰে খেলন্ত পাশ।
দেখি বাণে যাই ৰহিল তথাই
মুখত খৰ উশাস॥
কামৰ কুমাৰ পৰম সুন্দৰ
শ্যাম বৰ্ণ কলেৱৰ।
পীত বসন কমল নয়ন
দেখি যেন মনোহৰ॥
কটাক্ষে লক্ষিত ঈষত হসিত
প্ৰকাশে মুখ-কমল।
কুণ্ডলৰ কান্তি অলকাৰ পংক্তি
জ্বলে অতি নিৰমল॥
উষাৰ সম্ভোগ ৰঙ্গ সময়ত
ৰুচিৰ কুচ কুঙ্কুম।
লাগি আছে ভালা হিয়ে জ্বলে মালা
গ্ৰন্থিত চাৰু কুসুম॥
মালতী মধাই তাৰ গন্ধ পাই
ভ্ৰমৰে নছাড়ে পাশ।
উষাৰ বদন নিৰীক্ষি সঘন
তোলন্ত মধুৰ হাস॥
মহা বাহু দুই দেখি ভয় হুই
শত্ৰুৰ কাম্পে হৃদয়।
হেন পুৰুষক দেখি বাণাসুৰে
ভৈলেক অতি বিস্ময়॥

মহা বীৰগণে অস্ত্র শস্ত্র ধৰি
বেঢ়ি আসি ভৈল বাণ।
দেখি অনিৰুদ্ধে অতি মহা ক্রোধে
জ্বলিল বহ্নি সমান॥
বজ্র লোহাৰ পৰিঘ উঠাই
হাস্ফুটিয়া তেতিক্ষণে।
যেন শূল ধৰি যম ভৈল থিয়
প্রজা সংহৰিবে মনে॥
হেন দেখি সৱে বাণ নৃপতিৰ
কটক গৈল কিটাই।
ধৰ মাৰ বুলি খাণ্ডা লৈল তুলি
ধৰিবাক খেদি যায়॥
একেশ্বৰে বীৰে কামৰ কুমাৰে
দুই হাতে পৰিঘ ধৰি।
কুকুৰগণক প্রচণ্ড বৰাহে
যুজে যেন দান্ত তৰি॥
সেহিমতে বীৰে সৱাকো তাৰিলে
ঘোৰ পৰিঘৰ বাড়ি।
উৰু শিৰ বাহু ভাগিল গ্রীৱাৰ
ওলাই পলাইল জাৰি॥
আপোন সৈন্যক মাৰিবাৰ দেখি
কোপে বাণ জ্বলি গৈল।
মহা বলী জানি নাগ পাশ হানি
কুমাৰক বান্ধি থৈল॥
স্বামীৰ বন্ধন শুনিয়া ক্রন্দন
কৰন্ত উষা সুন্দৰী।
ভৈলন্ত বিহ্বল নয়নৰ জল
পড়ে অতি সৰসৰি॥

ত্যজিল ভূষণ দেৱাঙ্গ বসন
নুভুঞ্জন্ত অন্ন পান।
হা স্বামী বুলি ফুকন্তে কান্দন
শোকে দহে মৰ্ম্মস্থান।
কেনে কুলক্ষণী মই অভাগিনী
জীও আবে কোন লাজে?
স্বামীৰ বন্ধন দুঃখ দেখি হেন
নমৰো কমন কাজে?
উষাৰ সন্তাপ কহিতে নপাৰি
স্বামীৰ অপাৰ বেথা।
আছোক এখন শুনিয়োক যেন
ভৈল দ্বাৰকাৰ কথা॥
কুমাৰক হৰি আনিলে যৈসানি
চিত্ৰলেখি মায়াৱতী।
নেদেখি তাহাঙ্ক সবন্ধু বান্ধৱ
সন্তাপ লভিল অতি॥
কোনে হৰি নিলে নিৰ্ণয় নজানি
কাহাৰো সুখ নভৈল।
হা অনিৰুদ্ধ বোলন্তে বাৰিষা
চাৰি মাস বহি গৈল॥
পাছে নাৰদত শুনিলেক বাৰ্ত্তা
চিত্ৰলেখা নিলে হৰি।
শোণিত পূৰত বাণৰ নান্দনী
আছে উষা বৰনাৰী॥
তেহো সমন্বিত অন্তেসপুৰত
বাণে দেখিলেক যাই।
সেনা বধিবাৰ দেখি নাগ পাশে
বান্ধি থৈল সেহি ঠাই॥

এ৷হি শুনি সবে ক্ৰোধে জ্বলি গৈল
যদুবংশ বীৰচয়।
কৃষ্ণসে দেৱতা ভৈলন্ত যাহাৰ
তাৰ আছে কাক ভয়॥
কৃষ্ণ ৰাম কাম শাম্ব শাৰণ
সাত্যকি গদ প্ৰমুখ্যে।
শোণিত পুৰত বাণক যুঝিত
চলি গৈল জাকে জাকে॥
ৰাম মাধৱৰ যত অনুচৰ
মহাবীৰগণ মানে।
নন্দ উপানন্দ ভদ্ৰ আদি কৰি
চলিল যুদ্ধক থানে॥
বাৰ অক্ষৌহিণী সেনায়ে সহিতে
সাজি গজ বাজী ৰথে।
দশো দিশ যুড়ি বাণৰ নগৰী
বেঢ়িলন্ত জগন্নাথে॥
ভাঙ্গি সিংহদ্বাৰ গড়ৰ প্ৰাকাৰ
উপবন কৰে ছন্ন।
দেখি ক্ৰোধে বাণ তুল্য সেনা সাজি
বাজ ভৈল তেতিক্ষণ॥
বাণৰ সপক্ষ হুয়া মহেশ্বৰ
পুত্ৰ ভৃত্য সমন্বিত।
ৰাম মাধৱক সাজিল যুদ্ধক
ভকতৰ চিন্তি হিত॥
বৃষভত উঠি বেগে দিল ছুটি
ভূতগণে যায় বেঢ়ি।
পাইল যাই লাগ ভৈলা সাতো আগ
সবাঙ্কৰে সাজি পাৰি॥

শুনা বন্ধুজন দেখা কেন ঠান
ভকতৰ স্নেহ অতি ।
আপোন শৰীৰে হৰিক যুঝিতে
সাজি যায় পশুপতি ॥

এতেক ভকতি সমান শকতি
দেৱক তুষিত নাই ।
হেন জানি হৰি চৰণে ভজিও
ভকতি কৰি সদাই ॥

যদি দুষ্টে নিন্দি কৃষ্ণক দূষিত
কৰে যেৱে দুৰাচাৰ ।
উপজি উপজি পড়ে নৰকত
নিস্তাৰ নাহিকে তাৰ ॥

নামত যাহাৰ পুৰুষ উদ্ধাৰ
নিন্দে তান দাস বুলি ।
নিন্দিবাহা সাক্ষী খাইলে দুয়ো আঁখি
সেহিসে জানিবা কলি ॥

নমো ৰমাকান্ত অচ্যুত অনন্ত
কৰিও নিস্তাৰ মোক ।
পাষণ্ড সঙ্গত হৱে দোষ যত
আবে মোক ক্ষমিয়োক ॥

গৃহাশ্ৰমে যাৱে থাকি মানে তাৱে
পাপৰ নাহি বিৰাম ।
অনন্ত কন্দলি কহে কৃতাঞ্জলি
ডাকি বোলা ৰাম ৰাম ॥

মিলিল তুমুল ৰোল হৰি শঙ্কৰৰ ।
দেখন্তে আশ্চৰ্য্য লোম শিহৰে গাৱৰ ॥
প্ৰদ্যুম্নৰ কাৰ্ত্তিকৰ লাগিল সংগ্ৰাম ।
কুভাণ্ড কুশকৰ্ণ সমে যুজে হলীৰাম ॥

বাণ পুত্র সমে শাম্ব জাম্বৱতী-সুত।
বাণ সাত্যকিয়ে যুদ্ধ ভৈল বিপৰীত ॥
দেৱৰ নায়ক যত ব্রহ্মা আদি কৰি।
যুদ্ধ চাহিবাক সৱে গৈল ৰথে চড়ি ॥
আনো যত সিদ্ধ মুনি গন্ধৰ্ব্ব চাৰণ।
অপ্সৰা বিদ্যাধৰ যক্ষ ৰক্ষগণ ॥
সবান্ধৱে মাধৱক যুজন্ত শঙ্কৰ।
অদ্ভুত দেখিয়া চাহি আছে সুৰাসুৰ ॥
শঙ্কৰৰ কটক পিঙ্গট অতিশয়।
ভূত প্রথম প্রেত গুহ্যক দুৰ্জ্জয় ॥
ডাকিনী যোগিনী আৰু ধন বিনাশক।
ভূত মাতৃ পিশাঞ্চ কুষ্মাণ্ড বেতালক ॥
যক্ষ ৰাক্ষস কতো যুজিবাক চাৱে।
ধৰিয়া সাৰঙ্গ ৰঙ্গে ধাইলন্ত মাধৱে ॥
ধনুক টঙ্কাৰি তীক্ষ্ণ মাৰি শৰজাল।
ছেদি ভেদি তেতিক্ষণে খেদাইল সকল ॥
সৈন্য পলাইবাৰ দেখি মনত অতুষ্টি ॥
পিণাক কাৰ্ম্মুক হৰে ধৰি দৃঢ় মুঠি ॥
দিব্য অস্ত্র আছে যত ধৰি বাৰেবাৰ।
কৃষ্ণক লাগিয়া প্রহাৰিল দৃঢ়তৰ ॥
নভৈল বিস্ময় হৰি সাৰঙ্গপাণি।
নিবাৰিলা সকল অস্ত্রক অস্ত্রে হানি ॥
ব্রহ্মঅস্ত্র ধৰি যেৱে প্রহাৰন্ত হৰে।
পূৰ্ণব্রহ্ম অস্ত্রে নিবাৰিল দামোদৰে ॥
বায়ু শৰ হানি হৰে মেলিল বতাস।
পৰ্ব্বতৰ শৰে হৰি কৰিল নৈৰাশ ॥
অগ্নি-শৰ হানি হৰে জ্বালন্ত অগনি।
মেঘসৰে জলে নিমাৱন্ত চক্রপানি ॥
পাশুপাত অস্ত্র যেৱে হানন্ত শঙ্কৰে।
নাৰায়ণ অস্ত্রে সংহাৰন্ত চক্রধৰে ॥

এহিমতে যতেক হানিল শূলপানি।
সৱে নিবাৰিল হৰি নিজ অস্ত্র হানি॥
জৃম্ভন শৰক যেৱে হানিল মূৰাৰি।
মোহ হুয়া শঙ্কৰ ৰহিল দান্ত তৰি॥
ঘনে ঘনে হাচি উঠে ভেদিলেক শৰে।
লাচাপিচা কৰে হৰে ঢলো পৰো কৰে॥
হৰক মোহিয়া হৰি গদা খড়্গ শৰে।
বাণৰ সেনাকে কাটিলন্ত নিৰন্তৰে॥
মাধৱৰ শৰে ফুটি গৈল আঁখি মুখি।
কতোহো মৰিল কতো পলায় প্রাণ ৰাখি॥
প্রদ্যুম্নৰ শৰ ছোটে কার্ত্তিক কুমাৰ॥
পাড়িল শৰীৰ থিৰ নোহে কলেৱৰ॥
সকল শৰীৰে ধাৰে তেজ বহি যায়।
ময়ূৰত ছুটি দিয়া গৈলেক পলাই॥
বলৰ মুষলে অতি ভেদিল শৰীৰ।
কুপকর্ণ কুভাণ্ড পড়িল দুয়ো বীৰ॥
নায়ক পড়িল দেখি যত সেনাগণ।
দশোদিশ পলাই ছাড়িয়া ঘোৰ ৰণ॥
ভাগিল আপোন সৈন্য দেখি ৰাজা বাণে।
সত্যেকিক এড়ি মাধৱক ধাইল ৰণে॥
হাজাৰেক বাহুক জঙ্কাৰি বীৰবৰে।
পাঞ্চশত ধনু আজুৰিয়া একেবাৰে॥
একো একো ধনুত যুড়িল দোধো বাণ।
মহা মদ-গর্ব্বে চাহে কৰিতে সন্ধান॥
হেন দেখি হৰি হাসি ধনু ধৰি ডাটি।
পঞ্চশত শৰ তাৰ পেলাইলন্ত কাটি॥
একেবাৰে মাৰি ৰথ সাৰথি তুৰঙ্গ।
বঙ্গে নাৰায়ণে অতি ফুঙ্কিলন্ত শঙ্খ॥
ভূমিত পড়িল বাণ হৰিল প্রভাব।
হেন দেখি সন্তাপিত ভৈল তাব মাব॥

নামত কোটৰী তাই চিন্তিল মনত।
মাধৱৰ হাতে হেৰা পুত্ৰ হৱে হত॥
পুত্ৰপ্ৰাণ ৰক্ষা কৰিবাক এক মনে।
পুত্ৰস্নেহে লাজকাজ এড়ি তাৱক্ষণে॥
ভৈলেক লাঙ্গত চুল মেলি আউল বাউল।
কৃষ্ণৰ আগত গৈয়া ৰহিল নিশ্চল॥
নগ্ন নাৰী দেখি হৰি অধোমুখ হুয়া।
যুদ্ধ এড়ি ৰহিলন্ত আন ভিতি চায়া॥
সেহি বেলা বাণাসুৰে ভয়ে ছেগ চাই।
লৱড়িয়া নগৰত পশিলেক যাই॥
শঙ্কৰৰো ভূতগণ সকলে পলাইল।
কেৱল ত্ৰিশিৰা জ্বৰে মাধৱক ধাইল॥
অনন্তৰে নাৰায়ণে আছে তাক দেখি।
হানিল বৈষ্ণৱ জ্বৰ খানিকো নাপেক্ষি॥
দুই জ্বৰে খেদি গৈয়া দুয়ো দুইক পাই।
কৰিল দুৰ্ঘোৰ ৰণ কথন নযায়॥
বৈষ্ণৱ জ্বৰৰ বল অতি গুৰুতৰ।
মহেশৰ জ্বৰক পীড়িল নিৰন্তৰ॥
জানিয়া ত্ৰিশিৰা বিষ্ণু-জ্বৰে লৱে প্ৰাণ।
চিন্তিয়া নপাইল সিতো অভয়ৰ স্থান॥
কৃষ্ণত শৰণ লৈল মহা ভয় মনে।
কৃতাঞ্জলি কৰি স্তুতি বুলিল বচনে॥
আপোনাতে ভিন্ন হেন মাধৱক মানি।
কৃষ্ণক মাৰিতে আগে ধাইলেক আপুনি॥
পাছে কৃষ্ণ তেজে সন্তাপিত হুয়া অতি।
পৰম ঈশ্বৰ হেন জানি কৰে স্তুতি॥
ত্ৰিশিৰা বদতি কৃষ্ণ প্ৰণামো তোমাক।
অনন্ত শকতি মহেশ্বৰ বুলি যাক॥
সমস্তৰে জীৱন কেৱলে জ্ঞান মন।
জগতৰ সৃষ্টি-স্থিতি-সংহাৰ কাৰণ॥

যে ব্ৰহ্মা সেহি তুমি বেদেসে প্ৰমাণ।
সৰ্ব্ব ক্ৰিয়া ৰহিত কহিতো নাহি আন ॥
সুবেশ সুবস্তু যত আছে সংসাৰত।
আমি তাৰ প্ৰভু হেন মানোহো মনত ॥
সৱাতে উদিত তুমি দেৱ নিৰঞ্জন।
তোমাতে প্ৰস্তুত কৰিবেক কোন জন ॥
তুমিসে সৱাৰে প্ৰভু কৰো নমস্কাৰ।
শৰণে পশিলো প্ৰাণ ৰাখিও আমাৰ ॥
তোমাত অপৰ ৰক্ষাস্থান নাহি আন।
ত্ৰাহি ত্ৰাহি মহা কৃষ্ণ কৰা পৰিত্ৰাণ ॥
কাল কৰ্ম্ম দেৱ দ্বিজ আৰু সংস্কাৰ।
তন্মাত্ৰা প্ৰকৃতি সমে প্ৰাণ অহঙ্কাৰ ॥
পঞ্চ মহাভূত ইন্দ্ৰিগণ নিৰন্তৰ।
ইহাৰ সঙ্গতি যাক বুলি কলেৱৰ ॥
আৰ বীজ অঙ্কুৰ কৰ্ম্মেসে তাৰ তনু।
এহি মতে কাৰ্য্য বীজ হৱে পুনঃ পুনু ॥
এহি তযু মায়া আৰু তুমিসে নিস্তাৰ।
পশিলো শৰণে দোষ ক্ষমিয়ো আমাৰ ॥
যদি বোলা দৈৱকীৰ পুত্ৰ মই হৰি।
মোৰ হেন মহিমা হৈবেক কেন কৰি ?
নুহিকে কাহাৰো পুত্ৰ জানা সাৰে সাৰ।
ভূমি-ভাৰ সংহাৰিতে ইতো অৱতাৰ ॥
বাৰে বাৰে লীলা কৰি ইতো তনু ধৰি।
জগতৰে ধৰ্ম্ম সেতু ৰাখা তুমি হৰি ॥
হিংসায়ে প্ৰৱৰ্ত্তে যিতো দুষ্ট দৈত্যগণ।
তাক মাৰি ৰক্ষা কৰা দেৱ সাধুজন ॥
ভকতৰ কাৰ্য্যেসে তোমাৰ অৱতাৰ।
নাম কৰ্ম্ম শুনি লোকে তৰয় সংসাৰ ॥
নজানি সে তোমাক আসিলো মই ধাই।
হেন জানি মোক কৃপা কৰা কৃপাময় ॥

তোমাৰ আদেশে ইতো ঘোৰ শীত জ্বৰ।
ভৈলোহো তাপিত অতি কাম্পে কলেৱৰ ॥
যদি মই সন্তাপী পৰম ক্রূৰ জন।
মোৰ তাপ হৈবেক উচিত নাৰায়ণ ॥
তথাপি তোমাত মই পশিলো শৰণ।
গুচায়োক তাপ বাও কৰিও ৰক্ষণ ॥
তযু পাদ পদ্মক নভজে লোকে যাৰে।
সংসাৰৰ মহাতাপ নেড়াৱয় তাৰে ॥
কিন্তু তযু সেৱাত প্রৱর্ত্তে যাৰ চিত।
তাৰ তাপ পাইবে প্রভু নুহিকে উচিত ॥
এহিমতে ত্রিশিৰা জ্বৰৰ স্তুতি শুনি।
হাসি কৃপাময় হৰি বুলিলন্ত বাণী ॥
শুনৰে ত্রিশিৰা তোত ভৈলোঁহো সদয়।
মোহোৰ জ্বৰত তোৰ খণ্ডিয়োক ভয় ॥
কিন্তু তই মোৰ আজ্ঞা কৰিবি সতত।
ভকতি কৰিয়া যিতো মোৰ চৰণত ॥
তোৰ মোক সম্বাদক সদায়ে সুমৰে।
তাৰ তোত ভয় নুহিবেক মোৰ বৰে ॥
কৃষ্ণক প্রণামি জ্বৰে এহি হৌক বুলি।
কৃষ্ণ আজ্ঞা শিৰে ধৰি বেগে গৈল চলি ॥
অনন্তৰে বাণাসুৰে সাজি মহাৰথ।
কৃষ্ণক যুজিতে আসি ভৈল উপগত ॥
হাজাৰেক হাতে নানাবিধ অস্ত্রচয়।
ক্রোধে মাধৱক প্রহাৰিল দুৰাশয় ॥
চাৰিখান ৰাখি তাক কাটিল নিডলি।
বৃক্ষৰ যেহেন ডাল পড়ে সৰি সৰি ॥
বাহু ছেদ ভৈল দেখি ডৰিল শঙ্কৰ।
বোলন্ত ভকত মোৰ যায় যমঘৰ ॥
শঙ্কট বেলাত আক ৰাখিবাক লাগে।
এহি বুলি গৈল হৰ মাধৱৰ আগে ॥

দুই বাহু মেলি যায় ভকতক ৰাখি ।
মাধৱক স্তুতি বাক বুলিলন্ত ডাকি ॥
ৰাখা ৰাখা প্ৰভু মোৰ ভকতৰ প্ৰাণ ।
তুমিসে ঈশ্বৰ মোৰ গতি নাহি আন ॥
নজানি তোমাত ইতো যুজে মন্দ কৰ্ম্ম ।
বেকতো গুপ্ততো বাতো তুমি পূৰ্ণ ব্ৰহ্ম ॥
নিৰ্ম্মল ভকতি যাত দেখয় প্ৰকাশ ।
সদানন্দ শুদ্ধ তুমি যেহেন আকাশ ॥
আছোক জানিবে তযু নিগু´ণৰ গতি ।
বিৰাট ৰূপৰ তযু নজানয় স্থিতি ॥
ডম্বৰু ফলৰ ভিতৰৰ মশগণে ।
ডম্বৰু ফলক সিতো নজানয় যেনে ॥
গগণেসে নাভি যাৰ মুখে হুতাশন ।
জলেসে ৰেতস শিৰ ব্ৰহ্মাৰ ভুৱন ॥
দশোদিশে কৰ্ণ যাৰ পৃথিৱী চৰণ ।
চন্দ্ৰেসে যাহাৰ মন সূৰ্য্য নিৰীক্ষণ ॥
মই যাৰ অহঙ্কাৰ চন্দ্ৰেসে জঠৰ ।
বাহু যাৰ ইন্দ্ৰ আদি দেৱ নিৰন্তৰ ॥
ৰোমে ঔষধিগণ মেঘ যাৰ কেশ ।
বুদ্ধি ব্ৰহ্মা প্ৰজাপতি উপস্থ বিশেষ ॥
অধৰ্ম্মে সে পৃষ্ঠি যাৰ ধৰ্ম্মে সে হৃদয় ।
হেনয় পুৰুষ তুমি ত্ৰিভুৱনময় ॥
যদি বোলা মোৰ সাত বিতস্তি প্ৰমাণ ।
এহি শৰীৰক কি মহিমা হেন ঠান ॥
ভকতি কল্যাণ হেতু ধৰ্ম্মক ৰাখিত ।
ধৰি আছা ইতো তনু কৰিয়া বিদিত ॥
হেন পূৰ্ণ ৰূপ তযু নজানি প্ৰমাণ ।
তুমি সে আমাক প্ৰতিপালা সৰ্ব্বক্ষণ ॥
তোমাৰে সে তেজে ইতো সপত ভুৱন ।
সৃজো পালোঁ আমিও সংহাৰো অনুক্ষণ ॥

যতেক দেৱতা আমি সৱে তযু দাস।
তুমি সে পুৰুষোত্তম সবাৰো নিৱাস ॥
যদি বোলা জগত পালক তুমি সৱে।
পালিবাক লাগিয়া জগত আছা যেবে ॥
ব্ৰহ্ম বুলি স্তুতি কেনে কৰিলা পূৰ্ব্বতে।
অজাতি বিজাতি মোত ভেদ কেন মতে ॥
নাহি ভেদ প্ৰভু তুমি সদানন্দ এক।
প্ৰকৃতিৰ আছা যাতো পুৰুষ প্ৰত্যেক ॥
তোমাৰ সদৃশ নাহি পুৰুষ অপৰ।
শুদ্ধ সুপ্ৰকাশ হেতু অহেতু ঈশ্বৰ ॥
তথাপি আপোন গুণ প্ৰসিদ্ধক প্ৰতি ॥
মায়ায়ে দেখাৱে যেন অনেক আকৃতি ॥
যেৱে মই হেন কেন বোলয় সংসাৰী।
নুহি নুহি প্ৰভু তুমি সৰ্ব্ব সাক্ষী হৰি ॥
যেন মেঘ ছাঁয়া ঢাকি থাকে দিবাকৰ।
ছাঁয়াকো প্ৰকাশি প্ৰকাশয় চৰাচৰ ॥
সেহি মতে তোমাক নেদেখে অহঙ্কাৰে।
গুণক প্ৰকাশি জীৱচয়ে নিৰন্তৰে ॥
মায়াৰ আশ্ৰয় তুমি সমস্ত মোহন।
কেন মতে আছে তযু সংসাৰ-বন্ধন ॥
তোমাৰ মায়ায়ে বিমোহিত বুদ্ধি হুয়া।
মৰে মোৰ গৃহ পুত্ৰ সকল বুলিয়া ॥
ধন জন সুখ বুলি চিন্তয় সতত।
তল যায় ওপঙ্গয় ঘোৰ সংসাৰত ॥
ব্ৰহ্ম পদ পাই আসি স্থাৱৰ হোৱয়।
কি কহিবো তোমাৰ মায়াৰ বিপৰ্য্যয় ॥
এহিমতে জীৱেশ্বৰে অৱস্থা বৰ্ণাই।
দেখাইলা সংসাৰে হৰি বিনে বস্তু নাই ॥
হেন ঈশ্বৰক নভজয় যিতো নৰে।
তাঙ্ক নিন্দি স্তুতি বাণী বুলিলা শঙ্কৰে ॥

শুনা নৰ নাৰী ইতো মহাভাগৱত।
শিৱৰ ভকতি কেনে দেখিয়ো কৃষ্ণত ॥
মহন্তে সে জানে মহা মহন্তৰ মান।
দুষ্ট দুৰ্ম্মুখে সে নিন্দে মুবুজি প্ৰমাণ ॥
কৃষ্ণ সে পৰম ইষ্টদেৱ জগতৰ।
ব্ৰহ্মা মহাদেৱ যাৰ সদায়ে কিঙ্কৰ ॥
ধন জন গৰ্ব্বিত বৰ্ব্বৰ যিতো জন।
হেন কথা শুনি তভো নোপজে চেতন ॥
কৈৰ ধন জন মৰে তাহাৰ জঞ্জালে।
কেতিক্ষণে ঘণ্ট লাড়ি নিবে পৰা কালে ॥
মাধৱৰ চৰণ নধৰে আঙ্কোৱালি।
বুৰি আসে নাৱ গিলি আসে পাপ কলি ॥
যেবে জানা সধুজন তৰিবা সম্প্ৰতি।
দৃঢ় কৰি ধৰা হৰি চৰণ ভকতি ॥
কৃষ্ণৰ কিঙ্কৰে কহে অনন্ত কন্দলি।
ছাড়া পাপ ৰাম ৰাম বোলা গল মেলি ॥

বদতি শঙ্কৰ তুমিসে ঈশ্বৰ
দিলা যিতো নৰকায়।
আক পাই যিতো সদায়ে নভজে
তোমাৰ এ দুই পাৱ ॥
আপোনাক সিতো বঞ্চিলেক জানা
শোক কৰো তাকে লাগি।
গৈল অধোগতি তোমাৰ ভকতি
ত্যজিয়া সিতো অভাগী ॥
তুমি সে ঈশ্বৰ আত্ম প্ৰিয়তৰ
তোমাক ত্যজে যিজনে।
মিছা ধন জন সুখৰ কাৰণ
আনক ভজে যতনে ॥

যেন মূঢ় জনে অমৃতক ত্যজি
যাচি মৰে বিষ খায়।
হৰি হৰি সিতো সেহি নয় ভৈল
আত্মাঘাতী সমুদায় ॥
সকল প্ৰকাৰে মই তযু দাস
তুমি সে প্ৰভু ঈশ্বৰ।
তোমাকেসে চিন্তো তযু নাম বিনা
নজানো ধৰ্ম্ম অপৰ ॥
ব্ৰহ্মাও সদায় তোমাৰেসে দাস
নজানন্ত দেৱ আন।
তোমাকেসে যিতো শুদ্ধমনে ভজে
দেৱত তুমি প্ৰধান ॥
ভজনীয় দেৱ তুমিসে শাশ্বত
জানিয়া কৰো প্ৰণতি।
সৰ্ব্বক্ষণে মোৰ তোমাৰ চৰণে
বাঢ়োক প্ৰেম ভকতি ॥
তোমাৰ সদৃশ নাহিকে পুৰুষ
ভজিবাক দেৱ আন।
দুস্তৰ সংসাৰ তৰণ এতেকে
ভজোহো তযু চৰণে ॥
ইতো বাণাসুৰ মোৰ অনুচৰ
প্ৰিয়তৰ অতিশয়।
ইহাক অভয় দিয়া আছো মই
জানিয়োক কৃপাময় ॥
হেন জানি আক প্ৰাণে নমাৰিয়ো
কৰিয়ো মোকে সদয়।
দিলাহা প্ৰসাদ প্ৰহ্লাদক যেন
আকো দিয়া সেহি নয় ॥

শিৱৰ বচন শুনি নাৰায়ণ
বুলিলা মধুৰ বাণী।
তযু মন প্ৰীতি সাধিবো সম্প্ৰতি
বুলিলা যেন আপুনি ॥
শুনিও শঙ্কৰ তোমাৰ কিঙ্কৰ
জানিলো আতি বিদিত।
ভকতৰ অৰ্থে যতেক বুলিলা
সকলে সাধু উচিত ॥
মোহোৰ অবধ্য ইতো বাণাসুৰ
জানিবাহা ত্ৰিনয়ৰ।
বলিক নিৰ্ভয় কৰি আছো আগে
নকৰিবো বংশ ছন্ন ॥
তোমাৰ বচন সৱাতো অধিক
এতেকে প্ৰাণ ৰাখিলো।
প্ৰতাপক চূৰ্ কৰিবাক প্ৰতি
অনেক বাহু ছেদিলো ॥
বহুতৰ সৈন্য বধিলো ইহাৰ
পৃথিবীৰ যাতো ভাৰ।
তোমাৰ কৃপায়ে চাৰিখান হাত
থাকোক আৰে ইহাৰ ॥
অজৰ অমৰ হৌক বাণাসুৰ
দিলো আৰে মই বৰ।
মুখ্য পাৰিষদ হওক তোমাৰ
কাহাতো নহৌক ডৰ ॥
হেনয় নিৰ্ভয় বৰক লভিয়া
বাণাসুৰ মহাবীৰ।
দণ্ডৱতে পৰি কৃষ্ণক নমিল
পৃথিৱীত দিয়া শিৰ ॥

পাছে অনিৰুদ্ধ কুমাৰক আনি
উষা সতী সমন্বিতে।
দিব্য ৰথে তুলি কৃষ্ণৰ আগত
দিলা আনি অলঙ্কৃতে॥
ঝীউৰ লগত অনেক যৌতুক
দিলা মনোৰথ পুৰি।
শঙ্কৰৰ প্ৰীতি সাধি যদুপতি
চলি গৈল যাত্ৰা কৰি॥
অসংখ্যাত সৈন্য দশোদিশ যুড়ি
বৰ কন্যা আগ কৰি।
অনেক মঙ্গলে মহা কৌতূহলে
পাইল যাই নিজ পুৰী॥
সিতো ৰাজধানী ত্ৰৈলোক্য মোহিনী
কৃষ্ণৰ দ্বাৰকা পুৰী।
কদলী তোৰণ ধ্বজ সুশোভন
পুতি আছে সাৰি সাৰি॥
ৰাজপথ যত চোতাল পধূলি
ভূষিত অতি বিশেষ।
কৃষ্ণ আইসে শুনি সকল নগৰী
মিলিল ৰঙ্গ অশেষ॥
ব্ৰাহ্মণ সজ্জন বন্ধুগণ যাই
আনিলন্ত আগবাঢ়ি।
অসংখ্য দুন্দুভি বাৰে ঢাক ঢোল
গাৱে সুমধুৰ খেড়ি॥
সবন্ধু বান্ধৱে শিৱক জিনিয়া
নাতিক আনিল হৰি।
কৃষ্ণক অনেক প্ৰশংসা কৰয়
নিৰন্তৰে নৰনাৰী॥

পৰম সুন্দৰী উষাক দেখিয়া
সৱাবে অতি হৰিষ।
সকল নগৰী জয় কৃষ্ণ ধ্বনি
শুনি মাত্র দশোদিশ॥
শঙ্কৰ সহিত যুদ্ধ বিপৰীত
কৃষ্ণৰ যেন বিজয়।
প্ৰভাতে উঠিয়া ভকতি কৰিয়া
আক যিতো সুমৰয়॥
কৃষ্ণ সুপ্ৰসন্নে তাবো একোঠানে
নুহিবেক পৰাজয়।
হৰি সুমৰণ মুকুতি কাৰণ
সমস্তে সুখ মিলয়॥
শুনা নৰ নাৰী একচিত্ত কৰি
ভাগৱত কথা সাৰ।
লম্ভা নাহি আত অমৃত সাক্ষাত
ইসে মুকুতিৰ দ্বাৰ॥
তথাপি ইহাত মতি নাহি যাৰ
সি সি জন যমদূত।
শিৱৰ উত্তৰ আপুনি শুনিলা
কাহিবো কিবা বহুত॥
অমৃতক ত্যজে বিষৱক ভুঞ্জে
ইঠাৱতে দেখি তাক।
জানি তাক ত্যজি হৰি পদে ভজি
যনে ছাড়া হৰি ডাক॥

# ASAMIYA SAHITYAR CHANEKI

Vol. II, Part II

# ASAMIYA SAHITYAR CHANEKI

OR

# TYPICAL SELECTIONS

FROM

# ASSAMESE LITERATURE

Vol. II

VAISNAVA PERIOD

Part II

EDITED BY

HEMCHANDRA GOSWAMI

ASSAM CIVIL SERVICE

PUBLISHED BY THE

UNIVERSITY OF CALCUTTA

1924

PRINTED BY BHUPENDRALAL BANERJEE
AT THE CALCUTTA UNIVERSITY PRESS,
SENATE HOUSE, CALCUTTA.

Reg. No. 57B, May, '24—500

# নিৰ্ঘণ্ট ।


| বিষয় | পিঠি |
|---|---|
| **কবি পীতাম্বৰ দ্বিজ ।** | |
| উষাৰ বিবাহ ... ... ... | ৪২১—৪৩২ |
| **শ্ৰীধৰ কন্দলি ।** | |
| কাণখোৱা ... ... | ৪৩৩—৪৪৩ |
| ঘুনুচা ... ... | ৪৪৩—৪৫২ |
| **ভাগৱত-মিশ্ৰ ।** | |
| সাত্বত তন্ত্ৰ ... ... ... | ৪৫৩—৪৭০ |
| বিষ্ণুপুৰাণ ... ... | ৪৭১—৪৮৩ |
| **গোপাল-মিশ্ৰ ।** | |
| জন্মাদ্যস্য শ্লোকৰ কীৰ্ত্তন ... ... | ৪৮৪—৪৯৬ |
| পৰম-ধৰ্ম্ম নিৰূপণ ... ... | ৪৯৬—৫০৪ |
| **ভট্টদেৱ ।** | |
| কথা-ভাগৱত ... ... ... | ৫০৫—৫১২ |
| কথা-গীতা ... ... ... | ৫১২—৫২২ |
| **সাগৰ খৰী ।** | |
| কুৰ্ম্মৱলী বধ ... ... ... | ৫২৩—৫৩১ |
| **গোপাল চৰণ দ্বিজ ।** | |
| হৰিবংশ ... ... ... | ৫৩২—৫৩৯ |
| **গোবিন্দ মিশ্ৰ ।** | |
| শ্ৰীমদ্ভাগৱদ্গীতা ... ... ... | ৫৪০—৫৬৯ |

| বিষয় | | | | পিঠি |
|---|---|---|---|---|
| | | **শ্ৰীবিষ্ণু ভাৰতী।** | | |
| ভাগৱত-ৰত্ন | ... | ... | ... | ৫৭০—৫৮১ |
| | | **সুকবি নাৰায়ণদেৱ।** | | |
| বেহুলা লক্ষীন্দৰ | ... | ... | ... | ৫৮২—৫৯৪ |
| | | **চন্দ্ৰচূড় আদিত্য।** | | |
| উৎকণখণ্ড | ... | | ... | ৫৯৫—৬০১ |
| | | **বিষ্ণু ভাৰতী।** | | |
| ধ্ৰুব চৰিত্ৰ | ... | ... | ... | ৬০২—৬০৮ |
| | | **ৰামচৰণ ঠাকুৰ।** | | |
| শঙ্কৰচৰিত | ... | ... | ... | ৬০৯—৬১৯ |
| | | **কৃষ্ণানন্দ দ্বিজ।** | | |
| পূৰ্ণ ভাগৱত | ... | ... | ... | ৬২০—৬২৬ |
| | | **ভকতীয়া ফঁকৰা।** | | |
| ফঁকৰা | ... | ... | ... | ৬২৭—৬২৯ |
| | | **দামোদৰ দাস।** | | |
| মহাভাৰত দ্ৰোণ পৰ্ব্ব | | ... | ... | ৬৩০—৬৪৮ |
| | | **ৰত্নাকৰ মিশ্ৰ।** | | |
| ব্ৰহ্মগীতা | ... | ... | ... | ৬৪৯—৬৬১ |
| গীতা-কীৰ্ত্তন | ... | ... | ... | ৬৬২—৬৮২ |
| | | **অনিৰুদ্ধ।** | | |
| গীত | ... | ... | ... | ৬৮৩—৬৯৭ |

বিষয় পিঠি

ৰামানন্দ দ্বিজ।

বংশীগোপাল চৰিত্ৰ ... ... ... ৬৯৮—৭২৩

নৰোত্তম ঠাকুৰ।

ভক্তিপ্ৰেমাৱলী ... ... ... ৭২৪—৭৩৯

ভূষণ দ্বিজ।

শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ ... ... ৭৪০—৭৪৮

দামোদৰ দ্বিজ।

মহাভাৰত শল্যপৰ্ব্ব ... ... ... ৭৪৯—৭৬২

গোপীনাথ পাঠক।

মহাভাৰত দ্ৰোণপৰ্ব্ব... ... ... ৭৬৩—৭৮১

কবিৰামৰায় দাস।

গুৰুলীলা ... ... ... ৭৮২—৮১৪

শ্ৰীৰাম যদুমণি।

গোপাল আতাৰ চৰিত্ৰ ... ... ৮১৫—৮৩০

# অসমীয়া সাহিত্যৰ চানেকি।

## কবি পীতাম্বৰ দ্বিজ।

আত্ম পৰিচয়।

উষাৰ বিবাহ কথা পুণ্যময় আতি।
শুনিলে বাঞ্ছিত সিদ্ধি বাঢ়য় বিভূতি॥
বাঢ়ে পুত্র পৰিয়াল নাশ কৰে দুঃখ।
শৰীৰ ছাৰিয়া গিয়া ভুঞ্জে স্বৰ্গ সুখ॥
হেন মধুময় কথা ব্রাহ্মণে কহিল।
পয়াৰ নিবন্ধে তাক ৰচনা কৰিল॥
পয়াৰ নিবন্ধে দোষ যতেক আছয়।
ক্ষমিবা সকলে হেৰা আহ্মাৰ বিনয়॥
কামতা নগৰে সুৰ পৰ অৱতাৰ।
এক মুখে গুণ গণ কে কহিবে তাৰ॥
পীতাম্বৰ নাম কবি শিশু মতি অতি।
উষা পৰিণয় লাস কথা ৰস ৰতি॥
বাণ যুত বাণ বেদ শশাঙ্ক সময়।
বৈশাখৰ সিত পক্ষত শুভ সময়॥
সৰ্ব্ব সিদ্ধি যোগ আৰ শুভ গুৰুবাৰ।
কহে পীতাম্বৰ উষা বিবাহ পয়াৰ॥

## উষাৰ বিবাহ।

উষা সময়ত কন্যা হৈল উতপতি।
আতি হৰষিতে বাণাসুৰ দৈত্যপতি॥
উষা নাম থৈলা যেন বিধি বেৱহাৰে।
বাঢ়ে উষা কন্যা তবে বাপৰ মন্দিৰে॥

বাঢ়য় হৰিষ নৱ যৌবন বহেস।
জলধৰ ৰুচিৰ কুটিল নীল কেশ॥
বান্ধিল চিকুৰ দিয়া মুকুতাৰ জালি।
অভিনৱ মেঘে যেন পৰয় বিজুলী॥

মালতী কুসুম ৰসে খোপা শোভে পাশে।
নক্ষত্ৰ মণ্ডলে যেন চন্দ্ৰৰ প্ৰকাশে॥
শিখত সিন্দুৰ যেন বিধুম হুতাশ।
তৰুণ তিমিৰে যেন সূৰ্য্যৰ প্ৰকাশে॥

ললাটে কুঙ্কুম পত্ৰ ভুম দল ধনু।
কাজলে গৰল যেন থাপিলন্ত তনু॥
নয়ন বিশিখ দিয়া থুইল সন্ধানে।
বিধি ভৈল জান্তে কিবা আনেৰ পৰাণে॥

নানা তিল পুষ্পাৰ ফুলিল পৰতেক।
শঙ্খ জিনি কুস্তুভ সুন্দৰ তিনি ৰেখ॥
অধৰ সুন্দৰ যেন ফুলিল পাৰলি।
দন্ত কুন্দ শ্ৰেণী যেন গান্থিলেক মালি॥

পলাশ কুসুম যেন ফুলিল গগণে।
ৰাক নিন্দে উষাৰ সে এদুই নয়নে।
ৰতন কুণ্ডল দুই ঢুলে গণ্ড স্থলে।
দুই ৰবি আমলে যেমন কৈল কোলে॥

দুই বাহু শোভে যেন মৃণাল সোণাৰ।
কৰতল কোমল দেখিতে শোভাকৰ॥
ৰত্নময় অঙ্গ দন্ত যেন আভৰণ।
মনালে মিলিল যেন সহস্ৰ কিৰণ॥

চম্পাৰ পাকৰি যেন দশ কৰ শাখা।
পিধিল আঙ্গুৰি মূল নাহি লেখা জোখা॥
অভিনৱ কুচ্চ দ্বাৰ বদন সোণাৰ।
তাহাৰ উপৰে শোভে মুকুতাৰ হাৰ॥

সুগন্ধ চন্দনে পয়োধৰ কৈল ভুৰি।
ৰচিল কমল মদয়াত কস্তুৰী॥
সকয়া কাঙ্কলি কুচ ভাঙ্গিল সুন্দৰী।
নেধৰয়া ভ্ৰূ লতাক আভৰণ কৰি॥

আতি কৃশ দেৱী সিংহ জিনি মাঝ খিনি।
শ্ৰোণি ভৰে ভাৰ আতি বলিত কিঙ্কিণী॥
ৰাম ৰম্ভা বিপৰীত উৰু যুগ নিন্দে।
চৰণ দেখিয়া লাজ স্থল অৰবিন্দে॥

দ্বিতীয়াৰ যেন নিষ্কলঙ্ক সুধা নিধি।
কে জানে কতেক যত্নে নিৰমিল বিধি॥
আতি অনুপম নৱ বুলি কুমাৰীৰ।
চৰণে ৰঞ্জিত চাৰু কমুক মঞ্জিৰ॥

পিহিল বলয়া পৰিধান নেতবাস।
অমৃত ৰুচিৰ মনোহৰ তাৰ হাস॥
কোকিলৰ কেলি যেন মধুৰস বাণী।
প্ৰমত্ত মাতঙ্গ গতি চঞ্চল নয়নী॥

সে সব খণ্ডি আসে যৌবন পৰবেশ।
বসন্ত সময় কিছো সুবিশেষ॥
ভুবন মোহন মন্মথ আইস সাজি।
চিত মঞ্জৰিল বিকসিত বনৰাজি॥

লবঙ্গ মাধবী লতা আৰো পাৰিজাত।
অশোক কিংশুক আদি পুষ্প অসংখ্যাত ॥
মকৰন্দ পৰাগে ৰঞ্জিত মহীতল।
তাত ঠেকি সমিৰণে কৰে হল বল ॥

পুষ্প ৰেণু পুষ্প ৰস শৰীৰত লাগি।
ধীৰে ধীৰে সমীৰণ আৱে অনুৰাগী ॥
ভ্ৰমৰে গুঞ্জৰে উন্মত্ত মধু পানে।
পুৰিল সকল দিশ কোকিল নিশানে ॥

ত্ৰিভুবন আনন্দ সময়ে মধু মাস।
সংসাৰত জুৰিল লোকৰ অভিলাস ॥
দানৱ নন্দিনী উষা হেনয়ে সময়ে।
গহন বেড়ায়ে হেন কৰিলা হৃদয়ে ॥

সখীগণ সঙ্গে অঙ্গ কৰিয়া সুবেশ।
কুসুমিত কাননে কুমাৰী পৰবেশ ॥

---

সিংহনাদ শবদ কৰিল শূলপানি।
সপত পাতাল স্বৰ্গ কাম্পিল ধৰণী ॥
ৰথত চৰিল ত্ৰিভুবন অধিপতি।
নন্দীয়ে ভইল তবে ৰথৰ সাৰথি ॥

সংগ্ৰামে আৰ্জনা লড়ি লয় ভূতগণে।
গোবিন্দৰ সমুখে ৰহিল কোপ মনে ॥
হৰ বোলে হৰি আজি ঠেকিল বিষমে।
প্ৰাণ সংহৰিবো তোক আজিৰ সংগ্ৰামে ॥

কংস কেশী মুষ্টিৰ চাণূৰ বকাসুৰ।
তাক মাৰি গৰ্ব্ব তোৰ বাঢ়িল প্ৰচুৰ ॥
ভাল মন্দ নজানিস গাৱেৰ গৰবে।
মোৰ হাতে পৈলে বোল্ কি কৰিবি এবে ॥

বুলিস মোহোৰ সম বীৰ কোথা আছে।
মোৰ বাণে আপনে জানিবি হৰি পাছে॥
হৰৰ বচন শুনি হাসি নাৰায়ণ।
বুঢ়া বয়সত কেনে বুদ্ধি ভৈলা ছন্ন॥

তোহ্মাৰ আমাৰ কিছু নাহি বোল চাল।
কেহ্নে অকাৰণে হৰ পাৰহ পাচাল॥
সকল দানৱে মোক ৰাতি দিনে ঘাসে।
বাণাসুৰে নাতিক বান্ধিল নাগপাশে॥

তাহাৰ উদ্ধাৰ কাজে মই আইলোঁ ৰণে।
তুমি কি কাৰণে দন্দ কৰা মোৰ সনে॥
হৰ বোলে হৰি বোঝ আপোনাৰ চিতে।
বাণাসুৰ তোহোক ঘানিল কেন মতে॥

অনিৰুদ্ধে অকাজ কৰিল যেন মনে।
পৃথিবীত হেন কাজ কৰে কোন জনে॥
যেবে নাহি শুন কথা শাস্ত্ৰ বেৱহাৰ।
প্ৰথমে বুলিব গিয়া বাপক কন্যাৰ॥

পিতৃ দতা কন্যা হেন কহে সৰ্ব্বজনে।
বৰ্ব্বৰ যাদৱ সব আমি জানি মনে॥
ধৰ্ম্ম এড়িল বুলি দানৱ ৰাজাক।
গাৱেৰ গৰবে গিয়া হৰিল উষাক॥

পথ এৰি যে জনা বিপথে কৰে গতি।
তাক সংহাৰিব হেন শাস্ত্ৰৰ যুগুতি॥
উচিত বান্ধিল বাণাসুৰে তোৰ নাতি।
তাত কেনে যুজিবাক আইলে কোপ মতি॥

তই অকাৰণে সে কৰিতে আছ দন্দ।
শঙ্কৰ থাকিতে কি বাণেৰ আছে মন্দ॥
ষোড়শ সহস্ৰ গোপী তোহ্মাৰ ৰমণী।
পৰম কামুক তুমি ত্ৰিভুবনে জানি॥

ভাল মন্দ লোক-চৰচাক নাহি লাজ ।
কিবা ৰাতি কিবা দিন তিৰি লয়া কাজ ॥
শঙ্কৰৰ বচনে হৰিৰ ভৈল হাস ।
বোলে মন দিয়া শুন শুন দিগবাস ॥

সকল শাস্ত্ৰৰ কথা জানিয়া আপোনে ।
তবে কেনে অকাজ কৰহ ৰাত্ৰি দিনে ॥
সহস্ৰেক মুখে যেবে বৎসৰেক কহি ।
তোমাৰ কথাৰ তেবে অৱসান নাহি ॥

দক্ষ প্ৰজাপতি যজ্ঞ কৰিল যখনে ।
নাদিল তোমাক তাক কপালী কাৰণে ॥
পৰম্পাৰে মহামায়া একথা শুনিয়া ।
প্ৰাণ পৰিহৰিল তোমাৰ লাজ পায়া ॥

কামে উন্মত্ত পাছে ভৈলা তুমি আতি ।
লাখে লাখে হৰিলাহা মুনিৰ যুবতি ॥
যথাৱে তথাৱে দেবী লগত আবাসে ।
অৰ্দ্ধ অঙ্গ কৈলে তিৰি কাম অভিলাসে ॥

কিৰাট কোচেৰ যত আছে বা যুবতী ।
বোল কাৰ সনে নাহি অনুভব ৰতি ॥
হেন সে কামুক তুমি হুয়া ত্ৰিপুৰাৰি ।
কোন লাজে আনক বোলহ কামচাৰী ॥

সকল শাস্ত্ৰৰ নয় তোহ্মাৰ বেহ্মাৰ ।
তবে কেনে বিষ ভুঞ্জ পিন্ধ চিতাচাৰ ॥
যে অস্থি পৰশি তাৰ কথা আছে স্নান ।
হেন হাৰ গলাত কৰিলে পৰিধান ॥

গৰুক পূজিবে হেন কহে সৰ্ব্ব জন ।
পণ্ডিত হইয়া তাত চৰ কেন মন ॥
নিলাজ বুলিয়া সে দুষিলা মোৰ জাতি ।
বোলহ শঙ্কৰ তুমি উপজিলে কন্তি ॥

পকাইলা মাথাৰ কেশ ভৈল পুত্ৰ নাতি।
তথাপি লাঙ্গট হৈয়া ভ্ৰম পশুপতি ॥
যথায়ে তথায়ে দেবী কোলে সৰ্ব্বক্ষণে।
আমাক নিলাজ বোল হয়া হেন জনে ॥

গোৱাল বুলিয়া সে দুষিলা আমা জাতি।
বোলহ শঙ্কৰ তুমি উপজিলে কতি ॥
কাহাৰ তনয় তুমি কুলক নজানি।
ভূত লয়া শ্মশানে বসহ শূলপাণি ॥

কোন কাজে ভূত পতি বখানা অপুনা।
তাৰ আগে কহো তোক নাজানে যে জনা ॥
বুলিলা মই থাকিতে বাণেৰ নাহি ভয়।
কাটিবো বাণেৰ কে ৰাখিবে বাহু চয় ॥

দৈত্যেৰ সহায় তুমি হইল আপোনে।
যেবে বল আছে ৰণ কৰ মোৰ সনে ॥
সৰ্ব্বকালে দানৱ ধৰ্ম্মৰ কৰে নাশ।
হেন পাপিষ্ঠেৰ পক্ষ ভৈল দিগবাস ॥

দেৱতা এৰিয়া ভৈল দানৱেৰ ভিতি।
তাৰ ফল ভুঞ্জ মোৰ শৰে পশুপতি ॥
হৰিৰ বচন তবে শুনিয়া ঈশান।
মহা কোপে জলিলন্ত অগনি সমান ॥

ললাটৰ নয়নে অনল জ্বলে কোপে।
ডৰাইলা সকল দেৱ শঙ্কৰেৰ ৰূপে ॥
ধনু ধৰি হৰিক চাপিয়া কোপ মনে।
অধৰ কামুৰিয়া গৰ্জ্জিল মনে মনে ॥

হাসে নাৰায়ণ শুনি হৰেৰ কাহিণী।
হাসি হাসি পৰিহাঁস বোলে চক্ৰপাণি ॥
গৰ্জ্জন সংগ্ৰামে নাজিনিব ত্ৰিপুৰাৰি।
মৰণে অধিক দুঃখ যেবে ৰণ হাৰি ॥

স্বস্থ হুয়া যুদ্ধ কৰ যত বল আছে।
ৰণ পৰিহৰিয়া পলায়া জোনো পাছে॥
বোল শুনি কোপ কৈল বৃষভ বাহন।
ধনুত জুৰিলে নাৰাচ শত বাণ॥

দশন কামুৰি হৰে প্ৰহাৰিল শৰ।
ত্বৰিতে ভেদিল গোবিন্দৰ কলেবৰ॥
শৰছোট পায়া ত্ৰিভুবণ অধিকাৰী।
মেঘ বাণ ধনুত জুৰিলে শ্ৰীহৰি॥

মন্ত্ৰ অভিষেকি বাণ হানিল তখনে।
শিলা বৃষ্টি বিদ্যুত বৰিষে মেঘগণে॥
শঙ্কৰেৰ সেনাগণ ঢাকিলেক জলে।
কত চুৰ ভৈল পাথৰৰ মহাখেলে॥

জলত ভাসিয়া কতো মৰে সেনাগণ।
দেখিয়া শঙ্কৰেৰ কুপিত ভৈল মন॥
মহাভয়ঙ্কৰ অগ্নি অস্ত্ৰ লৈল কৰে।
স্বৰ্গ মৰ্ত্ত্য পাতাল দেখিয়া কাম্পে ডৰে॥

উল্কাময় নিৰন্তৰে দেখি দশো দিশ।
হৰেৰ অস্ত্ৰেৰ ৰূপ আতি অসদৃশ॥
শঙ্কৰে মাৰিল শৰ কৰি হুহুঙ্কাৰ।
পৃথিবী গগণে অগ্নি ভৈল অন্ধকাৰ॥

হাহাকাৰ কৰে গগণত দেৱ গণে।
গৰুড়ে সহিতে হৰি দহিব দহনে॥
দৈত্য গণে জানিল সংগ্ৰাম ভৈল জয়।
সিংহ নাদ কৰিল হৰিষে আতিশয়॥

অগ্নি অস্ত্ৰ আস্তে হেন দেখি নাৰায়ণ।
বৰুণ অস্ত্ৰ প্ৰহাৰিল ততক্ষণ॥
জল পাইয়া সকল অনল ভৈল নাশ।
শংখ নাদ কৈল হৰি জগতনিবাস॥

শৰ নাশ হৈল হেন দেখি ত্রিপুৰাৰি।
ধনুত জুৰিল ভয়ঙ্কৰ অস্ত্র চাৰি॥
পঞ্চাশ ৰাক্ষস ৰৌদ্র অগ্নিৰস বাণ।
ধনুত জুৰিয়া শীঘ্রে কৰিল সন্ধান॥

চাৰি শৰ আস্তে যেন চাৰি যমদণ্ড।
গোবিন্দে মাৰিল পাৰি শৰ পৰচণ্ড॥
সমিৰণ সাৰিএ বাসব সমোহন।
শঙ্কৰেৰ চাৰি অস্ত্র কাটিল তখন॥

শৰ কাটি গোবিন্দে বৈষ্ণৱ শৰ ধৰি।
ধনুত জুৰিল হৰি শঙ্খ নাদ কৰি॥
প্রলয় কালেৰ যেন সূর্য্যোৰ উদয়।
দেখিয়া পলাইল সবে যত সেনাচয়॥

সেনাৰ তৰাস দেখি কোপে উমাপতি।
ত্রিপুৰ দহন শূল লৈল শীঘ্র গতি॥
টোণৰ বৈষ্ণৱ শৰ লৈল শীঘ্রকৰি।
জুৰিয়া মোহন বাণ হানিলন্ত হৰি॥

স্তম্ভিয়া ৰহিল তবে অস্ত্র লয়া হৰে।
বিষ্ণু শঙ্কৰৰ যুদ্ধ আতি ভয়ঙ্কৰে॥
নাবহে পবন উর্ম্মি নাবহে সাগৰ।
কাম্পে সুৰাসুৰ যক্ষ গন্ধৰ্ব্ব কিন্নৰ॥

দানব মানব কাম্পে নাগ বিদ্যাধৰ।
সুৰ সুধাকৰ কাম্পে দেবতা অমৰ॥
পৃথিবী পাতাল কাম্পে আৰ সুৰপুৰী।
কাম্পে সব অচল সুমেৰু আদি কৰি॥

পদভৰে পীড়িত ভইল বসুমতী।
চলিল পৃথিবী যথা আছে লোকপতি।
কান্দিয়া পৃথিবী গিয়া পশিল শৰণে।
যিথানত ব্রহ্মাদেৱ আছন্ত ধিয়ানে॥

পৃথিবীৰ করুণা শুনিয়া লোক পতি।
যতেক দেৱতা গণ কৰিয়া সঙ্গতি ॥
যথা হৰি হৰে ৰণ কৰে দুয়োজনে।
দেৱগণ লৈয়া ব্ৰহ্মা আইল আপোনে ॥

ব্ৰহ্মা বোলে দেৱ দেৱ পৰম ঈশ্বৰ।
নমো শূল পাণি নমো নমো চক্ৰধৰ ॥
নমো পীতাম্বৰ নমো নমো দিগবাস।
শ্ৰীবৎস অঙ্কিত নমো ভসম বিনাশ ॥

নমো লক্ষ্মীনাথ নমো নমো উমাপতি।
বৃষভ বাহন নমো নমো খগপতি ॥
এবমাদি ব্ৰহ্মায়ে কৰিল বহু স্তুতি।
হাত যোৰে মধুৰ বচনে নিগদতি ॥

ব্ৰহ্মা বোলে শুনহ শঙ্কৰ দামোদৰ।
সত্য বোলে একে কায় হৰি যে হৰৰ ॥
অন্ধকক বধিতে যে কালে দুয়োজনে।
সেবেলাৰ ৰূপ তুমি পাশৰিলা কেহ্নে ॥

বৃষভত নাৰায়ণ গৌৰীয়ে সহিতে।
খটাঙ্গত শূল আতি শোভে দুই হাতে ॥
ভস্ম লেপিত বাঘ চাল আৰ অঙ্গে।
কঙ্কণ কুণ্ডল হাৰ মহা দিব্য ৰঙ্গে ॥

গৰুড়েৰ উপৰে চৰিয়া উমাপতি।
দক্ষিণত লক্ষ্মী শোভে বামে সৰস্বতী ॥
কণ্ঠত কৌস্তুভ পীতবাস শৰীৰত।
শঙ্খ চক্ৰ গদা পদ্ম ধৰিয়া হাতত ॥

ব্ৰহ্মা বোলে ভূত নাথ পাশৰিলা কেনে।
একয়ে শৰীৰ ভিন্ন কৰ কি কাৰণে ॥
হৰি হৰি এক তনু নাহি কিছু ভিন্ন।
সৃষ্টি নাশ কৰিবাৰ পাতিলাহা চিন ॥

গোবিন্দক মানুষ কৰিয়া হেন মানি।
আপুনাৰ শৰীৰ আপুনে নাহি জানি॥
হৰিৰ শৰীৰ হৰ দেখ ভাল মতে।
ব্ৰহ্মাৰ বচন হৰ দৃঢ়ে লৈল চিতে॥

গোবিন্দৰ শৰীৰ নিৰীখে উমাপতি।
এ বায়ু বৰুণ বৈশ্বানৰ বসুমতী॥
দিনকৰ কুবেৰ বৰুণ সুধানিধি।
আপুনাক দেখে আগে পাছে দেখে বিধি॥

গন্ধৰ্ব্ব কিন্নৰ যক্ষ ৰক্ষ বিদ্যাধৰ।
দানৱ মানৱ যক্ষ সপত সাগৰ॥
নদী নদ মহীধৰ গ্ৰহগণ যত।
অষ্টবসু দিগপাল নক্ষত্ৰ সমস্ত॥

বেদ আদি চতুৰ্দ্দৰ্শ শাস্ত্ৰ দিবা ৰাতি।
হৰিৰ শৰীৰে সবে দেখে পশুপতি॥
ৰণ এৰি আকাশক গৈল দেৱ দুই।
দুই তনু এক হৰি হৰ ৰূপ দুই॥

অৰ্দ্ধেক শৰীৰ নীল অৰ্দ্ধেক ধৱল।
অৰ্দ্ধেক অমৃত পিয়ে অৰ্দ্ধেক গৰল॥
অৰ্দ্ধেক বাঘেৰ ছাল অৰ্দ্ধেক পীতবাস।
অৰ্দ্ধেক চন্দন আৰ ভসম বিলাস॥

ডম্বৰু ত্ৰিশূল আৰ অৰ্দ্ধ গদা চক্ৰ।
অৰ্দ্ধেক কৌস্তুভ মনি অৰ্দ্ধেক ভুজঙ্গ॥
অৰ্দ্ধ অঙ্গে কমলা ভবাণী অৰ্দ্ধ অঙ্গ।
ৰতন কুণ্ডল হাৰ অপৰ ভুজঙ্গ॥

দুই দেৱে এক তনু থাকি কতোক্ষণে।
ৰণ এড়ি কৈলাসে লৰিল বৃষজানে॥
গৰুড়েৰ উপৰে আইল লক্ষীপতি।
দেখিয়া ব্ৰহ্মাৰ অতি হৰষিত মতি॥

হৰি হৰ যেখন ভৈইল একেকাই ।
আৰ কেহো নাদেখি ব্ৰহ্মায়ে বিনায় ॥
হৰিবংশ পুণ্য কথা মধুময় বাণী ।
শুনিলে সম্পদ বাঢ়ে খণ্ডয় বিঘিনি ।

মনেৰ বাঞ্চিত সিদ্ধি যাহাক শ্ৰৱণে ।
হৰি পৰশনে কবি পীতাম্বৰে ভণে ॥

# শ্ৰীধৰ কন্দলি

## কাণখোৱা

ঘুমতি যায়োৰে উৰে কানাই
হুৰে কাণখোৱা আসে।
সকল শিশুৰ কাণ খাই খাই
আসয় তোমাৰ পাশে ॥
মাৱৰ বচন শুনি পাশ চাপি,
হাসিয়া সোধে কানাই।
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনাওঁ হাৰলী আই ॥
তাৰ নাম শুনি ঘুমতি নাসয়,
ডৰে কাম্পে মোৰ বুক।
দেখিলে লৱৰি পলাইবাক পাৰো,
সত্বৰে চিনাওঁ মোক ॥
অনাদি স্বৰূপে জগত স্ৰজিলোঁ,
চৰাচৰ ভেদ কৰি।
সকল জগত প্ৰতিপাল কৰি,
আত্মাৰূপে আছোঁ ধৰি ॥
ব্ৰহ্মা মহেশ্বৰ আদি কৰি যত,
সমস্ত মোৰ স্ৰজন।
মই যে নজানো সিতো কাণখোৱা,
স্ৰজি আছে কোন জন ॥
বিষ্ণুৰূপে মই বৈকুণ্ঠৰ হন্তে,
চড়িয়া গৰুড় স্কন্ধে।
সমস্তে জগত বিচাৰি চাহিলোঁ,
ফুৰিয়া অতি প্ৰৱন্ধে ॥

স্বৰগী নৰকী দুৰ্জ্জন মহন্ত,
বিচাৰি ফুৰিলোঁ পাছে ।
সিয়ো কালে মই লগ নপাইলোঁহো,
কাণখোৱা কৈত আছে ॥

প্ৰথমতে মই অৱতাৰ ভৈলোঁ,
দিব্য মৎস্য ৰূপ ধৰি ।
চাৰিও বেদক পাতালৰ হন্তে,
আনিলো সঙ্গে উদ্ধাৰি ॥

পাছে সেহি ঠাই বঢ়াই মৎস্য কাই,
জুৰিলোঁ সাগৰ তীৰ ।
সিয়োকালে মই লাগক নাপাইলোঁ,
কাণখোৱা কেন বীৰ ॥

কুৰ্ম্মৰূপে মই মন্দৰ ধৰিলোঁ,
সাগৰ মথিবে লাগি ।
যত জলচৰ খলকি সাগৰ,
সমস্ত গৈলন্ত ভাগি ॥

কাল কুট বিষ অগনি পালিজে,
লক্ষ্মীয়ে বজাইলা পাছে ।
সিয়োকালে মই লাগক নপাইলোঁ,
কাণখোৱা কৈত আছে ॥

বৰাহ স্বৰূপে পৃথিবী উদ্ধাৰি,
আনিলো দান্তৰ আগে ।
হিৰণ্যাক্ষ নামে বীৰকো বধিলোঁ,
যুদ্ধকৰি মহাভাগে ॥

মোক ভয়ে যত অসুৰ দৰিলা,
কম্পি গৈলা ত্ৰিজগত ।
সিয়োকালে মই লাগক নপাইলোঁ,
কাণখোৱা কেন মত ॥

স্ফটিকৰ স্তম্ভে বাজ ভৈলোঁ মই,
নৰসিংহ ৰূপ ধৰি।
হীৰণ্যাক্ষ নামে দৈত্যক বধিলোঁ,
নখ অগ্রে বুক চিৰি ॥
জটাৰ ছাতিত মেঘ উৰুৱাইলোঁ
মেদিনী কম্পিলা দৰে।
সিয়োকালে মই লাগক নপাইলোঁ,
সিতো আছে কাৰ ঘৰে ॥
বামন স্বৰূপে দেব কাৰ্য্য সাধি,
বলিক ছলিবে গৈলোঁ।
দান লওঁ বুলি তিনি পদ ভূমি,
ত্রৈলোক্য জুৰিয়া লৈলোঁ ॥
উপায় কৰিয়া বলিক ছলিলোঁ,
পঠাইলোঁ পাছে সুতলে।
কাণখোৱা নামে বীৰ গোট আছে,
নুশুনিলোঁ সিয়ো কালে ॥
শ্রীৰাম স্বৰূপে সীতাৰ নিমিত্তে,
ভৈলোঁ সাগৰৰ পাৰ।
সবংশে ৰাৱণ ৰাক্ষস বধিলোঁ,
খণ্ডিলো ভূমিৰ ভাৰ ॥
দেৱাসুৰ নৰ ভালুক বানৰ,
সবে আইলা মোৰ কাছে।
লঙ্কা নগৰীত কাণে নুশুনিলোঁ,
কাণখোৱা কৈত আছে ॥
হলিৰাম ৰূপে লাঙ্গল ধৰিলোঁ,
সম কৰি খাল বাম।
সকল পৃথিবী বিচাৰি চাহিলোঁ,
লৈলোঁ হলধৰ নাম ॥

আসিলোঁ ইবাৰ কৃষ্ণ অৱতাৰ,
বঙ্গে আছোঁ তয়ু ঘৰে।
কাণখোৱা নাম শুনি মোৰ গাৱ,
তবতৰি কাম্পো দৰে॥
ঘুমতিৰ ছলে নিচুকিয়া মই,
চক্ষু মেলি আছোঁ চাই।
কেনকুৱা গোটে কাণ খাই কুৰে,
চিনায়ো হাবলী আই॥
কৃষ্ণৰ বচন শুনিয়া যশোদা,
ভয় হুয়া ৰহি আছে।
একোৱে উত্তৰ দিবাক নপাৰি,
হাসি মাতিলন্ত পাছে॥
মিছা সে বুলিয়া মুখে স্তন দিয়া,
কৃষ্ণক সাবতি ধৰি।
শ্ৰীধৰ কন্দলি কহে কৃষ্ণ কেলি,
ডাকি বোলা হৰি হৰি॥

ঘোষা—উঠা উঠা হৰিএ, চান্দ বয়ন, অ হৰি হৰি পদ্ম নয়ন, পুহাইল নিশি, মেলা ধেনুগণ, উঠা উঠা হৰিএ॥

উঠিয়ো কৃষ্ণাই হাৰলী বোপাই,
ৰোষ তাপ তেজি মনে।
পুহাইল ৰজনী উঠা যাদুমণি,
বুলি ডাকে শিশুগণে।
যশোদাৰ বাণী শুনি চক্রপাণি,
বোলন্ত নমাতা মাৱ।
তোমাৰ আতাই বোপাই বোলন্তে,
মুজুৰাই মোৰ গাৱ॥

দিনা চাৰি পাঞ্চ নুঠিবোঁ নখাইবোঁ,
নযাইবোঁ গোৰথ্য থানে ।
দুৰ্যশ কলঙ্ক দুঃখ সুমৰন্তে,
নসহে মোৰ পৰাণে ॥
মই নাৰায়ণ জগত কাৰণ,
তুমি গোৱালৰ জীউ ।
তথাপি তোমাক দেখন্তে ডৰত,
উৰি যাই মোৰ জীউ ॥
যত খাওঁ দাওঁ তভু শুকাই যাওঁ,
নাই মোৰ উদগতি ।
হাত মুঠি যেন কঙ্কাল খানিযে,
বান্ধতে চিন্দিল আতি ॥
নিজ ৰূপে মই অনন্ত ব্ৰহ্মাণ্ড,
স্ৰজি আছো লীলা কৰি ।
সমস্তে জগত প্ৰতিপাল কৰি,
আত্মা ৰূপে আছো ধৰি ॥
ব্ৰহ্মা আদি কৰি যত চৰাচৰ,
মোকে সেৱা কৰি যাই ।
তোৰ ঘৰে আসি গৰু চাৰি ফুৰো,
কৰকৰা ভাত খাই ॥
নাৰায়ণ ৰূপে অনন্ত শয্যাত,
জলত কৰি শয়ন ।
নাভিপদ্ম হন্তে ব্ৰহ্মা উপজাইলোঁ,
স্ৰজিলোঁ তিনি ভুবন ॥
বেদক পঢ়াইলোঁ তত্বজ্ঞান কৈলোঁ,
অজ্ঞান কৰিলোঁ দূৰ ।
তোহোৰ হাতত যতেক ঐশ্বৰ্য্য,
সবে ভৈলা মষিমূৰ ॥

হংস ৰূপে মই স্বৰ্গক কম্পাইলোঁ,
ব্ৰহ্মাৰ সভাত বৈলোঁ।
মুনি সমস্তৰ সংশয় ছেদিলোঁ,
আত্মতত্ত্ব জ্ঞান কৈলোঁ॥
মুনি সিদ্ধ সবে সাদৰিলে মোক,
প্ৰণামিলা সৃষ্টিকৰে।
আবে আসি মই শ্ৰীকৃষ্ণৰ বেশ,
ভৈলোঁ আসি তযু ঘৰে॥
ব্যাস ৰূপে মই চাৰিও বেদৰ,
কৰিলোঁহোঁ শাখা ভেদ।
জ্ঞান কৰ্ম্ম ভক্তি প্ৰবৃত্তি নিবৃত্তি,
দিলোঁ সবে পৰিচ্ছেদ॥
বেদৰ ৰহস্য ভাগৱত ধৰ্ম্ম,
নিবন্ধিয়া থৈলোঁ পুনু।
মূঢ়তো অধিক কৰি আবে তুমি,
মোক বোলা জৰ কানু॥
অসুৰৰ ভয়ে পূৰ্ব্বে দেৱগণে
চিন্তিলে গৈয়া আমাক।
চতুৰ্ভুজ ৰূপে আসি তাৰক্ষণে,
দেখা দিলোঁ তাম্বাসক॥
মোৰ ৰূপ দেখি চমক লাগিলে,
ত্ৰিদশে পৰিল ঢলি।
আবে তুমি মোক বিগুটিয়া মাতা,
কলিয়া কলিয়া বুলি॥
মোহিনী স্বৰূপে, সাগৰ মথিলোঁ,
আসিল লক্ষ্মী বজাই।
ব্ৰহ্মাদিক তেজি, মোক ভজিলেক,
হৃদয়ত দিলো ঠাই॥

হেন লক্ষ্মীপতি আসি তোৰ ঘৰে,
কাল গুণি আছো ৰই।
ধান্য মুঠি দিয়া, ফল কিনি খাও,
তাহাত মষিলি দেই ॥
তাত অনন্তবে, ধনন্তৰী ৰূপে,
অমৃতৰ ঘট ধৰি।
সাগৰৰ হন্তে, বাজ ভৈলোঁ মই,
জগত প্ৰখ্যাত কৰি ॥
মোহিনী স্বৰূপে, অমৃত পিয়াইলোঁ,
সাধিলো দেৱৰ কাম।
তোৰ ঘৰে আসি, বৰ যশ পাইলোঁ,
লৈলো দধিচোৰ নাম ॥
কপিল স্বৰূপে, কৰ্দ্দমৰ ঘৰে,
হুয়া মই অৱতাৰ।
দেৱহুতি নামে, মাতৃক তাৰিলো,
কহিলো তত্ত্ব বিচাৰ ॥
এবে আসি মই, তয়ু ঘৰে আছোঁ,
দেহক কৰিছোঁ ছন্দ।
আছোক আমাত, জ্ঞান সুধি লৈবা,
দিনে পতি কৰা দ্বন্দ ॥
বামন স্বৰূপে, বলিক ছলিলোঁ,
বিশ্বৰূপ দৰশাইলোঁ।
স্বৰ্গৰ দ্বাৰত, বাজ ভৈলো আমি,
গঙ্গাক আনি নমাইলো ॥
সেহি পদ জল, শিৰত ধৰিল,
মহেশে বাটত পাই।
এবে তুমি মোক, বিগুটিয়া মাতা,
দিয়া মাতি খোৱা দায় ॥

হৰি অৱতাৰে, গজেন্দ্ৰক মই,
মুকুতি পদক দিলো।
নিজ ৰূপে মই, স্বৰ্গক চাহিলোঁ,
আপুনি উৎপত্তি ভৈলো॥
পৃথু অৱতাৰে, সাত পৃথিবীৰ,
ভৈলোহোঁ এক নৃপতি।
বাপেৰ কালৰ, পুত্ৰ পাইলি মোক,
মাতস তই বিগুটি॥
দুষ্কৰ তপক আচৰিয়া মই,
ঋষভ স্বৰূপ হুই।
দ্বিতিত্ৰয় ৰূপে, যদু নৃপতিক,
নিস্তাৰিলোঁ জ্ঞান কই॥
জীৱন্তে ধ্ৰুৱক, থাপিলো স্বৰ্গত,
এক দূৰ্ব্ব ৰূপ ধৰি।
গোৱালৰ জীউ, হুয়া তুমি মোক,
কৰাহা এত চাতুৰী॥
নাৰদ স্বৰূপে, ভাগৱত ধৰ্ম্ম,
কৰিলো মই বিদিত।
নৰ নাৰায়ণ, ৰূপে তপ কৰোঁ,
জগতৰ চিন্তো হিত॥
আন অৱতাৰ, হুয়া বাৰম্বাৰ,
জগত কৰি ৰক্ষণ।
এবে আসি মই তয়ু ঘৰে আছোঁ
তোমাৰ জিজ্ঞাসি মন॥
আনো যত মোৰ, মহিমা আছয়,
কহিবাক লাগে কিক।
মই হেন পুত্ৰৰ, মাৱ বোলাইবাক,
তোমাৰ আছে অধিক॥

কিছু কিছু কৰি, দেখি আছা মায়া,
তথাপি কৰা আক্ৰোশ।
এক ক্ষেণিতেকে, সুৰতি হবাইবোঁ,
নেদিবাহা মোক দোষ॥
কাঠ বাজী বুলি জগতে হাসয়,
দেখিলে সুমৰে হৰি।
এবে আসি তযু পুত্ৰ ভৈলোঁ যেবে,
সিটো দুঃখ দূৰ কৰি॥
তথাপি আমাৰ স্নেহ নজানস,
নকৰা মোত বিশ্বাস।
আগে যে আছিলা তেনয় কৰিবো,
দিন চাৰি বাটু চাস॥
মোহোৰ মুখত লাজ লাগে আৰ,
তোমাৰ গুণ কহন্তে।
দুই ওঠ কাটি তেজ বহি যাই,
বাশৰ বাঁশী বজান্তে॥
চাৰি ৰাতি সোণাৰ বাঁশী গঢ়াই নেদ,
ৰাজ পটেশ্বৰী হুই।
গাতত পোতন্তে পেতাৰি বান্ধন্তে,
ধনত লাগিবে জুই॥
গৰুশালি লাগি অন্ন দি পঠোয়া,
সিয়ো হোৰে এক মুঠি।
এগৰাহ মাৰিলে এগৰাহ নাটে,
যাওঁ আধাপেটী উঠি॥
গৰু আগুৰান্তে ধাতু যাই মোৰ,
কণ্টক বনত সন্ধি।
চোপৰাতি দিন লৱৰি ফুৰন্তে,
নও আতনাক পিন্ধি॥

কুৰ কুটা চুলি পৰে গৰুধূলি,
কুকুহা পৰিয়া যাই ।
গোটা গুটি কৰি জটা বান্ধি আছে,
তৈল মাথে দেখা নাই ॥
কথাক কহন্তে ক্রন্দন আসয়,
যত অপমান পাইবোঁ ।
যেবে হওঁ মই বাপেকৰ পুত্র,
তোমাক আবে কন্দাইবোঁ ॥
কংস মমাই আৰ সাৰথি আছই,
শুনিলে নিবো মাতাই ।
ইতো অপমান সকলে সুজিবোঁ,
মথুৰা পুৰীক যাই ॥
দৈৱকী মাৱত মোৰ বৰ লুলি,
থাকিবো তাহান পাশে ।
আমাক দেখিবে লাগিয়া তোমাৰ,
বৰ হুইবে হাবিলাস ॥
কৃষ্ণৰ বচন শুনিয়া যশোদা,
পুনু মাতে পাশ চাপি ।
এৰ হাবিলাস মোৰ মাথা খাস,
নকান্দিবা মোৰ বাপি ॥
মই অভাগীৰ ইবাৰ দোষক,
মৰষিও বনমালী ।
আনকাল যদি দোষ দেখা মোৰ,
পাৰিবাহা মোক গালি ॥
মাৱৰ বচন শুনিয়া কৃষ্ণৰ,
হৰষিত ভৈলা মন ।
একে ডেৰে গৈয়া কোলাত চৰিয়া,
পিবাক লাগিলা স্তন ॥

অমৃত সমান কৰি মৃদু হাস,
চাক দন্ত দৰশাই।
ব্ৰহ্মাণ্ডৰ সুখ মানিলা যশোদা,
কৃষ্ণৰ মুখক চাই॥
শুনা সভাসদ হুয়া নিঃশবদ,
শিশু গোবিন্দৰ কেলি।
কৃষ্ণৰ অৰুণ চৰণ পঙ্কজ,
কৰিবা মনে সেৱালি॥
শ্ৰীধৰ কন্দলি কহে কৃষ্ণ কেলি,
কৃষ্ণৰ ভকতি কাম।
কৃষ্ণক ভকতি মিলোক মুকুতি,
ডাকি বোলা ৰাম ৰাম॥

## ঘুনুচা।

ঘোষা—নমো দয়াশীল জগত আধাৰ,
দৈৱকী নন্দন দেৱ।
তোমাৰ চৰণে পশিলো শৰণ,
কৃপা কৰা প্ৰভু দেৱ॥

অনন্তৰে দ্বাৰী পাছে দ্বাৰ পৰিহৰি।
অভ্যন্তৰে চলি গৈল অতি শীঘ্ৰ কৰি॥
লক্ষ্মীৰ আগত কথা কহে হেঠ মাথে।
দুৱাৰত ৰহিয়া আছন্ত জগন্নাথে॥

যেন লাগে আজ্ঞা মোক দিয়ো লক্ষ্মী আই।
শুনি দেৱী মাতিলন্ত পৰিচাক চাই॥
লক্ষ্মীয়ে বোলন্ত শুনা শুনা মোৰ বাক॥
দ্বাৰ ছাড়ি আসিবাৰ নেড়া যাদবক॥

যাদৱায়ে আসিবে নালাগে মোৰ ঠাই।
ঘুনুচাৰ বাড়ী লাগি চলোক তুনাই।
হেন শুনি পৰিচা ত্বৰিতে গৈলা চলি।
দ্বাৰত ৰহিল গৈয়া বান্ধিয়া শিকলি॥

তাৰ পাচে প্ৰভু পৰিচাক আদেশিলা।
দ্বাৰ ছাড়ি দেহ বুলি দ্বাৰীক মাতিলা॥
শুনি দ্বাৰী বোলে লক্ষ্মী দিয়া আছে হাক।
দ্বাৰ মেলি দিবাক নোৱাৰা যাদৱাক॥

তাৱক্ষণে ঠাকুৰত জনাওক যাই।
দ্বাৰী দ্বাৰ নেদে বাধিলেক লক্ষ্মী আই॥
হেন শুনি কৃষ্ণে পাছে কৰি হেঠ মাথ।
পৰিচাক অশেষ বুলিলা জগন্নাথ॥

কহ গৈয়া লক্ষ্মী কিয় এত ক্ৰোধ কৰে।
দ্বাৰ মূলে ৰহি আছো মই নিৰন্তৰে॥
দ্বাৰ মেলি দিয়োক যাওঁ দৌলৰ ভিতৰে।
ক্ষুধায়ে তৃষ্ণায়ে দুঃখে মোক আতি পীড়ে॥

তাৱক্ষণে পৰিচা দৌলক গৈলা চলি।
লক্ষ্মীৰ আগত কহে কৰি কৃতাঞ্জলি॥
নমো নমো লক্ষ্মী মাৱ হুয়োক প্ৰসন্ন।
তোমাক লাগিয়া কৃষ্ণে বুলিলা বচন॥

আঠ দিনা ভৈল মই এৰি গৈলো সঙ্গ।
তাতে লক্ষ্মী কিসক আমাক কৰে খঙ্গ॥
দ্বাৰ ছাড়ি দিয়ো লক্ষ্মী কোপ পৰিহৰি।
অভ্যন্তৰ লাগি চলি যাওঁ শীঘ্ৰ কৰি॥

হেন শুনি পৰিচাক মাতে লক্ষ্মী মাৱ।
যাদৱাৰ বাক্যে মোৰ নুজুৰাই গাৱ॥
কথাকো নকৈল মোক গৈল পৰিহৰি।
পৰৰ ভাৰ্য্যাক যেন পৰে যায় এড়ি॥

যাদৱৰ কথা মোত কহিবে নালাগে।
অন্য যিবা কথা আছে কহ মোৰ আগে ॥
মই বিনে যাদৱায়ে বঞ্চিবাক পাৰে।
যাদৱ নভৈলে দিন নাযায় কি মোৰে ?

সুন্দৰী ৰমণী ভাৰ্য্যা পাইলন্ত যাদৱ।
আউৰ কি লাগিয়া আসিবন্ত মোৰ ঠাই ॥
ঘুনুচাক সম মই নোহো ৰূপৱতী।
নিলে সব মন হৰি নাগৰী যুবতী ॥

এতেকে আমাক ত্যজি গৈলন্ত আপনে।
দ্বাৰকাতে কত দুঃখ দিয়া আছে মনে ॥
শিশুকাল হন্তে যাদৱাৰ ধৰো আল।
তথাপিতো তান্ত মই নোবোলাইলো ভাল ॥

আৰু তান ভাল বোলাইবেক কোন নাৰী।
ভাল বোলাইবাক পাৰে ঘুনুচা সুন্দৰী ॥
নাচাও যাদৱাৰ মুখ নাসন্তোক হৰি।
ঘুনুচাৰ বাড়ী লাগি যাওক বাহুড়ী ॥

হেন বাক্য বুলি লক্ষ্মী মৌন হুয়া ৰৈলা।
শুনিয়া পৰিচা তাৱক্ষণে চলি গৈলা ॥
কোপ মনে লক্ষ্মী বুলিলন্ত যত বাণা।
ঠাকুৰৰ আগে সব কহিল কাহিনী ॥

অশেষ কৰিলো মই লক্ষ্মীক প্ৰবোধ।
তথাপি লক্ষ্মীৰ মনে নপালন্ত ক্ৰোধ ॥
দ্বাৰ ছাড়ি তথাপি নেদন্ত লক্ষ্মী মাৱে।
বোলে বাহুড়ীয়া যাওক ঘুনুচাৰ ঠাৱে ॥

লক্ষ্মীৰ বচন শুনি পাছে জগন্নাথ।
বড় লজ্জা হুয়া পাচে চপড়াইলা মাথ ॥
সৰ্ব্বজনে শুনিলে লক্ষ্মীৰ কোপ কাৰ্য্য।
নাহি মাত বোল সবে এড়িলেক বাছ ॥

ভৈলেক মধ্যাহ্ন কাল বেলা যোল দণ্ড।
ভৈল ঘোৰ মহারৌদ্র মিলিল প্রচণ্ড॥
ক্ষণে মেঘ দিয়া কৰে দেৱে বৰিষণ।
চাপিবাক থান নাপাৱন্ত প্ৰজাগণ॥

ক্ষুধায়ে তৃষ্ণায়ে পীড়া কৰে আতিশয়।
ৰৌদ্ৰতাপে পোড়ে কতো বৃষ্টিত তিতয়॥
মহা দুঃখে কষ্টে কতো প্রাণী বোলে বাক
আবেসে উচিত লক্ষ্মী কৰে যাদৱাক॥

যাহাৰ প্রসাদে ত্রৈলোক্যৰ সুখ হৱে।
ব্ৰহ্মা মহেশ্বৰে যাক সৰ্ব্বদায়ে সেৱে॥
কৰ যোৰ কৰি দেৱগণে আছে চাই।
আমাৰ পাশক লক্ষ্মী পুণঃ আছে চাই॥

তেবেতো হৈবেক মহা ঐশ্বৰ্য্য আমাৰ।
এহি বুলি দেৱগণে বাঞ্ছয় অপাৰ॥
লক্ষ্মী বিনে সংসাৰত নাহিকে জীৱন।
লক্ষ্মী নভৈলাত হোৱে ত্ৰৈলোক্য উছন্ন॥

হেনয় ভাৰ্য্যাক পায়া আছে যদুৰাই।
তথাপিতো তাঙ্ক এৰি চলে অন্য ঠাই॥
গাৱ নসহন্ত লক্ষ্মী মাৱে কৰে দণ্ড।
লক্ষ্মীত যে দোষ নাহি যাদৱাসে মন্দ॥

হেন কথা অন্যো অন্যে সৰ্ব্ব জনে কহে।
ক্ষুধায়ে তৃষায়ে দেহা কাহাৰো নৰহে॥
পুনৰপি পৰিচাক পঠাইলা মাধৱে।
তথাপিতো ক্ৰোধ ভাৱ নেড়ে লক্ষ্মী মাৱে

ধাঁআৰ উপৰি ধাৱ দিলন্ত পঠাই।
নাসন্তোক যাদৱা বোলন্ত লক্ষ্মী আই॥
এহিমতে যেবে তিনি পৰ,বহি গৈল।
শুনিয়োক তাত পাছে যেন কথা ভৈল॥

ঠাকুৰৰ পাশত সুভদ্ৰা বৰনাৰী।
ক্ষুধায়ে তৃষায়ে দুঃখ সহিতে নাপাৰী॥
মাতি আনি প্ৰবোধ কৰিলা পৰিচাক।
শীঘ্ৰ কৰি পঠাই দিলা লক্ষ্মীৰ পাশক॥

দ্বাৰ ছাড়ি দেওক লক্ষ্মী অভ্যন্তৰে যাওঁ।
ক্ষুধায়ে তৃষায়ে মই বৰ দুঃখ পাওঁ॥
হেন শুনি পৰিচা ত্বৰিতে গৈল ধাই।
লক্ষ্মীৰ আগত কথা কহন্ত বুনাই॥

সুভদ্ৰায়ে পাঠাই মোক দিলন্ত নিশ্চয়।
তোমাৰ ননন্দ খানি দুঃখক পাৱয়॥
ইবেলিসে চলি গৈলোঁ যাদৱৰ সঙ্গ।
কি কাৰণে লক্ষ্মীৰ আমাক লাগি খঙ্গ॥

ৰৌদ্ৰত শুকাই কতো বৃষ্টিত তিতয়।
ক্ষুধায়ে তৃষায়ে দেহা অধিকে দহয়॥
বোলা মোক লক্ষ্মী শীঘ্ৰ দ্বাৰ দিউক মেলি।
আপোন থানক মই শীঘ্ৰে যাঁও চলি॥

যেন লাগে প্ৰবোধ দিয়োক লক্ষ্মী আই।
শুনি লক্ষ্মী মাতিলন্ত পৰিচাক চাই॥
গালে হাত দিয়া লক্ষ্মী মাতিলন্ত পাছে।
সুভদ্ৰা ননন্দ তেহো দ্বাৰে ৰহি আছে॥

ননন্দখানি দুঃখ পাৱে সঙ্গে যাদৱাৰ।
ইকি কথা মোত কহি আছে একবাৰ॥
আপুনি সে গৈল লাৰি যাদৱাৰ সঙ্গে।
ননন্দয়ে দুঃখ পাৱে যাদৱাত খঙ্গে॥

সুভদ্ৰা পালেক দুঃখ দোষ ভৈল মোৰ।
দ্বাৰ ছাড়ি দিয়ো দ্বাৰী আসোক সত্বৰ॥
শুনিয়া পৰিচা পাছে শীঘ্ৰে গৈলা চলি।
দ্বাৰীত কহিলা গৈয়া দ্বাৰ দিয়ো মেলি॥

সুভদ্ৰাত জনাইলেক দ্বাৰ দিলে এৰি ।
শুনিয়া সুভদ্ৰা তাৰক্ষণে গৈল লৰি ॥
আপোনাৰ গৃহত পশিল বিদ্যমান ।
সুভদ্ৰাৰ কথা আৰে থও এহি মান ॥

অনন্তৰে বলভদ্ৰ বুদ্ধিত সুজান ।
দেখন্তে গৈলন্ত সূৰ্য্য বেলা অৱসান ॥
কেন দুঃখ পাও মই বলোৱে বোলয় ।
পঠাইলেক পৰিচাক লক্ষীৰ আলয় ॥

কহ গৈয়া লক্ষী মোক দ্বাৰ দেন্ত মেলি ।
শুনিয়া পৰিচা তাৰক্ষণে গৈলা চলি ॥
লক্ষ্মীৰ আগত কথা কহিলা নিঃশেষে ।
তোমাক লাগিয়া বলো মাতিলা অশেষে ॥

মোক কেনে যাইবেক নেদন্ত লক্ষ্মী আই ।
মোৰ দোষ নাহিকই যাদবা বিনাই ॥
মাতি নিলে ঠাৰে ঠাৰে গৈলোঁ তাৰ সঙ্গ ।
তাতে লক্ষী মোক এত মান কৰে খঙ্গ ॥

ক্ষুধায়ে তৃষায়ে তনু কাম্পে অতি মোৰ ।
যত দুঃখ পাইলো পৃথিবীত অগোচৰ ॥
দ্বাৰ ছাড়ি দেন্তো মই দৌল লাগি যাওঁ ।
ঘোৰ বাত বৃষ্টিত মই বৰ দুঃখ পাওঁ ॥

পৰিচাৰ বাক্য হেন শুনি লক্ষী মাৱে ।
গালে হাত দিয়া বসিলন্ত লজ্জা ভাৱে ॥
কিনো মই নাৰী মন্দ বোলাইলো জগতে ।
যাদৱাৰে গুণে দুঃখ পাইলা জেঠালতে ॥

মই আজি লজ্জা পাইলো যাদৱাৰ গুণে ।
জেঠালেতো মোক ভাল নুবুলিব মনে ॥
যি হৌক সি হৌক পাছে দ্বাৰ দিয়ো মেলি ।
বলোত জনাইলা কথা কৰি কৃতাঞ্জলি ॥

তোমাক যাইবাক দ্বাৰ দিলে লক্ষ্মী মাৱ।
শুনি বলভদ্ৰ ভৈল আনন্দিত ভাৱ॥
তাৱক্ষণে বলভদ্ৰ গৈল অভ্যন্তৰে।
থাকিলন্ত বলভদ্ৰ আপোনাৰ ঘৰে॥

বলভদ্ৰ কথা আবে এহিমানে থওঁ।
শুনা আত পৰে কথা যেন ঠান কওঁ॥
অনন্তৰে মনে বিমৰিষি যদুৰাই!
পুনৰপি পৰিচাক দিলন্ত পঠাই॥

শীঘ্ৰবেগে পাণ্ডা গৈয়া হুয়া অবনত।
কৰপুট কৰি কহে লক্ষ্মীৰ আগত॥
লক্ষ্মীকেসে দিয়া গৈলোঁ যত ধন বিত্ত।
তথাপিতো মোক কোপ কৰে বিপৰীত॥

দিন বেলা গৈল ভৈল সূৰ্য্য অবসান।
ক্ষুধায়ে তৃষায়ে মোৰ যেন ফুটে প্ৰাণ॥
দ্বাৰ ছাৰি দিয়োক লক্ষ্মী নকৰি আক্ৰোশ।
ইবাৰ জানিবা সবে মোৰ ভৈল দোষ॥

আৰু গৃহ ছাড়ি মই নযাওঁ নযাওঁ।
শুনিয়ো পৰিচা এবে কথা এক কওঁ॥
এহিবাৰ কথা যদি সত্য নাপাই মোৰ।
আৰু বাৰ গৈলে মোক নেদিবে দুৱাৰ॥

এহি মতে পৰিচাক দিলন্ত পঠাই।
দ্বাৰ ছাড়ি প্ৰভুক দিয়োক লক্ষ্মী আই॥
হেন শুনি লক্ষ্মী মাৱে বুলিলা বচন।
যাদৱায়ে মোক আৱে দিয়া গৈল ধন॥

মুখত মধুৰ তান কপট হৃদয়।
বচনেক কৈলে মুখে ধন নাহি হয়॥
চৈত্ৰ মাসে তান ভাই গোবিন্দ ঠাকুৰ।
পুষ্প চোৰ পৰি গৈল মালিয়াৰ ঘৰ॥

তাঙ্ক দণ্ডি কৰি তিনি শত টাকা লৈলা ।
মোক নেদি সিতো টঙ্কা কাক লাগি নিলা ॥
পৰিচায়ে বোলে আই তুমি মহাভাগী ।
প্ৰভু বোলে তাক থৈছোঁ লক্ষ্মীক যে লাগি ॥

লক্ষ্মী বোলে যদি মোক লাগি থৈয়া আছে ।
দিয়োক পঠাই মই তাক পাওঁ পাছে ॥
তাৱক্ষণে পৰিচায়ে কৃষ্ণে জনাইলা ।
তোমাক লাগিয়া প্ৰভু কথা এক কৈলা ॥

গোবিন্দ প্ৰভুক চোৰ পায়া স্বৰূপত ।
বন্দি কৰি লৈয়া আছে টাকা তিনি শত ॥
মোক লাগি দিয়ে যদি প্ৰভু সিতো ধন ।
শুনি হাস্য কৰি প্ৰভু বুলিলা বচন ॥

লক্ষ্মীক সে লাগি তাক থৈয়া আছোঁ সাক্ষি ।
লক্ষ্মী বিনে আন মোৰ কোন প্ৰিয়া আছি ॥
হাচটি মেলিয়া পাছে টকা তিনি শত ।
তাৱক্ষণে বাকি দিলা ৰূপৰ থালত ॥

লক্ষ্মীক দিয়োক বুলি আদেশ কৰিলা ।
আথে বেথে পৰিচা লক্ষ্মীৰ হাতে দিলা ॥
লক্ষ্মীৰ আগত থৈয়া মাতন্ত বিনাই ।
ধন দিয়া মোক পঠাইলন্ত যদুৰাই ॥

ধন দেখি হাস্য কৰিলন্ত লক্ষ্মী মাৰে ।
ইতো ধন মোক লাগি থৈয়াছে যাদৱে ॥
ঠাকুৰৰ বাক্য সত্য পায়া একবাৰ ।
দৌল লাগি আসন্তোক ছাড়ি দিয়ো দ্বাৰ ॥

শুনি ৰঙ্গে পৰিচা ত্বৰিতে গৈল চলি ।
দ্বাৰীত জানাইলা গৈয়া দ্বাৰ দিয়ো মেলি ॥
ঠাকুৰত বাৰ্ত্তা গৈয়া দুৱাৰী জনাই ।
তোমাক যাইবাৰ আজ্ঞা দিলে লক্ষ্মী আই ॥

হেন শুনি ঠাকুৰৰ আনন্দ মিলিল।
দশো দিশো শুনি প্ৰজা আনন্দ কৰিল॥
নানা বাদ্য ভাণ্ড কৰে প্ৰজাৰা সকল।
দশো দিশ হানি কৰে জয় সুমঙ্গল॥

উৰুলী জোকাৰ ৰঙ্গে দেয় ঘনে ঘন।
পৰিচা সকলে কৰে কৃষ্ণৰ কীৰ্ত্তন॥
সন্ধ্যা সময়ত কৰি অনেক উৎসৱ।
দৌলৰ ভিতৰ গৈয়া পাইলন্ত মাধৱ॥

অসিলন্ত প্ৰভু লক্ষী দেখি হাস্য কৰি।
খেদ ছাড়ি আগ বাঢ়ি প্ৰভুক সাদৰি॥
নিজ থানে গৈল নিয়া অনেক আশ্বাসে।
মহা ৰঙ্গে লক্ষী দেৱী কৃষ্ণক উপাসে॥

বাৱন্ন পঞ্চাশ ভোগ দিলা ভাৰে ভাৰে।
পৰম কৌতুকে ভোগ দিলন্ত যাদৱে॥
পৰিচাৰ পাণ্ডা মানে গৈলা থানে থানে।
দৌলত থাকিলা প্ৰভু আতি ৰঙ্গ মনে॥

জগন্নাথ পুৰাণৰ ইতো কথা সাৰ।
নিবন্ধিলোঁ পদ অৰ্থ কৰিয়া বিচাৰ॥
শুনা নৰ নাৰী লোক আন কাম হেলি।
ঘুনুচাৰ সঙ্গে যাদৱাৰ যাত্ৰা কেলি॥

কৃষ্ণ বিনে গুণ গতি দাতা নাহি আন।
এক চিত্ত মনে কৰা হৰি পদ ধ্যান॥
হৰি ভক্তি বিনে আয়ু যায় আলে জালে।
উপায় নাপায়া কেতিক্ষণে ধৰে কালে॥

কলিকালে অল্প আয়ু পাই সব নৰ।
ছকুড়ি শতেক যষ্ঠি পঞ্চাশ বৎসৰ॥
আত পৰে কলিত অধিক আয়ু নাই।
পাতকৰ বলে সে ইহাৰো ক্ষয় যাই॥

এহি ছয় ভাগ আয়ু কলিকালে দেখা ।
টুটি চাৰি মানে মনে ধৈৰ্য্য ধৰি দেখা ॥
যেতিক্ষণে মাতৃ গৰ্ভে শৰীৰক ধৰে ।
আয়ু টুটন্তে সে যায় মনত নধৰে ॥

এহি মতে আয়ু যায় সমস্ত লোকৰ ।
শৰীৰ বাঢ়ন্তে যায় হৰিষ সবাৰ ॥
মায়ৰ গৰ্ভত যেতিক্ষণে লৱে ঠাই ।
সেহি ক্ষণ হন্তে আয়ু টুটন্তে সে যাই ॥

দিন পক্ষ মাস ভেদ যাবে গণি চাৱে ।
দশ মাস দশ দিন গৰ্ভৰ বজাৱে ॥
দিনে দিনে কায় বাঢ়ে দুৰ্ঘোৰ সংসাৰ ।
এহি মতে আছা জানা মৰণৰ ডৰ ॥

এড়ি আন বৃথা কথা হুয়া শুদ্ধ মতি ।
সততে চিন্তিয়ো আত্মা কৃষ্ণৰ ভকতি ॥
নমো নাৰায়ণ তযু চৰণ যুগল ।
ইবাৰ আমাৰ জন্ম নকৰা বিফল ॥

নাজানো তোমাৰ স্তুতি মই মূঢ় মতি ।
নকৰা বঞ্চিত প্ৰভু ইবাৰ সম্প্ৰতি ।
দুঃখৰ করুণানিধি কৃপাৰ সাগৰ ।
মই দুঃখিতক দয়া কৰা দামোদৰ ॥

যেন মতে তৰো ইতো দুৰ্ঘোৰ সংসাৰ ।
পুনঃ যেন জন্ম মৃত্যু নাহিকে আমাৰ ॥
এহি মানে কৃপা কৰা প্ৰভু দেৱ হৰি ।
নমো নমো কৃপা তযু চৰণত ধৰি ॥

শ্ৰীধৰ কন্দলী কহে কৃষ্ণৰ বিজয় ।
আক এক মনে যিতো শুনয় নিশ্চয় ॥
কৃষ্ণৰ বিজয় ইতো শুনা ৰঙ্গ মনে ।
ৰাম কৃষ্ণ বুলি চলা বৈকুণ্ঠ ভুবনে ॥

# ভাগৱত-মিশ্ৰ।

সাত্বত তন্ত্ৰ

জয়তি জয়তি কৃষ্ণ ভকত বান্ধৱ।
পতিত পাৱন দীন দয়ালু মাধৱ ॥
জয়তি শঙ্কৰ ভকতৰ প্ৰিয়কৰ।
জয়তি নাৰদ প্ৰিয় ভক্ত গোবিন্দৰ ॥

গুৰুৰ চৰণ মনে কৰি নমস্কাৰ।
সাত্বত তন্ত্ৰৰ পদ কৰিবো প্ৰচাৰ ॥
কৃতাঞ্জলি বোলো শুনা সমাজিক লোক।
মন্দ মতি দেখি নিন্দা নকৰিবা মোক ॥

যেন লোহা ভ্ৰমে চুম্বকৰ সমীপত।
মোৰো চিত্তে কৃষ্ণে প্ৰবৰ্ত্তাইলা সেহিমত ॥
মনৰ কামনা মোৰ জানা সমুদায়।
সৎসঙ্গত কৃষ্ণ যশে ৰসে মজো যাই ॥

যিতো কৃষ্ণ সৃষ্টি স্থিতি প্ৰলয় কালত।
বহুবিধ ৰূপ প্ৰকাশন্ত ভালমত ॥
হেনয় পৰমানন্দ মূৰতি মাধৱ।
শৰণ পশিলো হৰি কৰিয়ো বান্ধৱ ॥

মহেশ্বৰ নাৰদৰ অদ্ভুদ সম্বাদ ॥
আদৰে শুনিয়ো পাপ কৰিয়ো উচ্ছাদ ॥
আছন্ত শঙ্কৰ বসি কৈলাশ শিখৰে।
জগতৰ কল্যাণ কৰিয়া নিৰন্তৰে ॥

দিনেক নাৰদ ঋষি আতি বঙ্গ মনে।
বিনয়ে পুচিলা শুনি আছা সৰ্ব্বজনে ॥
নাৰদ বদতি দেৱ প্ৰভু মহেশ্বৰ।
শুনিবাক ইচ্ছা মোৰ কথা গোবিন্দৰ ॥

যি কাৰণে কৃষ্ণে যিবা স্বৰূপ ধৰন্ত।
যি কালত জাত হোন্ত প্ৰভু ভগৱন্ত ॥
যিমতে কৰন্ত লীলা বান্ধৱ মুৰাৰি।
কহিয়োক তাক পুচো প্ৰভু ত্ৰিপুৰাৰি ॥

অৱতাৰ নিত যিবা বিৰাণ্ট শৰীৰ।
প্ৰথমে কহিয়ো তাক তুমি মহাধীৰ ॥
শঙ্কৰ বদতি সাধু ভক্তেতে উত্তম।
যিহেতু পুচিলা কৃষ্ণ কথা মনোৰম ॥

অৱতাৰ সকলৰ আৰো বিৰাণ্টৰ।
সহস্ৰ বৎসৰ কহি নাপাও তাৰ পাৰ ॥
তথাপিতো তন্ত্ৰৰূপে সাৰক উদ্ধাৰি।
কহিবো যিমতে মোত কহিচন্ত হৰি ॥

জয় নমো গোপৰূপী কৃষ্ণক সাক্ষাৎ।
কহিবো পৰমানন্দ ভক্তি বাঢ়ে যাত ॥
প্ৰথমে কৰোহো সৃষ্টি লীলা নিৰূপণ।
আছিল পৰ্ব্বত এক সত্য নিৰঞ্জন ॥

সিবেলা প্ৰপঞ্চ বিনে মায়া যে অসন্ত।
স্থিতি ৰূপে ৰহি দুই প্ৰকাৰ ভৈলন্ত ॥
চৈতন্য স্বৰূপ এক পুৰুষ বোলন্ত।
জড় ৰূপে অপৰক প্ৰকৃতি বোলন্ত ॥

ব্ৰহ্ম হেন বুলি যাক জানৈ জ্ঞানি গণে।
ভগৱন্ত বুলি যাক ভজৈ ভক্ত জনে ॥
সেহি বেলা ভৈল কাল কৰ্ম্মজে স্বভাৱ।
সবাৰো পৃথক কহো লক্ষণ প্ৰভাৱ ॥

পুৰুষ বুলিয়া যাক ইন্দ্ৰৰ সাক্ষাত।
তান শক্তি গুণ সাম্য প্ৰকৃতি প্ৰখ্যাত॥
গুণ ক্ষোভকাৰি কাল লীলা মাধৱৰ।
ধৰ্ম্মতন্ত্ৰাদিৰ হেতু জানা সমস্তৰ॥

সকলৰ পৰিণাম যাত হন্তে হয়।
সুক্ষ্মৰূপ তাহাক স্বভাৱ বুলি কয়॥
কাল কৰ্ম্ম স্বভাৱত পুৰুষ ৰহিয়া।
প্ৰকৃতিক ক্ষোভ তেবে কৰিলা চাহিয়া॥

তেবে জ্ঞান কৃষ্ণ ৰূপ মহতত ভৈল।
তেন্তে তিনি বিধ অহঙ্কাৰ স্ৰজি ৰৈল॥
সাত্বিক অহঙ্কাৰ হন্তে দেৱ ভৈল জাত।
ৰাজসত দুইবিধ ইন্দ্ৰিই প্ৰখ্যাত॥

ত্বক চক্ষু মনোমুখ আবৰ ৰসনা।
বুদ্ধি সমে এহি জ্ঞানেন্দ্ৰিয় বিতোপনা॥
বাক্য পাণি পায় আৰো উপস্থ চৰণ।
এহি কৰ্ম্মেন্দ্ৰিয় আৰো শুনা মাত্ৰাগণ॥

প্ৰথমে তামস হন্তে শব্দ মাত্ৰা ভৈল।
তাত হন্তে আকাশ ব্যাপক হুয়া ৰৈল॥
আকাশত পৰশ পৰ্শত বায়ু জাত।
বায়ু হন্তে ৰূপ তাতো তেজৰ প্ৰখ্যাত॥

ৰূপ হন্তে ৰস তাত হন্তে জল নাস।
জল হন্তে গন্ধ তাত ভূমি অন্ন পাস॥
ইসব শকতি সবে পৰত অৰ্ণ্ব্য়।
ভূমিতে সবাৰে গুণ দেখা মহাশয়॥

মহত আদিত্য গণ যতেক আছয়।
পুৰুষৰ কাৰ্য্য অবতাৰ জানা হয়॥
পুৰুষ ইচ্ছায়ে মিলি সবে তত্য গণে।
অঙ্গে বিৰাণ্টক যত্ন কৰয় যতনে॥

ভিতৰে পঞ্চাশ কোটি বিস্তাৰ হৱয়।
দশ গুণাধিক সাতে আবৰি আছয় ॥
ইহাকে বুলিয়া জানা গৃহ পুৰুষৰ।
অচেতনে জলে আছে সহস্ৰ বৎসৰ ॥

যেবে নাৰায়ণ ৰূপে পুৰুষ পশিলা।
চেতন লভিয়া তেবে বিৰাট বসিলা ॥
অভিমানী জীব তাৰ বৈৰাগ্য হোৱয়।
তান অন্তৰ্য্যামী নাৰায়ণ নিৰাময় ॥

সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।
যাৰ অংশে ৰজো গুণে ব্ৰহ্মা উতপন্ন ॥
শত গুণে বিষ্ণু ভৈল থাপি জগতক।
তমো গুণে ৰুদ্ৰ ৰূপে ভৈল সংহাৰক ॥

তুয়া শক্তি সুক্ষ্ম এহি গুণ অৱতাৰ।
অংশঅৱতাৰ আবে কহো আসম্বাৰ ॥
ব্ৰহ্মা অঙ্গে মৰিচি অঙ্গিৰা অত্ৰি ক্ৰতু।
দক্ষ ভৃগু কৰ্দ্দমাদি সবে সৃষ্টি হেতু ॥

আসম্বাৰ পুত্ৰ পৌত্ৰ যতেক হোৱয়।
মাধৱৰ তেজে যুক্ত জানিবা নিশ্চয় ॥
বিষ্ণু অঙ্গে ধৰ্ম্ম যজ্ঞ চতুৰ্দ্দশ মনু।
মনু সূত্ৰ দেবগণ সবে বিষ্ণু তনু ॥

ৰুদ্ৰ অংশে তমো গুণে ৰুদ্ৰগণ জাত।
সংহৰক সৰ্প আদি আনো অসংখ্যাত ॥
সঙ্খেপে কহিলোঁ গুণময় অৱতাৰ।
লীলা অৱতাৰ আবে কৰিবো বিস্তাৰ ॥

যিতো পৰমাত্মা কৃষ্ণ পুৰুষ সংজ্ঞায়।
জগত পালিত ভৈলা নমো তান পায় ॥
নাৰদত কহিলন্ত দয়ালু শঙ্কৰে।
প্ৰথম পটল সাঙ্গ সাত্বত তন্ত্ৰেৰে ॥

শঙ্কৰ বদতি শুনা নাৰদ প্ৰস্তুত।
হয় গ্ৰীব ৰূপ হৰি ধৰিলা অদ্ভুত॥
মাৰি দুই দৈত্য মধুকৈটভ দুৰ্ব্বাৰ।
আপোনাৰ কীৰ্ত্তি বেদ কৰিলা উদ্ধাৰ॥

সনকাদি চাৰি ৰূপ ধৰি নাৰায়ণ।
লোকক নিবৃত্তিপৰ কৰিতে শোভন॥
শুদ্ধ চিত্ত সমস্তত কহি মহাযোগ।
আপুনিয়ো আচৰিলা ত্যজি সবে ভোগ॥

দেৱত নাৰদ তনু হুয়া ভগৱন্ত।
অতি শুদ্ধ পঞ্চৰাত্ৰ যোগ কহিলন্ত॥
যিতো মোক্ষ ধৰ্ম্ম তেন্তে কৃষ্ণে কহিচন্ত।
তাক পুনঃ বিশেষ সিদ্ধ্যত কহিলন্ত॥

ব্ৰহ্মাৰ বচন পালিবাক নাৰায়ণে।
বৰাহ স্বৰূপে ভূমি আনা ৰঙ্গ মনে॥
সেহিবেলা আদি দৈত্য হিৰণ্যাক্ষ নাম।
দশনে চিৰিয়া সাধিলন্ত দেৱকাম॥

ভূমিৰ তলত আছা অনন্ত সাম্প্ৰত।
নাগগণে মুনিগণে সেবৈ চৰণত॥
যাৰ এক ফলাত সমস্তে ভূমি থান।
শ্বেতসৰিষপ যেন প্ৰকাশে শোভন॥

তাহান তলত আছা কুৰ্ম্ম ৰূপ হৰি।
বহল পিঠিত আছা ব্ৰহ্মাণ্ডক ধৰি॥
পিতৃ পতি অৰ্য্যমাদি যাক উপাসন্ত।
পদ্মতন্তু সমজাত অনন্ত শোভন্ত॥

কৃপাময় অবতাৰ শুনা মুনিবৰ।
পাঞ্চ বৰিষতে ধ্ৰুবে ত্যজি নিজ ঘন॥
তযু উপদেশে বধুবনে আৰাধিতে।
সাক্ষাতে কৃপায়ে দেখা দিলা ভগৱন্তে॥

আপোনাৰ নিজলোক দিলা ৰঙ্গমনে।
প্ৰদক্ষিণে স্তুতি বাক কৰে মুনিগণে ॥
কৰ্দ্দমৰ তপস্যাত শুক্ল ৰূপ ধৰি।
তাঙ্ক বৰ দিলা কন্যা মনুৰ কুমাৰী ॥

আনন্দ লোতকে এক তীৰ্থ বিৰচিলা।
যজ্ঞ অৱতাৰ কহো শুনা তান লীলা ॥
ৰুচিৰ সন্তান আকূতিত উপজিলা।
দৈত্য অৰণ্যক যেন মতে নিড়লিলা ॥

ত্ৰৈলোক্যক পালি ইন্দ্ৰ আপুনি ভৈলন্ত।
সুযজ্ঞ নামক ধৰি কীৰ্ত্তি থাপিলন্ত ॥
কপিল স্বৰূপে দেবহুতিত জন্মিলা।
নিজ ভক্তি যোগ দেৱহুতিত কহিলা।

সাঙ্খ্য যোগ কহিলন্ত দেব আসুৰিত।
চিত্ত বুদ্ধি জড় জাত হোৱে শুদ্ধচিত্ত ॥
দত্তাত্ৰেয় অৱতাৰে অত্ৰিৰ তনয়।
যোগেশ্বৰ ঈশ্বৰ পৰম কৃপাময় ॥

চৰিশ গুৰুত যত শিখিলন্ত অৰ্থ।
যদু প্ৰহ্লাদত সবে কৈলা পৰমাৰ্থ ॥
ধৰ্ম্মৰ ঘৰিণী মূৰ্ত্তি মহা ভাগ্যৱতী।
তান্ত দুই ৰূপে জন্মিলন্ত লক্ষীপতি ॥

নৰ নাৰায়ণ ৰূপে ঋষিতে প্ৰধান।
লোক উপকাৰে তপ কৰা অবিশ্ৰাম।
ক্ৰোধক জিনিলা যিতো কাম কোন হয়।
যাৰ কৰ্ম্ম শুনি ইন্দ্ৰ ভৈলন্ত বিস্ময় ॥

নাভিৰ তনয় ভৈলা ঋষভ নামত।
পুত্ৰগণ সমে ধৰ্ম্ম কহিলা প্ৰজাত ॥
মহাযোগী সকলৰ যতেক আচাৰ।
আপুনিয়ো আচৰিলা নিষ্ঠা দেখাই তাৰ ॥

যিবেলা ব্ৰহ্মাত পুচিলন্ত পুত্ৰগণে।
বিস্ময়ৰ চিত্ত এড়াএৰি হৈব কেনে ॥
ব্ৰহ্মাৰ আগত হংস ৰূপে অৱতাৰ।
কটাক্ষতে ছেদি লাস হুয় তাসম্বাৰ ॥

মৃতক বেনৰ বাহু মথি দ্বিজগণ।
পৃথু অৰ্চ্চি জপ ভৈল লক্ষ্মী নাৰায়ণ ॥
লোক ক্ষুধাৰ্ত্তিক দুহিলা বসুন্ধৰি।
ভাৰ্য্যা সমে গৈল বৈকুণ্ঠ নগৰী ॥

দক্ষৰ যজ্ঞত ভৃগু আদি মুনিগণে।
আৰাধন্তে অৱতাৰ ভৈলা নাৰায়ণে ॥
আঠ বাহু দেখি স্তুতি কৰিলেক গণে।
যজ্ঞ প্ৰৱৰ্ত্তাই চলি গৈলা ৰঙ্গ মনে ॥

প্ৰিয়ব্ৰত বংশে জাত গয় অবতাৰ।
ৰাহু প্ৰতিপালি ধৰ্ম্ম কৰিলা বিস্তাৰ ॥
তাহান যজ্ঞক ইন্দ্ৰে অসূয়া কৰিল।
সামান্য ইন্দ্ৰৰ স্পৰ্দ্ধা মদক দেখাইল ॥

কামদেৱ অৱতাৰে লক্ষ্মী সমে হৰি।
কেতুমাল্য বৰিষে আচন্ত মূৰ্ত্তিধৰি ॥
সম্বসুৰ পুত্ৰ দিনে ৰাত্ৰি কৰে সেৱ।
লক্ষ্মীক ৰসিয়া তৈতে আচা কামদেৱ ॥

প্ৰাচীন্ন বৰ্হিৰ পুত্ৰ দশ প্ৰচেতাৰ।
তপস্যাত ব্যক্ত ভৈলা সাগু অৱতাৰ ॥
নিজ পদসেৱা তাসম্বাক গৃহে দিলা।
ঋষিকন্যা মানি দিয়া অন্তৰ্দ্ধান ভৈলা ॥

ভুযিতাৰ গৰ্ভে বেদ শীৰা ব্ৰাহ্মণত।
বিধু অৱতাৰ স্বাৰোস্বিসৰ কালত ॥
যাৰ ব্ৰহ্মচৰ্য্য গুণ শিখি মুনি গুণে।
আনকো শিখাইলা তাৰা আতি ৰঙ্গ মনে ॥

তৃতীয় মনুৰ কালে ধৰ্ম্মৰ ভাৰ্য্যাত ।
সুনৃতাৰ গৰ্ভে সত্যসেন ভৈলা জাত ॥
দুষ্ট জক্ষ ৰাক্ষসক বধিয়া বণত ।
ইন্দ্ৰৰ সহায় হুয়া পালিলা জগত ॥

চতুৰ্থ মনুত হৰি অৱতাৰ হুয়া ।
গজেন্দ্ৰৰ স্তুতি শুনি সৰোবৰ গৈয়া ॥
গ্ৰাহৰ মুখৰ পৰা তাঙ্ক উদ্ধাৰিলা ।
সংহাৰ জলৰ তাৰি বৈকুণ্ঠক নিলা ॥

পঞ্চম মনুৰ কালে বৈকুণ্ঠ সাক্ষাত ।
শুভ্ৰৰ ভাৰ্য্যাত লক্ষ্মী সমে ভৈলা জাত ॥
লক্ষ্মী প্ৰাৰ্থিবাৰ অৰ্থে বৈকুণ্ঠ দেখাইলা ।
কীৰ্ত্তি প্ৰকাশিলা সৰ্ব্ব জগত পালিলা ॥

---

নাৰদ বদতি প্ৰভু দয়ালু শঙ্কৰ ।
নাহিকে তৃপিতি শুনি কথা গোবিন্দৰ ॥
তথাপি সম্প্ৰতি মোৰ মিলিছে কৌতুক ।
কেনমতে ভক্তি ভেদ কহিয়ো প্ৰস্তুক ॥

যাক জানি লোকে অনায়াসে সাধে গতি ।
কহিয়োক সেহি ভক্তি যোগক সম্প্ৰতি ॥
শিৱ নিগদতি সাধু শুনিয়ো উত্তম ।
পুছিলাহা ইটো কথা মহা গুহ্যতম ॥

একান্ত ভক্তত বিনে নকহো আনত ।
ইহাৰ কাৰণ কহো শুনিয়ো সাম্প্ৰত ॥
যি কালত মোৰ ধ্যানে কৃষ্ণ তুষ্ট ভৈলা ।
অভক্তত ভক্তি কহিবাক নিষেধিলা ॥

হেন শুনি নয়ো তান চৰণত ধৰি।
পুচিলো কাহাক কয়ো ভক্ত বুলি হৰি॥
শুনি প্ৰীত হুয়া মোক বুলিলা বচন।
শুনিয়োক স্থিৰ কহো ভক্তৰ লক্ষণ॥

মোৰ ধ্যান নিষ্ঠা মোতে মাত্ৰ প্ৰাণ যাৰ।
মোৰ যশ শ্ৰৱণে উৎসুক তাসম্বাৰ॥
এহি সব ভক্তি জগতকে শুদ্ধ কৰে।
তাসম্বাত ভক্তি ভেদ কৈবা নিৰন্তৰে॥

তোমাৰো বাঢ়িবে ভক্তি কহিলে লোকত।
আৰো এক বাক্য বোলো শুনিয়ো সাম্প্ৰত॥
যদি সাধাৰণো তযু বক্যে নিষ্ঠা হয়।
সসাধনে ভক্তি তাতো কৈবা মহাশয়॥

এহি বুলি গৈলা প্ৰভু ভকত বৎসল।
কহিবো তোমাত ভক্তি যোগক সকল॥
একে মাত্ৰ বিষ্ণু ভক্তি মহা সুমঙ্গল।
প্ৰাতি বুলি কহে যাক ভকত সকল॥

নিৰ্গুণ অনন্ত যিতো আনন্দ উত্তম।
আতি সুখ ৰূপ যাৰ নাহিকে উপম।
কিন্তু জ্ঞান কৰ্ম্ম লীলা ভেদ তিনি হয়।
নামত নিৰ্গুণ ভাগৱতী প্ৰেমময়॥

তিনিয়ো গুণক শুনা সাধনে যুগুত।
জ্ঞানময় নিৰ্গুণাকে শুনিয়ো প্ৰস্তুত॥
সৰ্ব্ব অন্তৰ্য্যামীতে অখণ্ড মনোগতি।
মোক্ষতো অধিক এহি নিৰ্গুণা ভকতি॥

সকল ইন্দ্ৰিয়চয় জ্ঞান কৰ্ম্মময়।
স্বাভাবিক ৰূপে যদি বিষ্ণুতে ৰময়॥
ভাগৱতী ভক্তি আকে বুলি কৰ্ম্মময়।
পৰম পবিত্ৰ মুক্তি সুখক লভয়॥

সৎসঙ্গত হৰি লীলা শ্ৰৱণ কীৰ্ত্তনে ।
উপজয় যাত মহা প্ৰেম অনুক্ষণে ॥
প্ৰেমময় ভক্তি ইতো সাধুৰ সঙ্গত ।
সৰ্ব্বদা উত্তম আৰ কি কৈবো মহত ॥

ইসব ভক্তিৰ শুনা সাধন সম্প্ৰতি ।
যাৰ আশ্ৰয়ত হোৱে কৃষ্ণত ভকতি ॥
অনুৰূপে স্বধৰ্ম্ম অৰ্পিব ঈশ্বৰত ।
হিংসা শূন্য পূজা কৰিবেক প্ৰতিমাত ॥

শ্ৰৱণ দৰ্শন স্পৰ্শ স্তুতি নমস্কাৰ ।
বিষয়ত বিৰকতি গুৰুসেৱা সাৰ ॥
নিবৃত্তি শাস্ত্ৰত শ্ৰদ্ধা প্ৰীতি উত্তমত ।
সমানত মিত্ৰভাব দয়া দুঃখিতত ॥

হৰিৰ মূৰ্ত্তিৰ ধ্যান শ্ৰৱণ কীৰ্ত্তন ।
সমস্তে ভূততে হৰি দৃষ্টি অনুক্ষণ ॥
নিৰ্গুণা ভকতি হোৱে এহি সে সাধনে ।
যাক পায়া মোক্ষ কোন মানে ভক্ত জনে ॥

শুনা আৰে ভাগৱতী ভক্তিৰ সাধন ।
যাক জন কৰিবাক লাগে অনুক্ষণ ॥
গুৰু উপদেশ লৈয়া ভকতে সহিতে ।
সৰ্ব্বেন্দ্ৰিয় হৰিপদ সেবিবে সততে ॥

বচনে লৈবেক নাম কৰ্ণৰ শ্ৰৱণ ।
হস্তে গোবিন্দৰ গৃহ প্ৰতিমা সেৱন ॥
জিহ্বায়ে লৈবেক হৰি নৈবেদ্য দ্ৰব্যক ।
নাসায়ে লৈবেক হৰি নিৰ্ম্মাল্য গন্ধক ॥

হৰিৰ নিৰ্ম্মাল্যচয় শিৰে ধৰিবেক ।
সাদৰে চক্ষুৱে ভকতক চাহিবেক ॥
মনে ৰূপ চিন্তিব অষ্টাঙ্গে নমস্কাৰ ।
ঈশ্বৰৰ অৰ্থে ধন আনিব সম্ভাৰ ॥

এতেকে সাধনে যেবে সবে ইন্দ্রিয়ৰ।
স্বাভাবিক ৰতি যেবে ভৈল গোবিন্দৰ॥
আকে বুলি ভাগৱতী ভক্তি সুশোভন।
যাক পায়া ভক্তে মুকুতিতো নেদে মন॥

এবে প্ৰেম ভকতিৰ শুনিয়ো কাৰণ।
বিশ্বাস কৰিয়া স্থিৰ কৰি বুদ্ধি মন॥
একান্ত ভক্তকে গুৰু মানিবে প্ৰথমে।
তান উপদেশে লৈব সৎসঙ্গ যতনে॥

গোবিন্দৰ চাৰিবিধ লীলা শুনিবেক।
কীৰ্ত্তনো কৰিবে তাক তাকে স্মৰিবেক॥
শ্ৰৱণ কীৰ্ত্তন পৰ যিসব হোৱয়।
তাসম্বাক প্ৰশংসা কৰিব সততয়॥

শ্ৰৱণ কীৰ্ত্তন প্ৰশংসাক স্মৰণক।
যদি কোনো জনে নপাৰয় কৰিবাক॥
নাম আবৃত্তিত সৰ্ব্বদায় প্ৰৱৰ্ত্তিব।
নামৰ প্ৰসাদে সবে আপুনি সিজিব॥

সৰ্ব্বদায়ে মহন্তত কৰিবেক প্ৰীতি।
তেবেসে হৈবেক কৃষ্ণ দেৱত ভকতি॥
এহি প্ৰেমময় ভক্তি ভকতে লভিয়া।
সংসাৰতে জীয়া থাকে আনন্দে মজিয়া॥

পায়ে ভক্তে কৃষ্ণৰূপ শীল গুণ ক্ৰীয়া।
ভক্তি সুখ বিনে ভক্তে তাতো নেদে হিয়া॥
যদি কৰে আন সিতো ভক্তিৰ সাধন।
নাহি তাত দোষ যাত হৰিৰ সেবন॥

কিন্তু যি ভক্তিত নিষ্ঠা তাকে সে পাৱয়।
ফলভেদে ভেদ সাধনত ভেদ নয়॥
পৃথকে কহিলো ভক্তি যোগ সসাধন।
নিষ্কাম যে ফলৰূপ দুয়ো সুশোভন॥

সকাম সগুণ ভক্তি হোৱয় বিস্তৰ।
আউৰ্ কিবা কহিবো পুচিয়ো মুনিবৰ ॥
নাৰদ বদতি দেৱ দেৱ মহেশ্বৰ।
ভক্তিৰ যতেক বিধি কৈবা নিৰন্তৰ ॥

কিমত নিষেধ কৈয়ো কিমত তন্তন।
হানিৰ কাৰণ কৈয়ো বৃদ্ধিৰ কাৰণ ॥
সৰ্ব্ব সাধনতে মোক্ষ কোন বা সাধন।
শুনিবাক শ্ৰদ্ধা মোৰ কৰিয়ো বৰ্ণন ॥

পশুপতি বদতি শুনিয়ো মুনিবৰ।
সকল প্ৰশ্নৰ মই দিবোহো উত্তৰ ॥
কহিছো যতেক সবে ভক্তিৰ সাধনে।
তাত বিনে সমস্তে নিষেধ জানা মনে ॥

দেহ নিৰ্ব্বাহক বিনে অধিক বিষয়।
কৰিলে ভক্তিক স্তম্ভ কৰায়ে নিশ্চয় ॥
সঙ্ক্ষেপে কহিলো মই নিষেধ তোমাত।
ভক্তি বিনাশক দোষ শুনিয়ো সাম্প্ৰাত।

নিৰ্গুণা ভক্তিৰ দোষ প্ৰাণী হিংসা হৈলে।
ভাগৱতী নাশ হোৱে অহঙ্কাৰ কৈলে ॥
প্ৰেমময় নাশ হোৱে সন্তৰ দ্বেষত।
নিজ গুৰু অনাদৰে সবে ভক্তি হত ॥

আৰো যেবা দ্বেষ কৰে আপোন গুৰুক।
ভক্তি কৰন্তেয়ে সিতো যাইবে নৰকক ॥
দোষ দৃষ্টি কৰিলে আপুনি দোষী হয়।
সেহি সেহি দোষৰ যে ফলক পাৱয় ॥

মনুষ্য বুদ্ধিক যিতো গুৰুত কৰয়।
কুঞ্জৰ স্নানৰ মতে সবে ব্যৰ্থ হয় ॥
সৰ্ব্বসাধনতে মুখ্য গুৰুসেৱা জানা।
তেবে মাধৱত ভক্তি হুইবে মনে মানা ॥

যিতো মহাজনে গুৰু বাক্যক কৰয়।
ইহাকে সে গুৰু সেৱা বুলিয়ো নিশ্চয়॥
নিগুৰ্ণা ভকতে কৰিবেক ভূত দয়া।
ভাগৱতী ভকতৰ নিষ্ঠা মন কায়া॥

প্ৰেমময়ী ভকতৰ প্ৰীতি বৈষ্ণৱত।
হৰিৰ যশস্যা শুনিবেক অবিৰত॥
তিনি বিধ মোক্ষ এহি সাধন ভক্তিৰ।
আবো মুখ্য অৰ্থ কহো শুনা মহাবীৰ॥

সৰ্ব্বমূল কৃষ্ণ পাদ পদ্মাত শৰণ।
যাত মহা ভকতি শ্ৰবয় সৰ্ব্বক্ষণ॥
যেন আৱাঁ ঘটৰ যে বহি যাই জল।
শৰণ বিনাই ভক্তি তেহ্নয় বিফল॥

নাৰদ বদতি প্ৰভু শুনা গদাধৰ।
কৃষ্ণপাদ শৰণক কহিয়ো সত্বৰ॥
যাত বিনে ভকতি কৰিয়ো পাৰে শ্ৰম।
কিমত শৰণ তাক কৰা নিৰূপণ॥

শুনিয়োক সৰ্ব্বজনে কৰি এক মন।
লভি আছা নৰতনু অতি অঘটন॥
মহাপুৰুষাৰ্থ ইতো সাধে নৰকায়।
কিন্তু ক্ষণ ভঙ্গ ইতো নৰহে সদায়॥

হেন সময়ত আত্মকাৰ্য্য সাধিয়োক।
সন্তত বিশ্বাসে কৃষ্ণ কথা শুনিয়োক॥
মোৰ বাক্য বুলি উপহাস নকৰিবা।
শাস্ত্ৰত আছয় জানি কথাক মানিবা॥

মনে অবগাহি আকে কৰি আছো সাৰ।
শ্ৰৱণ কীৰ্ত্তন বিনে নেদেখো নিস্তাৰ॥
মোহৰ ভৰসা এহি মানে সে জনিবা।
কৃপাময় কৃষ্ণে জানি আকে মোক দিবা॥

নই মহা বিষয়ী ভক্তিৰ নহো পাত্র।
কেবলে জানিবা নাম কৰি আছো মাত্র॥
মোঁৰ মুখে নচাৰোক ৰাম কৃষ্ণ নাম।
ভাগৱত মিশ্রে কহে বোলা ৰাম ৰাম॥

---

নাৰদ বদতি প্রভু শুনা মৃত্যুঞ্জয়।
কৰিলো তোমাৰ মুখে সকলো নির্ণয়॥
সাত্বত তন্ত্রত মোক কহিলা উত্তম।
এক খানি সংশয় মিলিছে মনোৰম॥

বেদৰ বিহিত হিংসা যজ্ঞত কৰিলে।
কিচো বধ নাহি হেন বেদবাদী বোলে॥
হিংসাক নিষেধ তুমি কৰিলা ইহাত।
শ্রুতি স্মৃতি কেনে ৰহে কহিয়ো আমাত॥

শিৱ নিগদতি মুনি! শুনিয়ো নিশ্চয়।
প্রবৃত্তি নিবৃত্তি কর্ম্ম দুই বিধ হয়॥
প্রবৃত্তি কর্ম্মত স্বর্গলোক চলি যায়।
পুণ্য শেষে পৃথিবীত উপজে দুনাই॥

প্রবৃত্তি নিষ্ঠক চয় প্রকাৰ নিয়মে।
অনুজ্ঞাসে মাত্র বেদে দিয়াছে সংযমে॥
হিংসা পুনো কদাপি বেদৰ মত নুই।
যদি শুনা ৰাগান্ধক অনুজ্ঞাসে হুই॥

অহিংসা পৰম ধর্ম্ম বেদৰ বচন।
বেদৰ নিবৃত্তি অর্থ জানিবা শোভন॥
শুনা সভাসদ! কৃষ্ণ কথা মনোহৰ।
পৰম সর্ব্বস্ব ইতো ভকত জনৰ॥

তন্ত্র বুলি আক নকৰিবা অৱহেলা।
ভকতি সুখৰ জানা আছে আত মেলা॥
কৃপায়ে কহিলা যাক দয়ালু শঙ্কৰ।
শুনিলন্ত সাদৰে নাৰদ মুনিবৰ॥

ইহাক শুনিলে হুইবে অৱশ্যে কুশল।
হেন জানি শুনিয়োক ত্যজিয়া বিকল॥
কৃষ্ণৰে সে কথায়ে চিত্তক কৰে শান্ত।
এতেকে কথাত কৰা চিত্তক একান্ত॥

কৃষ্ণৰ কিঙ্কৰে কহে ভাগৱত মিশ্ৰ।
ৰাম ৰাম বুলি তৰা সংসাৰ তমিশ্ৰ॥

---

## চবি।

শঙ্কৰ বদতি মুনি হিংসাৰ কহিলো কথা
বেদৰ যে নুহি অভিপ্ৰায়।
বিশেষত ভকতৰ হিংসা কৰ্ম্ম ত্যাগ হয়
যাতো হৰি সদাতো আছয়॥
ময়ো আগমত যিবা হিংসাক বিহিয়া আছো
কামুকৰ ফলৰ কাৰণে।
মোৰ অভিপ্ৰায় নুহি জানিবাহা সাৰে সাৰ
যাতো আজ্ঞা দিলা নাৰায়ণে॥
এতেকে তুমিও মুনি কাম্যকৰ্ম্ম পৰিহৰি
কৃষ্ণ কথা শুনা ৰাতি দিন॥
প্ৰবৃত্তি শাস্ত্ৰক তুমি কদাচিতো নাচৰিবা
শুনিলে মলীন হৈবে মন॥
পৰমাৰ্থ পৰ যিতো নজানিয়া মূঢ় জনে
পশু মাৰি দেৱক যজয়।
কাম ভোগ অবসানে আনন্তে পৰত তাক
পশুসবে বাতত কাটয়॥
নিবৃত্তি শাস্ত্ৰৰ মাঝে হৰি ভকতি সে মুখ্য,
বিশেষত কৃষ্ণ লীলা কথা।
জগতৰ সুমঙ্গল ইহাক কীৰ্ত্তন কৰা,
কৰ্ণে আক শুনিয়ো সৰ্ব্বথা॥

যাৰা অন্য দেবতাৰ শৰণ ভজন ছাবি,
কৃষ্ণতে সে শৰণ পশয় ।
ইহ পৰলোকে তাৰা কৃতাৰ্থ হৰিবো প্ৰিয়,
আনন্দতে বৈকুণ্ঠ চলয় ॥
কহিলো তোমাত এহি উত্তম সাত্বত তন্ত্ৰ,
ইসে বিষ্ণু ভক্তৰ জীৱন ।
সৰ্ব্বসিদ্ধি প্ৰদায়ক শ্ৰৱণ কীৰ্ত্তন আতি,
কৃষ্ণ ভক্তি উপজে শোভন ॥
ভক্তিক লভিলে যদি আৰ কিবা পাৰে ফল,
যাতো হৰি হোন্ত তাত বশ্য ।
ভক্তি সি সুগম পথ পূৰে সবে মনোৰথ,
জ্ঞান ভক্তি পৰম ৰহস্য ॥
সাত্বত তন্ত্ৰৰ সাৰ সংগ্ৰহ শুনিয়ো মুনি,
বিৰাটৰ জন্ম কৈলো যাত ।
শ্ৰীবিষ্ণুৰ অৱতাৰ পূৰ্ন্ন অঙ্গ কলা ভেদ,
ভক্তি যোগ কহিলো তোমাত ॥
ভক্তিৰ লক্ষণ মই পৃথকে পৃথকে কৈলো,
যুগ ধৰ্ম্ম মোহৰ সাধন ।
বিষ্ণু নাম সহস্ৰেক নামৰ মহিমা মই,
তোমাত কৰিলো নিৰূপণ ॥
বিষ্ণু নাম বৈষ্ণৱৰ অপৰাধ নিৰোপিলো,
তাৰো কহিলোহো প্ৰায়শ্চিত্ত ।
সৰ্ব্বসাৰ ৰহস্যক নিৰূপণ কৰিলোহো,
তন্ত্ৰৰ কাৰণ যথোচিত ॥
হিংসা বিধি নিষেধক সকলে তোমাত কৈলো,
তোমাৰ প্ৰশ্নৰ অনুসাৰে ।
কৃষ্ণৰ একান্ত ভক্তি তুমি মহাভাগৱত,
তাতেসে কহিলো বাৰে বাৰে ॥

সাত্বত তন্ত্র ।

যাৰ নাম কীৰ্ত্তনত শ্ৰৱণত স্মৰণত,
পাপৰাশি সকলে দহয় ।
শুদ্ধ সান্ত দেহ হুয়া নিৰুপাধি সুখ পায়া,
আনন্দতে মজিয়া থাকয় ॥
হেনয় অনন্ত সান্ত জনাৰ্দ্দন লক্ষ্মীকান্ত,
বেদসবে যাৰ গুণ গায় ।
নিৰঞ্জন সনাতন নিত্যানন্দ চিদানন্দ,
কোটি বাৰ নমো কৃষ্ণ পায় ॥
এহি বুলি গৌৰী নাথ নাৰদ মুনিক চায়া,
থাকিলন্ত মহাৰঙ্গ মনে ।
সাত্বত তন্ত্রৰ জানা নৱম পটল এহি,
সমাপতি হৰিক স্মৰণে ॥
শুনিয়োক সভাসদ ইতো কৃষ্ণ কথা পদ,
হেলা নকৰিবা আক জানি ।
আপোন সদয় গুণে হুয়া অতি তুষ্ট মন,
নেৰিবাহা ৰাম কৃষ্ণ বাণী ॥
মোৰ নধৰিবা দোষ নকৰিবা অসন্তোষ,
মই পুনু অতি অল্প জন ।
হৃদয়ত থাকি কৃষ্ণে যিমতে দিলন্ত শিক্ষা,
তেনমতে কৈলো নিৰূপণ ॥
বঢ়া টুটা যত দোষ যিবা অৰ্থ নপাইলোহো,
তাক কৃষ্ণে ক্ষমা কৰন্তোক ।
মই সে অনাথ তেহোঁ অনাথৰ নাথ প্ৰভু,
মোক কৃপা দৃষ্টি চাহান্তোক ॥

দোলড়ী ।

নমো নমো কৃষ্ণ ইষ্টদেৱ মোৰ,
পতিত পাবন হৰি ।
দীন দয়াশীল ভকত বৎসল,
দুঃখিতৰ দুঃখ হাৰী ॥

মোৰ মনোৰথ পূৰিয়োক নাথ,
বাখিয়ো সাধু সঙ্গত।
কোটি শত বাৰ নমস্কাৰ কৰো,
তযু পদ কমলত ॥
মোৰ ইতো মন পাপিষ্ঠ দুৰ্জ্জন,
নৰমে তযু কথাত।
আৰে কি কৰিবো দিয়ো উপদেশ,
শৰণ লৈলো তোমাত ॥
মই যেন মত জানা ভাল মত,
কিচোৰো নভৈলো পাত্ৰ।
তোমাৰ চৰণে ভক্তি পাইলে সবে,
মইসে ৰহিলো মাত্ৰ ॥
মই সম নাহি পাতকী পৰম,
তুমি সম পাপহাৰী।
যেহেন জুৰাই তেনয় কৰিয়ো,
শৰণ লৈলো মুৰাৰি ॥
শুনা সৰ্ব্বলোক মোৰ নিজ গুৰু,
দামোদৰ কৃপাময়।
তাহান মহিমা কৈয়া নপাওঁ সীমা,
অনন্ত গুণ আলয় ॥
আছিলন্ত এক দ্বিজ শুদ্ধ মতি,
তানে মুখ্য পাৰিষদ।
নমো ভগৱন্ত মহা গুণৱন্ত,
নাহি যাত লোভ মদ ॥
ৰূপে মনোহৰ গৌৰ কলেবৰ,
সকলো লোক ৰঞ্জন।
ভক্তি প্ৰবৰ্ত্তায়া দীন দৰিদ্ৰক,
পালিলা যিতো সজ্জন ॥

## বিষ্ণুপুৰাণ।

যমৰ নগৰ বহলে বিস্তৰ,
মানস সিতো পৰ্ব্বত।
পুৰ্ব্বৰ দিপক বেঢ়িয়া প্ৰকাশে,
কুণ্ডলকাৰে মধ্যত॥
তাৰে উপৰত সঞ্জমণি নামে,
নগৰ আতি বিচিত্ৰ।
ঈশ্বৰে নিৰ্ম্মিত দেখি ভয় ভীত,
পৰম আতি পৱিত্ৰ॥
চাৰি ভিতি দৃঢ় স্থবৰ্ণৰ গঢ়,
উশৃত জোজন উচ্চ।
ইন্দ্ৰ নীল মণি দিল তাতে টানি,
সূৰ্য্যক কৰিয়া ওছ॥
পদ্মৰাগ আনি দিল তাতে চানি,
মহা নীল জিকমিক।
সিতো নগৰিত আতি বিপৰীত,
নজানি দিল ৰাজ্যক॥
অনেক পুতলা সাজি সাজি থৈলা,
পুৰুষৰ কতো বেশে।
খাণ্ডা বাৰু ধৰি যেন যুজ কৰে,
কতো ধৰি আছে ঠেস॥
অনেক ৰমণী মুণ্ডত ওৰণি,
নাচিবাক যেন সাজে।
কতো নটে ভাতে কৰতাল ঠুকে,
নাচনীৰ যেন কাছে॥
আসি সিলাকুটি বিচিত্ৰত কৰি,
কাটি সিংহ ব্যাঘ্ৰ হাতী।
বৰাহ বানৰ মহিষ বিস্তৰ,
আনি আছে যেন মাতি॥

আনো পক্ষী যত লিখিল বাৰত,
যেন উকু উকু কৰে ।
যত বন বাসা পখী পতি আসি,
গলে গলে বান্ধি ধৰে ॥
চাৰি দিশে তাৰ চাৰি খান দ্বাৰ,
দেখিতে আতি সুঠান ।
যিবা দ্বাৰে যাৰ আছে অধিকাৰ,
কৰিছে তাক বিধান ॥
পূৰ্ব্বদ্বাৰ খান শুনা যেন ঠান,
দেখন্তে লাগে সন্তোষ ।
দিনে ৰাতি তাত সুমঙ্গল বাত,
নাহি তৈত আন দোষ ॥
সুবৰ্ণৰ পাট কৰি তাক ডাঠ,
সুবৰ্ণৰ স্তম্ভ দিল ।
স্তম্ভৰ উপৰে পতাকায়ে কৰে,
বতাসত জিলমিল ॥
মুকুতাৰ থোপা কৰি এক জোপা,
আৰিলেক থানে থানে ।
বৈদূৰ্য্য মণিক আনি লগাইলেক,
দ্বাৰত আতি সন্ধানে ॥
গন্ধৰ্ব্ব সকলে মহা কতুহলে,
গীত গাৱে নানা ভাৱে ।
অপেস্বৰা গণে নাচে থানে থানে,
কতো তাক ৰঙ্গে চাৱে ॥
দেৱ ঋষি সিদ্ধ গন্ধৰ্ব্ব বিবিধ,
বিদ্যাধৰ যক্ষপতি ।
সবে স্বৰ্গ বাসী পূৰ্ব্বদ্বাৰে আসি,
নগৰীত কৰে গতি ॥

উত্তৰৰ দ্বাৰ দেখিবে সুসাৰ,
ঘণ্টা নাদে সুমণ্ডিত।
নানা ৰথ গণে সুবৰ্ণ তোৰণে,
চামৰে কৰে শোভিত ॥
বেণু বীণা বায় শুনন্তে উৎসৱ,
নানাবিধ নৃত্য গীত।
ঋক যজু সাম পঢ়ে অবিশ্ৰাম,
যোগীৰো মোহই চিত্ত ॥
হেন সুমঙ্গল বসিয়া সকল,
উত্তৰ দ্বাৰক চানি।
সেই দ্বাৰে যাই যমপুৰ পাই,
পুণ্যৱন্ত মহামানি ॥
সত্যবাদি যত ধৰ্ম্মত নিৰত,
আনো যত মহাব্ৰতী।
দ্বিজক সুশ্ৰুষা কৰে দিন নিশা,
অতিথিক কৰে প্ৰীতি ॥
গ্ৰীষ্মকালে জল দিলেক সকল,
শিতকালৈ অগ্নি দান।
যিতো গৃহবাসী মনৰ সন্তোষি,
দৰিদ্ৰক দিয়ে দান ॥
পিতৃত ভৰ্কতি কৰিল প্ৰণতি,
পৰ দুখ কৰে দূৰ।
এহি পুণ্য বলে উত্তৰৰ দ্বাৰে,
সুখে যাই যমপুৰ ॥
আত অনন্তৰে পশ্চিম দিশৰ,
শুনা দ্বাৰ যেন হেন।
শাস্ত্ৰক বিচাৰি অৰ্থ অনুসৰি,
কহিবো তাৰ প্ৰমাণ ॥

---

### পদ

যমৰ পুৰিত কিনো আতি বিপৰীত।
পশ্চিমৰ দ্বাৰ বিশ্বকৰ্ম্মে বিৰচিত ॥
ৰত্নে সুমণ্ডিত দ্বাৰ দেখি মনোহৰ।
বৈদূৰ্য্য বান্ধিলা খাটখৰি নিৰন্তৰ ॥

ফটিকৰ স্তম্ভ ইন্দ্র নীল দিলে ঘট।
সুবৰ্ণৰ পাটে আতি কৰে ফটফট ॥
মৃদঙ্গ পল্লৱ ভেৰি কৰে কোলাহল।
বাৰে বাদ্য কৰতালৰ আস্ফাল ॥

শিৱত ভকত যত যোগী নিৰন্তৰ।
পশ্চিমৰ দ্বাৰে যাই পশে অভ্যন্তৰ ॥
সমস্তে তীৰ্থত যিবা কৰি আছে স্নান।
জলৰ মধ্যত থাকি যিবা এৰে প্ৰাণ ॥

মহাপথে গৈয়া সিতো কৰে তনু ত্যাগ।
ভোজনক এৰি মৰে যিটো মহাভাগ ॥
মিত্র ভাৰ্য্যা গোস্বামী লোকৰ নিদানে।
আপুনাৰ এৰে প্ৰাণ যিতো মহাজনে ॥

পঞ্চ অগ্নি বুলি আছে এক মহাব্রত।
শুনা তাৰ কহো আমি বিধি যেন মত ॥
গ্ৰীষ্মকালে চাৰি দিশে বহ্নিৰ অস্তাপ।
উপৰত কৰে আৰো সূৰ্য্যৰ প্ৰতাপ ॥

তাৰ মাজে থাকি ব্ৰহ্মা চিন্তিবে সদায়।
থাকে বুলি পঞ্চ অগ্নি ব্রত সমুদায় ॥
পৰ্ব্বতৰ পৰা পৰি মৰে যিবা নৰে।
অগ্নিত প্ৰবেশি যিবা তনু ত্যাগ কৰে ॥

এহি পুণ্যৱন্ত লোক তপৰ প্ৰভাৱে।
পশ্চিমৰ দ্বাৰে গৈয়া যম পুৰ পাৱে॥
দক্ষিণ দিশৰ কহোঁ দ্বাৰৰ মহিমা।
যতেক যাতনা তাৰ কোনে পাৱে সীমা॥

দ্বাৰত অনেক আছে প্ৰাণী নিৰন্তৰ।
শুনি মহাভয় মিলে দেখি লাগে ডৰ॥
দক্ষিণ দ্বাৰক চানি শুনি হাহাকাৰ।
নাহিকে প্ৰকাশ তাৰ ঘোৰ অন্ধকাৰ॥

বজ্ৰকিট ব্যাঘ্ৰ সিংহ কুকুৰ শৃগাল।
ডাঁহ, মহ, বিছা, সৰ্প, ভালুক, বীড়াল॥
বাটৰ্ভেণ্টি আছে সবে পাপী আসে বুলি।
আমি সবে বেঢ়ি তাক মাৰিবো সমুলি॥

পথত কণ্টক বেঢ়ি আছে নিৰন্তৰে।
পৰম সঙ্কট পথ জানিবা পাপৰে॥
ব্ৰাহ্মণক মাৰে শিশু বৃদ্ধক বিঘাতে।
আতুৰ প্ৰাণীক যিতো সমৰত কাটে॥

বিশ্বাস কৰিয়া যিতো শৰণে পশয়।
তাকো বধ কৰি যিবা পাপ আচৰয়॥
স্ত্ৰীবধ কৰে মহা পাপক নচাই॥
দক্ষিণৰ দ্বাৰে মৰি যম পুৰে যাই॥

অস্ত্ৰ শস্ত্ৰ এৰি যিবা যুদ্ধত পলাই।
তাকো খেদি কাটে পাপী ধৰ্ম্মক নচাই॥
দক্ষিণৰ দ্বাৰে দূতে হাতে খাণ্ডা ধৰি।
পাচত কাটিয়া যাই খণ্ড খণ্ড কৰি॥

অগম্য গমন কৰে পৰ বস্তু হৰে।
আপচুৰি কৰে ভূমি হৰে যিবা নৰে॥
বস্ত্ৰ অলঙ্কাৰ শয্যা গৃহ আছে হৰি।
বিবস্ত্ৰ কৰিয়া তাক নিয়ে শাস্তি কৰি॥

পৰৰ ছিদ্ৰক মাত্ৰ চাৱে দিনে ৰাতি।
দিয়ে মহাদুঃখ তাক নানা বিসঙ্গতি॥
পুত্ৰ বধূ মাতৃ আৰু দুহিতৃ ভগিনী।
হৰে যিবা নৰে তাক পাইলেক বিঘিনি॥

যম পথে হুইব তাৰ অনেক নিকাৰ।
মহানৰকত বাস হুইব পাছে তাৰ॥
পথতে নিয়ন্তে যাই খাণ্ডাৰ প্ৰহাৰে।
কুকুৰ শৃগাল ব্যাঘ্ৰে বেঢ়িয়া কামোৰে॥

পলাইবাৰ ঠাই নাই নপাৱে উপাই।
আগে পাছে দুয়ো পাশে সবে বেঢ়ি যাই॥
দক্ষিণ দুৱাৰে নিয়ে সমস্তে পাপীক॥
বায়ু সঞ্চে পাৱে গৈয়া যমৰ পুৰিক॥

চয় আশি হাজাৰ প্ৰহৰ পথ দূৰ।
পাপ অৱসাৰে পাপী পাৱে যমপুৰ॥
বসিয়া আচন্ত ধৰ্ম্মৰাজা সমভাৱে।
গন্ধৰ্ব্ব সকলে নিতে তৈত গীত গাৱে॥

মহাপাপী জনে যাৰ নজানে স্বৰূপ।
পাপৰ প্ৰভাৱে পাপী দেখে নানাৰূপ॥
মহন্ত সুন্দৰ শান্ত আতি খেমাৱন্ত।
বিষ্ণুত ভকত সব ধৰ্ম্মত একান্ত॥

হেন মহাসৰ ধৰ্ম্মৰাজা কৃপাময়।
মহা পাপীগণে তাক কিৰূপে দেখয়॥
বিকৃতি বিৰূপ ৰূপ উৰ্দ্ধকেশ ভাৰ।
ব্যাধি শতে যুৰি আছে শৰীৰ তাহাৰ॥

অঙ্গাৰ সদৃশ ক্রুৰ বৰ্ণ কলেবৰ।
ভ্ৰুকুতি কুটিল মুখ ক্ৰোধে খৰতৰ॥
দীঘল ডাঙ্গৰ তাৰ অষ্টাদশ বাহু।
জগতকে গ্ৰহে যেন আকাশত ৰাহু॥

মেঘৰ গম্ভীৰ যেন শবদ বচন।
বিকট প্রকট আতি দীঘল দশন ॥
এহি ৰূপ দেখি পাপীগণ কম্পমান।
মহাভয় হুয়া থাকে মৃতক সমান ॥

পৰম ধাৰ্ম্মিক ঋষি সমে সভাপাতি।
বসিয়া থাকন্ত ৰাজা প্রকাশিয়া আতি ॥
ধৰ্ম্মিষ্ঠ বশিষ্ঠ ভৃগু ভৃগুৰ নন্দন।
অসিতদেৱল বিশ্বামিত্র তপোধন ॥

আনো ঋষি সবে তৈতে দিব্য সভাপাতি।
ৰাজাৰ আগত ধৰ্ম্ম কৰে দিনে ৰাতি ॥
চন্দ্র সূৰ্য্য বায়ু বহ্নি পৃথিবী আকাশ।
কাল দিশ জলে তৈত কৰিল নিবাস ॥

দিন ৰাত্রি দুয়ো সন্ধ্যা আছে মূৰ্ত্তি ধৰি ॥
সাক্ষীৰূপে ঈশ্বৰৰ বাক্য অনুসৰি ॥
আছে চিত্রগুপ্ত তৈত বুদ্ধিৰ মহন্ত।
মনুষ্যৰ পাপ পুণ্য সকলে লিখন্ত ॥

দিনে দিনে যত পাপ পুণ্য কৰে নৰে।
গোটে গোটে পত্র লিখি এক ঠাই কৰে ॥
সেই দিব্য সভা মাজে বসি আছে যম।
ধৰ্ম্মাধৰ্ম্ম বিচাৰিয়া কৰন্ত নিয়ম ॥

দেখন্ত পাতকি আছে অধোমুখে বসি।
ঋষি সমজ্যাক বুলিলন্ত মহাযশী ॥
শুনা সিদ্ধলোক মোৰ যেন সত্য বাণী।
এহি পুৰুষক মোত যোগাইলেক আনি ॥

শুনিল দূতৰ মুখে পাপৰ মহিমা।
শাস্ত্রক বিচাৰি যাতনাৰ দেয়োঁ সীমা ॥
ৰাজাৰ বচনে ঋষিগণে শাস্ত্র চাই।
কহিলন্ত পাতকিৰ যাতনা শুনাই ॥

ঋষিগণ মুখে পাপী যাতনাক শুনি।
বুলিল ৰাজাৰ আগে বসি মনে গুণি॥
দেৱৰ আগত আৰে গোচৰ আমাৰ।
কহিল যতেক দূতে মিছা সবে তাৰ॥

নকৰিলো পৃথিবীত পাপ কৰ্ম্ম আমি।
যেন কৰিবাক যোগ্য কৰিয়োক স্বামী॥
জানিয়া আচন্ত যমে তাৰ পাপ পুণ্য।
নোবোলন্ত কিছু শত্রু মিত্র উদাসিন॥

সাক্ষী মুখে ধৰ্ম্মাধৰ্ম্ম কৰন্ত বেকত।
শাস্ত্র অনুসাৰে দণ্ড কৰন্ত লোকত॥
সাক্ষীক সম্বুধি পাছে বুলিলন্ত ৰাজা।
ভৈলেক অসত্যবাদী পৃথিবীৰ প্রজা॥

অধৰ্ম্ম কৰিয়া বোলে নকৰিলো মই।
সাক্ষী সবে বোলা এবে যেন যোগ্য হুই॥
পাছে চন্দ্র সূৰ্য্য আদি সবে সাক্ষীগণে।
পাপীক সম্বুধি ক্রোধে বুলিলা বচনে॥

অৰে পাপি সব মিছা মাত অকাৰ্য্যত।
এৰাইবাক পাব তই আমাৰ আগত॥
কৰি আছা যত পাপ আমি আছোঁ জানি।
ৰাজাৰ আগত কিয় বোলা মিছা বাণী॥

সাখী মুখে শুনি আপোনাৰ কৃত্য পাপ।
অধোমুখে থাকি তৈতে কৰন্ত বিলাপ॥
চিত্রগুপ্তে বোলে তাক প্রবোধ বচন।
মিছাত বিৰোধ কৰ অৰে পাপীগণ॥

পৃথিবীত জন্ম লভি পাপী নৰ তনু।
নকৰিলি কিছু ধৰ্ম্ম আমি ঐতে শুনো॥
ভুঞ্জিবি যাতনা ফল পাপৰ সম্প্রতি।
অনেক বৎছৰ হুইব যাতনাত থিতি॥

শুনিয়া বচন ভৈল মৃতক সমান।
নাহি মাত বোল কিছু নেদে সমিধান॥
বুলিবে লাগিলা যমৰাজা তাক চাই।
কৰিলি পাতক তই পৃথিবীক যাই॥

পৰ দ্ৰব্য পৰ ভাৰ্য্যা হৰিলি পাপিষ্ঠ।
আপুনাৰ আপুনি তই চিন্তিলি অনিষ্ট॥
নাৰীৰ ৰূপক দেখি লৈলি তাৰ সঙ্গ।
অগ্নিত পৰিয়া যেন মৰয় পতঙ্গ॥

ৰূপে বীৰ্য্যে বলে গৰ্ব্বে মোহে ভৈলি অন্ধ।
পাপকেসে মাত্ৰ তই কৰিলি প্ৰবন্ধ॥
পৰৰ বস্তুক বলে কৰিলি সম্ভোগ।
বাঢ়ি গৈল তোৰ মহাপাপ গৰ্ভৰোগ॥

বলে চলে আনি পুত্ৰ ভাৰ্য্যাক পুষিলি।
যেন বৰশিলা খণ্ড গলত বান্ধিলি॥
কৰিলি যতেক ধৰ্ম্ম সবে ভৈল ব্যৰ্থ।
নভৈল পুণ্যৰ হেতু পাপৰেসে পথ॥

তনু মন দ্ৰব্য যাৰ নোহে শান্ত শুদ্ধ।
দান তপে ধৰ্ম্মে তাক কৰয় বিৰোধ॥
যেন আৱা ঘটে থৱে দধি দুগ্ধ ঘৃত।
কিছু কিছু কৰি গ্ৰায়ি যাই নিতে নিত॥

ঘট ভাগি যাই দধি দুগ্ধ হোৱে নষ্ট।
সেহিমতে পুৰুষক ধৰ্ম্মে কৰে ভ্ৰষ্ট॥
যাৰ দ্ৰব্যে ধৰ্ম্ম কৰে সেই নিৱে হৰি।
মিছা কাৰ্য্যে দুখ পাৱে যেন বাত ভাৰি॥

সেই সময়ত ৰাজা দূতগণ লৈই।
যমৰ আগত পাছে প্ৰবেশাইলা গৈই॥
কহিলা সমস্তে তাসম্বাৰ বিচেস্তাক।
বুলিবে লাগিলা ৰাজা হাসি তাসম্বাক॥

ৰাজাবো ভৈলেক আবে হেনসে বিলাই।
কৈক গৈলা দণ্ড ছত্ৰ লগে কোন যাই॥
বাজা তুই ভৈলি আবে দুষ্ট দুৰাচাৰ।
ৰাজ ধৰ্ম্ম এৰি ভৈলি পৃথিবীৰ ভাৰ॥

কতোকাল জীবি বুলি কৰিলি আগ্ৰহ।
অনেক প্ৰাণীক তই কৰিলি নিগ্ৰহ॥
অন্যায়ে দণ্ডিলি কতো ধনৰ লোভত।
মই বৰ ৰাজা হেন দেখায়া লোকত॥

প্ৰাণী বধ কৰি পাপ কৰিলি দুৰ্ঘোৰ।
লোকৰ সৰ্ব্বস্ব মানে সবে বোলা মোৰ॥
সুবৰ্ণ ৰজত মণি যত অলঙ্কাৰ।
পৰক নিগ্ৰহি কতো আনি হেমহাৰ॥

আপুনাৰ ভাৰ্য্যা পুত্ৰ কৰিলি মণ্ডিত।
লোকৰ নিগ্ৰহে কাৰ্য্যে বোলাৱে পণ্ডিত॥
আপুনাৰ জীৱনৰ নাই ঠান ঠিতি।
আৰু ৰাজ্য লৈবো বুলি মনে থাকে চিন্তি॥

যত ৰাজা আছে মানে সবাকে জিনিবো।
কাটি মাৰি তাৰ ৰাজ্য সবে কাঢ়ি লবো॥
পৰৰ ছিদ্ৰক চাই আছিলি পামৰ।
সৰ্প মণ্ডলৰ যেন ভৈলে পটন্তৰ॥

একগোট বেঙ্গ আছে আহাৰক চাই।
তাকে খাইবে লাগি এক সৰ্প গোট যাই॥
ময়ূৰে সৰ্পক খেদি যাই খাব মনে।
ময়ূৰক দেখি ব্যাধে ধনুক সন্ধানে॥

ব্যাধক দেখিয়া ব্যাঘ্ৰ যাই পাচে পাচে।
ব্যাঘ্ৰৰ ছিদ্ৰক চাই সিংহ গোট আছে॥
এহি মতে ছিদ্ৰ চাই সবে ভৈল হত।
তুমি সবে ৰাজাগণ ভৈলি সেহি মত॥

অচিন্তে আছিলি সবে পৰ ছিদ্ৰ চাই।
সবাকো গিলিলে গৈই মৃত্যু সিংহে পাই॥
কৈত তোৰ ৰাজ্য কৈত সেই ধনজন।
কৈত ভাৰ্য্যা পুত্ৰ কৈত কুটুম্ব সজ্জন॥

ভ্ৰাতৃ মিত্ৰ ভৃত্য যত নাহিকে লগত।
যত আলচিলি মানে সবে ভৈল হত॥
এবে ৰাজাগণ তোৰ গুচিল চাতুৰী।
বিসাদ কৰিয়া আছ কিয় মুণ্ড ঘূৰি॥

আপুনাৰ কৰ্ম্ম ফল ভুঞ্জিবি আপুনি।
নাহিকে কাহাৰ দোষ চোৱা মনে গুণি॥
কৈৰা মোৰ দূত পাতকিক আসি ধৰ।
নৰকক নিয়া ভাল মতে শাস্তি কৰ॥

ঋষিগণে যেন কৰে শাস্ত্ৰৰ বিহিত।
তাত পৰে আন নকৰিবি অনুচিত॥
এহিমানে ধৰ্ম্ম ৰাজা দিলন্ত প্ৰবোধ।
হৰিক মনত চিন্তি পৰিলন্ত ক্ৰোধ॥

বিষ্ণুৰ মহিমা কোনে চিন্তি পাৰে অন্ত।
আপুনাৰ কৰ্ম্মে বদ্ধ হোৱন্ত অনন্ত॥
নজানো মহিমা আমি বিষ্ণুৰ সম্প্ৰতি।
তান চৰণত মোৰ হোক দৃঢ় মতি॥

প্ৰাণী সমস্তক দেওঁ আমি অসন্তোষ।
এহি বিষয়ত মোৰ মৰষিয়ো দোষ॥
তোমাৰেসে আজ্ঞা পালি প্ৰজাক নিয়মো।
হে কৃষ্ণ তযু পদ পঙ্কজত নমো॥

শুনা সভাসদে সবে শাস্ত্ৰৰ মহৎ।
কিসক অচিন্তে আছা মৃত্যুৰ মুখত॥
সংসাৰ অৰণ্য আছা মহা মৃত্যু সিংহ।
নানা ব্যধিগণ ভাৰ ভৈল তাৰ বিঙ্গ॥

বিষয়ৰ শ্ৰেষ্টা ভৈল যেন জটা ভাৰ।
জড়া ৰোগ ভৈল বাট আসিবাৰ তাৰ॥
কালে খড়গ ধৰি আছে মুণ্ডৰ উপৰে।
কিয় সুখে নিদ্ৰা কৰি আছা সবে নৰে॥

জনম মৰণ যাৰ নাই সংসাৰত।
সাখি বুলি বিশ্বাসক কৰিবা মৃত্তত॥
তাৰেসে নাহিকৈ ভয় মৃত্তৰ আগত।
আন কোন এৰাইবেক মৰণৰ হাত॥

মুণ্ডত মৃত্তৱে ধৰি আছে নিৰন্তৰে।
তাক যদি জানে পাপ কৰে কোন নৰে॥
আচোক অকাৰ্য্য তাৰ নুকৃচে আহাৰ।
নজানি চপাৱে পাপ কৰ্ম্ম মহাভাৰ॥

লোকৰ মৰণ দেখি কৰে হৰি হৰি।
আজি কালি কৰি কেনমতে গৈল মৰি॥
চেতন নপাৱে আপুনাক আছে ধৰি।
ৰাত্ৰি দিনে থাকে পৰকেসে চিন্তা কৰি॥

শিশু যুবা বৃদ্ধ গৰ্ভবাসে যত প্ৰাণী।
মৃত্তকে ধৰিয়া আছে সবাকো সন্ধানি॥
ঈশ্বৰ দৰিদ্ৰ মূৰ্খ পণ্ডিত দুৰ্ব্বল।
বলৱন্ত ধনী তপসিত মৃত সম॥

মন্ত্ৰ তপ জপ হোম ঔষধ উপায়।
নোৱাৰে এৰাইবে কোনো মৃত্তক সদায়॥
যিদিনাত মাতৃৰ গৰ্ভত হোৱে থিত।
সেহি দিনা হন্তে মৃত্যু চাপে সন্নিহিত॥

কিছু কিছু কৰি গিলি আছে জগতক।
আগতে নিবাক আসে নেদেখা কিসক॥
পিতৃ মাতৃ বন্ধু সকলোক নিল মাৰি।
সমস্ততে কৰি বৰ মৃত্যু অধিকাৰী॥

তৃষ্ণা ভৈল কাঠি তাত বিন্ধি সবে প্ৰজা।
ৰাগ দ্বেষ জুইত পুৰি খাই মৃত ৰাজা॥
ধন জন ভাৰ্য্যা পুত্ৰ আছে যিবা ঘৰে।
এহিমতে জগতক মৃত্যুয়ে সংহাৰে॥

আন কৰ্ম্ম এৰি চিন্তা আপোনাৰ হিত।
কৃষ্ণত ভকতি কৰা হুয়া একচিত্ত॥
নৰক ব্যাধিৰ কৃষ্ণ ভক্তিসে ঔষধ।
আন ধৰ্ম্মে নকবয় শঙ্কাৰ নিৰোধ॥

কোটি কোটি পাপ একে নামেসে সংহাৰে।
যেন সূৰ্য্যে ঘোৰ অন্ধকাৰ দূৰকৰে॥
যমৰ যাতনা দুখ যাৰ আছে ভয়।
বোলা ৰাম ৰাম পাপ যানে হোক ক্ষয়॥

# গোপাল মিশ্ৰ।

জন্মাদ্যস্য শ্লোকৰ কীৰ্ত্তন।

চবি।

ঘোষা। জয় কৃষ্ণ নমো জনাৰ্দ্দন ভকত বৎসল ৰাম।
তযু পাদপদ্মে শৰণ পশিলোঁ পূৰিয়ো মনৰ কাম॥

পদ। ব্যাস মহা ঋষি, প্ৰবন্ধ কৰিয়া,
বৰ্ণাইলা পুৰাণ চয়।
আনু নানা শাস্ত্ৰ, বৰ্ণাইলা তথাপি,
ভৈলেক তান সংশয়॥
আপুনাক ব্যাসে, আপুনি দুষিলা,
নভৈলা চিত্ত সন্তোষ।
সেহি সময়ত, নাৰদ আসিলা,
বীণাত কৰিয়া ঘোষ॥
তাঙ্ক প্ৰবোধিয়া, উপদেশ দিলা,
ভকতি মাত্ৰ দেখাই।
ব্যাসো পাইলা বোধ, ভৈল চিত্ত শোধ,
কৃষ্ণৰ ভকতি পাই॥
তান উপদেশ, ভাগৱত শাস্ত্ৰ,
কৰিতে ব্যাসে আৰম্ভ।
হৰিৰ চৰণ, মঙ্গল আচৰি,
পাতিলন্ত পূৰ্ণ কুম্ভ॥
ব্যাস মহাঋষি, নাৰদত হন্তে,
পাইলা উপদেশ সাৰ।
শিষ্যে সমে বসি, পৰম আনন্দে,
কৰিলা ব্ৰহ্মবিচাৰ॥

শুনা শিষ্য চয়, তেজিয়ো সংশয়,
সত্য বস্তু ভগৱন্ত।
তাঙ্কে কৰো ধ্যান, তোৰা সবো তাঙ্ক,
ধ্যান কৰা অপৰ্য্যন্ত॥
স্বৰূপ লক্ষণে, তাহাঙ্কে বুজাওঁ,
শুনা সাবধান মনে।
তাহান স্বৰূপ, নাৰদত বিনে,
নাজানয় আন জনে॥
সত্য বস্তু হৰি, জানা নিষ্টকৰি,
প্ৰপঞ্চ ইতো অসত্য।
যিহেতু সত্যৰ, সকাশত থাকি,
সত্য হেন প্ৰকাশন্ত॥
সত্যৰ কাৰণ, কহোঁ শুনিয়োক,
প্ৰকৃতিৰ গুণচয়।
ঈশ্বৰতে আছে, তথাপিতো জানা,
তাঙ্ক নিষ্টে নোচোৱয়॥
তমো গুণ হন্তে, গোলক হোৱয়,
ইন্দ্ৰিয় ৰজো গুণত।
সত্ত্ব গুণ হন্তে, শুদ্ধ সত্ত্বময়,
দেৱতা হৱে বেকত॥
তিনি গুণে আসি, সৃষ্টি স্থিতি লয়,
জগতৰ কৰি ৰৱে।
ৰজো গুণে ব্ৰহ্মা, সৃষ্টি কৰিলন্ত,
সমস্ত শাস্ত্ৰত কৱে॥
সত্ত্ব গুণে বিষ্ণু, জগতকে পালা,
আপুনি হুয়া প্ৰবেশ।
তমো গুণে হৰে, সমস্ত সংহৰা,
নাথাকয় লৱলেশ॥

যাতো নব হয়, এতেক প্ৰপঞ্চ,
জানিবা মিছা প্ৰত্যেক ।
তথাপি ঈশ্বৰ, প্ৰকাশ লভিয়া,
প্ৰকাশয় অতিৰেক ॥
হেন ঈশ্বৰক, সদা ধ্যান কৰোঁ,
নাৰদৰ কৃপা পাই ।
আবেসে জানিলোঁ, ঈশ্বৰত বিনা,
সত্য বস্তু আন নাই ॥
অসত্য জগত, সত্যৰ সকাশে,
প্ৰকাশে জানা সদাই ।
ইহাৰ দৃষ্টান্ত, শুনা শিষ্য চয়,
তোবাত কহোঁ বুজাই ॥
মধ্যাহ্ন সময়ে, সূৰ্য্যৰ প্ৰকাশ,
বালিত লাগি আছয় ।
জলময় দেখি, জল বুদ্ধি অজ্ঞে,
পানক মনে ধাৱয় ॥
প্ৰথমতে স্নান, কৰোঁ বুলি ৰঙ্গে,
ঝাম্প দিয়া পৰি ৰৈলা ।
স্নান পান তাৰ, দূৰতে ৰহিলা,
আৰো ভৰি ভাঙ্গি গৈলা ॥
পাচে পায়া তাপ, বোলে বাপ বাপ,
জল ইতো নুহিকয় ।
কিন্তু সূৰ্য্যতেজ, বালিত লাগিয়া,
জল যেন প্ৰকাশয় ॥
সেহিমতে কোনো, মূৰ্খ সবে আসি,
দেখিলেক কোনো স্থান ।
আছে কাঁচ মাটি, জলময় দেখি,
জলৰ কৰে প্ৰমাণ ॥

কাচে বস্ত্র থৈয়া, হাতে চৰি লৈয়া,
জল জুখিবাক গৈলা।
নাৰী সবে দেখি, হাসিবে লাগিলা,
পাচে লাজ হুয়া ৰৈলা॥
সূৰ্য্য মাত্র সত্য, তাহান সকাশে,
জল বুদ্ধি সত্য হয়।
যিহেতু ৰাত্রিত, সূৰ্য্যৰ অভাৱে,
বালিত জল নোহয়॥
সেহিমতে ইতো, জগতৰ সিদ্ধি,
ঈশ্বৰত হন্তে হৰে।
ঈশ্বৰে এৰিলে, অজ্ঞানী সমস্তে,
সবে মিছা বুলি কৰে॥
যদি বোলাঁ ইতো, ঈশ্বৰত আছে,
প্রপঞ্চ জড় সগুণ।
প্রপঞ্চক বুলি, কেন মতে হৰি,
আপুনি হৈলা নিৰ্গুণ॥
ইতো শঙ্কা চয়, কদাচিতো নয়,
চৈতন্য বিশুদ্ধ হৰি।
স্বৰূপ প্রকাশি, মায়াৰ কপট,
থৈলা দূৰে পৰিহৰি॥
শুনা সভাসদ, ভাগৱত পদ,
মনত কৰি নিশ্চয়।
ব্যাসে যাক ভজা, নাৰদে ভজন্ত,
আমাৰ কোন সংশয়॥
সংশয়ক তেজা, কৃষ্ণ পাৰে ভজা,
পূৰিয়োক মনকাম।
উদ্ধাৰা পুৰুষ, সমজ্যাৰ লোক,
ডাকি বোলা ৰাম ৰাম॥

ঘোষা । জয় যদুপতি জগন্নাথ, নিয়োক দাসক উদ্ধাৰি ।
তযু দাস বুলি মোক কৃপা কৰা তুমি জগবন্ধু হৰি ॥

দোলড়ি । তটস্থ লক্ষণে, তাহাঙ্ক বুজায়া,
ধ্যানক কৰিলা সাৰ ।
ঈশ্বৰত বিনা, সন্তৰ কৃপাত,
নেদেখিলা বস্তু আৰ ॥
যান হন্তে হৰে, জগতৰ জন্ম,
পালন পুনু সংহাৰ ।
হেনয় কৃষ্ণক, ভজো ধ্যান কৰোঁ,
পূজো মঞি বাৰম্বাৰ ॥
যিহেতু সমস্ত, প্ৰপঞ্চত হৰি,
অনুগত হুয়া আছা ।
ঈশ্বৰে এৰিলে, কিছু নৰহয়,
তিলেকতে হৰে মিছা ॥
ঘট পট স্তম্ভ, আদি কৰি যত,
সংসাৰে বস্তু আছয় ।
সবাকে ব্যাপিয়া, আছা ভগৱন্ত,
এৰিলে কিছু নৰয় ॥
এতেকে জানিবা, যিতো বস্তু আছে,
তাতে তাতে আছা হৰি ।
আকাশৰ পুষ্প, যিহেতু নাহিকে,
তাকে বৈলা পৰিহৰি ॥
যদি বোলা ইতো, জগতৰ হেতু,
প্ৰকৃতিয়ো আসি হয় ।
তিনি গুণে যত, সৃষ্টি স্থিতি লয়,
সংহাৰ যিতো কৰয় ॥
এতেকেসে তোৰা, প্ৰকৃতিক ধ্যান,
কৰোঁ হেন শঙ্কা তেজা ।
যিহেতু প্ৰকৃতি, জড়ৰূপা হোৱে,
সবে চৈতন্যক ভজা ॥

স্বষ্টিৰ পূৰ্ব্বত, কটাক্ষ পূৰ্ব্বকে,
প্ৰকৃতিক আজ্ঞা কৰি।
স্ৰজিলা জগত, যিটো কৃষ্ণদেৱ,
তান পাদ পদ্ম স্মৰি॥
বেদেয়ো কহিছে, জগতৰ হেতু,
একেমাত্ৰ কৃষ্ণ স্বামী।
মায়া পুনু জড়, চৈতন্যত বিনা,
কাহাঁকো নভজোঁ আমি॥
যদি বোলা জীৱ, চৈতন্য হোৱয়,
তাঙ্ক কিবা কৰা ধ্যান।
যাহাঁৰ প্ৰসাদে, সমস্ত দেহত,
ৰহিয়া আছয় প্ৰাণ॥
ইটো শঙ্কাচয়, কদাচিতে নয়,
জীব যাতো পৰাধীন।
ঈশ্বৰৰ অঙ্গ, হুয়া তথাপিতো,
ভোগকৰি ভৈলা ভিন॥
স্বতন্ত্ৰ ঈশ্বৰ, হৰে যিটোজন,
তাহাঙ্ক স্মৰোঁ মনত।
কৃপালু নাৰদে, যাহাঁক কহিছাঁ,
তাহাঙ্ক মানো সতত॥
তাকে সে ঈশ্বৰ, শাস্ত্ৰত কহয়,
স্বতন্ত্ৰ যিটো হোৱয়।
জীৱ সব পুনু, গুণৰ অধীন,
সংসাৰে সদা ভ্ৰময়॥
চৈতন্য হোৱন্তে, পৰাধীন জীৱ,
নুহিকয় ধ্যান যোগ।
আপোন স্বৰূপ, পাসৰি যিহেতু,
বিষয়ক কৰে ভোগ॥

যদি বোলা ব্ৰহ্মা, স্বতন্ত্ৰ হোৱন্ত,
কৰা সৃষ্টি জগতৰ।
কিবা তাঙ্কে ধ্যান, সততে কৰোহোঁ,
যাক নাহি সমসৰ॥
ইটো শঙ্কা তোৰা, নকৰিবা মনে,
ব্ৰহ্মা ধ্যান যোগ্য নুই।
যিহেতু বেদক, পাসৰি থাকন্ত,
আপুনি মোহিত হুই॥
ঈশ্বৰে জানিয়া, মনত হাসিয়া,
বেদক কৈলা বিস্তাৰ।
বিষয়ৰ সুখে, মোৰ পুত্ৰ ব্ৰহ্মা,
মোহ পাৱে বাৰম্বাৰ॥
তথাপিতো তাঙ্ক, বেদ পঢ়াৱন্ত,
হেন কৃপাময় হৰি।
তাহাঙ্ক বিনায়, কাহাঁৰ চৰণ,
থাকিবোঁ মনত স্মৰি॥
যদি বোলা ব্ৰহ্মা, কাতো হন্তে বেদ,
পঢ়িবাৰ নতো শুনি।
আৰু বোলা ব্ৰহ্মা, বেদক পাসৰি,
থাকন্ত মনত গুণি॥
ইটো শঙ্কাচয়, তেজিও নিশ্চয়,
ব্ৰহ্মাইকে পঢ়াইলা বেদ।
বেদক পাসৰি, সৃষ্টি পৰিহৰি,
যাতো কৰি আছাঁ খেদ॥
সেই সময়ত, কৃপা কৰি হৰি,
আদেশিলা সৰস্বতী।
ব্ৰহ্মাৰ সমীপে, সত্বৰে চলিও,
বুলিলাহাঁ প্ৰতিপ্ৰতি॥

আজ্ঞা পায়া দেবী ব্ৰহ্মাৰ হৃদয়ে,
সত্বৰে গৈয়া পশিলা।
বেদক পাসৰি, আনো খেদ কৰি,
মনে হৰি শিক্ষা দিলা॥
পাচে চাৰি মুখে, উচ্চাৰিলা বেদ,
সৃষ্টিও হৈলা বিদিত।
হেন কৃপাময়, ব্ৰহ্মাৰ বুদ্ধিক,
প্ৰৱৰ্ত্তাই সাধিলা হিত।
যদি বোলা ব্ৰহ্মা, আপুনি পূৰ্ব্বত,
সমস্তে বেদ জানন্ত।
কেন মতে তান, মনে হৰি আসি,
আপুনি শিক্ষা দিলন্ত॥
যেন কোনো জনে, নিদ্ৰাত থাকন্তে,
পূৰ্ব্ব কথা পাসৰয়।
নিদ্ৰাৰ উঠিয়া, পূৰ্ব্বৰ বৃত্তান্ত,
সমস্তে কৈবে পাৰয়॥
সেহিমতে ব্ৰহ্মা, লভন্তোক বেদ,
যাতো গুৰু সমস্তৰ।
কেনে বোলা তুমি, বেদক পাসৰি,
খেদ কৈলা বহুতৰ॥
ইটো শঙ্কা তোৰা, নকৰিবা মনে,
বেদৰ গুৰু আছয়।
যাহাঁৰ অৰ্থক, বিচাৰিয়া মহা,
মুনি সবো মোহ হয়॥
এতেকে বেদৰ, অৰ্থক জানন্তা,
ভগৱন্ত কৃপাসিন্ধু।
তাঙ্কে ধ্যান কৰি, মনে ৰূপ ধৰি,
তৰোঁ ইটো ভৱসিন্ধু॥

ময়ো তাঙ্কে ধ্যানো, তান কৃপা পাওঁ,
নাৰদৰ কৃপা পাই।
এখনে জানিলোঁ, তান্ত বিনা মোৰ,
ইষ্টদেৱ আন নাই॥
যিহেতু ব্ৰহ্মাৰ, পৰাধীন জ্ঞান,
স্বতঃসিদ্ধ ভগৱান।
জগত কাৰণ, ভৱ নিস্তাৰণ,
এতেকেসে তাঙ্কে ধ্যান॥
সমস্ত জগত, যাৰ সকাশত,
সান্ত হেন প্ৰকাশয়।
এতেকেহে মঞি, তাহাঙ্কে ধিয়াএঁা,
কৰিয়া মনে নিশ্চয়॥
সেইমতে আন, বেদৰ ৰহস্য,
মন্ত্র পঢ়ি প্ৰথমতে।
আৰম্ভিলা মাত্ৰ, ভাগৱত শাস্ত্ৰ,
আনন্দ পায়া মনতে॥
ইহাৰ শ্ৰৱণে, কীৰ্ত্তনে পুৰুষে,
পাৱয় ব্ৰহ্ম বিগ্যাক।
ব্যাসৰ বচন, বুজাইবে লাগিলা,
স্বামী দেৱ শিষ্য ঝাক॥
মৎস্য পুৰাণত, আকে কহি আছে,
শুনা মঞি কহোঁ তাক।
সন্দেহ তেজিয়া, কহো শিষ্যচয়,
শুনা সবে এক বাক॥
পুৰাণ বেদক, বিস্তৰ প্ৰভাৱে,
ভাগৱত দান ফল।
কহিয়া আচন্ত, মহন্ত সকলে,
মনে পায়া কুতুহল॥

যি শাস্ত্রে আদ্যত, মহামন্ত্র পঢ়ি,
হৰিক ব্যাসে স্মৰিলা।
সকামে নিস্কামে, তৰে নানা ধৰ্ম্মে,
ব্যাসে যাত দেখাই দিলা॥
বৃত্রাসুৰ বধ, যাহাতে আছয়,
তাকে ভাগৱত বুলি।
হেন ভাগৱত, লিখিয়া বিপ্রক,
দান দেই হাতে তুলি॥
কিন্তু সুবৰ্ণৰ, সিংহাসনে থোৱা,
ৰাজা সবে দিব দান।
আনো সবে দান, দিবেক সুবৰ্ণ,
খিলাৰ কৰি প্রমান॥
অমাবস্যা চাই, কতো দান দেই,
কতো দেই পূৰ্ণিমাত।
দানৰ প্রসাদে, মহা অপ্রমাদে,
বৈকুণ্ঠ পাৱে সাক্ষাত॥
অঠৰ হাজাৰ, শ্লোক আছে যাত,
তাকে বুলি ভাগৱত।
পদ্ম পুৰাণতো, অম্বৰিষ আগে,
গৌতমে কৈছে সৰ্তত॥
ভাগৱত শুনা, অম্বৰিষ তুমি,
কৰিয়া মনে নিশ্চয়।
কোন দিনা পৰা, আজ্ঞা দিলোঁ মঞি,
তেজিয়ো মনে সংশয়॥
তাকে ভাগৱত, মহন্তে বোলয়,
শুকে যাক কহি আছা।
ইহাৰ কীৰ্ত্তনে, সংসাৰ নিস্তৰা,
যদি মনে কৰা বাঞ্ছা॥

আনো পুৰাণত, কহিয়া আছন্ত,
সাধু সাধু নিষ্ট কৰি।
ভাগৱত শুনি, মহন্ত সকলে,
সংসাৰ গৈলা নিস্তৰি॥
অঠৰ হাজাৰ, শ্লোক সমন্বিতে,
গ্ৰন্থ মহা অদভূত।
প্ৰথমক আদি, বাৰ স্কন্ধে সদা,
হুয়াছে সদা যুগুত॥
হয়গ্ৰীৱ লীলা, যাহাত কহয়,
বৃত্ৰবো বধ আছয়।
মহামন্ত্ৰ পঢ়ি, আৰম্ভিলা যাক,
ব্যাস মুনি আতিশয়॥
এতেক লক্ষণ, যাহাত আছয়,
ভাগৱত বোলে তাক।
বিধি, হৰ, শুক, নাৰদ, কপিল,
হুয়া সেৱে এক বাক॥
এহিমতে নানা, গ্ৰন্থ মত আনি,
শ্ৰীধৰ দেৱে সাক্ষাত।
পাষণ্ড সৱৰ, মতক দূৰতে,
কৰিলা যিটো বিঘাত॥
এতেকে ইহাক, ভাগৱত বুলি,
বিপৰীত শঙ্কা তেজা।
ইহাক শুনিয়া, কৃষ্ণৰ অভয়,
চৰণ কমলে ভজা॥
শুনা সভাসদ, ভাগৱত পদ,
ইতো সৰ্ব্ব সাৰোদ্ধাৰ।
ইহাক শুনিয়া, যম কৰণৰ,
এৰায়ো মহা নিকাৰ॥

অৱতাৰ হুয়া, ব্যাস মহাঋষি,
নাৰদক গুৰু মানি।
অসন্তোষ চয়, কৰিলন্ত ক্ষয়,
ভজিলন্ত চক্ৰপাণি ॥
শিষ্য সমস্তকো, উপদেশ দিয়া,
কৃষ্ণক কৰিলা ধ্যান।
আমি কোন মুখে, কৃষ্ণক নামানো,
ব্যৰ্থে ধৰোঁ ইতো প্ৰাণ ॥
ব্যাসত অধিক, পণ্ডিত হৈলোঁহোঁ,
কৃষ্ণৰ ধ্যান তেজিলোঁ।
সকাম কৰ্ম্মৰ, বহু ফল শুনি,
তাতে মাত্ৰ মন দিলোঁ ॥
নমো দামোদৰ, মোৰ সমসৰ,
নাহিকয় মহাপাপ।
অমৃতক তেজোঁ, বিষয়ক ভুঞ্জোঁ,
নতৰো সংসাৰ তাপ ॥
এভো কৃপা কৰাঁ, দাস বুলি ধৰাঁ,
দিয়োক সাধু সঙ্গতি।
তাসম্বাৰ সঙ্গে, থাকি মহা ৰঙ্গে,
কৰিবোঁ তযু ভকতি ॥
বুলিবোঁ সততে, গোবিন্দ মাধৱ,
চিদানন্দ সদানন্দ।
ভকৎ বৎসল, কৃপাৰ সাগৰ,
নকৰিবা মোক মন্দ ॥
ইতো ঘোষা ৰত্ন, কৰা আত যত্ন,
সততে কৰা বিচাৰ।
ইহাৰ বিচাৰে, কৃষ্ণৰ ভকতি,
লভিবাঁহা সাৰে সাৰ ॥

বৈষ্ণৱ সবক, কৃতাঞ্জলি কৰি,
কহয় গোপাল মিশ্র।
মহা উচ্চ কৰি, বোলাঁ হৰি হৰি,
তৰিয়োক ভবকৃচ্ছ্র॥

---

## পৰম-ধৰ্ম্ম নিৰূপণ।

লেচাড়ি।

ইতো শাস্ত্র মহামুনি কৈলা, তাতে মহাধৰ্ম্ম থাপি থৈলা,
মৎসৰ ৰহিত সাধু সৱে আক পাৱে।
স্বৰ্গফল তেজে অনুক্ষণ, মোক্ষতো যাহাৰ নাহি মন,
তাৰা সবে মাত্র আক ধৰ্ম্ম বুলি গাৱে॥
ইতো শাস্ত্র সত্য বস্তু কৱে, তিনি তাপ নিয়া দূৰে থাৱে,
নামত শ্রীমন্ত ভাগৱত নিৰূপম।
আক শুনিবাক যিতো চাৱে, হৃদয়ে ঈশ্বৰ লাগ পাৱে,
আন কোন ধৰ্ম্ম হইবেক ইহাৰ সম॥

## শাস্ত্র-নিৰ্ণয়।

চাৰি বেদ ভৈলা কল্পতৰু, ভাগৱত ভৈলা ফল গুৰু,
শুক মুখ লাগি ভূমিত আছে পৰিয়া।
অমৃত সমান স্বাদ ফল, সিঠা চাল নাহি নিৰিমল,
ব্রহ্মানন্দ ৰসে আছয় সদা ভৰিয়া॥
ৰসত চতুৰ যিতো জন, ফল পান কৰাঁ দিয়া মন,
ৰসময় ফল আসে বৈকুণ্ঠৰ পৰা।
শিষ্য সবে ভৈলা শাখাচয়, তাতে ফল লাগি নাভাগয়,
মোক্ষকো লভিবা ইতো ফল পান কৰাঁ॥
একে শাস্ত্র মাত্র সাৰ ভৈলা, দেৱকী তনয়ে যাক কৈলা,
এক দেৱ মাত্র দৈৱকী দেৱী কুমাৰ।
কৰ্ম্ম এক মাত্র সত্য হয়, তাহান সেৱাক শাস্ত্রে কয়,
মন্ত্রো একমাত্র কৃষ্ণ নাম সাৰে সাৰ॥

---

শৰণ-ভজনক আদি নৱবিধ

শৰণ-নিৰ্ণয়।

লেচাড়ি।

শৰণ, ভজন, ভক্তি চয় মহাজনে তাক বখানয়,
শ্ৰৱণ, মনন, অধ্যাপন, শীল, শিক্ষা।
স্বভাৱে সহিতে নৱবিধ, আক জীৱে জানি হৱে সিদ্ধ,
গুৰু সৱে শিষ্য সমস্তকে দেই শিক্ষা॥
শৰণৰ ক্ৰম কহোঁ শুনা, আক সাৱধান মনে শুনা,
কৃষ্ণ যামলত ইহাৰ ক্ৰম আছয়।
আক শুনি ভৱনদী তৰে, কিন্তু আৰ যিতো মত ধৰে,
সপ্ৰেম ভকতি কৃষ্ণত সিতো পাৱয়॥

শৰণ।

দেৱতাৰ আশা দূৰ কৰি, পুত্ৰাদিৰ স্নেহ পৰিহৰি,
কেৱলে হৰিত বিশ্বাস কৰয় মাত্ৰ।
প্ৰাকৃত শৰণ তাৰ নাম, বিষয় তৃষ্ণাত তেজে কাম,
সিতো পাচে প্ৰেম ভকতিৰ হোৱে পাত্ৰ॥
তীৰ্থ তপে জপে আশা তেজে, কায়বাক্যমনে হৰি ভজে,
যথোচিতে সেৱা হৰিক সদা কৰয়।
বাক্যে গোবিন্দৰ নাম গাৱে, মনে কদাচিতো লাগ পাৱে,
মধ্যম শৰণ তাহাঙ্ক শাস্ত্ৰে কহয়॥
শৰীৰৰ আশা কৰে দূৰ, নাম গায়া কৰে মন পূৰ,
জগতৰ পতি ভগৱন্ত চক্ৰপাণি।
তান্ত প্ৰেম ভক্তি ভৈল যাৰ, উত্তম শৰণ কৰে তাক,
উত্তম শৰণে সংসাৰক কৰে হানি॥

অধ্যাপন ।

যাৰত কৃষ্ণৰ কথা শুনে, কথাৰ অৰ্থক মনে গুণে,
ভাৰত কথাৰ অৰ্থত মনে ৰহয় ।
পাচে শিক্ষা দিবে নাপাৰয়, যিহেতু মনত নৰহয়,
ইহাক প্ৰাকৃত অধ্যাপন বুলি কয় ॥
গোবিন্দৰ কথা লীলা শুনি, আপুনি আনন্দ পাৱে গুণি,
তাৰ মন মজে ৰমে কথা সমুদ্ৰত ।
আনকো শিখাৱে কথাচয়, কথা সত্য বুলি ৰখানয়,
অধ্যাপন আক মধ্যম বোলে সতত ॥
কৃষ্ণ কথা কহে সাধু সঙ্গে, পৰকো বুজাৱে মহাৰঙ্গে,
হৰিৰ কীৰ্ত্তন ৰসে মন নেই টানি ।
অধ্যাপন বুলি তাক জানা, উত্তম বুলিয়া মনে মানা,
যিতো অধ্যাপনে সংসাৰৰ কৰে হানি ॥

---

শীল ।

গুৰুৰ বাক্যক যিতো লৱে, তাকে ব্ৰহ্ম বুলি মাত্ৰ কৰে,
কদাচিতো আন বাক্যত মন নেদয় ।
কৰ্ম্মী কৰ্ম্মফল দেখাৱয়, তথাপিতো মতি নাচাৱয়,
মহাজনে তাক প্ৰাকৃত শীল কহয় ॥
ভকতিক ধৰে দেৱচয়, তাসম্বাক পুনু নগণয়,
কেশৱত বিনে দেৱতা আন নামানে ।
যিহেতু মনক কৈলা থিৰ, ইন্দ্ৰিয়ক দমি ভৈলা বীৰ
তাহাক মধ্যম শীল সাধুসবে জানে ॥
অনিমাদি সিদ্ধি ভক্তে পাৱে, তাত স্পৃহা তেজি নাম গাৱে,
যিহেতু ভজন ৰস মহা বিপৰীত ।
হৰিৰো ৰূপত ইচ্ছা নাই, দাস সেৱা মাগে তাঙ্ক পাই,
ইহাক উত্তম শীল জানি সাধা হিত ॥

---

## শিক্ষা।

গুৰু দেন্ত উপদেশ চয়, শিষ্যে গুণ বুদ্ধি নলৱয়,
যাতো শিষ্য মনে কৰিবে নোৱাৰে সাৰ।
গুৰু তভো পুনু শিক্ষা দেন্ত, আপুনাৰো মত দেখাৱন্ত,
মহন্তে প্ৰাকৃত শিক্ষা নাম থৰে তাৰ ॥
গুৰু ভক্তি উপদেশ দেন্ত, শিষ্যে সদ্বুদ্ধি মনে লন্ত,
তথাপিতো কোন বেলা মহামোহ পাৰে।
ভেদ কৰিবাক নপাৰয়, জ্ঞান ভকতিক ঝপাই কয়,
ইহাক মধ্যম শিক্ষা বুলি শাস্ত্ৰে কৰে ॥
জ্ঞান কৰ্ম্ম কষ্ট পৰিহৰি, হৰিত মনক নিষ্ঠা কৰি,
গুৰু উপদেশে একান্ত সন্তক মানে।
সন্তৰ দাসকো সেৱা কৰে, তাসম্বাৰ মত মনে ধৰে,
মহন্তে উত্তম শিক্ষা বুলি আক জানে ॥

---

## স্বভাৱ।

শাস্ত্ৰাচাৰ্য্য উপদেশ সাৰ, শিষ্যকো শিখাৱে বাৰম্বাৰ,
তত্ত্ব ৰূপে শিষ্যে ধৰিবাক নপাৰয়।
কোন গুণ কোন দোষ চয়, মনে বিচাৰিয়া নপাৰয়,
প্ৰাকৃত স্বভাৱ ইহাক শাস্ত্ৰে কহয় ॥
গুণ দোষ জানে যিটো জন, কৃষ্ণৰ চৰণে দিয়া মন,
হৰি ভক্তি ৰসে কেৱলে মাত্ৰ ৰময়।
যেন বায়ু আকাশক পাই, ভাল মন্দ গন্ধ তেজি যাই,
আনকো পবিত্ৰ স্বতসে জানা কৰয় ॥
লৌকিক বৈদিক কৰ্ম্ম চয়, ভকতিক পায়া তেজি ৰয়,
কেৱল গুৰুক মাত্ৰ কৰে সতকাৰ।
ভাল শুদ্ধ বুদ্ধি তাৰ ভৈল, গুৰু সেৱা কৰি যাতো ৰৈল,
উত্তম স্বভাৱ আক জানা সাৰে সাৰ ॥

ইতো নৱবিধ মহাগুহ্য, মহন্ত সবৰো মহাপূজ্য,
ইহাকে জানিয়া বহস্য ভকতি পাৱে।
সন্তৰ কৃপাক অনুসৰি, তাসম্বাৰ পদধূলি ধৰি,
পৰম আনন্দে মিশ্র কবিবত্নে গাৱে॥

---

শৰণ।

চবি।

অৰ্জ্জুনৰ আগে হৰি, কহিলন্ত নিষ্ট কৰি,
মোত তুমি সখি দিয়া মন।
হুয়োক আমাৰ ভক্ত, মোক পূজা অবিৰত,
গন্ধ পুষ্পে কৰিয়া যতন॥
কৰা মোক নমস্কাৰ, সত্যে কৰো আঙ্গীকাৰ,
তুমি মোৰ লভিবা স্বৰূপ।
তুমি মোৰ প্ৰাণ বন্ধু, তৰা ইতো ভবসিন্ধু,
পুনু নলভিবা ভবকূপ॥
তাতে কৰি গুহ্যতম, পুনু কহোঁ নিৰুপম,
আক তুমি শুনা সাৱধানে।
তুমি বিনা নাহি আন, মোৰ বিশ্বাসৰ থান,
তাক সত্য বুলি গুণা মনে॥
সৰ্ব্ব ধৰ্ম্ম পৰিহৰি, একান্ত বিশ্বাস কৰি,
এক দেৱ মঞিঃ মোক মানি।
আমাত শৰণ লৈয়ো, শোক মোহ দূৰে থৈয়ো,
তযু পাপ কৰিবোঁহোঁ হানি॥
গুণময় মায়া মোৰ, জ্ঞানক কৰিবে চোৰ,
যাতো মোৰ শকতি হোৱয়।
আমাত শৰণ যিটো, লয়ে মায়া তৰে সিতো,
আনে তৰিবাক নপাৰয়॥

অক্ৰূৰে বোলন্ত হৰি, কহো আমি নিষ্ট কৰি,
কোনেনো পণ্ডিত বোলাইবেক ;
তোমাৰ শৰণ তেজি, বিষয় ৰসত মজি,
আন দেৱতাক ভজিবেক ॥
ভকতৰ প্ৰিয়তম, নাহিকয় তজু সম,
সকামীৰ কাম কৰা দূৰ।
নিষ্কামী দাসকো তুমি, আপুনাকো দিয়া স্বামী,
কৃপা কৰি ভব কৰা দূৰ ॥
কৃষ্ণৰ চৰণে ধৰি, উদ্ধৱে মিনতি কৰি,
বোলে প্ৰভু কমল লোচন।
তোমাৰ চৰণ পদ্ম, সমস্ত আনন্দ সদ্ম,
সন্তে লৱে তাহাতে শৰণ ॥
ভকতৰ সেৱা সুখ, তৰে সংসাৰৰ দুখ,
ভকতৰ তুমি হুয়া বন্ধু।
জ্ঞানী কৰ্ম্মী নলভয়, মায়ায়ে বঞ্চিয়া থয়,
নতৰয় সিতো ভৱসিন্ধু ॥
তোমাৰ প্ৰসাদ পাই, ভক্তে মায়া তৰি যাই,
আৰু তুমি হৱাহা অধীন।
যশোদাৰ বান্ধ লৈয়া, গোপীৰ আজ্ঞাত ৰৈয়া,
বলিৰ দুৱাৰে প্ৰতিদিন ॥
ইতো প্ৰভু নুহি চিত্ৰ, বানৰেও ভৈলা মিত্ৰ,
কেৱল শৰণ লৈলে মাত্ৰ।
ৰামচন্দ্ৰ ৰূপে হৰি, কৃপালু গুণক ধৰি,
পশুকো কৰিলা ভক্তি পাত্ৰ ॥
এতেকে তোমাক তেজি, কোন আন দেৱ ভজি,
পাসৰিবে তজু উপকাৰ।
যিতো অন্তৰ্য্যামী হৰি, চৰাচৰ আছা ধৰি,
যাত বিনা বস্তু নাহি আৰ ॥

বাহিৰে ভিতৰে হৰি, তুমি গুৰু ৰূপ ধৰি,
শিষ্যক দিয়াহা উপদেশ।
তথাপিতো যিতো নৰে, তোমাৰ শৰণ তেজি,
তাৰ নুগুচয় ঋণ শেষ ॥
নৰসিংহ পুৰাণত, ঈশ্বৰবো এহিমত,
বাসুদেৱ বিজনে বোলয়।
শৰণ তোমাত লৈলে, দেৱ আশা দূৰে থৈলে,
তাৰ হৰা সংসাৰৰ ভয় ॥
যমে তাত বোধ দেন্ত, দূত কৰ্ণ মূলে কন্ত,
সবাৰে হাততে পাশ দেখি।
অভক্তৰ অধিকাৰ, জানা মঞি সাৰে সাৰ,
তাসম্বাক আনা লেখি লেখি ॥
শৰণ লৱয় যিতো, মধুসুদনৰ সিতো,
বল্লভ হোৱয় আতিশয়।
তাসম্বাৰ তেজা পাশ, যদি জীৱে কৰা আশ,
নিষ্টে মঞি কৈলো দূত চয় ॥
গৰুড় পুৰাণে হৰি, কহিলন্ত নিষ্ট কৰি,
যিতো জনে ধ্যান বিবৰ্জ্জিত।
হৰিত শৰণ লৈয়া, ভকতি ৰসক পায়া,
সাধিলেক আপুনাৰ হিত ॥
নাৰদ পুৰাণে হৰি, কহি আছা নিষ্ট কৰি,
যিটোজনে শৰণ লৱয়।
কমল লোচন হৰি, গোবিন্দ বামন সদা,
নৰসিংহ বচন বোলয় ॥
শৰণ পশিলোঁ হৰি, লৈয়ো মোক দাস কৰি,
এহি বাক্য সততে বোলয়।
শুনিয়া তাহাৰ বাণী, সংসাৰক কৰো হানি,
সিতো মোৰ প্ৰিয় আতিশয় ॥

---

# ভট্টদেৱ।

এওঁৰ পিতৃমাতৃয়ে থোৱা নাম বৈকুণ্ঠনাথ; কবিৰত্ন, ভাগৱত ভট্টাচাৰ্য্য বা ভট্টদেৱ তেওঁৰ উপাধি। বৰপেটা মহকুমাৰ ভেড়াগাৱঁত ১৫৫৮ খৃষ্টাব্দৰ ওচৰাওচৰি কোনো সময়ত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম কবিসৰস্বতী, মাতৃৰ নাম তাৰাদেৱী। কবিসৰস্বতী এজনা প্ৰসিদ্ধ বৈদান্তিক ব্ৰাহ্মণ পণ্ডিত আছিল। বৈকুণ্ঠনাথে বড়নগৰৰ প্ৰসিদ্ধ পণ্ডিত গোপাল দেৱৰ টোলত সংস্কৃত শিক্ষা লাভ কৰে। তেওঁ অলপ দিনৰ ভিতৰতে বহুত সংস্কৃতৰ শাস্ত্ৰ অধ্যয়ন কৰে, বিশেষকৈ ভাগৱতত তেওঁৰ বৰ ব্যুৎপত্তি জন্মে। শিক্ষা শেষ কৰি সেই সময়ৰ অসমৰ বৈষ্ণৱধৰ্ম্ম প্ৰচাৰক দামোদৰ দেৱত শৰণ লয় আৰু তেওঁৰ অনুমতিতে কথা-ভাগৱত ৰচনা কৰে। ভট্টদেৱে ১৫৯৩ খৃষ্টাব্দত কথা ভাগৱত লিখিবলৈ আৰম্ভ কৰি ১৫৯৭ খৃষ্টাব্দত তাক শেষ কৰে। দামোদৰদেৱে তেওঁৰ মৃত্যুৰ সময় ভট্টদেৱক পাটবাউসী সত্ৰৰ অধিকাৰ পাতি তেওঁৰ মূৰত ধৰ্ম্মভাৰ অৰ্পণ কৰে। সেই সত্ৰত কিছু দিন থাকি ভট্টদেৱ তাৰ পৰা ব্যাসকুচিত এখন সত্ৰ স্থাপন কৰি তালৈ যায় আৰু তাতে ১৬৩৮ খৃষ্টাব্দত বৈকুণ্ঠগামী হয়। এওঁৰ ৰচিত প্ৰধান পুথিবিলাক এই :—কথাভাগৱত, কথাগীতা, কথাৰত্নাৱলী এই তিনিখন অসমীয়া গদ্যত লিখা; ভক্তি-সাৰ, ভক্তিবিবেক, শৰণ-সংগ্ৰহ এই কেইখন সংস্কৃতত লিখা; প্ৰসঙ্গমালা আৰু গুৰুবংশাৱলী অসমীয়া পদ্যত লিখা।

## কথা ভাগৱত।

(১০ ম—৮৭ অ।)

বেদস্তুতি।

স্বভক্ত দ্বিজ শুশ্ৰূষা সৰ্ব্বধৰ্ম্মাধিকা শুভা।
যেনোক্তা ব্ৰহ্মপৰমা বেদমাৰ্গাস্তমাশ্ৰয়ে॥

সাতাশী অধ্যায়ে বেদস্তুতি কহিবা। ৰাজা পুচন্ত হে শুক নিৰ্গুণ ব্ৰহ্মত সগুণ ব্ৰহ্ম কেমনে প্ৰবৰ্ত্তে, আৰু মোত কহা। শুকে কহন্ত, ঈশ্বৰ ভগৱন্তে

প্ৰলয়ত নিৰুপাধি জীৱসব, ধৰ্ম্ম অৰ্থ কাম মোক্ষাৰ্থে, বুদ্ধি ইন্দ্ৰিয় মন প্ৰাণ সৃজন্ত, এতেকে বেদ সগুণ। ভগৱন্ত নিগু‍ৰ্ণ, সৰ্ব্বজ্ঞ সৰ্ব্বশক্তি সৰ্ব্বোপাস্য সৰ্ব্বনিয়ন্তা সৰ্ব্বকৰ্ম্ম ফলদাতা, সকল কল্যাণ গুণৰ আশ্ৰয়। সদা চিদানন্দক বিস্তৰ স্তুতি কৰে, তেবে জীৱে উপাধি এৰি চিদাংশে একত্ব হৰে। আক যি শ্ৰদ্ধায়ে ধৰে সি কুশল পাৱে। আত নাৰায়ণ নাৰদ সংবাদ কহো।

একদিনা নাৰদ ঋষি নাৰায়ণক দেখিবে তান আশ্ৰমক গৈলা। যি লোক হিতাৰ্থে আকল্লান্ত তপ কৰিবে লাগিছা, তাত কলাপ গ্ৰামবাসী মুনিসবে আবৃত হুয়া নাৰায়ণ বসিছন্ত। নাৰদো প্ৰণাম কৰি তুমি যি পুছিলা আকে পুছিলন্ত। নাৰায়ণো চাৰি সিদ্ধৰ সংবাদ তুলি কহন্ত, হে নাৰদ! পূৰ্ব্বত জন লোকত ব্ৰহ্মাৰ সত্ৰত সনকাদি চাৰি সিদ্ধৰ সংবাদ হৈল। যদি বোলা তেবে মঞিও কিয় নাজানিলোঁ, তাত শুনা। তুমি শ্বেত দ্বীপত মোৰ মূৰ্ত্তি অনিৰুদ্ধক দেখিবে গইছিলা, তুমি মোত যি পুছিলা, তাৰাও এই প্ৰশ্ন কৰিলা। যদ্যপি তাৰাসব সমান জ্ঞানী হয়, তথাপি একজনক বক্তা কৰি, তিনিজন শ্ৰোতা ভৈল। তাত সনন্দনে কহন্ত, প্ৰলয়ত ভগৱন্তে স্বসৃষ্ট জগতক সংহৰি শক্তিগণ সমে শয়ন কৰন্ত। তাৰ অন্তত প্ৰথম নিশ্বাসত জাত হুয়া শ্ৰুতিগণে তান মহিমা কহিয়া বোধ কৰান্ত, যেন ৰাজা নিদ্ৰা গৈলে, স্তাবকসবে উষা সময়ত আসি, পৰাক্ৰম কহি বোধ কৰে, তেমনে শ্ৰুতিসবো স্তুতি বোলয়। হে অজিত! জয় জয়, আপুনাৰ মহিমা প্ৰকাশ কৰা, সকল জীৱৰে অবিদ্যা হৰা। যদি বোলা কিসক গুণবৰ্ত্তী নাশ কৰিম, তাত শুনা যেন বেশ্যা পুৰুষৰ ধন হৰিতে গুণক ধৰে, তেমনে জীবৰো আনন্দাদিক আবৰিবাৰ অৰ্থে সে গুণক ধৰিছে, এতেকে বধিব লাগে।

যদি বোলা তেবে মোকো আবৰিব, তাইক বধি; তোমাতো বাকী শক্তি আছে। তাত শুনা, তুমি স্বতসে সকল ঐশ্বৰ্য্য পায়াছা, মায়াকো বশ্য কৰিছা। যদি বোলা তেবে জীৱে বা কিসক জ্ঞান বৈৰাগ্য বলে নাশ কৰে, তাত শুনা। তুমি সে সকলো জীৱক জ্ঞানাদি শক্তি বোধ কৰাৱা, এতেকে তাৰা স্বতন্ত্ৰ নহে। আমাক প্ৰমাণ লৱা। যেখন তুমি অখণ্ড ঐশ্বৰ্য্য হুয়ো মায়া সমে সৃষ্টি আদি কাৰ্য্যত প্ৰবৰ্ত্তা, তেখন আমি সকল বেদগণে তোমাক প্ৰতিপাদন কৰি। যদি বোলা মোক কৈত প্ৰতিপাদন কৰা, ইন্দ্ৰ চন্দ্ৰাদি দেবকে সে ঈশ্বৰ বুলি কহা, তাত শুনা। ইন্দ্ৰাদি সকল জগত তুমি ব্ৰহ্ম হন্তে উৎপত্তি হয়, তোমাত প্ৰলয় যাই, তথাপি তোমাৰ বিকাৰ নাই। যেন মৃত্তিকা হন্তে ঘটাদিৰ উদ্ভৱ নাশ হৱে, তেমনে তোমাক বেদে কহে। এতেকেসে ঋষিসবে বাক্য মনে তোমাত প্ৰবৰ্ত্তে। আত দৃষ্টান্ত শুনা,

যেন ভূচৰ প্ৰাণী শিলা বৃক্ষ পৰ্ব্বতত ভৰি দিলেও পৃথিবীক এড়ি নাযাই, তেমনে বেদে নানাদেৱতাক কহন্তেও সৰ্ব্বকাৰণ তোমাকেসে প্ৰতিপাদন কৰে। আত সন্তব সদাচাৰে প্ৰমাণ দেখাওঁ। হে গুণ মায়াৰ অধিপতি, বিবেকীসবে তোমাক সৰ্ব্বকাৰণ জানি তোমাৰ কথামৃতসাগৰ সেৱা কৰি, সকল পাপ তাপ পৰিত্যাগ কৰে, তেবে তোমাৰ কথাত সৰ্ব্ব পাপ ত্যাগ হয়, তাক কি বুলিবোঁ। স্বৰূপ জ্ঞানে ৰাগ লোভাদি এড়ি সততে তোমাক সেৱা কৰে। এই দুই প্ৰকাৰে যি মনুষ্যে তোমাক নভজে, সি অৱশ্যে আত্মাঘাতি অসূৰ্য্যা নাম নৰকত পৰে। যদি তোমাক ভজে তেবে সফল জীৱন হয়। অন্যথা পুনু ভাঠি হেন নিশ্বাস কাঢ়ে। যদি বোলা অভক্ত জনৰো কামাদি সুখ দেখি, তাত শুনা। তুমি কাৰ্য্যকাৰণ সকল জগতকে অনুগ্ৰহ কৰিছা, এতেকে জীৱন হেতু তোমাৰ অনাদৰে বিষয় ভোগো নঘটে। আৰু অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময়, আনন্দময়, এই পঞ্চ কোষতো প্ৰবেশ হুয়া সেই সেই ৰূপে প্ৰবেশ কৰা, তথাপি সেই সমে তোমাৰ সঙ্গ নাই, যাতো সবাতে পৰব্ৰহ্ম, পশ্চাতে থিতি হুয়া যেন শাখাক লক্ষ্য কৰি চন্দ্ৰক দেখাৱে, তেমন শুদ্ধ স্বৰূপ জনাইতে সে পঞ্চ কোষত প্ৰবেশ কৰে। কতো যোগীসবে ঋষি উপদেশে উদৰক অবলম্বি মণিপুৰ চক্ৰত তোমাক উপাসা কৰে। কতোসবে হৃদয়ক অবলম্বি সূক্ষ্মৰূপক চিন্তে। তেবে সুষুম্নাদ্বাৰে তোমাৰ স্বৰূপক পাৱে। যাক পায়া পুনু মৃত্যুৰ মুখ সংসাৰত নপৰ্ড়ে। যদি বোলা মোৰ হৃদয় সম্বন্ধ হৈল, তেবে জীৱত কৰি কি বিশেষ হৈলোঁ, তাত শুনা। যেন অগ্নি নানা কাষ্ঠতনানা ৰূপে প্ৰকাশ কৰো, তুমিও তেমনে স্বসৃষ্ট নানা দেহত প্ৰবেশি নানা ৰূপে প্ৰকাশ কৰা।

এতেকে বিনাশী দেহতো তোমাৰ স্বৰূপ সত্য সম একৰস, আৰু নিৰ্ম্মল-গতি সবে জানে। এহি হেতু তোমাৰ উপাধি কৃটৰ তাৰতম্য নাই। অখণ্ড ঐশ্বৰ্য্যে জীৱৰ উপাস্য হৱা। এতেকে আমি বেদগণে তোমাৰ চৰণ ভজনক উপদেশ বোলোঁ। আপুনাৰ কৰ্ম্মে উপাৰ্জ্জিত নানা দেহত প্ৰবৰ্ত্তমান জীৱক সৰ্ব্বশক্তিধৰ, তোমাৰ অংশ বুলি কহে। এমনে যাৰ স্বৰূপক বিবেকীসবে বিচাৰি অৰ্চ্চন বন্দন কৰি পৰম বিশ্বাসে তোমাৰ চৰণ উপাসা কৰে, যাত হন্তে সংসাৰ দূৰ হৱে। কতো-সবে বোলয় ভক্তি অল্প পৰম সাধন, তাক তুচ্ছ মানি ভক্তিক গৰিষ্ঠ কৰো। হে ভগৱন্ত! বিৰলসবে তোমাৰ চৰিত্ৰ অমৃত শ্ৰবণ কীৰ্ত্তন কৰি সকল শ্ৰমক দূৰ কৰে, মোক্ষকো ইছা নকৰে, আনক নকৰিব তাক কি বুলিবো। যাতো সাধু সঙ্গত কথাৰ সুখে পূৰ্ব্বসিদ্ধ গৃহাদি সুখকো উপাসা কৰিছে। এতেকে তোমাৰ কথামৃত সাগৰত বিহাৰ কৰিতে ধৰ্ম্ম অৰ্থ কাম মোক্ষকো তৃণ হেন দেখে।

এতেকে লোকে শ্ৰীকৃষ্ণক শ্ৰৱণ কীৰ্ত্তন স্মৰণ কৰিব। যাতো যোগীসবে প্ৰাণ মন ইন্দ্ৰিয়ক দমি যোগ অভ্যাসে যাক পাৰে, তাক শত্ৰুসবে বৈৰ ভাৱে স্মৰণতে পায়াছে। গোপীসবে কামভাৱে স্মৰণতে পায়াছে। আমি বেদগণো সমভাৱে তোমাৰ চৰণ চিন্তি তাক পায়াছি। তোমাৰ স্মৰণৰ এহুয় মহিমা যোগী কামী বৈৰী সমদৰ্শী সবাকে তোমাক পৰাৱে। হে পৰমেশ্বৰ! তোমাক জনাও দুস্কৰ, যাতো তুমি পূৰ্ব্ব সিদ্ধক, ইদানীক লোকে কেমনে জানিব। তোমাত হন্তে সে ব্ৰহ্মা জাত হুয়াছা। ব্ৰহ্মাৰ পাচতেসে দেৱতা হুয়াছা। এতেকে তোমাৰে লোকৰে অনেক অন্তৰ। প্ৰলয়ত যদি বিস্তৰ অন্তৰ নাই, তথাপি তাত জ্ঞান সাধন কাৰ্য্য কাৰণ দেশ কাল পাত্ৰ কিছো নেদেখি। এতেকে তোমাত এক শৰণ লৈয়া শ্ৰৱণাদি ভক্তি সে সুকৰ, জ্ঞান সুকৰ নহে। যাতো উপদেশ দাতাতো বিস্তৰ ভ্ৰম দেখি। তাত শুনা, বৈশেষিকসবে অসন্ত জগতৰ উৎপত্তি কহে। পাতঞ্জলসবে সন্ত ব্ৰহ্মাৰে জন্ম কহে, নৈয়ায়িকসবে অসন্ত ঈশ্বৰ বিনাশ কৰে, সাংখ্য মতে আত্মাৰ ভেদ কহে, মীমাংসকসবে কৰ্ম্মফলকে নিত্য কহে। যদি জ্ঞানময় পুৰুষ হয় তেবে সবে ঘটে, সি পুনৰ জ্ঞানতেসে বোলে। তুমি পৰমেশ্বৰত অজ্ঞান নঘটে, এতেকে আমি তোমাৰ নাম লৈয়া কৈসানিনো মুক্ত হৈবো? যদি বোলা যেবে মিথ্যা জগত উৎপত্তি নহে, তেবে পুৰুষৰ স্বগুণময় নঘটে। জগত সত্য হৈলে কেমনে নঘটিব।

তাত শুনা, তুমি সত্যৰ সকাশত পুৰুষৰে পৰা মিথ্যা প্ৰপঞ্চ প্ৰকাশ কৰে। তোমাৰ ৰূপ বুলিসে জ্ঞানী সবে প্ৰপঞ্চ কহে পৃথকে নকহে। যেন সুবৰ্ণৰ বিকাৰ কুণ্ডলাদিক লোকে সুবৰ্ণ বুলি ধৰে, তেমনে তযু কাৰ্য্য বিশ্বকো তুমি বুলি কহে। যদ্যপি আমি বেদে তোমাৰ জ্ঞানক সাক্ষাতে কহিছি, তথাপি যিতো মোক সেৱা কৰে, সেই সে মৃত্যু সংসাৰ তৰে। অভক্তক পুনু বেদ জড়িয়ে পশুক হেন বন্ধন কৰে এতেকে তোমাত যি প্ৰীতি কৰিছে, সি পুনু আনক আপুনাক পবিত্ৰ কৰে। বিমুখ সবে পুনু আপুনাক নপাৰে, কেমনে আনক পৱিত্ৰ কৰিব। এতেকে জানিবা হৰি ভক্তি বিনে তপ জপ তীৰ্থ ব্ৰত, যাগ যজ্ঞাদি মোক্ষ নঘটে। হে ভগৱন্ত! তুমি ইন্দ্ৰিয় সম্বন্ধ ৰহিত হৈলেৱো সৰ্ব্বলোকৰ শক্তি ধৰা। এতেকে ব্ৰহ্মাদি আপুন পক্ষ হুয়ো তোমাক সেৱা কৰে। যেন মণ্ডলপতিসবে মহাৰাজাক কৰ যোগাৱে, তেমনে দেৱগণো তোমাৰ আজ্ঞা কৰে। হে বিমুক্ত! যেমন তোমাৰ মায়া বিহাৰ কৰিতে ইচ্ছা হয়, তেমনে পূৰ্ব্বকৰ্ম্ম অনুসাৰে স্থাবৰ জঙ্গম জীৱ সব জাত হয়। কৰ্ম্মানুসাৰ বিনে সম ঈশ্বৰত বিষম সৃষ্টি নঘটে। হে নিত্য যদি অনন্ত নিত্য

সৰ্ব্বগত জীব হয়, তেবে তোমাৰ বিষম নঘটে। যদি তোমাত হন্তে জাত হৱে তেবে ঘটে। যদি বোলা সেই মতিঞে কেনে তাক কহিতে নাপাৰি। যাতো তুমি বচনৰ অগোচৰ। হে পৰমেশ্বৰ! তোমাক প্ৰকৃতিপৰ অজ বুলি কহিছে। যেন জল বুদবুদ কেবল জল, কেবল বায়ু নোহে কিন্তু দুইৰ সংযোগে হোৱে, তেমনে কেবলে। প্ৰকৃতি কেবলো পুৰুষ হন্তে ভাৱে সম নোহন্ত, কিন্তু দুইৰ সংযোগে সে হৱে। যেন পুষ্পৰ অনেক ৰস, মধুতলা ন হুয়া থাকে, পৃথক কৰিতে নাপাৰি, তথাপি তাৰ ভেদ আছে। তেমনে প্ৰলয়ত জীবসব তোমাত লয় যান্ত, অবিদ্যাসমে অন্তৰ আছে। যেবে গুৰুৰ কৃপায় মুক্তি পাৱে তেবেসে জলত জল হেন তোমাত আত্যন্ত লয় হৱে।

এমনে জীবসব মুক্তি বিনে ঈশ্বৰ হন্তে সৃষ্টি প্ৰলয় পায়া সংসাৰত ফুৰে। আক জানি সদ্বুদ্ধি সবে তোমাত ভক্তি কৰে, যাত হন্তে সংসাৰ ভ্ৰমৰ দূৰ হৱে। কালো তাক ভয় নকৰাৱে। সিয়ো হৰি ভক্তি মন নিয়মিলেসে হয়। এতেকে পুৰুষে সদগুৰুক উপাসা কৰোক। আত বিনে আন মতে মনক নিয়মা নাযাই। যেন বণিজসবে কৰ্ণধাৰ বিনে সাতাৰ নাপাৰে, তেমনে গুৰুসেৱা বিনে সংসাৰ তৰা নাযাই। গুৰু উপদেশে অনায়াসে তৰে। এমনে গুৰুসেবা কৰি সৰ্ব্বানন্দময় তোমাক পাইলে, তুচ্ছ বিষয়ত কি কাৰ্য্য আছে। আক জানি যি স্ত্ৰী সমে মৈথুন কৰ্ম্মত প্ৰবৰ্ত্তে, তাক আশাৰ বিনাশী বিষয় সুখে কি আনন্দ কৰাইব। এমনে বিবেকীসবে বিষয় বৈৰাগ্য কৰি গুৰু উপদেশেও তত্বক জানি সৎসঙ্গ আশায়ে তীৰ্থক্ষেত্ৰ কৰি ফুৰে, কদাচিতো বিষয় সেবা নকৰে। উত্তম জনে নকৰিব তাক কি বুলিম। একবাৰ যি তোমাত মন দিছে, সিয়ো পুৰুষৰ সাৰহৰ গৃহক সেৱা নকৰে। যদি বোলা বেদ কৰ্ম্মপৰ হৈলে যি উপনিষদসবে কৰ্ম্ম নকহে সি নিস্ফল হৈল। যাতো জৈমিনি আচাৰ্য্যে বেদক কৰ্ম্মপৰ কৰি কহিছে। এতেকে উপনিষদ সবৰো সেই সে যুক্ত হয়। বৃত্তিকাৰো যজ্ঞ ফলক কৰ্ত্তা প্ৰতিপাদন কৰি উপনিষদৰ নিৰাকাংশ কহিছা, ইমত কদাচিত নহে। যাতো বেদে কহে এক অদ্বিতীয় ব্ৰহ্ম বিজ্ঞান আনন্দময় এতেকে অদ্বিতীয় পৰমানন্দৰ কৰ্ম্মাঙ্গ যুক্ত নহে। এই হেতু তাৰাৰো ইমত নহে। তাতে যদি প্ৰপঞ্চ সত্য হয় তেবে বা ঘটে। এতেকে প্ৰপঞ্চৰ অসত্যতা প্ৰশ্নোত্তৰে দেখান্ত। ই জগত সত্য, যাতো সত্য ব্ৰহ্মত জাত হুয়াছে। যেন সুবৰ্ণ জাত কুণ্ডলাদিক সুবৰ্ণ বুলি। যদি অভেদ সাধে, তেবে জাত হুয়াছে পদে ভেদ হৈল।

যদি বোলা অভেদ নসাধে, কিন্তু ভেদকেসে নিষেধো, তেবে অভেদ হৈব। সিয়ো নঘটে। কোনো ঠাই জাত হুৱা বস্তু পিতৃ পুত্ৰাদিত ভেদ দেখিছে। যদি

বোলা উৎপন্ন পদে মঞিঃ উপাদান সে কহিলোঁ, নিমিত্ত নকহোঁ, তাত শুনা—কোনো ঠাই গুণ উপাদান হন্তেও সৰ্পক মিচা দেখি, তাতো যদি দেখা কেবল গুণ মাত্র, সৰ্পৰ উপাদান নহে কিন্তু অজ্ঞানতেসে হুয়াছে। তাত শুনা তেমনে আতো অজ্ঞান বুজিবা। তেবে একোমতে প্ৰপঞ্চ সত্য নহয়। তথাপি যদি বোলা মিচা হৈলে কেনে কাৰ্য্য কৰে, আৰ উত্তৰ শুনা। কোনো ঠাইত মেচক্ৰিয়া টকাৰো ক্ৰয় বিক্ৰয় কৰে। আৰো যদি বোলা এক ঠাই থাকিলে সে আৰ ঠাই আৰোপ ভ্ৰম ঘটে, সঙ্গে নথাকিলে কেমনে ভ্ৰম হৈব, তাত শুনা। অন্ধ পৰম্পাৰাও মিথ্যা ভ্ৰমো প্ৰবৰ্ত্তে, পৰমাৰ্থত নঘটে। যদি বোলা মিচা হৈলে কিসক বেদে কৰ্ম্মফল কহে, তাত শুনা। কৰ্ম্মজাত সবক বেদো ভ্ৰম মাত্র কৰাৰে, পৰমাৰ্থত সত্য কৰি নকহে। এতেকে প্ৰপঞ্চক সত্য কৰিতে কিছো সাধন নাই। অসত্যক লাগি অনেক কহো। ই বিশ্বখান সৃষ্টিৰ পূৰ্ব্বত নাছিল, প্ৰলয়ৰ অন্তত নুহিবেক। এতেকে মধ্যত মিথ্যা হুয়ো তোমাত প্ৰকাশ কৰে। এতেকে আক যি সত্য কৰি কহে তাক অজ্ঞান বুলি। যদি বোলা মিথ্যা প্ৰপঞ্চ সমে জীৱৰ সম্বন্ধ গন্ধো নাই তেবে কিয় সংসাৰত ফুৰে, কেনে বা ঈশ্বৰ নিত্য মুক্ত, জীৱ বা কেনে নিত্য বদ্ধ। তেবে কিসক লাগি বা কৰ্ম্মকাণ্ড বিহিলা। আৰ উত্তৰ শুনা, জীৱ পুৰুষে মায়ায়ে অবিদ্যাক আলিঙ্গি দেহাদিক মোৰ বোলে। এতেকে আনন্দাদি ৰহিত হুয়া সংসাৰত ভ্ৰমে।

এতেকে তাৰ নিমিত্তে কৰ্ম্মকাণ্ড বিহিছে। তুমি পুনু মায়াক বস্তু কৰি নমানা। এতেকে পৰমেশ্বৰত প্ৰকাশ কৰা। হে ভগৱন্ত! যি সন্ন্যাসীসবে পুত্ৰ ভাৰ্য্যা সঙ্গ এড়িও মনৰ কাম বাসনা নেড়ে সি কদাপি তোমাক নপাৰে। যেন কণ্ঠত মণি থাকিতেও পাশৰিলে অপ্ৰাপ্য হয়, তেমনে হৃদয়ত থাকিতেও তোমাক নাপাৰে কিন্তু ইহলোকে দুঃখ মাত্র পাৰে। যদি বোলা সন্ন্যাসীৰ কিছো কষ্ট নাই তাত কেনে বৃথা তাপ কৰা। দুয়ো লোকত ভ্ৰষ্ট হৈল বুলি, তাত শুনা—যি তোমাক সাক্ষাতে জানে সি পাপ পুণ্যৰ ফল সুখ দুখক অনুসন্ধান কৰে। তেবে বিধি নিষেধৰো অধিকাৰ গুছে। মুহি সন্তৰ উপদেশে অনবৰতে তোমাৰ কথাক শ্ৰৱণ কৰে, সিয়ো গুণ দোষৰ হাত এড়াৰে।

যি যোগৰ চলে ইন্দ্ৰিয়ক প্ৰীতি কৰে, তাৰে সে লোকত দুখ নুগুছে। হে পৰমেশ্বৰ ভগৱন্ত! তোমাৰ অন্ত ব্ৰহ্মাদিও নপাৰে, তুমিও নপাৰা। যদি বোলা তেবে মোৰ কেমনে সৰ্ব্বজ্ঞ সৰ্ব্বশক্তি ঘটে তাত শুনা। যাতো অন্ত নাই। যেন শশাৰ সিংহ নাজানিলে সৰ্ব্বজ্ঞ নুগুছে। তেমনে অনন্ত পদে তোমাৰ অন্ত নাপাই।

যেন আকাশৰ ধূলা উড়াই, তেমনে তোমাত সপ্তাবৰণ সমে কোটি কোটি ব্ৰহ্মাণ্ড একে লগে ফুৰে। এতেকে বেদসব তাৎপৰ্য্যে তোমাত সীমা পড়ে। সাক্ষাতে কহিতে নাপাৰে। যাতো সগুণৰ গুণৰ অন্ত নাই। নিৰ্গুণক মনে বাক্যে নাজানে। এতেকে অত নিষিধ মুখে তোমাত পৰ্য্যবসান হয়। এতেকে আমৰা জয় জয় কৰি তোমাৰ পাদ পদ্ম ভজোঁ। নাৰায়ণে বোলন্ত জানা নাৰদ এমনে ব্ৰহ্মাৰ পুত্ৰ সবে বেদ স্তুতি কথা শুনি তিনিয়ো সনন্দনক অৰ্চ্চা কৰিলা। এই কথা পুনু নিঃশেষ বেদৰ তাৎপৰ্য্য ৰহস্য। মহাত্মা মুনিসবে উদ্ধাৰ কৰিছে। তুমি আক শ্ৰদ্ধায়ে ধৰা।

শুকে কহন্ত, হেন শুনি নাৰদ কৃতাৰ্থ হুয়া শ্ৰুত অৰ্থক মনত চিন্তিলা। কৃষ্ণৰ অৱতাৰ মানি নাৰায়ণক প্ৰণাম কৰিলা। তান শিষ্যসবকো নমস্কাৰ কৰি মোৰ সাক্ষ্যাত পিতৃ ব্যাসৰ ঠাই আসিলা। ব্যাসো নাৰদক দেখি উঠিয়া সতকাৰ কৰিলা। নাৰদো এই কথা তান্ত কহিলা। মইও তোমাৰ প্ৰশ্নত তাক কহিলোঁ। যি ভগবন্তে জগতৰ সৃষ্টি স্থিতি সংহাৰক আলোচন কৰন্ত, আদি অন্ততো মধ্যতো প্ৰবৰ্ত্তন্ত, প্ৰকৃতি পুৰুষকো নিয়মন্ত, বিশ্বকো স্ৰজিয়ো প্ৰবেশ হৱন্ত, প্ৰতিপালো কৰন্ত জীৱকো ভোগ কৰান্ত, উপাসক সকলকো মোক্ষ দেন্ত, হেন হৰিক তোৰা সততে ভজা, যাত হন্তে সকল ভয় দূৰ হৱে। যাতো স্বৰূপ থিতিয়ে মায়াক দূৰ কৰিছা।

যাৰ পাদপদ্ম সকল দেৱৰ শিৰ ৰত্নত প্ৰকাশ কৰে, যি কৰ্ম্মিক ভোগ দেন্ত, ভক্তকো মোক্ষ দেন্ত, হেন মাধৱক মঞি প্ৰণাম কৰো। শ্ৰীভাগবত-কথায়াং দশম স্কন্ধে সপ্তাশীতিতমোঽধ্যায়ঃ।

হে সাধুসব! ই বেদস্তুতি কথা পৰম গহন। তাত মই অল্পমতি, তথাপি দামোদৰৰ আজ্ঞায়ে টীকা ভাষ্য সমন্বিত কৰি সংক্ষেপে কিছো নিবন্ধিলোঁ। সামান্য দুৰ্ব্বোধ ভয়ে বিস্তৰ নিলিখিলোঁ। তাক তোৰা আপুনি জানা। এতেকে আত নিন্দা নুবুলি কৃষ্ণকথা বুলি অনুমোদন কৰিবা। যাতো সাধুৰ এহুয় স্বভাব। বিশেষত কৃষ্ণকথা বিনে সংসাৰ তৰিতে আন উপায় নাই। এতেকে সাধুসবে একে কথাকে লোক অনুগ্ৰহাৰ্থে নানাৰূপে শ্ৰৱণ কীৰ্ত্তন কৰে। যাতো পুৰুষৰ এই মানে কৰ্ত্তব্য।

হে কৃষ্ণ ভক্তবৎসল ভগৱন্ত! মঞি অধমক দয়া কৰি তোমাৰ কথাৰস দিয়া, যাতো তয়ু চৰণত শৰণ পশিছোঁ। এতেকে তোমাৰ কথাৰস দিবে লাগে।

দ্রোপদীব পাঞ্চ পুত্র প্রতিবিন্ধ্যাদি ; তাবা সবে মহাৰথী । তাব লক্ষণ কহন্ত ; যি একে দশসহস্র ৰথীক যুঝাই তাক মহাৰথী বুলি, যি অপৰিমিত ৰথীক যুঝাই তাকে অতিৰথী বুলি ; একে একে যুঝিলে ৰথী বুলি ; দুই ৰথে একক যুঝিলে অৰ্দ্ধৰথী বুলি । আমাব সৈন্যৰো যি যি বিশিষ্ট সেনাপতিসব তাক কহোঁ সাবধানে শুনা ; তুমি গুরু দ্রোণ ভীষ্ম পিতামহ কর্ণ মহাৰথী কৃপ অগ্রগণি অশ্বত্থামা বিকর্ণ সোমদত্তব পুত্র ভূৰিশ্রবা ; আনো বিস্তৰ বীৰসব মোৰ অৰ্থে প্রাণকো এড়িবে ইছা কৰিছে ; সবে নানা অস্ত্রত নিপুণ, সবে যুদ্ধত বিশাৰদ । এহি মহাবীৰসবে যুক্ত হুইতেও ভীষ্ম সেনাপতি সৰ্ব্বভাৰে ৰাখিতেও, আমাৰ একাদশ অক্ষৌহিনী সেনা পাণ্ডৱ সমে যুঝিবে অসমর্থ হেন প্রকাশ কৰে । ই পাণ্ডৱব সাত অক্ষৌহিনী সেনা ভীম সেনাপতি মাত্র ৰক্ষিত হুয়ো, আমাক যুঝিবে সমর্থ হেন প্রকাশ কৰে । এতেকে তোৰাসৱে সাবধানে, আপুনাৰ যুদ্ধ ভূমিত থাকি ভীষ্মক ভালমতে ৰক্ষা কৰিবা ; সমুখে যুঝিতে যেন পাচৰ আসি কেহো প্রহাৰ নকৰে ; ভীষ্মৰ বলেসে আমাৰ বল । এমনে বহুমানযুক্ত ৰাজাৰ বচন শুনি, মহাপ্রতাপী কুৰুবৃদ্ধ ভিষ্মে ৰাজাৰ হৰিষ বঢ়াই সৰ্ব্ব প্রাণীব ভয়ঙ্কৰ, সিংহৰ সদৃশ যুদ্ধনাদ কৰি, উচ্চ কৰি শঙ্খ বজাইলা । এমনে সেনাপতি ভিষ্মৰ যুদ্ধোৎসৱ দেখি সকল ঠাইতে শঙ্খ ভেৰী পণৱ আনক গোমুখ আদি নানা বাদ্য বজাইলা ; তাৰ মহাশব্দ হৈল । আৰে পাণ্ডৱ সৈন্যৰ যুদ্ধোৎসৱ শুনা । শুক্লবর্ণ চাৰি হয়যুক্ত মহাৰথত থাকি কৃষ্ণে অৰ্জ্জুনে দিব্য দুই শঙ্খ বাদ্য কৰিলা ; তাৰ নাম কহোঁ ; শ্রীকৃষ্ণে পাঞ্চজন্য শঙ্খক বাদ্য কৰিলা ; অৰ্জ্জুনে দেবদত্ত নাম শঙ্খ বাজাইলা ; পৌণ্ড্র নাম মহাশঙ্খক ভীমে ফুঙ্কিলা ; অনন্তবিজয় নাম শঙ্খক যুধিষ্ঠিৰে বজাইলা । নকুলে সুঘোষ নাম শঙ্খক সহদেৱে মণিপুষ্পক, ধ্বনি কৰিলা । কাশিৰাজ শিখণ্ডী ধৃষ্টদ্যুম্ন বিৰাট সাত্যকী দ্রুপদ দ্রোপদীৰ পাঞ্চপুত্র সুভদ্রাৰ পুত্র অভিমন্যু, আৰাসবো পৃথকে পৃথকে শঙ্খসব শব্দ কৰিলা । সেই শঙ্খৰ মহাশব্দে আকাশ পৃথিবী সমে দশোদিশ পূৰি কৌৰৱ সেনাৰ মহাভয় জন্মাই হৃদয় বিদাৰণ কৰিলা । পাচে কপিধ্বজ অৰ্জ্জুনে কৌৰৱ সৈন্যক যুদ্ধত সমুখে থাকিবাৰ দেখি, অস্ত্র বৃষ্টিয়ো পৰিবে লাগিলে, গাণ্ডীৱ ধনু ধৰি হৃষিকেশ ভগৱন্তক এই বাক্য বুলিলা ; হে অচ্যুত এই উভয় সেনাৰ মধ্যত মোৰ ৰথক ৰাখিয়ো, যাৱন্তে যুঝন্তা বীৰসবক চাওঁ ; বুলিবা তুমি যুঝন্তাসে যুদ্ধচাৰ নহৱা ; তাত শুনা । মঞি কাৰ সমে যুদ্ধ কৰিম, দুৰ্ব্বুদ্ধি দুৰ্য্যোধনৰ প্রীতি কৰিবাক ইছাই যি যি বীৰসব আসিছে তাৰাক চাওঁ ; তাৱত দুই সেনাৰ মধ্যত উত্তম ৰথক ৰাখিবা ।

সঞ্জয়ে বোলন্ত, জানা ৰাজা অৰ্জ্জুনৰ এই বাক্য শুনি শ্ৰীকৃষ্ণে সকল ৰাজাৰ মাজত ভীষ্ম দ্ৰোণ সমুখত দুই সেনাৰ মধ্যত উত্তম ৰথ ৰাখি বুলিলা ; হে পাৰ্থ, কুৰুবীৰসবক চক্ষু মেলি দেখা , তাত অৰ্জ্জুনে পিতৃব্য পিতামহ আচাৰ্য্য মাতুল ভ্ৰাতৃ ভ্ৰাতৃপুত্ৰ পৌত্ৰ সখী শশুৰ সুহৃদ সব দুয়ো সেনাত দেখিলা। সেই সকল বন্ধুসৱ যুদ্ধক ইছাই সমুখে থকিবাৰ দেখি, পৰম কৃপায়ে ব্যাপ্ত হুয়া মহাদুখ পায়া কুন্তিপুত্ৰ অৰ্জ্জুনে শ্ৰীকৃষ্ণক এই বাক্য বুলিলা ; হে কৃষ্ণ এই জ্ঞাতিসব যুঝিবে ইছায়ে যুদ্ধত উপস্থিত দেখি মোৰ কৰচৰণাদি ভাগি যাই, মুখো শুখাই, শৰীৰো কাম্পে, ৰোমো সিহঁৰে, গাণ্ডীৱ ধনু হাতৰ খসি পড়ে, চৰ্ম্মো তাপ কৰে। আছোক যুঝিম আগত থাকিবে নপাৰো, মনো মহাভ্ৰম হয়, বিমঙ্গলসবো দেখোঁ, উপৰত শগুণ ফুৰে, শৃগালে ৰাবাৱ কৰে, যুদ্ধত স্বজনক বধি কিছো ফল নেদেখো, বিজয়কো আকাঙ্ক্ষা নকৰো, ৰাজ্যকো ইছা নকৰো, সুখকো নবাঞ্ছো। হে গোবিন্দ, আমাৰ ৰাজ্য ভোগত জীৱনত কি প্ৰয়োজন। যি বন্ধুসবৰ অৰ্থে আমৰা ৰাজ্য ভোগ সুখক ইছা কৰি, সি বন্ধুসব প্ৰাণধন ত্যাগক অঙ্গীকাৰ কৰি যুদ্ধত উপস্থিত হুয়া আছে, তাক শুনা ; আচাৰ্য্য পিতৃব্যপুত্ৰ পিতামহ মাতুল শশুৰ শ্যালা সমন্ধীসব। হে মধুসূদন, আৰা যদি আমাক মাৰে তথাপি আমি তাৰাক মাৰিবে ইছা নকৰি। ত্ৰৈলোক্য ৰাজ্যৰ অৰ্থেও বন্ধুসব নবধি, পৃথিবীমাত্ৰৰ পদে নবধিবু তাক কি বুলিম। হে জনাৰ্দ্দন, ধৃতৰাষ্ট্ৰৰ পুত্ৰসব বধিলে, আমাৰ কি প্ৰীতি হৈব ! যদ্যপি আৰা আমাক বিষ দিয়া মাৰিতে চাইছে, অগ্নিয়ো দিছে, ধন সৰ্ব্বস্বো হৰিছে, ৰাজ্যভাৰো কাঢ়ি লৈয়া আছে, ভাৰ্য্যাকো অপকাৰ কৰিছে, অস্ত্ৰ ধৰি যুঝিছে, এই ছয় দোষে আৰাসবে আততায়ী, অৰ্থশাস্ত্ৰৰ মতে আততায়ীক বধিলেয়ো দোষ নাই, তথাপি ধৰ্ম্মশাস্ত্ৰক অপেক্ষায়ে আৰাক বধিলে আমাক দোষে পাইব। এতেকে ধৃতৰাষ্ট্ৰৰ পুত্ৰসব আমাৰ বান্ধৱ, তাৰাক বধিতে আমাৰ ভাল নহে। যাতো বন্ধুসবৰ বধ অন্যায় অধৰ্ম্মক দেখি। হে মাধৱ বন্ধুসব বধি কেমনে ইহলোকত সুখী হইবোঁ। যদ্যপি আৰা লোভত থাকি কুলক্ষয় দোষ মিত্ৰদ্ৰোহ পাপকো নেদেখে, তথাপি আমি সেই দোষ দেখি, কেনে পাপত নিবৃত্তি নহৈবো। আবে সেই দোষকে শুনা। কুলক্ষয় হইলে কুলধৰ্ম্ম নষ্ট হুইব। ধৰ্ম্ম নষ্ট হৈলে অবশিষ্ট কুলকো অধৰ্ম্মে ব্যাপিব ; অধৰ্ম্মে ব্যাপিলে কুলস্ত্ৰীসব দুষ্টা হুইব। স্ত্ৰীসব দুষ্টা হৈলে বৰ্ণসঙ্কৰ হৈব, বৰ্ণসঙ্কৰ হৈলে কুলৰ নৰক গতি হৈব। তেবে পিতৃসব লুপ্তপিণ্ডজলাঞ্জলি হুয়া পৰিব। এই দোষ সবে জাতিধৰ্ম্ম কুলধৰ্ম্ম বৰ্ণাশ্ৰমধৰ্ম্ম নষ্ট হুয়া মনুষ্যসব নৰকত বাস কৰিব। আক আমি স্মৃতিত শুনিছি ; অহো কি কষ্ট ! মহাপাপ

কৰিতে আমি নিশ্চয় কৰিলো ; ৰাজ্য সুখ লোভে স্বজন বধিতে উদ্যত হৈলো ; এমনে মহাতাপ কৰি মৰিতে নিশ্চয় কৰন্ত। মঞি অস্ত্র নধৰি মৌনে ৰহো, তেবে যদি দুৰ্য্যোধনাদি অস্ত্র ধৰি মোকে বধে তেবে মোৰ মহাপ্রিয় হয়, যাতো পাপ নিসিজিব। সঞ্জয়ে কহন্ত, জানা ৰাজা যুদ্ধৰ সমুখত অৰ্জ্জুনে এই বাক্য বুলি ধনুশৰ এড়ি শোকে কম্পিত হৈয়া ৰথৰ উপৰতে বসিলা।

হে শ্ৰীকৃষ্ণ মোৰ পৰমগুৰু অন্তৰ্য্যামী হৃষিকেশ তুমি যি কৰাইলা আমি তাকেসে কৰি, এতেকে আমাৰ কিছো স্বতন্ত্র নাই। তাক আপুনি জানি নিজ গুণে সন্তোষ হুয়া কিছো কৃপা কৰা। যেমনে সাধু সঙ্গত তয়ু গুণ গাইতে পাৰো। তোমাৰ চৰণ পদ্মত মনে সহস্ৰ কোটিবাৰ দণ্ডৱত কৰো। সামাজিক ডাকি হৰিবোল হৰি।

## দ্বিতীয় অধ্যায়।

পাচে কি প্ৰৱৰ্ত্তিল এই অপেক্ষাত সঞ্জয়ে কহন্ত, জানা ৰাজা, এমনে অৰ্জ্জুন কৃপায়ে ব্যাপ্ত হুয়া শোকলোতকে আকুলনেত্ৰ হুয়া খেদ কৰিকে অৰ্জ্জুনক মধুসূদন ভগৱন্তে বুলিবে লাগিলা। হে পৰন্তপ সখি, এই যুদ্ধসঙ্কটত কেনে তোমাৰ স্বতসে মোহ ভৈল, আক সাধুসবে নতো কৰে, স্বৰ্গকো নসাধে, অধৰ্ম্মো হয়, অকীৰ্ত্তিকো কৰে। এতেকে তুমি কাতৰ নকৰিবা। তোমাত ই যোগ্য নহে। অন্যায় কাৰ্পণ্য এড়ি যুদ্ধক উঠা। অৰ্জ্জুনে বোলন্ত হে মধুসূদন, মঞি কাতৰে যুদ্ধ এৰিলো, ই নহে ; কিন্তু অন্যায় দেখিসে নিবৰ্ত্তিলো, তাক শুনা। ভীষ্মপিতামহ, দ্ৰোণগুৰু, দুইকো পূজা কৰিতে লাগে ; যাক বচনতো যুঝিম বুলিতে ভাল নহে, তাৰাক কেমনে শৰে যুদ্ধ কৰিম ? যদি বোলা তেবে তোমাৰ দেহযাত্ৰা ও নুহিবেক, তাত শুনা। পৰলোক অহিত গুৰু বধ নকৰি, ইহলোকত ভিক্ষান্ন ভোজনো উচিত হয়। গুৰুবধ কৰিলে পুনু ইহলোকত ৰুধিৰে লিপ্ত অৰ্থকামসব ভোজন কৰিম। যদি বোলা তেবে তাৰাকে যুদ্ধত নিবৰ্ত্তাৱা, সিয়ো নঘটয়। যুধিষ্ঠিৰৰ আগে ভীষ্মে কহিছা, অৰ্থৰ দাস পুৰুষ, অৰ্থ কাৰো দাস নহে। আক তুমি সত্যে জানিবা। এতেকে অৰ্থ দিয়া কৌৰৱে আমাক বন্ধ কৰিছে, এহি হেতু জানি, তাৰা অৰ্থতৃষ্ণাকুল হুয়া যুদ্ধ এৰিবে নহে। এতেকে তাৰাৰ বধ অৱশ্যে হৈব। যদি অধৰ্ম্মকে অঙ্গীকাৰ কৰো তথাপি আমাৰ জয় বা পৰাজয় অধিক তাকো নজানো। আমাৰ জয়ো পুনু ফলত পৰাজয়সে হৈব। যাৰাক মাৰি আমৰা জীবাক ইছা নকৰিম, তাৰাসবে যুদ্ধত সমুখে আছে। আৰাক মাৰি আমি কেমনে

জীবো। এই কাৰ্পণ্য কুলক্ষয় দোষেও মোৰ সবে শূৰ স্বভাৱ গুচিল; যুদ্ধ এৰি ক্ষত্ৰিয়ৰ ভিক্ষা ধৰ্ম্ম বা অধৰ্ম্ম আতে মূঢ়চিত্ত হৈলো। এতেকে তোমাত পুছোঁ, যি শ্ৰেয়স হয় তাক নিশ্চয় কৰি কহা, তোমাৰ মঞি শিষ্য হৈলো, চৰণত শৰণ লৈলো; এতেকে মোক শিখাৱা। যদি বোলা তুমি বিচাৰি যি যুক্ত হৱে তাকে কৰা, তাত শুনা। মোৰ ইন্দ্ৰিয় শোষণ শোকক যি কৰ্ম্মে দূৰ কৰিব তাক নেদেখো। যদি ভূমিত অকণ্টকা সৰ্ব্বসমৃদ্ধি ৰাজ্য পাঞো, দেৱৰ ইন্দ্ৰ যদি হঞো, তথাপি শোক নিবৃত্তিৰ উপায় নেদেখো।

সঞ্জয়ে কহন্ত, এই বাক্য গোবিন্দক বুলি, গুড়াকেশ অৰ্জ্জুনে নুযুঝিম বুলিয়া মৌনে ৰহিলা। হৃষিকেশ ভগৱন্তো হাস্যবদনে দেহাত্মবিবেক দেখাই তাহান মোহ দূৰ কৰিতে এই বাক্য বুলিলা; হে সখি অৰ্জ্জুন, তুমি শোকৰ অবিষয় বন্ধুসবক শোক কৰা, তাত মঞি বোধ দিলেও পণ্ডিতসবৰ বাদসব কহা, তুমি পুনু পণ্ডিত নহৱা; যি পুনু পণ্ডিত হয়, সি জীয়ন্তা মৰন্তা দুইকো শোক নকৰে। তাৰ হেতু শুনা; যেন মঞিঃ অনাদি ঈশ্বৰ লীলাতনু ধৰিতে এড়িতেয়ো নাইকা নহোঁ; কিন্তু সদায়ে থাকো। তুমি এই ৰাজাসবো উপজি মৰিও, মোৰ অংশ পদে নাইকা নহৱা, কিন্তু সততে থাকা; পৰমাৰ্থত জন্ম মৰণ নাই নিমিত্তে শোক নকৰিবা। যদি বোলা তুমি ঈশ্বৰৰ জন্ম মৰণ নাই, ই সত্য হয়, জীৱৰ পুনু জন্ম মৰণ প্ৰসিদ্ধ আছে, তাত শুনা। যেন দেহী পুৰুষৰ এই দেহাতে দেহ নিবন্ধন কৌমাৰ, যৌবন জৰা অৱস্থা হয় দেহান্তৰ প্ৰাপ্তিকো তেমনে বুজিবা; এতেকে যি ধীৰ হয় সি দেহৰ উৎপত্তি বিনাশত মোহ নযাই। যদি বোলা মঞি বন্ধুসবক শোক নকৰো কিন্তু তাৰাৰ বিয়োগ দুখ পাইবো বুলি আপুনাকে শোক কৰোঁ, তাত শুনা। যেন অনিত্য অস্থিৰ বিষয় সম্বন্ধ সব স্বভাৱে পুৰুষক শীত-উষ্ণ সুখ-দুখ দেই, তেমনে ইষ্টসংযোগবিয়োগাদিয়ো সুখ-দুখ দেই; তাক সহন ধীৰৰ উচিত হয়। প্ৰতিকাৰ কৰণতো কৰি মহাফল সাধে পদে, সহনেসে ভাল দেখি। যি ধীৰ জনক বিষয়সম্বন্ধসবে অভিভব নকৰে, সি সুখে-দুখে সম হুয়া, ধৰ্ম্মজ্ঞান দ্বাৰায়ে মোক্ষক লাগি যোগ্য হয়। যদি বোলা তথাপি শীত-উষ্ণ অতি দুঃসহ, তাক সহিতে কদাচিত আত্মা নষ্ট হবা পাৰে, তাত শুনা। পুৰুষৰ শীত-উষ্ণ সহিতে আত্মাও নষ্ট নহয়। মিথ্যা শীতোষ্ণাদিৰ আত্মাত স্থিতি নঘটয়। সত্য আত্মাৰ বিনাশ নাই। এই সন্তু অসন্তুৰ তত্ত্বদৰ্শীসবে নিৰ্ণয় দেখিছে। এহুয় জ্ঞান হৈলে সবে সহিবে পাৰিবা। যি আত্মায়ে সকল দেহাদিক সাক্ষীৰূপে ব্যাপি আছে, তাঙ্ক অবিনাশী কৰি জানিবা,

সেই অব্যয় আত্মাৰ বিনাশ কৰিবতে কেএো নপাৰে। এতেকে অবিনাশী নিত্য অপৰিচ্ছিন্ন আত্মাৰ সম্বন্ধী দেহৰে অন্ত আছে; সুখ দুখ সম্বন্ধ হয়। আত্মাৰ পুনু বিনাশ নাই। সুখ দুখ সম্বন্ধো নঘটে। এতেকে মোহ জন্য শোক এড়ি স্বধৰ্ম্ম যুদ্ধ কৰা। এমনে ভীষ্মাদিৰ মৃত্যু নিমিত্ত শোক নিবাৰিলা।

মঞিও বধিবো বুলি যি দুখ কহিছা, তাকো তেমনে অকাৰণ জানিবা; যি জনে এই আত্মাক মাৰে মৰে বুলি জানে, তাক অজ্ঞানী বুলি মানি। পৰমাৰ্থত আত্মাক নমাৰে নমৰে। স্বৰূপত আত্মাৰ জন্ম নাই, মৰণো নঘটে, আছে হেনো নোহে, টুটনো নাই, পৰিণামো নেদেখি, বৃদ্ধিয়ো নহয়; এতেকে শৰীৰ নষ্ট হৈলে, আত্মাৰ নাশ নাই। যি পুৰুষে এই আত্মাক অবিনাশী অজ অব্যয় নিত্য কৰিয়া জানে, সি কাক মৰাইবেক, কাক মাৰিব? এতেকে প্ৰযোজক বুলি, মোতো দোষ দৃষ্টি নকৰিবা। যদি বোলা আত্মাক অবিনাশী জানিও তান শৰীৰ নাশ দেখি, শোক কৰো, তাত শুনা। যেন মনুষ্যে জীৰ্ণবস্ত্ৰক পৰিত্যাগ কৰি, নবীন বস্ত্ৰক গ্ৰহণ কৰে, এমনে আত্মায়ো পুৰাণ দেহক এড়ি, নবীন দেহক স্বীকাৰ কৰে; কৰ্ম্মনিবন্ধন নুতন দেহ অৱশ্যে হৈব। জীৰ্ণ দেহ নাশত শোক কৰিবতে নালাগে। এই আত্মাক অস্ত্ৰেয়ো নাকাটে, অগ্নিয়ো নদহে, জলেয়ো কোমল নকৰে, বায়ুয়ে৷ নুশুখাৱে। এতেকে অছেদ্য অদাহ্য অক্লেদ্য অশোচ্য নিত্য সৰ্ব্বগত অচল সনাতন অব্যক্ত অচিন্ত্য অপ্ৰাপ্য কৰি কহে। হেন আত্মাক জানি তুমি শোক কৰিবতে যোগ্য নহৱা। আত্মাৰ জন্ম মৰণ নাই পদে শোক কৰিবতে নলাগে, আক কহিলো। যদি বোলা আত্মা দেহৰ লগতে জন্ম হয়, দেহৰ মৰণে মৰয়, তথাপি তুমি শোক কৰিবতে যোগ্য নহৱা, তাৰ যুক্তি শুনা। জন্ম হৈলে আপুনাৰ কৰ্ম্মে মৰণ নিশ্চয় হৈব, মৃতকৰো সেই দেহৰ কৰ্ম্মে জন্মো অৱশ্যে হৈব, এতেকে অপৰিহাৰ্য্য কাৰ্য্যত তুমি বিদ্বন্ত হুৱা কেনে শোক কৰা। দেহাদিৰ স্বভাৱ দেখি দেহোপাধিয়ে আত্মাৰ জন্ম মৰণ মানি, শোক কৰিবতে নাপাৱা। অব্যক্ত প্ৰধান হন্তে, সকল শৰীৰ উৎপন্ন হুয়াছে; মাজত মাত্ৰ ব্যক্ত হুয়াছে; পুনু অব্যক্তুতে লয় হৈবেক। এতেকে দেহাদি প্ৰপঞ্চ, স্বপ্ন সম তাত কেনে তুমি শোক কৰা। যদি বোলা তেবে কেনে বিদ্বন্তসবে শোক কৰে; সিয়ো আত্মাৰ অজ্ঞানত ঘটে। বিবেকী জনো শাস্ত্ৰ আচাৰ্য্যৰ উপদেশে আত্মাক দেখিয়ো আশ্চৰ্য্য হেন দেখে; সৰ্ব্বগত নিত্য জ্ঞানআনন্দ আত্মাক সম্ভাবিবে নপাৰে; তেমনে কহিয়ো শুনিয়ো আত্মাক কেএো নাজানে। এতেকে জানিবা, সকল দেহত আত্মাক নিত্য অবধ্য জানি তুমি কাকো লাগি শোক কৰিবতে অৰ্হ নহবা। যি বুলিছা মোৰ শৰীৰ কাম্পে সি যুক্ত

নহে। আত্মাৰ নাশ নাই পদে কম্পিবে নৰিহে; স্বধৰ্ম্ম দেখিয়ো কম্পিবে নাপাই। যি বুলিছা স্বজনক বধি শ্ৰেয়স নেদেখো, তাত শুনা। ন্যায় যুদ্ধ বিনে ক্ষত্ৰিয়ৰ আন শ্ৰেয়স নাই। মহা শ্ৰেয়স তোমাৰ আপুনি মিলিছে, তাত কেমনে কম্পা; ভাগ্যৱন্ত ক্ষত্ৰিয়সবে অপ্ৰাৰ্থিত এমন যুদ্ধক লভে, যাতো আক অনাবৃত স্বৰ্গদ্বাৰ বুলি। যদি তুমি এই ধৰ্ম্ম যুদ্ধ নকৰা, তেবে ধৰ্ম্ম কীৰ্ত্তি দুইকো এড়ি পাপক লভিবা; সকল লোকেও অকীৰ্ত্তি কহিব। উত্তম জনৰ মৰণতো কৰি অকীৰ্ত্তি বৰ দেখি। মহাৰথীসবে মানিব, অৰ্জ্জুন ভয়ে যুদ্ধত নিবৰ্ত্তিলা; যাৰা তোমাক বড় বুলি সতকাৰ কৰিছিল, তাৰাৰ আগত লঘু হৈবা। শত্ৰুসবে তোমাৰ সামৰ্থ্যক নিন্দি অনেক অবাক্য বুলিব; তাত পৰে আউৰ কি দুখ্ আছে? যদি কৰ্ণাদি তোমাক বধে, তেবে স্বৰ্গ লভিবা; যদি তাৰাক জিনা, তেবে পৃথিবীক ভোগ কৰিবা; দুয়ো পক্ষে তোমাৰ লাভ দেখি। এতেকে নিশ্চয় কৰি যুদ্ধক উঠা। যি বুলিছা আৰাক মাৰি মঞি পাপক পাইম, তাত শুনা। সুখ-দুখ, লাভ-অলাভ, জয়-পৰাজয়ক সম দেখি হৰিষ বিষাদ নকৰি, স্বধৰ্ম্ম বুদ্ধিয়ে যুদ্ধ কৰিলে, কদাচিতো পাপ নলভিবা। এমনে জ্ঞানযোগ উপসংহৰি তাৰ সাধন কৰ্ম্মযোগ কহিতে লাগিলা। জানা অৰ্জ্জুন, জ্ঞানযোগত কৰণীয় বুদ্ধি তোমাত কহিলো; তথাপি যদি তোমাৰ আত্মবোধ নহৈল, আবে জ্ঞানৰ সাধন কৰ্ম্মযোগত বুদ্ধি শুনা। তেবে ঈশ্বৰাৰ্পিত কৰ্ম্মযোগে চিত্ত শুদ্ধ হৈলে, ঈশ্বৰৰ প্ৰসাদে আত্মাক জানি কৰ্ম্ম এড়িবা। যদি বোলা কৃষি আদি কৰ্ম্মত কদাচিত বিঘ্ন বাহুল্যে ফলব্যভিচাৰ দেখি, তেমনে মন্ত্ৰাদি বৈগুণ্য কৰ্ম্মযোগতো হয়। তেবে কেমনে কৰ্ম্মযোগে কৰ্ম্মবন্ধ দূৰ কৰিব, তাত শুনা। এই ঈশ্বৰাৰ্পিত কৰ্ম্মযোগৰ অসম্ভৱ নাই, দোষো নঘটে। ঈশ্বৰৰ উদ্দেশে বিঘ্ন-বৈগুণ্য নসম্ভৱে। ই ধৰ্ম্মৰ অল্প আৰম্ভো সংসাৰত ৰক্ষা কৰে। কাম্য কৰ্ম্ম হেন কিঞ্চিত বৈগুণ্য মাত্ৰো বিফল নহে, আৰ যুক্তি শুনা। দুয়ো কৰ্ম্মৰ বৈষম্য দেখা। ঈশ্বৰ আৰাধন কৰ্ম্মযোগত পৰমেশ্বৰৰ সেৱায়ে মঞি নিশ্চয়ে তৰিম, এই নিশ্চয়াত্মিকা বুদ্ধি একমাত্ৰ। ✓অব্যৱসায়ী বহিৰ্মুখসবৰ আন কামনাই অনেক বুদ্ধি হয়, তাতে গুণকৰ্ম্মবসে বাহুল্য হয়; ঈশ্বৰ আৰাধন, নিত্য নৈমিত্তিক কৰ্ম্ম, কিঞ্চিদ্বৈগুণ্যেও নষ্ট নহে✓ যিমান শক্তি সেইমানকেসে বিধান কৰে। ঈশ্বৰ উদ্দেশে বিঘ্নবৈগুণ্যো দূৰ হয়, কাম্য কৰ্ম্ম পুনু তেমন নহে। এতেকে দুয়ো-কৰ্ম্মৰ মহা বৈষম্য বুঝিবা। যদি বোলা সকামী সবো দুখ্মূল কামনাসব এড়ি একনিষ্ঠ হুয়া কেনে ঈশ্বৰক নভজে, তাত শুনা। যাৰা সবে পুষ্পিত বিষলতাসম আপাত ৰমণীয় বেদৰ স্বৰ্গাদি ফল শ্ৰুতি বচনক পৰম ফল কৰি বোলে; যাতো

বেদৰ স্তুতিপৰ বচনত প্ৰীত হুয়া জ্ঞান শূন্য হুয়াছে। এতেকে স্বৰ্গত পৰ ঈশ্বৰকো প্ৰাপ্য কৰি নোবোলে। কামে আকুলচিত্ত হুয়া, স্বৰ্গকে মহাপুৰুষাৰ্থ বুলি মানে। স্বৰ্গভোগ অন্তৰে জন্ম ধৰি কৰ্ম্ম কৰি পুনু স্বৰ্গ পাইবো বুলি মানে; ভোগ ঐশ্বৰ্য্যক পাইবাক লাগি নানা কৰ্ম্মসবো কৰে, সদাই ভোগ ঐশ্বৰ্য্যক আসক্তি কৰি থাকে; বেদৰ পুষ্পিত বাক্যে চিত্তকো হৰিছে। এতেকে তাৰাসৰ একনিষ্ঠ হুয়া পৰমেশ্বৰক ভজিবে নপাৰে। যদি বোলা স্বৰ্গাদি যেবে পৰম ফল নহে, তেবে কেনে বেদে তাৰ সাধন কৰি, কৰ্ম্মসব বিধান কৰে, তাত শুনা। সকামী লোকক প্ৰতি সে বেদে কৰ্ম্মফল কহে। তুমি নিষ্কামী হৱা। নিষ্কামী হৈবাৰ উপায় শুনা। সুখ দুখক সহা, মহাধৈৰ্য্যক আশ্ৰয় কৰা, অপ্ৰাপ্ত বস্তুক স্বীকাৰ এড়া, প্ৰাপ্ত বস্তুকো ৰক্ষা তেজা, তেবে নিষ্কামী অৱশ্যে হৈবা। যদি বোলা, বেদোক্ত নানা ফল এড়ি নিষ্কাম হুয়া পৰমেশ্বৰৰ আৰাধনত যি ব্যৱসায় বুদ্ধি কহিলা, আক কুবুদ্ধিসে বুলি; তাত শুনা। যেন বাপী কূপ তড়াগত যিমান স্নান পানাদি কাৰ্য্য হয় সিমান কাৰ্য্য মহাহ্ৰদত একে ঠাই হয়; তেমনে সকল বেদোক্ত কৰ্ম্মত যিমান ফল হয়, সিমান ফল নিশ্চয়াত্মিকা বুদ্ধিযুক্ত ব্ৰহ্মনিষ্ঠৰ হয়। ব্ৰহ্মানন্দত ক্ষুদ্ৰানন্দ-সব অন্তৰ্ভাৱ হুয়া আছে। ব্ৰহ্মানন্দ ৰসৰ লৱলেশ কণাক প্ৰাণীসবে আস্বাদন কৰে এতেকে আক সুবুদ্ধি কৰি জানিবা। তেবে সকল কৰ্ম্মৰ ফল পৰমেশ্বৰ আৰাধনতে মোৰ হৈব বুলি প্ৰৱৰ্ত্তিব। তাক নিবাৰি বোলন্ত, তত্ত্বজ্ঞানাৰ্থী তোমাৰ কৰ্ম্মতেসে অধিকাৰ। বন্ধহেতু ফলত কামনা নহৌক। যদি বোলা, কৰ্ম্ম কৰিলে ফল আপুনি হৈব, তাত শুনা। কামনা কৰিলেসে ফল হয়; অকামীত ফল তোমাৰ নহৈব। বন্ধভয়ে কৰ্ম্ম অকৰণতো নিষ্ঠা নকৰিবা; কিন্তু পৰমেশ্বৰত একনিষ্ঠা হুয়া আসক্তি এড়ি কৰ্ম্মসব কৰা। তাৰ ফল জ্ঞানৰ সিদ্ধি অসিদ্ধিতো সম হুয়া, কেৱল ঈশ্বৰত অৰ্পন কৰি কৰা; যাতো সম ভাৱক যোগ বুলি কহে। ঈশ্বৰাৰ্পিত কৰ্ম্মত কৰি, কাম্য কৰ্ম্ম অত্যন্ত অপকৃষ্ট, এতেকে তুমি ঈশ্বৰত শৰণ লৈয়া, জ্ঞান সাধন নিষ্কাম কৰ্ম্মযোগ আচৰা। সকামী জনক অতি কৃপণ জানিবা। নিষ্কাম কৰ্ম্মযোগী অতি শ্ৰেষ্ঠ, যাতো সি ঈশ্বৰৰ প্ৰসাদে এই জন্মতে পাপ পুণ্য দুইকো এড়ে। এতেকে তুমি ঈশ্বৰৰ অৰ্থে কৰ্ম্মসব কৰা, সেই কৰ্ম্মে বন্ধ দূৰ কৰি মোক্ষ সাধিব; যেমনে কৰ্ম্মে মোক্ষ সাধে, সেই প্ৰকাৰ শুনা। বিবেকীসবে, কৰ্ম্মজন্য ফলসব ঈশ্বৰত অৰ্পি কৰ্ম্মবন্ধ এড়াই, নিৰুপদ্ৰৱ বিষ্ণুপদ মোক্ষ পাৱে। যদি বোলা, মঞি কেতিয়া সেইফল পাইবো, তাত শুনা। এমনে পৰমেশ্বৰক আৰাধন কৰিতে, যেখন তান প্ৰসাদে, দেহত অভিমান এড়ি তোমাৰ বুদ্ধি সবাতে বিৰক্ত হুয়া, ঈশ্বৰত

নিশ্চল হুয়া ৰহে, তেখনে মোক্ষক লভিবা। সেই জ্ঞানীৰ লক্ষণ জানিতে, অৰ্জ্জুনে পুছন্ত। হে কেশৱ, স্থিতপ্রজ্ঞৰ কি লক্ষণ, কেমন বচন, আচৰণ, ব্ৰজন, তাক মোত কহা। ভগৱন্তে বোলন্ত, জানা অৰ্জ্জুন, সাধক পুৰুষৰ যি জ্ঞান সাধন, সিদ্ধৰ তাকে লক্ষণ বুঝিবা। এতেকে সিদ্ধৰ লক্ষণ সব শুনা, যেখন পুৰুষে অযত্নে আত্মসুখত তুষ্ট হুয়া ক্ষুদ্র বিষয় অভিলাষ এড়ে, তেখনে তাক স্থিতপ্রজ্ঞ বুলি। আৰো তাৰ কিছু লক্ষণ শুনা, দুঃখতো মনে ক্ষোভ নহে, সুখতো স্পৃহা নকৰে কাহাতো প্ৰীতি ভয় নকৰে, এমনে 'স্থিতপ্রজ্ঞৰ লক্ষণ কাহাক বোলে' প্ৰশ্নৰ উত্তৰ কহন্ত। কোনো ঠাই স্নেহ নাচৰে, যেন কুৰ্ম্মে অনায়াসে কৰচৰণমুখক সঙ্কোচ কৰে, তেমনে জ্ঞানীয়ো আন বিষয়ৰ পৰা ইন্দ্ৰিয়ক ৰাখে। যদি বোলা ইন্দ্ৰিয়সবৰ বিষয়ত অপ্রবৃত্তিয়ো স্থিতপ্রজ্ঞৰ লক্ষণ হৈবাক নৰিহে। জৰ, আতুৰ, উপবাস-পৰৰো বিষয়ত অপ্রবৃত্তি দেখি, তাত শুনা। জৰ আদিৰ বিষয়ত অপ্রবৃত্তি দেখি, তথাপি তাৰাৰ মনত বিষয়ৰ ৰাগ থাকে, স্থিতপ্রজ্ঞৰ পুনু সিয়ো নাই। ইন্দ্ৰিয় নিয়মন নহৈলে স্থিতপ্রজ্ঞ নঘটে, এতেকে সাধক অৱস্থাত মহাযত্ন কৰিতে লাগে। বিবেকী জনৰো মোক্ষক যত্ন কৰিতেও ক্ষোভক ইন্দ্ৰিয়সব হঠাতে মনক হৰে। এতেকে যোগী ইন্দ্ৰিয়ক নিয়মি মৎপৰ হুয়া ৰহিব। যাৰ ইন্দ্ৰিয় অধীন হৈল, তাৰ বুদ্ধি স্থিৰ হৈল জানিবা। আসন প্ৰশ্নৰো আতে উত্তৰ বুঝিবা। বাহ্য ইন্দ্ৰিয় নিয়ম নহৈলে, দোষ কহি। মন নিয়ম নকৰিলে দোষ কহন্ত। গুণ বুদ্ধি বিষয়ক চিন্তিলে পুৰুষৰ তাতে আসক্তি হয়। তেবে তাত কাম জন্মে, কামৰ প্ৰতিঘাটে ক্ৰোধ হয়। ক্ৰোধ হৈলে কাৰ্য্য অকাৰ্য্য বিবেক গুচে। তেবে তাৰ শাস্ত্ৰ আচাৰ্য্য উপদেশত ভ্ৰম হয়, তেবে পুৰুষৰ বুদ্ধি নাশ হয়; বুদ্ধি নাশ হৈলে মৃতক সম হয়। যদি বোলা ইন্দ্ৰিয়সব সততে বিষয়ত প্ৰৱৰ্ত্তে তাক নিৰোধন অশক্য এতেকে ই দোষ এড়া নাযায়; কেমনে স্থিতপ্রজ্ঞ হৈব, তাত শুনা। যাৰ মন ইন্দ্ৰিয় বশবৰ্ত্তী হৈল, সি ৰাগ দ্বেষ এড়ি বিষয় ভোগ কৰিতেও শান্তিক লভে; শান্তচিত্ত পুৰুষৰ সকল দুঃখ নষ্ট হয়, বুদ্ধিয়ো স্থিৰ হয়। অজিতেন্দ্ৰিয় পুৰুষৰ শাস্ত্ৰ আচাৰ্য্যৰ উপদেশেও আত্মা বিষয় বুদ্ধি নঘটে, ধ্যানো নাই, ধ্যান নহৈলে শান্তিয়ো নাই। অশান্তৰ কৈত মোক্ষ হয়, আৰ হেতু শুনা। ইন্দ্ৰিয় বশ্য নহৈলে স্বেচ্ছায় বিষয়ত প্ৰৱৰ্ত্তে, তাৰ মধ্যত একে ইন্দ্ৰিয় মনে পুৰুষৰ বুদ্ধি হৰে, সকল ইন্দ্ৰিয় হৰিব তাক কি বুলিম যেন প্ৰমত্ত কৰ্ণধাৰ হৈলে বায়ুয়ে নৌকাক সৰ্ব্বতো ভ্ৰমাই, তেমনে অজ্ঞানীৰ মনো বিষয়ত ফুৰে। এতেকে যাৰ ইন্দ্ৰিয়সব বিষয়ত হন্তে সততে নিবৰ্ত্তন হৈল, তাকে স্থিতপ্রজ্ঞ বুঝিবা। যদি বোলা সুপ্ত হেন সকল

ইন্দ্রিয়ৰ ব্যাপাৰ শূন্য কোনো জন নেদেখি, এতেকে ই লক্ষণক আমি সম্ভাবিবে ন পাৰি, তাত শুনা যি ব্রহ্মনিষ্ঠাত সকল লোকৰ ব্যাপাৰ নাই, তাতে যিতো জিতেন্দ্রিয় হুয়া জাগি থাকে, যি বিষয় নিষ্ঠাত লোকসব প্ৰৱৰ্ত্তে তাত বিবেকীসবো ব্যাপাৰ নকৰে। যেন দিনান্ধ উলূকসব ৰাত্রিতেসে দেখে, দিনত চক্ষু মেলি থাকিতেও নেদেখে, তেমনে বিবেকীসবো আহাৰাদি কৰিতেও ব্রহ্মাতেসে দৃষ্টি, বিষয়ত নথাকে। যদি বোলা বিষয়ত দৃষ্টি নহৈলে কেমনে ভোগ কৰে তাত শুনা। যেন নানা নদী পূৰিত সমুদ্রক আন জলসব প্রবিষ্ট হয়, তথাপি সাগৰে মৰ্য্যাদা নেৰে, তেমনে বিবেকীক প্রাৰব্ধ কৰ্ম্মে বিষয় ভোগ কৰাই কিন্তু স্বৰূপত চালিবে নপাৰে, সেই জনে মোক্ষ লভে, কাম ভোগপৰে নাপাই। এতেকে যি প্রাপ্ত কামভোগ সব এড়ি, অপ্রাপ্ততো পৃহা নকৰি অহঙ্কাৰ মমকাৰ তেজি আত্মাক মন দিয়া প্রাৰব্ধ ভোগে, যি মিলাৱে তাকে ভোগ কৰে সেই জনে মোক্ষ লভে। আকে উপসংহৰি কহন্ত ঈশ্বৰ আৰাধিতে এই ব্রহ্ম নিষ্ঠাক ঈশ্বৰ প্রসাদে পায়া পুৰুষ সংসাৰি নহে, সততে ব্রহ্ম নিষ্ঠাত থাকি সংসাৰী নহৈব তাক কি বুলিম। অন্তকালত ক্ষণমাত্র এই ব্রহ্মনিষ্ঠাত ৰহি ব্রহ্মানন্দ লভে। যি ভগৱন্তে শোক-পঙ্কমগ্ন অৰ্জ্জুন ভক্তক সাংখ্যযোগ উপদেশে উদ্ধাৰ কৰিলা, সেই কৃষ্ণত মইও শৰণ পশিলো।

হে সামাজিকসব দেখ ভগৱন্তৰ লোকক কৃপা। অৰ্জ্জুনক উপলক্ষ কৰি সকল লোক তৰিবাক প্রতি গীতাশাস্ত্র কহিলা। এতেকে যি সুবুদ্ধি হয় তেবে সত্বৰে হৰিক ভজা। আয়ু পুনু পদ্মপত্র জল সম স্থিৰ নহে। হে কৃষ্ণ ভক্তৱৎসল কৰুণাসাগৰ যেমনে তোমাৰ চৰণ পদ্মত মোৰ মন ভ্রমৰ ৰহে তেমনে দায়া কৰা। কোটিবাৰ প্রণাম কৰি কাৰ্পণ্য কৰোঁ। সামাজিক সবো ডাকি হৰি বোল হৰি।

# সাগৰ খৰী।

## কুৰ্ম্মৱলী বধ।

জন্মিজয় ৰাজাত বদতি মুনিবৰ্‌।
যেন কথা ভৈল পাছে আত অনন্তৰ ॥
সেহি বেলা ৰাধা সুতে পাইলেক চেতন।
ৰাজা গণো চেতন লভিলা তেতিক্ষণ ॥
কিছু কিছু কৰিয়া গৱত শ্ৰুতি পাই।
শৰ ধনু ধৰি সবে যুঝিবাক যাই ॥
হেন দেখি কুৰ্ম্মৱলী মুনিষ প্ৰধান।
মহা কোপে ধৰি প্ৰহাৰিলা নিদ্ৰাবাণ ॥
সমস্তে বীৰক নিদ্ৰাৱলী লাগ পাই।
সশৰীৰে দৃঢ় কৰি ধৰিলা জন্তাই ॥
ৰাধেয়ক আদি কৰি যত ৰাজগণ।
নিদ্ৰাৱলী ধৰি সবে ভৈলা অচেতন ॥
হেন দেখি গঙ্গাৰ কুমাৰ মহাবলী।
সমৰক লাগি শীঘ্ৰ বেগে গৈলা চলি ॥
শুক্লবৰ্ণ ৰথখান দেখি ভয় ভীত।
ধনু ধৰি সমৰ ভূমিত উপস্থিত ॥
হেন দেখি কুৰ্ম্মৱলী হৰষিত মন।
ভীষ্মৰ মুখক চাই বুলিলা বচন ॥
তোমাৰ নৃপতি দুৰ্য্যোধন কৈক গৈল।
ৰাজা নাই তোমাসাৰ আথান্তৰ ভৈল ॥
বিনানৃপবৰে যুঝিবাক কোন কাৰ্য্য।
পালটীয়া চলি যাহা আপনাৰ ৰাজ্য ॥
হেন শুনি গঙ্গা সুতে দিলন্ত উত্তৰ।
মোৰ নাম ভীষ্ম জানিবাহা নৃপবৰ ॥

তীর্থ মধ্যে সংসাৰত যাক সম নাই।
মোক জন্ম দিলা তেবে গঙ্গাদেৱী আই ॥
বিনা যুদ্ধে যদি ময় চলি যাও যবে।
কুখ্যাতি ৰহিবে মোৰ চন্দ্ৰ দিবাকৰে ॥
আকে জানি সাবধান হয়ো নৃপবৰে।
তোমাৰ আমাৰ হৈবে যুদ্ধ ভয়ঙ্কৰে ॥
অধৰ্ম্ম এড়িয়া যুঝিবাহা স্বধৰ্ম্মত।
সাক্ষী হৈয়া থৈবা সবে দেৱগণ যত ॥
হেন শুনি কুৰ্ম্মৱলী দিলেক উত্তৰ।
মোৰ পিতামহ জানা সিন্ধু নৃপবৰ ॥
তাহান তনয় ধৰ্ম্মদণ্ড বুলি যাক।
তেহে মহাবীৰ জন্ম দিলন্ত আমাক ॥
আকে জানি অধৰ্ম্ম যুদ্ধত কোন কায।
স্বধৰ্ম্মত যুঝিবো অন্যায়ত নাহি কায ॥
এহি বুলি কুৰ্ম্মৱলী ৰাজা নৰেশ্বৰ।
মনত হৰিষে তুলি লৈলা ধনুঃশৰ ॥
হেন দেখি ভীষ্মৰ হৰিষ কৰে মন।
ভয়ঙ্কৰ ধনু তুলি লৈলা তেতিক্ষণ ॥
দুইকো দুই বচনে সাদৰি বিদ্যমান।
কৰযোড়ে কৰিলেক দেৱক প্ৰণাম ॥
দুইকো দুই কৰিলেক ধনুৰ টঙ্কাৰ।
একেলগে দুয়ো বীৰে কৰিলেক শৰ ॥
বায়ুবেগে দুয়ো প্ৰহাৰিলা মহাবল।
যেন দুইখান মেঘে বৰিষয় জল ॥
দুইখান ধনু দেখি মণ্ডলী আকাৰ।
দুইৰো শৰে আকাশত দেখি অন্ধকাৰ ॥
নিচিনয় কাকো কেৱে অন্ধকাৰ ময়।
ধৰণী মণ্ডলে দুয়ো মুনিষ দুৰ্জ্জয় ॥
মহাবলী কুৰ্ম্মাতৰ নৃপতিৰ শৰে।
কৌৰবৰ সৈন্যে পৰি ঝাকে ঝাকে মৰে ॥

কুৰ্ম্মাতৰ সৈন্য মৰে ভীষ্মৰ শৰত।
অসংখ্যাত সেনা নিৰন্তৰে হোৱে হত ॥
সেহি বেলা কুৰ্ম্মৱলী ভীষ্মত বদতি।
আমাৰ বচন শুনিয়োক মহামতি ॥
অকাৰণে সেনা মৰে সবে নিৰন্তৰে।
গুণি চোৱা হয় নয় গঙ্গাৰ কুমৰে ॥
নুহিবা তোমাকে মাৰো তুমি মাৰা মোক।
সমুখে সমৰে পড়ি চলো স্বৰ্গলোক ॥
আকে জানি সাৱধান হোৱা সমৰত।
শুনি আছো তোমাৰ বীৰত্ব কথা যত ॥
শিখি আছা মূৰ্ত্তিমন্ত অসংখ্যাত শৰ।
দেৱতাৰ অস্ত্ৰ মানে জানাহা বিস্তৰ ॥
এহি বুলি কুৰ্ম্মৱলী হৰিষ মনত।
অগনিৰ অস্ত্ৰ পাট যুড়িলা গুণত ॥
মন্ত্ৰ পঢ়ি প্ৰহাৰ কৰিলা নৃপবৰ।
চৌপাসে আবৰি চলে অগ্নি চমৎকাৰ ॥
হেন দেখি গঙ্গাসুত মুনিষ প্ৰধান।
গুণত যুড়িলা আনি বৰুণৰ বাণ ॥
মন্ত্ৰ পঢ়ি শৰ পাছে প্ৰহাৰ কৰিলা।
দশোদিশে ঢাকি সব শিলা বৰষিল ॥
নিমাইল অগনি দশোদিশে সুপ্ৰসন্ন।
কিঞ্চিত হৰিষ মন ভৈল প্ৰজাগণ ॥
দেখি ক্ৰোদ্ধ ভৈল কুৰ্ম্মৱলী নৰেশ্বৰ।
শীঘ্ৰ বেগে প্ৰহাৰিলা বাসৱৰ শৰ ॥
ঘৰিষণ গৰজন ঘোষণ অপাৰ।
জল স্থল পৃথিবী সহিতে একাকাৰ ॥
হেন দেখি গঙ্গাসুতে মহামন্ত্ৰ জপি।
হানিলা মাৰুত অস্ত্ৰ ধনুত আৰোপি ॥
মহাবেগে শৰ পাটে খেদি লাগ পাই।
বাসবৰ অস্ত্ৰক নিলেক উড়ুৱাই ॥

শিৱৰ জ্বৰক বিষ্ণু জ্বৰে লাগ পাই।
দূৰত বিদূৰ কৰি পেলাইলা খেদাই ॥
হেন দেখি কুৰ্ম্মৱলী নৃপতি প্ৰধান।
মন্ত্ৰ সমে প্ৰহাৰিলা কুবেৰৰ বাণ ॥
বাসুকী সদৃশ ভয়ঙ্কৰ বিপৰীত।
মাথাগোট আকাশত লাঙ্গ পৃথিবীত ॥
মেৰু মন্দৰৰ সম সদৃশ শৰীৰ।
আকাশ বিয়াপি চলে ভয়ঙ্কৰ শিৰ ॥
নিশ্বাসতে বাজ হোৱে অসংখ্যাত সৰ্প।
দেখি দৈৱ লোকৰ হৰিল বল দৰ্প ॥
নাকৰ নিশ্বাস মাৰুতৰ সম শৰ।
চক্ষু দুই গোট যেন উদয় ভাস্কৰ ॥
হেন দেখি গঙ্গাসুতে মনত গুণিলা।
আথেবেথে দিগপাল শৰ প্ৰহাৰিলা ॥
আকাশ চানিয়া চলে সায়ক প্ৰচণ্ড।
কুবেৰৰ অস্ত্ৰক কৰিলা খণ্ড খণ্ড ॥
চূৰ্ণকৃত হুয়া শৰ ভূমিত পৰিল।
টলবল কৰি মহী মণ্ডৰ লৰিল ॥
হেন দেখি কুৰ্ম্মৱলী পৰম ক্ৰোধত।
ব্ৰহ্মাৰ শৰক পাই যুৰিলা গুণত ॥
প্ৰলয়ৰ শৰ যেন শকতি দুৰ্জ্জয়।
অযুত সূৰ্য্যৰ সম প্ৰকাশ কৰয় ॥
শৰৰ প্ৰতাপে সবে পৃথিবী লৰিল।
মন্দৰ গিৰিত যাই ধমক লাগিল ॥
সকল পৃথিবী লৰি দল দোপ ভৈল।
আকাশৰো তাৰা গণো খসি খসি গৈল ॥
হেন দেখি গঙ্গাসুতে গুণিলা মনত।
মহেশৰ শৰপাট যুৰিলা গুণত ॥
ৰুদ্ৰ মন্ত্ৰ জাপ্য তাতে কৰিলা বিস্তৰ।
কাম্পে বসুমতী নসহয় পয়োভৰ ॥

ত্ৰাস ভৈল নাগলোক অনন্ত প্ৰবল।
ফাটাইয়া ধৰণী কৰয় তলবল ॥
আকাশত আদিত্যৰ থিৰ ভৈল গতি।
কৈলাসত সচকিত ভৈল পশুপতি ॥
কুৰু কুৰ্ম্মাতৰ সেনা ভৈলা মহাত্ৰাস।
আই বাপ বুলি সবে দিলেক আতাস ॥
ঘনে ঘনে আকাশত উৰে ধূমকেতু।
চিন্তিলন্ত ভীষ্মে নৃপতিৰ বধ হেতু ॥
কুৰ্ম্মৱলী নৃপতিৰ আগে বিমঙ্গল।
সমুখে বহয় বায়ু পৰম প্ৰবল ॥
বৃক্ষ সব ভাগি পৰে পৰ্ব্বত শিখৰ।
হয় হস্তী উৰুৱাৰে ৰথী নিৰন্তৰ ॥
দেখি কুৰ্ম্মৱলী ৰাজা ভৈল ভয় ভীত।
মুদিলেক চক্ষু আৰ নপাৰে মেলিত ॥
ভীষ্মৰ আগত পাছে অতি সুমঙ্গল।
সুগন্ধি শীতল বায়ু বহে সুকোমল ॥
হেন দেখি ভীষ্ম কৃষ্ণ চৰণে প্ৰণামি।
ৰক্ষা কৰিবাহা মোক জগতৰ স্বামী ॥
তযু পদ বিনে মোৰ আন গতি নাই।
ব্ৰহ্মাৰ শৰত মোক ৰাখা যদুৰাই ॥
এহি বুলি শৰপাত কৰিলা প্ৰহাৰ।
সকলে পৃথিবী লৰি ভৈল তোলপাৰ ॥
দেৱাসুৰ নাগগণ থাকিলা তৰসি।
আকাশৰ তাৰাগণ গৈল খসি খসি ॥
মহাবেগে শৰপাট চলে আকাশত।
প্ৰলয়ৰ বহ্নি যেন দেখি সেই মত ॥
শীঘ্ৰবেগে চলে আকাশৰ পথ ছেদি।
গৰুড় চলয় যেন পৰ্ব্বতক ভেদি ॥
সেহি বেলা ব্ৰহ্মাৰ শৰক খেদি ধৰি।
পৃথিবীত পেলাইলেক চূৰ্ণাকৃত কৰি ॥

ব্রহ্মাৰ শকতি পাট ভূমিত পেলাই ।
আতি মহাক্রোধে নৃপতিক খেদি যাই ॥
কুর্ম্মৱলী নৃপতিৰ হত ভৈল বুদ্ধি ।
প্রচণ্ড বতাসে ৰজা আছে চক্ষু মুদি ॥
বিমঙ্গল মাৰুতৰ শব উৰুৱাৰে ।
বিস্ময়ে থাকিল ৰাজা বিহ্বল স্বভাৱে ॥
সেহি বেলা মহেশৰ অস্ত্র বিপৰীত ।
মনোজয় বেগে গৈয়া চাপিলা সন্নিত ॥
প্রচণ্ড শবদে দশোদিশ যাই চানি ।
তূলাত লাগিল যেন প্রচণ্ড অগনি ॥
নিমিষেক দহি নৃপতিৰ কলেৱৰ ।
পৃথিবী বিদাৰি গৈল পাতাল ভিতৰ ॥
সাতো সাগৰৰ জলে কৰিলন্ত স্নান ।
দিব্যৰূপ ধৰি গৈল মহেশৰ স্থান ॥
সমুখ সমৰে পাছে ৰাজা কুর্ম্মৱলী ।
পৰম আনন্দে স্বৰ্গলোকে গৈলা চলি ॥
শুনা সভাসদ এক চিত্ত কৰি মন ।
কুর্ম্মাত পৰ্ব্বৰ কথা শুনা বিতোপন ॥
ঈশ্বৰৰ যশ কথা ঘোষয় সর্ব্বথা ।
মোক্ষকো সাধিৱ বসি ইতো কোন কথা ।
বোলয় সাগৰখৰী ভাৰতৰ পদ ।
কুমুদ পুৰাণ ইতো কুর্ম্মৱলী বধ ॥
কলিৰ যুগত ইতো নামেসে প্রধান ।
কলিৰ যুগত শ্রেষ্ঠ কৃষ্ণৰ কীর্ত্তন ॥
সত্য কৰি কহো সৰ্ব্ব পাপ সংহৰন্ত ।
কুমুদ পুৰাণে কহি আছে ভগৱন্ত ॥
ধৰ্ম্মেসে পৰম বস্তু জানিবা নিশ্চয় ।
ধৰ্ম্মতে থাকিলে যমকো নাহি ভয় ॥
তপ জপ তীর্থ আদি যোগ ব্রত দান ।
ইসব নোহয় কৃষ্ণ কথাৰ সমান ॥

জানিয়ো জন্মক হেৰা নকৰিয়ো বৃথা।
আলাস তেজিয়া শুনিয়োক হৰি কথা ॥
পুত্ৰ ভাৰ্য্যা বিষয় জানিবা মায়া জড়ি।
প্ৰবন্ধে ঈশ্বৰে বান্ধি আছে যত্ন কৰি ॥
সিতো বহু ছোৰণ নযাই একোমতে।
নকৰে ভকতি যাৰে কৃষ্ণ চৰণতে ॥
হেন জানি সবেয়ো ত্যজিয়া আন কাম।
জনম সফল হৌক বোলা ৰাম ৰাম ॥

# গোপাল চৰণ দ্বিজ।

## হৰিবংশ।

### আত্ম-পৰিচয়।

গোপাল গুৰুৰ পাৱে প্ৰণামিয়া মনে।
বলদেৱ বাক্য শিৰে ধৰিয়া যতনে॥
ইষ্ট কৃষ্ণ দেৱতাৰ অৰুণ চৰণে।
পদ চয় ভণে দ্বিজ গোপালচৰণে॥

হৰিবংশ ভাগৱত শ্ৰীবিষ্ণু পুৰাণ।
তিনিৰ সঙ্গমে কথা হৈবেক সুঠান॥
যমুনা জাহ্নবী সৰস্বতী একেস্থান।
প্ৰয়াগে বহয় ইতো তাহাৰ সমান॥

### শচী সত্যভামাৰ দ্বন্দ্ব।

নিগদতি ঋষি ৰাজ শুন নৰেশ্বৰ।
পাৰিজাত লৈয়া যেবে গৈলা দামোদৰ॥
পাৰিজাত ৰাখিয়া ভৈলেক ভয় বৰ।
শচীৰ সমীপ লাগি ভিৰি দিলা লড়॥

হুয়াছে হতাস দুঃখে মুখে খৰশ্বাস।
গাৱে ঘৰ্ম্মচয় বয় মুক্ত কেশ পাশ॥
ইন্দ্ৰ সমে ইন্দ্ৰাণী বসিয়া ৰঙ্গে আছে।
আগত গন্ধৰ্ব্বে গাৱে অপস্বৰা নাচে॥

সেই বেলা ৰাখিয়া প্ৰণামি কৈবে লৈল।
শুন পটেশ্বৰী মাৱ আথান্তৰ ভৈল॥
সত্যভামা সতী আতি কৰিয়া বৰাই।
পাৰিজাত নিলেক তোৰ কৃষ্ণেক ঝপাই॥

স্বৰূপে কহিলো যেন যুৰাই কৰ তাক।
পাছে অকাৰণে দণ্ড কৰিবি আমাক ॥
ৰাখিয়াৰ বাক্য শৰে হৃদয় দাৰিল।
মহাশোকে শচী সতী অধিক জ্বলিল ॥

প্ৰচণ্ড সৰ্পিনী যেন ফোফাইবে লাগিল।
চক্ষু পকাই বাসবক বলিবে ধৰিল ॥
শুন দেৱৰাজ তই কেনে আছ বসি।
মোৰ পাৰিজাত তৰু লৈ যাই মানুষী ॥

ধিক ধিক যাউক তোৰ সুৰপতি নাম।
আলসিয়া এথা বসি আছ কিবা কাম ॥
তিৰিৰ আগত মিছা গৰব কৰস।
মোৰ ফুল নেই তই কৌতুকে আছস ॥

কোন চাৰি সত্যভামা তাইক কৰ ডৰ।
কোন সুখে ৰহি আছ ঘৰেৰ ভিতৰ ॥
যেবে ভালে যাইবে তেবে যুদ্ধ হয় সাজ।
সমৰ কৰিয়া আনি দেহ তৰুৰাজ ॥

নাজা যেবে তোৰ আজি নুহিবেক ভাল।
মহাৰাগে গৰ্জ্জে শচী যেন যম কাল ॥
মহা কামাতুৰ তিৰি জিত পুৰন্দৰ।
খেলাৰ বানৰ যেন সেই বৰাবৰ ॥

শচীৰ বচনে মহাজ্বলি গৈল খঙ্গে।
অঙ্কুশে খুঞ্চিলে যেন প্ৰমত্ত মাতঙ্গে ॥
হাত ভৰি কাম্পে সৰ্ব্ব গাৱে ঘৰ্ম্মবয়।
সভাক নিহালি ইন্দ্ৰে আদেশ কৰয় ॥

শুন শুন সেনাপতি গৌৰীৰ কুমাৰ।
দেৱ সেনাপতি শীঘ্ৰে জাড়ায়ো আমাৰ ॥
আগুয়ান হুয়া কৰ যুদ্ধত প্ৰয়ান।
পাৰিজাত আনো কৰো ভামাক নিৰ্য্যান ॥

কুবেৰ বৰুণ সখি বায়ু মহাবল।
বিলম্ব নকৰি সবে সমৰক চল॥
জয়ন্ত ঋষত আৰ সিন্দয় কুমাৰ।
তিনি ভাই সমৰক চল খৰতৰ॥

শুনৰে মাতলি মোৰ ৰথ চলায়োক।
মাতঙ্গ তুৰঙ্গ ৰঙ্গে সঙ্গত চলোক॥
এহি মতে আজ্ঞা কৰি ইন্দ্ৰ সুৰ পাল।
ঐৰাৱত হস্তীক অনাইলা তৎকাল॥

শচীক তুলিয়া তাত আপুনো উঠিল।
কৃষ্ণক যুজিবে লাগি প্ৰয়ান কৰিল॥
অমাৰতী পুৰ জুৰি নিসান বাজয়।
গজ ঘণ্টা বাজে হস্তী ঘোড়া চিহৰয়॥

সেনাপতি সুজান কাৰ্ত্তিক মহাশয়।
একেতিলে জড়াইলেক দেব সেনাচয়॥
ইন্দ্ৰৰ আগত চলিলেক দুঃখ মন।
চৌপাশে চলিল আনো লোকপালগণ॥

শত শত সিংহ নাদে দবা ঢোল বাজে।
হেন চমৎকাৰে ইন্দ্ৰ চলে সব মাজে॥
অনন্তৰে পাৰিপত পৰ্ব্বত পাই।
বিস্ময়ে চৌদিশে নিহালয় সুৰৰাই॥

অসংখ্যাত হয় হস্তী পদাতি সকল।
পৰ্ব্বতে আছয় দেখি ভয়ে আখণ্ডল॥
যদুগণ সমে তথা কৃষ্ণক দেখিল।
মহাভয় ভৈল ইন্দ্ৰ কম্পিবে লাগিল॥

শচী বোলে ইন্দ্ৰ তই কাক কৰ ভয়।
আন পাৰিজাত শীঘ্ৰে মাৰি যদুচয়॥
পাছে ইন্দ্ৰে ধৈৰ্য্য ধৰি ক্ৰোধে খেদি গৈল।
কৃষ্ণৰ আগত ৰহি বুলিবাক লৈল॥

কেনে কৃষ্ণে এত বৰ কৰস অকাৰ্য্য।
নোবোলাই কেনে চুৰি কৰ তৰুবৰ॥
তিৰীৰ ফুলক লাগি এত বৰ সাদ।
এভো ছাৰি দেস তৰু নৌক পৰমাদ॥

ক্রোধিয়া বোলন্ত কৃষ্ণে শুন পুৰন্দৰ।
মোক কেনে এত বোল বলস বৰ্ব্বৰ॥
সত্যভামা চৰণত পৰিয়া সাক্ষাত।
প্রসন্ন কৰায়া তাঙ্ক নেস পাৰিজাত॥

কোন চাৰ ফুল তাত মোৰ কাৰ্য্য নাই।
প্রিয়া সত্যভামা সে তাহাৰ অধিকাই॥
কৃষ্ণ বাণী শুনি শচী বুলিবে লাগিল।
এবেসে আমাৰ সবে মৰ্য্যদা ৰহিল॥

যাহাৰ চৰণ সেৱে সুৰাসুৰ লোক।
হেন ইন্দ্রে মানুষীৰ চৰণে ধৰোক॥
তবে আপোনাৰ পুষ্পা আনোক খুজিয়া।
ইকি কদৰ্থনা কোনে থাকিবে সহিয়া॥

কেনে সুৰৰাজ কত সহ অপমান।
হাতে ৱজ ধৰি যাই পাৰিজাত আন॥
দেখো সত্যভামা কাৰ উৰুৱায়ে চাই।
অভক্তৰ বেটীক আমাৰ শঙ্কা নাই॥

বৈশম্পায়নে বোলে কথা শুনা নৰেশ্বৰ।
শচী বাক্যে সত্যভামা ক্রোধে জৰজৰ॥
গোবিন্দ গহে বোলে শুন আবে শচী।
নৰকৰ নিকাৰত আছিলিহি পছি॥

মোৰ স্বামী প্রসাদত আপদ তৰিলি।
আবে অভাগিনী সবে গুণ পাসৰিলি॥
কোটি কোটি ব্রহ্মাণ্ডৰ নাথ মোৰ স্বামী।
কৃষ্ণৰ কামিনী জগদ্বন্দনী সে আমি॥

দানবৰ বেটী অতি নটিনী নিলাজী।
মোৰ আগে এত বৰ গোল কৰ আজি ॥
তোৰ ভতাৰৰ মই জানো সবে গুণ।
পাষণ্ডী বিতণ্ডি তই কহো তাক শুন।

নাহিকে বিচাৰ চাৰ ছুৰ্ব্বাৰ লম্পট।
নাম মাত্ৰ দেৱৰাজ কাৰ্য্যে যেন নট ॥
ভাল মন্দ নিবিচাৰে নিলাজ পাগল।
যোনি মাত্ৰে ৰমে বেটা যেহেন ছাগল ॥

গৌতম ঋষিৰ যাই আশ্ৰম পশিল।
অহল্যাক দেখি কাম সাগৰে মজিল ॥
পাছে ঋষি বেশ ধৰি ব্ৰাহ্মণী হৰিল।
ঋষি যে শপিলে মহা অপায় মিলিল ॥

অণ্ডকোষ চিণ্ডি গেল ভৈল আসি ছাগ।
সৰ্ব্ব গাৱে চানিয়া ভৈলেক যোনি দাগ ॥
ছাগলৰ অণ্ডকোষ যেনে তেনে হৈল।
আজিয়ো জগত চানি কলঙ্কেসে ৰৈল ॥

স্বামী তোৰ দাণ্ডৱা বিচাৰে তই দাগি।
ইন্দ্ৰ সিতো ছাগল তই চাৰি ছাগী ॥
আৰো এক অকাৰ্য্যক সৰ্ব্ব লোকে কয়।
ইন্দ্ৰেসে ফিড়য় পুনু শচী না ফিড়য় ॥

আলাই বলাই আক শুনি উঠে হাসি।
যেই ইন্দ্ৰ হোৱে তাৰে তই হোৱ দাসী ॥
মৰ মৰ বেশ্যা তোৰ লাজ কাজ নাই।
এক গোটা তিৰী হুয়া ফিৰ ঠাই ঠাই ॥

বহু পুৰুষত ৰম বিকাৰ অভাগী।
বিস্তৰ ছাগৰ যেন এক গোটা ছাগী ॥
শুনৰে মাগিনী কেনে এত অহঙ্কাৰ।
স্বৰ্গপুৰ মাঝি দৈত্য লৱে বাৰম্বাৰ ॥

কৃষ্ণসে থাপন্ত তোৰ ইন্দ্ৰক স্বৰ্গত।
সমস্তে বিভব কৃষ্ণৰেসে বিচাৰত ॥
পাৰিজাত আদি যত দ্ৰব্য দেৱ যোগ্য।
কৃষ্ণৰেসে প্ৰসাদত ইন্দ্ৰে কৰে ভোগ্য ॥

আপুনাৰ বস্তু প্ৰভু আনিলন্ত কাঢ়ি।
নিলাজ নিলাজী কেনে দন্দকৰ বাঢ়ি ॥
মই যেবে পাৰিজাত নেদো পৰিহৰি।
কোটি শত ইন্দ্ৰে তাক নিবে কেনে কৰি ॥

যেৱে মান্য ৰৈব ইন্দ্ৰ স্বৰ্গপুৰে চল।
তিৰীৰ বচনে বেটা নহিবি বিকল ॥
তোৰ এত সাদ গোবিন্দক যুদ্ধ কৰি।
পাৰিজাত লৈয়া যাইবি আপুন নগৰী ॥

শুন হিত বোল পুত্ৰ ঘৰে চলি যাস।
তপত দুধক কেনে নালেপিবে চাস ॥
কতোকাল পাৰিজাত কৃষ্ণক পৌৰাওঁ।
কৃষ্ণৰ প্ৰসাদ ময়ো যৌপাত চড়াওঁ ॥

পাছে তোক ছাৰি দিব দিব্য তৰুবৰ।
জানিয়া বাহুৰি ঘৰে চল পুৰন্দৰ ॥
মুহি তেবে ইন্দ্ৰ তই হৈবি ৰণ্ডভণ্ড।
নাক কাটি শচীৰ কৰিবো উগ্ৰদণ্ড ॥

সৰ্ব্বভাৱে ভক্তিকৰো কৃষ্ণ চৰণত।
মই অভক্তৰ বেটী সেই সে ভকত ॥
পুলোমা দানব যিতো মহা অনাচাৰ।
ৰাত্ৰি দিনে মদ্যে মাংসে কৰয় আহাৰ ॥

তাৰ বেটী হুয়া এই হৈল বৰ লোক।
অভাগীৰ বাক্য বহ্নি দহি মাৰে মোক ॥
এহি বুলি সত্যভামা ক্ৰোধে ৰহিচয়।
পাছে যেন কথাভৈল শুনা জন্মিজয় ॥

ভামাৰ বচনে শচী অধিকে জ্বলিল ।
অনির্ব্বাব হুয়া বাক্য বুলিবে লাগিল ॥
হায়ৰে মানুষী জানো তোত নাহি জ্ঞান ।
মোৰ ফুল চুৰি কৰ তোৰ সে উমান ॥

চুৰুণীৰ হয় পাঞ বোঝা মিছা গাল ।
আবেসে মৰিলি চেৰী নাই তোৰ ভাল ॥
তিৰি হয়া তিৰিৰ বেকত কৰ যাৰ ।
মাৱেৰৰ কথা কেনে নক আপুনাৰ ॥

নোহ বিদগদ নজানস ৰতীৰস ।
কালিৰ ছোৱালী হুয়া চাতুৰী কৰস ॥
আমি জানো তোৰ স্বামী যেন মত ভাল ।
নন্দ ঘৰে আছিলেক হুয়া ৰাখৱাল ॥

বৃন্দাবনে বেঢ়াইলেক ধেনুবৎস ৰাখি ।
শিৰৰ ভূষণ লৈল ময়ূৰৰ পাখি ॥
গোপ ঘৰে বেঢ়াইলেক দধি দুধ খাই ।
গৰু তিৰি মাৰি আছে চুইবে নযুৱাই ॥

গোপীকাৰ পিন্ধিবাৰ বস্ত্র কান্ধে লৈল ।
হেন সে কম্বুক যোনি নিবেখিয়া ৰৈল ॥
আতি অনাচাৰ কৃষ্ণ জগত প্রখ্যাত ।
ব্রাহ্মণী সবৰ খায়া আছে আড়া ভাত।

নাই কুল ক্রীড়া গোপী বিটাল গোপাল ।
নিজ কান্ধে বহি আছে গোৱাল চৱাল ॥
নন্দেৰ ব্রজৰ গোপ সুন্দৰী হৰিল ।
কামাতুৰ পদে গোপী কান্ধত বহিল ॥

মহাৰাস মণ্ডল পাতিয়া বৃন্দাবনে ।
নানা ৰসে বসিলেক গোপীকাৰ সনে ॥
আমি সবে নিৰখিয়া আছিলো নয়নে ।
গোপী সবে ৰঙ্গে ধঙ্গে বেঢ়াইল কাননে ॥

মথুৰা নগৰী আসি মমাক মাৰিল।
কোন ছাৰি কুজী দাসী তাহাক কৰিল ॥
গোকুল মথুৰা মাঝে যত তিৰি আছে।
তোৰ ভতাৰেৰ হাত কেবে সাৰি আছে ॥

আনো নানা দোষ মানে থৈলিহি লুকাই।
পৰ দোষ কহ যাৰে অলাই বলাই ॥
আনো নানা খৰ্ব্ব বুলি শচী ৰহি আছে।
দশন চোবাই ভামা বুলিলেক পাছে ॥

শুনৰে নিলাজী শচী লাজ দূৰ গৈল।
পূৰ্ণব্ৰহ্ম কৃষ্ণৰেসে দোষ কৈবে লৈল ॥
যত দোষ কৈলি ইতো কিছু দোষ নাই।
বিচাৰ কৰিলে মাত্ৰ স্তুতি মাত্ৰ হই ॥

মোৰ স্বামী গোপাল কৃপাল কৃপানিধি।
গৰু তিৰি মাৰি তাৰ সাধিলন্ত সিধি ॥
হেন সে ভক্তৰ বশ্য দেৱ ভগৱন্ত।
ভকতৰ হিত চিন্তি গৰুক চাৰন্ত ॥

শচীক এতেক বুলি সত্যভামা ৰাণী।
কিঞ্চিত সক্ৰোধে মাধৱক বোলে বাণী ॥
গোপালে বোলয় সবে এৰা আন কাম।
কৃষ্ণক বান্ধৱ মানি বোলা ৰাম ৰাম ॥

# গোবিন্দ মিশ্র।

শ্ৰীমদ্ভগৱদ্গীতা।

দ্বিতীয় অধ্যায়।

দুলৰি।

গুণদোষৌ বিচাৰ্য্যৈতদৰ্জ্জুনো নৰপুঙ্গবঃ।
মৌনভাবং সমাস্থায় নাব্ৰবীৎ সাধ্বসাধু বা॥
দ্বিতীয়ে শোকসন্তপ্তমৰ্জ্জুনং ব্ৰহ্মবিদ্যয়া।
প্ৰতিবোধ্য হৰিশ্চক্ৰে স্থিতপ্ৰজ্ঞস্য লক্ষণম্॥

দৈৱকী তনয় দেৱ কৃপাময়
কৃষ্ণ দেৱতাৰ সাৰ।
পঙ্কজ চৰণে প্ৰবেশিয়া মনে
পুনু কৰো নমস্কাৰ॥
সঞ্জয় বদতি শুনা কুৰুপতি
পাছে যেন কথা ভৈলা।
শোক সমুদ্ৰত মোহ ঊৰ্ম্মি পায়া
ধনঞ্জয় তল গৈলা॥
শোকাকুল দুঃখে পায়া অশ্ৰু মুখে
দুয়ো নেত্ৰে পৰে পানী।
কৃষ্ণ কৃপাময় দয়ায়ে বোলয়
অৰ্জ্জুনক প্ৰিয়বাণী॥
শুনা সব্যসাচি ৰণ মধ্যে আসি
শোকে পাইলা মহাভয়।
মহাযশী হৈয়া অকীৰ্ত্তি কৰাহা
ক্ষুদ্ৰ হৃদয়ৰ নয়॥

কুৰু পাণ্ডৱৰ অনেক কালৰ
যুদ্ধৰ আৰম্ভ কাজে ।
সম্মুখ সংগ্ৰামে ৰথ ৰাখিলাহা
উভয় সেনাৰ মাঝে ॥
যত বীৰ বৰ পৃথিবী ভিতৰ
তোমাক অগ্ৰত গণি ।
সম্মুখ সংগ্ৰামে কোন বীৰ কান্দে
নতু দেখি নতু শুনি ॥
এড়ি স্বৰ্গ পথ অসাধুৰ মত
কৰাহা অকীৰ্ত্তি নয় ।
দুৰ্ব্বলতা এড়ি ধনুঃসৰ ধৰি
যুদ্ধে উঠা ধনঞ্জয় ॥
সঞ্জয় বোলন্ত পৰম ৰহস্য
শুনিয়োক মহাৰাজ ।
অজ্ঞানত থাকি পাৰ্থ তল গৈলা
শোক সাগৰৰ মাঝ ॥
পাছে হৃষিকেশে সাংখ্য উপদেশে
অজ্ঞান কৰিলা নাশ ।
ঘোৰ অন্ধকাৰ অনেক কালৰ
যেনে সূৰ্য্যে কৰে নাশ ॥
বোলে ধনঞ্জয় শুনা দয়াময়
যি কাৰণে কৰোঁ তাপ ।
আছোক অস্ত্ৰাদি বাক্যে যুজোঁ বোলো
তভো হোৱে ঘোৰ পাপ ॥
ভীষ্ম গুৰু দ্ৰোণ দুহানো চৰণ
সদা লাগে পূজিবাক ।
অহৰ্নিশে সেৱা কৰিতে লাগয়
কিমতে বধিবো তাঙ্ক ॥

গুৰুক নবধি ৰাজ্যক নসাধি
দিশ দিশান্তৰে যাঁও ।
এহি পৰাশ্ৰয় কৰিলোঁ আশ্ৰয়
ভিক্ষা মাগি আনি খাওঁ ॥
বন্ধুগণ বধি ৰাজ্যকাম সাধি
গুৰুক কৰিবো ৰণ ।
ভুঞ্জি ভোগচয় যেন পাপময়
ৰুধিৰে মিশ্ৰিত অন্ন ॥
পাপক নচাই যদিবা যুজোঁহো
তাহাৰ নজানো সাৰ ।
কুৰু পাণ্ডৱৰ উভয় সেনাৰ
জয় পৰাজয় কাৰ ॥
ধৰ্ম্ম অধৰ্ম্মত বুদ্ধি ভৈলা হত
তোমাত পুচো বিশেষ ।
যুদ্ধ ভিক্ষাটন কোন গোটা ভাল
বুলিয়োক হৃষীকেশ ॥
তুমি নিজ গুৰু প্ৰপন্ন শিষ্যক
শিক্ষা দিতে লাগে স্বামী ।
তুমি সৰ্ব্ব আত্ম তুমি স্ৰজি আছা
এতেক নজানো আমি ॥
গুৰু ইষ্ট দেৱ সৰ্ব্বভাৱে সেৱ
কৰিতে লাগে সন্তোষ ।
প্ৰপন্ন শিষ্যক নকহে গুহ্যক
গুৰু পাৱে বহু দোষ ॥
শোক মোহ মন দহে ইন্দ্ৰিগণ
ভ্ৰমে যেন মোৰ মতি ।
অকণ্টকা মহী পাতাল নলাগে
আৰু নোহোঁ সুৰপতি ॥

অনিমাক আদি পাওঁ অষ্টনিধি
যদি পাওঁ সত্যলোক।
এতেককো পাই নেদেখো উপাই
দূৰ হোৱে ইটো শোক॥
নুযুজিবো বুলি প্ৰতিজ্ঞা কৰিয়া
মৌনে বহিলন্ত বসি।
অৰ্জ্জুনক চাই কৃষ্ণে বুলিলন্ত
অল্প কৰি হাসি হাসি॥
যাতে শোক নাই তাতে শোক কৰা
মই বাধো বাৰম্বাৰ।
পণ্ডিত নুহিকা বাদ মাত্ৰ কৰা
প্ৰজ্ঞা ৰাখা আপোনাৰ॥
শুবা সব্যসাচি মূৰ্খে পণ্ডিতালি
কৰা পণ্ডিতক চাই।
তীৰ্থ যাত্ৰা কালে যিটো দোষ কৈলা
তাতে কোনো দোষ নাই॥
পুত্ৰ উপজিলে আনন্দ নকৰে
মৰিলে নকৰে শোক।
মান অপমান যাৰ নাহিকয়
পণ্ডিত বোলয় লোক॥
মৰণ জীৱন সকলেসে ভ্ৰম
সুখ দুঃখ যত ভাৱে।
দেহ আত্মা পৰ অবিদ্যা ভিতৰ
অজ্ঞান নুগুছে যাৱে॥
পথে থাকি পৰি সৰ্প হেন জৰী
পুৰুষে যেহেন পাৱে।
ততকাল ভয় মনৰ সংশয়
বিচাৰ নকৰে যাৱে॥

পাছে বিচাৰিয়া জিজ্ঞাসা কৰিয়া
সন্নিত চাপিয়া তাৰ।
সৰ্প ভয় ভ্ৰম তিনি দূৰ গৈল
জৰী গাছ মাত্ৰ সাৰ ॥
দেহৰ লগত আত্মাৰ মৰণ
কহে অজ্ঞানৰ প্ৰায়।
ব্যাপক আত্মাক পৰিচ্ছেদ কৰে
যাৰ আদি অন্ত নাই ॥
তুমি আমি আদি যত লোক দেখা
আছিলো সবে পূৰ্ব্বত।
সম্প্ৰতি সবহি আছো বিদ্যমান
থাকিবো পাছ কালত ॥
বুলিবা ঈশ্বৰ জন্ম মৃত্যু শূন্য
তুমি থাকা সৰ্ব্বথায়।
আন যত লোক কতো উপজয়
কতোবা মৰিয়া যায় ॥
একে শৰীৰতে বাল্য যুবা জৰা
হোৱে যেন পুৰুষৰ।
দেহ এড়ি জীৱে আন দেহে জন্মে
মৃত্যু সেহি পটন্তৰ ॥
যদি বোলা আৰু এই দেহ নষ্টে
ইয়ো দেহ নষ্ট যায়।
আন দেহ এড়ি পুনৰ্ব্বাৰ আসি
ভিন্ন জীৱ ওপজয় ॥
জানিবা জীৱৰ পূৰ্ব্ব যে দেহৰ
পূৰ্ব্বৰ সংস্কাৰ যত।
সেহি সে সংস্কাৰে পুনু দেহ ধৰে
নিষ্টে জানা স্বৰূপত ॥

যেনে শৰীৰৰ সৰ্পে কল্প এড়ে
জীৱৰ সিমত পুনঃ।
পূৰ্ব্বৰ সংস্কাৰে সেই জীৱ নোহে
স্তনক পিয়াৱৈ যেন ॥
যেন বাল্য দেহ ধৰি ওপজয়
যুবা হোৱে মধ্যকালে।
বাল্য যুবা দুয়ো স্থানান্তৰ হয়
বৃদ্ধ অৱস্থাক পালে ॥
বাল্য যুবা জৰা তিনিও অৱস্থা
একে দেহে পাৱে লোক।
বাল্য গুছি যেৱে বৃদ্ধক পাইলেক
তাত নাহি কেন শোক ॥
যেৱে বোলা বাল্য যুবা জৰা ভৈলে
তিনি কাল স্মৰে মনে।
যেৱে পূৰ্ব্ব দেহ অহঙ্কাৰ নাহি
উৎপত্তি প্ৰলয় কেনে ॥
মন ইন্দ্ৰি প্ৰাণ সমস্তে থাকয়
অৱস্থাহে দূৰে যায়।
আতো সেহি মতে শৰীৰে সে নষ্ট
আত্মাৰ বিনাশ নাই ॥
জীৱৰ মৰণ কহে যিটো জন
সবে মিছা মহাভাগ।
কৰ্ম্মৰ সংস্কাৰে আন দেহ লৱে
পূৰ্ব্ব দেহ কৰি ত্যাগ ॥
গোবিন্দে যে কয় বিষম বিষয়
মনে চিন্তা ঘনে ঘন।
যেন বেশ্যা নাৰী স্বামী যে থাকন্তে
পৰ পুৰুষত মন ॥

হেন জানি নৰ কৃষ্ণৰ চৰণ
মধু পিয়া কৰ্ণ ভৰি।
কৃষ্ণ বিনা ত্ৰাণ কোন আছে আন
ডাকি বোলা হৰি হৰি॥

পদ।

পাৰ্থক সম্বোধি কৃষ্ণে বাক্য বোলে পুন।
শোকৰ ব্যৱস্থা কহোঁ শুনিয়ো অৰ্জ্জুন॥
যদি বোলা ক্লেশ দুঃখ সহন নযায়।
চিৰকালে তথাপি নথাকে একঠায়॥
শীত উষ্ণ সুখ দুঃখ ইন্দ্ৰিয় বিষয়।
নষ্ট বস্তু বুলিয়া সহিয়ো ধনঞ্জয়॥
শীতকালে উষ্ণ উষ্ণকালে হোৱে শীত।
দুইকো দুয়ো পৰিবৰ্ত্তী শৰীৰৰ হিত॥
শীতে শীতে উষ্ণে উষ্ণে তাৰ দুঃখ নাই॥
কিন্তু কতো কালে থাকে কতো কালে নাই॥
সুখ দুঃখ কতো আসে কতো থাকি যাই।
ইহাক বোলয় শাস্ত্ৰে আগম অপায়ী॥
সুখ দুঃখ সম কৰি সহে যিটো জন।
সেই ধীৰ বুদ্ধিমন্ত মোক্ষৰ ভাজন॥
অসন্ত বস্তুৰ কতো নাহিকে প্ৰকাশ।
সন্ত বস্তু ভৈলে কদাচিতো নাহি নাশ॥
অজ্ঞানী অসন্ত সন্ত একে কৰি মানে।
জ্ঞানী বিচাৰিয়া তত্ত্ব স্বৰূপক জানে॥
শীত উষ্ণ সুখ দুঃখ যাৰ মনে নাই।
সেহিসে পুৰুষ শ্ৰেষ্ঠ মোক্ষপদ পাই॥
অবিনাশী আত্মাৰ প্ৰমাণ নাহি যাৰ।
অব্যয় অক্ষয় বিভু ব্যাপক সংসাৰ॥
দেহ আদি অন্ত পুনু সবে উপজয়।
হেন জানি যুদ্ধক উঠিয়ো ধনঞ্জয়॥

তভো শোক দূৰ নোহে অৰ্জ্জুনৰ মনে।
পুনু সাংখ্য উপদেশ কন্ত নাৰায়ণে॥
মোক বধিবেক লোকে ময়ো বধো তাঙ্ক।
যিটো অজ্ঞানত থাকি বোলে দুষ্ট বাক॥
ইটো বধ নযাইবে তাহাৰ নাহি বধ।
যিটো অজ্ঞানত কহে জানিবাহা অন্ধ॥
বধাৰে বধিবে বধ যাইঁ হেন ৰটে।
অচিন্ত্য আত্মাৰ বধ কেন মতে ঘটে॥
আত্মাত যে নাহিকে বিকাৰ এহি চয়।
পৰিণাম জন্ম মৃত্যু আৰু বৃদ্ধি ক্ষয়॥
কৃষ্ণে বোলে হেন বোধ লোৱা ধনঞ্জয়।
আত্মা অবিনাশী আক জানিবা নিশ্চয়॥
কৰ্ণ দুৰ্য্যোধন বুলি খ্যাত সৰ্ব্বলোক।
সেই দেহ নষ্ট হুইবে তাত কৰা শোক॥
সেই হেতু দেহ অৰ্থে শোক নুজুৰাই।
পূৰ্ব্ব দেহ এড়ি জীৱে আন দেহ পাই॥
যেন নব বস্ত্ৰক পুৰুষ পিন্ধে আগ।
পুৰাতন বস্ত্ৰ পাছে কৰে পৰিত্যাগ॥
যেন জোকে তৃণ পাইলে এড়য় অপৰ।
জীৱৰ দেহৰ জানা সেহি পটন্তৰ॥
অপানি অপাদ আত্মা বৰ্ণ নাহিকয়।
অগ্নি জল বায়ু যাক অস্ত্ৰে নকাটয়॥
যেবে মূৰ্ত্তি থাকে তান দহয় অনল।
যেবে মূৰ্ত্তি থাকে কাটে অঙ্গ যে সকল॥
যেবে ৰস থাকে বায়ু শোষে নিৰন্তৰ।
ইন্দ্ৰি অনুসাৰে নৈলে মন অগোচৰ॥
অচিন্ত্য অব্যক্ত নিত্য আত্মা সনাতন।
তাক লাগি কেন শোক কৰাহা অৰ্জ্জুন॥
আৰু যদি হেনয় সংশয় কৰা সখি।
দেহ সঙ্গে আত্মা মৰে ওপজয় দেখি॥

সেহি হেতু শোক তুমি নকৰিবা আত।
মৰিলে অবশ্যে পুনৰপি হোৱে জাত॥
উপজিলে পুনৰপি অৱশ্যে মৰয়।
এহি মতে জীৱ দেহ এড়ি নুগুচয়॥
স্বভাৱে দেহীৰ ধৰ্ম্ম মৰি ওপজয়।
উপাধিত থাকি দেখি স্বৰূপ নোহয়॥
যেন ঘট মধ্যে দেখি চন্দ্ৰক সাক্ষাত।
ঘট মধ্যে পুনৰপি চন্দ্ৰ নাহি তাত॥
সেহি মতে আত্মা দেহ নাছিল পূৰ্ব্বত।
উপজিল মধ্যকালে ভৈলেক বেকত॥
যেবে মৰে আত্মা দেহ দুহাঙ্কো নেদেখি।
হেন জানি কি কাৰণে শোক কৰা সখি॥
পূৰ্ব্বত নাছিল মধ্যকালে ব্যক্ত ভৈলা।
যৈৰপৰা আসিছিলা তৈক লাগি গৈলা॥
অৰ্জ্জুনে বোলন্ত শুনিয়োক যদুৰাজ।
সাক্ষাতে দেখিলে দৃষ্টান্তৰ কোন কাজ॥
আন যত মূৰ্খ তাৰ কথা শুনিয়োক।
সাক্ষাতে দেখিলে পণ্ডিতৰো হোৱৈ শোক॥
হোৱন্ত পণ্ডিত কবি ব্যাস মহামতি।
শুকে এড়ি যান্তে শোক কৰিলা সম্প্ৰতি॥
কৃষ্ণে বোলে অদভূত শুনিয়ো অৰ্জ্জুন।
মোহোৰ স্বৰূপ জানিবাক পাৰে কোন॥
মই ব্ৰহ্ম মোৰ কৰ্ম্ম নজানে সাক্ষাত।
ব্ৰহ্মা হৰ মোহ হোৱৈ মোহোৰ মায়াত॥
যিবেলাত স্থূল হওঁ আদি অন্ত নাই।
কোটি কোটি ব্ৰহ্মাণ্ডও মৰে আসে যাই॥
যিবেলাত মই আৰু সূক্ষ্মৰূপ ধৰোঁ।
সুষুম্না নাৰীৰ মধ্যে যাতায়াত কৰো॥
অঘট ঘটাওঁ মই পাতি মায়াজাল।
মায়াৰ মইসে মায়া বিকালৰো কাল॥

গুৰু উপদেশে নানা শাস্ত্রক পঢ়য়।
তথাপি বিচাৰি মোৰ তত্ত্ব নপাৱয় ॥
যিবা কহে যিবা শুনে যিবা দেখে মানে।
মায়াত থাকিয়া তাক আচাৰিত মানে ॥
যেবে বোলোঁ স্বৰূপত নজানয় মোক।
আৰ কেন ভক্তি জ্ঞান লাগে কহিবাক ॥
মোহোত বিশ্বাস দৃঢ় কৰে যিটো নৰ।
সেহিসে স্বৰূপ জানে নোহে অগোচৰ ॥
বিশ্বাস নভৈলে তাৰ নোহে অনুকূল।
শাস্ত্র পঢ়ি কৰিতে নপাৰে এক মূল ॥
এক মূল নকৰিলে দেখে নানা পথ।
অতএব মূৰ্খে তাৰ নজানয় তত্ত্ব ॥
যেন প্রলোভন কাৰ্য্যে বাক্য শুনি মৰে।
সাৰ এড়ি মন্দ কৰ্ম্ম ভাল বুলি কৰে ॥
ব্রহ্মচৰ্য্য কৰি কৰ্ম্ম কৰিতে লাগয়।
আৰ সেহি দিনা বুলি বিস্তৰ কাটয় ॥
প্রদীপে পোড়য় ৰোম ছাগলিৰ যত।
বোলে তত কাল মানে থাকিবে স্বৰ্গত ॥
মাৰ্কণ্ডি পুৰাণ চণ্ডী পাঠ কৰে তাৰ।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ চণ্ডী অধিকাৰ ॥
ব্রহ্মা বিষ্ণু মহেশক দুর্গায়ে সৃজিলা।
তাক সেবি তিনিজনে মহাপদ পাইলা ॥
এহিমতে অন্যো অন্যে সন্মতি বখানে।
তাতে বিমোহিত হৈয়া মোহোক নজানে।
যেহি আত্মা সেহি ব্রহ্ম নাহিকে অন্তৰ।
আত্মাবিনে ভিন্ন বস্তু নাহিকে অপৰ ॥
দেহী বুলি জীৱক কহয় সৰ্ব্বলোক।
অবধ্য জীৱক লাগি কেন কৰা শোক ॥
আৰু দেখা তোমাৰ যে স্বধৰ্ম্ম অৰ্জ্জুন।
ক্ষত্রিয়ৰ যুদ্ধ বিনা ধৰ্ম্ম আছে কোন ॥

সেহি সে পৰম ধৰ্ম্ম ক্ষত্ৰিয়ৰ সুখ ।
সম্মুখ সংগ্ৰাম পাইলে নোহয় বিমুখ ॥
হেন জানি শোক এড়ি কৰা চিত্ত ডাঠ ।
স্বৰ্গক যাইবাক লাগি মেলান কপাট ॥
বন্ধুবধ দোষে যে যুদ্ধৰ এড়া আশ ।
স্বধৰ্ম্ম পৌৰুষ কীৰ্ত্তি তিনে হইবে নাশ ॥
দম্ভ দৰ্প কৰি আইলা বীৰগণ মাঝে ।
ৰণ এড়ি নুযুজি যাইবাহা কোন লাজে ॥
তব লাভ দুয়ো মতে জানিবা নিশ্চয় ।
হেন জানি যুদ্ধে উঠিয়োক ধনঞ্জয় ।
ৰণজয়ে অকণ্টকা পৃথিবী ভুঞ্জিবা ।
যদি যুদ্ধে মৃত্যু হোৱে স্বৰ্গক যাইবা ॥
স্বধৰ্ম্ম জানিয়া যুদ্ধে উঠা ধনঞ্জয় ।
নেড়িবাহা যুদ্ধ মনে এড়িয়ো সংশয় ॥
ৰণজয় লাভে সুখ ভঙ্গে দুঃখ টান ।
কিন্তু সুখ দুঃখ দুইকো কৰিবা সমান ॥
এহি মতে যুদ্ধ তুমি কৰিয়ো অৰ্জ্জুন ।
একোকালে তোমাক নপাইবে পাপ পুণ্য ॥
কৃষ্ণে বোলে সাংখ্যৰ কহিলোঁ যত তত্ত্ব ।
তথাপি নলভে জ্ঞান তোমাৰ মনত ॥
গৃহস্থ আশ্ৰমী তুমি পৰম বিষয়ী ।
কিন্তু যে পূৰ্ব্বৰ কৰ্ম্ম-বাসনা আছই ॥
হইবেক সত্ব শুদ্ধি শুদ্ধ মন যাৰ ।
তেবেসে জ্ঞানৰ ভকতিৰ অধিকাৰ ॥
এবে কহোঁ কৰ্ম্মযোগ যেনে তাৰ বিধি ।
স্বধৰ্ম্মত থাকি পাছে হৈব সত্ব শুদ্ধি ॥
ঈশ্বৰত অৰ্পি যত কৰ্ম্ম কৰিবেক ।
সত্বশুদ্ধি ভৈলে হইব দেহাত্মা বিবেক ॥
দেহাত্মা বিবেক জ্ঞান হৈবে পুৰুষৰ ।
আত্মা পৰমাত্মা জ্ঞান হৈব তাত পৰ ॥

আপুনি ঈশ্বৰ পাছে হৈবেক বেকত।
বাসুদেৱ বুদ্ধি হৈবে সমস্ত প্ৰাণীত ॥
ঈশ্বৰত অৰ্পি কৰ্ম্ম কৰিবা প্ৰাৰব্ধ।
তেবে কোন কালে নুহিবেক কৰ্ম্মবন্ধ ॥
কৃষ্ণক প্ৰণামি পুনু বোলন্ত অৰ্জ্জুন।
এহিমতে কৰ্ম্ম কৰিবাক পাৰে কোন ॥
বিষয়ত থাকি নানা বিঘ্নি লগ লয়।
কৰ্ম্ম পাতে অঙ্গহীন পাপ মাত্ৰ হয় ॥
মনুষ্যে কৰয় কৃষি তাতো বিঘ্নি হয়।
পশু চোৰ খড় বিঘ্নি ৰাজা দণ্ডি লয় ॥
কৃষ্ণে বোলে অৰ্জ্জুন কৰ্ম্মৰ কহোঁ মৰ্ম্ম।
ঈশ্বৰৰ অৰ্থে কৰে তাক বোলে কৰ্ম্ম ॥
কৰ্ম্ম বুলি জানিবা তাকেসে তত্বসাৰ।
আন যত কৰ্ম্ম কৰে সকলো ব্যাপাৰ ॥
মোৰ কৰ্ম্ম ভক্তিক আৰম্ভ মাত্ৰ কৰে।
নিষ্ট জানা তথাপিতো সংসাৰক তৰে ॥
নপাইলে ভজিব ভক্তি ভ্ৰষ্ট ভৈল তাৰ।
আৰ জন্মে ভক্তি হৈবে পূৰ্ব্বৰ সংস্কাৰ ॥
দেহ এড়ি জন্ম লভি পুণ্য দেহ পাই।
মোহোৰ কৰ্ম্মৰ তিল মাত্ৰো নষ্ট নাই ॥
প্ৰমাদে নোৱাৰে যদি নৈমিত্তিক নিত্য।
তথাপিতো কৰ্ম্মপাতে নাহি প্ৰায়শ্চিত্ত ॥
মোৰ ভক্তি অল্প মানে সংসাৰক তাৰে।
যিমান পাৰয় কৰ্ম্ম সেহি মানে কৰে ॥
ব্যৱসায়াত্মিকা বুদ্ধি ভৈল যাৰ মনে।
সমস্ত কৰ্ম্মক কৰিলেক সেহি জনে ॥
আৰ যত কৰ্ম্ম জন্ম কৰি পৰিহাৰ।
কেৱল কৃষ্ণৰ সেৱা তৰাৱে সংসাৰ ॥
হৰি ভক্তি কৰি ময় তৰিবো নিশ্চয়।
ব্যৱসায়াত্মিকা বুদ্ধি ইহাকে বোলয় ॥

ভক্তিৰ যিখানি গূঢ় মাধৱে বোলন্ত।
দ্বিতীয়ে কহিলা অষ্টাদশে কহিলন্ত ॥
যেগুণ সকামী কৰ্ম্ম নিন্দিত অধম।
মিছা কৰ্ম্ম কৰি মৰে বৃথা পাৰেঁ শ্ৰম ॥
সকামীৰ দ্ৰব্য মন্ত্ৰে ছিদ্ৰ ভৈলা তাৰ।
কৰ্ম্ম নষ্ট ফল ভ্ৰষ্ট দুঃখ মাত্ৰ সাৰ ॥
পুৰুষত পুৰুষে সঙ্গমে কিছু নাই।
ৰতি সুখ পুত্ৰ নোহে দুঃখ মাত্ৰ পাই ॥
যিজনে ঈশ্বৰ পদ লৱে নিষ্ঠা কৰি।
বৈকুণ্ঠে চলয় বিঘ্নি মাথে দিয়া ভৰি ॥
যদি বোলা সবে কেন নভজে তোমাক।
পণ্ডিতে ভজয় দেখো নানা দেৱতাক ॥
কৃষ্ণে বোলে তাৰ অভিপ্ৰায় কহো মূল।
বেদবাক্য শুনি মাত্ৰ হোৱয় বাতুল ॥
বেদ লৈয়া বাদ কৰে অৰ্থক নজানে।
স্বৰ্গক কেৱল মাত্ৰ মোক্ষ বুলি মানে ॥
হোৱয় পণ্ডিত নিজে অৰ্থক নচাই।
যেন গঙ্গোদক এড়ি ক্ষাৰোদক খাই ॥
যেন বিষলতা পুষ্পে দেখি ঝকমক।
আপাতে সুন্দৰ দেখি হোৱয় উৎসুক ॥
যেহেন নটীৰ বেশ দেখিয়া পুৰুষ।
তাত মোহ হৈয়া নচাৱয় গুণ দোষ ॥
ব্যৱসায়াত্মিকা বুদ্ধি নভৈল যাহাৰ।
জ্ঞান ধ্যান ভক্তিত যে নাহি অধিকাৰ ॥
পাৰ্থে বোলে স্বৰ্গে যদি মহাফল নোহে।
যজ্ঞ দান ধৰ্ম্ম বেদে কি কাৰণে কহে ॥
কৃষ্ণে বোলে কত বেদে লোক প্ৰলোভয়।
শিশু গুড় দিবো বুলি ঔষধ পিয়ায় ॥
স্বৰূপে ঔষধি তিক্ত গুড় বুলি কহে।
কৰ্ম্মৰো মোক্ষেসে ফল স্বৰ্গ পুনু নোহে ॥

যেনে হৰি নামে গতি তাক নুস্মৰে।
অমাবস্যা দিনা যেন মৌন ধৰি মৰে॥
সাধন কালত মোক্ষ প্ৰথমতে দুঃখ।
স্বৰ্গ কহি বেদে প্ৰলোভায় লোক সুখ॥
বেদৰ তাৎপৰ্য্য জানিবাক পাৰে কোন।
একে বেদে কৰ্ম্ম কহে সগুণ নিৰ্গুণ॥
কৰ্ম্ম কৰি যদি ফল সঙ্কল্পক এৰে।
তবে জানা সেহি কৰ্ম্মে সংসাৰক তাৰে॥
কামীৰ ব্যাপাৰ কৰ্ম্ম দুঃখ বহুতৰ।
সেহি কৰ্ম্মে জন্ম মৃত্যু হোৱৈ সংসাৰৰ॥
বিষয় ঐশ্বৰ্য্য সুখে হৈলা আসকতি।
তাত মোহ হৈলা ঈশ্বৰত নেদে মতি॥
বেদে যে কহয় তিনি গুণৰ বিষয়।
তুমি এবে নিৰ্গুণ হুয়োক ধনঞ্জয়॥
কৃষ্ণে বোলে তোমাতে যে কহো উপদেশ।
যি কাৰ্য্য নিৰ্গুণ তাক শুনা গুড়াকেশ॥
যিটো কৰি কৰ্ম্ম ফল নবাঞ্ছিব তাৰ।
শীত উষ্ণ সুখ-দুঃখ কৰি পৰিহাৰ॥
অপ্ৰাপ্য বস্তুক যত্ন নকৰিবা অতি।
পাইলে ৰাখিবাক প্ৰতি নকৰিবা মতি॥
ঈশ্বৰৰ আজ্ঞা মানি কৰ্ম্ম কৰা পুন।
ইমতে কৰিলে কৰ্ম্ম হোৱয় নিৰ্গুণ॥
পাৰ্থে বোলে কৰ্ম্ম কৰি কি কাৰণে মৰে।
যদি কৰ্ম্ম কৰি তাৰ ফল ত্যাগ কৰে॥
যেন তীৰ্থে যাই স্নান নকৰয় পাছে।
তাত পৰে বৰ্ব্বৰ কুবুদ্ধি কোন আছে॥
কৃষ্ণে বোলে তাৰ হেতু শুনা মহাবল।
সুখুজিলে ঈশ্বৰে আপনি দেন্ত ফল॥
যেন অতি শিশু চয় ভক্ষ্য নোখোজয়।
স্নেহে থাকি তথাপিতো মাতৃ স্তন দেয়॥

কুবুদ্ধি নোহয় সিটো মহন্ত আশয় ।
যত সুখ আছে ব্রহ্মসুখতে মিলয় ॥
যেন কূপে জলপান সিজয় মাতব ।
স্নান কৰিবাক খোজে দীর্ঘ সৰোবৰ ॥
পাছে বিচাৰিয়া জ্ঞানী মহাহ্রদ পাই ।
স্নান পান যত কর্ম্ম সিজে এক ঠাই ॥
সেহি মতে কর্ম্ম ফল মোক্ষ বিনে নুই ।
কর্ম্মত সংকল্প কৰি অধোগতি যাই ॥
যদি বোলা ঈশ্বৰ ভজনে সব হয় ।
আৰ কি কাৰণে কর্ম্ম কৰিবে লাগয় ॥
জ্ঞানক ভক্তিক লাগি বিজনে ইচ্ছয় ।
কর্ম্ম কৰিবাক তাৰ অৱশ্যে লাগয় ॥
তোমাত কর্ম্মৰ আগে পাছে অগোচৰ ।
কিন্তু কর্ম্ম কৰি তাৰ নমাগিবা ফল ॥
অর্জ্জুনে বোলন্ত প্রভু শুনা যদুপতি ।
ভুঞ্জিলে আপোন প্রাণ হোৱয় তৃপিতি ॥
সেহি মত কর্ম্ম সত্ত্বে জানিবা সকল ।
নুখুজিলে তথাপি আপুনি দেন্ত ফল ॥
কৃষ্ণে বোলে সাধু বাক্য মানিলো তোমাৰ ।
কিন্তু মহাফল আছে ঈশ্বৰ সেৱাৰ ॥
গোটেক দৰিদ্র গৈলা ধনী জন পাশে ।
ধনী জনে সন্তোষিবে দুঃখী যত আসে ॥
বহু ধন দিবাক দাতাৰ আছে মন ।
তাত গৈয়া খোজে যেন এক মুঠি কণ ॥
কর্ম্মতো মোক্ষেসে ফল জানা মহামতি ।
কর্ম্মত সংকল্প কৰি যাই অধোগতি ॥
কামীসে সঙ্কল্প কর্ম্মে কৰে নানা ছন্দ ।
সেহি কর্ম্মে তাক কৰে সংসাৰত বন্ধ ॥
তুমি যোগে থাকিবা নিয়ম কৰি মন ।
কিন্তু সিদ্ধি অসিদ্ধিত দুইতো হুৱা সম ॥

লাগে কৰ্ম্ম সিদ্ধি হোক লাগেবা নহোক ।
ঈশ্বৰক ভজি মাত্ৰ কৰ্ম্ম কৰিয়োক ॥
ঈশ্বৰে অৰ্পিয়া কৰ্ম্ম কৰিবে সকল ।
সমতা গোটেক যোগ কৰি বোলে লোক ॥
ঈশ্বৰ পদাৰবিন্দে মনত আনন্দ ।
তেবে একোকালে নুহিবেক কৰ্ম্ম বন্ধ ॥
কাম্য কৰ্ম্ম গোট অতি নিন্দিত অধম ।
জানিবা কৃপণ দুঃখী নাহি তাৰ সম ॥
বুদ্ধিয়ে স্মৰণ যদি হোৱে ঈশ্বৰৰ ।
পাপ পুণ্য এড়ে এহি জন্মৰ ভিতৰ ॥
সেহি জন নুহিবেক কৰ্ম্মত কুশল ।
জ্ঞানত থাকিয়া তাৰ দূৰ ভৈল মল ॥
কৰ্ম্ম কৰিবাক ফল ওপজয় মনে ।
একো কালে নুগুচে ঈশ্বৰ দৃঢ়জ্ঞানে ॥
জন্মবন্ধ মুক্ত হোৱে ঈশ্বৰ আশ্ৰয় ।
পৰম আনন্দে মোৰ স্বৰূপ পাৱয় ॥
কৰ্ম্ম কৰিলেও পাপে নলঙ্ঘয় পাশ ।
কৰ্ম্মফল নাশে পুনু পাপ ভৈলা নাশ ॥
পাপ পুণ্য গুচি ভৈলা গুণৰ বাহিৰ ।
তেবেসে মোহক পাৱে চিত্ত ভৈলে স্থিৰ ॥
অৰ্জ্জুনে বোলন্ত শুনিয়োক দামোদৰ ।
এনুৱা গতিক কোনকালে পাৱে নৰ ॥
গোবিন্দে কহয় শুনিয়োক ধনঞ্জয় ।
যিকালত পাৱে গতি শুনিয়ো নিৰ্ণয় ॥
যেবে পুৰুষৰ গুচে মোহ অন্ধকাৰ ।
শৰীৰত আত্মা বুদ্ধি নাহিকে তাহাৰ ॥
সেহিকালে তাহাৰ বৈৰাগ্যে লৱে লাগ ।
বেদ শাস্ত্ৰ সবাকে শুনিলা সৰ্ব্বআগ ॥
অপৰ যতেক আৰু শুনিবে আছয় ।
বৈৰাগ্য মিলিলে পাছে সব নষ্ট হয় ॥

লৌকিক বৈদিক শুনি নচলয় চিত্ত।
তেবে জানা স্থিৰ বুদ্ধি ভৈল সমাধিত ॥
যাক বুলি সাধি যজ্ঞ তেহেসে ঈশ্বৰ।
এনুৱা অভ্যাসে মোৰ পদ পাৱে নৰ ॥
পুনু পার্থ পোচে স্থিত-প্রজ্ঞ কাক বোলে।
কিমত সমাধি তাৰ কেন মতে চলে ॥
কিবা বাক্য বোলে যোগী কি মত আসন।
কেন মতে চিনি তাক কিমত লক্ষণ ॥
কৃষ্ণে বোলে স্থিত-প্রজ্ঞ কহিবো নির্ণয়।
এড়িল সংশয় যত মনৰ বিষয় ॥
এড়ি বিষয়ক চিন্তে আমাত ৰময়।
সেহি গোট স্থিত-প্রজ্ঞ জানিবা নিশ্চয় ॥
দুঃখ পাইলে উদবিগ্ন নোহয় যি জন।
সুখত যাহাৰ নহি আনন্দিত মন ॥
প্রিয় অপ্রিয়কো ত্যজে এড়ে ক্রোধ ভয়।
সেহি মুনি স্থিৰবুদ্ধি জানা ধনঞ্জয় ॥
পুত্রতো শত্রুতো দুইতো যাৰ স্নেহ নাই।
শ্লাঘ্য নকৰয় যিটো উপকাৰ পাই ॥
দুই জনে অন্যোঅন্যে কৰে ঘোৰদ্বন্দ।
সঙ্গে থাকে কাহাকো নোবোলে ভাল মন্দ ॥
উচ্চ নোবোলয় কাকো হীন নোবোলয়।
প্রজ্ঞা প্রতিস্থিত উদাসীন সেহি হয় ॥
বিষয়ত সৰ্ব্বদায়ে থাকে ইন্দ্রিগণ।
অস্পৃহাসে আনিবাক পাৰে যিটো জন ॥
যেন কূৰ্ম্ম অনায়াসে সঙ্কোচাৱে পাৱ।
যোগীৰ ইন্দ্রিয় সংযমৰো সেহি ভাৱ ॥
পাৰ্থে কৃতাঞ্জলি কৰি বোলে যদুপতি।
উপবাসী আতুৰৰ কেন নোহে গতি ॥
ইন্দ্রিয় সংযম মাত্রে যদি গতি পাই।
তাসবাৰ দেখো বিষয়ত চেষ্টা নাই ॥

কৃষ্ণে বোলে সব্যসাচি তাৰ কহো তত্ত্ব।
যোগীৰ ইন্দ্ৰিয় বশ্য হোৱৈ স্বভাৱত॥
জড় আতুৰৰো ইন্দ্ৰি নকৰে প্ৰকাশ।
কিন্তু তাৰ মনে কিছু আছে অভিলাষ॥
চিৰকালে যোগীগণ কৰৈ যোগবলে।
তভো ইন্দ্ৰি মন লৈয়া তত কাল চলে॥
যেবে মোক বুদ্ধি কৰি কৰিলা আশ্ৰয়।
তেবে তাৰ মন বশ্য আপুনি হোৱয়॥
মনক নিয়ম কৰি লৈলে যেন হয়।
বিষয়ক মন বুদ্ধি সঙ্গক কৰয়॥
সঙ্গ হন্তে তাত পাছে কাম উপজয়।
তাৰ দোষ কহো শুনিয়োক ধনঞ্জয়॥
কাম ঐশ্বৰ্য্যত থাকি মদ বাঢ়ে তাৰ।
পৰে নসহিয়া স্পৃহা কৰৈ আপোনাৰ॥
অন্যোঅন্যে প্ৰতিঘাত বঢ়ায় বিৰোধ।
বিৰোধত হন্তে উপজয় কাম ক্ৰোধ॥
ক্ৰোধত থাকিয়া সন্মোহেৰো লাগ লয়।
কাৰ্য্যাকাৰ্য্য ভাল মন্দ সবে পাহৰয়॥
গুৰু মুখে শাস্ত্ৰ পঢ়ি পাইল যত যত।
সন্মোহত হন্তে তাৰ শ্ৰুতি হোৱৈ হত॥
যেবে শ্ৰুতি হত ভৈল নাহিকে চেতন।
অচেতন বৃক্ষ তুল্য হোৱে মৰা যেন॥
অৰ্জ্জুনে বোলন্ত কৃষ্ণদেৱ কৃপাময়।
বিষয়ত নথাকিলে দেহ নৰৱয়॥
যদি বিষয়ত থাকে ইন্দ্ৰি তাৰ বৈৰী।
আৰ স্থিতিপ্ৰজ্ঞ হইবেক কেনেকৰি॥
কৃষ্ণে বোলে মন আত্মা নেড়ে সৰ্ব্বদায়।
বিষয়ক ভুঞ্জে তাৰা ৰাগ দ্বেষ নাই॥
এহি মতে প্ৰসাদ লভয় অনন্তৰ।
দুঃখ গুচি বন্ধ মুক্ত হোৱে জগতৰ॥

বিষয়ত ইন্দ্রি যাৰ ফুৰে স্বেচ্ছাচাৰে।
সেহি সে পুৰুষ জানা অযুক্ত সংসাৰে॥
নাহি প্রজ্ঞা অযুক্তৰ বুদ্ধি নোহে ভাল।
তাৰ জ্ঞান সমাধি নাহিকে একোকাল॥
মনক ইন্দ্রিয়গণ দেখা কেনে কৰে।
পুৰুষৰ প্রজ্ঞা ততকালমানে হৰে॥
সকল ইন্দ্রিয় পুনু বশ্য নাহি যাৰ।
তাৰ নৰকৰ সখি নাহি পাৰাবাৰ॥
ঘৃতকুম্ভ সমা নাৰী পুৰুষাগ্নি জ্বলে।
ৰহস্য আলাপে নষ্ট কৰে ততকালে॥
সুবেশ পুৰুষ দেখি নাৰী মোহ যায়।
যদি পুত্র ভাই হোৱৈ তথাপি বাঞ্ছয়॥
একে মন চঞ্চল ইন্দ্রিয় পালে লাগ।
যেন নাতিনীৰ বিহা বুঢ়ী কৰৈ ৰঙ্গ॥
যেন সমুদ্রত নাৱে মহাভয় পাইল।
তাৰ যেন নাৱৰ কাণ্ডাৰি মাতোৱাল॥
কতো উঠে কতো বুড়ে কতো ফুৰাৱয়।
অজিত ইন্দ্রিয় যাৰ তাৰ সেহি নয়॥
অজিত ইন্দ্রিয় যাৰ বিষয়ত বুদ্ধি।
আছোক সকামী নিষ্কামীৰো নাহি সিদ্ধি॥
হেন শুনি অসন্তোষ কৰন্ত অর্জ্জুন।
ইন্দ্রিয়ক বশ্য কৰিবাক পাৰে কোন॥
কৃষ্ণে যে বোলন্ত তুমি নকৰিবা ভয়।
স্বভাৱতে ইন্দ্রি বশ্য আপুনি হোৱয়॥
অর্জ্জুনে বোলন্ত যিটো থাকে নিদ্রা যাই।
আছোক বিষয় তাৰ অভিলাষো নাই॥
যত ইন্দ্রি বিষয়ত হোৱে উপৰতি।
তবে কৃষ্ণ কেন নোহে সিজনৰ গতি॥
তথাপিতো মনে স্বপ্নে বিষয়ক পাই।
কৃষ্ণে বোলে আন ইন্দ্রি থাকে নিদ্রা যাই॥

যদি পুৰুষৰ নাই নিদ্ৰাৰ ব্যাপাৰ ।
বিষয়ী যোগীৰ তভো ভিন্ন যে প্ৰকাৰ ॥
লোকৰ যেখানি দিবা যোগী ৰাত্ৰি মানে ।
লোকৰ ৰাত্ৰিক পুনু দিবা বুলি জানে ॥
দিবা কৰি কৰ্ম্ম যোগী জানয় সাক্ষাত ।
বিষয়ক এড়িঁ যোগী ৰময় আত্মাত ॥
অন্ধকাৰ বোলে যোগী লোকৰ দিবাত ।
সৰ্ব্ব কৰ্ম্ম এড়ি যোগী নিদ্ৰা কৰে তাত ॥
নিবৃত্তি কৰ্ম্মক যোগী দিবা মাত্ৰ বোলে ।
সংসাৰৰ মুক্ত হৈয়া সেহি পথে চলে ॥
বিষয়ৰ পন্থ জানা বিগোট প্ৰবৃত্তি ।
যোগী নচলয় বুলি অন্ধকাৰ ৰাত্ৰি ॥
যেন পেঁচা দিবা ভৈলে নমাতে নখায় ।
ৰাত্ৰি ভৈলে গতি কৰি ভ্ৰমে ভক্ষ চাই ॥
যদি বোলা যোগীগণ বিষয়ত নাই ।
কেমনে থাকয় চলে কেন মতে খায় ॥
যেহেন কাহাকো জল নোখোজে সাগৰে ।
তথাপিতো নদনদী জলে পূৰ্ণ কৰে ॥
সেহিমতে যোগীৰ যে নিজ কৰ্ম্ম ফলে ।
আপুনি মিলয় আসি যত্ন নকৰিলে ॥
যদি বোলা যোগী যদি বিষয়ক যাই ।
আৰু ব্ৰহ্ম সমাধি আছয় কোন ঠাই ॥
যেহেন জলত খোণ্টে বৰখি লগাই ।
ব্ৰহ্ম হন্তে মনক আশ্ৰয় সেহি ঠাই ॥
সৰ্ব্ব জল ভৰি সিন্ধু নভাঙ্গে কাষৰ ।
বিষয়ৰ ভোগে যোগী সেহি পটন্তৰ ॥
যদি ভোগ কৰৈ ভোগে নোহে আসকতি ।
সৰ্ব্বঠায়ে চলে মন ব্ৰহ্মে দিয়া মতি ॥
ঈশ্বৰ ভজনে যত মোহ অন্ধকাৰ ।
পূৰ্ব্বত গুচিল পাছে তৰয় সংসাৰ ॥

আছোক বিস্তৰ কাল মৰণ সময়ে ।
এহি নিষ্ঠা কৰি ক্ষণমাত্রে গতি পাৱে ॥
চতুর্ব্বর্গ সিদ্ধি হোৱে চৰণ ধিয়াই ।
কলিকালে ধৰ্ম্ম জানা আন গতি নাই ॥
যাক দুঃখ পাইয়া পোষে পুত্র ভাৰ্য্যা ভাই ।
যেন পানীশালে লোক হোৱে এক ঠাই ॥
জলপান কৰি পাছে দশো দিশে যায় ।
শূন্য স্থান পৰি থাকে কোন জন নাই ॥
পৰ পুত্রে পৰ জীয়ে আনে বিহা কৰি ।
স্নেহ বন্ধ হোৱে গৃহ অন্ধকূপে পৰি ॥
সেহি পুত্র ভাৰ্য্যা পোষে নানা যত্ন কৰি ।
দিন কতিপয় পাছে সিয়ো যায় মৰি ॥
যত দয়া স্নেহ মানে সমস্তে গুচয় ।
শৱ বুলি তাক ক্ষণমাত্র নথৱয় ॥
হেন পুত্র ভাৰ্য্যাত বিশ্বাস কৰা কেন ।
কৃষ্ণ বিনে আন নাহি গতি দাতা ত্ৰাণ ॥
অহর্নিশে যিটো ফুৰে হৰি নাম গাই ।
তাৰ উপমাক মই দিবো কোন ঠাই ॥
কহৰৈ গোবিন্দ মিশ্রে কৃষ্ণ পদ সাৰ ।
ৰামকৃষ্ণ বোলা যত্নে গুচোক সংসাৰ ॥

---

ইতি শ্ৰীভগবদ্গীতায়াং দ্বিতীয়োঽধ্যায়ঃ ॥

## তৃতীয় অধ্যায়।

শোকপঙ্কনিমগ্নং যঃ সাংখ্যযোগোপদেশতঃ।
উজ্জহাৰাৰ্জ্জুনং ভক্তং স কৃষ্ণঃ শৰণং মম॥
জ্যায়সী চেৎ কৰ্ম্মণস্তে মতা বুদ্ধিৰ্জ্জনাৰ্দ্দন।
তৎ কিং কৰ্ম্মণি ঘোৰে মাং নিয়োজয়সি কেশব॥

পদ।

অৰ্জ্জুন আকুল ভৈলা শোকপঙ্কে পৰি।
স্বভক্তক সাঙ্খ্যযোগে তৰাইলন্ত হৰি॥
হেনয় কৃষ্ণৰ পদে মোৰ নমস্কাৰ।
কৰ্ম্মযোগ কহিবোহো তৃতীয় অধ্যাৰ॥
অৰ্জ্জুনে বোলন্ত শুনিয়োক মহাভাগ।
জ্ঞানক প্ৰশংসা কৰি কহিলাহা আগ॥
আছোক বিস্তৰ কাল মৰণ সময়।
ব্ৰহ্মক স্মৰিয়া মৰি ব্ৰহ্ম পদ পায়॥
ইদানীক কৰ্ম্ম কৰিবাক পাৰে পুন।
তোমাৰ বাক্যক বুঝিবাক পাৰে কোন॥
যুদ্ধ হিংসাত্মক কৰ্ম্ম ঘোৰ অনিৰ্ব্বাৰ।
তাত কেন মোক প্ৰবৰ্ত্তোৱা বাৰ বাৰ॥
বোলা ক্ষত্ৰিয়ৰ ধৰ্ম্ম যুদ্ধেসে প্ৰধান।
কৰ্ম্ম নকৰিলে বোলা নোপজয় জ্ঞান।
তোমাৰ বাক্যত থাকি ভ্ৰমে মোৰ মন॥
জ্ঞান কৰ্ম্ম কোন শ্ৰেষ্ঠ কহা জনাৰ্দ্দন॥
কৃষ্ণে বোলে মই যেন কহিলো পূৰ্ব্বত।
জ্ঞান কৰ্ম্ম কহিলোহো দুই গোটা পথ॥
তাহাৰ নিৰ্ণয় কহো শুনা তত্ত্ববোধ।
লাড়ুবুলি লোভ দিয়া পিয়াবৈ ঔষধ॥
বিনা সত্ত্ব বুদ্ধি মন সুস্থ নোহে যাৰ।
মনৰ চঞ্চল জ্ঞানে নাহি অধিকাৰ॥

কতোগুলা কৰ্ম্ম কৰি হোৱয় উদাস ।
আগে কৰ্ম্ম নকৰিলে নিসিজে সন্যাস ॥
যাৰ পুনঃ কৰ্ম্ম কৰি শুদ্ধ ভৈল মন ।
তাকেসে কহিলো জ্ঞান জানিবা অৰ্জ্জুন ॥
কৰ্ম্ম কৰি যাৰত নোহোৱে শুদ্ধ চিত্ত ।
বৰ্ণাশ্ৰম কৰ্ম্ম কৰিবেক যথোচিত ॥
পাৰ্থে বোলে হেন যদি হয় ভগবান ।
তবে প্ৰথমতে কেন কহিলাহা জ্ঞান ॥
কৃষ্ণে বোলে যি কাৰণ কহো হেতু তাৰ ।
তোমাৰ শোকৰ দেখো নাহি পাৰাবাৰ ॥
শোক গুচাইবে নোৱাৰোহো একোমতে ।
এতেকতে সাংখ্য জ্ঞান দিলো প্ৰথমতে ॥
জ্ঞানী বা অজ্ঞানী যত আছয় সংসাৰে ।
বিনাকৰ্ম্মে ক্ষণমাত্ৰ থাকিতে নপাৰে ॥
প্ৰকৃতিৰ তিনি গুণ স্বভাৱ পূৰ্ব্বৰ ।
সকলো গুণৰ বশ্য লোক সংসাৰৰ ॥
গুণে থাকি কৰে শুভাশুভ ধৰ্ম্মাধৰ্ম্ম ।
পূৰ্ব্বৰ সংস্কাৰে যে আপুনি কৰে কৰ্ম্ম ॥
স্বৰূপে অজ্ঞানী বোলে মই জ্ঞানশীল ।
কৰ্ম্মেন্দ্ৰিয় বিৰোধিয়া কৰ্ম্মক এড়িল ॥
কিন্তু পুনঃ মন বিষয়ত আছে যাৰ ।
যতেক চিন্তন ধ্যান কপট আচাৰ ॥
জ্ঞান ধ্যান কৰ্ম্ম তাৰ সকলোয়ে মিছা ।
ইন্দ্ৰি লৈয়া মন চলে ঈশ্বৰৰ ইচ্ছা ॥
যি পুনঃ মনক নিৱমিল ভালমতে ।
সব ইন্দ্ৰি বশ্য হয় মনৰ লগতে ॥
যেনি তেনি মন চলে ইন্দ্ৰিয়ক লই ।
যেন জীৱ নথাকিলে দেহ কিছু নুই ॥
ঈশ্বৰক অৰ্পি কৰ্ম্ম কৰে ফল ত্যাগি ।
সেই মুক্ত যোগীয়ে পুৰুষ মোক্ষ ভাগী ॥

জ্ঞানক ভক্তিক কৰ্ম্মে সাধে নিৰন্তৰ।
সেহিসে কাৰণে বোলে কৰ্ম্ম শ্ৰেষ্ঠতৰ॥
নিত্যনৈমিত্তিক কৰ্ম্ম অৰ্পি কৰা বীৰ।
বিনাকৰ্ম্ম নিষ্টে জানা নৰহে শৰীৰ॥
যত কৰ্ম্ম সবে বন্ধ সাংখ্যবাদী কহে।
যদি ঈশ্বৰত অৰ্পে তভো কৰ্ম্ম নোহে॥
কৰ্ম্মযোগী বিষ্ণু তাক জানা ধনঞ্জয়।
হৰি কৰ্ম্ম বিনে আৰ কৰ্ম্মেসে বান্ধয়॥
ঈশ্বৰৰ অৰ্থে কৰ্ম্ম কৰিবে নিশ্চয়।
সেহি কৰ্ম্মে পূৰ্ব্বৰ বাসনা হৈবে ক্ষয়॥
জ্ঞানৰ ভক্তিৰ দুইৰো কহিলোহো ভেদ।
তোমাৰ প্ৰশ্নৰ সখি দিলো পৰিচ্ছেদ॥
আৰু ব্ৰহ্মা বচণ বুলিলা যেন মতে।
যজ্ঞৰ সহিত প্ৰজা স্ৰজিলা পূৰ্ব্বতে॥
তপ জপ যজ্ঞ কৰি দেৱ পূজে নৰ।
তুষ্ট হৈয়া দেৱতায়ো দিয়ে ইষ্টবৰ॥
অন্যোঅন্যে দুহান্তৰো সাধে ইষ্টযোগ।
দেৱে দেয় অৰ্থক মনুষ্যে কৰৈ ভোগ॥
সেহি ভোগ মনুষ্যে দেৱক নিদি খাই।
অধম নাৰকী তাত পৰে চোৰ নাই॥
আৰু পঞ্চ যজ্ঞ নিতে যিজনে নকৰে।
পঞ্চসূণা পাতকত নৰকত পৰে॥
মনুষ্যৰ পাপ পুণ্য অল্পতে হোৱয়।
পঞ্চসূণা যাক বোলে শুনা ধনঞ্জয়॥
ধান উখুৱাৰে কলসীত পানী আনি।
সম্মাৰ্জ্জনী মাৰ্জে ঢেকি ধান্যক বাহানি॥
সৰিষ পটাত বাণ্টি বিচি কৰে চূৰ্ণা।
গৃহস্থৰ নিত্য পাপ এহি পঞ্চসূণা॥
এহি পঞ্চ অধৰ্ম্ম গুচয় যেন মতে।
পাঞ্চ গোটা যজ্ঞ গৃহী কৰিবেক নিতে॥

শুনা পাঞ্চ যজ্ঞ যেন কৰিবেক নিত ।
পাঠ হোম বলি বিশ্ব অৰ্চ্চিব অতিথ ॥
স্নান দেৱপূজা কৰি তৰ্পিবেক নৰে ।
হোম বলি স্তুতি মন্ত্ৰ পাঠ তাত পৰে ॥
অতিথিৰ অন্বেষণে ৰাজমাৰ্গে যাব ।
সবাকো অৰ্চ্চিয়া গৃহী পাবে অন্ন খাব ॥
দেৱক নিদিয়া আত্মা অৰ্থে ৰান্ধে অন্ন ।
পাপ মাত্ৰ ভোজন কৰয় নোহে অন্য ॥
যজ্ঞ কৰি যিটো জনে অৱশেষ খায় ।
তাহাৰ যতেক পাপ সবে দূৰ যায় ॥
বৃষ্টিদ্বাৰা অন্ন হোৱৈ জানিবা সাক্ষাত ।
অন্ন হন্তে শুক্ৰৰূপে প্ৰজা হোৱৈ জাত ॥
প্ৰাণীৰ ব্যাপাৰ কৰ্ম্ম উপজয় পুন ।
কৰ্ম্মতে উপজে পুণ্য জানিবা অৰ্জ্জুন ॥
বেদ যজ্ঞ হন্তে যেন যজ্ঞ উপজয় ।
বেদো ঈশ্বৰৰ বাক্য জানিবা নিশ্চয় ॥
কৰ্ম্ম কৰি জগতৰ চক্ৰ প্ৰবৰ্ত্তয় ।
সংসাৰ কাৰণ যজ্ঞ জানা ধনঞ্জয় ॥
ঈশ্বৰৰ আজ্ঞা ভাঙ্গি নকৰয় কৰ্ম্ম ।
পাপ আয়ু মাত্ৰ তাৰ ব্যৰ্থ পাৱৈ শ্ৰম ॥
ঈশ্বৰে অৰ্পিয়া এড়ি কৰ্ম্ম সদাচাৰ ।
কিন্তু পুণ্যভাগী হোৱে নেড়াৱে সংসাৰ ॥
ঈশ্বৰে অৰ্পিয়া কৰে সংসাৰ এড়াৱে ।
যেন দুগ্ধ মথিলেও দধি ঘৃত হোৱে ॥
যি পুনু আত্মাত ৰতি তুষ্ট সৰ্ব্বদাই ।
তাহাৰো জানিবা কিঞ্চিতেকো কৰ্ম্ম নাই ॥
ধৰ্ম্ম কৰে যদি তভো নোহে কৰ্ম্মভাগ ।
নকৰিলে কৰ্ম্ম পুনু নপাৱয় লাগ ॥
তোমাৰ অৱশ্যে কৰ্ম্ম কৰিতে লাগয় ।
যিমতে কৰিবা কৰ্ম্ম শুনিয়ো নিৰ্ণয় ॥

ঈশ্বৰ চৰণে মন কৰিয়া নিবেশ।
পৰম পদক পাইবা তবে গুড়াকেশ॥
জনকক আদি কৰি ৰাজ ঋষিবৰ।
এহিমতে কৰ্ম্ম কৰি তৰিল বিস্তৰ॥
জ্ঞান ভক্তি যেবে হয় কিছু কৰ্ম্ম নাই।
তথাপি কৰয় কৰ্ম্ম লোক প্ৰবৰ্ত্তাই॥
শ্ৰেষ্ঠজনে যদি কৰ্ম্ম কৰৈ শাস্ত্ৰ পথে।
অল্পজনে তাক দেখি কৰে সেহি মতে॥
ভাল হৌক মন্দ হৌক শ্ৰেষ্ঠে যিবা কৰে।
ইতৰেৰো শ্ৰেষ্ঠৰ প্ৰমাণ মনে ধৰে॥
ত্ৰৈলোক্যত মোহোৰ কৰ্ত্তব্য আছে কোন।
তভো লোক প্ৰবৰ্ত্তাই কৰ্ম্ম কৰো পুন॥
জগত-ঈশ্বৰ মই আৰু লক্ষ্মীপতি।
ইহাৰ অধিক কিবা হৈবেক সম্প্ৰতি॥
যদি হেন কৰে কৰ্ম্ম এড়ো স্বৰূপত॥
কৰ্ম্ম এড়ি লোকে ধৰিবেক মোৰ মত॥
কৰ্ম্ম লুপ্তে নষ্ট কৰ্ম্মী পাপী হৈবে নৰ।
মই নাশকৰ্ত্তা ভৈলো সকলো লোকৰ॥
লোক প্ৰবৰ্ত্তাৱে জ্ঞানী কৰ্ম্মলুপ্ত ডৰে।
অজ্ঞানীৰ মত কৰ্ম্ম ফল এড়ি কৰে॥
কৃষ্ণে বোলে সকামীৰ যদি দৃঢ় মতি।
উপদেশ পাইলে সকামত নেদয় মতি॥
তাক উপদেশ দিব ঈশ্বৰৰ মত।
কামীৰ বুদ্ধিক ভেদ নকৰি কিঞ্চিত॥
উপদেশ নধৰিব পূৰ্ব্ব-কৰ্ম্ম-ত্যাগী।
উভয় ভ্ৰংশত থাকি হৈব পাপভাগী॥
সকামত পূৰ্ব্বে আছে তাকো নচালিব।
যেহেন স্বভাব যাৰ তাক নিয়োজিব॥
যদি বোলা জ্ঞানী অজ্ঞানীৰ কিবা চিহ্ন।
প্ৰকৃতিৰ গুণে যে আপুনি কৰৈ ভিন্ন॥

গুণ ইচ্ছা ইন্দ্ৰিয়ে বিষয়ে কৰ্ম্ম কৰে।
মই কৰো বুলি অজ্ঞে অহঙ্কাৰে মৰে ॥
মোক নভজয় যিটো জানিবা সাক্ষাত।
নিপিন্ধে তুলসী ৰক্তফোঁট কপালত ॥
জ্ঞানী পুনু জ্ঞান কৰ্ম্ম বিভাগক জানে।
দেহক আত্মাক দুইকো ভিন্ন কৰি মানে ॥
বিষয়ত ইন্দ্ৰি প্ৰবৰ্ত্তাৱে গুণ লই।
ইন্দ্ৰিয়ে কৰাৱে কৰ্ম্ম কৰ্ত্তা নোহো মই ॥
যিটো মোত অৰ্পি কৰ্ম্ম মদৰ্থে কৰয়।
চিত্ত বুদ্ধি আত্মা মন মোত সমৰ্পয় ॥
এহি মতে কৰ্ম্ম কৰিবেক নিতে নিত।
মোত শ্ৰদ্ধা কৰি হৈবে অসূয়া বৰ্জ্জিত ॥
যি জনে মোহৰ মত কৰে অনুষ্ঠান।
কৰ্ম্ম কৰি বন্ধমুক্তে পাৱৈ মোৰ স্থান ॥
মোৰ মত নলৱে সকামী মূঢ়মতি।
মোৰ মতে অসূয়া কৰয় দিন ৰাতি ॥
জানি মোৰ মত লৈয়া শোক পৰিহৰা।
মোত অৰ্পি স্বধৰ্ম্মত থাকি যুদ্ধ কৰা ॥
পাৰ্থে বোলে কৃষ্ণ মোৰ বাক্য শুনিয়োক।
তব মত লৈয়া সবে স্বধৰ্ম্ম ভজোক ॥
কৃষ্ণে বোলে তাৰ পূৰ্ব্ব কৰ্ম্মৰ সংস্কাৰে।
আপোন স্বভাৱে থাকি কৰ্ম্ম কৰৈ নৰে ॥
গুণ ইচ্ছা প্ৰকৃতি ঘটাৱে নিয়া তাত।
কোনে এড়াইবাক পাৰে প্ৰকৃতিৰ হাত ॥
শাস্ত্ৰদ্বাৰা গুণ দোষ জানয় অৱশ্য।
হেনয় জ্ঞানীয়ো হোৱৈ প্ৰকৃতিৰ বশ্য ॥
যিটো স্বভাৱত অজ্ঞ বিষয়ত মতি।
ইন্দ্ৰি নিয়মিতে পাৰে কাহাৰ শকতি ॥
পাৰ্থে বোলে নানা অৰ্থ তোমাৰ বাক্যৰ।
ধৰ্ম্ম কাৰ্য্য কৰি কাৰ্য্যোদ্‌যোগ কৰৈ নৰ ॥

যদি কৰ্ম্ম কৰে প্ৰকৃতিৰ বশ্য যাই।
আৰু বিধি নিষেধক পাইলা কোন ঠাই ॥
শাস্ত্ৰ যে পুৰাণ বেদ সমস্তে উড়িল।
পানীত নলাগে নাৱ তীৰতে বুড়িল ॥
কৃষ্ণে বোলে তাৰ হেতু কহো উপদেশ।
সাৱধানে শুনিয়োক সখি গুড়াকেশ ॥
ইন্দ্ৰিয়ৰ অৰ্থে মন ৰাগ দ্বেষ দুই।
লোকক অনৰ্থ কৰে শত্ৰুৰূপ হুই ॥
ৰাগ নাম তাৰ ইন্দ্ৰি বিষয়ক পাইলে।
যদি নপাৰয় তাক দ্বেষ কৰি বোলে ॥
দুইটা পৰম শত্ৰু জানিবা অৱশ্য।
শাস্ত্ৰবিধি নিয়ম নুহিবে তাৰ বশ্য ॥
ৰাগ দ্বেষ দুই ভৈলে স্বভাৱ দুৰ্ব্বল।
শীঘ্ৰে উটাৱয় যেন খৰ নদী জল ॥
যাৱদেক ৰাগ দ্বেষে নুহি পাৱে লাগ।
ঈশ্বৰ ভজন নৌকা চৰিয়োক আগ ॥
একে যুদ্ধ দুঃখময় হিংসা গুৰুতৰ।
ভিক্ষা মাগি খাইবে মন ভৈলা অৰ্জ্জুনৰ ॥
কৃষ্ণে বুজিলন্ত অৰ্জ্জুনৰ অভিপ্ৰায়।
পুনৰ্ব্বাৰ স্বধৰ্ম্ম কহন্ত যদুৰায় ॥
আপোনাৰ ধৰ্ম্মৰক্ষা নোৱাৰে কৰিব।
যদি অল্প কৰে তথাপিতো ভদ্ৰ হৈব ॥
স্বধৰ্ম্ম কৰিয়া মৰে তভো ভদ্ৰ তাৰ।
পৰধৰ্ম্মে ভয় হয় নৰক নিকাৰ ॥
অৰ্জ্জুনে বোলন্ত শুনিয়োক যদুৰাই।
পাপ কৰিবাক পুৰুষৰ ইচ্ছা নাই ॥
ৰাগ দ্বেষ দুইকো জিনি নিৰোধিব মন।
তথাপি পাপত প্ৰবৰ্ত্তয় একোজন ॥
কৃষ্ণে বোলে ইকথা শুনিয়ো ধনঞ্জয়।
তুমি যি বুলিলা কথা স্বৰূপ হোৱয় ॥

তাৰ যেন মত ভেদ কহিবো তোমাত ।
ৰজো গুণ হন্তে কাম ক্ৰোধ হোৱে জাত ॥
ক্ৰোধৰ উৎপত্তি স্থান জানিবাহা কাম।
যদি বোলা কিছুদিয়া কৰো উপশাম ॥
কাম সম ভক্ষক যে ত্ৰিভুবনে নাই ।
যত দিয়া মানে তাৰ তৃষ্ণা বাঢ়ি যাই ॥
যদি বোলা প্ৰিয়বাক্য কৰো উপশাম ।
প্ৰিয়ত নাহিকে তুষ্ট দুষ্ট পাপী কাম ॥
বিষয় লগৰ শত্ৰু জানিবা নিশ্চয় ।
যেন অগ্নি ধূম দুয়ো সঙ্গে জাত হয় ॥
যাতে ধূম তাতে অগ্নি একে লগে থাকে ।
পৰম তেজস্বী অগ্নি তভো ধূমে ঢাকে ॥
যেন শিশু থাকৈ দেখা মাতৃৰ গৰ্ভত ।
জালময় চৰ্ম্মে দেখা নেদয় অঙ্গত ॥
শৰীৰত থাকি দৃষ্টি কৰয় নিৰ্ব্বন্ধ ।
চক্ষু থাকে তথাপিতো যেন ভৈল অন্ধ ॥
সেহিমতে কাম ক্ৰোধে আবৰয় জ্ঞান ।
কামক পূৰিবে লাগি কাৰ আছে প্ৰাণ ॥
দুঃখৰূপে পোৰাৱয় অনল সমান ।
দুইতো পৰে সংসাৰত বৈৰী নাহি আন ॥
যত কাষ্ঠ দেই আনি অগ্নিৰ উপৰে ।
অধিকে জ্বলিয়া থাক পুড়ি ভস্ম কৰে ॥
মন বুদ্ধি ইন্দ্ৰিয়ক কাম অধিস্থান ।
কাম বৃদ্ধি কৰিবাৰ তিনিয়ো প্ৰধান ॥
হেনজানি মোহে যাৱে নুহি পাৱে লাগ ।
মন বুদ্ধি ইন্দ্ৰিয়ক নিয়মিবে আগ ॥
শাস্ত্ৰ গুৰু উপদেশে যেন ভৈল বোধ ।
সেহি জ্ঞান-খড়্গ ধৰি ছেদা কাম ক্ৰোধ ॥
শৰীৰত চাহি শ্ৰেষ্ঠ যত ইন্দ্ৰিগণ ।
ইন্দ্ৰিয়ত কৰি শ্ৰেষ্ঠ জানিবাহা মন ॥

মনতো অধিক বুদ্ধি কহিলোঁ তোমাক।
সবাতো অধিক শ্ৰেষ্ঠ আত্মা বোলে যাক ॥
জানি আপোনাৰ যে সাত্বিক বুদ্ধিবলে।
আত্মাত মনক নিয়া ৰাখিবে নিশ্চলে ॥
আত্মাত ৰাখিলে মন বিষয় উদাস।
আপনি হোৱন্ত নষ্ট কাল মায়া পাশ ॥
কৃষ্ণৰ সেৱাত যাৰ স্থিৰ ভৈলা মন।
একোকালে নাহি জানা তাহাৰ পতন ॥
বিদূৰ তীৰ্থক লাগি কেনে যত্ন কৰা।
হৃদিত ঈশ্বৰ আছে তাক নুস্থমৰা ॥
তীৰ্থৰো পৰম স্থান কৃষ্ণৰ চৰণ।
ৰঙ্গা চৰণক সেবি ত্ৰৈলোক শৰণ ॥
দেৱৰো পূজিত যিটো হৰিত ভকত।
সেহি জন জানিবা উত্তম ভাগৱত ॥
কহৰৈ গোবিন্দ নিশ্ৰে কৃষ্ণপদে পৰি।
হৰিৰ নামক কোটি তীৰ্থে নোহে সৰি ॥
হেন জানি সভাসদ এড়া আন কাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥

ইতি শ্ৰীভগবদ্গীতায়াং তৃতীয়োঽধ্যায় ॥

---

# শ্ৰীবিষ্ণু ভাৰতি।

ভাগৱত বন্দ।

জয় জয় জগত কাৰণ নাৰায়ণ।
ভকত বৎসল দেৱ দৈৱকী নন্দন ॥
যাৰ ক্ৰীড়া ভাণ্ড ইটো সবে ব্ৰহ্মডিম্ব।
লীলাৰূপে প্ৰকাশিছা যেন জলবিম্ব ॥
যাৰ নাম স্মৰি তৰে দুৰ্ঘোৰ সংসাৰ।
মৎস্য আদি কৰি যাৰ নানা অবতাৰ ॥
যাৰ মুখাম্বুজে বিৰাজিত সৰস্বতী।
বক্ষঃস্থলে শোভে যাৰ লক্ষ্মী ভগৱতী ॥
যাৰ হৃদয়ত আছে জ্ঞান অখণ্ডিত।
হেন ঈশ্বৰক মই ভজো প্ৰতিনিত ॥
গুৰুক প্ৰণামো পৰি পূৰ্ণানন্দ চিত্ত।
যাহাৰ প্ৰসাদে মূৰ্খো হোৱয় পণ্ডিত ॥
কৃষ্ণ ভক্ত দ্বিজমানে সবাকে প্ৰণামি।
কৰযোড়ে সবাহাতে আজ্ঞা মাগোঁ আমি ॥
ভাগৱত নাম ইটো কল্পতৰু প্ৰায়।
নাৰায়ণ হন্তে যিটো জন্ম আছে পায় ॥
প্ৰণৱে অঙ্কুৰ তাৰ জানিবা নিশ্চয়।
কান্ধ স্কন্ধে বাৰ গুটি মুখ্য শাখা হয় ॥
তিনিশত পঞ্চত্ৰিংশ অধ্যায়ৰ লেখা।
সেহি সবে হৈয়াছয় তাৰ উপশাখা ॥
অঠাৰ হাজাৰ শ্লোক হয় পত্ৰ তাৰ।
ভক্তিসে হৈয়াছে মূলে তাৰ জলাধাৰ ॥
যাক পাই বৃক্ষ গুটি কৰে হলফল।
অমৃত সদৃশ তাত ধৰে মোক্ষফল ॥

যাৰ যি অভীষ্ট তাক তাকে দেই দান।
পৰম স্থলভ নাহি যাহাৰ সমান ॥
সবাৰো উপৰি ইতো বিৰাজে প্ৰকটে।
কৰিয়ো আশ্ৰয় তান চাপিয়া নিকটে ॥
ইতো ভাগৱতৰ লক্ষণ দশ গুটি।
পৃথকে পৃথকে তাক কহিবো প্ৰকটি ॥
সৰ্গ যে বিসৰ্গ স্থান অপৰ পোষন।
ঊতি মন্বন্তৰ আৰু ঈশানুকথন ॥
নিৰোধ মুকুতি আৰু জানিবা আশ্ৰয়।
এ দশ লক্ষণে মহা পুৰণ বোলয় ॥
পৰম ঈশ্বৰে প্ৰকৃতিক কৰি দ্বাৰ।
মহত্তত্ত্ব পঞ্চ মহাভুত অহঙ্কাৰ ॥
ইন্দ্ৰিয় সকল পঞ্চ তন্মাত্ৰা নিচয়।
স্ৰজিলেক মানে তাক সৰ্গ বুলি কয় ॥
ব্ৰহ্মা স্বয়ং স্ৰজিলেক যতেক পদাৰ্থ।
তাকেসে বিসৰ্গ বোলে কহিলো যথাৰ্থ ॥
স্ৰজন কৰিল জীৱ জন্তু যত মান।
কৰিলেক যাৰ যিবা নিয়ম বিধান ॥
তাৰ দ্বাৰা স্বষ্টিৰ উৎকৰ্ষ বিদ্যমান।
ভৈল যিবা জানিবা তাহাৰ নাম স্থান ॥
স্বষ্টিত আছয় যত শ্ৰেষ্ঠ ভক্তগণ।
তাহাক যি অনুগ্ৰহ সেহিতো পোষন ॥
কৰ্ম্মৰ যি শুভাশুভ বাসনা আছয়।
তাহাকে বোলয় ঊতি জানিবা নিশ্চয় ॥
ঈশ্বৰ কৃপা প্ৰাপ্ত যত সাধুচয়।
তাসম্বাৰ ধৰ্ম্মকেসে মন্বন্তৰ কয় ॥
বিষ্ণু বৈষ্ণৱৰ যত চৰিত্ৰ শোভন।
তাহাকে বোলয় জানা ঈশানু কথন ॥
প্ৰলয়ৰ অন্তে প্ৰভু দেৱ নাৰায়ণ।
যোগ নিদ্ৰা বিস্তাৰিয়া কৰন্ত শয়ন ॥

সেহি কালে জীৱৰ উপাধি যত হয়।
চৈতন্য শক্তিৰ সমে যিতো হয় লয়॥
তাহাকে নিৰোধ বোলে জানিবা নিশ্চিত।
মুক্তিৰ লক্ষণ আবে কৰিবো বিদিত॥
অবিদ্যাৰে আৰোপিত আছে কৰ্ম্ম যত।
তাক তেজি স্থিতি হোৱে ব্ৰহ্মৰ ৰূপত॥
বিষয় সম্বন্ধ কিছু নাথাকে স্মৰণ।
ইহাকেসে মুক্তি বুলি কহে বিজ্ঞজন॥
যাত হন্তে হোৱে ইতো সৃষ্টি স্থিতি নাশ।
যাৰ হন্তে হোৱে ইতো জগত প্ৰকাশ॥
তেন্তে পৰং ব্ৰহ্ম সমস্তৰে সাক্ষী ৰূপ।
তাহাঙ্কে আশ্ৰয় বোলে কহিলোঁ স্বৰূপ॥
এহি দশ লক্ষণক কৰিলোঁ ব্যাখ্যান।
সি কাৰণে বোলে জানা শ্ৰীমহাপুৰণ॥
পঞ্চটি লক্ষণ মাত্ৰ অন্য পুৰণৰ।
সৰ্গ প্ৰতি সৰ্গ বংশ আৰু মন্বন্তৰ॥
বংশানুচৰিত সমে এ পাঞ্চ লক্ষণ।
এতেকেসে ভাগৱত পৰম শোভন॥
সেহি ভগৱতৰ শুনিয়ো যেন ধ্যান।
পদ্ম পুৰাণত তাৰ আছয় প্ৰমাণ॥
প্ৰথম দ্বিতীয় স্কন্ধে চৰণ দুতয়।
তৃতীয় চতুৰ্থে যাৰ হৱে উৰুদ্বয়॥
নাভি দেশ পঞ্চম ষষ্ঠেসে বক্ষঃস্থল।
সপ্তম অষ্টমে কৰ কমল যুগল॥
কণ্ঠদেশ নৱম দশমে যাৰ তুণ্ড।
একাদশ ললাট দ্বাদশ যাৰ মুণ্ড॥
হেন ভাগৱতৰ মূৰুতি মনোহৰ।
তমাল সদৃশ বৰ্ণ শ্যাম কলেবৰ॥
ভক্তিৰূপ অলঙ্কাৰে তনু দীপ্যমান।
সেহি প্ৰভু আদি দেৱ কৰুণা নিধান॥

অপাৰ সংসাৰ সাগৰৰ সেতু প্ৰায়।
ভজিলোহো হেন ভাগৱতক সদায় ॥
শ্ৰীভাগৱত শাস্ত্ৰ বেদান্তৰ সাৰ।
তাৰ ৰস পানে তৃপ্তি ভৈল মন যাৰ ॥
সিজনৰ অন্যত্ৰ ৰসত নাহি ৰতি।
হেন জানি পিয়া সবে একচিত্ত মতি ॥
পুৰাণৰ সূৰ্য্য ইটো শ্ৰীভাগৱত।
নোহন্ত উদিত যাবে সন্তৰ মাঝত।
তাৱে অন্য পুৰাণাদি কৰয় প্ৰকাশ ॥
ৰবিৰ উদয়ে যেন খদ্যোত আভাষ।
দ্ৰাবিড় উৎকল বঙ্গ বৃন্দাবন কাশী ॥
অযোধ্যা অবন্তী আদি আনো স্থান বাসী।
আছয় হৰিৰ ভক্ত যত সাধু সন্ত।
এহি ভগৱতকসে সবে আদৰন্ত ॥
পৰম পৰমহংস শ্ৰীশ্ৰীধৰ স্বামী।
ভাগৱত সমুদ্ৰৰ যিতো পাৰগামী ॥
লোকৰ কুশল কামে কৰি কৃপাদান।
নিগূঢ়াৰ্থ শ্লোক সব কৰিলা ব্যাখান ॥
সিকাৰণে সমস্তে জানিলা ভাগৱত।
ভাষা কৰি প্ৰচাৰিলা ইতৰ লোকত ॥
অত্যন্ত কঠিন শাস্ত্ৰ বেদান্তৰ সাৰ।
পণ্ডিতো হোৱয় মোহ আন কোন চাৰ ॥
কলিকালে শ্ৰীধৰ স্বামীৰ প্ৰসাদত।
বিদিত ভৈলেক ইটো ভাৰত মধ্যত ॥
আনো বুধগণে আৰ টীকাক কৰিলা।
স্বামীৰ টীকাসে সৰ্ব্বদেশে প্ৰচৰিলা ॥
যাতো তেন্তে নৃসিংহ দেৱৰ কৃপাবলে।
ভাগৱত ভাবাৰ্থক জানন্ত সকলে ॥
সেহি স্বামী দেৱৰ টীকাক অনুসৰি।
ভাগৱত বখানন্ত শঙ্কা পৰিহৰি ॥

ইসে ভাগৱত নাহি ভাগৱত আন।
বিচাৰি শ্ৰীধৰস্বামী কৰিলা প্ৰমাণ॥
শুক উক্ত ভাগৱত যিটো বাৰ স্কন্ধ।
অঠাৰ হাজাৰ শ্লোকে কৰিলা নিৰ্ব্বন্ধ॥
আদি অন্তে গায়ত্ৰীৰ অৰ্থ সমন্বিত।
নিৰূপিলা গ্ৰন্থ বৃত্ৰবধৰ সহিত॥
সেহি ভাগৱত মহা মহা সাধুগণ।
সাদৰে কৰন্ত সদা শ্ৰৱণ কীৰ্ত্তন॥
হেন জানি শুনা সবে মন কৰি সাৰ।
চাৰিয়ো বৰ্ণৰ আছে আত অধিকাৰ॥
পাষণ্ডৰ ভণ্ডবাণী নুশুনিবা কাণে।
বেদবিদুষক সিতো একোকে নমানে॥
পৰম পাতকী আতি মহামূঢ় মতি।
আপোনাৰ দোষে পাপী যাইবে অধোগতি॥
জানি একচিত্ত মনে কৰিয়ো শ্ৰৱণ।
তৰিয়া সংসাৰ পাইবা বৈকুণ্ঠ ভুবন॥
দ্বাদশ স্কন্ধৰ কথা সূত্ৰ অনুসৰি।
যি অধ্যাত যেন কথা আছে ব্যাখ্যা কৰি॥
তাহাক সুচাই যাইবোঁ প্ৰথমৰ হন্তে।
যি হেতু আমাক বোলে অনেক মহন্তে॥
শ্ৰীধৰস্বামীৰ শঙ্কা শ্লোক অনুবন্ধে।
বিৰচিবোঁ সূত্ৰ কথা পৰম প্ৰবন্ধে॥
শুনা মহাজন সবে গোচৰ আমাৰ।
ইটো শাস্ত্ৰখানি হৌক লোকত প্ৰচাৰ।
ভাগৱত ৰত্ন নাম ভাগৱত তত্ত্ব।
ইহাক জানিলে জানিবেক ভাগৱত।
অল্প ভাৰ হোৱে যদি বহু মূল্য ৰত্ন।
তাহাক লৱয় লোকে কৰি মহা যত্ন॥
শ্ৰীবিষ্ণু ভাৰতি উদ্ধাৰিলা কৰি যত্ন।
এতেকে শুনিয়ো সবে ভাগৱত ৰত্ন॥

প্ৰথমে প্ৰথমাধ্যায়ে ব্যাস তপোধন।
ভাগৱতাৰম্ভে কৈলা মঙ্গলাচৰণ ॥
নৈমিষ কাননে শৌনকাদি মুনি যত।
কৰিলন্ত ছয় প্ৰশ্ন সুতৰ আগত ॥
ঘোৰ কলিকালে লোক হৈব পাপমতি।
কোন ধৰ্ম্মে তাসম্বাৰ সাধিবেক গতি ॥
কৃষ্ণদেবে জন্ম ধৰিলন্ত কিবা কাজে।
কোন ধৰ্ম্ম কৰিলন্ত ৰহি মহীমাঝে ॥
কোন কোন অবতাৰ ধৰি নাৰায়ণ।
কোন কোন লীলা কৰিলন্ত বিতোপন ॥
কপট মনুষ্য ৰূপে বলদেৱ সঙ্গে।
কৰিলন্ত কৃষ্ণে যেন যেন কৰ্ম্ম ৰঙ্গে ॥
কৃষ্ণ যেবে নিজ ধামে কৰিলা গমন।
মহাধৰ্ম্ম গৈয়া কাত পশিলা শৰণ ॥
দ্বিতীয় অধ্যায়ে শৌনকৰ প্ৰশ্ন শুনি।
দিলন্ত উত্তৰ সুতে নমি শুকমুনি ॥
কলিযুগে আন ধৰ্ম্মে নতৰে সংসাৰ।
কেবল হৰিৰ নাম সৰ্ব্বধৰ্ম্ম সাৰ ॥
কৃষ্ণেসে সমস্তে দেৱতাতে শ্ৰেষ্ঠ দেৱ।
তান্তে বিনে ভজনীয় আন নাহি কেৱ ॥
দেৱকীত জনমি অসুৰ সংহৰিলা।
জগত পাবন প্ৰচাৰিলা বহুলীলা ॥
তেন্তে সুৰ নৰ পশু পক্ষী সমস্তত।
অৱতাৰ ধৰি উদ্ধাৰন্ত লোক যত ॥
তৃতীয় অধ্যায়ে সেহি অৱতাৰ গণ।
লীলা সমন্বিতে তাক কৰিলা বৰ্ণন ॥
পুৰুষাব তাৰ আৰু সনত কুমাৰ।
শূকৰ নাৰদ নৰ নাৰায়ণ আৰ ॥
কপিল শ্ৰীদত্ত যজ্ঞ ঋষভ শ্ৰীহৰি।
পৃথু মৎস্য কচ্ছপ মোহিনী ধন্বন্তৰী ॥

নৰসিংহ বামন পৰশুৰাম ব্যাস।
শ্ৰীৰাম শ্ৰীকৃষ্ণ বলদেব জগবাস॥
বুদ্ধ কল্কি সমে এহি অৱতাৰগণ।
ধৰি হৰি ধৰাভাৰ কৰিলা গ্ৰহণ॥
আন সব অৱতাৰ কলা অংশৰূপে।
পৰিপূৰ্ণ ৰূপ কৃষ্ণ কহিলা স্বৰূপে॥
কৃষ্ণ বৈকুণ্ঠক গৈলে মহাধৰ্ম্ম যত।
সমস্তে ৰহিলা হৰি নামৰ মাঝত॥
চতুৰ্থ অধ্যায়ে ব্যাস জনম লভিয়া।
অল্প বুদ্ধি অল্প আয়ু মনুষ্য দেখিয়া॥
চাৰিয়ো বেদৰ কৰিলন্ত শাখা ভেদ।
ইতিহাস পুৰাণ ৰচিলা অবিচ্ছেদ॥
তথাপিতো তান মন নোহয় প্ৰসন্ন।
কি কৰিবো বুলি মুনি চিন্তে মনে মন॥
হেন কালে গৈয়া তৈতে নাৰদ মিলিলা।
মনৰ সন্ধিগ্ধ ব্যাসে তাহান্ত পুছিলা॥
কহিলা নাৰদে পাছে তাহাৰ কাৰণ।
যিবা হেতু ব্যাসৰ আকুল কৰে মন॥
পঞ্চম অধ্যায়ে মুনি ব্যাসক বুলিলা।
ইতো তুমি নানা শাস্ত্ৰ পুৰাণ কৰিলা॥
সৰ্ব্ব ধৰ্ম্ম শিৰোমণি কৃষ্ণ গুণনাম।
তাক নবৰ্ণাই তুমি বৰ্ণাইলা সকাম॥
সহজে লুভীয়া লোক সকামী কৰ্ম্মত।
তাতে উপদেশ পাইলা তোমাৰ মুখত॥
প্ৰাণি হিংসা ধৰ্ম্মতে বিহিলা স্বৰ্গসুখ।
কৰিলা লোকক তুমি কৃষ্ণত বিমুখ॥
যষ্ঠ অধ্যায়ত মুনি ব্ৰহ্মাৰ তনয়।
বোলন্ত নযান্ত জানো ব্যাসৰ প্ৰত্যয়॥
আপোনাৰ প্ৰাক্তন জন্মৰ কথা কৈলা।
যেনমতে সৎসঙ্গৰ হন্তে গতি ভৈলা॥

সপ্তমত পৰীক্ষিত জন্ম প্ৰসঙ্গত।
ধনঞ্জয়ে গুৰুপুত্ৰ দণ্ডিলা ক্ৰোধত॥
কৰিলাহা দ্ৰোণী বৰ কাৰ্য্য অযুগুত।
পাঞ্চ পাণ্ডৱৰ কাটিলাহা পাঞ্চ সুত॥
অষ্টমত ক্ৰোধ কৰি গৌতমী কুমাৰ।
ছয় গোটা ব্ৰহ্ম অস্ত্ৰ কৰিলা প্ৰহাৰ॥
পাঞ্চ গোটা মাৰিলন্ত পাঞ্চ পাণ্ডৱক।
গোটেক মাৰিলা টাক্ষি উত্তৰা গৰ্ভক॥
পাঞ্চো পাণ্ডৱক হৰি কৰিলন্ত ত্ৰাণ।
উত্তৰাৰো গৰ্ভে পশি ৰাখিলন্ত প্ৰাণ॥
কৰিলন্ত কুন্তী স্তুতি আত অনন্তৰে।
বুলিলা বিনয় পাছে তাঙ্ক দামোদৰে॥
কুলহত্যা হেতু ৰাজা সন্তাপ কৰিলা।
ব্যাস আদি ঋষিগণে প্ৰবোধ বুলিলা॥
নৱমত যুধিষ্ঠিৰ কুৰুক্ষেত্ৰে যায়।
ভীষ্মৰ মুখত সবে উপদেশ পায়॥
কৰিলা অনেক স্তুতি ভীষ্মে মাধৱক।
কৃষ্ণে উত্তম গতি দিলন্ত ভীষ্মক॥
শৰাসনে যোগ চিন্তি ভীষ্ম মহাবীৰ।
লভিয়া পৰমানন্দ তেজিলা শৰীৰ॥
দেখি ৰাজা যুধিষ্ঠিৰ কৰি মহামৰ্ম্ম।
কৰাইলা ভীষ্মৰ বিধিমত ক্ৰীয়া কৰ্ম্ম॥
দেৱঋষিবৰ্গ যত তথাতে আছিল।
কৃষ্ণক হৃদয়ে ধৰি স্বধামে চলিল॥
কৃষ্ণ সমে যুধিষ্ঠিৰো হস্তিনা আসিলা।
ধৃতৰাষ্ট্ৰ গান্ধাৰীকো সান্ত্বনা কৰিলা॥
দশম অধ্যায়ে পাণ্ডৱৰ কাৰ্য্য যত।
নিৰন্তৰে গোবিন্দে কৰিলা সমাপত॥
পাছে দ্বাৰকাক চলিযান্তে দামোদৰ।
স্ত্ৰীগণে স্তুতি নতি কৰিলা বিস্তৰ॥

তাসম্বাত দয়া দৃষ্টি পূৰি মনোৰথ।
দিব্য ৰথে চড়ি গৈলা দ্বাৰকাৰ পথ॥
সন্ধ্যাকাল ভৈল ঘোৰা সবো ভাগৰিল।
উপদ্বাৰকাত হৰি সিদিনা ৰহিল॥
একাদশে দ্বাৰকা সমীপ পায়া হৰি।
পাঞ্চজন্য শঙ্খক ফুঙ্কিলা ৰঙ্গ কৰি॥
আসিলা গোবিন্দ জানি দ্বাৰকা নিবাসী।
ফল ফুল ধৰি ৰঝাই গৈলা ৰাশি ৰাশি॥
স্তুতি নতি কৰি ৰতি প্ৰাৰ্থিলা কৃষ্ণত।
তাসম্বাৰো হৰি পূৰিলাহা অভিমত॥
দ্বাদশ অধ্যায়ে পৰীক্ষিত উতপতি।
গৰ্ভতে দেখিলা যিতো কৃষ্ণ যদুপতি॥
উপজিল পৌত্ৰ যুধিষ্ঠিৰে দেখিলন্ত।
ঋষিগণ আনি জাতকৰ্ম্ম কৰাইলন্ত॥
তাৰা সবো গুণকৰ্ম্ম কহিলা বিস্তাৰ।
ব্ৰাহ্মণক দান ৰাজা দিলন্ত অপাৰ॥
পাছে ৰাজা জ্ঞাতি বধ পাপৰ কাৰণ।
অশ্বমেধ যজ্ঞৰ কৰিলা আয়োজন॥
পৰম আদৰে মাধৱক নিয়াইলন্ত।
গৈয়া যদুদেৱে মহা যজ্ঞ কৰাইলন্ত॥
ত্ৰয়োদশে বিদুৰ হস্তিনাপুৰে গৈলা।
শুনি ধৰ্ম্মৰাজা মহাসম্ভ্ৰমে নিয়াইলা॥
পুছিলা কুশল বাৰ্ত্তা অনেক তাহান্ত।
সকলে কহিলা বিনে যাদৱ বৃত্তান্ত॥
পাছে ধৃতৰাষ্ট্ৰৰ জন্মায়া বিৰকতি।
উপায়ে বিদুৰে তাৰ সাধিলন্ত গতি॥
ধৃতৰাষ্ট্ৰ গান্ধাৰীৰ শোকে যুধিষ্ঠিৰ।
কৰিলা অনেক শোক বিকল শৰীৰ॥
আসিয়া নাৰদ ঋষি কৰিলাহা শান্ত।
প্ৰকাৰে কহিলা তান্ত সকলে বৃত্তান্ত॥

চতুৰ্দ্দশে অৰিষ্ট দেখিয়া যুধিষ্ঠিৰ।
ভীম সমে অসন্তোষে আছা মহাবীৰ ॥
আসিলা অৰ্জ্জুন পাছে দ্বাৰকাৰ হন্তে।
কৃষ্ণৰ বিয়োগ দুঃখে কান্দন্তে কান্দন্তে ॥
দেখি ৰাজা যাদৱৰ বাৰ্ত্তা জিজ্ঞাসিলা।
শোক লাজে অৰ্জ্জুনে কহিবে নপাৰিলা ॥
পঞ্চদশে অৰ্জ্জুনে দিলন্ত সমিধান।
যাদৱ বংশৰ মৃত্যু কৃষ্ণৰ নিৰ্য্যান ॥
শুনি যুধিষ্ঠিৰ পাছে ভৈলা ভয়ে ভীত ॥
আৰ কি কল্যান আছে দুৰ্ঘোৰ কলিত।
নাতি পৰীক্ষিতত সুম্পিয়া ৰাজ্যভাৰ।
বৈৰাগ্যে পাণ্ডৱ সৱ গৈলা স্বৰ্গদ্বাৰ ॥
ষোড়শ অধ্যায়ে পৰীক্ষিতৰ বিজয়।
ধৰ্ম্মক ভূমিক দুইকো কলি নিগ্ৰহয় ॥
তাক দেখি তাসম্বাক নৃপতি পুছিলা।
কলিৰ বিচেষ্টা দেখি ছলেসে কহিলা ॥
সপ্তদশে পৰীক্ষিতে ইঙ্গিতে জানিলা।
আমাৰ ৰাজ্যত আসি কলি প্ৰবেশিলা ॥
সেই সে পাপিষ্ঠে ধৰ্ম্ম ভূমিক মাৰয়।
দুষ্টক নিগ্ৰহি সন্ত পালিবে লাগয় ॥
দেখন্ত দুৰ্জ্জন কলি পাপী ফুৰে তাতে।
চাম্পদিয়া চুলত ধৰিলা বাম হাতে ॥
কাটিবাক খোজন্তে শৰণ লৈলা কলি।
নাকাটি ৰাখিয়া স্থান দিলা মহাবলী ॥
কলি নষ্ট ধৰ্ম্মৰো পূৰাইলা তিনি পদ।
পৃথিবীকো আশ্বাসিয়া দিলাহা সম্পদ ॥
অষ্টাদশে মৃগয়া কৰন্তে পৰীক্ষিত।
ভৈলন্ত ব্যথিত ক্ষুধা তৃষায়ে পীড়িত ॥
সমীপে শমীক ঋষি আছে ধ্যানে বসি।
জল পাইবো বুলি তৈকে গৈলা মহাযশী ॥

# সুকবি নাৰায়ণ দেৱ।

## বেহুলা—লক্ষীন্দৰ।

### পাঞ্চালী।

দিহা—বোলে দেবী মনসাই।
শুনা কালি মহাৰাই॥

পদ্মা বোলে শুনা কালি আমাৰ উত্তৰ।
সত্বৰে ডাকিয়া দেহ চান্দৰ কোঙৰ॥
এত শুনি নাগিনী লাগিলা বুলিবাৰে।
কিমতে প্ৰবেশ হৈবো লোহাৰ হেঙ্গাৰে॥

শ্ৰীখণ্ডি কপাট দিছি জোৰাৰ কৰাল।
পিপিৰাও নপাৰে প্ৰবেশ কৰিবাৰ॥
পদ্মা বোলে কালিনাগ নিচিন্তিবা তুমি।
কৰ্ম্মকাৰ হাতে ছিদ্ৰ ৰাখি আছোঁ আমি॥

ঐশান্য কোণাৰ ভাগে সিন্দুৰৰ ৰেখা।
তাহাৰ সমীপে গৈলে ছিদ্ৰ পাইবা দেখা॥
এত শুনি কালিনাগ হৰষিত মন।
চম্পক নগৰক লাগি কৰিলা গমন॥

পদ্মাৰ চৰণ নাগে বন্দিলেক শিৰে।
পবন সঞ্চাৰে গৈয়া চান্দৰ নগৰে॥
দেখে ব্ৰতী জাগি আছে ই ঠাই প্ৰহৰী।
ভুজঙ্গৰূপে কালি নাগে বৰ্ণ কৈলে চুৰি॥

উৰা দিয়া পৰে নাগে মেৰৰ উপৰে।
লখাই বেহুলা কৰে কথা মেৰৰ ভিতৰে॥
নাৰায়ণ দেৱে কহে মনসাৰ দাসে।
মেৰৰ উপৰে থাকি কালিনাগে হাসে॥

দিহা—উঠিয়া বন্ধন চৰাউ কন্যা বোলে লখিন্দাৰ ॥

লখাই বোলে শুন কন্যা আমাৰ বচন।
ভোজন কৰিবো জান্তে চৰাউ ৰন্ধন ॥
ক্ষুধায়ে আকুল তনু ধৰিতে নপাৰি।
বিলম্ব নকৰা কন্যা চলা শিঘ্রকৰি ॥

লজ্জা পাই বেহুলাই বুলিলা বচন।
চাউল সাজ নাই আমি চৰাইতে ৰন্ধন ॥
কহিয়াৰ নাৰীকল বৰ্ত্তমণি কলা।
ফলাহাৰ কৰিবাক বুলিলা বেহুলা ॥

যত দ্ৰব্য থৈয়া আছে সনেকা সুন্দৰী।
লখিন্দাৰে খাইলা তাক কিছু কিছু কৰি ॥
ক্ষুধাৰ সময় খাইতে অমৃত সমান।
বেহুলাৰ বাক্য লখাই নকৰিলা আন ॥

যত দ্ৰব্য থৈয়া আছে সনেকা সুন্দৰী।
লখিন্দাৰে খাইলা তাক কিছু কিছু কৰি ॥
হৰষিতে ভোজন কৰিলা লখিন্দাৰ।
শয়ন কৰিলা গৈয়া পালঙ্ক উপৰ ॥

কামে বিমোহিত হুয়া বনিয়া নন্দন।
বেহুলাত ঘনে ঘন মাগে আলিঙ্গন ॥
লখাই বোলে শুনা প্ৰিয়া আমাৰ উত্তৰ।
আলিঙ্গন দিয়া মোৰ প্ৰাণ ৰক্ষা কৰ ॥

এত শুনি বেহুলা চিন্তিত ভৈলা মনে।
বিনয় কৰিয়া বেহুলা বুলিলা বচনে ॥
সুকবি নাৰায়ণ দেবৰ সৰস পাঞ্চালী।
বেহুলাৰ কৰুণা বুলি একযে লেচাৰী ॥

দিহা—স্বামী ভাল নহয়বে।
বিহাই বাতিত স্বামী ভাল নহয় ॥

ভাল নুহি স্বামী বিহে ইৰাত্রি দিনে।
শুনিয়া বুলিব মন্দ ব্রাহ্মণ সজ্জনে ॥
কোমল কালিকা প্রভু মকৰন্দ হীন।
তাৰ কাছে ভ্রমৰ নজাই একোদিন ॥

যদি পুষ্প প্রকাশ হয়য় কাল পাইয়া।
মধুকৰে মধু পিয়ে তাৰ পাশে বৈয়া ॥
কেচা দালিম খালে প্রভু দান্তত বান্ধে কহ।
বিলম্বে পকিলে ফলে অধিক চাপে ৰস ॥

অৰাইছা গৰু যিবা জুৰিবারে হাল।
নষ্ট কৰে লাঙ্গল জলি নষ্ট কৰে ফাল ॥
একে আমি শিশু মতি জানা অকুমাৰি।
চিত্ত স্থিৰ কৰি থাকা দিন দুইচাৰি ॥

যদি আমাসাৰ হয়ে উত্তম আসাৰ।
অবিলম্বে পাইবা মোক ক্ষমা কৰা সাৰ ॥
মদনে কাতৰ লখাই বনিয়া তনয়।
বেহুলা বিসৰ কহে নুশুনে লখাই ॥

লখাই বোলে শুনা কন্যা আমাৰ উত্তৰ।
আলিঙ্গন দিয়া মোৰ প্রাণ ৰক্ষা কৰ ॥
এত শুনি বেহুলাৰ বিষাদিত মন।
লখাই চৰণে ধৰি বিনায়ে বচন ॥

সুকবি নাৰায়ণ দেৰ সৰস পাঞ্চালী।
বেহুলাৰ কৰুণাৰ বিৰছে লেচাৰী ॥

দিহা—তেজ লোভ ক্ষমা কৰা বনিয়াৰ সুত।
তোমা লাগি আসিয়াছে পদ্মাৰ কালদূত ॥
বেহুলা বোল শুনা কহো তোমাসাৰ ঠাই।
সত্য ভঙ্গ কৰা যদি ধৰ্ম্মৰ দোহাই ॥
পূৰ্ব্বৰ যতেক কথা নাহিকে স্মৰণ।
ইন্দ্ৰপুৰী আছিলা কাম দেৱৰ নন্দন ॥

আমিয়ো আছিলো বান ৰাজাৰ কুমাৰী।
দুয়োজনক হৰিয়া আনিল বিষহৰি ॥
যদি পদ্মা পূজয় শ্বশুৰ সদাগৰে।
পুনৰপি যাইবো দুয়ো ইন্দ্ৰৰ নগৰে ॥
শুনি আছোঁ তোমাসাৰ ৰাত্ৰি নিশাভাগে।
তোমাসাক আসি আজি খাইবো কালিনাগে ॥

যদি বা তোমাক খাই ই কাল নাগিনী।
তোমাক লৈয়া জলে ভাসো তেজি অন্ন পানী ॥
যেবে সতীত্বৰ চিন নাথাকে আমাত।
তেবে সে জীয়াবা প্ৰভু নৰিবো তোমাক ॥

মৰণৰ নিৰ্ব্বন্ধ শুনি বনিয়া নন্দন।
মনৰ কথা এড়ি লখাই কৰিলা শয়ন ॥
কালিনাগে নিদ্ৰাৱলীক মাৰিলা হুঙ্কাৰ।
কতো কতো নিদ্ৰা আসি দিলা আগুসাৰ ॥

কালি বোলে শুনা নিদ্ৰা আমাৰ উত্তৰ।
পদ্মাৰ বৰে লাগ গৈয়া মাথৰ উপৰ ॥
কালিৰ আদেশে নিদ্ৰা চলিলা সত্বৰে।
তেতিক্ষণে ধৰে গৈয়া মাথৰ উপৰে ॥

প্ৰথমতে নিদ্ৰা গৈলা ওঁজা ধন্বন্তৰি।
সিথানে গৈলন্ত নিদ্ৰা নেউলী ময়ূৰী ॥
চন্দ্ৰধৰ নিদ্ৰা গৈলা সনেকা সুন্দৰী।
মেৰৰ ভিতৰে লখাই বেহুলা সুন্দৰী ॥

থানে থানে নিদ্ৰা গৈলা ই ঠাঠ প্ৰহৰী।
সবাকে বেঢ়িয়া ধৰে কাল নিদ্ৰাৱলী ॥
হেন দেখি কাল নাগে মাৰে ভবি তালি।
আছোক মনুষ্য পিপিবাৰ নাই সাৰি ॥

ঐশান্য কোণৰ নামে সিন্দুৰৰ বেথা।
সোমাই গৈলা কালিনাগ সুতা হেন হৈয়া।
বিছনাৰ দক্ষিণ পাশে জ্বলে পুত বাতি।
যেন বেহুলা কন্যা সেহি অনুৰূপ পতি ॥

ৰতিৰ শচীৰ সমান ৰূপ বেহুলা সুন্দৰী।
কামদেৱ জিনি লখাই ৰূপৰ মুৰাৰি ॥
ত্ৰিভুবন মোহ যাই যেহি ৰূপৰ তেজে।
ইহেন শৰীৰ মই দংশো কোন কাজে ॥

ইহাৰ কাৰণে যদি পদ্মা মোক মাৰে।
তথাপি নেদিবো ঘাওঁ ইহাৰ শৰীৰে ॥
এত ভাবি কালি নাগে জুৰিলা ক্ৰন্দন।
নাৰায়ণ দেৱে কহে মনসাৰ চৰণ ॥

দিহা—কান্দেই কালিনাগ লখাইৰ ৰূপ দেখি।
এড়ি গৈলে পদ্মাৰ মনে আমি হৈবোঁ দোষী ॥

প্ৰসন্ন বদন লখাইৰ শৰীৰ জ্যোতি।
সাৰি সাৰি দান্ত জ্বলে মুকুতাৰ পান্তি ॥
চন্দন তিলক লখাইৰ কপালত সাজে।
অৰুণ উদয় যেন গগণৰ মাঝে ॥

মুণ্ড গোট ডাকিবোঁ লখাই ঝুনা নাৰিকল।
কেশতাৰ ডাকিবোঁ বাচা হাৰুযাছে বল ॥
কপালত ডাকিবোঁ লখাই দিয়াছে ৰঞ্জন।
দুকৰ্ণ ডাকিবোঁ বাচা কৰ গাছৰ পাণ ॥

দুই চক্ষু ডাকিবোঁ লখাই সৰগৰ তৰা।
নাক গোট ডাকিবোঁ বাচা ঢোৰৰ পাকৰা॥
মুখত ডাকিবোঁ লখাই জ্বলয় দৰ্পণ।
জিভা খন ডাকিবোঁ বাচা আৰাৰ বৰণ॥

দশনত ডাকিবোঁ লখাইৰ গুঞ্জৰে ভ্ৰমৰা।
গল গোট ডাকিবোঁ বাচাৰ ভৃঙ্গাৰৰ নলা॥
দুই বাহু ডাকিবোঁ বাচা মোলনৰ নাৰি।
দশ আঙ্গলি ডাকিবোঁ লখাইৰ চম্পাফুলৰ কৰি॥

পিঠিত ডাকিবোঁ বাচা সুৰুজৰ চটা।
বুকুত ডাকিবোঁ লখাইৰ চন্দনৰ পটা॥
কঙ্কালে ডাকিবোঁ লখাই হৰৰ ডম্বৰু।
দুই উৰু ডাকিবোঁ বাচা দলি সমসৰু॥

আঠু ডাকিবোঁ লখাই সুবৰ্ণৰ ঘিলা।
দুই কুম ডাকিবোঁ বাচা কেতকীৰ দিলা॥
দুই ভৰি ডাকিবোঁ লখাইৰ খৰম জুৰিয়া।
এহি বুলি কান্দে কালি গুণক বৰ্ণাইয়া॥

সমলত শৰীৰ বাচা গণিয়া চাহিলোঁ।
তিল মাত্ৰ দোষ তোৰ শৰীৰে নপাইলোঁ॥
তথাপিতো আচৰীব লাগে আজ্ঞা বাণী।
কিমতে এৰাইবোঁ আমি পৰাধীন প্ৰাণী॥

সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালী।
কালিৰ ক্ৰন্দন বুলি একয়ে লেচাৰী॥

---

দিহা—কালি হৱা সাবধান। যি নাম স্মৰণে—
হৰে পাপ বিমোচন॥

এত সব কালি নাগে মনত ভাবিয়া।
লখাইৰ শিখৰে নাগ গৈলেক চলিয়া॥

দৈৱৰ নিৰ্ব্বন্ধ কৰ্ম্ম নাযাই খণ্ডণ।
কালিৰ গাৱত পৰে লখাইৰ চৰণ ॥

সাক্ষী কৰে কালি নাগে যত দেৱগণ।
আপোনাৰ দোষে লখাইৰ মিলিলা মৰণ ॥
কালি বোলে চন্দ্ৰ সূৰ্য্য তোবা হৈবা সাক্ষী।
এক তিল পাপ মোত দেখিতে নেদেখি ॥

ব্ৰহ্মা বিষ্ণু মহেশ্বৰ তোবা তিন জন।
আপুনাৰ দোষে লখাইৰ মিলিলা মৰণ ॥
সপ্ত স্বৰ্গ সাক্ষী কৰে সপ্ত যে পাতাল।
সপ্ত দ্বীপ সাক্ষী কৰে কাল যে বিকাল ॥

ডাক দিয়া সাক্ষী কৰে যত জ্ঞাতীগণ।
ধৰ্ম্ম কৰ্ম্ম সাক্ষী কৈলা যত বসুগণ ॥
কষ্টমন কৰি নাগে কোন কৰ্ম্ম কৈলা।
প্ৰদীপৰ তৈল নিয়া লাঞ্জত মাজিলা ॥

সাৱধানে দিলা লখাইৰ আঙ্গুলি উপৰ।
অলক্ষণ গতি তাতে চাৰিলা ঠোকৰ ॥
ৰাম ৰাম বুলি লখাই চাৰিলেক ডাক।
উঠা প্ৰাণেশ্বৰী বুলি মাতে বেহুলাক ॥

বাহিৰ হৈতে চাহে কালি মেৰৰ ভিতৰে।
হাতত কাটা পৰিলেক লাঞ্জৰ উপৰে ॥
লাঞ্জ কাটা গৈল কালি পলাইলা লৰৰে।
বেহুলা বেহুলা বুলি মাতে লখিন্দাৰে ॥

উঠা উঠা প্ৰিয়া বুলি বিনায়ে লখাই।
কালনিদ্ৰা হৈয়া বেহুলা চেতন নপাই ॥
সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালী।
লখাইৰ কান্দন বুলি এক ৰচিলা লেচাৰী ॥

বেহুলা—লক্ষ্মীন্দৰ।

দিহা—কান্দে তোৰ লখিন্দাৰ দাৰুণ বিষৰ জালে ॥
প্ৰাণ কৰে অনথিৰ, তুলিয়া মুখত দেহ পানী ॥

ছয় ভাই আছিলা মোৰে যেন ছয় বিদ্যাধৰে,
তাকো পদ্মা কল্লা নিপাতন।
তাত যত দুখ পাইলা মোক পাই মাৱে পাশৰিলা,
এখনে হৈবো মাৱৰ মৰণ ॥
তোমাৰ বদন ছাইয়া মদনে পীড়িত হৈয়া,
মাগিলোঁ আমি সৰতি ব্যৱহাৰ।
তাকে কিবা ভাবিয়া আছাহ লজ্জিত হুয়া,
মৰিলে দুঃখ মিলিবো তোমাৰ ॥
কিবা মায়া নিদ্ৰাযাস কিবা কৰা উপহাস,
মৰিলে দুঃখ মিলিবো বিস্তাৰ।
তুমি আমি একে সঙ্গে মেৰট আছিলোঁ ৰঙ্গে,
কোন দেৱে দণ্ডিলা নজানি ॥
নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়,
নঞ্চিলেক নিৰ্দ্দয়া ব্ৰাহ্মণী ॥

---

দিহা—বেহুলা জাগ, উঠা মোৰ প্ৰিয়া।

উঠা উঠা প্ৰাণেশ্বৰী কত নিদ্ৰা যাস।
মোক খাইলা কাল নাগে চক্ষু মেলি চাস ॥
তোৰ সম অভাগী নাহিকে ক্ষিতি তলে।
অকালত বাঁৰী ভৈলি খণ্ড ব্ৰতৰ ফলে ॥

কতোজন্মে খণ্ড ব্ৰত কৈলি বহুতৰ।
সেহি দোষে তোক এৰি যাওঁ লখিন্দৰ ॥
মাৱ সনেকা মোৰ মৰণ শুনিলে।
অগনি জালিয়া মৰে গাৱৰ আঞ্চলে ॥

আমাৰ মৰণে মাৱ মৰিব পুৰিয়া।
খ্যাতি ৰাখিবো মায়ে সংসাৰ জুৰিয়া ॥
বিষৰ জালত লখাই বিনায়ে বচন।
কালনিদ্ৰা হৈ।। বেহুলাৰ নাহিকে চেতন ॥
কায়া আঙ্গুলিৰ বিষে ব্ৰহ্মাৰ দ্বাৰ পাইলা।
বেহুলা বেহুলা লখাই ডাকিবে লাগিল ॥
সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালী।
লখাইৰ কৰুণা বুলি একয়ে লেচাৰী ॥

---

দিহা—উঠ কমলমুখী, ওহে কত নিদ্ৰা যাৱা সুখে।
তোৰে মোৰ বিদাই বিষে মোৰ প্ৰাণযাই,
আমি চলো যমৰ নগৰ।
কায়া আঙ্গুলিত খাইলা কিসে সৰ্বাঙ্গ ছান্দিলা বিষে,
পুৰোহিত আনিয়ো সত্বৰে ॥
কিবা মায়া নিদ্ৰা যাস কিবা কৰা উপহাস,
মৰিলে দুঃখ মিলিবে বিস্তৰ।
আঠু মান পাইলা বিষে নাজানিলোঁ খাইলা কিসে,
হেন বিষ দহে কলেবৰ ॥
কঙ্কাল মান পাইলা বিষে নাজানোহো খাইলা কিসে,
হেন বিষে মৰি যায় প্ৰাণে।
পেট মান পাইলা বিষে গৈলা বিষ দশো দিশে,
মৰি যায় আমাৰ পৰাণ ॥
মুখ মান পাইলা বিষে নজানো মই খাইলা কিসে,
হৰিলা লখাইৰ মুখৰ বোল।
বিষে বিকলিলা গাওঁ আছৰিলা হস্ত পাৱ,
হৰাইলা সুৰতি জ্ঞান ॥
সুমৰিলা হৰি হৰ প্ৰাণ তেজে লখিন্দৰ,
ঢলি পৰে পলঙ্কিৰ উপৰ।
নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়,
কালি লাগ হৈলেক অন্তৰ ॥

---

দিহা—অন্তৰ হৈয়া কালি নাগ আছিলা একচিত্তে।
আত্মা বন্দি কৰিলা ঘৰৰ হৈতে॥

আত্মা লৈয়া কালি নাগ চলিলা সত্বৰে।
আত্মা গোট ভেণ্টিলা পদ্মাৰ গোচৰে॥
আত্মা পাই পদ্মা ভৈলা আনন্দিত মন।
কালিৰ মস্তকে দিলা শতেক চুম্বন॥

যতেক শঙ্কিত কৈলা পদ্মাৰ গোচৰ।
যেমত প্ৰকাৰে দংশিলা লখিন্দৰ॥
ধন্য ধন্য কৰি পদ্মা কালিক প্ৰশংসে।
ৰাজ আভৰণ দিয়া কালি নাগক তুষে॥

আনন্দিত পদ্মাৱতীৰ যত নাগগণ।
কালিৰ প্ৰসাদে পাইলা ৰাজ আভৰণ॥
আনন্দিত ভৈলা পদ্মা পায়া নাগগণ।
নিদ্ৰা ভাঙ্গি বেউলা তথা পাইলেক চেতন॥

কাল নিদ্ৰা ভাঙ্গি বেউলা চেতনক পাই।
লখাইৰ গাৱে পাছে বেউলা হস্ত দিয়া চাই॥
বুকে হাত দিয়া বেউলা হৈলেক তৰাস।
নাকে হাত দিয়া চাহে নাহিকে নিশ্বাস॥

কৰ্ণ হালি পৰি আছে বেহুলাই চাৱে।
দুই চক্ষু বিষৰ জালে মুখে লাল বৱে॥
হিমৰ সমান বেউলা পাই সৰ্ব্ব গাৱ।
প্ৰভু প্ৰভু বুলি কান্দে মুখে নাহি ৰাৱ॥

আথে ব্যথে উঠিলেক বিছিনা উপৰে।
কাটা লাঞ্জ পৰি আছে শয্যাৰ উপৰে॥
প্ৰভু প্ৰভু বুলি বেউলা কান্দে উচ্ছ ৰোলে।
কালি নাগে ডাকি বোলে মেৰৰ উপৰে॥

কালি বোলে শুনা বেউলা আমাৰ বচন ।
চান্দো পদ্মাৰ বাদে ভৈল এনয় পতন ॥
বিধবা ব্ৰাহ্মণী ৰূপে কৈলা প্ৰতুচাৰ ।
স্বামী কোলে কৰি বেউলা লাগে কান্দিবাৰ ॥

সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালী ।
বেহুলাৰ ক্ৰন্দন বুলি এক যে লেচাৰী ॥

---

দিহা—বেউলা কান্দে অভাগী দুখিনী বেহুলা কান্দে ।
প্ৰভু প্ৰভু বুলি বেউলা কান্দে ।

তুমি গৈলা যমপুৰে উত্তৰ নেদিলা মোৰে,
প্ৰাণ গৈল শ্বশুৰৰ বাদে ।

সেবিলোঁ পাৰ্ব্বতী হৰ তোমাক স্বামী পাইলোঁ বৰ,
আনন্দে বঞ্চিলোঁ দিবাৰাতি ॥

আগে সিদ্ধি ভৈলা কাম পাছে বিধি ভৈলা বাম,
কপটে ভাঙ্গিলা পদ্মাৱতী ॥

পৰম কৌতুক কৰি আমাৰ আঞ্চলে ধৰি,
এতিক্ষণে মাগি আছা ৰতি ।

হাততে হৰাল নিধি হৰিলা দাৰুণ বিধি,
মৰিবোঁ গলত দিয়া ছুৰি ॥

পাপিষ্ঠ কৰ্ম্মৰ ফলে তোমাক কালনাগে খালে,
সৰ্ব্বনাশ কৰিলা বিষহৰি ।

টিকৰ স্বামী গৈলা এৰি আপুনি জীয়তে বাৰী,
অপযশ ৰৈলে জগত জুৰি ॥

যদি বেউলা হওঁ সতী সাহেসে জীয়াবো পতি,
মনে মোৰ ৰহি আছে সাৰ ।

হসৱাবো যিৰহৰি আনিবো পুনৰ স্বামী,
যেন সজ ঘুষিবো সংসাৰ ॥

তুলিয়া লইলা কোলে ধলি পৰে বিষৰ জালে,
মুখৰ লালে ভিজিল কাপৰ।
শিলতো অধিক ভৰ মুখে বহি পৰে জল,
বিষে হৈছে বজ্ৰৰ আকাৰ॥
বেউলা বোলে পহৰিয়া মজুট ভৈলেক চুয়া,
জনা শাশু শ্বশুৰৰ ঠাই।
নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়,
কালি নাগে খাইলেক লখাই॥

---

দিহা—প্ৰাণ মই হৰুৱাইলোঁৰে, ওৰে গুণৰনিধ।

প্ৰভু প্ৰভু বুলি বেউলা কান্দে শোকাকুণে।
বেউলা ক্ৰন্দনে কান্দে যত সখীগণে॥
হাঁ প্ৰভু আমাক এড়ি তুমি গৈলা কোথা।
কোন দোষে ভৈলা মোৰ দশমী অৱস্থা॥

মদন মোহন প্ৰভু তোমাসাৰ জ্যোতি।
অকালত বাঁৰী ভৈলোঁ বেউলা ৰূপৱতী॥
অমৃত সমান প্ৰভু তব মুখৰ বাণী।
পূৰ্ণৰূপে মই নুশুনিলোঁ অভাগিনী॥

আমাৰ হাতে অন্ন প্ৰভু খাইতে কৈলা মন।
বৰ যত্ন কৈলা প্ৰভু কৰিতে ৰন্ধন॥
আগোছ ফলাহাৰ প্ৰভু কৰাইলোঁ তোমাৰ।
সেহি সে দাৰুণ দুঃখ ৰহিল আমাৰ॥

সি কাৰণে মল্লা প্ৰভু নিদিলা উত্তৰ।
মুখে মুখে চক্ষু চক্ষু এক এক কৰি॥
বিষাদ ভাবিয়া কান্দে সাহেৰ কুমাৰী।
সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালী॥
পয়াৰ প্ৰবন্ধ বুলি এক যে লেচাৰী॥

---

দিহা—হৰি, নাৰে ভালা কান্দে অভাগী বেউলা ॥

উঠা উঠা মোৰ প্ৰভু বালা লখিন্দাৰ ।
লোহাৰ ঘৰে প্ৰাণ গৈলা নিৰ্ব্বন্ধ তোমাৰ ॥
শচী ৰতি দময়ন্তী অতি ৰম্ভা যে ৰোহিণী ।
তোমাৰ আমাৰ ৰূপ দেখে পদ্মামণি ॥

চৰাচৰ চন্দ্ৰদেৱ দেৱঋষি গণে ।
তোমাৰ আমাৰ ৰূপে জিনে ত্ৰিভুৱনে ॥
হেনয় দৈৱৰ দোষে অকাল মৃত্যু তোমাৰ ।
ৰাহু আচ্ছাদিলা যেন পূৰ্ণ শশধৰে ॥

বিষাদ ভাবিয়া কান্দে স্বামী লৈয়া কোলে ।
তোমাৰ মৰণে প্ৰভু নিজীবো সমূলে ॥
স্বামী ব্ৰহ্মা স্বামী বিষ্ণু স্বামী মহেশ্বৰ ।
স্বামী বিনাই নাৰীৰ গতি নাহি আৰ ॥

স্বামী ধৰ্ম্ম স্বামী কৰ্ম্ম স্বামী গুৰুজন ।
প্ৰাণৰ বান্ধৱ প্ৰভু স্বামী বৰ ধন ॥
স্বামী সঙ্গে যিবা নাৰী অগ্নিত প্ৰবেশে ।
আঠ কোটি বৰ্ষ সিতো থাকে স্বৰ্গবাসে ॥

হেন কৰ্ম্ম কৰিবাক মোৰ লৱে মতি ।
অনলে পুৰিয়া মৰো স্বামীৰ সঙ্গতি ॥
বেহুলাৰ ক্ৰন্দনে বৃক্ষৰ পত্ৰ সৰে ।
পাথৰ গলিয়া যাই মেদিনী বিদাৰে ॥

গেৰু ধাৰে পৰে দুই নয়নৰ পানী ।
কেচা বৃক্ষ সব ভাঙ্গে বেউলাৰ ৰাও শুনি ॥
বিষাদ ভাবিয়া কান্দে সাহেৰ কুমাৰী ।
অন্তঃপুৰে থাকি শুনে সনেকা সুন্দৰী ॥

সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালী ।
বেউলা কান্দন বুলি কৰিলে লেচাৰী ॥

# চন্দ্ৰচূড় আদিত্য।

( ১৫৮৯ শক )

উৎকণখণ্ড।

তবে হৰষিত হৈয়া তখনে ৰাজন।
আনিলেক ব্ৰহ্মদাৰু আপোন ভবন॥
বিষ্ণু তীৰ্থ নিকটেত দেৱ অধিস্থিত।
ৰূপ মণ্ডপে দাৰু কৈইল স্থাপিত॥
পৰম আনন্দে ৰাজা কৰিল তখন।
কৰিলেক প্ৰবেশ সঙ্গীত নাচন॥
তবে ইন্দ্ৰদ্যুম্ন ৰাজা চিন্তে মনে মন।
কেন মতে হৈব এই প্ৰতিমা নিৰ্ম্মান॥
কেন ৰূপ অৱতাৰ কেমন বিধান।
কেবা এই প্ৰতিমাযে কৰিবে নিৰ্ম্মান॥
স্বৰূপে আমাৰ নাথ যদি সুপ্ৰসন্ন।
মূৰ্ত্তিকাৰ উপদেশ হইব সপন॥
সেই নাথ নিৰঞ্জন যাকে আজ্ঞা দিব।
সেইত মিলিয়া আমি প্ৰতিমা নিৰ্ম্মিব॥
এই মত নৰপতি কৰি অভিলাষ।
কুশ শয্যা কৰি ৰাজা ৰহে উপবাস॥
ভক্ত বৎসল নাথ দেৱ নিৰঞ্জন।
কৃপা কৰি নৃপতিকে দেখাইলা সপন॥
নকৰ চিন্তন ৰাজা থিৰ কৰা মতি।
মূৰ্ত্তিকাৰ উপদেশে শুনা নৰপতি॥
কালি তোৰ গোচৰে ৰজনী সুপ্ৰভাতে।
একজন আসি তোৰ মিলিব সাক্ষাতে॥

সেইত কৰিব তোৰ প্ৰতিমা নিৰ্ম্মান।
কালি তোৰ সভাতে যে কৰিব প্ৰস্থান॥
স্বপ্নত কহিলা নাথ এই উপদেশ।
নিদ্ৰাহন্তে উঠি ৰাজা হৰিষ বিশেষ॥
সানন্দ হইল ৰাজা দেখিয়া সপন।
স্বৰূপে প্ৰসন্ন ভৈলা নাথ নিৰঞ্জন॥
ততক্ষণে হৈলা তেবে ৰজনী প্ৰভাত।
পূৰ্ব্ব আহ্নিক ক্ৰিয়া কৰিল নৰনাথ॥
সভা আসি নৰপতি তখনে বসিল।
পাত্ৰ মন্ত্ৰিগণ যত আসিয়া মিলিল॥
অনুক্ষণ নৰপতি কৰয় চিন্তন।
আসম্বিত উপস্থিত বৃদ্ধ ব্ৰাহ্মণ॥
বৃদ্ধ ব্ৰাহ্মণ হৈয়া আইলা বিশ্বকৰ্ম্ম।
কপতে লগুৰ হাতে অঙ্গে শুস্ক চৰ্ম্ম॥
যেই থানে সভাতে বসিছে মহাৰাজ।
সেই থানে বৃদ্ধ দ্বিজ গৈলা সভামাজ॥
ব্ৰাহ্মণ দেখিয়া ৰাজা কৰিল প্ৰণতি।
আশিৰ্ব্বাদ কৰিয়া বসিলা মহামতি॥
তবে ৰাজা বোলয় ব্ৰাহ্মণ মহাশয়।
কোন হেতু তুমি মোৰ আইলা নিলয়॥
এই কথা দ্বিজবৰ কৰহ প্ৰকাশ।
ইহাক শুনিতে মোৰ বৰ অভিলাষ॥
তবে দ্বিজবৰে বোলে শুনহ ৰাজন।
মূৰ্ত্তিকাৰ হেন আমাক জানিয়ো ব্ৰাহ্মণ॥
তুমি যে প্ৰতিমা ৰাজা কৰিবা নিৰ্ম্মান।
হেন শুনি আইলো তোমাৰ বিদ্যমান॥
এই দাৰু প্ৰতিমাক নিৰ্ম্মান কৰিবো।
তোমাৰ হস্তে ধন পাই আপোনা পুষিবো॥
এই যদি মহাশয় তোমাৰ মনে লয়।
তখনে এই কৰ্ম্ম কৰ মহাশয়॥

এই ব্ৰহ্মদাৰু ৰাখ এক গৃহ মাজ।
দ্বাৰত কপট দেহ শুন মহাৰাজ॥
মনুষ্যৰ যেন নহে তথা গত যাত।
আমি মাত্ৰ একেশ্বৰে থাকিম তথাত॥
এক বিংশতি দিন অপেক্ষা দিয়ো মোৰে।
প্ৰতিমা নিৰ্ম্মামু তোৰ এই অভ্যন্তৰে॥
কেয়োজন সমে মোৰ নাহই সাক্ষাত।
তবেসে গঠন সিদ্ধি শুন নৰনাথ॥
এতেক কহিল যদি বৃদ্ধ দ্বিজবড়।
ইন্দ্ৰদ্যুম্ন নৰপতি হৰিষ অন্তৰ॥
স্বৰূপে সপনে নাথ আমাতে কহিলা।
অকস্মাতে দ্বিজবৰ আসিয়া মিলিলা॥
বুজিলো আমাৰ এই ভাগ্যেৰ উদয়।
অভিমত সিদ্ধি মোৰ হৈব সুনিশ্চয়॥
এতেক চিন্তিয়া ৰাজা সানন্দ বদন।
ব্ৰাহ্মণৰ অভিমত কৈল সম্পাদন॥
নিৰ্যান থানত দিব্য কৈল এক ঘৰ।
ৰাখিলেক ব্ৰহ্মদাৰু তাহাৰ ভিতৰ॥
সেইক্ষণে শুভলগ্ন কৰিয়া বিধান।
বাসি ভণ্ডি লৈয়া দ্বিজ গেল সেই থান॥
পৰম আনন্দে দ্বিজ গৃহে প্ৰবশিল।
গৃহ মধ্যে প্ৰবেশিয়া কপট মাৰিল॥
বিশ্বকৰ্ম্ম ৰূপে নাথ এক অৱতাৰ।
পূৰ্ব্বৰ নিবন্ধ কথা জয়েৰ প্ৰকাৰ॥
পৰম কৌতুক দ্বিজ হৰিষ প্ৰচণ্ড।
ব্ৰহ্মদাৰু ছেদিয়া কৰিল চাৰিখণ্ড॥
পূৰ্ব্বৰ নিবন্ধ যত আছয় স্মৰণ।
বলভদ্ৰ জগন্নাথ সুভদ্ৰা সুদৰ্শন॥
প্ৰথমে বলভদ্ৰ কৰয়ে নিৰ্ম্মান।
পৰম প্ৰচণ্ড প্ৰভু পুৰুষ প্ৰমাণ॥

সুন্দৰ মস্তক প্ৰভু বিসাল ললাট।
উন্নত নাসিকা গলে হৃদয়ে কপাট॥
আজানু প্ৰমান গলে দুই বাহু দণ্ড।
প্ৰকাশিত নাসিকাৱে দুই স্তন খণ্ড॥
ক্ষীণ কঙ্কাল নাথ অদ্ভুত সুন্দৰ।
প্ৰভুৰ উত্তম পৃষ্ঠ সুন্দৰ উদৰ॥
নিৰ্ম্মান কৰিলা প্ৰভুৰ কটিস্থল।
পশ্চাতে প্ৰকাশ কাখে চৰণ কমল॥
মুখ চক্ষু কৰ্ণ নহি কৰে প্ৰকাশিত।
ৰাখিল পশ্চাতে এক কৰিম নিৰ্ম্মিত॥
এই মতে বলভদ্ৰ কৰিয়া নিৰ্ম্মান।
জগন্নাথ সেইমতে কৰিল বিধান॥
সুভদ্ৰা দেবীক তবে নিৰ্ম্মান কৰিল।
সেই মত অভিপ্ৰায় হস্ত নাগঢ়িল॥
সুদৰ্শন চক্ৰ কৈল ডণ্ডেৰ আকাৰ।
শেষ অঙ্গ পশ্চাতে নিৰ্ম্মিব আৰবাৰ॥
চাৰি মূৰ্ত্তি বিশ্বকৰ্ম্ম কৈল কতুহলে।
চতুৰ্দশ দিন শেষ হৈল হেনকালে॥
প্ৰভুৰ কপট লীলা বুঝিবেক কোনে।
দৈবেৰ নিবন্ধ আছে বিধিৰ ঘটনে॥
চতুৰ্দশ দিন শেষ দেখি নৰপতি।
হৰ্ষে বিষাদে ৰাজা চিন্তে মহামতি॥
কেন অভিপ্ৰায় নাথ হৈলা নিৰঞ্জন।
দেখিবাৱে অধিক চঞ্চল হৈল মন॥
শক্তি হীন দেখি এই বৃদ্ধ ব্ৰাহ্মণ।
জানে বা নাজানে এই কৰিতে গঠন॥
কোন ৰূপ গঢ়ি আছে নাজানি নিশ্চয়।
উপদেশ দিলে তবে ভাল মন্দ হয়॥
সেইতো নাথেৰ ৰূপ বেদে নাহি জানে।
নাজানোহো কোন মূৰ্ত্তি কৰিল ব্ৰাহ্মণে॥

কোন কৰ্ম্ম নাহি পাছে গঢ়ন সাঙ্গ হৈলে।
মন্দ ভাল হয়ে হেন অখনে দেখিলে ॥
ব্ৰাহ্মণে নাজানে যদি প্ৰতিমা গঢ়ন।
তবেত অসক্য হৈল প্ৰমাদ ঘটন ॥
যেহউক সেহউক পাছে দেখিতে জুৱাই।
কেন অৱতাৰ স্বামী কেন অভিপ্ৰাই ॥
এতসব নৰপতি মনেত চিন্তিল।
ত্বৰিত গমন কৰি মন্দিৰে চলিল ॥
দ্বাৰ চোড় কপাট বোলয় নৰপতি।
হেন শুনি বিশ্বকৰ্ম্মা গেল শীঘ্ৰগতি ॥
বিশ্বকৰ্ম্ম গৈলা চলি কেয়ো নাহি আছে।
উত্তৰ নপাই ৰাজা দ্বাৰ মেলে পাছে ॥
কপাট মেলিয়া দেখে নাহিকে ব্ৰাহ্মণ।
তথা বিচাৰিয়া মূৰ্ত্তি কৈলা দৰশন ॥
অংশপূৰ্ণ অৱতাৰ দেখি নৰপতি।
মহা মৰ্শ্মে মূৰ্চ্ছিত হৈয়া পৰে শীঘ্ৰগতি ॥
অচেতন হৈল তনু স্বাশ মাত্ৰ আছে।
মহাশোকে নৰপতি চেতন পায়া আছে ॥
প্ৰভুৰ চৰণে পৰি হৈইয়া বিকল।
কি হৈলা প্ৰমাদ বুলি লোটে ভূমিতল ॥
ময়ি পাপীষ্ঠে কেনে হেন কৰ্ম্ম কৈল।
সময় লঙ্ঘিয়া কেনে হেন কৰ্ম্ম কৈল ॥
বুজিলোহো বৃদ্ধ দ্বিজ মনুষ্য নহয়।
বিশ্বকৰ্ম্ম আসিছিল হৈয়া পৰিচয় ॥
সময়ত ৰাখিলা দিবস এক বিংশে।
অসময়ে দেখিলো দিবস চতুৰ্দ্দশে ॥
কেন হৈল অৱধি বিধিয়ে মোক দিলা।
হাতে নিধি দিয়া নাথ আপুনি হৰিনিলা ॥
দুৰ্ভাগ্য পাইল মোক আজুকাৰ বাতি।
কপটে বাঙ্কিলা নাথ দেখিয়া দুৰ্ম্মতি ॥

কিবা পাপ কৈলো মযি জন্ম জন্মান্তৰে।
সি কাৰণে গুণনিধি বঞ্চিলা আমাবে॥
উপদেশ কহিলা জটিল ৰূপ ধৰি।
সে কাৰণে দৰশনে গেল নীলগিৰি॥
মোৰ দৰশনে নাথ তাতে গুপ্ত হৈলা।
কপট পূৰ্ব্বকে নাথ সৈবাব ভাণ্ডিলা॥
ব্ৰহ্মাৰ সভাতে গেল দৌল নিৰ্ম্মিয়া।
ৰাজ্য গেল মঠনা দেখিলো যে আসিয়া॥
বহু যত্নে পাছে তবে এই ৰাজ্য পাইলো।
পুনৰপি নীলাচলে দৌলক স্থাপিলো॥
প্ৰজাপতি উপদেশে পাইলো তোমাৰে।
স্বপ্নেত কৰিলা উপদেশ মূৰ্ত্তিকাৰে॥
আপুনে কিসক নাথ হেন মূৰ্ত্তি হৈলা।
কোন অপৰাধে নাথ এবাৰ বঞ্চিলা॥
সদয় হৃদয় নাথ তুমি নিৰঞ্জন।
এই বেদ প্ৰমাণ হেন কৰিলো শ্ৰৱন॥
কুবুদ্ধি দিয়া নাথ বঞ্চিলা আমাৰে।
মৰিম এখনে বধ তোমাৰ উপৰে॥
ৰাজাৰ বিলাপ দেখি প্ৰভু নাৰায়ণ।
ভকত বৎসল নাথ তুষিলা ৰাজন॥
এই মতে বিলাপ কৰিতে নৃপমণি।
আম্বাম্বিতে আকাশেত হৈল হেন ধ্বনি॥
কিসেৰ বিলাপ ৰাজা কৰস অক্ষেমা।
এইৰূপ অৱতাৰ আমাৰ মহিমা॥
এই মোৰ এক মূৰ্ত্তি হেন কৰি জান।
বিশেষ শুনিবা ৰাজা প্ৰজাপতিৰ স্থান॥
নাজানা নৃপতি তুমি ইহাৰ কাৰণ।
আজি মোৰ এই মূৰ্ত্তি পূৰ্ব্ব নিবন্ধন॥
কৃষ্ণ অৱতাৰ পূৰ্ব্বে যখনে হইল।
জৰাসন্ধে সহিতে অনেক যুদ্ধ কৈল॥

তাহাব পুৰ প্ৰাচিৰ উচ্চ আছিল ।
এই অৱতাৰে আমি প্ৰাচিৰ লঙ্ঘিল ॥
দুই হস্ত মুঠি কৰি লঙ্ঘিলো প্ৰাচিৰ ।
সেইটো কাৰণে মোৰ এমত শৰীৰ ॥
বিষাদ ছাড়িয়া ৰাজা শান্ত কৰা মন ।
অভিমত সিদ্ধি তোৰ হৈব সম্পাদন ॥
পূৰ্ব্বৰ কথন মই কহিলো তোমাতে ।
বিশেষে শুনিবা কথা প্ৰজাপতি হন্তে ॥
এইৰূপে আকাশ বাণী শুনি নৰপতি ।
নাথেৰ চৰণে পৰি কৰিল প্ৰণতি ॥
হৰষিত হৈল ৰাজা শুনিয়া বচন ।
নিজ দেহ অঙ্গীকাৰ কৈলা নিৰঞ্জন ॥
অনন্ত ৰূপি নাথেৰ অপাৰ মহিমা ।
জানিয়াসে বিশ্বকৰ্ম্মা নিৰ্ম্মিলা প্ৰতিমা ॥

# বিষ্ণু ভাৰতী।

ধ্রুব চৰিত্র।

মৈত্রেয় বদতি শুনা কুৰুপতি
যেন ভৈলা আত পৰে।
যক্ষক নির্ভয় দিলা মহাশয়
হেন দেখি ধনেশ্বৰে॥
অতি অদভুত ধ্রুবৰ মহত্ত
শুনিয়া পৰম ৰঙ্গে।
পুষ্পাকত চড়ি তৈকে গৈলা লৰি
সিদ্ধ মুনিগণ সঙ্গে॥
দিব্য নব জানে পুষ্পক বিমানে
সূর্য্যতো অধিক জ্বলে।
যত দেৱ ভোগ তাতে উপভোগ
মনে খোজে মানে মিলে॥
নানা ৰত্নময় জলন্তে আছয়
চাহন্তে চক্ষু নভাষে।
মনোজয় গতি দিনতো নিশাতো
সমান জ্যোতি প্রকাশে॥
সিতো বিমানত গুণ আছে যত
বর্ণাইবোহো কতকাল।
তাতে থাকি ৰঙ্গে মুনিগণ সঙ্গে
চলি গৈলা দিগপাল॥
সিদ্ধ বিদ্যাধৰ চাৰণ কিন্নৰ
চতুর্ভিতি স্তুতি কৰে।
অখণ্ড মণ্ডল প্রকাশে ধবল
ছত্রেক ধৰি উপৰে॥

অতি আড়ম্বৰে অনেক কিন্নৰে
বেঢ়ি যাই আগে পাছে।
নানা ৰত্নময় ধ্বজ চিহ্ন চয়
প্ৰকাশ কৰন্তে আছে॥
তিনি ত্ৰৈলোক্যৰ ধনৰ ঈশ্বৰ
উত্তৰৰ দিগপাল।
ধ্রুবক দেখিতে উত্ৰাৱল চিত্তে
আসি পাইলা ততকাল॥
ধ্রুবৰ দিপিতি দেখি ধনপতি
পৰম বিস্ময় ভৈলা।
কৃতাঞ্জলি কৰি ধ্রুবক সাদৰি
কুবেৰে বুলিবে লৈলা॥
যদি ধনেশ্বৰ সমস্ততো বৰ
দেৱতাৰো অধিকাৰী।
তথাপি ধ্রুবক বিষ্ণু ভকতক
সম্বুধিলা মান্য কৰি॥
হেৰা মহাৰাজ দেখি তব কায
তুষ্ট ভৈলো ময় বৰ।
মনু বাক্য শুনি যি হেতু আপুনি
এৰিলাহা ধনু শৰ॥
পূৰ্ব্বে মাধৱৰ চৰণ পদ্মৰ
তুমি পায়া আছা ঘ্ৰাণ।
সম্প্ৰতি সাক্ষাত মনুৰ মুখত
লভি আছা মহাজ্ঞান॥
আমিয়ো তোমাক বোলোঁ প্ৰিয় বাক
শুনিয়োক সাৱধানে।
মাৰন্তা মৰন্তা কেহো কাক নোহে
জানিবা তুমি আপোনে॥

তোমাৰ ভাতৃক যক্ষে নামাৰয়
যক্ষকো নামাৰা তুমি ।
কালৰূপে হৰি সবাকো সংহৰি
তাকো ভালে জানো আমি ॥
সমস্ত ভৰত থাকি অজ্ঞানত
সংসাৰত বন্ধ হুই ।
যিতো আত্মা হৰি তাঙ্ক পৰিহৰি
দেহাক আত্মা বোলয় ॥
তুমি পুনু ৰাজা আপুনি জানাহা
নাৰদৰ উপদেশে ।
সমস্তৰে জীৱ আত্মা সদাশিৱ
ভজিবা হৰি আবাসে ॥
যত চৰাচৰ হৰিসে সবাৰ
বন্ধৰ মোক্ষৰ হেতু ।
তান্তে ভকতি কৰি সংসাৰ সাগৰে
বান্ধিয়োক দৃঢ় সেতু ॥
মায়াৰ আসয় আপুনি গুছয়
ভকতি প্ৰবেশ ভৈলে ।
লভি মহা জ্ঞান সংসাৰৰ ত্ৰাণ
হৈবা ৰাজা অবিকলে ॥

---

অনন্তৰে ধনেশ্বৰে নৃপতিক দয়া তৰে
বুলিলন্ত কৰিয়া সাদৰ ।
তোমাৰ মনৰ যত পূৰ্ণ হৌক অভিমত
দেও যত লাগে লৱা বৰ ॥
কিন্তু তুমি নৃপবৰ হৰি পদ পঙ্কজৰ
সেৱাতেসে ৰতি আছো শুনি ।
পাছে সিতো নৃপবৰ বাক্য শুনি কুবেৰৰ
বুলিতে লাগিলা মনে গুনি ॥

হে ৰাজ ৰাজেশ্বৰ যদি মোক দিবা বৰ
শুনা তেবে গোচৰ আমাৰ।
কৃষ্ণৰ চৰণ ধ্যান নুগুচোক সৰ্ব্বক্ষণ
সুখে যেন তৰোহোঁ সংসাৰ॥
ৰাজাৰ মনৰ কৰ্ম্ম শুনি পাছে দিগ ৰাজা
হৌক বুলি দিলা সমিধান।
চাহি আছে নৰপতি বিমানে সহিতে তৈতে
তত কালে ভৈলা অন্তৰ্দ্ধান॥
অনন্তৰে ধ্ৰুবে আসি নিজ নগৰত পশি
কৰিলন্ত যজ্ঞ বহুতৰ।
দেৱ দ্বিজ পিতৃগণ সবাৰো সন্তোষি মন
দিলা ৰাজা দক্ষিণা বিস্তৰ॥
দ্ৰব্য দেশ কাল কৰ্ম্ম দেৱ যজমান ধৰ্ম্ম
সমস্তৰে আত্মা নাৰায়ণ।
একচিত্তে ভক্তি কৰি দেৱৰো দেৱতা হৰি
আৰাধিয়া তাহান চৰণ॥
যত জীৱ চৰাচৰ হৰি আত্মা সমস্তৰ
জানি কাকো হিংসা নকৰন্ত।
উত্তম অধম প্ৰাণি প্ৰাকৃত লোকক জানি
যথোচিত ভাবে প্ৰবৰ্ত্তন্ত॥

---

প্ৰজাকে পুত্ৰকে সমানে পালন্ত
নকৰন্ত কোপ তাপ।
দুখী ভিখি দেখি পোষন্ত পালন্ত
যেন নিজ মাৱ বাপ॥
শিতলত জল প্ৰতাপে অনল
গম্ভীৰে যেন সাগৰ।
দানে কল্পতৰু জ্ঞানে শুদ্ধগুৰু
পৰাক্ৰমে পুৰন্দৰ॥

যত সদগুণ সবাতে নিপুণ
দেৱ দ্বিজে অনুগত ।
ৰাজনীতি ধৰ্ম্ম সদাচাৰ কৰ্ম্ম
ক্ষেণেকো নোহয় পাত ॥

যত ধৰ্ম্মশালি সমস্তকে পালি
আপুনি থাকন্ত ৰাজা ।
কোনো উপতাপ নাহিকে ৰাজ্যত
মহা সুখে থাকে প্ৰজা ॥

সপ্তম দ্বীপৰ যত নাৰী নৰ
মনে সাধে ইষ্ট বৰ ।
ধ্ৰুবেসে আমাৰ হৌক মহাৰাজা
যাৱে চন্দ্ৰ দিবাকৰ ॥

ছত্ৰিশ হাজাৰ বৎসৰ নৃপতি
অকণ্টকে ৰাজ্য কৰি ।
যাগ যজ্ঞ জপে দানে ব্ৰতে তপে
আৰাধিলা দেৱ হৰি ॥

পূৰ্ব্ব জনমৰ সুকৃতি বিস্তৰ
ৰাজ্য ভোগে ক্ষয় নিলা ।
তপ ব্ৰত ধৰি কায় ক্লেশ কৰি
দুস্কৃত যত ভুঞ্জিলা ॥

পাপ পুণ্য দুয়ো দুখতে সুখতে
ভোগ কৰি নিলা ক্ষয় ।
পৰম বৈৰাগ্য লভি মহাভাগ
এড়িলা মনে বিষয় ॥

সাৱধান মনে থাকি নিজাসনে
জিনিয়া ইন্দ্ৰিয়বৰ্গ ।
হৈয়া স্বতন্তৰ অনেক বৎসৰ
ভুঞ্জিলন্ত ৰাজ্য স্বৰ্গ ॥

হৰিত ভকতি লভি বিৰকতি
সবাতে ভৈল বৈৰাগ্য।
পুত্ৰ দ্ৰব্য ধন দেহক আপোন
নোবোলন্ত মহাভাগ॥
মায়ায়ে মোহিত স্বপ্নে বিপৰীত
সকলো আগত প্ৰায়।
যত দেখি শুনি যত মনে গুণি
বিচাৰে কিছু নহয়॥
মহিষী সকল সেনা মহাবল
গজ বাজি ৰথ চয়।
ৰত্ন গৃহ দ্বাৰ বিপুল ভাণ্ডাৰ
ৰাজ্যলক্ষ্মী সমুদায়॥
নানা উপবন ক্ৰিড়াৰ উদ্যান
প্ৰকাশয় দিনে ৰাতি।
জলধি সাগৰ সীমা ভৈলা যাৰ
ৰাজ্য সপ্ত দ্বীপাৱতী॥
সুৰত সুন্দৰ শৰীৰ সম্পদ
সবাকো দেখিলা মিছা॥
কেৱল কৃষ্ণৰ চৰণ পদ্মৰ
সেৱাতেসে মাত্ৰ ইচ্ছা।
শুনা সভাসদ আমাৰ সম্পদ
কেনে গণনাত লেখি।
ধ্ৰুৱৰ সম্পতি তাতে বিৰকতি
দেখিয়ো নেদেখি॥
মিছা সুখ ভোগ সংযোগ বিয়োগ
দেখন্তো কেনে নজানা।
কিনো বুদ্ধি হত সম্যকে মোহিত
তাকে সত্য বুলি মানা॥

আগতে সাক্ষাৎ পুত্র হই জাত
পিতৃৰ মৰণ জানে।
আমিয়ো মৰিবো পুত্র উপজিবো
কিমতে তাক নগণে॥
পৰম দুৰ্লভ ইতো নৰতনু
বৃথা কাৰ্য্যে হয় নাশ।
মায়াৰ ৰচন পুত্র দাৰা ধন
তাহাতে দৃঢ় বিশ্বাস॥
চাৰা সবে ধন্দ সংসাৰতে বন্ধ
কৃষ্ণতে কৰা ভকতি।
মিছা ধন জন সম্যকে সোপন
তাৰ দূৰ কৰা মতি॥
বিষ্ণু বৈষ্ণৱৰ চৰণ কিঙ্কৰ
বোলন্ত বিষ্ণু ভাৰতী।
ৰাম ৰাম বুলি নাচা বাহু তুলি
পাপ যাউক অধোগতি॥

---

# ৰাম চৰণ ঠাকুৰ।

## শঙ্কৰ চৰিত।

আত অনন্তৰে দেৱ শঙ্কৰৰ,
উনৈশ বৎসৰ ভৈলা।
গৃহত বসিয়া আছন্ত শঙ্কৰ,
বুঢ়া খাওঁ তৈকে গৈলা॥
জয়ন্ত মাধৱ কৰিয়া উৎসৱ,
আলোচি গৈলা সিঠাই।
কর্ণ পুৰ চতুৰ ভুজ সমন্বিতে,
লৰি গৈলা দুয়ো ভাই॥
আন ভূঞাগণ সুহৃদ সজ্জন,
আইলা শঙ্কৰৰ পাশ।
শ্ৰীমন্ত শঙ্কৰে সবাহাঙ্কো তেবে,
কৰিলা পাছে আশ্বাস॥
বোলন্ত পেশাই আইলা কিকলাই,
কহিয়ো তাৰ কাৰণ।
আমাৰ থানক কিকার্য্যে আসিলা,
শুনো সিতো প্ৰয়োজন॥
বুঢ়া খাঁ বোলন্ত কহিবোঁ তোমাত,
আমাথেৰ প্ৰয়োজন।
ভূঞাঁ বন্ধু যত আসিল সমস্ত,
আছয় কার্য্য গহণ॥
বিদ্যাতো পার্গত শাস্ত্ৰ আছে যত,
সবাহাঙ্কে আছা পঢ়ি।
সমস্ত লোকৰ হৰিষ বিস্তৰ,
বৈকুণ্ঠ দিয়োক গঢ়ি॥

নটুৱা শিখাইবা ভাৱনা দেখাইবা,
হৰিব আমাৰ মন।
বৈকুণ্ঠ নগৰ ভাল মতে বাপু,
দেখায়ো আবে এখন॥
সাত বৈকুণ্ঠৰ সাত গোটা নাথ,
পাৰিষদগণ মানে।
চাহিবাক প্ৰতি সবাহানে মতি,
দেখায়ো তাক যতনে॥
তোমাক স্মৰিবোঁ সংসাৰ তৰিবোঁ,
জানিলোঁ নিষ্টে ইবাৰ।
আমাৰ উপৰি যত ধৰ্ম্ম আছে,
কৰিবা তাক নিস্তাৰ॥
কোটি কোটি কল্পে উপৰি পুৰুষে,
যাক কৰ্ণে শুনা নাই।
তোমাৰ প্ৰসাদে আতি অপ্ৰমাদে,
দৃষ্টি ভৰি থাকোঁ চাই॥
তোমাৰ চৰণ কৰিয়া বন্দন,
নৰকক নদঢ়াওঁ।
কৰিয়ো কৰুণা বোলো নিষ্টেজানা,
যিমতে দেখিবে পাওঁ॥
শঙ্কৰে বোলন্ত শুনিয়ো পেশাই,
আছা আযো তিনিজন।
নৰোত্তম কৰ্ণ পুৰ চতুৰ্ভুজ,
তিনিয়ো আতি গহণ॥
তোমাসাৰ বাক্যে সন্ন্যাসীত শিকি,
দেখাইবো বৈকুণ্ঠপুৰ।
চিহ্ন নাম যাত্ৰা কৰিবোঁ বিদিত,
হৰিষ পায়া প্ৰচুৰ॥

এহি বুলি পাছে যেবে সবে আছে,
শঙ্কৰে গুণিলা মনে।
কপিলি মুখত কুমাৰ আছয়,
শুন্থ এক সৰ্ব্বজনে॥
খোল গঢ়িবাক বোলা আবে তাক,
চানেকি পথায়া দিয়া।
তেতিক্ষণে কাঠ এক দাল আনি,
সাজিলা আনন্দ হুয়া॥
বলোৰাম আতৈ আনিয়া তেখনে,
খোলৰ জোখাক দিল।
ত্ৰয়োদশাঙ্গুল বেঁৱা ভাস যানা,
ডাইনা নবাঙ্গুল কৈল॥
সকালে গঢ়িয়া শীঘ্ৰে পাগ দিয়া,
দিয়োক খোল পঠাই।
সণ্টিৰ ঘৰক যায়োক কেতাই,
গৰু পল আনা চাই॥
সুখী ভূঞা লোক কৰা দায়া মোক,
সভাখান দিয়ো সাজি।
দ্বীপ দ্বীপান্তৰে লোক নিৰন্তৰে,
জান দিতে পাঞ্চা আজি॥
শুনি ভূঞাঁগণে পাছে তেতিক্ষণে,
দূতগণ পাঞ্চি দিল।
শঙ্কৰৰ আজ্ঞা শিৰত ধৰিয়া,
সমস্ত দেশে কহিলা॥
মহা মহোৎসৱ দেখিয়া উৎসৱ,
চিন্ন যাত্ৰা বিতোপন।
সাতো বৈকুণ্ঠক ভূমিত দেখাইবে,
কুসুম ভূঞাঁ নন্দন॥

শুনি সবে নৰে আতি ৰঙ্গ কৰে,
হৰিষৰ পাৰ নাই ।
বৈকুণ্ঠ নগৰ দেখাইবো শঙ্কৰ,
আনন্দে থাকিবোঁ চাই ॥
ইসব কথাক থৈলোঁ এহি মানে,
শুনিয়োক কথা আৰ ।
বৈকুণ্ঠ নগৰ পটতে লেখিয়া,
অঙ্ক কৰিলন্ত তাৰ ॥
ধেমালিৰ ঘোষা প্ৰথমে লিখিল,
ছুটিয় শ্লোক ৰচিল ।
সূত্ৰ ভটিমাক গীতক কৰিয়া,
চিন সবে বিভাগিল ॥
যাৰ যেন থান যি মত লক্ষণ,
কল্পতৰু উপবন ।
সৰোবৰ চয় অধিকে শোভয়,
অনন্ত শয্যা শোভন ॥
লক্ষ্মী সৰস্বতী চৌধ পাৰিষদ,
গীততে সবাকো দিলা ।
সাত বৈকুণ্ঠৰ সাত গোটা নাথ,
সবাক তাতে নিৰ্ম্মিলা ॥
গীত নাট সূত্ৰ সমস্তে কৰিয়া,
যেবে সাঙ্গ কৰিলন্ত ।
ভূঞা সবে সভা ঘৰ সাজি যেবে,
শঙ্কৰত জনাইলন্ত ॥
কেতাইক ৰামক বায়ন শিখাইলা,
আৰো পালি সাত জন ।
নটুৱা পাঞ্চুটি সমন্বিতে আতি,
কৰিলা যাত্ৰা শোভন ॥

শুনা সভাসদ হুয়া নিশবদ,
গুৰুৰ চৰিত্ৰ কথা।
তাহান চৰণে পশিয়ো শৰণে,
জন্মাক নকৰা বৃথা॥
ঘোৰ পৰলোক তৈতে কেন হোক,
দেখিয়ো নেদেখা অন্ধ।
গুৰুৰ সেৱাক তেজিয়া আনক,
বিষয় সুখ প্ৰবন্ধ॥
ভাৰ্য্যাত পুত্ৰত কৰিয়া বিশ্বাস,
গুৰুত নকৰোঁ ৰতি।
কিনো মহাৰণ্ড পৰম পাষণ্ড,
যাইবে সিতো অধোগতি॥
হে গুৰুদেৱ পাৱে কৰোঁ সেৱ,
পৰম পাতকী আমি।
জানি মহেশ্বৰ মোক কৃপা কৰ,
তুমি মোৰ নিজ স্বামী॥
ভৃত্য হেন মানি দেৱ চক্ৰপাণি,
চৰণত দিয়ো ঠাই।
তুমি বিনে মোৰ পৰম বান্ধৱ,
ই তিনি লোকত নাই॥
জানি যদুপতি তুমি বিনে গতি,
নাই কোনো সাৰে সাৰ।
গুৰু শিষ্য ৰূপে দুয়োজন আসি,
জানো ভৈলোঁ অৱতাৰ॥
সভাসদ জন এৰি আন মন,
গাওঁ তান গুণ নাম॥
মূঢ় মতি ৰাম চৰণে কহয়
ডাকি বোলা ৰাম ৰাম॥

আত অনন্তৰে শুনা সভাসদ লোক ।
শঙ্কৰ দেৱৰ মহিমাক শুনিয়োক ॥
মনে মনে গুণিলন্ত দেৱতা শঙ্কৰ ।
ঈশ্বৰ বুলিয়া জানিবেক সবে নৰ ॥

এক মায়া কৰোঁ যেন নজানয় আনে ।
সন্যাসীৰ ৰূপ ধৰি আইলা সেহিক্ষণে ॥
দীৰ্ঘতৰ পুৰুষ সুন্দৰ তান কাই ।
শৰীৰৰ কান্তি আতি চাহান নযাই ॥

ভস্মে বিভূষিত অঙ্গ অধিকে সুহাই ।
অন্ন আদি ভোজন কিঞ্চিত তান নাই ॥
শঙ্কৰে বোলন্ত বিছা শিখাও আমাক ।
যেন মতে পাৰোঁ মই পট লেখিবাক ॥

সন্যাসী বোলন্ত আত কিছু শঙ্কা নাই ।
শিখাইবোঁহোঁ লেখিবাক কহিলোঁ বুজাই ॥
হিঙ্গুল হৰিতাল তেতিক্ষণে আনিলন্ত ।
যত্ন কৰি পটে বৈকুণ্ঠক লেখিলন্ত ॥

সন্যাসীক আগে থৈ লিখন্ত শঙ্কৰ ।
বিস্ময়ে আছন্ত চাই সবে ভক্ত নৰ ॥
ৰামৰাম গুৰু বুঢ়া খাওঁ বলোৰাম ।
চাহিয়া আছন্ত সবে এৰি আন কাম ॥

এহি মতে সাত বৈকুণ্ঠক লেখি যেবে ।
পাৰিষদ গণক লেখিলা তৈতে তেবে ॥
সাতো বৈকুণ্ঠৰো সাতো লিখিলা ঈশ্বৰ ।
থানে থানে লিখিলন্ত দীঘি সৰোবৰ ॥

যৈত যিবা লাগে সমস্তকে তুলি দিল ।
এক তিল মানে বৈকুণ্ঠৰ নলৰিল ॥
কল্পতৰু দিবাক যেহেন নজানন্ত ।
অবাক স্বৰূপে তুয়োজন ৰহিলন্ত ॥

কৈত দিবে লাগয় তাহাক নজানয়।
সেহি সময়তে বুঢ়ী চন্দৰী গৈলয় ॥
চতালত ধান মেলি বুঢ়ী দিয়া আছে।
হাতে সন্মাৰ্জ্জনী লৈয়া তৈকে গৈলা পাছে ॥

দেখা ডেকা গিৰি কল্পতৰু দিয়া নাই।
হাতত বাঢ়নি লৈয়া বুলিলেক তাই ॥
ঐত লাগি ডেকা গিৰি সিতো বৃক্ষবৰ।
অল্প হাস্য কৰি তেবে মাতিলা শঙ্কৰ ॥

আসিলি এথাক আই বৰ কৈলি কাম।
তই হেন উপকাৰী আউৰ কৈত পাম ॥
বুঢ়ীৰ বচনে কল্পতৰু বৃক্ষ দিলা।
ৰাম ৰাম গুৰু আদি বিস্ময় মানিলা ॥

সবে বোলে বুঢ়ী ইতো কথা পাইলি কৈত।
বৈকুণ্ঠৰ লোক ইতো ছদ্মে আছে ঐত ॥
এহি মতে পটে যেবে নাট লেখিলন্ত।
নটুৱা আসিয়া তেবে সাঙ্গ কৰিলন্ত ॥

যাৰ যিবা বাহন তাহাক সাজিলন্ত।
মুখবন্ধ কৰি তাৰ ঠোঁঠ নিৰ্ম্মিলন্ত ॥
সভাৰ মাজক এক থান কৈলা যেবে।
ভূঞাঁ সবো তথাত মিলিলা যাই তেবে ॥

দিলন্ত শঙ্কৰো মালা কীৰ্ত্তন গাইলন্ত।
নৰোত্তম গুৰু দেবী পূজিবে গৈলন্ত ॥
শঙ্কৰে বোলন্ত দেবী পূজা যোগ্য নয়।
ভাৱনা কৰিলে কৃষ্ণ পূজিবে লাগয় ॥

ৰামৰাম গুৰুক শঙ্কৰে আদেশিলা।
মূল মন্ত্ৰ উচ্চৰিয়া কৃষ্ণক পূজিলা ॥
দেখি সমস্তৰে আনন্দৰ পাৰ নাই।
কৰিলা কীৰ্ত্তিন খোল চয়ক বজাই ॥

এহি মতে গধূলি সময় যেবে ভৈল ।
নানান দেশৰ পৰা চাহিবাক গৈল ॥
বিপক্ষ ব্ৰাহ্মণগণ যত আছিলন্ত ।
যাত্ৰা দেখিবাক লাগি সমস্ত গৈলন্ত ॥

বোলে শুনে সূত্ৰে বৰ কৰে মহতালি ।
শঙ্কৰ দেৱক দুষ্ট বিপ্ৰে পাৰে গালি ॥
আজি শঙ্কৰৰ সবে ভাঙ্গা আততাই ।
কেন মতে বৈকুণ্ঠক দিৱয় দেখাই ॥

এহি মতে বিপ্ৰগণে আলোচিয়া গৈল ।
বাত্ৰ ভূঞাঁগণ তৈতে এক থান ভৈল ॥
ভাৱনাৰ চোৰ যত সভা ঘৰে নিল ।
আৰ বস্ত্ৰ দিয়া তাক তৈতে ঢাকি থৈল ॥

চাৰি গোটা আৰিয়াক যত্ন কৰি থৈল ।
নৱ গোটা মহতা একত্ৰ কৰি লৈল ॥
গৰুতৰ মুখা সব জয়ক দিলন্ত ।
কেতাই খাৱে খোল দোহাৰত ধৰিলন্ত ॥

বলোৰাম হৰিধন মথুৰা সমে তিনি ।
বুঢ়া শ্ৰীৰাম গুৰু উঠিলা আপুনি ॥
কম্বলধৰা লক্ষণ ভোবোৰা দামোদৰ ।
তাল ধৰি গীত গাৱে লগে শঙ্কৰৰ ॥

উদাৰ সহিতে বৰ গোবিন্দো উঠিল ।
প্ৰথমতে শঙ্কৰে ৰাগক তুলি দিল ॥
লক্ষণৰ বৰ ভাই নামত বলাই ।
তিমিৰি ৰাগক দিল সবে আছে চাই ॥

বায়ু মণ্ডলীৰ ৰাগ দিলন্ত শঙ্কৰ ।
পাটিসোন্দা বৃক্ষ এক আছে ভয়ঙ্কৰ ॥
যেতিক্ষণে শঙ্কৰে ৰাগক তুলি দিল ।
দুই চৰ দিতে পাত সমস্তে সৰিল ॥

বহয়ে শোধক বায়ু অসঙ্ক অপাৰ।
আৰু দুই ফাকি ৰাগে পাট ভৈল তাৰ ॥
এহি মতে ৰাগ যেবে সাঙ্গ কৰিলন্ত।
পট মেলি বৈকুণ্ঠক আগতে থৈলন্ত ॥

সাত ঈশ্বৰৰ সাত প্ৰবেশ লাগয়।
পাঞ্চ নটুৱাক চাই আছন্ত নিশ্চয় ॥
আৰ দুইজন জানা ঈশ্বৰৰ লাগি।
ৰাম ৰাম গুৰুক মাতি আনিলন্ত আগি ॥

এক বৈকুণ্ঠৰ নাথ তাঙ্কে কৰিলন্ত।
আৰৰ বৈকুণ্ঠপতি আপুনি ভৈলন্ত ॥
শঙ্কৰে বোলন্ত বাহু লাগে চাৰিখান।
শুনা কেতাই গৰুতৰ মুখা এথা আন ॥

ধেমালিৰ আতাইল প্ৰবেশৰ বেলা হয়।
ৰঘু সনাতনে আড়িয়াক ধৰিছয় ॥
নটা ধেমালি চটা ধেমালিক বাইলা।
বৰ ধেমালিক বাই লোকক তুষিলা ॥

বৰ ধেমালিত পাঞ্চ গোটা বাইলা খোল।
বাসুকী মাগুলী বাদ্য বাইবাক লাগিলা ॥
পাছে ধৰিলন্ত দেৱ ধেমালিক গই।
আগে পাছে নৱ গোটা খোল গুৰু লই ॥

আঠ ভুজ বেকত কৰিলা তেতিক্ষণ।
লগায়া দিলন্ত মতা পৰম শোভন ॥
দিন সম ভৈল সিতো মতাৰ প্ৰকাশ।
বিপ্ৰ সকলৰ গৰ্ব্ব কৰিলন্ত নাশ ॥

ৰামৰাম গুৰু সৰ্ব্বজয়ে দেখিলন্ত।
অষ্টভুজ ভৈল বুলি কেহো নজানন্ত ॥
দেখিয়া সবাৰে আতি হৰষিত মন।
ধন্য ডেকা গিড়ি বুলি ঘোষে সৰ্ব্বজন ॥

শিৱৰ নটুৱা যেবে লক্ষণ ভৈলন্ত।
দোহাৰত যত্নে হৰিষে নাচিলন্ত॥
সতানন্দ বলোৰাম চৰণে নাচন্ত।
নিত্যানন্দ গায়নে গীতক লগাইলন্ত॥

প্ৰথমৰ প্ৰবেশ দিবাৰ বেলি ভৈলা।
মহতা লগায়া দিন সম কৰি থৈলা॥
কুহিলা যোৰায়া তাক কেঙ্গোৰা কৰিল।
কানিৰ আড়িয়া বাটী অগ্নি গঢ় দিল॥

বিচিত্ৰ পামৰি বস্ত্ৰে আড় কৰি ধৰি।
প্ৰথমে প্ৰবেশ দিলা শঙ্কৰ শ্ৰীহৰি॥
ৰামৰাম গুৰুই পাছে সূত্ৰ চিয়াইলন্ত।
আঙ্গি ভঙ্গি কৰি শ্ৰীশঙ্কৰে নাচন্ত॥

নটুৱা গণক এড়ি সবে তাঙ্ক চাই।
নাচে কাচে শঙ্কৰৰ সম কেহো নাই॥
সৰ্ব্বজয় আতৈ মুখা পিন্ধিয়া গৈলন্ত।
লম্ফ দিয়া শঙ্কৰে উপৰে উথিলন্ত॥

সাক্ষাতে গৰুড় যেন দেখিতে সুহাই।
শঙ্কৰ বসিলা পট বৈকুণ্ঠত যাই॥
অনন্তৰ শয্যাত তিনি বসিয়া আছন্ত।
পাৰিষদগণ তৈতে উপাসা কৰন্ত॥

ব্ৰহ্মাৰ মুখাক সৰ্ব্বজয়ে পিন্ধিলন্ত।
ৰামৰাম গুৰুৰ এবেশ যে ভৈলন্ত॥
আপুনি শঙ্কৰে সূত্ৰ বুলিয়া চিয়াই।
বস্ত্ৰ আৰ দিয়া আৰো মহতা লগাই॥

দিলন্ত প্ৰবেশ ৰামৰাম যে গোঁসাই।
আঙ্গি ভঙ্গি কৰি নাচে চৰণ চলাই॥
হৰৰ মুখাক পিন্ধি ৰঙ্গে ধৰ্জা গৈল।
আৰৰ বৈকুণ্ঠে নিয়া তাঙ্ক থাপি থৈল॥

তেহো অনন্তৰ শয্যা মধ্যে বসি আছে।
আৰৰ প্ৰবেশ যেবে ভৈল আসি পাছে॥
লক্ষণ হুইছে এক বৈকুণ্ঠৰ পতি।
প্ৰবেশক লাগি আইলা কৰি লীলা গতি॥

আৰৰ মহতা লগাই বস্ত্ৰ ধৰিলন্ত।
লক্ষণেও নাচি পাছে প্ৰবেশ দিলন্ত॥
সূত্ৰধৰ শঙ্কৰেও বচনে চিয়াই।
আৰো বৈকুণ্ঠত বসিবাক দিলা যাই॥

গায়ন সকলে গীত আনন্দতে গাই।
সমজ্যায়ে যেন বৈকুণ্ঠক আছে পাই॥
নজানিল সভাসদে কিবা ৰাত্ৰি দিন।
দেখি বৈকুণ্ঠক যেন পাপ ভৈল ক্ষীণ॥

নাৰীজনে নিচিনয় কোন জন স্বামী।
সবে হন্তে যেহেন ভৈলন্ত মোক্ষগামী॥
বালকে নিচিনে কোন জন মোৰ বাপ।
সমস্তৰে শৰীৰৰ অন্তৰিল পাপ॥

স্বামীয়ো নিচিনে এই মোৰ ভাৰ্য্যা বুলি।
শঙ্কৰৰ মায়ায়ে সবাকো থৈল ভুলি॥
ৰৰগঁয়া গিড়ি কেতাই খাৰে খোল বান্ত।
আনো সভাসদ লোক ৰঙ্গে বেঢ়ি চান্ত॥

# কৃষ্ণানন্দ দ্বিজ।

## পূর্ণ ভাগৱত।

নাহি জল নাহি স্থল নাহিকে আকাশ।
নাহি দিন ৰাত্রি বায়ু অগ্নিৰ প্রকাশ॥
চন্দ্র সূর্য্য নাছিলা নাছিলা দিশ পাশ।
তাতে আসি মহাপ্রভু ভৈলন্ত প্রকাশ॥

শূন্যে শূন্যে আছিলা শূন্যতে অনুপাম।
কিবা শূন্য আছিলা নাহিকে তান নাম॥
শূন্যৰ মলয় বায়ু ঘূৰিবাক লৈলা।
অনেক থানক হেম গুণ্ডিক আনিলা॥

এক পিণ্ড হুয়া সিতো ভ্রমিতে লাগিলা।
ভ্রমিতে ভ্রমিতে তাতে কত কাল গৈলা॥
কত কাল গৈলা তাৰ নির্ণয় নভৈলা।
স্মৃতিক লভিয়া পাছে ৰূপক ধৰিলা॥

যেন অংশে অগ্নি লাগি ভিতৰে জ্বলয়।
বাহিৰত দেখি মাত্র ধূম্র অতিশয়॥
তৃণ পাইলে সিতো অগ্নি ফেৰি বাজ হয়।
জ্বলিয়া লাগিয়া পাছে ব্রহ্মাণ্ড দহয়॥

সেহি মতে ধূম্র পাছে বহিবাক লৈলা।
মলয়াৰ বাওঁ লাগি ফেৰি বাজ ভৈলা॥
আকৃতি নাহিকে তান দিব্য এক মূল।
তেহে ব্রহ্মা ভৈল জগতৰ আদি মূল॥

মূল হন্তে এক গোট শবদ উঠিল ।
শব্দ গোট শূন্যক যে ব্যাপিয়া ৰহিল ॥
তেতিক্ষণে শূন্য তেতিক্ষণে হোৱে মূল ।
এতেকেসে শূন্য ব্ৰহ্মা জগতৰ মূল ॥

শব্দ হৈতে এক নাম ভৈল উৎপন্ন ।
চাৰি যুগ তেতিক্ষণে ভৈল উৎপন্ন ॥
সেই নাম হন্তে মায়া বিস্তৰ জন্মিলা ।
আপোনাৰ ৰূপে গুণে চাৰি যুগ ভৈলা ॥

প্ৰথমতে ভৈল যুগ কৃষ্ণ অন্ধকাৰ ।
অনিল স্বৰূপে পূৰ্ণে ভৈলা অৱতাৰ ॥
তাত পাছে যুগ আসি ভৈলা শূন্যাকাৰ ।
নিগ অৱতাৰ পূৰ্ণ চন্দ্ৰেৰ আকাৰ ॥

তাত পাছে আকাৰ যুগ আসি ভৈলা ।
পুষ্প অৱতাৰো পূৰ্ণে তথাত ধৰিলা ॥
নৈৰাকাৰ বিন্দু যুগ ধৰিলন্ত পাছে ।
জন নাম ধৰি তাতে পূৰ্ণে যেৱে আছে ॥

এহি চাৰি যুগ ৰাজা আছয় নিৰ্ণয় ।
চাৰিয়ো যুগত পূৰ্ণে কৰিছে বিষয় ॥
নিৰ্ণয়ত চাৰি যুগ যদি লিন গৈল ।
ততকাল মানে পূৰ্ণে শূন্যতে ঘূৰিল ॥

চেতন লভিয়া চাৰি যুগ দিন গৈল ।
প্ৰভুৰ জন্মৰ কথা তত্ত্বমান ভৈল ॥
কত কাল মানে হেম গুণ্ডিকা আনিলা ।
কত কাল মানে পাছে ভ্ৰমণ কৰিলা ॥

মূল হৈয়া কত দিনে শবদ উঠিলা ।
মলয়া গুণ্ডিক ভ্ৰমি শব্দ যেবে ভৈলা ॥
যুগ পাতি চাৰিৰ যে নিৰ্ণয় কৰিলা ॥

শব্দ ব্ৰহ্ম আপুনি আকাৰ নৈৰাকাৰ ।
পূৰ্ণৰূপে ভৈলা বাজ আদি যে ঈশ্বৰ ॥
বাজ হৈয়া আদি দেৱে চক্ষু মেলি চাইলা ।
বসিবাৰ ঠাই কৈত বিচাৰি নপাইলা ॥

মনে মনে গুণি পাছে মায়ারে সজিল ।
যোগবলে ধ্যান কৰি শূন্যতে বসিল ॥
যোগবলে লক্ষ্মী যেন উপৰে উৰাই ।
এহি মতে পূৰ্ণ যেবে শূন্যতে ঘূৰই ॥

যেন ধ্যানে যোগী থাকি চেতন লভয় ।
সেহি মতে যোগ ধৰি চিন্তন্ত সদায় ॥
মায়া বলে নিৰ্ম্মিলা সমস্ত তত্ত্বগণ ।
তাতে প্ৰবেশিলা অন্তৰ্য্যামী নাৰায়ণ ॥

পঞ্চ তত্ত্ব পাতিলন্ত খেলা ।
শুনিয়া ভুবন খান শূন্যতে থাপিলা ॥
তিনি গুণে তিনি জোৰি তলত আৰিলা ।
শব্দ বিন্দু পঙ্কজক উপৰে স্থাপিলা ॥

তাহাৰ উপৰে ৰক্ত জলক বসাইলা ।
তাহাৰ উপৰে শুক্ল পদ্মক থাপিলা ॥
পদ্মৰ উপৰে পাছে মেণ্ডকী বসাইলা ।
তাহাৰ উপৰে পাছে কচ্ছপ স্থাপিলা ॥

তাহাৰ উপৰে সৰ্প ৰূপক বসাইলা ।
তাহাৰ উপৰে পূৰ্ণ অনন্ত যে ভৈলা ॥
তাহাৰ অনন্ত ফেণা জ্যোতিস্কাৰ ভৈলা ।
তাৰ আঠ ফেণা আঠ দিকে বহি গৈলা ॥

তাহাৰ উপৰে পাছে দিশক থাপিলা ।
তাহাৰ উপৰে যেবে পৰ্ব্বত থাপিলা ॥
এহি মতে পূৰ্ণ ব্ৰহ্ম ছান্ন হুয়া ৰৈলা ॥

---

পঞ্চ তত্ব নিৰঞ্জনে কৰিলা সৃজন।
ৰূপ ৰস শব্দ বিন্দু পৰশ কাৰণ ॥

---

মথন ভৈলেসে বিন্দু অমৃত উপয়।
বিন্দু সমে ৰক্তৰাশি একত্রে মিলয় ॥
তেজ সঙ্গে ৰূপ বাঢ়ে জানিবা নিশ্চয়।
দুগ্ধ জলে ৰস আক জানিবা নিশ্চয় ॥

চাৰিৰ মাঝত শব্দ সঘনে উথয়।
আকে পঞ্চতত্ব বুলি ছেদিলোঁ সংশয় ॥
পঞ্চতত্ব আকে বোলে পূৰ্ণ সঙ্গে ভৈলা।
জল স্থল ৰূপে প্ৰভু শূন্যতে থাকিলা ॥

আপুনাৰ মুখে পাছে শব্দ উচ্চাৰিলা।
ওঙ্কাৰ চঙ্কাৰ টঙ্কাৰ নাম বাজ ভৈলা ॥
স্রজন পালন সংহাৰণ যেবে ভৈলা।
এহি মতে তিনি নাম গুণত ৰহিলা ॥

সত্ব গুণে নিজ নাম ভকতে বাজ কৈলা।
শবদ স্বৰূপে প্ৰভু গায় গায় দিলা ॥
ঘৰে ঘৰে ব্ৰহ্ম নাম প্ৰচাৰ কৰিবোঁ।
কোটিৰ মাঝত গোটেক বুজিয়া লইবোঁ ॥

পঞ্চতত্ব এক হুয়া পদ্মে ৰহি আছে।
পঞ্চতত্ব এক হুয়া মেণ্ডকা ৰহি আছে ॥
পঞ্চতত্ব এক হুয়া কচ্ছপ ৰহিয়াছে।
পঞ্চতত্ব এক হুয়া সৰ্প ৰহিলন্ত পাছে ॥

পঞ্চতত্ব এক হুয়া দিগজ ৰহি আছে।
পঞ্চতত্ব এক হুয়া পৰ্ব্বত ৰহিছে ॥
এহি বাৰ জন ভক্ত সচঙ্গতে আছে।
তিনি জনে সঙ্গ কৰিলন্ত পাছে ॥

তিনি ৰূপৰি তিনি নাম সঙ্গ হুয়া আছে।
পঞ্চ ৰক্ত পদ্মে সঙ্গ কৰিলন্ত পাছে॥
কাশ্যপ মেণ্ডুকী সৰ্পে সঙ্গ কৰিলন্ত।
অনন্তে দিগজে পৰ্ব্বতে সঙ্গযে ভৈলন্ত॥
সত্বগুণে ভক্ত ৰজোগুণে পাৰিষদ।
তমোগুণে যোগী আৰু শুনিয়া আনন্দ॥
পঙ্কজে নিৰ্গুণ ৰক্তে একান্তিক হয়।
পঙ্কজে কেৱলা জানিবা নিশ্চয়॥
কচ্ছপে পাৰিষদ মেণ্ডুকী ভকত।
পৰ্ব্বতে কোকিবা তৰা জানিবা সমস্ত॥
বাৰ জন বৈষ্ণৱ আৰ জানিবা নিশ্চয়।
তিনিৰ স্বৰূপে সাৰ কীৰ্ত্তন কৰয়॥

---

ধুপ দীপ পুষ্প গন্ধ চন্দন সম্ভাৰ।
আপুনাতে থাকি সবে কৰে জোতিস্কাৰ॥
হৃদি মধ্যে জীৱ ৰাখি চিন্তিবাক লৈয়া।
তালু মূলে গুৰু নিয়া আসনে বৈসায়া॥
নামে নামে ধৰি অষ্ট শত জপ কৰে।
কীৰ্ত্তনক স্মৰি থাকে কণ্ঠৰ ভিতৰে॥
পৰমাত্মা গুৰু জীবাত্মা শিষ্য বুলি জানে।
সেবাৰূপ স্মৰি চলি যাই নিজ স্থানে॥
নিজ নাম যেবে জীৱ হুয়া আছে।
এক নাম পৰমাত্মা সূৰ্য্য যে প্ৰকাশে॥
চন্দ্ৰ সূৰ্য্য দুই জন ভিতৰতে আছে।
আৰু দুই জন বাজে থাপিলন্ত পাছে॥
বাহিৰৰ চন্দ্ৰ সূৰ্য্য দিন ৰাত্ৰি প্ৰায়।
ভিতৰৰ চন্দ্ৰ সূৰ্য্য একত্ৰে জ্বলয়॥
প্ৰলয় ভৈলেসে তাৰ হৈৱ দিন ৰাত্ৰি।
সবাকে পালিয়া যত্নে আছে যেন পিতৃ॥

জীব আত্মা গোট শিষ্য পৰমাত্মা গুৰু।
বায়ুৰূপে প্ৰবেশিলা যেন কল্পতৰু॥
ওঁ বুলি উথে শব্দ পৰমাত্মা বাজ হই।
সোহহং বুলি সুখাই গুৰু চক্ৰত ঘূৰাই॥

সোহহং হংসঃ দুই নামে গুৰু আসে যাই।
পৰমাৰ্থী জনে মাত্ৰ বিচাৰিয়া পাই॥
ওঁ সোহহং হংসঃ এহি তিনি জনে সঙ্গী জান।
তিনি নামে তিনি শক্তি পূৰ্ণ বুলি জান॥

গুৰু শিষ্য একেকাৰ ভিন্নাভিন্ন নাই।
পৰিচয় পাইলে দুয়ো হৱে এক ঠাই॥

---

আকাশৰ শব্দ গুণ, বায়ুৰ স্পৰ্শ গুণ, অগ্নিৰ ৰূপ গুণ, জলৰ ৰস গুণ, (জলৰ মধুৰ শীতল গুণ) পৃথিবীৰ গন্ধ গুণ, এহি পঞ্চ ভূত। ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ, এহি পঞ্চ তত্ত্ব। চক্ষু, কৰ্ণ, নাসা, বাক্য, চৰ্য্য, জিহ্বা, হস্ত, পদ, গুহ্য, লিঙ্গ, এই দশ ইন্দ্ৰিয়, ইহাৰ অধিকাৰী দেৱ; চক্ষুৰ আদিত্য, কৰ্ণৰ দিশ, নাসিকাৰ অশ্বিনী-কুমাৰ, বাক্যে হুতাশন, চৰ্য্যে বায়ু, জিহ্বায় বৰুণ, হস্তত ইন্দ্ৰ, পদে বিষ্ণু, গুহ্যত মিত্ৰ, লিঙ্গে প্ৰজাপতি। এহি দশ জন ইন্দ্ৰিয়ৰ অধিকাৰী দেৱ। একে মনৰ চাৰি ৰূপ, মন, বুদ্ধি, চিত, অহঙ্কাৰ। মনক নবানন্দ বোলে, বুদ্ধিক ভবানন্দ বোলে, চিতক নিৰঞ্জন, অহঙ্কাৰক চিত্ৰকেতু বোলে, ইহাৰ অধিকাৰী দেৱ, মনৰ চন্দ্ৰ, বুদ্ধিৰ ব্ৰহ্ম, চিতৰ বাসুদেৱ, অহঙ্কাৰৰ ৰুদ্ৰ, পঞ্চ মহাভূত। দশ ইন্দ্ৰিয় ও মন এহি প্ৰকৃতিৰ বিকাৰ জানিবা। পঞ্চ মহাভূত ও পঞ্চ তন্মাত্ৰা। দশ ইন্দ্ৰিয়। মন, বুদ্ধি, চিত, অহঙ্কাৰ, এহি চবিশ তত্ত্ব বুজি লইবা।

ইহাৰ সঙ্গতি কহো শুনা—ৰূপে বিন্দু দুই সঙ্গী। স্পৰ্শ ও শব্দ ও ৰসে সঙ্গী। আকাশ ও বায়ু ও পৃথিবী এই তিনে সঙ্গী। অগ্নি ও গন্ধে সঙ্গী। চক্ষে চক্ষে দুয়ে সঙ্গী। কৰ্ণে কৰ্ণে দুহে সঙ্গী। হস্তে হস্তে দুহে সঙ্গী। পদে পদে দুহে সঙ্গী। গুহ্যে একা লিঙ্গে একা, এইৰূপে দেখ বাহিৰৰ সঙ্গী।

এবং ভিতৰৰ সঙ্গীৰ কথা শুনা—চক্ষে ও আদিত্যে সঙ্গী। কৰ্ণে ও দিশে, নাসিকা ও অশ্বিনীকুমাৰে সঙ্গী। বাক্যে ও হুতাশনে সঙ্গী। চৰ্য্যে ও বায়ুয়ে

সঙ্গী। জিহ্বায় ও বৰুণে সঙ্গী। হস্তে ও ইন্দ্রে, পদে ও বিষ্ণুয়ে, গুহে ও মিত্রে লিঙ্গে ও প্রজাপতিয়ে, চিতে ও বাসুদেবে, মনে ও চন্দ্রে, বুদ্ধি ও ব্রহ্মায়, অহঙ্কারে ও রুদ্রে, প্রকৃতি ও মহাতত্ব এই মতে সঙ্গী হৈ আছে।

নিবিৰ সেৱাৰ দ্রব্যাদি শুনা—প্রকৃতি সানিদ্র মহততে নিষ্পার্ণ চক্ষুয়ে গাছা আদিত্যে বাতি, কর্ণে আসন, দিশে ধুপ, অশ্বিনী কুমাৰে চন্দন, বাক্যে কৰণ্ডি হুতাশনে পুষ্প, চর্য্যে কৰণ্ডি। বায়ুয়ে পাণ। জিহ্বায় কৰণ্ডি, বৰুণে চূণ, হস্তে কৰণ্ডি, ইন্দ্রে তাম্বুল, পদে অগ্নি, বিষ্ণুয়ে প্রসাদ, গুহে আসন, মৃথুয়ি কল, লিঙ্গে ঠগা, প্রজাপতিয়ে দেবে আদা গাজি ও লবণ, এহিমতে পঞ্চতত্ব একে পূর্ণে মিলিছে। ডুই জনীয়া ও তিনি জনীয়া সঙ্গী কৰি আছে। চক্ষুয়ে গাছা, চৰণে চাতি, অচলা পুৰুষৰ ধূলায় শিহা, সন্তমণি ঈশ্বৰৰ কৃপায় তেল, আদিত্যে বাৰুণী বাড়ি। ব্যাপক ঈশ্বৰ যি নাম লবে, সেই অগ্নি, পূর্ণব্রহ্ম আদিত্য স্বৰূপে প্রদীপ হুয়া আছে। ইহাকে ছয় জনীয়া সঙ্গ বোলে। আসনে ও ধুপে ও অগ্নি তিনে, সঙ্গী।

আসনে চন্দনে ডুয়ে সঙ্গী। কৰণ্ডি পুষ্পে ডুয়ে সঙ্গী। কৰণ্ডি ও তাম্বুল পাণ ও চূণে সঙ্গী। এহি তিনি জনে যুথু একত্রে কৰে, এতেকে প্রাণ সঙ্গী বোলে, ঠগিয়ে প্রসাদে ডুই সঙ্গী। আসনে কলে ডুই সঙ্গী। ঠগি প্রসাদ ও আদা লবণ, এই চাৰি সঙ্গী। ইত্যাদি পূর্ণ ব্রহ্মায় হৈছে।

পঞ্চ মহাভূতৰ আসন কহোঁ শুনা। ৰক্ত মাংসৰ মাঝে ৰস বহিছে। মাংস ভৰি নাৰীৰ মাঝে শব্দ বহিছে। ইৰা ও পিঙ্গলা—নাৰীৰ বিন্দু বহিছে। হেথ কমল নাৰীৰ মাঝে স্পর্শ বহিছে। এহি স্বৰূপে পূর্ণ ব্রহ্ম সৎসঙ্গতে আছে। আকাশ ৰহিছে নাভি পদ্মঁত। বায়ু ৰহিছে চন্দ্রমণ্ডলত। অগ্নি ৰহিছে কুণ্ডলী ধৰণী নাৰীৰ মাঝে। পৃথিবী ৰহিছে ক্ষুদ্র ব্রহ্মাণ্ড হুই। এহি পঞ্চ আসন একে পূর্ণে ব্রহ্মে সূত্রক স্বৰূপে হই আছে॥

# ভকতীয়া ফঁকৰা।

১। আগে উঠে গোৰে নামে কায়স্ত বোলই।
মাজত ভৰি দিলে ককাল ভাগই॥

২। যোনি লিঙ্গ নাই তাৰ সত পুত্ৰ হই।
মাকেৰে সতিনী খাতি কুলক ৰাখই॥

৩। কথা শুনুতে লাগে ভই।
ভকতক মাৰি ভকতে খাই।
এই কথা পাবলৈ নাই॥

৪। মৰাই জীয়াই নহবা কথা।
আপুনি মৰিবা লোকৰো খাবা মাথা॥

৫। মৰাই মৰাই হবা কথা বতৰা।
তেহে চিনিবা আপোন ভতৰা॥

৬। গুৰুক মাৰিবা গৰুকো মাৰিবা অতিথিক নিদিবা ঠাই।
ভাল ভাল ভকতক টঙ্গনিয়াই মাৰিবা এতেকে হৰিক পাই॥

৭। ভকতে কৰে লুটিয়ালুটি।
সংসাৰী মৰে চকু ফুটি॥

৮। চোৰ ডকাইতৰ নেৰিবা সঙ্গ।
তেহে মনৰ মিলিব ৰঙ্গ॥

৯। মোৰ আগত লচপচ কৰি নেদেখাবি হিয়া।
গাহে দেখিছা লেৰেলা মোক, কেতিয়াও নকৰাও বিয়া॥

১০। পোকৰে খাই মুখে হাগে।
সেই দ্ৰব্য গোঁসাইত লাগে॥

১১। জেওৰাই গিলিলে বাৰি, গোহালিয়ে গিলিলে গৰু।
গিদৰ নোমেৰে, গোসাই সেৱা কৰে নুবুজা যদি তুমি হে হবা সৰু॥

১২। এনে দেখা শুনা নাই।
মাক নওপজোতে জিয়েকে লৰা পাই॥
ভকত ভিক্ষা দিওঁ লোৱা।
দহ সঙ্গীয়া ভেকোলা মৰি আছে তাৰ কথাকোৱা॥

১৩। বৌ মাছে পোনাদিলে গছৰ আগত।
চিলনীয়ে কিবা খাই এনুৱা দিনত॥

১৪। পানীৰ ওপৰে খেতি বামত ধৰে মাছ।
খৰাহিত ভাত সিজাই তাতে পাবা সচ॥

১৫। ভৰি এৰি বিৰলিয়ে সভাত বহিছে।
চল পাই নিগনিয়ে গলত ধৰিছে॥

১৬। ৰাইজ ঔ ৰাজাৰ শৰণ।
ঘৈনীয়ে মাছ খাই বোন্দাৰ মৰণ॥

১৭। বাপে পোৱে কটাকটি মায়ে সৈতে বিয়া।
মূৰত উঠি হাগা যদি তেহে বুজা দায়া॥

১৮। দাঁত নাই শিল চোবাই দুই হাতে ধৰি।
গছৰ আগত হাল বাই ভৰাল বান্ধে কুৰি॥

১৯। পাচি পাচি কৰি মাছ ধৰিছে ভেটাত।
ঘৰলৈ আহি ককাইৰে খাই শুদা ভাত॥

২০। ধৰিবা জনম লাখুতি চলাই যাতিলে নেযাবা দেই।
খেতি বাতি নকৰাকৈ ঘৰতে বহি খাবলৈ পাই॥

২১। হোল-গোজ বুঢ়াই দলিৰ ভাৰবৈ ফুৰে।
খাওন পিন্ধন আকে ভক্তি বুলি কই॥

২২। ওভোটা গছৰ নিচিঙ্গা ফুল।
ওভোটা ধাৰৰ নেযাবা কোল।
মাছৰ আগ্গাৰ ৰাখিবা জোল।
তাকে খাই পাবা হৰিৰ কোল॥

২৩। উলুগুটি উলাফল বেঙ্গেনা চাৰি ফাল।
গৈছে সামডেকা আহিল কোন কাল॥

২৪। অপৌডিমা মাছ ডিডিম চৰাই।
উপজি কোন গছ মৰে।
অকু কোৱাচোন সাৰে।
তেতিয়া ডেও মানি সাৰে॥
জালত পৰিল মাত্রে জাঠিৰে খুচিলে।
তথাপি নমৰে সিতো কে'ও হাক দিলে॥

মকৰাজালত পাছে হস্তী আছে পৰি ।
তাক দেখি পিপৰাই উঠাই হাতে ধৰি ॥
ফেটী গোমৰ ৰাগ দেখি সবেও দৰাই ।
ভেকোলাৰ পাৰত ধৰি সৰ্পেও কান্দই ॥
হাল নাই গৰু নাই খেতি কৰে পানীত ।
আঠোটা ভৰাল বান্ধি ভাত নাই পেটত ॥
ডাঙ্গোন পালে আঠু লই ।
বাপেৰ ভাল মাত পালে তাই চুলিত ধৰি যাই ॥
গছৰ আগত খুটি মাৰি ভাত খাই যাই ।
তাক দেখি কাউৰীয়ে দেশ এৰি যাই ॥
ধান নাই মৰাণ মাৰে দহোটা গৰুৰে ।
পোষ্ক মাৰি ধান বানে তেও লাজ পৰে ॥
সভা পাতি বোন্দা বহে হই মহামানী ।
নেখালে গুচয় ভোক জানিছে আপুনি ॥
চোৰ ডকাইতৰ সঙ্গে কৰিবা বাস ।
এতেকেসে দিনে ৰাতি কৰি থাকা হাস ॥
স্বামী নাই যোনি নাই শত পুত্ৰ হই ।
মৰিলে শগুণে খাই আমাত নাই দাই ॥
বুঢ়ীবেটী লৰা ফুকাই দহ পাচি মান ।
পথাৰত শেলি চৰাই হাতে লই টোকান ॥

# দামোদৰ দাস।

## মহাভাৰত ( দ্ৰোণ পৰ্ব্ব )

### দ্ৰোণ বধ।

সঞ্জয় বদতি শুনিয়োক নৃপবৰ।
ধৰ্ম্মৰাজে শুনি হেন বচন কৃষ্ণৰ ॥
অনন্তৰে মাথা তুলি বুলিলা বচন।
কৰিবো তোমাৰ আজ্ঞা কমল লোচন ॥

সেহি সময়ত গুৰু দ্ৰোণ উপস্থিত।
পুত্ৰৰ কুশল পুছিলন্ত নৃপতিত ॥
শুন বাপ ধৰ্ম্মৰাজ বচন আমাৰ।
শিশুকাল হন্তে জানো স্বভাৱ তোমাৰ ॥

এতেকে নৃপতি মই আসিলো আপুনি
অশ্বথামা তনয়ৰ মন্দ বাৰ্ত্তা শুনি ॥
ভীমৰ বাক্যত মোৰ নাহিকে প্ৰত্যয় ॥
হেন জানি নৃপতিবৰ গুছায়ো সংশয় ॥

চিৰঞ্জীৱ পুত্ৰ মোৰ দেৱতাৰ বৰে।
তাক কেন মতে বধিলন্ত বৃকোদৰে ॥
এহি বুলি মৌনে ৰহিলন্ত দ্বিজবৰ।
নিঃশবদে থাকিল পাণ্ডৱ নিৰন্তৰ ॥

হেন শুনি অসন্তোষে পাণ্ডুৰ নন্দন।
গুণি গান্থি কতোক্ষণে বুলিলা বচন ॥
অধৰ্ম্মক ভয়ে বাক্য নাসয় মুখত।
তথাপি কহিলা অশ্বথামা হৈল হত ॥

কিন্তু গজ বোলন্তে সমস্তে সেনাগণে।
দিলেক জোকাৰ বাসুদেৱৰ বচনে॥
অব্যক্তে কুঞ্জৰ বুলিলন্ত নৃপবৰে।
সেহি পাপে চাৰি ঘোৰা তাহান ৰথৰে॥

তেতিক্ষণে আসি সবে পৰিল ভূমিত।
দেখিয়া সমস্ত লোক ভৈলেক বিস্মিত॥
পূৰ্ব্বে পৃথিবীৰ চাৰি আঙ্গুল উপৰে।
ফুৰিছিল ৰথৰ ঘোটক নিৰন্তৰে॥

অশ্বত্থামা হত গুৰু দ্ৰোণে শুনিলন্ত।
পুত্ৰ শোকে জীৱনৰ আশা এৰিলন্ত॥
মহা দুঃখে মনত গুণন্ত দ্বিজবৰ।
অকাৰণে অপৰাধী হৈলো পাণ্ডৱৰ॥

যাহাৰ নিমিত্তে হেন কৰিলো অকাৰ্য্য।
সিতো পুত্ৰ মৰি গৈল যমৰ সমাজ॥
স্বধৰ্ম্মক এৰি পৰ ধৰ্ম্ম আচৰিলোঁ।
ব্ৰহ্ম অস্ত্ৰ প্ৰহাৰিয়া অন্যায় কৰিলোঁ॥

ইহ পৰ লোকে সুখ গুচিল সকলে।
হৈলোহো নৰকী মই নিজ কৰ্ম্ম ফলে॥
এহিমতে বিলাপন্তে আছিল ৰথত।
হেন দেখি ধৃষ্টদ্যুম্ন সেহি সময়ত॥

খেদি গৈলা অতি ৰথী নৱ ধনু খান।
মেঘৰ সদৃশ ধ্বনি বজ্ৰ যেন বাণ॥
আশাবিষ সম আৰু শৰ বাচি লৈলা।
দেখিয়া আচাৰ্য্য বৰ ভয়াতুৰ ভৈলা॥

পূৰ্ব্ব দিনে ৰাতি ঘোৰ কৰিলা সমৰ।
পৰ দিনো হৈল আসি ত্ৰিতয় প্ৰহৰ॥
আছিলেক দিব্য অস্ত্ৰ দেৱতাৰ যত।
নাহিকে টোণত শৰ হৈল সমাপত॥

তনয়ৰ শোকানলে দহয় শৰীৰ।
বচন সুমৰি সিদ্ধ দেৱতা ঋষিৰ ॥
ধনু শৰ এৰিবাক কৰিলন্ত মন।
সেহি বেলা ভীমে আসি বুলিলা বচন ॥

নকৰে সমৰ যুদ্ধে যিতো ক্ষত্ৰিবৰ্গ।
স্বধৰ্ম্ম এড়নে নপাৱয় সিতো স্বৰ্গ ॥
এতেকে কৰয় হিংসা আমি স্বধৰ্ম্মত।
তথাপি অহিংসা শ্ৰেষ্ঠ কহিছে শাস্ত্ৰত ॥

ভৰদ্বাজ ঋষি ৰাজ জগতে প্ৰখ্যাত।
তুমি মহা ব্ৰহ্মজ্ঞানী তান্তে হন্তে জাত ॥
চাৰি বেদ চৈধ্য শাস্ত্ৰ সমস্তে পঢ়িলা।
শুদ্ধজনে চণ্ডালৰ কৰ্ম্ম আচৰিলা ॥

পুত্ৰৰ নিমিত্তে উপাৰ্জ্জিবে ধন মান।
ধৰ্ম্মী অধৰ্ম্মীক জপাই সংহৰিলা বাণ ॥
সিতো পুত্ৰ মৰি পৰি আছে ধৰণীত।
অন্যায় অৰ্জ্জিত কি কৰিব ধন বিত ॥

ভীমৰ বচন হেন শুনি গুৰু দ্ৰোণে।
এড়ি ধনু শৰ খসাই থৈল দুই টোণে ॥
পাছে কৰ্ণ কৃপ দুৰ্য্যোধন নৃপতিক।
বুলিলা বচন হেন শুনায়া তিনিক ॥

নকৰো সমৰ এৰিলোহো ধনুশৰ।
হেন জানি তোৰা সবে যুদ্ধে যত্ন কৰ ॥
কুশল মঙ্গল হৌক পঞ্চ পাণ্ডৱৰ।
লোকক নিৰ্ভয় পাছে দিলা দ্বিজবৰ ॥

হৈলন্ত ব্যাকুল পুত্ৰ শোকে আপোনাৰ।
অশ্বত্থামা অশ্বত্থামা বুলি বাৰম্বাৰ ॥
দিয়া দীৰ্ঘ ডাক ৰথ মধ্যে পৰি ৰৈলা।
কতোক্ষণ অন্তৰে যে সন্ধুক্ষণ ভৈলা ॥

মছি আখি মুখ দুঃখে নিশ্বাস তেজিয়া।
ৰহিলেক ৰথে পাছে চিত্তক দঢ়ায়া॥
এৰিলা পুত্ৰৰ শোকে থিৰ কৰি মন।
যোগ চিন্তিবাক প্ৰতি কৰিলা আসন॥

যেতিক্ষণে দ্ৰোণে যোগ চিন্তিবাক লৈলা।
দেখি ধৃষ্টদ্যুম্নে ধনুশৰ পেলাই থৈলা॥
ৰথৰ নামিয়া দিব্য খাণ্ডাখান ধৰি।
দ্ৰোণ বধ অৰ্থে খেদি গৈলা শীঘ্ৰ কৰি॥

দেখি কতো লোকে কৰিলেক হাঁহাঁকাৰ।
কতো কৰিলেক ধৃষ্টদ্যুম্নক ধিকাৰ॥
কুতুহলে কিল কিল পাঞ্চালে কৰিল।
সেনাপতিগণে কাটিবাক নিষেধিল॥

দেখি ধনঞ্জয়ে হাক দিলা বাৰম্বাৰ।
নকাটিবা নকাটিবা গুৰুক আমাৰ॥
ধৃষ্টদ্যুম্নে কাহাৰো নুশুনি হাক ডাক।
খাণ্ডা তুলি যাই দ্ৰোণ শিৰ কাটিবাক॥

ফুটিছে সহস্ৰ শৰে দ্ৰোণৰ শৰীৰ।
ঘাৱ মুখ হন্তে ধাৱে বহয় ৰুধিৰ॥
কৰ্ণমূলে পড়ি আছে সকুঞ্চিত কেশ।
দুৰ্ব্বাদল শ্যাম তনু দেখিতে সুবেশ॥

বয়সত চাৰিশ্ৰত বৎসৰ দ্ৰোণৰ।
সমৰত ফুৰে যেন ষোড়শ বৎসৰ॥
দশো দিশ হন্তে চাহি আছে ৰাজাগণ।
বসিয়া আছন্ত ৰথে কৰি যোগাসন॥

ইন্দ্ৰিয় নিয়ামি ব্ৰহ্মে লগাইলেক চিত্ত।
চলি গৈল পঞ্চবাণ হৈগেল লম্বিত॥
প্ৰকাশি গগণ গৈল ব্ৰহ্মাৰ ভুৱন।
নেদেখিলা আনে দেখিলন্ত পাঞ্চজন॥

কৃষ্ণ ধনঞ্জয় অশ্বত্থামা যুধিষ্ঠিৰ।
দেখিলোহোঁময়ো ৰাজা প্ৰসাদে ঋষিৰ ॥
সেহি বেলা ধৃষ্টদ্যুম্ন পাঞ্চাল কুমাৰে।
কাটিলা দ্ৰোণৰ শিৰ খাণ্ডাৰ প্ৰহাৰে ॥

পাছে খাণ্ডা খান পাক ফুৰাই আকাশত।
কৰিলেক ঘোৰ সিংহ নাদ আনন্দত ॥
ৰথ হন্তে গুৰু দ্ৰোণ ভূমিত পৰিল।
হেন দেখি তযু সেনা সমস্তে ডৰিল ॥

ধৰ্ম্মক এৰিয়া সংহাৰিলা শত্ৰু ৰণে।
পৰম আনন্দ লভিলন্ত পাণ্ডুগণে ॥
অনন্তৰে আগ বাঢ়ি বীৰ বৃকোদৰে।
পাঞ্চালক আলিঙ্গন কৰিলা সাদৰে ॥

মুখ চাই পাছে হেন বুলিলা বচন।
পুনৰপি তোমাক কৰিবো আলিঙ্গন ॥
ক্ৰূৰকৰ্ম্মা কৰ্ণক দ্বৈৰথ সমৰত।
আমাৰ সোদৰে সংহাৰিবে সিকালত ॥

এহি বুলি আনন্দে ৰহিলা ভীম তথা।
শুনা নৃপবৰ আত পৰে পাছ কথা ॥
বাসৰৰ পৰাজয় পৰিল ভাস্কৰ।
মেৰুত পতনে যেন শুখাই সাগৰ ॥

সেহিমতে ভৈল গুৰু দ্ৰোণৰ মৰণ।
দেখি দুৰ্য্যোধন ভৈলা সজল নয়ন ॥
তোমাৰ পুত্ৰক আসি বেৰিল তুৰিত।
কাম্পয় শৰীৰ হুয়া ধূলায়ে আবৃত ॥

তেসম্বে সহিতে পাছে ৰাজা দুৰ্য্যোধন।
পলাই গৈল দশো দিশ কৰি নিৰিক্ষণ ॥
ক্ষুধায়ে তৃষায়ে ৰৌদ্ৰে শৰৰ প্ৰহাৰে।
ভৈল আশকত ধৈৰ্য্য গুচিল সবাৰে ॥

দেখি অশ্বত্থামা দুৰ্য্যোধনত পুছিলা।
পৰম অপ্ৰিয় কথা ৰাজা নকহিলা॥
দ্ৰোণীক দেখিয়া শোক শতগুণ ভৈলা।
বহয় লোতক দুঃখে অধোমুখে ৰৈলা॥

অনন্তৰে কৃপ গুৰু হুয়া যে লজ্জিত।
প্ৰপঞ্চি সমস্ত কথা কহিলা দ্ৰোণীত॥
যেন মতে দ্ৰোণে বীৰগণ সংহৰিলা।
যেন মতে ভীমে গজৰাজক বধিলা॥

যেন মতে বৃকোদৰে দ্ৰোণত কহিলা।
যেন মতে গুৰু যুধিষ্ঠিৰত পুছিলা॥
যেন মতে ধৰ্ম্ম নৃপবৰে কহিলন্ত।
যেন মতে গুৰু অস্ত্ৰ এৰি বসিলন্ত॥

যেন মতে ধৃষ্টদ্যুম্নে ধৰিয়া কেশত।
কাটিলা দ্ৰোণৰ শিৰ সবাৰে আগত॥
সিটো কথা সমস্তে দ্ৰোণীত কৃপে কৈলা।
শুনি অশ্বত্থামা শোকে ক্ৰোধ যুক্ত ভৈলা॥

পাছে নৃপতিৰ মুখ কৰি নিৰীক্ষণ।
নিশ্বাস তেজিয়া হেন বুলিলা বচন॥
শুনা দুৰ্য্যোধন ৰাজা বচন আমাৰ।
পৰম অধৰ্ম্মী ধৰ্ম্ম পুত্ৰ কুলাঙ্গাৰ॥

ৰাজ্যৰ নিমিত্তে মহা পাপ কৰিলেক।
মিছা বুলি আমাৰ পিতৃক বধাইলেক॥
পৰম ধাৰ্ম্মিক হেন দেখায় লোকত।
নুহিকে ধৰ্ম্মিক ধৰ্ম্ম ধ্বজি স্বৰূপত॥

যেন খণ্টাচাৰে ভাল মন্দ নিবিচাৰে।
ধনৰ লোভত গুৰু ব্ৰাহ্মণক মাৰে॥
সেহি মতে ইটো মন্দমতি যুধিষ্ঠিৰ।
অধৰ্ম্মে কাটিলা শিৰ আমাৰ পিতৃৰ॥

মন্ত্রে সমন্বিতে দেৱঅস্ত্র সুৰঅস্ত্র ।
শিষ্য হুয়া কুন্তী পুত্রে শিখিছে সমস্ত ॥
তথাপিতো গুৰু বধ কৰিল পাপিষ্ঠ ।
এতেকে তোমাত ৰাজা কহো নিষ্টে নিষ্ট ॥

যুধিষ্ঠিৰ ৰাজাৰ যে শিৰৰ শোণিত ।
শৰৰ প্রভাৱে ছেদি পেলাইবো মহীত ॥
নাহিকে মোহোৰ দুঃখ পিতৃ মৰণত ।
যিহেতু নিবাস ভৈল ব্রহ্ম ভুৱনত ॥

পাপিষ্ঠ পাঞ্চালে মোক অনাদৰ কৰি ।
কাটিলা পিতৃৰ শিৰ কেশ কৰে ধৰি ॥
ইহাতেসে অধিক দহয় হিয়া শোকে ।
কিসক কৰিব পুত্র ইচ্ছা আন লোকে ॥

এতেকে নৃপতি মই কৰো অঙ্গীকাৰ ।
চলে বলে পাঞ্চালক কৰিবো সংহাৰ ॥
সম্মুখ সমৰে যদি বধন নযায় ।
অৱশ্যে মাৰিবো তেবে কৰিয়া অন্যায় ॥

যদ্যপি নোৱাৰো ধৃষ্টদ্যুম্নক বধিতে ।
জপ তপ যজ্ঞ যত কৰিছোঁ সুকৃতে ॥
সকলে বিফল তেবে হৈবেক আমাৰ ।
বাহুবল অস্ত্রবল বিক্রম ধিক্কাৰ ॥

আপোনাৰ বিক্রম নকহে শ্রেষ্ঠ যত ।
তথাপিতো কহো মই তোমাৰ আগত ॥
তেজস্বীৰ মধ্যে মই সূৰ্য্যৰ সমান ।
পুৰাইব দশোদিশ হানি দিব্য বাণ ॥

নিপাতিবো ৰণে আজি শত্রু সকলক ।
প্রচণ্ড পবনে যেন উম্বত বৃক্ষক ।
একেশ্বৰে তিনিলোক পাৰে জিনিবাক ।
হেন দিব্য অস্ত্র পিতৃ শিখাইছা আমাক ॥

আছোক মনুষ্য দেৱগণো নজানয় ।
পৰম অমোঘ অস্ত্ৰ আমাত আছয় ॥
পূৰ্ব্বে চিৰকাল পিতা তপ আচৰিল ।
তুষ্ট হুয়া নাৰায়ণে বৰ প্ৰলোভিল ॥

শুনিয়া সন্তোষে কৰযোৰ কৰি হস্ত ।
বোলন্ত দিয়োক মোক নাৰায়ণ অস্ত্ৰ ॥
হেন শুনি ভকত বৎসল ভগৱন্ত ।
দিয়া দিব্য অস্ত্ৰ পাছে বাক্য বুলিলন্ত ॥

অস্ত্ৰবলে অবধ্যক পাৰি বধিবাক ।
কিন্তু যাকে তাকে তুমি নামাৰিবা আক ॥
শত্ৰুগণ আসি যদি মাগয় শৰণ ।
নবধিবা তাকো অস্ত্ৰে কৰিবা ৰক্ষণ ॥

অস্ত্ৰ শান্ত কৰিবাৰ এহিসে উপায় ।
আন মতে নিবাৰন্তা ত্ৰিভুবনে নাই ॥
এহি বুলি অস্ত্ৰ দিয়া গৈলা নিজলোক ।
সেই দিব্য অস্ত্ৰ পিতৃ শিখাইছন্ত মোক ॥

আজি নাৰায়ণ অস্ত্ৰ কৰিয়া প্ৰহাৰ ।
কৈকেয় পাঞ্চাল মৎস্য কৰিবো সংহাৰ ॥
মিত্ৰ দ্ৰোহী গুৰু দ্ৰোহী পাণ্ডুগণ যত ।
সবাকে বধিবো আজি ঘোৰ সমৰত ॥

শচীপতি ইন্দ্ৰে যেন দৈত্য দানবক ।
ময়ো সেহি মতে আজি বধিবো শত্ৰুক ॥
যেন যেন বাঞ্ছা মই কৰিবো মনত ।
সেই সেই মতে শৰ পৰিবে সৈন্যত ॥

এহি বুলি মৌনে ৰহিলন্ত দ্বিজবৰ ।
শুনিয়া কৌতুক বৰ হৈল কৌৰবৰ ॥
অসংখ্যাত বাদ্য ভাণ্ড ৰোল উথলিল ।
শুনি ধৰ্ম্মৰাজে সব্যসাচীক পুছিল ॥

দ্রোণ বধে কুৰুগণ লভিয়া বিষাদ ॥
পলাই গৈয়া পুনৰপি কৰে সিংহ নাদ ॥
আসে সমদলে সাজি পৃথিবী কম্পায় ।
তাসম্বাৰ হৈল কিবা বাসব সহায় ॥

দেখা কত গৃহে খেদি আসে কুৰুচয় ।
গুচায়ো অর্জ্জুন মোৰ মনৰ সংশয় ॥
অর্জ্জুনে বোলন্ত ধৰ্ম্মৰাজ মহাশয় ।
আসন্ত আমাক খেদি দ্রোণৰ তনয় ॥

যাৰ জন্ম কালে গুৰু আনন্দ মনত ।
দিলা দিব্য ধেনু ব্রাহ্মণক দশ শত ॥
উপজিয়া যিতো ঘোৰ হেসনি কৰিল ।
যাক শুনি স্বর্গ মর্ত্ত্য পাতাল কপিল ॥

সি কাৰণে হৈল তান অনুৰূপ নামা ।
জগত বিদিত প্রতিষ্ঠাত অশ্বত্থামা ॥
আচাৰ্য্যৰ বধে নিজ বীৰ্য্য দৰশাই ।
আসে অশ্বত্থামা ক্রোধে অন্তক পৰাই ॥

তান্ত গহে আসে আনো কুৰুবীৰ যত ।
বজাই বাদ্য ভাণ্ড সবে নির্ভয় মনত ॥
হেন জানি যেন যোগ্য কৰিয়ো আপুনি ।
কৰিলা অধৰ্ম্ম অকাৰণে জানি শুনি ॥

পৰম পণ্ডিত সুবলিত ধৰ্ম্মৱন্ত ।
জানিয়া তোমাত আসি ধৰ্ম্মে পুছিলন্ত ॥
তুমি তাত মিছা কথা কহিলা সাক্ষাত ।
তোমাৰ কথাত গুৰু কৰিলা সঞ্জাত ॥

অস্ত্র শস্ত্র এৰি শোকে বসিলা ৰথত ।
সেহিবেলা ধৃষ্টদ্যুম্নে ধৰিয়া কেশত ॥
কাটিলেক শিৰ নুশুনিয়া মোৰ হাক ।
দহয় হৃদয় শোকে সুমৰন্তে তাক ॥

নাজানি তোমাক লোকে বোলে ধর্ম্মৰাজ।
ধর্ম্মক দেখায়া মাত্র আচৰা অকার্য্য॥
পিতৃ যেন পুত্রক কৰয় প্রতিপাল।
সেহি মতে আমাক আচার্য্যে চিৰকাল॥

দুঃখ সময়ত প্রতিপাল পুত্রৱত।
শিখায়াছে সবে দিব্য অস্ত্র আছে যত॥
এবো সিটো উপকাৰ নোলোৱা মনত।
বধিলা অধর্ম্মে অল্প ৰাজ্যৰ লোভত॥

বন্ধুবধ শোকে ক্রোধ কৰি বিপৰীত।
আসে অশ্বথামা খেদি সবাকে বধিত॥
এবে তাঙ্ক নিবাৰণ কৰিয়া ৰণত।
ৰাখা পাঞ্চালক যদি আছয় শকত॥

মই নুযুজিবো অশ্বথামাক সম্প্রতি।
তানে অস্ত্র ঘাৱে মৰো হৌক সদ্গতি॥
ভার্য্যা পুত্র মিত্র বন্ধু বান্ধব যতেক।
সবাতে অধিক মোত প্রেম আছিলেক॥

হেনয় গুৰুক ৰাজ্য লোভে সংহৰিয়া।
অদ্যাপি জীৱন্তে আছে প্রাণ নেতেজিয়া॥
ইতো পাপে নৰক ভুঞ্জিবো চিৰকাল।
এতেকে জীয়াত কৰি মৰণেসে ভাল॥

এতেক বোলন্তে শোক অগ্নি গৈল জ্বলি।
অসন্তোষে অধোমুখে ৰৈল মহাবলী॥
দেখি ৰাজাগণে কেৱে নেদিলা উত্তৰ।
মৌনে ৰহিলন্ত যুধিষ্ঠিৰ নৃপবৰ॥

নুবুলিলা প্রিয় কিছু অপ্রিয় বচন।
পাছে ভীমে ক্রোধে তাঙ্ক কৰি নিৰীক্ষণ॥
বোলন্ত অর্জ্জুন শুন বচন আমাৰ।
কিসক কৰহ নৃপতিক অহঙ্কাৰ॥

যুধিষ্ঠিৰ নৃপতি নজানে ধৰ্ম্মাধৰ্ম্ম।
নাৰায়ণে কিছু নজানন্ত তত্ত্ব মৰ্ম্ম॥
জটী সতী ব্ৰহ্মচাৰী বনবাসী যত।
নজানে ধৰ্ম্মক তাৰা সবে স্বৰূপত॥

দ্ৰোণেসে জানন্ত মাত্ৰ ধৰ্ম্মৰ বিচাৰ।
এতেকেসে ব্ৰহ্ম অস্ত্ৰ কৰিয়া প্ৰহাৰ॥
অসংখ্যাত ক্ষুদ্ৰ ক্ষত্ৰিগণ বিনাশিলা।
যেন হুতাশন ভক্ষ্যাভক্ষ্যক বাচিলা॥

অভিমন্যু কুমাৰ আমাৰ প্ৰাণ প্ৰায়।
বধিলেক দ্ৰোণে তাকো কৰিয়া উপায়॥
তথাপি বোলাসা ইষ্ট ধৰ্ম্ম নিষ্ট দ্ৰোণ।
আমাক নিন্দিয়া ভাল বথানাহা গুণ॥

ব্ৰাহ্মণৰ ক্ষত্ৰিয়ৰ ধৰ্ম্ম যেন মত।
পূৰ্ব্বত শুনিছো ব্যাসদেৱৰ মুখত॥
কায় দণ্ড মন দণ্ড দণ্ড বচনৰ।
ইসব প্ৰমুখে জাতি ধৰ্ম্ম ব্ৰাহ্মণৰ॥

ক্ষত্ৰিয় সকলে ধৰ্ম্ম ৰক্ষা কৰিবেক।
সমৰত দাৰুণ প্ৰহাৰ সহিবেক॥
মাৰিবেক শত্ৰু সত্য প্ৰতিপালিবেক।
তেবে তাৰ যশ কীৰ্ত্তি ধৰ্ম্ম বাঢ়িবেক॥

অচিৰ কালতে সিতো হবে ক্ষিতিপতি।
হেন ক্ষত্ৰিয়ৰ ধৰ্ম্ম জানিয়া সম্প্ৰতি॥
তথাপিতো আমাক কিসক কৰা কষ্ট।
পৰধৰ্ম্ম আচৰিলে ধৰ্ম্ম হৈল নষ্ট॥

পৰধৰ্ম্ম আচৰন্তে পিঙ্কিলও চাল।
পৰধৰ্ম্মে বনত বঞ্চিলো চিৰকাল॥
পৰধৰ্ম্ম আচৰণে দুষ্ট দুঃশাসন।
দ্ৰৌপদীক সভাত কৰিল বিবসন॥

নপুংসক যেন চাই আছিলোঁ লগত ।
নকৰিলো ক্ৰোধ পৰধৰ্ম্মে হুয়া ৰত ॥
এবে সিতো দুঃখ সুমৰন্তে অনুক্ষণ ।
জাতিৰ ধৰ্ম্মত প্ৰবৰ্ত্তিল মোৰ মন ॥

ক্ষত্ৰিয়ৰ ধৰ্ম্মে থাকি নিজ বাহু বলে ।
পিতৃ পিতামহ গুৰু বধিবো সকলে ॥
যুদ্ধৰ পূৰ্ব্বতে কৰি আছা অঙ্গীকাৰ ।
ধৰ্ম্মাধৰ্ম্ম সমৰত নাহিকে বিচাৰ ॥

তই পুনু পূৰ্ব্বে কৰিছিলি অঙ্গীকাৰ ।
বধিবো সবাকে যুদ্ধে নকৰি বিচাৰ ॥
এবে ধৰ্ম্ম বখানস সবাৰে আগত ॥
আমাক নিন্দিয়া কহ দ্ৰোণীৰ মহত ॥

কৌৰব দলত সিংহনাদ বিপৰীত ।
শুনি বীৰগণ হুই আছে ভয় ভীত ॥
তাতে তই বাক্য সব কৰস প্ৰহাৰ ।
ঘাৱত ঘসস যেন আনি চোখা খাৰ ॥

তোৰ বিক্ৰমৰ ষোল ভাগৰ ভাগক ।
কদাচিতো অশ্বথামা সম নুহিবেক ॥
তথাপি তাহাৰ তই বখানস গুণ ।
দ্ৰোণীক যুজিবে তোৰ নলাগে অৰ্জ্জুন ॥

নলাগে যুজিবে আনো বীৰ সকলৰ ।
কুৰুগণক দল কৰিবো একেশ্বৰ ॥
মোৰ পৰাক্ৰম দেখন্তোক সুৰাসুৰ ।
বৃক্ষ বন পৰ্ব্বত গদায়ে কৰো চুৰ ॥

শৰজালে দশোদিশ পৰিবো গগণ ।
পৃথ্বী বিদাৰিবো মাৰিবোহো দুৰ্য্যোধন ॥
উদ্ধাৰিবো দ্ৰৌপদীৰ হৃদয়ৰ শাল ।
হতশত্ৰু হুইব যুধিষ্ঠিৰ মহীপাল ॥

কৰন্তোক ৰাজ্য পালন্তোক সন্ত লোক।
ধৃতৰাষ্ট্ৰ মন্দমতি পাউক পুত্ৰশোক ॥
এহি মতে গৰ্জ্জন্তে আছন্ত বৃকোদৰ।
অনন্তৰে ধৃষ্টদ্যুম্ন ক্ৰোধে বীৰবৰ ॥

পূৰ্ব্বে নৃসিংহক যেন হিৰণ্য কশিপু।
সেহি মতে তৰ্জ্জিয়া গৰ্জ্জিয়া দেৱ ৰীপু ॥
বোলন্ত অৰ্জ্জুন শুন বচন আমাৰ।
কিসক নিন্দস শাস্ত্ৰ নকৰি বিচাৰ ॥

যাৰ যেন জাতি ধৰ্ম্ম তাকেসে কৰিব।
পৰৰ ধৰ্ম্মক কদাচিতো নাচৰিব ॥
ব্ৰাহ্মণ জাতিৰ ধৰ্ম্ম পঢ়ন পঠন।
যাজন যজন ধন প্ৰতিগ্ৰহ দান ॥

তাক এৰি কৰে দ্ৰোণে ক্ষত্ৰিয়ৰ ধৰ্ম্ম।
ব্ৰহ্ম অস্ত্ৰে মাৰি সেনা কৰিল অধৰ্ম্ম ॥
পৰধৰ্ম্ম কৰে যিতো সেহিসে পাষণ্ড।
এতেকে কৰিলোঁ মই যথোচিত দণ্ড ॥

বিশেষত দ্ৰোণ বধে যজ্ঞত জন্মিলোঁ।
প্ৰতিজ্ঞা সফলি দ্বিজাধমক বধিলোঁ ॥
পিতৃৰ পুত্ৰৰ ঋণ শুজিলোঁ স্বধৰ্ম্মে।
উদ্ধাৰিলো সত্য ধৰ্ম্ম নৃপতিৰ কৰ্ম্মে ॥

ৰথত থাকন্তে কাটিলও খাণ্ডা হানি।
তেবে কেনে আমাক বোলস নিন্দা বাণী ॥
অধৰ্ম্মীক ধৰ্ম্মী বুলি কৰয় কথন।
কালকূট বিষ সম সি সব বচন ॥

ধৰ্ম্মীক অধৰ্ম্মী যিতো পুৰুষে বোলয়।
হৰে পূৰ্ব্ব পুণ্য তাৰ অধৰ্ম্ম হোৱয় ॥
আসে অশ্বত্থামা পিতৃ শোকে যুজিবাক।
নোৱাৰোহো যদি আপোনাক ৰাখিবাক ॥

তেবে তাৰ অস্ত্ৰে পৰি যাইবো ব্ৰহ্মলোক।
সমুখ সমৰে মৰি তাত কোন শোক।
ইসে মহাদুখ গুৰুঘাটি বোলে মোক।
তোৰ কৰ্ম্মচয় নজানয় যেন লোক।

বাসবৰ সখি ভগদত্ত নৃপবৰ।
পিতৃৰ সখিয়ে সিতো বাপ সমসৰ॥
তাৰ বধ কালে ধৰ্ম্ম নাছিল মনত।
আজি বৰ ধনঞ্জয় হৈল ধৰ্ম্মৰত॥

জ্ঞান বৃদ্ধ বয়ো বৃদ্ধ সৰ্ব্ব গুণান্বিত।
সম্বন্ধতো পিতামহ জগতে বিদিত॥
অন্নে আচ্ছাদনে পাঞ্চো ভাইক পুষিলন্ত।
সবাতো অধিক তোক স্নেহ কৰিলন্ত॥

হেন ভীষ্ম বধ কালে ধৰ্ম্ম নস্মৰিলি।
আজি ধনঞ্জয় তই ধৰ্ম্মশীল হৈলি॥
পাণ্ডবৰ ক্ষেত্ৰ বাসবৰ বীৰ্য্যে জাত।
বলবীৰ্য্য পৰাক্ৰম জগতে প্ৰখ্যাত॥

তথাপি আগতে তোৰ দুষ্ট দুঃশাসন।
দ্ৰৌপদীক সভাত কৰিল বিবসন॥
সি কালত ক্ৰোধ তোৰ নহৈল তাহাক।
দ্ৰোণ বধে বাৰম্বাৰ নিন্দস আমাক॥

সম্বন্ধত থাকিয়া তোহোৰ ভৈলো বশ।
সি কাৰণে মোক বহুবাৰ কদৰ্থস॥
কৰ পাৰি কুঞ্জৰে তোলয় মাহুতক।
উপৰত উঠি সেই মনুষ্যে গজক॥

বচনে প্ৰহাৰে কতো অঙ্কুশে খোচয়।
তোৰ ঠাই আসি মোৰ হৈল হেননয়॥
ক্ৰূৰ দ্ৰোণে মাৰিলেক পিতৃক পুত্ৰক।
অসংখ্যাত ক্ষত্ৰীগণ বান্ধব বৰ্গক॥

মোক বধিবাক দ্রোণে কৰিলা যতন ।
ময়ো তাক বধিবাক কৰিলোহো ৰণ ॥
নোৱাৰিলা মোক কাটিলোহো তাৰ শিৰ ।
তই কেন বাক্য বজ্র কৰস প্রহাৰ ॥

দ্রৌপদাৰ প্রীতি অর্থে পাণ্ড ভাগিনৰ ।
কৰিলোহো ক্ষমা তোৰ দায় ইবাৰৰ ॥
পুনৰপি যদি মোক বোল অনুত্তৰ ।
অচিৰ কালত তেবে যাইবি যমঘৰ ॥

একো জনে লক্ষ লক্ষ কৌৰব সংহৰি ।
তোৰ অর্থে আমাৰ সবংশে গৈল মৰি ॥
আছে অৱশেষ অল্প সেনা সমন্বিতো ।
যুধিষ্ঠিৰ নৃপতিৰ অর্থে প্রাণ দিতো ॥

এতেকে দোষক গুণ বুলিতে যুৱাই ।
গুণে দোষ আৰোপণ সহন নযাই ॥
এহি বুলি ক্রোধে ধৃষ্টদ্যুম্ন মৌনে ৰৈল ।
শুনি বীৰগণ সবে নিঃশবদ হৈল ॥

হেন শুনি সব্যসাচী ক্রোধ দৃষ্টি চায়া ।
সজল নয়নে দীর্ঘ নিশ্বাস তেজিয়া ॥
গদগদ বাক্য ধিক ধিক বুলি ৰৈল ।
শুনি বীৰগণে সবে নিঃশবদ হৈল ॥

দুয়ো সলজ্জিত শোক দেখি অর্জ্জুনৰ ।
পাছে ক্রোধে যুযুধানে দিলন্ত উত্তৰ ॥
শুনা দুৰাচাৰ ধৃষ্টদ্যুম্ন কুলাঙ্গাৰ ।
কৰি উগ্রপাপ আৰো গুৰুক আমাৰ ॥

বাৰম্বাৰ ধিকাৰ কৰস সমাজত ।
এৰি লাজ বখানস আপোন মহত্ত্ব ॥
ধিক তোৰ বচন জীৱন তোৰ ধিক ।
শত খণ্ড হুয়া জিহ্বা নপৰয় কিক ॥

ক্ষণেকে জিহ্বাৰ তোৰ নহিকে উচিত ।
যাদব পাণ্ডৱ মধ্যে হৈলি সনিন্দিত ॥
যেতিক্ষণে কেশত ধৰিয়া টানি আনি ।
কাটিলি দ্ৰোণৰ শিৰ চন্দ্ৰহাস হানি ॥

সেহিক্ষণে স্বৰ্গ হন্তে নৰকে দুৰ্ঘোৰ ।
ভৈল পাত দুই সাত পুৰুষ যে তোৰ ॥
সূৰ্য্যক চাহিবে লাগে তোৰ মুখ চাই ।
দৰশনে পাপগণ তেৱেসে এৰাই ॥

তই যদি গুৰুক নিন্দস আৰবাৰ ।
তেবে গুৰুতৰ গদা কৰিয়া প্ৰহাৰ ॥
শত খণ্ড কৰিয়া ভাঙ্গিয়া শিৰখুলি ।
পঠাই দিবো পাছে যম সদনক বুলি ॥

হেন শুনি ধৃষ্টদ্যুম্নে বোলে হাসি হাসি ।
দেখি কেনমতে গদা প্ৰহাৰয় আসি ॥
পূৰ্ব্বাপৰে জানো তই কেন মত শূৰ ।
ভূৰিশ্ৰবা ভাৱনা কৰিলা কালি চূৰ ॥

চুলি ধৰি হৃদয়ত লাঠিৰ প্ৰহাৰ !
ভূমিত পৰিয়া মাৰিলেক বাৰম্বাৰ ॥
তথাপিতো আপোনাক বোলাৱস কাজী ।
কালিৰ কাহিনি তই পাসৰিলি আজি ॥

হেনয় স্বভাৱ আছে ইতৰ জনৰ ।
অল্পকো বিস্তৰ দোষ দেখয় পৰৰ ॥
পূৰ্ব্বত সমান পাপ যদি আচৰয় ।
তথাপিতো আপোনাৰ দোষ নেদেখয় ॥

ভূৰিশ্ৰবা উপৰক তুলিয়া খাণ্ডাক ।
কেশত ধৰিয়া তোক চাইলা কাটিবাক ॥
হেন দেখি ধনঞ্জয় মাৰি দিব্য শৰ ।
প্ৰহাৰিয়া খাণ্ডা সমে কাটিলেক কৰ ॥

ভুজ ছেদে ভুৰিশ্ৰবা বসি শৰাসনে ।
বিষ্ণুক চিন্তিৱে লৈলা মৰিবাক মনে ॥
হাতৰ এৰায়া তাক যাস কাটিবাক ।
নৃপতি সকলে দেখি তোক দিলে হাক ॥

তথাপিতো তাসম্বাৰ বাক্য অনাদৰি ।
কাটিলি তাহাঙ্ক ধৰ্ম্মপথ পৰিহৰি ॥
হেন ক্ৰূৰ কৰ্ম্ম কৰি সবাৰে আগত ।
আমাক নিন্দস আজি পণ্ডিতৰ মত ॥

যৈতে যৈতে পৰাভৱ কৰে পাণ্ডৱক ।
তৈতে তৈতে আগ হুয়া যুজো আচাৰ্য্যক ॥
আছে ৰণে ব্ৰহ্ম অস্ত্ৰে মৰে প্ৰজাগণ ।
হেনয় দ্ৰোণক ৰণে কৰিলো নিধন ॥

তথাপি অধৰ্ম্মী মই ধৰ্ম্মী তেবে কোন ।
আচাৰ্য্য প্ৰমুখ্যে কৌৰৱৰ কথা শুন ॥
অধৰ্ম্ম কৰিয়া ধৰ্ম্ম ৰাজাক বঞ্চিল ।
অধৰ্ম্ম কৰিয়া দ্ৰৌপদীক দুঃখ দিল ।

অধৰ্ম্ম কৰিয়া ধন ধৰণী হৰিল ।
অধৰ্ম্ম কৰিয়া অভিমন্যুক বধিল ॥
অধৰ্ম্ম কৰিয়া ঘোৰ বনবাস দিল ।
অধৰ্ম্ম কৰিয়া শল্য নৃপতিক নিল ॥

আনো নানা অধৰ্ম্ম কৌৰবে আচৰিল ।
শুন যেন পাপ পাণ্ডু সকলে কৰিল ॥
আমাক কনিষ্ঠ শিখণ্ডিক কৰি আগ ।
বধিলা অৰ্জ্জুনে দেবব্ৰত মহাভাগ ॥

কাটিলেক আৰো ভুৰিশ্ৰবাৰ হাতক ।
অধৰ্ম্মে কৰিল ৰক্ষা তোহোৰ মস্তক ॥
ভুজ ছেদে ভুৰিশ্ৰবা এৰি তোক পাছে ।
ব্ৰহ্মে মন লগাই পদ্মাসনে বসি আছে ॥

সেহি সময়ত লাজ কাজ পৰিহৰি।
কাটিলি তাহাৰ শিৰ অধৰ্ম্ম আচৰি॥
আজি কেন মতে আসি ধৰ্ম্ম বখানস।
ৰাজ সমাজৰ মাঝে আমাক নিন্দস॥

তথাপি সহিলো দোষ তোৰ বাৰেকৰ।
পুনৰপি মুখত নানিবি অনুত্তৰ॥
বাধা নুশুনিয়া যদি বোলস দুনাই।
তেবে তোৰ পিতৃ লোকে দিবোহো পঠাই॥

পৌৰুষ বচন হেন শুনি পাঞ্চালৰ।
খঙ্গতে কপিলা যুযুধান বীৰবৰ॥
এৰি ধনুশৰ গদা ধৰি অনিৰ্ব্বাৰ।
ক্ৰোধে আৰকত চক্ষু তেজিয়া ফোকাৰ॥

ৰথ হন্তে নামি পাঞ্চালক খেদি যাই।
চৰণৰ ছোটে মহীমণ্ডল লৰয়॥
দেখি বাসুদেৱে বাক্য বুলিলেক হেন।
সাত্যকীক সত্বৰে ৰাখিয়ো ভীমসেন॥

কৃষ্ণৰ বচন পাছে শুনি বৃকোদৰ।
আথবেথ কৰি ধীৰে নামিয়া ৰথৰ॥
পবন সঞ্চাৰে খেদি সাত্যকীক পাইল।
আঙ্কোৱালি ধৰি গৈয়া বলে বহুৱাইল॥

ধৃষ্টদ্যুম্ন বোলে এৰ এৰ বৃকোদৰ।
কাটি পেলাও শিৰ হানি শানাইত শৰ॥
জীৱন যুদ্ধত শ্ৰদ্ধা ক্ৰোধ সাত্যকীৰ।
শিনিকো সাম্যতা কৰিবোহো ছেদি শিৰ॥

কৰ্ণ কৃপ অশ্বত্থামা আদি কুৰুচয়।
যদি সাত্যকীক ৰক্ষা অৰ্জ্জুনে কৰয়॥
তথাপি মাৰিবো আক নকৰিবো ৰক্ষা।
অবশ্যে ৰাখিবো আজি আপোনাৰ কক্ষা॥

পাঞ্চালৰ আক্ষেপ শুনিয়া যুযুধান।
ভীমভুজ মধ্যে কোপ কৰি বৰটান॥
ফোফাই ফুৰে পাক যেন কুমাৰৰ চাক।
বৃকোদৰে বুজান্ত মাধৱে দেন্ত হাক॥

অনন্তৰে সহদেৱ মাদ্রীৰ তনয়।
সাত্যকীক বাক্য চয় বুলিলা বিনয়॥
শুনা শিনি সিংহ যুযুধান বীৰবৰ।
পাঞ্চাল পাণ্ডব বৃষ্ণিই তিনি বংশৰ॥

এক দেব এক ধৰ্ম্ম সবে এক প্ৰাণ।
কৃষ্ণ আজ্ঞা বিনে কাৰো কৰ্ম্ম নাহি আন॥
আজি আপোনাৰ মধ্যে কন্দল কিসৰ।
এতেকে এৰায়া ক্ৰোধ বচনে কৃষ্ণৰ॥

ধৰ্ম্মৰাজে আসি পাছে শান্ত কৰিলন্ত।
ক্ৰোধ এৰি সাত্যকী ৰথত চৰিলন্ত॥
ক্ষেণেকে গুচয় ক্ৰোধ সাধু সকলৰ।
কদাচিতো কপট নুগুচে দুৰ্জ্জনৰ॥

হেন জানি অসাধুৰ সঙ্গ পৰিহৰি।
শুনা কৃষ্ণ কথা সাধু সঙ্গ অনুসৰি॥
দামোদৰ দাসে কহে এৰি আন কাম।
সমস্তে সমাজে ডাকি বোলা ৰাম ৰাম॥

# ৰত্নাকৰ মিশ্ৰ।

## ব্ৰহ্মগীতা।

শ্লোক ॥ স্মেৰাবেশমুখং সাক্ষাৎ চতুৰ্হস্ত-কদম্বকং।
দধানংকৌস্তুভং বন্দে পৰমানন্দ-মাধবং ॥

পদ ॥ জয় জয় হৰি প্ৰভু চৰণে শৰণ।
প্ৰণামো তোমাৰ দুই অৰুণ চৰণ ॥
শুনা সৰ্ব্বজন ইতো মহাতত্ত্ব সাৰ।
অৰ্জ্জুনত কৈলা ব্ৰহ্ম গীতাৰ পয়াৰ ॥
কহে ৰত্নাকৰ দ্বিজে ন ধৰিবা দোষ।
কৃষ্ণ কথা শুনি মহা হুয়োক সন্তোষ ॥
একান্তে শুনিয়ো সবে ইতো মহাৰত্ন।
মহন্তক মানিবাহা কৰি মহা যত্ন ॥
নিস্কামে গুৰুত ভক্তি কৰিয়া আশ্ৰয়।
গুৰুত ভজিয়া ভক্তি কৰিয় নিশ্চয় ॥
অৰ্জ্জুনে বোলন্ত প্ৰভু শুনা নাৰায়ণ।
কোন বা ব্ৰাহ্মণ ব্ৰহ্মজ্ঞানী কোন জন ॥
কাক মহাগুৰু বুলি মানিবো সদাই।
মই মহা অধমত কহিয়ো বুজাই ॥
এহি শুনি ঈশ্বৰে কহন্ত অৰ্জ্জুনত।
পুছিলাহা পৰম বিচাৰ মহাতত্ব ॥
তুমি আমি কিছো ভিন্ন নাহি ধনঞ্জয়।
তোমাৰ আগত সত্যে কহিবো নিশ্চয় ॥
সেহি সে ব্ৰাহ্মণ সদা ব্ৰহ্মক চিন্তয়।
মনক নিৰূপি সদা নিস্কামে ৰহয় ॥
ব্ৰহ্মত অপ্ৰিয়া কৰিবেক প্ৰবৰ্ত্তন।
তাকেসে বুলিয়া জ্ঞানী উত্তম ব্ৰাহ্মণ ॥

সেহিসে ব্ৰাহ্মণ ব্ৰহ্ম চিন্তিব সদাই।
সবাকে কহিব তত্ত্ব ব্ৰহ্মক বুজাই ॥
ব্ৰহ্মক দেখিয়া কৰিবেক প্ৰবৰ্ত্তন।
সেহিসে ব্ৰাহ্মণ সখি কৰিবা পূজন ॥
সেহিসে ব্ৰাহ্মণ ব্ৰহ্ম কৰিব ধিয়ান।
কেবলে ব্ৰহ্মত বিনে নজানিব আন ॥
ব্ৰহ্মক দেখিয়া নেদেখিব দেব আন।
সেহিসে ব্ৰাহ্মণ জগতৰে পূজ্যমান ॥
সেহিসে ব্ৰাহ্মণ ব্ৰহ্মে কৰিবে নিশ্চয়।
ব্ৰহ্মত অপ্ৰিয়া ব্ৰহ্ম কৰিব আশ্ৰয় ॥
ব্ৰহ্মক দেখিয়া কৰিবেক তত্ত্বসাৰ।
সেহিসে ব্ৰাহ্মণ সখি জগত নিস্তাৰ ॥
একান্তে ব্ৰহ্মত জ্ঞান ভৈলেক যাহাৰ।
সেহিসে ব্ৰাহ্মণ সখি কৈইলু তত্ত্ব সাৰ ॥
পৰিচয় হুয়া ব্ৰহ্ম নেৰিব স্মৰণ।
সেহিসে ব্ৰাহ্মণ সখি কৰিবা পূজন ॥
একান্তে ব্ৰহ্মত যাৰ দৃঢ় ভৈলা মন।
সেহি জন ব্ৰহ্ম তাক কৰিবা সেৱন ॥
অহৰ্নিসে নেৰে যেন শৰীৰৰ চিন্ন।
তাহাঙ্কে আমাকে কিছো নেদেখিব ভিন্ন ॥
জানিবা উত্তম তত্ত্ব কহিলো তোমাত।
সত্যে সত্যে দৃঢ় ভাবে ভজিয়ো আমাত ॥
একান্তে ভজিবো চিত্ত আনক নযাই।
তাকে মহাগুৰু বুলি মানিব সদাই ॥
চাণ্ডালো উত্তম তত্ত্ব কহিলো তোমাত।
একান্তে শৰণে মাত্ৰ ভজোক আমাত ॥
একান্তে ভজিল যিতো হৰি চৰণত।
উত্তম গুৰু বুলিয়া মানিবে সংসাৰত ॥
একান্তে ভজন যাৰ আমাত সদাই।
সেহিতো পন্থৰ গুৰু কহিলো নিশ্চয় ॥

জ্ঞান কৰ্ম্ম ব্ৰহ্মতত্ত্ব কৰিবেক সাৰ ।
ব্ৰহ্ম নেমানোক তাক নকৰি বিচাৰ ॥
অৰ্জ্জুনত দৃঢ়কৰি কহিলা গোসাই ।
মোহোৰ পন্থৰ গুৰু বৰ্ণাবৰ্ণ নাই ॥
সত্যে দৃঢ়ে ভক্তি মোত কৰিলে আশ্ৰয় ।
ব্ৰাহ্মণ বুলিয়া গুৰু মানিবে নিশ্চয় ॥
একান্ত শৰণ হুইয়া নামত ভজয় ।
সেহিসে ব্ৰাহ্মণ মহা পবিত্ৰ হৰয় ॥
সত্যে সত্যে সত্যে আবে কৈলো ধনঞ্জয় ।
সেহি ব্ৰাহ্মণক গুৰু মানিবে নিশ্চয় ॥
নিবৃত্তি উত্তম পন্থ ধৰিয়া আচাৰ ।
মহাজ্ঞান কৈলো তত্ত্ব পৰম বিচাৰ ॥
শুনিও যাহাক বুলি একান্ত শৰণ ।
সেহি ভকতৰ শুন কহিবো লক্ষণ ॥
একান্ত শৰণ এহি পৰম বিশ্বাস ।
সত্যে কৰিবুহু সখি তোমাত প্ৰকাশ ॥
সৃষ্টি বিষয়ৰ পৰা তুষিবেক মন ।
সুদৃঢ়ে ব্ৰহ্মত ৰাখি নেৰিবা স্মৰণ ॥
একান্তে ৰহিয়া ব্ৰহ্মৰ চিন্তিব চৰণ ।
তেবেসে বুলিয়া সখি একান্ত শৰণ ॥
সংসাৰৰ লয় সখি এৰিব সমস্ত ।
নিৰাকাৰ ৰূপক মানিব ব্ৰহ্মতত্ত্ব ॥
সেহিসে ব্ৰাহ্মণ জ্ঞানী ব্ৰহ্ম পৰিচয় ।
তোমাৰ আগত সত্যে কহিলো নিশ্চয় ॥
অত্যন্ত পাতকী দৃঢ়ে ভজোক আমাক ।
সেহিজন গুৰু সম মানিবে তাহাক ॥
মইএৰ ভেদ ভিন্ন নাহি ধনঞ্জয় ।
সুদৃঢ়ে মানোক গুৰু এৰিয়া সংশয় ॥
তাক গুৰু মানি সেহি বৰ্ণত উত্তম ।
মইএৰ অভেদ তাক কেহো নোহে সম ॥

সত্যে সত্যে সত্যে সখি শুন ধনঞ্জয় ।
মোহোৰ শৰীৰ বুলি মানিব নিশ্চয় ॥
ব্ৰাহ্মণ ক্ষেত্ৰিয় বৈশ্য শূদ্ৰ চাৰি লেখি ।
এক ভাবে আমাত বিশ্বাস কৰে সখি ॥
একান্ত শৰণ হুয়া নভজে আমাক ।
চাণ্ডাল বুলিয়া গুৰু নমানিবে তাক ॥
বৰ্ণ ব্ৰাহ্মণ নমো দৃঢ় নাহি মতি ।
তাক গুৰু মানি সখি যাইব অধোগতি ॥
নুবুজি তত্বক কৰে সকাম আচাৰ ।
নামানিবা গুৰু কইলো পৰম বিচাৰ ॥
যদি চাণ্ডালৰ দৃঢ় মোতেসে আশ্ৰয় ।
সেহিসে পন্থৰ গুৰু জানিবা নিশ্চয় ॥
নিশ্চয় সমাধি ব্ৰহ্মতেসে বৈব মন ।
তেবেসে বুলিয়া সখি একান্ত শৰণ ॥
এক ব্ৰহ্ম বিনে সখি নাজানিবে আন ।
একে ব্ৰহ্ম চিন্তিব কৰিব দৃঢ় ধ্যান ॥
একান্ত ব্ৰহ্মতেসে নিশ্চয় হৈব মন ।
তেবেসে বুলিয়া সখি একান্ত শৰণ ॥
একান্ত শৰণ সখি এমত লক্ষণ ।
একান্ত নিশ্চয় বুদ্ধি ৰাখিবেক মন ॥
মইএৰে জানা নাহি তিলেক অন্তৰ ।
একান্ত শৰণ সখি এহি আশ্ৰমৰ ॥
আকেসে কহিলো সখি কৰিয়া নিশ্চয় ।
একান্তে আমাত যিতো কৰিলে আশ্ৰয় ॥
ধৰিবাক পাৰে যদি উত্তমৰ চিন্ন ।
বৰ্ণাবৰ্ণ তাৰো কিছো নকৰিবা ভিন্ন ॥
একান্ত শৰণ এহি ৰহিলেক জাত ।
বৰ্ণাবৰ্ণ নুহি সত্যে কহিলো তোমাত ॥
সুদৃঢ়ে ৰহিলে যদি বৰ্ণ দেখে ভিন্ন ।
ব্ৰহ্ম বুলি মানা তাক নকৰিবা হিন ॥

গীতা ভাগৱতৰ পৰম মহাতত্ব।
নিশ্চয় কৰিয়া কৈলো তোমাৰ আগত॥
অন্তেজো উত্তম জাতি ভজোক আমাত।
ভকতি দুৰ্লভ তত্ব কহিলো তোমাত॥
শুনিওক সখি তাৰ নেৰিবা আচাৰ।
বুজিলেহে পন্থ ধৰিবাহা নিৰাকাৰ॥
ধৰিবে নোৱাৰা যেবে উত্তম আচাৰ।
সকামে ৰহিবা সখি কহিলো বিচাৰ॥
ধৰিবে নোৱাৰা যেবে উত্তম লক্ষণ।
সকামে ৰহিবা সখি বুলিলো বচন॥
ততাৰ্থ বুজিয়া লৈব কৰি বিচাৰত।
ভকতি আশ্ৰয় সখি ৰহিবে পন্থত॥
শুনিওক কহো আৰো সখি ধনঞ্জয়।
মইসে জগত গুৰু জানিবা নিশ্চয়॥
সত্যে সত্যে সত্যে সখি কৈলো তত্ব সাৰ।
অন্তৰ্য্যামী ৰূপে ব্যাপি আচোহো সংসাৰ॥
মোৰ ৰূপ মানিয়া গুৰুক কৰি ধ্যান।
নিশ্চয় কৰিয়া সত্যে কৈলো ব্ৰহ্মজ্ঞান॥
অনায় নিবৃতি সেবা ধৰিব আচাৰ।
মহাজ্ঞান কৈলো তত্ব তোমাত বিচাৰ॥
অনায় নিবৃতি সেবা শিষ্যৰ লক্ষণ।
তৃগুণ ভাঙ্গিলে গুৰু ভৈল দৰিশন॥
সৰ্ব্ব শূন্য হুয়া গুৰু কৰিব নিশ্চয়।
তাকেসে বুলিয়া শিষ্য গুৰু পৰিচয়॥
এহি কথা কৈলা যেবে জগত ঈশ্বৰ।
পৰম বিচাৰ মোৰ কৈলো তত্ব সাৰ॥
পৰম জ্ঞানক কৈলো কৰা দৃঢ় মতি।
গুৰু নমানিলে সখি যাইবা অন্ধগতি॥
কৃষ্ণেযে কহন্ত পুনু অৰ্জ্জুন আগত।
মাননিসে ৰহিছে জানিবা কৰি তত্ব॥

কেবলে মান নিয়োগ কৈলো তত্ত্ব সাৰ ।
মান নিছিনিলে হৈব জীৱৰ নিস্তাৰ ॥
অৰ্জ্জুনৰ আগত কহন্ত নাৰায়ণ ।
মান নিছিনিলে কৈতো নাহিকে মৰণ ॥
সত্যে সত্যে সত্যে কৈলো পৰম বিশ্বাস ।
মান নিছিনিলে মই কৰিবো প্ৰকাশ ॥
মাননিসে ভাগৱত মাননিসে সাৰ ।
মাননি নিৰ্গুণ সুখে সংসাৰৰ পাৰ ॥
মাননি উত্তম ভক্তি মাননি আচাৰ ।
মাননিসে মহাজ্ঞান কৰিবে প্ৰচাৰ ॥
অৰ্জ্জুনে প্ৰণামি দুনাই পুচন্ত কৃষ্ণত ।
কহিও গুচোক মোৰ সংশয় আছে যত ॥
গুৰু বৈষ্ণৱক নিন্দা যিজনে কৰয় ।
সি জনৰ কিবা গতি কহিও নিশ্চয় ॥
এহি শুনি ঈশ্বৰে কহন্ত অৰ্জ্জুনত ।
পুছিলাহা পৰম বিচাৰ মহাতত্ত্ব ॥
গুৰু বৈষ্ণৱক নিন্দা কৰে দুৰাচাৰ ।
সিতো মোৰ হৃদয়ত হানিলা কুঠাৰ ॥
শুনিওক কহো সখি পন্থৰ কাৰণ ।
অৱতাৰ গুৰুৰ কেবলে ব্ৰহ্ম যেন ॥
নজানে তত্ত্বক পাপী নিন্দে দুৰাচাৰ ।
সেহিসে পন্থৰ দ্ৰোহী গতি নাহি তাৰ ॥
বৰ্ণা অবৰ্ণ গুৰু আছে যত মান ।
একান্ত ভজনি জাৰ সেহি মহাজন ॥
পূণ্য বুদ্ধি নাহি সিদ্ধি নিন্দে দুৰাচাৰ ।
সেহিসে পন্থৰ দ্ৰোহী গতি নাহি তাৰ ॥
বৰ্ণাবৰ্ণ গুৰু সখি যতেক আছয় ।
একান্ত ভজনে যাৰ নামত আশ্ৰয় ॥
অবিচাৰী অহঙ্কাৰী নিন্দে দুৰাচাৰ ।
সেহিসে পন্থৰ দ্ৰোহী গতি নাহি তাৰ ॥

আপুনি পণ্ডিত জ্ঞান নভৈল যাহাৰ।
নুবুজে পন্থক তত্ব নকৰে বিচাৰ ॥
নিবিচাৰি মন্দ বুদ্ধি নিন্দে দুৰাচাৰ।
সেহিসে পন্থৰ দ্ৰোহী গতি নাহি তাৰ ॥
মোহোৰ আশ্ৰয় সখি মহন্ত সবত।
বৈষ্ণৱক বিষ্ণু বুদ্ধি মানিব মনত ॥
বিচাৰিবে পঞ্চ তত্ব বৈষ্ণৱ আচাৰ।
বুজিবা শুনিবা সখি কৈলো তত্ব সাৰ ॥
বিষ্ণু বৈষ্ণৱৰ নাহি তিলেক অন্তৰ।
যেহি গুৰু সে বৈষ্ণৱ বিষ্ণু সমসৰ ॥
বৈষ্ণৱক সদা নিন্দাবাদ ভৈলা যাৰ।
সেহিসে বিপন্থ সত্যে গতি নাহি তাৰ ॥
অন্ত্যজ চাণ্ডাল যদি বৈষ্ণৱ হৱয়।
একান্তে ভজোক মাত্ৰ নামত আশ্ৰয় ॥
অন্ত্যজ বুলিয়া যিতো নিন্দে দুৰাচাৰ।
সেহিসে পাতকী তাৰ নাহিকে নিস্তাৰ ॥
মোহোৰ বৈষ্ণৱৰ অভেদ নিশ্চয়।
বৈষ্ণৱ শৰীৰ সখি মোহোৰ আশ্ৰয় ॥
অৱতাৰ বৈষ্ণৱ যে কলিযুগে সাৰ।
সেহি বৈষ্ণৱক নিন্দা কৰে দুৰাচাৰ ॥
হৰি চৰণত কৰি একান্ত শৰণ।
পন্থৰ সেহিসে গুৰু নাহি বৰ্ণাবৰ্ণ ॥
সুদৃঢ় বিশ্বাসে মোত কৰিলা আশ্ৰয়।
সেহি ব্ৰাহ্মণক গুৰু মানিবে নিশ্চয় ॥
প্ৰকৃতি সমান মোৰ বৈষ্ণৱ যতেক।
মইসে পৰম স্বামী কহিলো প্ৰত্যেক ॥
মই সমে এক কায় ভিন্ন ভাৱ নাই।
পৰম তত্বক সখি কহিলো বুজাই ॥
অৰ্জ্জুনে বোলন্ত প্ৰভু শুনা দামোদৰ।
কহা শিষ্য গুৰুৰ যে কেদূৰ অন্তৰ ॥

কিবা ভিন্ন অভেদ যে কিমত আৰ্ণয়।
তত্ত্বক বুজাই মোত কহিও নিশ্চয়॥
ঈশ্বৰে বোলন্ত সখি শুনা সাংখ্যতত্ত্ব।
শিষ্য গুৰুৰ কথা আনে নপাৰে পুচিত॥
তুমি বিনে আনে কোনে পুচিবে আমাত।
সি কাৰণে গোপ্য মই কহিবো তোমাত॥
এহি বুলি আতি দ্রৱ ভৈলা নাৰায়ণ।
মৌন হুয়া বৈদ্ধ ধৰি বুলিলা বচন॥
কাতো নতোকহো গোপ্য পৰম বিচাৰ।
তোমাৰ আগত সত্যে কৰিলো প্ৰচাৰ॥
শৰীৰৰ ইন্দ্ৰ দমি বুজাইবে কমন।
সুদৃঢ়ে ৰাখিবেক ব্ৰহ্মত নিৰোপণ॥
ব্ৰহ্মায় ব্ৰহ্মত বিনাই আন নকৰিবে মন।
তেবেসে বুলিয় শিষ্য গুৰু একজন॥
সৃষ্টিৰ বিজত পৃথিবীৰ অগোচৰ।
সমস্তকে তেজি ব্ৰহ্ম কৰিবেক সাৰ॥
তিলেকো নেৰিব মনে কৃষ্ণৰ চৰণ।
তেবেসে বুলিয়া শিষ্য গুৰু একজন॥
বিষ্ণুক এৰিলে যেন কিছো নাহি মৰ্ম্ম।
সেহিৰূপে তেজিবেক সংসাৰ আশ্ৰম॥
সুদৃঢ় বিশ্বাসে ব্ৰহ্মে ৰাখিবেক মন।
তেবেসে বুলিয়া শিষ্য গুৰুৰ লক্ষণ॥
স্বাদ অস্বাদক দুইকো কৰিবে কমন।
তেবেসে বুলিয়া শিষ্য গুৰু একজন॥
নিশ্চয়ে স্বৰূপে ব্ৰহ্ম কৰিবেক ধ্যান।
তেবেসে বুলিয়া শিষ্য গুৰু একজন॥
একাদশ ইন্দ্ৰ দমি হুয়া নিৰাশ্ৰয়।
সুদৃঢ় বিশ্বাসে ব্ৰহ্মত কৰিবে আলয়॥
ব্ৰহ্মময় হুয়া ব্ৰহ্মে নকৰিবে ভিন্ন।
ব্ৰহ্মত ৰহিব বিষয়ত হৈবে হিন॥

সদায়ে সমাধি ব্ৰহ্মত হৈব মতি।
সেহিজন গুৰু শিষ্য পাইব মুখ্যগতি ॥
সদায়ে সন্তুষ্ট মনে নেৰিবে স্মৰণ।
তেবেসে বুলিয় শিষ্য গুৰু একজন ॥
লোভ মোহ কাম ক্ৰোধ আছে শৰীৰত।
চাৰিকো ছিণ্ডিয়া দৃঢ়ে ৰহিবে ব্ৰহ্মত ॥
অহঙ্কাৰ ছেদিয়া নিৰ্ম্মল হুইব মন।
জানিবা অৰ্জ্জুন শিষ্য গুৰু সেহিজন ॥
অষ্ট গোট পদ্ম আছে শৰীৰত।
সেহি পদ্ম পূজি সদা ৰহিব ব্ৰহ্মত ॥
ব্ৰহ্মত পশিয়া নিৰ্ম্মল হইব মন।
তেবেসে বুলিয়া শিষ্য গুৰু একজন ॥
সবাকে চৈতন্য হেন দেখিবে সমান।
মহাব্ৰহ্ম বুলি সদা কৰিবেক ধ্যান ॥
অভেদ মাননি দৃঢ় ধৰিবে নিশ্চয়।
তাকেসে বোলয় শিষ্য গুৰু পৰিচয় ॥
গুৰুৰ চৰণ নিয়া হৃদয়ে ধৰিব।
এহি মহাব্ৰহ্ম বুলি আনন্দ কৰিব ॥
ইন্দ্ৰিয়ক দমি দৃঢ়ে ধৰিব নিশ্চয়।
সেহিজন ভৈলা সখি গুৰু পৰিচয় ॥
প্ৰকৃতি পুৰুষে ভিন্ন বুদ্ধি ভৈল যাৰ।
সেহিসে বিপতি সত্যে গতি নাহি তাৰ ॥
এক ৰূপ কৰি দুইকো ধৰিব নিশ্চয়।
তেবেসে বুলিয়া শিষ্য গুৰু পৰিচয় ॥
এতেক লক্ষণ যাৰ ভৈলা শৰীৰত।
তেবেসে ৰহিব শিষ্য গুৰু সংসাৰত ॥
অময়া মাননি সেবা ধৰিব নিশ্চয়।
তেবেসে বুলিয়া শিষ্য গুৰু পৰিচয় ॥
মহাজ্ঞান বুলি তত্ব পৰম বিশ্বাস।
সত্যে সত্যে সত্যে সখি কৰিলো প্ৰকাশ ॥

সত্যে সত্যে অৰ্জ্জুন কৰিয়ো দৃঢ় মতি।
বাক্য নমানিলে সখি যাইবা অন্ধগতি ॥
মোৰ বাক্য ধৰা সখি সুদৃঢ় বিশ্বাস।
বাক্য নমানিলে সখি যাইবা অন্ধগতি ॥
এহি শুনি অৰ্জ্জুনে কৰিলা দণ্ডৱত।
প্ৰণামি পুচন্ত পুনাই কৃষ্ণৰ আগত ॥
কহিয়োক উদাসিন কিমত লক্ষণ।
ভৃত্য হেন মানি মোত কয়ো নাৰায়ণ ॥
কৃষ্ণে বোলন্ত সখি শুনা মহাযোগ।
সকাম বিষয় সখি এৰিয়োক ভোগ ॥
পৰিচয় হুয়া বিষয়ত হুইবে হিন।
তাকেসে বুলই যে উত্তম উদাসিন ॥
শুনিওক উদাসিন যিমত আশ্ৰয়।
গুৰু পৰিচয় হুয়া এৰিব বিষয় ॥
ব্ৰহ্মময় দেখি কাকো নেদেখিব ভিন্ন।
তাকেসে বুলিয়া সখি উত্তম উদাসিন ॥
লোভ মোহ কাম ক্ৰোধ মনৰ বিষয়।
ইহাকে এৰিয়া দৃঢ়ে কৰা পৰিচয় ॥
লৈয়া পৰিচয় তত্ত্ব ধৰি মহাচিন।
দম্ভ অহঙ্কাৰ এৰি হৈব উদাসিন ॥
লোভ মোহ কাম ক্ৰোধ বিষয় ঐৰ্চৰ্য্য।
ইহাক এৰিব যিতো সেহিসে উদাস ॥
ব্ৰহ্মত ৰাখিয়া মন কৰিবেক লিন।
তাকেসে বোলয় উত্তম উদাসিন ॥
এহিমতে ৰৈল যেবে উদাস আশ্ৰয়।
ব্ৰহ্ম বুলি মানিবাহা কহিলো নিশ্চয় ॥
ব্ৰহ্মক জানিবে মাত্ৰ কৰি কায়া কৃশ।
লোভ মোহ কাম ক্ৰোধ সবে হুইবে নষ্ট ॥
ৰহিব ব্ৰহ্মত বিষয়ৰ এৰি চিন্ন।
তাকেসে বুলিয়া সখি উত্তম উদাসিন ॥

সত্য কৰি কৈলো সখি কৰা দৃঢ় মতি।
আক নামানিলে লোক যাইব অদ্ধগতি॥
অৰ্জ্জুনে প্ৰণামি তুনাই পুচন্ত কৃষ্ণত।
কহিওক স্বামী বৈষ্ণৱৰ কেন তত্ব॥
নিৰ্গুণ তত্বৰ কেন বৈষ্ণৱ আচাৰ।
ভৃত্য হেন মানি মোত কৰিও প্ৰচাৰ॥
মাধৱে বোলন্ত সখি শুনা ধনঞ্জয়।
শুনিওক কহো সখি বৈষ্ণৱ অন্নয়॥
নাম কৰ্ম্ম ভকতি ধৰিব কৰি তত্ব।
তেবেসে মুখ্যত হুয়া ৰহিব ব্ৰহ্মত॥
নাম কৰ্ম্মত ভকতি যে বৈষ্ণৱ আচাৰ।
ধৰিব সুদৃঢ় জ্ঞান ভকতি বিচাৰ॥
তিনিকো কৰিব এক নকৰিব ভিন্ন।
সেহিসে উত্তম সখি ভকতৰ চিন্ন॥
কৃষ্ণে কহন্ত কথা অৰ্জ্জুন আগত।
নাম কৰ্ম্ম ভকতিসে বৈষ্ণৱৰ তত্ব॥
তিনি মিলি জীয়ু মুক্ত সংসাৰ আচাৰ।
সত্যে সত্যে কৈলো মই পৰম বিচাৰ॥
ব্ৰহ্ম জ্ঞান কৈলো এহি জানা স্বৰূপত।
তিনি মিলি জীয়ু মুক্ত বৈষ্ণৱ ধৰ্ম্মত॥
সিকাৰণে বৈষ্ণৱেসে হৃদয় আমাৰ।
পৰম বিচাৰ তত্ব কৰিলো প্ৰচাৰ॥
মাধৱে বোলন্ত সখি শুনা মোৰ বাক্য।
বৈষ্ণৱ বুলিয়া কেহু নমানিবে যাক॥
নাম কৰ্ম্ম ভকতিত পৰম উৎসৱ।
নিশ্চয় জানিবা সখি সেহিসে বৈষ্ণৱ॥
তোমাত কহিলো সত্য বৈষ্ণৱ অন্নয়।
বৈষ্ণবেসে বিষ্ণু সখি জানিবা নিশ্চয়॥
নাম ধৰ্ম্ম ভকতি ধৰিব দৃঢ় কৰি।
তেবেসে বৈষ্ণৱ যাইব সংসাৰ নিস্তৰি॥

তিনি গুণ মাজে তেবে নিশ্চল আশ্রয় ।
তৈসানিসে হৈলা নাম কৰ্ম্ম ভক্তি কয় ॥
আদি অন্ত পুৰুষৰ পৰম বিশ্বাস ।
অনাদিৰ শৰীৰে তত্ত্ব কৰন্ত প্ৰকাশ ॥
নামে হৈলা ব্ৰহ্মা বিষ্ণু ভকত আচাৰ ।
কৰ্ম্মে মহেশ্বৰে তত্ত্ব কৰিলা প্ৰচাৰ ॥
সত্যে সত্যে সত্যে কৈলো কৰা দৃঢ় মতি ।
আক নামানিলে সখি যাইব অধোগতি ॥
অৰ্জ্জুনে বোলন্ত প্ৰভু শুনা নাৰায়ণ ।
নামৰ মহিমা তত্ত্ব কহিও কাৰণ ॥
কিমত উত্তম নাম কিমত বিশ্বাস ।
নমো যোগেশ্বৰ প্ৰভু কৰিও প্ৰকাশ ॥
গুৰু মুখে এক নাম লৈবেক কৃষ্ণৰ ।
পাপ পুণ্য ধৰ্ম্মাধৰ্ম্ম ধন পৰিকৰ ॥
সমস্তে অৰ্পিব জানি গুৰুৰ চৰণ ।
গুৰু বাক্য অৰ্পিব সমস্তে পঞ্চতত্ত্ব ॥
একান্ত শৰণ এহি কৈলো মহাতত্ত্ব ।
সংশয় এৰিয়া আক ধৰিও মনত ॥
যোগী বা সন্যাসী ব্ৰহ্মচাৰী দিগম্বৰ ।
সবাকে এৰিয়া কৰা নামক বিচাৰ ॥
সবাৰে আশ্ৰয় হৰিনাম মহাতত্ত্ব ।
সত্যে সত্যে সত্যে কৈলো তোমাৰ আগত ॥
যোগী বা সন্যাসী ব্ৰহ্মচাৰী যতেক আছয় ।
সবাতে উত্তম যোগ নামত আশ্ৰয় ॥
একান্ত শৰণ লৈয়া নামত নিশ্চয় ।
তেবেসে সংসাৰ তৰে নামৰ আলয় ॥
অৰ্জ্জুনে পুচন্ত কথা কৃষ্ণৰ আগত ।
কিমতে বিশ্বাস হৈব তোমাৰ নামত ॥
কিমতে কৰিবে নামে একান্ত বিশ্বাস ।
মোহোৰ আগত প্ৰভু কৰিও প্ৰকাশ ॥

মাধবে কহন্ত কথা অৰ্জ্জুন আগত ।
পৰম বিশ্বাস কথা যোগ মহাতত্ত্ব ॥
কাতো নতোকহো ইতো পৰম বিশ্বাস ।
তোমাৰ আগত সত্যে কৰিবো প্ৰকাশ ॥
সদায়ে কৰিব মনে নামত বিশ্বাস ।
নিৰ্ম্মল নিশ্চল ব্ৰহ্ম তেবেসে প্ৰকাশ ॥
যিতো মহাজ্ঞানী কৰে ব্ৰহ্মত আশ্ৰয় ।
নিৰ্ম্মল নিশ্চল ব্ৰহ্ম নামতে আছয় ॥
নামে ব্ৰহ্মে অভেদ জানিবা নিষ্ট তত্ত্ব ।
সত্যে সতো কৈলো সখি তোমাৰ আগত ॥
যিতো মহাজ্ঞানী সদা কৃষ্ণক চিন্তই ।
নামক স্মৰন্তে সদা প্ৰেম উপজয় ॥
জানি দৃঢ়ে কৰা মন নামত হৈয়া লয় ।
তেবেসে মুকুতি নাম প্ৰকাশ হবই ॥
নামে সমে কৰিবেক অভেদ বিচাৰ ।
সুদৃঢ় বিশ্বাসে হৈব সংসাৰ নিস্তাৰ ॥
একান্ত শৰণে যে নামত হৈব লয় ।
তেবেসে মুকুতি পাপে তত্ত্ব নপাৱয় ॥
অহর্নিসে নামক কৰিবে স্মৰণ ।
জ্ঞান খৰ্গে বিষয়ক কৰিবে ছেদন ॥
আনন্দ সন্তুষ্ট মিলিবেক সুখময় ।
তেবেসে মুকুত মন ব্ৰহ্মে যাইবে লয় ॥

## গীতা কীৰ্ত্তন।

ঘোষা ॥ পায়ে পৰো যদুদেৱ কহিয়ো উপাই।
বিষয় বেদনা দুখ সহন নাযাই ॥

পদ ॥ বহুতৰ লোকে যাক কৰে বহুমান।
তাহাৰ দুৰ্যশ মৰণত কৰি টান ॥
ভয়ে তুমি পলাই যাহা বুলিবেক লোক।
শুণি চাহা আত পৰে আছে কোন শোক ॥
যেবে মৰা স্বৰ্গ পাই ধৰ্ম্ম যুদ্ধ কৰি।
জিনা যেবে ভুঞ্জিবা অখিল বসুন্ধৰি ॥
হেন জানি কুন্তীৰ তনয় ধনঞ্জয়।
যুদ্ধক উদ্যোক কৰা কৰিয়া নিচয় ॥
নকৰা বিমন তুমি ভাসভুস মিছা।
মনত এৰিয়া সুখ লাভ জয় ইচ্ছা ॥
স্বধৰ্ম্ম পালিয়া যুদ্ধ কৰা সব্যসাচী।
নপাইবে পাতেক মই কহিলন্ত বাচি ॥
আগত কহিলো আনোতত্ত্ব জ্ঞানবিত।
এবে ধৰ্ম্ম যোগ কহো থিৰ কৰা চিত ॥
ঈশ্বৰত কৰ্ম্মফল অৰ্পণাক কৰি।
চিত্ত শুদ্ধি কৰি যাইবা ভয় ভব তৰি ॥
ঈশ্বৰত অৰ্পি কৰ্ম্ম কৰয় সকল।
আৰম্ভ মাত্ৰকে তাৰ পাৱে পূৰ্ণ ফল ॥
বিঘ্নেত নাপায়ে তাৰ প্ৰাত যে প্ৰদেশ।
মিত্ৰ জানি তোমাত কহয়ো উপদেশ ॥
অৰ্পণা কৰ্ম্মত যিতো ভৈলেক সমুখ।
বিহাৰায়ে বিঘ্নে যদি হুয়া বহু দুঃখ ॥
উযোগ মাত্ৰকে যত ফল বিদ্যমান।
সেহি ফলে সংসাৰতে কৰে পৰিত্ৰাণ ॥

ঈশ্বৰৰ অবধান লক্ষণ ধৰ্ম্মত।
একনিষ্ঠা বুদ্ধি আসি হোৱে উপগত॥
কৃষ্ণত ভক্তি কৰি মই তৰিবো সংসাৰ।
এহি একনিষ্ঠা বুদ্ধি উপজয় তাৰ॥
ঈশ্বৰত একনিষ্ঠা বুদ্ধি নাহি যাৰ।
নানা বিষয়ক লাগি বাঞ্ছা হোৱে তাৰ॥
নানা দেৱ পূজে নানা বিধি চাই।
নানা বিষয়ক লাগি তাৰ বুদ্ধি যাই॥
নিত্যে নৈমিতিক কৰ্ম্ম ঈশ্বৰে অৰ্পিয়া।
যিবা জনে কৰে সৰ্ব্ব ফলক এৰিয়া॥
সঙ্গোপঙ্গে তাক যেবে নুৱাৰে কৰিত।
তথাপি সাফল বিঘ্ন নাহি কদাচিত॥
যিবা জনে কাৰ্য্য কৰ্ম্ম কৰয় সকল।
নানা পূজা কৰে মনে বাঞ্ছে নানা ফল॥
কিছো অঙ্গ হিন ভৈলে ফল হোৱে নষ্ট
বিঘ্নে অতিভয় কৰে পাৱে বহু কষ্ট॥
যেবে বহু দুখ আছে সকাম কৰ্ম্মত।
তেবে কিয় সৰ্ব্বলোকে জানি মৰ্ম্মতত্ব॥
সকামত এৰিয়া নিস্কামত নেদে মন।
হেন শুনি হাসিয়া বোলন্ত নাৰায়ণ॥
নিস্কাম ধৰ্ম্মত যিতো নাপাৱয় উলি।
ৰহগুক আজোৰয় কচু আলু বুলি॥
আপাত সুন্দৰ শুনি বেদৰ বচন।
এহি পৰমাৰ্থ বুলি কহে মূঢ় জন॥
চাৰি মাস হৰিক যজয় জিবা লোক।
পাৱয় অক্ষয় লোক আনন্দ আসোক॥
পিবেক অমৃত হুইবে অজয় অমৰ।
এহিতো বেদৰ কৰ্ম্ম আপাত সুন্দৰ॥
আত পৰে আন কোন আছই ঈশ্বৰ।
আনকো বুজায়ে এহি বুলি নিৰন্তৰ॥

কামে আকুলিত চিত্ত নাপায়ে সুকৃতি ।
কহয়ে সকাম কৰ্ম্ম স্বৰ্গ সুখ প্ৰতি ॥
স্বৰ্গত উপৰে কোন আছে কৰ্ম্ম ফল ।
এহি কথা কহি ফুৰে প্ৰকটি সকল ॥
নানা বিধ কৰ্ম্ম যোগ কহয় সদায়ে ।
বোলা হৰি ভৱ বন্ধ তৰণ উপাই ॥

---

ঘোষা ॥ পদ্মপাণি মধুসূদন দেৱ ।
তোমাৰ চৰণ বিনে গতি নাহি কেৱ ॥
পদ ॥ ভোগ ঐৰ্চয্যত আতি নিবেসিত মন ।
বেদৰ বচনা বাক্য হৰিলে চেতন ॥
ঐৰ্চয্য ঈশ্বৰত লয়ে এক শৰণ ।
তথাপি নিচয় বুদ্ধি নোহে উপশম ॥
বেদৰ বচন তুমি বাচিসাই লয়া ।
আপাত সুন্দৰ বেদ মনে থিৰ হোৱা ॥
সকাম কৰ্ম্মক মাত্ৰ কহে বেদগণে ।
তুমিতো নিস্কাম হোৱা মোহোৰ বচনে ॥
কাম ক্ৰোধ লোভ মোহ আৰু ৰাগ দ্বেষ
হিংসা পেই শূন্য সহ স্মৰণ নিশেষ ॥
সবাকে সহিবা শীত উষ্ণ বায়ু পাই ।
নিস্কাম হৈবাৰ মই কহিলো উপাই ॥
ধৈৰ্য্যক আলম্বি মন কৰিবাহা সম ।
অপ্ৰাপ্যক পাইবে লাগি এৰিবা উদ্যম ॥
পালিয়ো ৰাখিবে লাগি নকৰিবা চিত ।
সাবধান হৈবা মোৰ বাক্য শুনি হিত ॥
যাকে যাকে কামে ক্ৰোধে কৰয় আকুল
মনত কৰয় বিত্ত পাইবাক বহুল ॥
পাইলিয়ো ৰাখিবে যত্ন কৰে অতিৰেক ।
সিতো জনে কেন মতে নিৰ্ধন হৈবেক ॥

তুমি এবে সবে এৰি দুয়োক নিৰ্ম্মল।
বুলিবা বেদৰ সবে এহি কৰ্ম্মফল॥
ঈশ্বৰৰ আৰাধন কুবুদ্ধিসে সাৰ।
ইহাৰ দৃষ্টান্ত এবে শুনিয়োক আৰ॥
খালৰ আনিয়া পানী গৃহক মাজয়।
আন জল আনি শংখ তামী পখালয়॥
অন্ন ব্যঞ্জন ৰান্ধে আন জল আনি।
স্নান পান কৰে বহুতৰ জলে নামি॥
যেন নানা থানৰ আনিয়া নানা জল।
মনুষ্য কৰয় নিত্য কৰ্ম্মক সকল॥
মহা সৰোবৰে সবে এক থান হই।
মোহোৰ বচন সবে জানিবা নিশ্চয়॥
সেহি মতে বেদৰো অনেক বিধ ফল।
ব্ৰহ্মনিষ্ঠা পুৰুষত মিলয় সকল॥
ঈশ্বৰত এক নিষ্ঠা বুদ্ধি ভৈলা যাৰ।
ত্ৰিভুবনে অপ্ৰাপ্য আছয় কিবা তাৰ॥
ঈশ্বৰক আৰধিবে সকলে কৰ্ম্মৰ।
ফল পাইবো বুলি নেৰে নিৰন্তৰ॥
নকাৰিবা ইতো বুদ্ধি তুমি ধনঞ্জয়।
শুনা শুনা কহো মই ইহাৰ নিশ্চয়॥
নিত্য নৈমিতিক কৰ্ম্ম কৰা নিতে নিত।
নকৰিবা ফল বাঞ্ছা তুমি কদাচিত॥
বাঞ্ছিলিসি আসি কৰ্ম্ম ফলে পাৰে লাগ।
অৱশ্যে কৰ্ম্মক নকৰিবা পৰিত্যাগ॥
ঈশ্বৰৰ অধীন হুয়া কৰা কৰ্ম্ম যত।
মই কৰো অভিমান নকৰা মনত॥
সিদ্ধি অসিদ্ধিত সদা হইবা অবিকাৰ।
আকেতো বুলিয়া সখি মোৰ বোল সাৰ॥
ঈশ্বৰত কৰ্ম্মফল অৰ্পি কৰে যত।
তাহান সমান নাই তিনিয়ো লোকত।

কাম্যে কৰ্ম্ম মানে তাতকৰি আতি হিন ।
জানিয়া ঈশ্বৰ সেৱা কৰা দিনে দিন ॥
কাম্যে কৰ্ম্ম কৰে যিতো সিতো দুষ্ট প্ৰাণী ।
কতো কাল ভোগ্য ভুঞ্জি হোৱে অধোগামী ॥
সকাম কৰ্ম্মতি খানিতেকো নাহি সুখ ।
বোলা ৰাম কৃষ্ণ দূৰ হৌক ভৱ দুখ ॥

---

ঘোষা ॥ ৰাম হৰি ৰাম হৰি গোপাল গোপাল ॥

পদ ॥ মোক্ষক লাগিয়া যোনে কৰে আতিশয় ।
বিবেকৰ বলে জানি শাস্ত্ৰৰ নিচয় ॥
ঈশ্বৰত দ্ৰব্য নকৰয় ঘনে ঘন ।
ইন্দ্ৰিয় আজুৰি বলে আনি তাৰো মন ॥
ইন্দ্ৰিয় সকল ইতো পৰম বলিষ্ঠ ।
যোগী বংশৰো বৰ চিন্তয় অনিষ্ট ॥
যোগী হুয়া ইন্দ্ৰিয় নিয়মে প্ৰথমত ।
মোত পৰে আন নজানয় জান তাত ॥
গুণ বুদ্ধি বিষয়ক যিবা কৰে ধ্যান ।
বিষয়ত পৰে মনে নিচিন্তয় আন ॥
বিষয়ত মন যেবে ৰৈল অবিৰাম ।
তেবে পুৰুষৰ বিষয়ত হোৱে কাম ॥
নাপাইলে পুৰুষে যেবে বাঞ্ছিত বিষয় ।
তাত পাছে ক্ৰোধ উপজয় আতিশয় ॥
ক্ৰোধত পৰে মোহ উপজে অপাৰ ।
কৰ্ত্তব্য অকৰ্ত্তব্য যাতো নাহিকে বিচাৰ ॥
সন্মোহত পাছে আসি দুয়ে স্মৃতি ভ্ৰষ্ট ।
শাস্ত্ৰ আচাৰ্য্যৰো উপদেশ হয়ে নষ্ট ॥
সত্য নষ্ট ভৈলে পাছে চেতন হৰয় ।
আপুন পৰক লাগি নাহি পৰিচয় ॥
চেতন হৰিলে হুই মৃতক সমান ।
সবে অনৰ্থৰ হেতু বিষয়ৰ ধ্যান ॥

স্বভাৱে ইন্দ্ৰিয়গণ বিষয়ত ৰতি।
আক নিৰোধিবে পাৰে কাহাৰ শকতি ॥
স্থিতপ্ৰজ্ঞ হুই যেবে ইন্দ্ৰিয় দমিবা।
তিনিয়ো লোকত তাক নপাও খুজিয়া ॥
ভৈলো শঙ্কামন হৰি বোলন্ত আপুন।
কহয়ো উপায় সখি শুনিয়ো অৰ্জ্জুন ॥
অভিমত পায়া যিতো নোহে হৰষিত।
নপালিও দ্বেষ নকৰয় কদাচিত ॥
নিলিখিল বিষয় ভোগ কৰয় বশ।
সেহি পুৰুষৰ জানা মন ভৈল বশ ॥
মন বশ্য ভৈলে সবে দুখ হোৱে হানি।
পৰম প্ৰসাদ তেবে পায়ে সেহি প্ৰাণী ॥
চিত্তত প্ৰসন্ন ভৈলে কি কহিবো আৰ।
থিৰতৰ বুদ্ধি সখি জানিবাহা তাৰ ॥
যাহাৰ ইন্দ্ৰিয় ভৈল বিষয়ত ৰতি।
কদাচিতো নচলে মন ঈশ্বৰক প্ৰতি ॥
শাস্ত্ৰ চাই গুৰু উপদেশ দেন্ত যত।
নুপজয় সদবুদ্ধি তাহাৰ মনত ॥
নভৈল যাহাৰ বুদ্ধি অতি থিৰতৰ।
সিতো কেনে ৰূপ চিন্তিবেক ঈশ্বৰৰ ॥
যাহাৰ নাহিকে ঈশ্বৰৰ ৰূপ ধ্যান।
তাৰ কেনমতে হৈবে ভয় পৰিত্ৰাণ ॥
দশোটা ইন্দ্ৰিয় সদা বিষয়ক ধায়ে।
তাহাৰ মনত যিতো একগোটা ঠায়ে ॥
মনক প্ৰেৰয় যিতো অনুক্ষণ কৰি।
সেহিটো ইন্দ্ৰিয়ে তাৰ বুদ্ধি নেই হৰি ॥
ঈশ্বৰক এৰি বিষয়ত কৰে ধ্যান।
এক গোট ইন্দ্ৰিয়ৰ বল এতমান ॥
দশোটায়ে মিলি যাক কৰে আকুলিত।
তবে আউৰ কৈত পাইলা ঈশ্বৰত চিত ॥

যেহেন প্ৰমত্ত কণ্ডবেৰ নাও ভাসে।
সাগৰত পাইলে যেন প্ৰচণ্ড বতাসে॥
ইকূল সিকূল নপাই তল যাই মাজে।
সেহিমতে পুৰুষকো ইন্দ্ৰিয়ৰ কাজে।
স্বৰ্গকো নপাই ইন্দ্ৰিয়তো নাহি আশা।
দুৰ্ঘোৰ নৰকে নিয়া কৰয়ে বাসা॥
হেন জানি দেখ আৰ ইন্দ্ৰিয়ৰ বশ।
সেহি গোটা স্থিৰপ্ৰজ্ঞ পুৰুষ আবাস॥

---

ঘোষা। ৰঘুনাথ জীৱেৰ জীৱন ৰাম স্বামী।
কৰা পৰিত্ৰাণ ভৈলো তুয়া দাস আমি॥

পদ। যিতো জনে কৰ্ম্ম কৰে ফল পৰিহৰি।
কেৱলে ঈশ্বৰ আৰধন মাত্ৰ কৰি॥
সেহিজন জ্ঞানী হুয়া এৰাই ভয় বন্ধ।
নিৰাময় মুক্তি পায়ে পৰম স্বচ্ছন্দ॥
এহিতো মুকুতি মই কেতিক্ষণে পাও।
তেবেতো বান্ধৱ দুখ সকলে এৰাও॥
হেন অৰ্জ্জুনৰ মনে অভিপ্ৰায় জানি।
ধেৰছেদ কৰিয়া বোলন্ত পদ্মপণি॥
এহিমতে ঈশ্বৰক আৰধন্ত মনে।
তাহান প্ৰসাদে স্বস্থ হয়ে যেতিক্ষণে॥
তেবেসে তোমাৰ বুদ্ধি জানা কুন্তীসুত।
অহংমম মদে হত এৰিব অসযেন্ত॥
ইন্দ্ৰ ব্ৰহ্মা মহেশ্বৰ পদ যত যত।
বন্দ কৰি নলৈবাহা কাহাকো মনত॥
বিষয়ক লাগি তেবে নযাই তাৰ মতি।
ঈশ্বৰৰ চৰণে হুইবেক এক মতি॥
মাধৱৰ বাণা শুনি শ্বেত যে বাহন।
বোলন্ত কহিয়ো স্থিৰ বুদ্ধিৰ লক্ষণ॥

কোননো লক্ষণ স্থিৰ বুদ্ধি বুলি তাক।
সাক্ষাতে স্বৰূপে তুমি বুজাও আমাক ॥
কিবা বোলে কেন মতে থাকে আসনত।
কেন মতে চিন্তে কেনে ফুৰে সংসাৰত ॥
সকলে কহিয়ো মোত বুজাই নিশ্চয়।
কৃপাৰ বিষয় যদি হও ধনঞ্জয় ॥
অৰ্জ্জুনৰ বাণী শুনি দেৱহৃষিকেশ।
বোলন্ত কহয়ো সখি শুনিয়ো নিশেষ ॥
পুত্ৰ দাৰা ধন জন স্বৰ্গ আদি কৰি।
পৰম আনন্দ কৰি যাকে যাকে ধৰি ॥
মল যে নুগুচে সৰ্ব্বদাই প্ৰেমৰাগি।
কৰ অবিৰোৰ্দ্ধ যিতো বিষয়ক লাগি ॥
হেন সব বিষয়ত এৰি অনুৰাগি।
ব্ৰহ্মানন্দে তুষ্ট হুয়া কৰে পৰিত্যাগি ॥
যেন ঘোল এৰে অমৃতৰ স্বাদ পাই।
বিয়ষক লাগি মন খানিকো নযাই ॥
সদায়ে সন্তোষ মন হয়ে যিবা জনে।
থিৰ বুদ্ধি বুলি সখি এতেক লক্ষণে ॥
দুখ ভৈলে ব্যাকুলিত নোহে যাৰ চিত।
সুখ ভৈলে আনন্দ নকৰে কদাচিত ॥
কাম ক্ৰোধ ভয় প্ৰিতি নাহিকয় যাৰ।
তাকে স্থিৰবুদ্ধি বুলি জানা সাৰে সাৰ ॥
পুত্ৰ মিত্ৰ জনত নাহিকে যাৰ স্নেহ।
অভিমানে যি জনে নকৰে নিজ দেহ ॥
প্ৰশংসা নকৰে যিতো অনুকুল পাই।
প্ৰতিকুল পায়া নিন্দা নকৰে সদাই ॥
উদাসিন ভাৱে থাকে বুদ্ধিত নিপুণ।
আকে থিৰ বুদ্ধি বুলি জানিবা অৰ্জ্জুন ॥
একাদশ ইন্দ্ৰিয়ক বিষয়ৰ পৰা।
যিবা জনে আকেৰসি আনে আতি দ্বাৰা ॥

যেহেন কচ্ছপে অপুনাৰ হাত পায়।
অপ্ৰয়াসে সঙ্কোচিত কৰয় একঠাই ॥
এহি ভাৱে যিবা বিষয়ত দোষ দেখি।
তাকে স্থিৰবুদ্ধি বুলি জানিবাহা সখি ॥
বিষয় এৰিয়া যদি স্থিৰবুদ্ধি হয়।
তেবে মনে আতিশয় মিলিল সংশয় ॥
মহাৰোগে অতিভয় হুয়া যিবা লোক।
বিষয় নুভুঞ্জি সিয়ো স্থিৰ বুদ্ধি হৌক ॥
হেন জনে ভুঞ্জে মনে থাকেয় সংশয়।
মাধৱে বোলন্ত আত শুনিও নিশ্চয় ॥
অনেক দিবস যিতো কৰে উপবাস।
তাৰো পুনু বিষয়ত আছে অভিলাস ॥
বিষয়ক প্ৰতি ৰাগ নাথাকে ইমান।
ভোগৰ কাৰণে ঘোৰ ব্যাধিৰ কাৰণ ॥
নিৰ্ভই নিদ্ৰাত শুতি আছে যিবা জন।
বিষয়ক নলৈ তাৰ ইন্দ্ৰিয় গণন ॥
সিয়ো তেবে স্থিতপ্ৰজ্ঞ হৌক যে নিশ্চয়।
বোলন্ত মাধৱে খণ্ডি ইহাৰ সংশয় ॥
শুনা শুনা সখি যেবে মোহোৰ বচন।
ত্ৰিভুবন মধ্যে যত যত প্ৰাণীগণ ॥
ঈশ্বৰ নিষ্ঠাসে জানা সবাৰে ৰঞ্জনি।
অণ্ডনি সকলে জাত জাত কৰ্ম্ম মানি ॥
ইন্দ্ৰিয় নিয়মি যিতো এৰিলেক প্ৰিতি।
ঈশ্বৰ নিষ্ঠাতে তাৰ দেখে কতকতি ॥
বিষয় নিষ্ঠাত তাৰ নাহিকে উদ্যোগ।
যাত অজ্ঞে আনন্দে কৰয় উপভোগ ॥
জ্ঞানীৰ নিশা জানা প্ৰপঞ্চ সংসাৰ।
আহাৰো যে অভিপ্ৰাই শুনিয়ো আমাৰ ॥
যেন পঞ্চ দিনত নেদেখে একো কাল।
ৰাত্ৰি কালে বিষয় ভুঞ্জয় ভাল ভাল ॥

সেহি মতে নিমিলিত চক্ষু যোগীগণ।
বিষয়ক লাগি তাৰ নচলয় মন॥
ঈশ্বৰক বিষয় স্থিৰ দৃষ্টি ভৈলা যাৰ।
আকো থিতপ্রজ্ঞ বুলি জানা সাৰে সাৰ॥
জ্ঞানীৰ দৃষ্টি যেবে নাহি বিষয়ত।
কেন মতে ভুঞ্জে বিষয়ক যত যত॥
ইহাত সংশই যেবে মিলে অতিৰেক।
মাধৱে বোলন্ত তেবে শুনিয়ো প্রত্যেক॥
যেন নানা নদী জলে সাগৰ পূৰিত।
তীৰক লঙ্ঘিয়া নচলয় কদাচিত॥
আনো তাত প্রবেশয় নানা বিঘ্ন যত।
তথাপি সাগৰ জল দেখিয় সকল॥
ঈশ্বৰত দৃষ্টি আন ভিতি নচলয়।
যথা যোগ্য বিষয়ক ভোজন কৰয়॥
পূৰ্ব্ব বাসানায়ে আসি মিলয় যত ভোগ।
তাকো পুনু যি মুনিৰ নাহিকে উদ্যোগ॥
তথাপিতো যিতো মুনি নচলয় মতি।
সেহি মুনি জানা সখি পাইলেক মুকুতি॥
যাব মন বিষয় কৰিলে আকুলিত।
তাৰ পুনু মুকুতি নাহিকে কদাচিত॥
বিষয়ক পাই যিতো নোহে হৰিষিত।
নাপালিয়ো বঞ্ছা নকৰয় কদাচিত॥
মই কৰো বুলি নাহি সন্তোষ মনত।
যাৰ দৃষ্টি নুগুচই সদা ঈশ্বৰত॥
পূৰ্ব্ব কৰ্ম্ম ফলে যিতো ভোগ মিলে আসি।
সবাকে ভুঞ্জে চিত্তে নুহি অভিলাসি॥
সেহিতো পুৰুষে ভৱ সমুদ্রৰ পাৰ।
অপ্রয়াসে হোৱে তুমি জানা সাৰে সাৰ॥
ব্রহ্ম বিষয়ত সখি নিষ্ঠা যাক বুলি।
কহিলো তোমাত সৰ্ব্ব শাস্ত্র অৰ্থ তুলি॥

হৰি আৰাধনে কৰ্ম্মে মুগ্ধ কৰি মন ।
এহি ব্ৰহ্মা নিষ্ঠাক পাইলেক যিবা জন ॥
আউব নপৰয় সিতো সংসাৰ গৰ্ভত ।
তোমাৰ আগতে মই কহিলোহো তত্ত্ব ॥
মৰণ কালতে এহি ধাৰণাক ধৰি ।
ক্ষেণ মাত্ৰ থাকে যিতো সঙ্গ পৰিহৰি ॥
ব্ৰহ্মত লিন হয়ে দেহ অবসানে ।
দ্বিতীয় অধ্যায় সমাপতি এতিমানে ॥
কৃষ্ণৰ কিঙ্কৰে কহে ৰত্নাকৰ মিশ্ৰে ।
হৰি ভক্তি কৰি তৰা সংসাৰত হৃষ্ট ॥
কলিকালে নৰতনু ভাৰত ভূমিত ।
লভিলাহা জন্ম বহু মুকুতি কলিত ॥
সাফল কৰিয়ো জন্ম নকৰিয়ো বৃথা ।
আন কাম এৰিয়া শুনিয়ো হৰি কথা ॥

---

শ্লোক ॥ অৰ্জ্জুনায় সুভক্তায় কৰ্ম্মযোগং সুনিৰ্ম্মলং ।
কৃপয়োপাদিশৎ তস্মৈ কৃষ্ণায় গুৰুবে নমঃ ॥

ঘোষা ॥ ৰাম হৰি, সংসাৰে ভয়, খণ্ডিয়ো করুণাময়,
চৰণে শৰণ লৈলো বাপ ।
তোমাৰ নুশুনি কথা, বিষয় কৰিলো বেথা,
হৃদয়ে নখণ্ডে সদা তাপ ॥

পদ ॥ অৰ্জ্জুনে বোলন্ত স্বামী তোমাৰ বাক্যত আমি,
ভাল মতে নুবুজিলো মৰ্ম্ম ।
জ্ঞান বৰ্গ ধৰি আতি, মোহময় বান্ধ কাটি,
পাছে কিয় আচৰিব ধৰ্ম্ম ॥
কৰ্ম্মযোগ পৰিহৰি, জ্ঞানযোগ তুলি ধৰি,
মনে যেবে দেখা শ্ৰেষ্ঠতৰ ।
কাটন ছিঙ্গন কৰ্ম্ম, ক্ষেত্ৰিয়ৰ নিজ ধৰ্ম্ম,
বুলি মোক পাঞ্চা দামোদৰ ॥

সংশয় জনৰ বাণী, বুলি যেন চক্রপাণি,
মোহে যেন কৰে মোৰ মন।
কৰ্ম্ম যেন অনুসৰি, এক গোটা নিষ্ট কৰি,
উপদেশ দিয়া নাৰায়ণ॥
তযু উপদেশ পাই, অতি অপ্রয়াসে যাই,
তৰো যেন সংসাৰ সাগৰ।
বাক্য শুনি অৰ্জ্জুনৰ, কৃপাময় দামোদৰ,
হাসি হাসি বুলিলা উত্তৰ॥
দ্বিতীয় অধ্যায়ে জানি, অধিকাৰি ভেদ মানি,
কহিলা আদি বিদ্ধ প্রকাৰ।
মন শুদ্ধ ভৈল যাৰ, জ্ঞান যোগ কৈলো তাৰ,
আমাক চিন্তিবে বাৰে বাৰ॥
শুদ্ধ নোহে যাৰ মন, বিষয়ক ঘনে ঘন,
চলে মোৰ ভিতিক নযাই।
কৰ্ম্ম যোগ তাক লাগি, কহিলও মাত্র ত্যাগি,
চিত্ত শুদ্ধি কৰণ উপাই॥
অৱশ্য বিহিত যত, সমর্পিয়া ঈশ্বৰত,
কৰ্ম্ম যোগ নকৰয় যায়ে।
নাহি তাৰ চিত্ত শুদ্ধি, নুপজয় জ্ঞান বুদ্ধি,
কেন মতে সিতো জ্ঞান পায়ে॥
সকলে জ্ঞানক এৰি, জ্ঞানকো নিন্দয় বেঢ়ি
মুকুতিক কৰয় প্রবন্ধ।
মোৰ এহি অভিপ্রায়, তাৰ পুনু মোক্ষ নাই,
নুগুছে নুগুছে ভয় বন্ধ॥
কোননো পুৰুষ আছে, যোগী বা জ্ঞানীবা পাছে,
কৰ্ম্ম নকৰিয়া ক্ষণ মাত্র।
থাকিবাক কৰে ইচ্ছা, তাহাৰ দৰপ মিছা,
সিতো কোন নৃপতিৰ পাত্র॥

স্বভাৱ গুণৰ বলে, কৰাৱয় অবিকলে,
নুহিকই আপুনি স্বতন্ত্র।
বোৱাৰীৰ ইছা যেন, গাওঁ ফুৰিবাক চাহে,
মিছায়ে কৰয় তন্ত্র মন্ত্র॥
দুই হস্ত কাক্য পায়ে, নিয়মিয়া এক ঠায়ে,
মাধৱৰ ধ্যান চলে থাকে।
মনে স্মৰে অমুকাৰ স্ত্রী আছে মনোহৰ,
কেন মতে পাওঁ মই তাকে॥
বিশিষ্ট মোদক প্রাণ কেনে মিলে মোৰ থান,
প্রচুৰ কৰিয়া ধন বিত্ত।
এহিটো দাম্ভিক আতি, পূজা লয়ে কপাট পাতি,
আকে তাৰ শুদ্ধ নোহে চিত্ত॥
মুখ চক্ষু নাসা কাণ জিহ্বা কৰি এক থান,
মনে ঈশ্বৰত নিয়া ধৰে।
বাহিৰে বিষয় যাক, হস্তে পায় বক্ষে আকে,
অনুকুলে সবে ভোগ্য কৰে॥
মই কৰো ৰঙ্গ মনে, নকৰয় থানে থানে,
ঈশ্বৰ অধীন হুয়া থাকে।
বাহিৰে বিষয় ত্যাগি, মনে যিতো অনুৰাগি,
আত কৰি ভাল দেখো তাকে॥
জানি নিত্য কৰ্ম্ম যত, কৰা তুমি অভিমত,
কৰ্ম্ম কৰান্তাসে শ্রেষ্ঠতৰ।
সৰ্ব্ব কৰ্ম্ম এৰে যেবে, জানিবা মোক্ষৰ তেবে,
নবৈৰেক এহি কলেৱৰ॥
সাখ্যং শাস্ত্র তত্ত্ব জানি, কেহো কেহো বোলে বাণী,
কৰ্ম্মে পুনু বদ্ধ কৰে আতি।
তত্ত্ব নাজানিয়া কথা, কহি মাত্র ফুৰে সদা,
নুশুনিবা তাক কাণ পাতি॥

মাধৱৰ আৰাধন বিনে যত কৰ্ম্মগণ,
সংসাৰত সুখ দুখ দুই।
উদ্যোগী বিস্তৰ প্ৰতি, কৰ্ম্ম কৰে মোৰ নিতি,
সিতো কৰ্ম্মে বৈকুণ্ঠক নেই॥
এবে তুমি হেন জানি, বিষ্ণুৰেসে প্ৰিতি মানি,
নিত্য কৰ্ম্ম কৰা যত যত।
নলৈবাহা ফল ধৰ্ম্ম তাৰ, জানিয়া বচন সাৰ,
মোহোৰ এহিসে অভিমত॥
শুনা আৰো কহো কথা, ব্ৰহ্মায়ে কহিলা যথা,
পূৰ্ব্বে প্ৰজা স্ৰজি প্ৰজাপতি।
নানা যজ্ঞ সমন্বিতি, শুনা সবে এক চিতি,
মোৰ বাক্যে কৰিবাহা ৰতি॥
এৰি নানা যজ্ঞ কৰা, আমাৰ বচন ধৰা,
পুত্ৰে পৌত্ৰে বাঢ়িবাস ফল।
নেদেখিবা আক অল্প নোহো মোৰ ব্ৰহ্মা কল্প,
অভিমত পাইবা তেবে ফল॥
যজ্ঞ দেৱগণ জয়া, মোৰ বাক্যে সবে প্ৰজা,
তেবে দেৱগণ হুইবে তুষ্টি।
বাঢ়িবাহা ধনে জনে, যাবে চন্দ্ৰ সূৰ্য্য মানে,
অনুকুলে কৰিবেক বৃষ্টি॥
দেৱতাৰ বৃষ্টি জলে, শষ্য বাঢ়ে অবিকলে,
দেৱক নেদিয়া যিতো খাই।
দুৰ্জ্জন টেণ্টন আতি, সেৱা লয়ে কপট পাতি,
সেহিজন জানা চোৰ প্ৰাই॥
স্ৰজন্তে কতেক পলু, পিম্পৰা মৰিয়া যাই,
কাটন্তে কতেক বীজ হানি।
ৰান্ধন্তে যতেক কীট পতঙ্গ পৰিয়া মৰে
কলসৰ পৰি পৰি পানী॥

বাটন্তে অনেক বীজ শতেক হোৱয় নষ্ট
পাঞ্চ হিংসা গৃহস্থৰ ধৰ্ম্ম ।
বলে বিশ্বদেব কবি সর্ব্বদোষ পৰিহৰি
সুখে থাকে দেৱৰ লোকত ॥
যিতো পুমু মন্দভাগি আপুনি যাইবাক লাগি
অনুক বান্ধয় সর্ব্বদাই ।
নাহি ইষ্টদেৱ তাব আতি সিতো পাপাচাৰ
অন্ন নোহে পাপ মাত্র খাই ॥
পাপ পুণ্য অৱসানে অৱশ্যে চন্দ্রমা থানে
লিখিল যতেক জীউজাক ।
চন্দ্র ৰশ্মি সমে গতি শয্য ৰূপে পৰে নিতি
পায়ে সর্ব্বলোকে খাই তাক ॥
পিতৃৰ ৰেটস ৰসে মাতৃৰ শোণিত সঙ্গে
উপজয় যত যত প্রাণী ।
বৃষ্টিত উপজে অন্ন বৃষ্টি যজ্ঞভুতপন্ন
যজ্ঞ কৰ্ম্মত হুইবেক জানি ॥
কৰ্ম্ম বেদত জতি বেদত পৰন্ত খতি
ব্রহ্ম সর্ব্ব কৰ্ম্ম আছে ব্যাপি ।
কৃষ্ণৰ দাসৰ দাস ৰত্নাকৰ মিশ্র ভণে
ৰাম ৰাম বোলা সবে ডাকি ॥

ঘোষা ॥ এ কৰা দয়া কমললোচন দেৱ স্বামী ।
তোমাৰ ভকতিক মনে কৰো উৰ্দ্ধগামী ॥

পদ ॥ আপুনাত যাৰ প্রিতি সন্ত ভৈল চিত্ত ।
ব্রহ্মানন্দে যিবাজনে ভৈলেক নিবৃত ॥
আপুনাত তুষ্ট ভোগ ইচ্ছা নাহি যাৰ ।
তাহাৰ জানিবা কৰ্ম্মে নাহি অধিকাৰ ॥
কৰ্ম্ম কৰিলিয়ো পুণ্য নপায়ে বিস্তৰ ।
নকৰিলে পাপ তান নপাৱে ওচৰ ॥

তিনিও লোকত তাব নাহিকে বাঞ্ছিত।
নিৰহঙ্কাৰে বিধি নিষেধ ৰহিত ॥
হেন জানি সখি তুমি এৰি কৰ্ম্ম ফল।
নিত্য নিয়মিত যত কৰিয়ো সকল ॥
মই কৰো অভিমান এৰিয়ো সদাই।
পাইবাহা মুকুতি ঘোৰ সংসাৰ এৰাই ॥
পূৰ্ব্বে জনকাদি কৰি যত ৰাজ চয়।
কৰ্ম্ম কৰিলি লয়ে তৰিলা ভৱ ভয় ॥
মই জ্ঞানী বুলি আদি অহঙ্কাৰ কৰা।
তথাপিতো তুমি কৰ্ম্ম নেৰিবাহা পৰা ॥
তুমি কৰ্ম্ম এৰিলে অজ্ঞানী যত যত।
তোমাক দেখায়া কৰ্ম্ম এৰিবে সমস্ত ॥
কৰ্ম্মত্যাগ পাপে সবে যাইব যমপুৰ।
লোকক চাহন্তে কৰ্ম্ম কৰিয়ো প্ৰচুৰ ॥
শিষ্টলোকে যেহি যেহি কৰ্ম্ম কৰে জানি।
আন লোকে কৰে তব মত অনুমানি ॥
সকামে বা নিস্কামে বা কৰে যত যত।
সৰ্ব্বলোকে কৰে পাছে তাহাৰ সম্মত ॥
কৰ্ত্তব্য নাহিকে মোৰ তিনিও লোকত।
অপ্ৰাপ্য নাহিকে মোৰ জানা অভিমত ॥
তথাপি কৰয় কৰ্ম্ম লোকৰ কাৰণ।
মই যেবে এহি নকৰোও কৰ্ম্মগণ ॥
মই এৰিলে এৰিবেক সৰ্ব্বজন।
কৰ্ম্মনাশে প্ৰজা সবে হৈবেক উছন্ন ॥
অধৰ্ম্মত ভৈল হন্তে বৰ্ণ যে শঙ্কৰ।
মই কৰ্ত্তা তাহাৰো ভৈলোহো নিৰন্তৰ ॥
অকাৰ্য্য কৰন্তা কোন মোত ব্যাতিৰেকে।
মইসে কৰাইলো হুয়া সবাকে পাতেকে ॥
অজ্ঞানী সবাক কৰ্ম্ম কৰে যেন মত।
অহঙ্কাৰী ফল বাঞ্ছা কৰয় মনত ॥

জ্ঞানীজনে স্বকৰ্ম্ম কৰিব সেহিথান ।
ফল নলৈবেক নকৰিবে অভিমান ॥
যেন মতে সবে লোকে নেবে কৰ্ম্মচয় ।
জ্ঞানীবো সকলে কৰ্ম্ম কৰিবে লাগয় ॥
ফল বাঞ্ছা কৰি কৰ্ম্ম কৰে যিবা প্ৰাণী ।
নকহিবা তাত উপদেশ বাণী ॥
আপুনি কৰিয়া কৰ্ম্ম কৰাইবাহা তাক ।
মোহোৰে শুনিবা সখি তুমি হিতবাক ॥
কৰ্ম্মকো এৰিব জ্ঞান নুপজিবে তাৰ ।
উভয়ত ভ্ৰষ্ট হুয়া হুইব দুৰাচাৰ ॥
অজ্ঞানীত জ্ঞান নকহিবা জানি হিত ।
যেন কেহো স্বৰ্ণ ভাণ্ডে নগৱয় ঘৃত ॥
অভিপ্ৰায় কহো আবো থিৰ কৰা চিত ।
যেন খৰতৰ নদী দেখি ভয় ভীত ॥
যাৱে জলে বেগে বুৰায়ে বাৰে বাৰ ।
আগে নাৱে উঠি লয়ে স্বজান কাণ্ডাৰ ॥
অপ্ৰয়াসে যাই সুখে নদী কত বহে ।
সেহি ভাৱে জীৱ জনে বিষয় স্মৰণে ॥
ৰাগ দ্বেষে শত্ৰু নতো যাৰে পাৱে লাগ ।
হৰি ভক্তি নৌকাত উঠিব তাত আগে ॥
সংসাৰক তৰিয়া যাইবা অপ্ৰয়াসে ।
হেন জানি স্বধৰ্ম্মত কৰি অভিলাস ॥
যুদ্ধ কৰি মৰা যেবে স্বৰ্গে চলি যাইবা ।
পৰম অধৰ্ম্ম কৰি পুনুলোক পাইবা ॥

ঘোষা ॥ নমো নমো গোবিন্দ দেৱ অনন্ত ।
পাতকীক সংসাৰে তৰিয়ো ভগৱন্ত ॥

পদ ॥ প্ৰকৃতি তিনি গুণে মোহ হুয়া আতি ।
পৰৰ দোষক গৈয়া লয়ে গায় প্ৰতি ॥

ইন্দ্ৰিয়ে ভোগয় ভোগ বিষয়ক জানি।
মই ভুঞ্জু বুলি তাক মানয় অজ্ঞানী॥
স্বভাৱতে মন্দ যাৰ বিষয়ত ৰতি।
জানি তাক জ্ঞান দিয়া নচালেয় মতি॥
সখি পুনু তুমি এবে মোৰ বোল কৰা।
সকালে শাস্ত্ৰৰ সাৰোত্তৰ কৰি ধৰা॥
মই ঈশ্বৰত কৰ্ম্ম অৰ্পিবা সকল।
কদাচিতো তাৰ তুমি নলৈবাহা ফল॥
নোহও স্বতন্ত্ৰ মই ঈশ্বৰেসে স্বামী।
যেহি যেহি কৰ্ম্মক কৰন্ত অন্তৰ্য্যামী॥
তানে আজ্ঞা পাই মই কৰো তাকে তাক।
এহি মনে ধৰি যুজি মাৰো শত্ৰু জাক॥
বন্ধু বধ নিমিত্তক এৰিবা তাপ।
স্বধৰ্ম্ম কৰন্তে তোমাক নপাইবেক পাপ॥
এহিমতে মোৰ অলৌকিক হেন জানি।
পৰম শ্ৰদ্ধায়ে আচৰয় যিবা প্ৰাণী॥
বেদক ৰাখন্তে কৰায়ন্ত কৰ্ম্ম যত।
হেন সব দোষ দৃষ্টি এড়িয়া আমাত॥
স্বৰ্গ নৰকক আদি কৰি কৰ্ম্মফল।
সেহি পুৰুষক জানা এৰয় সকল॥
যিতো এহি মোৰ নিজ মত নকৰয়।
আনক বিবাদ কৰি আমাক নিন্দয়॥
বিস্তৰ শকতি তাৰ নাহিকে শাস্ত্ৰত।
এতেকেসে পাপিষ্ঠে নলৈব মোৰ মত॥
কৰ্ম্মতো জ্ঞানতো বুদ্ধি নোহয় নিপুণ।
জীয়ন্ততে মৰা তাক জানিবা অৰ্জ্জুন॥
ইন্দ্ৰিয়ক নিয়মিয়া এৰি কৰ্ম্মফল।
স্বধৰ্ম্ম কৰিয়া তৰে নৰক সকল॥
কৃপাময় গোপালে বোলয় তেবে শুনা।
পৰম ৰহস্য কহো মনে ধৰি গুণা॥

প্ৰাচীন কৰ্ম্মৰ সবে অধিন জগত ।
কৰিতে নোৱাৰে আপুনাৰ অভিমত ॥
শাস্ত্ৰক বিচাৰ কৰি গুণ দোষ জানি ।
স্বভাৱক এৰাইবাক নপাৰয় প্ৰাণী ॥
জ্ঞানীয়ো নপাৰে অজ্ঞানীৰ কোন কথা ।
ইন্দ্ৰিয় নিগ্ৰহি কিক মৰিবেক বৃথা ॥
স্বভাৱৰ বলে জেন্তা এৰাইবে নোৱাৰে ।
জুলুকিৰ শল যেন লাঞ্জ মাত্ৰ লাৰে ॥
প্ৰকৃতি অধিন যেবে সবে লোক হই ।
বেদে কিয় কয়ে বিধি নিষেধ কৰয় ॥
শ্ৰুতি স্মৃতি বিনে জাত সৱে ভৈল বৃথা ।
হাসিয়া বোলন্ত হৰি শুনা আৰো কথা ॥
দশ গোট ইন্দ্ৰিয়ৰ দশোটা বিষয় ।
নিৰন্তৰে ৰাগ দ্বেষ ব্যপিয়া আছয় ॥
কদাচিতো তাৰ মুহিবাহা বশবৰ্ত্তি ।
এহি মানে নিয়ম কৰয় শ্ৰুতি স্মৃতি ॥
জ্ঞানীয়ো কৰিব যেবে কৰ্ম্মক নিশেষ ।
জ্ঞানী অজ্ঞানীৰ তেবে কোননো বিশেষ ॥
মাধৱে বোলন্ত তেবে শুনা কহো ভেদ ।
অজ্ঞানী জ্ঞানীৰ তেবে কৰ্ম্ম পৰিছেদ ॥
প্ৰকৃতিৰ গুণ কাৰ্য্য ইন্দ্ৰিয় সকল ।
নানাবিধ বিষয় ভুঞ্জয় অবিকল ॥
মই কৰো বুলি তাক কহয় অজ্ঞানী ।
সাবধান হোৱা মোৰ বচনক জানি ॥
তত্ত্বজ্ঞানী সবে পুনু জানি স্বৰূপত ।
কৰ্ত্তব্য কৰ্ম্মক সিতো কৰে যত যত ॥
ইন্দ্ৰিয়ে বিষয় ভুঞ্জে মই তাৰ ভিন্ন ।
এহি বুলি কৰ্ম্ম আচৰয় দিনে দিনে ॥

---

ঘোষা ॥ হৰি কি ও হৰি গোবিন্দ ৰাম।
মোৰ মুখে সদায় নচাৰোক তয়ু নাম ॥
পদ ॥ অৰ্জ্জুনে বোলন্ত প্ৰভু দেৱ হৃষিকেশ।
কহিয়োক এক মোক হিত উপদেশ ॥
কোনেনো পাঞ্চয় পুৰুষক যুদ্ধ প্ৰতি।
ঘোৰতৰ পাতেকক কৰিবাক প্ৰতি ॥
ইচ্ছায়ো নাহিকে পুৰুষৰো কদাচিত।
তথাপি পাপক নেই কিনো বিপৰীত ॥
জ্ঞানৱান নিৰোধ কৰয় ৰাগ দ্বেষ।
কহিয়োক আত অনুসন্ধান বিশেষ ॥
মাধৱে বোলন্ত সখি শুনা কুন্তীসুত।
কাম ক্ৰোধ এহি দুই শত্ৰু অদভুত ॥
এহিসে কৰয় ঘোৰতৰ পাপ চয়।
যত খাই মানে আৰ ক্ষুধা নখণ্ডই ॥
প্ৰিতিৰ বাক্যত আৰ উপসম নাই।
আতি উগ্ৰৰূপ শুনি দ্বিগুণে কিটাই ॥
যেন বজ্রে সকল অগ্নিক আছে ব্যাপি।
দাপনিক যেন মনে ধৰি আছে চাপি ॥
গৰ্ভ বেষ্টন চাল যেহন গৰ্ভ ঢাকি।
আছে আগ পাছ পাশ পাঞ্চৰক চাপি ॥
সেহি ভাৱে কাম ক্ৰোধে জ্ঞানক যে ঢাকি।
নিৰন্তৰ ভাৱে আছে জগতকে ব্যাপি ॥
জ্ঞানীৰ জ্ঞানক ঢাকি থাকে সৰ্ব্বক্ষণে ॥
কামত পৰে যেন শত্ৰু নাহি ত্ৰিভুবনে।
যত খাই মানে আৰ মুপুৰে উদৰ ॥
যেন তৃণ ভস্ম কৰি জ্বলে বৈশ্বানৰ।
ইন্দ্ৰিয়ত মনত বুদ্ধিত থাকি দুষ্ট ॥
সকলোৰে অনিষ্ট চিন্তয় হৃষ্টপুষ্ট।
জ্ঞান বিজ্ঞানক নষ্ট কৰে দুৰাচাৰ।
ইন্দ্ৰিয়ক বশ্য কৰি চিন্তা আৰ মাৰ ॥

শৰীৰত কৰিয়া ইন্দ্ৰিয় শ্ৰেষ্ঠ জানি।
যাহাৰ প্ৰসাদে বিষয়ক লৱে প্ৰাণী॥
ইন্দ্ৰিয়ত কৰিয়া যে শ্ৰেষ্ঠ হয়ে মন।
সঙ্কল্প বিকল্প যিতো কৰে ঘনে ঘন॥
নিশ্চিতয়া মোক বুদ্ধি তাতো শ্ৰেষ্ঠতৰ।
আশেষ বিশেষ জ্ঞান উপজে লোকৰ॥
বুদ্ধিতো কৰিয়া শ্ৰেষ্ঠতৰ হয়ো জীউ।
সুখ দুখ নাহি সনাতন সদাশিউ॥
বুদ্ধিৰ যে নিয়মক আমোক জানিয়া।
নিশ্চয় আমোক বুদ্ধি মন নিয়মিয়া॥
দুৰ্জ্জয় শত্ৰুক ইতো কামৰূপক ধৰা।
হেন জানি সখি ভূমি মাৰিয়ো সত্বৰ॥
ৰত্নাকৰ মিশ্ৰ কৃষ্ণৰ চৰণ পদ্মৰ।
গন্ধ লোভে ফুৰে তাৰ নেৰয় ওচৰ॥
কিছো কিছো কৰি যেবে পৰিবাক চাই।
বিষয় বতাসে নিবে চাৱে উৰুৱাই॥
দুই পাখি তুলি থাকে হেঠমুণ্ড কৰি।
চৰণ পদ্মৰ গন্ধ নাসা আগে ধৰি॥
কাম সঙ্গমে আসি দান্ত ভিৰে টানে।
তথাপি গন্ধকে সুঙ্গে প্ৰাণ থাকে মানে॥
ক্ৰোধ ব্যাঘ্ৰ টেটুত ধৰিয়া দৃঢ় কৰি।
ৰুধিৰ পিবাক চাহে বিদাৰণ কৰি॥
তথাপিতো কৃষ্ণ পাদ পঙ্কজৰ গন্ধ।
ঘ্ৰাণ কৰিবাক মনে কৰন্ত প্ৰবন্ধ॥
হৰিৰ চৰণে মোৰ হৌক অভিলাস।
যদি কৰ্ম্মবন্ধে হোৱে নৰকত বাস॥
এহিতো প্ৰাৰ্থও প্ৰভু তোমাৰ পাৱত।
তৃতীয় অধ্যায়ে এহি মানে সমাপত॥

---

# অনিৰুদ্ধ।

গীত।

জয় পীতাম্বৰ, বন্দুলি অধৰ,
কুন্দ কেৰি কোৰ, দশনক জোৰ,
সুমনস তিল, নাসা তথি মিল,
অলিকো যুগল, নয়ন উজ্জ্বল,
ভ্রুব কাম চাপ, পেখি হৰে তাপ,
মুহ পূর্ণ ইন্দু, তাহে সেদ বিন্দু,
চিবুক সুঠান, হেৰি হৰু প্রাণ,
কণ্ঠ কম্বু তুল, দীর্ঘ চাৰু থুল,
মৃণালক মূল, ভুজ দুহু তুল,
সিংহ বন্ধে যান্তি, হৃদি বৰু কান্তি।
পুষ্কৰক তুল, নাভিকহু মুল ,
ইভ পাণি সম, উৰু মনোৰম,
জঙ্ঘা দুহু কান্তি, পেখি হৰে ভ্রান্তি,
চৰণ বিৰাজে, মঞ্জীৰ তা বাজে,
অঙ্গুলিক পান্তি, ৰত্ন সম কান্তি,
নখ মণি জোড়, চন্দ্র দশ থোড়,
পদ তল ৰাতা, ভক্ত তাপ ত্রাতা,
কৃষ্ণক সমান, নাহি ৰূপ জান,
দেৱকাদি দেৱা, জানি কৰু সেৱা,
কৃষ্ণকেৰি নাম, ধৰ্ম্ম অনুপাম,
জানি মহা ধৰ্ম্ম, হৰিনাম কৰ্ম্ম,
সহস্র বয়ন, গাৱে অনুক্ষণ,
পৰম গোপ্যনি, ধৰ্ম্ম শিৰোমণি,
আন ভক্তি যত, নামৰ শেষত,

অপায়ে বহিত, নিৰপায়ে থিত,
সুখক দিয়ন্তা, ওহিসে তাৰন্তা,
সেহি সে পণ্ডিত, নামতেসে চিত্ত,
কৰিয়া পিৰিত, হৰয়ে ভুষিত,
বিচাৰিয়া বিধি, বেদকহু চাৰি,
ৰাম নাম ধৰ্ম্ম, থৈলাহা উদ্ধাৰি,
যুধিষ্ঠিৰ ৰাই, কৰি ৰাজসূই,
পুচিলা কৃষ্ণত, কোন শ্ৰেষ্ঠ তত্ত্ব,
তুলিয়া কিৰিটি, সত্য কৰি ডাটি,
নাম বিনে আন, ধৰ্ম্ম নাহি জান,
সমস্ত বাদীৰ, গৰ্ব্ব ভৈলা চুৰ,
কৃষ্ণ বাক্যে কৈলা, সংশয়ক দূৰ,
শুকে পুচিলন্ত, ৰাজা মহাসন্ত,
ভাগৱত শুনি, কি পালা আপুনি,
ইতো শাস্ত্ৰে প্ৰাণ, নেদেখিলোঁ আন,
কৃষ্ণেসে দেৱতা, নামেসে তাৰন্তা,
আত পৰে আৰ, নাহি নাহি সাৰ,
পৰীক্ষিত বাক্যে, প্ৰমাণ ইহাৰ,
নাম ধৰ্ম্ম তত্ত্ব, ৰৈলেক শাস্ত্ৰত,
জানিয়া নামত. শঙ্কা কৰা হত,
কলি যুগে নাম, ধৰ্ম্ম অনুপাম,
ৰামক নাম, তৰণী উপাম,
ভকতক ধন, অমূল্য ৰতন,
কহে অনিৰুদ্ধে, বোলা ৰাম ৰাম,

গীত ।

( ঝুমড়া—) এ ভাই কমনে কৰ বিহাৰ ।
প্ৰচণ্ড বেগৰ ঠাঠে ৰুহি আছে উমানন পৰাগাৰ ॥
গন্ধৰ্ব্ব কটক গোটে গোটে পড়ি,
আগতে মৰিয়া যাই ।
তৃষ পাইকৰ, হাজৰা পড়য়,
ৰঙ্গ কৰ তাকে চাই ॥
ৰত্ন কৰ গোট আগতে পৰয়,
আনন্দ কৰ অধিক ।
সকলে কটক পাৰিয়া নিলেক,
উমানন পৰা কিক ॥
শিলাঞ্চাৰ গড় ভাঙ্গিয়া কটক,
ইটাৰ গড় খসাই ।
তথাপি নিসাৰে আছ কেনে ভাই,
অগ্নিৰ গড় নিমাই ॥
প্ৰচণ্ড বেগৰ বহিনী স্নন্দৰী,
জ্বৰা আসি লাগ পাই ।
অলক্ষিত ভাৱে পুৰুষক পাই,
স্বামী বৰিলেক তাই ॥
তেজ মাংস যত আগতে শোসয়,
ছাল হোৱে সোটা সোট ।
ভাই ভনীয়ে নগৰ বেঢ়িয়া,
দিয়ে আতিবৰ ছোট ॥
যৱন পাইকে দুৱাৰ ভেটয়,
ওল্টাই শকতি নাই ।
ভয়ে নৃপতিয়ো গৰ্জ্জিবেক লৰৈ,
সাতো পুৰুষক চাই ॥
মৃত্যুয়ে নিকট চাপিলেক আসি,
নিবেক ডোল লগাই ।
তথাপিতো তাৰ ইতো বিমৰিষ,
মনৰ অগ্ৰতো নাই ॥

ধন জন ক্ষেত্ৰ বিষয় সুখত,
আনন্দ মানে অধিক ।
যদ্যপি বিষয় ভুঞ্জিবে মুৰাৰে,
তাতে ৰতি অত্যান্তিক ॥
হৰি চৰণত শৰণ পশিয়া,
নকৰ যাৱে ভকতি ।
কালৰ হাতত এড়াইবেক লাগি,
আছয় কাৰ শকতি ॥
কৃষ্ণৰ চৰণে ভকতি বিহীন,
হুয়া সুখে লৱ মতি ।
কহে অনিৰুদ্ধ ইবাৰ কৰুণা,
কৰা মোক যদুপতি ॥

---

এ মনক মনে পাৰস নিন্দ ।
মায়া শয্যা মাঝে মজিয়া আছস,
জাগিয়া চিন্ত গোবিন্দ ॥
যেন সোপনত শৰীৰ ধৰিয়া,
ভ্ৰমে জীৱ ঠাই ঠাই ।
সেহি শৰীৰত সুখ দুঃখ পায়া,
বিষয় ভুঞ্জে সদাই ॥
সেহি মতে জীৱ শয্যাৰ শৰীৰ,
তাক বিস্মৰিয়া যাই ।
স্বপ্ন তনু সম নৰদেহ পায়া,
সুখ মান তাকে পাই ॥
গুৰু চৰণৰ অনুগ্ৰহ লভি,
যেমনে চেতন পাৱে ।
স্বপ্ন প্ৰায় ইতো শৰীৰ পাসৰে,
স্বৰূপ সুমৰি যাৱে ॥

জীৱৰ বিষয় শ্ৰৱণ কীৰ্ত্তন,
ভক্তেসে সুহৃদ জন।
ভক্তৰ সঙ্গত সৰ্ব্বক্ষণে ৰমে,
শ্ৰৱণ কৰি কীৰ্ত্তন॥
ভাৰ্য্যা পুত্ৰ সব দেহৰ সঙ্গীয়া,
তাতে সে কৰিয় ৰতি।
মায়া শয্যা মাজে নিদ্ৰাত পৰিয়া,
নেদেখি হৰি ভকতি॥
কৃষ্ণ চৰণৰ অনুগ্ৰহ ভৈল,
যিতো পুৰুষক প্ৰতি।
তেবেসে ঈশ্বৰ কৃষ্ণত কৰিবে,
সস্নেহ প্ৰেম ভকতি॥
ভকতি বিহীন জীৱন্তুতে মৰা,
ভাটিৰ যেন নিশ্বাস।
পশুৰ সুলত ইন্দ্ৰিয়ৰ সুখ,
তাতে সে কৰস আশ॥
যেন প্ৰতিবিম্ব শৰীৰ দেখিয়া,
পাসৰে নিজ শৰীৰ।
প্ৰতিবিম্ব সম নৰদেহ পাই,
মনে কৰিলেক ঠিৰ॥
নিজ দেহ সম জীৱক আগতে,
নেদেখে মন লোচনে।
হৰি ভক্তি বিনে জীৱৰো কুশল,
নাই জানা সৰ্ব্বজনে॥
কহে অনিৰুদ্ধ মহামুক প্ৰায়ে,
ভকতি বিহীন মন।
ইবাৰ কৰুণা কৰিয়োঁ গোপাল,
চৰণে লৈলোঁ শৰণ॥

---

## ৰাগ শ্ৰীগৌৰী।

গোবিন্দ চৰণ ধন ভজ মোৰ মন।
আন যত ধন দেখি সবে অকাৰণ ॥
যেন সৰিতৰ জল বৰিষাত বৃদ্ধি পাই।
পুমু ৰবি ৰশ্মি লাগি তাতে হোৱে ঢাই ॥

দ্ৰবিণৰো সংযোগ বিযোগ তেত্ত্য হয়ে।
মনে পুৰুষৰ সুখ দুঃখ কহিৱয়ে ॥
পোষন্তে আনন্দ দেই তেজন্তে নিকাৰ।
পণ্ডিতে নমানে সত্য কৰিয়া বিচাৰ ॥

এতেকে দৈন্যৰ হেতু যত ধনজন।
পৰি পদ যুগ সৰ্ব্ব সুখৰ কাৰণ ॥
অসত্যত ভৈল সত্য প্ৰত্যয় নজানি।
এতেকেসে সুখ দুঃখ লৱে মনে মানি ॥

ভকতি ভৈলেসে আক নিতৰিবে পাৰি।
কহে অনিৰুদ্ধ মূঢ় পাপী অনাচাৰী ॥

---

## ৰাগ বেলোৱাৰ।

গোপাল সোণাৰ প্ৰভু দেহ দৰিশন।
মহন্তক নেদেখিলে নৰহে জীৱন ॥
খং মধ্যে বলাহকে গৰ্জ্জে যেতিক্ষণ।
শৈলাগ্ৰে বৰিহা নৃত্য কৰে তেতিক্ষণ ॥

লক্ষ যোজনৰ মধ্যে মাৰ্ত্তণ্ড ও হৰে।
নীৰত নীৰজ বিকশিত হুয়া ৰৱে ॥
যেবে অশুঙ্গত সুৰ ভৈল যেতিক্ষণ।
পুস্কৰ গোষ্ঠীৰ মাৰি মিলে তেতিক্ষণ ॥

দুই লক্ষ প্ৰহৰ উৰ্দ্ধে ইন্দু প্ৰকাশয় ।
অধত কুমুদ গোষ্ঠী প্ৰফুলিত হয় ॥
ইন্দুৰ নিৰ্য্যানে কুমুদৰো প্ৰাণ হৰে ।
কাকো কেহো নেদেখিলে তিলেকতে মৰে ॥

নিকটে বিদূৰ হোৱে বিদূৰো নিকট ।
সুহৃদ ভাৱনা ভৈলে দেখে হৃদয়ত ॥
এতেকে যি জন আতি হোৱে বিচক্ষণ ।
বিহীনে সুহৃদ সুখে নধৰে জীৱন ॥

কহে অনিৰুদ্ধ পাপী পৰম পামৰ ।
দেখা দিয়ো দামোদৰ কৰোহো কাতৰ ॥

---

ৰাগ বড়াৰি

মই পাপী কমনে ভজিবো হৰিৰ চৰণ ॥
বাসনা নছাৰে মনে, কনক কামিনী ।
ৰূপে বন্দি ভৈলোঁ, কৰিয়া মহা যতনে ॥

মহাজন সবে, কালকৰ্ম্ম ভোগ,
জানিয়া ধৈৰ্যে ৰহয় ।
তাহাকো এৰিয়া আপুন সন্মতে;
ফুৰো মই দুৰাশয় ॥
কামিনী সবৰ হাস লাস দেখি,
মনে ৰতি বাঢ়ি যাই ।
বিচাৰ বিবেক সকলে তেজিলোঁ,
সম্যকে বাতুল প্ৰাই ॥
যাক মহাজনে বিষ্ঠা সমকৰি,
দূৰতে তেজিয়া যাই ।
তাকে লাগি যত্ন কৰো ৰাতি দিনে,
অনেক লাঞ্ছনা পাই ॥

এবে কৃপাময় তোহ্মাৰ চৰণে,
শৰণ লৈলোঁ সম্প্রতি।
তৃণয় সাগৰে পৰি তল যাওঁ,
ৰাখা ৰাখা যদুপতি॥
কহে অনিৰুদ্ধ পৰম মুগুধ,
বিষয়ত সদা মতি।
হে কৃষ্ণ প্রাণ কৰা মোক ত্রাণ,
তোহ্মাত ৰাঢোক ৰতি॥

---

## ৰাগ বেলোৱাৰ।

হৰি হৰি কিনো ভৈল বিপৰ্য্যয়।
পণ্ডিত সকলো শাস্ত্র মত এড়ি,
আপুন সন্মত কয়॥
চাৰিয়ো যুগৰ চাৰি গোটা ধৰ্ম্ম,
শাস্ত্রে থৈয়া আছে বাটি।
তাহাক খণ্ডিয়া পৰৰ গাৱত,
লগায়া ফুৰয় ঘাটি॥
ঘোৰ কলিকালে একে গোটা ধৰ্ম্ম,
কৃষ্ণৰ কীৰ্ত্তন মাত্র।
তাকে বাদ কৰি মলিন মনুষ্যে,
হৈবে ভকতিৰ পাত্র॥
কলিৰ মলত মজিল সকল,
লোক ভৈল পাপমতি।
কোন ভক্তি কৰি তৰিবে শাস্ত্রত,
বিচাৰি নকৰে ৰতি॥
সকলে সেৱাত শ্রেষ্ঠ কৰি শাস্ত্রে,
কীৰ্ত্তনক কহে মাত্র।
সেৱাতো উত্তম যুগৰো নায়ক,
নাহি কাল দেশ পাত্র॥

যুগ ধৰ্ম্ম খণ্ডি কীৰ্ত্তনক দণ্ডি,
ভক্তকো নিন্দিয়া যাই।
তেবে কোন গতি হুইবেক শাস্ত্রত,
বিচাৰি দেখিয়ো চাই॥
যাক মহাজনে ভাৱাৰ্থ দেখাই,
পৰমাৰ্থ কৰে সাৰ।
পৰমাৰ্থ ভাঙ্গি ভাৱাৰ্থ ভাঙ্গিয়া,
ই কোন তত্ত্ব বিচাৰ॥
সত্য যুগে ধ্যান ত্রেতা যুগে যজ্ঞ,
দ্বাপৰ যুগত পূজা।
কলিৰ যুগত কীৰ্ত্তনত পৰে,
আৰৰ নাহিকে দুজা॥
কহে অনিৰুদ্ধ মহন্ত সবে সে,
জানয় শাস্ত্রৰ মৰ্ম্ম।
শাস্ত্র এড়ি পাৰ গৰ্জ্জে যাই মাত্র,
নজানি যুগৰ ধৰ্ম্ম॥

---

## ৰাগ আসোৱাৰি।

শৈশৱ গৈলযে ক্রীড়ণ ৰঙ্গে।
গঞাঁইলোঁ যৌৱন বিষয় সঙ্গে॥
আবে ভৈল আসি বয়স ভাঠি।
ভাগিল মাগুলি ধৰিলোঁ লাঠি॥

জল্পন শিল্পন সম্ভোগ গতি।
কেহো নচলয় বিষয় প্রতি॥
নাসা চক্ষু মুখ শ্রৱণ হীন॥
বিষয় কাৰ্য্যত ভৈল বিহীন॥

সবে দেশ ভূমি মাৰিলে কালে।
তথাপি চেতন নাহিকে ভালে॥
চাৰিয়ো বেদক পঢ়ি সম্প্ৰতি।
তথাপি নমানি কালৰ গতি॥

যাৰে সদ্‌গুৰু উপাসা কৰি।
কৃপাক লভিয়া নভজে হৰি॥
কালৰ চেষ্টাক জানো কমনে॥
কহে অনিৰুদ্ধ অধম জনে।

---

বাগ—শ্যামগড়া।

শুনলো সজন।
হৰি কথা শুনি সদা তুষ্ট হুয়ো মন॥
বহিৰ্ম্মুখ ইন্দ্ৰিয়ৰ বশ্য যাৰ মন।
হৃদিত থাকন্তা হৰি হৰ সৰ্ব্বক্ষণ॥
আগতে থাকন্তো ঈশ্বৰক নেদেখয়।
পৰম প্ৰসিদ্ধ কৰি জানিবা নিশ্চয়॥

ঈশ্বৰক নেদেখিবে ইতো কোন হয়।
গতি কৰি আসন্তে চৰণ প্ৰকাশয়॥
হেন চৰণৰ গুণ অলঙ্কাৰ কৰি।
শোভামান হোৱে সাধু সবে যাক ধৰি॥

হেন সাধু সকলক নেদেখে আগত।
বিষয় ৰসত থাকা হুয়া উনমত॥
তাসম্বাক নেদেখিবে নাহিকে সংশয়।
তাৰা সবে যিতো মাৰ্গে ভ্ৰমণ কৰয়॥

শ্ৰৱণ পূৰ্ব্বিকা ভক্তি মাৰ্গে প্ৰবৰ্ত্তয়।
দুৰাশয় সবে সিতো পথ নেদেখয়॥
যি জনে নজানে হৰি ভকতি পথক।
সাধু সবো আগতে নেদেখে সিজনক॥

সৎসঙ্গ বিহীনে হৰিকথাৰ অভাৱ।
এতেকে নেদেখে মাধৱৰ দুই পাৱ॥
কহে অনিৰুদ্ধ মূঢ় ভকতি বিহীন।
হৰি কথা বিনে আয়ু ব্যাৰ্থে যাই ক্ষীণ॥

---

## ৰাগ গৌৰী।

শুন শুন পুত্ৰ বচন যুগুত,
ৰামে মোৰ প্ৰাণ ধন।
বোপাই ৰামে মোৰ প্ৰাণ ধন।
দশৰথ তিৰিজিত,
তাহান বচনে বনবাসে যাইবি,
নুহিকে ইতো উচিত॥
মনুয়ে কহিছা পিতৃত কৰিয়া,
মাতৃ দশ গুণে ছাৰ।
বোপাই দশ গুণে মাতৃ ছাৰ।
মই যে বাঁধিলোঁ বনক যাইবাক,
নলাগে বাপু তোমাৰ॥
বোলে ৰঘুপতি শুনিয়ো জননী,
নেড়িবো পিতৃ বচন।
ঐ আই নেড়িবো পিতৃ বচন॥
পিতৃৰ ৰাজ্যৰ ঐশ্বৰ্য্য এড়িয়া,
কৰিবো বনে গমন॥
যদ্যপি বাৰিধি শুখাই পড়য়,
সুৰ হয় ভূমি গত।
ঐ আই সুৰ হয় ভুমি গত।
তথাপি পিতৃৰ বচন নেড়িবোঁ,
বুলিলোঁ তযু আগত॥

অযোধ্যা নগৰ হয় হস্তী ৰথ,
সমস্তকে তিয়াগিলোঁ।
বাপৰ বচন শিৰত ধৰিয়া,
কাণ নাক চমু ভৈলোঁ ॥
পিতৃৰ ৰাজ্যৰ ভোগক এৰিলোঁ
ফল মূলে কৈলোঁ সাস।
তাকে ভুঞ্জি মহা সন্তোসে থাকিবো,
হৰি পদে কৰি বাস ॥
অবাধ্য পিতৃৰ বচন বাধিলে,
হাসিবে মোক জগতে।
ৰাজ্য দণ্ড ছত্ৰ সিংহাসন লভি,
জীবো তেবে কেন মতে॥
পিতৃৰ বচন ব্যাজক দেখাই,
সৎসঙ্গত নিষ্টে কয়।
গোসাই সৎসঙ্গত নিষ্টে কয়।
কহে অনিৰুদ্ধ সৎসঙ্গে ৰহিলে,
ত্ৰিভুবনে কাক ভয় ॥

---

ৰাগ মাহুৰ।

পামৰু মন কাকৰু বিষস বিলাস।
যৈকন বিজুৰী, উজুৰি প্ৰকাশ কৰে,
নিমিষ অন্তৰে হুই নাশ ॥
কোটি কোটি বীৰ, পৃথিবীতে উপজয়,
ধনজন বিপদ অপাৰ।
সমস্ত জগত জিনি অপতন মানে কায়া,
সেহি তনু হোৱে সাৰ যাৰ ॥
কালৰ নিমিযত জগতে হোৱয় নাশ,
হেন বৰ দৰিয়া ঠাকুৰ।
ছোট বৰ প্ৰাণী যত সবাকো সংহৰি নেই,
দেখিয়ো নেদেখে মন ক্ৰূৰ ॥

গীত।

বিষয় বসত ডুবি পাপক নমন কেনে,
তনু গিলে কাল অজগৰে।
কাৰো কলা কাৰো অৰ্দ্ধ কাৰো গ্ৰাৱ সম পাইলে,
তথাপি গোবিন্দ নুস্মৰে॥
যদি সৰ্ব্ব গ্ৰাহ কৰি গিলয় শৰীৰ যেবে,
তেবে তাক বুলিয় মৰণ।
নৰ দেহ ভাৰত— বৰিষ সৎগুৰু সঙ্গ,
সবে ভাগ্য গুচে তেতিক্ষণ॥
যাৱে নতু ধৰে কালে হৰি পদে ভজ ভালে,
হৰি গুণ কৰিয়া কীৰ্ত্তন।
পৰম পামৰ মতি কহে অনিৰুদ্ধে যদি,
হৰি পদে পশিয়া শৰণ।

---

## ৰাগ বঙ্গ ভাঠিয়ালী।

পাণ্ডেই কেনে নমন মনে।
বৈবস্বত দূতে যেখনে ধৰয়ে,
ৰাখিবে কোনে তেখনে॥
ভাৰ্য্যা পুত্ৰ যত সুহৃদ সোদৰ,
আৰাৱ কৰে ক্ৰন্দন।
উৰ্দ্ধশ্বাস হুয়া নয়ন ঘূৰাৱে,
কাহাতো নপড়ে মন॥
যো তনু আপুন বুলিয়া সদায়ে,
অপতন মানি মনে।
সোই তনু কুটব গৃদ্ধি লুটব,
বঞ্চকে তানে যতনে॥
ৰূপ ৰস গন্ধ পৰশ শবদে,
যাহাত কাল প্ৰকাশ।
তনুৰ বিয়োগে সবে দূৰ যাবে,
যাতনাত হুইবি ত্ৰাস॥

দেহৰ যতেক অধিকাৰী ছিল,
সবাবো গুচিব দায়ে।
যমৰ লেপ ভিতৰে পশিলে,
যমে সে নাথ সাদায়ে॥
হৰিৰ চৰণে শৰণ নপশি,
নামত নকৰি ৰতি।
কহে অনিৰুদ্ধে দূতৰ হাতৰ,
এড়াইবে কাৰ শকতি॥

---

## ৰাগ শ্ৰীগৌৰী।

ভজ মন গোবিন্দ চৰণ, চিন্তা নাই।
ভাৰতে মানবী তনু সেন্থৰে নপাই॥
জ্ঞান বিজ্ঞানৰ হেতু নৃদেহৰ মন।
কি সুখ লভিবি ত্যজি গোবিন্দ স্মৰণ॥
কীটে বাঘপৰুৱাক স্মৰিয়া সতত।
হোৱে বাঘপৰুৱা সেহিতো শৰীৰত॥
এতেকে দেখিয়ো কেন স্মৰণৰ বল।
যেই যাক স্মৰে তাৰ নুহিকে বিফল॥
জানিয়া ভজিয়ো হৰি বিষয়ক এৰি।
আশাৰ বিষয় যোনি তাতে কৰ খেড়ি॥
নাম লৈয়া হৰি পদে ভজিয়ো সতত।
কহে অনিৰুদ্ধ বিষয়ত উনমত্ত॥

---

## ৰাগ নাট।

ভায়া, ই কেনে নমন মনে।
ও দেহ কুটলে জ্যোতি টুটব,
ঘিণ কৰে সৰ্ব্ব জনে॥

গীত।

ৰমণী ৰমণ যেৰূপ আছিল,
সেৰূপ হুবেক সয়ে।
ভাৰ্য্যা পুত্ৰ মিলি হাতে যোণ্ড ধৰি,
মুখত জুই দিয়য়ে ॥
ৰাম নাম এড়ি আন সে ভাবিলি,
তাহাৰ লভিবি ফল।
ভাৰ্য্যাত পুত্ৰত লালনা কৰিলি,
তেজিল সিতো সকল ॥
কহে অনিৰুদ্ধ হৰিৰ নামত,
হুয়োক ঝাণ্টে সমুখ।
হৰিত ভজিয়া হৰি নাম লৈয়া,
বঞ্চিয়ো সংসাৰ দুখ ॥

---

ৰাগ শ্যাম-গড়া।

বুঝাহু পণ্ডিত শাস্ত্ৰক বাণী।
ভাগৱত বুলি যাক বখানি ॥
আগম নিগম তৰ্ক পুৰাণ ভাৰত।
ইতিহাস তন্ত্ৰ মন্ত্ৰ আনো শাস্ত্ৰ মত ॥

হৰিত মেলাৱে বাদ নজানে তত্ত্বক।
সাধ্য সাধন হীন নেদেখে নামক ॥
ভকতিৰ ফল যিতো ভক্তি সে নিশ্চয়।
আন শাস্ত্ৰে আক সাধিবাক নপাৰয় ॥

সাধু মুখে ভাগৱত শাস্ত্ৰক জানিয়া।
সমস্তে সাধন শ্ৰম হন্তে মুক্ত হুয়া ॥
তেবে সে লভিবে গৈয়া ভক্তি শুদ্ধ মত।
কহে অনিৰুদ্ধে দেখি গুৰু প্ৰসাদত ॥

---

# ৰামানন্দ দ্বিজ।

## বংশীগোপাল চৰিত্ৰ।

এহি তিনি থানে সত্ৰ তিনি খান,
ভক্তৰ বিগিনি ভৈল।
তাহাৰ কাৰণ, শুনিয়োক যেন,
কিৰাতৰ বল ভৈল ॥
অসম নৃপতি, দিলা অনুমতি,
সুন্দৰ গোহাই যাই।
ৰণত পড়িল, খলুৱা কহিল,
নুবুঝি আইল পলাই ॥
শুনিয়া নৃপতি, ক্ৰোধ কৰি মতি,
নপাইল কৰি বিচাৰ।
সেহি সময়তে ম্লেচ্ছ অভকতে,
অসমৰ পৰিয়াৰ ॥
গোবিন্দ পুৰত, মাগিয়া ভক্তত,
নপাই থান সাজ পাতি।
মিছা কৰি চলে, ৰাজাত কহিলে,
অতি কোপে ক্ৰূৰ মতি ॥
সুন্দৰ গোহাইক, বেশক সলাই,
ভকতে লৈয়া ফুৰয়।
দেখিলো সাম্প্ৰতে, ভক্তৰ মাঝতে,
ধৰিলেক ডাঙ্গচয় ॥
নৃপতি প্ৰচণ্ড, কাটি খণ্ড খণ্ড,
কৰয় অল্প দোষত।
সিতো কথা শুনি জ্বলন্ত অগনি
যেহেন ভৈল ক্ৰোধত ॥

চক্ষুক পকাই, ক্ৰোধ কৰি চাই,
যাই পৰে প্ৰজাগণ।
বাক্য নাসে মুখে থাকি হেঠ মাথে,
পাত্ৰ সবো কম্পমান॥
ক্ৰোধত গুঞ্জৰি চক্ষু টেৰ কৰি,
পাক্কিলা চেঙ্গধৰাক।
লৈয়া যাস নাও যত ভক্ত পাৱ,
ধৰিয়া আন সবাক॥
চেঙ্গধৰা যাই শীঘ্ৰ বেগে গৈ,
নৌকায়ে আসি ঠেকিলা।
তিনিয়ো সত্ৰক ধৰিবে সৈন্যক,
ভিনে ভিনে নৌকা দিলা॥
গোবিন্দ পুৰৰ ভক্ত ধৰি লৈলা
থানতে তাঙ্ক কাটিলা।
ধুৱা লোৰে জয় হৰি ভাৱে ধৰি,
ভকত সমে তুলিলা॥
ডেবেৰা পাৰত প্ৰাতস কালত,
পেলাইলা সত্ৰ আবৰি।
কেহো নান্তৰিল সবেযো পড়িল,
দেৱক প্ৰমুখ্য কৰি॥
চেঙ্গধৰা গৈয়া ভিতৰ পশিয়া,
দেবৰ পাৱত ধৰি।
যুগুতি কৰিলা তাহাঙ্ক এড়িলা,
কথা ভাষা বন্ধ কৰি॥
শুনা দেব বাপ প্ৰচণ্ড প্ৰতাপ,
ৰাজা ষেন জানা মোৰ।
তোমাক থৈ যাই আমাৰ সি ঠাই,
মিলি জানা দুৰ্ঘোৰ॥

যদি লৈয়া যায়ো তেবে নাশ হয়ো,
বংশ সমে অধোগতি।
এতেকে আমাক এড়ুয়াইবে লাগি,
পাছতে আসা সম্প্ৰতি ॥
দেখায়ো নেদিবা লুকাইয়া থাকিবা,
পাত্ৰসমে আলচিবো।
তোমাৰ ভক্তক গোপাল বুলিয়া,
দেখাইবো ততো নেদিবো ॥
এহিমতে আনো কথা আলচিয়া,
দেবৰ বচন ধৰি।
কতটি ভক্তক মেলি চলি গৈলা
পলাইবাৰ ঢল কৰি ॥
চেঙ্গধৰা যাই ভক্তক যোগাই,
ৰাজাত সবে কহিলা।
ৰাজায়ো শুনিলা ক্ৰোধতো জ্বলিলা,
সবাকে কাটিবে দিলা ॥
দেৱ গোপালক ভণ্ডাৰী গোহাই,
গদাধৰে নিয়াইলেক।
বলভদ্ৰ আতা মইসে গোপাল,
বুলি গাৱ পাতিলেক ॥
মৰাণে ধৰিলা ভকতে জানিলা,
আমাক আবে মাৰয়।
আতি উচ্চ কৰি মুখ ভৰি ভৰি,
ৰাম কৃষ্ণ উচ্চৰয় ॥
কাৰো ভয় নাই কৃষ্ণ নাম গাই,
থাকন্তে সবে মৰিলা।
লোকেও জানিলা গোপাল দেবৰ
শৰীৰ তথা পড়িলা ॥

ভণ্ডাৰী বড়ুয়া আৰু চেঙ্গধৰা
ভণ্ডাৰী গদাধৰ।
গৃহত আছয় তিনিসে জনয়,
নজানয় আন নৰ ॥
দেশে দেশে যত হৰিত ভকত,
পলাই বৈল গুপ্ত হুয়া।
সবে প্ৰজাগণে কান্দয় সঘনে,
দেবক মনে স্মৰিয়া ॥
শুনা সাধু যত সকলে কালত
সুখ দুঃখ দুই ফল।
ঈশ্বৰে দিৱয় কেহো নবাধয়,
ভুঞ্জয় প্ৰাণী সকল ॥
বসুদেব দৈবকীত আসি কৃষ্ণে,
অবতাৰ ধৰিছন্ত।
তথাপি তাৰাক বংশক নিমিত,
কৰিয়া দুঃখ দিলন্ত ॥
একান্ত ভকত পাণ্ডব বৰ্গক
বহুত আপদ দিলা।
আনো ঠাই ঠাই যত দেখা পাই,
কৃষ্ণৰেসে সবে লীলা ॥
জনম মৰণ যাৰ যৈত হয়,
নিমিত মাত্ৰ কেবলে।
এতেকে মহন্তে কহে এহি মানে,
কৃষ্ণেসে দেন্ত সকলে ॥
হে প্ৰান কৃষ্ণ তুমি মোৰ ইষ্ট
দেৱতা বান্ধব স্বামী।
সুহৃদ বান্ধব সহায় ঈশ্বৰ,
জানিয়া ভজিছোঁ আমি ॥

ইহ পৰ লোকে সদায়ে দিয়োক,
সৎসঙ্গ ভকতি নাম।
এহি মোৰ তৌক সভা সদ লোক,
ডাকি বোলা ৰাম ৰাম॥

পদ।

এহি মতে আছন্ত গোপালদেৱ যাই।
গদাধৰ ভণ্ডাৰীৰ গৃহত লুকাই॥
দেৱারি শ্রীপতি আতা লগত আছয়।
বৃদ্ধ গদাধৰো সদা সঙ্গতে থাকয়॥
তিনিয়ো সদায়ে বসি প্রসঙ্গ নেৰয়।
ভকত সবক স্মৰি প্রসঙ্গ কৰয়॥
ভকত সবক স্মৰি শৰীৰ পোড়য়।
মহা মর্ম্মে দেৱৰ শৰীৰ নসহয়॥
মকমকি ক্রন্দন কৰিয়া খনো থাকে।
পাছে ধৈর্য্য ধৰি শাস্ত্র জ্ঞান চক্ষু ঢাকে॥
কদাচিৎ হৰি লীলা স্মৰিয়া হাসয়।
ভকতকো দুঃখ দিয়া হৰিয়ে ক্রীড়য়॥
গদাধৰে বোলে প্রভো দেখিলো ইহাক।
বৈষ্ণৱ সবৰো মিলে বিঘিনি বিপাক॥
নৰ নাৰায়ণ ৰাজা কোপ কৰি মনে।
শ্রীশঙ্কৰকো দিলা ভোটৰ কাৰণে॥
গৃহ বেঢ়িলাত শীঘ্রে শঙ্কৰ পলাইলা।
নাৰায়ণ মাধৱক গৃহতে ধৰিলা॥
দুয়ো মহন্তক নিয়া ভোটত বিকিলা।
ভোটেও প্রবন্ধে তেবে বান্ধি ধৰি নিলা॥
পাঞ্চ দিন পন্থ গৈল ভোটৰ হাতত।
নিশা ভৈলে আতি দুঃখ পাৱে বন্ধনত॥

তথাপিতো হৰি নাম মুখত নেড়য় ।
এক নিশা দুয়ো কৰ্ণে বচন শুনয় ॥
কোনে মাতে তাক একো দিশে নেদেখয় ।
মেলিলোঁ বন্ধন দুয়ো যাস নাহি ভয় ॥
পাচে দুয়ো দেখে নাহি শৰীৰে বন্ধন ।
ভোট সবে পড়ি আছে নিচেষ্ট শয়ন ॥
আসিলেক দুয়ো জন শীঘ্ৰ বেগে ধাই ।
লভিলা আনন্দ পুনু শঙ্কৰক পাই ॥
যেবে নেদেখিলা মুখ দুয়ো বৈষ্ণৱৰ ।
নভৈল ভোজন কিছু শঙ্কৰ দেৱৰ ॥
পূৰ্ব্বত বুলিলা মোক দেৱ দামোদৰে ।
আপুনি থাকিবো মই যাৱা তোৰ ঘৰে ॥
জানিলো এবেসে সিটো বচন ফলিল ।
গোপাল স্বৰূপে দামোদৰে সে আসিল ॥
এহি মতে আনো মহন্তৰ কথা কহি ।
গদাধৰে শ্ৰীপতিয়ে সদা থাকা বহি ॥
কতো দিন পাছে কতো জনে সে জানিলা ।
দেৱ হুনু গদাধৰ গৃহতে থাকিলা ॥
জানে মাত্ৰ আসি নপাৰয় দেখিবাক ।
আৰো যত কথা তৈতে নকহিলো তাক ॥
সেহি কালে ভৈল জগতৰ দুঃখ আতি ।
নিশা ভৈলে দিন ভকতৰ দিন ৰাতি ॥
ৰাম বুলি ভয় কৰে পৰে শুনে বুলি ।
মালা জাপ্য আৰু চিতে স্মৰয় সমূলি ॥
নাহি কাৰো থান সত্ৰ সবে বৈষ্ণৱে ।
গৃহস্থৰে ঘৰে ঘৰে থাকে অভ্যন্তৰে ॥
গৃহী সমস্তৰ ভাগ সাফল জীৱন ।
ধন গৰু ভাঙ্গি কৰে ভক্তক পালন ॥
কোনো বেলা ৰাজ দণ্ড হোৱয় বিস্তৰ ।
মিছা মাতি ৰক্ষা কৰি ফুৰে ভকতৰ ॥

কংসৰ কালত যেন ভৈল যদুগণ ।
বৈষ্ণৱ সৱবো জানা ভৈলেক তেমন ॥
একদিনা গদাধৰ গৃহত নিশাত ।
স্বপ্নত ব্ৰাহ্মণে আসি বুলিলা সাক্ষাত ॥
প্ৰাভাতে তোমাক জানো ধৰয় গোপাল ।
ইহাৰ গৃহৰ পৰা বজাউ সকাল ॥
জাগিয়া কহিলা গদাধৰৰ আগত ।
তেখনে ছাড়িয়া গৃহ চড়িলা নাৱত ॥
শ্ৰীপতিয়ে বৈঠা বাৱে আনো কেহ নাই ।
জানি বণিয়াৰ গৃহে উঠিলন্ত যাই ॥
দুঃখ কৰি গদাধৰে কান্দিয়া থাকিলা ।
প্ৰাতসতে পাছে তাৰ গৃহক লুড়িলা ॥
বণিয়াৰ পুত্ৰ ৰাজখোৱা তাঙ্ক পাই ।
কৰিলা গুপুতে সেৱা দেৱক সদাই ॥
ভণ্ডাৰীৰ পুত্ৰকত গুটি পাত্ৰগণে ।
নিশা আসি সেবা কৰি যায় মনে মনে ॥
এহি মতে বৰিষেক আছা নগৰত ।
ভণ্ডাৰী সহিতে মন্ত্ৰ কৰিলা সাম্প্ৰত ॥
নামি আসি লামডাঙ্গ গ্ৰামত পশিলা ।
তাতো কতো দিনমানে গুপুতে আছিলা ॥
ইকথা থাকোক আবে শুনা পূৰ্ব্ব কথা ।
থকা বৈষ্ণৱৰ মানে ভৈল যথা তথা ॥
যিতো দিনা চেঙ্গধৰা নিলে ভকতক ।
পলুৱাই নিলে যেবে দেৱ গোপালক ॥
মদনগোপাল মূৰ্ত্তি গোবিন্দ ঠাকুৰ ।
পলুৱাই দেৱৰায়ে নিলে কতোদূৰ ॥
মালছু নিয়াৰ ঘৰে থৈলেক লুকাই ।
গুটি চাৰি ভকতেসে সেৱয় সদাই ॥
দেৱ গোপালৰ বাক্য মান কৰি মনে ।
চেঙ্গধৰা কিছো ভক্ত এড়িলা যতনে ॥

তাসম্বাৰ আৰ সুখ শান্তি নভৈলেক।
মহাশোকে থানে থানে পলাই ৰহিলেক॥
কলাবাড়ি গ্ৰামে ৰৈল শ্ৰীহৰি গোহাই।
ৰামচৰণ আতা কাঙ্কেত সোমাই॥
বৃহত দেৱৰী বাপু ধনখাল গ্ৰামে।
যাদব আতা ৰহিলেক কচুদোপ নামে॥
আনো কত গুটি মানে বৈষ্ণৱ ৰহিলা।
দেশে দেশে ৰৈল কতো শোকত মৰিলা॥
স্নেহৰ বিষয় এক বনমালী সন্ত।
ঝগৰৰ আগতে শৰীৰ এড়িলন্ত॥
যাক প্ৰতি শোক দেৱ গোপাল কৰলি।
ভকতৰ দুঃখ তেহো একো নেদেখিলা॥
শ্ৰীহৰি প্ৰমুখ্যে যত মহন্ত আছয়।
দেশে দেশে ৰৈল কতো শোকতে মৰয়॥
কিবা গ্ৰামী কিবা ভক্ত সমস্তে প্ৰজাৰ॥
কিবা শুনু বুলি হিয়া কাম্পয় সবাৰ॥
যিবা যৈতে যাক পায় তাহাতে পুছয়।
কহিয়োক বাৰ্ত্তা বাপু জুৰাউক হৃদয়॥
উজানিৰ পৰা যদি জনেক আসয়।
নৰ নাৰী প্ৰজা যাই আৱৰি পুছয়॥
যদি তাৰ মুখে ভাল মন্দ নপাৱয়।
অসন্তোষ হুয়া দুঃখে গৃহক চলয়॥
গৃহস্থ ভক্তৰ মন নপড়ে গৃহত।
বৈষ্ণবৰ চিত্ত নপৰয় প্ৰসঙ্গত॥
গড়গ্ৰামে বৈষ্ণৱৰ যি ভৈল অৱস্থা।
দিনাচয়কৰ পাছে শুনিলেক কথা॥
দেৱে সমে মাৰিলেক সকলে ভকত।
এহি কথা দেশে দেশে উঠিলা লোকত॥
যেহি দিনা ইটো কথা উঠিলা সাম্প্ৰত।
আকাশী স্বৰগ যেন পড়িল মুণ্ডত॥

হাহা কিনো ভৈলা বুলি উৰ্ম্মি উঠলিল।
দেশে দেশে ভক্ত সবে কান্দিবে লাগিল॥
দেৱ গোপালেসে যেন ভৈল বাপ মাৱ।
তেনয় প্রকাৰে সমস্তৰে ভৈল ভাৱ॥
সেহি দেৱ গোপালৰ পদযুগ স্মৰি।
ভণে ৰমানন্দে ডাকি বোলা হৰি হৰি॥

---

জুমুৰি।

এহি মতে নিৰন্তৰে, শোকে দুঃখে ভকতৰে।
ক্রন্দনু কৰন্তে যাই, লোতকৰ ছেদ নাই।
এক মাস গৈল যেবে, শুনি বংশীধৰে তেবে।
মহাদুঃখ ভকতৰ, গুচাইবাক প্রতি নৰ।
গদাধৰ সমে চাই, দিলা দেৱে পঠিয়াই।
ফুৰি ফুৰি নানা থানে, সেহি আহি কাণে কাণে।
সমস্ততে কহিলেক, মনে মনে কহিলেক।
কর্ণাকর্ণি কহে কথা, দেৱহুনু আছে তথা।
আন জন মাৰিলেক, দেৱে তাঙ্ক ৰাখিলেক।
এহি মান মাত্র কয়, কিন্তু স্থিতি নজানয়।
যেন সূর্য্য উদয়ত, মেঘ থাকে উপৰত।
মেঘৰ নিমিত্তে কেৱ, নেদেখয় সূর্য্যদেৱ।
তথাপিতো প্রকাশয়, গুচয় সকলে ভয়।
তেমন গোপাল দেৱে, আছি নেদেখয় কেৱে।
তথাপি হৃদয় দৃঢ়, সবাৰে আনন্দ বড়।
আমাসাক দয়া তৰে, ৰাখিছে পৰমেশ্বৰে।
যেষানি কি নহে আৰ, পাইবো দেখা গোপালৰ।
এহি মতে আশা তৰে. আছা লোক নিৰন্তৰে।
গৈল যদি বৰিষেক, তথাপিতো নোলাইলেক।
কৈত আছা কেন মতে, জিজ্ঞাসিলা নানা মতে।
তথাপিতো নপাৱয়, লোকে সুখ নলভয়।

নেদেখি গোপাল মুখ,　　মহন্ত সবৰ দুঃখ।
ভক্তক দেখিবে প্ৰতি,　　দেৱ গোপাল মতি।
ভৈল দেখি শ্ৰীপতিৰ,　　ভয়ে চিত নুহি থিৰ।
আলোচন কৰিলন্ত,　　নামডাঙ্গ এড়িলন্ত।
নিশা ভাগে লড়িলন্ত,　　নিশা নিশা আসিলন্ত।
ৰহি গৈয়া নানা ঠাই,　　গুপুতে ভকতে চাই।
পাছে কতো দিনে যাই,　　দেখি আতি ভয় নাই।
ব্ৰহ্মপুত্ৰে ভটিয়াই,　　ফিচাকটা গ্ৰাম পাই।
ভৈল কিছো মন তুষ্টি,　　তহিতে ৰহিলা উঠি।
কতিপয় দিন আছে,　　লোকে জানিলেক পাছে।
দেশত উঠিল কথা,　　দেৱ হনু আছে তথা।
এহি বুলি আসে ধাই,　　গুপ্তে সেৱা কৰে ৰাই।
আসে যাৱে লোক যত,　　নিশা কতো দিবসত।
ভণ্ডাৰীয়ে সেহিবেলা,　　দূত পঠিয়াই দিলা।
আহোক সকলে লোক,　　দেৱে ভয় নকৰোক।
একে থান বহুকাল,　　থাকিবাক নুহি ভাল।
ৰাজ পথ ত্যজিবন্ত,　　আড় থানে থাকিবন্ত।
মোৰ দূতে শীঘ্ৰে যাই,　　আনিবেক পলুৱাই।
এহি বুলি দূত গৈল,　　সবাৰো নিৰ্ভয় ভৈল।
যিতো সব অনুৰাগী,　　নিৰন্তৰে আসে ভাগি॥
শ্ৰীহৰি দেৱক আদি,　　যত সাধু অপ্ৰমাদি।
শুনিলেক যেতিক্ষণ,　　উত্ৰাৱল ভৈল মন।
হস্তত সন্দেশ ধৰি,　　আসিলেক শীঘ্ৰ কৰি।
বহুত ক্ৰন্দন কৰি,　　প্ৰেমে চৰণত ধৰি।
কৰি নানা স্তুতিচয়,　　সবে তাপ দূৰ হয়।
বৃত্তান্ত যতেক যাৰ,　　পড়ি কৰে নমস্কাৰ।
যেন ভৈলে সূৰ্য্যোদয়,　　পদ্ম বিকশিত হয়।
তাসম্বাৰ দেখি মুখ,　　দেৱ গোপালৰ সুখ।
প্ৰীতি বৈষ্ণৱক দেখি,　　প্ৰেমত থাকয় পেখি।
অমৃত বাক্যক নৰে,　　শুনিলেক মন পূৰে।

যি জনে যি থানে থাকে, তহিকে পঠান্ত তাকে।
যদি যাইবে ইচ্ছা নাই, ততো যায় আজ্ঞা পাই।
যদুমণিদেৱে যাই, দেৱ গোপালক পাই।
আনন্দৰ সীমা নাই, আছিলন্ত এক ঠাই॥
দেৱ গোপালৰ মন, তাঙ্ক পায়া অনুক্ষণ।
প্ৰেমত লোতক ঝৰে, দেখন্তাৰ মন পূৰে।
ভয়ে তথা নথাকিলা, পুনু আজ্ঞা মাগি লৈলা।
শ্ৰীকৃষ্ণ মহাজন, গোপী কৃষ্ণচৰণ।
বাসুদেৱ ৰামকৃষ্ণ, হৰিৰ চৰণ শিষ্ট।
মুৰাৰি পৰমানন্দ, ৰামভাৱ নিত্যানন্দ।
কায়স্থ পৰশুৰাম, ৰামচৰণ নাম,
কনাই পুৰুষোত্তম, ভয়া পত্ৰ মনোৰম।
আৰা সবে আতিশয়, লোকত প্ৰখ্যাত হয়।
মহাজন ধৰ্ম্মধাৰী, ঠাকুৰৰ আজ্ঞাকাৰী।
শঙ্কৰ নাভিৰ ঠাই, বাৰম্বাৰ আসে যাই।
তাৰা সবো বাৰম্বাৰ, আসি কৰে নমস্কাৰ।
দেৱ গোপালক পাই, প্ৰীতি অতি বাঢ়ি যাই।
প্ৰেমে চিত্ত নুহি থিৰ, বহে নয়নৰ নীৰ।
প্ৰেমত হিয়াত ধৰি, বোলন্ত বিনয় কৰি।
আমাৰেসে মহাভাগ, তোমাকে পাইলো লাগ।
এহি চৰণত ৰতি, কৰোক আমাৰ মতি।
ই দেশত আমি দেৱ, তোমাকে সে কৰো সেৱ।
অত্যন্ত তেজস্বী শুদ্ধ, ব্ৰহ্মচাৰী মহাবুধ।
কৃষ্ণৰ একান্ত ভৃত্য, ভকতৰ প্ৰিয় মিত্ৰ।
আনো বহু গুণশালী, জগতৰ ধৰ্ম্ম পালি।
তোৰাত বিনায়ে আন, কোন আছে বিদ্যমান।
এতেকে সে বাৰম্বাৰ, কৰো আমি নমস্কাৰ।
শুনি দেব গোপালৰ, বহে নীৰ নয়নৰ।
তাসম্বাক আশ্বাসিয়া, ভাল অন্ন বস্ত্ৰ দিয়া।
পৰম আদৰ কৰি, পঠাৱন্ত হৰি স্মৰি।

শুনা শুদ্ধ বুধ জন, গোঁপালৰ গুণ গণ।
যাত মহা প্ৰীতি কৰি, বহু লোক গেল তৰি।
যাৰ শুদ্ধ তেজ বলে, মহাজন সব জলে।
অগ্ৰগণি মহন্তৰ, দেৱ বংশীগোপালৰ।
পাদ পদ্ম মনে স্মৰি, ডাকি বোলা হৰি হৰি।

---

পদ।

এহি মতে ফিঙ্গাকটা গ্ৰামত থাকন্তে।
মণিপুৰ আৰম্ভিয়া শিঙ্গৰি পৰ্য্যন্তে॥
যত গ্ৰামী মহন্তৰ থাকি থানে থানে।
সবে আসিলেক লোক অনুৰাগী মানে॥
ৰাজা জানিবাৰ ভয়ে সবে আলচিয়া।
বহু থানে থাকিলন্ত সাৱধানে হুয়া॥
পূৰ্ব্বৰ ভকত মানে সবে নাশ গৈল।
যিবা এড়াইলেক তাকো থানে থানে থৈল॥
পুনু অনুৰাগে ভক্ত ভৈলেক বিস্তৰ।
যদি বা বিদায় দেন্ত হোৱয় অপৰ॥
যাক বা খেদায়ে কোপ কৰিয়া মনত।
সিয়ো দুঃখে কান্দি কান্দি ফুৰয় পাচত॥
ৰাজ ভয়ে কাহাকো খেদাৱে শপতাই।
সিয়ো লগ নেড়ে পুনু পাচে পাচে যাই॥
দেৱৰ বচন এড়ি যাইবো কোন ঠাই।
যিতো কোপ কৰে মোৰ সেহি বৰ প্ৰাই॥
ক্ৰন্দন কৰয় দেখি পাছে স্নেহ কৰি।
দিয়ে থান সিয়ো পাছে থাকে সেৱা কৰি॥
এহি মতে ভকত ভৈলেক চাৰি শত।
বহুত তণ্ডুল লাগে প্ৰতি দিবসত॥
যিথানত থাকে জোড়ে বহুতৰ গ্ৰাম।
অল্প অল্প কৰি মাত্ৰ গায় হৰিনাম॥

মুকুন্দে পঢ়য় পদ খনো জয়ৰামে।
দ্বাৰকায়ো খনো জগন্নাথে পঢ়ে ক্ৰমে ॥
ভাগৱত বক্তা একজন থিত নাই।
বহু কন্দলিয়ে একবাৰ পঢ়ি যাই ॥
খনো খাৰকটা গ্ৰামে খনো চতাৰিত।
খনো কানিপোড়া খনো ধোবাচুবুৰিত ॥
খনো বনবাসে খনো চাপৰ গ্ৰামত।
খনো দিফলুত খনো অভয়পুৰত ॥
খনো নাৰমৰা গ্ৰামে খনো বৰাহিত।
খনো কলাবাড়ি খনো কাহিয়ে কুঞ্চিত ॥
ইসব থানত থাকা সত্ৰক কৰিয়া।
পলৰীয়া থান বহু নকহো লেখিয়া ॥
তাহাতে থাকন্ত যদি শুনন্ত নিৰ্ভয়।
তেবেসে বৈষ্ণৱ মানে সঙ্গত বঞ্চয় ॥
যেহি দিনা শুনে খলে কহিছে ৰাজাত।
সিদিনা পলান্ত সবে নেদেখি তথাত ॥
যেন সৰোবৰে বহু ৰাজহংস থাকে।
ঝাত কৰি উড়ি গৈলে নেদেখিয় তাকে ॥
পক্ষ মাস ভৈলে পুনু হোৱে এক ঠাই।
থাকয় আনন্দে পুনু হৰি গুণ গাই ॥
যেন বৰিষাত সূৰ্য্যে মেঘৰ নিমিত্তে।
খনো প্ৰকাশয় খনো নেদেখি সাম্প্ৰাতে ॥
যেন সূৰ্য্য উদয়ত সবাৰ আনন্দ।
মেঘে চ্ছন্ন কৰিলে মানয় দিন মন্দ ॥
ভক্ত সমে গোপাল যে সূৰ্য্য উদয়ত।
নৰ নাৰী প্ৰজা আসে যাৱে আনন্দত ॥
ৰাজভয় মেঘত পলান্ত যেতিক্ষণ।
নিৰানন্দ প্ৰজাৰ নেদেখি দুঃখ মন ॥
দ্বাদশ থানত কথা আছয় বিস্তৰ।
তাহাক নকহি পদ হোৱে বহুতৰ ॥

দেৱ গোপালৰ সঙ্গে ভকত বিস্তৰ।
হেন শুনি ভণ্ডাৰী গোহাইৰ ভৈল ডৰ॥
দূত পঠাইলেক কহি গোপাল দেৱত।
ভক্ত খেদিলে সে পাৰো ৰাখিতে ভয়ত॥
ভক্ত নেখেদিলে আমি ৰাখো কেনকৰি।
প্রচণ্ড নৃপতি মাৰিবেক পাছে ধৰি॥
শুনি দেৱে কোপ কৰি সিদ্ধান্ত দিলেক।
শুকৰ ভক্ষকে কুনু মোক ৰাখিবেক॥
শ্রীকৃষ্ণে যাক যিকালত যিবা কৰে।
তাক কি কৰিবে পাৰে নিলাজ বেডৰে॥
মই হুইবে মানি আছোঁ তাহাকে ৰক্ষক।
নিলাজ কুতায়ে বুলি পঠাইলে কিসক॥
দূতে হুঃখ মনে গৈয়া সমস্তে কহিলা।
শুনি বড়ুয়াৰ বড় আনন্দ মিলিলা॥
কিনো মোৰ মহাভাগ্য আছে পূৰ্ব্বৱত।
দেৱে মোক ভৃত্য বুলি ধৰিছা মনত॥
মহাপাত্র ৰাজাৰ বুলিয়া নামানিলা।
নানা নিন্দা বাক্য বুলি ভৃত্য শিক্ষা দিলা॥
এহি বুলি দূতক কৰিলা সতকাৰ।
অপূৰ্ব্ব প্রসাদে মোক কৰিলা উদ্ধাৰ॥
শুনা সাধু সব ভাৱ দেৱ গোপালৰ।
কাহাতো অপেক্ষা নাই ঈশ্বৰত পৰ॥
তেজস্বী মহন্তো সবে যাৰ লাগ পাই।
ভয়ত কাম্পান্ত বাক্য থিৰ নুহি কাই॥
গুণগ্রাহী মহন্তৰ স্বভাৱ কহিলোঁ।
বিষয়ী সবৰ তেন স্বভাৱ শুনিলোঁ॥
নামে বড়ফুকন ৰাজাৰ পাত্র হয়।
বত্রিশ সহস্র লোক যাহাত খাটয়॥
এক দিনা তেহো বহু নৌকায়ে ঠেকিলা।
অল্প ভক্ত সমে দেৱ গোপাল আছিলা॥

গৃহতে পশিয়া দেখি দেৱ গোপালক।
তবতবি কাম্পে তনু নাসে সমীপক॥
আসিয়োক বুলি দেৱে সাদৰি মাতিলা।
জানু পাৰি ভাৰকৰি মাটিত বসিলা॥
নম্রভাৱে কৰযোড়ে নামাতি আছয়।
তাৰ কম্প দেখি ভক্তে গুপুতে হাসয়॥
পাছে দণ্ডৱতে পড়ি কার্য্য নিবেদিলা।
শুনি দেবে তাঙ্ক চায়া হাসিয়া বুলিলা॥
ৰাজাৰ প্রমুখ্য পাত্র বিষয় চতুৰ।
ধৰিবা কেমনে তুমি ধর্ম্মক প্রভুৰ॥
মহাশুদ্ধ ধর্ম্ম ইতো বৈষ্ণৱ সবৰ।
তোমৰা পাপত মজি ফুৰা নিৰন্তৰ॥
ফুকনে বোলয় প্রভু পাপীক তাৰিত।
তোৰা সবে অৱতাৰ ধৰিছা কলিত॥
যিহেতু আমৰা সদা পাপত মজিলোঁ।
তাতে সে তোমাৰ পাৱে ভজিবা আসিলোঁ॥
শুনি পাছে স্নেহ কৰি শিখাই পঠাইলেক।
গৈয়া তেহে দেৱতেজে বিস্ময় ভৈলেক॥
সাধু দেখি যথা মোৰ কম্পিল শৰীৰ।
তেমনে নকৰো ভয় আগে নৃপতিৰ॥
এমনে অধিপ আনো যদি বা প্রাকৃত।
যাক দেখি সৰ্ব্বজনে হোৱে সচকিত॥
দেখি দেখি আনন্দ তৃপিতি নখণ্ডয়।
বদন পঙ্কজ যেন অমৃত ঢালয়॥
নয়ন পঙ্কজে যাক যাক নিৰিখয়।
সবে কৰযোড়ে প্রেমে মাথা দবাৱয়॥
যাক যিবা আজ্ঞা কৰে যেখনে যি জনে।
ভাগ্যে পাইলোঁ বুলি কৰে উত্ৰাৱল মনে॥
তাক প্রশংসয় অসন্তোষে আন জনে।
আমি দুৰ্ভাগিক কিয় নপাৱে এমনে॥

আজ্ঞা পায়া সেবা কৰে দেৱ গোপালক।
নিস্তাৰ কৰিলে সিতো সকলে বংশক॥
এহি মতে সমস্তৰে আনন্দ কৰাই।
আছন্ত হৰিৰ ভক্তি সঙ্গ প্ৰবৰ্ত্তাই॥
এক কথা শুনা দেৱে কৰিলা যেমন।
বোলে জগন্নাথ শুনা গঙ্গানাৰায়ণ॥
তুয়ো গৈয়া দেব দামোদৰৰ সত্ৰত।
কহিবাহা মোৰ দণ্ডৱত শত শত॥
শতবাৰ সত্য কাঢ়ি বুলিলো বচন।
তেহো মোৰ গতি মতি জীৱন মৰণ॥
ইহ পৰলোকৰ যে কায় বাক্য মনে।
হৌক প্ৰীতি দেৱ দামোদৰৰ চৰণে॥
শঙ্কৰ নাতিত মোৰ প্ৰীতি জানাইবাহা।
মেধী সকলৰ বৃত্ত সঞ্জাত লৈবাহা॥
এহি বুলি বহুদ্ৰব্য দিয়া পঠাইলেক।
তাৰা সবো দামোদৰ সত্ৰক পাইলেক॥
লেখা পত্ৰ আগে থৈয়া নমি দণ্ডৱত।
স্তুতি ভক্তি দেৱৰো কহিলা যত যত॥
বলোদেব আদি কৰি মহন্ত সবাৰ।
স্তুতি নতি আশীৰ্ব্বাদ দিলা বাৰম্বাৰ॥
পাছে গৈয়া ঠাকুৰত প্ৰীতিক জনাইলা।
মেধী সকলৰ বৃত্ত সকলে শুনাইলা॥
শুনিয়া ঠাকুৰে বোলে দুঃখ কৰি মনে।
গীতা ভাগৱত মূৰ্ত্তি তুলসী ব্ৰাহ্মণে॥
শ্ৰাদ্ধ হৰি বা শৰণ মাগে যিতো জনে।
কোন নো পাষণ্ডে বিহি আছয় এমনে॥
সেহিতো কলিৰ মূৰ্ত্তি পাষণ্ড দুৰ্জ্জন।
মহাপুৰুষৰ দ্ৰোহী বাহিৰ সিজন॥
এহি বুলি নব ঘোষা কৰিয়া যতনে।
দিলা দেৱ গোপালত প্ৰীতিৰ কাৰণে॥

এহি ঘোষা দিবা নিয়া দেৱৰ হাতত।
এতেকে জানিবা গুৰু মোৰ অভিমত॥
সিসব মতক মই নাহি কহিবাৰ।
তাক কহে যিতো সিতো নোহয় আমাৰ॥
এহি বাণী ঠাকুৰৰ আনো মহন্তৰ।
সেবা কৰি আজ্ঞা লৈয়া সবে মহন্তৰ॥
আসি পাছে সবে কথা কহিলা দেৱত।
দেৱে শুনি মহাতুষ্টি লভিলা মনত॥
নব ঘোষা সঞ্চাত ভৈলেক ঠাকুৰৰ।
ঠাকুৰক প্ৰশংসা কৰিলা বহুতৰ॥
আৰু এক কথা শুনা বহু মহন্তৰ।
থাকি বনবাস মধ্যে গৃহে লস্কৰৰ॥
দেৱ আছে শুনি আইলা আধলিয়া দেৱ।
আসিল শ্ৰীহৰি দেৱ কৰিবাক সেৱ॥
আনো বড় বড় মহাজন আসিছন্ত।
মোৰ পিতামহ মাতামহ আসিলন্ত॥
যদুমণি দেৱ সমে দেৱ গোপালৰ।
উঠিল পূৰ্ব্বৰ প্ৰীতি কথা বহুতৰ॥
যদুমণি দেৱে বোলে দেৱ গোপালক।
তযু সঙ্গে আমি আসিলোহো ইদেশক॥
মহন্ত সবৰ দৃঢ় বচনক ধৰি।
এতেকাল বঞ্চো আমি মহাপ্ৰীতি কৰি॥
কৃষ্ণৰ কৃপাত ৰৈল মহন্তৰ বাক।
নপাইলেক ধৰ্ম্মঘাতী তোমাক আমাক॥
তুমি শুদ্ধ ব্ৰহ্মচাৰী মহাভাগৱত।
কিনো নিসিজিল মোৰ তোমাৰ বাক্যত॥
আবে শুনু কতো তযু বাক্য এড়ি যাই।
বৌধ হুয়া ধৰ্ম্ম নাশি ফুৰে ঠাই ঠাই॥
মহা মুৰ্খ অধমক হয় স্বেচ্ছামত।
নামানে তুলসী শালগ্ৰাম ভাগৱত॥

শ্ৰাদ্ধবিধি একাদশী কিছো নমানয় ;
মহাপাপী হুয়া সবে পড়িবে নিশ্চয় ॥
দেৱে বোলে বাপু তুমি আমি আনোজন।
এক প্ৰীতি কৰি কাল গৱাইলো সঘন ॥
তোমাৰ আমাৰ ভকতৰ ভেদ নাই।
বৌধে ধৰ্ম্ম নাশি কাৰ উড়ুৱাইবে ছাই ॥
যাৰ যাৰ মহাভাগ্য আছয় পূৰ্ব্বত।
অৱশ্যে পড়িবে সিতো সন্তৰ ধৰ্ম্মত ॥
যি সব অভাগি পাপ বাসনা বহুত।
এহিসে অভাগি পুনু নুহিবে মুকুত ॥
হৰিৰ নিৰ্ম্মাল্য পদজল প্ৰসাদত।
হৰিপূজা দণ্ডৱত গীতা ভাগৱত ॥
ইসব প্ৰমুখ্যে আনো হৰিৰ সেবাক।
নিন্দা কৰি ফুৰে যিতো সিতো বৌধঝাক ॥
মহামহন্তৰ ধৰ্ম্মপথক নমানি।
ধৰ্ম্মাধৰ্ম্মিস্থক নিন্দা বাঞ্ছে চাউল কানি ॥
মহামূৰ্খ অজ্ঞানী লোকৰ মাঝে যাই।
সতকাৰ লভি ফুৰে মহন্ত বোলাই ॥
মহন্ত সকলে ধৰ্ম্ম কৰিলা প্ৰকাশ।
তাক নিন্দা পাপী সব হোৱে সৰ্ব্বনাশ ॥
এহিমতে আনো কথা কহিলা বিস্তৰ।
যেন যেন মতে প্ৰীতি পূৰ্ব্ব মহন্তৰ ॥
যদুমণি দেব আদি মহন্ত সকলে।
শুনি শুনি আনন্দে গৈলন্ত কৌতুহলে ॥
সংবশে তৰিলোঁ বুলি লক্ষৰে মানিলা।
দেৱেৰম্ন ভাৰতীৰ গৃহে থাকি গৈলা ॥
পিতামহ মাতামহ কৃতাৰ্থ ভৈলন্ত।
ৰহস্য ৰহস্য কথা সুধিয়া লৈলন্ত ॥
এহিমতে সন্ত সবে এক প্ৰীতি কৰি।
জগতকে নিস্তাৰিলা হৰি ভক্তি ধৰি ॥

যদুমণি দেৱে যাই নাহৰ আটিত ।
বৈশাখৰ কৃষ্ণ ত্রয়োদশী যে তিথিত ॥
দেহ এড়ি গৈলা যেৱে বৈকুণ্ঠপুৰক ।
শুনি দেৱে বিস্তৰ কৰিলা কান্দি শোক ॥
মহন্তৰ আজ্ঞা ধৰি দুয়ো আসিলোহো ।
তেহে বাপ্ত গৈল আৰে আমি ৰহিলোহোঁ ॥
দেশে দেশে বহুত মহন্ত গ্রামীগণে ।
শুনি উপবাসে থাকি গৈল শোক মনে ।
বিস্তৰে আসিয়া মহোৎসৱ কৰিলেক ।
কতো দেশে দেশে সভা কৰি ৰহিলেক ॥
তানে পতিব্রতা সতা পত্নি ৰহিলন্ত ।
জেষ্ঠ পুত্র সমে পাছে সত্র ধৰিলন্ত ॥
আপুনি গোপাল দেৱে যাক বিহা দিলা ।
জেষ্ঠ পুত্র সমে আসি দেৱক নমিলা ।
জগতানন্দক দেৱে শিখাইলা বিস্তৰ ।
যেমনে ধৰিবে পাৰে ধৰ্ম্মক সন্তৰ ॥
দণ্ডৱতে দেৱক প্রণামি বাৰম্বাৰ ।
আসিলন্ত দুয়ো পায়া আনন্দ অপাৰ ॥
স্থূল এতি মানে কহিলোহো কথা সাৰ ।
দেৱ গোপালৰ কথা কিছো কহো আৰ ॥
পুৰোহিত দেৱৰ ভাৰতী দুয়োজন ।
অনন্ত মুৰাৰি নিত্যানন্দ সনাতন ॥
হৰি মিশ্র আদি পূৰ্ব্ব দেশৰ মহন্ত ।
খৰঙ্গি পাঠক আদি পশ্চিমৰ সন্ত ॥
উজানীয়া কানু আদি আনো মহাজন ।
শ্রীকৃষ্ণ আদি সাধু ঠাকুৰৰ গণ ॥
বড় কন্দলিক আদি যতেক পণ্ডিত ।
প্রৱৰ্ত্তি আছয় মানে হৰি ভকতিত ॥
তেসম্বে সহিতে কথা দেৱ গোপালৰ ।
কতেক কহিবো কথা আছয় বিস্তৰ ॥

এহি মতে বহু কথা আছয় বিস্তৰ।
আশ্চার্য্য বিচাৰ কথা শুনা আতপৰ ॥
গুণন্ত গোপাল দেৱে বৃদ্ধ ভৈলো আসি।
কোনে সত্র ধৰিবেক ভকতি প্রকাশি ॥
ইহাৰ উত্তম পাত্র শ্রীহৰি আছন্ত।
কিন্তু তেহেঁা বৃদ্ধ অল্পকাল থাকিবন্ত ॥
আছে ৰাম চৰণ ইহাৰ পাত্র হয়।
শূদ্রকুল নিমিত্তে সেৱাক নৰিহয় ॥
কৃষ্ণদেৱে যদি আনি দিবে একজন।
তেবে মোৰ মন বাঞ্ছা কৰয় পূৰণ ॥
এহি মতে গুণি আছা সৌৰাণি সত্রত।
ৰাম কন্দলি আসি মিলিলা সাম্প্রত ॥
দণ্ডৱতে প্রণামিয়া বুলিলা বচনে।
এহি পুত্র গুটি দিলো তোমাৰ চৰণে ॥
সত্যে সত্যে সত্যে সত্যে সত্যে কহো সাৰ।
অন্ন জল পিণ্ড আশা নকৰোঁ ইহাৰ ॥
যদি দেৱে স্বীকাৰ কৰয় দাস বুলি।
তেৱে আৰ সবে পাওঁ পিণ্ড জলাঞ্জলি ॥
সুত সে অর্পিছো দেহ দেহীক তোমাত।
পুনু আক বিকিলোহোঁ দেৱতে সাক্ষাত ॥
শুনি পাছে গুণি দেৱে কৰিলা স্বীকাৰ।
ভক্ত সমে আলোচন কৰি বাৰম্বাৰ ॥
তাঙ্কে সত্র দিম বুলি ইচ্ছা কৰিলন্ত।
নানা স্থানে তাহাঙ্ক পঢ়ায়া তুলিলন্ত ॥
ক্ষণো বাক্তে থাকা ক্ষণো পলায়া ফুৰন্ত।
ক্ষণো ভাগৱত ক্ষণো পদক শুনন্ত ॥
নিয়মে প্রসঙ্গ কৰিবাক নাপাৰন্ত।
ক্ষণো একে পদ ফিৰি ফিৰিয়া শুনন্ত ॥
পাছে গুণি নিশ্চয় কৰিলা প্রভু মনে।
পশ্চিমক যাইবো মই পলায়া এমনে ॥

কত গুটি বৈষ্ণৱক লৈলন্ত লগত।
নৌকা কতখানি মাত্ৰ চলিলা লগত ॥
এহি কথা কুমৰ গোহাই শুনিলেক।
সৌলা শিঙৰিৰ কাটে দূত পাঞ্চিলেক ॥
যদি প্ৰভু দেৱ যাই দেশ ছাড়ি মোৰ।
সত্যে সত্যে শূলত দিবোহো দেহা তাৰ ॥
শুনি দূতে গৈয়া শীঘ্ৰে চকিত কহিলা।
পাছে দেৱে পাইলা যেবে যাইবাক নেদিলা ॥
চকিয়াল দূতে দণ্ডৱতে পড়ি পড়ি।
কঠিনেও কাকুণ্যেয়ো নানা স্তুতি কৰি ॥
তেবেসে পাৰিলা নিবৰ্ত্তাইবে ছল কৰি।
আগবঢ়াই থৈল নিয়া নানা স্তুতি ৰড়ি ॥
পুনু আসি ৰহি পাছে থিৰ কৰি মন।
ভাগৱত শিখাইবাক কৰিলা যতন ॥
দুয়ো বোৰ ভাগৱত তাৰ পদ যত।
সপ্ত কাণ্ড ৰামায়ণ কথা ভাগৱত ॥
গীতা ৰত্নাৱলি ৰত্নাকৰ ভক্তিসাৰ।
আনো উপগ্ৰন্থ যত যত আছে আৰ ॥
সকলে পুস্তক কৰাইলন্ত বচনতে।
সকলে গ্ৰন্থক ক্ৰমে পঢ়ে প্ৰসঙ্গতে ॥
দৰঙ্গীয়া হৰি মিশ্ৰে দেৱৰ আগত।
কতো দিন পঢ়িছিল শ্ৰীভাগৱত ॥
মধু ভণ্ডাৰীয়ে পঢ়ে পদক সতত।
কণ্ঠ কোকিলৰ ধ্বনি শুনি যেন মত ॥
কৃষ্ণ গোপালৰ পাদপদ্ম মনে স্মৰি।
সভা সদে ডাক ছাড়ি বোলা হৰি হৰি ॥
আৰু এক খানি কথা শুনা আত পৰে।
তিনিটি বৈষ্ণৱ আইল পশ্চিম দেশৰে ॥
গৌৰাঙ্গ মুৰাৰি দাস আৰু নাৰায়ণ।
জাতিত ব্ৰাহ্মণ আতি ধৰ্ম্মিষ্ঠ শোভন ॥

গৌৰাঙ্গ ভাতিজ হয় খোড়ত নাৰায়ণ।
দেৱ দামোদৰক সেৱিছে দুয়োজন॥
কতো দিন থাকি পাছে আজ্ঞা মাগি গৈলা।
নৌকা কিনিবাক গ্ৰামে গ্ৰামে পৰ্য্যটিলা॥
সত্ৰে সত্ৰে ভকতত থাকিয়া পুছয়।
ভাগৱত ভাগৱতী আছে নাহিকয়॥
আছে বুলি দেখে পাছে পদ সে পঢ়য়।
ভাগৱত বুলি সেহি পদক শুনয়॥
পদ পাঠকক ভাগৱতী বুলি কয়।
ভাগৱত ভাগৱতী দুয়ো নাহিকয়॥
গীতা ৰত্নাৱলী ৰত্নাকৰ ৰামায়ণ।
ঘোষা ভক্তিসাৰ মোক্ষনিৰ্ণয় কীৰ্ত্তন॥
আনো যি পুস্তক মাত্ৰ দেখে যেতিক্ষণ।
সমস্তকে ভাগৱত বোলে সৰ্ব্বজন॥
মাস চাৰি বিচাৰি আনন্তা নপাইলেক।
পুনু আসি দেৱ গোপালত কহিলেক॥
স্নানক কৰিছে আন লোক নাহিকয়।
দণ্ডৱতে প্ৰণামিয়া বুলিলা বিনয়॥
কিছোমান বাক্য প্ৰভু বুলিবাক চাওঁ।
নজানো বা কিবা কোপ প্ৰসাদ বা পাওঁ॥
সূৰ্য্য সম প্ৰকাশক মহাভাগৱত।
দেৱৰ সদৃশ কোন আছে ইদেশত॥
কিন্তু এক খানি কথা দেখিছোঁ দেৱত।
কিসক নমানে দেৱে শ্ৰীভাগৱত॥
শুনি দেৱে দুঃখ মনে বুলিলা বচন।
ভাগৱত নমানিছোঁ বোলয় কেমন॥
পৰম সাদৰে মই শুনো ভাগৱত।
কেনে অবমান ভৈল কহিয়ো সাম্প্ৰত॥
শুনি নাৰায়ণে প্ৰেমে দিলন্ত উত্তৰ।
শুনিয়োক যেন মতে ভৈল অনাদৰ॥

তুমি হেন মহাজন থাকি বিদ্যমান।
সবোয়ো নজানে ভাগৱত কোন খান ॥
দেৱ আছন্তে যদি লোকে নজানিলে।
একেস্বৰে দেৱে মানি কি কার্য্য সাধিলে ॥
চাৰি মাস ফুৰি থাকে বিচাৰি বিচাৰি।
ভাগৱত নজানয় কেহো নৰ নাৰী ॥
পুস্তক মাত্রক সবে বোলে ভাগৱত।
আছোক আনৰ কথা তোমাৰ সম্মত ॥
জগন্নাথে কেনে ভাগৱতী বোলাৱয়।
শ্লোক গুটি পঠতে তৃতয় ব্যক্ত হয় ॥
কালি দেখো ভাগৱত পঢ়ন্তে কন্দলি।
শ্লোকক বুলিয়া পদ পঢ়ে কণ্ঠ মেলি ॥
শ্রীভাগৱত শাস্ত্র অমৃত সাগৰ।
দুর্ভগীয়া লোকে আৰ নপাৱে ওচৰ ॥
কৃপালু শঙ্কৰে আৰ পদ অর্থ ছলে।
লোকক দেখাইলে কেশৱক কৃপাবলে ॥
পদৰস পাই পাছে ভাগৱত পিব।
ঘোৰ সংসাৰত মহাসুখে নিস্তৰিব ॥
হেন ভাগৱত লোকে যেমনে জানয়।
তেমন প্রকাৰে কৰিবাক যোগ্য হয় ॥
হেন শুনি দেৱে হাসি দুহানো বচন।
ধৰিলা মনত প্রসঙ্গিয়া ঘনে ঘন ॥
এক দিনা দেৱে ভক্ত সমে আলচিলা।
কন্দলি পুত্রক নাম দিবে ইচ্ছা হৈলা ॥
গৌৰাঙ্গ বৰণ কায় দেখিতে সুঠান।
কণ্ঠ কোকিলৰ স্বৰ অমৃত সমান ॥
পূর্ব্বে হৰিচৰণ পিতৃয়ে নাম দিলা।
দেৱ গোপালৰ পাৱে যিদিনা অর্পিলা ॥
সেহি দিনা হন্তে আতি কান্তিয়ো জ্বলিলা।
সমস্ত লোকৰ অনুগ্রহ পাত্র হৈলা ॥

শুভবাৰে শুভক্ষণে সুমঙ্গল কৰি।
ভাগৱত মিশ্ৰ নাম দিলন্ত আদৰি ॥
যথাযোগ্য উপযোগ্য বস্তু ভাল ভাল।
দিলন্ত বিস্তৰ কৰি শ্ৰীমন্ত গোপাল ॥
নাৰায়ণ গৌৰাঙ্গৰ প্ৰাৰ্থনা মনত।
ধৰি একদিনা প্ৰভু বসিয়া সভ্ৰত ॥
সবাকে শুনায়া প্ৰেমে বুলিলা বচন।
শুনিয়োক বাপু সব কৰি এক মন ॥
একদিনা দেৱ দামোদৰ বসিছন্ত।
নাম গায়া ভকতেও পদক শুনন্ত ॥
তথাপি বোলন্ত কেনে মন নকৰাহা।
প্ৰসঙ্গৰ বেলা গৈল কিয় বসিছাহা ॥
ভকতে বোলন্ত দেৱে মন নকৰিছে।
ভক্ত সবে নাম গায়া পদক পঢ়িছে ॥
দেৱে বোলে মই এতমান কলা ভৈলোঁ।
নাম গায়া পদ পঢ়ে তাক মুশুনিলোঁ ॥
শ্ৰীকৃষ্ণ মুখৰ বাণী শ্ৰীভাগৱত।
তাৰ পাঠ বিনে হুইব প্ৰসঙ্গ কিমত ॥
শুক নাৰদাদি কৰি মহন্ত সবৰ।
যাত বাৰম্বাৰ ক্ৰীড়া সন্তোষ মনৰ ॥
হেন বাণী শুনি ভক্তে ধৰিয়া মনত।
অত্যন্ত শ্ৰদ্ধায়ে শুনে শ্ৰীভাগৱত ॥
এতেকে তোৰাও শ্ৰদ্ধা কৰিয়া মনত।
শ্ৰীভাগৱত ৰস পিয়োক সতত ॥
আৰু এক কথা শুনা দেৱ গোপালৰে।
প্ৰসঙ্গ নিয়মি বোলে আগত ভক্তৰে ॥
যদি ভাগৱত সবে শুনা সাৱধানে।
ততো পাঞ্চ শ্ৰৱণীপাতিছো বিদ্যমানে ॥
মোহন মুকুন্দ কৃষ্ণ চৰণ কৰুণা।
শ্ৰীহৰি শ্ৰৱণী পাতিলোহোঁ পাঞ্চজনা ॥

দ্বাৰকা লক্ষ্মণ মধুসূদন শ্ৰীহৰি।
কমল লোচন জগন্নাথ জয়হৰি॥
নিত্যানন্দ গোপাল গোবিন্দ জয়ৰাম।
মধুহৰি বল্লভ গকুল পৰশুৰাম॥
বিষ্ণু সনাতন ৰাম শ্ৰীনিৰঞ্জন।
যদুৰায় দামোদৰ আনো ভক্তগণ॥
সবে কৰ্ম্ম কৰন্তে পাঞ্চকো নধৰিবা।
মোহোৰ সঙ্গত পাঞ্চ বসিয়া থাকিবা॥
এহি বুলি পাঞ্চকো দিলন্ত দ্ৰব্যচয়।
সবে বৈষ্ণৱকো পাছে দিলা মহাশয়॥
হস্ত তুলি হৰি ধ্বনি দিলা বাৰম্বাৰ।
একেথানে সবাকো কৰিলা নমস্কাৰ॥
সবে বৈষ্ণৱৰ মনে আনন্দ মিলিলা।
পুনু পুনু প্ৰেমত দেৱক প্ৰণামিলা॥
মধ্য কৰি প্ৰভুক আবৰি থাকা বসি।
প্ৰসঙ্গ পাতিয়া ভাগৱত পিয়া বসি॥
শ্ৰীভাগৱত মিশ্ৰে নানা স্বৰ তুলি।
ভক্তিৰস আনন্দত মজিয়া সমূলি॥
পৰমাৰ্থ ৰস চালি কহে ভাগৱত।
বৈষ্ণৱ সবৰ মনে পশয় অৰ্থত॥
সনাতনে দুয়ো বেলা পদক পঢ়য়।
নিশা হৈলে বিপ্ৰ নিৰঞ্জনে শুনাৱয়॥
দেৱ গোপালৰ সদা প্ৰেম আতি ঝৰে।
আনন্দতে নয়নৰ লোতক নিগড়ে॥
যত ভক্ত সত্ৰৰ আনোবা যত হয়।
সৰ্ব্বলোকে এক মহা আশ্চৰ্য্য দেখয়॥
দেৱ ভাগৱত মিশ্ৰে ভাগৱত কহে।
দেৱ বনমালীৰ কণ্ঠত সবে ৰহে॥
আগে ভাগৱত শুনি থাকে সাবধানে।
সবে থানি পাছে আসি কহে বিদ্যমানে॥

শ্লোক টিকা শঙ্কৰ পাঠক উচ্ছৰয়।
পাছে প্ৰতিপদে তাৰ ব্যাখ্যাক কৰয়॥
আবৰিয়া বহুলোকে শুনিয়া আছিলা।
মহাজন সবে দেখি আশ্চৰ্য্য বুলিলা॥
এমন কথাক নতু দেখি নতু শুনি।
নপঢ়িয়া ভাগৱত কহয় আপুনি॥
বহুকাল বহুবাৰ পঢ়ে ভাগৱত।
ততো তাৰ অৰ্থ নপাৱয় ভালমত॥
ছোট বনমালী আতা অল্প বয়সত।
সিংহ হেন ব্যাখ্যা কৰে শ্ৰীভাগৱত॥
বিস্ময় দেখিয়া দেৱ গোপালে বোলয়।
সামান্য লোকত ইটো কথা নঘটয়॥
কোন বা পৰম যোগী সিদ্ধ আসিলেক।
যোগভ্ৰষ্ট হুয়া আসি মানুষ ভৈলেক॥
কৃষ্ণৰ কৃপাত পুনু ভাগৱত কহে।
জানো চিৰকালে দেহ ৰহে বা নৰহে॥
এহি বুলি আশীৰ্ব্বাদ দিলন্ত বিস্তৰ।
আনো বহুকথা আছে দেৱ গোপালৰ॥

# নৰোত্তম ঠাকুৰ।

## ভক্তি প্ৰেমাৱলী।

জয় জয় কৃষ্ণ ইষ্ট জগতৰ গুৰু।
কাৰণৰো কাৰণ পূর্ণ ব্ৰহ্ম কল্পতৰু॥
যাৰ কটাক্ষতে হোৱে সৃষ্টি স্থিতি লয়।
প্ৰকৃতি সহিতে তিনি গুণৰ নির্ণয়॥
নাহি আদি অন্ত যাৰ নাহি পূর্ব্বাপৰ।
তথাপিতো দেখা কেনে বশ্য ভকতৰ॥
হেন মহেশ্বৰ বিষ্ণু নিত্য নিৰঞ্জন।
সদায়ে প্ৰণামো তান অৰুণ চৰণ॥
তাহাৰ অমূল্য ৰত্ন ভকতি নিঃশেষ।
গুৰু মুখে পাই মই কিছু উপদেশ॥
তাহাৰ চৰিত্ৰ সংসাৰতে সাৰ জানি।
গুৰু বাক্য হৃদয়ত ধৰি অনুমানি॥
সংসাৰ সাগৰে জানা গুৰুসে সাৰ।
ভৱবন্ধ গুচাই কৰে সংসাৰৰ পাৰ॥
গুৰু বিনে পৰম বান্ধৱ আন নাই।
গুৰুক চিনিলে চিনিবাৰ ঠাই নাই॥
গুৰু কৃপা কৰে যাক হোৱে সর্ব্বসিদ্ধি।
গুৰু নিজ পিতা মাতা বিধাতাৰো বিধি॥
হৰি গুৰু বৈষ্ণৱক কৰি একঠাই।
অনায়াসে সংসাৰক তৰে সমুদাই॥
লভিলা তিনিয়ো তত্ব ভৈলা কৃতকৃত্য।
শোক মোহ এড়াই সিতো জীয়ন্তে মুকুত॥
এতেকতে গুৰু বৈষ্ণৱৰ ভিন্ন নাই।
একে আত্মা একে গুৰু জানা সমুদাই॥

গুরু ঈশ্বৰত ভিন্ন বুদ্ধি ভৈলা যাৰ।
সেহিসে নৰকে পৰে গতি নাই তাৰ॥
বিনা গুরু উপদেশে নতৰয় কের।
সংসাৰ সাগৰে নৌকা আন নাই দের॥
এতেকতে সন্ত সাধু আছে যত যত।
একেবাৰে প্ৰণামো তাহাৰ চৰণত॥
দের পত্নী বিপ্ৰগণ আছে যত যত।
কাপৰ্ণ্য কৰোহো তাসম্বাৰ চৰণত॥
পুত্ৰ ভাৰ্য্যা গৃহবাসে পায়া মায়া ত্ৰাস।
ভক্তি প্ৰেমাৱলী পদ কৰিবো প্ৰকাশ॥
সকলো শাস্ত্ৰৰ বিচাৰিয়া সাৰতত্ব।
এক বাক্য কৰি আনি লিখিলো সমস্ত॥
হেন বা পাতকী মুখে তৰো মায়া ত্ৰাস।
সন্ত অনুগ্ৰহে তাকে কৰিয়াছোঁ আশ॥
অল্পমতি জ্ঞান শূন্য মূৰ্খ অতিশয়।
পণ্ডিত সবৰ নিন্দিবাৰ ধৰ্ম্ম নাই॥
পণ্ডিতেসে শিখা দেয় মূৰ্খে হেনজানি।
কোননো পণ্ডিতে বুলিয়াছে নিন্দাবাণী॥
যদি নিন্দা কৰে তবু মোৰ চিন্তে হিত।
সমস্ত পাতক দহি কৰয় পবিত্ৰ॥
মোৰ পদ বুলি নধৰিবা গুণ দোষ।
কৃষ্ণৰ চৰিত্ৰ শুনি হইয়ো সন্তোষ॥
যেন এক চাকোলা থাকয় অন্ধকাৰে।
পসাৰক আঠুকাঢ়ী যাই ধীৰে ধীৰে॥
সি মত চাকোল জানা মোৰ বুদ্ধি মন।
পসাৰক যাইতে মই কৰোহো যতন॥
এতেকতে কৃষ্ণৰ চৰিত্ৰ জোতিৰ্ম্ময়।
সেহি জ্যোতিৰূপে মন ভৈলেক বিক্ৰয়॥
যেন মধুকৰে মধুৰস লৱে টানি।
কৃষ্ণৰ চৰিত্ৰ মধু লৈলা মনে জানি॥

শূন্যৰ ওপৰে মহা জ্যোতিৰ প্ৰকাশ।
তাহাৰ ওপৰে আদি ব্ৰহ্মাৰ নিবাস॥
তহিতে প্ৰকাশে নাম ভক্তি এক ঠাই।
যেন মতে প্ৰকাশিলা আপুনি লীলাই॥
সেহি মতে জগত জনক নাৰায়ণ।
যেন মতে প্ৰকৃতিত কৰিলা সৃজন॥
যেন মতে প্ৰকৃতিত মহাজ্ঞান কৈলা।
জ্ঞানি তত্ত্ব মহাসতী আবৰিয়া লৈলা॥
পাছে সতী ভকতি কৰিলা যেন মত।
কেৱল ঈশ্বৰী মাত্ৰ আৰু সি ভকত॥
দেখালো প্ৰথমে নিজ ভকত ভকতি।
ইহাৰ তত্ত্বক বুঝি লভিয়ো সম্প্ৰতি॥
সপ্ৰেম ভকতি সতী লভি ঈশ্বৰত।
একৰূপে সৃষ্টি কৰা কৃষ্ণৰ ইঙ্গিত॥
কৃষ্ণ হেন অৱতাৰ ধৰন্ত লীলাই।
মূৰ্ত্তি ধৰি প্ৰকৃতিয়ো সেৱন্ত সদাই॥
এতেকে জানিবা ভকতিৰ মাঝে সাৰ।
সপ্ৰেম ভকতি সুখে তৰয় সংসাৰ॥
আনো নানা ভক্তি পথে মুকুতিক পাই।
সপ্ৰেম ভকতি মাত্ৰ ভকতি উপাই॥
আশীবিধ ভক্তি মাঝে নৱ বিধ সাৰ।
নৱবিধ মাঝে চাৰি বিধ সাৰাৎসাৰ॥
চাৰিবিধ মাঝে বিশ্বাসত প্ৰেম ৰতি।
এই দুই বিধে মাত্ৰ নোখোজে মুকুতি॥
শ্ৰৱণ কীৰ্ত্তন যিটো কৰে নিতে নিত।
সেহি ৰসে বিশ্বাস কৰিবে মনোনীত॥
যেবে ভৈলা বিশ্বাস নাহিকে আন চিত।
তেবেসে সপ্ৰেম আসি হোৱয় বিদিত॥
বিশ্বাস বিহীনে প্ৰেম নুহিকে বিদিত।
নতুলভে সিটো জনে ভকতিৰ তত্ত্ব॥

কীৰ্ত্তন কৰণে প্ৰেমে পূৰয় নয়ন।
তাকেসে বুলিয়া জানা উত্তম কীৰ্ত্তন॥
শ্ৰৱণ সময়ে মন হোৱে আনন্দিত।
বাক্য গদ গদ তনু হোৱে ৰোমাঞ্চিত॥
মহাপ্ৰেম আনন্দতে হোৱয় মগন।
তাহাকে বুলিয়া জানা উত্তম শ্ৰৱণ॥
দৈত্য দানব যক্ষ নিশাচৰগণ।
বৈৰ ভাবে কৰে হৰি বিৰূপ কীৰ্ত্তন॥
তথাপিতো মহামূৰ্খে লভয় মুকুতি।
তেমতে লভিবে লোকে নপাৰে ভকতি॥
শুনা সাৱধানে মন কৰি একচিত।
প্ৰেম সমে কৰে হৰি ভকতি বিদিত॥
প্ৰথমতে প্ৰকাশিলা বিশ্বাস ভকতি।
কৰিলন্ত মহালীলা পুৰুষ প্ৰকৃতি॥
যেন মতে প্ৰথমে স্ৰজিলা তিনি গুণ।
চন্দ্ৰ সূৰ্য্য বায়ু বহ্নি আন দেৱগণ॥
স্বৰ্গ মৰ্ত্ত্য পাতাল স্ৰজিলা তিনিখান।
আপুনি লীলায়ে জীৱ কৰিলা নিৰ্ম্মাণ॥
উত্তম যে অধম প্ৰকৃতি জীৱগণ।
পুৰুষ প্ৰকৃতি দুয়ো কৰিলা সৃজন॥
এতেকতে বুজিবা জীৱৰ ভাগ চয়।
কতো নৰ কতো মুক্তি মৰি ওপজয়॥
বুজিবাক লাগে জানা ইহাৰ নিৰ্ণয়।
কোনবস্তু গোট জীৱ মৰি ওপজয়॥
তেতে সতী ভকতি কৰিবে মহাশয়।
যেন মতে জীৱৰ সংসাৰ নাশ হয়॥
ভকতি বিহীনে জীৱ নুহিকে কিঞ্চিৎ।
মৰি ওপজয় দুঃখ ভুঞ্জে বিপৰীত॥
ভকতিত বিনায়ে জীৱৰ নাহি স্থিতি।
বুজিয়া আশ্ৰয় কৰা সপ্ৰেম ভকতি॥

আনো নানা প্ৰকাৰেৰ জীৱৰ আছে অৰ্থ ।
অল্পমতি জন মই মুহিকে সমৰ্থ ॥
তিনিগুণে নিৰ্ম্মিয়া আছন্ত মহাহৰি ।
প্ৰকৃতিক মাতিলন্ত মহাৰঙ্গ কৰি ॥
শুনিয়ো প্ৰকৃতি তুমি মোহোৰ বচন ।
মোৰ হৃদয়ৰ পৰা ভৈলা উতপন্ন ॥
মোৰ আজ্ঞা সত্বৰে কৰিয়ো মহাসতী ।
ধৰা নানা মূৰ্ত্তি তুমি সত্বৰে সম্প্ৰতি ॥
ব্ৰহ্মা আদি কৰি যত আছে দেৱগণ ।
মায়াৰূপে সবাহাকে কৰিয়া সৃজন ॥
তুমি হোৱা মায়া মযোঁ হওঁ মহাকাল ।
এহিমতে সৃষ্টিখন কৰো তত্বকাল ॥
ই যোনিৰ পৰা জীৱ সি যোনিত থৈবা ।
মায়াজাল পাতি তাৰ মনক মুহিবা ॥
পুত্ৰ ভাৰ্য্যা ধনতেসে হইবে ব্যাকুল ।
পাহৰি স্বৰূপে হৈব সম্যকে বাতুল ॥
মই নানা মৃত্যু দিবো শুনা প্ৰাণেশ্বৰী ।
মহাকাল ৰূপে সংহৰিবো লীলা কৰি ॥
মই শ্ৰীকৃষ্ণ পূৰ্ণ সৃষ্টিৰ আদিত্য ।
ব্ৰহ্মা মহেশ্বৰে মোক নাপাৰে জানিত ॥
কেতিক্ষণে মৃতু হোৱে নাজানে নিশ্চিত ।
মোৰ মহা অতৰ্ক্য মহিমা বিপৰীত ॥
মহন্ত জনক যেন দুৰ্জ্জনে পীড়য় ।
মই কাল চক্ৰ মাৰি তাক কৰো ক্ষয় ॥
এতেক মায়াক বুজে যিটো মহাসদ ।
তেবে পুত্ৰ ভাৰ্য্যা ধন বিষয় সম্পদ ॥
তেজিয়া মৰণ আশা তাৰ ভৈলা শান্ত ।
বুজিলে স্বৰূপে তাঙ্ক বুলিয়া মহন্ত ॥
এড়িলা দেহৰ স্নেহ শোক মোহ যত ।
জানিবা ঈশ্বৰী সিতো উত্তম ভকত ॥

মোৰ চৰিত্ৰক কৰে শ্ৰৱণ কীৰ্ত্তন।
সিটো মোৰ সুহৃদ আত্ম প্ৰাণধন ॥
কীৰ্ত্তন কৰন্তে প্ৰেমে ফুৰয় বাগৰি।
সিটো ধনে মোহোক যে কিনিলা সাদৰি ॥
সিটো ভকতক মায়া নাপাতিবা সতী।
তোমাৰ পূজিত সিটো জানিবা সম্প্ৰতি ॥
এতেক বচন হেন বুলি নাৰায়ণ।
শৰীৰৰ পৰা প্ৰকাশিলা বাৰজন ॥
ব্ৰহ্মা মহেশ্বৰক কৰিয়া এক ঠাই।
বাৰজন বৈষ্ণৱ থাপিলা সমুদাই ॥
আৰু চৈধ জন ভৈলা মুখ্য পাৰিষদ।
কৃষ্ণৰ স্বৰূপে সবে বেদান্ত সাৰদ ॥
বৈষ্ণৱৰ মাঝে শ্ৰেষ্ঠ মহেশ ভকত।
কৰিলন্ত যোগ জ্ঞান তাহানে বেকত ॥
কৰ্ম্মযোগ জ্ঞানযোগ ভক্তিযোগ চয়।
মহেশৰ আগত কহিলা কৃপাময় ॥
বুজিয়া ভক্তিৰ তত্ব দেব মহেশ্বৰ।
হৰিক হৃদয়ে কৰি ভৈলা দিগম্বৰ ॥
এতেকতে কৃষ্ণৰ ভকত যিটো হয়।
মন তাৰ দিগম্বৰ হৈবেক নিশ্চয় ॥
তাত পাছে নিৰ্ম্মাইলন্ত ভকত ছয়জন।
কেবল কৃষ্ণক মাত্ৰ কৰে নিৰূপণ ॥
অৰ্জ্জুনৰ উৰ্দ্ধমুখ কৰে ছয়জন।
হৰিৰ চৰিত্ৰ মাত্ৰ কৰন্ত কীৰ্ত্তন ॥
কৃষ্ণৰ চৰিত্ৰ গাই থাকন্ত সন্তোষে।
তাসম্বাক নোচোৱয় প্ৰলয়ৰ দোষে ॥
মহা প্ৰকৃতিয়ো যাৰ নোহে অধিকাৰী।
কৃষ্ণৰ চৰিত্ৰ জগতৰে উপকাৰী ॥
ব্ৰহ্মা মহেশ্বৰ আছে ভকতি আচৰি।
মনুষ্যৰ ভকতিত তুষ্ট হোন্ত হৰি ॥

এতেকে সবাতো কৰি মনুষ্য উত্তম।
ইন্দ্র চন্দ্র বায়ু বহ্নি নোহে যাব সম ॥
দেখাইলা গোপনে ইটো ৰহস্য ভকতি।
যেন মতে মাধৱক সেৱন্ত প্ৰকৃতি ॥
নৱ স্থানে নৱ মূৰ্ত্তি ধৰি প্ৰেমভাৱে।
মহামন সন্তোষে সেৱন্ত কৃষ্ণপাৱে ॥
চৰণৰ মাঝত থাকন্ত পদ্মৰূপে।
সকল ঐশ্বৰ্য্য সাক্ষী জানিবা স্বৰূপে ॥
সেহি চৰণৰ তলে যিটো লৈলা বাস।
কোননো ঐশ্বৰ্য্য তাৰ নুহিবে প্ৰকাশ ॥
একৰূপে ব্ৰহ্মাৰ কপালে ভৈলা জাত।
জগত মোহিনী মায়া জানিবা সাক্ষাত ॥
আৰু একৰূপে শুনা মায়াৰ লক্ষণ।
ইন্দ্ৰিয়ৰ মধ্যে জানা যাক বুলি মন ॥
মায়াকো মায়ায়ে মোহে জানিবা সম্প্ৰতি।
ইহাৰ তত্বক বুজে সি সে মহামতি ॥
একৰূপে শঙ্কৰৰ ভাৰ্য্যা মহামানি।
দৰশন্তে ভৈলা সাতাইশ নন্দিনী ॥
কৃষ্ণসমে ক্ৰীড়াক কৰিবে ৰঙ্গ মনে।
বাত্তৰি হাজাৰ গোপী ভৈলন্ত আপোনে ॥
স্বৰ্গত ভৈলন্ত এক লক্ষ পটেশ্বৰী।
একৰূপে ভৈলা শচী ইন্দ্ৰৰ সুন্দৰী ॥
আনো যত সুন্দৰীৰ মণি যত যত।
সবেয়ো লক্ষ্মীৰ অঙ্গ জানিবা সাক্ষাত ॥
অংশ কলা পূৰ্ণ অৱতাৰ মাধৱৰ।
ভাৱে ভাৱে গোসানী সেৱন্ত বাৰে বাৰে ॥
গাছ মাছ তৰু তৃণ পশু পক্ষীগণ।
সবাকো মায়ায়ে ৰমে স্বৰূপ লক্ষণ ॥
এৰাইলে মায়াৰ হাত কাহাৰ শকতি।
যাৱত নলৱে নৰে সন্তৰ সঙ্গতি ॥

ভকতক দেখি মাত্ৰ মায়া থাকে ডৰি।
বোলে মোৰ লগত লগায়ে প্ৰেম জৰি॥
যিটো কৰে মাধৱৰ সপ্ৰেম কীৰ্ত্তন।
আপুনি এৰন্ত মায়া মায়াৰ বন্ধন॥
লোভ মোহ কামতেসে মজি থাকে মন।
যদ্যপি কৰন্ত সিটো হৰিৰ কীৰ্ত্তন॥
তথাপিতো তাৰ মন নুহিবে সুশান্ত।
সেন্তুৰে নেৰায়ে মায়া প্ৰকৃতিৰ হাত॥
প্ৰকৃতিৰ মায়াত মোহিত সৰ্ব্ব লোক।
এহিসে কাৰণে নুগুচয় দুঃখ শোক॥
মায়াৰ কাৰণ কৈলোঁ শুনিলা সম্প্ৰতি।
যিবা কাৰ্য্যে যিকাৰণে ভৈলা উতপতি॥
কৃষ্ণৰ আজ্ঞাক মায়া কৰি শিৰোগত।
স্ৰজিবে লাগিলা চৰাচৰ সৃষ্টি যত॥
প্ৰথমতে সাতখান স্বৰ্গক স্ৰজিলা।
সাত খান পৃথিবীৰ ভাগ নিৰূপিলা॥
আৰু কৰিলেক সাতো সাগৰ বিশেষ।
স্থাবৰ জঙ্গম চৰাচৰক নিঃশেষ॥
সাতখান পাতাল স্ৰজিলা ৰঙ্গ কৰি।
দেখিয়া মায়াৰ কাৰ্য্য তুষ্ট ভৈলা হৰি॥
চন্দ্ৰ সূৰ্য্য বায়ু বহ্নি কুবেৰ বৰুণ।
অপেস্বৰা গন্ধৰ্ব্ব নক্ষত্ৰ গ্ৰহগণ॥
পাতালৰ দেৱগণ স্ৰৰ্জিলা সকলে।
থাকিল অনন্ত সাত পাতালৰ তলে॥
লক্ষ প্ৰহৰৰ পন্থ মধ্যত প্ৰকাশ।
যিবা দেৱে যি থানত কৰন্ত আকাশ॥
ব্ৰহ্মাণ্ডক আবৰিয়া জলে যেবে ৰৈলা।
তাহাঙ্ক আবৰি অনিলয় বায়ু ভৈলা॥
বায়ুকো আবৰি ৰৈলা মহাজ্যোতিৰ্ম্ময়।
জ্যোতিক আবৰি ৰৈলা আকাশ নিচয়॥

আকাশক আবৰিয়া বৈলা অহঙ্কাৰ।
তাকো আবৰিলা মহাতত্ত্ব বুলি যাৰ॥
মহাদকো আবৰিলা প্ৰকৃতিয়ো পাছে।
এহি মতে ব্ৰহ্মাণ্ডক নিৰ্ম্মি যেবে আছে॥
মায়াৰ কাৰণ দেখি কৃষ্ণ কৃপাময়।
মনত গুণিয়া হৰি ভৈলন্ত বিস্ময়॥
ব্ৰহ্মাণ্ডৰ বিভূতি দেখিয়া বিগুমান।
নানা বিধে প্ৰকৃতি স্ৰজিলা থানে থান॥
অমৰাৱতী দেৱগৃহ ৰম্য সৰোবৰ।
পুষ্পিত উগ্যান বৰ্গ দেখিয়া বিস্তৰ॥
সুবৰ্ণ বৈদূৰ্য্য হীৰা মাণিক ৰতন।
যেনে দিব্য গৃহচয় দেখি বিতোপন॥
পাতাল পৃথিবী স্বৰ্গ দেখিলন্ত হৰি।
পৰম সন্তোষে ৰহিলন্ত ৰঙ্গ কৰি॥
তিনিয়ো লোকৰ হৰি দেখিয়া বিভূতি।
মায়াৰ মহিমা দেখি ভৈলন্ত বিচুৰ্ত্তি
ইচ্ছা মাত্ৰ অল্প কৰি বুলিলা বচন।
এতেকতে ব্ৰহ্মাণ্ডক কৰিলা স্ৰজন॥
ধন্য ধন্য সাধু সতী কহিলা বচন।
তোমাৰ সৃষ্টিক দেখি তুষ্ট ভৈলা মন॥
আপুনিয়ো অংশৰূপে হৈবো অৱতাৰ।
তোমাৰ সৃষ্টিক কৰিবোহো বাৰম্বাৰ॥
শুনিয়া প্ৰকৃতি পাছে বুলিলা বচন।
প্ৰদক্ষিণে মাধৱৰ নমিলা চৰণ॥
জানু শিৰে মাধৱক কৰিলা সেৱলি।
বিনাৱন্ত প্ৰকৃতি ধৰিয়া কৃতাঞ্জলি॥
তোমাৰ আদেশে নিয়োজিলো সৃষ্টি থান।
নাহি জীৱ ব্ৰহ্মাণ্ডক নকৰে শোভন॥
সেহি বেলা কৃষ্ণদেৱ মনে গুণি চাইলা॥
ব্ৰহ্মাৰ মুখক চাই বচন বুলিলা॥

শুনিয়োক ব্ৰহ্মা তুমি বচন নিচয়।
মোৰ বাক্যে সত্বৰে নিৰ্ম্মিয়োক দেৱচয় ॥
শুনি ব্ৰহ্মা নম্ৰভাৱে কৰি প্ৰদক্ষিণ।
বিনাইবে লাগিলা চাহি কৃষ্ণৰ চৰণ ॥
আপোনাৰ দেহাক স্ৰজিলা ভগৱন্ত।
কিমতে স্ৰজিবো দেৱ নজানোহো তন্ত্ৰ ॥
হেন শুনি স্নেহদ্ৰৱ ভৈলা কৃপাময়।
ব্ৰহ্মাত কহিবে গৈলা মহাতত্বচয় ॥
প্ৰথমত পঞ্চ তত্ব কৈলা দেৱ হৰি।
চৌবিশ তত্বক পাছে কহিলা উদ্ধাৰি ॥
চন্দ্ৰ সূৰ্য্য বায়ু ইন্দ্ৰ বহ্নি যম আনি।
ব্ৰহ্মাৰ হাতত আনি দিলা চক্ৰপাণি ॥
গঙ্গা আদি কৰি যত তীৰ্থ নিৰূপণ।
একাদশী আদি কৰি যত তীৰ্থগণ ॥
কুণ্ডলী ধৰণী আছে প্ৰভুৰ নাভিত।
তাৰ এক ভাগ দিলা ব্ৰহ্মাৰ হাতত ॥
তাৰ এক ভাগ পূৰ্ব্বে মহেশ্বৰে নিলা।
মহাৰঙ্গ কৰি কৰ্ণে কুণ্ডল পিন্ধিলা ॥
মনুষ্যাক আদি কৰি আন দেৱগণ।
সবাৰো বস্তুৰে ব্ৰহ্মা কৰা নিৰূপণ ॥
উৰণ বুৰণ আৰু গজন ভ্ৰমণ।
সবাৰো দেহক ব্ৰহ্মা কৰিলা স্ৰজন ॥
অনন্তৰে যোগবলে প্ৰভু নাৰায়ণ।
স্ৰজিল ইন্দ্ৰিয়গণ প্ৰাণ বুদ্ধি মন ॥
প্ৰকৃতিকো ব্ৰহ্মাকো কৰিলা একঠাই।
সম্বোধিয়া নাৰায়ণে বুলিলা বুজাই ॥
মোৰ নিজ বীজ শক্তি জানিবা নিশ্চয়।
মোৰ নিজ অংশে জীৱ নাহি পৰাজয় ॥
দেহ মাত্ৰ ভগন জীৱৰ নাহি নাশ।
দেহত হৈবেক জানা জীৱৰ নিবাস ॥

এহি বুলি হাস্য কৰি মাতিলন্ত হৰি।
লোৱা জীৱ সতী মোৰ বচন সাদৰি ॥
তোমাৰ হাতত সমৰ্পিলো জীৱগণ।
তোমাৰে সে অধিকাৰী চৈধ্যাই ভুবন ॥
গঢ়িবাহা ব্ৰহ্মা দেহ অনেক আকৃতি ॥
তাৰ মাঝে জীৱ প্ৰাণ দিবাহা প্ৰকৃতি ॥
কৃষ্ণৰ আদেশ ব্ৰহ্মা কৰি শিৰোগত।
গঢ়িবে লাগিলা ব্ৰহ্মা কৰি নানা মত ॥
প্ৰথমতে পঞ্চতত্ত্ব আছ্য কৰি দিলা।
চৌবিশ তত্ত্বক পাছে তাতে নিৰূপিলা ॥
কুণ্ডলী ধৰণী আদি কৰিলন্ত ব্ৰহ্মা।
বাত্তৰি হাজাৰ নাৰী দিল অনুকৰ্ম্মা ॥
গঙ্গা আদি কৰি যত আছে তীৰ্থগণ।
নাৰী মধ্যে দিলা সবে ৰহিবাৰে স্থান ॥
একাদশী আদি কৰি যত পূণ্য চয়।
মাজে মাজে স্থান দিলা বুজিয়া নিৰ্ণয় ॥
ত্ৰিদশ দেৱতাৰ যত বীৰ্য্য বল।
দ্বাৰে দ্বাৰে দ্বাৰী কৰি দিলন্ত সকল ॥
ঘট পট জীৱ জন্তু সবাকে গঢ়িলা।
যাৰ যেন ভাব সেহিমতে নিয়োজিলা ॥
বালিচাঁহী পৰ্য্যন্ত নথৈলা কাৰো বাকী।
সবাৰো দেহক ব্ৰহ্মা গঢ়িলন্ত তাকি ॥
নাৰীৰ শৰীৰ গঢ়িলন্ত ভাগমত।
পুৰুষক পাঞ্চ ভাগ গঢ়িলা সাক্ষাত ॥
নাৰীৰ শৰীৰ গঢ়িলন্ত সুকুমলি।
দেখা মাত্ৰে পুৰুষৰ মন যায় টলি ॥
হৃদয়ত দিলন্ত মদন পঞ্চ বাণ।
দৰশন মাত্ৰে হৰে পুৰুষৰ মন ॥
কাল জল দিন ৰাত্ৰি শৰীৰ নিৰ্ম্মিলা।
দেহ হেতু ব্ৰহ্মা দেৱে প্ৰকৃতিক কৈলা ॥

শুনিয়া প্ৰকৃতি দেহে দিলা জীৱ প্ৰাণ।
ঢল ঢল কৰে নচলয় একো থান ॥
দেখিয়া প্ৰকৃতি ব্ৰহ্মা ভৈলন্ত বিস্ময়।
জীৱে প্ৰাণ দিলো দেখো তবু নচলয় ॥
পাপ পুণ্য দুইকো আনি দুই পাশে দিলা।
মূৰ্ত্তি ধৰি প্ৰকৃতিয়ো হৃদয়ে পশিলা ॥
তথাপি নচলে দেহা নাজানন্ত শুদ্ধি।
দেখি প্ৰকৃতিৰ দৰ্প চূৰ ভৈলা বুদ্ধি ॥
ধীৰে ধীৰে গৈলা দেবী মাধৱৰ পাশ।
কৃতাঞ্জলি নম্ৰভাৱে মাতিলন্ত লাস ॥
কৰযোৰ কৰি সতী বুলিলা বচন।
একোমতে চলাইতে নাপাৰো জীৱগণ ॥
ব্ৰহ্মায়ে স্ৰজিলা দেহা নানা ছন্দ কৰি।
তাৰ মাঝে জীৱ প্ৰাণ দিলো ৰঙ্গ কৰি ॥
পাপ পুণ্য সহিতে পশিলোঁ ময়ো মাজ।
আমি সবে জড় দেখোঁ প্ৰভু তুমি বাজ ॥
যত সৃষ্টি স্থিতি লয় তোমাৰে সে ইচ্ছা।
আমি সবে জৰ মাত্ৰ তুমি মাত্ৰ সঁচা ॥
আমাকে স্ৰজিলা প্ৰভু তুমি দেৱ হৰি।
তিনি গুণে স্ৰজিলাহা আপুনি মুৰাৰি ॥
ভাৱে ভাৱে ত্ৰিদশক স্ৰজিলা মুৰাৰি।
তোমাৰ আদেশে নিয়োজিলো তিনি পুৰী ॥
ব্ৰহ্মায়ে স্ৰজিলা দেহ তোমাৰ আদেশে।
তাৰ মাঝে জীৱ আমি দিলোহোঁ নিঃশেষে ॥
হাসো হাসো কৰে মাত্ৰ নলৰে নচৰে।
সবে দৰ্প চূৰ ভৈলা লাজ ভৈলো বৰে ॥
আমি সব জড়, তুমি চৈতন্য ঈশ্বৰ।
কোনে তৰ্কিবেক তযু মায়া নিৰন্তৰ।
সবে মিছা দেখোঁ আজি বল বুদ্ধি দৰ্প।
গৰুড়ৰ আগে যেম বন্দী ভৈল সৰ্প ॥

হেন শুনি হাস্য কৰি মাতিলা মুৰাৰি।
তোমাকেসে পাতিলোঁ সৃষ্টিৰ অধিকাৰী॥
আমিয়ো কৰিবো তাতে বিনন্দ বিলাস।
তুমি আমি দুয়োজনে কৰিবো নিবাস॥
ব্ৰহ্মা বিষ্ণু মহেশ্বৰক কৰি একঠাই।
তিনি গুণে তিনিকো দিলোহো সমুদাই॥
প্ৰকৃতিক শুনাই হৰি বুলিলা বচন।
হৃদয়ৰ মাঝে যাই তুমি হৈবা মন॥
মই পৰমাত্মা ৰূপে কৰিবো নিবাস।
এতেক হৈবেক জানা জীৱৰ প্ৰকাশ॥
হাস্য কৰি কটাক্ষে বুলিলা নাৰায়ণ।
সূক্ষ্ম দেহে ব্ৰহ্মা যে তোমাক দিলো থান॥
হৃদয়ত বিষ্ণু তুমি কৰিবা আসন।
যাক যিবা লাগে দিবা পোষণ পালন॥
মুখৰ মাজত থান দিলোঁ ত্ৰিলোচন।
যাক যেনে ভাল মন্দ বুলিবা বচন॥
ৰজো গুণে ৰাম ৰমিবাহা জগতত।
এতেকতে সৃষ্টিখান হৈব উপগত॥
শত গুণে কৃষ্ণ বিষ্ণু নাহি যাৰ অন্ত।
হৃদয়ত থাকি তুমি পালা ত্ৰিজগত॥
মুখত থাকিয়া তুমি ৰুদ্ৰ মহেশ্বৰ।
যাক যেনে সংহাৰ কৰিবা নিন্তৰ॥
মনৰূপে প্ৰকৃতি সবাৰে অধিকাৰী।
তোমাৰ হাতত জীৱ দিলোঁ ৰঙ্গকৰি॥
জলৰ মৎস্যৰ যেন ভিন্ন নাহিকয়।
সেহিমতে মনৰ জীৱৰ এক নয়॥
মনে যত ৰমে জীৱ তৈতে ওপজয়।
মনৰ লগত জীৱ সুখ দুঃখ পায়॥
মনে যেবে কৰে মোত সপ্ৰেম ভকতি।
তেবেসে তৰয় জীৱ মনৰ উতপতি॥

মহাপুৰুষৰ ইটো সাক্ষাত বচন।
জানি প্ৰেম ভকতি ধৰিয়ো সৰ্ব্বজন ॥
প্ৰেম ভকতিত তুষ্ট হৈবন্ত সাক্ষাত।
তেৱেসে এড়াইবে মন প্ৰকৃতিৰ হাত ॥
হে ব্ৰহ্মা হে বিষ্ণু হে ত্ৰিলোচন।
তিনি দেৱে তিনি ৰূপ হবা এতিক্ষণ ॥
বুদ্ধিৰূপে ব্ৰহ্মা তুমি জগত বিদিত।
বিষ্ণু অংশে এতিক্ষণে হবাগৈ চিত ॥
অহঙ্কাৰ ৰূপে ৰুদ্ৰ তুমি তমোময়।
তিনি দেৱে তিনি তত্ত্ব জানিবা নিশ্চয় ॥
ওষ্ঠে ব্ৰহ্মা জানা মহেশ্বৰ দন্ত দুই।
জিভা হৈলা বিষ্ণু তুমি ৰসৰ আলয় ॥
কণ্ঠ মাঝে প্ৰকৃতি থাকিবা সাৰে সাৰ।
সমস্ত ৰসকে আনি কৰিবা ভাণ্ডাৰ ॥
নাভিপদ্ম মাঝে যেন অনন্ত মই সঙ্গে।
সমস্ত ৰসকে বাতি দিবা ভাগে ভাগে ॥
অধঃ দুই উৰ্দ্ধে দুই চাৰি ভাগ কৰি।
চাৰি ভাগ ৰসক মই দিবো ভাগ কৰি ॥
আৰু এক কথা কহো আশ্চৰ্য্য মহিমা।
মাধৱৰ মায়াৰ যে কোনে পায় সীমা ॥
প্ৰকৃতিক চাই মাতিলন্ত সনাতন।
সত্বৰে ঈশ্বৰী মোৰ পালিয়ো বচন ॥
তুমি হৈবা পাপ ময় হৈবো পূণ্যগণ।
দুয়ো মিলি জগতক কৰিবো কাৰণ ॥
ভকত জনৰ মাত্ৰ নকৰে কাৰণ।
পাপ নাই পুণ্য নাই নাই দোষ গুণ ॥
কালকৃষ্ণ অধিকাৰ নকৰন্ত যাক।
আন কোনে অধিকাৰ কৰিবেক তাক ॥
দ্বাৰে দ্বাৰে অধিষ্ঠাতা দিবো দেৱগণ।
যাক যেন থান দিলা শুনা বিদ্যমান ॥

চক্ষু অধিষ্ঠাতা চন্দ্ৰ সূৰ্য্য দুই ভাই।
কৰ্ণ অধিষ্ঠাতা যে অসংখ্য সমুদাই॥
নাসিকাৰ অধিষ্ঠাতা অশ্বিনী কুমাৰ।
বাক্য অধিষ্ঠাতা হুতাশন নাম যাৰ॥
বল অধিষ্ঠাতা জানা বায়ু সৰ্ব্বজ্ঞান।
জিভা অধিষ্ঠাতা আসি ভৈলন্ত বৰুণ॥
হস্ত অধিষ্ঠাতা ভৈলা ইন্দ্ৰ সুৰপতি।
পাদে বিষ্ণু গুহ্যে দিশ লিঙ্গে প্ৰজাপতি॥
থানে থানে দেৱতাক স্বামী কৰি দিলা।
যাৰ যেন পূজা ভাৱে ভাৱে নিয়োজিলা॥
ঊৰ্দ্ধদেশে অধিকাৰ তুমি পশুপতি।
মধ্যথান অধিকাৰ বিষ্ণু মহামতি॥
অধোভাগে অধিকাৰী তুমি হেন ব্ৰহ্মা।
তিনি ভাগে তিনি দেৱ দিলো অনুকম্পা॥
প্ৰকৃতিক পাতিলোঁ সবাৰে অধিকাৰী।
তযু হাতে সমৰ্পিলো বোলে দেৱ হৰি॥
মায়া বলে জগতক কৰিলা সৃজন।
যেন মতে মোৰ নাভাগয় সৃষ্টিখান॥
আৰু এক বাক্য বোলো তোমাৰ আগত।
যিটো জন হোৱে মোৰ একান্ত ভকত॥
সিতো ভকতত মায়া নাপাতিবা সতী।
মোৰ প্ৰিয়তম সিটো জানিবা সম্প্ৰতি॥
শুনা সভাসদ ইটো মহা ভাগৱত।
কৃষ্ণৰ মুখৰ ইটো বাক্য সাৰোগত॥
ভক্তিসে প্ৰধান বস্তু জানিবা সৰ্ব্বজন।
কৰা সৰ্ব্বজনে কৃষ্ণ চৰিত্ৰ কীৰ্ত্তন॥
অনেক সংযোগে নৰ তনু আছা পাই।
নুহিকে শাশ্বত ইটো ক্ষেণিকে পৰায়॥
পুত্ৰ ভাৰ্য্যা ধন জন যত অভিলাষ।
কালে পাইলে একতিলে হৈবে সৰ্ব্বনাশ॥

যিকালত স্ৰজিলন্ত আদি নিৰঞ্জন।
সিকালত পুত্ৰ কৈত পাইলা কোনজন॥
মায়ায়েসে মায়াৰ পাশত কৰি বন্দী।
যেন নাকে বিন্ধি বলধিক আছে ছান্দি॥
পুত্ৰ ভাৰ্য্যা ধন জন স্নেহ দৰশাই।
তাত পাছে ওপজয় এৰণ নাযাই॥
জানি পুত্ৰ ভাৰ্য্যা তাত জীৱো আশকতি।
কৃষ্ণৰ চৰণে কৰা একান্ত ভকতি॥
মাধৱৰ অংশ জীৱ জানি আপোনাক।
জগতৰে আত্মা কৃষ্ণ ভজিয়ো তাহাক॥
কাল অজগৰে গিলে তিলেক মৰণ।
কৃষ্ণৰ চৰণে লোৱা একান্ত শৰণ॥
কৃষ্ণ বিনে ইষ্ট বন্ধু জানা আন নাই।
বোলা হৰি হৰি ঘোৰ সংসাৰ এৰাই॥

# ভূষণ দ্বিজ।

—০—

## শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ।

ইকথা থাকোক শুনা আত অনন্তৰ।
যিমতে মাধৱ শিষ্য ভৈল শঙ্কৰৰ ॥
বণ্ডুকাত ভাতৃ আছে তথাতে গৈলন্ত।
কিছুমান বিত্ত তৈব পৰা আনিলন্ত ॥

কতোদিন আছে মহা হৰিষে মনত।
আসিয়া শৰৎকাল ভৈল উপগত ॥
মনত বোলন্ত লাগে দেবী পূজিবাক।
পঠায়ো ৰামদাসক ছাগল কিনিবাক ॥

শুনা বোলে বহিনাই কৰা মোৰ বাণী।
দুই গোটা ছাগল কিনিয়া দিয়ো আনি ॥
মই যাওঁ হাতক তাম্বুল বেসাইবাক।
নকৰা বিলম্ব লাগে দেবী পূজিবাক ॥

এহি বুলি ৰামদাসৰ হাতে টকা দিলা।
বেসাতি আনিতে প্ৰতি আপুনিও গৈলা ॥
ৰাম দাসে টকা হাত পাতিয়া লৈলন্ত।
ছাগল কিনিবে প্ৰতি ছলিয়া গৈলন্ত ॥

ছাগলক অন্বেষে ফুৰন্ত গ্ৰাম পশি।
শঙ্কৰৰ আগে গৈয়া মিলিলা হৰিষি ॥
শঙ্কৰক দেখিল আসনে আছে বসি।
গৌৰাঙ্গ শৰীৰ যেন পূৰ্ণিমাৰ শশী ॥

ছত্ৰাকাৰ মাথা অতি কপাল সুসম।
প্ৰকাশয় মুখ অতি পূৰ্ণচন্দ্ৰ সম॥
আজানু লম্বিত অতি বাহু মহাপুষ্ট।
বহল হৃদয় দৰশনে মিলে তুষ্ট॥

যেন সূৰ্য্যবৰ প্ৰকাশয় আসনত।
দৰশনে সমস্তে পাতক হয়ে হত॥
দেখি ৰামদাসে মহা বিস্ময় ভৈলন্ত।
চৰণত পৰি নমস্কাৰ কৰিলন্ত॥

উঠিয়া হৰিষে পাচে আসনে বসিলা।
কিকাৰ্য্যে আসিছা বুলি শঙ্কৰে পুছিলা॥
আমাত বা তোমাৰ আছয় কোন কাম।
কোন গ্ৰামে থাকাহা তোমাৰ কিবা নাম॥

শুনি ৰামদাস অতি নম্ৰ কায় ভৈলা।
নমস্কাৰ কৰি কথা কহিবে লাগিলা॥
হোকোৰা কুচীয়া বোলে নাম ৰামদাস।
উত্তম কায়স্থ কুল লোকত প্ৰকাশ॥

আছন্ত মাধৱ তেন্তে হোন্ত মোৰ শ্যাল।
দেবী পূজিবাক লাগি লাগয় ছাগল॥
আসয় অষ্টমী দশভুজা পূজিবন্ত।
টকা দিয়া ছাগল কিনিতে পাঠিলন্ত॥

আপুনি গৈলন্ত গুৱা পাণ আনিবাক।
মই আসি আছোহো ছাগল কিনিবাক॥
কতবা জন্মৰ ভাগ্য আছয় আমাৰ।
সি হেতু চৰণ আসি দেখিলোঁ তোমাৰ॥

এহি বুলি ৰামদাস মৌন থাকিলন্ত।
হেন শুনি শঙ্কৰে হাঁসিয়া মাতিলন্ত॥
শুনা ৰামদাস কহোঁ তোমাৰ আগত।
নতু শুনা তুমি ইতো শাস্ত্ৰ ভাগৱত॥

দেৱপূজা কৰি যিতো কাটে হাঁস ছাগ।
অন্তকালে সিয়ো অস্ত্ৰ ধৰি লয়ে লাগ ॥
কাটে ছিণ্ডে লয়ে প্ৰাণ মাৰক মুচৰি ।
যাতনা ভুঞ্জিবে লাগি জীয়ে মৰি মৰি ॥

যি কাৰ্য্যে কাটয় বলি ফলো নধৰয়।
কিঞ্চিতেক ছিদ্ৰে সবে বিনাশ কৰয় ॥
চিৰকাল ভুঞ্জি মৰে ঘোৰ নৰকক।
যিতো জনে চাহে আপোনাৰ কুশলক ॥

কৃষ্ণক ভজিয়া সুখে তৰোক সংসাৰ।
আত পৰে জীৱৰ কুশল নাহি আৰ ॥
অনন্তৰে ৰামদাস প্ৰণাম কৰিলা ।
বিদায় কৰিয়া নিজ গৃহে চলি গৈলা ॥

মনে ভয় ভৈল কথা শুনি শঙ্কৰৰ ।
ছাগল নিকিনি পাছে আসিলা মন্দিৰ ॥
গুৱা পাণ লৈয়া ৰঙ্গে মাধৱ আসিলা ।
ৰামদাস বহিনাইক হৰিষে মাতিলা ॥

কতকৰি লাগিল ছাগল কিনিবাক ।
কতবৰ উচ্চ ছাগ দেখায়ো আমাক ॥
দুই শৃঙ্গ ভাল হৈবে অখুন দুই কৰ্ণ।
কিবা দুই গোটা কাল কিবা শুক্লবৰ্ণ ॥

আগক আনিয়ো আবে দোগোটা ছাগক।
শুনি ৰামদাসে মাতিলন্ত মাধৱক ॥
মোহোৰ বচন বৰগিৰি শুনিয়োক ।
কহো সত্য কথা তুমি নখঙ্গিবা মোক ॥

ছাগল কিনিবে গৈলো কৰিয়া যতন।
আছন্ত শঙ্কৰ তাঙ্ক ভৈলোঁ দৰশন । -
বসিয়া আছন্ত মহাৰূপ চমৎকাৰ ।
দেখি চৰণত কৰিলোহো নমস্কাৰ ॥

বসিলোঁ আসনে মোত কথা পুছিলন্ত।
কহিলোঁ তোমাৰ মই সকল বৃত্তান্ত ॥
হাসিয়া শঙ্কৰে পাছে বুলিলা বচন।
বৃথা দুঃখ পায়ে কৰ্ম্ম কৰিয়া যতন ॥

বলি কাটি যিতো অন্য দেৱক পূজয়।
অন্তকালে সেই বলি তাহাকে কাটয় ॥
যাতনা ভুঞ্জিয়া মৰে নাহিকে নিস্তাৰ।
নপায়ে ফলকো দুঃখ মাত্ৰ হোৱে সাৰ ॥

বিস্তৰ কহিলা আৰু মোহোৰ আগত।
ভয়ে নিকিনিলোঁ ছাগ কৈলোঁ স্বৰূপত ॥
শুনিয়া মাধৱ অতি ক্ৰোধত জ্বলিল।
মৰ মৰ পাপী বুলি খঙ্গিয়া উঠিল ॥

নামত হোকোৰা তোৰ বুদ্ধি নোহে ভাল।
কড়ি দিলোঁ তবু কিনি নানিলি ছাগল ॥
মূৰ্খৰ আগত যেন কথা কহ তই।
ধৰ্ম্ম বুঝাৱস কিছু নজানাহো মই ॥

ৰামদাসে বোলন্ত নকৰা ক্ৰোধ মোক।
শঙ্কৰৰ পাশে যাওঁ শিঘ্ৰে চলিয়োক ॥
আপোনাক পণ্ডিত মানস বৰগোট।
শঙ্কৰৰ আগত হৈবাহা সোটলোট ॥

মাধৱে বোলন্ত বৰ মতে গুৰু আশ।
কালি প্ৰভাততে যাইবো শঙ্কৰৰ পাশ ॥
ৰাত্ৰি গোট বঞ্চিলন্ত ৰজনী পোহাইল।
স্নান কৰি দুহান্তো যাইবাক সাজ ভৈল ॥

কিছু পাণ তাম্বুলক মাধৱে লৈলন্ত।
কতেক্ষণে শঙ্কৰৰ পাশক পাইলন্ত ॥
মনত বোলন্ত নকৰিবো নমস্কাৰ।
প্ৰথমে কৰিবো শাস্ত্ৰ তত্বক বিচাৰ ॥

হেন মনে গুণি যান্তে সমীপ পাইলন্ত ।
বসি আছে শঙ্কৰ মাধৱে দেখিলন্ত ॥
শৰীৰৰ জ্যোতিঃ দেখি শিহৰিল গাৱ ।
মনত বোলন্ত কিনো তেজৰ প্ৰভাৱ ॥

শঙ্কোচিত ভৈল গাৱ ৰূপ দৰশনে ।
কৰিলা প্ৰণাম পৰি শঙ্কৰ চৰণে ॥
ৰামদাসে প্ৰণামিলা পড়ি চৰণত ।
শঙ্কৰে বোলন্ত বসিয়োক আসনত ॥

হেন শুনি দুয়ো ৰঙ্গে বসিলা আসনে ।
শঙ্কৰে পুছিলা পাচে মধুৰ বচনে ॥
এহেন্তে মাধৱ জানো মহাসুবিনীত ।
দেখিলতে মোহোৰ হৰিষ কৰে চিত ॥

কিবা কাৰ্য্যে দুয়োজন আসি আছা হেথা ।
শুনিবাক উৎসুক কহিয়ো মোত কথা ॥
শুনিয়া মাধৱে পাণ তাম্বুলক লৈলা ।
সম্পুৰাত কৰি শঙ্কৰৰ আগে দিলা ॥

পুনঃ নমস্কাৰ কৰি বসিলা আসনে ।
কহিবে লাগিল কথা মধুৰ বচনে ॥
শৰত কালত পূজা সমস্তে কৰয় ।
পূৰ্ব্বহন্তে ইটো বিধি নিয়ম আছয় ॥

বেদ আজ্ঞা লঙ্ঘিলেত মহাপাপ হয় ।
অৱশ্যেকে সিতো ঘোৰ নৰকে পৰয় ॥
বেদৰ বিহিত কৰ্ম্ম লাগে কৰিবাক ।
নকৰিলে শাস্ত্ৰে দুৰাচাৰ বোলে তাক ॥

দুৰাচাৰ ভৈলে শৰীৰৰ নাহি শুদ্ধি ।
দিনে দিনে পাপত মলিন হয়ে বুদ্ধি ॥
পিতৃ মাতৃ তাৰ জল পিণ্ড নলৱয় ।
পশু যেন বৃথা সিতো জীৱন ধৰয় ॥

মৰিলেও ঘোৰ নৰকত হোৱে ঠাই।
কোটি কোটি জন্মত তাহাৰ গতি নাই॥
এতেকে আমৰা দেৱী পূজা কৰো জানি।
ঈশ্বৰৰ আজ্ঞা সিতো আছে বেদবাণী॥

শঙ্কৰে বোলন্ত পাছে মাধৱক চাই।
শুনিয়োক কহোঁ মই শাস্ত্ৰ অভিপ্ৰাই॥
ঋষিগণে কৰি ইতো বেদক বাখানে।
নিজ অৰ্থ ভকতিক ত্যজি বুঝে আনে॥

তপ জপ যজ্ঞ কৰি ব্ৰাহ্মণকো চাড়ে।
পূণ্যক্ষয় ভৈলে চুনাই নৰকত পড়ে॥
বেদমতে কৰ্ম্ম যদি অচিদ্ৰে কৰয়।
অৰ্পণা নভৈলে একো ফল নধৰয়॥

যদি ফল পাৱে তাৰো আছয় বিনাশ।
মহন্ত সকলে আত নকৰে বিশ্বাস॥
যজ্ঞ কৰি ধৰি আনি পশুক কাটয়।
পশুৰ ৰুধিৰে মহী কৰ্দ্দম কৰয়॥

যদি এহি জন কৰে স্বৰ্গক গমন।
নৰকত তেবে পড়িবেক কোন জন॥
বলি কাটি যিতো অন্য দেৱ পূজা কৰে।
হাতে অস্ত্ৰ ধৰি অন্তকালে লাগধৰে॥

চুম্পি ধৰি তাকো কাটি কৰে খণ্ড খণ্ড।
পূৰ্ব্ব শত্ৰু স্মৰি কৰে প্ৰাণান্তিক দণ্ড॥
যি কাৰ্য্যে কাটয় বলি তাতো নাই আশ।
তম নৰকত চিৰকাল কৰে বাস॥

সংসাৰত আয়াযাত মুগুচে জীৱৰ।
এতেকে প্ৰবৃত্ত পথ পৰম দুষ্কৰ॥
শুনিয়া মাধৱে পাছে বুলিলা বচন।
পুৰাণে আগমে কহে কৰ্ম্ম সে প্ৰধান॥

কৰ্ম্ম এড়ি বিকৰ্ম্ম পাতেকে হোৱে হত।
অৱশ্যকে পৰিবেক ঘোৰ নৰকত॥
শঙ্কৰে বোলন্ত শুনিয়োক স্বৰূপত।
পুৰাণৰ সূৰ্য্য ইতো মহাভাগৱত॥

যাৱত জোন্নকা পোকা প্ৰকাশ কৰয়।
যাৱত নাহিকে আসি চন্দ্ৰমা উদয়॥
পূৰ্ব্ব দিশে সূৰ্য্য যেন ভৈলন্ত উদয়।
জোন্নকা চন্দ্ৰৰ প্ৰকাশক বিনাশয়॥

জোন্নকাৰ সদৃশ কুকাব্য নিৰন্তৰ।
সকলে পুৰাণ যেন প্ৰকাশ চন্দ্ৰৰ॥
কোটি সূৰ্য্য সম প্ৰকাশয় ভাগৱত।
কাব্য পুৰাণৰ কিছু নাহিকে মহত॥

ভাৰত পুৰাণ ব্যাস ঋষি কৰিলন্ত।
যাৰ যেন জাতি ধৰ্ম্ম সবে বিহিলন্ত॥
চাৰিয়ো বেদৰ কৰিলন্ত শাখা ভেদ।
তথাপিতো নুগুচে মনৰ তান খেদ॥

পশুহিংসা ধৰ্ম্ম বিহিলন্ত জগতত।
সি কাৰণে সুস্থ নাই ব্যাসৰ মনত॥
বৈকুণ্ঠৰ শাস্ত্ৰ ইতো মহাভাগৱত।
নাৰায়ণে কহিলন্ত ব্ৰহ্মাৰ আগত॥

ব্ৰহ্মা নাৰদত কৈলা নাৰদে ব্যাসত।
ব্যাসে কৰিলন্ত পাচে মহাভাগৱত॥
শুকক পঢ়াইল ব্যাসে ইটো শাস্ত্ৰসাৰ।
শুকে পৰীক্ষিত আগে কৰিলা প্ৰচাৰ॥

সাধু সঙ্গে কৃষ্ণ ভক্তি কেহো নজানয়।
কাম্য কৰ্ম্ম কৰি ঘোৰ নৰকে পৰয়॥
পদৱন্ধে নিবন্ধিলোঁ শাস্ত্ৰ ভাগৱত।
শ্ৰৱণ কীৰ্ত্তন কৰি তৰোক জগত॥

মাধৱে পুছিলা পাছে কৰযোৰ কৰি ।
বৃথা দুঃখ পাৱে কাম্য কৰ্ম্মক আচৰি ॥
কোন কৰ্ম্ম তৰিবেক ঘোৰ সংসাৰত ।
ইহাৰ উপায় আবে কহিয়ো সাম্প্ৰত ॥

শঙ্কৰে বোলন্ত মাধৱৰ মুখ চাই ।
ভকতিৰ সাধন সৎসঙ্গ বিনে নাই ॥
ভাগৱতী নিৰ্গুণাৰ পৃথক সাধন ।
সংসৰ্গ ভক্তিৰ কথা শুনা দিয়া মন ।

প্ৰথমতে মহন্তৰ শুশ্ৰূষা কৰিবেক ।
শুদ্ধভাৱে দেখি তান কৃপা মিলিবেক ॥
কহিবন্ত ধৰ্ম্ম ধৰিবন্ত শুদ্ধ মতি ।
হৰি কথা শ্ৰৱণত উপজিব ৰতি ॥

কৃষ্ণত হৈবেক প্ৰেম দৃঢ় ভক্তি জাত ।
দেহ ব্যতিৰেকে আত্মা জানিবা সাক্ষাত ॥
কৃষ্ণৰ পৰম কৃপা হৈবে তাক প্ৰতি ।
সৰ্ব্বজ্ঞতা আদি গুণ মিলিবে সম্প্ৰতি ॥

সংসাৰক তৰিবাক যাৰ আছে মন ।
প্ৰথমে কৰোক সাধু-সেৱাক যতন ॥
গুৰুসেৱাতেসে পাই ভকতি মুকুতি ।
অন্যথা নপাৱে ইতো কহিলো যুকুতি ॥

অসংখ্যাত সাংখ্য শ্লোক মাধৱে তুলিলা ।
শঙ্কৰে শাস্ত্ৰক দেখাই সকলে খণ্ডিলা ॥
তিনি প্ৰহৰ মান দুয়ো বাদ কৰিলন্ত ।
ৰাম ৰাম মুখ্য কৰি সকলে আচন্ত ॥

দুই হান্তৰ সংবাদ চাহিয়া ৰঙ্গমনে ।
চাহিয়া আছন্ত সবে সভাসদ গণে ॥
শঙ্কৰৰ পৌঢ়ি বাক্য শুনি মাধৱৰ ।
গুচিল সংশয় যত আছিল মনৰ ॥

কৃতাঞ্জলি কৰি আসনৰ উঠিলন্ত ।
গুৰু মানি শঙ্কৰত শৰণ লৈলন্ত ॥
সাধু সাধু মাধৱক প্ৰশংসা কৰিলা ।
দুই হাতে আস্বাসিয়া শঙ্কৰে তুলিলা ॥

উঠিয়ো মাধৱ তুমি বসিয়ো আসনে ।
তোমাৰ কথাত মহা তুষ্ট ভৈলো মনে ॥
অনন্তৰে ৰামদাসে লৈলন্ত শৰণ ।
অন্যোন্যে কৃষ্ণৰ কথা কৰি সম্ভাষণ ॥

দিলন্ত তাম্বুল সবে ৰঙ্গে ভুঞ্জিলন্ত ।
নমস্কাৰ কৰি দুয়ো গৃহক গৈলন্ত ॥
কথামাতে যান্ত পথে হৰষিত মন ।
মাধৱে বুলিলা ৰামদাসক বচন ॥

পূৰ্ব্ব হন্তে শুনু শঙ্কৰৰ কথা যত ।
তথাপিতো কিঞ্চিতেক নধৰো মনত ॥
তুমি বৰ আমাক কৰিলা উপকাৰ ।
একেতো কুটুম্ব আৰু সুহৃদ আমাৰ ॥

টকা দিলোঁ তভো তুমি নিকিনিলা ছাগ ।
মহাক্ৰোধে মোৰ মনে মিলিল বৈৰাগ ॥
মহা ভাগ্য আসি মোৰ ভৈলা উপাসন ।
শঙ্কৰদেৱৰ মই দেখিলোঁ চৰণ ॥

কৰিলোঁহো সম্ভাষন শাস্ত্ৰক বিচাৰি ।
গুৰু মানি শৰণ লৈলোঁহো দৃঢ় কৰি ॥

---

# দামোদৰ দ্বিজ।

## মহাভাৰত—শল্যপৰ্ব্ব।

### ঢুলড়ী।

জয় জনাৰ্দ্দন পুৰুষ পুৰাণ,
ভক্ত জন ভয়হাৰী।
পুতনা শোষণ অঘ বিনাশন,
প্ৰণামো দেৱ মুৰাৰি॥
নমো হৃষিকেশ তব পদে দাস,
তোমাক কৰি প্ৰণতি।
বিপ্ৰদামোদৰ কৰি মহাকেলি,
কৌতুহলে নিগদতি॥
যত লোক চয় দ্বিগজ পৰায়,
নাপায় ইহাৰ মৰ্ম্ম।
জানি বা নাজানি পদনিবন্ধিলোঁ
মহন্তৰ ক্ষমা ধৰ্ম্ম॥
জানি সভাসদ নুবুলিবা মন্দ
মই অধমক প্ৰতি।
কৃষ্ণ কথা জানি শুনা সৱে প্ৰাণী,
হৰি পদে দিয়া মতি॥
বদতি সঞ্জয় শুনা মহাশয়,
ধৃতৰাষ্ট্ৰ নৰেশ্বৰ।
কুৰু-পাণ্ডৱৰ ভৈলা ঘোৰ ৰণ,
যথা দেৱ অসুৰৰ॥

প্ৰথমতে ঘোৰ লাগিলা সমৰ,
ধূলাময় অন্ধকাৰ।
বাহুতে বাহুতে মাহুতে মাহুতে,
ৰণ ভৈলা পৰস্পৰ॥
মাহুত সকলে হস্তীক প্ৰহাৰে,
কুম্ভস্থলে বৰ টানে।
দুৰ্ঘোৰ আতাস পাৰি খেদি যাই,
মেঘৰ যেন গৰ্জ্জনে॥
শকতি তোমৰ হানে ভয়ঙ্কৰ,
অন্যো অন্যে বীৰ গণে।
দুঃসহ ক্ৰোধত প্ৰাণে হুয়া হত,
চলয় যম সদনে॥
হস্তীক হস্তীয়ে দশন প্ৰহাৰে,
ৰথাক ৰথীয়ে বেঢ়ি।
ঘোটকে ঘোটকে কামোৰা কামুৰি,
পৰি মৰে জৰাজৰি॥
ৰথাৰ ৰথক যতেক ঘোটক,
নাৰাচ তোমৰ হানে।
ধনুকী ধনুকী একক অলেকে,
পঠাৱে যম কৰলে॥
কুৰু পাণ্ডুদল কৰে হুলস্থুল,
মাৰ মাৰ তোল তোল।
দুই খান সাগৰ হুয়া একত্তৰ,
ৰণৰ যেন আন্দোল॥
অসংখ্যাত হয় বেগে খেদি যাই,
চামৰে শোভিত আতি।
হেমন্ত গিৰিৰ পাঞ্জৰত যেন,
হংস চৰে পান্তি পান্তি॥

ঘোটক সবৰ খুৰাৰ আঘাতে,
ভূমি যে আতি শোভয়।
ৰতি সময়ত নখে হুয়া ক্ষত,
নাৰী যেন প্ৰকাশয়॥
ৰথৰ চক্ৰৰ শব্দ আতি বৰ,
পদাতি পদ আস্ফালে।
পঞ্চ শবদৰ হস্তীৰ গৰ্জ্জন,
কাৰ্ণত মাৰয় তালে॥
চতুৰঙ্গ দল ৰথৰে শবদে,
শঙ্খৰ শিংহাৰ ধ্বনি।
শুনি অসংখ্যাত পৰিয়া নিৰ্ঘাত,
নাদয় যেন মেদিনী॥
ধনুৰ টঙ্কাৰ কৰে নিৰন্তৰ,
খড়গ কৰে চিকিমিকি।
দিশ বিদিশ একোএ নজানি,
সুবৰ্ণ কবচ কান্তি॥
বাসুকী সত্ৰাস দেখন্তে হৰিষ,
অলঙ্কাৰে সবে সজ্জ।
বীৰ বাহুচয় পৰিয়া আছয়,
যেহেন ইন্দ্ৰৰ ধ্বজ।
বীৰ শিৰচয় ধৰণী শোভয়,
শবদ আতি বহল।
যেন বৃক্ষ হন্তে খসি খসি পৰে,
অসংখ্যাত ভাল তাল॥
কুণ্ডলে মণ্ডিত ৰুধিৰে লিপিত,
সবে কৰি ৰণ্ডভণ্ড!
মত্ত হস্তীগণ ভাঙ্গিলেক যেন,
পুষ্পিত পদ্মৰ মণ্ড॥

মহা মনোহৰ বীৰগণে উৰু,
হস্তীৰ মুণ্ড আলয় ।
গড়াগড়ি কৰি আছে পড়ি পড়ি,
ধৰণী মণ্ড শোভয় ॥
অসংখ্যক বন্ধ দেখিতে কুবন্ধ,
ছত্ৰাজ চামৰে ধৰি ।
যেন পুষ্পবন শোভে সশোভন,
পৰম ইচিত কৰি ॥
যত বীৰ গণ কৰন্ত ভ্ৰমণ,
মনত নাহিকে ত্ৰাস ।
শৰীৰক ঢাকি বহয় ৰুধিৰ,
পুষ্পিত যেন পলস ॥
হস্তীগণ যত পৰিলত আত,
শৰে হুৱা জৰ্জ্জৰিত ।
আকাশৰ মেঘ খণ্ড খণ্ড হুয়া,
পৰিছে যেন ভূমিত ॥
গজ সমূহক নিলা যমলোক,
প্ৰাণৰ দেখি যতেক ।
এৰি পটোআৰ দিলা সবে লৰ,
পলাইলা কুৰু কতক ॥
খণ্ড মেঘগণ ভৈল হস্তী চয়,
পৰিছে দন্ত প্ৰকটি ।
যেন শচীপতি হাতে বজ্ৰ ধৰি,
পেলাইলা পৰ্ব্বত কাটি ॥
মাহুত সহিতে কৰি সমন্বিতে,
আছে অসংখ্যাত হয় ।
প্ৰাণ গৈলা চাৰি ৰৈল পৰি পৰি,
দেখি লাগে মহাভয় ॥

বন ভূমি খণ্ড ভৈল ৰণ্ড ভণ্ড,
মৃতকে আতি দুৰ্গম।
ছিন্ন ছত্ৰ দণ্ড ভৈল খণ্ড খণ্ড,
ৰুধিৰে ভৈল কৰ্দ্দম॥
শুনা মহাৰায় পাক ভৈল তাত,
অস্থিয়ে খোলা থাপৰ।
ধ্বজে বৃক্ষ গণ অস্থিৰ পৰ্ব্বত,
ভূজে চন্দ্ৰ ঘৰে যাৰ॥
ধনু গণে বেগ বহে অবিচ্ছেদ,
হৰে শিলা খণ্ড যত।
মেদ পজা দুই নিবিড় কৰ্দ্দম,
ছত্ৰে হংস অসংখ্যাত॥
কবচ পাণ্ডুৰি যাই উড়ি উড়ি,
অসংখ্যাত মনে দেখি।
পতাকা ৰুচিৰ দ্ৰুব মনোহৰ,
চক্ৰে চক্ৰবাক পক্ষী॥
ক্ষত্ৰিয় গণৰ আনন্দ অপাৰ,
দেখি শোণিতৰ নদী।
ডৰুক জনৰ ভয়ে কম্পমান,
দক্ষিণক বহে ভেদি॥
কুৰু পাণ্ডবৰ তেজে ভয়ঙ্কৰ,
বহে নদী খৰতৰ।
পিতৃলোক লাগি ধাৰায়ে বহয়,
ভয়ে কম্প কলেবৰ॥
মৃতক জনৰ লাগিয়া কান্দয়,
অন্যোঅন্যে বন্ধুগণে।
ভীম অৰ্জ্জুনৰ শৰত পৰিয়া,
চলিল যমকবলে॥

তযু সেনাচয় ভীম ধনঞ্জয়,
শুহিলেক শৰে হানি।
পাচে দুই ভাই শৰীৰৰ বলে,
কৰিলা শঙ্খৰ ধ্বনি॥
ধৃষ্টদ্যুম্ন বীৰ শ্রীখণ্ডি সহিতে,
নৃপতিক আগকৰি।
শল্য নৃপতিক লাগি খেদি গৈল,
কৰে ঘোৰ ধনু ধৰি॥
মাদ্রীৰ তনয় ক্রোধে গৈলা ধাই,
অস্ত্র শস্ত্র ধৰি কৰে।
দেখি কুৰু সেনা ভৈলা সেনাবেনা,
পলাই গৈল নিৰন্তৰে॥
পাণ্ডৱৰ শৰে কাটে নানা মতে,
কুৰু কতকৰ শিৰ।
ভৈল হাহাকাৰ তোমাৰ সেনাৰ,
ভয়ে নোহে কেহো থিৰ॥
ভাইক ভাই এৰি পলাই লৰৰি,
পুত্রক এৰিয়া বাপে।
মাতুল ভাগিন এৰি বন্ধুগণ,
ভয়ে পলাই জাকে জাকে॥
হয় হস্তী ৰথ এৰিয়া সমস্ত,
পলাই মাত্র প্রাণ ৰাখি।
গুচিল হৰিষ গৈলা দশোদিশ,
সমৰ ভূমি উপেক্ষি॥
ৰণ ভূমি খান কৰিলো বর্ণন,
যথা মতি অনুসাৰে।
মোক মূর্খ জানি নিন্দা নকৰিবা,
সাধুসব নিৰন্তৰে॥

মই পুনু মূঢ় অৰ্থ ইতো গূঢ়,
যেন অমৃতৰ ভাণ্ড।
কাক পথা লাগি যেন কোন জনে,
নমাৰে সুবৰ্ণ কাণ্ড॥
ময়ো সে হিনয় জানিবা নিশ্চয়,
নকৰিবা অসন্তোষ।
মূৰ্খক নিন্দিলে কিছু ফল নাই,
অমৃত সমান দোষ॥
ব্ৰাহ্মণৰ ঠাই জন্ম আছো পাই,
সংস্কাৰে ভৈলো দ্বিজ।
কৃষ্ণৰ চৰণে ভকতি নুপজে,
এৰিলোঁ স্বধৰ্ম্ম নিজ॥
নমো নিৰঞ্জন ভকত ৰঞ্জন,
তুমি সে জগন্নিবাস।
তযু বৈষ্ণৱৰ সঙ্গত আমাৰ,
ৰহোক দৃঢ় বিশ্বাস॥
জানি সভাসদ শুনা নিশবদ,
কথা ইটো বিদ গদ।
তাহান ৰাজ্যত থাকি বিৰচিলোঁ,
শল্য নৃপতিৰ বধ॥
বিপ্ৰ দামোদৰ কহে নিৰন্তৰ,
চিত্ত সাবধান কৰি।
আপুনিও তৰা পুৰুষ উদ্ধৰা,
ডাকি বোলা হৰি হৰি॥

---

পদ

সঞ্জয় বদতি পাছে শুনা নৰেশ্বৰ।
কুৰু পাণ্ডৱৰ সেন যুদ্ধ ভয়ঙ্কৰ॥
আপোন প্ৰজাৰ ভয় দেখি মদ্ৰেশ্বৰ।
সাৰথিক চায়া পাচে দিলন্ত উত্তৰ॥

জয়দ্ৰথ যুধিষ্ঠিৰ ৰাজা বিদ্যমানে।
আগ পাচে বীৰগণে লগতেও গণে॥
ধবল ছত্ৰক যাৰ মাথে আছে ধৰি।
তান সমীপক ৰথ বাহা শীঘ্ৰকৰি॥

দেখিয়ো সাৰথি আজি মোৰ ভুজবল।
মোৰ আগে কোন বস্তু পাণ্ডৱ সকল॥
শল্যৰ বচন শুনি সাৰথি ত্বৰিত।
চপাইলেক ৰথ যুধিষ্ঠিৰ সমীপত॥

শল্যে খেদি আসে পাণ্ডৱৰ সেনাগণ।
নির্ভয়ে ধৰিলা হাতে ধৰি ধনুৰ্ব্বান॥
যুদ্ধক সমুখে ধাইল ৰাজা মদ্ৰেশ্বৰ।
ফিৰি পাতিলেক পাণ্ডুগণ নিৰন্তৰ॥

পূণ্যবীৰ গণ ৰহিলেক বেহু মুখে।
নকুলে বুলিলা চিত্ৰসেনক সম্মুখে॥
পৰম সুন্দৰ দুয়ো সমৰে নিপুণ।
দুইক দুই শৰগণ প্ৰহাৰে দাৰুণ॥

পুনু চিত্ৰসেনে শনাইত তিনি বাণ।
নকুলৰ ললাটত বিন্ধিল সন্ধান॥
আৰ তিনি বাণে সাৰথিৰ লৈলা প্ৰাণ।
তিনি বাণে ধ্বজক কৰিলা সাত খান॥

তীক্ষ্ণ শৰ গণে ৰথ নিলা যমথান।
সমৰে লাঘৱ বীৰ কৰ্ণৰ নন্দন॥
তিনি শৰে নকুল প্ৰকাশে সি বেলাত।
তিনি গোটা শৃঙ্গ যেন অপৰ পৰ্ব্বত॥

ৰথী ৰথ চূৰ্ণ দেখি মনে কোপ কৰি।
চিত্ৰক সম্মুখে ধাইল খড়গ চৰ্ম্ম ধৰি॥
খড়গ চৰ্ম্ম ধৰি দেও দিলা ৰথ হন্তে।
পৰ্ব্বতৰ পৰা নামি সিংহ যেন মতে॥

পদ গতি কৰি যাই মাদ্ৰীৰ তনয়।
অস্ত্ৰ শস্ত্ৰ চিন্তে হানিলন্ত শৰচয়॥
পাণ্ডুৰ তনয় মহাবীৰ পৰাক্ৰম।
সমৰে লাঘব অতিশয় জিতাশ্ৰম॥

কাটি ছিণ্ডি শৰচয় পেলাইলা পথত।
দেখ নেদেখতে যাই চৰিলা ৰথত॥
পৰম বিস্ময়ে প্ৰজাগণে চাই আছে।
কুণ্ডলে মণ্ডিত শিৰ কাটিলন্ত পাচে॥

সুন্দৰ নাসিকা কৰ্ণ আয়ত নয়ন।
সুবৰ্ণ কিৰীটি মাথে জ্বলে বিতোপন॥
হেন শিৰ ছেদিলন্ত মাদ্ৰীৰ কুমাৰ।
ৰথৰ উপৰে যেন শোভে দিনকৰ॥

নকুলৰ বীৰত্তক দেখিয়া হৰিষে।
সাধু বাদে বীৰক পূজিলা দশোদিশে॥
সত্যসেনে সুসেনে দেখিয়া ভাতৃ বন্ধ।
মহামৰ্ম্মে ভৈলা দুও নয়নত বন্ধ॥

নকুলক খেদি দুয়ো যাই মহাবেগে।
প্ৰমত্ত নাগক যেনমতে দুয়ো বাঘে॥
পাণ্ডৱক বেঢ়ি দুয়ো শনাইত শৰে।
ভেদিলেক নকুলক আঞ্জৰে পাঞ্জৰে॥

শৰ চোটে নকুলৰ কোপ অতিবৰ।
আন ধনু খান তুলি লৈলা ভয়ঙ্কৰ॥
আন ৰথে চৰি বীৰ নকুল বিশাল।
নির্ভ্রে ৰহিলা কোপে যেন যমকাল॥

সত্যসেনে সুসেনে হানিলা শৰচয়।
ৰথক আবৰি শৰ ধাৱে ৰৰিময়॥
হাসিয়া নকুল ধৰিলেক শৰ ধনু।
সত্যসেনে আন চাপে কৰে লৈলা পুনু॥

সত্যসেন প্রসেন যে তাৰ দুই ভাই।
দুয়ো শৰে পাণ্ডৱৰ ভেদিলা হৃদয়॥
হানিয়া সুসেনে পাচে সুৰপতি বাণ।
নকুলৰ হাতৰ কাটিলা ধনু খান॥

আন ধনু ধৰিলন্ত ক্রোধে বীৰবৰ।
সুসেনক হানিলেক ঘোৰ পাঞ্চশৰ॥
আৰ এক শৰে ধ্বজ ছেদিলা ৰথৰ।
হস্ত আৰ কৰ চৰ্ম্ম ধনু ভয়ঙ্কৰ॥

সুসেনৰ ধনু ছেদ দেখি প্রজাগণ।
সাধু সাধু বুলি প্রসংশিলা সৰ্ব্বজন॥
হেন শুনি সুসেনৰ ক্রোধ গৈলা জ্বলি।
শত্রু সম ধনুৰ্ব্বান কৰে লৈলা তুলি॥

বধিলন্ত সত্যসেন সমৰে প্রচণ্ড।
সাৰথিৰ ৰথক কৰিলা খণ্ড খণ্ড॥
দুই শৰে ধনু খান কাটিলা হাতৰ।
মহামৰ্ম্মে নকুলৰ কাম্পে কলেবৰ॥

ৰথভঙ্গ হুয়া বীৰ নকুল খঙ্গিলা।
ৰথৰ শকতি পাত তুলিয়া লগাইলা॥
সুবৰ্ণৰ দণ্ড আঙ্গুঠিত অগ্রে যাৰ।
লহলহ সাজিলা যেন সৰ্পৰ আকাৰ॥

নৈল ধৌত সঞ্জি পাত দুই হাতে দাপ্সি।
বলে প্ৰহাৰিলা কৰ্ণ তনয়ক লাগি॥
অনন্তৰে সেহি পাত হৃদয়ক পাইলা।
সাত খান কৰি দেহা কাটিবে লগাইলা॥

ৰথ হন্তে ভূমিত পৰিলা বীৰবৰ।
প্ৰাণ ছাৰি মৰি গৈল যমৰ নগৰ॥
ভ্ৰাতৃৰ মৰণ দেখি সুসেন খঙ্গিলা।
শৰ বৃষ্টি কৰি পাচে নকুলক চাইলা॥

নাহিকে সাৰথি ৰথ বীৰ নকুলৰ।
ৰথে চৰি যুদ্ধ কৰে কৰ্ণৰ কুমৰ॥
হেন দেখি সুতসোম দ্ৰৌপদী তনয়।
নকুলক ৰথ নিয়া যোগাইলেক তয়॥

তেতিক্ষণে ৰথে উঠিলেক ত্বৰাকৰি।
পৰ্ব্বত উপৰে যেন প্ৰকাশে কেশৰী॥
নিমিষেকে আন ধনু লৈলা বীৰবৰ।
সমৰে প্ৰচণ্ড বীৰ মাদ্ৰীৰ কুমৰ॥

দুই খান ধনু ধৰি মণ্ডল আকাৰ।
দুইক দুই শৰ বৃষ্টি কৰি ধাৰাসাৰ॥
অন্যোঅন্যতেসে চাৰে প্ৰাণ হৰিবাক।
অবিশ্ৰামে শৰ বৃষ্টি কৰে ঝাকে ঝাক॥

পাচে কৰ্ণ সুতে শনাইত তিনি বাণে।
নকুলক প্ৰহাৰ কৰিলা বৰটানে॥
দুই বাহু হৃদয়ত বিংশতি মাৰ্দ্দন।
সুতসোমক প্ৰহাৰিলা তুলি তিনি বাণ॥

দশো দিশ ঢাকি নানা শৰ বৰিষিলা।
পাচে অৰ্দ্ধচন্দ্ৰ বাণ ধৰিলা পাণ্ডৱ।
তীখ্নতৰ অগ্ৰভাগ প্ৰচণ্ড প্ৰভাৱ॥

আকর্ণ পৰিয়া কৰি হানিয়া পঠাইল।
সুসেনৰ শিৰ গোট কাটিবে লগাইল ॥
নকুলৰ হাতে বীৰ সুসেন পৰিল।
কাষৰৰ বৃক্ষ যেন নদীয়ে ভাঙ্গিল ॥

সবে বহি আছে মৰি গৈল কৰ্ণ সুত।
নকুলৰ বিক্ৰম দেখিয়া অদভুত ॥
হেন দেখি মহাভয় ভৈলা সেনাগণ।
বিভঙ্গে পলাই সবে এৰিলেক ৰণ ॥

আশ্বাসিয়া সেনাক ৰাখিল মদ্রেশ্বৰ।
ঘোৰ সিংহনাদ কৰিলেক ভয়ঙ্কৰ ॥
ধনুৰ টঙ্কাৰ ঘোৰ কৰিলা অপাৰ।
শল্যৰ প্ৰসাদে ভয় গুচিল প্ৰজাৰ ॥

পাণ্ডৱ গণক যুদ্ধ কৰিবাক মনে।
নৃপতিক মধ্য কৰি ৰৈলা সেনা গণে ॥
নকুল সাত্যকী সহদেৱ বৃকোদৰ।
গাৱে গাৱে সিংহনাদ কৰিল বিস্তৰ ॥

বেৰঞ্চি থুমচি ভেৰি তাল নদগড়।
দুন্দুভি মৰ্দ্দন ভীৰি শব্দ আড়ম্বৰ ॥
উজ্জ্বল প্ৰচণ্ড বাদ্য ভণ্ড কোলাহল।
পাণ্ডৱক ধাইল কোপে কৌৰবী সকল ॥

গাৱে গাৱে টোলে টানে শব্দ আতি শুনি।
দলদোপ মহী খণ্ড শুনি প্ৰতিধ্বনি ॥
মৃত্যুক নকৰি ভয় কুৰু পাণ্ডু দল।
যেন দেবাসুৰ যুদ্ধ ভৈল মহীপাল ॥

সংসপ্ত গণক মাৰি বীৰ ধনঞ্জয়।
তোমাৰ দলক ধাইল পৰম নিৰ্ভয় ॥
ধৃষ্টদ্যুম্ন আদি পাণ্ডৱৰ বীৰ গণ।
শৰ বৃষ্টি কৰি খেদি গৈল তেতিক্ষণ ॥

পাণ্ডব দলৰ শনাইত তীক্ষ্ণ শৰে।
কৌৰবৰ সেনাগণ মাৰি নিৰন্তৰে॥
স্বৰ্গৰ আনন্দ ভৈল কৌৰবৰ দল।
পাণ্ডব অগনি বেঢ়ি দহয় সকল॥

যেন বৃদ্ধ গৰু আছে পঙ্কে হুয়া তল।
উঠিবাক লাগি নাহি শৰীৰ্ত বল॥
পাণ্ডব পঙ্কত পৰে কুৰু সেহি মতে।
তাঙ্ক উদ্ধাৰিতে শল্যে গৈলেক ত্বৰিতে॥

হাতে ধনু ধৰি খেদি আসে মদ্ৰেশ্বৰ।
সহস্ৰ সংখ্যাত শৰ কৰয় প্ৰহাৰ॥
শৰবীৰ্য্যে প্ৰজাগণ পৰিল বহুত।
চাহিয়া আছয় ধৰ্ম্মৰাজা কুন্তীসুত॥

সিবেলাত অনেক মিলিল অমঙ্গল।
পৰ্ব্বত সহিতে ভূমি কৰে তলবল॥
সূৰ্য্য মণ্ডলক দেখি উল্কা অসংখ্যাত।
অগ্নিবৰ্ণ হুয়া আসি পৰয় তথাত॥

কুৰু পাণ্ডবৰ ঘোৰ দেখিয়া অহিত।
শৃগালে আতাস পাৰে শুনি বিপৰীত॥
ডাকিনী যোগিনী পিশাচিনী প্ৰেতগণে।
হুলস্থূল কৰিয়া জয়ৰ ৰঙ্গ মনে॥

অনেক উৎপাত বন্ধ প্ৰবৰ্ত্তিল তয়।
অন্ধক ৰাজাত কথা কহন্ত সঞ্জয়॥
আকৰ্ণ পৰিয়া কৰি আঝুৰিয়া ধনু।
মদ্ৰেশ্বৰে প্ৰহাৰ কৰয় পুনু পুনু॥

সুবৰ্ণ পঞ্জিয়া শনাইত শৰগণে।
গাৱে গাৱে সেনাপতি ভেদিলেক টানে॥
প্ৰথমতে ধৰ্ম্ম নৃপতিক দশ বানে।
ভীমকো কৰিলা দশ সায়ক সন্ধানে॥

দ্ৰুপদৰ সুত ধৃষ্টদ্যুম্ন বীৰ সাৰ ।
তাকো দশ শৰ ঘোৰ কৰিলা প্ৰহাৰ ॥
আপুন ভাগিন দুই মাদ্ৰীৰ তনয় ।
দুইকো দশ দশ শৰ হানিলা দুৰ্জ্জয় ॥

দ্ৰৌপদীৰ পাঞ্চ পুত্ৰ শ্ৰীখণ্ডি সহিতে ।
তাসম্বাকো দশ দশ হানিলন্ত দ্ৰুতে ॥
ভাগিন গণক লাগি হৃদয়ত মৰ্ম্ম ।
তথাপিতো নেৰে ৰাজা আপোনাৰ ধৰ্ম্ম ॥

# গোপীনাথ পাঠক

আত্মপৰিচয়

পাটচৌৰা নামে আছে এক গ্ৰাম
ছিলা কোন নাম যাৰ।
অতি বিতোপন সৰ্ব্ব সুসম্পন্ন,
দুই যেন স্বৰ্ণ হাৰ॥
সেহি গ্ৰামেশ্বৰ মহাদেশঙ্কৰ,
ভীমসেন দ্বিজবৰ।
যাৰ যশো ৰাশি অদ্যাপি প্ৰকাশি,
যেন পূৰ্ণ শশধৰ॥
কুল শীল সন্ত শ্ৰীমন্ত মহন্ত,
মহাজ্ঞানী ক্ৰিয়ানিষ্ট।
যাৰ দান ধৰ্ম্মে জগত যুৰিল,
অপৰ যেন বশিষ্ঠ॥
তাহান সন্ততি ৰাম সৰস্বতী,
পাঠক শুক্লধ্বজৰ।
যেন শুক গুৰু অঙ্গিৰা তুম্বৰু,
আনো নহি পটন্তৰ॥
তাহানে তনয় অতি শিশু নয়,
গোপী নাথ দ্বিজবৰে।
হ্ৰস্ব দীৰ্ঘ ছন্দে ৰচিলা প্ৰবন্ধে,
কথা মহাভাৰতৰে॥

## মহাভাৰত দ্ৰোণ পৰ্ব্ব

### ভগদত্ত বধ

সেহি সময়ত কামৰূপী মহাৰাজ ।
সমৰক প্ৰতি তেতো ভৈল সবে সাজ ॥
ভিন্নে ভিন্নে প্ৰহাৰয় একৈক দন্তাল ।
মহামত্ত গজ সব প্ৰমত্ত বিশাল ॥

এক এক হস্তীক ৰাখন্ত ৰথ শত ।
এক এক ৰথ ৰাখে ঘোৰা দুই শত ॥
একৈক ঘোৰাক ৰাখে ধানুকী দুইশত ।
দেখন্তা জনৰ ভয় লাগে সমৰত ॥

একো ধনুকীক ৰাখে দ্বাদশ আৰণে ॥
হেনমতে ভগদত্ত চলিলেক ৰণে ॥
শ্বেত ছত্ৰ চামৰে মণ্ডিত চতুৰ্দ্দিশে ।
ক্ষুদ্ৰ ঘণ্টা আৰিলা ঘুঘুৰা চতুষ্পাশে ॥

জয় ঘণ্টা আৰিলা প্ৰত্যেকে গলে গলে ।
কাম্পয় ৰথৰ ভৰে ধৰণী মণ্ডলে ॥
নানা মণি ৰত্নে অলঙ্কাৰ আভৰণ ।
মুকুতাৰ মালা আৰু লম্বিত চৰণ ॥

গলে হেম মালা আৰু কিৰীটি আৰিলা ৷
নানা অলঙ্কাৰে ৰাজা সৱে সুমণ্ডিলা ॥
ব্ৰাহ্মণ সজ্জন আৰু ভাট যত যত ।
সুবৰ্ণ ৰজত দান দিলা কত কত ॥

যাত্ৰা লৈয়া ভগদত্ত সমৰে চলিলা ।
সহস্ৰ কিৰণে যেন সূৰ্য্যক বেঢ়িলা ॥
সুমঙ্গল কৰি ৰাজা ৰথে দিলা পাৱ ।
কাক পক্ষী উৰাৱ কৰন্ত ঠাৱে ঠাৱ ॥

বামৰ শৃগাল দক্ষিণক লাগি যাই।
অজগৰ সৰ্প আসি আগত ফোঁফাই॥
হেন বিমঙ্গল দেখি ৰাজা ভগদত্ত।
ইক্ষু ভাঙ্গিবাক লাগি চলে ময়মত্ত॥

মহাগৰ্ব্বে ভগদত্তে কাহাকো নগণে।
ৰথত চৰিলা বীৰ মহাকোপ মনে॥
ৰথে চৰি ধনু ভিৰি কৰে শঙ্খ ৰোল।
জয় ঘণ্টা বজায়া বিশাল ঢাক ঢোল॥

নানা বাদ্য বজায়া ৰথৰ উপৰত।
হেন মতে সমৰক গৈলা ভগদত্ত॥
যুধিষ্ঠিৰ ৰাজাক দেখিলা সমৰত।
হস্তী দন্ত দিয়া ৰথ ভাঙ্গিলা সমস্ত॥

ৰথ ভাঙ্গি সাৰথিক কৰিলা মথন।
হেন দেখি মহাগৰ্ব্বে বীৰ ভীমসেন॥
ভগদত্ত আগে ভীম উপস্থিত যায়।
মহাকোপ কৰি ভীম অগনি পৰায়॥

আক্ৰান্ত কৰিয়া ভীম হস্তীক জঙ্কাৰি।
ভীমৰ ৰথক প্ৰতি গৈলা অনুসৰি॥
হস্তী দন্ত দিয়া উজাৰিলা ভগদত্ত।
ভীমৰ সেনাক মাৰিলন্ত সমৰত॥

হেন মতে দন্তে উজাৰিয়া খেদি যায়।
নকুল সহদেৱৰ ৰথক মহাশয়॥
আনো আনো বীৰ যত দেখিলা সমৰে।
ভগদত্ত ৰথ সেনা মাৰিলা সবাৰে॥

কতো ৰথ গজ সেনা মাৰি সেহি ঠাৰে।
পাণ্ডবী সেনাক খেদি মাৰে দন্ত ঘাৰে॥
ভগদত্ত বীৰৰ দেখিয়া পৰাক্ৰম।
সবাহাকে সম্বোধিয়া মাতিলেক ধৰ্ম্ম॥

শুনিয়ো সাত্যকী শুনিয়োক ভীমসেন।
ভগদত্ত বীৰে দেখা কৰিলেক কেন॥
সবাৰে ৰথক বিনাশিলা বীৰবৰে।
একো বীৰ নুছে থিৰ তাহাৰ প্ৰহাৰে॥

দুৰ্ব্বাৰ হস্তীক তাৰ দেখন্তে ত্ৰাস।
তাক দেখি সেনাগণ পলাই দশোদিশ॥
হেন আলোচিয়া যেবে ৰাজা যুধিষ্ঠিৰ।
সমৰত দেখে সেনা মাৰে মহাবীৰ॥

মহাগজে ৰথ সৈন্য মাৰে চতুষ্পাশে।
ধূলিয়ে ঢাকিল সবে ৰবিৰ প্ৰকাশে॥
ভগদত্ত বীৰে মাৰে সবে সেনাগণ।
সমৰ ভূমিত সম নোহো একোজন॥

হেনয় বিক্ৰম পাই সৈন্য সমুদায়।
সমৰ এড়িয়া সবে বিভঙ্গে পলাই॥
নাহি বাদ্য ভণ্ড নাহি ধনুৰ টঙ্কাৰ।
দশোদিশে শুনি মাত্ৰ ধৰ মাৰ মাৰ॥

নাহি চিহ্ন দণ্ড ছত্ৰ নাহি মাত বোল।
কৌৰৱৰ শুনি মাত্ৰ বিপৰীত ৰোল॥
ধনুৰ টঙ্কাৰে মাৰ মাৰ কৰে ৰোল।
নানা বাদ্য বজাৱে নিশান ঢাক ঢোল॥

সসৈন্যে কৌৰৱ উৰ্ম্মি কৰে সমুদায়।
ভগদত্ত সমে পাণ্ডৱক খেদি যায়॥
সঞ্জয়ক সম্বোধি মাতয় নৃপবৰ।
শুনিয়োক গুৰু তুমি আমাৰ উত্তৰ॥

যেবে পাণ্ডৱক ভাঙ্গই ভগদত্ত ৰণে।
সিবেলাত কৃষ্ণে সমে কি কৈলা অৰ্জ্জুনে॥
সঞ্জয় বদতি শুনিয়োক কুৰুপতি।
অৰ্জ্জুনে কৰিলে যেন শুনিয়ো সম্প্ৰতি॥

ভগদত্ত বীৰত হাৰিয়া সমুদায়।
সসৈন্যে পাণ্ডবগণ বিভঙ্গে পলায়॥
শুনি অৰ্জ্জুনৰ বৰ বিষাদক ভৈলা।
মনো দুঃখে কেশৱক মাতিবাক লৈলা॥

ৰণে আগহুৱা আমি কৰিবো সমৰ।
ৰলে পৰাক্ৰমে মোক নাহি পটন্তৰ॥
আৰু বিপৰীত হেন দেখিয়ো বিলয়।
কৌৰৱী সেনাৰ উৰ্ম্মি দেখি অতিশয়॥

চিহ্ন দণ্ড ছত্ৰ তুলি ধৰি সমুদায়।
আক্ৰান্ত কৰিয়া দেখোঁ উত্তৰক যায়॥
সমৰ মধ্যত দেখিলেক কৌৰবক।
পৃথিবীৰ ধূলা উৰে দক্ষিণ দিশক॥

আমাৰ সেনাৰ নুশুনয় মাত বোল।
বাদ্য ভণ্ড নিশান নবাৱে ঢাক ঢোল॥
হস্তী ৰথ গজৰো আৰাৱ নজঙ্কাৰ।
শঙ্খ জয় নুশুনয় ধনুৰ টঙ্কাৰ॥

চিহ্ন চৌড়া ছত্ৰ নোতোলয় দণ্ড ধৰি।
ইহাৰ অন্বয় মোত কহিয়ো মুৰাৰি॥
অৰ্জ্জুনৰ মাত শুনি বুলিলা মাধৱ।
শুনিয়োক বোলো মোৰ সুহৃদ বান্ধৱ॥

দুৰ্য্যোধনে দ্ৰোণক পাতিলা সেনাপতি।
মহাধনুৰ্দ্ধৰ বীৰ বিপুল শকতি॥
তেহে ঘোৰতৰ কৰিলন্ত অঙ্গীকাৰ।
তেহে বলে জিনি মাৰে সৈন্যক আমাৰ॥

সমৰত ভঙ্গ আৰু দেখায় সংশয়।
ভীমসেন সাত্যকীয়ে ৰনত দুৰ্জ্জয়॥
দ্ৰোণৰ বধক উপজিলা ধৃষ্টদ্যুম্ন।
তেসম্বে আছন্ত কেন হাৰিবেক ৰণ॥

নৃহি এবে এসম্বাকে নিবাৰিবে ৰণে।
কি কাৰণে মহাৰঙ্গ কৰে কুৰুগণে॥
অঙ্গীকাৰ সফল কৰিয়া গুৰু দ্ৰোণে।
যুধিষ্ঠিৰ ৰাজাক ধৰিবে ঘোৰ ৰণে॥

তাহাৰ আভাস সবে সমৰ এড়য়।
পলাই সেনাগণ সবে হুয়া মহাভয়॥
কিবা নৰ্কাসুৰ বীৰ পৃথিবীৰ নাতি।
কামৰূপে ৰাজা ভগদত্ত নৰপতি॥

দুৰ্ব্বাৰ দাৰুণ হস্তী কন্ধে চৰি বীৰ।
পাণ্ডৱী সেনাক সবে কৰিয়া অথিৰ॥
হেন মোৰ মনে লয় শুনা ধনঞ্জয়।
ঘৃত পাই অগ্নি যেন জ্বলন্তে আছয়॥

বোলা ভগদত্ত সম বীৰ নাহি কেৱ।
তাৰ মোৰ ঘোৰ যুদ্ধ কৰায়ো কেশৱ॥
যথা আছে ভগদত্ত হস্তীৰ কন্ধত।
অৰ্জ্জুনে বোলন্ত হৰি চলাওক ৰথ॥

শীঘ্ৰ কৰি ডাকা ৰথ চলোহো এখনে।
স্বৰূপ জানিলোঁ ৰাজা সাজি আইল ৰণে॥
কিঞ্চিত সমৰে তাত নাই বুদ্ধি বল।
পুৰন্দৰ সমসৰ বলেও কুশল॥

ধৰণী তলত পেলাবোহো বীৰ বাচি।
ভগদত্ত সুশৰ্ম্মা গৰজে সব্যসাচী॥
যেবে মহাবীৰৰ লাগিল ময়মত্ত।
নাহি পৃথিবীত তুল্য সম সমৰত॥

ঐৰাৱত সমতুল্য গজ নাহি যাৰ।
কেমন শকতি তাক ৰণে জিনিবাৰ॥
সমৰক যতন কৰিয়া মহাক্ৰোধে।
বিংশতি সাৰথি ৰথ চলে যুথে যুথে॥

এৰৈক দন্তাল তিনি তিনি প্ৰহৰৰ।
ৰথে চড়ি আগ ভৈলা কুলিশ সমৰ॥
সেনাক ভাঙ্গিতে বীৰ ক্ৰোধ কৰি মনে।
মহাক্ৰোধে ধনুশৰ ধৰি তেতিক্ষণে॥

লগতে আসিল মহা চতুৰ্দ্দশ যুথ।
আপোন জ্যোতিক কৃষ্ণে কৈল উপক্ৰোদ্ধ॥
যত সৈন্য চতুৰ্ভুজ সৱে নিৰন্তৰে।
চক্ৰ ধৰি গদা কেহো সবে খড়গ ধৰে॥

হেন কোটি সেনা সব সংসপ্তকগণ।
তাহাক সন্মুখে কেনে কৰিবেক ৰণ॥
ত্ৰিংশসপ্ত সেনা লৈয়া সুশৰ্ম্মা নৃপতি।
ৰণ কৰিবন্ত সিতো ঘোৰতৰ আতি॥

গুৰু দ্ৰোণে সিঠাৱন্তে সত্য কৰিলন্তি।
যুধিষ্ঠিৰ ৰাজাক জীৱন্তে ধৰিবন্তি॥
আলোচি কৃষ্ণক হেন বুলিলা বচন।
কোন বুদ্ধি কৰিবো বুলিও নাৰায়ণ॥

কিবা সংসপ্তক সেনা যূথক এৰিবো।
যুধিষ্ঠিৰ নৃপতিক কিবা খেদি যাইবোঁ॥
হেন শুনি মাতিলন্ত দৈৱকী তনয়।
সংসপ্তকগণ মুহিয়োক ধনঞ্জয়॥

মোহ লাজ বাণে মোহিয়োক সৈন্যগণ।
যুধিষ্ঠিৰ পাশে পাছে কৰিয়ো গমন॥
হেৰা দেখা আমাদেৰ যত সৈন্যবল।
কৌৰৱৰ বল দেখোঁ আমাৰ নিৰ্ব্বল॥

ভগদত্ত বীৰে ঘোৰ কৰিলা সমৰ।
হেন দেখা সৈন্যক পীড়িলে নিৰন্তৰ॥
হেন জানি ধনঞ্জয় কৰিবো সমৰ।
সংসপ্তগণক কৰিয়োক ধাৰে শৰ॥

কৃষ্ণৰ বচনে তান ছেদিলা সংশয়।
মাৰো সংসপ্তকগণ বোলে ধনঞ্জয়॥
ৰথ বাহুড়াইয়া যে অৰ্জ্জুন মহাবীৰ।
সহস্ৰেক ৰথ মাৰিলেক একেশ্বৰ॥

দেখি কৌৰৱৰ পাছে মনে মহাৰাগ।
কৰ্ণ দুৰ্য্যোধন সেনা ভৈলা দুই ভাগ॥
আউৰক আউৰে কৰিলেক শৰ চয়।
ভয়হন্তে সাৰথি গুচিলা আতিশয়॥

হেন দেখি কিৰীটি ধনুক বলে টানি।
সবাহাঙ্কে ধনঞ্জয় পঠাইলেক হানি॥
সেহি শৰে সবাকো ভেদিলা মহাবীৰ।
হয় হস্তী ৰথক কাটিলা বাহু জোৰে॥

দ্ৰোণ বাণ সবাৰো কাটিলা অঙ্গনাথ।
কাটিলন্ত ধনু সমে ধ্বজ অসংখ্যাত॥
অগম্য ভৈলেক ৰণ ঘোৰতৰ ভৈলা।
দেখি মাধৱৰ মনে বিস্ময়ক লৈলা॥

আগে কৰযোৰে বোলে বদতি দৈত্যাৰি
তুমি যে কৰিলা যম কুবেৰ নপাৰি॥
আপুনি সাজিয়া যেবে আসে দেৱৰাজ।
তাহান শকতি নাই কৰে হেন কাজ॥

লক্ষ কোটি সেনা এক লগে ভৈলা হত
এবে ৰথ বাঢ়া যথা আছে ভগদত্ত॥
অৰ্জ্জুনক কৃষ্ণে প্ৰশংসিল মহাশয়।
কৃষ্ণে সম্বোধিয়া মাতিলন্ত ধনঞ্জয়॥

দেখিলাহা সংসপ্তগণক ৰণে হত।
ৰথবাহা যথাত আছয় ভগদত্ত॥
মহামন পবন ৰথত হয় চাৰি।
বায়ুবেগে চলিলা ৰথক চাতি মাৰি॥

চিকিমিকি কৰে ৰথ সুবৰ্ণ পাথৰ।
যথা আছে বীৰ ভগদত্ত নৃপবৰ ॥
আছন্ত পাণ্ডৱ যেবে দ্ৰোণ পৰাভৱ।
পাচত সুশৰ্ম্মা খেদি আসে সবান্ধৱ ॥

হেন শুনি সব্যসাচী সাৰথি মাতিল।
দেখা দেখা সুশৰ্ম্মাযে মোক খেদি আইল ॥
উত্তৰৰ ৰাজা ভগদত্ত ভাৱে ভাৱে।
সামবাজ লৈয়া সিতো মহাক্ৰোধে ধাৱে ॥

ইহাক যুজন্ত পৰিবন্তি লাগে ভয়।
ইহাক গুণন্তে হৰি দগধ হৃদয় ॥
অৰ্জ্জুন বদতি শুনিয়োক হৃষিকেশ।
মনে গুণি আপুনি দিওক উপদেশ ॥

বুলিয়োক মনে গুণি আপুনি শাশ্বত।
জানি শুনি কৃষ্ণে আগ বাঢ়ি দিলা ৰথ ॥
যুদ্ধত আছন্ত ত্ৰিজগত অধিপতি।
পবন সঞ্চাৰে ৰথ বাঢ়িলা সাৰথি ॥

প্ৰথমতে অৰ্জ্জুনে মাৰিলা শত শৰ।
দূৰতে ভেদিলা সুশৰ্ম্মাৰ কলেবৰ ॥
ধনুখান টানিয়া অপৰ তিনি শৰে।
ছয় শৰে ভেদিলন্ত আত অনন্তৰে ॥

ৰথ ধ্বজ সাৰথি সবাকো বৰবাঁগে।
দশ শৰে ৰাজাক তাৰিলা মহাবেগে ॥
শৰে ফুটি সুশৰ্ম্মাৰ কুপিত হৃদয়।
দীঘল বৰ্ত্তুল স্থূলন্তৰ লোহাময় ॥

হানিলা শকতি সৰ্পৰাজ সমসৰ।
অৰ্জ্জুনক লাগি বায়ু বেগে যাই খৰ ॥
আনো তাৰ মহাৰথী পৰিলেক ৰণে।
অবিৰোধে একো বীৰ নথাকিল মনে ॥

সবাহাকে একেশ্বৰে তাবি ধনঞ্জয়।
কৌৰবৰ বৰ ভয় মিলিল সংশয়॥
অৰ্জ্জুন ভৈলন্ত বহ্নি কুৰুবল বন।
সহিতে নপাৰে তাৰ শৰৰ দহন॥

সৈন্যক কাটিয়া বৰষিলা শৰচয়।
যথাৰত কৰিয়া বধিলা ধনঞ্জয়॥
পুনৰপি অৰ্জ্জুনে গাণ্ডিৱ ধৰি কৰে।
মোহন বাণক মাৰিলেক মহাবীৰে॥

সংসপ্তগণক মুহিলেক ধনঞ্জয়।
যথা আছে ভগদত্ত মিলিলন্ত তয়॥
সৰ্প দেখি গৰুড়ে ধাৱয় যেন ময়।
ভগদত্ত ৰাজাক ধাইলেক ধনঞ্জয়॥

বৈৰ মান সদন বদন পৰায়ণ।
অৰ্জ্জুনে কৰন্তে শৰ সবাকে নিৰ্য্যাণ॥
শৰ চাপ সুদৃঢ় ধৰিলা ধনু শৰ।
দেখি ভয় ভৈলা সবে কৌৰব কিঙ্কৰ॥

বিবৰ্ণ বদন প্ৰজা তবধ পৰাই।
ইন্দ্ৰে যেন পৰ্ব্বত ভেদিলা বজ্ৰ ঘাই॥
বিজয়ক ভয় যিটো পৰাজয় পাই।
সহস্ৰ যুজাৰু বীৰ আলোচি উপায়॥

দশো দিশ ঢাকিয়া তাৰিলা বাণ ঘাই।
মহাবীৰ অৰ্জ্জুনে হানিলা সেহি প্ৰায়॥
মহাপ্ৰলয়ৰ যেন প্ৰচণ্ড পবন।
সেহি মতে কৌৰব দলক কৈলা ছন্ন॥

কৌৰবী সেনাক সব্যসাচী সেহি মতে।
সৈন্য ভঙ্গ দেখি ৰাজা ধাইলা ভগদত্তে॥
আগে ভগদত্ত গজ কন্ধে চড়ি যাই।
পাছে সেহি গজে অৰ্জ্জুনক লাগ পাই॥

অৰ্জ্জুনৰ ৰথে লগাই কৰে হুলস্থুল।
গজ বাজী ধ্বজে লাগি গৈলেক তুম্বুল॥
সজল জলদ নীল সদৃশ কুঞ্জৰ।
তাৰ কন্ধে ভগদত্ত যেন পুৰন্দৰ॥

অৰ্জ্জুনক শৰ কৰিলেক বৰটানে।
অৰ্জ্জুনৰ ললাটত ফুটিলা সন্ধানে॥
শৰ ফুটালন্ত ভগদত্ত অন্ধকাৰে।
বাঢ়িলন্ত গজ ৰথ পবন সঞ্চাৰে॥

কুপিত শৰীৰে বাঢ়ি আসে ভগদত্ত।
তাক প্ৰহাৰিবে লাগি বাঢ়িলেক ৰথ॥
দেব দ্বিজ গুৰুক স্থমৰি ধনঞ্জয়।
ৰণক সম্মুখে বাঢ়িলন্ত ধনঞ্জয়॥

ভগদত্ত ৰাজা আসি পাইলা গজ কন্ধে
প্ৰলয় মিলিল মহা দুইৰো ঘোৰ দণ্ডে॥
নৃপতি বদতি শুনিয়োক মোৰ বাণী।
সংশয় ছেদিয়া মোত কহিয়ো কাহিনী॥

পাণ্ডু ভগদত্ত প্ৰবেশিলা যুজিবাক।
দুয়ো মহাৰথী ৰথে কি কৰিলে কাক॥
সঞ্জয় বদতি ধৃতৰাষ্ট্ৰক শুনাই।
গৈলা ভগদত্ত ৰাজা অৰ্জ্জুনক ধাই॥

দুয়ো প্ৰবেশিলা যেন যমৰ পুৰত।
দেখি প্ৰজাগণে সবে বৰ ভয় ভীত॥
পুনৰপি ভগদত্ত ৰাজা মহাশয়।
অৰ্জ্জুনক ধাইলা যেন অগনি পৰায়॥

ত্ৰিপুংস সদৃশ শৰ অগনি সমান।
সাৰথিক প্ৰতি প্ৰহাৰিলা সেহি বাণ॥
ফুটিলা দৈবকী স্থত ভগদত্ত শৰে।
ৰথত আছন্তে আতিশয় ব্যথা কৰে॥

কৰ্ণপূৰি মাৰিলা সৰকি গৈল বাণ।
ভল্লশৰে অৰ্জ্জুনে কৰিলা খান খান ॥
কৰে ধৰি আছন্তে কাটিলা শৰ ধনু।
কাটিলন্ত কৱচ উদাস ভৈলা তনু ॥

পৰিহাস কৰি ধনঞ্জয়ে বোলে বাক।
এবে ভগদত্ত ৰাজা যুজিবি কাহাক ॥
চতুৰ্দ্দশ শৰ যে গুণত দিলা আনি।
ৰত্ন বিৰচিত যেন জ্বলন্তে অগনি।

অৰ্জ্জুনৰ শৰ যে ৰাজাক যাই খেদি।
একৈকক তিনি খণ্ড কৈলা বীৰে ছেদি।
ৰাজাৰ গাৰক ঢাকি বহয়ে ৰুধিৰ।
পৰ্ব্বতৰ পৰা যেন বহে গেৰুধাৰ ॥

সেই গজে বিমৰ্ষি চড়ি মহাশয়।
সাৰথিক প্ৰতি প্ৰহাৰিলা লোহাময় ॥
অৰ্জ্জুনে দেখন্ত শৰীৰক আগে ধাই।
পথতে শকতি কাটিলন্ত বেলগাই ॥

ৰথক ধ্বজক সাৰথিক বৰ টানে।
দশ শৰ সাৰথিক হানি মৰ্ম্মস্থানে ॥
পুনাই হানিলেক কঙ্ক পত্ৰ শৰচয়।
ৰাজাৰ শৰীৰে ফুটিলেক অতিশয় ॥

ৰাজাও মাৰিলা কঙ্ক পত্ৰ এক শৰ।
অৰ্জ্জুনৰ মাথাত পৰিলা নিৰন্তৰ ॥
মাথাৰ উপৰে আছে এক অলঙ্কাৰ।
সৰ্ব্বজনে বাখানে কিৰীটি নাম যাৰ ॥

উফৰি পৰিলা সেহি কঙ্ক পত্ৰ শৰে।
পুনাই অৰ্জ্জুনে তাক আনি পিন্ধি শিৰে ॥
অৰ্জ্জুনে বোলয় শুন ৰাজা ভগদত্ত।
কাৰ্য্যত জানিলো তোৰ যিদূৰ শকত ॥

তোমাৰ সমান ধনুৰ্ব্বেদী আন নাই।
অস্ত্ৰে শস্ত্ৰে শাস্ত্ৰে সৰ্ব্ব কাৰ্য্যত জনাই॥
একশৰে মাথাৰ কিৰীটি পালটাইলা।
বীৰত্ব দৰশি মান বহুতৰ পাইলা॥

পৰিহাস কৰিয়া মাতন্ত ধনঞ্জয়।
শুনি ভগদত্ত ৰজা আনন্দ কৰয়॥
অৰ্জ্জুনক সাৰথিক কৰি শৰ বৃষ্টি।
ঢাকিলেক দিশ পাশ অন্ধকাৰ দৃষ্টি॥

শৰ সহি অৰ্জ্জুনে আপুনি নিলা বাণ।
ভগদত্ত ৰাজাৰ কাটিলা ধনু খান॥
কাটিলন্ত টোণ বাণ অৰ্জ্জুনৰ শৰে।
শৰে মৰ্ম্ম স্থানক ভেদিলা নিৰন্তৰে॥

মৰ্ম্ম স্থান ভেদিয়া ব্যথিত ভৈলা তান।
ভগদত্তে লৈলা বাচি অস্ত্ৰ নাৰায়ণ॥
মন্ত্ৰ অভিষেক কৰি অগ্নি সম জোতি।
ক্ষেপিলন্ত শৰ পাছে অৰ্জ্জুনক প্ৰতি॥

সমস্তকে ব্যাপি আছে শৰ সমুদায়।
মহা বহ্নি কুণ্ড যেন জ্বলন্তে আছয়॥
মাধৱে জানিলা অৰ্জ্জুনক আসে ধাই।
অৰ্জ্জুনক পাছ কৰি আগ ভৈলা যাই॥

অৰ্জ্জুনক ঢাকি গোপৰূপ ধৰি হৰি।
আপোনাৰ হৃদয় পাতিলা ভালকৰি॥
শৰ পৰি কৃষ্ণৰ দুগুণ ভৈল কালা।
হৃদয়ৰ মাঝে যেন বৈজয়ন্তি মালা॥

অৰ্জ্জুনে বুলিলা তাক কোপ কৰিমন।
হে কৃষ্ণ! অন্যায় কৰিলা কি কাৰণ॥
ৰথৰ সাৰথি ৰথ বাঢ়িবাক কাজি।
কেমন কাৰণে আগ হুয়া যুজা আজি॥

কিবা মই অশকত আকলিয়া মনে।
কিবা পৰাজয় মোৰ দেখিলা আপনে॥
তিনি লোকত সুৰ মুনি যত লোক।
আমি ধনুৰ্দ্ধৰ তিনি জগতে বেকত॥

লগত আছয় টোণ গাণ্ডিৱ কৰত।
আনি যত মান তাক যুজিতে শকত॥
তোমাৰ আগত আমি থিত ভগদত্ত।
মোক আগ কৰি হৰি যুজা কেন মত॥

কৃষ্ণক সম্বোধি পাছে বিজয়ে বদতি।
পূৰ্ব্বত বুলিলা মই ৰথৰ সাৰথি॥
সিসব বচন কেনে সবে পাসৰিলা।
প্ৰতিজ্ঞাক নৰাখিয়া কি কৰ্ম্ম কৰিলা॥

গোবিন্দ বদতি শুনিয়োক সব্যসাচী।
ভগদত্তে শৰ পাত প্ৰহাৰিলা বাচি॥
ইহাক ৰাখন্তা নাহি ত্ৰিভুবন মাঝে।
হেন শৰৰাজ নাহি কেহো সমৰাজে॥

সম্প্ৰতিকে কহোঁ মই পূৰ্ব্বৰ যত কথা।
এহি শৰ পাত ভগদত্তে পাইলে যথা॥
চাৰি বিধ ৰূপ আপোনাৰ যেন ঠান।
অৰ্জ্জুনে শুনন্ত কথা কহে ভগৱান॥

একৰূপে আমি তাৰ তপক আচৰোঁ।
আউৰ ৰূপে আমি জগতৰে কৰ্ম্ম কৰোঁ॥
আউৰ ৰূপে মনুষ্য লোকত লওঁ ঠাৱ।
সেহি কৰ্ম্ম চিন্তোহো যাহাৰ যেন ভাৱ॥

অপৰেক ৰূপ ধৰোঁ তাত অনন্তৰে
সহস্ৰ বৰিষ থাকো জলৰ ভিতৰে॥
সহস্ৰ বৎসৰে অনন্তৰ সিঠাৱত।
আমাত ভকতি সুৰাসুৰ নৰ যত॥

সেহি বৰ দিবোহোঁ যাহাৰ যেন কাম।
পৃথিবীৰ তনয় নৰকাসুৰ নাম ॥
তাক লাগি বৰক মাগিলা আতিশয়।
দেব দানবক জিনে আমাৰ তনয় ॥

হেন শুনি অস্ত্ৰক স্ৰজিলো মই তাক।
দেৱাসুৰে নপাৱয় তাৰ মহিমাক ॥
পৰম পাৱক অস্ত্ৰ শস্ত্ৰ মধ্যে সাৰ।
বৰ পাইয়া বসুমতী আনন্দ অপাৰ ॥

বৰ পাইয়া সন্তোষে জগতী ছলি গৈলা।
বৈৰমান মৰ্দ্দন নৰকাসুৰ ভৈলা ॥
এহি অস্ত্ৰে জিনিলেক তিনিও জগত।
ত্ৰিভুবনে তাক সম নভৈলা ৰণত ॥

পূৰ্ব্বতা দেৱৰ অস্ত্ৰে হিতাগত চিন্তি।
মাৰিলোঁ নৰকাসুৰ সমৰে বিগুটি ॥
এবে ভগদত্তক মাৰিও ঘোৰ শৰে।
এতেক বচন বুলিলেক দামোদৰে ॥

নৰকাসুৰৰ অস্ত্ৰ পাইলা ভগদত্তে।
অমোঘ শকতি তাক জানা ভালমতে ॥
এহি অস্ত্ৰে জিনিলেক তিনিও জগত।
গোবিন্দে বোলন্ত কথা কহিলোঁ সমস্ত ॥

কৃষ্ণে হেন কহিলেক পূৰ্ব্ব কথা যত।
হেন শুনি অৰ্জ্জুনও বঙ্গ ভৈলা চিত্ত ॥
হানিল সহস্ৰ বাণ ফুটি সৰ্ব্ব গাৱে।
সামৰিবা ভগদত্ত বুলি দীৰ্ঘৰাৱে ॥

অপৰ নাৰাচ পাত হানি মহাবীৰে।
ভেদিলা গজৰ দুই কুম্ভৰ ভিতৰে ॥
নিশিত দুৰ্ব্বল হস্তী ভৈলা বৰ টানে।
যেন মহাগিৰিত পৰিলা বজ্ৰবাণে ॥

শৰ ঘাৱে হস্তী চয় ভৈগেল দুৰ্ব্বল।
ভূমি আৰোহিল নিয়া দশন যুগল।
সেহি সময়ত মাতিলন্ত দামোদৰে।
হস্তীবৰ পৰে শিব ছেদিয়ো সত্বৰে॥

গদাধৰি ভূমিত নামিলে ভগদন্ত।
কেহো সমৰক আৰ নুহিবে শকত॥
পৃথিবীত নহৌক যে দিয়া আছো বৰ।
মোহোৰ উপৰে মৃত্যু নহৌক সম্ভৱ॥

হেনবৰ পাইলা সিতো বীৰ ভগদন্তে।
কাহাকো নগণে ৰণে দেখে তৃণৱতে॥
দেখন্তে অৰ্জ্জুনে গজ নিজম পৰিলা।
গজ হত দেখি পুনৰপি শৰ লৈলা॥

আৰু ভগদন্তক পীড়িলা ধনঞ্জয়।
অৰ্দ্ধচন্দ্ৰ হানি তাৰ ভেদিলা হৃদয়॥
কাখ বক্ষস্থল পিঠি কটি চাৰি পাশে।
গিৰিৰ উপৰে যেন তুলিলা পলাশে॥

শৰ হানি ভগদত্ত শিৰ গোটা ভেদি।
সম্পূৰ্ণ কমল যেন পেলাইলেক ছেদি॥
গজকন্ধে চড়িয়া পড়িল অহংকাৰে।
যেন পৰ্ব্বতৰ বৃক্ষ উঘৰিয়া পৰে॥

গজকন্ধে চড়ি ভগদত্ত পৰি গৈল।
বৈৰীহত দেখি অৰ্জ্জুনৰ ৰঙ্গ ভৈল॥
পুংখিত কৰ্ণক তাৰ আতি স্থূলন্তৰ।
ভাগিয়া পৰিল যেন গিৰিৰ শিখৰ॥

সেহি মতে ভগদত্ত পৰি থূলন্তৰ।
মহামত্ত গজে চড়ি পৰে আথান্তৰ॥
হস্তী সমে ভগদত্ত পৰিবাৰ দেখি।
কেশৱ বদতি শুনিয়োক প্ৰাণ সখি!॥

বচনেক বোলো তাক শুনিয়ো সাম্প্ৰত।
হেন জানি প্ৰাণ সখি চিন্তিয়ো মনত॥
কাতৰ বচনে মাতিলন্ত ধনঞ্জয়।
আমি নজানোহো প্ৰভু ইহাৰ অন্বয়॥

যেন মতে ৰক্ষা যাই তযু সৈন্যগণ।
আপদে উদ্ধাৰা প্ৰভু তুমি নাৰায়ণ॥
অৰ্জ্জুনৰ বচনে মাতিলা দামোদৰ।
ভীমক সম্মুখি পাছে বুলিলা সত্বৰ॥

ইতো ৰথ আসি যেবে পড়ে ৰণস্থল।
আমাৰ সৈন্যক তেবে মাৰিবে সকল॥
হেন জানি তুমি বীৰ পবন নন্দন।
আপোন পিতৃক তুমি কৰিয়ো স্মৰণ॥

তব পিতৃ সখা আসি হৈব অনুবল।
গদা আগে ক্ষেপা তুমি গগণ মণ্ডল॥
ভীমৰ মনত ভৈলা কৃষ্ণৰ বচনে।
আপোন পিতৃক ভীমে কৰিলা স্মৰণে॥

মাৰুতৰ পথে বায়ু জানিয়া তেখনে।
ভীমৰ আগত আসি ভৈলা উপাসন্নে॥
পিতৃক দেখিয়া বীৰে কৰি নমস্কাৰ।
পাযুগৰ ধূলি শিৰে লৈলেক পিতাৰ॥

যি বলে ভাঙ্গিলা পিতৃ মেৰুৰ শিখৰ।
গগণ মণ্ডলে ৰথ ক্ষেপিয়ো সত্বৰ॥
পুত্ৰৰ বচন শুনি চলিলা পবন।
প্ৰলয়ৰ বায়ু যেন ভৈলা তাৎক্ষণ॥

কেশৱ বদতি যে ভীমৰ মুখ চাই।
গদাপাতি ৰথ খান তোলা আলগাই॥
অধৰ কামুৰি ভীম সেন ধনুৰ্দ্ধৰ।
গদাৰ আগত ধৰিলন্ত ৰথবৰ॥

ভগদত্ত মুখ চাই বোলে ভীম সেন।
মোক সম বীৰ নাই তিনিও ভুবন॥
এহি বুলি ৰথৰ আগত গদা দিলা।
ছত্ৰৰ আকাৰ কৰি তুলিয়া ধৰিলা॥

উৰ্দ্ধক ক্ষেপিলা যেন তাৰা সঞ্চৰিল।
সাতবাৰ মাথাৰ ওপৰে পাক দিল॥
অনুবল দিতে কৃষ্ণে দিলা বাম হাতে।
চমৰণে উকৰাইলা মাৰুতৰ পথে॥

সঞ্জয় বদতি শুনিয়োক কুৰুপতি।
দেখিয়ো ভীমৰ কেনে বলৰ শকতি॥
তিনি প্ৰহৰৰ পথ একৈক দন্তাল।
হেন সহস্ৰেক হস্তী প্ৰমত্ত বিশাল॥

হেন ৰথ গদাৰ আগত লৈলা তুলি।
উবাই পঠাইলেক ৰথ আকাশক বুলি॥
মাৰুতৰ পথে গৈয়া পড়িল সমস্তে।
সদাই ফুৰন্ত সিতো ভ্ৰমন্তে ভ্ৰমন্তে॥

ৰথক উড়াইলা দেখি পাছে হৰ্ষমন।
থাকিলন্ত আস্ফোট কৰিয়া ভীমসেন॥
কৌৰৱৰ সেনায়ে দেখিয়া ভৈল ভয়।
পাণ্ডৱৰ সেনা সবে কৰে জয় জয়॥

সঞ্জয় বদতি শুনিয়োক কহো কথা।
ভগদত্ত বিনাশত যি ভৈল অৱস্থা॥
তোমাৰ তনয়ে মহা মনো দুঃখে আতি।
ভূমি চাই ক্ষণেক আছিলা নৰপতি॥

ৰাজায়ে বোলন্ত শুনিয়োক পাত্ৰ চয়।
অৰ্জ্জুন মনুষ্য নুহি জানিবা নিশ্চয়॥
এতেকে জানিবা যাৰ কেশৱ সাৰথি।
তাহাক জিনিবে কাৰ বাপৰ শকতি॥

যাহাক সমুখ নুহি ইন্দ্ৰ দেৱৰাজ।
ভগদত্ত বিনে মোৰ নোশোভে সমাজ ॥
কাহাত কহিবো বুলি আলোচন্ত মনে।
কৃষ্ণ অৰ্জ্জুনক কোনে সম হৈব ৰণে ॥

বৈশম্পায়ন বদতি শুনিয়ো জন্মিজয়।
ধৃতৰাষ্ট্ৰ নৃপতিত কহন্ত সঞ্জয় ॥
এহি মতে শোকাকুলে আছন্ত নৃপতি।
দুৰ্য্যোধন ৰাজা বোলে মনো দুঃখে আতি ॥

মহাবীৰ ভগদত্ত গৈলা যমালয়।
জানিলো আমাৰ আবে মিলিল সংশয় ॥
ভগদত্ত ৰাজাৰ শোকত দুৰ্য্যোধন।
বিস্ময় লভিয়া পাছে কৰন্ত ক্ৰন্দন ॥

সঞ্জয় বদতি শুনিয়োক নৰপতি।
প্ৰথম দিনৰ যুদ্ধ ভৈল সমাপতি ॥
শুনিয়োক সভাসদ পদ ভাৰতৰ।
ৰাম ৰাম বুলি গতি সাধা নিৰন্তৰ ॥

---

# ৺কলিৰাম ৰায় দাস।

গুৰুলীলা।

ছবি।

এহি মতে তৈতে আছা দ্বিজবৰ,
পৰম সন্তোষে আতি।
পাছে যেন কথা তথাত ভৈলেক,
শুনিয়োক কর্ণ পাতি॥
শঙ্কৰ সহিতে বসিয়া হৰিষে,
কহা ধর্ম্ম ভাগৱতী।
হৰি কথা তথা শুনন্ত সর্ব্বথা
শঙ্কৰেয়ো কর্ণ পাতি॥
কত দিনে পাছে দামোদৰ পত্নী,
জন্মাইলন্ত কন্যাখানি।
প্ৰসূতি বায়ুৰে শৰীৰ পীড়ায়ে,
তেজিলা প্ৰাণ আপুনি॥
পাছে কন্যা খানি মৰিলেক তথা,
দামোদৰে দেখিলন্ত।
মনত হৰিষে ভাৰ্য্যাৰ তথাত,
প্ৰেতকাৰ্য্য কৰিলন্ত॥
প্ৰেত কাৰ্য্য কৰি, তথা হন্তে পাছে,
শঙ্কৰৰ পাশে গৈলা।
দামোদৰ আগে, পত্নী মৰিবাৰ,
শঙ্কৰে পাছে পুছিলা॥

দামোদৰ বোলে, কালৰূপে হৰি,
সংহৰিলে সমুদাই।
হৰি যি কৰিবে, তাক নিবাৰিবে,
আনৰ সমৰ্থ নাই॥
হেন বাক্য শুনি, শঙ্কৰে বুলিলা,
মনত হৰিষ কৰি।
জানা যেবে হৰি, কৰিলন্ত তেবে,
থাকা মন ৰঙ্গ কৰি॥
আপুনি সৰ্ব্বজ্ঞ কি কবো তোমাক,
মন স্থিৰ কৰিয়োক।
সুধৰ্ম্মক চাই লোকক কৃপায়,
ভক্তি ধৰ্ম্ম ৰাখিয়োক॥
হেন বাক্য শুনি বোলন্ত আপুনি,
উচিত তোমাৰ বাক্য।
আমাৰ মনত আছয় সৰ্ব্বথা,
কৃষ্ণ কথা কহিবাক॥
এহি হৌক বুলি শঙ্কৰ গোমস্তা,
তথা হৈতে গৃহে গৈলা।
তৈৰ পৰা পাছে আসি দামোদৰে,
মুকুন্দ শুনা বুলিলা॥
শুনিয়ো মুকুন্দ আমাৰ বচন,
হৰি কথা কহোঁ আমি।
ভাতিজা সহিতে পৰম আনন্দে,
ৰৈলা দামোদৰ স্বামী॥
এহি হৌক বুলি মুকুন্দ ভাতিজে,
তথাত ৰৈলা হৰিষে।
পাছে দামোদৰে কৃষ্ণ কথামৃত
কহিলন্ত অহর্নিশে॥

ভাগৱত ধৰ্ম্ম অতি অনুপম,
প্ৰবৰ্ত্তাইলা মহামতি।
যাহাৰ শ্ৰৱনে জন্ম অন্ধ গুচে,
নবাচে জাতি অজাতি ॥
সৰ্ব্ব ধৰ্ম্ম সাৰ ধৰ্ম্ম ভাগৱত,
কলি মল ধূমকেতু।
নাহিকে প্ৰয়াস ভকতৰ ধন,
এহিসে তৰণ হেতু ॥
সৰ্ব্ব ধৰ্ম্ম ৰজা সাৰতে যে সাৰ,
জানি ধৰা বুধজন।
শুনিব মাত্ৰকে তাপ পাপ হৰে,
বিষয় বিষ নিৰ্য্যাণ ॥
বৈকুণ্ঠৰ শাস্ত্ৰ জানা ভাগৱত,
দামোদৰ ৰূপে হৰি।
আপুনি পঢ়িয়া লোকে প্ৰচাৰিলা,
শুনা সবে কৰ্ণ ভৰি ॥
ইকথা থাকোক আত অনন্তৰে,
শুনিয়োক যেন কথা।
শঙ্কৰে বোলন্ত শুনা দামোদৰ,
ভক্তি বিনে সবে বৃথা ॥
হেনয় ভকতি ভাগৱত বিনে,
শোভা নকৰয় আতি।
তযু মুখে আজি শুনি ভাগৱত,
সন্তোষ ভৈলোঁ সম্প্ৰতি ॥
জন্ম সাফলিলেঁ তযু সঙ্গ পায়া,
সবে ধৰ্ম্ম ভৈল পূৰ।
যেন জানা দুগ্ধ স্বভাৱে মধুৰ,
মধু সঙ্গে স্বাদ বৰ ॥

ভক্তি ভাগৱত সেহি পতন্তৰ,
থৈলোঁ শঙ্কৰ বচন।
এহিমতে নিতে প্ৰভু দামোদৰ,
কৰে ভাগৱত ধ্যান॥

ছবি

শুনিয়োক সভাসদ ইটো দামোদৰ পদ,
পৰম ৰহস্য হেন জানি।
অমৃত সমান ইতো শুনন্তে আনন্দ দেই,
জানা ইতো পাপৰ অগনি॥
শুনন্তে নাহিকে শ্ৰম অমৃত বৰিষে যেন,
সঘনে পিয়োক দিনে ৰাতি।
পাপ সংহৰিয়া পাছে পাৱয় মুকুতি সুখ,
কৃষ্ণ পাৱে মিলয় ভকতি॥
হেন জানি সৰ্ব্বজনে শুনিয়োক অনুক্ষণে,
দামোদৰ চৰিত্ৰ পয়াৰ।
শুদ্ধ ভাৱে শুনে যিটো তাহাৰ তেখনে হয়,
কোটি কোটি পুৰুষ উদ্ধাৰ॥
হেন জানি নৰলোক আন চিন্তা এৰিয়োক,
এৰা সবে ভাষভুষ কাম।
আপুনি নিস্তাৰ হোৱা পুৰুষ উদ্ধাৰ কৰা,
নিৰন্তৰে বোলা ৰাম ৰাম॥

পদ

আত অনন্তৰে!শুনা ভৈলা যেন কথা।
সংক্ষেপিয়া পূৰ্ব্বাপৰ কহিবো ব্যৱস্থা॥
এহিমতে দামোদৰ বসিয়া আছন্ত।
শঙ্কৰ সহিতে কৃষ্ণ কথা আলোচন্ত॥

ৰামৰাম গুৰু যে মাধৱ নাৰায়ণ ।
পৰম আনন্দে থাকা আৰ তিনজন ॥
শঙ্কৰ সহিতে আৰা বসিয়া আছন্ত ।
পৰম হৰিষে কৃষ্ণ কথাক চৰ্চ্চন্ত ॥
সংক্ষেপিয়া ইটো কথা এহি মানে থওঁ ।
শুনিয়োক যেন ভৈলা তাক আৰে কওঁ ॥
ৰামৰায়ে বোলন্ত শুনা বেদৰ বচন ।
গুৰু বিনে যত দেখা সবে অকাৰণ ॥
গুৰু বিনে নহে জানা হৰিত ভকতি ।
শাস্ত্রে কহি আছে ইতো পৰম যুগুতি ॥
এহিমতে দুয়ো জনে আলচ কৰিলা ।
তথাহন্তে ৰঙ্গমনে মণিকুটে গৈলা ॥
তথাহন্তে দুয়ো মাধৱক বিচাৰিলা ।
পশ্চিমক গৈয়া ৰত্ন পীঠক পাইলা ॥
তথাহন্তে দুয়ো পাছে পশ্চিমক গৈলা ।
ব্রহ্মহৰিদাসক যে দৰিশন পাইলা ॥
পৰম হৰিষে তিনিয়ো কথা কহিলন্ত ।
তথা হৈতে গৈয়া চৈতন্যক দেখিলন্ত ॥
কণ্ঠ ভুষনৰ মুখে শুনিছে শঙ্কৰ ।
কৃষ্ণ যে চৈতন্য হুয়া হৈছে অৱতাৰ ॥
ব্রহ্মানন্দ আচাৰ্য্যেয়ো কহিছে পূৰ্ব্বত ।
ব্রহ্মহৰিদাসে পাছে কৈলা শঙ্কৰত ॥
সেহি কথা সুমৰি শঙ্কৰ মৌন ভৈলা ।
ৰামৰাম গুৰু সমে ওচৰ চাপিলা ॥
অৱনত হুয়া দুয়ো নমিলা সাক্ষাৎ ।
পূৰ্ব্বাপৰ পুছিলন্ত কথা যত যত ॥
শঙ্কৰৰ আগে নমাতিলা মহাজ্ঞানী ।
কমণ্ডলু জল ঢালি বুজাইলা আপুনি ॥
শঙ্কৰেও বুজিলন্ত সেই অনুমানে ।
এক যে শৰণ ধৰ্ম্ম চৈতন্যৰ স্থানে ॥

তিনি দিন অন্তৰে বিদাই কৰিলা।
ৰামৰায় শুনা বুলি চৈতন্যে মাতিলা॥
এহি বস্তু আমি দেওঁ হাতত তোমাৰ।
স্বৰূপ বচন বুলো আগে তোমাসাৰ॥
ইটো পুস্তকত যে তোৰাৰ কাৰ্য্য নাই।
অবশ্যে নিয়া দিবা দামোদৰৰ ঠাই॥
এহিবুলি সংহিতা পুস্তক খানি দিলা।
তৈৰ পৰা তাৰা দুয়ো গৃহক আসিলা॥
ৰামৰায় গুৰু শঙ্কৰ দুই জন।
দামোদৰদেৱ পাশে কৰিলা গমন॥
ব্যাস যে পুৰত দামোদৰ আছে বসি।
প্ৰকাশন্তে আছে যেন পূৰ্ণিমাৰ শশী॥
আগ হুয়া দুয়ো জনে পুস্তকক দিলা।
দেখি দামোদৰে বৰ হৰিষ লভিলা॥
ইহাৰ ৰহস্য যে আমাৰ ঠাই আছে।
দামোদৰে তাৰাক বিদায় দিলা পাছে॥
ইটো কথা এহিমানে সংহৰিয়া থওঁ।
তাত পাছে যেন ভৈলা তাৰ কথা কওঁ॥
শঙ্কৰ গৈলন্ত দামোদৰৰ পাশক।
শৰণ কৰায়ো তুমি আমাৰ বংশক॥
নমস্কাৰ কৰিলন্ত এহি বাক্য বুলি।
দামোদৰ তেতিক্ষণে ধৰিলা আকুলি॥
নিকটে বসাইলা নিয়া পৰম সাদৰে।
সমজ্যাৰ আগত বুলিলা শঙ্কৰে॥
নাৰায়ণ বদতি হৰ গৌৰী সংবাদত।
পাৰ্ব্বতী পুছিলা প্ৰণিপাতে শঙ্কৰত॥
কোন গতি হৈবে আবে কলিত লোকৰ।
হেন শুনি পাৰ্ব্বতীত কহিলা শঙ্কৰ॥
দামোদৰ নামে দ্বিজ হৈব জাত।
সিটো দ্বিজে তাৰিবে লোক অসংখ্যাত॥

নবাহ কুণ্ডব যেবে পূর্ব্ব যে দিশত ।
জন্ম লভি হৈব পাছে স্থিত পশ্চিমত ॥
কলিত প্রখ্যাত হৈব নাম দামোদব ।
তান উপদেশে লোক তবিবে বিস্তব ॥
পার্ব্বতীব আগে এহি বুলি মৌন ভৈলা ।
সেহি দামোদব আসি কলিত জন্মিলা ॥
শঙ্কবে এহি বুলি তাবাত কহিলা ।
তাবা সবে শুনি অনুমোদন কবিলা ॥
উঠি উঠি নমস্কাব কলিবা তথাত ।
হবি গুরু কবিলন্ত আগে দণ্ডবত ॥
এহি মতে তথাতয়ে আনন্দ মিলিলা ।
তাসম্বাকে দামোদবে আশ্বাস কবিলা ॥
প্রসঙ্গ কবিয়া দামোদবক নমিলা ।
আনন্দত উঠি পাছে সবে গৃহ গৈলা ॥
দামোদব বহিলন্ত আপুন গৃহত ।
কৃষ্ণ বাম নাম পাছে জপিলা মনত ॥
তথা হন্তে যত লোক আসে অসংখ্যাত ।
দণ্ডবত কবে দামোদব চবণত ॥
এহিমতে তথাত আছন্ত দামোদৰ ।
শৰণ হৈলন্ত আৰু পত্নী শঙ্কৰৰ ॥
এক দিনা ৰামৰায় তথায় আছন্ত ।
দেখিলেক দামোদৰ বসিয়া আছন্ত ॥
দামোদৰ চৰণে কৰিয়া দণ্ডৱত ।
পাছে ৰামৰায় বসিলেক অবনত ॥
কথামাতে বসি তথা আছে কতক্ষণ ।
ৰামৰায় হেন পাছে বুলিলা বচন ॥
শুনিয়োক প্রভুদেৱ বচন আমাৰ ।
ভাল কৰি সত্র তুমি কৰাঁ আপুনাৰ ॥
দামোদৰে শুনি হাসি বুলিলা বচন ।
আপুনি দিয়োক সত্র বান্ধিবাৰ স্থান ॥

ভাল বুলি ৰামৰায় তথায় আছন্ত।
দামোদৰে এক তোলা ৰূপক দিলন্ত॥
ৰূপ তোলা দিয়া পাছে বচন বুলিলা।
ধৰ্ম্ম অৰ্থে মাটি খিনি আপুনি কিনিলা॥
ভাল বুলি ৰামৰায়ে তেখনে উঠিলা।
দামোদৰ চৰণক বন্দন কৰিলা॥
সত্ৰ বান্ধিবাৰ পাছে মাটি দেখিলন্ত।
দামোদৰ সেই স্থানে সত্ৰ বান্ধিলন্ত॥
শঙ্কৰেয়ো দেখি বৰ আনন্দ লভিলা।
দামোদৰ লগে বৰ হৰিষক পাইলা॥
শঙ্কৰে বুলিলা বৰহৰিক বচন।
দামোদৰ পাৱে তুমি কৰিবা অৰ্চ্চন॥
এহি বাক্য বুলিয়া শঙ্কৰ মৌন ভৈলা।
বৰহৰি পাছে দামোদৰ পাশে ৰৈলা॥
এহি মতে দামোদৰে সত্ৰ বান্ধিলন্ত।
ভক্তগণ সমে পাছে তথাক গৈলন্ত॥
বাৰ জনে ভক্ত সমে বসি অনুক্ষণ।
পৰম আনন্দে গাৱে হৰি গুণগান॥
হৰি কথা গাইয়া তথা বসিয়া সদাই।
তাসম্বাৰ নাম আবে শুনিয়ো লোকাই॥
ৰামৰায় জানিবাহা আৰু একজন।
ৰামানন্দ আৰু হৰি ৰঘুনাথ তথা॥
জগন্নাথ ৰামদাস শুনে হৰি কথা।
বিষ্ণুদাস পয়োনিধি পৰমা যে নন্দ॥
ৰাতুলচৰণ মধু আৰু কৃষ্ণানন্দ।
আৰা সবে হৰি কথা শুনা অনুক্ষণ॥
ভ্ৰমৰে গুঞ্জৰে যেন হৰি নাম গাৱে।
আন ভক্তগণ সবে চাপৰি বজাৱে॥
আয়াযাত কৰে তথা লোক অসংখ্যাত।
শৰণ পশয় দামোদৰ চৰণত॥

এহি মতে লোক তথা আয়াসাত কৰে।
লোক ঘঞ্চাল শুনি আনন্দিত শঙ্কৰে॥
নির্ঘৰিষ প্রসঙ্গ যে হোৱয় তথাত।
আন ভক্ত সব বসি থাকয় তথাত॥
আৰু এক কথা কহো শুনিয়ো লোকাই।
ছোৱাল ভকত এক নামত কৃষ্ণাই॥
হৰি কথা শুনে তথা আনন্দে ঝুৰয়।
ভকতে পুছিলে কহিবাক নপাৰয়॥
কাহাৰ চৰিত্র কিবা পঢ়য় পুস্তক।
প্রপঞ্চিয়া কথাক নপাবে কহিবাক॥
ভকত সকলে কহে দেৱৰ আগত।
ছোৱাল ভকতে হৰি কথা শুনে নিত॥
ভকতে পুছিলে কহিবাক নপাৰয়।
তথাপিতো দেখোঁ তথা ঝুৰিয়া থাকয়॥
দামোদৰে শুনি তাক লক্ষ্য কৰিলন্ত।
সমস্ত ভকত এক দিনা বসিলন্ত॥
ভকত লক্ষণ পাছে দেখি দামোদৰ।
সঘনে ঝুৰয় নীৰ দুয়ো নয়নৰ॥
প্রসঙ্গ সামৰি পাছে পুছয় ভক্তত।
কাহাৰ প্রসঙ্গ গৈল কহিয়ো সাম্প্রত॥
দণ্ডৱতে পড়িলন্ত কহিবে নপাৰি।
গদগদ বাক্যে মাতে কৃতাঞ্জলি কৰি॥
শুনিয়োক প্রভু দেৱ নপাৰো কহিতে।
কহিলাহা এথা তুমি কাহাৰ চৰিত্রে॥
কিবা হেতু লোতক যে ঝুৰয় নয়নে।
ইহাৰ কাৰণ কহিয়োক এতিক্ষণে॥
কৃষ্ণ নিগদতি প্রভু শুনিয়োক দেৱ।
তোমাৰ চৰণে কৰো লক্ষ কোটি সেৱ॥
কৃষ্ণ হেন নাম ইতো লোকত কহয়।
তাহাঙ্ক স্মৰি মোৰ নয়ন ঝুৰয়॥

হেন শুনি দামোদৰে বাক্য বুলিলন্ত ;
কৃষ্ণগুণগণ তোৰ হৌক হৃদিগত ॥
কৃষ্ণক জানিল যিতো তাৰ কিবা ৰৈল।
হৰি ভজিবাৰ পাত্ৰ সি সি জন ভৈল ॥
শুনি শিশু দণ্ডৱত কৰিলা তথাত।
তাতে হন্তে কৃষ্ণ কথা ভৈলা অন্তৰ্গত ॥
দামোদৰে থৈলা তথা কৃষ্ণানন্দ নাম।
কৃপাবাক্যে তান পাছে ভৈল পূৰ্ণকাম ॥
ভকত সকলে পাছে যিবা প্ৰশ্ন কৰে ;
বিনা প্ৰয়াসত তাক কহয় সত্বৰে ॥
এহি মতে দামোদৰ আছন্ত তথাত।
হৰি কথা শুনে বসি সমস্তে ভকত ॥
দামোদৰে ভক্ত সমে প্ৰকাশন্ত অতি।
দেৱৰ সভাত যেন শোভে সুৰপতি ॥
তিনি প্ৰসঙ্গৰ তিনি কথা কৰিলন্ত।
ভকত সকলে তিনি প্ৰসঙ্গে বসন্ত ॥
নক্ষত্ৰৰ মাঝে যেন চন্দ্ৰ প্ৰকাশন্ত।
ভকতৰ মাঝে এক সূৰ্য্যক দেখন্ত ॥
সৰোবৰ মাঝে যেন পদ্ম প্ৰফুল্লিত।
সেহি মতে ভকতৰ মাঝে প্ৰকাশিত ॥
সন্ত সৰোবৰ অতি প্ৰকাশ কৰন্ত।
বৈকুণ্ঠত প্ৰকাশয় যেন লক্ষ্মীকান্ত ॥
ভকত সকলে তথা আয়াযাত কৰে।
চতুৰ্ভুৰ্জ সেনা যেন বৈকুণ্ঠ নগৰে ॥
চাৰি দিন অন্তে তথা শঙ্কৰ বসন্ত।
লোক যাত্ৰা দেখি বৰ আনন্দ কৰন্ত ॥
তিনিয়ো প্ৰসঙ্গ তথা শঙ্কৰে দেখিলা।
নামৰ প্ৰসঙ্গ দেখি আনন্দ পাইলা ॥
এহিমতে শঙ্কৰেয়ো আয়াযাত কৰে।
ভক্ত সমে আনন্দ লভয় দামোদৰে ॥

সদাই হৈলেক তথা লোক মহোৎসৱ ।
লোকৰ মুখত মাত্ৰ শুনি হৰি ৰাৱ ॥
দ্বিতীয় বৈকুণ্ঠ যেন প্ৰকাশ কৰয় ।
তৈত থাকে তথা লোকে হৰি উচ্চৰয় ॥
সৰোবৰে পড়ি যেন হংসৰ কল্লোল ।
সেহি মতে তৈতে থাকি শুনি হৰি বোল ॥
আয়াগাত কৰে তথা যত নৰ নাৰী ।
শোভা কৰে সৰোবৰে যেন হংস সাৰি ॥
শুনিয়োক সভাসদ ইতো কথা সাৰ ।
যাহাৰ শ্ৰৱণে তৰি দুৰ্ঘোৰ সংসাৰ ॥
হৰি কীৰ্ত্তন আবে কৰিয়োক সদায় ।
হৰি ভজি লৈয়ো সবে বৈকুণ্ঠত ঠাই ।
সাধুৰ সঙ্গত থাকি হৰিক ভজিয়ো ।
আপুনি সংসাৰ তৰি বংশ উদ্ধাৰিয়ো ॥
হৰি নাম বিনে নাই সংসাৰ তৰণ ।
কৃষ্ণৰ চৰণে লৈয়ো সত্বৰে শৰণ ॥
সন্ত উপদেশে লোক সংসাৰ তৰিয়ো ।
সাধু সঙ্গ লৈয়া কৃষ্ণ চৰণ ভজিয়ো ॥
আপুনিয়ো তৰা সবে পুৰুষ উদ্ধাৰি ।
নিৰন্তৰ নৰে ডাকি বোলা হৰি হৰি ॥

---

## ঝুলড়ী

আত অন্তৰে শুনা সৰ্ব্বজনে,
যৈত যেন কথা ভৈলা ।
বংশী যে নামত অসম ৰাজ্যৰ,
যিমতে শৰণ লৈলা ॥

সি ৰাজ্যৰ পৰা আসিলা ইথান,
শৰণ লইব শঙ্কৰে।
পাছে যেন কথা শুনিয়োক কহোঁ,
ভৈলা আত অনন্তৰে ॥
তিনি নাও ভৰি স্বৰ্ণ আদি কৰি,
উপায়ণ দ্ৰব্য যত।
শঙ্কৰ গোমস্তা অন্বেষণ কৰি,
পুছিয়া আসে লোকত ॥
শুনিয়ো লোকাই কোন স্থানে এত,
শঙ্কৰ সাধু আছন্ত।
এহি মতে তথা সুধি যাই কথা,
শঙ্কৰক দেখিলেক ॥
পাট বাউসীক যায়া পাছে তাৰা,
নিচিনিলা শঙ্কৰক।
স্নান কৰিবাক জলত নামিছে,
তাত পাছে দেখিলেক ॥
শুনিয়ো আতাই কোন থানে এত,
শঙ্কৰ সাধু আছন্ত।
শুনি হেন বাণী কিসক পুছিলা,
শঙ্কৰে মাতি পুছন্ত ॥
কৈৰ পৰা তুমি কি কাৰ্য্যে আসিছা,
কোৱা মোত শীঘ্ৰ কৰি।
হেন শুনি পাছে উঠি বংশীদেৰে,
মাতিলা আতি সাদৰি ॥
উত্তম পুৰুষ দেখহু তোমাকে,
আমাত কহিয়ো সচাঁ।
বংশী নাম মোৰ পূৰ্ব্বহন্তে আসো,
তান্তে শৰণক বাঞ্চা ॥

শঙ্কৰ গোমস্তা বুলিলন্ত তথা,
স্বৰূপ শুন বচন।
আমাত মাগিলা শৰণৰ থান,
দেখাওঁ নিয়া বিদ্যমান॥
তথা হন্তে পাচে নাওঁত চৰিয়া,
ঘাটে নাওঁ লগাইলন্ত।
নাওঁত ৰাখিয়া তাবা সমস্তক,
শঙ্কৰ উঠি গৈলন্ত॥
দামোদৰে পাছে দেখন্ত শঙ্কৰ,
আসে হস্তে লোটা ধৰি।
স্নানক উদ্যমে যিমতে আছিলা,
আসিলা নাওঁত চৰি॥
দামোদৰে দেখি পুছিলন্ত কথা,
শঙ্কৰে সমস্তে কৈলা।
বংশী দ্বিজ এক শৰণ হৈবাক,
আপোনাৰ স্থানে আইলা॥
আপুনি শৰণ কৰায়োক দেৱ,
স্বৰূপ বোলো বচন।
এহি কথা কহি গৃহক গৈলন্ত,
তথাতে কৰি ভোজন॥
দামোদৰে পাছে ভকত পঠাই,
তাসম্বাক নিয়াইলন্ত।
কথা বাৰ্ত্তা পুছি ৰহিবাক তথা,
বাসাক পাছে দিলন্ত॥
যথাযোগ্যে পাছে ভোজন কৰাইলা,
মনত সন্তোষে আতি।
পৰম সাদৰে হৰি কথা শুনি,
আনন্দে বঞ্চিলা ৰাতি॥

প্ৰভাত হৈলেক স্নান কৰিলেক,
প্ৰসঙ্গে বসিলা তথা।
আনন্দ লভিলা মনত হৰিষে,
শুনিলন্ত হৰি কথা॥
প্ৰসঙ্গ থৈলেক ভকত সকল,
বসিয়া তথা আছন্ত।
সেহি সময়ত মধুৰ বচনে,
বংশীত মাতি সোধন্ত॥
শুনিয়োক বংশী পূৰ্ব্ব হন্তে তুমি,
কি কাৰ্য্যে আসিলা এথা।
বংশীদেৱে পাছে দামোদৰ আগে,
কহিলা সকল কথা॥
শৰণ লৈবাক আসিছোঁ ইথানে,
কৈলোঁ তযু চৰণত।
শৰণ কৰায়ো আমাক সম্প্ৰতি,
হেৰা কৰো দণ্ডৱত॥
এহি বুলি পাছে কৰি দন্তৱত,
আগত পড়িল তথা।
দামোদৰে পাছে পৰম কৃপায়ে,
কহিলন্ত তত্ত্ব কথা॥
তিনি দণ্ডৱত কৰি বংশীদেৱ,
কৃতাঞ্জলি কৰি ৰৈলা।
যথাযোগ্য পাছে শৰণৰ ক্ৰম,
বংশীৰ আগে কহিলা॥
সন্ত গুৰু সমে ঈশ্বৰক ভিন্ন,
নকৰিবা কদাচিত।
হৰি নামে ৰতি ভকতত প্ৰীতি,
কৰিবা একান্ত চিত॥

এহি শিক্ষা দিয়া দামোদৰ তথা,
বহস্য মন্ত্ৰক দিলা।
পৰম তত্ত্বক তাহান আগত.
শীল শিক্ষা প্ৰকাশিলা॥
ভক্তি ভক্ত জানা ভগৱন্ত এক,
বস্তু কৰিবাহা সাৰ।
এহি শিক্ষা ধৰি ধৰ্ম্ম আচৰিবা,
নাহি বস্তু আতপৰ॥
পৰম বহস্য তত্ত্বক লভিয়া,
হৰিষ ভৈলেক মন।
পৰম সাদৰে দামোদৰ পাৱে
বংশী কৰিলা প্ৰণাম॥
হৰিষে লোতক বহে নয়নৰ,
শৰীৰ ৰোমাঞ্চ ভৈলা।
তথা হন্তে উঠি অবনত হুই,
আসনে আসি বসিলা॥
বংশী সঙ্গে তথা যতেক মনুষ্য,
সবেয়ো শৰণ লৈলা।
দামোদৰে পাছে ভক্ত সমে তথা,
উঠিয়া গৃহক গৈলা॥
তথা হন্তে বংশী বাসাঘৰে গৈ,
ভোজন কৰিলা ৰঙ্গে।
ভোজন কৰিয়া আনন্দ লভিয়া,
বসি ভকতৰ সঙ্গে॥
ভক্ত সমন্বিতে কৃষ্ণ কথা চৰ্চ্চি,
হৰিষে বসি থাকন্ত।
প্ৰসঙ্গে বসিয়া এহি মতে তৈত,
হৰি কথা সুমৰন্ত॥

শুনা সভাসদ দামোদৰ পদ,
শ্ৰদ্ধায়ে শুনিয়ো আক।
পৰম অমৃত দামোদৰ কথা,
তেবে পাবা বৈকুণ্ঠক॥
কলিত সম্প্ৰতি নাই আন গতি,
শ্ৰৱণ কীৰ্ত্তন বিনা।
সন্ত সেবা কৰি আন কথা এড়ি,
তথা হৰি কথা শুনা॥
আপুনিয়ো তৰা পুৰুষ উদ্ধাৰা,
এড়ি সবে আন কাম।
উৰ্দ্ধ বাহু কৰি মুখ ভৰি ভৰি,
ডাকি বোলা ৰাম ৰাম॥

পদ।

এহি মতে কত দিন আছন্ত তথাত।
পৰম আনন্দে মন মগ্ন ভৈলা তাত॥
দামোদৰ চৰণত কৰিয়া বন্দন।
কাকুতি কৰিয়া পাছে বুলিলা বচন॥
শুনিয়োক প্ৰভু দেৱ স্বৰূপ বচন।
লোণ চাউল গুৱা পাণ আছে কিছুমান॥
স্বৰ্ণ জালুকাদি কৰি আনিছো যতেক।
আজ্ঞা কৰিয়োক দ্ৰব্য কত তুলিবেক॥
হেন শুনি দামোদৰে বুলিলা বচন।
যি কিছু আনিছা নাৱে থাকোক এখন॥
বংশীয়ে গৈলন্ত পাছে শঙ্কৰৰ থান।
বিয়েলি প্ৰসঙ্গে বসিচন্ত বিদ্যমান॥
বংশীদেৱ দ্বিজ মহা পৰম উদাৰ।
শঙ্কৰেও তাঙ্ক দেখি কৰিলা সাদৰ॥
তাহাঙ্ক দেখিয়া প্ৰসঙ্গক সাম্বৰিলা।
কিসক আসিলা বুলি শঙ্কৰে পুছিলা॥

যথাবৃত্ত কথা কহিলন্ত মহাধীৰ।
আনন্দ লভিয়া শুনি আছন্ত শঙ্কৰ॥
বংশীয়ে কহিলা দামোদৰৰ বচন।
পাছে আনিবাহা দ্ৰব্য থাকোক এখন॥
আসম্বাৰ মনে বৰ সংশয় মিলিলা।
বংশীক সম্বুধি পাছে বচন বুলিলা॥
শুনিয়োক বংশী তুমি বচন আমাৰ।
দামোদৰ পূজা জানা সমস্তে লোকৰ॥
পৰম ঈশ্বৰ জানিবাহা দামোদৰ।
জানিবাহা মোকে বোলে গোমস্তা শঙ্কৰ
এহিবুলি তথাত যে মৌন হুয়া ৰৈলা।
পৰম আনন্দ বংশী মনত লভিলা॥
বংশীদেৱ সহিতে শঙ্কৰ. আসিলন্ত।
দামোদৰ পাৱে নমস্কাৰ কৰিলন্ত॥
শঙ্কৰ বদতি শুনিয়োক দামোদৰ।
দ্ৰব্য খানি ঘ্ৰাণিয়োক বংশী যে দেৱৰ॥
দামোদৰ বদতি যে শুনিয়ো শঙ্কৰ।
আনায়োক দ্ৰব্যখানি তুলিয়া নাৱৰ॥
হেন শুনি শঙ্কৰ যে ত্বৰিত গমনে।
লোক পাঞ্চি দ্ৰব্য যে অনাইলা তেখনে
শঙ্কৰেও নিয়া দামোদৰ আগে দিলা।
বিভাগিয়া দিয়া কিছু আপুনি ৰাখিলা॥
তথাহন্তে শঙ্কৰেয়ো গৃহক গৈলন্ত।
বংশীদেৱ দামোদৰ স্থানে ৰহিলন্ত॥
দামোদৰ স্থানে কতদিন বংশী ৰৈলা।
পৰম সন্তোষে তিনি প্ৰসঙ্গে বসিলা॥

---

পদ

আত অনন্তৰে দেৱ দামোদৰ শান্ত।
শুনা যেন মতে প্ৰভু বেহাৰে গৈলন্ত॥

কামেশ্বৰ গিৰি নামে সন্যাসী আছিলা।
শিৱবৰ দৈবজ্ঞ সহিতে আলোচিলা॥
দুয়ো বৈষ্ণৱক দেখে পৰম পামৰ।
হৰি ভক্তি পন্থে বাদ কৰে নিৰন্তৰ॥
ৰজাত জানাইলা দুয়ো আলোচিয়া কাৰ্য্য।
শুনা মহাৰাজ নষ্ট ভৈলা তযু ৰাজ্য॥
ৰজা হুয়া তুমি চেষ্টা নকৰা ৰাজ্যৰ।
অন্যায় প্ৰবৰ্ত্তে তযু প্ৰজা নিৰন্তৰ॥
গোসানীৰ ৰাজ্য কামৰূপ নামে খ্যাত।
তযু মাতৃ কামাখ্যা জগত প্ৰখ্যাত॥
চৰাচৰ জগত স্ৰজিলা দুৰ্গাদেৱী।
ব্ৰহ্মা আদি দেৱে সিদ্ধি পাৱে যাক সেৱি॥
চৰাচৰ জগতৰ দুৰ্গা সে কাৰণ।
হেন দুৰ্গা পূজা নকৰয় একজন॥
তযু ৰাজ্য নষ্ট ভৈল জনালোঁ তোমাত।
যেন মনে লোৱে তাকে কৰিয়ো সাম্প্ৰত॥
শুনি নৰপতি আতি ক্ৰোধ বৰ ভৈলা।
দুহান্তক মাতি কথা পুছিবাক লৈলা॥
শুনা কামেশ্বৰ শুনিয়োক শিৱবৰ।
কোনজনে দেৱীপূজা খণ্ডাইলা লোকৰ॥
কোনে নুপূজয় দুৰ্গা ৰাজ্যত আমাৰ।
সত্বৰে কহিয়ো মই সাধো প্ৰতিকাৰ॥
শুনি দুয়োজনে পূৰ্ব্বাপৰ কহিলেক।
দামোদৰ নামে আছে জানা পুৰুষেক॥
বিশিষ্ট ব্ৰাহ্মণ কুলে উৎপত্তি ভৈলা।
কামৰূপে বড়পেটা গ্ৰামে সত্ৰ কৈলা॥
তেহোঁ এক শৰণ লগাইলা লোকক।
শৰত কালৰ পূজা লোকে এড়িলেক॥
আন দেৱতাৰ নাম নুশুনয় কাণে।
ভাগৱত ধৰ্ম্ম প্ৰবৰ্ত্তাইলা থানে থানে॥

এহি মতে দুয়ো জনে সুচাই কহিলা।
পণ্ডিত সকলে অনুমোদন কৰিলা॥
সুচকৰ বাক্য ৰাজা ধৰিলা মনত।
নৃপতিৰ বাক্য ভঙ্গ যোগ উপাগত॥
হৰি ভকতক দ্বেষ কৰিবাক মনে।
ধোপধৰা সবক বুলিলা তেতিক্ষণে॥
চলা ধোপধৰা দামোদৰৰ পাশক।
কি কাৰণে নুপূজয় জগত-মাৰক॥
যদি দেৱী পূজয় থাকোক সেহি থান।
নুহি তেবে মোৰ থানে শীঘ্ৰ কৰি আন॥
শুনি ধোপধৰা তেতিক্ষণে চলি গৈলা।
কতিপয় দিনে বড়পেটা আসি পাইলা॥
হৰি মন্দিৰত প্ৰভু বসিয়া আছন্ত।
পূৰ্ণিমাৰ চন্দ্ৰ যেন প্ৰকাশ কৰন্ত॥
চাৰিপাশে বেঢ়িয়া আছন্ত ভক্তগণ।
সেহি বেলা ৰাজ দূত আসি উপাসন্ন॥
তাসম্বাক বৈষ্ণৱৰ তেজে ধৰষিলা।
দণ্ডৱতে পড়ি সবে প্ৰণাম কৰিলা॥
তাবা সমস্তক প্ৰভু আশ্বাস কৰিলা।
আসনক দিয়া পাছে কুশল পুছিলা॥
হৰিৰ নিৰ্ম্মাল্য পুষ্প চন্দন দিলন্ত।
তাম্বুল প্ৰসাদ দিয়া ৰঙ্গে পুছিলন্ত॥
কিবা কাৰ্য্যে ইথানক আসিছা আপুনি।
দূত সবে বচন বুলিলা হেন শুনি॥
নমো নমো দামোদৰ তোমাৰ চৰণে।
ৰাজ আজ্ঞা কহো প্ৰভু শুনা এক মনে॥
দুৰ্জ্জনে ৰাজাৰ আগে লগালেক খল।
দেৱীপূজা এড়াইলা লোকৰ সকল॥
গঙ্গাক নমানে পিতৃশ্ৰাদ্ধ এড়িলেক।
শুনি নৃপতিৰ ক্ৰোধ ভৈল অতিৰেক॥

আমাক আদেশ কৰিলন্ত নৰেশ্বৰ।
দামোদৰ গুৰু পাশে চলিয়ো সত্বৰ॥
মোৰ আজ্ঞা কহিবি তাহান আগে যাই।
বলি কাটি দুৰ্গাক পূজিয়ো সেহি ঠাই॥
যদি বলি নকাটে আনিবি ইঠাইক।
এহি প্ৰয়োজনে আহিলোঁ তযু চৰণক॥
যদি দেবী পূজিবে পাৰিবে তুমি মনে।
নপাৰিলে যাইতে লাগে ৰজাৰ থানে॥
প্ৰচণ্ড নৃপতি দণ্ড কৰিবে আমাক।
নগৰে চলিয়ো মানি ৰজাৰ আজ্ঞাক॥
এহি বুলি দূতে মৌন হুয়া ৰহিলেক।
ৰাজাৰ আদেশ প্ৰভু শুনিয়ো প্ৰত্যেক॥
কিঞ্চিত মলিন মুখ কৰি মহাশান্ত।
ৰজাক দুৰ্গতি পাইলে মনে গুণন্ত॥
হৰি হৰি নৃপতিৰ কিনো মন ভৈলা।
হৰি ভকতিত বাদ কৰিবাক লৈলা॥
জগত ঈশ্বৰ যিবা কৰিবেক যাক।
কোন জন আছে হেন বাধিবেক তাক॥
নৰ নাৰী গো ব্ৰাহ্মণক কৰিয়া সেৱ।
মধুৰ বচনে পৰিচ্ছেদ দিলা দেৱ॥
শুনিয়োক ৰাজদূত আমাৰ বচন।
তিনিয়ো লোকৰ যিতো লক্ষ্মী নাৰায়ণ॥
তাতপৰ আন কোনো পাৰো পূজিবাক।
বলিৰ লগত যদি কাটয় আমাক॥
মোৰ গল উপৰ বলিৰ গল তল।
কাটা যদি আছয় তোহৰ গাৱে বল॥
ৰজাৰ পাশক যাইবো নকৰিবো পূজা।
হৰি বিনে আছয় আমাৰ কোন পূজ্য॥
এহিবুলি পৰম পুৰুষ ভগৱন্ত।
বিজয়পুৰক যাইবে ইচ্ছা কৰিলন্ত॥

দিবা অৱসানে পাছে ৰাত্ৰি আসি ভৈলা।
ৰৰ ৰৰ ৰকুয়া প্ৰভুৰ আগে গৈলা॥
প্ৰণমি বোলয় শুনা প্ৰভু দামোদৰ।
ৰৰ ৰৰ লোক আছো তোমাৰ কিঙ্কৰ॥
আমি বলি কাটিয়া তোমাৰ নাম কৰোঁ।
তথাপি নাথাৰা নাথ চৰণত ধৰোঁ॥
বিষ্ণু বিষ্ণু বুলি প্ৰভু দিলা সন্নিধান।
কিসৱ ই বোল বোলা ছোৱাল বচন॥
আমাৰ বদল তুমি বলিক কাটিবা।
আমি কেনে এড়াইলোঁ। ইকথা নকবা॥
ৰজাৰ পাশক যাবোঁ যেহি লাগে হৌক।
পালিবাহা সত্ৰখান দয়া কৰি মোক॥
প্ৰভু দামোদৰে হৰি আতাক বোলন্ত।
তুমি বৃদ্ধ বৈষ্ণৱ পৰম বুদ্ধিমন্ত॥
সত্ৰখানি পালিবাহা মোহৰ যে মত।
ৰজাৰ চেষ্টাক বুজিবাহা ভাল মত॥
জগত ঈশ্বৰে মোক কৰিলা আদেশ।
ভুনাই আৱ ইথানত নাহিকে প্ৰৱেশ॥
আন ভকতক প্ৰভু কৰিলা আশ্বাস।
বুজন নযায় বাপু ঈশ্বৰ বিলাস॥
হৰি আতা সমে এক প্ৰণালী যে কৰি।
থাকিয়ো সমস্তে মোক খেদ পৰিহৰি॥
ভগবান নাৰায়ণ শুনা মনোহৰ।
তোৰা সবে আমাৰ শৰীৰ সমসৰ॥
বড়পেটা সত্ৰক সততে আসিবাহা।
হেলা নকৰিয়া সত্ৰখন পালিবাহা॥
মম ভ্ৰাতৃ পুত্ৰ শ্ৰীকৃষ্ণ পালিবা।
শুনা শ্ৰীকৃষ্ণ মোক শোক নকৰিবা॥
ভকতৰ সঙ্গে প্ৰীতি নকৰিবা ভঙ্গ।
মোক স্নেহ আছে যেবে নেৰিবা প্ৰসঙ্গ॥

শুনা কবিৰত্ন তুমি ব্যাস সমসৰ।
তুমি মোৰ বান্ধৱ অপৰ দামোদৰ॥
আমাৰ বচন এড়ি অহা নগৰক।
আসিবাহা তুমি বৰপেটাৰ সত্ৰক॥
ভাগৱত ব্যাখ্যা তুমি আপুনি কৰিবা।
লোকক হৰি ভক্তি উপদেশ দিবা॥
ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেৰুৱাবা।
আপুনিয়ো স্নান সন্ধ্যা পূজা আচৰিবা॥
আপুনি শুনিলা নৃপতিৰ দুঃচেষ্টাক।
কৰ্ম্ম এড়িলেক বুলি নিয়াই আমাক॥
একাগ্ৰ ভকতি কৰিবাহা মহাভাগ।
তেবে একো উপসৰ্গ নপাবেক লাগ॥
আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথা বন্ধে এক খণ্ড ভাগৱত কৰা॥
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা চবি ডুলড়ী সুছন্দ॥
তাত কৰি সুগম কৰিবো ভাগৱত।
স্ত্ৰী শূদ্ৰে সৰ্ব্বলোকে বুঝে যেন মত॥
মোক লাগি তোৰা সবে চিন্তা এড়িয়োক।
সবাৰ কল্যাণ জগদীশ্বৰে কৰোক॥
হেন শুনি তাৰাৰ সন্তাপ আতি ভৈলা।
চৰণত পড়ি সবে কান্দিবাক লৈলা॥
চতুস্পাশে ভকতে কান্দয় বেঢ়ি বেঢ়ি।
হা প্ৰভু দামোদৰ কৈক যাহা এড়ি॥
স্ত্ৰী বালক বৃদ্ধ সবে পড়ি পড়ি কান্দে।
কত দুই চৰণক বুকে আনি বান্ধে॥
প্ৰাণৰ ঈশ্বৰ প্ৰভু দেৱ দামোদৰ।
আমাক এড়িয়া যাহা বিজয় নগৰ॥
তুমি অবিহনে কেনে ধৰিবোঁ জীৱন।
আবে কাৰ চৰণক কৰিবো সেৱন॥

আমাক কাহাক দিয়া যাহা প্ৰাণনাথ।
এহি বুলি পৃথিবীত আকালন্ত মাথ॥
বড়পেটা ডুবিয়া ক্ৰন্দন উৰ্ম্মি ভৈলা।
আমাৰ কুশল আজি হন্তে দূৰ গৈলা॥
এহি বুলি বিলাপ কৰন্ত ভক্তগণে।
প্ৰভুদেৱে আশ্বাসন্ত মধুৰ বচনে॥
নাকান্দা ভকত সব এড়া কষ্ট মন।
শুনা সাৱধানে সবে মুখ্য প্ৰয়োজন॥
তিনি গুটি প্ৰসঙ্গক কৰিবা সতত।
দ্বাদশ প্ৰসঙ্গ আছে তাৰ অন্তৰ্গত॥
একাদশী সংক্ৰান্তিত মোৰ সপ্ৰসঙ্গ।
কিন্তু অন্যে অন্যে প্ৰীতি নকৰিবা ভঙ্গ॥
তেবে আসি তোৱাৰ সঙ্গত সৰ্ব্বক্ষণ।
থাকিবোহু নিষ্টে মই কহিলো বচন॥
এহি বুলি দামোদৰ ৰূপে ভগৱন্ত।
সবাক আশ্বস কৰি তাম্বুল দিলন্ত॥
আশ্বাসিয়া ভকত সৱক স্থাপি থৈলা।
কৃষ্ণক হৃদয়ে ধৰি শুভ যাত্ৰা কৈলা॥
ৰান্ধনি গোঁসাই আৰু পাঠক গোঁসাই।
ৰঘুনাথ আতা আৰু কৃষ্ণাই ৰামাই॥
ৰামদাস হৰিদাস প্ৰমুখ্য ভকত।
ষাঠি জন কেউলীয়া লৰিলা লগত॥
হৰি আতা কমলাকান্তক স্থাপি থৈলা।
ধৰ্ম্মৰ সাধনে লাগে মানে তাঙ্ক দিলা॥
যাত্ৰা কালে হৰি নাম পৰম মঙ্গল।
চতুষ্পাশে বেঢ়ি গাৱে ভকত সকল॥
স্ত্ৰী বালক বৃদ্ধ সবে বেঢ়ি নাম গাৱে।
খোল কৰতাল বেণু শঙ্খ শিঙ্গা বাৱে॥
চতুষ্পাশে হৰিধ্বনি শবদ উঠিল।
আগবঢ়াইবাক লাগি সমস্তে লৰিল॥

কত দূৰ হন্তে আশ্বাসিয়া সমস্তক।
নিবৰ্ত্তায়া পুনৰপি পঠালা ঘৰক॥
কংসৰ আদেশে যেন আসিলা অক্ৰূৰ।
ৰাম মাধৱক লৈয়া গৈলা মধুপুৰ॥
সিবেলাত গোপ গোপী সবৰ বচন।
লগতে নিলন্ত প্ৰভু আমাৰ লোচন॥
যেন প্ৰাণ গৈলা তনু চেষ্টা নকৰয়।
বড়পেটা থানৰ লোকৰ সেহি নয়॥
সেহি মতে দেৱ দামোদৰৰ লগত।
প্ৰাণ মন গৈলা সবে মৰা যেন মত॥
ভকতৱ দুঃখে প্ৰভু মনে খেদ কৰি।
কতিপয় দিনে পাইলা বিজয় নগৰি॥
শুনা সাধু সব দামোদৰৰ চৰিত্ৰ।
বিষ্ণু বৈষ্ণৱৰ কথা সাক্ষাৎ অমৃত॥
ভকতিৰ কল্পতৰু দেৱ দামোদৰ।
শ্ৰদ্ধাৰূপে যিতো জনে চাপয় ওচৰ॥
তাৰ কাৰ্য্য নিসিজিবে হেন শঙ্কা নাই।
অৱশ্যেক প্ৰথমতে ভক্তি ফল পাই॥
তাহান চৰণ চিন্তি এৰায়ো দুৰ্গতি।
হৰি হৰি বুলিয়া সাধিয়ো আত্মগতি॥

---

এক সময়ত
ৰজাৰ সভাত,
যি ভৈলা শুনিয়ো তাক।
কামেশ্বৰ গিৰি
ৰজাক বোলয়,
নৃপতি শুনা প্ৰত্যেক॥
শ্ৰীদামোদৰক
আনি সমাজক,
কৰিয়া বিচাৰ কথা।
দেবীৰ পূজাক
মানে কি নমানে,
কৰয় কিবা অন্যথা॥

তীৰ্থ স্নান দান        কৰ্ম্ম ধৰ্ম্ম হোম,
মানে কি নমানে তাক।
পুছিবাক যোগ্য        হোৱন্ত তোমাৰ,
মিলায়া পণ্ডিত ঝাক॥
শুনি নৃপবৰে        মাতিলা সাদৰে,
ভাল কথা সুমৰাইলা।
বাগীশ তৰ্কক        সাৰ্ব্বভৌমাচাৰ্য্য,
ডকাৰি সবে আনাইলা॥
সত্যত ৰাজেন্দ্ৰ        পণ্ডিতৰ ইন্দ্ৰ,
চক্ৰবৰ্ত্তী আছে যত।
বিদ্যা তপ যোগে        সম্পূৰ্ণ সমস্ত,
শাস্ত্ৰত সবে পাৰ্গত॥
পণ্ডিতৰ গজ        পণ্ডিত সমস্ত,
বেদ বিচাৰক আতি।
গহীন গম্ভীৰ        বুদ্ধিত সুথিৰ,
দশদিশে গৈলা খ্যাতি॥
চন্দন চৌৰাত        আসি বসিলন্ত,
আশীষ কৰি ৰজাক।
ৰজায়ো তাৰাক        আদৰ পূৰ্ব্বক
স্থান দিলা বসিবাক॥
কৰ্পূৰ তাম্বুল        কুসুম চন্দন,
দিয়া সভা ৰঞ্জিলন্ত।
সভাক প্ৰকাশি        সিংহাসনে বসি,
আছা নৃপৱৰ শান্ত॥
শিৰে শ্বেত ছত্ৰ        চামৰ ঢুলন্ত,
উপৰত চন্দ্ৰাতপ।
সুবৰ্ণৰ দণ্ড        তুলি ধৰি আছে,
দৰশনে হৰে পাপ॥

মথুৰ গোপাল আন ভাল ভাল,
ছত্ৰ নাজিৰক আদি।
হাঠিয়াৰ দল শিলৈক্ষা বৰুয়া,
গদাধৰ সত্যবাদী ॥
ধীৰ নাৰায়ণ দৰ্প নাৰায়ণ,
কুমাৰ নায়ক গণ।
পাত্ৰ কটোৱাল লোক ভাল ভাল,
বসিলা আসি তেখন ॥
দেবৰাজ ঋষি ঋষি ব্ৰহ্ম ঋষি,
বসিলা আসি সভাত।
কায়স্থ সকল বৰ বৰ মাল,
আসিলা সবে সি বেলাত ॥
যেন অমৰাৱতী পুৰে দেবসভা,
মধ্যত ইন্দ্ৰ শোভন্ত।
সেহি মতে পৰী— ক্ষিত নৰ ইন্দ্ৰ,
শ্ৰীযুক্ত হৈয়া আছন্ত ॥
সেহি সময়ত নৃপতি বোলন্ত,
শুনা দূত সন্নিধান।
দামোদৰ ভক— তক অতিক্ষণে,
আমাৰ আদেশে আন ॥
ৰজাৰ আজ্ঞাক শিৰোগত কৰি,
দূতে তেতিক্ষণে গৈলা।
শীঘ্ৰ বেগ কৰি এৰায়া নগৰি,
প্ৰভুৰ আগে গিত ভৈলা ॥
নমস্কাৰ কৰি কৃতাঞ্জলি ধৰি,
বোলে প্ৰভু শুনিয়োক।
ৰজাৰ আদেশে যাইবে লাগয়,
শীঘ্ৰে প্ৰভু চলিয়োক ॥

শুনি তেতিক্ষণে মধুৰ বচনে,
মাতিলন্ত দামোদৰে।
শুনা ভক্তগণ কৰিয়ো যতন,
চলিবে লাগয় সত্বৰে॥
এহি বুলি প্ৰভু দোলাতে চৰিয়া,
ভক্ত সমে চলিলন্ত।
বেহুৰা ব্ৰাহ্মণ প্ৰভুৰ লগত,
পয়চাৰে চলিলন্ত॥
কত বেলি যাই সিংহদ্বাৰ পাই,
নামিলেক প্ৰভু তৈত।
বেতৰ পাদুকা চৰণে পিন্ধিয়া,
পশিলা ৰাজ ঘৰত॥
নগৰীয়া যত ভাল ভাল লোক,
লগতে আসিয়া আছে।
প্ৰভুৰ লগতে ভকতে সহিতে,
চলি যায় পাছে পাছে॥
কৃষ্ণৰ চৰণ ধৰি হৃদয়ত,
দেৱ দামোদৰ যান্ত।
প্ৰবেশ মাত্ৰকে সমস্ত ভকতে,
হৰিধ্বনি কৰিলন্ত॥
দেখি সভাসদ ভৈলেক তবধ,
সন্তৰ তেজে ধৰষি।
সাত্বিক যতেক উঠিল প্ৰত্যেক,
কিছু মাত্ৰ ৰৈলা বসি॥
প্ৰভু দামোদৰ সভাৰ ভিতৰ,
প্ৰবেশ ভৈলা যেখন।
পণ্ডিত সমস্তে আতি আৰনতে,
দিয়াইলেক আসন॥

তাত নবহিলা ভক্তে আনি দিলা,
কুশৰ কঠ পাৰিয়া ।
সভাক সংকাৰ কৰি বাৰম্বাৰ,
বসিলা হৰি স্মৰিয়া ॥
ভকত সকলে কঠ ঢৰা পাৰি,
প্ৰভুৰ পাশে বসিলা ।
সিবেলাত যেন সমজ্যাৰ লোক,
বজ্র পড়ি ঝিম গৈলা ॥
সবেও তবধ হুয়া নিশবদ,
আছে যেবে কতক্ষণ ।
পাছে নৰৰায় সভাক শুনাই,
গম্ভীৰে বোলে বচন ॥
শুনা গুৰু জন আমাৰ বচন,
পুছিয়ো দামোদৰত ।
দুৰ্গাৰ পূজাক জাহ্নবীত স্নান,
নকৰে কোন দোষত ॥
যাগ যোগ ব্ৰত এড়িল সমস্ত,
লক্ষ্মী পূজা নকৰয় ।
আন শিক্ষা ধৰি লোকেয়ো আচৰি,
কৰ্ম্মত ভ্ৰষ্ট হোৱয় ॥
এতেক বুলিয়া মৌন ভৈলা ৰজা,
সভাসদে শুনি আছে ।
ৰজাৰ বচন শুনি সেহিক্ষণ,
ৰাগীশে মাতিলা পাছে ॥
শুনা মহান্ত ৰজায়ে পুছন্ত,
কেনে নেদা প্ৰত্যুত্তৰ ।
দেবীক পূজন তীৰ্থক সেবন,
প্ৰসিদ্ধ ইটো লোকৰ ॥

বেদৰ বিহিত ধৰ্ম্ম কৰ্ম্ম যত,
দ্বাদশ যেন নিয়ম ।
পিতৃ মাতৃ শ্ৰাদ্ধ গায়ত্ৰী সন্ধ্যাক,
আন যত নিত্য কৰ্ম্ম ॥
দ্বিজৰ আচাৰ কৰি পৰিহাৰ,
বৌধ মত প্ৰবেশিলা ।
তস্য উপদেশে প্ৰজাক নিঃশেষে,
কৰ্ম্মত বিমুখ ভৈলা ॥
শ্ৰেষ্ঠে যিবা কৰে কনিষ্ঠে আচৰে,
ই বৰ ভৈলা অন্যায় ।
ইহাক পুছিবে লাগি নৰনাথে,
আনিলা ঐক মতাই ॥
এতেক বুলিয়া মৌন হুয়া ৰৈলা
বাগীশ মহাশয় ।
মৌনে সভাসদে আছে নিশবদে,
নজানো আজি কি হয় ॥
বায়ু নবহন্তে যেহেন নিশ্চল,
সাগৰত উৰ্ম্মি নাই ।
সেহি মতে সভা— সদে নিবশদে,
আছে প্ৰভু মুখ চাই ॥
এতেক বচন শুনি তেতিক্ষণ,
প্ৰভু দামোদৰ সন্ত ।
আতি মৃদুস্বৰে বুলিয়া কাতৰে
নিবৰ্ত্তি কথা কহন্ত ॥
শুনা বিজ্ঞজন তোৰা বিচক্ষণ,
পণ্ডিত দিগ্বিজয় ।
মহাৰাজ সোধে কহিবাক লাগে,
আমাৰ যেন নিশ্চয় ॥

তীৰ্থক সেবন দেৱী উপাসন,
ধৰ্ম্ম কৰ্ম্ম যাগ যোগ।
ৰাম কৃষ্ণ নামে সকলে সিজয়,
নলাগে একো উদ্যোগ ॥
তহিতে বহন্ত গঙ্গা যমুনাও,
গোদাবৰী সৰস্বতী।
আন তীৰ্থ যত আছে পৃথিবীত,
স্নানি পাৱে সদগতি ॥
অচ্যুতৰ যত উদাৰ চৰিত্ৰ,
প্ৰসঙ্গ কৰে সতত।
তীৰ্থৰ সমান হোৱে সেহি স্থান,
গীতা ভাগৱত মত ॥
এতেকেসে ৰাম কৃষ্ণ নাম বিনে,
নজানোহু আমি আন।
কৃষ্ণৰ নামত ধৰ্ম্ম কৰ্ম্ম যত,
সবাৰ আশ্ৰয় স্থান ॥
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ,
দ্বাপৰে পূজা সম্প্ৰতি।
কলিত কৃষ্ণৰ নাম ব্যাতিৰেকে,
নাই নাই আন গতি ॥
সন্ত সঙ্গ লৈয়া যৰে হৰি পদে,
আশ্ৰয় নকৰে নৰ।
তৰে ব্ৰহ্মাণ্ডত আয়াযাত কৰি,
ফুৰিবেক নিৰন্তৰ ॥
পঞ্চভূত দেহা যাবৎ থাকয়,
তাবত নাম নেড়িবোঁ।
ইদেহ পড়িলে যেহি যোনি পাওঁ,
জন্মে জন্মে নাম লৈবোঁ ॥

এতেক বুলিয়া মৌনে ৰহিলন্ত,
হৰিৰূপ দামোদৰ।
সভাসদ সবে মৌনে শুনি আছে,
পণ্ডিতে নেদে উত্তৰ॥
পাছে নৰনাথ বুলিলা সাক্ষাত,
শুনিয়ো পণ্ডিত গণ।
দামোদৰে যিবা শ্লোক অর্থ কন্ত,
লক্ষণ মাত্র কল্পন॥
স্বৰূপ নহয় লক্ষণ কল্পয়,
উৎকর্ষ দেখাৱন্ত।
সেহি বেলা যদু— মণি চক্রবর্ত্তী,
নির্ভয়ে বাক্য বোলন্ত॥
বিদুৰৰ আগে মৈত্রেযে কহিছে,
অন্যথা নহে বচন।
গোবিন্দৰ যশ পৰম নির্ম্মল,
অনিন্দিত সুশোভন॥
তাহাক শ্রৱণ কীর্ত্তন স্মৰণ,
কৰয় যিতো সতত।
নুহিবে কৃতার্থ হেনয় সংশয়,
নাহি নাহি স্বৰূপত॥
শুনি নৰপতি বুলিলা ত্বৰিত,
ইতো কোন মহাজন।
কিবা উদাসীন নুহিবা গৃহস্থ,
থাকয় কোন সদন॥
শুনি সভ্যবর্গে কহয় আনন্দে,
নৃপতি পৰীক্ষিতত।
পাটবাউসীত বড়পেটা ততে,
থাকন্ত এহে সাক্ষাত॥

ৰজায়ে বোলন্ত যিতো ভক্ত হন্ত,
সমস্তৰে এক কথা।
ভকতৰ মত ভকতে ৰাখন্ত,
নকৰন্ত যে অন্যথা॥
এতেক বুলিয়া ক্ষণেক থাকিয়া
উঠি নৃপ পৰীক্ষিত।
সভা বিসৰ্জ্জিয়া অন্তেস পুৰত,
প্ৰবেশ ভৈলা ত্বৰিত॥
গৰিহিত কৰি ভাঙ্গিলা সমাজ,
গৈলা সবে ঘৰাঘৰি।
প্ৰভু দামোদৰ বাসাক গৈলন্ত,
কৃষ্ণৰ নাম সুমৰি॥
অপেক্ষা ৰহিত কৃষ্ণ পাৱে চিত,
দিয়া প্ৰভু ৰহিলন্ত।
ৰজা প্ৰজা চয় কাকো নাহি ভয়,
নিৰপক্ষ মহাসন্ত॥
পূৰ্ব্বৰতে হৰি— প্ৰসঙ্গক কৰি,
সেহি বেদুৰাৰ ঘৰে।
আছে মহাসন্ত জগতে নমন্ত,
একে নৃপতিত পৰে॥
প্ৰসঙ্গ স্খলিত নহন্ত কিঞ্চিত,
ৰাত্ৰি দিনে অবিশ্ৰাম।
জগত নিস্তাৰ কাৰণে ঈশ্বৰ
ধৰি দামোদৰ নাম॥
সেহি দামোদৰ দেৱৰ কিঙ্কৰ,
নামত অৰ্জ্জুন সন্ত।
কলিত সেমত বিপ্ৰৰ কালত,
ভক্তি পন্থ ৰাখিলন্ত॥

যাৰ সকাশত আনন্দে ভকত,
মুকুত ভাৱে থাকন্ত।
দ্বাদশ প্ৰসঙ্গ নকৰয় ভঙ্গ,
তেজস্বী সন্ত অত্যন্ত॥
ৰজা প্ৰজা দুঃখী চোৰ সন্ত ভিক্ষি,
পলু পিম্পৰাক লাগি।
চিন্তন্ত কুশল দুঃখী বৎসল,
ঈশ্বৰত বৰ মাগি॥
হেনয় অৰ্জ্জুন দেবৰ চৰণ,
সকাশত মোৰ মন।
কিঞ্চিতেক মন ভৈলন্ত প্ৰসন্ন,
সেৱন্তে তান চৰণ॥
প্ৰভু দামোদৰ দেৱৰ চৰিত্ৰ,
পদবন্ধে গাৱে ইচ্ছা।
মই হেন মূৰ্খ অধম পাতকী,
যদি দেখা কথা মিছা॥
মিছাক এড়িয়ো সঁচাক ধৰিয়ো,
সাধু সভাসদগণ।
মোক অল্প গুণ বাহুল্য কাৰণে,
তোমাসাৰ প্ৰয়োজন॥
সবাৰ পাৱত কাৰো দণ্ডৱত,
মোহৰ দোষ নধৰি।
ৰামৰায় দ্বিজ সন্ত পাৱে আশ,
হৌক বোলা হৰি হৰি॥

# শ্ৰীৰাম যদুমণি।

## গোপাল আতাৰ চৰিত্ৰ।

দুলড়ী

শুনিয়া যেমন পাতিয়া শ্ৰৱণ,
কথা আতি অনন্তৰে।
ভবানীপুৰক ইচ্ছা এড়িবেক,
ভৈলা দেৱ গোপালৰ॥
দেৱতা গোপালে ভকত সকলে,
কৰি সবে আলোচন।
নামে কালঝাৰ গ্ৰাম মধ্যে সাৰ,
যাইবাক কৰিলা মন॥
যত সন্ত স্থান আছয় আসামে,
নাহিকে যাৰ উপাম।
নৰনাৰায়ণ নৃপতি পূৰ্ব্বত,
দিলা কালঝাৰ নাম॥
পোল্লা যাৰ নাম নদী অনুপম,
বহে দক্ষিণক লাগি।
তাহাৰ তীৰত আছে লোক যত,
সবে মহা পুণ্যভাগি॥
অনেক বড়িয়া তটীক বণিয়া,
স্বৰ্ণকাৰ কৰ্ম্মকাৰে।
চূৰ্ণকাৰ মালাকাৰ যেনে সোবা তেলি,
চৰ্ম্মকাৰ কুম্ভকাৰে॥

দৈবজ্ঞ ব্ৰাহ্মণ আন যত যত,
সৱাৰো বসতি স্থান ।
গোপাল দেৱৰ সেৱক বিনাই,
নাহিকয় আন তাঁত ॥
সৰ্ব্বগুণান্বিত শম্ভু শম্ভুকুণ্ড,
ৰম্যস্থান বিতোপন ।
ভক্ত সব সনে কালঝাৰ গ্ৰামে,
কৰিলা পাছে গমন ॥
কালঝাৰ গ্ৰামে আৰু লোক যত,
উদ্যোগ সবে কৰিল ।
গোপাল দেৱৰ থাকিবাৰ ঘৰ,
তেখনে সাজিয়া দিল ॥
কৰি পৰিপাটি সাজি চাৰি হাটি,
নামঘৰ সাজি দিল ।
ভকত সকল লভিয়া গৃহক,
আনন্দে সবে বঞ্চিল ॥
গোপালে বোলন্ত একখানি কথা,
লাগে আৰ কৰিবাক ।
এহি নামঘৰে সাজিবাক লাগে,
এক খানি প্ৰতিমাক ॥
শুনি ভক্ত সবে উঠিয়া তেখনে
কৰিলা সবে বিচাৰ ।
সহিপ গুৰুৰ ঘৰত আছয়,
পাইলা বাৰ্ত্তা প্ৰতিমাৰ ॥
বাৰ্ত্তা পায়া পাছে ভকত সকলে,
গোপালত কহিলন্ত ।
এক গোটা ৰূপ এক জোৰা বস্ত্ৰ,
দিয়া পঠাই খুজিলন্ত ॥

বসন ৰূপক    পায়া তেতিক্ষণে,
ব্ৰাহ্মণে প্ৰতিমা দিলা।
পৰম উৎসবে    প্ৰতিমা আনিবে,
গোপালে আজ্ঞা কৰিলা ॥
গোপালৰ বাক্যে    ভকত সকলে,
তেখনে সবে লড়িলা।
চতুৰ্দোল কৰি    প্ৰতিমাক লৈয়া,
কীৰ্ত্তন আগে কৰিলা ॥
কীৰ্ত্তন কৰিয়া    প্ৰতিমা আনিয়া,
সমীপক আসি পাইলা।
কৰিয়া আদৰ    দেৱতা গোপাল,
আগ বাঢ়িয়া আনিলা ॥
সেহি সময়ত    বনমালী ওজাঁ,
দেখে দেৱ গোপালক।
পূৰ্ন্নিমাৰ চান্দ    আসয় হেৰক,
বুলিয়া গাইলা গীতক ॥
হৰি মন্দিৰৰ    মধ্যত আসন,
পাৰিয়া তাতে থাপিল।
পৰিচৰ্য্যা কৰ্ম্ম    কৰিবাক আজ্ঞা,
সন্যাসী গুৰুক দিল ॥
লোক সমস্তক    ফুল চন্দনক,
দিলাহা কৰি যতন।
গোপালৰ আজ্ঞা    শিৰত ধৰিয়া,
দিলন্ত ফুল চন্দন ॥
নামযে ঘৰৰ    ওপৰ ফালত,
ঘৰ দেৱ গোপালৰ।
দক্ষিণ ফালত    একে লগে ঘৰ,
যদুমণি শ্ৰীৰামৰ ॥

শ্ৰীৰাম দেৱৰ আলক ধৰন্ত,
কৃষ্ণদাস শ্ৰদ্ধা কৰি।
বৰনে আতাৰ জানিবাহা থাকে,
চক্ৰপাণি আলধৰি ॥
দেৱতা গোপালে নাম প্ৰসঙ্গক,
দিলন্ত দুই জনক।
গোপালৰ বাক্যে বসিয়া মোহতে,
কৰা তিনি প্ৰসঙ্গক ॥
গজলাৰ বাপ থাকন্তে ভৰত,
কৰে তৈৰ কৃত্যকাম।
মুখ্য মুখ্য যত ভকত সকল,
শুনা তাসম্বাৰ নাম ॥
পৰমানন্দ ৰাম — চন্দ্ৰ অনিৰুদ্ধ,
আৰু নাৰায়ণ।
পুৰুষোত্তম ৰামচন্দ্ৰ সনাতন,
এহি মুখ্য ভক্ত জন ॥
গোপাল দেৱক কৰিয়া সেৱন,
ভৈল আসি মহাজন।
যবনন্দ ওজাঁ বনমালী ওজাঁ,
বাসুদেৱ নাৰায়ণ ॥
হৰিপতি কৃষ্ণ জয় ৰাম ৰাম,
মুৰাৰি হৰি চৰণ।
নিত্যানন্দ গোপী গুৰু প্ৰাণ হৰি,
ভগৱন্ত সনাতন ॥
জয়ানন্দ গুৰু একাদশ হৰি,
আতাই দুই ৰাম চৰণ।
গোবিন্দ যে গুৰু হৰিদাস শিশু,
দাস আৰু নাৰায়ণ ॥

এহি ভক্ত সবে কৰয় সতত,
নাম ঘৰে প্ৰসঙ্গক।
শ্ৰীৰাম যদু— মণিয়ে কৰন্ত,
অনেক ভাবে প্ৰশ্নক ॥
ভকত সকল হুয়া নিঃশবদ,
শুনি থাকে কৰ্ণ পাতি।
কৰি নিৰীক্ষণ থিৰ কৰি মন,
অনুৰাগ জন্মি আতি ॥
গোপাল দেৱত কৰা প্ৰশ্ন যত,
সিদ্ধান্ত পান্ত তেক্ষণে।
নানানো দোষণ কতোহো কৰন্ত,
গোপালে কৰা খণ্ডন ॥
গোপাল দেৱক কৰিছা সেৱন,
নামত পুৰুষোত্তম।
বুঢ়া গুৰু তান্ক বোলে সৰ্ব্বলোকে,
বিৰক্ত সন্তাপ ৰম ॥
তান লগে এক কথা লাগিলেক,
যদুমণি শ্ৰীৰামৰ।
বৈৰী ৰাজাৰ যোগীৰ গোপীৰ,
বেদ চাৰি দুন্তৰ ॥
কিবা সমগতি আৰা সকলৰ,
আছয় কিবা বিষম।
সমানে সে গতি নাহিকে বিষম,
কহিলা পুৰুষোত্তম ॥
শুনিয়া শ্ৰীৰাম যদুমণি বোলে,
বুলিবা কিয় হেনই।
পতি পুত্ৰ এড়ি গোপিকা সকলে,
কৰিয়া এক নিশ্চয় ॥

কৃষ্ণ দেৱতাৰ সুখে কুৰুক্ষেত্ৰে;
পায়া আছে উপদেশ।
কিয় ছুইবে সম কিন্তু গোপীসৱ,
আৱাত কৰি বিশেষ॥
এহি কথা লাগি কৰা কৰি কৰি,
গৈলন্ত তিনিয়ো জন।
গোপালৰ কাছে কৰিলন্ত পাছে,
এহি কথা নিবেদন॥
শ্ৰীৰাম যদু— মণি বোলে বাপু,
ইটো কথা অঘটন।
গোপীৰ যোগীৰ দেবৰ ৰাজাৰ,
দুইবেক সম কেমন॥
উপদেশ পৰ গোপিকা সকল,
দুইবেক লাগে বিশেষ।
শুনিয়া গোপালে বোলা যিতো গোপী,
পায়া আছে উপদেশ॥
সিতো গোপী সম সবাহাতে শ্ৰেষ্ঠ,
জানিবা নিশ্চয় কৰি।
বৈৰী ৰাজা যোগী বেদ ইতো তিনি,
নুহিকয় সমসৰি॥
যিতো গোপী সব বান্ধিয়া দুৱাৰ,
ৰাখিলা পূজন কৰি।
সেহিসে গোপিকা সফল জানিবা,
এহিন্তেসে সমসৰি॥
পুৰুষোত্তমৰ গুৰুৰ লাগিল,
সংশয় কিছু মনত।
বুলিয়া সমান কহিলন্ত বাপ,
আপুনি মোত পূৰ্ব্বত॥

গোপাল আতাৰ চৰিত্ৰ।

গোপালে বোলন্ত শুনিয়োক গুৰু,
কথাৰ কহো কাৰণ।
প্ৰশ্নৰ দ্বাৰাসে কথা সব আসি,
হোৱে জ্ঞান উদিৰণ ॥
তুমিসে তেখনি ইসব কথাক,
নপাবিলা সুধিবাক।
সেহিসে কাৰণে তোমাসাত মই,
নকৈলো ইতো কথাক ॥
কল্পতৰু বৃক্ষ সবাতে সমান,
যগুপি ফল আছয়।
মাগন্তা জনেসে পাৱয় ফলক,
আনে তাক নপাৱয় ॥
ক্ষীৰ সাগৰত আছয় অমৃত,
মথিলেসে পাৱে তাক।
যদি দুগ্ধ যোগ্য কাম ধেনু হয়,
তাকো লাগে দুহিৰাক ॥
মাগন্তা মথন্তা দোহন কৰন্তা,
আমা সাত জন ভৈলা।
সেহিসে কাৰণে জানা ইদানীক,
ইতো কথা বাজ হৈল ॥
আনো প্ৰশ্ন যত কৰন্ত সতত,
গোপালে প্ৰপঞ্চি কন্ত।
নানান দোষণ কতোহো কৰন্ত;
কৰিবেক কোনে অন্ত ॥
ছোটদলৈ নামে এক বড় আৰ,
তনয় মহা ধৰ্ম্মিষ্ঠ।
নামে জয় কৃষ্ণ মহাগুণৱন্ত,
ধৈৰ্য্যৱন্ত সন্ত শিষ্ট ॥

কামদেৱ নাম আউৰ একজন,
শোভন সৰ্ব্ব কাৰ্য্যত ।
দুই হস্তে বড়ুয়া লভিল আসিয়া
গোপালৰ চৰণত ॥
দেৱতা গোপালে জ্ঞান উপদেশ,
কহিলা প্ৰকট কৰি ।
মহা ভাগৱত ভৈলা দুয়ো জন,
গোপালৰ বাক্য ধৰি ।
কৰিলন্ত সখি অনুৰাগ প্ৰীতি,
অতিবেক দুইহান্তৰ ।
আসনা গমন সততে কৰন্ত,
থানে দেৱ গোপালৰ ॥
গোপালৰ মুখে হৰি কথা শুনি,
থাকা গৈয়া দুয়োজন ।
একোত কহিলা দেৱতা গোপালে,
বুলিলা শুনা যেমন ॥
এতেবেলি কিয় আছা তোৰা সব,
নকৰি গৃহ গমন ।
গধূলিকা বেলা ভৈল আসি হেৰা,
বুলিলা শুনি বচন ॥
হইল বড় ৰঙ্গ পথ আমাসাৰ,
পাৰিবো বাপ যাইবাক ।
গোপালে বোলন্ত তোমাসবে ভাল,
শুনিলা হৰি কথাক ॥
হৰি কথা শুনি লৱড়েক দিয়া
যাইবাক যদি পাৰাহা ।
আমাসাৰ ঐত তোৰা সবো কিনো,
হৰি কথা শুনিলাহা ॥

গোপাল আতাৰ চৰিত্ৰ।

গোপালৰ বাক্য শুনি তাৰা সবে,
কৃ ।। মনে মানিলন্ত।
লৰড় দিবাক নপাই ভক্ত হৈলে,
হেনমতে দেখাইলন্ত॥
কামৰূপে ৰাজ্য ভজিল আসিয়া,
আনো নানা গ্ৰাম যত।
আজি ইতো গ্ৰাম কৰিযা,
ভৈল ভকত॥
অসম ৰাজ্যৰ যত ভক্ত সব,
কৰিল আসি সেৱন।
তাসম্বাৰ কথা কৰিবেক অন্ত,
কৰিয়া কোনে বৰ্ণন॥
অসম ৰাজ্যৰ লোক হৰিপতি,
গুৰু নামে এক জন।
পুৰুষোত্তম বান্ধৱৰ সঙ্গে,
কৰিল গৈয়া বঞ্চন॥
তৈৰ পৰা পাচে কালঝাৰ গ্ৰামে,
গোপালৰ থান গৈলা।
গোপাল দেৱক কৰিয়া সেৱন,
হৰিপতি গুৰু ৰৈলা॥
একদিনা প্ৰতি কৰিলন্ত মতি,
চাহিবাক বান্ধৱক।
দেৱতা গোপাল ভকত সবক,
বুলিলন্ত ভোজনক॥
কৰিয়া ভোজন কৰিল গমন,
ভকত সমে গোপাল।
সেহি সময়ত হৰিপতি গুৰু,
বুলিলন্ত তত্কাল॥

শুনা হৰিপতি থাকিয়োক তুমি,
যাইবে ভয় নলাগয় ।
তোমাক দেখিলে ঠাকুৰৰ মনে,
কিবা অসন্তোষ হয় ॥
শুনি হৰিপতি গুৰু গোপালক,
বুলিলা কৰি বিনয় ।
আপুনাৰ সঙ্গে যাইবে বহু ইচ্ছা,
মনত হুয়া আছয় ॥
গোপালে বোলন্ত যদি যাৱা তুমি,
নযাইবা আগক তান ।
এহি বুলি লড়ি গৈয়া অনন্তৰে,
পাইলা ঠাকুৰৰ স্থান ॥
ঠাকুৰৰ গৃহ পাইয়া চোতালত,
বসিলন্ত কুঠ পাড়ি ।
ভকত সকলে গোপালৰ কাছে,
বসিলন্ত হুয়া সাৰি ॥
সেহি সময়ত আছা ভিতৰত,
ঠাকুৰে কৰি শয়ন ।
বহু বেলি বসি আছন্ত গোপাল,
তথাপি নাহি গমন ॥
ঠাকুৰৰ মাতৃ গোপালক দেখি,
আথেবেথ কৰি গৈ ।
উঠ উঠ বাপু কিয় শুতি আছা,
গোপাল আছন্ত বৈ ॥
মাতৃবাক্য মহৎ স্নেহৰ গোপাল,
আমাতো অত্যন্ত ৰতি ।
বহু বেলি বসি আছা বাট চাই
শীঘ্রে কৰিয়োক গতি ॥

মাতৃৰ বচনে উঠিয়া ঠাকুৰ,
বস্ত্ৰ পৰিধান কৰি।
গৈলন্ত উঠিয়া পুৰ্ণ ভাণ্ডাৰক,
লৈলা সম্ফুৰাত ভৰি॥
সেহি সময়ত হৰিপতি গুৰু,
আথেবেথ কৰি যাই।
দ্বাৰ ঘনে মেলি বুলিবে লাগিলা,
ঠাকুৰৰ মুখ চাই॥
শুনিয়ো ঠাকুৰ কি কৰাহা ঐত,
আচাহা কিয় বসিয়া।
তোমাসাক চাইবে আসিছন্ত আতা,
আছন্ত তৈতে ৰহিয়া॥
হৰিপতি গুৰু শুনিয়া বচন,
ঠাকুৰ পুৰুষোত্তম।
বুলিলা বচন অত্যন্ত ক্ৰোধত,
উঠিলন্ত অগ্নিসম॥
শঙ্কৰৰ নাতি মোহোক ঠাকুৰ,
বুলিয়া তেতৈ মাতস।
মাধৱৰ শিষ্য গোপালক আতা,
সম্বন্ধ কৰি বোলস॥
শুনিছোঁ ঈশ্বৰ গোপালক বোলে,
মানিচয় সৰ্ব্বজনে।
নযাইবোহো নযা— ইবোহো কদাচিত,
বুলিলোঁ দৃঢ় বচন॥
ঠাকুৰৰ মাতৃ গোপালক আসি,
বুলিলা মধুৰ বাক্য।
শুনিয়োক বাপ যাউক তোমৰা,
নেদয় আৰ দেখাক॥

কিবা হেতু মন কন্ট কৰি নাসে,
সাওক আব ইবাব ।
শুনিয়া গোপাল উঠি তৈব পৰা,
কৰিলন্ত নমস্কাব ॥
ইতো বেলা দেখা ঠাকুৰে নেদিলা,
কৰন্ত অধিক আব ।
তথাপি ইহান গৃহক নাহিলে,
নাহিকে দোষ আমাৰ ॥
দেৱতা গোপাল আইলা তযুকাল,
একো বাক্য নুবুলিয়া ।
আমনাগমন নভৈলেক আৰ,
জানিবা সেহি ধৰিয়া ॥
ভক্তসব সমে কালঝাৰ গ্ৰামে,
সুখতে বঞ্চি আছন্তে ।
কামেশ্বৰ গিৰি নামত সন্যাসী,
আইলা পশ্চিমৰ হন্তে ॥
গাৱে ভস্ম ধূলি কপিনৰ ধল,
জণ্টা আস্ত ব্যাঘ্র চৰ্ম্ম ।
দেবী উপাসক কেবলে পাষণ্ড,
নাহিকয় কিছু ধৰ্ম্ম ॥
পৰীক্ষিত ৰাজা সিতো সন্যাসীক,
কৰিল বহু সৎকাৰ ।
যেই বোলে সিতো তাহাক কৰয়,
নকৰে কিছু বিচাৰ ॥
ৰাজাৰ আগত সন্যাসী বোলয়,
শুনিয়োক নৰপতি ।
তোমাৰ ৰাজ্যত অন্যায় ভৈলেক,
যাইব লোক অধোগতি ॥

আশ্বিন মাসত ইতো লোক সবে,
নুপূজয় অম্বিকাক।
পঞ্চ যজ্ঞ বলি দান নকৰয়,
নুপূজয় দেৱতাক ॥
ভক্ত ভৈলো বুলি সব ধৰ্ম্ম তেজি,
নামক কৰে কীৰ্ত্তন।
শুনা মহাৰাজা কৰিয়ো বিচাৰ,
নষ্ট ভৈল সৰ্ব্বজন ॥
সন্ন্যাসীৰ বাক্যে ৰাজা তেতিক্ষণে,
আদেশিলা দূতগণ।
গ্ৰামে গ্ৰামে যায়া দেবী অম্বিকাক,
কৰিয়ো সবে পূজন ॥
মোহোৰ বচনে দেবীৰ পূজাক,
নকৰয় যিতো জন।
অৱশ্য তাহাক কাটিবোহো মই,
বুলিলাঁ দৃঢ় বচন ॥
ৰাজাৰ আদেশে দেশে দেশে গৈল,
অহঙ্কাৰে দূতগণ।
দেৱতা গোপালে শুনিলন্ত পাছে,
ৰাজাৰ হেন বচন ॥
শুনি তেতিক্ষণে ভক্ত সব সমে,
কৰিলন্ত আলোচন।
ইহাৰ উপায় নাহিকয় আন,
কৰো সবে পলায়ন ॥
সেহি সময়ত সুধিয়া পঠালে,
মথুৰদাসে কথাক।
কি হুইবে উপায় কিবা কৰে তাৰা,
কি বোলে বাক্য আমাক ॥

শুনিয়া গোপালে বোলন্ত উপাই,
আৰ আন নাহিকয় ।
পলালে সে কার্য্য এহি সে আমাৰ,
যুগুতি ভয়া আছয় ॥
শুনিয়া মথুৰা— দাসে বোলে হিয়া,
পাইলোঁহো তাৰা যেন ।
ইহাতে থাকিবো কহিকো নযাইবো,
পলাইবো মই কেমন ॥
এহি কথা পাছে শুনিয়া গোপাল,
বুলিলন্ত বচনক ।
নপলায়া সিতো গর্ব্ব বচনৰ,
অৱশ্যে পাইবে ফলক ॥
এহি বুলি পাছে উঠি ত্বৰা কালে,
নামঘৰ ভঙ্গাইলন্ত ।
ভকত সবক ভাঙ্গিয়া ঘৰক,
পলাইবাক বুলিলন্ত ॥
লাগিয়া আমাক নচাইবাহা বাট,
নলইবা বাট কাহাৰ ।
যিতো যেন মতে পাৰাহা সত্বৰে,
কৰা কাম পলাইবাৰ ॥
এহি বুলি দেৱ গোপাল গৃহক,
যায়া কৰি ভোজনক ।
মধ্যাহ্ন বেলাত নজনয়া কাত,
কৰিলন্ত গমনক ॥
ঘোৰ অৰণ্যত প্ৰবেশিলা তাত,
দেৱতা গোপাল বৈলা ।
অহিত শ্ৰীৰাম যদুমণি দোহো,
গোপালৰ গৃহে গৈলা ॥

গোপাল দেৱক নেদেখি গৃহত,
আথেবেথে আসিলন্ত।
সন্যাসী যে গুৰু বড় গুৰু সঙ্গে,
তেতিক্ষণে লড়িলন্ত॥
লড়ি চাৰি জন কৰিলা গমন,
উত্তৰ দেশক লাই।
নব নগৰৰ এক গৃহস্থৰ,
গৃহক পাইলন্ত যাই॥
সেহি গৃহস্থৰ বাড়ীৰ মধ্যত,
আছে গৃহ একখান।
গৃহস্থে উঠিয়া সেহি গৃহে নিয়া,
ৰহিবাক দিলা স্থান॥
চাউল চৰু মৎস্য আঞ্জা খাৰ পা–
সমস্তকে দিলা নিয়া।
ভোজনক প্ৰতি কৰি সবে যুক্তি,
লৈলন্ত কৰ্ম্ম বাণ্টিয়া॥
বড়গুৰু মৎস্য কৰিলা বাচন,
যদুমণি চায়া পাত।
সন্যাসী যে গুৰু জল আনি দিয়া,
শ্ৰীৰামে ৰান্ধন্ত ভাত॥
বড় আতাপাত গৈলন্ত চাইবাক,
জল কৰি বৰি টান।
প্ৰত্যেকে পটুৱা লৈলেক কাটিয়া,
ৰহিলন্ত একখান॥
দেখিয়া শ্ৰীৰামে উঠি তেতিক্ষণে,
চাহিবাক ধৰিলন্ত।
বসি চাৰি জন কৰিয়া ভোজন,
শয়নক কৰিলন্ত॥

প্ৰভাতে উঠিয়া বসি চাৰিজন,
কৰিলন্ত আলোচন ।
কৈক গৈল আতা নপালো উদ্দিশ্য,
কৰোহো কৈক গমন ॥
চত মহাঘৰ গ্ৰামক লাগিয়া,
কিবা আতা গৈছন্ত ।
আমি সবো আসা তৈকে লাগি যাওঁ,
এহি বুলি লড়িলন্ত ॥
কতো বেলি গৈয়া গ্ৰাম পাই পাছে,
কৰিলা তৈতে বঞ্চন ।
এক গৃহস্থৰ গৃহে গুপ্তভাৰে,
ৰহিলাহা চাৰি জন ॥
শুনিলাহা নব কথা মনোহৰ,
গুহ্যতম বিতোপন ।
পৰম মঙ্গল ইতো মহাফল,
ৰসক যশো শোভন ॥
ধৰ্ম্ম অধৰ্ম্মৰ বাদ দুই অন্তৰ,
আছয় সৰ্ব্ব কালত ।
ধৰ্ম্ম সে ৰহয় অধৰ্ম্ম নাশয়,
ধৰ্ম্মক ধৰা সতত ॥
ধৰ্ম্ম চিৰন্তন অধৰ্ম্ম পতন,
জানি তাক পৰিহৰা ।
সভাসদ যত কৰিয়া শ্ৰৱণ
অপ্ৰয়াসে ভৱতৰা ॥